Asom Surya
Kirtinath Hazarika
Birth : 22 July, 1925
Demise : 3 May, 2002

Born at the premier town of Golaghat, he did his Matriculation in the first division from Golaghat Govt. Bezbarua High School established in year 1886 (presently named Golaghat Govt. Bezbarua Higher Secondary School) by the famous educationist Sri Gobinda Chandra Bezbarua,
After completing his education held several responsible jobs and finally established himself at Guwahati as the founder editor of "Dainik Asom".
After retirement he was elected as the president of Asom Sahitya Sabha.
He Served the State with profound zeal, courage and wisdom.
He was recipient of several National awards namely Srimanta Sankardev Award, B.D. Goenka Award and Durga Ratan Award.
He was also conferred upon the Best Asian Statesman Award from Phillipine.
His entire life was an epitome of statesmanship literary and journalistic acumen and transparent life style of struggle and sacrifices.
In collaboration with---
Golaghat Govt. Bezbarua Higher Secondary School and Sponsored by Asom Surya Kirtinath Hazarika Smriti Raksha Samity.

*Inaugurated By:*
Sri Munin Barua, Film Director and ex "Bezbaruan"

*Organised By:*
"Bezbaruan Alumni"

*Sculptor Artist :*
Biju Kumar Das

*Donated By:*
Sri Anjon Hazarika (Son)
Smt. Manika Hazarika (Daughter In-Law)
20th June 2015

## কীৰ্ত্তিনাথ হাজৰিকাদেৰ ৰচিত গ্ৰন্থসমূহ

- চাৰিটা দশকৰ জলঙাইদি
- নাৰদৰ ডায়েৰী
- হুঁচৰিয়ে হাও
- অলৌ গুটি তলৌ গুটি
- ফুটুকাৰ ফেন
- ৰামধেনু (অনুবাদ গ্ৰন্থ)
- গান্ধী- জীৱন কথা (অনুবাদ গ্ৰন্থ)
- এহেজাৰ এনিশাৰ সাধু (অনুবাদ গ্ৰন্থ)
- মতিলাল ঘোষ (অনুবাদ গ্ৰন্থ)
- দাপোণৰ দেশত এলিচ (অনুবাদ গ্ৰন্থ)
- নৈখনে কথা কোৱাৰ দিনা (অনুবাদ গ্ৰন্থ)
- পৃথিৱীখন চালুকীয়া হৈ থাকোঁতে (অনুবাদ গ্ৰন্থ)
- কিতাপৰ বিচিত্ৰ পৃথিৱীখনৰ কথা (অনুবাদ গ্ৰন্থ)
- গৌতম বুদ্ধ (অনুবাদ গ্ৰন্থ)
- তেওঁৰ দ্বাৰা সম্পাদিক দৈনিক বাতৰি কাকত-
  (১) দৈনিক অসমীয়া, (২) নতুন অসমীয়া (১৯৪৯ চনৰ পৰা ১৯৫৬ চনলৈ),
  (৩) দৈনিক অসম (প্ৰতিষ্ঠাপক সম্পাদক) (১৯৬৫ চনৰ পৰা ১৯৮৭ চনলৈ)
- পণ্ডিত দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য্যৰ ৰচনাৱলী "দেৱেন্দ্ৰ সমগ্ৰ" (সম্পাদনা)

## কীৰ্ত্তিনাথ হাজৰিকাদেৱে পোৱা সন্মান তথা বঁটাসমূহ

- ❑ শ্ৰীশ্ৰীশংকৰদেৱ বঁটা (অসম চৰকাৰ)
- ❑ ইণ্ডিয়ান এক্‌চপ্ৰেছ বি ডি গোৱেংকা এৱাৰ্ড
- ❑ দুৰ্গা ৰতন দাস এৱাৰ্ড
- ❑ বেষ্ট এচিয়ান ষ্টেটচ্‌মেন (ফিলিপাইনচ্‌ গভৰ্ণমেণ্ট)
- ❑ কমলনাৰায়ণ চৌধুৰী বঁটা, 'বছৰৰ শ্ৰেষ্ঠ ব্যক্তি' - ১৯৮৬ চন
- ❑ অসম সাহিত্য সভাৰ সভাপতি, ১৯৮৮ চন (হাইলাকান্দি)
- ❑ অসম চৰকাৰৰ দ্বাৰা সাহিত্যিক পেন্সন প্ৰদান
- ❑ সাহিত্যাচাৰ্য, প্ৰাচ্যবিদ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ সভাপতিত্বত গুৱাহাটীত অনুষ্ঠিত ৰাজহুৱা সভাত 'অসম সূৰ্য্য' উপাধি প্ৰদান।

সাংবাদিক কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলী

প্ৰথম খণ্ড

# সাংবাদিক কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলী

## 'দৈনিক অসম'ৰ নিৰ্বাচিত সম্পাদকীয় সম্ভাৰ

## প্ৰথম খণ্ড



অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলী প্ৰকাশন সমিতি

অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা
জন্ম ঃ ২২ জুলাই, ১৯২৫ চন
মহাপ্ৰয়াণ ঃ ৩ মে' ২০০২ চন

ঐতিহাসিক গোলাঘাট চহৰত জন্মলাভ কৰি প্ৰখ্যাত শিক্ষাবিদ গোবিন্দ চন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা ১৮৮৬ চনত প্ৰতিষ্ঠিত গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলৰ (বৰ্তমান গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ জগতসভালৈ ওলাই গৈ "দৈনিক অসম" কাকতৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে যোগদান কৰি সফলতাৰে কাৰ্য্যকাল সমাপ্ত কৰি অসম সাহিত্য সভাক সভাপতিৰূপে নেতৃত্ব দি, শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা, বি.ডি.গোৱেঙ্কা এৱাৰ্ড, দূৰ্গা ৰতন এৱাৰ্ড প্ৰভৃতি ৰাষ্ট্ৰীয় বঁটা আৰু ফিলিপাইনছৰ পৰা "বেষ্ট এছিয়ান ষ্টেটছমেন" শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰাৰ লগতে অন্যান্য স্বীকৃতিৰে অসম মাতৃক উদ্ভাসিত কৰা সাহিত্যিক-সাংবাদিক অসমসূৰ্য্য কীৰ্তিনাথ হাজৰিকা।
গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তত্ত্বাৱধানত
আৰু
অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ হৈ-

উন্মোচক ঃ
শ্ৰীমুনীন বৰুৱা, চলচ্চিত্ৰ পৰিচালক তথা প্ৰাক্তন "বেজবৰুৱান"

ব্যৱস্থাপনা ঃ
প্ৰাক্তন "বেজবৰুৱান"

ভাস্কৰ শিল্পী ঃ
শ্ৰীবিজু কুমাৰ দাস

দাতা ঃ
শ্ৰীঅঞ্জন হাজৰিকা (পুত্ৰ)
শ্ৰীমতী মনিকা হাজৰিকা (বোৱাৰী)
ইং ২০ জুন ২০১৫ চন

# সাংবাদিক কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলী

## (‘দৈনিক অসম’ৰ নিৰ্বাচিত সম্পাদকীয় সম্ভাৰ)

## প্ৰথম খণ্ড

**মুখ্য সম্পাদক**
ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী
**সম্পাদক**
ভুবন লহকৰ
**সহযোগী সম্পাদকদ্বয়**
দীনেশ কলিতা
অঞ্জন হাজৰিকা

**Sambadik Kritinath Hazarika Rachanawali : Pratham Khanda–** A Selected Editorial Collection of Dainik Asam, Published by Asam Surya Kritinath Hazarika Rachonawali Prakasan Samitee, Chandmari Colony, Guwahati-781003
First edition-January, 2016 Price Rs. 600/-

**প্ৰকাশক ঃ**
অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলী প্ৰকাশন সমিতি

**প্ৰথম প্ৰকাশ ঃ**
মাৰ্চ, ২০১৭ চন

© **গ্ৰন্থস্বত্ব ঃ** প্ৰকাশক

**বেটুপাত পৰিকল্পনা ঃ** অঞ্জন হাজৰিকা

**বেটুপাত ঃ** ধীৰাজ কলিতা

**ফটোগ্ৰাফ ঃ** দিব্যজ্যোতি বনিয়া

**অংগসজ্জা ঃ** মিয়াচান্দ আলী

**মূল্য ঃ** পকা বন্ধা ৬০০/- (ছশ) টকা মাত্ৰ

**মূদ্ৰণ ঃ** জেনুইন ট্ৰেডিং এজেন্সি
বামুনীমৈদাম, গুৱাহাটী-৭৮১ ০২১

**যোগাযোগ ঃ**
অঞ্জন হাজৰিকা, ঘৰ নং-২, তীৰ্থনাথ শৰ্মা ভৱনৰ কাষত
চানমাৰি-কল'নি, গুৱাহাটী-৭৮১০০৩
মবাইল ঃ **9435144531, 9957563816**

# অৰ্পণ



প্ৰয়াত কমলেশ্বৰ বৰা



প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ লহকৰ

অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে বিভিন্ন সময়ত
প্ৰাণ আহুতি দিয়া জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে,
সকলো খিলঞ্জীয়া তথা জনগোষ্ঠীৰ জ্ঞাত-অজ্ঞাত
শ্বহীদসকলৰ পূণ্য স্মৃতিত
তথা
আমাৰ এই অনুষ্ঠানৰ প্ৰতিষ্ঠাপক মুখ্য উপদেষ্টা
প্ৰয়াত কমলেশ্বৰ বৰা (ভূতপূৰ্ব আই. এ. এছ.) আৰু
এই অনুষ্ঠানৰ শুভাকাংক্ষী-সক্ৰিয় সদস্য
প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ লহকৰদেৰৰ সোঁৱৰণত
এই সংকলনটি বিনম্ৰভাৱে অৰ্পণ কৰা হ'ল।

# সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা**

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

সাহিত্যাচাৰ্য্য

**উপদেষ্টা**

প্ৰফুল্ল গোবিন্দ বৰুৱা

**মুখ্য সম্পাদক**

ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী

**সম্পাদক**

ভুবন লহকৰ

**সহযোগী সম্পাদকদ্বয়**

দীনেশ কলিতা

অঞ্জন হাজৰিকা

**কাৰিকৰী সদস্য**

অসীম কুমাৰ ডেকা

**সদস্য**

ডাঃ মৃণাল চৌধুৰী

অঞ্জন কুমাৰ দাস

মণিকা হাজৰিকা

দীপিকা খাউণ্ড

ডাঃ দিলীপ ঘোষাল

# শ্ৰদ্ধাৰে সুধাকণ্ঠক স্মৰণ




সাংবাদিক কীৰ্ত্তিনাথ হাজৰিকাৰ লগত একেবছৰতে অসম চৰকাৰৰ দ্বাৰা প্ৰদত্ত শ্ৰীমন্ত শংকৰদেৱ বঁটা গ্ৰহণ কৰোতা, বিশ্ববৰেণ্য শিল্পী চলচিত্ৰকাৰ ড° ভূপেন হাজৰিকাদেৱে এই ৰচনাৱলী প্ৰকাশৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা দিয়াৰ লগতে নানান মূল্যৱান পৰামৰ্শ প্ৰদান কৰিছিল। এই কামৰ বাবে আমি তেওঁৰ ওচৰলৈ কেবাবাৰো গৈছিলোঁ আৰু ব্যস্ততাৰ মাজতো তেওঁ অগ্ৰাধিকাৰ দি হাঁহিমুখে আমাক পৰামৰ্শ দিছিল। প্ৰয়াত সুধাকণ্ঠজনাৰ প্ৰতি আমি কৃতজ্ঞ আৰু এই গ্ৰন্থ প্ৰকাশ ক্ষণত আমি তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।



দৈনিক অসম কাকতৰ প্ৰকাশকৰ সতে একে কাকতৰ
প্ৰতিষ্ঠাপক সম্পাদক কীৰ্ত্তিনাথ হাজৰিকাৰ হোৱা
মনিকাঞ্চন যোগৰ ফলশ্ৰুতিত অসমৰ বাতৰি কাকতৰ
ইতিহাসত নতুন দিগন্তৰ সৃষ্টিকৰ্তা
সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা

# মুখ্য সম্পাদকৰ কলমত

১৯৬৫ চনত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই তেওঁৰ স্বভাৱ সিদ্ধ পৰিকল্পনা সমূহৰ দৰেই আৰু এটা, অসমৰ জাতীয় জীৱনৰ বৌদ্ধিক দিশত আলোকপাত কৰি অসমৰ জনজীৱনক সমৃদ্ধ কৰিবলৈ নতুন পৰিকল্পনা গ্ৰহণ কৰিছিল। সেয়া আছিল তেওঁৰ দ্বাৰাই প্ৰকাশিত ইংৰাজী বাতৰি কাকত 'দ্য আসাম ট্ৰিবিউন'' গ্ৰুপৰপৰাই এখনি দৈনিক অসমীয়া বাতৰি কাকত প্ৰকাশ কৰা। সেই পৰিকল্পনা বাস্তৱায়িত হৈছিল; প্ৰকাশিত হৈছিল আজি, কালৰ কঠিন পৰীক্ষাত উত্তীৰ্ণ হৈ ৰূপালী জয়ন্তীৰ সোপান অতিক্ৰম কৰি সোণালী জয়ন্তীত সফলতাৰে খোজ দিয়া তথা জনপ্ৰিয়তাৰ বিশাল, উন্নত শিখৰলৈ বলাকা ধিয়াই উৰি গৈ থকা ''দৈনিক অসম'' কাকতৰ।

নৱ নৱ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লগতে নিতে নৱ সংগ্ৰামৰ সন্মুখীন হোৱা এই সংবাদ সঞ্চাৰী সমৰৰ ৰাধাগোবিন্দৰ ৰথৰ কাণ্ডাৰী আছিল সাংবাদিক শিল্পী কীৰ্ত্তিনাথ হাজৰিকা। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা আৰু অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকাৰ এই মণিকাঞ্চন যোগে সেই ১৯৬৫ চনৰেপৰা এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ হাতত নিষ্পেষিত হৈ অহা অসম আৰু বৃহত্তম অসমীয়া জনগোষ্ঠীৰ সমূহ জনগোষ্ঠীৰ প্ৰতিজন নাগৰিকৰে বৃহত্তৰ স্বাৰ্থত আপোচ নকৰাকৈ মাত মাতি আহিছে, সংবাদ পৰিৱেশন কৰিছে আৰু নিৰ্ভীক মন্তব্যৰে সম্পাদকীয় লিখিছে আৰু প্ৰকাশো কৰিছে। ফলশ্ৰুতিত লাভ কৰিছে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ কোপ দৃষ্টি আৰু লগতে ৰাইজৰ সজাগতা বৃদ্ধি হৈছে আৰু বহু ক্ষেত্ৰত লভিছে ন্যায্য প্ৰাপ্তিৰ দুৰুহ সৌভাগ্য।


তাহানিৰেপৰা আজিলৈকে প্ৰকাশিত, ''দৈনিক অসম''ৰ সম্পাদকীয়সমূহ অসমীয়া জাতিৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক নিষ্পেষণৰ বাবে অসমীয়াৰ বুভুক্ষিত মনৰ বহিঃপ্ৰকাশ। দৈনিক অসমত বুলনিতে প্ৰকাশ পাইছিল অসমৰ-অসমীয়াৰ চিৰ লগৰীয়া বানপানীৰ দুৰ্যোগৰ কথা। সেই সংবাদ- সেই আৰ্জি প্ৰকাশ পাবৰ আজি পঞ্চাছ বছৰ পাৰ হৈ গৈছে। দৈনিক অসমে আজিও প্ৰকাশ কৰিয়েই আছে বানপানীৰ সমস্যাৰ কথা। এই কথাই প্ৰমাণ কৰে দৈনিক অসমৰ প্ৰতিস্থাপক সম্পাদক আৰু পৰৱৰ্তী কালৰ সম্পাদক সকলৰ চিন্তাৰ সুৰৰ ঐক্যতান।

কীৰ্ত্তিনাথ হাজৰিকাৰ ''দৈনিক অসম''ৰ সম্পাদকীয়ৰ বিষয় বস্তুৰ নিৰ্বাচন আৰু সেইসমূহৰ বিশ্লেষণৰ ধাৰা আছিল অপূৰ্ব আৰু অগতানুগতিক। সম্পাদকীয়সমূহে অসমৰ পৰিবহন ব্যৱস্থা, জল পৰিবহন সমস্যা, ক্ষুদ্ৰ শিল্পৰ উন্নয়নৰ সমস্যা, অসমত ৰাজ্যভাষা প্ৰয়োগৰ সমস্যা, অসমত আইন-কানুন, অসমীয়া কৃষকৰ ভূমি সমস্যা ইত্যাদি প্ৰদেশখনৰ এশ এবুৰি সমস্যা। এই সমস্যাসমূহৰ বেছি ভাগেই আজিও অসমৰ আৰু অসমীয়াৰ বাবে সমস্যা হৈয়েই আছে।

অসমৰপৰা অবৈধ বিদেশী নাগৰিক ন্যায়িকভাৱে বিতাৰণ কৰা শান্তি আন্দোলন চলাই নিয়াত বৌদ্ধিক দিক নিৰ্দেশনা কৰা তথা অসমীয়াৰ স্বাৰ্থত কাম কৰিব বুলি ভ্ৰান্ত ধাৰণা আৰু আশাৰে অসমত আঞ্চলিক দলক দুবাৰকৈ ক্ষমতালৈ অনাৰ তেৰেঁই আছিল অন্যতম হোতা। অথচ অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি এই লেখক-সাংবাদিকজনাৰ অমূল্য ৰচনা সম্ভাৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰত কোনো ব্যক্তি বা প্ৰতিষ্ঠান আগবাঢ়ি নাহিল। এনে সময়তে ''অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা স্মৃতি ৰক্ষা সমিতি''ৰ সভাপতি বন্ধুবৰ প্ৰাচ্যবিদ-প্ৰিঞ্চিপাল ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, সাহিত্যচাৰ্য্যদেৱে এই দিশত আগবাঢ়িবলৈ স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক আৰু কোষাধ্যক্ষক পৰামৰ্শ দিয়ে। সেই মৰ্মে অনুজ ভুবন লহকৰ আৰু অঞ্জন হাজৰিকাই আমাৰ লগত আলোচনা কৰে। সেই সময়ত ''দৈনিক অসমৰ'' সোণালী জয়ন্তী অনুষ্ঠান পতাৰ যো-যা চলিছে। ভাব আহিলত পৰামৰ্শ দিলোঁ যে ''দৈনিক অসম''ৰ নিৰ্বাচিত সম্পাদকীয়ৰ সংকলন খণ্ড হিচাবে প্ৰকাশ কৰিলে ভাল হয়। মনৰ ভাব ব্যক্ত কৰিলত ড° ভট্টাচাৰ্য্য, ভুবন আৰু অঞ্জন তথা অন্যান্য সদস্যসকলে বৰ ভাল পালে আৰু সেই মৰ্মে আগবাঢ়িবলৈ মনস্থ কৰি সম্পাদনাৰ গুৰু দায়িত্ব এই অভাজনৰ ওপৰত ন্যস্ত কৰিবলৈ স্থিৰ কৰি সেই

মৰ্মে আৰ্জি কৰিলে। প্ৰস্তাৱটো গ্ৰহণ কৰিলোঁ, কাৰণ প্ৰাচ্যবিদ—অসম প্ৰাণ ভট্টাচাৰ্য্যৰ কথা পেলাব নোৱাৰোঁ আৰু মোৰ মৰমৰ ভুবন লহকৰ আৰু অঞ্জন হাজৰিকাৰ লগত বিগত তিনিটা দশকযুৰি মোৰ মধুৰ নিবিড় সম্পৰ্ক। কৃষ্ণ-অৰ্জুনৰ দৰে এই বান্ধবদ্বয়ে বিগত বহু বছৰ যুৰি আমাৰ কিছু সামাজিক-সাংস্কৃতিক কামৰ সতে জড়িত। তাৰোপৰি অসমীয়াৰ স্বাৰ্থৰ সতে সম্পৰ্কিত এটা বিষয়। সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিলোঁ। কীৰ্ত্তিনাথ হাজৰিকা সম্পাদিত দৈনিক অসমৰ সম্পাদকীয়সমূহ “দ্য আসাম ট্ৰিবিউন” প্ৰতিষ্ঠানৰ লাইব্ৰেৰী-আকাইড, শ্ৰীশংকৰদেৱ কলাক্ষেত্ৰ, অসম ৰাজিক্য পুথিভঁৰাল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু আসাম মিডিয়া ট্ৰাষ্টত চিৰযুগমীয়া হৈ থাকিব। আনহাতে অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা ৰচনাৱলীৰ “দৈনিক অসমৰ নিৰ্বাচিত সম্পাদকীয়সমূহৰ কিয়দ অংশ আগ্ৰহী পাঠক সমাজে হাতে হাতে লৈ সহজে পঢ়ি চিন্তাৰ সাগৰত নিমজ্জিত হ’ব পাৰিব বুলি মোৰ দঢ় বিশ্বাস।

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱৰ পৰামৰ্শ, প্ৰকাশক সমিতিৰ দিহা, ভুবন-অঞ্জন যুটিৰ নেতৃত্বত এচাম কাৰিকৰী জ্ঞান সম্পন্ন ব্যক্তিৰ নিৰলস প্ৰচেষ্টা আৰু অঞ্জন হাজৰিকা আৰু মণিকা হাজৰিকাৰ (প্ৰয়াত কীত্তিনাথ হাজৰিকা ডাঙৰ বোৱাৰী) ধনৰ লগ্নীৰ বাবে এই গ্ৰন্থ প্ৰকাশ হোৱাটো সম্ভৱ হৈ উঠিছে। সদৌটিলৈ মোৰ হিয়াভৰা ওলগ আৰু অসম প্ৰেমী ভাবী পঢুৱৈসকললৈ মোৰ শুভেচ্ছা থাকিল। গভীৰ চিন্তা উদ্ৰেককাৰী গ্ৰন্থখন সকলোৰে বাবে সুখপাঠ্য হওক, এয়েই কামনা।



**(ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী)**
**মুখ্য সম্পাদক**

# সবিনয় নিবেদন

২০১১ চনৰ মে' মাহৰ ২৬ তাৰিখে দিশপুৰৰ গাম দেলিকেচি ৰেষ্টুৰেণ্টত "অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ সভা এখনি সভাপতি ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত সমিতিৰ তৎকালীন মুখ্য উপদেষ্টা অধুনা প্ৰয়াত কমলেশ্বৰ বৰা আই. এ. এচ. (অৱসৰ প্ৰাপ্ত) আৰু সদস্য ডাঃ মৃণাল চৌধুৰী, বীৰেন্দ্ৰ কুমাৰ লহকৰ, নৰেন হাজৰিকা, কোষাধ্যক্ষ অঞ্জন হাজৰিকা আৰু সম্পাদক ভুবন লহকৰ উপস্থিত থাকে। সভাত কীৰ্ত্তিনাথ হাজৰিকাদেৱৰ স্মৃতি ৰক্ষাৰ বাবে বিভিন্ন দিশ সামৰি আলোচনা কৰাৰ লগতে সাহিত্যিক সাংবাদিক হাজৰিকাদেৱৰ লেখনিসমূহ একত্ৰ কৰি খণ্ড আকাৰে প্ৰকাশ কৰিবলৈকো প্ৰস্তাৱ লোৱা হয়। ইতিমধ্যেই দৈনিক অসম কাকতৰ সোণালী জয়ন্তী বৰ্ষ সমাগত হোৱাত হাজৰিকাদেৱৰ দ্বাৰা সম্পাদিত দৈনিক অসমৰ নিৰ্বাচিত সম্পাদকীয় সমূহ খণ্ড আকাৰে গ্ৰন্থ ৰূপত প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হয়। মুখ্য সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয় সমাজকৰ্মী আৰু একালৰ দৈনিক অসমৰ সম্পাদক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীদেৱক। সম্পাদকৰ দায়িত্ব তথা সহযোগী সম্পাদকৰ দায়িত্ব আমি তিনিওজনে ল'বলগীয়াত পৰিলোঁ।

পঞ্চাছ বছৰ পূৰ্বে নিউজ প্ৰিণ্টত ছপা কৰা কাকতৰপৰা ডিজিটেল কেমেৰা, ডিটিপিৰ মাধ্যমেৰে বৰ্তমান ৰূপলৈ চপা কাৰ্য্য পৰিস্ফুট কৰা হৈছে। যিমান পাৰি ভুল নকৰিবলৈ যত্ন কৰা হৈছে যদিও কিছু ভুল ৰৈ যোৱাটো স্বাভাৱিক। তাৰবাবে পাঠক সমাজৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থী। সম্পাদকীয়সমূহ নিৰ্বাচন কৰাৰ ক্ষেত্ৰত বিষয় বস্তু, তেওঁৰ অনন্য ভাষা আৰু ভাব আৰু ভৱিষ্যৎ চিন্তাই আমাক সহায় কৰিছে। কীৰ্ত্তিনাথ হাজৰিকাৰ এসময়ৰ সংবাদসেৱা ক্ষেত্ৰৰ সতীৰ্থ ভাষাবিদ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱে এই ক্ষেত্ৰত বহু খিনি সহায় কৰিছে।

এই কথা ইয়াত দোহাৰিবৰ প্ৰয়োজন নাই যে সময় গতিশীল আৰু ই কালৈকো ৰৈ নাথাকে। ৰজা-প্ৰজা, সকলোকে সময়ৰ নিৰ্মম হাতোৱাই নিৰ্মমভাৱে, সমানেই চুই যায়। আমাৰ এই গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনাৰ আদি স্তৰৰে পৰা বহুদিন ধৰি আমাৰ অগ্ৰজ-সুহৃদ, প্ৰখ্যাত কথাশিল্পী, গ্ৰন্থ বিক্ৰেতা, "শংকৰদেৱ লাইব্ৰেৰী"ৰ স্বত্বাধিকাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ অৱসৰী বিষয়া বীৰেন্দ্ৰ কুমাৰ লহকৰদেৱ জড়িত হৈ আছিল যদিও তেওঁ হঠাতে অসুস্থ হৈ পৰে আৰু তেওঁৰ মৃত্যু ঘটে। লহকৰদেৱৰ অকাল বিয়োগত আমি "অসমসূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা স্মৃতি ৰক্ষা সমিতি"য়ে এগৰাকী হিতৈষী পুৰুষক হেৰুৱালোঁ; সমিতিৰ পৰিয়ালৰ আমি সমগ্ৰজনেই মৰ্মাহত। এই অনুষ্ঠানৰ প্ৰতি তেওঁ আগবঢ়োৱা সেৱাৰ কথা আমি ইয়াতেই শ্ৰদ্ধাৰে স্মৰণ কৰিছো। বীৰেন্দ্ৰ কুমাৰ লহকৰদেৱৰ আত্মাই চিৰশান্তি লাভ কৰক আৰু তেওঁৰ পবিত্ৰ স্মৃতি অমৰ হৈ থাকক, এয়েই নেদেখাজনৰ ওচৰত আমাৰ প্ৰাৰ্থনা।

কীৰ্ত্তিনাথ হাজৰিকাদেৱৰ জাতীয়তাবাদী সত্বাৰ পূৰ্ণ প্ৰতিফলন ঘটিছিল, দৈনিক অসমত তেওঁ লিখা সম্পাদকীয়সমূহত। আন্তৰ্জাতিক প্ৰেক্ষাপট, পশ্চিমীয়া দেশসমূহৰ আৰ্থিক, ৰাজনৈতিক আৰু আৰু সাংস্কৃতিক দিশসমূহ সামৰাৰ উপৰিও নিজ ৰাজ্যসমূহৰ বিলাই বিপত্তিও তেওঁ সম্পদকীয়ৰ মাধ্যমেৰে প্ৰকাশ কৰিছিল। অসমৰ জাতীয় স্বাৰ্থৰ অনুকুলে অহা এই অমূল্য "সম্পাদকীয়" শীৰ্ষক লেখনিসমূহ এই গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। নোপোৱাৰ বেদনা, বঞ্চনাৰ ইতিহাস, খিলঞ্জীয়া- সৰ্বহাৰা নাগৰিকৰ বিদ্ৰোহী মনৰ পুঞ্জীভূত ক্ষোভৰ এই সংকলন এক ৰক্ত ৰঞ্জিত দলিল।

আজিৰ অসমত, অসমীয়া সমাজখন কোন দিশে গতি কৰিছে সেই বিষয়ে ন কৈ দোহৰাৰ প্ৰয়োজন নাই, কিন্তু বিভিন্ন বিষয় বস্তুৰ ক্ষেত্ৰত চিন্তাৰ গতি কোন দিশে পোনাব লাগিব, সেই দিক দৰ্শনৰ বাবে এই গ্ৰন্থ পঢ়াৰ প্ৰয়োজন আছে।

সংকলন খনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশত দিহা-পৰামৰ্শ-সহায়ৰ হাত আগবঢ়াইছে "দ্য আসাম ট্ৰিবিউন" কাকতৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাদেৱ, দৈনিক অসম' কাকতৰ সম্পাদক ৰাধিকা মোহন ভাগৱতী, কাৰ্যকৰী সম্পাদক মুনিন বায়নদেৱে। সদৌটিলৈকে আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিছোঁ। "আসাম ট্ৰিবিউন গ্ৰুপ"ৰ সঞ্চালকদ্বয় সুৰজিত গোবিন্দ বৰুৱা আৰু শ্ৰীমতী ববিতা ৰাজখোৱায়ো আমাক বহুখিনি দিহা পৰামৰ্শ জ্ঞাপন কৰিছে। দুয়ো গৰাকীলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। স্মৃতি ৰক্ষা সমিতিৰ সভাপতি ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱে অভিভাৱকৰ দায়িত্বেৰে আমাক প্ৰতিমুহূৰ্ততে সাহস আৰু উৎসাহ যোগাই আহিছে। আমি চিৰকৃতজ্ঞ। উদ্যোগীপুৰুষ অঞ্জন দাসে গ্ৰন্থখনি ছপা-বন্ধাৰ দায়িত্ব গ্ৰহণ কৰি আমাৰ কাম বহুখিনি লাঘৱ কৰি দিয়া বাবে তেওঁকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। বৰ যত্নসহকাৰে অক্ষ্যৰ বিন্যাস কৰি দিয়া মিয়াচান্দ আলী, ধীৰাজ কলিতা, অশোক শৰ্মা; অন্যান্য দিশত সহায় আগবঢ়োৱা বাবে ধনঞ্জয় চক্ৰৱৰ্তী, সমৰেন্দ্ৰ শৰ্মা আৰু দীপিকা খাউণ্ডলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল। আমাৰ এই কৰ্মকাণ্ডৰ পৰিকল্পনা আৰু কাৰ্য্যাৱলী আগবঢ়াই নিয়াৰ প্ৰতিটো পদক্ষেপতে আমি আন্তৰিক দিহা-পৰামৰ্শ আৰু সহায় লাভ কৰিছোঁ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য আৰু উপদেষ্টা বিপুল ৰাভাৰ পৰা; আমি এই আপাহতে দুয়োগৰাকীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।


এই গ্ৰন্থ ছপাৰ বিভিন্ন কামত সহযোগীতা আগবঢ়োৱা প্ৰমোদ বৰমহেলাকো আন্তৰিক ধন্যবাদ যাচিছোঁ। গ্ৰন্থত প্ৰকাশ হোৱা ফটোসমূহ তোলা তথা নবীকৰণ কৰি দিয়া আৰু এই গ্ৰন্থৰ ছপা ৰূপৰ সম্পাদকীয়সমূহ ডিজিটেল ফটোগ্ৰাফিৰ লগতে আখৰ বিন্যাস কৰা পৰ্যায়লৈ উন্নীত কৰি দিয়া বাবে জনপ্ৰিয় আলোকচিত্ৰ শিল্পী তথা চলচিত্ৰৰ দক্ষ কেমেৰামেন দিব্যজ্যোতি বণিয়ালৈ আমাৰ অশেষ কৃতজ্ঞতা থাকিল। বন্ধুবৰ অসীম কুমাৰ ডেকাৰ কাৰিকৰী পৰামৰ্শ অবিহনে এই কাম কৰাত বহুখিনি জটিলতা আহিলহেতেন। তেওঁৰ পৰামৰ্শাৱলীৰ বাবে আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অসম সূৰ্য্য কীৰ্ত্তিনাথ হাজৰিকা স্মৃতি ৰক্ষা সমিতিয়ে বিশেষ অহোপুৰুষাৰ্থ কৰি এই গ্ৰন্থখনি ৰাইজৰ হাতত তুলি দিছে। এতিয়া এই সম্পাদকীয় সংকলনটি অসম প্ৰেমী ৰাইজে মৰম কৰিলে আমি কৃতাৰ্থ মানিম।

**সম্পাদনা সমিতিৰ হৈ**

ভুবন লহকৰ
সম্পাদক

দীনেশ কলিতা, অঞ্জন হাজৰিকা
সহযোগী সম্পাদকদ্বয়



'দৈনিক অসম'ৰ সম্পাদকৰ কোঠালিত কৰ্মৰত অৱস্থাত
সম্পাদক কীৰ্ত্তিনাথ হাজৰিকা

**জন্ম** ঃ ইং ২২ জুলাই, ১৯২৫ চন
**মৃত্যু** ঃ ইং ৩ মে, ২০০২ চন

# সূচী-পত্ৰ

## ১৯৬৫


| | |
|---|---|
| পাতনি ঃ আমাৰ ওলগ | ২৩ |
| লোকপ্ৰিয় | ২৪ |
| বিজ্ঞান - শিক্ষা | ২৫ |
| বহ্বাৰম্ভে লঘুক্ৰিয়া | ২৬ |
| নতুন মূল্যাঙ্কন | ২৭ |
| পৰিয়াল পৰিকল্পনা | ২৮ |
| বিদ্যুৎ আঁচনি | ২৯ |
| চতুৰ্থ পৰিকল্পনা | ৩০ |
| চৰকাৰৰ নিৰ্লিপ্ততা | ৩১ |
| পোন্ধৰ আগষ্ট | ৩২ |
| সময়ৰ আহ্বান | ৩৩ |
| চাকৰি আৰু শিক্ষা | ৩৪ |
| অসাৰ্থক | ৩৬ |
| পৰিপূৰক বাজেট | ৩৭ |
| একে কাহিনী—এইবাৰ খোৰা তেল | ৩৯ |
| আমাৰ কৰ্ত্তব্য | ৪০ |
| ভিতৰ চ'ৰাত এভূমুকি | ৪১ |
| কোনো খেদ নাই | ৪২ |
| নগালেণ্ড | ৪৩ |
| লণ্ডনৰ আলোচনাত | |
| নগালেণ্ড সম্বন্ধে আপত্তিজনক প্ৰবন্ধ | ৪৪ |
| চৰকাৰী ভাষা আইন | ৪৫ |
| অন্তৰীক্ষৰ অন্তৰায় | ৪৬ |
| নগৰ পাৰিকল্পনা | ৪৭ |
| ভুট্টোৰ কৌশল | ৪৮ |
| বৰ্ত্তমান আমাৰ কৰ্ত্তব্য | ৫০ |

আমাৰ দায়িত্ব ৫০
শক্তিৰ সাধনা ৫২
জন্ম জয়ন্তী ৫৩
ইণ্ডোনেছিয়াৰ নাটক ৫৪
জৰুৰী পৰিকল্পনা ৫৫
কপালৰ ঘাম ৫৭
বিকল্প নৌপথ ৬০
নগালেণ্ড ৬১
অভিসন্ধি ৬২
কিহৰ কঙালি? ৬৩
বিধিগত ৰেচনিং ৬৪
বন সম্পদ ৬৫
সংগ্ৰাম আৰু শান্তি ৬৭
কুৰি অক্টোবৰ ৬৯
প্ৰধানমন্ত্ৰীৰ আহ্বান ৭০
ৰাষ্ট্ৰসঙঘৰ অবিচাৰ ৭০
দস্যু বৃত্তি ৭১
কৃষি উৎপাদন ৭২
ফিজো প্ৰসঙ্গ ৭৩
পৰ্য্যবেক্ষক মিছন ৭৪
প্ৰশ্ন কাকতৰ ভাষা ৭৪
প্ৰধানমন্ত্ৰী শাস্ত্ৰীলৈ ওলগ ৭৬
আমাৰ সচেতনতা ৭৮
সীমান্তত প্ৰচাৰ ৭৯
দৃঢ়তাৰ অভিব্যক্তি ৮০
সঞ্চয় অভিযান ৮১
অসমৰ যোগাযোগ ৮১

## ১৯৬৬

বিতৰ্কৰ উত্তৰ ৮২

| | |
|---|---|
| অতি লজ্জাজনক | ৮৩ |
| কূটবুদ্ধি | ৮৫ |
| খাদ্য-প্ৰসঙ্গ | ৮৬ |
| শোচনীয় পৰিস্থিতি | ৮৮ |
| খাদ্যবস্তুৰ ব্যৱসায় | ৮৯ |
| মিজো বিদ্ৰোহী | ৯০ |
| গাওঁ অঞ্চলত উচ্চশিক্ষা | ৯১ |
| সমস্যা ঃ মাটিৰ আৰু নীতিৰ | ৯৩ |
| বিদায় স্কট | ৯৪ |
| চাউলৰ যোগান | ৯৬ |
| মাইকেল স্কট নামৰ যাজকজন | ৯৭ |
| পাৰ্বত্য জনজাতীয় অঞ্চল | ৯৮ |
| মিজো বিদ্ৰোহ | ১০০ |
| মাছ নাই | ১০২ |
| বিপজ্জনক দৃষ্টিকোণ | ১০৩ |
| বিদ্ৰোহী নগা আৰু চৰকাৰ | ১০৫ |
| শ্ৰদ্ধাঞ্জলি | ১০৬ |
| অসমৰ কয়লা | ১০৬ |
| আকৌ ফিজো ! | ১০৭ |
| ‘বৈপ্লৱিক’ পৰামৰ্শ | ১০৮ |
| উদ্বেগজনক | ১১০ |
| চাউল আছে, দামহে বেছি | ১১১ |
| পূৰ্বাঞ্চল পৰিষদত অসম | ১১১ |
| থলুৱা লোকৰ সমস্যা | ১১৩ |
| কেন্দ্ৰীয় মন্ত্ৰীৰ পৰামৰ্শ | ১১৪ |
| ভাৰত-ৰুছিয়া-পাকিস্থান | ১১৫ |
| পৰীক্ষাৰ ভাষা | ১১৬ |
| চিঁটী বাছ | ১১৭ |
| কংগ্ৰেছৰ প্ৰস্তাৱ আৰু ৰাইজৰ কৰ্ত্তব্য | ১১৮ |
| আমাৰ এবছৰ | ১২০ |

| | |
|---|---|
| আচৰণ-বিধি | ১২১ |
| নিৰৱ কিয়? | ১২৩ |
| আমাৰ মৰ্য্যাদা | ১২৪ |
| বিদ্ৰোহী নগা আৰু আলোচনা | ১২৫ |
| শ্ৰীআও ক্ষমতাচ্যুত | ১২৬ |
| ৰাষ্ট্ৰপতিৰ আহ্বান | ১২৭ |
| পাকিস্থানলৈ সাহায্য | ১২৭ |
| আত্মবিশ্লেষণ কৰক | ১২৮ |
| ৰপ্তানি বৃদ্ধিৰ প্ৰচেষ্টা | ১৩০ |
| পাকিস্থানৰ যুদ্ধ সজ্জা | ১৩০ |
| কাশ্মীৰ নীতি | ১৩১ |
| আকৌ বান | ১৩২ |
| গুৱাহাটী বিশ্ববিদ্যালয় লীলা | ১৩৩ |
| চাকৰিৰ খতিয়ান | ১৩৪ |
| দৰমহাৰ স্থিতাৱস্থা | ১৩৫ |
| পাৰ্বত্য অঞ্চলৰ বাবে শেহতীয়া প্ৰস্তাৱ | ১৩৬ |
| ছুটী | ১৩৭ |
| আইন-শৃঙ্খলাৰ প্ৰশ্ন | ১৩৮ |
| বানপানী আৰু খাদ্য | ১৩৯ |
| হুলেৰে হুল কাঢ়ক | ১৪০ |
| আয়ুৰ্বেদীয় কাৰখানা | ১৪১ |
| আমাৰ প্ৰস্তুতি | ১৪২ |
| শিক্ষকৰ মৰ্য্যাদা | ১৪৩ |
| পৰিস্থিতি আৰু কৰ্তব্য | ১৪৪ |
| নিৰ্মম সত্য | ১৪৫ |
| ‘অসম বন্ধ’ আন্দোলন পৰিত্যাগ | ১৪৫ |
| বৈদেশিক প্ৰচাৰ | ১৪৬ |
| অস্বস্তিকৰ | ১৪৭ |
| বেজবৰুৱা শতবাৰ্ষিকী | ১৪৮ |

| | |
|---|---|
| নতুন নাৰদ | ১৪৯ |
| চাহ বাগিচাৰ কথা | ১৫০ |
| নাট্য আন্দোলন | ১৫১ |
| গুৱাহাটীৰ পানী-যোগান ব্যৱস্থা | ১৫২ |
| সমস্যাৰ ভঁৰাল | ১৫৩ |
| আৰু দহ বছৰ? | ১৫৫ |
| সাধুতাৰ সাধু কথা | ১৫৬ |
| নিৰাশজনক | ১৫৭ |
| সাধাৰণ পৰিষদ | ১৫৮ |
| বানপানী | ১৫৮ |
| তৎপৰতা লাগে | ১৫৯ |
| এখন বিয়োগান্ত নাট | ১৬০ |
| গুৱাহাটী মেডিকেল কলেজ | ১৬১ |
| "সংগ্ৰহকুমাৰ" | ১৬২ |
| ভাষা আইনৰ প্ৰয়োগ | ১৬৩ |
| নিৰাপত্তা ঃ ৰেলপথ আৰু সীমান্তত | ১৬৪ |
| ব্যয় সংকোচন | ১৬৫ |
| বিদ্ৰোহী নগাৰ তৎপৰতা | ১৬৬ |
| দুই অক্টোবৰ | ১৬৬ |
| ছাত্ৰৰ নিয়মানুবৰ্ত্তিতা | ১৬৭ |
| ছাত্ৰৰ বিক্ষোভ | ১৬৯ |
| বিদ্ৰোহীৰ গতি-বিধি | ১৬৯ |
| পুলিচৰ আচৰণ | ১৭০ |
| এটা বিন্দুক কেন্দ্ৰ কৰি | ১৭১ |
| অসমৰ চতুৰ্থ পৰিকল্পনা | ১৭২ |
| ৰুছ-মাৰ্কিন সম্পৰ্ক | ১৭৩ |
| আকৌ অনুপ্ৰৱেশকাৰী | ১৭৪ |
| ল'ৰামতীয়া | ১৭৬ |
| মন্ত্ৰীসভাৰ সঙ্কট | ১৭৬ |
| ৰাজনীতিৰ বেমাৰ | ১৭৭ |

নিষ্ফল আলোচনা ১৭৮
প্ৰাৰ্থী বাছনি ১৭৯
পৰীক্ষা-পদ্ধতি ১৮০
অসমৰ উদ্যোগীকৰণ ১৮১
উন্মাদনা আৰু নেতৃত্ব ১৮২
উদ্যোগকৰণৰ বাটত ১৮৩
কেন্দ্ৰীয় মন্ত্ৰীসভা ঃ মুকলি চিন্তা ১৮৩
শিশু কথাছবি ১৮৪
নতুন গৃহমন্ত্ৰীৰ আহ্বান ১৮৬
নিৰাশজনক ১৮৭
খাৰুৱা তেলৰ বিবাগ ১৮৭
আকৌ শান্তি মিছন! ১৮৮
কম্পিউটাৰ ১৮৯
শিক্ষাৰ খেলিমেলি ১৯০
একত্ৰিকৰণ ১৯১

## ১৯৬৭

অসম, অসমীয়া ভাষা আৰু সাহিত্য সভা ১৯২
মুখ্যমন্ত্ৰীৰ খোলোচা মন্তব্য ১৯৪
শ্ৰদ্ধাঞ্জলি ১৯৫
কৃষি-আঁচনি ১৯৬
মিজো জিলাত সামৰিক অভিযান ১৯৮
বিজ্ঞানৰ সাধনা ১৯৯
আলোচনাৰ গতিপথ ২০০
অশান্তিৰ এটা সমীক্ষা ২০০
মেধাৰ অপচয় ২০১
টাছখণ্ড আৰু শাস্ত্ৰীজী ২০৩
নগালেণ্ডৰ শান্তি ২০৪
মজুৰি বৃদ্ধি বন্ধৰ প্ৰশ্ন ২০৫

| | |
|---|---|
| মাঘ বিহু জানো ভোগালী? | ২০৬ |
| আঞ্চলিক ফেডাৰেচন | ২০৭ |
| উৰুকাৰ ক্ষতি | ২০৮ |
| সাজু হ'বৰে হ'ল | ২০৯ |
| প্ৰতিক্ৰিয়া | ২১০ |
| জৰুৰী ভঁৰালৰ খাদ্য | ১১২ |
| পাৰ্বত্য নেতা সন্মিলনৰ ৰায় | ২১২ |
| গোৱা, দমন, ডিউ | ২১৩ |
| নেতৃত্ব লাগে | ২১৪ |
| ত্ৰিশ জানুৱাৰী | ২১৬ |
| স্পষ্ট কথা কওক | ২১৬ |
| উৰহী গছৰ ওৰ | ২১৭ |
| এতিয়াও অস্পষ্ট | ২১৭ |
| অসমত নিয়োগ ব্যৱস্থা | ২১৯ |
| ত্ৰিভাষী সূত্ৰৰ অসাৰতা | ২২০ |
| নলবাৰী | ২২০ |
| আমাৰ দুৰ্বলতা | ২২১ |
| থলুৱা চাকৰি প্ৰাৰ্থী | ২২২ |
| অসমত উদ্যোগ | ২২২ |
| পুৰণি বস্তু | ২২৪ |
| বিদ্ৰোহী নগাৰ তৎপৰতা | ২২৪ |
| ফিজোৰ আমেৰিকা যাত্ৰা | ২২৫ |
| নিমাত কিয়? | ২২৬ |
| ব'হাগৰ বিহুৰ ওলগ | ২২৭ |
| বিপন্ন মানৱতা | ২২৮ |
| অসমৰ চাহ | ২২৯ |
| অৰ্থৰ সংকট | ২৩০ |
| জোলোঙাৰ মেকুৰী | ২৩১ |
| মিজো বিদ্ৰোহী | ২৩২ |
| গৃহমন্ত্ৰী দপ্তৰৰ খচৰা বিধি | ২৩৩ |

| | |
|---|---|
| উত্তৰ-পূব সীমান্ত অঞ্চল | ২৩৩ |
| আংগামিৰ আপত্তি | ২৩৪ |
| নতুন আঁচনি | ২৩৬ |
| শ্ৰীহনুমন্তিয়াৰ উপদেশ | ২৩৭ |
| অসমৰ খেলুৱৈ | ২৩৮ |
| কিমান ঠেক? | ২৩৮ |
| অভয়াৰণ্য বিভাগ | ২৩৯ |
| কৃত্ৰিম | ২৪০ |
| ৰাষ্ট্ৰপতি নিৰ্বাচন | ২৪০ |
| উদ্যোগীকৰণৰ প্ৰশ্ন | ২৪১ |
| ৰাইজৰ দুৰ্যোগ | ২৪২ |
| আভ্যন্তৰীণ নৌ পৰিবহণ | ২৪৩ |
| ফেডাৰেল আঁচনি আৰু জনমত | ২৪৫ |
| শোকাবহ | ২৪৬ |
| নেফা সম্পৰ্কীয় নীতি | ২৪৭ |
| উদ্যোগীক শান্তিৰ প্ৰশ্ন | ২৪৮ |
| পৰীক্ষা পদ্ধতি | ২৪৯ |
| ড° ৰাধাকৃষ্ণণৰ আহ্বান | ২৫০ |
| কুটীৰ আৰু গ্ৰাম উদ্যোগৰ ঋণ | ২৫১ |
| সুৰা নিবাৰণ ব্যৱস্থা | ২৫২ |
| অসমৰ পুনৰ গঠন | ২৫৩ |
| মদ নিবাৰণ | ২৫৫ |
| উচ্চ মাধ্যমিক পৰীক্ষা | ২৫৬ |
| মানুহ, মাটি আৰু খেতি | ২৫৭ |
| ঘেঁহুৰ যোগান | ২৫৮ |
| ঘেৰাও | ২৫৯ |
| সমবায় আৰু আত্মপ্ৰশংসা | ২৬০ |
| অসমৰ খেতিয়কৰ নতুন সমস্যা | ২৬১ |
| প্ৰতিৰক্ষা আৰু আমি | ২৬২ |
| পৰিকল্পিত আক্ৰমণ | ২৬৩ |

| | |
|---|---|
| বৰ্বৰ আচৰণ | ২৬৪ |
| প্ৰশাসন | ২৬৪ |
| উদ্যোগ পাম আৰু থলুৱা স্বাৰ্থ | ২৬৬ |
| ভুলৰ সমাহাৰ | ২৬৬ |
| বন মহোৎসৱ | ২৬৮ |
| চৰিত্ৰ হনন | ২৬৯ |
| এটা মাধ্যমৰ অপচয় | ২৭০ |
| অসমত নতুন তেল শোধনাগাৰ | ২৭২ |
| শোষণৰ ৰহস্য | ২৭৩ |
| দিল্লীৰ আলোচনা | ২৭৪ |
| পদচ্যুত শিক্ষক | ২৭৫ |
| বানপানীৰ বাৰ্ষিক গতি | ২৭৬ |
| নতুন পাচনি | ২৭৭ |
| ভাষা নীতি | ২৭৮ |
| পাৰ্বত্য নেতাৰ সিদ্ধান্ত | ২৭৯ |
| নগা সমস্যা | ২৮০ |
| অসমৰ নিয়োগ পৰিস্থিতি | ২৮১ |
| কাছুটি | ২৮২ |
| অনাতাঁৰ কেন্দ্ৰৰ দুকুৰি বছৰ | ২৮৩ |
| মানাহ অভয়াৰণ্য | ২৮৫ |
| মধ্যপ্ৰদেশৰ ধুমুহা | ২৮৫ |
| যন্ত্ৰ আৰু মন্ত্ৰ | ২৮৭ |
| শিক্ষাৰ মাধ্যম আৰু অসম | ২৮৮ |
| নাটৰ ৫০০ বছৰ | ২৮৯ |
| সাম্প্ৰদায়িকতা | ২৯০ |
| ধান-চাউলৰ বজাৰ | ২৯১ |
| বগা হাতী | ২৯২ |
| দিল্লী আলোচনা | ২৯৩ |
| বিদেশী ঋণ | ২৯৫ |
| সতৰ্কবাণী | ২৯৫ |

| | |
|---|---|
| সাম্প্ৰদায়িক অশান্তি | ২৯৭ |
| নিবনুৱা | ২৯৭ |
| সংহতিৰ সমস্যা | ২৯৯ |
| হিচাপ | ২৯৯ |
| ৰাইজৰ হাহাকাৰ | ৩০০ |
| পাৰ্বত্য বিশ্ববিদ্যালয় | ৩০১ |
| সেই তিমিৰতে | ৩০২ |
| বিয়া নকৰাব ! | ৩০৩ |
| জয়ং দেহি | ৩০৪ |
| নেফা | ৩০৫ |
| থলুৱা স্বাৰ্থ | ৩০৬ |
| ড° লোহিয়া | ৩০৭ |
| ধান আৰু ব্যৱসায়ী | ৩০৮ |
| উৰণীয়া | ৩০৯ |
| খৃষ্টান নেতাৰ আশ্বাস | ৩১০ |
| বাংলা কংগ্ৰেছ | ৩১১ |
| শুক্ৰ গ্ৰহ | ৩১২ |
| প্ৰশ্ন কাটোতাৰ প্ৰশিক্ষণ | ৩১৩ |
| অসমলৈ ব্ৰডগজ লাইন | ৩১৪ |
| বেমাৰী কৰ | ৩১৫ |
| চলিহাৰ খেদ | ৩১৬ |
| আকৌ স্কুট | ৩১৭ |
| মণিপুৰত সংসদী গণতন্ত্ৰ | ৩১৭ |
| ৰহস্যজনক | ৩১৮ |
| পশ্চিম এছিয়াত নতুন অশান্তি | ৩১৯ |
| সাম্প্ৰদায়িকতা আৰু কংগ্ৰেছ | ৩২০ |
| অসম চৰকাৰ আৰু লোকসেৱা আয়োগ | ৩২১ |
| আত্মগোপনকাৰী নগা দল | ৩২২ |
| পশ্চিমবংগ | ৩২২ |
| যুৱ দলৰ অনুশাসনৰ প্ৰশ্ন | ৩২৩ |

| | |
|---|---|
| এখন ৰচনা লিখা | ৩২৪ |
| শিশু দিৱস কেলৈ? | ৩২৫ |
| সীমান্তত ষড়যন্ত্ৰ | ৩২৬ |
| নতুন উদ্যোগ স্থাপনৰ আয়োজন | ৩২৭ |
| সঞ্চয় পষেক | ৩২৮ |
| চাঞ্চল্যকৰ | ৩২৯ |
| ধন সংগ্ৰহ কাৰ্য | ৩৩০ |
| শ্ৰদ্ধাঞ্জলি | ৩৩১ |
| কংগ্ৰেছ সভাপতি | ৩৩২ |
| মদ নিবাৰণ | ৩৩২ |
| ডাকঘৰৰ বেমেজালি | ৩৩৩ |
| সাহিত্য সভা সপ্তাহ | ৩৩৪ |
| বিকৃত দৃষ্টিকোণ | ৩৩৫ |
| এটা বিচাৰ্য বিষয় | ৩৩৬ |
| নগালেণ্ড | ৩৩৭ |
| বিকল্পৰ প্ৰয়োজন | ৩৩৮ |
| চোকা টেকেলা | ৩৩৯ |
| চন্দ্ৰকুমাৰ আগৰৱালা | ৩৪০ |
| নেহৰু ষ্টেডিয়াম আৰু অ'ভাৰব্ৰীজ | ৩৪১ |
| পৰিকল্পনাৰ ছুটী | ৩৪২ |
| বিদেশী মিছনেৰী | ৩৪৩ |

বুধবাৰ, ৪ আগষ্ট, ১৯৬৫ চন

# পাতনি ঃ আমাৰ ওলগ

এয়া পোহৰৰ প্ৰথম পুৰা। পোহৰে প্ৰাণ দিয়ে, প্ৰেৰণা দিয়ে আৰু দিয়ে গতিপথৰ সংকেত। সেই সচেতনতা লৈয়েই 'দৈনিক অসম'ৰ এয়া প্ৰথম পদক্ষেপ। আজিৰ এই ক্ষণত আমি ৰাইজলৈ অন্তৰৰ ওলগ আগবঢ়ালো। আমি জানো—সন্মুখৰ দায়িত্ব মহান, জটিল আৰু কঠোৰ। কিন্তু এইটোও জানো—আমাৰ এই পথৰ পাথেয় হ'ল সমূহ ৰাইজৰ শুভেচ্ছা। শুভেচ্ছাৰ এই কঠীয়াতলীতে ঠন ধৰা আমাৰ দুখন সহযোগী অসম ট্ৰিবিউন আৰু অসম বাণীয়ে ৰাইজৰ মৰমেৰে পুষ্টি লাভ কৰিছে আৰু সেয়ে এই নতুন উদ্যমৰ বাবেও আমাক ভাৰসা দিছে।

আমি জানো—অসমৰ সমস্যাৰ বোজা মেটমৰা। সীমান্তৰ সিপাৰত চীন আৰু পাকিস্থানে যোৱাকেইবছৰত সৃষ্টি কৰা সমস্যা আজিও আগৰ দৰেই আছে। তাৰ বাবে লাগে আমাৰ প্ৰস্তুতিৰ অভিযান আৰু লগতে চিৰন্তন সতৰ্কতা। আনহাতে, ইয়াৰ ফলত আমাৰ অৰ্থনীতিৰ ওপৰত পৰা হেঁচা পাতলাই জাতীয় জীৱনৰ যাত্ৰাপথ সুগম কৰি ৰাখিব লাগিব। লগতে লাগিব ৰাষ্ট্ৰীয় অখণ্ডতা। এই ক্ষেত্ৰত দেশৰ অন্যান্য অঞ্চলত দেখা দিয়া সমস্যাতকৈ আমাৰ এই সীমান্ত ৰাজ্যখনৰ সমস্যা অধিক ব্যাপক। নগালেণ্ডৰ প্ৰশ্ন , পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ প্ৰশ্ন আৰু তাৰ আনুসংগিকভাৱে গঢ় লোৱা ঘটনাচক্ৰ, পাৰ্বত্য জিলাকেইখনৰ প্ৰশাসনীয় গাঁথনিৰ ভৱিষ্যৎ সম্পৰ্কীয় প্ৰশ্ন এই সকলোবোৰে আমাক জুমুৰি দি ধৰিছে। পূবৰ এমূৰে থকা নেফাত চীনৰ নগ্ন আক্ৰমণ চলাৰ মূৰত নেফা সম্পৰ্কে নতুন মূল্যাংকন অৱশ্যে হৈছে। কিন্তু নেফাক কেন্দ্ৰ কৰি অসমত উত্থাপিত হোৱা শতেক প্ৰশ্নৰ উত্তৰ আজিও পোৱা নাই। সমস্যাৰ তালিকাত অকল এইখিনিয়েই নাই। ৰাইজৰ ভাত-কাপোৰৰ সমস্যা, চৰা দামৰ সমস্যা, দুৰ্নীতি, প্ৰশাসনীয় অব্যৱস্থা, ৰাজ্যৰ উদ্যোগকৰণ, ভগনীয়াৰ সোঁত, বানপানী-খহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগ, লোক বিনিয়োগৰ প্ৰশ্ন আৰু নিবনুৱা সমস্যা আদিয়ে ইতিমধ্যে চিৰন্তন সমস্যাৰ দৰে আমাৰ সন্মুখত কৰাল মূৰ্তি ধৰি থিয় দি আছে আৰু এতিয়াৰ পৰিৱেশে এইবোৰ ভয়াৱহতা আৰু বঢ়াইছে।

এই সমস্যা-বহুল পটভূমিতে আমি মাউখে উটিব লাগিব। সমূহ ৰাইজৰ সহায়-সহযোগিতাত এটা এটা গধূৰ দায়িত্ব বহন কৰি দেশ আৰু দহৰ সেৱা কৰাৰ সংকল্প আমি লৈছো। এইবোৰ ক্ষেত্ৰত বাতৰি কাকতৰ ভূমিকা কি সেই কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। কিন্তু এটা কথা সততে পৰিলক্ষিত হয়—অসম সদায় অচিনাকি বাটৰুৱা হৈয়ে আছে; এই অৱস্থা কাব্যৰ উপেক্ষিতা নাৰীৰ বৰ্ণনাতকৈও কৰুণ। কিন্তু এই কৰুণ পৰিণতি দূৰ কৰিবলৈ কৰুণা বিচাৰিলে নহ'ব—তাৰ সন্মুখত থিয় দিব লাগিব যোগ্যতাৰ দাবী লৈ। প্ৰচাৰৰ আহিলা এনেদৰে গঢ়ি তুলিব লাগিব যাতে তাৰ মাজতে অসমৰ সৰ্বাত্মক ৰূপ প্ৰতিফলিত হ'ব পাৰে। ৰাজ্যখনৰ ৰূপটো সৰ্বাত্মকভাৱে প্ৰতিফলিত কৰিব পৰা, দেশৰ অন্যান্য ঠাইৰ বাতৰি কাকতৰ প্ৰগতিৰ লগত সমানে খোজ মিলাব পৰা কাকত এখনৰ প্ৰয়োজনীয়তাসমূহ ৰাইজে

অনুভৱ কৰি আহিছে। সেই লক্ষ্যত উপনীত হ'বৰ বাবে আমাৰ এয়া প্ৰচেষ্টা মাত্ৰ। ইয়াৰ বাবে আমাৰ ববীয়া চেষ্টাক পৰিপূৰ্ণ কৰি তুলিব পাৰে অকল ৰাইজৰ সহায়-সহযোগিতাই। দেশৰ বিভিন্ন ঠাইত নৱজাগৰণ হৈছে—অসমতো তাৰ ঢৌ উঠিছে। শিক্ষাৰ ব্যাপক সম্প্ৰসাৰণ তাৰেই প্ৰতিফলন। শিক্ষাৰ সম্প্ৰসাৰণে পঢ়ুৱৈ সমাজো বঢ়াইছে। অসমত প্ৰকাশ পোৱা কিতাপ-পত্ৰৰ শেহতীয়া হিচাপে তাৰ পৰিচয় দিব। বাতৰি কাকত, আলোচনী আদিৰ ক্ৰমবৰ্দ্ধমান সংখ্যাও সেইদৰে আশাজনক। অৱশ্যে অন্যান্য ৰাজ্যৰ তুলনাত এই বিষয়ত আমাৰ ৰাজ্য বহুত পিছপৰি আছে। এই ক্ষেত্ৰত ৰাজ্যৰ সন্মুখত কেতবোৰ প্ৰতিবন্ধকো নথকা নহয়—ৰাজ্যৰ বহুমুখী উন্নয়নৰ প্ৰশ্নটোৰ লগত এইবোৰৰ কথা সাঙোৰ খাই আছে। সময়ৰ লগে লগে সেইবোৰ আহুকাল পাতলি যাব বুলিয়েই আমি আশা কৰিছো। কিন্তু সেই বুলি বাট চোৱাৰ সময় নাই—আমি আগবাঢ়িব লাগিব, অক্ষয় সংগ্ৰাম চলাব লাগিব। তাৰ বাবে লাগিব সংকল্পৰ দৃঢ়তা আৰু আন্তৰিক প্ৰচেষ্ট। আৰু লাগিব—অসমৰ নগৰে-গাৱেঁ থকা ৰাইজৰ চেনেহৰ এচেৰেঙা পোহৰৰ উম। আমাৰ বিশ্বাস—আমি তাকে পাম আৰু অসমক সমৃদ্ধ কৰি তোলাৰ মহান যাত্ৰাত আমি সকলো সহযাত্ৰী হ'ম।

বৃহস্পতিবাৰ, ৫ আগষ্ট, **১৯৬৫ চন**

# লোকপ্ৰিয়

গৌৰৱোজ্জ্বল এটা যুগৰ লগত পৰৱৰ্তী যুগৰ যোগসূত্ৰ স্থাপন কৰি প্ৰেৰণাৰ ঢৌ বোৱাই নিয়া যিসকল লোকৰ কথা আমাৰ সততে মনত পৰে, সেইসকলৰ অন্যতম হ'ল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। অসমৰ বালিচৰত খোজ থৈ সেইসকল লোক এজন এজনকৈ আঁতৰি গ'ল—লোকপ্ৰিয় বৰদলৈয়ো সেই দৰেই নোহোৱা হ'ল; কিন্তু স্মৃতিক সেউজীয়া কৰি এৰি থৈ গ'ল।

আজি লোকপ্ৰিয়ৰ মৃত্যু-দিৱসৰ দিনা আমি এই নেতাজনৰ স্মৃতিৰ ফলকত শ্ৰদ্ধাঞ্জলি যাচিছোঁ। লগে লগে আমাৰ মনৰ তাঁৰত কঁপনি তুলি গৈছে—ঘাইকৈ এটা কথাই। অতীতে যেন ৰিঙিয়াই কৈছে— মন্ত্ৰী মিছনৰ প্ৰস্তাৱৰূপী এটা বিৰাট দুৰ্যোগৰ বিৰুদ্ধে অসম জুৰি জনমত গঢ়ি তুলি অজেয় নেতৃত্ব বহন কৰা এই নেতাজনৰ কাহিনী। গান্ধীজীৰ আশীৰ্বাদৰ বাহিৰে হাতত আন সম্বলৰূপে আছিল— মাত্ৰ অসমৰ সমূহ ৰাইজৰ সুদূৰ সমৰ্থন। তথাপি স্বৰ্গীয় বৰদলৈয়ে যুঁজি জিকিব পাৰিছিল। সেই দৃঢ়তা, সেই নেতৃত্ব আৰু দূৰ দৃষ্টিয়ে যুক্তি আৰু সঙ্গত দাবীক নিজৰ স্থানত প্ৰতিষ্ঠা কৰা কথাটো অসমৰ কাৰণে অভূতপূৰ্ব আৰু অতি গুৰুত্বপূৰ্ণ। তাহানিৰ দিল্লী হনুজ দূৰ অস্থ—এই সাঁথৰৰ যি সাৰ্থকতা তেতিয়াও আছিল, লোকপ্ৰিয় বৰদলৈয়ে তাৰ থল নোহোৱা কৰিব পাৰিছিল। আজি এই নেতাজনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবৰ বেলিকা সেই কথাই আমাৰ মনত সততে ভূমুকি মাৰি গৈছে।

শনিবাৰ, ৭ আগষ্ট, **১৯৬৫ চন**

# বিজ্ঞান - শিক্ষা

বিজ্ঞানৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা ব'ৰ্ডে বিশেষভাৱে আলোচনা কৰিবলৈ লোৱাটো সময়োপযোগী হৈছে। এই বিষয়ে প্ৰণালীৱদ্ধভাৱে আগবঢ়াৰ ফলত যিবোৰ খেলি-মেলি ইতিমধ্যে হৈছে, সেইবোৰ দূৰ কৰাটোৱেই এতিয়া ওপৰঞ্চি সমস্যা হৈ উঠিছে। স্কুলৰপৰা উচ্চতম মহলালৈকে সকলো সামৰি ল'ব পৰা সৰ্বাত্মক আঁচনি এখন আমাক লাগে। তাকে নকৰি ছেগাচোৰোককৈ কামত ধৰিলে আমাৰ সমস্যাৰ লানিহে দীঘলীয়া হ'ব।

স্কুলত বিজ্ঞানৰ শিক্ষা দিয়াৰ উপযুক্ত ব্যৱস্থা কৰাটো আটাইতকৈ লাগতিয়াল কথা, কিয়নো তলতে ভেটি ৰচনা নকৰিলে পিচলৈ আলাসত চাং পতাৰ চেষ্টা কৰা মিছা। স্কুলত বিজ্ঞানৰ শিক্ষা দিয়াৰ বাবে অকল মজুৰী দিলেই দায়িত্বৰ অন্ত নপৰে; কিয়নো সা-সজুলি আদিৰ যোগাৰেই একমাত্ৰ কথা নহয়। উপযুক্ত শিক্ষক আহৰণ কৰা প্ৰশ্নটোও ইয়াৰ লগত সাঙোৰ খাই আছে। তদুপৰি বিজ্ঞানৰ উপযুক্ত কিতাপৰ অভাৱ মোচন কৰাটোও আন এটা প্ৰয়োজনীয় কাম। এই ক্ষেত্ৰত অন্ততঃ অসমত একো প্ৰণালীৱদ্ধ প্ৰচেষ্টা চকুত পৰা নাই।

আনহাতে কলেজসমূহত বিজ্ঞানৰ শিক্ষা দিয়াৰ ব্যৱস্থাই অনুষ্টুপীয়া। সম্প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানৰ শিক্ষাৰ বাবে ধাউতি যিদৰে বাঢ়িছে, সেই অনুপাতে কলেজসমূহে সুবিধা আগবঢ়াব পৰা নাই। এই ক্ষেত্ৰত বিত্তীয় আহুকাল ঘাই আন্তৰায়। তাৰ মাজতো দেশৰ কেতবোৰ ৰাজ্যৰ অৱশ্যে বিজ্ঞানৰ বিষয়ত অধিক ধন খৰচ কৰিছে। সম্প্ৰতি তথ্য মতে মহাৰাষ্ট্ৰতে এই শিতানত আটাইতকৈ বেছি টকা খৰচ কৰা হয়। ইয়াৰ পিচত একাদিক্ৰমে ঠাই পাইছে পঞ্জাব, মাদ্ৰাজ আৰু পশ্চিমবঙ্গই। অসমৰ স্থান যথেষ্ট তলত।

বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ত বিজ্ঞানৰ শিক্ষাদান কৰা আৰু গৱেষণা চলোৱাৰ ব্যৱস্থা কৰা—এই দুটা ক্ষেত্ৰত আমাৰ দেশত আগৰ তুলনাত সুবিধা বহুতখিনি বাঢ়িছে; কিন্তু সেয়ে হ'লেও ই সময়ৰ চাহিদা পূৰাব পৰা নাই। দেশখনক আগবঢ়াই নিবলৈ হ'লে বিজ্ঞানৰ বিষয়ত আমাৰ অৰ্হতা এতিয়াতকৈ বহুত গুণে বঢ়াব লাগিব। তাৰ বাবে বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ ওপৰত অধিক দায়িত্ব নিয়োজিত হ'ব লাগিব। কিন্তু এই ক্ষেত্ৰতো ধনৰ কথা উঠিব। পশ্চিমীয়া দেশবোৰৰ লগত এই বিষয়ত আমাৰ দেশৰ তুলনা কৰাৰ প্ৰশ্নই নুঠে। কিন্তু বিজ্ঞান বিষয়ক গৱেষণাৰ ক্ষেত্ৰত চীনতে আমাৰ দেশতকৈ বেছি ধন খৰচ কৰা বুলি ১৯৬১-৬২ চনৰে হিচাপ এটাৰ পৰা জনা যায়। সেই হিচাপ মতে ভাৰতত বিজ্ঞান বিষয়ক গৱেষণাৰ কামত জনমূৰি এটকাকৈ খৰচ হয়— আনহাতে চীনত হয় জনমূৰি তিনি টকাকৈ। এইটো নিশ্চয় বিশেষভাৱে মন কৰিবলগীয়া কথা। ইতিমধ্যে ঘটি থকা ঘটনাৱলীৰ পাটভূমিৰ ফালৰপৰা বিচাৰ কৰি চালে- এই কথাৰ গুৰুত্ব আৰু বাঢ়িব। সেই দেখি আমাৰ দেশে অধিক প্ৰস্তুতি চলোৱাটো নিতান্ত প্ৰয়োজনীয়। বিশ্ববিদ্যালয় আৰু গৱেষক প্ৰতিষ্ঠানবোৰ দায়িত্বৰ গণ্ডী বঢ়োৱা মানে খৰচ বঢ়োৱাৰ বাট উলিওৱা। সেইদেখি চৰকাৰেও ধন যোগোৱাৰ পথ বহলোৱাৰ পৰিকল্পনা কৰিব লাগিব।

অসমত বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ত বিজ্ঞানৰ শিক্ষা দিয়া ব্যৱস্থা এতিয়াও আৰম্ভণিৰে পৰ্য্যায়ত আছে বুলি ক'লে বঢ়াই কোৱা নহ'ব। অৱশ্যে ডিব্ৰুগড়তেই নতুন বিশ্ববিদ্যালয় হৈছে আৰু এইটো বিশ্ববিদ্যালয়ৰ দায়িত্ব

সম্পৰ্কে কৰা ঘোষণা আশাৰ সঞ্চাৰ কৰিছে। আমি আশা কৰো এতিয়াৰ পৰা ৰাজ্যত বিজ্ঞানৰ শিক্ষাৰ বাবে থকা থল যথেষ্ট সম্পসাৰিত হ'ব আৰু ধনৰ আহুকালে এই বিষয়ত ভেটা দি থব নোৱাৰে। অৱশ্যে বিশ্ববিদ্যালয়ৰো নিজা তৎপৰতাৰ যে প্ৰয়োজন সেই কথা আমি স্বীকাৰ কৰো। এই প্ৰসঙ্গতে গৱেষণাৰ সন্দৰ্ভত আৰু এটা কথা মন কৰা উচিত হ'ব। অসমৰ নানান সমস্যা আছে; নানান সম্পদ আহৰণ কৰাৰ সম্ভাৱনা আছে; বিভিন্ন উদ্যোগৰ বিকাশৰ বাবে থল উলিওৱাৰ প্ৰয়োজন আছে। তাৰ বাবে গৱেষণা চলোৱাটো আৱশ্যকীয়। অসমৰ বিশ্ববিদ্যালয় আৰু আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানৰ যোগেদি এই বিষয়ৰ কিছুমান কাম কৰাই যাব পাৰি। কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে গৱেষণাৰ বাবে দায়িত্ব অৰ্পণ কৰি মজুৰী আদি দিয়ে। কিন্তু অসম এই তালিকাৰ ভিতৰত নপৰে, এনে দায়িত্ব ল'ব পৰা প্ৰতিষ্ঠান অসমৰ বাবে অতি প্ৰয়োজন হৈছে।

দেওবাৰ, ৮ আগষ্ট, **১৯৬৫ চন**

# বহ্বাৰম্ভে লঘুক্ৰিয়া

গাজনি বেছি হ'লে বৰষুণ কমে, প্ৰকৃতিৰ এই নিয়মত মানুহ ইতিমধ্যে অভ্যস্ত হৈছে। হয়তো ইয়াৰ যথাৰ্থতা আমাৰ ব্যৱহাৰিক জীৱনৰ অন্যান্য দিশতো আছে বুলি আমি মানি ল'ব লাগিব— অৰ্থাৎ দেশৰ কৰ্ণধাৰসকলে তেনে এটা সিদ্ধান্ত ল'বলৈ আমাক বাধ্য কৰিব। চৰকাৰৰ খাদ্য-নীতিৰ থৰক-বৰক অৱস্থা দেখি আমি এতিয়া সেই বুলি ভাবিবলৈ বাধ্য হৈছোঁ। 'সুস্থিৰ খাদ্য-নীতি', 'দীৰ্ঘম্যাদী খাদ্য-নীতি' ইত্যাদি শব্দ যোজনা সম্বলিত বহুতো আশ্বস ইতিমধ্যে পুৰণি হৈ গ'ল। কিন্তু কাৰ্য্যক্ষেত্ৰত আমি একো নেপালোঁ—তাৰ সলনি অস্থিৰ নীতি আৰু অনিশ্চয়তাৰ প্ৰাদুৰ্ভাৱহে বেছি দেখা গ'ল।

ৰেচনিং সম্পৰ্কে লোৱা শেহতীয়া সিদ্ধান্তৰ কথাকে উল্লেখ কৰিব পাৰি। মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত সিদ্ধান্ত লোৱা হ'ল যে বিশেষ কেইবাখনমান মহানগৰীত বিধিগত ৰেচনিং প্ৰৱৰ্তন কৰা হ'ব। পিচে এইটো একো নতুন সিদ্ধান্ত নহয়—যোৱা বছৰেই এই সিদ্ধান্ত লোৱা হৈছিল। তাৰ পিচত তাকে গাপ দি থোৱা হ'ল। ইতিমধ্যে মুখ্যমন্ত্ৰীসকলৰ মাজৰ পৰাই কেইজনমানক লৈ গঠন কৰা শাখা কমিটী এখনে পৰামৰ্শ দিছিল যে পোন্ধৰ মাহৰ ভিতৰত এক লাখৰ অধিক জনসংখ্যা থকা সকলোবোৰ ডাঙৰ নগৰতে ৰেচনিং ব্যৱস্থা প্ৰৱৰ্তিত হ'ব লাগে। এতিয়া দেখা গ'ল যে চৰকাৰে সিমানখিনি দায়িত্ব ল'বলৈ সংকোচ কৰিছে। সেইদেখি পুৰণি সিদ্ধান্তটোকে কামত খটুৱাবলৈ আগবাঢ়িছে।

পিচে কথা হ'ল, ইয়াৰ পৰা অৱস্থাৰ কি পৰিৱৰ্তন হ'ব? এই ক্ষেত্ৰত হয়তো যুক্তি প্ৰদৰ্শিত হ'ব যে মুদ্ৰাস্ফীতি-নিবাৰণ ব্যৱস্থা হিচাপে বিধিগত ৰেচনিঙৰ পৰা সুফল পোৱা যাব। কিন্তু ইকিমধ্যে মুদ্ৰাস্ফীতি-নিবাৰণী ব্যৱস্থা হিচাপে যিবোৰ ব্যৱস্থা লোৱা হৈছে, সেইবোৰৰ এটাৰ পৰাও একো সুফল পোৱা নহ'ল—চৰকাৰৰ তুলাপাততে তাৰ সফলতা সীমাৱদ্ধ হৈ থাকিল। এতিয়াৰ ব্যৱস্থা জানো তাৰ ব্যতিক্ৰম হ'ব? দ্বিতীয়তে, এই বুলি বাতৰি ওলাইছে যে নিৰ্বাচিত ডাঙৰ নগৰ কেইখনত কলিকতাৰ আৰ্হিত ৰেচনিং ব্যৱস্থা কাৰ্য্যকৰী কৰা হ'ব। পিচে কলিকতাই যদি আৰ্হি হয়, তেন্তে প্ৰমাদ গণিবলগীয়া অৱস্থা নহ'ব নে। কলিকতাৰ ৰেচনিং ব্যৱস্থা সম্পৰ্কে শ্ৰুতিমধুৰ নানান কথা শুনোৱা হৈছে যদিও আচলতে তাৰ ওলোটা পৰিণতি এটাইহে কলিকতাত থিতাপি লৈছে বুলি জনা গৈছে।

আনহাতে ৰেচনিং কথাটোৱেই সাধাৰণতে আতঙ্কৰ সৃষ্টি কৰে। বৰ্তমান পৰিৱেশত এনে মনোভাৱ সহায়কাৰী হ'ব নোৱাৰে। ইপিনে এই পটভূমিত চোৰাং কাৰবাৰী বেছি তৎপৰ হোৱাৰো ভয় আছে। ৰেচনিঙৰ নাম শুনিলেই

তাৰ যাদুকৰী প্ৰভাৱ গুদামঘৰত পৰে- সামগ্ৰী ক'তো বিচাৰি পোৱা নেযায়। যুদ্ধৰ সময়ৰ ৰেচনিং ব্যৱস্থাৰ পৰিণতিৰ কথা বহুতৰে মনত আছে। এতিয়াই চৰা দাম, চোৰাং বজাৰ, গোপন মজুত- এইবোৰৰ ক্ষেত্ৰত চৰকাৰে একো ব্যৱস্থাকে ল'ব পৰা নাই। অসাৰ্থক হুঙ্কাৰ শুনি শুনি ৰাইজে সেইবোৰ কথাৰ একো অৰ্থ নথকা বুলিয়েই ভাবি লৈছে। এই সমাজ-বিৰোধী মহলৰ বিৰুদ্ধে থকা বৰ্তমানৰ নিবাৰণী নীতি লৈ চৰকাৰে ৰেচনিং অৱস্থা সফল কৰি তুলিব কেনেকৈ?

তদুপৰি ৰেচনিং ব্যৱস্থা কাৰ্য্যকৰী কৰিব পৰা ধৰণৰ প্ৰশাসনীয় যোগাৰ চৰকাৰৰ আছে জানো? বাতৰি ওলাইছে যে চৰকাৰে এই ব্যৱস্থা কাৰ্য্যকৰী কৰোতে প্ৰায় সাত কোটি টকা খৰচ কৰিব। কিন্তু অকল টকাৰ ঢোকা দি কৰ্মঠ প্ৰশাসনীয় ব্যৱস্থা এটা গঢ়িব পৰা হ'ব জানো? কেনিও সমন্বয় নাই। দুৰ্নীতিৰ পোখা কেওঁপিনে বিয়পিছে; ৰঙাফিটাৰ শামুকীয়া গঁঠিও খোল খোৱা নাই। সেইবোৰ আন্তৰাই থকা কাৰণেই আজি পাব পৰা বা পাবলগীয়া বহুতো সুবিধাৰপৰা ৰাইজ বঞ্চিত হৈছে। এনে ক্ষেত্ৰত ৰেচনিঙৰ ব্যৱস্থাই আমাক কি ভৰসা দিব?

<u>মঙ্গলবাৰ, ১০ আগষ্ট, **১৯৬৫ চন**</u>

# নতুন মূল্যাঙ্কন

কাশ্মীৰৰ যুদ্ধবিৰতি সীমাৰেখাৰ কেইবা ঠাইতো পাকিস্থানৰ সশস্ত্ৰ লোকে ব্যাপকভাৱে অনুপ্ৰৱেশ কৰি কেইবা ঠাইতো ভাৰতীয় বাহিনীৰ লগত সংঘৰ্ষৰ সৃষ্টি কৰা বুলি বাতৰি ওলাইছে। এইটো পৰিকল্পিত কাম বুলিও ইতিমধ্যে অস্পষ্টভাৱে জানিব পৰা গৈছে।

কাচ্চ-চুক্তিৰ সন্দৰ্ভত আলোচনা চলাবলৈ প্ৰাৰম্ভিক যোগাযোগ চলি থকা অৱস্থাত পাকিস্থানে কাশ্মীৰত এনে কাৰ্য্যকলাপ চলোৱা কথাটোৱেই প্ৰমাণ কৰিছে যে পাকিস্থানৰ মনোভাৱৰ একো পৰিৱৰ্তন হোৱা নাই। কাচ্চ-চুক্তিয়ে ভাৰতৰ সন্মান বঢ়োৱা নাই বুলি আৰু স্বাৰ্থহানি কৰিছে বুলি দেশৰ বুজন সংখ্যক লোকৰ মাজতে অসন্তুষ্টিয়ে বিৰাজ কৰিছে। এইটোও মন কৰিবলগীয়া যে কাচ্চ-চুক্তিৰ সম্পৰ্কত ভাৰতত চৰকাৰীভাৱে যি ব্যাখ্যা দিয়া হৈছে, পাকিস্থানৰ কৰ্ণধাৰসকলৰ কথাৰ সুৰ কিন্তু তেনে ধৰণৰ নহয়। তেওঁলোকে ইয়াক বিজয়ৰ পৰিচায়ক বুলিহে ধৰিছে আৰু লগতে সগৌৰৱে এই ব্যাখ্যা পাঙি ধৰিছে যে ভাৰতে আগতে সেই সীমান্তত বিবাদ নাই বুলি কৈছিল যদিও এতিয়া বিবাদ থকা বুলি প্ৰমাণিত হ'ল। অকল সেয়ে নহয়, কাচ্চ-চুক্তি সম্পাদিত হোৱাৰ মূৰতো পাকিস্থানে পূব সীমান্তত হেলাৰঙে গুলী চলাই আত্মতৃপ্তি লাভ কৰিলে।

পাকিস্থানে হয়তো এয়া আমাৰ তোষণ নীতি বুলি ভাবি লৈছে। ৰাজনীতিৰ আলিবাটে সদায় নাকৰ পোনে পোনে নেথাকে; আত্মৰক্ষাই শ্ৰেষ্ঠ অস্ত্ৰ বুলি ভবাটো অচল কথা ৰূপে উপলব্ধি কৰাৰ সময় সম্ভৱতঃ উকলিল। ভাৰত-পাকিস্থানৰ সম্পৰ্কৰ ক্ষেত্ৰত আমি সততে দেখি আহিছো, ভাৰতে সদায় আত্মৰক্ষাৰ ভূমিকাকে যে লবলগীয়া হৈছে, এনে নহয়, লগতে আচামীৰ কাঠগড়াত উঠাৰ পৰাও নিজক ৰক্ষা কৰিবৰ বাবে প্ৰাণ-পোনে চেষ্টা কৰিবলগীয়া হৈছে। অৱশ্যে এই অদ্ভুত পৰিস্থিতিৰ মূলত আন কথাও আছে—সেয়ে হ'ল পশ্চিমীয়া শক্তিগোষ্ঠীৰ পৰা পাকিস্থানে লাভ কৰা সমৰ্থন। কাশ্মীৰৰ যুদ্ধবিৰতি সীমাৰেখাৰ প্ৰতি চকু ৰাখিবলৈ আন্তঃৰাষ্ট্ৰীয় দল এটা থকা সত্বেও পাকিস্থানে নিৰ্বিবাদে সীমান্ত উলংঘন কৰি আহি আক্ৰমণ চলাই আছে। এই আন্তঃৰাষ্ট্ৰীয় দলে কাশ্মীৰ

সীমান্তৰ বহুতো ঘটনাৰ বাবে পাকিস্থানেই দায়ী বুলি আৰু পাকিস্থানে যুদ্ধবিৰতি সীমাৰেখা বহুত বাৰ উলংঘা কৰা বুলিও ৰায় দিছে। কিন্তু কাহি পাতে গা নাকাটে বুলি নিৰ্ভৰশীল হ'ব পাৰিছে কাৰণেই পাকিস্থানে তাৰ প্ৰতি ভ্ৰূক্ষেপ কৰা নাই। সেই দেখি পাকিস্থানে কাশ্মীৰৰ যুদ্ধবিৰতিৰ সীমাৰেখাক তুলাপাতৰ অৰ্থহীন ৰেখাত পৰিণত কৰিছে। ভাৰত-পাকিস্থান সীমান্তৰ বিভিন্ন খণ্ডত গুলী চলাই অস্ত্ৰ-সম্বৰণ চুক্তি সম্পাদন কৰিবলৈ বাধ্য কৰি বিবাদ নথকা সীমাৰেখাকো বিবাদৰ গণ্ডীৰ মাজলৈ আঁজুৰিব পাৰিছে। এই চকৰি চলিয়েই আছে-আৰম্ভ য'তেই নহওক, সদায় একে ঠাইতে উপনীত হৈছে। কিন্তু আমি তাকে আৰু কিমান দিন মানি চলিম? চাপৰিলে মেঘ আঁতৰিব জানো? আমাৰ বোধেৰে নতুন মূল্যাঙ্কনৰ প্ৰয়োজন হৈছে— ফলদায়ক পথ আন পিনেহে আছে, ভাৰতে খেপিয়াই ফুৰা পিনে নাই।

বুধবাৰ, ১১ আগষ্ট, **১৯৬৫ চন**

# পৰিয়াল পৰিকল্পনা

বৰ্তমান গতিৰে লোকসংখ্যা বৃদ্ধি পাই গৈ থাকিলে অদূৰ ভৱিষ্যতে পৃথিৱীৰ ভূমিভাগত মানুহে থিয় দি থাকিব্লৈহে ঠাই পাব বুলি বৈজ্ঞানিকে তথ্য-পাতিৰে প্ৰমাণ কৰিছে। সেই কাৰণে আজিৰ মানৱ জাতিৰ সমুখত সমস্যাই দেখা দিছে। হয় লোকসংখ্যা বৃদ্ধিৰ বাধা দিব লাগিব, নহয় পৃথিৱীৰ বাহিৰে অন্য গ্ৰহত বসতিস্থান বিচাৰিব লাগিব। মঙ্গল গ্ৰহ এতিয়াও বিজ্ঞানৰ আলোচনা-গৱেষণাৰ বিষয় হৈয়ে আছে, সেইকাৰণে সম্প্ৰতি লোকসংখ্যাৰ প্ৰশ্নটোতে বিশ্বৰ সকলোৱে মনোনিৱেশ কৰিবলগাত পৰিছে। মলথাছৰ তত্ব সম্পৰ্কে নিখুত বুলি গ্ৰহণ নকৰিলেও লোকসংখ্যা অনগ্ৰসৰ দেশবিলাকৰ অন্ততঃ জ্যামিতিক গতিৰেই বৃদ্ধি পাইছে বুলি ক'ব লাগিব। অথচ অৰ্থনৈতিক ক্ষেত্ৰত অনগ্ৰসৰ দেশবিলাকতে লোকসংখ্যাৰ সমস্যাটোৱে নিয়োগৰ ফালৰ পৰা জটিল ৰূপ ধাৰণ কৰিছে।

ভাৰতো এখন অনগ্ৰসৰ দেশ, সেই কাৰণে ভাৰতত লোকসংখ্যা বৃদ্ধিত বাধা দিবলৈ প্ৰবল চেষ্টাৰ প্ৰয়োজন হৈ পৰিছে। ১৯৬১ লোক গণনাৰ পাচত ভাৰতৰ লোকসংখ্যা বৃদ্ধিয়ে দেশৰ ভৱিষ্যত চিন্তা কৰাসকলক বিমোৰত পেলাইছে। সঁচাকৈয়ে এক দশকৰ ভিতৰত ২১.৫১ শতাংশ লোকসংখ্যা বৃদ্ধি উপেক্ষাৰ বিষয় হ'ব নোৱাৰে।

এই অৱস্থাৰ সমুখত ভাৰতত পৰিয়াল পৰিকল্পনা গুৰুত্ব স্বাভাৱিকতে চৰকাৰসমূহে বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰাও দেখা গৈছে। কিন্তু প্ৰশ্ন হৈছে পৰিয়াল পৰিকল্পনা আঁচনিয়ে জনসাধাৰণৰ পৰা কেনে সমাদৰ পাইছে, চৰকাৰী প্ৰচেষ্টাই কিমানখিনি সফলতা লাভ কৰিছে। আমাৰ দেশত প্ৰচলিত বিভিন্ন ধৰ্মত পৰিয়াল সংকুচিত কৰাৰ অনুশাসন নাই, বৰং কোনো কোনো ক্ষেত্ৰত পৰিয়াল বৃদ্ধিত উৎসাহহে দিয়া হয়।

ভাৰতীয় জনসাধাৰণৰ অজ্ঞতা সম্পৰ্কে নতুনকৈ দোহাৰিবৰ আৱশ্যক নকৰে। সেই কাৰণে নিৰক্ষৰ আৰু অশিক্ষিত শ্ৰমিক শ্ৰেণী আৰু গাৱঁলীয়া লোকৰ মাজত পৰিয়াল পৰিকল্পনাৰ ব্যস্থতাই যে বিশেষ কাম কৰিব নোৱাৰে আৰু কৰিব পৰা নাই, সি ওলাই থকা কথা। পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব শিক্ষিত সমাজে ইতিমধ্যে উপলব্ধি কৰিছে। নগৰ অঞ্চলত বাস কৰা মধ্যবিত্ত শ্ৰেণীয়ে অৰ্থনৈতিক হেঁচাত পৰিয়েই পৰিয়াল পৰিকল্পনাৰ আশ্ৰয় গ্ৰহণ কৰিবলগা হৈছে। সেই কাৰণে আঁচনি কৃতকাৰ্য্য কৰিবলৈ হ'লে অশিক্ষিত শ্ৰমিক আৰু গাৱঁলীয়া লোকৰ মাজত ইয়াৰ প্ৰসাৰ বৃদ্ধি কৰিব লাগিব।

এই প্ৰসংগত এটা কথা উল্লেখ কৰিব লাগিব যে ঔদ্যোগিক আইনৰ বাবে বিশেষকৈ, ৰোপণ উদ্যোগত

শ্ৰমিক দলক পৰিয়াল সংকুচিত কৰিবলৈ উৎসাহ দিয়া নাই। প্ৰসূতি কল্যাণৰ ছুটী আৰু অন্যান্য সা-সুবিধা অনিৰ্দ্দিষ্টভাৱে পাই থাকিলে পৰিয়াল বৃদ্ধিত বাধা পৰাৰ সম্ভাৱনা নাই। গাওঁ-ভুইবিলাকত প্ৰচাৰ হোৱা বাঞ্ছনীয়। এই ক্ষেত্ৰত প্ৰচাৰ পত্ৰ আৰু পুস্তিকাৰ ওপৰতে নিৰ্ভৰ নকৰি শ্ৰৱণ-দৰ্শন মাধ্যমৰ সাহায্য ল'লেহে বিশেষ ফল পোৱা যাব বুলি আশা কৰিব পাৰি।

জন্মনিৰোধ সামগ্ৰী যৎপৰোনাস্তি কম মূল্যৰ আৰু সহজ লভ্য নহ'লে সেইবোৰৰ ব্যৱহাৰ ব্যাপক নহয়। তদুপৰি "লুপু"ৰ দৰে সামগ্ৰী ব্যৱহাৰত প্ৰশিক্ষণ প্ৰাপ্ত লোক আৰু চিকিৎসকৰ সাহায্য লাগে, তাৰ বাবেও ব্যৱস্থা কৰা আৱশ্যক। জন্মনিৰোধৰ প্ৰমাণী ব্যৱস্থা জনসাধাৰণৰ মাজত প্ৰচলন কৰাব নোৱাৰিলে সৰ্বসাধাৰণে এনে ব্যৱস্থাৰ প্ৰতি আওকাণ কৰাও অস্বাভাৱিক নহয়। সেই কাৰণে তাৰ প্ৰতিও সতৰ্কতা অৱলম্বন কৰা দৰকাৰ।

পৰিয়াল পৰিকল্পনা এতিয়া এটা ৰাষ্ট্ৰীয় দায়িত্ব হৈ পৰিছে আৰু ইয়াৰ কাৰণে স্থানীয় নেতাসকলেও জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ ল'ব লাগে তেহে আঁচনিৰ সুফল আশা কৰিব পাৰি।

বৃহস্পতিবাৰ, ১২ আগষ্ট, **১৯৬৫ চন**

# বিদ্যুৎ আঁচনি

বিজুলী শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত জনমুৰি হিচাপত ভাৰতৰ ভিতৰত অসমেই নিম্নতম স্থানত আছে। এনে স্থলত অসমৰ গাৱঁত বিজুলী শক্তি যোগান ধৰা আঁচনিও যে দেখনিয়াৰ নহ'ব, সেইটো ওলাই থকা কথা। যি সময়ত মাদ্ৰাজত ২০ হেজাৰ গাৱঁত বিজুলী শক্তি যোগান ধৰিব পৰা হৈছে, সেই সময়ত অসমৰ ২৫ হেজাৰৰো সৰহ গাৱঁৰ ভিতৰত মাত্ৰ ৬৯ খনত বিজুলী শক্তি যোগান ধৰিব পৰা হয় (১৯৬৪ চনৰ শেষলৈকে ধৰা তথ্যৰ ভিত্তিত এই হিচাপ দিয়া হৈছে)।

এনে স্থলত এতিয়া অসমৰ গাওঁ অঞ্চলৰ কাৰণে বিজুলী শক্তি যোগান ধৰা আঁচনিৰ বাবে ৯২.৭০ লাখ টকা অনুমোদিত হোৱাত সন্তোষ পাবলগীয়া কাৰণ নিশ্চয় আছে; কিন্তু এইটোও ঠিক যে ইয়াৰপৰা বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নহ'ব। এই আঁচনি মতে লক্ষ্য হিচাপে ধৰা হৈছে ২৬০ খন গাওঁ। সেইদেখি আঁচনিখন সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হ'লেও ইয়াৰ যোগেদি মাত্ৰ আৰম্ভণিহে সূচোৱা হ'ব। গাওঁ অঞ্চলৰ বিদ্যুৎকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে নতুনকৈ কোৱাৰ সকাম নাই। ৰাজ্যত বিজুলী শক্তিৰ উৎপাদন বৃদ্ধি হ'লে এই আঁচনিৰ গতি নিশ্চয় খৰতকীয়া কৰিব পৰা হ'ব। আমাৰ সম্পদৰাজি ভালকৈ আহৰণ কৰিব পাৰিলে বিজুলী শক্তি উৎপন্ন কৰাৰ থল বহুত গুণে বঢ়াব পৰা হ'ব। চৰকাৰী সমীক্ষা এটাৰপৰাই জনা গৈছে যে অসমত জল-বিদ্যুৎ উৎপাদনৰ বহল থল আছে। অতিৰিক্তভাৱে ৰাজ্যত যিখিনি বিজুলী শক্তি উৎপন্ন হ'ব পাৰে, তাৰ শতকৰা ৪৩ ভাগেই জল-বিদ্যুৎ আঁচনিৰপৰা পাব পৰাৰ সুবিধা আছে বুলি এই সমীক্ষাত কোৱা হৈছে। ইতিমধ্যে ৰাজ্যত বিজুলী শক্তিৰ উৎপাদন বঢ়াবৰ বাবে কেইবাখনো আঁচনি কাৰ্য্যকৰী কৰা হৈছে। সেইবোৰ আঁচনিৰ ওপৰত ভৰ দিয়েই এতিয়া কোৱা হৈছে যে ১৯৬৪ চনৰ এক এপ্ৰিলত থকা পৰিমাণৰ (২৮,৯০০ কিলোৱাট) তুলনাত ১৯৬৫ চনৰ মাজ ভাগত ৰাজ্যত বিজুলী শক্তিৰ উৎপাদন সামৰ্থ্য হ'ব ১৬১০০০ কিলোৱাট। এই হিচাপ মতে প্ৰায় ডেৰ বছৰত বিজুলী শক্তিৰ উৎপাদন শতকৰা ৪৫৭ ভাগ বেছি হ'ব। কপিলী উপত্যকা আঁচনিখন যদি এতিয়াও আকাশ কুসুম হৈ নেথাকিলেহেঁতেন তেন্তে অৱস্থাৰ হয়তো আৰু উন্নতি হোৱা দেখিবলৈ পোৱা গলহেঁতেন।

গাৱঁত বিজুলী শক্তি যোগান ধৰা আঁচনিখনৰ বিষয়ে কৰা আলোচনা ৰাজ্যৰ অৱস্থাৰ পটভূমিৰ অৱস্থা যিমানে ভাল হ'ব গাৱঁৰ কাৰণে হাতত লোৱা আঁচনিৰ অৱস্থাও সিমানে ভাল হ'ব। অৱশ্যে এই ক্ষেত্ৰত দুটামান কথালৈ লক্ষ্য ৰখা উচিত হ'ব। নগৰীয়া অঞ্চলতে উদ্যোগ আদিৰ বেলিকা বিজুলী শক্তিৰ চাহিদা ইমান বেছি যে এই সুবিধা গ্ৰহণ কৰাৰ বাবে ভৰিবলগীয়া ধনৰ পৰিমাণৰ ফলত অচল অৱস্থাৰ উদ্ভৱ নহয় । অৱশ্যে উদ্যোগৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেতবোৰ সা-সুবিধা আগ নবঢ়োৱাকৈয়ো থকা নাই। কিন্তু গাৱঁৰ ক্ষেত্ৰত এই বিষয়টোৰ প্ৰতি বিশেষভাৱে মন কৰিব লাগিব। গাৱঁত ফলদায়কভাৱে যাতে বিজুলী শক্তি ব্যৱহৃত হয় (ক্ষুদ্ৰ উদ্যোগ, কৃষি আদিত) তাৰ বাবে সুবিধা ভোগ কৰোতাক বিশেষ ৰেহাই দিয়াৰ ব্যৱস্থা থাকিব লাগিব। দ্বিতীয়তে কোনবোৰ গাৱঁত পোনতে বিজুলী শক্তি যোগান ধৰা হ'ব—সেই বাছনিও সন্দৰ্পণে হ'ব লাগে। বাহিৰা কথাৰ বিবেচনাতকৈ ফলদায়কভাৱে বিজুলী শক্তি ব্যৱহাৰ কৰাৰ সুবিধা থকা গাওঁবোৰহে (অৱশ্যে বিজুলী শক্তি পৰিবহন কৰা সুবিধাৰ লগত সঙ্গতি ৰাখি) নিৰ্বাচিত হ'ব লাগে।

<u>শুক্ৰবাৰ, ১৩ আগষ্ট, **১৯৬৫ চন**</u>

# চতুৰ্থ পৰিকল্পনা

পৰিকল্পনা আয়োগে চতুৰ্থ পৰিকল্পনাৰ ব্যয়ৰ পৰিমাণ ২১,৫০০ কোটি টকাত ৰখাৰ সম্পৰ্কে সিদ্ধান্ত লৈছে। ইতিমধ্যে চলা বাদানুবাদৰ মাজতো অৱশ্যে আন কিবা সিদ্ধান্ত লোৱা হ'ব বুলি বিশ্বাস কৰিবলৈ টান লাগিছিল। কিয়নো এই বিষয়ে অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বিচাৰ-বিবেচনা কৰাতকৈয়ো ৰাজনৈতিক বিচাৰ-বিবেচনাৰ প্ৰাদুৰ্ভাৱহে দেখা গ'ল। পৰিকল্পনা বৃহত্তৰ স্বাৰ্থৰ সমুখত এনে বিচাৰ-বিবেচনা সংকীৰ্ণ বুলিয়েই ক'ব লাগিব।

আমাৰ বোধেৰে ইতিমধ্যে পৰিকল্পনাৰ ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাই আমাক এটা নতুন মূল্যবোধ দিব পাৰিব লাগিছিল। ব্যয়ৰ পৰিসংখ্যাৰ মাজত মৰ্য্যাদা বিচাৰি উলিয়াবলৈ যোৱাতকৈ পৰিকল্পনাৰ খাচ ফলাফলৰ মাজতে সেই মৰ্য্যাদাৰ বিচাৰ লোৱাটোহে উচিত। এতিয়া ২১,৫০০ কোটি টকা চতুৰ্থ পৰিকল্পনা খৰচ কৰিবলৈ ঠিক কৰি হাতত পৰিব পৰা সমলৰ হিচাপ দি কোৱা হৈছে যে ২০,৮৫০ কোটি পোৱাৰ থল আছে। তেতিয়াও বাকী থাকিব ৬৫০ কোটি টকা। এইখিনি ধন হেনো প্ৰশাসনৰ ব্যয় সংকোচন আদি ব্যৱস্থাৰ যোগেদি পোৱাৰ আশা কৰা হৈছে। এইটো সাধু আশাৰ শাৰীতহে ধৰিব লাগিব—কিয়নো প্ৰশাসনীয় ব্যয় সংকোচনৰ ক্ষেত্ৰত চৰম ব্যৰ্থতা এবাৰ নহয়, একাধিকবাৰ পৰিলক্ষিত হৈছে। অতিৰিক্ত কৰৰ যোগেদি তিনি হেজাৰ কোটি টকা পোৱা হ'ব বুলি আশা কৰাৰ মূৰত বাকী থকা বিপুল পৰিমাণৰ ধন আমি বিদেশী ৰাষ্ট্ৰৰ পৰা ইতিমধ্যে সাহায্যৰ জোলোঙা লৈ দেশে দেশে ঘূৰি আমাৰ দেশে বিদেশৰ পৰা ধন আনিছে; কিন্তু ইপ্সিত পৰিমাণে পোৱা নাই। বিশ্ব বেংক আদি প্ৰতিষ্ঠানকো হেনো আমাৰ তৃতীয় পৰিকল্পনাৰ অগ্ৰগতিয়ে সন্তোষ দিব পৰা নাই। সেইদেখি সেই শ্ৰেণীৰ প্ৰতিষ্ঠানৰ পৰা সৰহীয়া পৰিমাণৰ সাহায্য আশা কৰিব নোৱাৰিব। সাহায্যকাৰী অন্যান্য দেশবোৰত নানান বিবেচনাৰ ফালৰ পৰাহে ব্যৱহায্যৰ পৰিমাণ নিৰ্দ্দিষ্ট কৰে, অকল আমাৰ চাহিদাৰ বিবেচনাত নহয়। সেই কথাবোৰৰ ৰূপ সলনি হৈ থাকে ঘটনা ধাৰাৰ বিৱৰ্তনৰ লগে লগে। সেই দেখি আমি পাব পৰা

সাহায্যৰ নিৰ্দ্দিষ্ট পৰিমাণ এটা নিকপকীয়াভাৱে আগতীয়াকৈ নিৰূপিত কৰি ল'ব নোৱাৰে। তদুপৰি সাহায্যৰ সদব্যৱহাৰ হোৱা প্ৰশ্ন সম্পৰ্কে সন্দেহৰ ভাব পোষণ কৰা দেশো আছে। উদাহৰণস্বৰূপে পশ্চিম জাৰ্মানী আৰু ফ্ৰান্সৰ কথা ক'ব পাৰি। এই দুয়োখন দেশৰে কাকতে-পত্ৰই এনে বিষয়ৰ বিৰূপ সমালোচনা কৰিছে।

এনে অৱস্থাত বিদেশী সাহায্য সম্পৰ্কে আমি আগতীয়াকৈ নিশ্চিত ভৰসা কৰিব নোৱাৰো। আনহাতে ঋণৰ বোজা বাঢ়ি আছে। ঘাটি ৰাখি বাজেটত ব্যয়ৰ ব্যৱস্থা ৰখাৰ থল সংকুচিত হৈ আহিছে। কৰ-কাটলৰ নতুন থল নাই—অন্ততঃ এনে কোনো বৈপ্লৱিক ব্যৱস্থা চৰকাৰে উলিয়াব পাৰিব বুলি আমি আশা কৰিব নোৱাৰো—যাৰ যোগেদি বুজন পৰিমাণৰ ধন চৰকাৰৰ কোষত জমা হ'বহি পাৰে। কিন্তু সিপিনে পৰিশোধ কৰিবলগীয়া ঋণৰ বোজাই এতিয়া আমাক আৰু জুমুৰি দি ধৰিবগৈ।

<u>শনিবাৰ, ১৪ আগষ্ট, **১৯৬৫ চন**</u>

# চৰকাৰৰ নিৰ্লিপ্ততা

সমগ্ৰ ৰাজ্যতে বয়-বস্তুৰ দাম অতিপাত বাঢ়িছে। আজিৰ আৰ্থিক দুৰ্দিনৰ মাজত বয়-বস্তুৰ দৰৰ এনে ক্ৰমাগত উৰ্দ্ধ গতিয়ে সৰ্বসাধাৰণ ৰাইজৰ কি অৱস্থা কৰিছে, তাৰ বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ নিৰ্লিপ্ততাৰ যি নমুনা পোৱা হৈছে, তাৰ তুলনা বোধকৰো ক'তো নোলাব। খাছী পাহাৰত খাদ্যৰ নাটনি হোৱা বুলি বাতৰি ওলোৱাত উচ্চপদস্থ বিষয়া পঠাই ৰাজ্য চৰকাৰে তদন্ত চলোৱাৰ ব্যৱস্থা কৰিলে। এই ক্ষেত্ৰত তৎপৰতাৰ অভাৱ নহ'ল এই বুলিয়েই যে সেই বাতৰিবোৰৰ লগতে অনাহাৰত মৃত্যু হোৱা বুলিও উল্লেখ আছিল। কিন্তু সমগ্ৰ ৰাজ্যতে মৰি মৰি জীয়াই থকা লাখ লাখ লোকৰ দুৰ্দশাৰ বাতৰি পায়ো চৰকাৰৰ কৰ্ণধাৰসকল নিৰ্লিপ্ত হৈ আছে কিয়? তাতোকৈ ডাঙৰ আৰু দুখৰ কথা হ'ল—ৰাজ্যৰ খাদ্য পৰিস্থিতি সম্পৰ্কে 'হেঙুল-হাইতাল' বোলাই যিবোৰ চৰকাৰী বিৱৰণ দিয়া হয়, সেইবোৰে ৰাইজৰ কটা ঘাত চেঙা তেল দিয়ে।

চৰকাৰে যোগানৰ ক্ষেত্ৰত থকা খেলিমেলি দূৰ কৰাৰ বাবে কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত নল'লে। এই অব্যৱস্থাৰ ফলতে নাটনিৰ লগতে কৃত্ৰিম নাটনিও লগ-লাগিছে। ফলত সৰ্বসাধাৰণৰ অসুবিধা বৃদ্ধি পাইছে। দ্বিতীয়তে দাম বঢ়াৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। অধিক লাভ আদায় কৰাৰ বাবে এটা মহলে যিবোৰ পাকচক্ৰ লগাই আহিছে, সেইবোৰৰ বিৰুদ্ধে একো ব্যৱস্থাই লোৱা হোৱা নাই। কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা, অনাহকতে দাম বঢ়াই দিয়া—এনেবোৰ সমাজ-বিৰোধী কাৰ্য্যকলাপৰ বিৰুদ্ধে অৰ্থহীন মৌখিক হুঙ্কাৰ দুই -এটা শুনাৰ বাহিৰে আমি আন একোকে দেখা নাই। ভাৰত ৰক্ষা বিধি আদি যুগুত কৰি সৰ্বসাধাৰণক বহুতো আশ্বাস দিয়া হৈছিল যদিও কাৰ্য্যক্ষেত্ৰত সেইবোৰৰ প্ৰয়োগ ক'তো দেখা নাই। চৰকাৰৰ এনে আওকণীয়া মনোভাৱ দেখিয়েই শতসহস্ৰ অজুহাত উলিয়াই কিছুমান লোকে নিজ ইচ্ছা মতে দাম বঢ়াই দি ৰাইজক চুঁচিব লাগিছে। কথা আৰু কামৰ মাজত গঢ়ি উঠা প্ৰাচীৰ ভাঙি পেলোৱাত বাধা ক'ত? কাৰোবাৰ ন্যস্ত স্বাৰ্থ নে ই আওকণীয়া মনোভাৱৰে চৰম নিদৰ্শন?

দেওবাৰ, ১৫ আগষ্ট, ১৯৬৫ **চন**

# পোন্ধৰ আগষ্ট

আজি পোন্ধৰ আগষ্ট— বুৰঞ্জীৰ অন্যতম মহান দিন। দৈন্যৰ জোলোঙা লৈ পৰাধীনতাৰ গ্লানিৰ বাটেদি আহি ধূলিৰ মাজত মিহলি হৈ যোৱা ভাৰতে নতুন সঞ্জীৱনী সুধা পালে গান্ধীজীৰপৰা। আৰম্ভ হ'ল— নতুন যাত্ৰা, সেই পথত তেজ আৰু চকুলোৱে কৰাল মাৰিলে। কিন্তু সৰগৰ সন্ধান পোৱা মাটিৰ মানুহৰ এই নতুন প্ৰাণ-শক্তিৰ অবিৰাম গতিত হেঙাৰ পোতাৰ সামৰ্থৰ বৃটিছ-সিংহই বিচাৰি নেপালে।

সেই মহান পৰিণতিৰ সূচনা হ'ল ১৮ বছৰৰ আগতে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনটো এই বিশাল দেশখনৰ বহুতো সাধনাৰ প্ৰতিফলন। আজি পুনৰ এই মহান দিনত থিয় দি সমগ্ৰ ভাৰতবাসীয়ে হিয়াৰ তন্ত্ৰীৰ এটি সুৰৰ মূৰ্চ্ছনা শুনিছে— সেই সুৰ হ'ল আশাৰ আৰু প্ৰেৰণাৰ। আশাই হ'ল মানুহৰ মনৰ মণিকোঠৰ চুম্বক-শক্তি। জীৱনৰ বাটত সেয়ে মানুহক সমুখৰ পিনে চকুত জ্যোতি সানি চাবলৈ শিকাইছে। কিন্তু সেই আশা-আকলুৱা ভাৰতবাসীয়ে বিচৰাখিনি পাইছেনে নাই? এই প্ৰশ্নৰ বিশ্লেষণ কৰাৰ বাবেও আমি আগবাঢ়িব লাগিব। আজি তাৰ বাবেও শুভ ক্ষণ। ১৫ আগষ্ট আমাৰ আনন্দৰ দিন, নতুন সংকল্প গ্ৰহণ কৰাৰ দিন আৰু লগতে আত্ম-বিশ্লেষণৰ দিন। সমুখত মহান আদৰ্শ লৈ ভাৰতবাসীয়ে মুক্তি-সংগ্ৰামত জীৱন পাত কৰিলে, সেই মহান আদৰ্শ লৈয়েই আমাৰ সংবিধান ৰচিত হ'ল। আদৰ্শক কামত ৰূপায়িত কৰাৰ সংকল্প লৈ কৰ্ণধাৰসকলে শাসনৰ বাঘ-জৰী হাতত তুলি ল'লে। সেই সংকল্প সকলোৱে দোহাৰিলে ১৫ আগষ্টৰ পৱিত্ৰ দিনত— ৰাষ্ট্ৰীয় পতাকাৰ তলত।

কিন্তু তাৰ পিচত? সেইটোৱেই হ'ল ঘাই কথা। আমি জানো যে ১৯৪৭ চনৰ ১৫ আগষ্ট আমাৰ সংগ্ৰামৰ পৰিসমাপ্তিৰ সীমা নহয়, এয়া হ'ল ৰাজনৈতিক আৰু অৰ্থনৈতিক সংগ্ৰামৰ পানী-যুৰলি। এটাৰ পৰিসমাপ্তি আৰু এটাৰ আৰম্ভণি। ৰত্নগৰ্ভা ভাৰতৰ ঐতিহ্যৰ শ্মশানত আমি নতুন সপোন বাস্তৱত চৰিতাৰ্থ কৰি তোলাৰ সংকল্প ল'লো তেতিয়াৰেপৰা। সেই প্ৰচেষ্টা নিশ্চয় স্থবিৰ হৈ থকা নাই। ভাৰতৰ বুকুৰেদি চকু ফুৰাই গ'লেই তাৰ অলেখ সাক্ষী ওলাব। উদ্যোগ, শিক্ষা, বাট-পথ বাণিজ্য, কৃষি, বিনিয়োগ আদি নানান ক্ষেত্ৰত নতুন সজীৱতাৰ ঢল উঠিছে। তিনিখন পৰিকল্পনা পাৰ হৈ চতুৰ্থ পাঁচ বছৰীয়া পৰিকল্পনাৰ নঙলা মুখত আমি আহি উপস্থিত হৈছো। কিন্তু দেশ গঢ়াৰ এই অভিযানৰ গতি সৰ্বসাধাৰণৰ ইপ্সিত ধৰণে হোৱা নাই।

অৱশ্যে এই ক্ষেত্ৰত কেতবোৰ নতুন বাধাই আমাক জুমুৰি দি ধৰিছে। চীনে সৃষ্টি কৰা সংকট আজিও আছে; আক্ৰমণকাৰী চীনৰ অনমনীয় মনোভাৱৰ ফলত সীমান্ত বিবাদৰ ৰূপ সলনি নোহোৱাকৈ আছে; অকল সেয়ে নহয় চীনৰ নতুন প্ৰস্তুতিয়ে আমাৰ প্ৰতিৰক্ষা প্ৰস্তুতিৰ ওপৰত হেঁচা আৰু বঢ়াইছে। আনহাতে চুবুৰীয়া পাকিস্থানৰ যুদ্ধং দেহি মনোভাৱে ক্ৰমে আৰু উৎকট ৰূপ লৈছে। ইয়াৰ ফলতো আমাৰ ওপৰত হেঁচা বাঢ়িছে। উন্নয়ন প্ৰচেষ্টাৰ গতি-পথ অৱশ্যে এইবোৰ সমস্যাই ৰোধ কৰা নাই— কিন্তু গতি মন্থৰ কৰিছে। তথাপি আজি সেই সীমাবদ্ধতা মানি লৈয়ো আমি আমাৰ লক্ষ্য অভিমুখে ঈপ্সিত ধৰণে আগবাঢ়িব পৰিছোনে? সৰ্বসাধাৰণ ৰাইজে একমুখে ক'ব— নাই পৰা বুলি। আশা কৰি কৰি তেওঁলোকৰ চকুলৈ ক্লান্তি আহিছে। কথা আৰু কামৰ

মাজত সঙ্গতিৰ অভাৱ দেখি দেখি তেওঁলোকৰ মন সেমেকি গৈছে। পৰিকল্পনাৰ শিতানত শকত অংকৰ সমদল আছে; কিন্তু যিবোৰ বিষয়ত পৰিকল্পনাৰ যোগেদি ৰাইজে সুফল পোৱাৰ আশা কৰি আছিল, সেই আশা ফলৱতী হোৱা নাই। বয়-বস্তুৰ চৰা দামৰ ফলত ৰাইজ জুৰুলা হৈছে— কিন্তু প্ৰতিকাৰ নাই। চোৰাং বজাৰ, দুৰ্নীতিৰ পোহাৰো পূৰ্ণোদ্যমে চলি আছে। ভাতমুঠিৰ বাবে আজিও আমি দেশে দেশে খাদ্য বুটলি ফুৰিবলগীয়া হৈছে— অথচ পৰিকল্পনা সুদীৰ্ঘকাল জুৰি চলোৱা হ'ল, খাদ্যৰ উৎপাদন বঢ়াবৰ কাৰণে। দেশৰ প্ৰশাসনৰ মান উন্নত কৰা আদৰ্শও ফলৱতী নহ'ল।

এই পৰিৱেশত আমি দেশত দেখিছো অস্থিৰতা; ৰাষ্ট্ৰীয় সংহতিৰ সমস্যায়ো আমাক ছাটি ধৰিছে। লগে লগে নৈতিকতাৰ ভেটিত সুপ্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় চৰিত্ৰৰ অভাৱো পৰিলক্ষিত হৈছে। কিন্তু ইয়াৰ গুৰি ক'ত। ই বেমাৰ নহয়— বেমাৰৰ লক্ষণহে। ইয়াৰ বাবে সৰ্বসাধাৰণক দুষিলে নহ'ব। গান্ধীজীয়ে এইখিনি মানুহকে ধূলিৰ মাজৰ পৰা বুটলি মহান শক্তিৰে উদ্বুদ্ধ কৰি তুলিছিল। সেই অন্তৰ্নিহিত শক্তি আজিও আছে; কিন্তু ৰাইজ বিভ্ৰান্ত হৈছে আৰু তেওঁলোকৰ হিয়াৰ তন্ত্ৰীত কোনেও ঝঙ্কাৰ তুলিব পৰা নাই।

আমাৰ আজিৰ সমস্যা এয়ে. এই সমস্যাৰ সমাধান যদি আমি বিচাৰো তেন্তে বলিষ্ঠ আত্ম-বিশ্লেষণ লাগে, নতুন নিষ্ঠা লাগে। তাৰেই সংকল্প আজি ল'ব লাগিব-বতাহৰ কোমল পৰশত প্ৰাণ-শক্তিৰ স্ফুৰণ তুলি হেন্দুলি থকা ৰাষ্ট্ৰীয় পতাকাৰ তলত। সমস্যাই ঘেৰি ধৰা অসমৰ ৰাইজৰ কাৰণে কঠিন পৰীক্ষা সমাগত হৈছে। ৰাজ্যখনৰ উন্নতিৰ সমস্যাৰ লগতে চীন-পাকিস্থানে সৃষ্টি কৰা সমস্যাৰ হেঁচা আমাৰ ওপৰত বিশেষভাৱে পৰিছে। তদুপৰি পাকিস্থানী অনুপ্ৰৱেশকাৰী আৰু বিদেশী শক্তিৰ অনুচৰবৰ্গৰ কাৰ্য্যকলাপেও আমাৰ ৰাজ্যখনক চিন্তাক্লিষ্ট কৰি তুলিছে। এই ক্ষেত্ৰত বিশেষ সতৰ্কতাৰ প্ৰয়োজন। মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই এই সম্পৰ্কত দিয়া সতৰ্কবাণীয়ে সমূহ ৰাইজক সজাগ কৰি তোলা উচিত।

মঙ্গলবাৰ, ১৭ আগষ্ট, **১৯৬৫ চন**

# সময়ৰ আহ্বান

পাকিস্থানে কাশ্মীৰত সৃষ্টি কৰা সমস্যাই আমাৰ দেশৰ সমুখত দেখা দিয়া সমস্যাবোৰৰ ভিতৰত সম্প্ৰতি আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা। স্বাধীনতা দিৱস উপলক্ষে নেতৃবৰ্গই দিয়া ভাষণত সেইদেখি এই কথাই বিশেষ প্ৰাধান্য লাভ কৰিছে। লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰোতে ৰাষ্ট্ৰৰ উদেশ্যে দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীলালবাহাদুৰ শাস্ত্ৰীয়ে এই সম্পৰ্কত উল্লেখ কৰা কথাখিনিৰ মাজতো এটা বৈশিষ্ট পৰিলক্ষিত হৈছে। আমি প্ৰধানমন্ত্ৰীৰ ভাষণত এটা বিশেষ দৃঢ়তা থকা দেখিবলৈ পাইছো; এইটো সঁচাকৈ সন্তোষৰ কথা। অনুপ্ৰৱেশৰ পাতনি মেলি পাকিস্থানে কাশ্মীৰত যি নতুন চক্ৰান্ত কৰিছে সেই সম্পৰ্কত সুস্পষ্ট মত প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে এটা কথা স্পষ্টভাৱে জনাই দিছে যে কাশ্মীৰ প্ৰশ্ন সম্পৰ্কে আলোচনা কৰাৰ একো কথা ভাবিবই নোৱাৰি।

আমি আশা কৰোঁ যেন এই দৃঢ়তাৰ ভেটিতে চৰকাৰে নীতি ৰচনা কৰে। কাশ্মীৰৰ ক্ষেত্ৰত আৰম্ভৰে পৰা আমাৰ ভুলৰ সমদল যাত্ৰাকে আমি দেখি আহিলো। সন্মিলিত ৰাষ্ট্ৰসংঘৰ কাষ চাপি আমি এহাতৰ হুল দুহাতে কাঢ়িবলগীয়া হ'ল। যি পক্ষপাতদুষ্ট পাকচক্ৰৰ ফলত কাশ্মীৰৰ প্ৰশ্নটো আজিও জী থাকিল, সেই পক্ষপাতিতা এতিয়াও আছে। তথ্য আৰু অনাতাঁৰ মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে সেইদেখি ক'বলগীয়া হৈছে যে কাৰগিলৰ সীমান্ত চকীৰ বেলিকা হৈ-চৈ লগোৱা সন্মিলিত ৰাষ্ট্ৰসংঘৰ মূৰব্বী এতিয়া ব্যাপক পাকিস্থানী অনুপ্ৰৱেশৰ

বেলিকা নিমাতে আছে। আমি জানো যে সন্মিলিত ৰাষ্ট্ৰসংঘ তথা পশ্চিমীয়া দেশসমূহে এই ভূমিকাকে ল'ব; সেইকথা পাকিস্থানেও জানে আৰু তাকে জানে কাৰণেই এনে নিৰ্লজ্জ ধৰণে পাকিস্থানে কাশ্মীৰত অনুপ্ৰৱেশৰ যোগেদি অঘোষিত যুদ্ধ এখনৰ অৱতাৰণা কৰিছে।

এনে অৱস্থাত দৃঢ়তাই আমাৰ একমাত্ৰ অৱলম্বন হ'ব লাগিব। সুদৃঢ় নীতিৰ অবিহনে পৰ্তুগীজ অধিকৃত অঞ্চলসমূহ আজিও কলঙ্কৰ বোজা হৈয়ে থাকিলেহেঁতেন। এতিয়াও আমাক লাগে তেনে দৃঢ়তাপূৰ্ণ নীতি। চৰকাৰে খাটাংভাৱে সুনিৰ্দ্দিষ্ট কাৰ্য্যৰ যোগেদি (আবেদন-নিবেদনৰ যোগেদি নহয়) বুজাই দিব লাগিব, কাশ্মীৰৰ প্ৰশ্ন লৈ পাকিস্থানৰ লগত কৰিবলগীয়া একো নাই। পাকিস্থানৰ হেঁচা, ভাবুকি—আনকি এতিয়াৰ আনৰিক যুদ্ধ—এইবোৰ একোৱেই আমাক লৰচৰ নকৰে। আৱশ্যক হ'লে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ আমি সাজু আছো। এই কথা পাকিস্থানে বুজিব লাগিব—অৰ্থাৎ আমি বুজাব পাৰিব লাগিব। পূৰ্বৰ ভুলৰ যেন পুনৰাবৃত্তি নহয়। কেন্দ্ৰীয় চৰকাৰে এসময়ত কাশ্মীৰ সম্পৰ্কত একো সমস্যা নাই বুলিয়েই কৈছিল। তেতিয়া কাশ্মীৰৰ কথা উল্লেখ কৰোতে অকল কাশ্মীৰ বুলিয়েই কৈছিল। বৰ্তমান 'কাশ্মীৰ প্ৰশ্ন' বুলি উল্লেখ কৰা হ'ল। কিন্তু কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীস্বৰণ সিঙক পাকিস্থানৰ সৈতে আলোচনা কৰিবলৈ পঠোৱা হ'ল—'কাশ্মীৰ সমস্যা' সম্পৰ্কে। এনে বিসংগতিৰ সুযোগ পাকিস্থানে নোলোৱাকৈ থকা নাই। আকৌ যেন তাৰ সুযোগ নেপায়।

এই সম্পৰ্কত দৃষ্টান্ত দেখুওৱাৰ লগতে প্ৰস্তুতিৰো প্ৰয়োজন। কাশ্মীৰক ৰক্ষা কৰাৰ বাবে চলোৱা সামৰিক অভিযান আমাৰ সৰ্বাত্মক প্ৰস্তুতি থকাটো নুবুজাই। এই ক্ষেত্ৰত আমি কৰিবলগীয়া আৰু বহুতো কাম আছে। মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই ১৫ আগষ্ট উপলক্ষে ৰাজহুৱা সভাত দিয়া ভাষণ, অনাতাঁৰ ভাষণ আৰু এটা ভাষণত এই সম্পৰ্কত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ১৯৬২ চনৰপৰা দেশৰ বিভিন্ন ঠাইত পশ্চাদঘাতী কাৰ্য্যকলাপ চলাৰ কথা আৰু চীন আৰু পাকিস্থানে জোটাশলীয়াভাৱে চলোৱা চক্ৰান্তৰ কথা উল্লেখ কৰি ৰাইজক সতৰ্ক কৰি দিছে। আমি এই কথাৰ প্ৰতি সততে সজাগ থাকিব লাগিব। আৰু এটা কথালৈ আমি মন কৰিব লাগিব। বৰ্তমান সময়ত আমাৰ মাজত ঐক্য অটুট ৰখাটো নিতান্ত প্ৰয়োজনীয়। ৰাজ্যিক বিত্তমন্ত্ৰী শ্ৰীফখৰুদ্দিন আলি আহমদে কাছাৰ জিলাত ভ্ৰমণ কৰোতে অলপতে শিলচৰত এযাৰ কথা উল্লেখ কৰিছিল; শ্ৰী আহমদে কয় যে মুছলমানসকল দেশৰ নিৰাপত্তাৰ পক্ষে শংকাৰ থল বুলি বিবেচনা কৰা লোক আছে; কিন্তু কাশ্মীৰৰ ঘটনাধাৰাই দেখুৱাই দিছে যে সেই ৰাজ্যৰ সংখ্যাগৰিষ্ঠ মুছলমান ৰাইজে পাকিস্থানৰ আক্ৰমণক বাধা দিয়া ক্ষেত্ৰত পিচ পৰি থকা নাই। আমিও আশা কৰোঁ যাতে দেশবাসীয়ে পথৰ কথা পাহৰি নাযায়।

বুধবাৰ, ১৮ আগষ্ট, **১৯৬৫ চন**

# চাকৰি আৰু শিক্ষা

অসমত নতুনকৈ বহুতো উদ্যোগ স্থাপিত হ'ল যদিও অসমৰ ডেকাসকলৰ চাকৰিৰ ক্ষেত্ৰত তাৰ পৰা বিশেষ একো উপকাৰ পোৱা নহ'ল। কৰবাত হয়তো সামান্য অংশ এটাই চাকৰি-বাকৰি পাইছে নাইবা কোনো কোনা উদ্যোগ প্ৰতিষ্ঠানে নিম্ন পৰ্যায়ত থকা কেইটামান চাকৰিত থলুৱা লোকক ভৰ্ত্তি কৰিছে। এই সম্পৰ্কত সময়ে সময়ে কেতবোৰ চাঞ্চল্যকৰ তথ্য প্ৰকাশ পাইছে। কিন্তু তাৰ প্ৰতিকাৰ একো নহ'ল। ৰাজ্যৰ চৰকাৰে হেনো ৰাজ্যৰ উদ্যোগ প্ৰতিষ্ঠানসমূহক এই সম্পৰ্কত পৰামৰ্শ দিছিল; কিন্তু সেই পৰামৰ্শ উদ্যোগ প্ৰতিষ্ঠানসমূহে

গ্ৰাহ্য কৰাটো পৰিলক্ষিত হোৱা নাই। এই প্ৰসংগটো পশ্চিমবঙ্গতো উত্থাপিত হৈছে—পশ্চিমবঙ্গ চৰকাৰে এই বিষয়ত যিখিনি তৎপৰতা বা যিখিনি দৃঢ়তা দেখুৱাইছে, অসমত তেনে দৃঢ়তা বা তৎপৰতাৰ চিন আমি দেখিবলৈ নেপাওঁ। তাৰ ঠাইত সংকোচভাব এটাহে দেখা যায়। ইয়াৰ কাৰণ কি?

উদ্যোগ প্ৰতিষ্ঠা হ'লে স্থানীয় নিবনুৱা লোকসকলে চাকৰি-বাকৰি পাব বুলি আশা কৰাটো অপৰাধমূলক কথা বুলি আমি নেভাবো। এই ক্ষেত্ৰত দুই-এককে সংবিধানৰ দোহাই দি দায়িত্ব সৰাৰ প্ৰয়াস কৰা দেখা যায়। পানী নসৰকা খোটালী গঢ়িবলৈ আমি কোৱা নাই। ৰাজ্য বিশেষৰ লোকৰ কাৰণে চাকৰি-বাকৰি এদনীয়া কৰি ৰখাৰ কথাও ইয়াত নাই। আমি মাত্ৰ ন্যায্য অংশৰ পৰা থলুৱা লোকক বঞ্চিত কৰিবৰ বাবে চলা প্ৰণালীৱদ্ধ প্ৰচেষ্টাৰ কথাহে কৈছো। সংবিধানৰ দোহাই দি এই আওপকীয়া বাট লোৱাটো সুস্থ ব্যৱস্থা বুলি গণ্য কৰাৰ যুক্তি বিচাৰি পোৱা হ'ব জানো? অসমৰ চাকৰি প্ৰাৰ্থীক বিশেষ ৰক্ষাকৱচ দিয়াৰ কথাও ইয়াত নাই; কিয়নো অসমৰ ডেকাসকলৰ বুদ্ধি-বৃত্তি নিম্ন স্থানৰ বুলি আৰু প্ৰতিযোগিতাৰ সন্মুখীন হোৱাৰ সামৰ্থ্য তেওলোকৰ নাই বুলি আমি মানি নলওঁ। যদি কাৰিকৰী বিষয়ৰ কোনো প্ৰতিযোগিতাত অসমৰ প্ৰতিযোগীসকলে ফেৰ মাৰিব পৰা নাই, তেন্তে দোষ তেওঁলোকৰ নহয়—সেই দোষৰ ভাৰ ল'ব লাগিব চৰকাৰেহে। ছেগাচোৰোকা কাৰিকৰী বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ বাবে ৰাজ্যত ব্যৱস্থা কৰা হৈছে যদিও অদূৰ ভৱিষ্যতৰ চাহিদা পূৰণ কৰিব পৰাকৈ বিশেষ বিশেষ কাৰিকৰী বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ প্ৰণালীৱদ্ধ প্ৰচেষ্টা আমি দেখা নাই, অসমত কি উদ্যোগ প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা আছে বা কি উদ্যোগ অলপতে প্ৰতিষ্ঠা কৰিব খোজা হৈছে—তালৈ দৃষ্টি ৰাখি থলুৱা ডেকাক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব লাগিছিল। তেল শোধনাগাৰৰ নিম্ন পৰ্যায়ৰ কাৰিকৰী কামত অৰ্হতাসম্পন্ন লোক পঞ্জাব আদি ৰাজ্যত পোৱা গৈছে; কিন্তু অসমত পোৱা নাই। কাৰণ অসমত তেনে প্ৰশিক্ষণৰ বন্দৱস্ত নাই; আনহাতে পঞ্জাব আদি ৰাজ্যত সেই সুবিধা আছে।

এনেবোৰ আসোঁৱাহ আমি দূৰ কৰিব লাগিব। সুবিধা অনুসৰি ৰাজ্যত কাৰিকৰী আৰু বৃত্তিকৰী বিষয়ৰ শিক্ষা-কেন্দ্ৰ স্থাপিত হ'ব লাগে। আৱশ্যক হ'লে ৰাজ্যৰ বাহিৰলৈকো তেনে প্ৰশিক্ষণৰ বাবে অসমৰ প্ৰাৰ্থী পঠাব লাগে। কিন্তু মন্থৰ গতিৰে আগবঢ়াৰ পৰা লাভ নহ'ব। প্ৰতিযোগিতা এই ক্ষেত্ৰতো থাকিব—আনে উপযুক্ত প্ৰশিক্ষণৰ দিহা কৰি অৰ্হতা সম্পন্ন লোকক চাকৰিৰ বজাৰলৈ উলিয়াই দিয়াৰ মূৰত আমি ভঙা সভাত উৰুলি দিবলৈ গ'লে একো লাভ নহয়। সম্প্ৰতি শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে ৰাজ্যত এটা নতুন উদ্যম পৰিলক্ষিত হৈছে। কিন্তু সেই উদ্যমৰ সুযোগৰ সুযোগ জানো চৰকাৰে লৈছে? কলা বিষয়ৰ শিক্ষা দান কৰাবৰ বাবে বিভিন্ন ঠাইত বেচৰকাৰী উদ্যমত কলেজ স্থাপিত হৈছে। এনেধৰণৰ কলেজৰ সংখ্যা বঢ়াৰ পৰা অদূৰ ভৱিষ্যতৰ কেতবোৰ নতুন জটিলতাৰ সৃষ্টি হ'ব। কিন্তু শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে হোৱা জাগৰণৰ গতি ৰোধ কৰিব নোৱাৰি। তাকে কৰিবলৈ গ'লে অশুভ প্ৰতিক্ৰিয়াহে হ'ব। আনহাতে উচ্চ শিক্ষা ল'বলৈ ইচ্ছা কৰা ছাত্ৰসকল ত্ৰিশংকুৰ দৰেও থাকিব নোৱাৰে—বিকল্প পথৰ ব্যৱস্থা নেপালেহে তেওঁলোকে স্বাভাৱিকতে এই কলেজবোৰতে জুম বান্ধিবগৈ। সেই বিকল্প পথৰ ব্যৱস্থা দিব লাগিব চৰকাৰে। বৰ্তমানৰ জাগৰণে চৰকাৰৰ সন্মুখত এটা সুযোগ দাঙি ধৰিছে। কিন্তু তাকেই গ্ৰহণ কৰিবৰ চেষ্টা কেতিয়া কৰা হ'ব। আৰু এনে অনিশ্চিত ব্যৱস্থাৰ ফলত অসমৰ ডেকাসকল আৰু কিমানদিনলৈ ভুগিব লাগিব।

শুক্ৰবাৰ, ২০আগষ্ট, **১৯৬৫ চন**

# অসাৰ্থক

আমি যে বৰ পলমকৈ দৃঢ়তা দেখুৱালো তাকে কেন্দ্ৰীয় চৰকাৰে পাকিস্থানৰ বৈদেশিক মন্ত্ৰী শ্ৰীজেদা এ ভুট্টোক আমাৰ বৈদেশিক মন্ত্ৰীৰ সৈতে আলোচনা কৰিবলৈ দিল্লীলৈ আহিব নেলাগে বুলি জনাই দিয়া আৰু কাচ্চ সম্পৰ্কীয় বিবাদ পোনে পোনেই ন্যায়াধিকৰণৰ আগত উত্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা ব্যৱস্থাৰ মাজত নতুনত্ব নিশ্চয় আছে। কিন্তু তাৰ পৰা কি লাভ হ'ব? কাশ্মীৰত পাকিস্থানে লোৱা শেহতীয়া ভূমিকাই আমাৰ চৰকাৰক এই চেতনা দিলে যদিও ইতিমধ্যে আমি হাত-ভৰি বন্ধা অৱস্থাত আছো। সমগ্ৰ দেশৰ প্ৰতিবাদ নেওচি চৰকাৰে কাচ্চ চুক্তি সম্পাদনা কৰিলে আৰু যি সময়ত কেন্দ্ৰীয় চৰকাৰে নাটকীয় ঘোষণা দুটা কৰিলে ঠিক সেই সময়তে কাচ্চ চুক্তি লোকসভাৰ পৰাও অনুমোদিত হ'ল। বৃটিছ চৰকাৰৰ হেঁচাত পৰি চৰকাৰ এই চুক্তিত বান্ধ খোৱাৰ মূৰত বৰ্তমানৰ বীৰত্বই আমাৰ অৱস্থাৰ একো পৰিৱৰ্তন ঘটাব নোৱাৰে।

সেই কথা পাকিস্থানে নিশ্চয় বুজিছে, সেইদেখি শ্ৰীভুট্টোৱে একো উচ্চবাচ্য নকৰাকৈ তেওঁৰ ভাৰত ভ্ৰমণ বাতিল কৰিছে আৰু আনহাতে ভাৰতে কাচ্চ-প্ৰসংগ পোনে পোনে ন্যায়াধিকৰণৰ আগত উত্থাপনৰ কথা তোলাত পাকিস্থানে তপতে তপতে সেইটোকে মানি লোৱা বুলি ইতিমধ্যে বাতৰি ওলাইছে। সেইদেখি দেখা গ'ল যে আমাৰ দেশৰ শেহতীয়া উত্মাই পাকিস্থানক চিন্তাত পেলোৱা নাই। তাৰ কাৰণ হ'ল—পোনে পোনেই ন্যায়াধিকৰণৰ কাষ চপা আৰু বৈদেশিক মন্ত্ৰী দুজনৰ সন্মিলন এখনৰ মাধ্যম সৰকি ন্যায়াধিকৰণৰ কাষ চপা—এই দুটা কথাৰ মাজত পাকিস্থানে কিবা পাৰ্থক্য থকা বুলি গুৰুত্ব নিদিয়ে। পাকিস্থানৰ লক্ষ্য মাত্ৰ এটা—সেয়ে হ'ল ন্যায়াধিকৰণৰ আগত থিয় দিবলৈ পোৱাটো (দুয়োখন দেশৰ মাজত সম্পাদিত হোৱা চুক্তিতো এই বুলি ব্যৱস্থা দি থৈছে যে অস্ত্ৰ সম্বৰণ কৰাৰ পৰা দুমাহৰ ভিতৰত মন্ত্ৰী পৰ্য্যায়ৰ সন্মিলন কোনো সিদ্ধান্তত উপনিত হ'ব নোৱাৰিলে ন্যায়াধিকৰণৰ আগত বিষয়টো পেচ কৰা হ'ব); এতিয়া ন্যায়াধিকৰণৰ আগত থিয় দি আমাৰ দেশে কি কৰিব পৰা থল আছে— প্ৰথমতে ন্যায়াধিকৰণৰ গাঁথনিখনলৈ মন কৰিলে দেখা যায় যে কাশ্মীৰৰ ক্ষেত্ৰত ইতিমধ্যে লাভ কৰা অভিজ্ঞতাৰ পুনৰাবৃত্তি, এই ক্ষেত্ৰতো হোৱাৰ সম্ভাৱনা আছে। দুয়োখন দেশে এজনকৈ প্ৰতিনিধি বাছি দিব আৰু তৃতীয় জনক সভাপতি যুটীয়াভাৱে নিৰ্বাচন কৰা হ'ব। তাকে কৰিব নোৱাৰিলে সন্মিলিত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে এজনক মনোনীত কৰি দিব। তাহানি কাশ্মীৰৰ গণভোট প্ৰশাসক পদলৈ মানুহ বছাৰ ক্ষেত্ৰত লাভ কৰা নিৰাশাজনক অভিজ্ঞতা আৰু তাৰ ফলত পাকিস্থানে লাভ কৰা সুবিধাৰ কথাই আমাৰ এই ক্ষেত্ৰত মনত পৰিছে। অকল সেয়ে নহয় চুক্তিত ব্যৱস্থা দিয়া মতে ন্যায়াধিকৰণৰ ব্যয় উভয় দেশে মানি ল'ব লাগিব আৰু সেই ব্যয় পূৰ্ণাঙ্গভাৱে পালন নকৰালৈকে এই ন্যায়াধিকৰণ বাহাল থাকিব। অৰ্থাৎ কাচ্চ-সীমান্তক দ্বিতীয় কাশ্মীৰলৈ ৰূপান্তৰিত কৰাৰ পূৰ্ণ ব্যৱস্থা ৰখা হৈছে। ব্যয় কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অসুবিধা হ'লেও ন্যায়াধিকৰণৰ কাষ চপাৰ ব্যৱস্থা ৰখা হৈছে। সেইদেখি স্বাৰ্থৰ জোখাৰে তুলাচনীত ফেৰ মাৰি থাকিবলৈ সমস্যাটো কাশ্মীৰৰ সমস্যাৰ দৰেই জীয়াই ৰাখিবলৈ সকলো আয়োজন সম্পূৰ্ণ কৰি ৰখা হৈছে।

সমস্যাটো জীয়াই ৰাখিবৰ বাবে চুক্তিত ৰখা ব্যৱস্থাৰ তালিকা ইমানতে শেষ হোৱা নাই। ভাৰতে কাচ্চৰ ৰাণ অঞ্চলৰ উত্তৰ মূৰেদি মোটামোটিভাৱে সুপ্ৰতিষ্ঠিত সীমা থকা বুলি আৰু কোনো ৰাজ্যক্ষেত্ৰৰ বিবাদ নাই

বুলি দাবী কৰিলেও পাকিস্থানে এই অঞ্চলত ৩,৫০০ বৰ্গ মাইল এলেকাত বিবাদ থকাৰ দাবী তুলিছে। চুক্তিত ৰখা ব্যৱস্থা মতে পাকিস্থানে সেই দাবী ন্যায়াধিকৰণৰ আগতে দাঙি ধৰিব পাৰিব আৰু ন্যায়াধিকৰণেও সেই দাবীৰ কথা শুনিব পাৰিব। এনে অৱস্থাত আমি কি পৰিণতিৰ আগলৈ নিজক আগবঢ়াই দিছো তাৰ বুজিবলৈ বাকী নাই। বৃটেইনৰ আঙুলিৰ ঠাৰত এনে অপমানজনক আৰু ক্ষতিকৰ চুক্তিত নিজক সাঙুৰি লৈ এতিয়া বিক্ষুপ জনমতৰ কাশ্মীৰৰ শেহতীয়া পৰিস্থিতিৰ অজুহাত দেখুৱাই নিজৰ স্থিতি ৰাখিবৰ বাবে বীৰত্ব দেখুৱাটো এটা নেতিবাচক, অসাৰ্থক কথা মাত্ৰ।

<u>শণিবাৰ, ২১ আগষ্ট, **১৯৬৫ চন**</u>

# পৰিপূৰক বাজেট

বছৰৰ মাজভাগত কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীটি, টি, কৃষ্ণনাচাৰীয়ে আচম্বিতে পৰিপূৰক বাজেট এখন দাঙি ধৰি সমগ্ৰ দেশকে অবাক কৰি তুলিলে। এই অসাধৰণ ব্যৱস্থাৰ সন্দৰ্ভত সাধু উদ্দেশ্যৰ তালিকা যিমানেই দিয়া নহওক, ইয়াৰ পৰা এটা কথা সুস্পষ্টভাৱে ওলাই পৰিছে যে দেশৰ বিত্তীয় সঙ্গতিৰ ওপৰত অভাৱনীয়ভাৱে বোজা পৰিছে। সেই কথাটোৰ লগতে বহুতো জটিলতাও সাঙোৰ খাই আছে। কিয়নো এতিয়া ইয়াৰ ফলত বিত্তীয় ক্ষেত্ৰত ঐশ্বৰ্য্য বৃদ্ধি পাব আৰু তাৰ ফলত চৰকাৰে যিবোৰ অৱস্থাৰ হাত সাৰিব খুজিছে-সেইবোৰেই পৰিবৰ্দ্ধিত ৰূপত দেখা দিব। মুদ্ৰাস্ফীতিজনিত হেঁচা, মূল্য বৃদ্ধি এইবোৰৰ উপশম নহৈ ওলোটা পৰিণতি এটাহে হোৱাৰ শঙ্কা আছে। অৰ্থনৈতিক সূত্ৰ মতে বিত্তীয় ক্ষেত্ৰত সংযম ৰক্ষা কৰা বিষয়ত চৰকাৰী নীতিৰ যি ভূমিকাৰ প্ৰয়োজন, সেই ভূমিকাতে কেনা লগা হেতুকে পৰিস্থিতিক অভিপ্ৰেত পৰ্য্যায়ত ৰখাত চৰকাৰ সক্ষম হ'ব পৰা নাই।

কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ পৰিপূৰক বাজেটত বিবিধ ব্যৱস্থা হাতত লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। তাৰে অন্যতম হ'ল নতুন কৰ-কাটলৰ প্ৰস্তাৱ। যিহেতু বৈদেশিক বিনিময় মুদ্ৰাৰ সংকটে গুৰুতৰ ৰূপ ধাৰণ কৰিছে সেই কাৰণে আমদানিৰ ক্ষেত্ৰত অধিক কঠোৰ ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে। বিভিন্ন সামগ্ৰীৰ ওপৰত বৰ্দ্ধিত হাৰত আমদানি শূল্ক লগোৱা হ'ব। পিচে ৰপ্তানিৰ ক্ষেত্ৰত দাঙি ধৰা ছবিয়ে আশাৰ বাট সংকুচিত কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে ৰপ্তানি বঢ়াব পৰা নাই। ১৯৬৪-৬৫ চনত ৮০৩ কোটি টকা মূল্যৰ সা-সামগ্ৰী ৰপ্তানি কৰা হয়; তাৰ আগৰ বছৰতো সিমান পৰিমাণৰ সামগ্ৰীহে ৰপ্তানি কৰা হৈছিল। ৰপ্তানি বঢ়োৱাৰ হকে ইমান অভিযান চলোৱাৰ মূৰতো এনে পৰিণতিৰ সন্মুখীন হোৱাটো আশাপ্ৰদ কথা নহয়। বৈদেশিক মুদ্ৰাৰ অপচয় নিবাৰণ আৰু ৰপ্তানিৰ যোগে বৈদেশিক মুদ্ৰাৰ উপাৰ্জন—দুয়োটা বিষয়ৰ সফলতাইহে প্ৰচেষ্টাক পূৰ্ণাঙ্গ ৰূপ দিব পাৰে; অকল আমদানি হ্ৰাসকৰণৰ যোগেদি এই লক্ষ্যত উপনীত হ'ব পৰা নহ'ব।

দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰীৰ ওপৰত আমদানি শূল্ক শতকৰা এশ ভাগ পৰিমাণে বঢ়োৱাৰ ফলত কিছুমান ব্যৱহাৰ্য্য সামগ্ৰীৰ ক্ষেত্ৰত এতিয়া ভোগ কৰা অসুবিধা আৰু বাঢ়িব।সেইদৰে উৎপাদন শূল্ক বঢ়োৱাৰ ফলতো কিছুমান ক্ষেত্ৰত সৰ্বসাধাৰণৰ ওপৰত হেঁচা বাঢ়িব। চৰকাৰী সূত্ৰৰ পৰাই কোৱা হৈছে যে উৎপাদন শূল্ক বঢ়োৱাৰ ফলত পেট্ৰলিয়ামজাত সামগ্ৰী আৰু লো-তীখাৰ সামগ্ৰীৰ ক্ষেত্ৰত সৰ্বসাধাৰণৰ ওপৰত হেঁচা পৰিব। আমাৰ বোধেৰে এইবোৰ পৰোক্ষ কৰৰ বহুমুখী হেঁচা সৰ্বসাধাৰণে বহন কৰিবলগীয়া হ'ব। ইতিমধ্যে হেঁচা অসহনীয় হৈ উঠা ৰাইজৰ কাৰণে এইটো সুখবৰ নহয়। মূল্য বৃদ্ধিয়ে জুৰুলা কৰা অৱস্থাৰ মাজতে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে নিজেই

স্বীকাৰ কৰিছে যে এই বছৰৰ জুলাই মাহৰ ২৪ তাৰিখে পাইকাৰী মূল্যসূচী ১৬৪.৮ আছিল—এইটোৱেই সৰ্বোচ্চ শিখৰ বুলিও স্বীকাৰ কৰা হৈছে। এনেস্থলত পৰিপূৰক বাজেটৰ প্ৰতিক্ৰিয়া স্বৰূপে নতুন হেঁচাৰ সম্ভাৱনাই ৰাইজক স্বাভাৱিকতে চিন্তিত কৰিব।

পৰিপূৰক বাজেটৰ প্ৰস্তাৱ মতে কৰ-কাটলৰ যোগেদি বৰ্তমান আৰ্থিক বছৰত প্ৰায় এশ কোটি টকা পোৱা হ'ব। এই প্ৰসঙ্গতে এইবুলি ব্যাখ্যা দিয়া হৈছে যে চতুৰ্থ পৰিকল্পনাৰ প্ৰয়োজনীয় আৰ্থিক সম্বল সংগঠিত কৰাৰ এয়ে পদক্ষেপ। পিচে সেই লক্ষ্য ইমান দূৰত আছে যে আশাৰ সহাঁৰি পোৱাৰ উপায় নাই। চতুৰ্থ পৰিকল্পনাত ব্যয়ৰ লক্ষ্যৰূপে নিৰূপিত হৈছে ২১,৫০০ কোটি টকা। তাৰ ২০.৮৫০ কোটি টকা হাতত পৰিব পৰা পৰ্য্যায়ত ধৰা হৈছে। ইয়াৰে ৩০০ কোটি টকা অতিৰিক্ত কৰৰ যোগেদি পোৱাৰ সম্ভাৱনা থকা বুলি কোৱা হৈছে। কিন্তু দেশৰ চলিত অৰ্থনৈতিক অৱস্থাৰ পটভূমিত তেনে কৃতকাৰ্য্যতাৰ সম্পৰ্কত আগতীয়াকৈ খাটাংভাৱে একো ক'ব নোৱাৰি। ইতিমধ্যে তিনিখনকৈ পাঁচবছৰীয়া পৰিকল্পনা হাতত লোৱা হ'ল যদিও আমাৰ অৰ্থনৈতিক ভেটি ইন্সিত ধৰণে টনকিয়াল কৰিব পৰা নহ'ল। কৃষিকে ধৰি পুৰণি সকলো সমস্যা প্ৰায় আগৰ মাত্ৰাতে থাকি গ'ল। উন্নয়নৰ ধাৰা তুলনামূলকভাৱে আনকেতবোৰ ক্ষেত্ৰৰ লগত তুলনা কৰি চালে ইয়াৰ সত্যতা ওলাই পৰিব। সম্মিলিত ৰাষ্ট্ৰসংঘৰ সমীক্ষা এটি মতে, ইন্দোনেচীয়া আদি দেশত পৰিকল্পনাত নিৰূপিত হোৱা লক্ষ্যতকৈ প্ৰকৃততে লাভ কৰা উন্নয়নৰ হাৰ নিম্নস্থানত আছে। আনহাতে ব্ৰহ্মদেশ আদি দেশত উন্নয়নৰ পাৰ লক্ষ্য চেৰাই গৈছে। এতিয়া কথা হ'ল ওলোটা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, তেতিয়া কি হ'ব? অন্যান্য ক্ষেত্ৰৰ প্ৰতিক্ৰিয়াৰ কথা বাদ দিলেও চৰকাৰী মুখপাত্ৰই দিয়া এটা ব্যাখাৰ সন্দৰ্ভতে এটা কথা ক'ব পাৰি। মুখপাত্ৰৰ মতে অতিৰিক্ত বোজা চৰকাৰী খণ্ডৰ যোজনাৰ ওপৰতে ঘাইকৈ পৰিব। যিহেতু নতুন কৰ-ব্যৱস্থাই লোহা-তীখা আদিও সামৰিছে, সেইদেখি পৰিকল্পনাত সামৰি লোৱা সকলোবোৰ চৰকাৰী যোজনাৰ ব্যয় বহুতখিনি বাঢ়িব। চৰকাৰী মুখপাত্ৰৰ মতে এই বৰ্দ্ধিত ব্যয় সামৰি লোৱা হ'ব প্ৰশাসনীয় ব্যয় হ্ৰাস কৰি। এইটো কিন্তু অলীক কল্পনা বুলিয়েই ক'ব লাগিব। চতুৰ্থ পৰিকল্পনাৰ বাবে আৰ্থিক সম্বল যোগাৰ কৰা ক্ষেত্ৰতো চৰকাৰে আশা দেখুৱাইছে যে প্ৰশাসনীয় ব্যয় কমাই ৬৫০ কোটি টকা সংগ্ৰহ কৰা হ'ব। কিন্তু প্ৰশাসনীয় ব্যয় চৰকাৰে আজিলৈকে কমাব পৰা নাই— দিনে দিনে বাঢ়িছেহে।

দেশৰ আৰ্থিক সঙ্গতিৰ স্বাৰ্থত কৰিবলগীয়া সকলো কামতে আমি চৰকাৰৰ অপাৰগতাহে দেখা পাইছো। কৃষিৰ উৎপাদনে এনে সঙ্গতিৰ ভেটি; সেই ক্ষেত্ৰত সফল হ'ব পৰা নাই। দ্বিতীয়তে বেচৰকাৰী খণ্ডক ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকূলে চালিত কৰিব পৰা নাই। আনহাতে চোৰাং ধনৰ ফুট ল'ব পৰা নাই— এতিয়াও এই সম্পৰ্কত আপোচৰ প্ৰস্তাৱহে চৰকাৰে দাঙি ধৰিছে। সেইদৰে চৰকাৰী খণ্ডক কৰ্ম তৎপৰ কৰা, বিত্তীয় বিষয়ত সংযম ৰক্ষা কৰা, ৰপ্তানি বৃদ্ধি কৰা, যোগান ব্যৱস্থাকে ধৰি সকলো চৰকাৰী প্ৰশাসন যন্ত্ৰক কাৰ্য্যদক্ষ কৰি তোলা আৰু দেশৰ সমৃদ্ধি সাধনৰ হকে নিজৰ নিজৰ বৰঙণি দিব পৰাকৈ সকলো স্তৰৰ লোকক অনুপ্ৰাণিত কৰি তুলিব পৰাকৈ প্ৰেৰণাৰ থলো উলিয়াই দিব পৰা নাই।

সোমবাৰ, ২৩ আগষ্ট, **১৯৬৫ চন**

# একে কাহিনী—এইবাৰ খোৰা তেল

গুৱাহাটীত খোৰা তেলৰ দাম অনাহকত বৃদ্ধি পোৱা আৰু এই ক্ষেত্ৰত চৰকাৰে নিৰ্লিপ্ত মনোভাৱ দেখুওৱা কথাই আমাৰ চলিত দুৰৱস্থাৰ ছবিখনকে দুনাই দাঙি ধৰিছে। দাম বঢ়া কথাটো সম্প্ৰতি পুনঃপৌণিক অংকৰ দৰে হৈছে। একোটা সময়ত বিশেষ একোবিধ বস্তুৰ দাম বাঢ়িব; কিছুদিন বঢ়াৰ মূৰত দাম অলপ কমিব (কিন্তু পূৰ্বৰ পৰ্য্যায়লৈ কেতিয়াও নেনামে)। কিন্তু তাৰ পিচতে আন এবিধ বস্তুৰ ক্ষেত্ৰত এই প্ৰক্ৰিয়াই দেখা দিব। সেয়ে হৈ আছে আৰু যেতিয়ালৈকে চৰকাৰে এতিয়াৰ মনোভাৱ লৈ থাকে তেতিয়ালৈকে এই অৱস্থা আমাৰ মাজত থাকিব। দাম বঢ়াৰ কাৰণ কি—সেই বিষয়ে সততাৰে বিচাৰ লোৱাৰ আৱশ্যকতাও কোনেও উপলব্ধি কৰা দেখা নাই। পাৰিলে দোষৰ ভাগ ৰেলৱে দপ্তৰৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা হয় (যদি দাম বঢ়া কোনো বস্তু বাহিৰৰ পৰা আনিবলগীয়া হয়)—যথেষ্ট সংখ্যক ডবা যোগান নধৰা বুলি সেই প্ৰসঙ্গত কোৱা হয়। নহ'লে উৎপাদন কমা বুলি নাইবা যি ৰাজ্যত উৎপন্ন হয়, তাত দাম বঢ়া বুলি বুজাবলৈ চেষ্টা কৰা হয়। এইবোৰৰ আশ্ৰয় ল'ব নোৱাৰা ক্ষেত্ৰত ব্যৱসায়ীসকলক মৌখিক সতৰ্কবাণী শুনাই স্বেচ্ছাৰে দাম কমাই দেশ সেৱা কৰিবলৈ আহ্বান জনাই দায়িত্ব সৰা হয়।

দাম বঢ়া সমস্যাৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰপৰা লোৱা ব্যৱস্থাৰ তালিকা এইখনেই। সেইদেখি এতিয়া গুৱাহাটীত অবাবত খোৰা তেলৰ দাম বঢ়া বাবে আচৰিত হ'বলগীয়া একো কাৰণ নাই। ইতিমধ্যে চৰকাৰে খোৰাতেলৰ মজুত ভঁৰাল পাতি নাটনি নোহোৱা কৰিবৰ বাবে কি পৰিকল্পনা হাতত লৈছে, সেই বিষয়ে যথেষ্ট প্ৰচাৰ কৰিলে। কিন্তু সেই আঁচনিৰ কাৰ্য্যকাৰিতা প্ৰচাৰতে আৱদ্ধ হৈ থাকিল। সেইদেখি গুৱাহাটীত খোৰা তেলৰ দাম বঢ়া প্ৰক্ৰিয়াই আমাৰ সম্পূৰ্ণ চিনাকি বাটেৰে আগবঢ়া আমি দেখিবলৈ পাইছো। বাতৰি ওলাইছে যে যথেষ্ট খোৰা তেল মজুত আছে; যোগান বিভাগৰ মুখপাত্ৰৰ মতে পাইকাৰী ব্যৱসায়ীসকলৰ হাতত ২১ হেজাৰ টিন আছে; গুৱাহাটীৰ মিলবোৰৰ হাতত ডেৰমাহৰ জোখাৰে তেল আছে। তদুপৰি চৰকাৰী ভঁৰালত ৩ হেজাৰ টিন আছে হেনো। তেন্তে দাম বাঢ়িল কিয়? ইয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ শক্তি কাৰো নাই নেকি? যোগান বিভাগৰ মুখপত্ৰ দেখোন স্বেচ্ছাৰে দাম কমোৱাৰ বাবে খাটনি জুৰিবলৈহে আগবাঢ়ি গ'ল! ভাৰত ৰক্ষা বিধি তেন্তে কাৰ কাৰণে? আনহাতে কিছুমান মহলৰ মতে বিদেশলৈ খোৰা তেল চোৰাংভাৱে চালান দিয়া হৈছে। সেই বিষয়েই কৰ্ত্তৃপক্ষই ক'বলগীয়া একো নাই নেকি?

ব্যৱসায়ীমহলে হেনো দাম বঢ়াৰ যুক্তি দিছে এই বুলি যে সৰিয়হৰ দাম বঢ়া কাৰণে আৰু উৎপন্নকাৰী অঞ্চলসমূহত (ৰাজ্যৰ বাহিৰৰ) দাম বঢ়া কাৰণে গুৱাহাটীত খোৰা তেলৰ দাম বাঢ়িছে। এইটো অজুহাত অৱশ্যে কাৰ্য্যকৰীভাৱে ব্যৱসায়ীমহলে আগৰ পৰাই প্ৰয়োগ কৰি আহিছে। পিচে সেইদৰে দাম বাঢ়িলেও তাৰ প্ৰভাৱ সঞ্চিত ভঁৰালৰ ওপৰত বিজুলী সঞ্চাৰে পৰাৰ থল ক'ত? ইতিমধ্যে হাতত থকা হেজাৰ হেজাৰ টিনৰ হিচাপে অন্ততঃ এইটো কথা প্ৰমাণ কৰিছে। সৰিয়হৰ দাম বাঢ়িলেও বা আন ৰাজ্যত তেলৰ দাম বাঢ়িলেও এতিয়া হাতত থকা তেলৰ বাবে ওপৰঞ্চি দাম ভৰিবলগীয়া হোৱা নাই। দাম বঢ়াৰ বাতৰি তাঁৰ যোগে পালেও তাঁৰ যোগে তেলৰ টিন আনি গুদামত জমা ৰখাৰ উপায় নাই। তেন্তে দাম বঢ়াৰ বুদ্ধি দি ফাওতে আৰু দুপইচা ঘটি লোৱাৰ

প্ৰয়াসৰ বাহিৰে এইটো আন কিবা কথা হ'ব পাৰে জানো? যোগান বিভাগৰ মুখপত্ৰই এইবোৰ কথা চালি-জাৰি নেচালেও অৱশ্যে এটা ব্যৱস্থা দিলে; তেওঁৰ মতে খোৱা তেলৰ খুচুৰা দাম প্ৰতি লিটাৰত তিনি টকা ৭৫ পইচাৰ বেছি হোৱাৰ কাৰণ নাই। এতিয়া এই উক্তিৰ ফলত নিশ্চয় সেইটো পৰ্যায়তে দাম থৰ লাগি থাকিব। অৰ্থাৎ আগৰ চাৰে তিনি টকাতকৈ ২৫ পইচা বেছি হ'ব। ব্যৱসায়ীসকলে সুযোগ বুজি অস্থায়ীভাৱে চাৰি টকালৈ দাম বঢ়াই দি এতিয়া তিনি টকা ৭৫ পইচাত স্থায়ী সীমা বান্ধিবলৈ পোৱাটো তেওঁলোকৰ কাৰণে ওপৰঞ্চি লাভ হ'ব। অৱশ্যে চৰকাৰে ইয়াকে ব্যৱসায়ী মহলৰ স্বেচ্ছামূলক সহযোগৰ নিদৰ্শন বুলি সদৰি কৰি দি তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ হ'কে তোলা দাবীৰ সমুখত বিব্ৰত হোৱা অৱস্থাৰ পৰা নিজক উদ্ধাৰ কৰিব পাৰিব। মূল্য বৃদ্ধিৰ এইটো চকৰিয়ে সদায়ে এইটো বাটেৰে ঘূৰি ঘূৰি সৰ্বসাধাৰণক মাহ ডলাদি ডলি আছে!

<u>বুধবাৰ, ২৫ আগষ্ট, ১৯৬৫ চন</u>

# আমাৰ কৰ্ত্তব্য

লোকসভাত দেশৰক্ষা মন্ত্ৰী শ্ৰীচৱনে প্ৰতিৰক্ষাৰ বাবে আৱশ্যক হ'লে ভাৰতীয় বাহিনী যুদ্ধ-বিৰতি সীমাৰেখা পাৰ হৈ যাব বুলি আশ্বাস দিয়াত আমি সন্তোষ পাইছো। পাকিস্থানে ব্যাপক অনুপ্ৰৱেশৰ যোগেদি চলোৱা অঘোষিত যুদ্ধৰ সন্মুখত আমি যি তীক্ষ্ণ অভিজ্ঞতা লাভ কৰিছো তাৰ পটভূমিত আমাৰ কাৰণে এনে এটা মনোভাবৰ নিতান্ত প্ৰয়োজন হৈছে। পাকিস্থানৰ বৰ্তমান কাৰ্য্যকলাপৰ আগত সন্মিলিত ৰাষ্ট্ৰসংঘৰ সামৰিক পৰ্য্যবেক্ষক দল অকামিলা হৈ থকা বুলি শ্ৰীচৱনে নিজেই স্বীকাৰ কৰিছে। কিন্তু আমাৰ বোধেৰে তেওঁলোক অকল অকামিলা হৈ থকা নাই- আওকণীয়া হৈয়ো আছে। ই পাকিস্থানৰ লগত থকা সহযোগিতাৰে নামান্তৰ মাথোন। সুদীৰ্ঘ অতীতত কাশ্মীৰ সমস্যা সন্মিলিত ৰাষ্ট্ৰসংঘত উত্থাপিত হোৱাৰেপৰা আজিলৈকে পশ্চিমীয়া বৰমূৰীয়া দেশবোৰে পাকিস্থানৰ পক্ষ অৱলম্বন কৰি আহিছে আৰু কাশ্মীৰৰ অশান্তিৰ সুযোগ লৈ এই উপমহাদেশত আপাতকালীন অৱস্থাত এটা খোপনি ৰখাৰ চল উলিওৱাটোকে সমুখৰ লক্ষ্য হিচাপে লৈছে।

সেইদেখি সন্মিলিত ৰাষ্ট্ৰসংঘৰ মজিয়াত যি আচৰণ দেখুৱাইছে, বৰ্তমান কাশ্মীৰত দেখা পৰিস্থিতিৰ সমুখতো পশ্চিমীয়া দেশবোৰে সেই আচৰণকে দেখুৱাইছে। পাকিস্থানৰ কাৰ্য্যৰ বাবে কোনেও পোনপটীয়াভাৱে— গৰিহণা দিয়াটো দূৰৰ কথা এষাৰ মন্তব্যও কৰা নাই। সন্মিলিত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে বিবৃতি দিবলৈ লৈয়ো সেই কামৰ পৰা বিৰত থাকিল—পাকিস্থানৰ হেঁচাত পৰি।

আনহাতে আমাৰ নিজৰ ভুলৰ কাৰণেও আমি বহুতো অন্তৰায়ৰ সন্মুখীন হ'বলগীয়া হ'ল। সন্মিলিত ৰাষ্ট্ৰসংঘকে ধৰি সকলো ক্ষেত্ৰতে ছোভিয়েট ৰুছিয়াই কাশ্মীৰৰ ক্ষেত্ৰত পোনপটীয়া মন্তব্য প্ৰকাশ কৰি আহিছিল আৰু ভাৰতৰ প্ৰতি সকলো সমৰ্থন আগবঢ়াইছিল। কিন্তু প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰী মস্কোলৈ যাওঁতে যি যুটীয়া ইস্তাহাৰ প্ৰকাশ কৰা হ'ল, সেই ইস্তাহাৰত ছোভিয়েট ৰুছিয়াৰ সেই পৰিচিত উক্তি বিচাৰি পোৱা নগ'ল। কাচ্চ চুক্তিৰ সম্পৰ্কত আমি বৃটেইনৰ ওচৰত যিদৰে মূৰ দোৱালো এয়া হ'ল তাৰে প্ৰতিক্ৰিয়া

(ছোভিয়েট ৰুছিয়াৰ)। এতিয়াও পাকিস্থানৰ শেহতীয়া কাৰ্য্যকলাপ সম্পৰ্কে সেই দেশৰপৰা আমাৰ ইঙ্গিত ধৰণে মন্তব্য কৰা নাই। আনপিনে এছিয়া, আফ্ৰিকাৰ অন্যান্য দেশৰপৰাও এই ক্ষেত্ৰত খোলোচা মন্তব্য আমি পোৱা নাই। ইয়াৰ মূলতঃ বহুত কথা আছে। আমাৰ প্ৰচাৰৰ দৈন্য, বিভিন্ন দেশৰ লগত প্ৰকৃত সদ্ভাৱ গঢ়ি তোলাৰ ক্ষেত্ৰত অপাৰগতা— এইবোৰ খুতৰ প্ৰভাৱ ইয়াত পৰাৰ উপৰিও পৃথিৱীৰ শক্তিবৰ্গৰ মাজত গঢ় লোৱা নতুন ভাৰসাম্যৰ প্ৰভাৱো পৰিছে। এই ভাৰসাম্যৰ ফেৰ মাৰিবৰ বেলিকা ভাৰতৰ বিচাৰ কম পৰিমাণে হয় বা বিচাৰ লোৱা নহয়েই। তাৰ বাহিৰেও ভাৰতে বাহিৰত নিজৰ প্ৰতিচ্ছবি এখন উচিতভাৱে আজিও প্ৰতিষ্ঠিত কৰিব পৰা নাই— ইয়ো আমাৰ কাৰণে এটা অন্তৰায়। আনপিনে পাকিস্থান আৰু চীনে ভাৰতক একাষৰীয়া কৰিবৰ বাবে চলোৱা অভিযানৰ প্ৰভাৱো নপৰা নহয়। এই সকলো কথা লগ লগা হেতুকে আমি আজিৰ পৰিণতিৰ গৰাহত পৰিছো। তাৰপৰা উদ্ধাৰ পাবৰ কাৰণে নতুন দৃঢ়তা, নতুন তৎপৰতা আৰু নতুন মূল্যাঙ্কন নিতান্ত প্ৰয়োজনীয়।

## ভিতৰ চ'ৰাত এভূমুকি

উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ভিতৰ-চ'ৰাত এভূমুকি মাৰিলে ভিতৰৰ বহুত কথা ওলাই পৰিব। তাহানি স্বৰ্গীয় নেহৰুৰ ওচৰতো এই বিষয়ে এটা মহলৰ তৰফৰপৰা পেচ কৰোতে স্বৰ্গীয় নেহৰুৱে বিচাৰ লোৱা সম্পৰ্কত আশ্বাস দিছিল। কিন্তু বিচাৰ লোৱা নহ'ল যদিও তাৰ পিচত খন্তেকীয়াভাৱে এটা পৰিৱৰ্তন অলপ দিনৰ বাবে দেখা গৈছিল— অৰ্থাৎ থলুৱা লোকৰ স্বাৰ্থ সামান্য পৰিমাণে ৰক্ষা পৰিছিল; থলুৱা চাকৰি-প্ৰাৰ্থী এভাগে কেতবোৰ চাকৰি পাইছিল। তাৰ পিচত কিন্তু পূৰ্বৰ অৱস্থালৈ ঘূৰি যোৱা দেখা গ'ল।

উত্তৰ-পূব সীমান্তৰ ৰেলৱেত বিশেষ এভাগ মানুহৰ একাধিপত্য কটা আজিৰ কথা নহয়— বহুত দিনৰ আগৰ। অসমীয়া মানুহে ৰেলত চাকৰি নেপায়— তাৰ ঠাইত স্বজনপ্ৰীতি, পক্ষপাতিতা আদিৰ পোহাৰ মেলি ৰেলত কাম কৰি থকা এচাম মানুহে কি অনাচাৰ চলাই আছে আমি দেখি আছো। আনকি ৰেলৰ ঠিকা আদিও বিশেষ কিছুমান মানুহৰ কাৰণে এঘৰীয়া হৈ আছে। কৰবাত দুই এটা চাকৰি-ঠিকা আদি অসমীয়া মানুহে যদি পাইছে— তেন্তে এনে অৱস্থাৰ সৃষ্টি কৰা হৈছে যে তেওঁলোক আঁতৰিবলৈ বাধ্য হৈছে নাইবা তেওঁলোকে ভাগ্যকে দুখি সান্ত্বনা পাবলগীয়া হৈছে। নিযুক্তি, পদোন্নতি আদি সকলো ক্ষেত্ৰতে বিশেষ এচাম লোকৰে একাধিপত্য। এই এদনীয়া কৰ্ত্তৃত্ব ইমানদূৰ পাইছেগৈ যে এইচাম লোকে আপোন ইচ্ছাতে অসমত এবাৰ ৰেল চলাচল বন্ধ কৰি ৰাখিছিল (সেয়া হেনো বেআইনী ধৰ্মঘট নাছিল আৰু সেই সম্পৰ্কত একো ব্যৱস্থা লোৱাও দেখা নগ'ল)। আনহাতে এইচাম লোকৰ স্বাৰ্থৰ বাটত অন্তৰায় স্বৰূপ হ'ব পৰা কোনো বৰমূৰীয়া বিষয়াই উত্তৰ-পূব সীমান্ত ৰেলৱেত বেছি দিনলৈ তিষ্ঠিব পৰা নাই। এনেকুৱাকৈ পাকচক্ৰ লগোৱা হয় যে তেনে বৰমূৰীয়াৰ কাৰ্য্যদক্ষতাত চেকা পৰে নাইবা তেওঁক বদলি কৰা হয় বা তেওঁ নিজেই আন ঠাইলৈ যাবলৈ উদগ্ৰীৱ হ'বলগীয়া হয়।

সম্প্ৰতি উত্তৰ-পূব সীমান্ত ৰেলৱেত সেই বিকাৰে অতি জঘন্য ৰূপ ধাৰণ কৰা দেখা গৈছে। এইবাৰ পৰিকল্পিত ষড়যন্ত্ৰৰ জৰিয়তে এই ৰেলৱেৰ জেনেৰেল মেনেজাৰক অপদস্থ কৰিবলৈ অভিযান চলিছে। যিজন

লোকৰ সততা, কৰ্মদক্ষতাৰ শলাগ লৈ এভাগ ৰেল কৰ্মচাৰীয়ে এই জঘন্য অপপ্ৰচাৰৰ স্বৰূপ প্ৰকাশ কৰি দিছে, সেই একেজন লোকৰ বিৰুদ্ধেই আন এভাগে এই হীন পন্থা অৱলম্বন কৰাৰ উদ্দেশ্য কি? সেই উদ্দেশ্য হ'ল— ন্যস্ত স্বাৰ্থ আৰু এদনীয়া অধিকাৰৰ বাটত যি অন্তৰায়ৰ সৃষ্টি হৈছে তাক দূৰ কৰা। পিচে চৰকাৰৰ এই ক্ষেত্ৰত একো দায়িত্ব নাই নেকি? এয়া কোম্পানীৰ ৰেল নহয়— খাচ ভাৰত চৰকাৰৰ অধীনস্থ ৰেলৰ এয়া চলন্ত বিৱৰণী। আমি দাবী কৰো— চলিত অব্যৱস্থাৰ অৱসান ঘটাবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা লওক। ন্যস্ত স্বাৰ্থৰ পোহাৰ মেলাৰ সুৰুঙা বন্ধ কৰক। ৰাষ্ট্ৰৰ বৰ্তমান সন্ধিক্ষণত ৰেলৱেৰ ভূমিকা কি— সেই কথা দেখোন চৰকাৰে নিজেই সদায় কৈ আহিছে। সেই সচেতনতা কাৰ্য্যক্ষেত্ৰতো প্ৰতিফলিত হওক।

<u>বৃহস্পতিবাৰ, ২৬ আগষ্ট, ১৯৬৫ চন</u>

# কোনো খেদ নাই

কাশ্মীৰৰ পৰিস্থিতি সম্পৰ্কে বুজ ল'বলৈ সন্মিলিত ৰাষ্ট্ৰসংঘৰ সহকাৰী সচিবক পঠোৱাৰ প্ৰস্তাৱ সচিব প্ৰধানে পৰিহাৰ কৰিছে। সচিব প্ৰধান উ থাণ্টৰ বিবৃতিৰ এয়ে সাৰ কথা। ভাৰত আৰু পাকিস্থানৰ পৰা এই সম্পৰ্কত পোৱা সঁহাৰি 'চৰ্ত্তাধীন' হোৱা হেতুকে এনে ভ্ৰমণৰ ব্যৱস্থা কৰাটো হেনো লাভজনক নহ'ব বুলিয়েই এই সিদ্ধান্ত লোৱা হৈছে। পিচে চৰ্ত্তবোৰৰ বিষয়ে বিবৃতিত একো ব্যাখ্যা দিয়া নাই। অৱশ্যে এই বিবৃতিটো যিমান সন্তৰ্পণে দিয়া হৈছে তাৰ পৰাই এটা কথা সুস্পষ্ট হৈছে যে সচিব প্ৰধানে কিছুমান মন্তব্য দিয়াৰ পৰা বিৰত থাকিবলৈ যত্নৰ ত্ৰুটী কৰা নাই।

সেইদেখি সন্মিলিত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ বিবৃতি উহ্য থকা কিছুমান কথাৰ আঁত আমি দিল্লীৰ খবৰৰ মাজৰ পৰা বিচাৰি ল'ব লাগিব। কাশ্মীৰত থকা সন্মিলিত ৰাষ্ট্ৰসংঘৰ মুখ্য সামৰিক পৰ্য্যবেক্ষকে তেওঁৰ প্ৰতিবেদনত পাকিস্থানী সশস্ত্ৰ বাহিনীৰ লোকে যুদ্ধ বিৰতি সীমাৰেখা লংঘন কৰি ব্যাপকভাৱে অনুপ্ৰৱেশ কৰা কথাটো স্বীকাৰ কৰি সচিব প্ৰধানক হেনো জনাইছিল। কিন্তু পাকিস্থানৰ হেঁচাত পৰি সচিব প্ৰধান এই প্ৰতিবেদন প্ৰকাশ কৰাৰ পৰা বিৰত থাকিল আৰু পাকিস্থানৰ পৰামৰ্শ মতেই সহকাৰী সচিবক কাশ্মীৰৰ বিষয়ে বুজ ল'বৰ কাৰণে পঠোৱাৰ ঠিক কৰিলে। সচিব প্ৰধানৰ উদ্যোগৰ গুৰিৰ কথা এয়ে।

সেইদেখি এই উদ্যোগ আৰম্ভণিতে শেষ হোৱা বাবে খেদ কৰিবলগীয়া একো কাৰণ নাই। ভাৰতে আৰু স্পষ্টভাৱে এনে প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাটোকে আমি ভাল বুলিম। সন্মিলিত ৰাষ্ট্ৰসংঘই যুদ্ধ বিৰতি চুক্তি পালন সম্পৰ্কত চকু ৰাখিবলৈ আৰু যথাবিহিত ব্যৱস্থা ল'বৰ বাবে উপযুক্ত কৰ্ত্তৃত্বসম্পন্ন সামৰিক পৰ্য্যবেক্ষক দল এটা ৰাখিছে। সেই দলে এই দায়িত্ব পালন কৰিব পৰা নাই। আনহাতে এই দলৰ তৰফৰপৰা দিয়া প্ৰতিবেদনো সচিব প্ৰধানে প্ৰকাশ কৰা নাই। এনে অৱস্থাত সহকাৰী সচিবক কাশ্মীৰৰ বিষয়ে বুজ ল'বলৈ পঠোৱাৰ অৰ্থ হ'ব পাৰে এটা— প্ৰমাণ ঢাকিবৰ বাবে পাকিস্থানক সুযোগ দিয়া, যাতে সহকাৰী সচিবৰ ভ্ৰমণ কালত পাকিস্থানী সামৰিক লোকৰ ব্যাপক অনুপ্ৰৱেশৰ বিষয়টো তৰ্কৰ বিষয় বস্তুৰ পৰ্য্যায়তে ৰাখিব পাৰি। কাশ্মীৰৰ ক্ষেত্ৰত অৱলম্বন কৰা পুৰণি তালিবাজিৰে এইবোৰ ঠাল-ঠেঙুলি। এনে অৱস্থাত সহকাৰী সচিবৰ

ভ্ৰমণৰ বাবে আমি আগ্ৰহান্বিত হোৱাৰ একো কাৰণ নাই।

তাৰ সলনি আমি যোগ্য প্ৰত্যুত্তৰ দিবৰ বাবে নতুন দৃঢ়তা দেখুৱাব লাগিব। সন্তোষৰ কথা যে শেহতীয়া বাতৰি মতে ভাৰতীয় সৈন্য বাহিনীয়ে যুদ্ধ বিৰতি সীমাৰেখা অতিক্ৰম কৰি পাকিস্থানৰ আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিবলৈ আগবাঢ়িছে। এতিয়া আমি এই দৃঢ়তাৰ পৰা পিচ হোঁহকিব লাগিব— এই দৃঢ়তাৰ পিচত সমগ্ৰ ভাৰতবাসীৰ সমৰ্থন থাকিব। ৰাষ্ট্ৰসংঘৰ মজিয়াত কাশ্মীৰে সুবিচাৰ নেপায়— আৰু এই সমস্যাৰ সমাধানো তাত নহয়। সমাধান আমিয়েই কৰিব লাগিব।

## নগালেণ্ড

নগালেণ্ডৰ ঘটনাৱলীৰ লগত বাহিৰৰ (অকল পাকিস্থানৰে নহয়) বহুত সূত্ৰৰ সহযোগ-যোগাযোগ বা প্ৰশ্ৰয় থকাৰ সন্দেহ কৰিবলগীয়া নানান কাৰণ আছে। সেইবোৰ সূত্ৰৰ কাৰ্য্যকলাপ বন্ধ কৰা বা ইয়াক বাধা দিয়াৰ ব্যৱস্থা কৰা হ'লে সমস্যাই নিশ্চয় এতিয়াৰ গঢ় নললেহেঁতেন। এই সমস্যাৰ ক্ষেত্ৰত সাধাৰণতে পোষণ কৰা সন্দেহকে এতিয়া পুনৰ প্ৰতিপন্ন কৰিছে— লণ্ডন বাতৰি কাকতত ধাৰাবাহিক ৰূপে প্ৰকাশ পোৱা কিছুমান বিকৃত প্ৰবন্ধই। এই প্ৰবন্ধবোৰ প্ৰকাশ কৰা বাবে নগালেণ্ডৰ তথা বিভাগীয় মন্ত্ৰী শ্ৰীআকুম ইম্‌লঙে বিবৃতি প্ৰকাশ কৰি কেতবোৰ মন্তব্যও কৰিছে।

প্ৰবন্ধৰ মতে নগাসকলে ভাৰতীয়সকলক ঘিণ কৰে আৰু তেওঁলোকে ভাৰতৰ পৰা স্বতন্ত্ৰ হৈ বৃটিছ কমনৱেলথত বৃটিছ প্ৰজা হিচাপে থাকিবলৈ বিচাৰে। বৃটিছ কাকতৰ এনে ওকালতিৰ মাজত পুৰণি সুৰ এটাই ভুমুকি মৰা আমি দেখা পাইছো। ভাৰত স্বাধীন হোৱাৰ আগতে — অৰ্থাত ভাৰতে স্বাধীনতা লাভ কৰাটো অৱশ্যম্ভাৱী বুলি উপলব্ধি কৰাৰ সময়ত অধ্যাপক নুপুলেণ্ডেও অনুৰূপ সপোন দেখিছিল। অসম, ব্ৰহ্মদেশ আদিৰ বিশেষ জনজাতীয় অঞ্চল কেতবোৰক লৈ ক্ৰাউন কলনী এখন পতাৰ প্ৰস্তাৱ তেওঁ আগবঢ়াইছিল। অধ্যাপক নুপুলেণ্ডৰ এইটো নিষ্ফল আশা আছিল। তেওঁৰ নিচিনা পোষণ কৰা বহুতো লোকৰ আশাৰ এয়ে আছিল প্ৰতিফলন। ভাৰত স্বাধীন হ'লেও এটা অঞ্চলত খোপনি ৰখাৰ বাবে সেইদেখি প্ৰণালীবদ্ধ প্ৰচেষ্টা চলিছিল। অসমৰ পাৰ্বত্য অঞ্চলত বৃটিছ চৰকাৰে সম্পূৰ্ণ নিলগীয়াভাৱে ৰখাৰ সুযোগ লৈ জনজাতীয় ৰাইজৰ মাজত পৃথক মনোভাবৰ বীজ সিঁচি দিয়া হৈছিল। এই ক্ষেত্ৰত আগভাগ লোৱা কিছুমান মহল আজিও সেইবোৰ অঞ্চলত আছে।

এনে অৱস্থাত নগালেণ্ডৰ সমস্যাৰ সমাধান বিচাৰোতে এইবোৰ সুৰুঙা মৰাৰ ব্যৱস্থাও কৰা উচিত আছিল। কিন্তু তাকে কৰা নাই। অকল সেয়ে নহয়— আমাৰ দেশৰ আভ্যন্তৰীণ বিষয় এটাত হস্তক্ষেপ কৰিবলৈ চৰকাৰে বৃটিছ নাগৰিক এজনক অধিকাৰ দান কৰিলে। এনে অপমানজনক আৰু নিন্দনীয় ব্যৱস্থাৰ সমান্তৰাল উদাহৰণ এটা পৃথিৱীৰ বুৰঞ্জীত বিচাৰি পোৱা নহ'ব।

# লণ্ডনৰ আলোচনাত নগালেণ্ড সম্বন্ধে আপত্তিজনক প্ৰবন্ধ

নগালেণ্ডৰ তথ্য মন্ত্ৰী অকুম ইমলঙে যোৱা মঙ্গলবাৰে কলিকতাত কয় যে অলপতে লণ্ডনৰ এখন মাহেকীয়া আলোচনীত প্ৰকাশ হোৱা এলানি প্ৰবন্ধক নগালেণ্ড চৰকাৰে আপত্তিজনক বুলি বিবেচনা কৰে আৰু এই বিষয়ে বৈদেশিক মন্ত্ৰীদপ্তৰৰ দৃষ্টি আকৰ্ষণ কৰিছে।

নগালেণ্ড চৰকাৰে প্ৰবন্ধখিনিক নগালেণ্ড সম্বন্ধীয় তথ্য-পাতিৰ সম্পূৰ্ণ বিকৃত ৰূপ বুলি অভিহিত কৰে।

'নিউ ৱইড্ ৱাৰ্ল্ড' নামৰ উক্ত মাহেকীয়া আলোচনীখনৰ যোৱা মে' মাহৰ সংখ্যাত ভাৰতে "নগালেণ্ডৰ লগত ঘৰুৱা যুদ্ধ" চলাই আছে আৰু নগালেণ্ডক ভাৰতৰ সৈতে চামিল কৰাৰ চেষ্টাত অগ্ৰসৰ হৈছে বুলি অভিযোগ কৰা হৈছে।

তাৰ উপৰি নগালেণ্ড শান্তি মিছনৰ সদস্য ৰেভাৰেণ্ড মাইকেল স্কটক নগালেণ্ডত যোৱা ৫ ছেপ্টেম্বৰত এক অস্বস্তিকৰ যুদ্ধ-বিৰতি আনোতা আৰু ভাৰত-নগা যুদ্ধৰ এটা শান্তিপূৰ্ণ সমাধানৰ বাবে অবিৰাম চেষ্টা চলাওঁতা একমাত্ৰ ব্যক্তি হিচাপে অভিহিত কৰা হৈছে।

শ্ৰীইমলঙে কয় যে আলোচনীখনত ওলোৱা প্ৰবন্ধ কেইটাৰ নগা জন-জীৱনৰ প্ৰকৃত প্ৰতিচ্ছবি নাই; তাৰ বিপৰীতে নগালেণ্ড সম্পৰ্কে এটা ভিন্ন ধাৰণাহে দিয়া হৈছে। তেওঁ আৰু কয়, এনেবোৰ প্ৰবন্ধই এটা কথাকেই স্পষ্ট কৰিছে যে বিশ্বত নগা আৰু নগা-সমস্যা সম্পৰ্কে এটা ভুল ধাৰণা জগাই তুলিবলৈ লণ্ডনত সক্ৰিয় প্ৰতিনিধি আছে।

মিঃ বব্ ছ'ওৱাৰছৰ প্ৰবন্ধ "এ ভেৰী প্ৰাইভেট ৱাৰ"ত পোৱা গৈছে— "যেতিয়া ভাৰতে বিদ্ৰোহী নগাক দমন কৰিবলৈ অসম ৰাইফলছ বাহিনীক নগালেণ্ডলৈ পঠিয়ালে, তেতিয়া সেই বিষয়ত নগালোকসকলে প্ৰতিবাদ জনালে আৰু ৰাষ্ট্ৰসংঘত এটা আক্ৰমণৰ আপত্তি দৰ্শালে। অৱশ্যে ৰাষ্ট্ৰসংঘই সেই অভিযোগক আওকাণ কৰিলে, কিয়নো নগালেণ্ড ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ নহয়।" এই প্ৰবন্ধটোৰ আন এঠাইত আছে ঃ "নগা লোকসকলে ভাৰত আৰু ভাৰতীয় যি কোনো বস্তুকে ঘৃণা কৰে, আৰু তেওঁলোকৰ এটা প্ৰতিনিধিদলে এবাৰ ইংলণ্ডলৈ আহি তেওঁলোকৰ স্বাধীনতাৰ প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰাবৰ বাবে অনুৰোধ জনায়। নগাসকলে বৃটিছ প্ৰজা হ'বলৈ ইচ্ছা কৰিছে আৰু ভাৰতৰ পৰা সম্পূৰ্ণভাৱে বাজ হৈ কমনৱেলথৰ অধীনত থাকিবলৈও হেপাহ কৰে বুলি প্ৰবন্ধটোত কোৱা হৈছে।

প্ৰবন্ধটোৰ ওপৰত মন্তব্য কৰি শ্ৰীইমলাঙে কয় যে লিখকজনে অকল সত্যৰ অপলাপেই কৰা নাই, সম্পূৰ্ণভাৱেই কল্পনাক আশ্ৰয় কৰি প্ৰবন্ধটি যুগুত কৰিছে আৰু এই কথাটো সুস্পষ্ট হৈ পৰিছে— লিখকজনে নগা যুঁজাৰু এজনৰ বিষয়ে দিয়া বৰ্ণনাৰ পৰাই। মিঃ ছণ্ডৱাৰছে কোৱাৰ দৰে এজন নগা যুঁজাৰু ছফুট ওখ বা অৰ্দ্ধনগ্ন নহয়, নতুবা বলি কটা দাৰে সজ্জিতও নহয়। ইমলঙে কয় যে, চাৰে পাঁচ ফুটতকৈ

অধিক উচ্চতাৰ নগা সম্প্ৰদায়ৰ কোনোবা লোক ওলায় নে নোলায় সন্দেহ। কোনো আত্মগোপনকাৰী নগাই বিশেষ এনেধৰণৰ সাজেৰে বা পাকিস্থানে যোগান ধৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰেও সজ্জিত নহয়।

দেওবাৰ, ২৯ আগষ্ট, ১৯৬৫ চন

# চৰকাৰী ভাষা আইন

অসম সাহিত্য সভাৰ প্ৰতিনিধিসকলৰ আগত মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই ১৯৬০ চনৰ চৰকাৰী ভাষা আইনখন কাৰ্যকৰী কৰা সম্পৰ্কত যিখন আঁচনি দাঙি ধৰিছে, এই আঁচনিৰ মন্থৰ ৰূপটো দেখি আমি আচৰিত হৈছো। ইতিমধ্যে এই বিষয়ত চৰকাৰে মন্থৰতা দেখুওৱাৰ ফলতে বহুতখিনি জটিলতা আমি চপাই ললো। আন ৰাজ্যত অসমৰ দৰে চৰকাৰী দীৰ্ঘসূত্ৰিতাৰ আশ্ৰয় নোলোৱা বাবে যথেষ্ট ক্ষিপ্ৰ গতি দেখা গ'ল আৰু সেইবোৰ ৰাজ্যই একো সমস্যাৰ বোজাও মূৰ পাতি ল'বলগীয়া নহ'ল। কিন্তু লেহেম গতিৰ বাবে 'সুখ্যাতি' অৰ্জন কৰা অসমে এতিয়াও পূৰ্বৰ ভাবগতিকে লৈ থকাটো নিৰাশাজনক কথা।

১৯৬০ চনৰ চৰকাৰী ভাষা আইনৰ বিষয়ে আজি নতুনকৈ আলোচনা কৰাৰ সকাম নাই। ইয়াৰ ফলত তিক্ততাহে বাঢ়িব। এতিয়া ৰাজ্যত সম্ভাৰ, একতা সুদৃঢ় কৰি তোলাটোৱেই ঘাই কথা। ১৯৬০ চনৰ চৰকাৰী ভাষা আইন সুবিচাৰৰ ভিত্তিত প্ৰতিষ্ঠিত নহয়— ই আছিল আপোচমূলক ব্যৱস্থা এটাহে। কোনবোৰ ন্যস্ত স্বাৰ্থৰ হেঁচাত এই আপোচ কৰা হৈছিল, সেইবোৰ কথাৰ পুনৰাবৃত্তি কৰাৰ পৰা এতিয়া লাভ নাই। আমি জানো যে এই বিষয়টোৰ আলোচনাৰ ক্ষেত্ৰত বহুত খিনি সতৰ্কতাৰ প্ৰয়োজন— শান্তি, সম্ভাৰ আৰু একতাৰ স্বাৰ্থৰ ফালৰপৰা। সেই স্বাৰ্থৰ ফালৰপৰাই অসমৰ সংখ্যাগৰিষ্ঠ জনমতে এই ব্যৱস্থাকে মানি লৈ উদাৰ মনোভাৱ এটা প্ৰদৰ্শন কৰিলে। কিন্তু চৰকাৰে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি উচিত পৰিমাণে মনোনিৱেশ নকৰিলে। ১৯৬০ চনৰ চৰকাৰী ভাষা আইন চৰকাৰৰ হাতত উপেক্ষিত অৱস্থাতে অত বছৰ থাকিবলগীয়া হ'ল। এই আইন কাৰ্য্যকৰী কৰিবৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৰ খতিয়ান মেলি চালে, সেইদেখি আমি হাতশ হ'ব লাগিব। ১৯৬৫ চনৰ আগষ্ট মাহলৈকে পৰিভাষা যুগুত হৈ নুঠিল। চৰকাৰী ভাষা প্ৰয়োগ কমিটীৰ কামৰ অগ্ৰগতিৰ হিচাপ আমি ইতিমধ্যে পাইছো। চৰকাৰে অধিক তৎপৰতা দেখুওৱা হ'লে এই কাম নিশ্চয় এতিয়াতকৈ সোনকালে শেষ কৰিব পৰা হ'লহেঁতেন। অথচ পৰিভাষা যুগুত হৈ নুঠাতোও আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অন্যতম বাধা ৰূপে হিচাপ দিয়া হৈছিল। এতিয়া অসমীয়া টাইপৰাইটাৰ যোগাৰ কৰা (ইয়াৰ বাবে জাৰ্মানীত ফৰমাচ দিয়াৰ কথা কোৱা হৈছে) আৰু বিভিন্ন অফিচৰ কৰ্মচাৰীক প্ৰশিক্ষণ দিয়া (তাৰো প্ৰাথমিক আয়োজন কৰা বুলি চৰকাৰী সূত্ৰৰপৰা কৈছে) পৰৱৰ্তী পৰ্য্যায়ত বা কিমান পলম হয়, তাৰ একো নিশ্চয়তা নাই।

কিন্তু চৰকাৰে পৰ্য্যায়ক্ৰমে আগবাঢ়িবৰ বাবে যি মন্থৰ আঁচনি যুগুত কৰিছে তাৰপৰা আমি ভৰসাৰ থল বিচাৰি পোৱা নাই। এই আঁচনি মতে ব্ৰহ্মপুত্ৰ উপত্যকাত মহকুমা পৰ্য্যায়ত চৰকাৰী কামত অসমীয়া ভাষা প্ৰয়োগ কৰা ব্যৱস্থা ১৯৬৬ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ কৰি তোলা হ'ব; তাৰ পিচত পৰ্য্যায়ক্ৰমে সৰ্বোচ্চ

মহললৈকে অসমীয়া ভাষা চৰকাৰী কামত ব্যৱহাৰ কৰা ব্যৱস্থা সম্পূৰ্ণ হ'ব ১৯৬৮ চনৰ ডিচেম্বৰ মাহত। এনে এখন দীঘলীয়া আঁচনি আমাৰ কোনোমতে মনঃপুত নহয়. একোটা গুৰুত্বপূৰ্ণ বিষয়ৰ ক্ষেত্ৰত দৃঢ়তাৰে থিয় দিব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে আমি বুজা নাই। সমস্যাৰ সমুখত দৃঢ়তা দেখুৱাই সমাধানৰ চেষ্টা নকৰি তাক গাপত দি থোৱাৰ ফলত দেশৰ বহুতো সমস্যাই এতিয়া অতিশয় জটিল ৰূপ ধাৰণ কৰিছে. তথাপি এই ভুল বাট পৰিহাৰ কৰা হোৱা নাই। এতিয়াও অসমীয়া ভাষা চৰকাৰী কামত ব্যৱহাৰ কৰা ক্ষেত্ৰত এনে মন্থৰ গতি লোৱাৰ ফলত আমাৰ সমুখত নানান পাকচক্ৰ উপস্থিত হ'ব বুলি সন্দেহ কৰাৰ অৱকাশ আছে।

তেনে সমস্যাৰ উদ্ভৱ হ'লে জানো চৰকাৰে দৃঢ়তাৰে তাৰ সমুখত থিয় দিব? ইতিমধ্যে আপোচ কৰি অসমীয়া ভাষাক চৰকাৰী ভাষাৰ স্থানত দ্বিতীয় শ্ৰেণীৰ আসন দিয়া বুলিয়েই অসন্তুষ্টি এটা আছে। এনে অৱস্থাত খণ্ডিত ব্যৱস্থা এটা কাৰ্য্যকৰী কৰোতেও ইমান পলম কৰাৰ অৰ্থ কি?

যিখন ৰাজ্যত (শতকৰা ৫৭.১৪ ভাগ লোক অৰ্থাৎ ৬৮০৩৪৬৫ জন) অসমীয়া ভাষা-ভাষী আৰু য'ত ১৬৪৮৬৩৮ জনে মাতৃ ভাষাৰ উপৰিও অসমীয়া ভাষা পৰিপূৰক ভাষাৰূপে ব্যৱহাৰ কৰিছে— সেই ৰাজ্যত অসমীয়া ভাষাই ইতিমধ্যে লাভ কৰা মৰ্য্যাদালৈ চাই আমি এনে মন্থৰতৰ মাজত ভৱিষ্যতৰ ভাৰসা ৰাখিম কেনেকৈ? যিখন ৰাজ্যত শতকৰা ৪.৪১ ভাগ লোক মাত্ৰ হিন্দী ভাষা-ভাষী, সেইখন ৰাজ্যত অসমীয়া ভাষাৰ প্ৰশ্নটো নিস্পত্তি কৰিবৰ বাবে স্বৰ্গীয় গোবিন্দ বল্লভ পান্তৰ নিচিনা লোকেও যেতিয়া হিন্দীয়েই অসমৰ ৰাজ্য ভাষা হ'ব লাগে বুলি প্ৰস্তাৱ তুলিছিল সেইখন ৰাজ্যই সততে চক পাবলগীয়া অৱস্থা এটা নাইনে? আমি ভাবো যে এতিয়াও আমি বহুতো পাকচক্ৰ অতিক্ৰম কৰিবলৈ বাকী আছে। বিশেষকৈ বিভাগীয় মূৰব্বীৰ অফিচৰ পৰ্য্যায়ত আৰু ৰাজ্যিক সচিবালয়ৰ পৰ্য্যায়ত আইনৰ ব্যৱস্থাই কাৰ্য্যতঃ কি ৰূপ লয়গৈ, তালৈ লক্ষ্য ৰাখিবলগীয়া হৈ আছে। বৰ্তমান দীৰ্ঘসূত্ৰিতাই যে কিছুমান মহলক নতুন হেঁচা দিবৰ বাবে উৎসাহ যোগাব তাত সন্দেহ নাই।

<u>মঙ্গলবাৰ, ৩১আগষ্ট, ১৯৬৫ চন</u>

# অন্তৰীক্ষৰ অন্তৰায়

ছোভিয়েট ৰুছিয়াই "স্পুটনিক" উৰুৱাৰেপৰা মানুহৰ মহাকাশ অভিযান আৰম্ভ হয় আৰু এই কেইবছৰৰ ভিতৰতে চমকপ্ৰদ সফলতা লাভ কৰিবলৈ মানুহ সক্ষম হৈছে। মহাকাশ অভিযানত ছোভিয়েট ৰুছিয়াই প্ৰথম জয়মাল্য একাধিকবাৰ লৈছে। ১৯৬১ চনত ছোভিয়েট ৰুছিয়াই মহাকাশলৈ পোন প্ৰথমে মানুহ পঠোৱাৰ উপৰিও দুজনীয়া আৰু তিনিজনীয়া ভ্ৰমণৰো ব্যৱস্থা সফলতাৰে কাৰ্য্যকৰী কৰে। তদুপৰি সেই দেশৰে ভেলেৰী বাইক ভস্কীৰ ১৯৬৩ চনৰ ৫ দিনীয়া মহাকাশ ভ্ৰমণ ইমান দিনে এটা 'ৰেকৰ্ড' হৈ আছিল। মহাকাশ অভিযানৰ ক্ষেত্ৰত ছোভিয়েট ৰুছিয়াৰ প্ৰাধান্য কেওপিনে পৰিলক্ষিত হয়। যিমান গধুৰ মহাকাশযান ছোভিয়েট ৰুছিয়াই মহাকাশলৈ নিক্ষেপ কৰিছিল, তাৰ পৰাই বুজা গৈছিল যে অতি শক্তিশালী নিক্ষেপক শক্তি সেই দেশৰ আয়ত্তাধীন হয়। তদুপৰি মহাকাশযানৰ ভিতৰৰ সা-সুবিধাও যথেষ্ট উন্নততৰ পৰ্য্যায়ৰ আছিল।

কিন্তু এই প্ৰতিযোগিতাত মাৰ্কিন যুক্তৰাজ্য যে পিচ পৰি থকা নাই জেমিনী—৫ যানখনৰ অপূৰ্ব সফলতাই তাৰ প্ৰমাণ। দুজন মাৰ্কিন মহাকাশযাত্ৰীয়ে ৮ দিন ধৰি ৩ নিযুত মাইল ভ্ৰমণ কৰি নতুন ৰেকৰ্ড প্ৰতিষ্ঠা কৰিলে। জোনলৈ গৈ পৃথিৱীলৈ উভতি আহিবলৈ ঠিক ইমানখিনি সময়েই লাগিব। এই সফল যাত্ৰাই নিশ্চয় কিছুমান বহুমূলীয়া তথ্যৰ যোগান ধৰিছে। ওজনহীনতাৰ সমস্যা সম্পৰ্কেও এই ভ্ৰমণৰ পৰা নানান কথা জানিব পৰা হ'ব। বৰ্তমান সফলতা মাৰ্কিন যুক্তৰাজ্যৰ কাৰণে কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ। জেমিনী—৫ৰ কক্ষপথ ২১৯ মাইললৈ উঠাব পৰাটো মাৰ্কিন যুক্তৰাজ্যৰ মানুহসহ পঠোৱা মহাকাশযানৰ কাৰণে নতুন সফলতা। তদুপৰি জেমিনী—৫ ৰ আৰু এটা নতুনত্ব আছে— পোন প্ৰথমবাৰৰ বাবে ইয়াৰ 'কেপছুলত' বিজুলী শক্তি চালিত 'ফুৱেল চেল' ব্যৱহাৰ কৰা হয়। এই ব্যৱস্থায়ো এটা নতুন দিগন্ত মুকলি কৰিব। ইতিমধ্যে ৰেলৰে ইঞ্জিনতো 'ফুৱেল চেল' ব্যৱহাৰ কৰাৰ কাৰণে প্ৰচেষ্টা চলিছে।

সাম্প্ৰতিক সফলতাই মানুহক সুস্পষ্টভাৱে আগুৱাই নিছে। অৱশ্যে মহাকাশ জয়ৰ বাবে মানুহে চলোৱা চেষ্টাৰ বাটত এতিয়াও অন্তৰায় বহুতো আছে। মহাকাশৰ শূন্যতাও মানুহৰ বাবে বিপদৰ থল। ৬৫ হেজাৰ ফুট ওপৰতে বায়ু-শূন্যতাই এনে এটা অৱস্থাৰ সৃষ্টি কৰি থৈছে যে মহাকাশযানত বায়ুছাপ ৰক্ষা কৰা ব্যৱস্থা নেথাকিলে আৰু মহাকাশ যাত্ৰীয়ে বায়ুছাপ ৰক্ষা কৰা সাজ নিপিন্ধিলে ততালিকে মৃত্যু বৰণ কৰিবলগীয়া হ'ব। ১২ মাইল ওপৰত থকা বিষাক্ত 'ওজন' গেছৰ বিৰুদ্ধেও প্ৰতিকাৰ থাকিব লাগিব। ওজনহীনতাৰ সমস্যাতো আছেই। আনহাতে 'কস্মিক ৰে, সৌৰ ৰশ্মি আদিৰ প্ৰতিক্ৰিয়াও আছে। এইবোৰ অন্তৰায় মানুহে এটা এটাকৈ দূৰ কৰি গৈছে। সেয়ে সম্পূৰ্ণ হৈ উঠিলে জোনবাইৰ দেশলৈ যোৱাৰ হকে থকা চিৰন্তন প্ৰয়াস সাধুকথাৰ পাতৰ পৰা গৈ বাস্তৱত ৰূপায়িত হ'ব।

## নগৰ পাৰিকল্পনা

অসমৰ নগৰ পৰিকল্পনা সম্পৰ্কে দিহা দিবলৈ ফৰ্ড ফাউণ্ডেচনৰ পৰা অহা বিশেষজ্ঞৰ ওচৰত ৰাজ্য চৰকাৰে দাখিল কৰিবৰ বাবে যুগুত কৰা টোকাত কেতবোৰ লাগতিয়াল কথা উল্লেখ কৰিছে। নগৰ পৰিকল্পনাৰ বিষয়টোলৈ বিশেষ মনোযোগ দিয়াৰ সময় কেতিয়াবাই উপস্থিত হ'ল। তাৰ প্ৰতি উচিত মনোযোগ নিদিলে ফল বিষময় হ'ব। ইতিমধ্যে মহানগৰবোৰৰ দুৰৱস্থা সকলোৰে দেখা পাইছে। এই সমস্যা ইমান জটিল হৈ উঠিছে যে অকল ধনৰ ফালৰপৰাই নহয়, অন্যান্য বহুত ফালৰপৰা এই সমস্যাৰ সম্পূৰ্ণ সমাধান প্ৰায় অসম্ভৱ হৈ উঠিছে। আমাৰ ইয়াত মহানগৰী নাই; কিন্তু মহানগৰীৰ দুৱাৰ-ডলি গৰকিবলৈ সাজু হৈ থকা একাধিক নগৰ আছে। সেইদেখি আমি সময় থাকোতেই ব্যৱস্থা হাতত ল'ব লাগিব।

১৯৫২ চনত অসমত ২৭ খন নগৰহে আছিল; কিন্তু সেয়ে বাঢ়ি ৮০ খন হ'লহি। উদ্যোগৰ প্ৰসাৰৰ লগে লগে নগৰৰ সংখ্যা আৰু পৰিসৰ আৰু বাঢ়িব। ৰাজ্যৰ নগৰবোৰৰ ভিতৰত পৰিকল্পিত নগৰ এখনো নাই। সেইদেখি সৰু -ডাঙৰ সকলো নগৰতে এতিয়াই হাহাকাৰ লাগিছে। সেই কাৰণে এই সকলো নগৰ পৰিকল্পিত গঢ় দিয়াৰ বাবে কাৰ্য্যক্ষম আঁচনি এখন আমাক লাগে। নাগৰিকৰ সা-সুবিধা আদিৰ কথা বাদেই

কিছুমান নগৰৰ লগত যোগাযোগ ৰখাটোও এটা সমস্যাৰ কথা। বৃটিছৰ দিনত বৃটিছ চাহ উদ্যোগৰ চাহিদা পূৰণ কৰিব পৰাকৈ নিৰ্মাণ কৰা ৰেলপথে অসমৰ কেইবাখনো নগৰক স্পৰ্শ কৰা নাই। এই অব্যৱস্থা আজিও আছে। অসমৰ আভ্যন্তৰীণ নৌ-পথৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৬০০০ মাইল। কিন্তু এই সুযোগ আমি উপযুক্তভাৱে গ্ৰহণ কৰা নাই। আলিবাটৰ ক্ষেত্ৰত কিছু সা-সুবিধা আছে যদিও আজিৰ চাহিদাৰ কাৰণে সেয়ে যথেষ্ট হৈ উঠা নাই।

গুৱাহাটীৰ সমস্যাই ইতিমধ্যে সকলোকে চিন্তিত কৰিছে। গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষই হাতত লোৱা দীৰ্ঘম্যাদী আঁচনিৰ প্ৰভাৱ কেতিয়াকৈ কাৰ্য্যক্ষেত্ৰত প্ৰতিফলিত হ'ব, সেই কথা কোৱা টান। এতিয়া মাত্ৰ আমি ইয়াকে দেখিছো যে গুৱাহাটী নগৰখন অপৰিকল্পিতভাৱে কেওপিনে ক্ষিপ্ৰ গতিৰে বাঢ়িব লাগিছে। ১৯৫১ চনত গুৱাহাটীৰ মিউনিচিপেল এলেকাৰ ভিতৰত আছিল ৩ বৰ্গমাইল অঞ্চল, ১৯৬১ চনত সেয়ে ৫.৫০ বৰ্গ মাইল হয়গৈ। নুনমাটিত তেল শোধনাগাৰ স্থাপিত হোৱাৰপৰা গুৱাহাটীৰ সম্প্ৰসাৰণৰ গতি তীব্ৰতৰ হৈছে। মুকলি ঠাই, খেল পথাৰ, উদ্যান, ভৱিষ্যতৰ জৰুৰী চাহিদা পূৰাব পৰা সঞ্চিত ঠাই — এইবোৰ একোৰে ব্যৱস্থা নথকাকৈ নগৰখন বাঢ়িয়েই আছে। বাট-পথ, ঘনবসতি, অপৰিচ্ছন্নতা, নলা-নৰ্দমাৰ সমস্যা চক্ৰবৃদ্ধি সুদৰ হাৰত বাঢ়িব লাগিছে।

এইবোৰ সমস্যাৰ বৈজ্ঞানিক প্ৰণালীৰে সমাধান কৰিবৰ বাবে আমাক কাৰ্য্যকৰী আঁচনি এখন লাগে। ফৰ্ড ফাউণ্ডেচনৰ বিশেষজ্ঞই যদি সেই চাহিদা পূৰণ কৰাৰ বাবে আঁচনি উলিওৱাত সফলতা লাভ কৰিব পাৰে তেন্তে সেয়ে আমাৰ কাৰণে উল্লেখযোগ্য পদক্ষেপ হ'ব। অসম চৰকাৰৰ নগৰ পাৰিকল্পনা বিভাগৰ টোকাত এই সকলোবোৰ সমস্যাৰ বিষয়ে উল্লেখ কৰা হৈছে। টোকাত উল্লেখ কৰা দুটা পৰামৰ্শই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইয়াত কোৱা হৈছে যে দ্বীপৰ বিলখন খান্দি সেই পিনেদি গুৱাহাটীৰ পানী নিষ্কাষণৰ পথ মুকলি কৰি সেই পানী ব্ৰহ্মপুত্ৰত পেলোৱাৰ দিহা কৰিব লাগে। এনে এটা ব্যৱস্থা হ'লে গুৱাহাটীৰ জটিল সমস্যা এটাৰ সমাধান হ'ব পাৰে। দ্বিতীয়তে গুৱাহাটীৰ মল পৰিবহনৰ সমস্যা সম্পৰ্কে টোকাত কোৱা হৈছে যে সাৰ উৎপন্ন কৰিব পৰা ব্যৱস্থা এটা কৰিব লাগে। এনে ব্যৱস্থা কৰাটো নিৰাপদ হ'ব বুলিয়েই আমি কওঁ। মল পৰিবহনৰ ব্যৱস্থা কৰি ব্ৰহ্মপুত্ৰত পেলোৱাৰ আঁচনি ল'লে অন্যান্য ঠাইত জন-স্বাস্থ্যৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা এটা আমি আমাৰ মাজলৈ মাতি অনাহে হ'ব।

শুকুৰবাৰ, ১ অক্টোবৰ, ১৯৬৫ চন

# ভুট্টোৰ কৌশল

নিৰাপত্তা পৰিষদত নাটকীয়ভাৱে বক্তৃতা দি ৰাষ্ট্ৰসংঘ ত্যাগৰ ভাবুকি দিয়াৰ পাচত সিদিনা ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ অধিৱেশনতো পাকিস্থানৰ বৈদেশিক মন্ত্ৰী জুলফিকৰ আলি ভুট্টোৱে আকৌ এবাৰ ৰাষ্ট্ৰসংঘ ত্যাগৰ ভীতি প্ৰদৰ্শন কৰাৰ সুযোগ লৈছে। তেওঁৰ দাবী একেটাই। কাশ্মীৰৰ সমস্যা পাকিস্থানৰ অনুকুলে সমাধান হ'ব লাগিব। অৰ্থাৎ কাশ্মীৰত আফ্ৰিকা আৰু এছিয়াৰ দেশৰ শান্তিৰক্ষী বাহিনী এটা ৰাখিব

লাগিব আৰু তাৰ পাচত কাশ্মীৰত গণভোট অনুষ্ঠিত কৰিব লাগিব।

মিঃ ভুট্টোৰ এই দাবীৰ উত্তৰ ভাৰতৰ পক্ষৰপৰা একাধিকবাৰ দিয়া হৈছে। ভুট্টো তথা পাকিস্থান চৰকাৰে নিজেই জানে যে ১৯৪৮ চনৰ পাচত জম্মু-কাশ্মীৰ ৰাজ্যত বিৰাট পৰিৱৰ্তন ঘটিছে। এই ৰাজ্যখনত জনপ্ৰিয় চৰকাৰ গঠিত হৈছে। তিনিটা সাধাৰণ নিৰ্বাচনত জম্মু-কাশ্মীৰৰ প্ৰাপ্তবয়স্ক লোকসকলে ভোট দি বিধানসভা আৰু সংসদলৈ তেওঁলোকৰ প্ৰতিনিধি মনোনীত কৰি দিছে। পাকিস্থানী বৈদেশিক মন্ত্ৰীজনে আৰু জানে যে কাশ্মীৰত গণভোট গ্ৰহণৰ কাৰণে ৰাষ্ট্ৰসংঘই দিয়া প্ৰস্তাৱৰ চৰ্ত্তাৱলী পাকিস্থানে নিজেই পালন নকৰিলে আৰু সেইকাৰণে ১৯৪৮-৪৯ চনৰ ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱৰ আব্দাৰ ধৰি কাশ্মীৰবাসীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰাৰ কোনো যুক্তি নাই।

পাকিস্থান ৰাষ্ট্ৰখনেই এক বিস্ময় উপ-মহাদেশ ভাৰতত ধৰ্মৰ ভিত্তিত ৰাষ্ট্ৰ এখন গঢ়ি উঠাৰ কোনো যুক্তিসঙ্গত কাৰণ নাছিল। কিন্তু আচৰিত ধৰণে পাকিস্থান গঢ়ি উঠিল। সেই কাৰণে পাকিস্থানক বৰ্ত্তাই ৰাখিবলৈ হলে নিতৌ ন ন অস্বাভাৱিক আৰু বিস্ময়কৰ, সমস্যা আৰু যুক্তি প্ৰদৰ্শন কৰিবই লাগিব। এই পৰম্পৰাৰ বিৰোধিতা কৰা কোনো চৰকাৰ, কোনো নেতা পাকিস্থানত টিকি থাকিব নোৱাৰে। সেইবাবে কাশ্মীৰ সম্পৰ্কত পাকিস্থানৰ দাবীৰ প্ৰত্যুত্তৰ দিয়াৰে প্ৰয়োজন নোহোৱা হৈছে।

কিন্তু এটা ডাঙৰ কথা হৈছে এয়ে যে পাকিস্থানৰ এই অৱান্তৰ আৰু অদ্ভুত দাবীত সঁহাৰি দিয়া দেশ কিছুমানো আজিৰ পৃথিৱীত আছে। কমিউনিষ্ট চীনৰ কথা বাদ দি পাকিস্থানক কাশ্মীৰৰ প্ৰশ্নত যিবোৰ দেশে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমৰ্থন কৰিছে আমি সেইবোৰৰ কথাহে ক'ব খুজিছো। এছিয়াত ভাৰতৰ দৰে এটা বৃহৎ শক্তিৰ অভ্যুত্থান কমিউনিষ্ট চীনে সহ্য কৰিব নোৱাৰে আৰু সেই কাৰণেই চীনে ভাৰতৰ বিপক্ষে উঠি-পৰি লাগিছে। ইয়াত আচৰিত হ'ব লগা কথা নাই। কিন্তু আচৰিত হ'ব লগা আৰু দুখজনক কথা হৈছে— পাশ্চাত্য বৰমূৰীয়া শক্তিৰ পাকিস্থানৰ লগত সহযোগ।

ভাৰতৰ লগত হোৱা বৰ্ত্তমানৰ সংঘৰ্ষত পাকিস্থানে মাৰ্কিন অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰাৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা সত্বেও মাৰ্কিন যুক্তৰাজ্যই পাকিস্থানলৈ সামৰিক সাহায্য প্ৰেৰণ বন্ধ কৰাৰ সিদ্ধান্ত লোৱা দেখা নগল। মাৰ্কিন যুক্তৰাজ্যত উপস্থিত হোৱাৰ পাচতে পাকিস্থানী মন্ত্ৰী ভুট্টোৱে প্ৰেছিডেণ্ট আয়ুব খানৰ ৱাছিংটন যাত্ৰাৰো পথ সুগম কৰি পেলালে। ভাৰতৰ ওপৰত আক্ৰমণ চলোৱা পাকিস্থান মাৰ্কিন যুক্তৰাজ্যত নিৰ্দ্দোষী প্ৰমাণিত হ'ল। কমিউনিষ্ট চীনৰ লগত হাত মিলোৱা পাকিস্থান পাশ্চাত্য সামৰিক গোষ্ঠীভূক্ত বুলিয়েই এতিয়াও মাৰ্কিন যুক্তৰাজ্যৰ বন্ধু হৈয়ে আছে। এইবিলাকৰপৰা এটা কথা ধাৰণা হয় যে পাকিস্থানে যিয়েই নকৰক পাশ্চাত্যৰ বৰমূৰীয়া শক্তি বৃটেইন আৰু মাৰ্কিন যুক্তৰাজ্যই তাতেই সমৰ্থন দিব। ভাৰতৰ কাৰণে এয়ে হৈছে এটা ডাঙৰ সমস্যা।

মিঃ ভুট্টোৰ ৰাষ্ট্ৰসংঘ ত্যাগৰ ভাবুকি নিৰৰ্থক। ৰাষ্ট্ৰসংঘ ত্যাগ কৰিলেই যে কাশ্মীৰ সমস্যাৰ সন্তোষজনক মীমাংসা হৈ যাব তেনে আশা নিশ্চয় পাকিস্থানে কৰা নাই। ভুট্টোৰ এই ভাবুকি পাশ্চাত্য দেশৰ পৰা অধিক সুযোগ সুবিধা আদায় কৰাৰ ফন্দি মাত্ৰ। বৃটেইন আৰু মাৰ্কিন যুক্তৰাজ্যয়ো এই কথা জানে। কিন্তু

এই দুখন দেশে পাকিস্থানৰ অযুক্তিকৰ দাবী সদায় সমৰ্থন কৰি আহিছে আৰু ভুট্টোৰ এই ভীতি প্ৰদৰ্শনে পাকিস্থানক পূৰ্বতকৈ অধিক সহায় সমৰ্থন দিবলৈ এটা ভাল সুযোগ পাইছে।

এইবাৰৰ পাক-ভাৰত সংঘৰ্ষত বৃটেইন আৰু মাৰ্কিন যুক্তৰাজ্যৰ ভূমিকা ভাৰতে উপলব্ধি কৰিব পাৰিছে। এতিয়া ভূট্টোৱে দাবী কৰা মতে “কাশ্মীৰ সমস্যাৰ সন্মানজনক সমাধান” বিচাৰি এই দুখন দেশে কেনে ভূমিকা গ্ৰহণ কৰে তালৈ সতৰ্কতাৰে লক্ষ্য ৰাখিব লগা হৈছে।

## বৰ্ত্তমান আমাৰ কৰ্ত্তব্য

ভূতপূৰ্ব কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমোৰাৰজী দেশায়ে আমাৰ বৰ্ত্তমান কৰ্ত্তব্য কিছুমানৰ আভাস দিছে। ভাৰত পাকিস্থান সংঘৰ্ষৰ পাচত স্বাভাৱিকতে আমি ভালেমান বিষয়ত সতৰ্ক হ’ব লগা হৈছে। আমি চুবুৰীয়াৰ লগত শান্তিৰে বাস কৰিব খোজোঁ বুলিয়েই চুবুৰীয়া দেশবোৰো যে তাত সন্মত হ’ব তেনে নহয়। সেই কাৰণে আমি বিভীষিকাগ্ৰস্ত অৱস্থাত থাকিব লগা হৈছে। এই সময়ত আমি ঐক্য-সম্প্ৰীতি ৰক্ষা কৰি দেশৰ স্বাধীনতা অটুট ৰাখিবলৈ প্ৰস্তুত হোৱাৰ লগতে অৰ্থনৈতিক দিশটোৰ প্ৰতিও সচেতন হ’ব লাগিব। অৰ্থনৈতিক ক্ষেত্ৰত সুস্থিৰতা ৰাখিব পৰাটোহে এতিয়া গুৰুতৰ কথা হৈ পৰিছে।

আমি কঠিন অৱস্থাৰ সন্মুখীন হ’বলৈ প্ৰস্তুত হ’ব লাগিব আৰু তাৰ কাৰণে মিতব্যয়িতা অবলম্বন কৰিব লাগিব, উৎপাদন বৃদ্ধি কৰিব লাগিব আৰু সমতাপূৰ্ণ বিতৰণ হ’ব লাগিব। ইয়াৰ লগতে আমি বৈদেশিক মুদ্ৰা অৰ্জনৰ কাৰণেও ব্যাপক প্ৰচেষ্টা চলোৱা আৱশ্যক হৈছে। সেই কাৰণে আমাৰ বৈদেশিক বাণিজ্যৰ দিশ বদলোৱাৰো সময় আহিছে। কমনৱেলথৰ ৰাষ্ট্ৰগোষ্ঠীৰ লগত সাঙোৰ খাই থাকি ভাৰতে বৈদেশিক বাণিজ্য সম্প্ৰসাৰণ কৰাৰ কথা চিন্তা কৰিব নোৱাৰে। কমনৱেলথৰ বিশিষ্ট ৰাষ্ট্ৰসমূহৰ কাৰ্য্যকলাপে ভাৰতক বৈদেশিক বাণিজ্য সম্প্ৰসাৰণত সুবিধা নিদিয়ে। ইউৰোপীয় উমৈহতীয়া বজাৰৰপৰা কমনৱেলথৰ সদস্য বৃটেইনে নিজেই একো সুবিধা আদায় কৰিব নোৱাৰিলে। আমি আফ্ৰিকা, এছিয়াৰ অন্যান্য অঞ্চল, লেটিন আমেৰিকা আৰু পূব ইউৰোপীয় দেশৰ লগত বাণিজ্যৰ ক্ষেত্ৰত ঘনিষ্ঠতা ৰক্ষা নকৰিলে নচলে। সেই উদ্দেশ্যে আমাৰ উদ্যোগসমূহত ৰপ্তানিমূখী দৃষ্টিভঙ্গী গ্ৰহণ কৰা আজিৰ এটা জৰুৰী কৰ্ত্তব্য হোৱা উচিত।

শনিবাৰ, ২অক্টোবৰ, ১৯৬৫ চন

## আমাৰ দায়িত্ব

মহাত্মা গান্ধীৰ জন্মদিনৰ তাৎপৰ্য্য ভাৰতবাসীৰ জীৱনত সদায় থাকিব। এজন মানুহে এটা ম্ৰিয়মান জাতিক সিংহৰ বিক্ৰম দান কৰা আৰু সেই অপৰিসীম শক্তিৰ অধিকাৰী হৈয়ো হিংস্ৰ বিদেশী চৰকাৰ এটাৰ বিৰুদ্ধে সেই শক্তি প্ৰয়োগ নকৰি সত্য আৰু অহিংসাৰ আশ্ৰয় লৈ এটা অভিনৱ পন্থাৰে দেশখনক স্বাধীন কৰি তোলাৰ নিদৰ্শন পৃথিৱীত বিৰত। গান্ধীজীৰ অৱদানৰ হিচাপে দিব নোৱাৰি, অনুভৱহে কৰিব পাৰি। সেই অনুভূতিয়ে আমাক প্ৰেৰণা দিয়া উচিত, কৰ্তব্য সম্পৰ্কে সকীয়াই দিয়া উচিত আৰু সহস্ৰ বাধাকো নেওচি

যাবলৈ বুকুত অদম্য বল দিয়া উচিত। গান্ধীজীৰ জন্মদিনত অথবা মৃত্যু দিৱসত সেই আশাকে সদায় প্ৰকাশ কৰি আমি পিচ মুহূৰ্ততে তাৰ অস্তিত্বৰ কথাকে পাহৰি যাওঁ। আমাৰ কথা আৰু কামৰ মাজত এনে ব্যৱধান যিমানে বাঢ়িছে, সিমানে আমি সমস্যাৰ মেৰপাকৰ মাজলৈ সোমাই গৈছো। আমাৰ মনৰ এই দ্বৈত সুৰৰপৰা উদ্ধাৰ পালেহে আমাৰ নিষ্কৃতিৰ পথ ওলাব।

এই সত্যকে আমি উপলব্ধি কৰিব লাগিব আৰু তাকে উপলব্ধি কৰাই গান্ধীজীক স্মৰণ কৰাৰ সাৰ্থকতা। সেইদেখি গান্ধীজীৰ প্ৰতি অকল মৌখিক শ্ৰদ্ধা জ্ঞাপন কৰাটো এটা নেতিবাচক কথাহে। যোগাত্মক সঁহাৰিয়েহে আমাৰ শ্ৰদ্ধাক বাংময় কৰি তুলিব পাৰে। গান্ধীজীৰ জন্মদিন অথবা মৃত্যুদিনক কেন্দ্ৰ কৰি আমি বহুতো সৃষ্টিমুখী কাম হাতত লৈ দেশবাসীক নতুন চেতনা দিব পাৰো, মনৰ বহুতো তাঁতৰি ধুই নিকা কৰিব পাৰো। সেই দৃষ্টিকোণৰ পৰাই আমি সেইদেখি ৰাষ্ট্ৰীয় সংহতি অভিযানৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছো। গান্ধীজয়ন্তীক কেন্দ্ৰ কৰিয়েই আজিৰ পৰা ৯ অক্টোবৰলৈ সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় সংহতিৰ অংগীকাৰ-পত্ৰত চহী সংগ্ৰহ কৰাৰ বাবে বিশেষ অভিযান চলিব। তুলাপাতৰ চহী মাত্ৰ বুলি নধৰি ইয়াৰ প্ৰতীক-ধৰ্মী স্বৰূপটোৰ ওপৰত সকলোৱে গুৰুত্ব দিব বুলি আমি আশা কৰিছো। ১৯৬২ চনৰ ২ অক্টোবৰৰপৰা এটা গুৰুত্বপূৰ্ণ মুহূৰ্তৰ মাজত ৰাষ্ট্ৰীয় সংহতি সপ্তাহ আৰু অঙ্গীকাৰ-পত্ৰত চহী কৰা অভিযান আৰম্ভ কৰা হয়। চীনৰ আক্ৰমণৰ সময়ত যি আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি এই অভিযানৰ সূচনা কৰা হৈছিল, সেই আৱশ্যকতাই আজিও আমাক হাত বাউল দি মাতিছে। চীনে সৃষ্টি কৰা সংকট আমাৰ সমুখতে আছে— এই সংকট আমাৰ ৰাষ্ট্ৰীয় জীৱনৰ সকলোবোৰ দিশৰ সমুখত থিয় দি আছে। লগতে সাঙোৰ খাইছে পাকিস্থানে সৃষ্টি কৰা সংকট। পাকিস্থানে এইবাৰ যি ভূমিকা লৈছে তাৰপৰা বুজা গৈছে যে আমি বহুত দিনৰ বাবে প্ৰস্তুত থাকিব লাগিব, তাৰ বাবে আমাক নতুন দৃঢ়তা লাগিব। আনহাতে বৰ্তমানৰ সংকটপূৰ্ণ মুহূৰ্তত বিদেশৰ কেতবোৰ শক্তিয়ে অনুসৰণ কৰা নীতিয়েও আমাৰ মনলৈ নতুন সচেতনতা আনিছে। এই সময়ত আমাৰ ৰাষ্ট্ৰীয় জীৱনৰ নতুন মূল্যাংকনৰ প্ৰয়োজন। তাকে কৰি আমি দেশক নতুন শক্তিৰ অধিকাৰী কৰি তুলিব লাগিব— যাতে স্বউপাৰ্জিত এটা অজেয় শক্তিৰ যোগেদি আমি সকলো অন্তৰায়ৰ সমুখত উচ্চ শিৰেৰে থিয় দিব পাৰো। সময়ৰ অবিৰাম গতিৰ মাজত যতি নাই; কিন্তু সেই গতিৰ প্ৰবাহত আমি নিজক উটি যাবলৈ নিদি আঁত বিচাৰি উলিয়াবই লাগিব— এয়ে আমাৰ সমুখৰ প্ৰত্যাহ্বান।

অৱশ্যে অকল বিদেশী শক্তিৰ প্ৰত্যাহ্বানেই আমাৰ সমুখৰ সমস্যা নহয়। ৰাষ্ট্ৰীয় সংহতিৰ অভিযানৰ পটভূমিত সেইটো কথা আমি বিশেষভাৱে মনত ৰাখিব লাগিব। গান্ধীজীয়ে স্বাধীনতাৰ আগতে আমাৰ মনলৈ যি সংহতিৰ ভাব আনিছিল, স্বাধীনতাৰ পৰৱৰ্তী কালত সেই সংহতিৰ ওপৰত অবিৰাম আঘাত পৰিল। নানান ক্ৰিয়া-প্ৰতিক্ৰিয়াই আমাক বিভ্ৰান্ত কৰিলে। আমাৰ স্খলনে আনকি বাহিৰতো ভুল ধাৰণাৰ সৃষ্টি কৰিলে; বহুতে ভাবিলে এটা দুৰ্বাৰ অভিযানেই সকলো চাৰখাৰ কৰি দিব। কিন্তু সংকটৰ যাদুকৰী শক্তিয়েই আমাক মহিয়ান কৰি তুলিলে। এক জাতি, এক প্ৰাণৰ সমস্বৰৰ ধ্বনিয়ে আমাৰ আকাশ ফৰকাল কৰি তুলিলে। কিন্তু আমাৰ এই সীমাহীন শক্তিক অকল আপাতকালীন অৱস্থাৰ গণ্ডীতে সীমিত কৰি ৰাখিম কিয়? কিয় আমি সকলো

সময়ৰ বাবে ইয়াৰ অফুৰন্ত সুৱাস সিঁচি দিব নোৱাৰিম? নিশ্চয় পাৰিম। লাগে মাত্ৰ আমাৰ চেতনা। মনৰ ঠেক দিগন্ত সুদূৰ বিয়পি পৰিলে আমি এন্ধাৰ নাশিবলৈ টান নেপাম। স্বাধীন ভাৰতত ৰাষ্ট্ৰীয়ত্বৰ যি মহান ভেটি পতা হৈছে, তাৰ স্থায়িত্ব সমৃদ্ধি— সকলো দায়িত্ব আমাৰেই— ভাৰতৰ প্ৰতিজন লোকৰ এই ক্ষেত্ৰত প্ৰত্যেকৰে একোটা বিৰাট দায়িত্ব আছে। মনৰ জড়তা ভাঙি সমুখলৈ চালেই আমি পোহৰৰ বাট আৰু লগতে কৰ্তব্যৰ নিৰ্দেশ বিচাৰি পাম।

দেওবাৰ, ৩ অক্টোবৰ, ১৯৬৫ চন

# শক্তিৰ সাধনা

"অহং ৰাষ্ট্ৰী সঙ্গমনঃ বসুনাম্"— ঋকবেদৰ দেৱীসুক্তত উল্লেখ আছে যে ভাৰতী দুৰ্গাই কৈছিল, "মই ৰাষ্ট্ৰদেৱী, বিশ্বজগতৰ অধিষ্ঠাত্ৰী।" গতিকে আজি আমাৰ ৰাষ্ট্ৰীয় অখণ্ডতা বিপন্ন হোৱাৰ সময়ত দেৱীক বিশেষকৈ এই ৰূপেৰেহে আমি আহ্বান জনাইছো।

তদুপৰি ত্ৰিলোকৰ শত্ৰুক্ষয়ৰ বাবে দেৱতাসকলৰ প্ৰাৰ্থনাৰ উত্তৰত দেৱীয়ে বৰদান কৰিছিল "যেতিয়াই দানৱৰ অত্যাচাৰ-উৎপিড়নে দেখা দিয়ে, তেতিয়াই মই অৱতীৰ্ণ হৈ শত্ৰুক্ষয় কৰিম।"

সাংসাৰিক জীৱনৰ কাম ঐশ্বৰ্য্য-বিভূতি, ৰূপ-সৌন্দৰ্য্য, শক্তি-যশস্যা, জয়-শত্ৰুক্ষয়, সুখ-সমৃদ্ধি— সকলোৰে অধিষ্ঠাত্ৰী দেৱী ভগৱতী। ব্যক্তিগত জীৱনৰ দৰে ৰাষ্ট্ৰৰ বাবেও সামাজিক সুখ-সমৃদ্ধি, ঐশ্বৰ্য্য-বিভূতি, শক্তি-যশস্যা আদি কাম্য। আজি দেশৰ দুৰ্দ্দিনত দানৱ শত্ৰুৰ আস্ফালন চূৰ্ণ কৰিবলৈ আটাইতকৈ অধিক আৱশ্যক শক্তিৰূপিনী দশভূজাৰ আশীৰ্ব্বাদ।

শাস্ত্ৰ মতে যুদ্ধ জয়ৰ বাবে লগা মন্ত্ৰশক্তি, প্ৰভূশক্তি আৰু উৎসাহ শক্তি,'— অৰ্থাৎ বৃদ্ধি, সৈন্য-অৰ্থবল আৰু বিক্ৰম এই তিনিওটা শক্তিৰ অধিষ্ঠাত্ৰী দুৰ্গাক প্ৰকৃত পূজা কৰা হ'ব যেতিয়া দেৱীৰ আশীৰ্ব্বাদত আমাৰ সামৰ্থেৰে এই সকলোবোৰ সম্পূৰ্ণভাৱে আমি আয়ত্ত কৰিব পাৰিম।

শত্ৰু-আক্ৰান্ত দেশমাতৃকাৰ সন্মান অক্ষুণ্ণ ৰখাৰ সংকল্পেৰে এইবেলি দেশবাসীয়ে আনন্দময়ীৰ আগমনত আনন্দতে আপোন পাহৰা হোৱা নাই। পৰৱ-উছৱ বুলিলে, দৈনন্দিন কড়া-ক্ৰান্তিৰ হিচাপ পাহৰি অলপ অনিয়মীয়া, অলপ খৰচী হোৱাটো অস্বাভাৱিক নহয়। কিন্তু এইবেলি যেতিয়াই আমাৰ মনত পৰে যে আমাৰ সীমান্তত হেজাৰ হেজাৰ জোৱানে প্ৰতি মুহূৰ্তে দেশৰ অখণ্ডতাৰ বাবে বিনিদ্ৰ নিশা কটাবলৈ ধৰিছে, যেতিয়াই আমাৰ মনত পৰে যে এইবেলি পূজাত বহুতৰ ঘৰৰ ল'ৰা মাক-দেউতাক, ল'ৰা-ছোৱালী, পত্নী-সহোদৰৰ ওচৰলৈ উলটি নাহিল— কিছুমান কোনোদিনে নাহিবও;— তেতিয়াই আপোনা-আপুনি অপব্যয়-অপচয়ৰ পৰা মন কোঁচ খাই আহে।

এনে পৰিপ্ৰেক্ষিতত সাৰ্বজনীন পূজা সমিতিবোৰে যাত্ৰা-থিয়েটাৰ, আলোক-সজ্জা, মাইক আদিৰ খৰচ ৰাহি কৰি দেশৰ প্ৰতিৰক্ষা পুঁজিলৈ আগবঢ়ালেহে আমাৰ দেশমাতৃকাৰ প্ৰতীক দশভূজাৰ প্ৰকৃত পূজা কৰা হ'ব। কাৰণ সেই বৰঙণিয়ে আমাৰ 'প্ৰভু শক্তি' অৰ্থাৎ অৰ্থ আৰু সৈন্যবল বঢ়োৱাত সহায় কৰিব।

অলপতে হৈ যোৱা সংঘৰ্ষত আমাৰ যথেষ্ট পৰিমাণৰ অস্ত্ৰ-সামগ্ৰী, বিমান-টেঙ্ক আদি নষ্ট হৈছে।

শত্ৰুপক্ষৰ ক্ষয়-ক্ষতি আমাতকৈ বহু বেছি হ'লেও, তেওঁলোকে ইতিমধ্যে তুৰস্ক, চীন আদি দেশৰপৰা আকৌ অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰিবলৈ ধৰাৰ বাতৰি পোৱা গৈছে। শত্ৰুপক্ষৰ দৰে আমি কোনো ৰাষ্ট্ৰ বা শক্তি গোষ্ঠীৰ বহতীয়া হ'ব নোখোজাৰ কাৰণে আমাক শ'লঠেকত পেলাবলৈ বন্ধুৰ মুখা পিন্ধা দুই এক ৰাষ্ট্ৰয়ো আমাক অস্ত্ৰৰ যোগান নধৰিব পাৰে। গতিকে আমি নিজৰ দেশতে সমৰ শক্তি গঢ়ি তুলিব লাগিব, ব্যৱসায়ী দেশৰ পৰা অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিব লাগিব আৰু হয়তো অচিৰতে আণৱিক অস্ত্ৰ প্ৰস্তুতৰ কথাও ভাবিব লাগিব পাৰে। তাৰ বাবে লাগে প্ৰচুৰ পৰিমাণৰ অৰ্থ। এনে অৱস্থাত আমি ৰাষ্ট্ৰৰ বাবে আগবঢ়োৱা প্ৰতিটো পইচাই দেশৰ শক্তি বঢ়োৱাত সহায় কৰিব। তেনে উপায়েৰেহে আমি শক্তিৰ সাধনা কৰিব পাৰিম।

শক্তি উপাসনাৰ লগতে শক্তিৰ সাধনা আৱশ্যক। সেয়ে আজি শক্তি-ৰূপিনীক অঞ্জলি আগবঢ়োৱাৰ লগতে প্ৰতিজন দেশবাসীয়ে ঐক্য, সংহতি আৰু সাহসেৰে ৰাষ্ট্ৰীয় শক্তি-সাধনাৰ প্ৰতিজ্ঞা গ্ৰহণ কৰা উচিত হ'ব। যুদ্ধ জয়ৰ কাৰণে এদিন ৰামচন্দ্ৰই অকাল বোধন কৰি দেৱীৰ চৰণত নীলোৎপলৰ সলনি নিজৰ চকুকে অৰ্পণ কৰিবলৈ ওলাইছিল। আজিও দেশ মাতৃকাৰূপী দশভূজাৰ চৰণ তলত ধন-জন-জীৱন বলি দিবলৈ ভাৰতবাসী দৃঢ়-সঙ্কল্প হৈছে।

আজি শেৱালি ফুলা শৰতৰ পুৱা মহাষ্টমীৰ পবিত্ৰ দিনা দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাইছো যে ৰাষ্ট্ৰৰ সন্মান অক্ষুণ্ণ ৰাখিবলৈ গৈ নিহত হোৱাসকলৰ আত্মাই শান্তি পাওক, আহতসকলে সোনকালে আৰোগ্য লাভ কৰক, সীমান্তত ব্যস্তসকলৰ বাহু আৰু শক্তিশালী হওক, আৰু সকলো ভাৰতবাসীৰ হৃদয়তে দেশৰ কাৰণে সকলো ত্যাগ কৰিবলৈ সাহস হওক।

আমাৰ প্ৰাৰ্থনা 'ৰূপং দেহি, জয়ং দেহি, যশোদেহি, দ্বিযোজহি দেহি সৌভাগ্যমাৰোগ্যং বিধেহি ফলমুচ্চকৈ।"

— আমাক ৰূপ দিয়া, অন্ন দিয়া, যশ দিয়া, শত্ৰুক্ষয় কৰা, সৌভাগ্য দিয়া, ৰোগহীনতা দিয়া আৰু দেহ-মনত অসীম বল দিয়া।

সোমবাৰ, ৪ অক্টোবৰ, ১৯৬৫ চন

# জন্ম জয়ন্তী

শ্ৰীশঙ্কৰদেৱে হেনো এবাৰ ৰচনা এফাকি সলনি কৰিবলৈ প্ৰধান শিষ্যবৰ্গৰ লগত আলোচনা কৰিছিল, আৰু নিজে সুপণ্ডিত হোৱা সত্বেও শিষ্যৰ পৰামৰ্শ এটি গ্ৰহণ কৰিছিল। এইটো তেওঁৰ উদাৰতাৰ চিন; সকলো শ্ৰেণীৰ মানুহক তেওঁ তেওঁৰ ধৰ্ম মতত সামৰি লোৱাটোও যেনেকৈ তেওঁৰ উদাৰতাৰে চিন। আনহাতে, নিয়ম উলংঘা কৰা বাবে হেনো এবাৰ তেওঁ এজন শিষ্যক নিৰ্মমভাৱে পৰিত্যাগ কৰিছিল। এইটো আকৌ তেওঁৰ নৈতিক কঠোৰতাৰ এটা দৃষ্টান্ত।

এই দুটা সংমিশ্ৰণ ভাৰতীয় ঐতিহ্যৰ সৈতে সঙ্গতিপূৰ্ণ। তাক আজি বিংশ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধতো ভাৰতে অনুসৰণ কৰিছে। আমাৰ উদাৰতা জনাজাত, কিন্তু সি যে দুৰ্বলতা নহয় সেইটো মাজে-সময়ে প্ৰমাণ কৰিবলগীয়া হয়। সম্প্ৰতি পাকিস্থানৰ সৈতে লাগি থকা আমাৰ বিবাদতো এই কথাই প্ৰতীয়মান হৈছে।

ৰাষ্ট্ৰপতিয়ে ক'বৰ দৰে, পাকিস্থানৰ জনসাধাৰণৰ প্ৰতি আমাৰ কোনো কুষাবি নাই, নীতিৰ বাবেহে আমাৰ সংগ্ৰাম; আৰু প্ৰধানমন্ত্ৰীয়ে ক'বৰ দৰে, অস্ত্ৰৰ উত্তৰ আমি অস্ত্ৰেৰেই দিব লাগিব। কোমলতা-কঠোৰতাৰ এই সমন্বয়ৰ কথা, ৰাষ্ট্ৰৰ সংকট আৰু গুৰুজয়ন্তী একেলগে পৰাত, আজি আমাৰ বিশেষকৈ উপলব্ধি হৈছে।

শক্তি পূজাৰ লগে লগে বৈষ্ণৱ গুৰুৰ প্ৰতি হোৱা আগ্ৰহৰ আতিশয্যও সঙ্গতিপূৰ্ণ। সহ-অৱস্থানৰ ই যেন এক উজ্জ্বল দৃষ্টান্তহে। মহাপুৰুষীয়া উদাৰতাত অন্য ধৰ্ম উৎখাটৰ প্ৰশ্ন নাই। মাত্ৰ আমি ভাবোতে, শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ পালনত কেৱল ধৰ্মৰ সংস্কাৰকে ডাঙৰ কৰি দেখুওৱা হোৱা নাই; অসমৰ জাতীয় জীৱনত তেওঁৰ সৰ্বাঙ্গীন সাংস্কৃতিক অৱদানৰ কথাও স্মৰণ কৰা হৈছে। তাৰে ভিতৰত ধৰি আজিৰ পটভূমিত কোমলতা-কঠোৰতাৰ সমন্বয় ৰক্ষাৰ শিক্ষাই আমালৈ মহাপুৰুষৰ মুখ্য প্ৰেৰণা হোৱা উচিত— এই সত্য আমাৰ বাবে উপলব্ধি হৈছে।

## ইণ্ডোনেছিয়াৰ নাটক

ইণ্ডোনেছিয়াত চৰকাৰ ওফৰাবলৈ চেষ্টা চলাটো নতুন কথা নহয়। প্ৰেছিডেণ্ট সুকৰ্ণৰ জীৱন নাশ কৰিবলৈ চেষ্টা চলোৱাটোও নতুন কথা নহয়; তেওঁৰ বাসভৱনত বোমা পেলোৱাৰ চেষ্টাকে ধৰি বিবিধ চেষ্টা চলি আহিছে। সহজ সংযোগৰ থল নথকা বিক্ষিপ্ত দ্বীপবোৰৰ মাজত সংহতি স্থাপন কৰাটোৱেই ডাঙৰ কথা। বিভিন্ন অঞ্চলত থকা আঞ্চলিক প্ৰভুত্বই দেশখনৰ ৰাজনীতিৰ গতিধাৰা নিৰ্ণয় কৰি আহিছে। পৰস্পৰ বিৰোধী দল-উপদলবোৰৰ আপোচৰ পৰিণতি স্বৰূপেই বৰ্তমান চৰকাৰ প্ৰতিষ্ঠিত হৈছে। ইয়াত গণতন্ত্ৰ নাই— পৰিচালিত গণতন্ত্ৰৰ নামত শক্তিৰ শাসন চলিছে। পিচে সেই শক্তিও নিভাঁজ নহয়— মিশ্ৰিত। ৰাজনৈতিক দাম-দৰৰ যোগেদি কমিউনিষ্ট দল, সামৰিক নেতাৰ গোষ্ঠী আৰু সাম্প্ৰদায়িক মুছলমান দল এটাক লৈ গঠিত চৰকাৰৰ মূৰব্বী হৈছে ডঃ সুকৰ্ণ। তেওঁ শিখণ্ডী হিচাপে আছে— তেওঁ থাকিলে তেওঁৰ গাতে ভেজা দি প্ৰতিটো দলে পৰিপুষ্টি লাভ কৰিব পাৰে। তেওঁ নেথাকিলে খোৱা-কামোৰা বাঢ়িব আৰু পৰিপুষ্টি লাভ কৰাৰ সময় প্ৰতিটো দলে হেৰুৱাব লাগিব। সেই দেখি এই অৱস্থিতিৰ সুযোগ লৈ ডঃ সুকৰ্ণয়ো এবাৰ ইলুটি আৰু এবাৰ সিলুটি মাৰি ভাৰসাম্য ৰাখিবলৈ চেষ্টা কৰি আহিছে।

ডঃ সুকৰ্ণই গণতান্ত্ৰিক ব্যৱস্থা মষিমূৰ কৰা আৰু ডঃ হাট্টা প্ৰমুখ্যে নেতৃবৰ্গক একাষৰীয়া কৰি অভিযানৰ আদিতে সামৰিক গোষ্ঠীৰ সৈতে হাত মিলালে। তাৰ পিচত তেওঁ কমিউনিষ্ট দলৰ লগত মিতিৰালি পাতিলে। ইণ্ডোনেছিয়াত কমিউনিষ্ট পাৰ্টি (পি-কে-আই) যথেষ্ট শক্তিশালী। সুযোগ বুজি এইটো দলে ডঃ সুকৰ্ণক সুদৃঢ় ভাৱে সমৰ্থন দিলে আৰু তেওঁৰ পৰা আদায় কৰিবলগীয়া সকলোখিনিয়েই আদায় কৰি ল'লে। পি-কে-আই দল চীনা কমিউনিষ্ট পাৰ্টীৰ সমৰ্থক হোৱা হেতুকে ইণ্ডোনেছিয়াৰ চৰকাৰী নীতিও চীনৰ সাঁচত গঢ় দিয়া হ'ল। আনকি সামৰিক গোষ্ঠীৰ শক্তি খৰ্ব কৰাৰ প্ৰচেষ্টাও তলগুজীয়াভাৱে চলিল। সামৰিক গোষ্ঠীয়ে প্ৰমাদ গণিলে। ফলত দলা-দলি বাঢ়ি গ'ল। ইপিনে প্ৰেছিডেণ্ট সুকৰ্ণৰ স্বাস্থ্যৰ যিমানে অৱনতি ঘটিল ভৱিষ্যতৰ কতৃত্ব সম্পৰ্কে চিন্তা-ভাৱনাও সিমানে বাঢ়িল।

এনে এটা অৱস্থাৰ দোমোজাতে ডঃ সুকৰ্ণৰ হাতৰ পৰা চৰকাৰ হস্তান্তৰ কৰাৰ শেহতীয়া অভিযান চলিছিল। এই অভিযানে এটা নতুন কথা দাঙি ধৰিলে। সেইটো হ'ল— ইণ্ডোনেছিয়াৰ কমিউনিষ্ট দলৰ স্বৰূপ প্ৰকাশ। ডঃ সুকৰ্ণক শিখণ্ডী স্বৰূপেহে ৰাখি তেওঁলোকে সেই কথা ইমান প্ৰকাশ্যভাৱে কাৰ্য্যৰ যোগেদি দেখুৱাই দিয়াটো এইবাৰেই প্ৰথম। এটা বাতৰিত প্ৰকাশ যে চীনা চিকিৎসক এজনে ডাঃ সুকৰ্ণৰ স্বাস্থ্য পৰীক্ষা কৰি যি প্ৰতিবেদন দিছিল তাৰ পিচ মুহূৰ্ত্ততে জাকাৰ্টাত ইণ্ডোনেছিয়াৰ কমিউনিষ্ট পাৰ্টীৰ কেন্দ্ৰীয় কমিটীৰ গোপন বৈঠক বহে। এয়া হ'ল জাকাৰ্জাত নাটকীয়ভাৱে ঘটা ঘটনাৰ আগমুহূৰ্তৰ কথা। নিশ্চয় এই বৈঠকতে ডঃ সুকৰ্ণক ওফৰাই সময় থাকোতেই সামৰিক গোষ্ঠীৰ পৰা চৰকাৰ নিজৰ হাতলৈ নিবলৈ ঠিক কৰা হৈছিল. এই ঘটনাই ডঃ সুকৰ্ণক শিক্ষা দিয়াৰ সময় আছে নে নাই সেইটো ক'ব নোৱাৰি। কিন্তু সকলোৱে স্বীকাৰ কৰিবই লাগিব যে তেওঁৰ নীতিয়ে শেষত 'বুমেৰাং' হৈ তেওঁক প্ৰমাদ গণালে।

<u>সোমবাৰ, ১১ অক্টোবৰ, ১৯৬৫ চন</u>

# জৰুৰী পৰিকল্পনা

কলিকতাত কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীটি-টি কৃষ্ণমাচাৰী পৰিকল্পনা আয়োগৰ উপসভাপতি শ্ৰীঅশোক মেহতা আৰু পূব ভাৰতৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত এবছৰীয়া জৰুৰী পৰিকল্পনাখিনিৰ বিষয়ে এটা থুলমূল ধাৰণা কৰি ল'ব পৰা হৈছে। আত্মনিৰ্ভৰশীলতাই এই পৰিকল্পনাৰ মূল কথা আৰু ইয়াত প্ৰতিৰক্ষামূলক উৎপাদন আৰু খাদ্য উৎপাদন— এই দুটা বিষয়ৰ ওপৰতে সৰ্বধিক গুৰুত্ব দিয়া হ'ব। এমাহৰ ভিতৰতে এই জৰুৰী পৰিকল্পনাৰ খচৰা যুগুত কৰা হ'ব বুলিও কোৱা হৈছে।

এইটো এটা ডাঙৰ প্ৰত্যাহ্বান। কেনে ধৰণৰ পৰিস্থিতিয়ে এনে কৰ্মপন্থা ল'বলৈ আমাক বাধ্য কৰিলে সেই বিষয়ে এতিয়া নতুনকৈ আলোচনা কৰাৰ প্ৰয়োজন নাই। এতিয়া আমাৰ ঘাই কথা হ'ল— এই পৰিকল্পনাৰ গুৰু ভাৰ ল'বলৈ প্ৰস্তুত হোৱা। সেয়ে অৱশ্যে মৌখিক প্ৰস্তুতি হ'লে নহ'ব— তাৰ বাবে নতুন কৰ্তব্যনিষ্ঠা আৰু নতুন সচেতনতাৰ প্ৰয়োজন। এই ক্ষেত্ৰত সম্প্ৰতি থকা দৈন্য দূৰ হোৱাটোকে আমি বিচাৰো। তিনিখনকৈ পাচ বছৰীয়া পৰিকল্পনা শেষ হ'বৰ হ'ল— তথাপি আমি ইপ্সিত ফল পোৱা নাই। ইয়াৰ ঘাই কাৰণ হ'ল— আন্তৰিকতাৰ অভাৱ। চৰকাৰ, চাকৰিয়াল সমন্বিতে সমুদায় চৰকাৰী প্ৰশাসন যন্ত্ৰ, বেচৰকাৰী উদ্যম আৰু সৰ্বসাধাৰণ— সকলোৰে ক্ষেত্ৰত এই অভাৱ পৰিলক্ষিত হৈছে। বৰ্তমান সংকটে আমাৰ সেই অভাৱ দূৰ কৰিব পাৰিব লাগিব। আমাৰ দুখ লগা পৰনিৰ্ভৰশীলতা আৰু বন্ধুৰ মুখা পিন্ধা বৰমূৰীয়া শক্তি কেতবোৰে সাহায্যৰ নামত আমাৰ ওপৰত প্ৰভূত্ব খটুওৱাৰ বাবে চলোৱা প্ৰচেষ্টাই আজি আমাক বিশ্বৰ আগত হাঁহিয়াতৰ পাত্ৰ কৰিছে। সেই কলংক আমি মোচন কৰিব লাগিব। প্ৰতিবেসী শত্ৰুৰ সমুখতো আমি তেতিয়া অধিক দৃঢ়তা লৈ থিয় দিব পাৰিম।

সেইদেখি আমি এতিয়া এবছৰীয়া জৰুৰী পৰিকল্পনাৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তুলিব লাগিব। প্ৰতিৰক্ষামূলক উৎপাদনৰ ক্ষেত্ৰত আৱশ্যক অনুসৰি আমি অৰ্থনৈতিক নীতিৰ আমূল পৰিৱৰ্তন ঘটাবলৈকো

প্ৰস্তুত থাকিব লাগিব। প্ৰতিৰক্ষামূলক উৎপাদন গণ্ডীৰ ভিতৰত অকল সামৰিক অস্ত্ৰ-শস্ত্ৰৰ উৎপাদনেই নাই— প্ৰতিৰক্ষা প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা উদ্যোগ আদিৰ সকলো বিষয়কে ইয়াৰ ভিতৰত সামৰি ল'ব লাগিব। বিদেশী সামগ্ৰীৰ আমদানিৰ ভিত্তিত উদ্যোগ গঢ়ি তুলিয়েই আমি আত্মতৃপ্তি লাভ কৰিলে নহ'ব। এই ক্ষেত্ৰতো স্বয়ং সম্পূৰ্ণ হোৱাৰ প্ৰচেষ্টা লাগে। যিবোৰ সামগ্ৰী বিদেশৰ পৰা নানিলে নহয়, তাৰ বিকল্প উদ্ভাৱন কৰিব লাগিব। এই ক্ষেত্ৰত বৈজ্ঞানিকক মুকলিমূৰীয়াভাৱে চিন্তা কৰিবলৈ সুযোগ দিলে নিশ্চয় সুফল পোৱা যাব। জাৰ্মানীত মহাসমৰৰ মাজতো বৈজ্ঞানিকে নাইট্ৰিক এচিডৰ অভাৱ মোচন কৰিবলৈ বায়ুমণ্ডলৰ যৱক্ষাৰযানৰ সহায়ত এই এচিড তৈয়াৰ কৰাৰ উপায় উদ্ভাৱন কৰিব পাৰিছিল। আমাৰ বৈজ্ঞানিকেও আজি তেনে তৎপৰতাৰে তেওঁলোকৰ অৱদান যোগাব পাৰিব লাগিব। অৱশ্যে তাৰ বাবে উপযুক্ত পৰিৱেশ লাগিব। তেনে পৰিৱেশ নথকা বাবেই আজি ভাৰতীয় বৈজ্ঞানিকে বিদেশত গৱেষণা কৰাৰ বাবেহে আগ্ৰহ দেখুৱায়। আমোলাতান্ত্ৰিক নিকপ্‌কপীয়া গতানুগতিক গতকে ঢাল স্বৰূপে লৈ বা অফিচৰ ফাইল লুটিয়াই বৈজ্ঞানিকে এই চাহিদা পূৰাব নোৱাৰিব। 'অডিট'ৰ তৰোৱাল মূৰৰ ওপৰত লৈ পদে পদে অনুমোদনৰ ডেওনা সৰকি যাওঁতেই বহুতো বৈজ্ঞানিক ক্লান্ত হ'ব লাগে। আনকি হলডেনৰ নিচিনা প্ৰখ্যাত বৈজ্ঞানিককো আমাৰ এই গতানুগতিকতাই হাত-ভৰি বান্ধি থৈছিল। পশ্চিমবঙ্গতো অপূৰ্ব সাফল্য দেখুওৱা এজন ভাৰতীয় বৈজ্ঞানিকে তেওঁৰ আবিষ্কাৰৰ বাবে জয়মাল্য নেপালে— আমোলাতন্ত্ৰৰ গতানুগতিকতাৰ সীমা গচকা বুলি সাময়িক বৰ্খাস্তৰ হুকুমহে পাবলগীয়া হ'ল।

এই অব্যৱস্থা দূৰ কৰিব লাগিব। সম্প্ৰতি বিদেশী সাহায্য লৈ গঢ়ি তোলা বহুতো উদ্যোগৰ ক্ষেত্ৰত দেখা গৈছে, এনে চৰ্তত সেই সাহায্য হৈছে যে সাহায্য দিয়া দেশবোৰৰ পৰা উদ্যোগৰ আহিলা-পাতি নানিলে আমাৰ নচলে। ইয়াৰ ফলত আমাৰ দেশত আন দেশে নিগাজী বজাৰ এখন পাতি লোৱাৰ সুৰুঙা উলিয়াব পাৰে। এই ক্ষেত্ৰতো আমাৰ বৈজ্ঞানিক আৰু কাৰিকৰী লোকসকলে প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ সুযোগ পাব লাগে। সামৰিক অস্ত্ৰ-শস্ত্ৰৰ উৎপাদনৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। আমাৰ বৈজ্ঞানিক আৰু কাৰিকৰী লোকে ইতিমধ্যে সামৰিক আহিলা-পাতিৰ নিৰ্মাণ কাৰ্য্যত সম্পূৰ্ণ সফলতা লাভ কৰিছে। এনে লোকসকলক আৰ্থিক সুযোগ দিয়াটো প্ৰয়োজনীয়। লগতে কোনোবা শক্তি বিতুষ্ট হ'ব পাৰে বুলি চিন্তা কৰি আমি সামৰিক শক্তি গঢ়ি তোলাৰ বাবে কোনো চেষ্টাৰ পৰাই বিৰত থাকিব নেলাগিব।

খাদ্য উৎপাদনৰ ক্ষেত্ৰত আমি আমাৰ পৰিকল্পনাৰ ওপৰতে ঘাইকৈ দোষ দিব লাগিব। আমাৰ পৰিকল্পনাৰ স্থিৰতাও নাই আৰু বৈজ্ঞানিক দৃষ্টিকোণো নাই। খাদ্য সম্পৰ্কীয় পৰিসংখ্যা আমাৰ বিশ্বাসৰো ভেটি নহয় আৰু বৈজ্ঞানিক প্ৰচেষ্টাৰো আদাৰ নহয়। ই মাত্ৰ প্ৰচাৰৰ সম্বল। তাতকৈ সুকীয়া মৰ্য্যাদা ই এতিয়াও পোৱা নাই। সেইদেখি আমাৰ সমস্যাৰো অন্ত নাই। ফলত অগতিৰ গতি হিচাপে বিদেশৰপৰা আমদানি কৰাটোৱেই একমাত্ৰ পথ হিচাপে ওলাই আছে। এই দুৰৱস্থাৰ অৱসান ঘটাবলৈ হ'লে আমি আন্তৰিকতা দেখুৱাব লাগিব। উৎপাদন, চাহিদা, পৰিকল্পনাৰ সফলতা— এইবোৰ বিষয়ৰ নিৰ্ভেজাল তথ্যৰ ভেটিত আঁচনি যুগুত কৰিব লাগিব। সেইদেখি খাদ্য সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰাৰ প্ৰণালীবদ্ধ আৰু বৈজ্ঞানিক

ব্যৱস্থা এটা লাগিব। খাদ্য উৎপাদনৰ বাবে অকল প্ৰশাসনীয় হৈ-চৈয়েই যথেষ্ট নহয়। খেতিয়কসকলৰ একাত্ম সহযোগিতাৰ বিশেষ প্ৰয়োজন। তাকে পাবলৈ হ'লে তেওঁলোকৰ মাটিৰ সমস্যাকে ধৰি বিভিন্ন সমস্যা তৎপৰতাৰে সমাধান কৰাটো প্ৰয়োজনীয়। বৈজ্ঞানিক কৃষি প্ৰণালী অকল কৃষি বিষয়ক গৱেষণা প্ৰতিষ্ঠানৰে বিলাসী উদ্যম হৈ থাকিলে নহ'ব— ই গাৱঁত পোখাব লাগিব। আন্তঃৰাষ্ট্ৰীয় চাউল সম্পৰ্কীয় গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ শ্ৰীৰবাৰ্ট এফ চেণ্ডলাৰে ভাৰতত ভ্ৰমণ কৰি কৈছে যে ভাৰতত যদি উন্নত বিধান-সাৰ আৰু কীটনাশক ঔষধ উচিতভাৱে ব্যৱহাৰ কৰা হয়, তেন্তে অকল তাকে কৰিয়েই প্ৰতি হেক্টৰত ৫ হেজাৰ কিলোগ্ৰাম চাউল উৎপন্ন কৰিব পৰা হ'ব (এতিয়াৰ পৰিমাণ হ'ল প্ৰতি হেক্টৰত ১,৩০০ কিলোগ্ৰাম)। এই পৰামৰ্শ কাৰ্য্যকৰী কৰিব পৰা সামৰ্থ্য আমাৰ নিশ্চয় আছে— নাই মাত্ৰ বৈজ্ঞানিক উদ্যম আৰু সচেতন কৰ্মব্যৱস্থা। আমাৰ দেশৰ শতকৰা কুৰি ভাগ খাদ্যশস্য নষ্ট হয় পোক-পৰুৱা-এন্দুৰ আদিৰ বাবে আৰু জেকা ঠাইত খাদ্যশস্য সংৰক্ষিত কৰি ৰখাৰ বাবে। এইবোৰ সুৰুঙা যদি মাৰিব পৰা হয়, তেতিয়া হ'লে খাদ্য আমদানিৰ দুৰ্বহ বোজাও বহন কৰিবলগীয়া নহ'ব। অৱশ্যে উৎপাদন আৰু সংৰক্ষণৰ এনে অভিযানৰ লগতে শোষণৰ থল এটাও নোহোৱা কৰিব লাগিব। কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি এভাগ লোকে শোষণৰ যিখন জাল পাতিছে, সেই জাল ফালিব পাৰিলে আমাৰ খাদ্য সমস্যাৰ প্ৰকৃত ৰূপটো জানিবৰো তেতিয়া সুবিধা হ'ব।

মঙ্গলবাৰ, ১২ অক্টোবৰ, ১৯৬৫

## কপালৰ ঘাম

জাতিৰ উদ্দেশ্যে দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে, — 'জোৱানসকলে তেজ দিছে, দেশৰ কাৰণে জীৱন আগবঢ়াইছে। মই বিচাৰিছো কৃষকসকলৰ শ্ৰম আৰু কপালৰ ঘাম।'

কপালৰ ঘাম ভাৰতীয় কৃষকে যুগ যুগ ধৰি পেলাই আহিছে সঁচা। তেওঁলোকৰ শ্ৰম আৰু ত্যাগৰ মূল্য দেশে অস্বীকাৰ নকৰে। আনহাতে কল্যাণকামী স্বাধীন ৰাষ্ট্ৰ এখনত তেওঁলোকৰ শ্ৰম লাঘৱ কৰিবলৈ, তেওঁলোকক সাৰ-বিধান-যান্ত্ৰিক সুবিধা আদিৰ যোগান ধৰিবলৈ আৰু তেওঁলোকৰ সুখ-স্বাচ্ছন্দ্য বঢ়াবলৈ যত্ন কৰি অহাও হৈছে। মন্থৰ হ'লেও এনে ধৰণৰ শান্তিপূৰ্ণ অগ্ৰগতিৰে গণতান্ত্ৰিক ভাৰতক সেয়ে দুই এক ৰাষ্ট্ৰই ঈৰ্ষাৰ চকুৰে নোচোৱাও নহয়।

কিন্তু আজি সেই মন্থৰ গতিৰ প্ৰগতিৰ পথত অন্তৰায়ৰ সৃষ্টি কৰিছে আমাৰ প্ৰতিবেশী দুখন ৰাষ্ট্ৰই। বাষষ্ঠি চনৰেপৰা আমি আমাৰ প্ৰতিৰক্ষা ব্যৱস্থালৈ অধিক চকু দিবলগীয়াত পৰিছো। চীনৰ আক্ৰমণে আমাক সজাগ কৰি তুলিলে যে প্ৰতিৰক্ষাৰ প্ৰস্তুতি নেথাকিলে অকল সহজ সৰল বিশ্বাসেৰে সাপৰ মাজত বাস কৰিব নোৱাৰি। অৱশ্যে সেই প্ৰস্তুতিৰ বাবে আমাৰ দেশে আৰু ৰাইজে কিছু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। কিন্তু এইবেলি তাতোকৈ অধিক ত্যাগ দেশে বিচাৰিছে কাৰণ এতিয়া অকল চীনেই নহয় আমাৰ একেখন দেশৰেপৰা কৃত্ৰিম বিভাজনত বিচ্ছিন্ন হৈযোৱা পাকিস্থানৰ বৰ্ণলিপ্সু শাসকসকলেও আমাৰ ৰাষ্ট্ৰীয় সংহতি আৰু অখণ্ডতা বিপন্ন কৰি তুলিছে।

তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এইবেলি আন্তৰ্জাতিক ক্ষেত্ৰত যি শক্তিশালী ৰাষ্ট্ৰসমূহক আমি ন্যায়পৰায়ণ আৰু শান্তিকামী বুলি ভাবি আহিছিলোঁ, তাৰে দুই একে আমাক শলঠেকত পেলাই কিছুমান ৰাজনৈতিক আৰু অৰ্থনৈতিক বান্ধোনত মেৰাই ল'বলৈ কূটনীতিৰ জাল পেলাইছে। ক্ষয়-ক্ষতি যিয়েই নহওক, বাষষ্ঠিৰ চীনা আক্ৰমণে যেনেকৈ আমাক সামৰিক শক্তি সংগ্ৰহৰ বাবে উদ্বুদ্ধ কৰিছিল, পয়ষষ্ঠিৰ পাকিস্থানী আক্ৰমণে তেনেদৰে আমাক প্ৰকৃত বন্ধুৰ পৰিচয় দিয়াৰ লগতে সন্মানেৰে জীয়াই থাকিবলৈ হ'লে যে ৰাষ্ট্ৰই সকলো বিষয়তে আত্মনিৰ্ভৰশীল হ'ব লাগিব সেই কথা বঢ়িয়াকৈ বুজাই দিলে।

আমাৰ প্ৰধানমন্ত্ৰীৰ দৃঢ়তাই জাতিক নিজৰ পথ বাছি লোৱাত সহায় কৰিছে। আজি জাতিৰ বাবে যি কোনো চৰম ত্যাগকে স্বীকাৰ কৰি ল'বলৈ ভাৰতবাসী সাজু হ'ব লাগিব। তেনে এটি সন্ধিক্ষণত আজিৰ ভাৰতবাসীয়ে ভাবীকালৰ উজ্জ্বল বিশ্ববিনন্দা ৰাষ্ট্ৰ এখন গঢ়ি তুলিবলৈ হ'লে আৰু বহু বেছি শ্ৰম কৰিব লাগিব।

পৰহি দেওবাৰে জাতিৰ উদ্দেশ্যে দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে আমাক খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাইছে। এই গুৰুদায়িত্বৰ বাবে তেওঁ খেতিয়কসকলক সকীয়াই দিছে যে অহা তিনি, চাৰি সপ্তাহৰ তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমে দেশক বৰ্ত্তমান সঙ্কতৰ পৰা হাত সাৰিবলৈ যথেষ্ট সহায় কৰিব। ৰবি শস্যৰ বতৰ আৰম্ভ হ'বৰ সময় পাইছে; এই সময়ত এচিকটা মাটিও যেন চন পৰি নেথাকে তাৰ বাবে ৰাষ্ট্ৰজুৰি এটি মানসিক প্ৰস্তুতি গঢ়ি তুলিব লাগিব।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে প্ৰতি ৰাজ্যৰ চৰকাৰলৈ নিৰ্দ্দেশ দিয়া হ'ব যাতে জিলা ভিত্তিত এনেদৰে দেশৰ প্ৰতি চপৰা মাটি সুফল শস্যশ্যামলা কৰি তোলাৰ দ্ৰুত ব্যৱস্থা লোৱা হয়। চৰকাৰৰ কৃষি বিভাগৰ তৰফৰপৰা বিধান, সাৰ, পানী যোগান আদিৰ বিষয়ে তৎপৰতাৰে সহযোগ আগবঢ়োৱা হ'ব। অৱশ্যে লগতে এইটোও কোৱা হৈছে যে সাৰৰ ক্ষেত্ৰত আমি গেৰোৱা সাৰৰ ওপৰত বেছি নিৰ্ভৰ কৰিব লাগিব। সাৰ আমদানি কৰি বৈদেশিক মুদ্ৰা ক্ষয় কৰাৰ সময় এয়া নহয়, ৰাষ্ট্ৰৰ কাৰখানাসমূহেও সাৰৰ চাহিদা পূৰাব নোৱাৰে, গতিকে গেৰোৱা সাৰৰ ব্যৱহাৰেৰে আমি ফচল বঢ়োৱাৰ চেষ্টা কৰিব লাগিব।

এইখিনিতে আমি এটা কথা ক'ব খোজো যে— "অধিক শস্য উৎপাদন কৰা"— এই আন্দোলন চৰকাৰে বহুদিন ধৰি চলাই আহিছে। কিন্তু বিভাগীয় কাকত-পত্ৰ, আঁচনি আদি অফিচৰ ৰঙা ফিটাৰ মাজত প্ৰায় নিষ্ক্ৰিয় হৈ থকা যেন অনুমান হয়। এইবাৰ যাতে জাতিৰ জীৱন-মৰণৰ সন্ধিক্ষণত তেনে কোনো বেমেজালি নহয় তালৈ চৰকাৰে চকু দিয়াটো উচিত হ'ব। কিন্তু অকল চৰকাৰে আইন কৰিলেইতো নহ'ব; আমাৰ চাকৰিয়ালসকলেও ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাত নিজস্ব বৰঙণি যোগোৱা বুলি নিষ্ঠাৰে এই আঁচনি কাৰ্য্যকৰী কৰাত সহযোগ কৰিব লাগিব। লগতে প্ৰতিজন কৃষকে আৰু প্ৰতিজন নাগৰিকে এই শ্ৰমৰ আহ্বানক, উৎপাদনৰ আহ্বানক যুদ্ধক্ষেত্ৰৰ শৃঙ্খলা আৰু ত্যাগৰ আদৰ্শেৰে গ্ৰহণ কৰিব লাগিব।

প্ৰধানমন্ত্ৰীয়ে খাদ্য সামগ্ৰী বিতৰণৰ সমতাৰ কথাও উল্লেখ কৰিছে। অকল খাদ্য সামগ্ৰী উৎপাদিত হ'লেই নহ'ব। সেই সামগ্ৰীৰে জাতিটোৰ ক্ষুধা নিবাৰণ কৰাব লাগিব— সমূহীয়াভাৱে। এইখিনিতে প্ৰশ্ন উঠে

বিতৰণৰ। আমি দেখি আহিছো কেতিয়াবা কেতিয়াবা কৃত্ৰিম অনাটনৰ সৃষ্টি কৰি এচাম অসৎ লোকে অধিক মুনাফা আহৰণ কৰে। নাইবা কেতিয়াবা বহুতো মাটি থকা কৃষক বা মহাজনে ভঁড়ালত শস্য জমাই থয়— অধিক দামত সুবিধা বুজি বেচিবলৈ।

বৰ্তমানৰ দেশৰ অৱস্থাই বিচাৰিছে যাতে প্ৰত্যেক কৃষকে বা শস্য আহৰণ কৰা লোকে নিজৰ লাগতিয়ালখিনিহে ৰাখে; বাকী সকলোখিনি চৰকাৰক সোধাই দিয়ে। উৎপাদন বৃদ্ধি কৰাৰ লগতে বিক্ৰী বৃদ্ধি কৰিবও লাগিব। যাতে কৃষকে উচিত মূল্য পায় তাৰ বাবে মূল্য বান্ধি দিয়া হৈছে বা হ'ব। কৃষি অঞ্চলৰ সমূহ ৰাইজে একমুঠ হৈ যাতে উচিত মূল্যত উচিত ঠাইত ৰাহি হৈ থকা সকলো শস্য গোট খায় তাৰ্লৈ চকু ৰাখিব লাগিব। শ্ৰীশাস্ত্ৰীয়ে কৈছে— "যদি সম্ভৱ হয় পৰ্য্যাপ্তভাৱে আমি আটায়ে খাম; আৰু যদি কম হয়, আমি আটায়ে নিজৰ নিজৰ ভাগৰ অলপ ত্যাগ কৰিম"। এইষাৰ অমূল্য বাণী ভাৰতীয় লোকে ব্যক্তিগত জীৱনত অতীজ কালৰে পৰা মানি আহিছে; আজি ৰাষ্ট্ৰীয় জীৱনত তাক প্ৰয়োগ কৰি আমি এহাতে যেনেকৈ মানৱতাৰ পৰিচয় দিম, আনহাতে তেনেকৈ আমাৰ ৰাষ্ট্ৰক আত্মনিৰ্ভৰশীল কৰিব পাৰিম।

প্ৰধানমন্ত্ৰীয়ে অধিক উৎপাদনৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে, আন এটি দিশলৈ টোৱাইছে। সেয়া হ'ল অপচয় নিৰাৰণ। অকল অপচয় নিবাৰণেই নহয় লগতে সাধাৰণ অৱস্থাত আমি খোৱা বা লোকক খুওৱা খাদ্য সামগ্ৰীৰপৰাও ৰাহি কৰাৰ সংকল্প আমি ল'ব লাগিব।

এয়া কৃচ্ছ্ৰ সাধন নহয়; সঙ্কটৰ অৱস্থাত সাময়িক ভাবে আত্ম নিয়ন্ত্ৰণহে। দ্বিতীয় মহাযুদ্ধৰ সময়ত অবৰুদ্ধ বৃটিছ ৰাইজে স্বেচ্ছাৰে খাদ্য সামগ্ৰী কমাই ব্যৱহাৰ কৰিছিল। আমিও তেনেদৰে খাদ্যৰ ক্ষেত্ৰত কঠোৰভাৱে সংযম অৱলম্বন কৰা উচিত হ'ব। এইকণ ত্যাগ ৰাষ্ট্ৰ এখনৰ ভৱিষ্যতৰ বাবে অতি নগণ্য। তদুপৰি এয়া সাময়িক ব্যৱস্থাহে । কাৰণ খাদ্যসামগ্ৰী কমাই আত্মনিৰ্ভৰশীল বুলি আমি আত্মপ্ৰৱঞ্চনা নকৰো; কিয়নো মৰ্য্যাদাসম্পন্ন ৰাষ্ট্ৰ এখনে প্ৰতিজন নাগৰিকক যথেষ্ট সুখাদ্য আৰু পৰিমিত খাদ্যৰ যোগান ধৰাটো এটা কৰ্ত্তব্যৰ ভিতৰতে ধৰে। কিন্তু তেনে এটা অৱস্থাৰ বাবে সদায় বিদেশৰ অনুগ্ৰহ বা ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰি, নিজৰ দেশতে যথেষ্ট পৰিমাণৰ খাদ্য সামগ্ৰী উৎপন্ন কৰিবলৈহে সাময়িকভাৱে আমি আনকি তথাকথিত কৃচ্ছ্ৰ সাধন কৰিবলৈও পৰাঙ্মুখ হ'ব নেলাগিব।

কিন্তু দুখৰ বিষয় যে আমাৰ একাংশ ৰাইজে আত্ম-সন্তুষ্টিতেই হওক বা বিপদৰ গভীৰতা উপলব্ধি কৰিব নোৱাৰিয়েই হওক বা অকামিলাৰ 'যদ্ভবিষ্য' আদৰ্শেৰে হওক— অপচয় বন্ধ কৰাৰ প্ৰতি নিষ্ঠাৰে সঁহাৰি দিয়া নাই। এতিয়াও বিয়া-উছৱ আদিত ভুৱা ভেম দেখুৱাই অনাহক খৰচ কৰে; এতিয়াও সাময়িক বাবেও বিলাস বা আমোদ-প্ৰমোদৰ কথা ভাবে। এনে মনোবৃত্তি আঁতৰাই আমি প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাব লাগিব।

যুদ্ধক্ষেত্ৰত প্ৰতিজন যুঁজাৰুক সক্ষম ৰাখিবলৈ দেশৰ অৰ্থনীতিত আউল নেলাগিবলৈ বৈদেশীক মুদ্ৰা ৰাহি কৰি অত্যাৱশ্যকীয় সা-সজুলি আৰু অস্ত্ৰ পাতিৰ আমদানি কৰিবলৈ মুঠতে ৰাষ্ট্ৰখনক ভিক্ষাৰ জোলোঙা নোলোৱাকৈ জীয়াই ৰাখিবলৈ প্ৰতিজন নাগৰিকে আজি নিজৰ নিজৰ কামত নিষ্ঠাৰে আৰু দক্ষতাৰে কৰ্ত্তব্য কৰি যাব লাগিব; প্ৰতিজন বনুৱাই কাৰখানাত, প্ৰতিজন কৃষকে পথাৰত কপালৰ ঘাম পেলাব লাগিব।

বুধবাৰ, ১৩ অক্টোবৰ, ১৯৬৫

# বিকল্প নৌপথ

পাকিস্থানে ভাৰতীয় জাহাজ জব্দ কৰি আমাৰ ওপৰত হেঁচা দিবলৈ যি পৰিকল্পিত প্ৰচেষ্টা হাতত লৈছে, সেই সম্পৰ্কত আমি গভীৰভাৱে চিন্তা কৰি প্ৰতিবিধানৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয়। পাকিস্থানে ভাৰতীয় জাহাজ জব্দ কৰাৰ উত্তৰ স্বৰূপে আমাৰ দেশেও ওলোটাই পাকিস্থানী জাহাজ জব্দ কৰিলেই এই সমস্যা— বিশেষকৈ অসমৰ সমস্যা দূৰ নহয়। অসমৰ এটা বিশেষ সমস্যা আছে। অসমৰপৰা পাকিস্থানৰ মাজেদি নৌপথেদি বাহিৰলৈ বয়-বস্তু পঠোৱা হয় আৰু বাহিৰৰ পৰাও নৌ পথেদি পাকিস্থানৰ মাজেদিয়েই বয়-বস্তু অসমলৈ আহে। ইয়াৰ সুযোগ পাকিস্থানে গ্ৰহণ কৰিছে আৰু যেতিয়াই সুযোগ পাইছে তেতিয়াই জাহাজ জব্দ কৰিছে। আনকি দুয়োখন দেশৰ মাজত বিশেষ একো গুৰুত্বপূৰ্ণ ঘটনা নঘটা অৱস্থাতো পাকিস্থানে ভাৰতীয় জাহাজক জুলুমত পেলাইছে আৰু তাৰ ফলতে সময়ে সময়ে বয়-বস্তুৰ নাটনি হৈছে আৰু দাম বাঢ়িছে।

সংকটৰ সময়ততো পাকিস্থানে পূৰ্ণ সুযোগ লয়। ১৯৬২ চনত চীনৰ আক্ৰমণৰ সময়ত পাকিস্থানৰ উদগনিতে জাহাজত ধৰ্মঘট হয় আৰু ফলত অসমলৈ আৰু অসমৰ পৰা বয়-বস্তুৰ চলাচল বন্ধ হৈ পৰে। এটা গুৰুত্বপূৰ্ণ সময়ত ইয়াৰ ফলত কি অৱস্থাৰ সৃষ্টি হ'ব পাৰে, সেই কথা ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। এইবাৰো ভাৰত আৰু পাকিস্থানৰ মাজত সংঘৰ্ষ লগাৰেপৰা পাকিস্থানে আগৰ বৃত্তিকে অৱলম্বন কৰে। ইতিমধ্যে অসম চৰকাৰে এই পৰিস্থিতি সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰক জনাইছে। প্ৰেছ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ বাতৰি মতে ৰাজ্যিক উদ্যোগমন্ত্ৰী শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে কয় যে পাকিস্থানে আগৰ বাৰ ৯ কোটি টকাৰ বয়-বস্তু আটক কৰি থৈছিল। শ্ৰীত্ৰিপাঠীৰ মতে এইবাৰ ২ কোটি টকাৰ বয়-বস্তু পাকিস্থানে আটক কৰে। কিন্তু আমি গুৱাহাটীত সংশ্লিষ্ট মহলৰ পৰা বাতৰি সংগ্ৰহ কৰি জানিব পাৰিছো যে এইবাৰ পাকিস্থানে জব্দ কৰা অকল চাহৰ মূল্যই ১ কোটি ৭৩ লাখ টকাৰো সৰহ হ'ব। দুয়োখন দেশৰ মাজত সংঘৰ্ষ লগাৰপৰা এতিয়ালৈকে পাকিস্থানে ১৫৯ খন জাহাজ, ফ্লেট আৰু বাৰ্জ আটক কৰিছে। অসমৰ পৰা পঠোৱা চাহ মৰাপাট আদি সামগ্ৰীৰ উপৰিও অসমলৈ অহা চিমেণ্ট, উদ্যোগৰ উপাদান, কাপোৰ, খাদ্য সামগ্ৰী, নিউজ প্ৰিণ্ট আৰু অন্যান্য দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰী আছে। এইবোৰৰ আনুমানিক মূল্য প্ৰায় ৬ কোটি টকা হ'ব। পূৰ্ণাঙ্গ বিৱৰণীৰ মূৰত হয়তো আটক কৰা সামগ্ৰীৰ মূল্য আৰু বেছি হ'ব।

ইয়াৰ ফলত কি অৱস্থাৰ সৃষ্টি হ'ব পাৰে সেইটো অনুমান কৰি ল'বলৈ টান নহয়। ৰাজ্যৰ উদ্যোগ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত বিভিন্ন সমস্যাই আত্ম প্ৰকাশ কৰিছে। বৰ্ত্তমান ৰাষ্ট্ৰীয় প্ৰস্তুতিৰ ক্ষেত্ৰত আমি এটা ওপৰঞ্চি বোজা গ্ৰহণ কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰৰ তৰফৰপৰা এই সম্পৰ্কত কেন্দ্ৰক জনোৱাৰ লগতে চীনা আক্ৰমণৰ সময়ত হাতত লোৱা বিশেষ ব্যৱস্থাৰ অনুৰূপ ব্যৱস্থা ল'বলৈ অনুৰোধ জনোৱা হৈছে। এই ক্ষেত্ৰত বেঙ্কৰ ঋণৰ ব্যৱস্থা আৰু বীমা-ব্যৱস্থা কৰা সম্পৰ্কে পৰামৰ্শ দিয়া হৈছে। জৰুৰী ব্যৱস্থাৰ জৰিয়তে

ৰাজ্যৰ সমস্যাৰ বোজা পাতলাবলৈ এইবোৰ কাৰ্য্যপন্থা হাতত লোৱাৰ উপৰিও মূল সমস্যা সমাধান কৰিবলৈ তৎপৰ হ'বলৈকো আমি চৰকাৰক অনুৰোধ জনাইছো। পাকিস্থানৰ মাজেদি যিমান দিনলৈ জাহাজ চলি থাকিব সিমান দিনলৈকে পাকিস্থানে আমাক জুলুম দি থাকিব। আমাৰ ৰেলপথৰ আৰু উন্নতি হলেও আমি সমস্যাৰ হাত সাৰিব নোৱাৰো। কিয়নো আপেক্ষিকভাৱে পৰিবহন ব্যয় কম হোৱা নৌ পথেদি বয়-বস্তু অনা-নিয়া কৰাৰ প্ৰয়াস চলিয়েই থাকিব লাগিব।

সেইদেখি পাকিস্থানৰ মাজেদি যাবলগীয়া নোহোৱা নৌ পথ এটা আমাক লাগে। গঙ্গা আৰু ব্ৰহ্মপুত্ৰৰ মাজত খাল খান্দি এই দুয়োখন নদীৰ মাজত সংযোগ স্থাপন কৰাটোৱেই এতিয়া একমাত্ৰ বিকল্প ব্যৱস্থা। এইটো কল্পনা-বিলাস নহয়; এনে এটা কথা একাধিকবাৰ উত্থাপিত হৈ আছে। কিন্তু ব্যয়ৰ পৰিমানে চৰকাৰক সংকুচিত কৰি ৰাখিছে। পিচে বৰ্ত্তমানৰ সমস্যাই ব্যয়ৰ পৰিমাণলৈ নেওচি এই আঁচনিৰ ওপৰত অগ্ৰাধিকাৰ দিবলৈহে আমাক সকীয়াই দিছে। এই ব্যয়ৰ ফলত সম্প্ৰতি আমাৰ ওপৰত দুৰ্বহ হেঁচা পৰিব সঁচা কিন্তু মূৰকত আমি সকলো পিনে লাভবান হ'ব পাৰিম। সেইদেখি অতি সোনকালে এই আঁচনি হাতত লৈ আমাৰ দেশে পাকিস্থানৰ প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। জলসিঞ্চন আদিৰো ব্যৱস্থা থকা বহুতো উদ্দেশ্য পূৰণ কৰিব পৰা ধৰণে এই খাল খন্দাৰ পৰামৰ্শও চৰকাৰে পাইছে।

<u>শনিবাৰ, ১৬ অক্টোবৰ, ১৯৬৫ চন</u>

## নগালেণ্ড

নগালেণ্ডৰ পৰিস্থিতি এতিয়া বিশেষ চিন্তাৰ বিষয় হৈ উঠিছে। এই সমস্যাৰ ক্ষেত্ৰত পাকিস্থানৰ যে হাত আছে, সেই প্ৰমাণ বহুত আগতেই পোৱা হৈছিল। পাকিস্থানে বিদ্ৰোহী নগাক অস্ত্ৰ-শস্ত্ৰ যোগাই আহিছে প্ৰশিক্ষণো দিছে। সেই বাবেই বিদ্ৰোহী নগা দলে চোৰাংভাৱে সীমান্ত সৰকি পূব পাকিস্থানলৈ অহা-যোৱা কৰি আছে। এতিয়া পাকিস্থানৰ পৰামৰ্শ আৰু হেঁচাতেই যে বিদ্ৰোহী নগা দলে অভিযান বন্ধ ৰখাৰ মিয়াদ মাত্ৰ এমাহলৈ বঢ়াই দিয়াৰ পোষকতা কৰিছে, সেইটো বুজিবলৈ টান নহয়। কেন্দ্ৰীয় চৰকাৰে তিনি মাহলৈ বঢ়াই দিয়াৰ পোষকতা কৰিছে, সেইটো বুজিবলৈ টান হয়। কেন্দ্ৰীয় চৰকাৰে তিনি মাহলৈ বঢ়াই দিয়াৰ বাবে ইচ্ছা প্ৰকাশ কৰা সত্বেও বিদ্ৰোহী নগা দলে মাত্ৰ এমাহলৈ অভিযান বন্ধ ৰখাৰ মিয়াদ বঢ়োৱাটো বিচাৰিলে। ইয়াৰ আন কাৰণ নাই— কাৰণ মাত্ৰ এটা ঃ পাকিস্থানে বৰ্তমান সময়ৰ সুযোগ ল'বলৈ বিদ্ৰোহী নগা দলক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। নগালেণ্ডত অশান্তি বঢ়াই আমাক আৰু এটা অঞ্চলত ব্যস্ত ৰখাটোকে বিচৰা হৈছে।

এই স্বৰূপ সুস্পষ্টভাৱে প্ৰকাশ পোৱাৰ পিচত কেন্দ্ৰীয় চৰকাৰেও নিজৰ কৰ্তব্য স্থিৰ কৰি ল'ব লাগিব। শান্তি স্থাপন কৰাৰ কৃত্ৰিম ইচ্ছা লৈ চৰকাৰে ইতিমধ্যে বহুতখিনি কৰিলে— আনকি নকৰিবলগীয়া কামো বহুত কৰিলে। কিন্তু যোগাত্মক ফল এটাও পোৱা নহ'ল। অভিযান বন্ধ ৰখাৰ বাবে চুক্তি কৰি চৰকাৰে সেই চুক্তি আখৰে আখৰে পালন কৰিলে। এই চুক্তি কৰাৰ উদ্দেশ্য আছিল শান্তি-আলোচনাৰ বাবে অনুকুল

পৰিৱেশ ৰচনা কৰা। কিন্তু এই কালছোৱাৰ ভিতৰত আমি দেখিলো কি? আলোচনা প্ৰকৃতপক্ষে এখোজো আগ নেবাঢ়িল। ইপিনে বিদ্ৰোহী নগা দলে নিজৰ শক্তি বঢ়াই লোৱাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে। অভিযান বন্ধ ৰখাৰ বাবে সম্পাদিত হোৱা চুক্তিৰ চৰ্ত উলংঘা কৰাৰো ডেধাৰ উদাহৰণ ওলাব। আনকি চৰ্ত অমান্য কৰি সেই ছোৱা সময়ৰ ভিতৰতো পূব পাকিস্থানলৈ অহা-যোৱা কৰি বিদ্ৰোহী নগা দলে বহুতো অস্ত্ৰ-শস্ত্ৰ আমদানি কৰাৰ বাতৰি ওলাইছে। সেহতীয়া বাতৰি মতে বিদ্ৰোহী দলে পূব পাকিস্থানৰ পৰা অনা আধুনক অস্ত্ৰ-শস্ত্ৰৰ সহায়ত নিজক সক্ষম কৰি ৰাখিছে। লগতে বাতৰি ওলাইছে যে বিদ্ৰোহী নগা দলে গোপন অনাতাঁৰ কেন্দ্ৰ এটাও চলাইছে আৰু তাত পাকিস্থানৰে গুণ-কীৰ্ত্তন চলিছে।

এই পটভূমিতে নতুন দিল্লীত এতিয়া উচ্চ পৰ্য্যায়ত নগালেণ্ড সম্পৰ্কে আলোচনা হ'ব। আমি আশাকৰো চৰকাৰে এইবাৰ শুদ্ধ ভাৱে নীতি সম্পৰ্কে বিশ্লেষণ কৰি চাব। তাকে কৰাত ইতিমধ্যে বহুত পলম হৈছে আৰু ইয়াৰ পৰা ল'ব পৰা সকলো সুযোগ বিদ্ৰোহী নগা দলে লৈছে। সময় থাকোতেই ব্যৱস্থা নল'লে পৰিস্থিতি সম্পূৰ্ণৰূপে আয়ত্তৰ বাহিৰ হৈ যাব। এতিয়া চৰকাৰ কঠোৰ হোৱাৰ সময়। সমস্যাৰ যদি কিবা সমাধান ওলায়, তেন্তে কঠোৰতাৰ মাজতে ওলাব। এতিয়াৰ নীতিয়েও ফল নিদিয়ে আৰু লণ্ডনলৈ গৈ ফিজোৰ কাষ চাপিলেও সমাধানৰ সূত্ৰ নোলায়। ফিজোক আনুষ্ঠানিকভাৱেই লগ ধৰা হওক বা অনানুষ্ঠানিকভাৱেই (তেনে বিকল্পৰো সম্ভাৱনা থকা বুলি বাতৰি ওলাইছে) লগ ধৰা হওক— তাৰ ফলত আমিহে ঘাটি খাব লাগিব। ইয়াৰ পৰিণতিয়ে ৰেভাৰেণ্ড মাইকেল স্কটক (ফিজোক লগ ধৰাৰ পৰিকল্পনা হেনো ৰেভাৰেণ্ড স্কটৰে মস্তিস্ক-প্ৰসূত) তৃপ্তি দিব পাৰে, কিন্তু আমাক নিদিয়ে।

## অভিসন্ধি

মাৰ্কিন যুক্তৰাজ্যই প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীক ৱাছিংটনলৈ মাতিছে বুলি দেখাত নিৰামিষ বাতৰি এটা ওলাইছে; কিন্তু আচলতে এই নিমন্ত্ৰণ অভিসন্ধিমূলক। চৰকাৰীভাৱে নিমন্ত্ৰণ আগবঢ়োৱা নাই যদিও কূটনৈতিক সূত্ৰৰ যোগেদি তাকে আগবঢ়াই পোনতে মন জুখি ল'বলৈ চেষ্টা কৰা হৈছে। অৱশ্যে সিফালে পাকিস্থানৰ প্ৰেছিডেণ্ট আয়ুব খাকো একে উদ্দেশ্যেৰে সন্মত কৰিবলৈ চেষ্টা কৰা হৈছে। লগতে আশা কৰা হৈছে যে প্ৰেছিডেণ্ট আয়ুব যদি মান্তি হয়, তেন্তে শ্ৰীশাস্ত্ৰীও মান্তি হ'বলগীয়া হ'ব। আমাৰ কথা হ'ল— প্ৰেছিডেণ্ট আয়ুব যাওক বা নেযাওক, আমাৰ প্ৰধানমন্ত্ৰী মাৰ্কিন যুক্তৰাজ্যলৈ এই সময়ত যোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে।

সাম্প্ৰতিক ঘটনাৱলীয়ে দেখুৱাই দিলে যে মাৰ্কিন যুক্তৰাজ্যৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ একো থল নাই। এইদেশে আগতকৈয়ো সুস্পষ্টভাৱে পাকিস্থানৰ পক্ষ অৱলম্বন কৰিছে; অকল সেয়ে নহয় পাকিস্থানৰ হৈ আমাৰ ওপৰত নানান ধৰণে হেঁচা প্ৰয়োগ কৰিছে। সামৰিক অস্ত্ৰ-শস্ত্ৰৰ কথা বাদেই পূৰ্বৰ চুক্তি মতে দিবলগীয়া সা-সামগ্ৰী, সাহায্য আৰু খাদ্যৰ যোগানো বন্ধ ৰাখিছে। ইয়াৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদৰ খলকনি উঠিছে। এনে অৱস্থাত শ্ৰীশাস্ত্ৰী মাৰ্কিন যুক্তৰাজ্যলৈ যোৱাটো অপমানজনক কথা হ'ব আৰু তাকে কৰিলে

বিশ্বৰ চকুত আমি হাঁহিয়াতৰ পাত্ৰহে হ'ব লাগিব। মাৰ্কিন চৰকাৰে হয়তো ভাবিছে এইদৰে শ'লঠেকত পেলাই লোৱা ৰস্থাতে আলোচনাৰ বাবে মাতি নি নিজৰ অভিপ্ৰেতভাৱে ভাৰতক যিকোনো ব্যৱস্থা মানি ল'বলৈ সন্মত কৰিব পৰা হ'ব। মাৰ্কিন যুক্তৰাজ্যই হেঁচা প্ৰয়োগ কৰি যি প্ৰত্যাহ্বান জনাইছে, তাৰ সন্মুখীন হ'বলৈ সংকল্প লৈ ইতিমধ্যে দেশবাসীয়ে চৰকাৰৰ পিচত থিয় দিছে। এনে অৱস্থাত আমাৰ প্ৰধানমন্ত্ৰী সেইখন জালৰ পিনে আগবঢ়াৰ প্ৰশ্ন উঠিব নোৱাৰে।

আনহাতে ৱাচিংটনত আলোচনা কৰিবলগীয়া কি আছে? প্ৰেছিডেণ্ট জনছনক সমুখত ৰাখি শ্ৰীশাস্ত্ৰীয়ে প্ৰেছিডেণ্ট আয়ুবৰ লগত আলোচনা কৰিবলগীয়া একো বিষয় নাই। কাশ্মীৰৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰাৰ থলেই নাই। এই প্ৰসঙ্গৰ চূড়ান্ত মীমাংসা হৈ গৈছে। ভাৰত আৰু পাকিস্থানৰ মাজৰ বিবাদ সম্পৰ্কে বিদেশী মধ্যস্থতাৰ ব্যৱস্থা থাকিব নোৱাৰে। ৰাষ্ট্ৰসংঘৰ ওপৰত ভাৰসা ৰাখি যি ভুল কৰা হ'ল তাৰ মাচুল আমি ইতিমধ্যে ভৰিছো। ৰাষ্ট্ৰসংঘৰ নামত পশ্চিমীয়া বৰমূৰীয়া শক্তিবৰ্গই কাশ্মীৰক লৈ ১৮ বছৰে যি খেল খেলিছে তাৰ অভিজ্ঞতাই আমাক ইতিমধ্যে সতৰ্ক কৰিছে। এনে স্থলত মাৰ্কিন চৰকাৰে নতুন অভিসন্ধি চলালে তাৰ বিৰুদ্ধে সতৰ্কতামূলক ব্যৱস্থা সময়মতে ল'ব বুলি প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীৰ ওপৰত আমাৰ ভাৰসা আছে।

দেওবাৰ, ১৭ অক্টোবৰ, ১৯৬৫ চন

# কিহৰ কঙালি?

কাতিৰ কঙালিকে ধৰি অসমৰ তিনিওটা বিহুৰে খেতিৰ লগত সম্পৰ্ক। বহাগত ৰং চৰাই, খেতিত নামিবৰ কাৰণে সাজু হয় কাৰণে কঙালি আৰু মাঘত খেতি চপাই ভোগ কৰে কাৰণে ভোগালি; কিন্তু কাতিত তাৰ এটাও নাই কাৰণে কঙালি— এয়ে সাধাৰণ ধাৰণা। কিন্তু কাতি বিহু দৰাচলতে আশা আৰু প্ৰস্তুতিৰ বিহু। খেতি উঠিল, এতিয়া সজাল ধৰা ধাননি পথাৰে লখিমী দিব, সেই লখিমীক আদৰিবলৈ খেতিয়কে পথাৰত চাকি এগছ দিয়ে ইয়াত বেদনাৰ ভাব ক'ত? এইয়া আশাৰ ভোগৰ প্ৰস্তুতিৰ সময়। চাকি গছো কেৱল অবাস্তৱ কল্পনাৰেই দিয়া নহয়, ইয়াৰ বৈজ্ঞানিক ভিত্তি এটাও আছে। পৃথিৱীৰ বিভিন্ন দেশৰ জাতি-উপজাতিৰ মাজত খেতিত পৰা পোক-পৰুৱা মাৰিবলৈ জুই জ্বলোৱা হয়, কেতিয়াবা খেতিৰ চাৰিওফালে জোৰ লৈ ঘূৰাও হয়। অসমৰ পথাৰৰ চাকি গছো তাৰেই অংশবিশেষ। দেশৰ বিপন্ন অৱস্থাকতো আমি কঙালি কৰি ৰখাৰ কথা ভাবিবই নোৱাৰো। খাদ্যত আত্মনিৰ্ভৰশীল হ'বলৈ কৃষিৰ উৎপাদন বৃদ্ধিত জোৰ দিয়া হৈছে. আলু আৰু অন্যান্য শাক-পাচলিৰ খেতি বেছিকৈ আৰু সমূহীয়াকৈ কৰিবলৈ ঠায়ে ঠায়ে হাতত লোৱা হৈছে। কাতি বিহুৰ দিনা গধুলি যদি আগতকৈ এই বাৰ বহু বেছি চাকি বাৰীয়ে বাৰীয়ে পামে পামে জ্বলে তেন্তে সেইটো বৰ সুখৰ কথা হ'ব। নহ'লেও কঙালি বিহুৰ দিনা দেশক ভোগালি কৰাৰ সংকল্প গ্ৰহণ কৰিলেও বহুত কাম হ'ব।

# বিধিগত ৰেচনিং

বৃহত্তৰ গুৱাহাটীত বিধিগতভাৱে ৰেচনিং ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ ঠিক কৰা বুলি বাতৰি ওলাইছে। আমি যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো, তাৰ বাবে এতিয়া সৰ্ব্বাত্মক প্ৰচেষ্টাৰ প্ৰয়োজন হৈছে। সেইদেখি ৰেচনিং ব্যৱস্থা হাতত লোৱাৰ বাবে আচৰিত হ'বলগীয়া একো কাৰণ নাই। ইতিমধ্যে মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত বৃহৎ মহানগৰীবোৰত ৰেচনিং ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লৈ সেইমতে কামত আগবঢ়া হয়। এতিয়াৰ অৱস্থালৈ চাই সম্প্ৰতি সেই আঁচনিৰে সম্প্ৰসাৰণ ঘটোৱা হৈছে।

ৰেচনিং ব্যৱস্থা প্ৰৱৰ্তিত হ'ব বুলি উৎকণ্ঠাৰ ভাব পোষণ কৰাৰ একো প্ৰয়োজন নাই। ইয়াৰ বাবে এইটো বুজিব নেলাগে যে খাদ্য-শস্যৰ উৎকট নাটনি হৈছে আৰু বিতৰণৰ ক্ষেত্ৰত তাৰ ফলত সংকট উপস্থিত হৈছে। কথা সেইটো নহয়— আচল কথা হ'ল, বাহিৰৰ দেশে আমাৰ ওপৰত হেঁচা দিবৰ কাৰণে খাদ্য-শস্যৰ যোগান ধৰাত কূট কৌশল অৱলম্বন কৰিছে। এই হীন প্ৰচেষ্টাৰ বিৰুদ্ধে মূৰ দাঙি থিয় দিবলৈ আমাক আগতীয়া প্ৰচেষ্টা এটা লাগে। আমাৰ হাতত থকা খাদ্য-সামগ্ৰী পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিলে আমি আমাৰ সঞ্চিত ভঁৰাল উচিতভাৱে ৰাখি আঁৰ নলগাকৈ বিতৰণৰ ব্যৱস্থা কৰিব পাৰিম আৰু বাহিৰৰ হেঁচালৈকো কেৰেপ নকৰাকৈ থাকিব পাৰিম। সেইদেখি এইবাৰৰ ৰেচনিং ব্যৱস্থাৰ এটা নতুন গুৰুত্ব আছে আৰু এই ব্যৱস্থা ফলৱতী কৰি তুলিবলৈ প্ৰত্যেকে নিজৰববীয়া বৰঙণি যোগোৱাটো দেশপ্ৰেমৰে নিদৰ্শন স্বৰূপ হ'ব।

অৱশ্যে অকল ৰাইজৰ তৎপৰতাই ৰেচনিং ব্যৱস্থাক পূৰ্ণাঙ্গ ৰূপ দিব নোৱাৰে। নিৰ্ভুল তথ্য-পাতি যোগাই আৰু ৰেচনিং বিধি মানি চলি ৰাইজে এই প্ৰচেষ্টাৰ ক্ষেত্ৰত বৰঙণি যোগোৱাৰ লগতে ব্যৱসায়ী মহলেও পূৰ্ণঙ্গ সহযোগিতা আগবঢ়াব লাগিব। চৰকাৰেও চাব লাগিব এই ব্যৱস্থা মতে খাদ্যসামগ্ৰী যোগান ধৰোতা ৰূপে যিসকল ব্যৱসায়ীয়ে স্বীকৃতি লাভ কৰে, তেওঁলোকৰ সততাৰ বিচাৰ লোৱাত যেন শিথিলতাই ঠাই নেপায়। অৱশ্যে চৰকাৰৰ কৰ্ম-কুশলতাৰ ওপৰত এই আঁচনি বিশেষভাৱে নিৰ্ভৰশীল হৈ থাকিব। দ্বিতীয় মহাসমৰৰ সময়ৰ ৰেচনিং ব্যৱস্থাৰ কলংকৰ কথা আজিও বহুতো লোকৰ মনত আছে। এতিয়াৰ ব্যৱস্থা এনেদৰে নিখুত হ'ব লাগিব যাতে অতীতৰ সেই স্মৃতি মচি ৰাইজৰ আস্থাৰ ভেটি সুদৃঢ় কৰি তুলিব পৰা হয়। দুৰ্নীতিয়ে যাতে পোখা মেলিব নোৱাৰে, ভাৰপ্ৰাপ্ত বিভাগৰ যাতে কৰ্ত্তব্য স্খলন নহয়— তাৰ প্ৰতি চৰকাৰে নিশ্চিত ব্যৱস্থা ৰাখিব লাগিব। ৰেচনৰ চাউল বুলিলেই যাতে দুৰ্গন্ধত খাব নোৱাৰা বা শিল-ধান-তুঁহৰ সমাহাৰ হৈ উঠিব নোৱাৰে (আমাৰ দৃঢ় বিশ্বাস যে কেইবাটাও মহলৰ সংঘবদ্ধ দুৰ্নীতিৰ বাবেহে ৰেচনৰ চাউল এনে অৱস্থালৈ ৰূপান্তৰিত হ'ব পাৰে) সেই কথালৈকো সততে দৃষ্টি ৰাখিব লাগিব। অৱশ্যে ৰেচনিং ব্যৱস্থা নিয়াৰিকৈ চলাবলৈ হ'লে খাদ্য-শস্য মজুত ৰখা ব্যৱস্থাও সুপৰিকল্পিত হ'ব লাগিব। দূৰদৃষ্টিৰে আগবাঢ়িব পাৰিলে, ৰঙা ফিটাৰ মেৰপাকে লেহেম কৰাৰ থল নেথাকিলে আৰু নিষ্ঠাবান বিষয়া অসুস্থ প্ৰভাৱৰ পৰা মুক্ত থাকিব পাৰিলে এই ক্ষেত্ৰতো একো অসুবিধা নহ'ব বুলিয়ে আমি ভাবো।

সোমবাৰ, ১৮ অক্টোবৰ, ১৯৬৫ চন

# বন সম্পদ

জালুকবাৰীৰ অসম ফৰেষ্ট স্কুলৰ সমাৱৰ্তনত ভাষণ দিওঁতে ৰাজ্যিক বনবিভাগীয় মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্মাই ৰাজ্যৰ বন সম্পদ ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই আহ্বান বহুতো প্ৰসঙ্গত ইতিমধ্যে কৰা হৈছে। তদুপৰি দেশত বৃক্ষৰোপন সপ্তাহো পালন কৰা হৈছে। কিন্তু হাবি-বন ৰক্ষা কৰা সম্পৰ্কে সচেতনতা সমূলি পৰিলক্ষিত হোৱা নাই। ৰাইজে জধে-মধে হাবি-বন কাটি শেষ কৰিছে। চৰকাৰেও কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই; কৰিবও নোৱাৰে— কিয়নো যি বিৰাট দায়িত্ব বন বিভাগৰ ওপৰত পৰিছে তেনে দায়িত্ব বহন কৰিব পৰাকৈ এই বিভাগক সমৰ্থবান কৰি তোলা হোৱা নাই। অসম হাবি-বনেৰে ভৰা বুলিয়েই বাহিৰত ধাৰণা। সম্ভৱতঃ সেই ধাৰণাৰ বশৱৰ্তী হৈয়েই কেন্দ্ৰীয় চৰকাৰেও সামৰ্থ্যতকৈ অধিক ভগনীয়াৰ সংস্থাপনৰ দায়িত্ব অসমৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰি আহিছে। ইপনে হাবিৰ ওপৰত আন বহুতো ফালৰ পৰা আক্ৰমণ চলিছে— নগৰৰ সম্প্ৰসাৰণ, উদ্যোগ স্থাপন, বান আৰু খহনীয়া পীড়িতৰ সংস্থাপন— ইত্যাদি বিভিন্ন ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ ফলত হাবিৰ গণ্ডী ঠেক হৈ যাবলৈ ধৰিছে। তদুপৰি ঠেক গণ্ডীৰ নানান বিবেচনাৰ ফালৰ পৰাও সংৰক্ষিত হাবি মুকলি কৰি দিয়া হৈছে।

ফলত প্ৰকৃতিয়ে ৰাখি যোৱা ভাৰসাম্যৰ ওলট-পালট ঘটিছে আৰু প্ৰতিক্ৰিয়া ঘটিছে বতৰ আৰু খেতি-বাতিৰ ওপৰত। খৰি-খেৰৰ অভাৱ উৎকট ৰূপে বৃদ্ধি পাইছে। তদুপৰি ভৰিষ্যতৰ ভাৰসা নোহোৱা হৈছে। দেশৰ মুঠ মাটি কালিৰ শতকৰা ৩০ ভাগ হাবি-বনেৰে পৰিপূৰ্ণ থাকিব লাগে বুলি বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা লক্ষ্য নিৰূপিত হৈছে। কিন্তু অসম সেই লক্ষ্যৰপৰা বহুত নিলগত। সম্প্ৰতি ৰাজ্যত থকা মুঠ বনাঞ্চলৰ শতকৰা মাত্ৰ ২৫ ভাগ ভৈয়াম অঞ্চলত আছে। সংৰক্ষিত হাবিৰ পৰিমাণ শতকৰা ১১.৭ ভাগ মাত্ৰ। সেইবোৰ হাবিও এতিয়া বছৰি সংকুচিত হৈ যাব লাগিছে। এই বিষয়টোলৈ আওকণীয়া হৈ থকাৰ অৰ্থ হ'ব— অদূৰ ভৱিষ্যতে চৰম দুৰ্যোগ এটাৰ সমুখত অসহায়ভাৱে থিয় দিয়া।

সন্তোষৰ কথা যে ৰাজ্য চৰকাৰে ইতিমধ্যে হাবি-বন সম্পৰ্কীয় আয়োগ এখন গঠন কৰিছে। আমাৰ সংৰক্ষিত হাবি আৰু হাবি-বনৰ উন্নতি সধাৰ বাবে থকা সাম্প্ৰতিক ব্যৱস্থা যথেষ্ট হয় নে নহয়, হাবি-বন সংৰক্ষণৰ ব্যৱস্থা, হাবি-বন সম্পৰ্কীয় কৰ্পৰেচন গঠন। ইত্যাদি বিভিন্ন বিষয়ে এই আয়োগে বিচাৰ লৈ অহা বছৰৰ ৩০ ছেপ্টেম্বৰৰ আগতে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগিব। এনে ব্যৱস্থা বহুত আগতেই লোৱা উচিত আছিল। যিহওঁক— এতিয়াও এই আয়োগে বহুতখিনি ৰক্ষাকৰচৰ ব্যৱস্থা দিব পাৰে। সেইদেখি আমি আয়োগৰ প্ৰতিবেদনলৈ এতিয়া আশাৰে বাট চাই থাকিলো। এটা বিজ্ঞানসন্মত নীতিৰ ভেটিত কৰ্মব্যৱস্থাৰ গঢ় দিয়াৰ দিহা কৰিলে এতিয়াৰ খুঁতবোৰ নিশ্চয় নোহোৱা হ'ব। বিজ্ঞান সন্মত জোখত হাবি-

বন সংৰক্ষিত কৰি ৰখাৰ নিকপ্‌কপীয়া ব্যৱস্থা এটা অবিলম্বে আমাক লাগে। দ্বিতীয়তে সম্প্ৰতি সংৰক্ষিত হাবি, অশ্ৰেণীভুক্ত হাবি — আদি বিভিন্ন শ্ৰেণীত হাবি-বনৰ যিবোৰ ভাগ কৰা হৈছে, সেইবোৰ দায়িত্ব সৰা ব্যৱস্থাৰ নামান্তৰ মাত্ৰ। উপযুক্ত শাসন আৰু তত্বাৱধানৰ স্বাৰ্থৰ ফালৰপৰা সুপৰিকল্পিতভাৱে নতুন শ্ৰেণী বিভাগ কৰাটো বিশেষ প্ৰয়োজনীয়। অশ্ৰেণীভুক্ত হাবিবোৰ ৰখীয়া নোহোৱা হাবিৰ তুল্য হৈছে— এইবোৰত যাৰ যি ইচ্ছা তাকে কৰা হৈছে। অথচ মুঠ হাবিৰ দুই তৃতীয়াংশ হ'ল এই শ্ৰেণীভুক্ত হাবি। অন্যান্য যথেচ্ছাচাৰ চলাৰ উপৰিও ঘাঁহ বিচাৰি গৰু-গায়েও জুম বান্ধিছেগৈ ইয়াতেই, গৰু-গাইৰ জোখাৰে চৰণীয়া পথাৰ আগৰে পৰা নাই; নতুনকৈ পতাৰ ক্ষেত্ৰতো তৎপৰতা নাই। থকাবোৰৰো কিছুমানত মানুহক পট্টন দিয়া হৈ গৈছে। এনে অৱস্থাত অশ্ৰেণীভুক্ত হাবিত অত্যধিক পৰিমাণে গৰু-গায়ে ঘাঁহ খোৱাৰ ফলত সেইবোৰ হাবিৰো আয়ুস টুটাৰ উপক্ৰম হৈছে। কিয়নো ঘাঁহ-বন নিৰ্মূল হ'লে মাটিৰ উৰ্বৰা শক্তিৰ ক্ষেত্ৰত বিৰূপ প্ৰতিক্ৰিয়া হয়।

সেইদেখি হাবি-বনৰ কাৰ্য্যকৰী ধৰণে শ্ৰেণী বিভাগ ততালিকে কৰিব লাগে। সংৰক্ষিত হাবিৰ দৰে চৰণীয়া পথাৰৰ বাবে সুনিৰ্দিষ্ট ব্যৱস্থা লাগে। নতুন হাবি পতাৰ ক্ষেত্ৰতো পৰিকল্পিত প্ৰচেষ্টা লাগিব। বন মহোৎসৱক জীৱন্ত অভিযানৰ ৰূপ দি ক্ষয় হোৱা হাবি বনৰ অনুপাতে নতুন হাবি পতাৰ জয়যাত্ৰা ৰূপে গঢ়ি তুলিব পৰাকৈ চৰকাৰী আন্তৰিকতা আৰু ৰাজহুৱা সহযোগিতাৰ সমন্বয়ত ঘটাব লাগিব। আখলৰ খৰিৰ প্ৰয়োজন পূৰাবলৈকো বৈজ্ঞানিক উদ্যম এটা যে লাগে সেই সচেতনতাও উদয় হ'বৰ হ'ল। হাবি-বন সংৰক্ষণ আৰু উন্নয়ন উভয় দায়িত্ব ল'ব পৰাকৈ বন বিভাগ সম্প্ৰসাৰিত হ'ব লাগিব; আইনৰ ব্যৱস্থাও অধিক কঠোৰ হ'ব লাগে। বন বিভাগক এলাগী বিভাগ ৰূপে ধৰি লোৱা প্ৰথাৰ আমূল পৰিৱৰ্তন হ'লে এই বিভাগক অচিৰে নতুন ৰূপত দেখিবলৈ পোৱা যাব। এই বিভাগক আধুনিক ধৰণৰ কৰি তুলিব পৰাকৈ চৰকাৰে ধন খৰচ কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত খৰচ কৰিব জানিলে আয়ৰ বাটো বহল হ'ব। অসমত হাবি-বন ভৰি থকা সত্বেও বন বিভাগৰপৰা হোৱা আয়ৰ পৰিমাণ আপেক্ষিকভাৱে কম হাবি থকা ৰাজ্যতকৈয়ো কম। ৰাজ্যত থকা বন সম্পদ সুপৰিকল্পিতভাৱে আহৰণ কৰাৰ ব্যৱস্থা এতিয়াও হৈ উঠা নাই। বনজ সম্পদক কেন্দ্ৰ কৰি উদ্যোগ গঢ়ি তোলাৰ ধ্বনিহে উঠিছে; উদ্যোগ হোৱা নাই। এনে সম্পদক উদ্যোগৰ উপাদান হিচাপে লৈ কামত যাতে অগ্ৰসৰ হ'ব পাৰে তাৰ বাবে উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও নাই ৰাজ্যত এশবিধমানৰ কাঠ উৎপন্ন কৰিব পৰা গছ আছে— তাৰ ভিতৰত ৩০ বিধমানৰ গছৰ পৰাহে কাঠ তৈয়াৰ কৰা হৈছে। এলাগী ৰূপে পৰিগণিত হোৱা গছকো আধুনিক বৈজ্ঞানিক প্ৰক্ৰিয়াৰ সহায় লৈ সুকাঠী গছলৈ ৰূপান্তৰিত কৰা প্ৰচেষ্টা চলা নাই। আনকি ডেৰাডুনত চলা অপূৰ্ব পৰীক্ষাৰ সফলতাই আজিও অসম সোমাবহি পৰা নাই। ৰাজ্য চৰকাৰে গঠন কৰা আয়োগে এই সমুদায় কথাৰ বিচাৰ লৈ সৰ্বাত্মক আঁচনি এখনৰ গঢ় দিব পৰাকৈ সমল দাঙি ধৰক।

মঙ্গলবাৰ, ১৯ অক্টোবৰ, ১৯৬৫ চন

# সংগ্ৰাম আৰু শান্তি

সংগ্ৰাম আমাৰ কাম্য নহয়। ভাৰত সদায় শান্তিকামী। শান্তিৰক্ষাৰ বাবে আৰু সমগ্ৰ মানৱতাৰ উন্নতিৰ বৰে ভাৰতে আনকি সময়ে সময়ে অতি উদাৰতাৰ পৰিচয়ো দিছে আৰু অপ্ৰিয় সত্য কৈ বহুতো স্বাৰ্থ্যন্বেষী ৰাষ্ট্ৰৰ অপ্ৰিয়ভাজনো হৈছে। আমাৰ উদাৰতাক দুই-একে আকৌ দুৰ্বলতা বুলি ইতিকিঙো কৰিছে।

পাকিস্থানেও হয়তো আমাৰ শান্তিপ্ৰিয় উদাৰ নীতিৰ সুযোগ লৈ ভাবিছিল আক্ৰমণ কৰিলেও ভাৰতে আত্মৰক্ষাহে কৰি যাব আৰু সেই ছেগতে ভাৰত ভূমিৰ একাংশ পাকিস্থানৰ দখললৈ যাব। তদুপৰি পাকিস্থানে ভাবিছিল উন্নত ধৰণৰ অস্ত্ৰ শস্ত্ৰেৰে সজ্জিত পাকিস্থানী বাহিনীৰ সমুখত এশ এটা আভ্যন্তৰীণ সমস্যাত ব্যস্ত ভাৰত সেও মানিবলৈ বাধ্য হ'ব।

কিন্তু শান্তিপ্ৰিয় হ'লেও আমি কাপুৰুষ নহও; আমাৰ উদাৰতা আমাৰ নৈতিক শক্তিৰ উচ্চমানৰহে পৰিচায়ক। আৱশ্যক হ'লে শক্তিৰ বিৰুদ্ধে শক্তি প্ৰয়োগ কৰিবলৈ ভাৰতে জানে; এশ এটা আভ্যন্তৰীণ সমস্যাৰ মাজতো বহিঃআক্ৰমণৰ বিপক্ষে মাৰ বান্ধি থিয় হোৱা দৃঢ়তা আৰু মনোবল ভাৰতৰ আছে। সেয়ে যেতিয়া আন্তৰ্জাতিক সীমাৰেখা অতিক্ৰম কৰি ছাম্ব খণ্ডত পাকিস্থানী বাহিনীয়ে ভাৰতভূমিলৈ দানৱীয় দম্ভেৰে আগবাঢ়িলে, আমাৰ দৃঢ়মনা ভাৰতীয় জোৱানসকলেও শিয়ালকোট আৰু লাহোৰৰ দুৱাৰদলিত বীৰত্বেৰে প্ৰৱেশ কৰি শত্ৰুৰ দিল্লী জয়ৰ পৰিকল্পনা মষিমূৰ কৰি দিলে।

কাচ্ছত ভাৰতৰ বিপক্ষে আমেৰিকা যুক্তৰাজ্যৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰাতো যেতিয়া পাকিস্থানে কোনো গৰিণা নেপালে, তেতিয়া সাহ বাঢ়ি গ'ল। দেখদেখকৈ কমিউনিষ্টৰ বিপক্ষে ব্যৱহাৰ কৰিবলৈ দিয়া আমেৰিকাৰ অস্ত্ৰ-সম্ভাৰেৰে ভাৰতক লাঞ্ছিত আৰু পদদলিত কৰিবলৈ সাহস পালে। আৰু শেষত নৈতিক বলেৰে বলীয়ান ভাৰতৰ লগত পৰাজিত হোৱাৰ পিচতো পাকিস্থানী বৈদেশিক মন্ত্ৰীয়ে সেয়ে আজিও ক'বলৈ সাহস কৰিছে যে পাকিস্থানে কাশ্মীৰৰ বাবে ভাৰতৰ লগত হেজাৰ বছৰ যুঁজিব।

পৰহি বোম্বাইৰ এখন বিৰাট ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰীয়ে পাকিস্থানী বৈদেশিক মন্ত্ৰীৰ দম্ভৰ উত্তৰ দি কয়,— "হেজাৰ বছৰ কিয় পাকিস্থানে অনন্তকাললৈ যুঁজক, তথাপি আমাৰপৰা কাশ্মীৰক আঁতৰাই নিব নোৱাৰে।" কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ, শক্তিৰে বা কুটচক্ৰান্তেৰে কোনোপধ্যেই পাকিস্থানে ভাৰতৰ অঙ্গহানি কৰিব নোৱাৰে।

প্ৰধানমন্ত্ৰীৰ এই দৃঢ় উক্তিয়ে ভাৰতৰ কোটি কোটি জনসাধাৰণৰ প্ৰাণৰ কথাকে দোহাৰিছে। চীনৰ লগত মিত্ৰতা কৰি, পাৰস্যৰ পৰা অস্ত্ৰ আনি নাইবা ৰাষ্ট্ৰসংঘৰ কূটনীতিৰ পাশাখেলেৰে পছিমীয়া শক্তিবৃন্দৰ অনুকম্পা আদায় কৰি পাকিস্থানে কোনোমতে ভাৰতক সত্য-ন্যায়ৰ পথৰ পৰা বিচলিত কৰিব নোৱাৰে।

প্ৰধানমন্ত্ৰীয়ে বোম্বাইৰ একেখন সভাতে সকীয়াই দিছে যে ভাৰতে আজি বিশ্বত আত্মপ্ৰতিষ্ঠাৰ বাবে সকলো দায়িত্ব কম বেছি পৰিমাণে নিজেই মূৰ পাতি ল'ব লাগিব। শান্তিৰ সময়ৰ বহুতো বন্ধু ৰাষ্ট্ৰই ভাৰতক জীৱন-মৰণৰ সন্ধিক্ষণত মুকলিভাৱে সহানুভূতিকে নজনালে। পাকিস্থানে আন্তৰ্জাতিক সীমাৰেখা উলঙ্ঘন কৰি ভাৰত ভূমিত প্ৰৱেশ কৰাতো কোনো ৰাষ্ট্ৰই বা নিৰাপত্তা পৰিষদে মাত নেমাতিলে। দুই একে ভাৰতেহে

আক্ৰমণ কৰা বুলি ক'লে, আৰু পিচত ভালদৰে খবৰ নোপোৱাত তেনে কৰা বুলি অজুহাত দেখুৱায়ো পাকিস্থানক সুস্থভাৱে আক্ৰমণকাৰী বুলি নক'লে।

একমাত্ৰ সন্মিলিত ৰাষ্ট্ৰসংঘৰ সামৰিক পৰিদৰ্শক জেনেৰেল ৰবাৰ্ট নিম্মোৰ ৰিপৰ্টত পাকিস্থানে অনুপ্ৰৱেশকাৰী পঠিয়াই পৰিকল্পিতভাৱে ভাৰত ভূমিত সংঘৰ্ষ আৰম্ভ কৰাৰ কথা আছিল। তাকো সদৰিকৈ প্ৰকাশ কৰাত ৰাষ্ট্ৰসংঘৰ হেমাহি আৰু অনিচ্ছাই এইটোকে প্ৰমাণ কৰিছে যে ৰাষ্ট্ৰসংঘয়ো সত্য-ন্যায়তকৈ কূটনীতিতহে বেছি মনোযোগ দিয়ে। তদুপৰি শক্তিশালী দুই-চাৰি ৰাষ্ট্ৰৰ স্বাৰ্থৰ বাহিৰে আন ৰাষ্ট্ৰৰ বিষয়ে ভাবিবলৈ তেওঁলোকৰ আহৰি নাই। অৱশ্যে ন্যস্ত স্বাৰ্থ বা ৰাজনৈতিক সম্প্ৰসাৰণৰ প্ৰশ্নযুক্ত থাকিলে পৃথিৱীৰ যিকোনো অঞ্চলৰ বাবে তেওঁলোকে উজাগৰী নিশা কটাবলৈ সাজু।

এনেবোৰ কাৰণেই ভাৰত আৰু পাকিস্থানক একে পৰ্য্যায়তে থৈহে নিৰাপত্তা পৰিষদে যুদ্ধ-বিৰতিৰ প্ৰস্তাৱ ল'লে। তাৰ পিচতো ভেশচন কৰি অনুপ্ৰৱেশ কৰা পাকিস্থানীও যে সশস্ত্ৰ আক্ৰমণকাৰীৰ পৰ্য্যায়ৰেই আৰু যুদ্ধ বিৰতি চৰ্ত্ত মতে তেনেলোককো পাকিস্থানে আঁতৰাই নিব লাগিব— সেই বিষয়েও স্পষ্ট অভিমত ৰাষ্ট্ৰসংঘই দিয়া নাই। ৰাষ্ট্ৰসংঘৰ এই দুৰ্বলতা বা পক্ষপাতিতাৰ সুযোগ লৈ পাকিস্থানে বাৰে বাৰে যুদ্ধ বিৰতি লঙঘন কৰিছে। যুদ্ধ বিৰতি ভাৰতে মানিছে অথচ সেই সুবিধাকে লৈ পাকিস্থানে অ'ত ত'ত আক্ৰমণ চলায়েই আছে। পাকিস্থানে সত্যবাদিতাৰ অপবাদৰ বাবে জেনেৰেল নিম্মোকো অপসাৰণ কৰাবলৈ চেষ্টা চলাইছে। অথচ মাৰ্কিন যুক্তৰাজ্যই পুনৰ পাকিস্থানকো অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিব পাৰে বুলি কথা ওলাইছে। তাৰ অৰ্থ এনে নহয় জানো যে ভাৰতৰ বিপক্ষে হেজাৰ বছৰীয়া যুদ্ধৰ আঁচনিত পৰোক্ষভাৱে তেওঁলোকে অৰিহণা যোগাবলৈ আগবাঢ়িছে?

এনেবোৰ বিৰুদ্ধ অৱস্থাৰ মাজত আমাৰ প্ৰধানমন্ত্ৰীয়ে খোলাখুলিভাৱে ভাৰতৰ বৰ্তমানৰ আত্মপ্ৰতিষ্ঠা আৰু আত্মনিৰ্ভৰশীলতাৰ দৃঢ় নীতি প্ৰকাশ কৰিছে। সেয়া হ'লে কোনো বাধ্যবাধকতাৰ মাজেৰে বা কোনো চৰ্ত্তসাপেক্ষে ভাৰতে কাৰোপৰা সহায় নলয়। খাদ্য যোগান ধৰাৰ বাবে মাৰ্কিন যুক্তৰাজ্যলৈ ধন্যবাদ আগবঢ়াই শ্ৰীশাস্ত্ৰীয়ে কয় যে আমি খাদ্য বিষয়ত সাময়িকভাৱে কৃচ্ছ্ৰ সাধনা কৰি হ'লেও আত্মনিৰ্ভৰশীল হ'বই লাগিব। দেশৰ সন্মান আৰু অখণ্ডতাৰ বিনিময়ত ভাৰতে কাৰো সাহায্য নিবিচাৰে।

অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহৰ বেলিকাও সেয়ে অকল পছিমীয়া শক্তিবৃন্দলৈ আশা পালি নৰৈ, চেকোশ্লোভাকিয়া, ৰুছিয়া আৰু পূব ইউৰোপৰ বন্ধু ৰাষ্ট্ৰৰ লগত কথা-বতৰা চলোৱাৰ কথা ভাবিবৰ পৰ হৈছে। এই পৰিপ্ৰেক্ষিতত চেকোশ্লোভাকিয়াৰ আমন্ত্ৰণত শ্ৰীটি-টি-কৃষ্ণমাচাৰীৰৰ সেই দেশ আৰু ৰুছিয়া ভ্ৰমণতো গুৰুত্ব দিয়া হৈছে।

মুঠতে প্ৰধানমন্ত্ৰীৰ বৰ্তমানৰ ভাষণসমূহৰ মূল কথা হ'ল— খাদ্য, অৰ্থনীতি, সমবায়োজন— সকলো বিষয়তে আমি স্বাৱলম্বী হ'ব লাগিব আৰু শত্ৰুপক্ষৰ ভৱিষ্যৎ আক্ৰমণৰ বিপক্ষে মাৰ বান্ধি থিয় দিবলৈ আত্মবিশ্বাস আৰু শক্তি সংগ্ৰহ কৰিব লাগিব। তেহে দেশত শান্তি বিৰাজ কৰিব আৰু বিশ্ব শান্তিলৈও সক্ৰিয় সহযোগ আগবঢ়াব পৰা হ'ব। এই প্ৰস্তুতি সংগ্ৰামৰ যদিও, — লক্ষ্য আমাৰ শান্তিহে।

বুধবাৰ, ২০ অক্টোবৰ, ১৯৬৫ চন

# কুৰি অক্টোবৰ

আকৌ কুৰি অক্টোবৰ। এটা স্মৰণীয় দিন। ১৯৬২ চনৰ এই দিনতে চীনে বিশ্বাসঘাতকতা কৰি আমাৰ দেশৰ ওপৰত আক্ৰমণ চলাইছিল। যি হিমালয়ে আমাক যুগ যুগ ধৰি দুৰ্জেয় প্ৰহৰীৰ দৰে আত্মতৃপ্তিৰ ছাঁ দিছিল, সেই হিমালয় ভেদ কৰি প্ৰবঞ্চক চীনে ভাৰত ভূমিৰ ওপৰত আক্ৰমণ চলাই আমাক বাস্তৱ-সচেতন কৰি তুলিলে। ৰাষ্ট্ৰীয় জীৱনত নতুন জোৱাৰ উঠিল— সেই জোৱাৰৰ ঢৌৱে সকলো পংকিলতা ধুই নি এক জাতি এক প্ৰাণৰ সমস্বৰ ধ্বনি তুলিলে।

বাস্তৱে আমাক শিকালে— এক-গোট হ'বলৈ, চিৰন্তন সতৰ্কতা ৰক্ষা কৰিবলৈ আৰু ৰাষ্ট্ৰীয় জীৱনৰ মাজত এটা নতুন প্ৰাণ-শক্তিৰ ধল বোৱাবলৈ। কিন্তু এই প্ৰস্তুতি এদিনৰ নহয়। সাম্প্ৰতিক ঘটনাধাৰাই আমাক পতিয়ন নিয়াইছে যে চিৰন্তন সতৰ্কতাই আমাৰ স্বাধীনতাৰ মূল্য। আমি জানো যে চীন শত্ৰুৰ সাজত খন্তেকীয়া উত্তেজনাৰ বশত আমাৰ সীমান্তত প্ৰস্তুত হৈ থকা নাই। বাস্তৱৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে এই যুদ্ধৰ আয়োজন চলিছে। সীমাৰ বিবাদ মাত্ৰ এটা অজুহাত। এই বিবাদ হ'ল— আদৰ্শৰ সংঘাত। গণতান্ত্ৰিক ভাৰতে এছিয়া তথা বিশ্বৰ দৰবাৰত মৰ্য্যাদাৰ স্থান পোৱাটোৱেই কমিউনিষ্ট চীনৰ কাৰণে এটা প্ৰত্যাহ্বান। সেইদেখি ভাৰতক বিপন্ন কৰিবৰ বাবে চীনে সকলো কৌশল অৱলম্বন কৰিছে। পাকিস্থানৰ প্ৰতিক্ৰিয়াশীল আমোলৰ লগত চীনৰ আত্মীয়তাৰো মূল কথা হ'ল এয়ে।

পাকিস্থানৰ লগত হোৱা আমাৰ সংঘৰ্ষৰ সময়ত চীনে লোৱা ভূমিকাই এই পৰিস্থিতিৰ গুৰুত্ব সুস্পষ্টভাৱে প্ৰকাশ কৰি দিছে। চুবুৰীয়া এই দুখন ৰাষ্ট্ৰই আমাক শান্তিৰে থাকিবলৈ নিদিয়ে। অৱশ্যে পাকিস্থানৰ আচৰণৰ মাজত বিচিত্ৰতা নাই। যি কৃত্ৰিমতাৰ ভিত্তিত পাকিস্থানৰ সৃষ্টি হ'ল, সেই কৃত্ৰিমতাক জীয়াই ৰখাৰ একমাত্ৰ উপায় হ'ল— ভাৰত-বিদ্বেষ অটুট ৰখা। সেইদেখি আমাৰ অতীতৰ এটা ভুলৰ বাবে সমগ্ৰ ভাৰতবাসী দধিচীৰ হাড় হৈ আত্মাহুতিৰ বাবে প্ৰস্তুত থাকিব লাগিব— দেশৰ স্বাধীনতা আৰু মৰ্য্যাদা ৰক্ষা কৰাৰ বাবে। এইবাৰ আমি ভালকৈ বুজিলো— আমাৰ এই দায়িত্ব অতি গধুৰ। কাশ্মীৰৰ বিবাদ আজি আগৰ ঠেক গণ্ডীত সীমাৱদ্ধ হৈ থকা নাই— ইয়াৰ পৰিসীমা বৃদ্ধি পালে আৰু বিবাদৰ অংশীদাৰো বাঢ়িল। নিৰাপত্তা পৰিষদ, মাৰ্কিন যুক্তৰাজ্য, বৃটেইন আদিৰ ভূমিকাও আমাৰ কাৰণে প্ৰকাশ্যে একোটা প্ৰত্যাহ্বান স্বৰূপ হৈছে।

এই সময়ত আমাৰ পদস্খলন হোৱাৰ অৰ্থ— দুৰ্যোগক হাত বাউল দি মাতি অনা। সেইদেখি সমগ্ৰ দেশ আজি সচেতন হ'ব লাগিব। ঐক্য, সম্প্ৰীতি, শান্তি অটুট ৰাখি সৰ্বাত্মক প্ৰস্তুতিত সকলোৱে আত্মনিয়োগ কৰিব লাগিব। কিন্তু সেয়ে হ'ব লাগিব— নিষ্ঠাৰ প্ৰস্তুতি। সেই সংকল্প লোৱাৰ দিন আজিয়েই।

বৃহস্পতিবাৰ, ২১ অক্টোবৰ, ১৯৬৫ চন

# প্ৰধানমন্ত্ৰীৰ আহ্বান

প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীয়ে ৰাষ্ট্ৰীয় সংহতি দিৱস উপলক্ষে দিয়া অনাতাঁৰ ভাষণত আমাৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰস্তুতিৰ পথত আৰু এখোজ আগুৱাই যোৱাৰ ব্যৱস্থা দিছে। আৰ্থিক সম্বল যোগাৰ কৰাটোৱেই এতিয়া ঘাই কথা। প্ৰতিৰক্ষা আৰু উন্নয়ন উভয় ক্ষেত্ৰত আৱশ্যকতা পূৰণ কৰিব পৰাকৈ আৰ্থিক সম্বল যোগাৰ কৰিবলৈ হ'লে সকলোৰে চৰম ত্যাগ আৰু তৎপৰতাৰ প্ৰয়োজন। শ্ৰীশাস্ত্ৰীয়ে দেশৰ ভিতৰৰ আৰু লগতে বাহিৰৰো সমূহ ভাৰতীয়ৰ প্ৰতি তাৰ বাবেই আহ্বান জনাইছে। প্ৰতিৰক্ষা পুঁজিৰ বাবে বৰঙণি দিবৰ বাবে আহ্বান জনোৱাৰ লগতে প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা ঋণৰ দুখন আঁচনি আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা স্বৰ্ণ খতৰ আঁচনিৰ কথাও ঘোষণা কৰিছে।

এইবোৰ ব্যৱস্থা মতে পৰিকল্পিতভাৱে কাম হ'লে সমাজৰ সকলো স্তৰৰ পৰা ধন সংগৃহীত হ'ব। বিশেষকৈ নতুন আঁচনি কেইখনৰ যোগেদি আঢ্যৱন্ত লোকসকলৰপৰা অধিক সহযোগিতা পোৱাৰ থল থাকিব। গোপন উপাৰ্জন যাতে উলিয়াই আনিব পৰা হয় তাৰ বাবেও স্বৰ্ণ খতৰ যোগেদি নতুন ব্যৱস্থা আগবঢ়োৱা হৈছে; এই ক্ষেত্ৰত বিভিন্ন ৰক্ষাকৱচৰ যোগেদি কেতবোৰ সুবিধাও দিয়া হৈছে। অৱশ্যে স্বৰ্ণ খতৰ এই নতুন ব্যৱস্থাই সোণ নিয়ন্ত্ৰণ বিধিৰ কাৰ্য্যকাৰিতা আৰু হ্ৰাস কৰাৰ সম্ভাৱনা এটা যে দেখুৱাই দিছে, সেই কথাও নুই কৰিব নোৱাৰি।

# ৰাষ্ট্ৰসঙ্ঘৰ অবিচাৰ

নিৰাপত্তা পৰিষদত দাখিল কৰা সচিব প্ৰধান উ থাণ্টৰ শেহতীয়া প্ৰতিবেদনে আকৌ এবাৰ প্ৰমাণ কৰিলে যে এই বিশ্ব সংস্থাৰ পৰা ভাৰতে সুবিচাৰ পোৱাৰ আশা কম। পৰিষদৰ প্ৰস্তাৱৰ নিজা ব্যাখ্যা উলিয়াই বিভিন্ন পৰ্য্যবেক্ষক দল নিয়োগকে আদি কৰি সচিব প্ৰধানে ভাৰত আৰু ন্যায়ৰ বিৰুদ্ধে যোৱা যিবিলাক কাম কৰি আছে তাৰ ফলত আমি দৃঢ়তৰ মনোভাৱ প্ৰকাশ কৰাৰ আৱশ্যক হৈছে। যুদ্ধ বিৰতি কোনে ভঙ্গ কৰিছে এই বিষয়ত সন্দেহৰ অৱকাশ থাকিব নেলাগিছিল; কিন্তু উভয় পক্ষই ভঙ্গ কৰিছে বুলি কৈ ভাৰতৰ প্ৰতি কেতিয়াবাই অবিচাৰ কৰা হ'ল। উথাণ্টৰ স্ব-নিযুক্ত পৰ্য্যবেক্ষকসকলক প্ৰত্যেকবাৰৰ লংঘন সম্পৰ্কে জনাই থকা হৈছে; তথাপি সচিব প্ৰধান পতিয়ন যোৱা নাই। এতিয়া তেওঁ কৈছে যে সংযোগ ব্যৱস্থা ভাল নথকা কাৰণেই ভাৰতৰ দিশৰ পৰা যুদ্ধ-বিৰতি লংঘনৰ অভিযোগ বেছিকৈ পোৱা নাই। এইটো এটা অজুহাত মাত্ৰ বুলি আমি ভাবো। পাকিস্থানৰ মিছা অভিযোগ সৰহ সংখ্যক হলেও পাই থকা হৈছে, অথচ ভাৰতৰ সত্য অভিযোগবিলাক পাবলৈ টান হৈছে— ইয়াৰ অৰ্থ কি হ'ব পাৰে? ভাৰতৰ সৈতে বহিঃবিশ্বৰ সংযোগ নিশ্চয় বিচ্ছিন্ন হৈ যোৱা নাই। হয় সচিব প্ৰধানৰ সহকাৰী পৰ্য্যবেক্ষকসকল ভাৰতৰ অভিযোগত পতিয়ন যোৱা নাই, সেই কাৰণে প্ৰতিবেদন পঠোৱা নাই, নহয় ইচ্ছাকৃতভাৱেই ভাৰতৰ অভিযোগ ব্যক্ত কৰা হোৱা নাই। উ থাণ্টে

কৈছে যে যুদ্ধ-বিৰতি ভঙ্গ ঘনাই হ'ব ধৰিছে। গতিকে বহিঃবিশ্বত এতিয়া ধাৰণা হ'ব যে ভাৰতেই এই কাম কৰিছে। এনে আচৰণৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধ দৃঢ়তাৰে কৰিবই লাগিব। সচিব প্ৰধানৰ পক্ষপাতিত্বৰ আৰু প্ৰমাণৰ আৱশ্যক নাই। পাকিস্থানে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে; তেওঁলোকে পক্ষপাতদুষ্ট নিৰাপত্তা পৰিষদৰ আয়োগ এটা কাশ্মীৰলৈ পঠোৱাৰ প্ৰস্তাৱ কৰিছে আৰু বলেৰে নোৱাৰি ছলেৰে ৰাজনৈতিক মীমাংসালৈ অহাৰ বিননি জুৰিছে। এনে অৱস্থাত ভাৰতে চূড়ান্ত উত্তৰ স্পষ্ট ভাষাৰে দিয়ক।

## দস্যু বৃত্তি

পাকিস্থানৰ দস্যুবৃত্তিৰ যোগ্য উত্তৰ বোম্বাইত ডক বনুৱাসকলে দিছে। ইটালীয় জাহাজ এখনৰ পৰা প্ৰায় এক কোটি টকা মূল্যৰ পাকিস্থানী সামগ্ৰী ডক বনুৱাসকলে নমাই আনিছে। পাকিস্থানৰ অবৈধ কাৰ্য্যাৱলীৰ উত্তৰ এনেদৰেই দিব লাগিব। এই ক্ষেত্ৰত ভাৰত চৰকাৰে এতিয়াও সতৰ্কবাণী শুনাই থকাৰ পৰা একো লাভ নহয়। ইতিমধ্যে পাকিস্থানে জাহাজ আটক কৰি আমাৰ যিখিনি বয়-বস্তু জব্দ কৰিছে তাৰ মূল্য ২০ কোটিৰ পৰা ২৬.৬ কোটি টকা হ'ব বুলি কোৱা হৈছে. আমিও পাকিস্থানৰ জাহাজ জব্দ কৰি পাকিস্থানক শিক্ষা দিব লাগিব।

এই ক্ষেত্ৰত পাকিস্থানে বহুতো দেশৰ পৰা উৎসাহো পাইছে। গোৰ্ডেন অৱ কৰাচী নামৰ জাহাজখনৰ ভাৰতীয় বয়-বস্তুৰ ক্ষেত্ৰত বিচাৰৰ নামত চলা প্ৰহসনৰ কথা আমাৰ মনত আছে। ক'ৰবাত কিবা দুৰ্বলতা থকা দেখিয়েই জাহাজৰ কেপ্টেইনেও আদালতত কাগজ-পত্ৰ দেখুৱাবলৈ অস্বীকাৰ কৰি স্পৰ্দ্ধা দেখুৱাব পাৰিলে। এতিয়া চৰকাৰীভাৱে আৰু এটা বাতৰি পোৱা হৈছে। ভাৰতীয় বয়-বস্তু থাকিলে নিৰপেক্ষ দেশত বা ভাৰতত সেই বস্তু নমাইহে পাকিস্থানলৈ জাহাজ নিবৰ বাবে ভাৰতে জনোৱা অনুৰোধ ৰক্ষা কৰিছে নিৰপেক্ষ দেশৰ ৩৮ খন জাহাজে। সেই অনুৰোধ ৰক্ষা নকৰা জাহাজৰ সংখ্যা হ'ল ১৬ খন। ইয়াৰ ভিতৰত এখন আমেৰিকান জাহাজো আছে আৰু সেই জাহাজৰ পাকিস্থান-প্ৰীতিৰ ফলতে আমি বহুতো টকাৰ সামগ্ৰী হেৰুৱাবলগীয়া হ'ল।

এইবোৰ ঘটনাই আমাক ইয়াকো সোঁৱৰাই দিছে যে আমি জাহাজৰ ক্ষেত্ৰতো পৰনিৰ্ভৰশীলতা দূৰ কৰিব লাগিব। দ্বিতীয়তে বিদেশী জাহাজে আমাৰ যি দুৰ্বলতাৰ বাবে আজিও এনে দম্ভালি দেখুৱাব পাৰিছে, সেই দুৰ্বলতা দূৰ কৰি বিদেশী জাহাজৰ প্ৰতিও কঠোৰ মনোভাৱ ল'ব লাগিব। কিন্তু প্ৰথম কথা হ'ল— পাকিস্থানৰ উদ্ভণ্ডালিৰ প্ৰত্যুত্তৰ স্বৰূপে পাকিস্থানৰ অৰ্থনৈতিক জীৱন আমি পঙ্গু কৰি তুলিব লাগিব। পাকিস্থানে যি পথ দেখুৱাই দিছে সেই পথকে আমিও ল'ব লাগিব।

দেওবাৰ, ২৪ অক্টোবৰ, ১৯৬৫ চন

# কৃষি উৎপাদন

খেতি-বাতিত মাক-বাপেকক সহায় কৰিবলৈ উত্তৰ প্ৰদেশৰ এক কোটি ল'ৰা-ছোৱালীক স্কুলৰপৰা ছুটী দিয়া অথবা গুৱাহাটীত ঘৰে ঘৰে শাকৰ গুটি বিলাই কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ লোৱা ব্যৱস্থাৰ সাময়িক বা প্ৰচাৰমূলক মূল্য এটা থাকিলেও থাকিব পাৰে। দেশখন এনে সৰ্বাত্মক যুদ্ধত লিপ্ত হোৱা নাই যে সৰু ছাত্ৰ-ছাত্ৰীক স্কুলৰপৰা নি পথাৰৰ কামত লগাব লগা হৈছে। গাৱঁৰ ল'ৰা-ছোৱালীয়ে এনেয়েও খেতিত সহায় কৰে। আন হাতে নগৰৰ কিমান মানুহৰ বাৰী পাতিবপৰা মাটি আছে যে ফুলনি পতা দুই চাৰিজনে এবাৰলৈ লাই-লফা দুডালমান কৰি চাব পাৰে, কিন্তু তাৰপৰা বিশেষ সহায় একো নহয়।

ভাৰতৰ সমস্যা হৈছে খাদ্য বিষয়ত স্বাৱলম্বী হোৱা। মাৰ্কিন যুক্তৰাজ্যই নিজৰ কথাৰ বিপৰীতে গৈও খাদ্যৰ সাহায্য স্থগিত কৰাত আমাৰ হাহাকাৰ লাগিছে। আমাৰ নেতৃবৃন্দই বেয়াকৈ উপলব্ধি কৰিছে যে এই বিষয়ত পৰনিৰ্ভৰতা মাৰাত্মক ভুল। সেই বাবে প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীয়ে কৃষিৰ উৎপাদনত গুৰুত্ব দিবলৈ দেশবাসীক সিদিনাখন আহ্বান জনাইছে। পশ্চিমীয়া দেশৰপৰা পোৱা তিক্ত অভিজ্ঞতাৰপৰা চৰকাৰে এতিয়া খাদ্য সমস্যাৰ স্থায়ী সমাধান উলিওৱাহে উচিত হ'ব। আমি ওপৰত কোৱা দৰণৰ সাময়িক ব্যৱস্থাতে সন্তুষ্ট থাকিলে সদায়েই বিপন্ন হৈ থাকিব লাগিব। কেন্দ্ৰীয় খাদ্যমন্ত্ৰী শ্ৰীসুব্ৰমণিয়মে অহা পাঁচ বছৰৰ ভিতৰতে দেশখনৰ খাদ্যত স্বাৱলম্বী হ'ব বুলি কৈছে। কিহৰ বলত তেওঁ এই কথা কৈছে আমি নেজানো। কিন্তু মন্ত্ৰীৰ আশ্বাসে যে পেট নভৰায় এই অভিজ্ঞতা দেশবাসীৰ আছে। আমি পাহৰা নাই যে মাৰ্কিন যুক্তৰাজ্যৰ খাদ্য সাহায্যৰ ওপৰত নিৰ্ভৰ কৰি চলা খাদ্যমন্ত্ৰীও তেৱেঁই।

পৰিকল্পনা আয়োগে ১৯৬৫-৬৬ চনত কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে ৩৬ কোটি টকা ব্যয়ৰ এটা বিশেষ কাৰ্য্যসূচী মঞ্জুৰ কৰিছে। জল সিঞ্চন আৰু ক্ষিপ্ৰভাৱে উৎপন্ন হোৱা খেতিৰ ওপৰত এই কাৰ্য্যসূচী মতে জোৰ দিয়া হ'ব যেন লাগিছে। জল সিঞ্চনৰ সমস্যা এবছৰীয়া নহয়। যদি আৱশ্যক বোধ কৰা হৈছে তেন্তে ক্ষিপ্ৰ-অক্ষিপ্ৰ সকলো ধৰণৰ কৃষিৰে উৎপাদন বৃদ্ধিত মনোযোগ নিদিয়াৰো কাৰণ থাকিব নোৱাৰে।অৱশ্যে অহা বছৰত খাদ্য উৎপাদন আঁচনি ব্যাপক কৰা হ'ব বুলি আশা দিয়া হৈছে। উক্ত ৩৬ কোটি টকা ৰাজ্যসমূহক ঋণ হিচাপে দিয়া হ'ব। এই ঋণৰ উপযুক্ত ব্যৱহাৰ হ'ব লাগে। চাব লাগে যাতে ইয়াৰপৰা যি কাম হ'ব তাৰো ঋণো ৰাজ্য চৰকাৰসমূহে পৰিশোধ কৰে। ৰাজহুৱা ধনৰ অপচয়ৰ পৰিমাণ বঢ়াই যোৱাৰপৰা যেন দেশখন ৰক্ষা পৰে। ইতিমধ্যে দেশখনত খাদ্য উৎপাদন বৃদ্ধিৰ প্ৰতি এটা সজাগতা আহিছে; বিশেষকৈ অসমত চাৰিওফালে উন্নয়ন খণ্ড আৰু পঞ্চায়তসমূহৰ জৰিয়তে সাৰ-বিধান বিনামূলীয়াকৈ যোগান ধৰি উৎসাহ যোগোৱা হৈছে। ঠায়ে ঠায়ে ৰাইজে নিজেও সমূহীয়াকৈ বা গাইগুটীয়াভাৱে অধিক উ ৎপাদনৰ কাম হাতত লৈছে। এই উৎসাহক এটা স্থায়ী ৰূপ দিব পাৰিলে এটা ডাঙৰ কাম হ'ব। কিন্তু তাকে নকৰি যদি আঁচনি কাগজৰ বস্তুহে হৈ থাকে তেন্তে ৰাজহুৱা ধন পানীত পেলোৱাহে হ'ব। এইটো শীতকালীন খেতিৰ সময়,

উৎসাহিত ৰাইজে বজাৰলৈ অনা শাক-পাচলি যদি প্ৰয়োজনতকৈ বেছি হয়, তেন্তে তাৰ উপযুক্ত বজাৰৰো দিহা চৰকাৰে কৰি দিয়ক। সেইটো হ'ব বুলি আমি নেভাবো কাৰণ ১৯৬২ চনত কৃষি বিভাগে উৎপন্ন কৰা শাক-পাচলিয়ে এনেয়েই ভাল বজাৰ পাইছিল। শাক-পাঁচলিতকৈ ধান-ঘেঁহুৰ উৎপাদনতহে বেছি গুৰুত্ব দিব লাগে, কাৰণ প্ৰধান খাদ্যৰ বেলিকাহে আমাৰ বিপদ। অধিক শস্য উৎপাদনৰ এই এবছৰীয়া কাৰ্য্যসূচীৰ কৰ্মকুশলতাৰ ভেটিতে যাতে আমি স্থায়ী আঁচনি এখনৰ গঢ় দিব পাৰো, সেয়ে লক্ষ্য হোৱা উচিত।

## ফিজো প্ৰসঙ্গ

বিদ্ৰোহী নগাসকলৰ স্ব-নিৰ্বাসিত নেতা শ্ৰীজাপো ফিজোৰ লগত শান্তি মিছনৰ সম্ভাব্য আলোচনা প্ৰসঙ্গত চিন্তাৰ সোঁত অলপ সলনি হোৱা যেন বোধ হৈছে। শ্ৰীচলিহা আৰু শ্ৰীনাৰায়ণ লণ্ডনলৈ যোৱাতকৈ শ্ৰীফিজোকে ভাৰতলৈ আহিবলৈ দিব খোজা যেন দেখা গৈছে। তেওঁক আহিবলৈ দিয়াত ভাৰত চৰকাৰৰ আপত্তি নাই বুলি কোৱা হৈছে। শান্তি মিছনৰ নেতা দুজনক লণ্ডনলৈ যাবলৈ দিয়াতকৈ এইটো অপেক্ষাকৃতভাৱে কম ক্ষতিজনক ব্যৱস্থা বুলি আমি ভাবো। শ্ৰীফিজোৱে তেওঁৰ বক্তব্য এই দেশৰ মাটিতে জনাওকহি, ভাৰত চৰকাৰে যেতিয়া নগা সমস্যাটোক ভাৰতৰ আভ্যন্তৰীণ সমস্যা বুলিয়েই ভাবিছে। কিন্তু শ্ৰীফিজোৰ ওপৰত অযথা গুৰুত্ব আৰোপ কৰি থকাৰ আমি পক্ষপাতী নহওঁ। চৰকাৰৰ পক্ষৰ পৰাও সময়ে সময়ে কৈ থকা হৈছে যে বিদ্ৰোহীসকলৰ মাজত ভাঙনে দেখা দিছে আৰু শ্ৰীফিজোৰ অনুগামী নিতান্ত কমি আহিছে। অলপতে তেওঁৰ ভায়েকেও তেওঁক লণ্ডনত লগ কৰি আহিছেগৈ। গতিকে তেওঁৰ মনোভাব শান্তি মিছন বা চৰকাৰ কাৰো অজ্ঞাতে থকা নাই। গতিকে তেওঁৰ আৰু কি ক'বলগীয়া থাকিব পাৰে? আমাৰ বোধেৰে গোটেই প্ৰক্ৰিয়াটো ৰেভাৰেণ্ড মাইকেল স্কটৰ সৃষ্টি। তেওঁৰ মধ্যস্থতাৰ কাৰণেই তথাকথিত নগা ফেডাৰেল চৰকাৰকো শান্তি মিছনে আৰু আওপকীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে অযথা গুৰুত্ব দিছে। এসময়ত তেওঁক নগাপাহাৰত সোমাবলৈ অনুমতি দিয়া নহৈছিল; স্বগীয় নেহৰুৰ দিনৰ চৰকাৰে বোধকৰো এইটো ভাল কামেই কৰিছিল। এতিয়াও অশান্তিৰ সুযোগ লৈ বিদ্ৰোহীসকলে অস্ত্ৰ-সম্বৰণৰ ক্ষেত্ৰত অনমনীয় মনোভাৱ দেখুৱাইছে; তেওঁলোক নিশ্চয় প্ৰৰোচিত হৈছে। গতিকে ৰেভাৰেণ্ড স্কটৰ ওপৰতো কঠোৰতা অবলম্বন কৰা উচিত। শ্ৰীফিজোৰ সৈতে সংযোগ ৰক্ষা কৰি তেওঁ নগা সমস্যাৰ মীমাংসাত বাধা জন্মাই আছে। তথাপি শেষবাৰৰ কাৰণে শ্ৰীফিজোৱে তেওঁৰ মনোভাব জনাই যাওঁক আৰু তাৰ পৰা একো ফল নধৰিলে ভাৰত চৰকাৰে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰক।

বৃহস্পতিৰবাৰ, ২৮ অক্টোবৰ, ১৯৬৫ চন

# পৰ্য্যবেক্ষক মিছন

সন্মিলিত ৰাষ্ট্ৰসংঘৰ ভাৰত-পাকিস্থান পৰ্য্যবেক্ষক মিছনৰ ক্ষেত্ৰত সচিবপ্ৰধানে চলোৱা কাৰ্য্যকলাপৰ ক্ষেত্ৰত ছোভিয়েট ইউনিয়নে পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশ্যে সমালোচনা উত্থাপন কৰিছে। লগতে ফ্ৰান্সেও আপত্তি জনাইছে। এই বিষয়টোৰ ক্ষেত্ৰত মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ছোভিয়েট ৰুছিয়া আৰু ফ্ৰান্সৰ মাজত হোৱা ঘৰুৱা আলোচনাত মতভেদ হোৱাৰ বাতৰি অৱশ্যে ইতিমধ্যে প্ৰকাশ পাইছিল। কিন্তু এনে প্ৰকাশ্য ধৰণে নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ আসনত থকা দুখন দেশে বিৰোধী মত প্ৰকাশ কৰা এয়ে প্ৰথম।

যিহেতু এই দুয়োখন দেশ ভেটো ক্ষমতাৰ অধিকাৰী, সেইদেখি এই বিৰোধিতা আমাৰ কাৰণে ৰক্ষাকৱচ স্বৰূপ হ'ব। সচিবপ্ৰধানে পৰ্য্যবেক্ষক মিছনৰ ক্ষেত্ৰত লোৱা বিভিন্ন ব্যৱস্থাৰ ক্ষেত্ৰত আমাৰ কাৰণে আপত্তিৰ থল আছে। নিৰাপত্তা পৰিষদৰ কোনো প্ৰস্তাৱে কৰ্তৃত্ব নিদিয়া সত্বেও সচিবপ্ৰধানে পৃথক পৰ্য্যবেক্ষক দল এটা গঠন কৰিলে। এই দলৰ বাছনি আদি কোনো ক্ষেত্ৰতে সচিবপ্ৰধানে ভাৰতৰ সৈতে পৰামৰ্শ কৰা নাই। তদুপৰি এইদলটোৰ নামকৰণৰ যোগেদিও আক্ৰমণকাৰী আৰু আক্ৰান্ত পক্ষক সমপৰ্য্যায়ত ধৰাৰ চতুৰ প্ৰচেষ্টা এটা চলোৱা হয়. সিমানখিনি কৰিও মাৰ্কিন যুক্তৰাজ্য আৰু বৃটেইনে তাৰ পিচত পৰ্য্যবেক্ষক দল সংক্ৰান্ত সকলো (দায়িত্ব সচিবপ্ৰধানৰ হাতত ন্যস্ত) কৰাৰ (অৰ্থাৎ নিজৰ আছুতীয়া দায়িত্বলৈ নিয়াৰ) চেষ্টা চলালে।

ফ্ৰান্সে এই ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগ নবঢ়ালে; সেইখন দেশৰ যুক্তি হ'ল নিৰাপত্তা পৰিষদৰ হাততহে সম্পূৰ্ণ দায়িত্ব থাকিব লাগে। ছোভিয়েট ইউনিয়নে তাতকৈ বহল গণ্ডীত আপত্তি জনাইছে। ছোভিয়েট ইউনিয়নৰ মতে সচিবপ্ৰধানে কৰ্তৃত্ব নোহোৱাকৈ নতুন পৰ্য্যবেক্ষক দল গঠন কৰিছে আৰু নাটো শক্তিৰ লোকৰ যোগেদি এই দল গঠন কৰা হৈছে। লগতে কোৱা হৈছে এই পৰ্য্যবেক্ষক দলৰ সংখ্যা নিৰ্দিষ্ট হ'ব লাগে আৰু তিনিমহীয়া মিয়াদ বান্ধি দিব লাগে। মাৰ্কিন আৰু বৃটিছ ষড়যন্ত্ৰই এই বাধা পোৱাত আমি উৎসাহ পাইছো। কিয়নো যি কোনো প্ৰকাৰে এই ষড়যন্ত্ৰ ব্যৰ্থ কৰিবই লাগিব। কাশ্মীৰত বিদেশী বাহিনী স্থাপন কৰাৰ যি অসৎ উদ্দেশ্য মাৰ্কিন আৰু বৃটিছ পক্ষই বহুত দিনৰ পৰা পোষণ কৰি আহিছিল বৰ্তমান ষড়যন্ত্ৰই তাকে বাস্তৱৰূপ দিবলৈ চেষ্টা চলাইছে।

# প্ৰশ্ন কাকতৰ ভাষা

উত্তৰ যিটো ভাষাত বিচৰা হয়, সেই ভাষাৰে প্ৰশ্ন কৰাটো এটা সাধাৰণ যুক্তিৰ কথা। সেই বিষয়ে তৰ্কৰ থলেই বা ক'ত?

বৰ্তমানে অসমত হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষালৈকে মাতৃভাষাৰে ছাত্ৰসকলক পঢ়ুৱা হয়। দুই এখন চুবুৰীয়া ৰাজ্যত আনকি ডিগ্ৰী পৰ্য্যায়লৈ মাতৃভাষাৰে পাঠদানৰ ব্যৱস্থাও কৰা হৈছে আৰু সাধাৰণ যুক্তিৰ ভেটিতে প্ৰশ্নকাকতো মাতৃভাষাত কটা হয়। কিন্তু অসমত মাতৃভাষাৰে উত্তৰ দিয়াৰ ব্যৱস্থা হৈছে যদিও

গণিত, বুৰঞ্জী, ভূগোল স্বাস্থ্যবিজ্ঞান আদি বিষয়ৰ প্ৰশ্ন কাকত ইংৰাজীতহে কটা হয়। ফলত এচাম ছাত্ৰই ভালদৰে প্ৰশ্ন নুবুজি বা ভুল বুজি অশুদ্ধ উত্তৰ লিখা দেখা যায়। ওপৰে ওপৰে চালে কথাটো সাধাৰণ যেন লাগিলেও, প্ৰকৃততে এনে ভুল বুজাৰ সম্ভাৱনা থকাটো কোনো অভিজ্ঞ শিক্ষকে অস্বীকাৰ কৰিব নোৱাৰে।

এই বিষয়ে এটা কথা কোৱা শুনা যায় যে— এনেদৰে মাতৃভাষাত প্ৰশ্ন কাটিবলৈ হ'লে, ভিন ভিন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেবাটাও ভাষা-উপভাষাত প্ৰশ্ন কাটিব লাগিব; ফলত প্ৰশ্ন কাকতৰ সংখ্যা আদি ঠিক ৰখাত বেমেজালি হব পাৰে আৰু শিক্ষাবোৰ্ড বা শিক্ষাবিভাগৰ ছপা খৰচ বাঢ়িব। বেমেজালি হোৱাৰ ভয়ৰ কোনো যুক্তি নেখাটে কাৰণ পৰীক্ষা চলোৱাৰ ক্ষেত্ৰত নিম্ন খাপৰ পৰা বিশ্ববিদ্যালয়লৈকে এতিয়াও এশ এটা বেমেজালি আছেই, যেনে— প্ৰশ্নকাকত ঠিক সময়ত নোপোৱা, ভুলকৈ পিচদিনাৰ প্ৰশ্নকাকত আগদিনাখন বিলাই দিয়া, পৰীক্ষাৰ ভুল ফলাফল ঘোষণা কৰা আদি। এইবেলি আকৌ হাইস্কুল লিভিং চাৰ্টিফিকেট ছাপ্লিমেণ্টৰী পৰীক্ষাত পাছ কৰা কিছুমান ছাত্ৰক কলেজত বৰ্ত্তি কৰাৰ পিচত এতিয়া বোলে বিশ্ববিদ্যালয়ে জনাই দিছে এনেদৰে পাছ কৰা ছাত্ৰক পিচৰ বছৰতহে কলেজত ভৰ্ত্তি কৰা হ'ব পাৰে। এনে অৱস্থাত, ইতিমধ্যে কলেজত ভৰ্ত্তি হোৱা ছাত্ৰসকলৰ অযথা ভৰণি, সময় নষ্ট আদিৰ কথাকেবা ভাবিছে কোনে? গতিকে একেখন প্ৰশ্ন কাকত একাধিক ভাষা-উপভাষাত ছপালে সংগ্ৰহ বিতৰণ আদিত অধিক কিবা বেমেজালি ঘটিব পাৰে বুলি আমাৰ বিশ্বাস নহয়।

দ্বিতীয়তে অধিক খৰচ; — এই যুক্তিও তেনেই তৰাং; সংখ্যালঘু ভাষা-ভাষীসকলৰ বাবে ৰাজ্য চৰকাৰে আচুতীয়াকৈ যথেষ্ট অতিৰিক্ত খৰচ বহন কৰিছে, কৰাৰ যুক্তিও হয়তো আছে। তেনেদৰে ৰাজ্যভাষা-ভাষীৰ লগতো সেই সংখ্যালঘু ভাষা-ভাষীসকলৰো ল'ৰা-ছোৱালীৰ উপকাৰৰ অৰ্থে এইখিনি ওপৰঞ্চি ব্যয় শিক্ষাবোৰ্ডে গ্ৰহণ কৰিব পাৰে, কৰা উচিত। আমাৰ শিক্ষা ব্যৱস্থা, পাঠ্যপুথি আদিৰ উন্নয়নকল্পে কেইমাহমান আগতেও মাধ্যমিক শিক্ষাবোৰ্ডে বহু টকা দৰমহাৰে কেবাটাও নতুন চাকৰিৰ সৃষ্টি কৰিছে। এই ব্যয় ৰাহি কৰিবলৈ আমি নকওঁ। তেনদৰে যিসকলৰ বাবে এনেবোৰ ব্যয়বহুল পদবীৰ নকৈ সৃষ্টি হ'ল, সেই দেশৰ ভৱিষ্যত নাগৰিকসকলৰ সুবিধাৰ কাৰণে মাতৃ ভাষাত প্ৰশ্ন কাটিলে হোৱা ব্যয়ৰ আধিক্যকো তুলনামূলকভাৱে আমি নগণ্য বুলিয়েই ক'ব খোজো।

আমি যিকোনো সমস্যাৰে সমাধান উলিয়াই সেই বিষয়ে আশু ব্যৱস্থা লোৱাত অনিশ্চয়তাৰ মনোভাৱ দেখুৱাই অহা কাৰণে তাৰেপৰাই পালি-সমস্যা কিছুমানে লাহে লাহে পোখা মেলা দেখা যায়। ৰাষ্ট্ৰভাষা, ৰাজ্যভাষা, সংখ্যালঘুৰ ভাষা আদিৰ স্থান সম্পৰ্কে সকলো সিদ্ধান্ত হোৱাৰ পিচতো যদি প্ৰশ্ন কাকতৰ ভাষাৰ দৰে সাধাৰণ কথা এটাৰ বিষয়ে থিৰ কৰিবলৈও আন্দোলনৰ পৰিস্থিতিহে গঢ়ি তুলিব লাগে— তাতকৈ পৰিতাপৰ বিষয় কি হ'ব পাৰে?

স্কুলৰ প্ৰধান শিক্ষক আঞ্চলিক শিক্ষাবোৰ্ডে এই বিষয়ে একপক্ষীয়ভাৱে সিদ্ধান্ত লৈ গাইগুটীয়াভাৱে মাতৃভাষাৰ প্ৰশ্ন কাটিব পাৰে, আৰু কৰবাত কৰবাত কাটিবলৈ ধৰিছেও হেনো। কিন্তু এই ছাত্ৰ-ছাত্ৰীসকলে দশম শ্ৰেণীলৈ অসমীয়া প্ৰশ্নকাকতৰ উত্তৰ লিখি শেষত গৈ হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত ইংৰাজী প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। তেনে বিবেচনাৰে মাধ্যমিক স্কুলবোৰত বৰ্ত্তমানৰ ইংৰাজী প্ৰশ্নৰ উত্তৰ দিয়া অভ্যাসেই তুলনামূলকভাৱে তেওঁলোকক কম সুবিধাত পেলাব। কিন্তু অসুবিধা দুয়ো ক্ষেত্ৰতে থাকিব— সেইটো ঠিক।

মাতৃভাষাৰ মৰ্য্যাদা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহানুভূতিশীল হৈ পশ্চিম গোলাঘাট আঞ্চলিক বোৰ্ডে প্ৰশ্ন মাতৃভাষাত কাটিবলৈ লৈছে আৰু লগতে আন স্কুল আৰু আঞ্চলিক বৰ্ডেও তেনে কৰি মাধ্যমিক শিক্ষা বোৰ্ডক হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ সকলো প্ৰশ্ন কাকত (ইংৰাজী, হিন্দী আদিৰ বাহিৰে) মাতৃভাষাত কাটিবলৈ বাধ্য কৰাৰ পৰিস্থিতি এটি গঢ়ি তুলিবলৈ আহ্বান জনাইছে। চাবলৈ গ'লে এয়াও এটা আন্দোলন গঢ়ি তোলাৰ দৰেই কথা নহয়জানো?

সকলো ক্ষেত্ৰতে ৰাইজৰ আন্দোলন একোটাত ভেজা দিহে কিবা এটা পূৰণি ব্যৱস্থা সলনি বা নতুন সজব্যৱস্থা প্ৰৱৰ্ত্তন কৰালৈকে বাৰু আমাৰ প্ৰশাসন ব্যৱস্থা বা অৰ্দ্ধচৰকাৰী প্ৰতিষ্ঠান আদিয়ে অপেক্ষা কৰি থাকে কেলৈ ক'ব নোৱাৰো 'চাপৰিলে মেঘ নেৰায়'— সমস্যা হ'লে সাহসেৰে সিদ্ধান্ত ল'বলৈকে প্ৰশাসন যন্ত্ৰৰ সৃষ্টি বুলি আমি ভাবো। গতিকে এই ক্ষেত্ৰতো আজি দেশৰ এশএবুৰি কঠোৰ সমস্যাৰ মাজত এনেবোৰ সৰুসুৰা কথাত মিছাকৈ জোঁট নলগাই শিক্ষা বিভাগ আৰু মাধ্যমিক শিক্ষা বোৰ্ডে নিজৰ পিনৰ পৰাই তৎপৰ হৈ মাতৃভাষাত উত্তৰ বিচৰা পৰ্য্যায়লৈ প্ৰশ্ন কাকতবোৰ মাতৃভাষাতে কটাৰ ব্যৱস্থা লবলৈ আগবাঢ়ি অহা উচিত।

শুকুৰবাৰ, ২৯ অক্টোবৰ, ১৯৬৫ চন

# প্ৰধানমন্ত্ৰী শাস্ত্ৰীলৈ ওলগ

ভাৰতৰ স্বাধীনতা, অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ দুৰ্যোগপূৰ্ণ সময়ছোৱাত যিজন লোকে পঞ্চল্লিছ কোটি দেশবাসীক নিৰ্ভুল আৰু নিৰ্ভীক নেতৃত্ব দি ভাৰতীয় জাতিৰ সন্মান আৰু অস্তিত্ব ৰক্ষা কৰিলে, সেইজন মহান ব্যক্তি, ভাৰতৰ সুযোগ্য প্ৰধানমন্ত্ৰী শ্ৰীলালবাহাদুৰ শাস্ত্ৰীক আজি গুৱাহাটীত আদৰণি জনাবলৈ পাই স্বাভাৱিকতে স্থানীয় ৰাইজ তথা অসমবাসী অতি আনন্দিত হৈছে। স্বাধীনতা লাভৰ পাচত, '৬২ চনৰ চীনা আক্ৰমণ আৰু এই বছৰৰ পাকিস্থানী আক্ৰমণ ভাৰতীয় ইতিহাসৰ সংকটপূৰ্ণ ঘটনা— ভাৰতীয় জাতিৰ কঠিন পৰীক্ষাৰ সময়। জৱাহৰলাল নেহৰুৰ পৰলোকগমনৰ পাচত ভাৰতৰ সমুখত দেখা দিয়া এইবাৰৰ পাকিস্থানী আক্ৰমণৰ সংকটত ভাৰতীয় জাতিয়ে ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষা কৰিব নোৱাৰিব বুলিয়েই হয়তো বহুতে, বিশেষকৈ পাকিস্থানক সৰ্বতোভাৱে পৰোক্ষ সাহায্য দিয়া পশ্চিমীয়া বৃহৎ শক্তি দুটাই আশা কৰিছিল। কিন্তু পাকিস্থানৰ কাশ্মীৰ গ্ৰাস সম্ভৱ হৈ নুঠিল। এজন বিচক্ষণ আৰু সৎসাহসী নেতা শ্ৰীশাস্ত্ৰীৰ নেতৃত্বই বিশ্বক প্ৰমাণ কৰি দেখুৱালে যে— ভাৰতীয় জাতি এক। আভ্যন্তৰীণ বিবাদ থাকিলেও বিদেশী শত্ৰুৰ সন্মুখত ভাৰতৰ জনতা ঐক্যবদ্ধভাৱে থিয় দিয়াটো বদ্ধপৰিকৰ। তেওঁ বিশ্বক আজি স্পষ্ট ভাষাৰে জনাই দিব পাৰিছে যে ভাৰতৰ দাবী বিশ্বই উপলব্ধি কৰা উচিত।

প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে দেশবাসীৰ অকুণ্ঠ সমৰ্থন লাভ কৰিছে। অসমো তাৰ ব্যতিক্ৰম নহয়। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসম প্ৰধানমন্ত্ৰী শাস্ত্ৰীৰ নেতৃত্বত প্ৰতিৰক্ষাৰ কাৰণে প্ৰস্তুত হৈছে। প্ৰতিৰক্ষা পুঁজিৰ বাবে দান-বৰঙণি আগবঢ়াবলৈ অসমবাসীয়ে অকণো কাৰ্পণ্য কৰা নাই। গুৱাহাটীত শ্ৰীশাস্ত্ৰীৰ হাতত প্ৰতিৰক্ষা পুঁজিৰ বাবে পূৰ্বতে ২০ লাখ টকা অৰ্পণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও এতিয়া তাৰ আঢ়ৈগুণ

অৰ্থাৎ ৫০ লাখ টকা ইতিমধ্যে সংগৃহীত হৈছে আৰু তেওঁক হয়তো ৫৫ লাখ টকা দিব পৰা যাব বুলি আশা কৰা গৈছে।

আমাৰ বিপদ এতিয়াও আঁতৰ হোৱা নাই— এতিয়াও আমি বিৰাট অনিশ্চয়তাৰ মাজত থাকিব লগা হৈছে; আমি আত্ম-তুষ্টি লাভ কৰিব নোৱাৰো— প্ৰতিৰক্ষা ব্যৱস্থা শিথিল কৰিব নোৱাৰো। ভাৰতৰ ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত, বিদেশী শত্ৰুভাৱাপন্ন দেশৰ সীমাত থকা অসমৰ গুৰুত্ব স্বাভাৱিকতে বেছি। এটা সুখৰ কথা যে শাস্ত্ৰী চৰকাৰে এই বিষয়ত যথেষ্ট সতৰ্কতা অৱলম্বন কৰা দেখা গৈছে।

অসমৰ সীমান্ত ৰক্ষাৰ কাৰণে যথেষ্ট দায়িত্ব বহন কৰিব লাগিব। কিন্তু তাৰপৰা কেন্দ্ৰীয় চৰকাৰে অব্যাহতি পোৱাৰো উপায় নাই— কাৰণ অসমক ভাৰতৰ মানচিত্ৰৰ পৰা বাদ দিব নোৱাৰি। পূব সীমান্তৰ নিৰাপত্তাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে নিজে হাতত লোৱাৰ আঁচনিয়ে অসমক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা গৈছে। এই ৰাজ্যলৈ এতিয়াও অনুপ্ৰৱেশকাৰী অহা আৰু পশ্চাৎঘাটী পাকিস্থানীৰ সমস্যা আছে। এই গোপন শত্ৰুদলক সীমান্তত আৰু ৰাজ্যৰ ভিতৰত কৰায়ত্ত কৰাৰ সম্পৰ্কত বিশেষ তৎপৰতা অৱলম্বন কৰিব লগা হৈছে।

অসমৰ সীমান্তৰ প্ৰসঙ্গত নগালেণ্ড ৰাজ্যৰ বিদ্ৰোহী সমস্যাটোও মনোযোগ দিব লগা বিষয়। নগা বিদ্ৰোহী দলৰ লগত এটা আপোচ হ'লে চালুকীয়া নগালেণ্ড ৰাজ্যৰ লগতে অসমৰ কাৰণেও মঙ্গলৰ কথা। কিছুদিনৰ ঘটনাৱলীয়ে এই বিষয়ত আপোচ-মীমাংসাৰ আশা দেখুৱাইছে যদিও শাস্ত্ৰী চৰকাৰে দৃঢ়তা অৱলম্বন কৰিব লগা আছে। ভাৰতীয় ইউনিয়নৰ ভিতৰত থাকিহে নগাসকলে বিশেষ সুযোগ সুবিধা পাব লাগিব। সেইদৰে উত্তৰ-পূব সীমান্ত অঞ্চলৰ ক্ষেত্ৰতো এটা সুস্থিৰ নীতিৰ প্ৰয়োজন। নেফাৰ জনসাধাৰণক অনিৰ্দ্দিষ্ট কাললৈ আছুটীয়াকৈ ৰখাৰ কোনো যুক্তি থাকিব নোৱাৰে।

প্ৰধানমন্ত্ৰী স্বৰূপে এইবাৰেই পোন প্ৰথম অসমলৈ আহিলেও শ্ৰীশাস্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ সদস্য আৰু ৰাষ্ট্ৰীয় কংগ্ৰেছৰ নেতা স্বৰূপে একাধিকবাৰ এই ৰাজ্য ভ্ৰমণ কৰিছে, সেই কাৰণে ৰাজ্যখনৰ বহুমুখী সমস্যাৰ লগত অচিনাকি নহয়। অসমৰ এটা ঘৰুৱা প্ৰশ্ন— পাৰ্বত্য অঞ্চলৰ কাৰণে এখন সুকীয়া ৰাজ্যৰ দাবী ভালে দিনৰ পৰা তোলা হৈছে। এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে নিশ্চয় উপলব্ধি কৰিছে যে স্কটলেণ্ড আৰ্হিৰ নামত ৰাজ্যখনৰ ভিতৰতে আন এখন ৰাজ্য গঢ়ি উঠিলে অসমৰ মঙ্গল নহয়।

আমি প্ৰধানমন্ত্ৰী শাস্ত্ৰীক এইবাৰৰ আগমনত বিশেষকৈ অসমৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰাৰ সুযোগ লৈছোঁ। ৰাজ্যখনৰ আৰ্থিক পৰিস্থিতি বেয়া হ'লে প্ৰতিৰক্ষামুখী পৰিকল্পনা কাৰ্য্যকৰী কৰাতো অসুবিধাৰ সৃষ্টি হ'ব। সেই কাৰণে পৰিকল্পনাৰ ব্যয় নিৰ্দ্ধাৰণ, কেন্দ্ৰীয় আয়ৰ বিতৰণৰ ক্ষেত্ৰত অসমৰ প্ৰতি বিশেষ মনোযোগ দিয়া হব বুলি আমি আশা কৰিছোঁ। এই ৰাজ্যখনৰ ঔদ্যোগিক উন্নয়নৰ প্ৰতিও কেন্দ্ৰীয় চৰকাৰেই মনোনিৱেশ কৰা আৱশ্যক হৈ পৰিছে। বেচৰকাৰী খণ্ডৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ দ্ৰুত উদ্যোগিকৰণ সম্ভৱ নহয়। অসমত প্ৰাকৃতিক সম্পদ আছে কিন্তু তাক কামত লগাবলৈ কাৰিকৰী জ্ঞান আৰু মূলধনৰ অভাৱ। চৰকাৰী খণ্ডত উদ্যোগ প্ৰতিষ্ঠিত হ'লে থলুৱা লোকৰ নিবনুৱা সমস্যাও যথেষ্ট

পৰিমাণে সমাধান হ'ব পাৰে।

কিন্তু উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আটাইতকৈ দৰকাৰী কথা— সংযোগ আৰু পৰিবহন ব্যৱস্থা। সংযোগ আৰু পৰিবহন ব্যৱস্থাৰ উন্নতি সাধন নহ'লে যিকোনো খণ্ডৰ উদ্যোগ কৃতকাৰ্য্য নহয়। সেই কাৰণেই অসমে, অন্ততঃ গুৱাহাটীলৈকে ব্ৰডগজ ৰেলপথ সম্প্ৰসাৰণ, গঙ্গা-ব্ৰহ্মপুত্ৰ খাল খনন আৰু বৃহৎ বন্দৰ নিৰ্ম্মাণৰ দাবী তুলি আহিছে। প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীয়ে অসমৰ বিশেষ পৰিস্থিৰ প্ৰতি লক্ষ্য ৰাখি এই কেইটা বিষয়ত অগ্ৰাধিকাৰ দিব বুলি অসমৰ ৰাইজে বাঞ্ছা কৰে। সেইদৰে ৰাজ্যখনৰবানপানী সমস্যাটোৰ এটা স্থায়ী সমাধানৰ প্ৰশ্নটোও সোনকালে মীমাংসা কৰা হ'ব বুলি আশা কৰা হৈছে।

অসমে নিজৰ বানপীড়িত ভগনীয়াৰ সমস্যা থকা সত্বেও পাকিস্থানৰ ভগনীয়া সংস্থাপনত পাৰ্য্যমানে কেন্দ্ৰীয় চৰকাৰৰ লগত সহযোগ কৰি আহিছে। কিন্তু থলুৱা লোকক সংস্থাপন কৰাটো অসম চৰকাৰৰ প্ৰধান দায়িত্ব। এই দায়িত্ব কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰিব বুলিও আমি আশা ৰাখিছোঁ।

প্ৰধানমন্ত্ৰী শাস্ত্ৰী জনতাৰ লোক। তেওঁ নিশ্চয় উপলব্ধি কৰিছে যে প্ৰত্যেকজন ভাৰতবাসীয়েই মানুহৰ দৰে জীয়াই থাকিবলৈ সুযোগ-সুবিধা পাব লাগিব। এই মহান নেতাজনক আমাৰ আন্তৰিক অভিনন্দন জনোৱাৰ লগতে আমি আশা কৰিছোঁ তেওঁৰ নেতৃত্বত সেই সুযোগ-সুবিধা লাভ কৰিব বুলি অসমবাসী নিশ্চিত হ'ব পাৰিব।

শনিবাৰ, ৩০ অক্টোবৰ, ১৯৬৫ চন

# আমাৰ সচেতনতা

নিৰাপত্তা পৰিষদত পাকিস্থানৰ বৈদেশিক মন্ত্ৰী শ্ৰীভূট্টোৱে অসভ্যালি কৰাৰ ফলত এটা উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছে। এই অৱস্থাত আমাৰ বিশেষ সতৰ্কতাৰ প্ৰয়োজন। শ্ৰীভূট্টোৱে হঠাৎ খঙৰ ভমকত এনে অভদ্ৰ আচৰণ কৰা নাই; ভাবি-চিন্তি পৰিকল্পিতভাৱেই আগবাঢ়িছে। তেওঁৰ উদ্দেশ্য হ'ল ভাৰতক প্ৰৰোচিত কৰা আৰু পাৰিলে ভাৰতত সাম্প্ৰদায়িকতাৰ বিষবাষ্প মেলি দিয়া। পাকিস্থান আৰু ভাৰতৰ মাজত ঘটি যোৱা সংঘৰ্ষৰ সময়ছোৱাত ভাৰতত যি ঐক্য সদ্ভাৱ পৰিলক্ষিত হ'ল সেয়ে আমাৰ অন্তৰ জুৰ পেলালেও আৰু আমাৰ বুকুত অসীম সাহস আৰু উৎসাহ চপাই দিলেও পাকিস্থান তেনেই হতাশ হৈছে। সেই দেখি শ্ৰীভূট্টোৱে এই অভিনৱ উদ্যম হাতত লৈছে। এনে স্থলত আমাৰ বিশেষ সতৰ্কতাৰ প্ৰয়োজন। আমি পাকিস্থানৰ জালত ভৰি দিয়াটো শ্ৰীভূট্টোৱে যিমানেই কামনা নকৰক— ভাৰত সততে নিজৰ দায়িত্বৰ সম্পৰ্কত সচেতন হৈ থাকিব লাগিব।

সেইদেখি প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীয়ে ইতিমধ্যে দেশবাসীক সচেতন কৰি দিয়াটো সময়োপযোগী হৈছে। শ্ৰীশাস্ত্ৰীয়ে কৈছে যে পাকিস্থানৰ গালিৰ উত্তৰ গালিৰে দিয় নহ'ব— অস্ত্ৰৰ শক্তিৰেহে দিয়া হ'ব। এই কথাষাৰক আমি দিক-দৰ্শক হিচাপে ধৰিব লাগিব। সেইদেখি পাকিস্থানৰ অভদ্ৰ বৈদেশিক মন্ত্ৰীৰ অশোভনীয় উক্তিৰ সমুখত আমি সংযম ৰক্ষা কৰিব লাগিব। অৱশ্যে সেই সংযম যদি নেতিবাচক হয়, তেন্তে ই আমাৰ

কাপুৰুষালিৰহে প্ৰতীক হ'ব। আমাৰ সংযম হ'ব লাগিব ধনাত্মক। আমি ধানখেৰৰ জুইৰ দৰে উত্তপ্ত হ'লে নহ'ব। অধিকতৰ কঠোৰ পৰীক্ষাৰ বাবেহে সাজু হ'ব লাগিব। তাৰ বাবে লাগিব আমাৰ সৰ্বাত্মক প্ৰস্তুতি।

সেই প্ৰস্তুতিৰ পথত আমাৰ চৰকাৰে চিন্তা কৰিবলগীয়া আৰু বহুতো কথা অৱশ্যে আছে। নিৰাপত্তা পৰিষদৰ ৰেহৰূপৰ পৰা এটা কথা সুস্পষ্ট হৈ পৰিছে যে পাকিস্থানে এতিয়া পৰিষদৰ পৰা অধিক প্ৰশ্ৰয় পাইছে। নিৰাপত্তা পৰিষদক নাকত ধৰি চাকত ঘূৰোৱা মাৰ্কিন যুক্তৰাজ্য আৰু বৃটেইনে আমাৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ সকলো ধৰণে চেষ্টা কৰিছে। সেইদেখি এই দুখন দেশৰ সম্পৰ্কত আমি এটা খাটাং সিদ্ধান্ত লোৱাৰ সময় হ'ল। ফটা কঁথা তিতে মানে গালৈহে গধুৰ। সেই কথা পাহৰিলে নচলিব। আমি জানো যে বৃটেইনৰ পৃষ্ঠপোষকতাত আমাৰ দেশত এটা বিৰাট ন্যস্ত স্বাৰ্থ গঢ়ি উঠিছে। সেই ন্যস্ত স্বাৰ্থই ইতিমধ্যে বৃটেইনৰ স্তুতিপাঠ আৰম্ভ কৰিছে। বৃটেইন আৰু বৃটিছ কাকতৰ ভূমিকাৰ গুৰুত্ব পাতলাই দেখুৱাবলৈ আৰু কমনৱেলথ ত্যাগ কৰা আন্দোলন বন্ধ কৰাৰ পোষকতা কৰিবলৈ কিছুমান মহলে বিশেষ তৎপৰতা দেখুৱাইছে। আনহাতে মাৰ্কিন যুক্তৰাজ্যই আমাৰ প্ৰতি চৰম অপমানজনক আচৰণ দেখুওৱাৰ সময়তে শ্ৰীএছ-কে পাটিল মাৰ্কিন চৰকাৰৰ লগত আলোচনা কৰিবলৈ ৰাওনা হোৱাৰ আৱশ্যকতা সৰ্বসাধাৰণৰ দৃষ্টিকোণৰ পৰা বোধগম্য নহয়।

সেইদেখি নতুন দৃঢ়তাৰে দেশক গৌৰৱান্বিত কৰা আমাৰ প্ৰধানমন্ত্ৰীৰপৰা আমি ইয়াকো আশা কৰো যে এনেবোৰ বৰমূৰীয়া শক্তিৰ লগত থকা সম্পৰ্কৰ নতুন মূল্যাংকন কৰি যেন হেঁচা ওফৰাই দিবৰ বাবে প্ৰধানমন্ত্ৰীয়ে পিন্ধা বৰ্ম আৰু সুদৃঢ় কৰি তোলা হয়।

## সীমান্তত প্ৰচাৰ

সীমান্ত অঞ্চলসমূহত প্ৰচাৰ ব্যৱস্থাৰ উন্নতি সধাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিবিধ ব্যৱস্থা হাতত লৈছে। এই সম্পৰ্কত কেন্দ্ৰীয় সমিটী এখনেও কেতবোৰ দিহা পৰামৰ্শ আগবঢ়াইছে। কমিটীখনে যানবাহন আৰু প্ৰচাৰ সম্পৰ্কীয় আহিলা-পাতি যোগান ধৰা আৰু প্ৰচাৰৰ কামত নিয়োজিত লোকক প্ৰশিক্ষণ দিয়াৰ ওপৰত বিশেষ গুৰুত্ব দিছে। এইটো নিশ্চয় অগ্ৰাধিকাৰ দিবলগীয়া বিষয়। আধুনিক সা-সঁজুলিৰ অভাৱে সুনিশ্চিতভাৱে বিভিন্ন ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰিছে। প্ৰচাৰৰ যে কলা-কৌশল নিজস্ব, সেই কথাও স্বীকাৰ কৰিবৰ সময় পাৰ হৈ গ'ল। তেনে অৰ্হতা থকা লোকৰ হাতত এনে ভাৰ নপৰিলে প্ৰচাৰৰ মূল উদ্দেশ্যই ব্যৰ্থ হয়। অৱশ্যে প্ৰচাৰক সম্পূৰ্ণভাৱে আমোলাতান্ত্ৰিক গাঁথনিৰ মাজত নিকপকপীয়াকৈ বান্ধি থ'লে আৰু ইয়াক তেনেই কেন্দ্ৰীভূত কৰি থ'লেও কিছুমান আন সমস্যাৰ সৃষ্টি হয় আৰু তেনে পৰিণতি ঘটাৰ উদাহৰণ বহুতো ওলাব। প্ৰচাৰ ব্যৱস্থাক কাৰ্য্যকৰী কৰি তুলিবলৈ হ'লে এইবোৰ অন্তৰায় দূৰ কৰাটোও নিতান্ত প্ৰয়োজনীয়।

কমিটীখনৰ আন এটা পৰামৰ্শ হ'ল— অধিক সংখ্যক শক্তিশালী ট্ৰেন্সমিটাৰ স্থাপন কৰি অনাতাঁৰ কেন্দ্ৰৰ গণ্ডী বহলাব লাগে। এই অভাৱ আমিও অনুভৱ কৰিছো। কিন্তু ইতিমধ্যে এই সম্পৰ্কত ওলোৱা বাতৰিয়ে আমাক তৃপ্তি দিব পৰা নাই। ৰাজ্যৰ বিভিন্ন ঠাইত কেতবোৰ পুতলা যেন অনাতাঁৰ কেন্দ্ৰ বহুৱাৰ

পৰা লাভ কি? সম্প্ৰতি থকা অনাতাঁৰ কেন্দ্ৰৰ শক্তি বৃদ্ধি কৰাৰ ওপৰতে অধিক মনোনিৱেশ কৰা উচিত আছিল। পাল মৰা ধৰণৰ ব্যৱস্থাবোৰ মূৰকত ভালুকৰ সাঙ্গী যেনহে হ'ব— অৰ্থ আৰু অৰ্হতাসম্পন্ন মানুহৰ অভাৱত ভৱিষ্যতে সেইবোৰো স্থবিৰ হৈ থাকিব আৰু আনহাতে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ স্থবিৰতাও স্থায়ী হৈ উঠিব।

দেওবাৰ, ৩১ অক্টোবৰ, ১৯৬৫ চন

# দৃঢ়তাৰ অভিব্যক্তি

যি নতুন দৃঢ়তাই ভাৰতবাসীৰ মাজত পুলক জগালে, তাৰ উচ্ছ্বাসত কালি গুৱাহাটীৰ ৰাজহুৱা সভাত অভূতপূৰ্ব জনসমাৰেশ ঘটিল আৰু পূৰ্ব নিৰ্দিষ্ট কুৰি লাখ টকাৰ ঠাইত তাৰ তিনিগুণৰো অধিক টকা ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিৰ বাবে অসমৰ তৰফৰ পৰা প্ৰধানমন্ত্ৰীৰ হাতত দিব পৰা হ'ল সেই একে দৃঢ়তাকেই প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীয়ে সমবেত ৰাইজৰ আগত পুনৰ ব্যক্ত কৰিলে। এই ভাষণত ৰণৰ উন্মাদনা নাই, ভাবৰ বিলাস নাই, হুঙ্কাৰ নাই আৰু বাগাড়ম্বৰো নাই। ইয়াত প্ৰতিফলিত হ'ল আন্তৰিকতা ৰঞ্জিত দৃঢ়তাৰ অভিব্যক্তি। পাকিস্থান আৰু চীনে সৃষ্টি কৰা যিকোনো সংকটৰ সন্মুখীন হোৱা আৰু ৰাষ্ট্ৰক সকলো পিনে প্ৰস্তুত কৰি তোলাৰ দৃঢ়তাৰ ব্যক্ত কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে আমাৰ বিভিন্ন কৰ্ত্তব্যৰো বিধান দিলে।

পাকিস্থানৰ আক্ৰমণৰ বিৰুদ্ধে আক্ৰমণেৰে উত্তৰ দিয়াৰ সংকল্প দৃঢ়তাৰে ব্যক্ত কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে অপসাৰণ সম্পৰ্কেও ইতিমধ্যে লোৱা মতকে সুদৃঢ়ভাৱে ব্যক্ত কৰিছে। আনহাতে আমি যে ন্যায়ৰ ভেটিত আছো, সেই নিশ্চয়তা লৈয়েই আন্তঃৰাষ্ট্ৰীয় ন্যায়াধিকৰণৰ আগত থিয় দিবলৈকো সাজু থকা বুলি প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ প্ৰতি প্ৰত্যাহ্বান জনাইছে। শ্ৰীশাস্ত্ৰীৰ এই প্ৰত্যাহ্বানে সঁহাৰি পাব জানো? প্ৰধানমন্ত্ৰীয়ে নিজেই ভাষণ প্ৰসঙ্গত নিৰপেক্ষ দৃষ্টিকোণ ল'বৰ বাবে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনাইছে। কিন্তু যোৱা ১৮ বছৰে আমি তাকেই দেখা নেপালো আৰু তাৰ ফলত বিশ্বৰ ন্যায় বিচাৰৰ চ'ৰা হিচাপে জগতবাসীয়ে শ্ৰদ্ধাৰ চকুৰে চোৱা সন্মিলিত ৰাষ্ট্ৰসংঘৰ জেউতি আজি ম্লান হৈ গৈছে। পাকিস্থান আজিও আক্ৰমণকাৰী বুলি অভিহিত হোৱা নাই। নিৰাপত্তা পৰিষদে পাকিস্থানক অকল যে আঁৰ দিছে এনে নহয়, পাকিস্থানক সকলো প্ৰকাৰে প্ৰশ্ৰয় দি ভাৰতৰ ওপৰত হেঁচা দিছে। হেঁচাত পৰি কাশ্মীৰ এৰি নিদিয়াৰ সংকল্প প্ৰধানমন্ত্ৰীৰ ভাষণত প্ৰকাশ পাইছে। কিন্তু শ্ৰীশাস্ত্ৰীয়ে বৃটেইন আৰু আমেৰিকাৰ মতি-গতি সলনি হ'ব বুলি আশা কৰাৰ ইঙ্গিত এটাও ভাষণৰ মাজত আমি পালো। পিচে আমি যোৱা ১৮ বছৰে যিটো নেপালো সেইটো এতিয়াও নেপাওঁ। সেইকণ দৃঢ়তাও আমি শ্ৰীশাস্ত্ৰীৰ পৰা আশা কৰো।

দেশৰ এই জৰুৰীকালীন অৱস্থাত প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে বিশেষকৈ তেওঁৰ আন্তৰিকতাপূৰ্ণ আহ্বানে অসমৰ ৰাইজক নতুন বল দিব। অসমৰ প্ৰতিৰক্ষাৰ বাবে অসমৰ ৰাইজে কোনো দুশ্চিন্তা পোষণ কৰাৰ সকাম নাই বুলি শ্ৰীশাস্ত্ৰীয়ে ৰাজহুৱা সভাত কৰা ঘোষণাই ৰাইজক আৰু প্ৰেৰণা যোগাইছে। লগতে ৰাজ্যৰ উদ্যোগ, সংযোগ ব্যৱস্থা আদিৰ ক্ষেত্ৰত দিয়া আশ্বাসেও আমাক নতুন বল দিছে। প্ৰান্তৰ প্ৰহৰী হিচাপে আমি আমাৰ

কৰ্ত্তব্য সম্পৰ্কে সচেতন; কিন্তু উন্নয়নৰ কাৰণে আমাক কেতবোৰ অৱলম্বনো লাগে। সেই আশ্বাস পোৱাৰ পিচত আজি বিদায়ৰ আগমুহূৰ্তত আমি প্ৰধানমন্ত্ৰীকো অধিক দৃঢ়তাৰে এই কথা দিব পাৰিছো— দেশৰ নতুন তীৰ্থ যাত্ৰাত আমাৰো দুৰ্বাৰ গতি অব্যাহত ৰাখিবলৈ আমি যত্নৰ ত্ৰুটি নকৰো।

## সঞ্চয় অভিযান

কামৰূপৰ আগছিয়া বা কাছাৰৰ বিদ্যানগৰে সঞ্চয়গাওঁ নাম পোৱাটো নিশ্চয় ভাল খবৰ, কাৰণ পঞ্চায়তৰ যোগেদি গাৱঁৰ উন্নতি কৰিব খোজা হৈছে আৰু গাৱেঁ গাৱেঁ এনেদৰে ক্ষুদ্ৰ সঞ্চয় পঞ্চায়তৰ যোগেদি গাৱঁৰ উন্নতি কৰিব খোজা হৈছে আৰু গাৱেঁ গাৱেঁ এনেদৰে ক্ষুদ্ৰ সঞ্চয় পঞ্চায়তৰ যোগেদি প্ৰসাৰিত কৰি যাব পাৰিলে পঞ্চায়তবিলাকে নিজৰ ধনেৰেই বহুত কাম কৰি যাব পাৰিব। সঞ্চয় অভিযানৰ কৰ্ত্তৃপক্ষই সৰ্বসাধাৰণৰ মাজত ইয়াৰ প্ৰচাৰ চলোৱাত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰীয় সঞ্চয় আঁচনিৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ডেও এই বছৰত সঞ্চয়ৰ পৰিমাণ দ্বিগুণ কৰিবলৈ সিদ্ধান্ত লৈছে— কৰ্মীৰ দৰমহাৰ পৰা স্বেচ্ছামূলক সঞ্চয় কৰাৰ আঁচনি এখনো পৰিচালক আৰু ট্ৰেড ইউনিয়নৰ সহযোগিতাত কাৰ্য্যকৰী কৰিব খুজিছে। আজি আন্তঃৰাষ্ট্ৰীয় মিতব্যয় দিৱসৰপৰা ভাৰতত সঞ্চয় পক্ষ পালন আৰম্ভ হৈছে। বিভিন্ন চাৰ্টিফিকেট কিনাটো এই অভিযানৰ এটা বিশেষ অঙ্গ। সেইবিলাক গাৱেঁ-ভূঞে সাধাৰণ মানুহক সৰলভাৱে বুজাই দিয়াত গুৰুত্ব আৰোপ কৰাটো এই পক্ষ পালনৰ এটা বিশেষ কৰ্ত্তব্য হোৱা উচিত। অসমত এই অভিযান উৎসাহজনক বুলি ক'ব পাৰি— প্ৰথম পৰিকল্পনাত সংগৃহীত পাঁচ কোটিৰো ওপৰ টকাৰ পৰা তৃতীয় পৰিকল্পনাত ১৯ কোটিৰো বহু বেছি টকা ক্ষুদ্ৰ সঞ্চয়ত পোৱা হয়। কিন্তু ৰাইজে মনত ৰাখিব লাগিব প্ৰতিৰক্ষাৰ বাবে হেঁচা পৰাত চতুৰ্থ পৰিকল্পনাত সৰু-সুৰা আঁচনি ক্ষতিগ্ৰস্ত হব পাৰে, এনে অৱস্থাত ক্ষুদ্ৰ সঞ্চয়ৰ ধনে ভালেখিনি সহায় কৰিব পাৰে। শ্ৰমিকৰ উপৰি বহু গৃহিনী আদিৰ মাজতো সঞ্চয়ৰ প্ৰচাৰ চলাব খোজাটো নিশ্চয় প্ৰশংসনীয় হৈছে।

## অসমৰ যোগাযোগ

কালি প্ৰকাশিত বাতৰি মতে যোগাযোগত ব্ৰহ্মপুত্ৰৰ ওপৰেদি আৰু এখন দলং আৰু দক্ষিণ পাৰেদি যোগীঘোপাৰ পৰা গুৱাহাটীলৈকে ব্ৰডগজ ৰেলৰ আলি অনাটো খাটাং বুলি ক'ব পাৰি। কৰণ এই বিষয়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে অসমৰ বিত্তমন্ত্ৰীক আশ্বাস দিছে শ্ৰীকৃষ্ণনচাৰীয়ে চতুৰ্থ পৰিকল্পনাত এই কেইটা হোৱাৰ ইঙ্গিত দিছে। আমাৰ চৰকাৰ আৰু নেতৃবৃন্দই এতিয়া চেষ্টা কৰা উচিত যাতে চতুৰ্থ পৰিকল্পনাৰ আৰম্ভতে কাম হাতত লোৱা হয়। প্ৰতিৰক্ষা আৰু অৰ্থনীতি উভয় দৃষ্টিকোণৰ পৰাই যে অসমৰ যোগাযোগ ব্যৱস্থা এতিয়াতকৈ বহুত উন্নত হ'ব লাগে সেইটো চীন আৰু পাকিস্থানৰ অসদাচৰণৰ পিচত কাকো আঙুলিয়াই দিব নেলাগে। প্ৰধানমন্ত্ৰী শ্ৰীশাস্ত্ৰীৰ ওচৰত গুৱাহাটীত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই আৰু প্ৰদেশ কংগ্ৰেছ কমিটীয়ে দিয়া স্মাৰক-পত্ৰতো বিশেষভাৱে অসমৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ অনুৰোধ জনোৱা হৈছে। প্ৰদেশ কংগ্ৰেছ আৰু মুখ্যমন্ত্ৰীয়ে অসমৰ বাহিৰ-ভিতৰৰ যোগাযোগ উন্নত কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰি গঙ্গা-ব্ৰহ্মপুত্ৰ খাল খন্দাৰ প্ৰস্তাবটো প্ৰত্যাহাৰ নকৰিবলৈ আহ্বান কৰিছে। পূব পাকিস্থানৰ পানীয়েদি জাহাজ চলাব

নোৱাৰাৰ ফলত এই খাল খন্দাৰ আৱশ্যকীয়তা বহুগুণে বৃদ্ধি পাইছে। কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী শ্ৰীৰাজবাহাদুৰে অসমক অলপ নিৰাশ কৰি দি কৈছে যে এই খালত ৩৯০ কোটি মান টকা খৰচ পৰিব (যদিও আগতে ১০০ কোটি বুলিহে শুনা গৈছিল), গতিকে কামটো সম্ভৱপৰ নহ'ব। পূব খণ্ডৰ প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক উন্নতিত যদি গুৰুত্ব দিব লাগে তেন্তে ধন ভগনৰ কাৰণে কেন্দ্ৰই কেতিয়াও এনে কামত পাচ হোঁহকা উচিত নহয়। শ্ৰীৰাজবাহাদুৰে ক'বৰ দৰেই খালটো খণ্ডাৰ লগে লগে তাৰ যোগেদি জলসিঞ্চন, শক্তি উৎপাদন আদিৰ আঁচনিও যদি ল'ব পাৰি তাকে কৰক। কিন্তু আমাক খালটো লাগে, এয়ে কথা। জলসিঞ্চন আদিৰ ব্যৱস্থা কৰোতে যদি খৰচ বৰ বেছি হয়, তেন্তে পৰিবহনৰ উদ্দেশ্যে হ'লেও এই খাল আমাক লাগে। প্ৰদেশ কংগ্ৰেছে উল্লেখ কৰা মতে গুৱাহাটীৰ পিচত তিনিচুকীয়ালৈকে ব্ৰডগজ লাইন সম্প্ৰসাৰিত কৰাটোতো আমি গুৰুত্ব দিওঁ; কাৰণ তেতিয়াহ'লে ভাৰতৰ যিকেনো ঠাইৰ পৰা ৰেলপথেৰে বস্তু অনা-নিয়া কৰাত বহুত সুবিধা হব। অসমৰ পৰিবহন ব্যৱস্থা উন্নত কৰাৰ ওপৰত ইয়াৰ অৰ্থনৈতিক উন্নতি সাঙোৰ খাই আছে।

# ১৯৬৬

বুধবাৰ, ২ মাৰ্চ, ১৯৬৬ চন

## বিতৰ্কৰ উত্তৰ

ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰত ৰাজ্য বিধানসভাত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই দিয়া ভাষণে প্ৰায় সকলোবোৰ বিষয় সামৰি লৈছে আৰু সদনত উত্থাপিত বিষয়বোৰৰ প্ৰতি উচিত মনোযোগ দিয়া আৰু সহনশীলতাৰ ভাৱ দেখুওৱাটো এই ভাষণত পৰিলক্ষিত হৈছে। বিতৰ্কৰ সম্পৰ্কত দিয়া অন্যান্য কেতবোৰ চৰকাৰী ভাষণৰ (মন্ত্ৰীৰ আসনৰ পৰা দিয়া) মাজত কিন্তু সেইটো সুৰ দেখিবলৈ পোৱা নগ'ল; পৰিসংখ্যাৰ পাক লগোৱা কথাইহে প্ৰাধান্য লাভ কৰিলে আৰু কেতবোৰ সঙ্গত অভিযোগে সংশ্লিষ্ট মন্ত্ৰীৰ পৰা সুবিচাৰ নেপালে বুলি আমি ক'বলৈ বাধ্য হ'লো। এনে লুক-ঢাক কৰা নীতিয়ে অকল যে সমস্যাৰ সমাধানৰ বাটতে অন্তৰায়ৰ সৃষ্টি কৰে এনে নহয়, আমাৰ গণতান্ত্ৰিক ব্যৱস্থা এটাৰ প্ৰতিও বিদ্ৰূপৰ কটাক্ষ দৃষ্টি দিয়া যেন লাগে। মুখ্যমন্ত্ৰী শ্ৰীচলিহাই অসমৰ উদ্যোগত স্থানীয় লোকে কাম নোপোৱা বিষয়টোৰ কথা উল্লেখ কৰোতে তেনে এটা অভিযোগ থকা বুলি স্বীকাৰ কৰিছে আৰু লগতে কৈছে যে অসময়ত স্থাপিত উদ্যোগত যাতে স্থানীয় লোকৰ প্ৰতি ন্যায় বিচাৰ কৰা হয়, তাৰ প্ৰতি চৰকাৰে লক্ষ্য ৰাখিব। মুখ্যমন্ত্ৰীৰ এই অকপট আশ্বাস পাই আমি ভাল পাইছো। অৱশ্যে আমি এই কথাকে প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব খোজো যে তেতিয়ালৈকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থা সফল হোৱা নাই। চৰকাৰে অধিক ফলপ্ৰদ ব্যৱস্থা হাতত লওক। সেইবুলি আমি এইটো কথা কোৱা নাই যে থলুৱা পাৰ্থীৰ বাবে বিশেষ ৰক্ষা কৰচৰ ব্যৱস্থা কৰিব লাগে। কিয়নো আমি স্বীকাৰ

নকৰো যে থলুৱা প্ৰাৰ্থীৰ কোনো অৰ্হতা নাই আৰু সেইদেখি ঢোকা দিয়াৰ ব্যৱস্থা নহ'লে তেওঁলোকে তিষ্ঠিব নোৱাৰে। কাৰিকৰী ক্ষেত্ৰত যোগ্য লোক জোখাৰে ল'বলৈ টান হ'ব পাৰে— কিন্তু এনে যোগ্যতাৰ প্ৰয়োজন নোহোৱা পাছতো থলুৱা প্ৰাৰ্থী বাছনিত নুঠে। তাৰ কাৰণ হ'ল— ভিতৰি ভিতৰি নানান পাক-চক্ৰ লাগে। সেইবোৰ পাক-চক্ৰ ওফৰাব পৰা কৰ্তৃত্বসম্পন্ন প্ৰতিনিধি ৰখাৰ ব্যৱস্থা কৰিলেই অসম চৰকাৰে থলুৱা চাকৰি-প্ৰাৰ্থীৰ মহৎ উপকাৰ সাধন কৰা হ'ব। আনহাতে ৰাজ্যত স্থাপন কৰাৰ সম্ভাৱনা থকা উদ্যোগৰ বাবে ইতিমধ্যে স্থাপিত উদ্যোগৰ বাবে প্ৰয়োজন হোৱা কাৰিকৰী জ্ঞান লাভ কৰিবৰ বাবে ৰাজ্য চৰকাৰে থলুৱা লোকক ৰাজ্যৰ ভিতৰত আৰু বাহিৰত সুবিধা কৰি দিয়ক।

কিন্তু মুখ্যমন্ত্ৰীৰ উক্তিৰ বিপৰীতে উদ্যোগমন্ত্ৰী শ্ৰীত্ৰিপাঠীৰ উত্তৰটো মিলাই চালে আমি অবাক হ'ব লাগিব। স্থানীয় লোকক নিয়োগ নকৰিলে অসমত উদ্যোগ হ'বই নোৱাৰে বুলি কোৱাটো মাৰাত্মক কথা বুলি ৰাজ্যিক উদ্যোগমন্ত্ৰীয়ে কৈছে। কিন্তু সেই দাবী কোনে তুলিলে? থলুৱা চাকৰি প্ৰাৰ্থীৰ সঙ্গত দাবী এটাৰ সন্দৰ্ভত এই বিকৃত ভাষাৰ অৱতাৰণা কৰি বিভাগীয় মন্ত্ৰীয়ে গোটেই প্ৰশ্নটোকে সুকীয়া ৰূপ দিব খুজিলে কিয়? মুখ্যমন্ত্ৰীৰ দৰে আন্তৰিকতাৰে এই প্ৰশ্নটোৰ বিচাৰ লোৱা হ'লে সহানুভূতিশীল সমিধান এটা আমি নিশ্চয় পালোহেঁতেন। প্ৰশিক্ষণৰ অন্তত স্থানীয় লোকক নিয়োগ কৰা বুলি শ্ৰীত্ৰিপাঠীয়ে সাধাৰণভাৱে যি মন্তব্য কৰিলে, বাস্তৱৰ লগত এই উক্তিৰ সম্পৰ্ক নাই। দ্বিতীয়তে উদ্যোগমন্ত্ৰীয়ে উদাহৰণস্বৰূপে যিকেইটা উদ্যোগৰ কথা ক'লে— সেইকেইটা উদাহৰণ 'সুবিধাজনক' হ'ব বুলিয়েই বাছি লোৱা হ'ল নেকি? বাকী অসংখ্য উদ্যোগৰ অৱস্থা কেনেকুৱা? আন নেলাগে ৰাজ্য বিধানসভাৰ সদস্যৰ দল এটাই ৰাজ্যৰ উদ্যোগৰ নিযুক্তি সম্পৰ্কে বিচাৰ লৈ যি প্ৰতিবেদন দিছিল, সেইমতে কিমান কাম হ'ল তাৰ হিচাপ দি এই উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰিব পৰা হ'বনে?

সেইদেখি আমি আত্মতুষ্টিৰ থল বিচাৰি নেপালো। থলুৱা নিবনুৱাৰ সংখ্যা বাঢ়িবই লাগিছে। আনকি উদ্যোগমন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছে— তৃতীয় আৰু চতুৰ্থ পৰিকল্পনাৰ সময়ছোৱাৰ নিবনুৱাৰ মুঠ সংখ্যাৰ তুলনাত চাকৰি দিব পৰা লোকৰ সংখ্যা নিচেই কম হ'ব। সেইদেখি আমি ভৰসা ৰাখিছো যে মুখ্যমন্ত্ৰীয়ে এই বিষয়টোৰ প্ৰতি বিশেষ মনোযোগ দিব। অকল নগৰতে নহয়, গাৱঁতো নিবনুৱা সমস্যাটোৱে অৱশ্যে সুকীয়া ৰূপ লৈছে— উচ্চতৰ শিক্ষাও ল'ব নোৱাৰা আৰু খেতিৰ পৰাও আঁতৰি অহা এই বিশেষ চামটোৰ ভৱিষ্যত সম্পৰ্কে পৰিকল্পিতভাৱে অন্বেষণ চলাই তেওঁলোকৰ অৰ্হতা গঢ়ি তোলাৰ বিশেষ ব্যৱস্থা এটা লোৱাটো বৰ প্ৰয়োজনীয় হৈছে।

বৃহস্পতিবাৰ, ৩ মাৰ্চ, ১৯৬৬ চন

# অতি লজ্জাজনক

মিজো পাহাৰৰ ঘটনাই আমাক লাজত অধোমুখ কৰি তুলিছে। সীমান্তৰ সিপাৰৰ পৰা সৃষ্টি কৰা সংকটৰ সন্মুখীন হ'বলৈ সাজু থকা বুলি হুংকাৰ দিওঁতাৰ অভাৱ নাই। অথচ সকলোৰে চকুত ধূলি দি দেশৰ ভিতৰৰে এমুঠি লোকে ৰাষ্ট্ৰীয় সন্মানত ইমান ডাঙৰ চেকা সানি দিলে! ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাৰ মাজত, ভাৰত ৰক্ষা বিধিৰ পূৰ্ণ পয়োভৰৰ মাজত ঘটা এনে ঘটনাই কিহৰ প্ৰমাণ দাঙি ধৰিলে? ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত ভাৰত ৰক্ষা বিধি মতে চৰকাৰে কাকনো গ্ৰেপ্তাৰ কৰে? মিজো পাহাৰৰ এইজাক মানুহ কাৰো দৃষ্টিগোচৰ নহ'লনে?

প্ৰকাশিত বাতৰিৰ পৰা জনা গৈছে যে ১৮৮৭ চনৰ ২৮ ফেব্ৰুৱাৰীৰ দিনা মাজ নিশা প্ৰায় দহ হেজাৰ সশস্ত্ৰ লোকে একে সময়তে আইজল আৰু লুংলেত ট্ৰেজাৰী আদিত আক্ৰমণ চলায়। তদুপৰি ভইৰেঙ্গি, ক'লছিব আদি মিজো জিলাৰ অন্যান্য ঠাইতো পৰিকল্পিত আৰু সমসাময়িকভাৱে আক্ৰমণ চলোৱা হয়। আক্ৰমণকাৰী দলে সকলো যোগাযোগ বিচ্ছিন্ন কৰি দিছে। মুঠতে গোটেই কামটো পূৰ্বপৰিকল্পিত। এনে অতৰ্কিতভাৱে তাকে সম্পাদন কৰা হয় যে কৰ্ত্তৃপক্ষ অসহায় হৈ পৰে আৰু এতিয়া মিজো জিলা সম্পূৰ্ণ বিচ্ছিন্ন অৱস্থাত থকাত অসুবিধা আৰু বাঢ়িছে। চৰকাৰৰ চোৰাংচোৱা বিভাগে, পুলিচ বিভাগে কি কৰিছিল? মিজো নেচনেল ফ্ৰন্টৰ এম-এল-এই শ্বিলঙত থাকিয়েই এই আক্ৰমণৰ আগবতৰা পাই দেওবাৰেই শ্বিলং ত্যাগ কৰে। অথচ কৰ্ত্তৃপক্ষই (মিজো জিলাতে হওক বা শ্বিলঙতে হওক) ঘূণাক্ষৰেও একো গম নেপালে। বৃহৎ মিজো জিলা জুৰি সকলো ঠাইতে একে সময়তে আক্ৰমণ চলাবৰ বাবে আৰু তাকে সম্পূৰ্ণৰূপে সফল কৰি তুলিবৰ বাবে বহুতদিনীয়া পৰিকল্পনা আৰু প্ৰস্তুতিৰ প্ৰয়োজন। ইমানখিনি কাম তলে তলে কেনেকৈ আগবাঢ়িল? সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ চৰম অকৰ্মণ্যতাৰ সুকীয়া নিদৰ্শন আৰু লাগেনে?

মিজো জিলাৰ পৰিস্থিতিৰ কথা দিল্লীতো জানে, শ্বিলঙতো জানে। মিজো নেচনেল ফ্ৰণ্টে স্বাধীনতাৰ দাবী তুলি সেই অঞ্চলত কেনেদৰে আন্দোলন চলাই আহিছে, সেই কথা কাৰো অবিদিত নহয়। পাকিস্থানৰ সীমান্তৱৰ্তী এই জিলাখনৰ প্ৰতি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অধিক মনোযোগ দিব লাগিছিল। তদুপৰি মিজো নেচনেল ফ্ৰণ্টৰ বহুতো নেতাই পাকিস্থানৰ লগত যোগাযোগ ৰখাৰ বাতৰিও বহুত দিনৰ পৰাই পাই থকা হৈছিল। দুজনমান নেতাক গ্ৰেপ্তাৰো কৰা হৈছিল। কিন্তু চৰকাৰে হেনো বুজাবুজিৰ ভাব গঢ়ি তুলিবৰ বাবে তেওঁলোকক মুক্তি দিলে। ৰাজ্য বিধানসভাতো মিজো পাহাৰৰ এদল লোকে পাকিস্থানৰ সৈতে যোগাযোগ ৰখা বুলি আৰু অস্ত্ৰ-শস্ত্ৰ অনা বুলি এভাগ সদস্যই উদ্বেগ প্ৰকাশ কৰিছিল। তেতিয়া ৰাজ্য চৰকাৰে সদনত আশ্বাস দিছিল। কিন্তু বৰ্তমানৰ পৰিণতিয়ে সেই আশ্বাসৰ মূল্য ৰাখিলে জানো? আক্ৰমণকাৰী দলে অতবোৰ অস্ত্ৰ-শস্ত্ৰ পালে কেনেকৈ? মাজতে মিজো পাহাৰত কেইবাটাও হত্যাকাণ্ড ঘটি গ'ল। তাৰে এটা ঘটনাৰ বিশেষ তাৎপৰ্য্য আছিল চৰকাৰক তথ্য যোগান ধৰা বুলি এজন মিজো নেতাক হত্যা কৰা বুলি বাতৰি ওলাইছিল। তথ্যৰ গোপনীয়তাৰ ওপৰত ইমান মূল্য দিয়াৰ মূলতঃ কিবা থকা বুলি ভবাৰ থল কোনেও বিচাৰি নেপালেনে?

মুঠতে মিজো জিলাৰ এই ঘটনাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰস্তুতিৰ অভাৱৰ কথা সুস্পষ্টভাৱে প্ৰমাণ কৰিছে আৰু তাৰবাবে আমি লাজ পাইছো। আমাৰ দাবী হ'ল— চৰকাৰে কঠোৰ হাতেৰে এই উদ্ভগুলি নিৰ্মূল কৰক। অকণো পলম নোহোৱাকৈ মিজো জিলাৰ অৱস্থা স্বাভাৱিক কৰি তোলাৰ ওপৰত অকল অসমৰে নহয় বৃহত্তৰ গণ্ডীতো ভৱিষ্যতৰ বহুতখিনি কথা নিৰ্ভৰশীল হৈ আছে। পলমকৈ হ'লেও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে নিজৰ নিজৰ গ্লানি দূৰ কৰক— কথাৰে নহয়, কামেৰে।

পূব সীমান্তৰ বৰ্তমান পৰিৱেশৰ মাজত এই ঘটনাৰ বিশেষ গুৰুত্ব আছে। পাৰ্বত্য অঞ্চলত ভাঙনমুখী শক্তিয়ে প্ৰসাৰ লাভ কৰিছে। নগা সমস্যাৰ ক্ষেত্ৰত চৰকাৰে লোৱা নীতিয়েও কেতবোৰ জনজাতীয় মহলত বিপৰীত ক্ৰিয়া কৰিছে। জনজাতীয় অঞ্চলত পোনতে সুকীয়া ৰাজ্যৰ দাবী উঠিছিল। কিন্তু মূৰকত মিজো নেচমেল ফ্ৰণ্টে প্ৰকাশ্যে স্বাধীন ৰাজ্যৰ দাবী উত্থাপন কৰি আন্দোলন আৰম্ভ কৰিলে। অৱশ্যে তাৰ সমসাময়িকভাৱে মিজো পাহাৰৰ পৰা এই বুলিও ৰাজহুৱাভাৱে ঘোষণা কৰা হৈছিল যে নগাপাহাৰত চলা

কাৰ্য্য-কলাপৰ অনুৰূপ ব্যৱস্থাইহে কৰ্তৃপক্ষৰ দৃষ্টি তেওঁলোকৰ দাবীৰ প্ৰতি আকৰ্ষণ কৰিব পাৰিব। এই তাৎপৰ্যপূৰ্ণ উক্তিৰ লগত সঙ্গতি থকাকৈ মিজো নেচনেল ফ্ৰণ্টৰ নেতৃবৰ্গৰ পাকিস্থানৰ লগত যোগাযোগ বৃদ্ধি পালে। সেইদেখি প্ৰস্তুতি বহুত দিনৰ আগৰপৰাই চলে। ইতিমধ্যে অধিক স্বায়ত্বশাসন দিয়াৰ নামত আনকি স্কটিছ আৰ্হিৰ ব্যৱস্থা দি অসমত 'ৰাজ্যৰ ভিতৰত ৰাজ্য' গঠন কৰাৰ নিচিনা ক্ষতিকৰ পৰিণতি এটাকো স্বীকাৰ কৰি ল'বলৈ চৰকাৰ অগ্ৰসৰ হৈছিল। তথাপি পাটস্কৰ আয়োগে মিজো পাহাৰত সমাদৰ নেপালে— সম্পূৰ্ণভাৱে উপেক্ষিত হৈ উলটি আহিবলগীয়া হ'ল। কিন্তু চৰকাৰৰ তোষণ নীতি অব্যাহত থাকিল আৰু মূৰকত মিজো নেচনেল ফ্ৰণ্টেই চৰকাৰক কঠোৰ বাস্তৱৰ কথা সোঁৱৰাই দিবলগীয়া হ'ল। সেইদেখি চৰকাৰে এতিয়া নিজৰ ভুল স্বীকাৰ কৰি নতুন দৃঢ়তা দেখুৱাব লাগিব। অতীতৰ ভুল পথ পৰিহাৰ কৰি কৰ্তৃত্বৰ মৰ্য্যাদা পুনৰ প্ৰতিষ্ঠা কৰিব লাগিব। মিজো পাহাৰৰ ঘটনা যাতে কাৰো কাৰণে প্ৰেৰণাৰ উৎস হ'ব নোৱাৰে, তেনে নিশ্চয়তা চৰকাৰে অবিলম্বে প্ৰতিষ্ঠা কৰাটো আমি বিচাৰিছো।

আনহাতে চৰকাৰে এই কথাও স্বীকাৰ কৰক যে সংবিধানৰ ষষ্ঠ অনুসূচীত দিয়া ব্যৱস্থা আৰু আন আন বিবিধ ব্যৱস্থাই বিশেষকৈ পাৰ্বত্য জনজাতীয় ৰাইজক ভাৰতীয় ভাৱধাৰাৰ আৰু সংহতিৰ সেৱক কৰি তোলাত সহায় কৰা নাই; তেওঁলোকক পৃথক ভাবৰ পোষকতা কৰিবলৈহে উদগনি দিছে। চৰকাৰৰ নীতিৰ মাজত থকা ভুলৰ কাৰণেই পাৰ্বত্য জনজাতীয় ৰাইজৰ জীৱন-দৰ্শন ভাৰতীয় আদৰ্শৰ নহৈ পশ্চিমীয়া হ'বলৈ ধৰিছে; তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ মাজৰ পৰাও জনজাতীয় সম্পদ হেৰাই গৈছে— পশ্চিম এৰা-বোটলা অভিযানহে চলিছে। মুঠতে ৰাষ্ট্ৰীয় জীৱনৰ সকলো বিষয়তে কাৰ্যতঃ এঘৰীয়া হৈ থাকিবলৈ গৈ তেওঁলোক অকল যে জনজাতীয় জীৱন-ধাৰাৰ পৰাই বিচ্ছিন্ন হৈ যাবলৈ ধৰিছে এনে নহয়, ৰাষ্ট্ৰীয় জীৱনো তেওঁলোকৰ কাৰণে ক্ৰমে দূৰৰ ধ্বনি যেন হৈছে। এই কৰুণ পৰিণতিৰ বাবে দায়ী— জনজাতীয় লোকৰ বাবে স্বীকৃত হোৱা চৰকাৰী নীতি। পলম হৈছে যদিও চৰকাৰে এই কথা স্বীকাৰ কৰক আৰু মিছা মৰ্য্যাদাক খামুচি নেথাকি ভুল নীতি ত্যাগ কৰক।

<u>বুধবাৰ, ৯ মাৰ্চ, ১৯৬৬ চন</u>

# কূটবুদ্ধি

মিজো জিলাৰ অশান্তিৰ মূল বিচাৰিবলৈ যাওতে বহুতে বহুত প্ৰসংগৰ অৱতাৰণা কৰিছে। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সদস্য ডঃ ছোৱেলে লোকসভাত এই ব্যাখ্যা দিবলৈকো চেষ্টা কৰে যে পাৰ্বত্য অঞ্চলত অসমীয়া ভাষা জাপি দিয়াৰ মূলতে মিজো জিলাত এতিয়াৰ অশান্তিৰ সৃষ্টি হয়গৈ। এই অবান্তৰ আৰু কূটবুদ্ধিজনিত অভিযোগৰ জোখাৰে উত্তৰ এটা দিছে— কেন্দ্ৰীয় উপমন্ত্ৰী শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়ে। উত্তৰ লখিমপুৰত অসম সাহিত্য সভাৰ অধিৱেশনত ভাষণ দিওতে শ্ৰীভাগৱতীয়ে এইটো তেনেই ভুল কথা বুলি অভিহিত কৰাৰ লগতে কয় যে অসম চৰকাৰী ভাষা আইনত অসমীয়া ভাষা পাৰ্বত্য অঞ্চলত জাপি দিয়াৰ কোনো ব্যৱস্থা নাই। 'নগৈ গড়গাৱঁৰ বাতৰি কোৱা'সকলৰ বাহিৰে আন সকলোৱে (অন্ততঃ অসম চৰকাৰী ভাষা আইনখন যিসকলে এবাৰ পঢ়ি চাইছে, সেইসকল লোকে) জানে যে অসমীয়া ভাষাক অসম চৰকাৰী

ভাষা আইনে যিকণ মৰ্য্যদা দিছে, সেই মৰ্য্যাদাৰে অসমীয়া ভাষা মিজো জিলাত সোমাবই নোৱাৰে— এনে স্থলত অসমীয়া ভাষা জাপি দিয়াৰ প্ৰশ্ন উঠে কেনেকৈ? ডঃ ছোৰেলেও সেই কথা নিশ্চয় জানে। তথাপি কিয় এনে অভিযোগ তুলিলে? তাৰ একমাত্ৰ ব্যাখ্যা শ্ৰীভাগৱতীৰ ভাষণৰ পৰাই বুটলি ল'ব পাৰি। কেন্দ্ৰীয় উপমন্ত্ৰীয়ে ভাষণ প্ৰসংগত কৈছে যে 'এনে ধৰণৰ ভুল ধাৰণা' সৃষ্টি কৰিলে ৰাজনৈতিক সুবিধাবাদীয়ে প্ৰেৰণাৰ থল বিচাৰি পায় আৰু সেই দেখি এনে ধাৰণা নিৰ্মূল হ'ব লাগে। শ্ৰীভাগৱতীয়ে কোৱা আৰু এষাৰ কথা ডঃ ছোৰেলে মনত ৰখা ভাল হ'ব। বিদ্ৰোহ কৰা মিজোসকলে ভাৰতৰ পৰাই ফাটি যাব খুজিছে— অকল অসমৰ পৰা নহয়। এনে স্থলত অসমীয়া ভাষাক উপলক্ষ হিচাপে সামৰিবলৈ যোৱাটো হাস্যসম্পদ কথা নহয় নে?

<u>বৃহস্পতিবাৰ, ১০ মাৰ্চ, ১৯৬৬ চন</u>

# খাদ্য-প্ৰসঙ্গ

সংসদত দেশৰ খাদ্য পৰিস্থিতি সম্পৰ্কে হোৱা আলোচনা প্ৰসঙ্গত প্ৰধানমন্ত্ৰী, খাদ্য মন্ত্ৰী আদি সকলোৱে খাদ্য পৰিস্থিতি সমাধান কৰাৰ বাবে সকলোৰে সহযোগিতা বিচাৰিছে আৰু খাদ্যৰ বিষয়টো ৰাজনীতিৰ পৰা পৃথক কৰি ধৰিবৰ বাবে আহ্বান জনাইছে। বিশেষকৈ পশ্চিমবঙ্গত খাদ্যৰ কথা লৈ মূৰকত যি পৰিস্থিতিৰ উদ্ভৱ হ'লগৈ, সেই সন্দৰ্ভতে সংসদত তুমুল বিতৰ্ক চলে আৰু বিতৰ্কৰ ধাৰাৰ পৰা বুজা গ'ল যে ৰাজনীতিৰ পৰা বিচ্ছিন্ন কৰি খাদ্যৰ প্ৰশ্নটোৰ ভিতৰলৈ ভুমুকি মাৰিবলৈ কোনেও আজৰি উলিয়াব পৰা নাই। খাদ্যৰ সম্পৰ্কত যে কঠিন অৱস্থা এটাৰ সৃষ্টি হৈছে, সেই কথা কোনেও নুই কৰিব নোৱাৰে। কিন্তু খাদ্যৰ কথাটোৰ লগত চৰকাৰ আৰু বিভিন্ন ৰাজনৈতিক দলে ৰাজনৈতিক প্ৰসঙ্গক সকলো সময়তে এনেদৰে সাঙুৰি ধৰিলে যে মূল কথাখিনিৰে আঁত হেৰাই গ'ল।

পাকিস্থানৰ লগত যুদ্ধ চলা সময়তে মাৰ্কিন যুক্তৰাজ্যই খাদ্য যোগান বন্ধ ৰাখি বা মন্থৰ কৰি হেঁচা প্ৰয়োগ কৰাৰ সময়ত ৰাজনৈতিক স্বাৰ্থৰ খাতিৰতে মাৰ্কিন যুক্তৰাজ্যৰ এই নীতিৰ বিৰুদ্ধে প্ৰচাৰ চলোৱাৰ প্ৰয়োজন অনুভৱ কৰা হ'ল। সেইদেখি নেতৃবৰ্গই মাৰ্কিন নীতিৰ বিৰুদ্ধে, পি-এল ৪৮০ আঁচনিৰ বিৰুদ্ধে প্ৰণালীবদ্ধভাৱে বিষোদ্‌গাৰ কৰিলে। মাৰ্কিন হেঁচাৰ কাৰণে তিক্ততা বোধ কৰা জনসাধাৰণৰ মনৰ তিক্ততা সেয়ে আৰু বঢ়াই তুলিলে। ইয়াৰ ফলত মাৰ্কিন যুক্তৰাজ্যৰ ওপৰত এটা যে হেঁচা পৰিল, সেইটো ঠিক। কিন্তু মাৰ্কিন-বিৰোধী এই তিক্ততাৰ ভাবক কামত লগাবলৈ যেতিয়া কেতবোৰ বিৰোধী দলে উঠি-পৰি লাগিল, তেতিয়া প্ৰমাদ গণা লোকো বহুত ওলাল। সেইদেখি নিশাটোৰ ভিতৰতে সলনি হোৱাদি সুৰ সলনি হৈ গ'ল। মাৰ্কিন যুক্তৰাজ্যলৈ খাদ্য বিচাৰি অশোভনীয়ভাৱে আমাৰ দেশৰ পৰা ঢাপলি মেলা হ'ল। সেয়ে তিক্ততা শাম কটাওক ছাৰি বঢ়ালেহে।

কিন্তু কথা সিমানতে শেষ নহ'ল। হঠাৎ ধাৰণা হ'ল যে সাধাৰণ নিৰ্বাচনৰ আগে আগে সঞ্চিত ভঁৰালত বিপুল পৰিমাণে খাদ্য-শস্য জমা ৰাখি খাদ্য-যোগানৰ ক্ষেত্ৰত নিশ্চিন্ত হোৱাটো ৰাজনৈতিক দূৰদৰ্শিতাৰ কথা হ'ব আৰু লগতে হয়তো এই ধাৰণাও হ'ল যে তেতিয়া বিৰোধী দলবোৰে একো সুৰুঙা উলিয়াব নোৱাৰা

হ'ল। সেইদেখি আচম্বিতে খাদ্য পৰিস্থিতি অভাৱনীয়ভাৱে জটিল বুলি প্ৰচাৰ কৰা হ'ল। পূৰ্বতে প্ৰচাৰ কৰা খাদ্য সম্পৰ্কীয় সকলো পৰিসংখ্যা ওলট-পালট হৈ গ'ল। কেন্দ্ৰীয় খাদ্য মন্ত্ৰীয়ে পোনতে ঘাটিৰ পৰিমাণ দুই নিযুত টনৰ পৰা তিনি নিযুত টনলৈ হ'ব বুলি কৈ মূৰকত জনালে যে ঘাটিৰ পৰিমাণ ১০ নিযুত টনৰ পৰা ১১ নিযুত টনলৈকে হ'ব। সকলো বিভ্ৰান্ত হৈ পৰিল। লাভখোৰৰ কাৰণে সুবিধা ওলাল; মানুহৰ মনত নিৰ্ভৰশীলতাৰ ভাব কমিল আৰু বিৰোধী দল কিছুমানৰ কাৰণেও খোৰাক ওলাল। অকল সেয়ে নহয়— আমাৰ 'খাদ্য সঙ্কট'ৰ কথা দেশে দেশে প্ৰচাৰিত হ'ল। ভাৰতৰ সন্মানত চেকা লগা ধৰণে নানান দেশে চান্দা তুলিলে— ভাৰতক খাদ্য যোগাবৰ বাবে। এই প্ৰক্ৰিয়া যেতিয়া চৰম সীমাত উপনীত হ'ল, আমি যেতিয়া সকলোৰে আগত অধোমুখে থিয় দিলো, তেতিয়া আমাৰ দেশত চৰকাৰীভাৱে কোৱা হ'ল যে ঘাটিৰ কথাটো অতিৰঞ্জিত হৈছে আৰু বিদেশত যি ধাৰণাৰ সৃষ্টি হৈছে সেইটো ভুল।

ৰাজনীতিৰ কিৰিলি সকলোতে শুনা গ'ল। ইতিমধ্যে কেৰালাত খাদ্য-সমস্যাৰ নামত ৰাজনীতিকহে শানত দিয়া হ'ল। যি সময়ত বামপন্থী কমিউনিষ্ট নেতা শ্ৰীনাম্বুদিৰিপাদে কলিকতাত কৈছিল যে কেৰালাৰ খাদ্য-পৰিস্থিতিতকৈ পশ্চিমবঙ্গৰ কেতবোৰ ঠাইৰ খাদ্য পৰিস্থিতি অধিক বেয়া, সেই সময়তে তেওঁৰ দলৰ উদ্যোগতে কেৰেলাত আন্দোলনৰ পূৰ্ণ পয়োভৰ উঠিছিল। এই আন্দোলনত সকলো ৰাজনৈতিক দলৰ মাজত সুস্পষ্টভাৱে প্ৰতিযোগিতা চলিল। আনকি কংগ্ৰেছ দলেও ভোটাৰ বিতুষ্ট হোৱাৰ ভয়ত আন্দোলন চলালে। কেৰালাৰ দৃষ্টান্তই অনুপ্ৰাণিত কৰিলে পশ্চিমবঙ্গক। পশ্চিমবঙ্গত খাদ্যৰ প্ৰসঙ্গ লৈ যিবোৰ কাণ্ড চলিছে— সেয়া ৰাজনৈতিক বিকৃতিৰ বাহিৰে আন একো নহয়। এইবোৰ কাণ্ডই খাদ্য সমস্যা সমাধান কৰাততো সহায় নকৰেই, মূল সমস্যাটো ফঁহিয়াই চোৱাৰো উপায় নিদিয়ে। জনসাধাৰণৰ মনৰ মাজলৈ কোন সোমাব পাৰে তাৰহে প্ৰতিদ্বন্দ্বিতা চলিল। উদ্ভাণ্ডালি চলিল সকলোতে— যিমানে অশান্তি হয়, যিমানে ৰক্তক্ষয় হয়— সিমানে খোৰাক মিলিব। এই দৰ্শন লৈ কেতবোৰ ৰাজনৈতিক দলে অতি হতাশজনক ভূমিকা ল'লে।

ইপিনে পশ্চিমবঙ্গ চৰকাৰে চৰকাৰৰ আৰু বিশেষকৈ ক্ষমতাত অধিষ্ঠিত কেতবোৰ নেতাৰ 'মৰ্য্যাদা'(?) ৰক্ষা কৰাটোকে আগ কথা বুলি ভাবিলে। কিন্তু গুলী চালনাই যে মৰ্য্যাদা নবঢ়ায়, সমস্যাহে বঢ়াই— সেই কথালৈ পিঠি দিয়া হ'ল। প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে কলিকতালৈ আহি পৰোক্ষভাৱে পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীসেনক যিবোৰ পৰামৰ্শ দিছে বুলি বাতৰি ওলাইছে, সেইবোৰৰ তাৎপৰ্য্য বিচাৰ কৰি চালেই বুজা যাব যে কেন্দ্ৰীয় চৰকাৰ পশ্চিমবঙ্গই লোৱা ব্যৱস্থাৰ ক্ষেত্ৰত সন্তুষ্ট হ'ব পৰা নাই।

কিন্তু সিপিনে সমস্যা একে ঠাইতে আছে। যোগান ব্যৱস্থাৰ ত্ৰুটি, চোৰাং বজাৰ, কৃত্ৰিম অনাটন এইবোৰ সমস্যাৰ জটিলতা বঢ়াই গৈছে— কমোৱা নাই। উৎপাদন বঢ়োৱাৰ ক্ষেত্ৰত হোৱা ব্যৰ্থতা অকল বতৰৰ গাতে জাপি দিয়াটো উচিত নে সেই বিষয়েও নিৰ্ভীকভাৱে বিচাৰ কৰাৰ চেষ্টা কোনেও কৰা নাই। খাদ্য কৰ্পৰেচনৰ প্ৰাক্তন চেয়াৰমেনে যিবোৰ মাৰাত্মক অভিযোগ তুলিছিল, সেইবোৰ খণ্ডন কৰা বা তেনে সুৰুঙা মৰাৰ ব্যৱস্থাও নাই। খাদ্যাঞ্চল সম্পৰ্কে জয়পুৰ কংগ্ৰেছত যি উষ্মাৰ চিন দেখা গৈছিল, তাৰ তাপ নৌকমোতেই জয়পুৰ কংগ্ৰেছে খাদ্যাঞ্চল সম্পৰ্কে লোৱা সিদ্ধান্তকে ওলট-পালট কৰি দিয়া হ'ল। মুঠতে চৰকাৰ, বিৰোধী দল সকলোৱে নিজৰ নিজৰ 'মৰ্য্যাদা', ৰাজনৈতিক স্বাৰ্থ আদিৰ তুলাচনীত তুলিহে সমস্যাটোৰ মূল্য নিৰূপণ কৰিছে। ইপিনে চুটি গাতৰ নিগনিৰ দৰে সৰ্বসাধাৰণৰ সমুখত সমস্যাৰ সমদল ওলাইছেহি।

১২ মাৰ্চ, শনিবাৰ, ১৯৬৬ চন

# শোচনীয় পৰিস্থিতি

পশ্চিমবঙ্গৰ শোচনীয় পৰিস্থিতিয়ে দেশবাসীক এহাতে দুঃখিত কৰি তুলিছে আৰু আনহাতে লজ্জিত কৰিছে। বৃহস্পতিবাৰে হৰতাল পালন কৰিবলৈ বিৰোধী দলসমূহে আয়োজন কৰাৰ পৰাই অৱশ্যে অনুমান কৰা হৈছিল যে শান্তিৰে হৰতাল উদ্‌যাপিত হোৱাৰ আশা কম। কিয়নো ইতিমধ্যে ৰাজ্যত খাদ্য-আন্দোলনৰ নামত যিবোৰ ঘটনা ঘটি গৈছিল আৰু সেই ঘটনাবোৰৰ সম্পৰ্কত ৰাজ্য চৰকাৰে যিদৰে ব্যৱস্থা হাতত লৈছিল, সেয়ে ইতিমধ্যে উত্তপ্ত আৰু তিক্ততাপূৰ্ণ পৰিৱেশ এটা ৰচনা কৰি থৈছিল। সেইটো পৰিৱেশ শান্তিপূৰ্ণভাৱে হৰতাল পালন কৰাৰ অনুকূল নাছিল। সেইদেখি বৃহস্পতিবাৰে হৰতালৰ নামত মূৰকত ধ্বংসযজ্ঞ অনুষ্ঠিত হ'ল। দিনৰ আগভাগত বিশেষ ঘটনা নঘটিলেও পিচভাগত শৃঙ্খলা ক'তো নেথাকিল। ৰেলগাড়ী, ৰেলষ্টেচন আদি ৰাজহুৱা সা-সম্পত্তি বিস্তৰভাৱে নষ্ট কৰা হ'ল। ৰেলৰ লাইন নষ্ট কৰা হ'ল। পুলিচ আৰু জনতাৰ মাজত ব্যাপক সংঘৰ্ষ হ'ল। মুঠতে উন্মাদনাই ছাটি ধৰিলে। ইপিনে ৰাজ্য চৰকাৰে ব্যাপকভাৱে গুলীবৰ্ষণ কৰিলে। কিমান মানুহ নিহত আৰু আহত হ'ল— তাৰ সঠিক হিচাপ দিয়া টান। বাতৰি কাকতবোৰত পৃথক পৃথক হিচাপ ওলাইছে। কিছুমান বাতৰিৰ মতে পুলিচে বৃহস্পতিবাৰে ভিন ভিন ঠাইত মুঠতে ৫২ বাৰ গুলীবৰ্ষণ কৰে। তাৰ বাহিৰেও লাঠীচালনা আৰু কন্দুৱা গেছৰ প্ৰয়োগ আছেই। সান্ধ্য আইন জাৰি কৰা আৰু সৈন্যবাহিনীৰ সাহায্য ল'বলগীয়া পৰিণতিয়ে অৱস্থাৰ গুৰুত্বৰ পৰিচয়কে দিছে। কিন্তু এইবোৰ কি কাণ্ড? দায়িত্বহীন উদ্ভাগুলিৰ বাহিৰে কি হ'ব পাৰে? এয়া গণতান্ত্ৰিক উপায়েৰে অসন্তুষ্টি প্ৰকাশ কৰাৰ নমুনা নেকি? যি উদ্দেশ্যেৰেই হৰতাল পালন কৰা নহওক, হৰতাল পূৰ্ণাঙ্গ বুলি স্বীকাৰ কৰিলেও সেই উদ্দেশ্য প্ৰতিপাদিত হোৱাৰ দাবী তোলাটো ভণ্ডামি মাত্ৰ। হৰতালৰ আয়োজন কৰা দলসমূহে বিবৃতি দিছে যে পূৰ্ণাঙ্গ হৰতালে চৰকাৰৰ খাদ্য নীতিৰ গৰিহণা দিলে। কিন্তু সেই কথা কৈয়েই এই শোচনীয় পৰিণতিৰ মাজতো যিসকলে আত্মতৃপ্তি লাভ কৰিব খোজে, তেওঁলোকে যে ৰাইজৰ ইচ্ছা-আকাংক্ষা প্ৰতিফলিত কৰা নাই, ৰাইজৰ স্বাৰ্থতকৈয়ো নিজৰ নিজৰ ৰাজনৈতিক স্বাৰ্থৰ পৰিপূৰণৰ বাবে আত্মনিয়োগ কৰিছে আৰু মানুহৰ তেজৰ বিনিময়ত, বিস্তৰ সা-সম্পত্তিৰ ক্ষতিৰ বিনিময়ত অহা নিৰ্বাচনৰ বাবে নিজৰ নিজৰ কঠীয়াতলি উলিয়াবলৈহে চেষ্টা কৰিছে— সেই কথাটো সুস্পষ্ট হৈ উঠে। বৃহস্পতিবাৰৰ ঘটনাৱলীৰ মূৰতো শুকুৰবাৰেও ভিন ভিন ঘটনা ঘটি থকা আৰু পুলিচে গুলী চলাবলগীয়া হোৱা অৱস্থাই পুনৰ দেখুৱাই দিছে যে এই আন্দোলনৰ গুৰিত কোনো দায়িত্ব-সচেতনতা নাই। আমি জানো যে সকলোবোৰ অশান্তি কেতবোৰ সমাজ বিৰোধীলোকে কৰিছে বুলি দায় সাৰিবৰ বাবে সকলো দলে চেষ্টা কৰিব। কিন্তু সেই কথাই আচলতে এই দলবোৰকহে অধিক লঘু কৰি তুলিব— অৰ্থাৎ তেওঁলোকৰ স্থিতিয়েই সন্দেহৰ বিষয় হৈ উঠিব।

অৱশ্যে পশ্চিমবঙ্গৰ ঘটনাৱলীৰ সম্পৰ্কত আমি একপক্ষীয়ভাৱে বিচাৰ কৰিব খোজা নাই। বিৰোধী ৰাজনৈতিক দলসমূহে এই শোচনীয় পৰিণতিৰ বাবে যিমানখিনি অপযশ মূৰ পাতি ল'ব লাগিব, সিমানখিনি অপযশ পশ্চিমবঙ্গ চৰকাৰেও মূৰ পাতি ল'ব লাগিব। পশ্চিমবঙ্গৰ চৰকাৰত অধিষ্ঠিত থকা লোকসকলে সকলো বিষয়তে বল প্ৰয়োগ কৰিয়েই মত ৰজাব পৰা হ'ব বুলি যি বিশ্বাস লৈছে সেই বিশ্বাসে সমস্যাৰ জটিলতা বৃদ্ধি কৰিছে। যোৱা কেইদিনমানৰ ভিতৰত পশ্চিমবঙ্গত গুলীচালনা আৰু দমনমূলক ব্যৱস্থাৰ ওপৰত যিদৰে

আস্থা স্থাপন কৰা হৈছে, তালৈ চালে আমি লজ্জিত হওঁ। গণতন্ত্ৰৰ গৌৰৱ কৰা দেশত এনে ধাৰাবাহিক গুলীবৰ্ষণ কলঙ্ক স্বৰূপ। কোনো যুক্তিয়েই ইয়াৰ সাৰ্থকতা প্ৰতিপন্ন কৰিব নোৱাৰে। পুলিচৰ দমন আৰু গুলীৰ ওপৰত পশ্চিমবঙ্গ চৰকাৰে ইমান একান্ত বিশ্বাস স্থাপন কৰিবলগীয়া হ'ল কিয়? গণতান্ত্ৰিক দৃষ্টিকোণৰ পৰা চালেই বুজা যাব যে ক'ৰবাত কেনা লাগিছে। পশ্চিমবঙ্গ চৰকাৰে তাকে স্বীকাৰ কৰি সেই কেনা দূৰ কৰিবলৈ চেষ্টা কৰিব লাগিছিল। কিন্তু বিধান মণ্ডলৰ অশান্তিৰ সম্পৰ্কত বা আলিবাটৰ অশান্তিৰ ক্ষেত্ৰত নাইবা চৰকাৰী আন নীতিৰ ক্ষেত্ৰত— সকলোতে 'ডিভাইন ৰাইট'ৰ পোষকতা কৰা তাহানিৰ নৃপতিবৰ্গৰ অনুৰূপ জেদৰ ভাব এটাহে পশ্চিমবঙ্গ চৰকাৰৰ মাজত পৰিলক্ষিত হৈছে। জনতাৰ ওপৰত গুলী চলোৱাত কিমান দৃঢ়তা অৱলম্বন কৰা হৈছে, খাদ্য সমস্যা জটিল কৰি তোলা চোৰাং বজাৰ আৰু মজুতকাৰী আৰু দুৰ্নীতি পৰায়ণ লোকৰ বিৰুদ্ধে তাৰ আধাৰ আধাও দৃঢ়তা দেখুৱাই পশ্চিমবঙ্গ চৰকাৰে ৰাইজৰ আস্থা আদায় কৰিবলৈ অগ্ৰসৰ হোৱা হ'লে এই পৰিস্থিতিৰ বাট ভেটিব পৰা নহ'লহেঁতেন নে? পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীসেনে নিজেই বিৰোধী দলবোৰক সুৰুঙা উলিয়াই দিয়া বুলি ক'লে নিশ্চয় ভুল কৰা নহ'ব।

<u>সোমবাৰ, ১৪ মাৰ্চ, ১৯৬৬ চন</u>

## খাদ্যবস্তুৰ ব্যৱসায়

আজিৰ সংখ্যা কাকতৰ স্থানান্তৰত শিশু খাদ্যৰ দুষ্পাপ্যতা সম্বন্ধে চিঠি এখন ওলাইছে। নিৰ্দিষ্ট ক'টাৰ বস্তু নিৰ্দিষ্ট স্থানত নোপোৱাটো গ্ৰাহকৰ দুৰ্ভাগ্য হ'ব পাৰে কিন্তু সেই বস্তু গৈ ক'লা বজাৰত ওলোৱাটো দুৰ্নীতিৰ বাহিৰে আন একো হ'ব নোৱাৰে। খাদ্যৰ অনাটনৰ বাবে দেশ জুৰি হাহাকাৰ লগাৰ সময়তে বিতৰণৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্ত্তৃপক্ষই সুব্যৱস্থা কৰিব নোৱাৰাৰ ফলত অৱস্থা আৰু বেছি বেয়ালৈ গৈছে। চোৰাং বেপাৰ যেন মুকলি বজাৰৰ নিচিনা হে পৰিছে আৰু চোৰাং বজাৰৰ অস্তিত্ব কৰ্ত্তৃপক্ষয়ো স্বীকাৰ কৰি লৈছে। কিন্তু তাৰ প্ৰতিৰোধ কাৰ্য্য তেনেই শিথিল হৈ আছে। আনকি কোনো কোনো ক্ষেত্ৰত সংশ্লিষ্ট ব্যৱসায়ী আৰু অন্যান্য লোকে প্ৰশ্ৰয় পোৱা যেনেই লাগে। পাকিস্থানৰ সৈতে লগা সংঘৰ্ষ শাম কাটোতেই সীমান্তৰ বহু ঠাইতে পূৰ্বৰ দৰে দুই দেশৰ মাজত চোৰাং ব্যৱসায় পূৰ্ণ গতিত চলিব ধৰাৰ বাতৰি আহিছে। তাক বাধা দিয়াৰ কথা ভবা নাই।

ৰাজ্যিক চৰকাৰৰ শাসন যন্ত্ৰটো কিমান নিষ্কৰ্মা তাৰ এটা উদাহৰণ আমাৰ কালিৰ সংখ্যা কাকতত ওলাইছে। আমাৰ ষ্টাফ ৰিপ'ৰ্টাৰে কোৱা মতে অসম চৰকাৰৰ যোগান বিভাগৰ বিষয়া এজনে ৰাজ্যৰ বাহিৰলৈ গৈ চৰকাৰীভাৱে বহু পৰিমাণৰ মিঠা তেল আৰু দাইল কিনি আনিছিল; কিন্তু সেই একেবোৰ বস্তুতে ব্যৱসায়ীসকলে একেবিলাক ঠাইৰ পৰাই আনি চৰকাৰী দৰতকৈ দহ-বাৰ টকা কমতে বিক্ৰী কৰিব পাৰিছে। কি ব্যৱসায়ী বুদ্ধিৰে কাম কৰিবলৈ গৈ ৰাজহুৱা ধনৰ এনে অপচয় কৰা হ'ল, এই কথাৰ ব্যাখ্যা কৰ্ত্তৃপক্ষই দিবনে? ইয়াৰ মাজত কিবা ৰহস্য আছে নেকি চৰকাৰে বিচাৰ কৰি চাওক। কাৰণ কোনো কোনো কৰ্ত্তৃপক্ষ আৰু ব্যৱসায়ীৰ অশুভ সম্পৰ্কৰ কাৰণে সাধাৰণ দোকানী আৰু সৰ্বসাধাৰণ গ্ৰাহকৰ আহুকাল হোৱাৰ বহুত উদাহৰণ আছে। গুৱাহাটীৰ দোকানীয়ে পাণ্ডুত বোন্দাপৰ দিও বস্তু আনিব নোৱাৰাৰ ফলত গ্ৰাহক বঞ্চিত হোৱাৰ কথা আমি পাহৰি যোৱা নাই। এতিয়া বাতৰি ওলাইছে যে খুচুৰা দোকানীয়ে পোনপটীয়াকৈ চৰকাৰী ভঁৰাল আৰু মিলৰ পৰা নিব পৰা খাদ্যবস্তুও যোগান বিভাগৰ বিষয়াই মধ্যস্বত্বভোগী পাইকাৰী ব্যৱসায়ীকহে

দিবলৈ ভাল পায়। এইটো অবৈধ প্ৰণয় নহ'লেও সৰ্বসাধাৰণ গ্ৰাহক সোনকালে উপকৃত হ'ব পৰা ব্যৱস্থাৰ পৰিৱৰ্ত্তে আপকীয়া পথ অৱলম্বন কৰিব খোজাটো মুঠেই সমৰ্থনযোগ্য নহয়। দহ হেজাৰ থৈলা বুটৰ দাইল গুৱাহাটীৰ চৰকাৰী ভঁৰালত পৰি আছে; অথচ এবাৰ উপায়ুক্তৰ নিৰ্দেশ আৰু এবাৰ স্বয়ং চৰকাৰৰ নিৰ্দেশ অমান্য কৰি সেইবোৰ খুচুৰা দোকানীক বিলাই দিবলৈ অস্বীকাৰ কৰি থকা হৈছে। ইয়াৰ মাজত যদি স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্য নিহিত হৈ আছে বুলি অভিযোগ উঠে তেন্তে বৰ বেছি দোষণীয় কথা নহ'ব।

কেইমাহমান আগতে উত্তৰ কামৰূপৰ এঠাইৰ পৰা বুটৰ চোৰাং বেপাৰ সম্বন্ধে হৈ-চৈ লগাৰ বাতৰি এটা আহিছিল; তাৰ বিচাৰৰ ভাৰ চৰকাৰী লোকে লৈছিল। সেই সময়ত পূজা-পাটলৰ কাৰণে বুট বিচাৰি মানুহে হাবাথুৰি খাইছিল। এতিয়া বাতৰি ওলাইছে যে বিতৰণৰ ক্ষেত্ৰত বেমেজালি লগোৱাৰ ফলতে এনে হ'বলৈ পাইছিল। আকৌ পাইকাৰী ব্যৱসায়ীকে বুট দিবলৈ ওলাই গোলমাল লগোৱা হ'ল। সাধাৰণ দোকানীয়ে নোপোৱাৰ কাৰণেই গ্ৰাহকে এইবিলাক বস্তু নেপায়। দেখা যায় কৰ্ত্তৃত্বত থকাসকলে মাজৰ কিছুমান ব্যৱসায়ীক পোহ-পাল দিবলৈ গৈয়েই এইদৰে ৰাইজক দুৰ্দশাত পেলাইছে। এই সাধাৰণ দেখদেখ কথাটো চৰকাৰৰ চকুত নপৰাটো বৰ আচৰিত কথা।

<u>বুধবাৰ, ১৬ মাৰ্চ, ১৯৬৬ চন</u>

# মিজো বিদ্ৰোহী

মিজো জিলাৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কে এতিয়ালৈকে চৰকাৰীভাৱে যিবোৰ বাতৰি দি থকা হৈছে, তাৰ মাজত কিন্তু জানিবলগীয়া কেতবোৰ কথা নাই। বাট-পথৰ আহুকালৰ দোহাই দি সুদীৰ্ঘ দিনৰ মূৰত লুংলে পুনৰ দখল কৰাৰ বাতৰি দি পৰিস্থিতি স্বাভাৱিক অৱস্থাৰ বাটলৈ যোৱা বুলিও আমাক কোৱা হ'ল। কিন্তু সকলো কথা ইমান সহজ বুলি আমি ভবা নাই। শ্বিলঙত চৰকাৰী মুখপাত্ৰই কৈছে যে ব্যাপকভাৱে আত্মসমৰ্পণ কৰাৰ বাতৰি পোৱা নাই। তেনেহ'লে বিদ্ৰোহী দল ক'লৈ গ'ল? তেওঁলোকে ইতিমধ্যে দেশত্যাগ কৰিলে নেকি? নে বিদ্ৰোহীৰ বন্দুক পেলাই ৰাইজৰ মাজত আত্মগোপন কৰিলে? কম সংখ্যক লোকক বন্দী কৰা বা কম সংখ্যক লোকে আত্মসমৰ্পণ কৰা বাবেই এই বুলি প্ৰমাণ কৰিবলৈ চেষ্টা চলোৱা ভুল হ'ব যে নিচেই তাকৰীয়া সংখ্যক লোকেহে বিদ্ৰোহ কৰিছিল। তাকে কৰিলে আত্ম প্ৰবঞ্চনা কৰা হ'ব মাত্ৰ। সামৰিক বাহিনীয়ে আইজলত কৰ্তৃত্ব গজগজীয়া কৰি তোলাৰ সমসাময়িকভাৱে সেই আইজালতে (বিদ্ৰোহী দল তাৰ পৰা পলোৱা বুলি ওলোৱাৰ পিছত) মিজো ইউনিয়নৰ নেতা কেইজনমানৰ ঘৰ পোৰা বুলি ওলোৱা বাতৰি এটাই কিন্তু নগা পাহাৰৰ অনুৰূপ অৱস্থাৰ কথা মনত পেলাই দিছে। সেয়া কিহৰ পূৰ্বাভাস চৰকাৰে যেন বুজি নুবুজাৰ দৰে নেথাকে।

ব্ৰহ্মদেশ আৰু পাকিস্থানৰ সীমা চুই থকা মিজো পাহাৰৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লওঁতে প্ৰথমেই ভাবিব লাগিছিল— বিদ্ৰোহী দলে যাতে বিদেশলৈ পলাবলৈ সুৰুঙা উলিয়াব নোৱাৰে। কিয়নো সেয়ে হ'বলৈ হ'লে মিজো পাহাৰৰ অশান্তি দীৰ্ঘম্যাদী হ'ব। বিদেশৰ পৰা সীমান্ত সৰকি আহি বিদ্ৰোহী দলে সময় আৰু সুবিধা বুজি উপদ্ৰব চলাই থাকিব। সেইদেখি বিমান বাহিনী, হেলিকপ্টাৰ বাহিনী আদিৰ সহায় লৈ হ'লেও কঠোৰতম ব্যৱস্থাৰ যোগেদি বিদ্ৰোহীৰ পলোৱাৰ পথ ৰোধ কৰিব লাগিছিল। কিন্তু সম্প্ৰতি যিবোৰ টুকুৰা খবৰ পোৱা

গৈছে, তাৰ পৰা বুজা গ'ল যে তেনে ব্যৱস্থা লোৱা নহ'ল। আনহাতে দুৰ্গম পথৰ যুক্তি দেখুৱাই লুংলেত উপনীত হওঁতে যিমান সময় লোৱা হ'ল, সেইখিনি সময়তে বিদ্ৰোহী দলৰ প্ৰায় গোটেইখিনিয়েই পূব পাকিস্থান আৰু ব্ৰহ্মদেশৰ সীমান্ত পাবলৈ সুযোগ পালে। বিদ্ৰোহী দলৰ শেষ প্ৰতিৰোধ এই দুই সীমান্ততে সীমাৱদ্ধ আছেগৈ। দেমাগিৰি লুংলেৰ পৰা প্ৰায় ৪০ মাইল দূৰত; সেই ঠাইত উপনীত হওঁতে আৰু সময় লাগিব। উপস্থিত হয়গৈ মানে বিদ্ৰোহী দলৰ সকলোখিনি নিশ্চয় পাকিস্থান পাবগৈ।

ইতিমধ্যে কলিকতাৰ এটা বাতৰিত প্ৰকাশ যে কৰ্ণফুলি নদী এলেকা আৰু পাৰ্বত্য চট্টগ্ৰাম এলেকাইদি বিদ্ৰোহী মিজো দলৰ কিছুমান লোক পাকিস্থানৰ ভিতৰ সোমাইছে। আনহাতে ঢাকাৰ বাতৰিত প্ৰকাশ যে মিজো জিলাৰ পৰা বহুতো 'ভগনীয়া' পূব পাকিস্থানৰ ভিতৰ সোমাইছে। বি-বি-চিয়েও বাতৰি দিছে যে পূব পাকিস্থান অভিমুখে 'ভগনীয়া' যাব লাগিছে। শ্বিলঙৰ চৰকাৰী মুখপাত্ৰই অৱশ্যে বি-বি-চিয়ে তেনে বাতৰি দিয়াৰ কথা গম নেপায় বুলি জনাইছে। 'ভগনীয়া'ৰূপী এইসকল লোক কোন, সেই কথা বুজাত নিশ্চয় কাৰো অসুবিধা নহয়। সিপিনে ব্ৰহ্মদেশৰ পৰাও বাতৰি আহিছে যে যোৱা ৯ মাৰ্চৰ দিনা ৪০০ মিজো ব্ৰহ্মদেশৰ ভিতৰত সোমাইছেগৈ। এইবোৰ বাতৰি সম্পৰ্কে আমি চৰকাৰী ভাষ্য একো নেপালেও বুজিছো যে সময়ৰ লগত আমি ফেৰ মাৰিব নোৱাৰিলো (তাৰ বাবে ভৱিতব্যৰ গাত ভেজা লোৱাৰ প্ৰয়োজন নাই— আমাৰ অব্যৱস্থাই তাৰ বাবে সম্পূৰ্ণভাৱে দায়ী)। ফলত বিদ্ৰোহী দলৰ সৰহ ভাগেই আমাৰ আয়ত্তৰ বাহিৰ হৈ গ'ল বা যোৱাৰ পথত; ইয়াৰ পৰিণতি কি হ'ব তাৰ ব্যাখ্যাৰ প্ৰয়োজন নাই। হয়তো দীঘলীয়া কালৰবাবে এৰা-ধৰাকৈ হোৱা অশান্তিৰ কাৰণে আমি প্ৰস্তুত থাকিব লাগিব। বিদ্ৰোহী দলৰ পলায়নৰ বাট ৰোধ কৰাৰ বেলিকা যদি অলপমানো সুবিধা আছিল বিদ্ৰোহী দলে সুৰুঙা বিচাৰি বিদেশৰ পৰা দুৰ্গম সীমান্তইদি সৰকি অহাত বাধা দিয়াৰ বেলিকা সেইকণ সুবিধাও নেথাকিব। বিদ্ৰোহী নগাৰ ক্ষেত্ৰতে তাৰ স্পষ্ট প্ৰমাণ আমি পাই থৈছো।

২২ মাৰ্চ, মঙ্গলবাৰ, ১৯৬৬ চন

# গাওঁ অঞ্চলত উচ্চশিক্ষা

গাওঁ অঞ্চলৰ চৈধ্যটা শিক্ষানুষ্ঠানৰ ভিতৰত নিৰ্দ্দিষ্ট মান লাভ কৰা তিনিটাক বিশ্ববিদ্যালয়ৰ মৰ্য্যাদা দিবলৈ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ এটা কমিটীয়ে পৰামৰ্শ আগবঢ়াইছে। এই সন্দৰ্ভত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীচাগলাই যোৱা শনিবাৰে দিল্লীত বহা গাওঁ অঞ্চলৰ উচ্চশিক্ষা বিষয়ক ৰাষ্ট্ৰীয় পৰিষদৰ অধিৱেশনত কয় যে এনে শিক্ষা ব্যৱস্থা কৃষিমুখী হ'ব লাগে আৰু ছাত্ৰসকলক ব্যৱহাৰিক জ্ঞান দিয়া ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিব লাগে।

এয়া হ'ল আদৰ্শৰ কথা। কিন্তু প্ৰকৃত পক্ষে বৰ্তমানে গাৱেঁ-ভূঞে গঢ়ি উঠা উচ্চ শিক্ষাৰ সৰহ ভাগ অনুষ্ঠানতে এই দিশলৈ লক্ষ্য ৰখা হোৱা নাই। শ্ৰীচাগলাই কোৱা মতে এই চৈধ্যটা গাৱঁলীয়া শিক্ষানুষ্ঠানৰ বাবে চৰকাৰে যোৱা দহ বছৰত তিনি কোটি টকা খৰচ কৰিছে। সেই চৈধ্যটা অনুষ্ঠানৰ কেইটামান বিশিষ্ট হৈছে আৰু কেইটাৰ পাৰ শিক্ষাপ্ৰাপ্ত ডেকাসকলে কৃষিমুখী মনোভাবেৰে ভাৰতৰ গাওঁ অঞ্চলৰ মান উন্নত কৰিছে আৰু কেনেদৰে সেৱা কৰা হৈছে— সেই বিষয়ে বিশেষ ভু আমি নেপাওঁ।

আনহাতে আমি দেখিছো উচ্চশিক্ষা প্ৰসাৰৰ নামত য'তে ত'তে হাইস্কুল আৰু কলেজৰ সংখ্যা দ্ৰুতগতিৰে বাঢ়িছে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু দেশৰ চিন্তাশীল সকলো ব্যক্তিয়ে এনে ধৰণৰ শিক্ষাব্যৱস্থাৰ প্ৰসাৰণৰ পৰা যে দেশৰ লাভতকৈ ক্ষতিহে অধিক হ'ব পাৰে সেই কথা ভাবিবলৈ লৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উছৱতো সিদিনা আচাৰ্য্য আৰু উপাচাৰ্য্যৰ ভাষণত এই সমস্যাৰ কথা উনুকিওৱা হৈছিল।

দ্ৰুত গতিৰে বৰ্দ্ধিত এই উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে নতুনকৈ স্নাতক হোৱা কিছুমানৰ জীৱিকাৰ পথ উলিওৱাটো সুখৰ কথা। কিন্তু এই অনুষ্ঠানসমূহৰ শিক্ষাব্যৱস্থা নগৰমুখী আৰু অফিচমুখী হোৱাৰ বাবে গাওঁ অঞ্চলত অৰ্দ্ধশিক্ষিত নিবনুৱা সৃষ্টি কৰাতহে এইবোৰে বৰঙণি যোগাইছে। এনেকুৱা অৰ্দ্ধশিক্ষিতসকলে কৃষিকৰ্মলৈ উভতি নেযায় বা যাব নোৱাৰে; আনহাতে নগৰলৈ আহিও ক'তো সুবিধা কৰিব নোৱাৰে। ফলত কৃষিক্ষেত্ৰৰ পৰা এচাম কৰ্মঠ লোকক আঁতৰাই আনি পৰোক্ষভাৱে এনে অনুষ্ঠানবোৰে দেশৰ হিততকৈ অধিক অহিত কৰা যেন লাগে।

ৰাজনৈতিক নেতৃত্বৰ বাবে দুই একে এনেবোৰ স্কুল-কলেজ পতাত উৎসাহ দেখুৱাই সহজ-সৰল ৰাইজ বা স্বাৰ্থজড়িত এচাম লোকৰ সমৰ্থন পোৱা দেখা যায়। শিক্ষানুষ্ঠানৰ উদ্যোক্তা, সভাপতি বা পৃষ্ঠপোষক হৈ পঞ্চায়ত, বিধানসভা আদিলৈ নিৰ্বাচিত হোৱাৰ আশাৰে এইসকল লোকে নিজৰ স্বাৰ্থৰ পথ মোকোলাই লয়। কোনো কোনো ৰাজনৈতিক অভিযাত্ৰীয়ে এনে উদ্দেশ্যেৰে আনকি দহ-বাৰখন অনুষ্ঠানৰো গুৰি ধৰাৰ বাতৰি পোৱা যায়। অৱশ্যে, এচাম সমাজৰ মঙ্গলাকাংক্ষী লোকেও নিস্বাৰ্থভাৱে শিক্ষা প্ৰসাৰৰ কামত লগাটোও আমি দেখিছো।

পৰিৱৰ্ত্তিত অৰ্থনৈতিক আৰু সামাজিক দৃষ্টিভঙ্গীৰে মন নকৰিলে দেশৰ অন্যায় কৰা হ'ব। শ্ৰীচাগলাই উনুকিওৱা দৰে কৃষিমুখী শিক্ষা ব্যৱস্থাৰ অনুষ্ঠান গঢ়াৰ প্ৰতি মনোযোগ দিলেহে দেশৰ প্ৰকৃত উপকাৰ কৰা হ'ব। নহ'লে সজ উদ্দেশ্যপ্ৰণোদিত হ'লেও এনেবোৰ অনুষ্ঠানে দেশত নিবনুৱাৰ সংখ্যাহে বৃদ্ধি কৰিব।

পৰিকল্পনা আয়োগৰ শেহতীয়া প্ৰতিবেদন অনুসৰি চতুৰ্থ পৰিকল্পনাৰ শেষলৈ হেনো দেশত নিবনুৱাৰ সংখ্যা হ'বগৈ ডেৰ কোটি। স্থানীয়ভাৱে কৰ্মসংস্থানৰ বিষয়ে অধিক গুৰুত্ব দি সেই প্ৰতিবেদনত কোৱা হৈছে যে— জিলা বা উন্নয়ন খণ্ডৰ ভেটিত কৰ্মী নিয়োগ কৰিব লাগে। সেয়ে স্থানীয় উন্নয়নৰ প্ৰতি সমূহ ৰাইজৰ আগ্ৰহো বঢ়াব। বৰ্তমান গাওঁ অঞ্চলৰ নিবনুৱাৰ অনুপাত হ'ল শতকৰা ৭০ৰ পৰা ৭৫। তৃতীয় পৰিকল্পনাৰ কালছোৱাত কৃষিৰ ওপৰত অধিক গুৰুত্ব দিয়া বাবে প্ৰায় পয়ত্ৰিছ লাখজনৰ বাবে নতুন কামৰ সুচল ওলাইছিল।

আনহাতে গাওঁ অঞ্চলৰ পৰিৱেশ আৰু জীৱনযাত্ৰাৰ লগত খাপ খুৱাব পৰা মানসিক প্ৰস্তুতিৰ বাবে উপযোগী কৰিবলৈ আৱশ্যকীয় শিক্ষাব্যৱস্থাৰ অগ্ৰগতি বৰ মন্থৰ অৱস্থাত আছে। চতুৰ্থ পৰিকল্পনাত নগৰ অঞ্চলৰ ঔদ্যোগিক ক্ষেত্ৰত অধিক কৰ্ম সংস্থানৰ সুচল হ'ব বুলি অনুমান কৰা হৈছে। তাৰবাবেও কাৰিকৰী শিক্ষাৰহে অধিক আৱশ্যক হ'ব।

দুয়োটা দিশৰ পৰা বিবেচনা কৰি গাওঁ অঞ্চলত উচ্চশিক্ষা বিস্তাৰৰ ক্ষেত্ৰত যাতে বৈজ্ঞানিক কৃষিপদ্ধতি কুটীৰ শিল্প, জনস্বাস্থ্য, অৰ্থনীতি আৰু স্বায়ত্ত শাসনৰ আভাস দিয়াৰ লগতে ব্যৱহাৰিক অনুশীলন আৰু পুঁথিগত জ্ঞানৰ মাজত কাৰ্য্যকৰী সমন্বয় গঢ়া শিক্ষাব্যৱস্থাৰ প্ৰসাৰ হয়— তালৈহে ৰাইজে আৰু চৰকাৰে চেষ্টা চলোৱা উচিত।

২৭ মাৰ্চ, দেওবাৰ, ১৯৬৬ চন

# সমস্যা ঃ মাটিৰ আৰু নীতিৰ

ৰাজ্য বিধানসভাত শুকুৰবাৰে ৰাজহ বিভাগৰ সম্পৰ্কত তীব্ৰ সমালোচনা উত্থাপিত হয়। সেয়ে ৰাইজৰ সমালোচনাৰ প্ৰতিফলন বুলি আমি ধৰিব পাৰো। বৰ্তমান অৱস্থাৰ পটভূমিত ৰাজহ বিভাগৰ যিবোৰ বিশেষ প্ৰয়োজনীয় দায়িত্ব বুলি গণ্য কৰা হয়, সেইবোৰৰ বেলিকা কাৰ্য্যক্ষেত্ৰত হোৱা অগ্ৰগতি সন্তোষজনক নহয়। সম্প্ৰতি কৃষি উৎপাদনৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিয়া হৈছে; কিন্তু অকল গুৰুত্ব দিলেই উৎপাদন নেবাঢ়ে। যিসকলে খেতি কৰে, তেওঁলোকৰ সমস্যাই সুবিচাৰ পাব লাগিব। এই সম্পৰ্কত ভূমি সংস্কাৰ ব্যৱস্থাৰ কথাই পোনতে মনত পৰে। ইতিমধ্যে একাধিক বিশেষজ্ঞমহলে দেশৰ ভূমি সংস্কাৰ ব্যৱস্থাৰ গতি মন্থৰ বুলি অভিহিত কৰিছে। অসমো তাৰপৰা বাদ পৰা নাই। ভূমি সংস্কাৰ ব্যৱস্থা প্ৰকৃতপক্ষে কাৰ্য্যকৰী নহ'লে খেতিয়কৰ মূল সমস্যা দূৰ নহয়, মাটিহীন খেতিয়কৰ আৰু কৃষি-বনুৱাৰ সমস্যাও দূৰ নহয়। যিসকল প্ৰকৃত খেতিয়ক তেওঁলোকে মাটিৰ বাবে হাঁহাকাৰ কৰি বা স্বাৰ্থৰ বহতীয়া হৈ আমাৰ খাদ্য সমস্যা দূৰ কৰিব পাৰিব বুলি আশা কৰাটো মিছা। এই বিষয়ত ন্যস্ত স্বাৰ্থৰ বিৰুদ্ধে চৰকাৰে দৃঢ়তা অৱলম্বন কৰিবলৈ ইমান দিনে নিজক সমৰ্থ কৰি তুলিব পাৰিব লাগিছিল।

আমাৰ খেতিৰ উপযোগী পতিত মাটি যে বেছি পৰিমাণে নাই, সেই কথা সকলোৱে জানে। অসমৰ মাটিৰ ওপৰত বহুত অত্যাচাৰ ইতিমধ্যে চলিল। ১৯৫১ চনৰ পিয়লতে ৰাজ্যৰ পিয়ল আয়ুক্তই তেওঁৰ প্ৰতিবেদনত কৈছিল যে কুৰি বছৰৰ ভিতৰত (১৯৩০ চনৰ পৰা ১৯৫০ চনৰ ভিতৰত) ডেৰ কোটি বিঘাৰো অধিক মাটিত পমুৱা বহুওৱাৰ হিচাপটোৰ ব্যাপকতা ইমান বেছি যে ভাৰতৰ আন যিকোনো ডাঙৰ ৰাজ্যৰ কাৰণেই এইটো অবিশ্বাস্য। কিন্তু তাৰপিছতো এনে বহুতো কাণ্ড ঘটিল। ইপিনে লগ লাগিলহি পূব পাকিস্থানৰ পৰা অহা ভগনীয়াসকলৰ পুনৰ সংস্থাপনৰ সমস্যা। বহুতো ভগনীয়াক চৰকাৰে মাটি দিলে। খেতিৰ মাটি অকল যে সেইদৰেই সংকুচিত হৈ গ'ল, এনে নহয়। গৰাখহনীয়া আৰু বানপানীয়েও বহুতো মাটিৰ হিচাপ নোহোৱা কৰিলে (অৱশ্যে লগতে মাটিহীন লোকৰ অংক বঢ়ালে)। আনহাতে নগৰৰ সম্প্ৰসাৰণ আৰু উদ্যোগৰ সম্প্ৰসাৰণেও (খেতিৰ মাটিত উদ্যোগ বহুওৱা ব্যৱস্থাৰ অবাধ স্বাধীনতা সম্প্ৰতি পৰিলক্ষিত হৈছে) খেতিৰ মাটিৰে সীমা খুচৰি ফুৰিছে।

তাৰ অৱশ্যম্ভাৱী পৰিণতি হ'ল— খেতিৰ মাটিৰ বাবে থলুৱা লোকৰ হাঁহাকাৰ। চৰকাৰে থলুৱা মাটিহীন লোকৰ সমস্যালৈ সম্পূৰ্ণৰূপে উপেক্ষা কৰিছে। ১৯৪৫ চনতে পতিত মাটিত থলুৱা মানুহ বহুৱাবৰ বাবে আঁচনি হাতত লোৱা হৈছিল। সেই আঁচনিৰ জকাও আজি নাই। থলুৱা মাটিহীন লোকৰ বাবে হাতত লোৱা অন্যতম আছুতীয়া আঁচনি হ'ল— নগাঁও জিলাৰ কাকিৰ আঁচনিখন। সেই আঁচনিৰ কি অৱস্থা হ'লগৈ, সেই কথা আজি অকল সেই জিলাৰে নহয়, সমগ্ৰ ৰাজ্যৰ মানুহে জানে। বানপানী আৰু খহনীয়াই উচ্ছেদ কৰি নতুনকৈ মাটিহীন লোকৰ শাৰীলৈ অনা হেজাৰ হেজাৰ লোকৰ প্ৰতি ন্যায় বিচাৰ আজিও কৰা নহ'ল। উদ্যোগ আদিৰ বাবে যিসকলৰ খেতিৰ মাটি লোৱা হ'ল, তেওঁলোকৰ বহুতে ক্ষতিপূৰণৰ ধনখিনিও সময়মতে পোৱা নাই— বিকল্প স্থানত মাটি পোৱাটো দূৰৰ কথা। মাটিৰ হেঁচা ভৈয়ামৰ জনজাতীয় খণ্ড আৰু জনজাতীয় বেল্টতো

পৰিছে। ভৈয়ামৰ জনজাতীয় ৰাইজৰ ওপৰত সম্প্ৰতি যি শোষণ চলিছে, সেয়ে সাম্প্ৰতিক অব্যৱস্থাৰ চৰম নিদৰ্শন।

পৰিকল্পিত ভূমি-নীতিৰ অভাৱত চৰকাৰে খেপিয়াই ফুৰিবলগীয়া হৈছে। চৰণীয়া পথাৰ, ৰিজাৰ্ভ আদি নিৰ্বিচাৰে মুকলি কৰি দিয়া হৈছে। আনকি এইবোৰত হোৱা বেদখলৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা লোৱা হোৱা নাই। বিজ্ঞানসন্মত জোখ মতে মুঠ ৰাজ্য ক্ষেত্ৰৰ শতকৰা কুৰিৰ পৰা পঁচিশ ভাগলৈ হাবি থাকিব লাগে। অসমত শতকৰা ১২ ভাগো নাই— এতিয়া তাৰ ওপৰতো অত্যাচাৰ চলিছে। চৰণীয়া পথাৰৰ অৱস্থা আৰু শোকলগা। এজনী গৰুক চৰিবলৈ যিমান ঠাই লাগে তাৰ ৩৩ ভাগৰ এভাগ ঠাইহে অসমৰ গাৱঁৰ গৰু এজনীয়ে পায়। ইতিমধ্যে তেনে তাকৰীয়া সুবিধাকণৰ পৰাও বহুত গৰু-গাইক বঞ্চিত কৰি বহুতো চৰণীয়া পথাৰ মুকলি কৰি দিয়া হৈছে।

এনে অপৰিকল্পিত নীতিৰ শেষ ক'ত, চৰকাৰে ভাবি চাওক। ভূমি সংস্কাৰ ব্যৱস্থা, ৰাজহ ধাৰ্য্যকৰণ নীতি, ৰাজহ সংগ্ৰহ ব্যৱস্থা, পৰিকল্পিত ভূমি-নীতি— এই সকলোবোৰৰ ক্ষেত্ৰতে থকা চলিত জড়তা দূৰ নহ'লে আমাৰ সমস্যাও দূৰ নহয়।

<u>বুধবাৰ, ৪ মে, ১৯৬৬ চন</u>

# বিদায় স্কট

অৱশেষত জনমতৰ জয় হ'ল। শান্তি মিছনৰ অন্যতম সদস্য ৰেভাৰেণ্ড মাইকেল স্কটক নগালেণ্ডত প্ৰৱেশ কৰিবলৈ নতুনকৈ অনুমতি নিদিয়াটোকে ভাৰত চৰকাৰে থিৰ কৰিলে। তদুপৰি তেওঁক ততালিকে ভাৰত ত্যাগ কৰিবলৈকো আদেশ দিয়া হৈছে। আজি কিছুদিনৰ পৰা অসুস্থ অৱস্থাত ৰেভাৰেণ্ড স্কট শ্বিলঙৰ হাস্পতালত আছে। যাতে এই অসুস্থতাৰ আঁৰত কোনো ৰাজনৈতিক ষড়যন্ত্ৰ থাকিব নোৱাৰে সেই বিষয়ে চৰকাৰ সজাগ হোৱা উচিত হ'ব। মানৱীয় দৃষ্টিভঙ্গীৰে হয়তো এনেদৰে সন্দেহ কৰা কথাটোক কোনোবাই হীনমনা বুলি ক'ব পাৰে। কিন্তু এতিয়ালৈকে ৰেভাৰেণ্ড স্কটে যিদৰে নগা সমস্যাটোক পাকে-প্ৰকাৰে জটিল কৰি তুলিলে,— নিজে বিদেশী হৈও ভাৰতৰ এই আভ্যন্তৰীণ সমস্যাটোক আন্তৰ্জাতিক সমস্যাৰ পৰ্য্যায়লৈ তোলাবলৈ যি অভিসন্ধি চলালে— তাৰপিছত তেওঁৰ গতি-বিধিৰ প্ৰতিক্ষেত্ৰতে সন্দেহৰ চকুৰে চোৱাটোৱেই জাতিৰ বাবে মঙ্গলজনক হ'ব বুলি আমি ভাবো। এপিনে বিদ্ৰোহী নগা দলৰ প্ৰতিনিধিয়ে চৰকাৰৰ লগত আলোচনা চলাইছে আনপিনে তেওঁলোকৰ দলৰ লোকে ধ্বংসাত্মক আৰু ভীতি প্ৰদৰ্শনমূলক কাৰ্য্যৰে শতাধিক লোকৰ প্ৰাণ নাশ কৰিছে— ৰাজহুৱা সম্পত্তি ধ্বংস কৰিছে। তদুপৰি অস্ত্ৰ বিৰতিৰ সময়ত গোপনভাৱে সংগঠিত বিদ্ৰোহী নগাৰ সংখ্যা আছিল মাত্ৰ দুহেজাৰ; এতিয়া এই সময়ছোৱাতে বিদেশত প্ৰশিক্ষণ দিয়াই সেই সংখ্যা দহ হেজাৰলৈ বৃদ্ধি কৰা হৈছে। বিদেশত তৈয়াৰী শক্তিশালী বিস্ফোৰকেৰে দেশৰ যাতায়াত ব্যৱস্থাত আহুকালৰ সৃষ্টি কৰি ৰাইজৰ নৈতিক বল টুটাবলৈ আৰু লগতে ৰাষ্ট্ৰৰ অখণ্ডতা আৰু নিৰাপত্তা বিপন্ন কৰিবলৈ বিদ্ৰোহী দল অধিক তৎপৰ হোৱা দেখা গৈছে। আনহাতে গণতান্ত্ৰিক শাসনত বিশ্বাসী নগাসকলৰ মনতো এইবোৰ ৰাষ্ট্ৰ বিৰোধী কাম আৰু চৰকাৰৰ তোষণ নীতিয়ে এটা দ্বিধা ভাবৰ সৃষ্টি কৰিছে। এনেবোৰ পৰস্পৰ বিৰোধী

কথা আৰু কামৰ উমান পায়েই হয়তো শান্তি মিছনৰ আন এজন সদস্য শ্ৰীজয়প্ৰকাশ নাৰায়ণে কিছুদিন আগতে ফালৰি কাটিছে। ভাৰত চৰকাৰে আনকি এই বিদ্ৰোহী দলক তেওঁলোকৰ তথাকথিত স্বাধীনতা উৎসৱ পালন কৰাতো বাধা দিয়া নাছিল। কিন্তু বিদ্ৰোহী শক্তি আৰু বিদেশী উপদেষ্টাৰ উচটনিত বিদ্ৰোহী দলে ভাৰত চৰকাৰৰ সকলো সজ চেষ্টা ব্যৰ্থতাত পৰিণতি কৰা যেন অনুমান হৈছে।

যিকি নহওক শ্ৰীজয়প্ৰকাশ নাৰায়ণ আঁতৰি যোৱাৰ পিছত আৰু বৰ্তমানে ৰেভাৰেণ্ড স্কটকো ভাৰত বিৰোধী কামত লিপ্ত থকা বাবে বহিষ্কাৰ কৰাৰ পিছত, কাৰ্য্যতঃ ১৯৬৪ চনত বাপ্টিষ্ট চাৰ্চৰ উদ্যোগত গঠিত শান্তি মিছন ভঙ্গ হৈ গৈছে।

পলমকৈ হ'লেও কালি গুৱাহাটীত বহা প্ৰদেশ কংগ্ৰেছ আৰু সংসদী দলৰ কাৰ্য্যনিৰ্বাহিক সমিতিয়ে শান্তি মিছন ভঙ্গ কৰিবলৈ আৰু নিৰাপত্তাৰ বাবে উপযোগী ব্যৱস্থা লৈ দোষীক সমুচিত দণ্ড বিহিবলৈ দাবী জনাই প্ৰস্তাৱ লৈছে। তদুপৰি মুখ্যমন্ত্ৰী শ্ৰীচলিহাই শান্তি মিছনৰ পৰা আঁতৰি যাবলৈ ঠিক কৰাত আৰু শান্তি মিছন ভঙ্গ কৰিবলৈ উপদেশ দিয়াত সমিতিয়ে সন্তোষ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী আৰু বিদ্ৰোহী দলৰ মাজত কথা-বতৰা চলোৱাৰ বাট মুকলি কৰি দিয়াৰ বাহিৰে মিছনে নগা সমস্যা সমাধানৰ বাবে বিশেষ একো অৰিহণা যোগাব নোৱাৰিলে। আনহাতে ডেৰ বছৰৰো অধিক কাল চৰকাৰ আৰু বিদ্ৰোহী দলৰ মাজত হোৱা বিফল আলোচনাৰ অন্তত চৰকাৰে আৰু অধিক কাল বিলম্ব কৰা উচিত নহয়। এটা শেষ সময় বান্ধি দি অতি কঠোৰভাৱে সন্ত্ৰাসবাদী কাৰ্য্যত ৰত নগাসকলক দমন কৰাৰ সিদ্ধান্ত ল'ব লাগিব। এই নীতি মিজোপাহাৰ, নগাপাহাৰ বা ৰাষ্ট্ৰৰ যিকোনো অঞ্চলতে সমান কঠোৰতাৰে প্ৰযোজ্য হোৱা উচিত। সহৃদয়তাক দুৰ্বলতা বুলি ভাবি অধিক অন্যায় কৰিবলৈ আগবাঢ়ি অহা শত্ৰুক ক্ষমা কৰাৰ প্ৰশ্ন উঠিবই নোৱাৰে।

বৈজ্ঞানিক ক্ষেত্ৰত নিজৰ ভৰিত থিয় দিবলৈ সক্ষম হ'বগৈ। নহ'লে বৈদেশিক সাহায্যৰ ওপৰতে নিৰ্ভৰ কৰি চলিলে চিৰদিনে পৰমুখাপেক্ষী হৈ থাকিব লাগিব। বিদেশৰ যন্ত্ৰপাতি আনি উদ্যোগ স্থাপন কৰাৰ লগতে সেই যন্ত্ৰপাতিৰ বিভিন্ন অংশ আৰু আনকি মূল যন্ত্ৰ নিৰ্মাণৰ কথা যদি ক্ৰমে কাৰ্য্যত পৰিণত কৰা নহয়, তেনেহ'লে চিৰদিনে সেই যন্ত্ৰ বা যন্ত্ৰৰ অংশৰ বাবে বিশেষ এখন দেশৰ ওচৰত ভিক্ষাপাত্ৰ লৈ থাকিব লাগিব। এনে কৰিলে শেষলৈ অৰ্থনৈতিক আৰু আনকি আভ্যন্তৰীণ ৰাজনৈতিক বিষয়তো সাহায্যকাৰী বিদেশে সময় আৰু ছল বুজি হস্তক্ষেপ কৰাৰ আশঙ্কা থাকে।

শ্ৰীচাগলাই নৱজাগ্ৰত আফ্ৰিকা আৰু এছিয়াৰ জাতিসমূহক সকলো ক্ষেত্ৰতে বিশ্বাসৰ দ্বাৰা উদ্বুদ্ধ হ'বলৈ আহ্বান জনাইছে। এসময়ত এই জাতিসমূহক ৰাজনৈতিক স্বাধিকাৰৰ বাবেও অনুপযুক্ত বুলি ভবা হৈছিল। কিন্তু আজি স্বাধীন হৈ এই জাতিসমূহেই নিয়াৰিকৈ গণতান্ত্ৰিক পদ্ধতিৰে নিজৰ নিজৰ ৰাষ্ট্ৰ পৰিচালনা কৰিছে। ঠিক তেনেদৰে বৈজ্ঞানিক যন্ত্ৰপাতি নিৰ্মাণ আৰু ৰাষ্ট্ৰৰ অৰ্থনৈতিক আদি বিষয়ত উন্নয়নৰ ক্ষেত্ৰতো আত্মবিশ্বাসেৰে কাম কৰিলে আমি এদিন তেওঁলোকৰ সমকক্ষ হ'ব পাৰিম নিশ্চয়। ৰাজনৈতিক স্বাধীনতা পোৱাৰ পিছত দেশত ঔদ্যোগিক বিকাশৰ আৱশ্যক। ঔদ্যোগিক বিকাশৰ বাবে যন্ত্ৰ-পাতি লাগে। পোনতে আন উন্নত দেশৰ যন্ত্ৰ-পাতিৰ সহায়লৈ হ'লেও দেশতেই নিৰ্মাণ যন্ত্ৰৰ উদ্ভাৱনৰ বাবে প্ৰচেষ্টা চলাব লাগে। এনেদৰেহে একোখন নবজাগ্ৰত দেশে ৰাজনৈতিক, অৰ্থনৈতিক, ঔদ্যোগিক আদি সকলো বিষয়তে আত্মনিৰ্ভৰ হৈ পৃথিৱীৰ যিকোনো উন্নত দেশৰ সমকক্ষ হ'ব পাৰে। ভাৰতত ঔদ্যোগিক বিকাশ আৰু যন্ত্ৰ-পাতি নিৰ্মাণত

সেয়েহে ইমান গুৰুত্ব দিয়া হৈছে। কিন্তু আমি ক'বনোৱাৰাকৈয়ে কেইখনমান বিশেষ দেশৰ ওপৰত অতিমাত্ৰাই নিৰ্ভৰ কৰা যেন দেখা গৈছে। যাতে প্ৰতিটো আমদানি কৰা যন্ত্ৰ বা যন্ত্ৰৰ অংশ অচিৰতে দেশতে নিৰ্মাণ কৰিব পৰা হয়গৈ সেই বিষয়ে আমাৰ নেতাসকল সচেতন থকা উচিত।

৫ মে, বৃহস্পতিবাৰ, ১৯৬৬ চন

# চাউলৰ যোগান

চাউলৰ যোগান-ব্যৱস্থাৰ উন্নতি নহ'লে অচিৰে ৰাজ্যত গুৰুতৰ পৰিস্থিতিয়ে দেখা দিয়াৰ আশঙ্কা হৈছে। উৎপাদনৰ সমস্যা আছে; বাহিৰৰ পৰা চাউল অনাৰ সমস্যাও আছে; আমাক যিমান পৰিমাণে চাউল লাগে তাৰ জোখাৰে চাউল যোগাৰ কৰাটোও টান কথা। এই সকলোবোৰ আমি স্বীকাৰ কৰো। কিন্তু লগতে আমি এই কথাও কওঁ যে যোগান-ব্যৱস্থা এতিয়াৰ দৰে ঘূণে ধৰা বিধৰ নোহোৱা হ'লে সম্প্ৰতি পাব পৰা চাউলেৰেই বহুতখিনি জেঙা মাৰিব পৰা গ'লহেঁতেন। এতিয়াৰ জটিলতা চাউলৰ অভাৱৰ বাবে হোৱা নাই বুলিয়েই আমাৰ বিশ্বাস— যোগান-ব্যৱস্থাৰ অকৰ্মণ্যতাৰ বাবেই ৰাইজ জুলুমত পৰিছে বুলি বিশ্বাস কৰাৰ থল আছে।

প্ৰথম কথা হ'ল— যোগান বিভাগ আৰু সমবায় বিভাগৰ মাজত সমন্বয় আৰু সহযোগিতা নাই। দুয়োটা বিভাগ যেন প্ৰতিদ্বন্দ্বী আৰু সুকীয়া সুকীয়া স্বাৰ্থৰহে সেৱক— এনে এটা ধাৰণা কৰিবলৈ ৰাইজ বাধ্য হৈছে। দ্বিতীয়তে চৰকাৰী ৰঙা-ফিটাৰ অত্যাচাৰেও চাউলৰ যোগানৰ ক্ষেত্ৰত গুৰুতৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই জুলুম সহ্য কৰিব নোৱাৰিয়েই বহুতে চাউলৰ ব্যৱসায়কে বন্ধ কৰি দিয়া বুলি বাতৰি পাই থকা হৈছে। চাউলৰ বাবে ব্যৱসায়ী আদিয়ে প্ৰথমে যোগান বিভাগৰ পৰা চালান ল'ব লাগিব— এই কামত কেইদিন লাগে তাৰ ঠিক নাই। তাৰপিচত একাউণ্টছ অফিচত (উপায়ুক্ত আদিৰ) চালান পাছ কৰাব লাগিব আৰু ষ্টেট বেঙ্কত টকা জমা দিব লাগিব। ইয়াতো কেইদিন লাগে তাৰ ঠিক নাই। তাৰপিচত আকৌ যোগান বিভাগৰ অফিচৰ পৰা 'ডেলিভাৰী অৰ্ডাৰ'ৰ বাবে 'কিউ'ত থিয় দিবগৈ লাগিব। শেষত চৰকাৰী গুদামৰ পৰা চাউল আনিব লাগিব। এই গোটেই প্ৰক্ৰিয়া সম্পাদিত হওঁতে নিম্নতম চাৰি দিন লাগিব। কিন্তু সেই সৌভাগ্যৰ অধিকাৰী কেইজন আছে, সন্দেহৰ কথা। এই আমোলাতান্ত্ৰিক প্ৰক্ৰিয়াৰ ফলতে দোকানীৰ জুলুম হৈছে আৰু আনহাতে গ্ৰাহকে দোকানে দোকানে চাউল বিচাৰি চলাথ লগাবলগীয়া হৈছে। এই বিষয়ত গুৱাহাটীয়ে ইতিমধ্যে এটা ৰেকৰ্ড কৰিছে— ১৬ এপ্ৰিলৰ আগতে টকা জমা দিয়া লোকে আজিও চাউল আনিব পৰা নাই হেনো।

আনহাতে চৰকাৰী নীতিৰ খেলিমেলি আৰু দুখ লগা। ন্যস্ত স্বাৰ্থৰ হেঁচাত কেনেকৈ চৰকাৰে আগতে একচেটিয়া সংগ্ৰহ-নীতি সলনি কৰিছিল সেই কথা সকলোৰে মনত আছে। তাৰপিচত আকৌ কোনোবা মহলৰ স্বাৰ্থ পূৰণ হওক বুলি চাউল বিতৰণৰ ক্ষেত্ৰতো নতুন নিয়ম কৰিলে। এই নতুন নিয়মে কাৰো দায়িত্ব নোহোৱা কৰিলে আৰু খেলিমেলি বহুত গুণে বঢ়ালে। যোগান বিভাগে এটা কথা কয় আৰু আনহাতে এপেক্স মাৰ্কেটিং ছচাইটীয়ে আন এটা কথা কয়। মঙ্গলবাৰে এই কাকতৰ প্ৰতিনিধিয়ে গুৱাহাটীৰ যোগান বিভাগৰ পৰা জানিব পাৰিলে যে সেই বিভাগৰ ভাষ্য মতে গুৱাহাটীত নতুন ব্যৱস্থা মতে চাউলৰ বিতৰণ সেইদিনা সম্পূৰ্ণ হয়। অথচ মঙ্গলবাৰে নিশালৈকে আমাৰ প্ৰতিনিধিয়ে পোৱা বাতৰি মতে দোকানত গ্ৰাহকে চাউল পোৱা নাই।

আনহাতে এপেক্স মাৰ্কেটিং ছচাইটিয়ে দিয়া বিবৃতি মতে চাউলৰ বিতৰণৰ ক্ষেত্ৰত তেওঁলোকৰ একো দায়িত্ব নাই। এই দায়িত্ব যোগান বিভাগৰহে।

এই হাস্যাস্পদ অৱস্থাৰ পৰা চৰকাৰে ৰাইজক উদ্ধাৰ কৰি চাউল মুঠি পোৱাৰ সুবিধা কৰি দিব নোৱাৰে কিয়? ন্যস্ত স্বাৰ্থক তুষ্ট কৰাটো আগ কথা বুলি নধৰি ৰাইজক ভোকৰ ভাত মুঠি যোগোৱাটোকে ঘাই কথা বুলি ধৰাটোহে আমি দাবী কৰো। সমবায় ব্যৱস্থাক এহাতে প্ৰাধান্য দিবলৈ লৈ আনহাতে আওপকীয়া বাটেৰে আন কিছুমান স্বাৰ্থক প্ৰশ্ৰয় দিবলৈ যোৱাৰ ফলতে এতিয়াৰ দূৰৱস্থা হৈছে। এই দুৰ্গতি দূৰ নহ'লে শোচনীয় অৱস্থা এটাই ছাটি ধৰিব। গোৱালপাৰা জিলাকে ধৰি কেইবাখনো জিলাৰ বাতৰি বিশেষ চিন্তাৰ বিষয় হৈ উঠিছে।

শুকুৰবাৰ, ৬ মে, ১৯৬৬ চন

# মাইকেল স্কট নামৰ যাজকজন

দক্ষিণ আৰু দক্ষিণ-পশ্চিম আফ্ৰিকাত বৰ্ণবিদ্বেষী শ্বেতাঙ্গ ফেচিষ্ট চৰকাৰে বৰ্ণকায় লোকসকলৰ ওপৰত চলোৱা উৎপীড়নৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱা ৰেভৰেণ্ড মাইকেল স্কট নামৰ লণ্ডন আবাসী খৃষ্টান যাজকজনক পৃথিৱীৰ উৎপীড়িত লোকসকলৰ লগতে ভাৰতবাসীয়েও এসময়ত শ্ৰদ্ধাৰ চকুৰেই চাইছিল; কাৰণ সেই সময়ত কোনেও ভবা নাছিল যে এংগ্লিকান পন্থী এই যাজকজনে বেপ্টিষ্ট পন্থী খৃষ্টানসকলৰ লগত গা ঘঁহাই ভাৰতৰ সীমামূৰীয়া অঞ্চল এখনৰ জনজাতীয় লোকসকলৰ 'দূৰদৰ্শিতাহীন' দাবীৰ পোষকতা কৰি তেওঁলোকৰ মুখপাত্ৰৰ ভূমিকাত অৱতীৰ্ণ হ'বহি। এই যাজকজন তিনি বছৰৰ আগতে ভাৰত ওলাইছিলহি তেওঁৰ আশ্ৰিত বিদ্ৰোহী নগা নেতা এজনৰ পক্ষে কিছুমান সুযোগ-সুবিধা আদায় কৰিবলৈ। কিন্তু তেওঁ আশা কৰা মতে সুবিধা আদায় কৰিব নোৱাৰিলেও 'লোটা নিয়া ছেও' আৰম্ভ কৰিলে আৰু শান্তি মিছনৰ সদস্য হৈ আইন অমান্যকাৰী নগাদলৰ লগত পোনপটীয়া সংযোগ স্থাপনৰ সুযোগ উলিয়াই ললে। ১৯৬৪ চনৰ এপ্ৰিল মাহৰ পৰা শান্তি মিছনত থাকিয়েই তেওঁ ভাৰতৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ কাৰণে (?) যিখিনি কৰিলে তাৰবাবে গড়ৰ দৰে ডাঠ ছালৰ ভাৰত চৰকাৰেও অতিষ্ঠ হৈ যাজক স্কটক দেশৰ পৰা বিতাড়িত কৰিবলৈ বাধ্য হ'ল।

কিন্তু ৰেভাৰেণ্ড স্কট চাহাবে ভাৰত ত্যাগ কৰাৰ আগ মুহূৰ্তত যিকেইটি 'উপাদেয়' বাণী দিছে সেয়েহে ভাৰতবাসীক বিশেষকৈ অসম আৰু নগালেণ্ডৰ শান্তি প্ৰয়াসী লোকসকলক স্তম্ভিত কৰি তুলিছে। এই যাজকজনে তেওঁৰ ওপৰত ভাৰত ত্যাগৰ নিৰ্দেশ দিয়াটো যুক্তিসঙ্গত হোৱা নাই বুলি ক'বলৈ প্ৰয়াস পাইছে। নগাবিলাকৰ আত্মগোপনকাৰী দলৰ লগত ভাৰত চৰকাৰৰ আলোচনা চলি থকাত আপত্তি কোনেও নকৰে। নগা আত্মগোপনকাৰী দলে নিজৰ আইন-শৃঙ্খলাবিৰোধী কাৰ্য্যকলাপ পৰিহাৰ কৰি ভাৰত চৰকাৰৰ লগত এটা বুজাবুজি কৰাটো সকলোৱে কামনা কৰে।

নগা জনজাতীয় লোকসকলক স্বকীয় পদ্ধতিৰে বিকাশ সাধনত বাধা দিবলৈ কোনেও ইচ্ছা কৰা নাই। কিন্তু নগালেণ্ডত সাৰ্বভৌম ৰাষ্ট্ৰ গঠন কৰিবলৈ ওলোৱা দলটোৰ দাবী ভাৰতীয় ৰাষ্ট্ৰী অখণ্ডতাৰ লগত সঙ্গতিপূৰ্ণ কেনেকৈ হ'ব পাৰে? অথচ ৰেভাৰেণ্ড স্কটৰ মতে 'নগাসকলৰ সংগ্ৰাম ভাৰতৰ নিৰাপত্তা আৰু

অখণ্ডতাৰ কাৰণে শত্ৰুতাপূৰ্ণ নহয়। নগা আৰু ভাৰতৰ মাজত সহযোগিতামূলক অৱস্থান সম্ভৱ কৰিব পাৰি।' ইয়াৰ সহজ বিশ্লেষণ এয়ে যে তেওঁ আত্মগোপনকাৰী নগাৰ সাৰ্বভৌমত্বৰ দাবী মানি লৈছে। সেই কাৰণেই তেওঁ নগাসকলে যিবোৰ বিষয়ৰ কাৰণে সংগ্ৰাম চলাইছে তাৰ বহুত কথাতে তেওঁৰ সহানুভূতি আছে বুলি স্পষ্টভাৱে প্ৰকাশ কৰিছে। ইয়াৰ পাছত স্কটৰ ভাৰতৰ প্ৰতি সদ্ভাৱ থকাৰ কথা কোনোবাই বিশ্বাস কৰিব পাৰেনে?

লামডিং আৰু ডিফুৰ লোমহৰ্ষক কাণ্ড নগা সন্ত্ৰাসবাদী দলৰ কাৰ্য্য বুলি কোনো প্ৰমাণ মাইকেল স্কটে হেনো পোৱা নাই। কিন্তু শান্তি মিছনৰ অন্যতম সদস্য অসমৰ মুখ্যমন্ত্ৰী শ্ৰীচলিহাই কৈছে যে এই দুটা বিস্ফোৰণ আত্মগোপনকাৰী নগাৰ সশস্ত্ৰ শাখাৰ মুৰব্বীৰ নিৰ্দেশত সংঘটিত হোৱা বুলি জনা গৈছে। নগা আত্মগোপনকাৰী দলৰ প্ৰতি স্কটৰ পক্ষপাতিতাৰ এয়া স্পষ্ট নিদৰ্শন নহয়নে?

এইজন মাইকেল স্কটেই এতিয়া কৈছে তেওঁ বোলে লণ্ডনত থাকিও নগা সমস্যা সমাধানৰ কাৰণে যিখিনি পাৰে কৰিব। নগা আত্মগোপনকাৰীৰ সজাতি দলৰ লগত প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ আলোচনা চলি আছে। আলোচনাৰ পৰিৱেশ সৃষ্টি কৰিবৰ বাবে ভাৰত চৰকাৰে অস্ত্ৰ সম্বৰণৰ ম্যাদো বাৰে বাৰে বঢ়াই দি আহিছে। ইয়াৰ উপৰিও মাইকেল স্কটৰ দৰে লোকে লণ্ডনত থাকি নগা সমস্যা সমাধান কৰিবলৈ কি বৰঙণি যোগাব পাৰে, আমি বুজি নেপাওঁ। তেওঁ ভাৰততে থাকি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান আৰু ব্ৰহ্ম চৰকাৰলৈ চিঠি লিখাৰ দৰে, নতুনকৈ সমগ্ৰ বিশ্বত নগা বিদ্ৰোহীৰ দাবীৰ সপক্ষে প্ৰচাৰকাৰ্য্য চলোৱাৰ বাহিৰে আন কিবা কৰিব বা কৰিব পাৰিব বুলি মনে নধৰে।

ভাৰত চৰকাৰে এই যাজকজনক দেশলৈ উভতি যাবলৈ নিৰ্দেশ দি পলমকৈ হ'লেও এটা ভাল কাম কৰিছে, কিন্তু তেওঁৰ পৰা ভৱিষ্যতে হ'ব পৰা বিপদৰ প্ৰতিও উদাসীন হ'লে নচলিব। মাইকেল স্কট নামৰ খৃষ্টান যাজকজন ভাৰতৰ পৰা গ'ল সঁচা কিন্তু তেওঁৰ প্ৰভাৱ নগালেণ্ডৰ পৰা আঁতৰা নাই। ভাৰত চৰকাৰ এই বিষয়েও সচেতন হোৱা উচিত।

শনিবাৰ, ১৪ মে, ১৯৬৬ চন

## পাৰ্বত্য জনজাতীয় অঞ্চল

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্য্যনিৰ্বাহক সমিতি আৰু অসম কংগ্ৰেছ সংসদী দলৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ যুটীয়া বৈঠকত পাটস্কৰ আয়োগৰ প্ৰতিবেদন সম্পৰ্কে হোৱা আলোচনাৰ মূৰত কেতবোৰ সিদ্ধান্ত লোৱা হৈছে। বৈঠকৰ অভিমত এতিয়া অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আগত দাঙি ধৰা হ'ব আৰু তাতেই এই বিষয়ে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। যুটীয়া বৈঠকে নেতিবাচক পথ এটা লোৱা নাই; যোগাত্মক পথেৰেই আগুৱাই গৈ পাৰ্বত্য অঞ্চলৰ ৰাইজৰ ইচ্ছা পূৰণ কৰাৰ হকে চলা প্ৰচেষ্টাত নিজৰ ববীয়া বৰঙণি যোগাবলৈ চেষ্টা কৰিছে। পাটস্কৰ আয়োগৰ কেতবোৰ পৰামৰ্শৰ প্ৰতি সকলোৱে সমৰ্থন আগবঢ়াব। যুটীয়া বৈঠকেও সেইবোৰৰ ক্ষেত্ৰত সমৰ্থন জনাইছে। কিন্তু আয়োগৰ কেতবোৰ পৰামৰ্শই কেতবোৰ মৌলিক নীতিৰ ওপৰত কুঠাৰাঘাত কৰিব খুজিছে বাবেই আমি এই স্তম্ভত সেই বিষয়ে উনুকিয়াই দিছিলো। সন্তোষৰ কথা যে যুটীয়া বৈঠকেও এতিয়া অনুৰূপ মনোভাৱকে ব্যক্ত কৰিছে। বৈঠকে সেইবোৰ খুত আঁতৰোৱাৰ সপক্ষে মনোভাৱ ব্যক্ত কৰিছে।

আয়োগে ৰাজ্যপালৰ হাতত বিশেষ কৰ্তৃত্ব দিয়াৰ আৰু জনজাতীয় মন্ত্ৰীৰ সম্পৰ্কত দিয়া পৰামৰ্শই চলিত স্বীকৃত মৌলিক ব্যৱস্থা ক্ষুণ্ণ কৰিব। পাৰ্বত্য অঞ্চলৰ সদস্যসকলক লৈ গঠিত হোৱা কমিটী আৰু ৰাজ্য বিধানসভাৰ মাজত মতভেদ হ'লে ৰাজ্যপালে যি সিদ্ধান্ত দিব সেয়ে ৰাজ্য বিধানসভাৰো সিদ্ধান্ত বুলি পৰিগণিত হ'ব— এয়ে হ'ল আয়োগৰ পৰামৰ্শ। এই ব্যৱস্থাই বিধানসভাৰ গণ্ডী সংকুচিত কৰিব আৰু সদনৰ সাৰ্বভৌমত্ব ক্ষুণ্ণ কৰিব। সাংবিধানিক অধিকাৰ এটা জলাঞ্জলি দি আমি অসমক দ্বিতীয় শ্ৰেণীৰ ৰাজ্য হিচাপে গঢ় দিয়াটো কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। দ্বিতীয়তে, জনজাতীয় মন্ত্ৰীৰ নিযুক্তি আৰু সেই মন্ত্ৰীৰ হাতত ন্যস্ত কৰা দায়িত্ব সম্পৰ্কে আয়োগে দিয়া পৰামৰ্শই কাৰ্যতঃ যুটীয়া দায়িত্বৰ ভেটিত সৃষ্টি হোৱা কেবিনেট-পদ্ধতিৰ মূল কথাখিনিকে অসাৰ কৰিব। যুটীয়া বৈঠকে এই দুটা কথাত মনোনিবেশ কৰি বিবেচনা-প্ৰসূত মতামত প্ৰকাশ কৰিছে। জনজাতীয় মন্ত্ৰীৰ সম্পৰ্কত বৈঠকে অৱশ্যে আৰু এটা প্ৰসঙ্গৰ অৱতাৰণা কৰিছে। বৈঠকৰ মতে ৰাজ্যৰ মুঠ ভূমি ভাগৰ শতকৰা ৪৭ ভাগ পাৰ্বত্য অঞ্চল আৰু এই সমুদায় অঞ্চলৰ সকলো বিভাগীয় কাম এজন মন্ত্ৰীৰ হাতত ন্যস্ত হ'লে তেওঁৰ পক্ষে কাম চলোৱা অসম্ভৱ নহ'ব। অন্যান্য বিভাগৰ মন্ত্ৰীৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ লগতো সমন্বয় ৰখাৰ প্ৰয়োজন হ'ব।

এতিয়া প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কি সিদ্ধান্ত লয় তালৈ আমি বাট চাব লাগিব। আমাৰ বিশ্বাস যে প্ৰদেশ কংগ্ৰেছৰ দৃঢ়তাৰ অভাৱ নহ'ব। পাৰ্বত্য অঞ্চলৰ ইচ্ছা-আকাংক্ষা পূৰণ হোৱাটো সকলোৱে কামনা কৰে। এই অঞ্চলক অধিক সা-সুবিধা দিয়া, এই অঞ্চলৰ পৰা অধিক মন্ত্ৰী লোৱা, এই অঞ্চলক অধিক স্বায়ত্ত শাসনৰ সুবিধা দিয়া— এইবোৰৰ কোনো এটা কথাতে অসমৰ ৰাইজৰ মনত বিৰূপ ভাব থাকিব নোৱাৰে। মাত্ৰ অসমৰ বাকী অঞ্চলক সাংবিধানিক স্বত্ব ভোগ কৰাৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থা থাকিব নেলাগে। পাটস্কৰ আয়োগে দিয়া উল্লিখিত পৰামৰ্শই সংখ্যালঘিষ্ঠক সংখ্যাগৰিষ্ঠৰ ওপৰত 'ভেটো' প্ৰয়োগ কৰাৰ অধিকাৰহে দিব। এই ব্যৱস্থা মাত্ৰ তিক্ততাৰ বাহক। অথচ আমি বিচাৰো তিক্ততাৰ অৱসান, সংহতি স্থাপন, পৃথক মনোভাৱৰ অৱসান। দুখৰ কথা যে অসমৰ পাৰ্বত্য অঞ্চলৰ জনজাতীয় ৰাইজৰ সমস্যাৰ সম্পৰ্কত বেজালিৰ বৃত্তি সকলোৱে অৱলম্বন কৰিবলৈ বিচাৰে। কিন্তু আচল ৰোগ ক'ত— তাৰ বিচাৰ কোনেও নলয়। চৰকাৰৰ জনজাতীয় নীতিৰ মাজতে এই ৰোগৰ বীজ সোমাই আছে। অসমৰ বাহিৰেও আন কেইবাখনো ৰাজ্যত বিপুল সংখ্যক জনজাতীয় লোক আছে। কিন্তু তেওঁলোকক কেন্দ্ৰ কৰি আনবোৰ ৰাজ্যত কোনো গুৰুত্বৰ পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। সেইবোৰ ৰাজ্যই অনুসৰণ কৰা জনজাতীয় নীতিয়েই তাৰ কাৰণ। অসমত এই ক্ষেত্ৰত যি নীতি চলি আহিছে, সেই নীতিয়ে পাৰ্বত্য জনজাতীয় ৰাইজক দেশৰ অৱশিষ্ট অঞ্চলৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে, তেওঁলোকৰ মাজত একাত্ম ভাব গঢ়ি তোলাৰ ক্ষেত্ৰতো অন্তৰায়ৰ সৃষ্টি কৰিছে। ফলত সামান্য অজুহাততে পৃথক মনোভাৱ জাঙুৰ খাই উঠে।

সেইদেখি চৰকাৰে জনজাতীয় নীতি সলনি কৰাটো প্ৰথম কথা। সেইবুলি সকলো ৰক্ষাকৱচৰ উচ্ছেদ সাধি অষ্ট্ৰেলিয়াৰ জনজাতীয় লোকসমষ্টিৰ কৰুণ বুৰঞ্জীৰ পুনৰাবৃত্তি ইয়াতো কৰিবলৈ কোৱা নাই। ৰক্ষাকৱচ লাগিবই— কিন্তু সেয়ে সময়ৰ চাহিদাৰ লগত খাপ খোৱা ধৰণৰ হ'ব লাগিব। সংবিধানৰ ৬ষ্ঠ অনুসূচীৰ কথাও আমি চিন্তা কৰিব লাগিব। সংবিধান ৰচনা কৰিবৰ সময়ত যি উদ্দেশ্যেৰেই এই অনুসূচী ৰচনা কৰা নহওক, আজি ইয়াৰ কাৰ্য্যকাৰিতা টুটি আহিছে। অকল সেয়ে নহয়, এই অনুসূচী প্ৰযোজ্য হোৱা অঞ্চলৰ ৰাইজৰ নিভাঁজ

ইচ্ছা-আকাংক্ষা কেতবোৰ পূৰণ কৰাৰ বাটতো সেয়ে অন্তৰায়ৰ সৃষ্টি কৰিছে। আছুতীয়া ৰক্ষাকৰচৰ যেনেকৈ প্ৰয়োজন আছে, সেইদৰে কেতবোৰ আছুতীয়া ৰক্ষাকৰচৰ পৰা সুকীয়া প্ৰতিক্ৰিয়াও হোৱা দেখা যায়। ভৈয়াম অঞ্চলত প্ৰযোজ্য কেতবোৰ আছুতীয়া ৰক্ষাকৰচৰ বেলিকা আমি দেখিছো যে সেইবোৰক কেন্দ্ৰ কৰি ন্যস্ত স্বাৰ্থইহে পুষ্টি লাভ কৰিছে। তাৰ পৰা আচলতে সাধাৰণ মানুহৰ লাভ হোৱা নাই— কিন্তু ন্যস্ত স্বাৰ্থ ক্ৰমে সৱল হৈ উঠিছে। মূৰকত হয়তো তেনেবোৰ ব্যৱস্থাৰ অৱসান ঘটোৱাটোৱেই টান হ'বগৈ। ৬ষ্ঠ অনুসূচীয়েও পাৰ্বত্য অঞ্চলত বিশেষ কেতবোৰ ন্যস্ত স্বাৰ্থ গঢ়ি তুলিছে। তাৰ প্ৰতি চৰকাৰে লক্ষ্য কৰা উচিত। আমি সন্তোষ পাইছো যে অসমৰ ৰাজ্যমন্ত্ৰী শ্ৰীইমনসিং ছাংমাই এই গুৰুত্বপূৰ্ণ বিষয়টোলৈ আঙুলিয়াই দিছে আৰু পৃথক মনোভাৱ দূৰ কৰাৰ বাবে ৬ষ্ঠ অনুসূচীৰ সংশোধন ঘটোৱাৰ পোষকতা কৰিছে। এই সময়োচিত সতৰ্কবাণীলৈ সময় থাকোঁতেই কাণ দিয়া উচিত হ'ব। ইতিমধ্যে আমি জটিলতৰ পথেদি যাব লাগিছো। এখন পাৰ্বত্য ৰাজ্যৰ দাবীৰ পৰা গৈ এতিয়া পাৰ্বত্য জিলাখনে প্ৰতি একোখন ৰাজ্য গঠন কৰাৰ দাবী উঠিছে। ইমানতো বিষ-বৃক্ষৰ কথা ভাবিবৰ আজৰি নোলাবনে?

<u>সোমবাৰ, ১৬ মে, ১৯৬৬ চন</u>

# মিজো বিদ্ৰোহ

বে-আইনী ঘোষিত মিজো নেচনেল ফ্ৰণ্টৰ কাৰ্য্য-কলাপ সম্বন্ধে মুখ্যমন্ত্ৰীয়ে নিজে আইজল-লুংলে পৰিদৰ্শন কৰি আহি যি কথা কৈছে সেইখিনি উৎসাহজনক। শ্ৰীচলিহাই কৈছে যে মিজো জিলাৰ সৰ্বসাধাৰণৰ আস্থা এম-এন-এফৰ লোকসকলে হেৰুৱাইছে আৰু তাতোকৈ ডাঙৰ কথা— এইবাৰ যদি আকৌ বিদ্ৰোহ হয় তেন্তে সৰ্বসাধাৰণ লুছাই ৰাইজেই তাত বাধা দিব। (পুনৰ সশস্ত্ৰ বিদ্ৰোহ হ'ব পৰাৰ কথা একেআষাৰে কৰ্তৃত্বশীলভাৱে এতিয়ালৈকে অস্বীকাৰ কৰা হোৱা নাই।) ইয়াৰ পৰা এনে অৰ্থ কৰিব পাৰি যে মাৰ্চত হৈ যোৱা সশস্ত্ৰ মিজো বিদ্ৰোহত সেই জিলাৰ জনসাধাৰণৰ সমৰ্থন নেথাকিলেও তাত বাধা দিবলৈ তেওঁলোকে আগুৱাই যোৱা নাছিল। অৱশ্যে নগা পাহাৰত হোৱাৰ দৰে ভীতি প্ৰদৰ্শনৰ কাৰণেও তেনে হ'ব পাৰে। যিয়েই নহওক, কৰ্তৃপক্ষই এই বিদ্ৰোহক ভুল আৰু দোষণীয় বুলি ভাবিছে যেতিয়া এতিয়া সৰ্বসাধাৰণ মিজো ৰাইজক বিদ্ৰোহী আত্মগোপনকাৰীসকলৰ প্ৰভাৱ আৰু ভীত্তি প্ৰদৰ্শনৰ পৰা আঁতৰাই ৰখাৰ সক্ৰিয় কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হৈছে। অনা-মিজোৰ সৈতে ভালেমান মিজো লোকো ভগনীয়া হৈ শিলচৰৰ পিনে গুচি অহাৰ বাতৰি ওলাইছে। ইয়াৰ অন্তৰালত ভিতৰুৱা অঞ্চলত অশান্তিজনক অৱস্থা বিৰাজ কৰাটোহে প্ৰমাণিত হয়। এটা বাতৰি মতে বিদ্ৰোহৰ প্ৰস্তুতি স্বৰূপে ল'ৰা-তিৰোতাসকলক মণিপুৰ আৰু ব্ৰহ্মদেশলৈ পঠাই দিব খোজা হৈছে। ইতিপূৰ্বে লুটপাত হৈ থকাৰ কথালৈ আমি ৰাইজ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোৱেই। মুখ্যমন্ত্ৰীয়ে নিজেই অসামৰিক শাসন যন্ত্ৰটো মিজো পাহাৰত অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছে। চৰকাৰী শাসন ব্যৱস্থা যে মিজো পাহাৰত কোনো দিনেই উপযুক্ত নাছিল সেই কথা ব্যৰ্থ বিদ্ৰোহতে প্ৰমাণ হৈছে— কিয়নো আৱশ্যক মতে আগতীয়া খবৰ পায়ো প্ৰতিকাৰৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা নহ'ল বুলি অভিযোগ কৰা হৈছে। বিদ্ৰোহ ব্যৰ্থ হোৱাৰ পিছতে শাসন যন্ত্ৰৰ সংস্কাৰ আৰু শক্তিশালী কৰিবলৈ লোৱাৰ

কথা সকলোৱে জানে। কিন্তু এতিয়াও ভালেখিনি কৰিবলগীয়া আছে বুলি মুখ্যমন্ত্ৰীয়ে নিশ্চয় উপলব্ধি কৰিছে। গতিকে আত্মসন্তুষ্টি লাভ কৰাৰ আমি এতিয়াও কোনো কাৰণ দেখা নাই। আকস্মিক আক্ৰমণ হৈ থাকিব বুলি চৰকাৰীভাৱেই কৈ অহা হৈছে। এইধৰণৰ উৎপাতৰ যদি অচিৰেই জইন মাৰিব পৰা নহয় তেন্তে এইবিলাকেই পিছত সাধাৰণ মিজো ৰাইজৰ মনত ভুল ধাৰণাৰ সৃষ্টি কৰিব পাৰে— যি জনসাধাৰণৰ এতিয়া বিদ্ৰোহীৰ প্ৰতি অতিষ্ঠ হৈ উঠা বুলি অনুভৱ কৰা হৈছে। নগা বিদ্ৰোহীৰ সৈতে মিজো বিদ্ৰোহীৰ এতিয়াও সংযোগ ঘটা নাই বুলিও কোৱা হৈছে। এই দাবীত আমাৰ যদিও সন্দেহ আছে তথাপি ইয়াৰ সম্ভাৱনাৰ প্ৰতি চৰকাৰে চোকা চকু ৰাখিব লাগিব।

শ্ৰীচলিহাই সাংবাদিকসকলৰ আগত যি বিবৃতি দিছেহি তাত তেওঁৰ দৃঢ়তাৰ ভাব এটা প্ৰকাশ হোৱা দেখি আমি সন্তোষ পাইছো। মিজো বিদ্ৰোহৰ দোষণীয়তা আৰু আইনহীনতা সম্বন্ধে অসম চৰকাৰে আদিৰে পৰা দৃঢ়তা দেখুৱাই আহিছে। বিদ্ৰোহটোৰ নিচিনা অৱস্থা হোৱালৈকে চৰকাৰী শাসনযন্ত্ৰত থকা খুত আৰু দুৰ্বলতাৰ কথা আমি অৱশ্যে ক'বই লাগিব। তথাপি বিদ্ৰোহ দমন কৰিবৰ কাৰণে কৰ্ত্তৃপক্ষই যি দৃঢ় আৰু ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিলে তাক প্ৰশংসা কৰিব লাগিব। এই দৃঢ়তা এতিয়াও পৰিত হোৱা নাই দেখি আমি ভাল পাইছো— শ্ৰীচলিহাৰ ভাষণত যিটো প্ৰকাশিত হৈছে। শ্ৰীচলিহাই দৃঢ় ভাৱে কৈছিল যে এম.এন.এফ.ৰ নেতাসকলে তেওঁলৈ চিঠি-পত্ৰ লিখি আছে আৰু সেইবোৰত আলোচনাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰা হৈছে। কিন্তু বিশ্বাসঘাতকৰ সৈতে চৰকাৰে আলোচনা কৰিব নোখোজে। এই কথা শ্ৰীচলিহাই পুনৰ বাৰ জোৰ দি কৈছে। এই পন্থা ঠিকেই লৈছে বুলি আমি ক'ব খোজো। আলোচনাৰ আগ্ৰহ প্ৰকাশ কৰাৰ অৰ্থই হৈছে এম.এন.এফ.ৰ দুৰ্বলতা। ঠেকি শিকিলেও ভূতৰ মুখত ৰাম নাম শুনি ভোল যোৱাৰ কোনো আৱশ্যক নাই। বিশেষকৈ শ্ৰীলালডেঙ্গাই এবাৰ কথা দি শ্ৰীচহিলাক প্ৰৱঞ্চনা কৰি থৈছে। তেনে লোকৰ কথাত পুনৰ বিশ্বাস স্থাপন কৰাৰ কোনো প্ৰয়োজন নাই। মিজো পাহাৰ ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে ভালেখিনি স্পষ্ট ভাষাত তেওঁৰ মনোভাৱ প্ৰকাশ কৰি আহিছে বুলি আমাৰ ধাৰণা হৈছে। তেওঁ মিজো ৰাইজক কৈ দিছে যে হয় তেওঁলোকে শ্ৰীলালডেঙ্গাৰ এম.এন.এফ.ক বাছি লওক নহয় তেওঁক (শ্ৰীচলিহাক) বাছি লওক। যদি মিজো ৰাইজে তেওঁক অৰ্থাৎ বৰ্তমান অৱস্থাকে বিচাৰে তেন্তে এম-এন-এফক নিৰ্মূল কৰাত চৰকাৰৰ সৈতে সহযোগিতা কৰক। আমি ভাবো যে এই খোলাখুলি কথা অকল মিজো ৰাইজকে কোৱা হোৱা নাই— বিদ্ৰোহীসকলকো কোৱা হৈছে। নীতিৰ ফালৰ পৰাও এই উক্তি সঙ্গতিপূৰ্ণ। কাৰণ বৰ্ত্তমান অসমৰ অধিক খণ্ডিতকৰণ শাসনকাৰী কংগ্ৰেছ বা শ্ৰীচলিহা কোনেও নিবিচাৰে, বৰং শ্ৰীপাটস্কৰৰ পৰামৰ্শত বিৰোধিতা কৰি বৰ্ত্তমান ঐক্য সংৰক্ষণতহে গুৰুত্ব আৰোপ কৰা হৈছে। আমি আশা কৰো মুখ্যমন্ত্ৰীয়ে তেওঁৰ এই দৃঢ়তা কোনো অৱস্থাতে পৰিহাৰ নকৰিব। নিৰাপত্তা বাহিনীৰ লোকক আকস্মিকভাৱে আক্ৰমণ কৰি, এজন ছাত্ৰক হত্যা কৰা সমন্বিতে সীমা মূৰিয়লী অঞ্চলত উৎপাত কৰি আৰু পণ্য যোগোৱা গাড়ীৰ ওপৰত ডকাইতি কৰি বিদ্ৰোহীসকলে অনমনীয় মনোভাৱকে দেখুৱাইছে। গতিকে তেওঁলোকৰ কথাত ভোল যোৱা আৰু তেওঁলোকৰ বিৰুদ্ধে গৃহীত ব্যৱস্থা ঢিলাই দিয়াৰ কোনো আৱশ্যক নাই।

শ্ৰীচলিহাই পাকিস্থানক আওপকীয়াকৈ সূক্ষ্মভাৱে সতৰ্ক দি কৈছে যে সেই দেশে মিজো বিদ্ৰোহীক সহায় কৰি ভাৰতৰ বিৰুদ্ধে এখন যুদ্ধ লগাই দিব নোৱাৰে। নগা বিদ্ৰোহীৰ দৰে মিজো বিদ্ৰোহীসকলেও যে

পাকিস্থানৰ পৰা সহায় আৰু উচটনি পাইছে এই বিষয়ে সন্দেহ নাই। শ্ৰীলালডেঙ্গা চৰকাৰী বাতৰি মতেই পাকিস্থানৰ আশ্ৰিত। চৰকাৰী কৰ্মচাৰীসকলকো বিদ্ৰোহীহঁতে ধৰি নি নি পাকিস্থানত ৰাখিছেগৈ। এই বিষয়ত এইবিলাকতকৈ আৰু প্ৰমাণৰ আৰশ্যক নাই। পাকিস্থানৰ প্ৰতি প্ৰহাৰ কৰা মুখ্যমন্ত্ৰীৰ বাক্যবাণ ভাললগা হ'লেও এই প্ৰসঙ্গত সেই দেশৰ সংযোগত আমি গুৰুত্ব নিদিয়াই ভাল। কাৰণ পাকিস্থানে ভাৰতক বিপন্ন কৰিবলৈ বা শ'লঠেকত পেলাবলৈ পোৱা যিকোনো সুযোগকে গ্ৰহণ কৰিব। মাত্ৰ আমি সেই প্ৰৰোচনাকে লৈ আত্ম-প্ৰৱঞ্চনা কৰিব নেলাগিব। পাকিস্থানে বিদ্ৰোহীক সহায় কৰি যদি আমাক একো কৰিব নোৱাৰেই তেন্তে তাত তিমান গুৰুত্ব নিদিয়াই ভাল। তেনে কৰি থাকিলে মানুহৰ মন আচল সমস্যাৰ পৰা আঁতৰাই নিয়া হয় মাথোন। অলপতে হৈ যোৱা ৰেলগাড়ী বিস্ফোৰণসমূহৰ ক্ষেত্ৰতো আন্তঃৰাষ্ট্ৰীয় ষড়যন্ত্ৰ থকাৰ সন্দেহ কৰি এনে ভুল কৰা হৈছিল। বিদেশৰ ষড়যন্ত্ৰ থাকিলেও থাকিব পাৰে, কিন্তু নিজৰ দেশৰ ভিতৰতে থকা ষড়যন্ত্ৰক নিৰ্মূল কৰিব পাৰিলে তেনে বাহিৰৰ হাত কোঁচ খাই নোযোৱাৰ কাৰণ নাই। যদি তেতিয়াও নেযায় তেন্তে নিশ্চয় সুকীয়া ব্যৱস্থা ল'ব লাগিব। গতিকে এতিয়া ঘৰৰ বিশৃঙ্খলা দূৰ কৰাহে প্ৰথম কাম।

মঙ্গলবাৰ, ১৭ মে, ১৯৬৬ চন

# মাছ নাই

বৰ্ত্তমানে অসমত বছৰি ২২ লাখ মোন মাছৰ হেনো প্ৰয়োজন। অথচ মাছ পোৱা হয় প্ৰায় বাৰ লাখ মোনহে। মীন সমবায় সমিতিৰ ৰাজ্যিক পৰ্য্যায়ৰ আলোচনা চক্ৰত সভাপতিত্ব কৰি দিয়া ভাষণত পৰহি ৰাজ্যিক কৃষি আৰু মীনমন্ত্ৰী শ্ৰীমইনুল হক চৌধুৰীয়ে এই কথা ব্যক্ত কৰে।

মাছৰ বংশ হ্ৰাসৰ বাবে মন্ত্ৰীগৰাকীয়ে ১৯৫০ চনৰ ভূইকঁপকে মূখ্যতঃ দায়ী কৰে। তদুপৰি বান-নিয়ন্ত্ৰণৰ বাবে সজা ২২০০ মাইল মথাউৰিয়েও মাছৰ চলাচল আদিত বাধাৰ সৃষ্টি কৰাৰ কথা তেওঁ কয়।

মাছৰ সংখ্যা বঢ়াবলৈ বৈজ্ঞানিক পদ্ধতিৰে চৰকাৰ, মীন ব্যৱসায়ী আৰু মীন সমবায়সকলক উদ্যোগী হ'বলৈ জনোৱা তেওঁৰ গোহাৰি সময়োপযোগী হৈছে সন্দেহ নাই। লগতে মীন সমবায় সংস্থানসমূহে চৰকাৰৰ পৰা পোৱা সহায় আদি ঠিকমতে ব্যৱহাৰ কৰাৰ বাবেও তেওঁ আবেদন জনাইছে। এই আবেদনে ইয়াকে বুজায় যে চৰকাৰৰ আৰ্থিক বা আন সহায়-সহযোগ ব্যৱসায়ীসকলে সকলো ক্ষেত্ৰতে ঠিকমতে প্ৰয়োগ কৰা নাই। অপ্ৰিয় হ'লেও কথাযাৰ সত্য। চৰকাৰৰ সহায়ৰ ওপৰতে সততে নিৰ্ভৰ কৰা উচিত নহয় যদিও, যিসকলে চৰকাৰৰ সহায় লয়— তেওঁলোকে অকণমান হ'লেও ব্যৱসায়ৰ লগতে জাতীয়ভাবাপন্ন হ'ব নোৱাৰে কিয়? এটা কামৰ বাবে চৰকাৰী ঋণ লৈ, সেই টকা আন অধিক লাভজনক বা অধিক স্বাৰ্থজড়িত কামত খৰচ কৰা আমি প্ৰায়েই দেখি আহিছো। এই ক্ষেত্ৰতো একে ধৰণে এচাম ব্যৱসায়ীয়ে আংশিক বা গোটেইখিনি চৰকাৰী সাহায্য অইন কামত ব্যৱহাৰ কৰা কথা মাজে সময়ে শুনা যায়। সমবায় সংগঠন কিছুমান আকৌ 'দহজনৰ বস্তু এজনৰো নহয়' ভাবতেই হ'বলা সংগঠনৰ কামত যথেষ্ট মনোযোগ নিদিয়ে। এই সুবিধা লয় ধনী ব্যৱসায়ী এচামে। গাইগুটীয়া লাভৰ বাবে এওঁলোকে নৈত মাছ মাৰোতা আৰু বজাৰত মাছ বেচোতাৰ মাজত দালালী ব্যৱসায় কৰি লাভৰ আটাইতকৈ শকত অংশটো আহৰণ কৰে। নগদ টকাৰে মাছ কিনি 'ডাক' প্ৰথাৰে তেওঁলোকে

আন এচাম 'দালাল'ক বিক্ৰী কৰে; —বজাৰত মাছ বেচোতা দুখীয়া লোকসকলে ঋণ কৰি মাছ নি বজাৰত বেচি অকণমানহে লাভ ৰাখি ধাৰ মাৰিবলগীয়া হয়। ফলত মাছৰ দাম বাঢ়ে। গ্ৰাহকৰ গাঁঠিৰ ধন যায়। সেই বঢ়া দামৰ ভাগ মাছ মাৰোতাজনেও নেপায়, বেচোতাজনেও নেপায়— পায় মাজৰ দালালসকলে।

কিন্তু এইবোৰ বন্ধ কৰাৰ উপায় কি? সমবায় সংস্থাৰ যোগেৰে এনেবোৰ লাভখোৰ 'দালাল'ক আঁতৰাই প্ৰকৃত ব্যৱসায়ীৰ বাবে অধিক লাভৰ ব্যৱস্থা কৰাৰ লগতে মাছৰ দামো নিয়ন্ত্ৰণ কৰিব পাৰি।

আনহাতে বৃহৎ স্বাৰ্থৰ কথা নভবা এচাম লোকে মাছ মহলবিলাকৰ দাঁতিৰ মাছে কণী পৰা বিশেষ ঠাইবোৰ লৈ, গোটেইবোৰ সিঁচি ঢাহি-মুহি মাছৰ কণকঠীয়া মাৰে। ওচৰৰ লোকসকলেও অলপ ধনৰ লোভত কেতিয়াবা কেতিয়াবা এই কামত সহযোগ কৰে।

এনেদৰে ফঁহিয়াই চালে দেখা যায় যে এহাতে চৰকাৰে নিষ্ক্ৰিয় দৰ্শক হৈ মেলে-মিটিঙে উপদেশ দিয়াতে নিজক ক্ষান্ত কাৰিছে আৰু আনহাতে সমূহ ৰাইজে হাতৰ কুঠাৰ ভৰিত মাৰি মাছৰ কণকঠীয়া মৰাত আপত্তি দৰ্শাওক ছাৰি প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰিছে।

কাজিৰঙা অঞ্চলত চোৰাংভাৱে মাছ ধৰা লোকো দেখা গৈছে। মাছে বিশেষ ঠাইত বিশেষ সময়ত কণী পাৰে। যদি সেই কণী পৰা ঠাইবোৰ সংৰক্ষিত নহয়, তেনেহ'লে সময়ত গৈ অসমৰ নৈ-বিলত এটাও মাছ নৰ'বগৈ। চৰকাৰৰ নথি-পত্ৰত কোন মাহত কিমান পাহৰ জাল মাৰিব লাগে সেয়াও আছে আৰু মহলদাৰসকলে তেনেবোৰ চুক্তিতেই বিল, জানবোৰ 'ডাক' কৰি লয়। কিন্তু নিয়মবোৰ মানি চলা হয়নে নহয়; মহলদাৰসকলৰ খাল-বিলবোৰ চোৰাং মাছমৰীয়াৰ পৰা ৰক্ষা কৰাৰ কি ব্যৱস্থা আছে— দালাল শ্ৰেণীয়ে মাছে কণী পৰা ঠাইতো মাছ মাৰেনে নেমাৰে; ইত্যাদিবোৰ কথালৈ চকু দিবলৈ মীন বিভাগে কিবা কৰিছে যদি আমি নেজানো।

আমি আশা কৰো বিভাগীয় মন্ত্ৰীগৰাকীয়ে এইবিলাক বিষয়ে খৰচি মাৰি অনুসন্ধান কৰিব আৰু মীন বিভাগৰ আঁচনিসমূহ কাৰ্য্যকৰী কৰিবলৈ ৰঙাফিটাৰ মেৰপাকৰ আঁতৰত ব্যৱসায়ীসকলৰ লগত পোনপটীয়া সম্বন্ধ ৰাখি আৰু সমবায় সংস্থাসমূহৰ কামত চোকা দৃষ্টি ৰাখি এই বিষয়ে দ্ৰুত ব্যৱস্থা ল'ব। এইখিনিতে আমি আমাৰ মীন ব্যৱসায়ী আৰু সমূহ ৰাইজৰ মাজতো সচেতনতা সৃষ্টি হোৱাটো আশা কৰো।

## বিপজ্জনক দৃষ্টিকোণ

ধৰ্মনিৰপেক্ষতা আমাৰ ৰাষ্ট্ৰৰ মূল নীতি, গতিকে ধৰ্মৰ ভেটিত ৰাজ্য গঠনৰ কল্পনাও আমি কৰিব নোৱাৰো। অথচ মাষ্টাৰ তাৰা সিঙৰ দলে তেনে এটা দৃষ্টিভঙ্গীৰেই ভাৰতত শিখ সংখ্যাগৰিষ্ঠ এখন ৰাজ্য বিচাৰিছে। ভাষাৰ ভেটিত চুবাৰ দাবী মানি লোৱাৰ পিছতো গুৰুত্বপূৰ্ণ সীমান্ত অঞ্চল এটাত ধৰ্মীয় বা সাম্প্ৰদায়িক অনুভূতিৰ ভেটিত এটা আন্দোলনকে গঢ় ল'বলৈ দিয়াটোৱে কিমান বিপজ্জনক সেই কথা চিন্তাশীল প্ৰতিজন লোকে বুজিছে। গৃহমন্ত্ৰী শ্ৰীগুলজাৰিলাল নন্দই এই সন্দৰ্ভত পঞ্জাবৰ নেতৃবৃন্দক অনুৰোধ জনাইছে যাতে ৰাষ্ট্ৰৰ বিপদসঙ্কুল অৱস্থাৰ মাজত বিভিন্ন মতাৱলম্বী মানুহৰ মাজত তেওঁলোকে তিক্ততা সৃষ্টি হ'ব পৰা কোনো কাম নকৰে। লগতে গৃহমন্ত্ৰীয়ে সাৱধান কৰি কৈছে যে এনে ধৰণৰ বিশৃঙ্খল অৱস্থাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলালে কঠোৰ ব্যৱস্থা লোৱা হ'ব। আনহাতে গৃহমন্ত্ৰীৰ এই কথাৰ প্ৰত্যাহ্বান জনাই মাষ্টাৰ তাৰা সিঙে

কৈছে যে শিখসকলক যোল অনা অধিকাৰেৰে সৈতে এটা শিখ সংখ্যাগৰিষ্ঠ অঞ্চল লাগিবই আৰু তাৰ অস্তিত্ব ভাৰত চৰকাৰৰ ইচ্ছা বা অনিচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। এয়া সঁচাকৈয়ে এটা দুৰ্ভাগ্যজনক দৃষ্টিভংগী।

থলুৱা ভাষা-সংস্কৃতি আদিৰ বিকাশৰ মাজেৰে বৃহত্তৰ ভাৰতৰ ৰাষ্ট্ৰীয় সত্ত্বাৰ উন্নয়নৰ বাবে একোটা মূল ভাষাৰ ভেটিত ৰাজ্য গঠন কৰাৰ যুক্তি আছে। কিন্তু কোনো এটা ধৰ্ম বা সম্প্ৰদায়, নাইবা জাতি-উপজাতিৰ বাবে সুকীয়া ৰাজ্য স্থাপন কৰা নীতি মানি ললে আমাৰ ৰাষ্ট্ৰৰ মূল নীতিত কুঠাৰাঘাত কৰা হ'ব— সংহতিৰ ভেটি খহি পৰিব; আৰু কালক্ৰমত ভাৰত খণ্ডবিখণ্ড হৈ সৰু সৰু পৰস্পৰ-বিৰোধী দুৰ্বল, তৃতীয় শক্তিৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক কৰ্ত্তৃত্বাধীন কেতবোৰ ৰাজ্যপুঞ্জতহে পৰিণত হ'ব।

আনহাতে মাষ্টাৰ তাৰা সিঙৰ মন্তব্যৰ মাজত এটি গণতন্ত্ৰ-বিৰোধী বিদ্ৰোহৰ আহ্বান আছে। তেওঁ কৈছে ভাৰত চৰকাৰৰ ইচ্ছা বা অনিচ্ছাৰ ওপৰত তেওঁৰ দাবীৰ কাৰ্য্যকৰীতা নিৰ্ভৰ নকৰে। ভাৰত চৰকাৰ দেশৰ সমূহ ৰাইজৰ প্ৰতিনিধিৰে গঠিত গণতান্ত্ৰিক চৰকাৰ। সেই দাবী মানি নোলোৱাটো— গণতন্ত্ৰ নীতি মানি নোলোৱাৰে সমপৰ্য্যায়ৰ। আৰু সেই নীতি নেমানি, কিবা এটা দাবী পূৰণ হ'ব লাগিবই বুলি চলোৱা আন্দোলন নিশ্চয় এটা বিদ্ৰোহ। বিদ্ৰোহী নগা বা মিজো নেচনেল ফ্ৰণ্টৰ লগত সময়ত গৈ এই বিদ্ৰোহ একে পৰ্য্যায়ৰ যে নহ'বগৈ কোনে ক'ব পাৰে? এতিয়ালৈ অৱশ্যে এনেবোৰ দাবী প্ৰাথমিক পৰ্য্যায়তে আছে। মিজো নেচনেল ফ্ৰণ্টৰ দাবীও এসময়ত তেনেই নাছিল জানো? নগা বিদ্ৰোহীৰ দাবীও প্ৰথম অৱস্থাত একে ধৰণে আছিল। পিছলৈ এওঁলোকে— বিদেশী শক্তিৰ সহায়ত পঞ্চাদঘাতী আৰু প্ৰত্যক্ষ অস্ত্ৰ প্ৰয়োগৰ পন্থা ল'বলৈ প্ৰয়াস পাইছে। সেয়ে বৰ্তমানে মাষ্টাৰ তাৰা সিঙৰ ধৰ্ম বিশেষৰ নামত জনোৱা আহ্বানৰ বিপৰীতে তৎপৰতাৰে কাৰ্য্যকৰী ব্যৱস্থা লোৱা উচিত হ'ব। আলাপ-আলোচনা, কৌশল আৰু শিখ ৰাইজৰ মাজত বাস্তৱভঙ্গীৰ প্ৰচাৰৰ ওপৰত তেনে ব্যৱস্থাৰ কাৰ্য্যকাৰিতা বহুখিনি নিৰ্ভৰ কৰে।

ভাৰতৰ ধৰ্মনিৰপেক্ষতা নীতিৰ বিপৰীতে পাকিস্থানে চলোৱা আন্দোলনতকৈ, দেশৰ ভিতৰত সুৰুঙা বিচৰা এনে ধৰণৰ সংহতি-নাশিনী শক্তি কোনোগুণে কম বিপজ্জনক নহয়। এইখিনিতে উল্লেখযোগ্য যে এচাম পাৰ্বত্য ৰাইজকো একে ধৰণৰ দৃষ্টিভঙ্গীৰে ধৰ্মৰ অনুভূতিৰ ভেটিত ৰাষ্ট্ৰদ্ৰোহী কৰিবলৈ এটা প্ৰতিক্ৰিয়াশীল দলে অপচেষ্টা চলাই আছে যেন অনুমান হয়।

সংহতিৰ অভাৱত বিপৰীত শক্তিসমূহৰ বীজাণুৱে দ্ৰুতগিতিৰে ক্ৰিয়াশীল হৈ ৰাষ্ট্ৰৰ হৃদপিণ্ড খুলি খাবলৈ উপক্ৰম কৰিছে। এনে অৱস্থাত আজিৰ নেতৃবৃন্দ সাৱধান নহ'লে, তেওঁলোকৰ এচুলিমান ভুলৰ কাৰণেও,— শতিকাজুৰি তেওঁলোকেই দেশৰ দুৰ্দশাৰ বাবে দায়ী বুলি পৰিগণিত হ'ব। যিকোনো উপায়ে আমি সাম্প্ৰদায়িক বা ধৰ্মীয় বিভেদ ভাব আঁতৰাবই লাগিব, যিকোনো পন্থাৰে প্ৰতিক্ৰিয়াশীল শক্তিৰ মূলোচ্ছেদ কৰি দেশলৈ শৃঙ্খলা আনিবই লাগিব। অকল সমুখৰ নিৰ্বাচনৰ ফলৰ কথা ভাবি দেশৰ ভৱিষ্যত জলাঞ্জলি দিবলৈ ওলোৱা কোনো ৰাজনৈতিক ব্যৱসায়ীকে আজিৰ ভাৰতে ক্ষমা নকৰে।

বুধবাৰ, ১৮ মে, ১৯৬৬ চন

# বিদ্ৰোহী নগা আৰু চৰকাৰ

প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে লোকসভাত কৈছে যে বিদ্ৰোহী নগাৰ সৈতে পৰৱৰ্তী আলোচনা চলোৱাৰ সম্পৰ্কত এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা হোৱা নাই। লগতে আলোচনা ভঙ্গ কৰি দিয়া বিষয়ত চৰকাৰে যে আগভাগ ল'ব খোজা নাই, সেই কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে। এতিয়ালৈকে যি গতিৰে আলোচনা চলিল তাৰ পৰা আশা কৰিবলগীয়া একোৱেই নাই। এনে অৱস্থাত চৰকাৰে নীতি সলনি কৰাৰ বাহিৰে গত্যন্তৰ নাই। চৰকাৰে তাকে অস্বীকাৰ কৰে যদি তাৰ পৰা অৱস্থাৰ আৰু অৱনতিহে ঘটিব। যদি আলোচনা বন্ধ কৰাৰ দৰে চৰম ব্যৱস্থা ল'বলৈ চৰকাৰে ইচ্ছা কৰা নাই, তেন্তে বিকল্প মাত্ৰ এটা হ'ব পাৰে। অন্তহীনভাৱে আলোচনা চলাই থকা আৰু অস্ত্ৰ-বিৰতিৰ মিয়াদ বঢ়াই থকাৰ সময় এতিয়া আৰু নাই। আলোচনা বন্ধ কৰাৰ একমাত্ৰ অৰ্থ হ'ব— বিদ্ৰোহী দলৰ বিৰুদ্ধে অভিযান পুনৰ চলোৱা। যদি তাকে কৰিবলৈ চৰকাৰে আগবাঢ়িব খোজা নাই, তেন্তে এটা নিম্নতম সময় বান্ধি দি সেই সময়ৰ ভিতৰত আলোচনা সম্পূৰ্ণ কৰক। চালে-বেৰে কোবাই আলোচনাৰ গতিক জীয়াই ৰাখিবলৈকে একমাত্ৰ উদ্দেশ্য বুলি নলৈ বিবাদৰ মূলকথাৰ স্পষ্ট উপস্থাপনৰ যোগেদি বিদ্ৰোহী দলৰ মন সলোৱাৰ বাবে সৰ্বশেষ চেষ্টা কৰক।

অৱশ্যে তাৰ লগতে আৰু এটা জৰুৰী কথালৈ আমি চৰকাৰৰ দৃষ্টি পুনৰ আকৰ্ষণ কৰিছো। বিদ্ৰোহী দলক গোপন ঘাটিৰ পৰা উলিয়াই আনি চৰকাৰৰ লগত আলোচনা চলাবৰ বাবে শান্তি মিছনৰ প্ৰয়োজন এসময়ত যদি আছিল, আজি সেই প্ৰয়োজন নাই। ইতিমধ্যে উচ্চতম পৰ্য্যায়ত উভয় পক্ষৰ মাজত আলোচনা চলিল। এনে অৱস্থাত বেপ্টিষ্ট চাৰ্চৰ মধ্যস্থতাৰো প্ৰয়োজন নাই। বিশেষকৈ বিদ্ৰোহীৰ দ্বাৰা সৃষ্টি হোৱা সমস্যা এটাৰ লগত বেপ্টিষ্ট চাৰ্চৰ দৰে ধৰ্মীয় সংস্থা এটা জড়িত হোৱাটো মাৰাত্মক কথা। আগতে সেয়ে হ'বলৈ পোৱাটোৱেই এটা ভুল কথা হ'ল; কিন্তু সেই ভুলৰ মিয়াদ বাঢ়িবলৈ দিয়াটো আৰু ডাঙৰ ভুল হ'ব। সেইদেখি শান্তি মিছন ভঙ্গ হোৱাৰ পিছত কৰ্মক্ষেত্ৰত অকল চৰকাৰ আৰু বিদ্ৰোহী নগাৰ মাজতে শান্তি-প্ৰয়াস সীমাবদ্ধ থকাটো আমি বিচাৰিছিলো।

কিন্তু বেপ্টিষ্ট চাৰ্চে এইবাৰ শান্তি আয়োগ গঠন কৰিলে। এই ক্ষেত্ৰত চৰকাৰৰ কিমানখিনি সমৰ্থন আছে আমি ক'ব নোৱাৰো। পিচে লোকসভাত প্ৰশ্নোত্তৰ প্ৰসঙ্গত বৈদেশিক দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীদীনেশ সিঙে কোৱা কথাৰ পৰা বুজা গ'ল যে বেপ্টিষ্ট চাৰ্চে চৰকাৰক জনোৱাৰ প্ৰয়োজনবোধ কৰা নাই। শান্তি আয়োগ গঠন কৰা সম্পৰ্কত চাৰ্চৰ তৰফৰ পৰা চৰকাৰে হেনো এতিয়ালৈকে কোনো প্ৰস্তাৱেই পোৱা নাই। যি হওঁক শ্ৰীসিঙে আন এটা প্ৰশ্নৰ ক্ষেত্ৰত অলপ আশাপ্ৰদ উত্তৰ এটা দিছে। চৰকাৰৰ ওচৰত এই মৰ্মে সদনত পৰামৰ্শ আগবঢ়োৱা হৈছিল যে বিদ্ৰোহী নগা দলে প্ৰধানমন্ত্ৰীৰ লগত পোনপটীয়াভাৱে আলোচনা চলোৱা অৱস্থাত শান্তি আয়োগৰ প্ৰয়োজন নাই বুলি আৰু ৰাজনৈতিক বিষয়ত বেপ্টিষ্ট চাৰ্চে হাত দিব নেলাগে বুলি চাৰ্চক জনাই দিব লাগে। তাৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে চৰ্চৰ নেতাসকলৰ পৰা প্ৰস্তাৱ পালে চৰকাৰে এই পৰামৰ্শৰ কথা মনত ৰাখিব। আমি আশা কৰো মূৰকত চৰকাৰে যেন মূৰ পোলোকা নেমাৰে। চাৰ্চ নেতাসকলক সেইকথা স্পষ্টভাৱে জনাই দিয়াত আৰু পলম কৰাটো মাৰাত্মক ভুল হ'ব।

শুকুৰবাৰ, ২০ মে, ১৯৬৬ চন

# শ্ৰদ্ধাঞ্জলি

ৰাজহ মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্মাৰ আকস্মিকক বিয়োগ অসমৰ কাৰণে এটা ডাঙৰ আঘাত। এই গৰাকী অক্লান্ত দেশকৰ্মীয়ে মৃত্যুৰ ক্ষণলৈকে ৰাইজৰ সেৱাত আত্মনিয়োগ কৰি দায়িত্ব আৰু নিষ্ঠাৰ অনুপম উদাহৰণ দেখুৱাই গ'ল। শ্ৰীশৰ্মাৰ দৰে এজন বিশিষ্ট সংগ্ৰামী নেতা আৰু ৰাজনীতিবিচক্ষণ ব্যক্তিক হেৰুৱাই অসমৰ কংগ্ৰেছ অনুষ্ঠান আৰু ৰাইজ ভালেখিনি দুখীয়া হৈ পৰিল।

অসমৰ অন্যতম প্ৰবীণ কংগ্ৰেছসেৱী শ্ৰীশৰ্মা আছিল একনিষ্ঠতাৰ প্ৰতীক। তেওঁ সংঘাতপূৰ্ণ সময় এছোৱাত অসমৰ কংগ্ৰেছ অনুষ্ঠানৰ সাধাৰণ সম্পাদক আৰু সভাপতিৰ দায়িত্ব লৈ যিদৰে অনুষ্ঠানটোক শক্তিশালী কৰি ৰাখিলে সেই কথা অসমৰ কংগ্ৰেছ আৰু ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে। আড়ম্বৰহীন আৰু দূৰদৰ্শী নেতা স্বৰূপে শ্ৰীশৰ্মাৰ খ্যাতি যুগমীয়া হৈ থাকিব।

প্ৰশাসক স্বৰূপেও শ্ৰীশৰ্মাৰ দক্ষতা অবিসম্বাদী আছিল। অসম চৰকাৰৰ দায়িত্বপূৰ্ণ মন্ত্ৰীপদত অধিষ্ঠিত হৈ এইজন নেতাই কৃতিত্বৰে কৰ্ত্তব্য সমাপন কৰি তেওঁৰ সহকৰ্মী আৰু জনসাধাৰণৰ প্ৰীতিভাজন হ'ব পাৰিছিল। অসমৰ ৰাজনীতিত ডেৰকুৰি বছৰৰো অধিক কাল জড়িত থকাৰ কাৰণে ৰাজ্যৰ আভ্যন্তৰীণ সমস্যাবলী সম্পৰ্কত শ্ৰীশৰ্মাৰ পূৰঠ জ্ঞান আছিল আৰু তেওঁৰ পৰামৰ্শ আৰু নেতৃত্ব নিৰ্ভৰযোগ্য হৈ পৰিছিল।

এনে এজন নেতাৰ বিয়োগ সঁচাকৈয়ে দুৰ্ভাগ্যজনক। শ্ৰীশৰ্মাৰ পৰলোক গমনত মৰ্মাহত অসমবাসীৰ লগতে আমিও আন্তৰিক শোক প্ৰকাশ কৰি নেতাগৰাকীৰ শোক সন্তপ্ত পৰিয়ালৈ সমবেদনা জনাইছো। আমি আশা কৰিছো শ্ৰীশৰ্মাৰ অক্লান্ত কৰ্মজীৱন, ত্যাগ আৰু সেৱা আমাৰ উঠি অহা দলৰ প্ৰেৰণাৰ উৎস হওক। মৃতাত্মাই চিৰ শান্তি লাভ কৰক।

শনিবাৰ, ২১ মে, ১৯৬৬ চন

# অসমৰ কয়লা

কেন্দ্ৰীয় খনি আৰু ধাতু দপ্তৰৰ আহ্বানক্ৰমে কলিকতাত বহা সন্মিলন এখনে অসমৰ কয়লা সম্পদ আহৰণ কৰা সম্পৰ্কে চিন্তা কৰিবলৈ লোৱাটো সন্তোষৰ কথা। এই সন্মিলনতে খনি আৰু ধাতু দপ্তৰৰ মন্ত্ৰী শ্ৰীএছ-কে দেই কৈছে যে অসমৰ অপাৰ কয়লা-সম্পদৰ অপচয় হ'বলৈ দিয়াটো দণ্ডনীয় কথা। পলমকৈ হ'লেও এই কথা উপলব্ধি কৰাত আমি আশাৰ মুখ দেখিছো। এইখন সন্মিলনতে ঘোষণা কৰা হৈছে যে অসমত ২৫০০ নিযুত টন কয়লা সঞ্চিত অৱস্থাত আছে। পিছে এইটো তেনেই নতুন তথ্য নহয়। অসমৰ কয়লা-সম্পদ সম্পৰ্কে দিল্লীত আগেয়েও সকলোৱে জানিছিল। কিন্তু এই সম্পদ আহৰণ কৰাৰ বাবেহে পৰিকল্পিত প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। বৃটিছৰ দিনত পাতনি মেলা সৰু সৰু প্ৰচেষ্টাকেইটাই চলি থাকিল। এইবোৰত বিশেষ উন্নত পদ্ধতিও অৱলম্বন কৰা নহ'ল। কেন্দ্ৰীয় চৰকাৰে সৰু-সুৰা কয়লা খনিবোৰৰ উন্নতি সধাৰ বাবে গঠন কৰা নিগমৰ গণ্ডীৰ ভিতৰৰ পৰাও এইবোৰ কয়লা খনি বাদ পৰিল। গাৰো পাহাৰত এহেজাৰ ফুটৰ স্তৰৰ ভিতৰতে ১০০০ নিযুত মেট্ৰিক টন কয়লা সঞ্চিত থকা বুলি জানিও এই অঞ্চলৰ কয়লা আহৰণ কৰাৰ ক্ষেত্ৰত

তৎপৰতা দেখা নগ'ল। মাত্ৰ ৰাজ্য চৰকাৰেহে ৰাজ্যিক খনিজ সম্পদ উন্নয়ন নিগমৰ যোগেদি খাছী-জয়ন্তীয়া পাৰ্বত্য জিলাত কয়লা আহৰণ কৰাৰ সীমাবদ্ধ প্ৰচেষ্টা এটা হাতত ল'লে।

এই অৱস্থাৰ মাজত চলি থকা অসমৰ কয়লা উদ্যোগৰ সমুখত এতিয়া নতুন সমস্যাই দেখা দিছেহি। অসমত যিখিনি কয়লা উৎপাদন হয়, তাৰবাবে বজাৰ উলিওৱাটোৰেই এটা সমস্যা হৈ উঠিছে। ডিজেল চালিত ৰেলৰ প্ৰচলন বঢ়াৰ পৰা ৰেলৰেত কয়লাৰ চাহিদা কমিছে। একে কাৰণেই চাহ বাগিচায়ো কয়লাৰ ব্যৱহাৰ কমাইছে। কলিকতা আৰু অসমৰ মাজত জাহাজ চলাচলত ব্যাঘাত ঘটাব পৰা জাহাজৰ কাৰণেও কয়লা যোগোৱাত বাধা জন্মিছে। এনে অৱস্থাত অসমৰ কয়লা সম্পদৰ আহৰণ-ব্যৱস্থা উন্নত আৰু ব্যাপক কৰি তোলাৰ লগতে ইয়াৰ বজাৰৰ কথাও ভাবিবলগীয়া হৈছে। বিকল্প ব্যৱস্থাই বজাৰৰ থল বঢ়াব পাৰে। অসম চৰকাৰে ইতিমধ্যে 'ক'ল কাৰ্বনাইজেচন প্লেট' স্থাপন কৰা আৰু তীখা কাৰখানাত ব্যৱহাৰ কৰিব পৰাকৈ আন ঠাইৰ কয়লাৰ লগতে অসমৰ কয়লা ব্যৱহাৰ কৰিবৰ বাবে ব্যৱস্থা কৰিবলৈ দিহা দিছিল। কলিকতাত বহা সন্মিলনে অসমৰ কয়লা ব্যৱহাৰ কৰিবৰ বাবে 'কাৰ্বনাইজেচন প্লেট'ৰ আঁচনি যুগুত কৰিবলৈ কেন্দ্ৰীয় প্ৰজ্বালন সম্পৰ্কীয় গৱেষণাকাৰী প্ৰতিষ্ঠানক ভাৰ দিয়াটো সন্তোষৰ কথা হৈছে। গন্ধক মিহলি হৈ থকা বাবে অসমৰ কয়লা সকলো কামতে ব্যৱহাৰ কৰিব নোৱাৰি। সেইদেখি এই ক্ষেত্ৰত এটা বাধা বহুত দিনৰ পৰা আছে। কিন্তু গন্ধক পৃথক কৰাৰ কৌশলো ইতিমধ্যে উলিওৱা হৈছে। যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰে তেনে এটা কৌশল উলিওৱাত সফলতা লাভ কৰিছে। এই ব্যৱস্থাই গন্ধকৰ কাৰণে আমাৰ দেশত থকা চাহিদাও পূৰাব পাৰিব। অৱশ্যে বৰ্ত্তমানৰ গন্ধকমিশ্ৰিত কয়লাৰ কাৰণেও ইচ্ছা কৰিলেই বজাৰ উলিয়াব পৰা হৈ আছে। মাৰ্ঘেৰিটাৰ গন্ধকমিশ্ৰিত কয়লা দুৰ্গাপূৰৰ 'ক'ক অভেন'ত ব্যৱহাৰ কৰিব পৰা হ'ব বুলি বিশেষজ্ঞৰ পৰা অভিমত পোৱা হৈছিল। কিন্তু তাৰপিচত সকলো চেঁচা পৰিল। অসমৰ অৰ্থনৈতিক আৰু কাৰিকৰী সমীক্ষা চলোৱা কেন্দ্ৰীয় বিশেষজ্ঞসকলেও তাহানিয়েই 'ক'ল কাৰ্বনাইজেচন প্লেণ্ট', ছালফিউৰিক এচিড, কাৰ্বন ব্লেক, 'তাৰ' উদ্যোগ, জাৰ্মেনিয়াম উদ্যোগ আদিৰ বাবে দিহা দিছিল। সেইবোৰো তুলাপাততে থাকিল, পঞ্চবাৰ্ষিক পৰিকল্পনাৰ নামত হৈ চৈ লগোৱাত কাৰ্পণ্য দেখা নগ'ল। কিন্তু লাও পাতৰ তলতে থাকিল। এতিয়া আকৌ বৰমূৰীয়ামহলে অসমৰ কয়লাৰ বিচাৰ লৈছে যেতিয়া বুৰঞ্জীৰ পুনৰাবৃত্তি নকৰি এই ৰাজ্যখনৰ উন্নতিৰ বাবে ভেটি নিৰ্মাণ কৰাত আন্তৰিকতা দেখুৱাব বুলি আমি আশা কৰিছো।

<u>দেওবাৰ, ২৯ মে, ১৯৬৬ চন</u>

## আকৌ ফিজো!

বিদ্ৰোহী নগাৰ মাজত মতভেদ হোৱা বুলি সম্প্ৰতি এটি চাঞ্চল্যকৰ বাতৰি প্ৰকাশ পাইছে। অৱশ্যে মুখ্যমন্ত্ৰী শ্ৰীচলিহাই কোৱা এষাৰ কথাৰ পৰা ইতিমধ্যে এটা ইঙ্গিত পোৱা হৈছিল। ৰেলত বিস্ফোৰণ ঘটোৱাটো বিদ্ৰোহী নগাৰ সশস্ত্ৰ ভাগটোৰ কাম আৰু সেই দলে শান্তি আলোচনা চলোৱা নেতৃবৰ্গৰ বিৰুদ্ধাচৰণ কৰি এনে কাম কৰা বুলি শ্ৰীচলিহাৰ মন্তব্যৰ পৰা ইঙ্গিত পোৱা গৈছিল।

এতিয়া পোৱা বাতৰি মতে মতভেদ অকল তাতেই নাই; আৰু বাঢ়িছে। মুঠতে ৩ টা ভাগ হৈছে। এইদৰে

বিভাজন হোৱাৰ ফলত অৱশ্যে বিদ্ৰোহী নগা দলৰ শক্তি হ্ৰাস পাব বুলি ভাবি আত্মপ্ৰসাদ লাভ কৰাৰ কাৰণ নাই। ইয়াৰ ফলত পৰিস্থিতিৰ জটিলতাহে বাঢ়িব পাৰে। তদুপৰি এতিয়া কোনো কামৰ বাবে দায়িত্বৰ পৰা গা-এৰা দিবলৈকো সহজ হ'ব। এতিয়া যদি বিদ্ৰোহী নগাৰ সশস্ত্ৰ ভাগটো অধিক শক্তিশালী হয়, তেন্তে চৰকাৰৰ ভুল নীতিয়েই তাৰ বাবে জগৰীয়া হ'ব।

চৰকাৰে নগালেণ্ডত যাতে সুস্থ নেতৃত্বই গঢ় ল'ব পাৰে, তাৰবাবে সুকীয়া ৰাজ্য গঠন কৰিলে আৰু শ্ৰীশ্বিলু আওৱ নেতৃত্বত গঢ় লোৱা নগাসকলক আশীৰ্বাদ দিলে। এই নতুন নেতৃত্বই ঠন ধৰি উঠিবলৈ লওঁতেই আপেক্ষিকভাৱে স্তিমিত হৈ পৰা বিদ্ৰোহী নগা দলৰ সৈতে আলোচনা চলোৱাৰ ব্যৱস্থা হ'ল। এই সুদীৰ্ঘ শান্তিপৰ্বই বিদ্ৰোহী দলক শক্তি বঢ়াবলৈ সুযোগ দিলে আৰু আনহাতে শ্ৰীশ্বিলু আওৱ নেতৃত্বত নগালেণ্ডত শাসনকাৰ্য্য চলোৱা অনুগত নগাসকলৰ শক্তি বঢ়োৱাত বাধা দিলে।

আনহাতে চৰকাৰে ফিজোৰ প্ৰভাৱ নগালেণ্ডত এতিয়া নাই বুলি ঘোষণা কৰি সেই ফিজোক লণ্ডনত আশ্ৰয় দিয়া ৰেভাৰেণ্ড মাইকেল স্কটক নগালেণ্ডলৈ আনি ফিজোক আকৌ নগালেণ্ডত মহিমামণ্ডিত কৰি তুলিলে। সেই ভুলৰ পৰিণতি স্বৰূপেই এতিয়া বিদ্ৰোহী নগাৰ সশস্ত্ৰ ভাগটোৱে ফিজোক পুনৰ নগালেণ্ডৰ ৰাজনীতিত সক্ৰিয়ভাৱে পাবলৈ বিচাৰিছে।

<u>শুকুৰবাৰ, ১ জুলাই, ১৯৬৬ চন</u>

# 'বৈপ্লৱিক' পৰামৰ্শ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ডঃ ডি-এছ কোঠাৰীৰ নেতৃত্বত ১৯৬৪ চনৰ জুলাই মাহত গঠিত ১৬ জনীয়া শিক্ষা আয়োগে যোৱা বুধবাৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীএম.চি.চাগলাৰ হাতত প্ৰতিবেদন দাখিল কৰিছে। মাৰ্কিন যুক্তৰাজ্য, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন আৰু জাপানৰ পৰা চাৰিজন বিদেশী শিক্ষাবিদক সদস্য স্বৰূপে লোৱা এই আয়োগক, শিক্ষাৰ ৰাষ্ট্ৰীয় গঢ়, সকলো স্তৰ আৰু দিশতে শিক্ষাৰ বিকাশৰ বাবে সাধাৰণভাৱে গ্ৰহণ কৰিব লগা নীতি আৰু আদৰ্শ সম্পৰ্কত চৰকাৰক পৰামৰ্শ দিবলৈ আয়োগক দায়িত্ব দিয়া হৈছিল। শিক্ষকসকলৰ বেতন আৰু সেৱা-পৰিস্থিতি সম্পৰ্কেও অনুমোদন জনাবলৈ আয়োগৰ ওপৰত ভাৰ দিয়া হৈছিল। একৈশ মাহৰ ভিতৰত ১০১ খন বৈঠকত আলোচনা কৰাৰ পাচত আয়োগে ৫ লাখ শব্দযুক্ত প্ৰতিবেদনখন প্ৰস্তুত কৰিছে।

শিক্ষা আয়োগৰ প্ৰতিবেদনত বৰ্তমানৰ শিক্ষা, পদ্ধতিৰ 'বৈপ্লৱিক' পুনৰ সংস্কাৰ কৰি, ইয়াক বিজ্ঞানভিত্তিক আৰু ভাৰতীয় সংস্কৃতি আৰু মূল্যবোধৰ লগত সঙ্গতিপূৰ্ণ কৰি তুলিবলৈ পৰামৰ্শ দিয়া হৈছে। ভাৰতত বৰ্তমান প্ৰচলিত শিক্ষা পদ্ধতি বিজ্ঞানভিত্তিক কৰাৰ লগতে ভাৰতীয় সংস্কৃতি আৰু মূল্যবোধৰ লগত সঙ্গতিপূৰ্ণ কৰি তুলিবলৈ বাস্তৱতে বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিব লগা হৈছে। স্বাধীনতা লাভৰ উনৈশ বছৰৰ পাচতো আমি প্ৰচলিত শিক্ষা পদ্ধতিৰ দ্বাৰা 'অফিচৰ কামৰ কাৰণেহে' শিক্ষিত দল তৈয়াৰ কৰিছো আৰু ফলত নিবনুৱা সমস্যা আকাশলঙ্ঘা হৈ পৰিছে। বিজ্ঞান আৰু কাৰিকৰী শিক্ষা এতিয়াও আমাৰ ছাত্ৰৰ কাৰণে সংস্কৃত, ফাৰ্চীৰ দৰে প্ৰাচীন ভাষাৰ দৰে অধ্যয়নৰ বিষয় হৈ আছে। বিজ্ঞান-কাৰিকৰী বিদ্যাৰ ভিত্তিত আমাৰ ছাত্ৰৰ চিন্তা শক্তিয়ে

গঢ় লোৱা কথা ভাববিই নোৱাৰি। এই অৱস্থাৰ পৰিৱৰ্তন সাধনৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যাৰ দৰকাৰ নাই। কিন্তু বিজ্ঞানভিত্তিক শিক্ষা ল'বলৈ যাওঁতে ভাৰতীয় সংস্কৃতি আৰু মূল্যবোধৰ কথা পাহৰি যাব লাগিবনে? আমি বিশাল ভাৰতীয় সংস্কৃতিৰ কথা কওঁ। কিন্তু ভাৰতীয় সংস্কৃতিৰ মহানতা যে ইয়াৰ গতিশীলতাৰ ওপৰত নিৰ্ভৰ কৰিছে, সেই কথা উপলব্ধি কৰাৰ প্ৰয়োজন বোধ নকৰো। আমি আধ্যাত্মিকতাৰ সংকীৰ্ণ দৃষ্টিভঙ্গী লৈছোঁ, ভাৰতৰ স্বকীয় দৃষ্টিভঙ্গী লৈছো, ভাৰতৰ স্বকীয় মূল্যবোধৰ ওপৰত গুৰুত্ব নিদি পাশ্চাত্যৰ দোষজনক দিশটো অনুকৰণ কৰিবলৈ গৈ সকলো হেৰুৱাই পেলাইছো। এইবিলাক কথাৰে বয়সীয়া দলে ছাত্ৰ দলক উপদেশ দিয়ে কিন্তু ছাত্ৰ দলে সেই ভিত্তিত শিক্ষা লাভৰ বাবে আজিলৈকে ব্যৱস্থা হোৱা নাই। শিক্ষা আয়োগে এই বিষয়ত দিয়া পৰামৰ্শ স্বাভাৱিকতে বৈপ্লৱিক বুলি ক'ব লাগিব আৰু ইয়াৰ ফলত জাতিটোৰ 'প্ৰগতি, নিৰাপত্তা আৰু কল্যাণ' বৃদ্ধি পাব বুলি আশা কৰিব পাৰি।

আয়োগে প্ৰতিবেদনত শিক্ষাৰ সকলো দিশ পৰ্য্যালোচনা কৰিছে আৰু সেই কাৰণেই শিক্ষামন্ত্ৰী শ্ৰীচাগলাই ইয়াক 'অদ্বিতীয়' বুলি আখ্যা দিছে। আয়োগে বিভিন্ন স্তৰৰ শিক্ষাৰ ক্ষেত্ৰত দিয়া অনুমোদন প্ৰণিধানযোগ্য। আয়োগৰ মতে প্ৰত্যেক স্নাতকক ডিগ্ৰী বা ডিপ্ল'মা দিয়াৰ লগে লগে এটা নিয়োগ দিব পৰাকৈ কাৰ্য্যপন্থা হাতত লোৱা উচিত। এই অৱস্থাত উপনীত হ'বলৈ হ'লে সকলোকে বিশ্ববিদ্যালয়ৰ শিক্ষা ল'বলৈ উদগনি দিলে নচলিব। অৱশ্যে স্নাতক নহ'লেই যে কৰ্মসংস্থানৰ পৰা বঞ্চিত হ'ব লাগিব তেনে নহয় আৰু সেই বাবেই আয়োগে মাধ্যমিক স্তৰত বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে।

শিক্ষা আয়োগৰ প্ৰতিবেদনত এটা উল্লেখযোগ্য কথা দেখা গৈছে যে স্কুল আৰু বিশ্ববিদ্যালয়সমূহৰ পৰা ইংৰাজী ভাষা গুচাই দিব লাগে বুলি কোৱা হোৱা নাই। বিশ্ববিদ্যালয়ৰ শিক্ষাত ইংৰাজীৰ ঠাইত হিন্দী 'যথাসময়ত' প্ৰৱৰ্তন কৰিব লাগিব বুলি কোৱা হৈছে। এনেবিলাক বিষয়ত বহুতৰ মতৰ অমিল হ'ব পাৰে আৰু এই বিষয়ে চিন্তা কৰি চোৱা প্ৰয়োজন হ'ব।

আয়োগৰ এটা উল্লেখযোগ্য পৰামৰ্শ হ'ল— শিক্ষকসকলৰ দৰ্মহা বৃদ্ধি। শিক্ষাৰ মানৰ উৎকৰ্ষ সাধন কৰিবলৈ চলোৱা প্ৰচেষ্টাত শিক্ষকসকলৰ অৰ্থনৈতিক অৱস্থা আৰু কামৰ সুযোগ-সুবিধাৰ প্ৰতি অৱহেলা কৰিলে নচলে। সেই কাৰণে আয়োগে শিক্ষকসকলৰ অৱস্থাৰ উন্নতি সাধনৰ পৰামৰ্শই চৰকাৰৰ সমৰ্থন লাভ কৰিব বুলি আশা কৰা হৈছে। বেতন নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ৰাজ্যসমূহত যি অসামঞ্জস্য আছে সেইবোৰো দূৰ কৰা আৱশ্যক। অসমত উচ্চ মাধ্যমিক স্কুলত স্নাতকোত্তৰ সকলো শিক্ষকৰে একে দৰ্মহা নোহোৱা, আকৌ ১৯৬৪ চনৰ আগতে প্ৰশিক্ষণ ডিগ্ৰী পোৱা শিক্ষকে পাচৰ বছৰ প্ৰশিক্ষণ ডিগ্ৰী লাভ কৰা শিক্ষকতকৈ কম দৰ্মহা পোৱাৰ দৰে আসোঁৱাহ দেখা গৈছে। শিক্ষা আয়োগৰ এই প্ৰতিবেদনৰ পাচত এনেবোৰ আসোঁৱাহ গুচাই শিক্ষকসকলৰ ন্যায্য দাবী পূৰণ কৰা হ'লেহে তেওঁলোক সন্তুষ্ট হ'ব।

শিক্ষা পদ্ধতিৰ আমূল পৰিৱৰ্তন সাধন অতি আৱশ্যকীয় বিষয় সঁচা কিন্তু ইয়াৰ বাবে যথেষ্ট ধনৰ আৰু চৰকাৰী দৃঢ়তাৰ প্ৰয়োজন হ'ব। সাময়িকভাৱে দুই-এটা সালসলনি কৰি নাইবা অস্থিৰ আঁচনি লৈ কাম কৰিবলৈ গ'লে বৰ্তমানৰ অৱস্থাৰ একো পৰিৱৰ্তন নহয়। শিক্ষা আয়োগে এই কথা প্ৰতিবেদনত সকীয়াই দিছে আৰু চৰকাৰে এই পৰামৰ্শৰ প্ৰতিও মনোযোগ দি যথাযথভাৱে কাৰ্য্যপন্থা গ্ৰহণ কৰা উচিত।

# উদ্বেগজনক

যোৱা বুধবাৰে মাৰ্কিন বিমানে উত্তৰ ভিয়েটনামৰ ৰাজধানী হানয়ৰ উপকণ্ঠত বোমা বৰ্ষণ কৰি সমগ্ৰ বিশ্বৰ শান্তিকামী জনতাৰ মনত বিস্ময় আৰু উদ্বেগৰ সৃষ্টি কৰিছে। মাৰ্কিন প্ৰতিৰক্ষা সচিব ৰবাৰ্ট মেকনামাৰাই, দক্ষিণ ভিয়েটনামলৈ যোগান বন্ধ কৰাৰ উদ্দেশ্যে হানয়-হাইফং অঞ্চলৰ গুদাম থকা ঠাইবোৰত বোমা বৰ্ষণ কৰা হৈছে বুলি আত্ম-তৃপ্তি লাভ কৰিলেও এই কাৰ্য্যই যে এটা ভয়ানক বিপদৰ সম্ভাৱনা বৃদ্ধি কৰিছে সেই কথা আমেৰিকাবাসীয়েও অস্বীকাৰ কৰিব নোৱাৰে। মাৰ্কিন প্ৰশাসনৰ বাহিৰে আন পশ্চিমীয়া ৰাষ্ট্ৰতো এই শেহতীয়া বিপদজনক কাৰ্য্যৰ প্ৰতিক্ৰিয়া দেখিবলৈ পোৱা গৈছে। বৃটিছ প্ৰধানমন্ত্ৰী শ্ৰীহেৰল্ড উইলছনে বোমা বৰ্ষণৰ ক্ষেত্ৰ সম্প্ৰসাৰিত হোৱাত দুখ প্ৰকাশ কৰিছে আৰু এনে কাৰ্য্য বৃটেইনে সমৰ্থন কৰিব নোৱাৰে বুলি ঘোষণা দিছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ দৰেই ভাৰতৰ বৈদেশিক মন্ত্ৰী শ্ৰীস্বৰণ সিঙেই ঘন বসতিৰ হানয় আৰু হাইফং বন্দৰৰ ২/৩ মাইলৰ ভিতৰতে মাৰ্কিন বিমানে বোমা বৰ্ষণ কৰাত গভীৰ উৎকণ্ঠা প্ৰকাশ কৰিছে।

জনছন প্ৰশাসন আৰু ৰবাৰ্ট মেকনামাৰা পৰিচালিত মাৰ্কিন সামৰিক বাহিনীৰ লক্ষ্য কি— এই প্ৰশ্নটোৱে এতিয়া প্ৰাধান্য লাভ কৰিছে। প্ৰেছিডেণ্ট জনছনে পূব এছিয়াত পূৰ্ণ পৰ্য্যায়ৰ এখন যুদ্ধ বিচাৰিছে নেকি? উত্তৰ ভিয়েটনামৰ কেন্দ্ৰস্থলত আক্ৰমণ চলাই, ভিয়েটনাম চৰকাৰক মাৰ্কিন শান্তি প্ৰস্তাৱ আলোচনা কৰিবলৈ বাধ্য কৰাব পাৰিব বুলি যদি প্ৰেছিডেণ্ট জনছনে ধাৰণা কৰিছে, তেন্তে তেনে আশা পূৰণ হোৱাৰ সম্ভাৱনা দেখা নাযায়। এই ক্ষেত্ৰত কোৰিয়াৰ পৰা মাৰ্কিন প্ৰশাসনে শিক্ষা লাভ কৰা উচিত আছিল।

হানয় আৰু হাইফঙৰ উপকণ্ঠত বিমান আক্ৰমণ চলোৱাৰ বিৰুদ্ধে কমিউনিষ্ট চীনে দিয়া সতৰ্কবাণী যথেষ্ট বলিষ্ঠ নহ'ব পাৰে কিন্তু আঁকোৰগোজ চীনা প্ৰকৃতিৰ প্ৰতি প্ৰেছিডেণ্ট জনছনে উদাসীনতা প্ৰদৰ্শন কৰা উচিত নহ'ব। কমিউনিষ্ট চীনৰ আভ্যন্তৰীণ অৱস্থা বৰ্ত্তমান অনুকূল নহ'লেও ভিয়েটনামত কোৰিয়াৰ দৰে দীঘলীয়া 'গতানুগতিক যুদ্ধ' চলাব পৰা ক্ষমতা আছে। সেই কাৰণে ভিয়েটনামৰ যুদ্ধত চীনৰ প্ৰত্যক্ষ অংশ গ্ৰহণৰ পৰিণতি স্বৰূপে সৰ্বতোমুখী বিশ্বযুদ্ধ এখনৰ আশংকা কৰাও অমূলক নহ'ব। বৰ্তমানলৈকে যথেষ্ট সংযতভাৱে মন্তব্য-বিবৃতি দি থকা ছোভিয়েট ইউনিয়নেও এনে এখন যুদ্ধৰ পৰা নিজক বিৰত ৰাখিব নোৱাৰিব। প্ৰেছিডেণ্ট জনছন আৰু তেওঁৰ প্ৰশাসনে এনে জটিলতাৰ সন্মুখীন হ'বলৈকে প্ৰস্তুত হৈছে নেকি? ৱাছিংটনৰ পৰ্য্যবেক্ষকমহলৰ মতে হানয়ৰ উপকণ্ঠত বোমা বৰ্ষণৰ সিদ্ধান্ত আগতীয়াকৈয়ে লোৱা হৈছিল। আক্ৰমণকাৰী বৈমানিক নাইবা ভিয়েটনামস্থিত মাৰ্কিন সামৰিক কৰ্ত্তৃপক্ষৰ নিজা সিদ্ধান্ত নহয়। সেই বাবেই শান্তিকামী বিশ্বৰ কাৰণে এই কাৰ্য্য উদ্বেগজনক হৈ পৰিছে।

ভিয়েটনামত ফৰাচী আধিপত্যৰ অৱসান ঘটাৰ পাছত মাৰ্কিন যুক্তৰাজ্যক নিৰাপত্তাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ ভিয়েটনামী জনতাই আমন্ত্ৰণ জনোৱা নাছিল। মাৰ্কিন সমৰ্থক নুডিন এম আৰু তেওঁৰ পুতলা চৰকাৰে কৰা যিকোনো চুক্তি যে ভিয়েটনামী জনতাৰ গ্ৰহণৰ অযোগ্য সেই কথা আজিলৈকে দক্ষিণ ভিয়েটনামত ব্যাপকভাৱে চলি থকা বৌদ্ধ আন্দোলনে প্ৰমাণ কৰিছে। ইয়াৰ পাছতে মাৰ্কিন চৰকাৰে পূব আৰু দক্ষিণ-পূব এছিয়াত যুদ্ধৰ বাতাবৰণ সৃষ্টি কৰিবলৈ কিয় প্ৰয়াস পাইছে?

মাৰ্কিন যুক্তৰাজ্যৰ এই অযুক্তিকৰ কাৰ্য্যত শান্তি প্ৰয়াসী জনতাই গৰিহণা দি আহিছে। এতিয়া শান্তি

প্ৰয়াসী চৰকাৰসমূহে দৃঢ়তাৰে প্ৰতিৰোধ কৰাৰ সময় আহিছে। মাৰ্কিন কাৰ্য্যকলাপৰ বিৰুদ্ধে প্ৰত্যক্ষভাৱে কাৰ্য্যপন্থা গ্ৰহণ কৰাৰ সময় হৈছে।

মঙ্গলবাৰ, ১৯ জুলাই, ১৯৬৬ চন

## চাউল আছে, দামহে বেছি

কেন্দ্ৰীয় খাদ্য দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীপি গোবিন্দ মেননে গুৱাহাটীৰ বাতৰি যোগনিয়াৰসকলক পৰহি কয় যে অসমত বৰ্ত্তমানে যি সমস্যাই দেখা দিছে সেয়া ধান-চাউলৰ অভাৱৰ বাবে উদ্ভৱ হোৱা নাই,— হৈছে ধান-চাউলৰ বৰ্দ্ধিত দামৰ বাবেহে। তেওঁৰ মতে অসমত প্ৰচুৰ পৰিমাণে ধান-চাউল আছে অথচ সেইবোৰ সংগ্ৰহ আৰু বিতৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে। এই উক্তিয়ে এইটোকে বুজায় যে অসমত হোৱা ধান-চাউলৰ অভাৱ কৃত্ৰিমভাৱে এচাম ন্যস্ত স্বাৰ্থৰ লোকে সৃষ্টি কৰিছে আৰু এতিয়াও মূল্য বঢ়াবৰ বাবে সেই চাম লোকে বজাৰত ধান-চাউলৰ যোগান নিয়ন্ত্ৰিত কৰি আছে। মূল্য বৃদ্ধি প্ৰতিৰোধৰ বাবে চৰকাৰৰ তৰফৰ পৰা এটা অভিযান চলোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে।

শ্ৰীমেননৰ এনে মন্তব্যই দেখ দেখকৈ আমাৰ যোগান বিভাগ আৰু সমবায় বিভাগৰ ব্যৰ্থতাৰ কথালৈকে আঙুলিয়ায়। ইতিমধ্যে প্ৰদেশ কংগ্ৰেছৰ কাৰ্য্যনিৰ্বাহকৰ প্ৰস্তাৱ মতে চৰকাৰে সমবায় বিভাগৰ অকৃতকাৰ্য্যতা আদিৰ বিষয়ে অনুসন্ধান কৰিবলৈ এখন কমিটী গঠন কৰাৰ প্ৰাৰম্ভিক কাম হাতত লৈছে। কিন্তু ধান পকে মানে টুনীৰ মৰণ হোৱাটো নিশ্চয় কেৰে নিবিচাৰে। চৰকাৰে কাইলৈৰ পৰা চাউলৰ দাম বান্ধি দিছে। এই ব্যৱস্থাতো মিল মালিকসকলৰ ওচৰত সেও মানি ৭৫ পইচাৰ চাউলৰ দাম ১১০/২০ পইচালৈ উঠাবলগীয়া হ'ল। কৃত্ৰিম অনাটন এটা সৃষ্টি কৰি, চৰকাৰক শ'লঠেকত পেলাই, সমূহ ৰাইজক এনেদৰে শোষণ কৰা কথা জানিও এনে কামৰ বাবে দায়ী লোকসকলক আমি একো কৰিব পৰা নাই। এয়া সঁচাকৈ পৰিতাপৰ বিষয়। গণতান্ত্ৰিক চৰকাৰে ৰাইজৰ সমূহীয়া স্বাৰ্থৰ হে সমাজ-বিৰোধী দুৰ্নীতি পৰায়ণ লোকসকলক কঠোৰ শাস্তি দিয়াৰ বাবে আৰু দৃঢ়তাৰে আগবাঢ়ি অহাটোকে আমি বিচাৰো।

চাউল আছে, অথচ— সমূহ ৰাইজে ঘেঁহু খাবলৈ সাজু হ'ব লাগিব। চাউল আছে, অথচ কেন্দ্ৰীয় চৰকাৰে ঘেঁহু পঠিয়াব ঘাটি পূৰণৰ বাবে, এনে ক্ষেত্ৰত পৰোক্ষভাৱে কেন্দ্ৰীয় চৰকাৰেও কৃত্ৰিমভাৱে ধান-চাউলৰ অনাটন সৃষ্টি কৰা সকলৰ নিয়ন্ত্ৰণকে জানো মানি লোৱা নহ'ল?

এনে এটি পৰিৱেশত চাউলৰ ক্ষেত্ৰত অসমক ভাগ্যবান, বা অসমত ধান খেতিৰ ভৱিষ্যত উজ্বল বুলি কেন্দ্ৰীয় মন্ত্ৰীজনাই কোৱা কথাই অসমবাসীৰ মনত দুখহে ওপজায়।

## পূৰ্বাঞ্চল পৰিষদত অসম

ৰাঁচীত পূৰ্বাঞ্চল পৰিষদৰ এদিনীয়া বৈঠকত বহু কথা আলচ হ'ল যদিও কিছুমান প্ৰয়োজনীয় বিষয় বাদ পৰি গ'ল।

এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ 'টেপুটেছনত' শিক্ষক পঠিওৱা বিষয়ে প্ৰস্তাৱ এটিও তাত লোৱা হৈছে বুলি বাতৰি ওলাইছে। প্ৰস্তাৱটো অসমেই আগবঢ়াইছিল। কিন্তু বৰ্ত্তমানে আঞ্চলিক ভাষাৰ মাধ্যমেৰে

শিক্ষাদানৰ যুক্তি মানি লোৱাৰ পিচত, এনেকুৱা প্ৰস্তাৱ কাৰ্য্যকৰী কৰাত অসুবিধাৰ সৃষ্টি নহ'বনে? আনহাতে নগালেণ্ডে সেই ৰাজ্যৰ ছাত্ৰসকলক কাৰিকৰী প্ৰশিক্ষণৰ সা-সুবিধা দিবৰ বাবে কৰা প্ৰস্তাৱ বাস্তৱধৰ্মী হৈছে আৰু পশ্চিম বঙ্গই তেনে সুবিধা তেওঁলোকক দিবলৈ মান্তি হৈছে।

বনজ সম্পদৰ ভাগ-বাটোৱাৰাৰ ক্ষেত্ৰতো অসমে পোৱাতকৈ হয়তো দিবহে লাগিব অধিক।

'ডমিচাইল্ড' সকলক স্থানীয় লোকৰ সৈতে চাকৰি আদিৰ ক্ষেত্ৰত সমান সুযোগ দিয়াৰ বিষয়েও আলচ কৰা হয় আৰু পৰ্য্যায়ক্ৰমে বাধানিষেধ উঠাই লোৱাৰ কথাও থিৰ কৰা হয়। বিভিন্ন 'প্ৰজেক্ট' আদি স্থাপনৰ বাবে ভেটি হেৰুৱাবলগীয়া লোকৰ ক্ষেত্ৰতো থলুনা সঙ্কীৰ্ণতাবোধ থকা উচিত নহয় বুলি কোৱা হয়। এই প্ৰশ্নটোত অসমৰ থলুৱা লোকৰ অৰ্থনৈতিক প্ৰশ্ন সাঙোৰ খাই আছে। আচৰিত কথা এয়ে যে পূৰ্বাঞ্চল পৰিষদৰ যেন সদায় প্ৰধান সমস্যা হ'ল অঞ্চল বিশেষত ভাষিক সংখ্যালঘুসকলক সা-সুবিধা দিয়াটোহে। তাৰে যেন ইয়াকে বুজোৱা হয় যে ভাৰতৰ পূৰ্ব প্ৰান্তত ভাষিক বা আন সংখ্যালঘুসকলে উচিত বিচাৰ পোৱা নাই। এই বদ্ধমূল ধাৰণা অকল যে পূৰ্বাঞ্চলৰ ৰাজ্য বিশেষৰ বাবেহে ক্ষতিকৰ সেয়া নহয়— ই দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবেও অতিশয় বিপজ্জনক। শত্ৰু ৰাষ্ট্ৰৰ অপপ্ৰচাৰৰ বাবেও এনে আলোচনা-বিলোচনাই সমল যোগাব পাৰে।

শেষত— গাঁজাৰ চোৰাং বেপাৰ বন্ধ কৰাৰ বাবে আনকি নেপাল চৰকাৰৰ সহযোগত ব্যৱস্থা লোৱাৰ কথাও আলচ কৰা হ'ল। কিন্তু আলচ কৰা নহ'ল,— বৰ্ত্তমানে ধান-চাউলৰ অভাৱৰ সুযোগ লৈ এচাম দুৰ্নীতিপৰায়ণ বেপাৰীয়ে অসমৰ পৰা আন ৰাজ্যলৈ চোৰাংভাৱে ধান-চাউল পঠিওৱা বন্ধ কৰাৰ বিষয়ে কিবা কাৰ্য্যকৰী ব্যৱস্থা ল'ব পাৰিনে নোৱাৰি সেই বিষয়ে।

ভাষিক সংখ্যালঘুসকলৰ স্বাৰ্থৰক্ষাৰ বিষয়ে চিন্তা কৰা নিশ্চয় উচিত, কিন্তু লগতে ভগনীয়াৰসকলৰ পুনৰ্বসতিৰ দায়িত্ব ভগাই লোৱা আদি বিষয়েও আলচ কৰা জানো উচিত নাছিল? সীমান্তৰ এই ৰাজ্যাঞ্চলৰ পৰা চোৰাংচোৱা বা বিদেশী বহিষ্কৰণৰ কথা; যুটীয়াভাৱে সীমান্ত চকীসমূহত পহৰা দিয়াৰ ব্যৱস্থা আদিৰ কথাও নিশ্চয় আলচ কৰা উচিত আছিল। আন্তঃৰাজ্য পথ পৰিবহনৰ ক্ষেত্ৰত এই অঞ্চলৰ অন্তৰ্বৰ্ত্তী ৰাজ্যবোৰৰ মাজত পাৰস্পৰিক সহায় আদিৰ বিষয়েও এতিয়ালৈকে খাটাংকৈ আলচ কৰা হোৱা নাই। পশ্চিমবঙ্গই কেন্দ্ৰীয় চৰকাৰৰ পৰা চাউল পাব; অসমে নেপায়। এই দুই দেশৰ মাজত চাউল আৰু আটাৰ সমিলমিলতাৰে সাময়িক বিতৰণৰ বিষয়ে আলচ কৰাটোও বোধহয় বৰ আচহুৱা কথা নহ'লহেঁতেন।

পূৰ্বাঞ্চল পৰিষদৰ বৈঠকৰ আলোচনাসমূহত যোগ দিয়া প্ৰতিখন ৰাজ্যই নিজৰ নিজৰ অসুবিধাবোৰ আঁতৰাব পাৰিলেহে, সমূহীয়াভাৱে এই অঞ্চলৰ উন্নতি হ'ব। নহ'লে বৃহত্তৰ স্বাৰ্থৰ দোহাইৰ আঁৰত অঞ্চল বিশেষৰ অগ্ৰগতি ব্যাহতহে হ'ব পাৰে। অথচ এনে লাগে যেন এই পূৰ্বাঞ্চল পৰিষদৰ সৃষ্টি হৈছে অকল ভাষিক সংখ্যালঘু এচামৰ স্বাৰ্থ ৰক্ষাৰ বাবেহে। একোটা ভাষিক সংখ্যালঘু গোষ্ঠীয়ে অঞ্চল বিশেষত থূপ খাই ৰাজ্যিক ভাষাৰ বিপৰীতে নিজৰ ভাষাৰ স্কুল-পঢ়াশালি দাবী কৰা আদি কথা চলি থাকিলে ৰাজ্যিক ভাষাৰেই বা মৰ্য্যাদা থাকে ক'ত আৰু থলুৱা লোকৰ লগত মিলাপ্ৰীতিৰ বসবাস কৰি সমূহীয়াভাৱে উন্নতি কৰাৰ পৰিৱেশেইবা গঢ় লয় কেনেকৈ? আনহাতে মহাৰাষ্ট্ৰ আদি ৰাজ্যত এই সংখ্যালঘু ভাষা-ভাষীৰ প্ৰশ্ন কেতিয়াও তোলা নহয়; তাত থকা আন ৰাজ্যৰ লোকে ৰাজ্য ভাষাৰে পাঠ লয়। সেয়ে সেইবোৰ অঞ্চলত ৰাষ্ট্ৰীয় সংহতিয়ে আপোনা আপুনি গঢ় লয়। অথচ অসমৰ দৰে ৰাজ্যত এই বিষয়ে অনুৰূপ ব্যৱস্থাৰ ফলত এহাতে ৰাজ্যিক ভাষাৰ মৰ্য্যাদা হানি

হৈছে, আনহাতে সংহতিৰ পথত সেয়ে অন্তৰায়ৰহে সৃষ্টি কৰিছে। যদি পূৰ্বাঞ্চল পৰিষদে বহল দৃষ্টিভঙ্গীৰে ভৱিষ্যৎ পন্থা নলয়, তেনেহ'লে অসমৰ দৰে পিচ পৰা ৰাজ্যই তাৰ মাজত সাঙোৰ খাই নিজৰ ক্ষতিসাধন কৰাৰহে অধিক সম্ভাৱনা থকা দেখা যায়। তদুপৰি সীমান্তৰ ৰাজ্য এখনত এনেদৰে অসন্তুষ্টি আৰু ভেদাভেদ ভাব জীয়াই ৰাখিলে, সময়ত সেয়ে সমগ্ৰ দেশৰ বাবে অতিশয় ক্ষতিকৰ হ'ব বুলিয়েই আমি ভাবো।

দেওবাৰ, ২৪ জুলাই, ১৯৬৬ চন

# থলুৱা লোকৰ সমস্যা

উদ্যোগসমূহ কেন্দ্ৰীভূত হৈ থাকিলে সকলো অঞ্চলৰ উন্নতি সমানে নহয়। সেইদেখি এতিয়া বিকেন্দ্ৰীয়কৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেইমতে ভিন ভিন ঠাইত নতুন নতুন উদ্যোগ পতা হৈছে। ইয়াৰ ফলত সংশ্লিষ্ট অঞ্চলবোৰৰ উন্নয়নৰ গতি খৰতকীয়া হ'ব বুলি আশা কৰা হৈছে। প্ৰকৃততে কেতবোৰ অঞ্চলত তাৰ পৰিচয়ো পোৱা হৈছে। পিচে অসমৰ ক্ষেত্ৰত এটা ব্যতিক্ৰম পৰিলক্ষিত হৈছে। বিভিন্ন উদ্যোগে অসমত নতুন জাগৰণৰ সৃষ্টি কৰিছে; উন্নয়নৰ নতুন দিশ মুকলি হৈছে। কিন্তু অঞ্চলৰ ক্ষেত্ৰত যি কথা প্ৰযোজ্য মানুহৰ ক্ষেত্ৰত সেই কথা প্ৰযোজ্য নহয়। থলুৱা লোকে এই নতুন উন্নয়নৰ সোৱাদ পোৱা নাই। বাসিন্দাসকলৰ উন্নয়নক বাদ দি অঞ্চল এটাৰ উন্নয়নৰ লক্ষ্য স্থিৰ কৰিলে তাক সুস্থ ব্যৱস্থা বুলি কোনেও ক'ব নোৱাৰে। অঞ্চলৰ উন্নয়নৰ ফল যদি তাৰ ৰাইজে ভোগ কৰিবলৈ নেপায়, তেন্তে তেওঁলোক ভাগ্য অন্বেষণৰ বাবে আন্দামানলৈ যাব লাগিব নেকি? আমাৰ সংবিধানে নিশ্চয় সেই ব্যৱস্থা দিয়া নাই। সংবিধানে নিৰ্দিষ্ট কৰি দিয়া ব্যৱস্থা মতে ভাৰতৰ কোনো ঠাইতে কোনো লোকৰ বাবে কোনো বিষয়তে একো বাধা থাকিব নোৱাৰিব। ভাষা অঞ্চল আদিৰ যুক্তিৰে কাৰো কাৰণে দুৱাৰ বন্ধ কৰিব নোৱাৰিব। এইটো ব্যৱস্থা সকলোৱে মানি লৈছে। কিয়নো এয়া শোষণৰ বাট বন্ধ কৰাৰ ব্যৱস্থাহে।

কিন্তু সংবিধানৰ এই ব্যৱস্থাক শোষণৰ আহিলা ৰূপে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰাটো আমি সমৰ্থন কৰিব নোৱাৰো। থলুৱা লোকক চাকৰি আদিৰ পৰা বঞ্চিত কৰা বুলি আপত্তি উঠিলেই তাক 'প্ৰাদেশিকতা' ঠেক গণ্ডীৰ মনোভাৱ বুলি অভিহিত কৰা হয়। থলুৱা লোকৰ চাকৰিৰ কথা উঠিলে তাক সংবিধান বিৰোধী ধ্বনি বুলি অভিহিত কৰা হয়। অথচ নানান পাকচক্ৰ লগাই থলুৱা লোকক বঞ্চিত কৰাৰ বাবে চলোৱা প্ৰণালীবদ্ধ প্ৰচেষ্টাৰো শুদ্ধিকৰণৰ ব্যৱস্থা কৰিব খোজা হয়— সংবিধানৰ দোহাই দি। নেফাৰ চাকৰিত অসমৰ লোকৰ বাবে স্থান নাই। ৰেল, বেংক, ডাক-তাঁৰ বিভাগ আদি সকলোতে গোঁজ পোতা স্বাৰ্থই প্ৰাধান্য লাভ কৰিছে আৰু ফলত পৰিকল্পিতভাৱে থলুৱা লোকৰ স্বাৰ্থ নাশ কৰাৰ অভিযান চলিছে। এই উদ্দেশ্যেৰে এমুঠি লোকে কি কাম কৰিছে, তাৰ সন্ধান লৈ কেন্দ্ৰীয় চৰকাৰে ডাঠ মনেৰে ক'ব পাৰিবনে যে এইবোৰ সংবিধান সন্মত কাম?

উদ্যোগৰ ক্ষেত্ৰত অৱস্থা আৰু শোচনীয়। চৰকাৰৰ উদ্যমত হোৱা উদ্যেগ আদিত এমুঠি লোকৰ ন্যস্ত স্বাৰ্থই থলুৱা লোকক ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে। বেচৰকাৰী উদ্যোগৰ ক্ষেত্ৰত অৱস্থা আৰু শোচনীয়। উদ্যোগত থলুৱা লোক কেনেদৰে বঞ্চিত হৈছে তাৰ হিচাপ অসম বিধানসভাৰ সদস্যক লৈ গঠিত কমিটী

এখনেই ৰাজ্য চৰকাৰক দিছে। কিন্তু প্ৰতিকাৰহে নাই। ৰাজ্য চৰকাৰে মাজে সময়ে জনোৱা গোহাৰিলৈ উদ্যোগে কৰ্ণপাত কৰা নাই। উদ্যোগত মানুহ নিয়োগ কৰা ৰাজ্য চৰকাৰৰ প্ৰতিনিধি ৰখা ব্যৱস্থা বা সম্পৰ্কৰক্ষী বিষয়া ৰখাৰ ব্যৱস্থাই একো কাম দিয়া নাই।

নিবনুৱা সমস্যাৰ ব্যাপকতাৰ মাজত চৰকাৰে এই বিষয়টোলৈ কাণ কৰিবই লাগিব। কোনোবাই বিকৃত ব্যাখ্যা দিলেই চৰকাৰে চক খোৱাৰ প্ৰয়োজন নাই। অসমত ৰাজ্যৰ বাহিৰৰ মানুহৰ বাবে চাকৰিৰ থল প্ৰয়োগ কৰিব নালাগে বুলি দাবী উঠা নাই। মাত্ৰ থলুৱা স্বাৰ্থ ন্যায়ভাৱে ৰক্ষা কৰাৰ কথাহে উঠিছে। সংবিধানৰ দোহাই দি যিসকলে ন্যস্ত স্বাৰ্থ পূৰণ কৰিছে তেওঁলোকক তেনে কামৰ পৰা বিৰত কৰাৰ কাৰ্যকৰী ব্যৱস্থা হ'লেই থলুৱা স্বাৰ্থ ৰক্ষা পৰিব। থলুৱাই স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে সংবিধানৰ বিপৰীতে গৈ কাম কৰাৰো প্ৰশ্ন উঠা নাই আৰু থলুৱা স্বাৰ্থৰ বাবে বিশেষ ৰক্ষাকৱচৰ অনুগ্ৰহো আমি বিচৰা নাই।

পূব আঞ্চলিক পৰিষদৰ অধিৱেশণত অসম চৰকাৰৰ তৰফৰ পৰা থলুৱা লোকৰ চাকৰি আদিৰ বিষয়ে যি প্ৰস্তাৱ দাঙি ধৰা হৈছিল তাৰ পূৰ্ণ পাঠ প্ৰকাশ পোৱা নাই। কিন্তু সেই সম্পৰ্কত প্ৰকাশ পোৱা বাতৰিটোৱে ওলোটা অৰ্থ এটাহে বুজোঁৱা যেন লাগে। পিছে মুখ্যমন্ত্ৰী শ্ৰীচলিহাই গুৱাহাটীত সাংবাদিকৰ আগত দিয়া ব্যাখ্যা প্ৰসঙ্গত কয় যে প্ৰস্তাৱৰ যুক্তিযুক্ততা সম্পৰ্কে কেন্দ্ৰীয় স্বৰাষ্ট্ৰ মন্ত্ৰী শ্ৰীনন্দ পতিয়ন গৈছে। উদ্যোগৰ কাৰণে মাটি অধিগ্ৰহণ কৰাৰ ফলত সংস্থানহীন হৈ পৰা থলুৱা লোকক উদ্যোগৰ চাকৰি আদি দিয়াত সংবিধান অশুচি হ'ব বুলি পৰিষদৰ বৈঠকত যি সকলে আশংকাৰ ভাব প্ৰকাশ কৰিছিল, তেওঁলোকে নিজৰ নিজৰ ৰাজ্যত বেনামীকৈ কি ব্যৱস্থা লৈ আহিছে— সেই কথা আমি জানো। আমি বেনামী পন্থৰ কথা কোৱা নাই। ন্যায্য প্ৰাপ্য লাভ কৰাৰ বাবে পোনপটীয়া উপায়হে বিচাৰিছো।

বুধবাৰ, ২৭ জুলাই, ১৯৬৬ চন

# কেন্দ্ৰীয় মন্ত্ৰীৰ পৰামৰ্শ

কেন্দ্ৰীয় জলসিঞ্চন আৰু বিদ্যুৎ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ডঃ কে-এল-ৰাৱে অসমৰ বান-পীড়িত অঞ্চল ভ্ৰমণ কৰি ৰাজ্য চৰকাৰৰ প্ৰতি কেতবোৰ পৰামৰ্শ আগবঢ়াইছে বুলি এটা বাতৰি ওলাইছে। প্ৰকাশিত বাতৰিটোৱে কিন্তু আমাক উৎসাহ যোগাব নোৱাৰিলে। আমি আশা কৰি কৰি আৰু আশা কৰিব নোৱাৰা অৱস্থাত উপনীত হৈছোহি। এনে অৱস্থাত সৰ্বাত্মক আঁচনি এখনৰ বাহিৰে আন একোৱে আমাক ভৰসা দিব নোৱাৰে। পৰিকল্পনা মতে বান নিয়ন্ত্ৰণৰ কাৰণে ইতিমধ্যে ডেধাৰ টকা খৰচ কৰা হ'ল। কিন্তু বানপানীৰ মাত্ৰা কমক ছাৰি বাঢ়িলহে। ইতিমধ্যে হাতত লোৱা সকলো ব্যৱস্থাৰ চৰম ব্যৰ্থতাৰ সাক্ষী আজি গোটেই অসম জুৰি সিঁচৰতি হৈ আছে। বান নিয়ন্ত্ৰণৰ নামত এতিয়ালৈকে যিমান টকা খৰচ কৰা হ'ল, তাতকৈ বহুত গুণে বেছি টকা চৰকাৰ আৰু ৰাইজৰ ক্ষতি হ'ল।

সেইদেখি বাস্তৱৰ পৰা আঁতৰি থকাটো অসম্ভৱ কথা। ১৯৫০ চনৰ বৰ ভূঁইকঁম্পৰ পিচৰ পৰা ব্ৰহ্মপুত্ৰ আৰু কেইখনমান উপনৈৰ আঁচৰণ তেনেই সলনি হ'ল। অকল সেয়ে নহয়— নদীৰ গঢ়-গতি প্ৰায় বছৰি সলনি হৈ আছে। সেইদেখি প্ৰতিবিধানৰ বাবে নিৰ্ভৰযোগ্য তথ্য গোটোৱাটোৱেই এটা সমস্যা। এই বছৰৰ সংগৃহীত

তথ্যৰ ভেঁটিত হয়তো অহা বছৰলৈ নিৰ্ভৰযোগ্য ৰক্ষাকৱচৰ ব্যৱস্থা কৰিব পৰা নহ'ব। সেইদেখি নদী নিয়ন্ত্ৰণৰ বৃহৎ পৰিকল্পনা এখন আমাক লাগে। এহাতে নদী নিয়ন্ত্ৰণ কৰিব লাগিব, আনহাতে বানপানী হোৱাটো ৰোধ কৰিব লাগিব আৰু লগে লগে জলসিঞ্চন, আভ্যন্তৰীণ নৌ পৰিবহন আদিৰ ব্যৱস্থাও লাগিব। এইটো ব্যয়সাধ্য কথা। সেইটো আমি স্বীকাৰ কৰো। কিন্তু এতিয়ালৈকে যিমান ধনৰ অপচয় হ'ল, যিমান ওপৰঞ্চি টকা খৰচ কৰিবলগা হ'ল, তাৰ লগত তুলনা কৰি চালে খৰচৰ অংকৰ ভয় নোহোৱা হ'ব।

কেন্দ্ৰীয় চৰকাৰে সহজ বাট উলিয়াব নোৱাৰে। ডঃ ৰাৱে এতিয়া যিবোৰ পৰামৰ্শ দিছে, তাৰে কেতবোৰ অবাস্তৱ যেন লাগে। নদীপৰীয়া ৰাইজক স্থানান্তৰ কৰাটো সম্ভৱ হ'ব কেনেকৈ? তেওঁলোকৰ কাৰণে বিকল্প মাটি ক'ত ওলাব? খেতিৰ উপযোগী পৰিৱেশ থকাকৈ মাটি যোগাৰ কৰি দিয়াটো অসম্ভৱ কথা। তদুপৰি এই ব্যৱস্থা কম ব্যয়সাধ্য নহ'ব। নদীৰ পাৰ সুৰক্ষিত কৰি ৰখা, বানৰ বিৰুদ্ধে ব্যৱস্থা লোৱা দল গঠন কৰা, আগতীয়া ব্যৱস্থা ৰখা ইত্যাদি যিবোৰ পৰামৰ্শ দিছে— সেইবোৰ শুনিবলৈহে ভাল। কাৰ্য্যকৰী নহয়। আগতীয়া ব্যৱস্থা লোৱা সম্পৰ্কে আমি বহুত বছৰৰ পৰা শুনি আহিলো। মূৰকত সকলো ফুটুকাৰ ফেন।

অৱশ্যে গোট খোৱা পানী উলিয়াই নিয়াৰ ব্যৱস্থা কৰা, পাগলাদিয়া আৰু বৰলীয়া নৈ পৃথক কৰা আদি কেতবোৰ পৰামৰ্শ বিশেষ গুৰুত্বপূৰ্ণ। কিন্তু লগতে আমি কেন্দ্ৰীয় মন্ত্ৰীৰ পৰা এটা বিশেষ বিষয়ৰ সম্পৰ্কতো মতামত পাবলৈ আশা কৰিছিলো। আমাৰ ৰাজ্যখনৰ এমূৰৰ পৰা সিমূৰলৈকে অভিযোগ উঠিছে— মথাউৰিবোৰ পৰিকল্পিতভাৱে বন্ধা নাই; ঠেক স্বাৰ্থৰ প্ৰৰোচনাত কেতবোৰ মথাউৰি বন্ধা হৈছে। মথাউৰি, বন্ধা আদিৰ যতন উপযুক্তভাৱে আৰু উপযুক্ত সময়ত লোৱা নহয় বুলিও অভিযোগ উঠিছে। আন এটা অভিযোগ হ'ল— দুৰ্নীতিয়ে পোখা মেলা কাৰণে বিধি মতে মথাউৰি নিৰ্মাণ হোৱা নাই। ঠিকাদাৰৰ লীলা-খেলাৰ বাবেও মথাউৰিৰ আয়ুস বিপন্ন হয় বুলি কিছুমানে কৈছে। তদুপৰি বিশেষ কেতবোৰ অঞ্চল অকল মথাউৰিৰ বাবেই প্লাৱিত হোৱা বুলি আপত্তি উঠিছে। এই সম্পৰ্কেও আমি বিশেষজ্ঞৰ মতামত পাবলৈ আশা কৰিছিলো।

## ভাৰত-ৰুছিয়া-পাকিস্থান

বিদেশ-ভ্ৰমণৰ ফলাফল সম্পৰ্কে প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে লোকসভাত বিবৃতি দিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ প্ৰতি ছোভিয়েট ৰুছিয়াই পোষণ কৰা মনোভাৱ সলনি হোৱা নাই। এইষাৰ কথাই প্ৰকৃত অৱস্থাটো কিমানখিনি প্ৰতিফলিত কৰিছে সেইটো সন্দেহজনক। মাৰ্কিন যুক্তৰাজ্যৰ হেঁচাত পৰি আমাৰ চৰকাৰে লোৱা কেইবাটাও ব্যৱস্থাই সমগ্ৰ দেশত প্ৰতিবাদৰ খলকনি তুলিলে। সেইবোৰ ব্যৱস্থাৰ ঢৌ ছোভিয়েট ইউনিয়নতো উঠিছিল আৰু সেইবাবেই প্ৰধানমন্ত্ৰী আৰু বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰী মস্কো পাবগৈলগীয়া হৈছিল। পিচে মস্কোত তেওঁলোকে চলোৱা আলোচনাৰ পৰা ধাৰণা কিমান সলনি হ'ল তাৰ খাটাং খবৰ পোৱাটো সহজ নহয়।

কিন্তু পাকিস্থানৰ সন্দৰ্ভত এই বিষয়টোৰ আংশিক মূল্যাংকন কৰিব পাৰি। একালত কাশ্মীৰ সম্পৰ্কত ছোভিয়েট ইউনিয়নে যিমান মুকলিমূৰীয়াভাৱে ভাৰতৰ সপক্ষে মতামত প্ৰকাশ কৰিছিল, আজি ছোভিয়েট ইউনিয়নৰ মত সিমান মুকলিমূৰীয়া নহয়। এতিয়াও মস্কোৰ পৰা আহি শ্ৰীমতী গান্ধীয়ে পাকিস্থানৰ সম্পৰ্কত ছোভিয়েট ইউনিয়নে দিয়া মন্তব্যৰ যি বিবৰণ দিছে, তাৰ মাজতো আমি উৎফুল্ল হৈ উঠিবলগীয়া কাৰণ বিচাৰি

পোৱা নাই। 'ছোভিয়েট নেতৃবৰ্গই পাকিস্থানৰ লগত সম্পৰ্কৰ উন্নতি সাধন কৰাটো বিচাৰে; কিন্তু তেওঁলোকে আশ্বাস দিছে যে ভাৰতৰ লগত থকা বন্ধুত্বৰ বিনিময়ত সেয়ে নহয়।' আপেক্ষিক সংগতিৰ আঁহ ফালি চালে এইযাৰ কথাৰ তাৎপৰ্য্য সুকীয়াও হ'ব পাৰে। অন্ততঃ সম্প্ৰতি পাকিস্থানক ৰুছিয়াৰ পৰা সাহায্য দিয়া সম্পৰ্কে যিবোৰ বাতৰি ওলাই আছে আৰু বিভিন্ন পাকিস্থানী প্ৰতিনিধি দলে যিদৰে ছোভিয়েট ইউনিয়নলৈ অহা-যোৱা কৰি আছে— সেইবোৰ কথালৈ চাই আমি ধাৰণা কৰিব পাৰো যে পাকিস্থানে একেবাৰে খোপনি ল'ব নোৱাৰাকৈ থকা নাই। পিচে এই সংযোগৰ পৰিণতি যিয়েই নহওকগৈ, তাৰ পৰা 'বন্ধুত্বৰ বিনিময়' ঘটিছে নে নাই, সেইটো ছোভিয়েট দৃষ্টিকোণৰ পৰাহে নিৰ্ণয় কৰা হ'ব। সেইদেখি বুজা গৈছে যে ছোভিয়েট ৰুছিয়াই নতুন সতৰ্কতা এটা অৱলম্বন কৰিছে আৰু আমাৰ অনুসৃত নীতিয়েই পাকিস্থানক নতুন খোপনি এটা ল'বলৈ সুবিধা উলিয়াই দিছে।

<u>সোমবাৰ, ১ আগষ্ট, ১৯৬৬ চন</u>

# পৰীক্ষাৰ ভাষা

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষা আঞ্চলিক ভাষাতে দিব পৰা হ'ব বুলি ক'লে শুনিবলৈ নিশ্চয় ভাল হয়। কিন্তু তাৰ কাৰণে কিমানখিনি প্ৰস্তুতি আৰু পৰিৱৰ্তনৰ আৱশ্যক সেইটো সংশ্লিষ্ট লোকসকলে উপলব্ধি কৰা নাই যেন লাগে। প্ৰত্যেক প্ৰাৰ্থীয়ে মাতৃ ভাষাত এই পৰীক্ষা দিয়ক, তাত আমাৰ আপত্তি নাই। কিন্তু তাৰ উপযোগী অৱস্থাৰ সৃষ্টি হৈছে নে নাই সেইটোহে ডাঙৰ প্ৰশ্ন। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীনন্দই হিন্দী উপদেষ্টা সমিতিৰ বৈঠকত জনাইছে যে চৈধ্যটা আঞ্চলিক ভাষাকে লোকসেৱা পৰীক্ষাৰ মাধ্যম কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। কি কি প্ৰস্তুতি চলোৱা হৈছে, কি কি বাধা-বিঘিনি ওলাইছে আৰু সেইবোৰ দূৰ কৰাৰ কি ব্যৱস্থা হাতত লোৱা হৈছে, এইবিলাক কথা অৱশ্যে তেওঁ জনোৱা নাই। আঞ্চলিক ভাষাৰ অৱস্থা সম্পৰ্কে খবৰ ৰখা সকলে কিন্তু এই বিষয়ত সন্দেহ প্ৰকাশ কৰিবলৈ বাধ্য।

প্ৰথম আৰু প্ৰধান কথা, উচ্চস্তৰত শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষাৰে নোহোৱাকৈ এই পৰীক্ষা সেই ভাষাৰে কেনেকৈ চলোৱা হ'ব? বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা হ'ব লাগে বুলি মাজে মাজে দাবী উঠা শুনা যায়। কিন্তু পাঠ্যপুথি লিখোৱাকে আদি কৰি ইয়াৰ বাবে ইমানবিলাক জটিল সমস্যা সমুখত ৰৈ আছে যে প্ৰশ্নটো সমাধান হ'বলৈ এতিয়াও বহুত দিন বাকী। সমগ্ৰ দেশতে সমান ব্যৱস্থা প্ৰৱৰ্তিত নোহোৱালৈকে। গতিকে ই সমস্যা হৈয়ে থাকিব আৰু সৰ্বভাৰতীয় পৰীক্ষাও আঞ্চলিক ভাষাত হ'ব নোৱাৰে। ইংৰাজী মাধ্যমত অৰ্থনীতি পঢ়ি পাছ কৰি যোৱা প্ৰাৰ্থী এজনে মাতৃভাষাত কেনেকৈ আয়োগৰ পৰীক্ষা দিব? কেন্দ্ৰীয় চৰকাৰে এই কথাটোৰ পিনে চকু দিয়া নাই যেন লাগে। দ্বিতীয়তে, প্ৰশ্ন কাকত প্ৰথমে এটা ভাষাত— নিশ্চয় ইংৰাজীত— প্ৰস্তুত কৰি তাৰ অনুবাদ কৰাব লাগিব বিভিন্ন ভাষাত; তাৰ উত্তৰবোৰ পৰীক্ষা কৰিব কোনে? সংশ্লিষ্ট বিষয়ৰ জ্ঞান থাকিলেও বহুত দিনতে ইংৰাজী মাধ্যমত পাছ কৰা শিক্ষক— পৰীক্ষকজনৰ সংশ্লিষ্ট ভাষাৰ জ্ঞান নাথাকিবও পাৰে। কৰ্তৃপক্ষৰ পক্ষে ইমান বিলাক ভাষাৰ জৰিয়তে হোৱা পৰীক্ষাৰ ফলবিলাক গোটাই আনি ঘোষণা কৰোতে যে অযথা বিলম্ব ঘটিব সেইটো নকলেও হ'ব; ভাৰতীয় ভাষাৰ সন্মানৰ খাতিৰত এইটো সমস্যা স্বীকাৰ কৰি ল'লেও ল'ব পাৰি। কিন্তু, তৃতীয়তে, অলপতে শিক্ষক সাল-

সলনি কৰাৰ নীতি এটা শিক্ষা মন্ত্ৰীসকলৰ সন্মিলনত গ্ৰহণ কৰাৰ পৰা এই বিষয়ত আন এটা ডাঙৰ সমস্যাই দেখা দিছে (প্ৰস্তাৱটো অসমৰ তৰফৰ পৰাই উত্থাপিত হৈছিল)। ইয়াক যদি সঁচাকৈয়ে কাৰ্য্যকৰী কৰা হয় তেন্তে শিক্ষকৰ ভাষাৰ ক্ষেত্ৰত ই বেছি খেলিমেলিৰহে সৃষ্টি কৰিব— শিক্ষাদান আৰু পৰীক্ষাৰ মাধ্যমৰ কাৰণে আৱশ্যকীয় লোকৰ সংখ্যা অঞ্চলবিলাকত কমাই পেলোৱা হ'ব।

মুঠতে দেখা গৈছে যে কেন্দ্ৰীয় কৰ্তৃপক্ষই কোনো সুস্থিৰ নীতিৰ বশৱৰ্তী হৈ কেন্দ্ৰীয় পৰীক্ষাৰ প্ৰশ্নটো বিবেচনা কৰা নাই; কৰিছে মাত্ৰ অঞ্চল বিশেষৰ ভাষা-সংক্ৰান্ত উগ্ৰ মনোভাৱ প্ৰশমিত কৰিবৰ কাৰণেহে। দক্ষিণত হিন্দী বিৰোধী মনোভাৱ তীব্ৰ হৈ অহাৰ ফলতে ত্ৰিভাষী-সূত্ৰ, আঞ্চলিক ভাষাৰ মাধ্যমত পৰীক্ষা আদি উপায় উদ্ভাৱন কৰা হৈছিল। উক্ত উপদেষ্টা সমিতিৰ সভাত সভানেত্ৰিত্ব কৰি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছে যে চৰকাৰৰ হিন্দী নীতি লৰচৰ কৰা হোৱা নাই; এই সম্পৰ্কীয় সকলো সিদ্ধান্তকে 'ক্ষিপ্ৰ গতিৰে' কাৰ্য্যকৰী কৰা হ'ব। আনকি ইংৰাজীৰ লগতে হিন্দীতো বিল উত্থাপন কৰিব পৰাকৈ আৱশ্যক হ'লে আইন প্ৰণয়ন কৰা হ'ব বুলি শ্ৰীমতী গান্ধীয়ে কৈছে। হিন্দীৰ বিৰুদ্ধে আমাৰ তেনেকৈ ক'বলগীয়া নাই। আৰু ত্ৰিভাষী সূত্ৰই সংহতি গঢ়াত সহায় কৰক বুলি প্ৰধানমন্ত্ৰীৰ দৰে আমিও কামনা কৰো। কিন্তু কেন্দ্ৰীয় কৰ্তৃপক্ষই কেৱল নিজৰ মতটোকে ৰজাবলৈ ইচ্ছা কৰি কোনো স্পষ্ট নীতি অৱলম্বন নকৰাকৈ, বৰং পৰস্পৰ-বিৰোধী পন্থাৰেহে সৰ্বভাৰতীয় পৰীক্ষাৰ প্ৰশ্নটোৰ প্ৰতি দৃষ্টিপাত কৰাত আমি আচৰিত হৈছো।

# চিটী বাছ

'চিটী' নৌহওঁতেই চিটী বাছ! গুৱাহাটী আৰু শ্বিলঙক বাৰু মহানগৰৰ নাম-নাচ বুলিয়েই ধৰিলো; কিন্তু তিনিচুকীয়াৰ পৰা মাকুমলৈ বা পানীতোলালৈ চলিলেও কেনেকৈ চিটী বাছ হয়? বোধকৰো চিটী এখন পাবলৈ আমাৰ উদগ্ৰ হেঁপাহ। তাকে গুৱাহাটীত কৰ্পৰেচন বিচাৰি, গানে-কবিতাই-প্ৰবন্ধে চিটী, মহানগৰ আদি শব্দ ভৰাই আমি আপ্ৰাণ চেষ্টা কৰিছো। ইপিনে সম্বল বা যোগ্যতা থাকক নেথাকক। এই মনোভাৱৰ লগত গুৱাহাটীত চলা বাছ কেইখনৰ অৱস্থাটো খাপ খাই পৰে। বাছৰ পৰিচালনাও তথৈৱচ। কলিকতাৰ ট্ৰাম-বাছৰ দৰেই সাধাৰণতে ওলমি যাব পাৰি; কিন্তু হঠাৎ কেতিয়াবা অতিৰিক্ত যাত্ৰী নিয়া বন্ধ কৰি দিলে সেৰেঙাকৈ থিয় হৈ যাবও নোৱাৰি— অৱশ্যে মাত্ৰ দুদিনলৈহে। টেক্স ভৰিব নোখোজা যাত্ৰীয়ে টিকট নিবিচৰাৰ কথা বাৰু এৰিলো, কিন্তু চিটী বাছত সাধাৰণতে টিকট দিয়াৰো কোনো ধৰা-বন্ধা নিয়ম নাই—পুলিচক দেখুৱাই সাক্ষী গোপালকৈ মূল্যৰ ঠিক নোহোৱা টিকট বিলোৱাও দেখা যায়।

যি হওক, এই বাছে যে গুৱাহাটীৰ নিচিনা বহু-বিস্তৃত চহৰত জনসাধাৰণক অশেষ সহায় কৰিছে এই বিষয়ে সন্দেহ নাই। এতিয়া আকৌ ভাল খবৰ ওলাইছে যে আন আন পথ কেইটামানতো নতুনকৈ বাছ চলাবলৈ বাছ সন্থাই পৰিবহন বিভাগৰ অনুমতি বিচাৰিছে। সেই মতে বেলতলাৰ পৰা চিৰিয়াখানাইদি আহি চানমাৰী হৈ ফাঁচীবজাৰ আৰু কমলপুৰৰ পৰা শৰাইঘাট দলং পাৰ হৈ কাছাৰীঘৰ পাবহি পৰা হ'ব। ব্যক্তিগতভাৱে পৰিচালিত হ'লেও মাদুৰা চহৰৰ বাছ পৰিবহনৰ লেখীয়া ব্যৱস্থা হেনো কমেই আছে। গুৱাহাটীত পিচে সন্থা গঠন কৰি কিছু ৰাজহুৱা কৰা হ'লেও পৌৰসভাৰ দৰেই লজ্জাকৰ ব্যৱস্থাহে আমি দেখিবলৈ পাইছো। ১১৭ খন বাছৰ পাৰ্মিট থকা সত্বেও হেনো মাত্ৰ ৬৮ খনহে চলোৱা হৈছে। পৰিবহন বিভাগে বিচাৰ কৰি চাওক

কিয় বাকীবিলাক বাছ চলোৱা নাই। নতুনকৈ অনুমতি দিওঁতে এটা কাম কৰিলে কেনে হয়? 'ঘেৰঘেৰী' বাছ চলাবলৈ দিয়া নহ'ব, ডাঙৰ, ধুনীয়া বাছকহে এতিয়াৰ পৰা চিটী বাছ ৰূপে চলিবলৈ দিয়া হ'ব বুলি নিয়ম কৰি দিলে ভাল হ'ব। পৰিবহন বিভাগে এইদৰে আমাক মহানগৰৰ পথলৈ এখোজ আগুৱাই দিব পাৰিব।

মঙ্গলবাৰ, ২ আগষ্ট, ১৯৬৬ চন

# কংগ্ৰেছৰ প্ৰস্তাৱ আৰু ৰাইজৰ কৰ্ত্তব্য

পৰহি গুৱাহাটীত বহা প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধিৱেশনৰ গুৰুত্ব কেবাপিনৰ পৰা আছিল। নিৰ্বাচনৰ প্ৰস্তুতিৰ প্ৰথম পৰ্য্যায়ৰ পাতনি মেলাৰ পৰত পতা এনে অধিৱেশনত প্ৰায়বোৰ সদস্য মুখৰ হৈ উঠাটো স্বাভাৱিক। তদুপৰি বানপানী, খাদ্য অনাটন, চৰা দাম, উদ্যোগত থলুৱা লোকৰ স্বাৰ্থহানি আৰু ৰাজ্যজোৰা দুৰ্নীতিপৰায়ণ লাভখোৰৰ বিপৰীতে ক্ৰমে জাগি উঠা জনসাধাৰণৰ মনোভাৱে আৰু লগতে সেই পৰিৱেশত বিৰোধী দলৰ প্ৰচাৰকাৰ্য্য আদিয়ে শাসনত অধিষ্ঠিত লোকসকলক সচেতন কৰি তোলাটোও স্বাভাৱিক। কিন্তু এই সজাগতা আৰু মুখৰতাক যাতে ক্ষুদ্ৰ স্বাৰ্থই ৰুদ্ধগতি নকৰে তালৈ মন কৰা উচিত হ'ব। আৰু মন কৰা উচিত হ'ব যাতে এই সৰৱতাক দুই-এজনে নিৰ্বাচনৰ আগৰ অস্ত্ৰৰূপেহে মাত্ৰ ব্যৱহাৰ নকৰে। উত্তপ্ত পৰিৱেশৰ মাজত ৰাজ্যত চলা দুৰ্নীতিৰ প্ৰতি কটাক্ষপাত কৰাৰ লগতে সদস্যসকলে এইটোও মন কৰিব লাগিব যে নিজৰ দলৰ কাৰোবাৰ মাজতো যদি দুৰ্নীতিৰ এছিটামানো থকা বুলি প্ৰমাণিত হয়— তেনেহ'লে যেন তেওঁক ৰাইজৰ প্ৰতিনিধিত্ব কৰিবলৈ কোনোপধ্যে দিয়া নহয়,— লাগিলে তেওঁৰ হাতত বৃহৎ অনুসৰণকাৰীৰ দল বা আন ক্ষমতাই থাকক। সন্দেহ, আশঙ্কাই থিতাতে একো কৰিব নোৱাৰিলেও ডাৱৰৰ ওপৰত ডাৱৰ থূপ খোৱাৰ দৰে— সেয়ে সামুহিক অসন্তুষ্টি আৰু সামাজিক বিশৃঙ্খলাৰ ধুমুহা বৰষুণৰ বাবে পথ মুকলি কৰি দিয়ে।

এনে এটি দৃষ্টিভঙ্গীৰে পৰহি প্ৰদেশ কংগ্ৰেছ কমিটীয়ে লোৱা প্ৰস্তাৱ চাৰিটাৰ ফলাফললৈ সমূহ ৰাইজে লক্ষ্য কৰিব। এই প্ৰস্তাৱসমূহৰ অন্তৰালৰ উদ্দেশ্য আৰু প্ৰস্তাৱক বা সমৰ্থকসকলৰ বক্তৃতাৰ লগত থকা তেওঁলোকৰ আন্তৰিকতাৰ প্ৰমাণ পোৱা যাব বহল কৰ্মক্ষেত্ৰত— তেওঁলোকে নিজে আগবাঢ়ি নেতৃত্ব কৰি চোৰাং বজাৰত লিপ্ত কিমান লোকক মুকলিভাৱে ধৰাই দিয়ে সেই কথাত, বা কিমান নিস্বাৰ্থভাৱে জনতাৰ মাজত সোমাই অন্যায়ভাৱে ৰাইজক শোষণ কৰাসকলৰ (ব্যৱসায়ীয়েই হওক, চাকৰিয়ালেই হওক বা ৰাজনৈতিক নেতাই হওক) বিপক্ষে তেওঁলোকে সক্ৰিয় পন্থা অৱলম্বন কৰে তাৰ ওপৰত। তদুপৰি চৰকাৰকো তেওঁলোকে এনেবোৰ দুৰ্নীতিপৰায়ণ লোকৰ বিৰুদ্ধে কঠোৰ শাস্তি বিধান কৰাবলৈ বাধ্য কৰাব লাগিব।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত সংখ্যাগৰিষ্ঠ দলৰ মাজৰ পৰা বছা চৰকাৰেও তেওঁলোকৰ দলৰ পৰামৰ্শ অনুযায়ী তৎপৰতাৰে কি ব্যৱস্থা লয়, তালৈকো আমি বাট চাইছো। পঞ্জাবত ৰাজ্যপালৰ শাসনত যি সম্ভৱ, সেয়া যদি গণতান্ত্ৰিক পদ্ধতিৰে বছা ৰাইজৰ প্ৰতিনিধিয়ে কৰিব নোৱাৰে— তেনেহ'লে ভাবিব লাগিব ক'ৰবাত খুঁত আছে নাইবা আমাৰ জনসাধাৰণ গণতান্ত্ৰিক দেশৰ নাগৰিক হ'বলৈ উপযুক্ত হোৱা নাই। ১৯ বছৰ স্বাধীনভাৱে থাকি, গণতান্ত্ৰিক পদ্ধতিৰে তিনিটা নিৰ্বাচনৰ অন্তত— চতুৰ্থ নিৰ্বাচনৰ আগে আগে আমাৰ এনে অনুপযুক্ততা প্ৰমাণিত হোৱাতকৈ কিবা দুখৰ কথা হ'ব পাৰেনে?

সেয়ে আমি আশা কৰোঁ, যি আবেগেৰে উত্তপ্ত পৰিৱেশৰ মাজত প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অতি

লাগতিয়াল আৰু সময়োপযোগী চাৰিটা প্ৰস্তাব ল'লে, সেয়া যেন 'চেঁচা ৰাজনৈতিক উদাসীনতাৰে' কাৰ্য্যপালিকাই অসাৰ্থক কৰি নেপেলায়।

সমবায় যোগে পুনৰ খাদ্য শস্যৰ একচেটিয়া সংগ্ৰহ আৰু বিতৰণ কৰিবলৈ বেছিভাগ সদস্যৰে উৎসাহ মন কৰিবলগীয়া। কিন্তু সমবায়ৰ মাজত সোমোৱা কেৰোণ,— যাৰবাবে ধান-চাউল সংগ্ৰহ-বিতৰণ মিলৰ হাতত দিবলগীয়া হ'ল,— এই বিষয়ে তদন্ত কমিটীৰ প্ৰতিবেদনৰ ভেটিত পোনতে আসোঁৱাহবোৰ আঁতৰাই ল'ব লাগিব। তদন্ত কমিটীৰ প্ৰতিবেদন অতি সোনকালে সংগ্ৰহ আৰু প্ৰকাশ কৰি তেনে ব্যৱস্থা লোৱাটোকে আমি বিচাৰো। কংগ্ৰেছৰ পৰিকল্পিত সমাজবাদী আৰ্হিৰ সমাজত সৰ্বসাধাৰণৰ স্বাৰ্থৰক্ষাৰ বাবে সমবায়ৰ পন্থা অপৰিহাৰ্য্য। কিন্তু সমবায়ৰ মূল ধৰণী হ'ল সমবায় কৰোতাসকলৰ সক্ৰিয় সহযোগ; নহ'লে, 'সকলোৰে কাম কৰো নিজৰ কাম নহয়'— এই মনোবৃত্তিৰে সমবায় জী থাকিব নোৱাৰে।

আমি আশাকৰো অন্ততঃ এইবাৰ ঠেকি শিকি, সমূহ ৰাইজে সমবায়সমূহৰ ভিতৰত থকা স্বাৰ্থপৰ লোকৰ দুৰ্নীতি আঁতৰাই নিজৰ মঙ্গলৰ কাৰণে আৰু অৰ্থনৈতিক শোষণৰ পৰা মুক্তিৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহিব। শিক্ষিতসকলে ৰাইজক সমবায়ৰ গুৰুত্ব উপলব্ধি কৰাওক কাৰণ সচেতন চেষ্টাৰেহে সমবায় আন্দোলন কৃতকাৰ্য্য হ'ব পাৰিব।

চৰা দাম প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ৰাইজে অন্যায়ক প্ৰশ্ৰয় নিদিয়াকৈ মাৰবান্ধি সংকল্পবদ্ধ হওক। চৰকাৰেও অতি শীঘ্ৰে চোৰাং কাৰবাৰী দলৰ বিৰুদ্ধে আৰ্হিমূলক শাস্তি বিহক।

প্ৰদেশ কংগ্ৰেছৰ অভিমতৰ লগতে আমি ৰাজ্যৰ বানপানী সমস্যাৰ দীৰ্ঘমিয়াদী সমাধানৰ বাবে বহুমুখী পৰিকল্পনাৰে নদী উপত্যকা আঁচনি এখনি লোৱাত গুৰুত্ব আৰোপ কৰো। সঁচাকৈয়ে এয়া অকল ভাৰতৰ এচুকৰ সমস্যা এটা বুলি ধৰি থাকিলে নচলিব,— ইয়াক এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ভাৰত চৰকাৰে ল'ব লাগিব।

উদ্যোগীকৰণৰ ক্ষেত্ৰত যি কেৰোণ,— প্ৰশাসনীয় দুৰ্নীতি আদিয়ে প্ৰৱেশ কৰিছে, সেয়াও অকল কথাৰে নহয় কামেৰে আঁতৰাব লাগিব। থলুৱা লোকক চাকৰি দিয়াৰ ক্ষেত্ৰত নানা চেলু উলিওৱা প্ৰতিষ্ঠানসমূহৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব পাৰিলেহে ৰাজ্যিক সম্পৰ্কৰক্ষী বিষয়া বা তেওঁৰ দপ্তৰৰ মৰ্য্যাদা ৰক্ষা হ'ব। এই ক্ষেত্ৰত ৰাজ্যিক সম্পৰ্কৰক্ষী বিষয়াক অধিক ক্ষমতা দিব লাগিব; উদ্যোগসমূহৰ চাকৰিৰ বাবে সাক্ষাৎ বা পৰীক্ষা সদায় অসমতে কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু 'এমপ্লয়মেণ্ট এক্সচেঞ্চ'ৰ কৰ্মপদ্ধতিলৈ কঠোৰ দৃষ্টি ৰাখিব লাগিব। অসমত তেল, গেছ, কয়লা, চিমেণ্ট, চাহ (এতিয়া আনকি 'লো' উদ্যোগৰো আশা হৈছে) আদি উদ্যোগত চাকৰি-বাকৰি দিয়াৰ বিষয়ে অধিক মনোযোগ দিয়াৰ পৰ উকলি যাওঁ যাওঁ হৈছে।

এনে দৃষ্টিভঙ্গীৰে আমি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰস্তাৱৰ চাৰিটালৈ লক্ষ্য ৰাখিছো। প্ৰস্তাৱৰ অন্তৰ্নিহীত উদ্দেশ্যৰ লগত— কাৰ্য্যকৰী কি পন্থা কিমান তৎপৰতাৰে শাসনত অধিষ্ঠিত দলে হাতত লয়— সেই বিষয়ে আমি সজাগ হোৱাটো আৱশ্যক। লগতে তেওঁলোকে ৰাষ্ট্ৰৰ কল্যাণকামী কাৰ্য্যসমূহ কৃতকাৰ্য্য কৰাত চৰকাৰৰ লগত দল-নিৰ্বিশেষে সহযোগ কৰাটোও আমি কামনা কৰো।

বৃহস্পতিবাৰ, ৪ আগষ্ট, ১৯৬৬ চন

# আমাৰ এবছৰ

এবছৰীয়া যাত্ৰা-পথ নিচেই চুটি; সেইদেখি এই চমু পথৰ মূল্যাংকনৰ ধৃষ্টতা আমাৰ নাই। কিন্তু ৰাইজৰ চেনেহৰ স্বীকৃতি জনোৱাৰ এই সুযোগ আমি নলৈ নোৱাৰো। আমাৰ পদক্ষেপ সবল কৰি তোলা ৰাইজৰ অকৃত্ৰিম স্নেহেই আমাক সীমাহীন প্ৰেৰণা দিছে আৰু সেই স্নেহেই এবছৰৰ ভিতৰতে ৰাজ্যত সৰ্বাধিক প্ৰচলিত দৈনিক অসমীয়া কাকতৰ শাৰীলৈ এই কাকতক আগবঢ়াই আনিছে। আমি সমূহ ৰাইজৰ ওচৰত কৃতজ্ঞতা জনোৱাৰ লগতে ভাৰসা ৰাখিছো যে ৰাইজৰ এই চেনেহৰ উম লৈ আমি সমুখৰ বাটেদি আগুৱাই যাব পাৰিম।

পাৰ হৈ যোৱা এটা বছৰৰ ঐতিহাসিক তাৎপৰ্য্য আছে।ভাৰত আৰু পাকিস্থানৰ মাজত চলা অঘোষিত যুদ্ধই নতুন পৰিস্থিতিৰ সৃষ্টি কৰিলে। তাৰপিচতে নাটকীয়ভাৱে পৰিস্থিতিৰ ৰূপ সলাই দিলে টাছখণ্ডৰ যুটীয়া ঘোষণা-পত্ৰই। কিন্তু সেই শান্তিপথৰ যাত্ৰাতে আমি হেৰুৱাবলগীয়া হ'ল— প্ৰধানমন্ত্ৰী শ্ৰীলালবাহাদুৰ শাস্ত্ৰীক। নেতৃত্বৰ নতুন বিন্যাস আৰম্ভ হ'ল— প্ৰধানমন্ত্ৰীৰ গাদীত বহিলে শ্ৰীমতী ইন্দিৰা গান্ধী। কিন্তু ভাৰতৰ আকাশৰ পৰা ডাৱৰ নাতৰিল। পাকিস্থানে লুটি-বাগৰ মাৰিলে। ভাৰত-পাকিস্থানৰ সম্পৰ্কৰ অৱনতি ঘটিল। চীনৰ ভাৰত বিৰোধী তৎপৰতাও অব্যাহত থাকিল— চীনৰ আণৱিক বিস্ফোৰণৰ পৰীক্ষাই সীমান্তৰ সিপাৰৰ সংকট আৰু বঢ়ালেহে। অকল সিমানেই নহয়, ভাৰত-পাকিস্থানৰ সংঘৰ্ষৰ পৰিণতি স্বৰূপে নানান সমস্যাই মূৰ তুলি ধৰিলে। অৰ্থনৈতিক সংকট এটাৰ সৃষ্টি হ'ল। পশ্চিমীয়া শক্তি গোষ্ঠীৰ নতুন হেঁচা পৰিল— সাহায্যৰ গতি ৰোধ হ'ল। আমাৰ চতুৰ্থ পৰিকল্পনাৰ প্ৰস্তুতি ব্যাহত হ'ল। লগে লগে প্ৰাকৃতিক দুৰ্যোগ সমন্বিতে বিভিন্ন কাৰণত খাদ্য সংকটে বিকট মূৰ্তি ধাৰণ কৰিলে। আনহাতে মাৰ্কিন খাদ্যৰ আমদানি লৈ নতুন তিক্ততাৰ সৃষ্টি হ'ল। এইছোৱা সময়ৰ ভিতৰতে কেন্দ্ৰীয় চৰকাৰে লোৱা কেতবোৰ ব্যৱস্থাই দেশজুৰি খলকনিৰ সৃষ্টি কৰিলে আৰু পূৰ্বৰ নীতিৰ পৰা ফালৰি কাটি বিদেশৰ হেঁচাত নিজৰ খোপনি ঢিলাই দিয়া বুলি অসন্তুষ্টিৰ ধ্বনি মুখৰিত হৈ উঠিল। সেই পৰিৱেশৰ মাজতে টকাৰ মূল্য হ্ৰাসকৰণে জনমতক আৰু চক খুৱালে। এই ব্যৱস্থাই শেষত কি ৰূপ লয়গৈ— সেই কথা অনিশ্চিত; কিন্তু ইতিমধ্যে ই মুদ্ৰাস্ফীতিৰ অনুকুলেহে বাট লৈছে। বয়-বস্তুৰ দাম বাঢ়ি গৈছে। মূল্য-মান স্থিৰেৰে ৰখাৰ হকে লোৱা চৰকাৰী ব্যৱস্থাই এতিয়ালৈকে বজাৰত উল্লেখযোগ্য প্ৰভাৱ পেলাব পৰা নাই। মুঠতে স্বাধীনতাৰ পৰৱৰ্তী কালৰ আটাইতকৈ কঠিন অৰ্থনৈতিক সংকটটোৰ মাজতে আমি এতিয়াও আছো। অন্যান্য ফালৰ পৰাও পাৰ হৈ যোৱা বছৰটোৰ বিশেষ তাৎপৰ্য্য আছিল। ৰেল দুৰ্ঘটনা, বিমান দূৰ্ঘটনা, পঞ্জাবী চুবাৰ প্ৰশ্ন লৈ ব্যাপক অশান্তিৰ সৃষ্টি, মহাৰাষ্ট্ৰ-মহীশূৰৰ সীমা বিবাদ আদিয়ে জুমুৰি দি ধৰে।

এইবোৰ সমস্যাৰ হেঁচা অসমতো পৰে। ভাৰত-পাকিস্থানৰ যুদ্ধই অসমৰ ওপৰত প্ৰবল হেঁচা পেলায়। পাকিস্থানৰ মাজেদি জাহাজ চলা-চল বন্ধ হৈ পৰাত নতুন সংকট এটাৰ সন্মুখীন হ'বলগীয়া হ'ল। ভাত-কাপোৰৰ জটিল সমস্যা জটিলতৰ হ'ল। নগা বিদ্ৰোহীয়ে ৰেল দুৰ্ঘটনা ঘটাই নৰমেধ যজ্ঞ পাতিলে আৰু সেই সন্দৰ্ভতে চৰকাৰী ব্যৱস্থাৰ মাজত থকা দুৰ্বলতা কিছুমানো সদৰি হৈ পৰিল। তাৰ ফলতে শান্তি মিছন ভংগ হ'ল আৰু চক্ৰান্তকাৰী ৰেভাৰেণ্ড মাইকেল স্কটক ভাৰতৰ পৰা যাবলৈ বাধ্য কৰিবলগীয়া পৰিণতি এটাৰ সৃষ্টি হ'ল। কিন্তু যোৱা বছৰটোৰ বৈচিত্ৰ্য তাতে শেষ হোৱা নাই। মিজো জিলাৰ বিদ্ৰোহে আৰু এটা দিশ মুকলি কৰি দিলে।

অশান্ত পাৰ্বত্য এলেকাৰ মাজত এইটো নতুন সংকট। এই সমুদায় অঞ্চলৰ সমস্যা দূৰ কৰাৰ বাবে দাঙি ধৰা পাটস্কৰ আয়োগৰ প্ৰতিবেদনে কিন্তু পটভূমি ৰচনা কৰিব নোৱাৰিলে। পাৰ্বত্য নেতৃবৰ্গৰ এভাগে এতিয়া পৰিকল্পনা কৰা আন্দোলনৰ আচনিয়ে হয়তো নতুন নতুন সমস্যাহে আমাৰ মাজলৈ আনিব। অসমৰ সমস্যাৰ মেটমৰা ভাৰ কমাৰ লক্ষণ এতিয়াও দেখা নাই। প্ৰবল বানবানীয়ে এইবাৰ ব্যাপক পৰিমাণে ক্ষতি সাধিলে আৰু বান-প্ৰতিৰোধ ব্যৱস্থাৰ চৰম ব্যৰ্থতা প্ৰমাণিত হ'ল। আনহাতে ৰাজ্যত এইবাৰ উৎকটভাৱে খাদ্য সমস্যাই দেখা দিলে। এইবাৰৰ দৰে ৰাইজে কোনো কালে চাউলৰ বাবে হাঁহাকাৰ কৰিবলগীয়া হোৱা নাছিল। কিন্তু এই সমস্যা সমাধান কৰাৰ বাবে চৰকাৰে যি নীতি হাতত ল'লে সেই নীতিয়ে সম্পূৰ্ণ ব্যৰ্থতাহে স্বীকাৰ কৰিলে।

ৰাজ্যৰ তথা দেশৰ এই সমুদায় সমস্যাৰ বেলিকা দৈনিক অসমে পাৰ্য্যমানে ৰাইজ তথা দেশৰ সেৱাত নিজৰববীয়া বৰঙণি আগবঢ়াবলৈ চেষ্টা কৰিছিল। সেই প্ৰচেষ্টাৰ মূল্যাংকনৰ ভাৰ ৰাইজৰ ওপৰতহে পৰিছে। আমি আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিম আৰু ৰাইজৰ সহযোগৰ বলত সকলো বাধা অতিক্ৰম কৰিব পৰা হ'ব বুলিও আমি আশা পুহি থৈছো। আমাৰ দোষ-ত্ৰুটী দূৰ কৰিবলৈকো আমি সাধ্যমতে চেষ্টা কৰিম। পূৰ্ণতাৰ পথলৈ আগুৱাই যোৱাই আমাৰ লক্ষ্য— আত্মতুষ্টিৰ ভাব আমি লোৱা নাই। অৱশ্যে অসুবিধা যে আছে, সেই কথা আমি স্বীকাৰ কৰো। দেশৰ বৰ্তমান সংকটৰ মাজত বাতৰি কাকত উদ্যোগৰ সমুখত নানান সমস্যাই দেখা দিছে। মেচিন, আহিলা-পাতি আদিৰ দাম বাঢ়িছে। এনেয়ে 'নিউজ প্ৰিণ্ট'ৰ নাটনি, তাতে আকৌ অসমৰ কাৰণে নিউজ প্ৰিণ্টৰ আছুতীয়া ভঁৰাল এটা গঠিত নোহোৱাত জটিলতা বৃদ্ধি পাইছে। ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়তে আমাৰ এই প্ৰতিষ্ঠানে ওপৰঞ্চি বাধা এটা মূৰ পাতি ল'বলগীয়া হয়— প্ৰায় ডেৰ লাখ টকাৰ নিউজ প্ৰিণ্ট জব্দ কৰি পাকিস্থানে এই প্ৰতিষ্ঠানৰ ওপৰত ওপৰঞ্চি জুলুম এটা জাপি দিয়ে। তথাপি আমি ৰাইজৰ আশীৰ্বাদকে পাথেয় স্বৰূপে লৈ বাধা সৰকি যাব পাৰিছো— আৰু আগলৈকো পাৰিম বুলিয়েই ভাবিছো। সম্প্ৰতি ছপাৰ জেঙা দূৰ কৰিবলৈ আৰু ছপাৰ কাম ক্ষিপ্ৰতৰ কৰিবলৈ প্ৰায় ১০ লাখ টকা মূল্যৰ জাৰ্মান ৰোটাৰী মেচিন এটা বহুৱাবলৈ লোৱা হৈছে— অলপতে সেই কাম সম্পূৰ্ণ হ'ব আৰু তেতিয়া আমাৰ কামত অধিক সুবিধা পোৱা হ'ব। সেই সুবিধা লৈয়েই আমি পুথি আকাৰে দৈনিক অসমৰ শাৰদীয় সংখ্যা উলিয়াবলৈকো দিহা কৰিছে। আমাৰ পাঠক সমাজ শুভাকাংক্ষীসকল, কাকতৰ লগত বিভিন্ন অৱদানেৰে সহযোগ কৰোতাসকল আৰু জাননী দিওঁতাসকললৈ আমাৰ ববীয়া ওলগ জনাই আমি এটা নতুন বছৰৰ পাতনি মেলিছো।

<u>বুধবাৰ, ১০ আগষ্ট, ১৯৬৬ চন</u>

## আচৰণ-বিধি

আচৰণ-বিধি মানি চলিব বুলি মুচুলুকা লিখি দিয়া চৰ্তত সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষকসকলক বৰ্দ্ধিত দৰমহা দিয়া সিদ্ধান্ত সলনি কৰি চৰকাৰে হেনো এতিয়া ঠিক কৰিছে যে শিক্ষকসকলে ব্যক্তিগতভাৱে এই মুচুলুকা লিখি নিদিয়াকৈ বৰ্দ্ধিত দৰমহা ল'ব পাৰিব; স্কুলৰ পৰিচালক কমিটীয়েহে এতিয়া সংশোধিত আচৰণ-বিধি মানি লোৱা বুলি চৰকাৰক জনাব লাগিব। ৰাজ্য চৰকাৰে সিদ্ধান্ত সলনি কৰাত আমি সন্তোষ পাইছো। শিক্ষকসকলৰ প্ৰতি যি অপমানজনক চৰ্ত আৰোপ কৰি বৰ্দ্ধিত দৰমহা দিয়াৰ ব্যৱস্থা হৈছিল, সেই সম্পৰ্কত

অকল শিক্ষকসকলেই ক্ষুদ্ধ হোৱা নাছিল, শিক্ষা আৰু শিক্ষকতাক শ্ৰদ্ধাৰ চকুৰে চাবলৈ শিকা বহুতো লোক লাজত অধোমুখ হৈছিল। চৰকাৰে ৰাইজক সেই লজ্জাৰ পৰা এতিয়া অব্যাহতি দিয়াত আমি সন্তোষ পাইছো।

অৱশ্যে এইটো আমি স্বীকাৰ কৰো যে আমি সকলোৱে নিজৰ অধিকাৰৰ লগতে নিজৰ দায়িত্ব সম্পৰ্কেও সচেতন হ'ব লাগে। সম্প্ৰতি অধিকাৰৰ ধ্বনি যিদৰে উঠে, সেই অনুপাতে দায়িত্ব-সচেতনতা পৰিলক্ষিত নহয়। আমাৰ ৰাষ্ট্ৰীয় জীৱনত এইটো এটা ডাঙৰ ব্যাধিত পৰিণত হৈছে। সেই ব্যাধি দূৰ কৰা, ৰাইজক সচেতন কৰা, নিজৰ নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে তৎপৰ কৰি তোলা আৰু অবাঞ্ছনীয় কাম কৰাৰ পৰা সকলোকে বিৰত কৰা পৰিৱেশ এটা আমাক নিশ্চয় লাগে। উচ্চতম মহলৰ পৰা নিম্নতম মহললৈকে সেই পৰিৱেশে আত্মপ্ৰতিষ্ঠা লাভ কৰিব পাৰিলেহে সেইটো সম্ভৱপৰ হ'ব। বিশেষ কেতবোৰ মহলক গণ্ডীৰ পৰা আঁতৰাই ৰাখি আন কেতবোৰ মহলত আচৰণৰ শিক্ষা দিবলৈ যোৱাটো ভুল পন্থাহে। সেইদেখি শিক্ষকসকলকৰ আচৰণৰ কথাটো লৈ ৰাজ্য চৰকাৰে মূৰ ঘমোৱা দেখি আমি অবাক হৈছিলো। শিক্ষকসকলে আজি তেওঁলোকৰ আচৰণৰ দ্বাৰা সমাজত এনে পৰিস্থিতিৰ সৃষ্টি কৰিছে নে যে তেওঁলোক সমাজৰ কাৰণে বিভীষিকা স্বৰূপ হৈ উঠিছে? তেওঁলোকৰ পৰা অপমানজনকভাৱে মুচুলুকা লিখাই লৈহে বৰ্দ্ধিত দৰমহা দিবলগীয়া অৱস্থা এটা হ'ল বুলি চৰকাৰে কিয় ভাবিছিল?

অথচ চৰকাৰৰ চকুৰ আগতে চৰকাৰৰ অধীনস্থ বহুতো লোকে সমাজৰ ক্ষতি হোৱা ধৰণেৰে অবাধে অবাঞ্ছনীয় আচৰণ দেখুৱাই আহিব পাৰিছে। তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে একো ব্যৱস্থা হাতত লোৱা নাই। ছাত্ৰসকলৰ আন্দোলনৰ তাপমাত্ৰা দেখি চৰকাৰে সিদিনা গুৱাহাটীত ব্যৱসায়ীৰ গুদামকেইটামান খানাতালাছ কৰিলে আৰু অন্যান্য বস্তুৰ লগতে খাদ্য সামগ্ৰীত ভাঁজ দিবৰ বাবে গোটাই ৰখা ডেধাৰ সামগ্ৰী ধৰা পৰিল। আমি শুনিবলৈ পোৱা মতে খানাতালাছৰ আঁচনি গোপনভাৱে ৰচিত হৈছিল যদিও কাৰবাৰ 'অনুগ্ৰহ'ত বোলে গোপনীয়তাৰ বান্ধ ঢিলা হ'ল আৰু সেই সুৰুঙা থকা কাৰণেই কিছুমানে আগতীয়াকৈ সতৰ্কতামূলক ব্যৱস্থা লৈ অভিযান আংশিকভাৱে অসাৰ্থক কৰি তুলিলে। সেয়ে নোহোৱা হ'লে হেনো আৰু চাঞ্চল্যকৰ তথ্য প্ৰকাশ পালেহেঁতেন। সেইবোৰ যিয়েই নহওক— যিখিনি তথ্য এতিয়া প্ৰকাশ পালে তাৰ পৰাই সুস্পষ্টভাৱে প্ৰমাণ পোৱা গ'ল যে খাচ গুৱাহাটীৰে মাজ বুকুতে খাদ্যত ভাঁজ দিয়াৰ পৰিকল্পিত প্ৰচেষ্টা চলি আছে। অসমৰ আন ঠাইতো নিশ্চয় সেয়ে হৈছে। কিন্তু এইবোৰ ধৰা নপৰে কিয়? চৰকাৰৰ দৰমহাৰে হৃষ্ট-পুষ্ট হৈ থকা এজাক মানুহে এইবোৰ কথালৈ চকু দিবৰ বাবেই আছে। ভেজাল বস্তু ধৰা পেলাবলৈ বিষয়া আৰু কৰ্মচাৰী আছেই; ভেজাল বুলি চিনাক্ত কৰাৰ বাবে পৰীক্ষাৰ ব্যৱস্থাও আছে। সেইসকল লোকৰ দৰমহা খোৱাটোৱেই একমাত্ৰ কাম নেকি? হাইস্কুলৰ শিক্ষকৰ দৰে মুচুলুকা লিখি দৰমহা ল'বলগীয়া পৰ্য্যায়ত পৰাৰ দুৰ্ভাগ্য যিসকলৰ নাই তেওঁলোকৰ বেলিকা আচৰণবিধিতো নায়েই, আনকি অৱশ্যে কৰ্তব্যখিনিৰ পৰাও তেওঁলোকে ছুটী ল'ব পাৰিছে। তেওঁলোকৰ নিৰ্লিপ্ততাৰ কাৰণেই নিভাঁজ খাদ্য বেচি বেপাৰ কৰাটো আজি 'মুৰ্খালি'ত পৰিণত হৈছে। ঔষধৰ নামত ভেজাঁল বস্তু যোগাই মৃত্যুমুখী যাত্ৰীকো চৰম প্ৰবঞ্চনা কৰা হৈছে। গাখীৰ মিহলি পানী আৰু গেলা মাছ আদিৰ প্ৰচলন অবাধে চলি থকাৰ বাবে আচৰিত হ'বলৈকো মানুহে পাহৰি গৈছে। অথচ বজাৰত যাতে সেইবোৰ ওলাব নোৱাৰে তাৰ বাবে ব্যৱস্থা ল'বলৈ ভাৰ পোৱা বিষয়াৰ পৰা পালি কৰ্মচাৰীলৈকে সকলোৱে সেইখন বজাৰতে হৃষ্টচিত্তে বিচৰণ কৰি ফুৰিছে। মৰিয়নীৰ পাঠশালাৰ ছাত্ৰই ৰচনা লিখোতে ধান

খেতি কৰিলে চাউল আৰু শিল পোৱা যায় বুলি লিখিলেও চৰকাৰৰ ভাৰপ্ৰাপ্ত বিষয়াৰ দল সেইটো মানসিক পৰ্য্যায়ৰ পৰা উৰ্দ্ধত আছে বুলি সন্দেহ কৰাৰ কাৰণ নিশ্চয় আছে। তথাপি গৰাহে প্ৰতি শিল চোবাই মানুহে হাইৰাণ হৈছে। 'বেৰিবেৰী' ৰোগৰ প্ৰতিকাৰৰ বাবে ব্যৱস্থা দিয়া হ'ল যে খাদ্যপ্ৰাণ যাতে নষ্ট হ'ব নোৱাৰে সেই উদ্দেশ্যেৰে ধানকলত চাউল বেছি চাফা কৰিব নেলাগে। কিমান ধান থাকিলে চাউল বেছি চাফা কৰা হোৱা নাই বুলি ধৰা হ'ব— তাৰো পৰিমাণ নিৰ্দ্দিষ্ট কৰি দিয়া হ'ল। কিন্তু মূৰকত ফল হ'ল এয়ে— ধানকলত চাউল সম্পূৰ্ণৰূপে চাফা কৰি তাৰ লগত বস্তাই বস্তাই ধান মিহলাই দিলে। কিন্তু সংশ্লিষ্ট বিভাগৰ টোপনিত এই পৰিণতিয়ে বাধা দিয়া নাই; অকল টোপনিয়েই নহয়— দৰমহা বৃদ্ধি আৰু পদোন্নতিতো একো বাধা জন্মা নাই।

এই চৰম নিৰ্লিপ্ততা, এই চৰম অকৰ্মণ্যতা চৰকাৰৰ চকুৰ আগতে চলি আছে। চৰকাৰে সেই সকলো কথালৈ পিঠি দি থকা কাৰণে এই দুৰ্গতিক কেন্দ্ৰ কৰি ব্যাপকভাৱে দুৰ্নীতিয়ে প্ৰসাৰ লাভ কৰিছে। হাইস্কুলৰ শিক্ষকসকলক লৈ আদৰ্শৰ 'চানমাৰি' কৰোতাসকলক আমি ইয়াকে জনাব খোজো যে চৰকাৰৰ সন্মুখত বিৰাট কৰ্মক্ষেত্ৰ এখন পৰি আছে। প্ৰদৰ্শনীমূলক দুই-এটা কামেই এই ক্ষেত্ৰত দায়িত্ব পালন কৰাৰ নিৰ্দ্দিশন দাঙি নধৰে। সেই দায়িত্ব পালন কৰিবলৈ—অধিক নিষ্ঠা, অধিক দৃঢ়তা আৰু অধিক তৎপৰতা লাগিব। আজি যাইকৈ প্ৰয়োজন হৈছে— তেনে এখন আচৰণ-বিধিৰহে।

<u>শুকুৰবাৰ, ১২ আগষ্ট, ১৯৬৬ চন</u>

# নিৰৱ কিয়?

ৰাজ্যৰ বিভিন্ন ঠাইত অতবোৰ ঘটনা ঘটিছে; গুলীবৰ্ষণ, লাঠী চালনা, কন্দুৱা গেছ প্ৰয়োগ, ১৪৪ ধাৰা জাৰি, সান্ধ্য আইন জাৰি, লুটপাত আদিৰ পয়োভৰ ঘটিছে। অথচ চৰকাৰী ভাষ্য আমি পোৱা নাই। চৰকাৰে গুলী চালনাৰ দৰে কঠোৰতম ব্যৱস্থা লোৱাৰ পৰতো একো ব্যাখ্যা দিবলৈ চেষ্টা কৰা নাই। ছাত্ৰ-আন্দোলন বা দলীয় বিক্ষোভ প্ৰদৰ্শনৰ আগে আগে চৰকাৰে সকলো সতৰ্কতামূলক ব্যৱস্থা লৈছিল। এতিয়াৰ বাতৰিবোৰৰ পৰা এটা ধাৰণা হৈছে যে, চৰকাৰে সকলো ধৰণেৰে নিজক প্ৰস্তুত কৰি ৰাখিছিল। তাৰ পৰা বুজা যায় যে কিবা অশান্তি হ'ব বুলি আগতে ইঙ্গিত পোৱা হৈছিল। যদি ইঙ্গিত পাইছিল আৰু সেইমতেই ঘটনাও ঘটিছে— তেন্তে এটা বিশেষ উদ্দেশ্য লৈ চলোৱা আন্দোলনৰ গতি কোনে সলাই দিলে সেই কথাও চৰকাৰে জানে। কোনোবাই ৰাজনৈতিক উদ্দেশ্য পূৰণ কৰিবৰ বাবে এই পৰিণতি ঘটালেনেকি? নে ছাত্ৰসকলৰ উচ্ছৃঙ্খল আচৰণেই ইয়াৰ বাবে দায়ী? নতুবা দুৰ্নীতিৰ পৰা মনোযোগ আইন-শৃঙ্খলাৰ প্ৰশ্নটোৰ প্ৰতি আঁতৰাই নিবৰ বাবেই কোনো এটা মহলৰ পূৰ্ব পৰিকল্পিত আঁচনিৰ ফলতে এই পৰিণতি ঘটিল? সেই কথা প্ৰকাশ কৰিব পৰা সামৰ্থ্য চৰকাৰৰ নিশ্চয় আছে।

চৰকাৰৰ নিৰৱতাই পৰিস্থিতি অৱনতি ঘটোৱাৰ বেলিকা বৰঙণি যোগোৱা নাইনে? ডিব্ৰুগড়ৰ ঘটনাই আৰম্ভণি সূচালে। কিন্তু প্ৰকৃত তথ্য প্ৰকাশ কৰি এখন প্ৰেছ নোটও উলিওৱা নহ'ল, অথচ ডিব্ৰুগড়ৰ ঘটনা সম্পৰ্কে মানুহৰ মাজত সঁচাই-মিচাই নানা কথা প্ৰচাৰ হ'ল। সমদল যাত্ৰা কৰা ছাত্ৰক বিশেষ এটা মহলে আক্ৰমণ

কৰিবলৈ পূৰ্ব পৰিকল্পিত প্ৰচেষ্টা হাতত লোৱা বুলি আৰু সেই মহলৰ হাতে এজন ছাত্ৰ নিহত হোৱা বুলি মুখে মুখে প্ৰচাৰ হ'ব ধৰিলে। এনেবোৰ কথাই পৰিস্থিতি উত্তপ্ত কৰি তুলিলে আৰু ইঠাইৰ পিছত সিঠাইত অশান্তি বিয়পি পৰিল। ইয়াৰ বাটত বাধা দিবলৈ চৰকাৰে কি কৰিছে? আনহাতে মৃত্যু হোৱা বাতৰি খণ্ডন কৰি প্ৰেছ নোট দিয়াৰ বাহিৰে এনেবোৰ বিষয়ত চৰকাৰৰ একো দায়িত্ব নাই নেকি?

আমি সমুদায় ঘটনাৱলীৰ বিচাৰ হোৱাটো বিচাৰো। বিশেষকৈ গুলীবৰ্ষণ হৈ যোৱাৰ মূৰত তেনে প্ৰয়োজনীয়তা আৰু বাঢ়িছে। আইন শৃংখলাৰ প্ৰশ্নটো আগশাৰীলৈ আনি ৰাইজে আশু সমাধান বিচৰা সমস্যাবোৰ আঁৰ কৰি ৰখাটো বা কাৰোবাৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধি কৰাৰ বাবে অপচেষ্টা চলাটো আমি বিচৰা নাই। সেইদেখি আঁৰে-বেৰে চলা সকলো প্ৰক্ৰিয়াৰ বিষয়ে তদন্ত চলাই তাকে ৰাইজৰ আগত দাঙি ধৰিব লাগিব।

## আমাৰ মৰ্য্যাদা

আমাৰ চুবুৰীয়া কেতবোৰ এচীয় দেশৰ ক্ষেত্ৰত এতিয়া দেখা গৈছে যে সেইবোৰ দেশে একোটা নতুন মৰ্য্যাদা লাভ কৰিছে। সেইবোৰ দেশৰ ইচ্ছা-আকাংক্ষা উপেক্ষা কৰি কেতবোৰ কাৰ্য্যকলাপ চলাবলৈ বৃহৎ শক্তিৰ শাৰীত পৰা দেশেও সংকোচবোধ কৰে। কিন্তু ভাৰতৰ বেলিকা তাৰ ব্যতিক্ৰম ঘটাটো অতি পৰিতাপৰ কথা। সিংহল, ব্ৰহ্মদেশ আদিয়ে নিজৰ অভিপ্ৰেত ধৰণে অৰ্থনৈতিক নীতি ৰচনা কৰিছে আৰু সেইবোৰ নীতি কাৰ্যকৰী কৰিবৰ বেলিকা বৰমূৰীয়া বৈদেশীক শক্তিৰ আৰ্থিক স্বাৰ্থও ক্ষতিগ্ৰস্ত হৈছে। তথাপিও আমাৰ অৰ্থনৈতিক নীতি সম্পৰ্কে বৈদেশীক শক্তি কেতবোৰ যি মুকলি মূৰীয়াভাৱে মতামত প্ৰকাশ কৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছে— তেনে প্ৰচেষ্টাত সিংহল বা ব্ৰহ্মদেশৰ ক্ষেত্ৰত চলা নাই। নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাতিৰত ব্ৰহ্মদেশে বিদেশী মিচনেৰী সকলোকো সেই দেশৰ পৰা পঠাই দিয়াৰ ব্যৱস্থা হাতত ল'লে— কিন্তু সেই সম্পৰ্কত ব্ৰহ্মদেশৰ ওপৰত কোনো ধৰণৰ হেঁচা পৰা দেখা নগ'ল। অথচ ভাৰতৰ পৰা বহিষ্কাৰ কৰি দিয়া ৰেভাৰেণ্ড মাইকেল স্কটো বৃটেইনত ব্যাপকভাৱে ভাৰত বিৰোধী প্ৰচাৰ চলাই থাকিব পাৰিছে। ভাৰতৰ তৰফৰ পৰা বৃটেইনৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। কিন্তু আমাৰ আপত্তিলৈ বৃটেনে ভ্ৰূক্ষেপ কৰা দেখা নগ'ল। এনে এটা অপমান পৰিস্থিতিৰ মাজতো আমি অসহায়ৰ দৰে থাকিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক।

মাৰ্কিন যুক্তৰাজ্যৰ কেতবোৰ ভূমিকাৰ বিশেষ দেশজুৰি আলোচনা চলি আছে। সেই সম্পৰ্কত আমি চৰকাৰৰ পৰা অৱশ্যে দেধাৰ বাক্য পাই আছো। কিন্তু সেইবোৰ আমাৰ মনঃপূত হোৱা নাই। পশ্চিম জাৰ্মানীয়ে একে পথকে অৱলম্বন কৰা দেখা গৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ভাৰত-ছোভিয়েট যুটীয়া ঘোষণা-পত্ৰত জাৰ্মানী সম্পৰ্কে উল্লেখ কৰা এষাৰ কথাৰ বাবে পশ্চিম জাৰ্মানীয়ে কৈফিয়ৎ তলব কৰাৰ নিচিনা ধৃষ্টতাও দেখুৱালে। কংগ্ৰেছ সভাপতি শ্ৰীকামৰাজ পূব জাৰ্মানীলৈ যোৱাৰ বাবেও পশ্চিম জাৰ্মানীৰ কৰ্ত্তৃত্বসম্পন্ন মহলে উষ্মাৰ ভাব প্ৰকাশ কৰিছে। অথচ সেই পশ্চিম জাৰ্মানীয়েই ভাৰতৰ স্বাৰ্থলৈ ভ্ৰূক্ষেপ নকৰি পাকিস্থানক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰিলে। কানাডাৰ পৰা পোৱা বিমান পশ্চিম জাৰ্মানীয়ে তুৰস্কৰ যোগেদি পাকিস্থানক বেচিছে। এই সকলোবোৰ কাৰ্য্যই ভাৰতৰ মৰ্য্যাদাক স্বীকৃতি নিদিয়াটোকে বুজায়। যিসময়ত চীনৰ পৰা ভাৰতৰ সমুখত গুৰুতৰ সংকট উপস্থিত হোৱা বুলি সকলোৱে উপলব্ধি কৰিছে, সেই সময়তে পশ্চিম জাৰ্মানী আৰু ফ্ৰান্সে চীনক অস্ত্ৰ-শস্ত্ৰ বেচিছে আৰু চীনক সামৰিক উদ্যোগ স্থাপন কৰাৰ বাবে সহায় কৰিছে।

এই সকলো কথাই মাত্ৰ ইয়াকে আঙুলিয়াই দিছে যে আমি আমাৰ বৈদেশিক নীতিৰ নতুন মূল্যাঙ্কন কৰাটো প্ৰয়োজনীয় হৈছে। আজি আমি উপলব্ধি কৰিছো যে ইউৰোপ, আমেৰিকা, আফ্ৰিকা, এছিয়া— ক'তো আমি আমাৰ মৰ্য্যাদা প্ৰতিষ্ঠা কৰিব পৰা নাই। সেই কঠোৰ সত্য উপলব্ধি কৰিলেহে আমি আমাৰ বাবে ন্যায্য স্থান আদায় কৰি ল'ব পাৰিম।

শনিবাৰ, ১৩ আগষ্ট, ১৯৬৬ চন

# বিদ্ৰোহী নগা আৰু আলোচনা

বিদ্ৰোহী নগাৰ প্ৰতিনিধি দলৰ লগত প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ আৰু এলানি আলোচনা সমাপ্ত হ'ল। আলোচনাৰ সম্পৰ্কত খাটাং কথা এইটোৱেই— উভয় দলেই পিছত আকৌ আলোচনা কৰিবলৈ একমত হৈছে। অৰ্থাৎ আলোচনা পৰ্ব দীঘলীয়া হৈ গৈ আছে। অথচ আলোচনা সীমাহীনভাৱে চলাই থকাৰ ফলত নানান জটিলতা আৰু সমস্যা সৃষ্টি হোৱাৰ সম্ভাৱনা দেখিয়েই সকলোৱে বিচাৰিছিল যে আলোচনা যথাসম্ভৱ সোনকালে শেষ কৰিব লাগে। অভিযান বন্ধ কৰি আলোচনাৰ পথ সুগম কৰিবৰ বাবে ব্যৱস্থা লোৱাৰ পৰা বহুতবাৰ উভয় পক্ষ সন্মিলিত হ'ল— কিন্তু আলোচনাৰ গতি অতি নিৰাশজনকভাৱে মন্থৰ হ'ল আৰু ইপিনে সকলোৱে আশা কৰাতকৈ বিপৰীতমুখী ক্ৰিয়া-কলাপ কিছুমানহে ঘটা দেখা গ'ল। সেইবোৰ দেখি এইটোৱেই ধাৰণা হ'ল যে বিদ্ৰোহী দলে বৰ্তমান অৱস্থাটোক এটা সুযোগ হিচাপেহে গ্ৰহণ কৰিছে।

অৱশ্যে এইবাৰৰ আলোচনাৰ পৰিৱেশৰ মাজত এটা পাৰ্থক্য থকাটো আমি স্বীকাৰ কৰো। আগতে যিমানবাৰ বিদ্ৰোহী দলৰ লগত উচ্চতম মহলত আলোচনা হৈছিল, প্ৰায় প্ৰত্যেকবাৰৰ সময়তে নানান ধ্বংসাত্মক কাৰ্য্য সংঘটিত হৈছিল। ৰেলৰ বিস্ফোৰণকে ধৰি বিভিন্ন ঘটনাৰ সময় বিশ্লেষণ কৰি চালে তেনে সঙ্গতি থকা দেখা যায়। এইবোৰ ঘটনাই স্পষ্টভাৱে ইঙ্গিত দিছিল যে বিদ্ৰোহী দলে আলোচনাৰ ওপৰত হেঁচা দিয়াৰ উদ্দেশ্যেৰেই এনেবোৰ ঘটনাৰ আশ্ৰয় লৈছিল। কিন্তু এইবাৰৰ আলোচনাত তাৰ ব্যতিক্ৰম ঘটে। আপেক্ষিকভাৱে সুস্থ পৰিৱেশৰ মাজত আলোচনা চলে; আলোচনাৰ আগে আগে তেনে কোনো দুৰ্ভাগ্যজনক ঘটনা ঘটা নাছিল।

এইবাৰ শেষ হোৱা আলোচনাৰ বিষয়ে বিতংভাৱে একো জানিব পৰা নগ'ল। আনকি আন কেইবাৰৰ দৰে বিদ্ৰোহী নগাৰ মুখপাত্ৰসকলেও সাংবাদিকৰ আগত খোলোচাভাৱে (তেওঁলোকৰ দৃষ্টিকোণৰ পৰা) মন্তব্য কৰা নাই। চৰকাৰী মুখপাত্ৰৰ মতে 'চূড়ান্ত মীমাংসাৰ কাৰণে' ধৈৰ্য্য ধৰি চেষ্টা চলাই থকা আৰু শান্তি সুদৃঢ় কৰি তোলাত উভয় পক্ষ একমত। 'বুজাবুজি'ৰ ভাৱ গঢ়ি উঠিছে আৰু 'ভুল ধাৰণা আঁতৰিছে' বুলিও কোৱা হৈছে। কিন্তু বিদ্ৰোহী নগাৰ মুখপাত্ৰই সাংবাদিকৰ আগত কৰা সংক্ষিপ্ত মন্তব্যৰ পৰা বুজা গ'ল যে তেওঁলোক মূল স্থিতিৰ পৰা আঁতৰি অহা নাই। সেইখিনিতে পুৰণি সাঁথৰটো পুৰণি গঢ়তে থাকিল। কিন্তু প্ৰকাশিত বাতৰিৰ মাজত আন কেইযাৰমান কথাও আছে। 'উভয় পক্ষৰ' মৰ্য্যাদা ক্ষুণ্ণ নোহোৱা ধৰণৰ সম্পৰ্ক এটা' স্থাপন কৰাৰ সম্ভাৱনা সম্পৰ্কে বিচাৰ লোৱাৰ থল ওলাইছে হেনো। সেই কথাৰ আঁত ধৰিয়েই এতিয়া পৰ্য্যবেক্ষকে মন্তব্য কৰিছে যে বিশেষ কেতবোৰ অধিকাৰ বা মৰ্য্যাদা লৈ মূৰকত ভাৰতীয় ইউনিয়নৰ অধীনত থকা ব্যৱস্থা এটাকে বিদ্ৰোহী দলে মানি ল'বগৈ পাৰে।

এই বিষয়ে মতামত দিয়াটো বৰ আগতীয়া হ'ব। আলোচনাত অন্তৰায় সৃষ্টি কৰিব পৰা কোনো অৱস্থাৰ সৃষ্টি নোহোৱাটোকে আমি বিচাৰো। মাত্ৰ এটা কথা সততে মনত ৰাখিব লাগিব যাতে সেয়ে দুৰ্বলতাসূচক দৰ-দামত পৰিণত নহয়গৈ। দ্বিতীয়তে বৰ্তমানৰ যি পৰিৱেশ দেখা গৈছে, সেই পৰিৱেশ অব্যাহত ৰাখিবলৈ হ'লে উচ্চতম পৰ্য্যায়ৰ আলোচনাৰ মাজত— কোনো অন্তৰৱৰ্তী মহলতে— আন পক্ষক মধ্যস্থতা কৰাৰ সুৰুঙা দিব নেলাগে। বিশেষ কেতবোৰ মহলে মধ্যস্থতাৰ নাম লৈ বিহহে ঢালিছে বুলি সন্দেহ কৰাৰ কাৰণ আছে। তেনেবোৰ অন্তৰায় দূৰ কৰিব পাৰিলে আলোচনাই এটা স্পষ্ট বাট ল'ব পাৰিব আৰু এই আলোচনাও চমু হ'ব।

## শ্ৰীআও ক্ষমতাচ্যুত

নগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীশ্বিলু আও ক্ষমতাচ্যুত হৈছে। ক্ষমতাত অধিষ্ঠিত নেচনেলিষ্ট পাৰ্টীৰ ৪৬ জন সদস্যক লৈ গঠিত (এজনো বিৰোধী দলৰ সদস্য নোহোৱাকৈ) বিধানসভাত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰাৰ মূৰত এই অভিনৱ ঘটনা ঘটে। নিজৰ দলেই বিধানসভাত অনাস্থা প্ৰস্তাৱ দাঙি ধৰি মুখ্যমন্ত্ৰীক গাদীৰ পৰা আঁতৰোৱাটো ভাৰতৰ সংসদী গণতন্ত্ৰৰ জীৱনত নতুন কথা। অৱশ্যে এই পন্থা বৰ আচহুৱা যেন লাগিছে। বিধানসভাৰ মজিয়ালৈ সেই উদ্দেশ্যেৰে অহাৰ কি প্ৰয়োজন আছিল, সেইটোহে বুজা নগ'ল। নেচনেলিষ্ট পাৰ্টীৰেই নগালেণ্ড বিধানসভা গঠিত হ'লেও নেচনেলিষ্ট পাৰ্টী আৰু নগালেণ্ড বিধানসভা একে নহয়। সংখ্যাগৰিষ্ঠ ৰূপে পৰিগণিত হোৱা দলে নিজৰ দলীয় সভাত দলপতি নিৰ্বাচিত কৰে আৰু সেই দলপতিয়েই মুখ্যমন্ত্ৰী হয়। মুখ্যমন্ত্ৰীজনৰ ওপৰত আস্থা নেথাকিলে তেওঁৰ দলে দলীয় সভাতে সেই সমস্যাৰ নিষ্পত্তি কৰে। বিৰোধী দলৰ দৰে বিধানসভাৰ মজিয়াত তেওঁলোকে অনাস্থা প্ৰস্তাৱ দাঙি ধৰাৰ প্ৰয়োজন নাই।

এনে অৱস্থাত এই আচহুৱা পন্থা কিয় ল'বলগীয়া হ'ল, সেইটো বুজিবলৈ টান। সদনত অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সলাবলগীয়া অৱস্থা এটাৰ পৰা হাত সাৰিবৰ বাবে ৰাজ্যপালকে ধৰি এটা ভাগে চলোৱা প্ৰচেষ্টা ব্যৰ্থ হোৱাটোও মন কৰিবলগীয়া। অনাস্থা প্ৰস্তাৱটোও মুখ্যমন্ত্ৰীক কেন্দ্ৰ কৰিহে ৰচিত হয়। সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে নানান অভিযোগ তোলা হৈছে যদিও এটা কথা ক'বই লাগিব যে যি পৰ্য্যায়ৰ অভিযোগবোৰ তোলা হৈছে সেইবোৰৰ দায়িত্ব অকল মুখ্যমন্ত্ৰীৰ ওপৰতে পৰিব নোৱাৰে। যুটীয়া দায়িত্বৰ নীতিৰ ফালৰ পৰা সমুদায় মন্ত্ৰীসভা ইয়াৰ লগত জড়িত হ'ব।

এনেবোৰ কাৰণতে এই অপসাৰণৰ প্ৰসঙ্গটো পৰিষ্কাৰভাৱে বোধগম্য নহ'ল। যি নহওক বিদায়কালত শ্ৰীআওৱে যি আদৰ্শস্থানীয় মনোভাৱ প্ৰদৰ্শন কৰিলে, সেইটো আশাপ্ৰদ। সেয়ে যেন নগালেণ্ডক প্ৰেৰণা দিয়ে— সংসদী গণতন্ত্ৰক পূৰঠ কৰি তুলিবলৈ। নগালেণ্ডৰ সমস্যা বহুত— দায়িত্বও ডেধাৰ। নতুন নেতৃত্বই সেই দায়িত্ব সফলতাৰে বহন কৰক— তাকেই আমি কামনা কৰিছো।

বুধবাৰ, ১৭ আগষ্ট, ১৯৬৬ চন

# ৰাষ্ট্ৰপতিৰ আহ্বান

আজি অলপ দিনৰ পৰা ভাৰতৰ ৰাইজৰ বুকুৰ সঞ্চিত কথাবোৰ ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণনৰ বিভিন্ন বাণীৰ মাজত বাংময় হৈ উঠা আমি দেখিবলৈ পাইছো। স্বাধীনতা দিৱসৰ আগদিনা ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া অনাতাঁৰ ভাষণতো আমি সেই ধ্বনি শুনিলো। আমাৰ ভৱিষ্যতৰ ওপৰত বিশ্বাস ৰাখি আগবঢ়াৰ বাবে আহ্বান জনোৱাৰ লগতে ৰাষ্ট্ৰপতিয়ে আমাৰ সাম্প্ৰতিক গতিধাৰাতো ৰেখাপাত কৰিছে। সৎ, নিষ্ঠাবান আৰু সুদৃঢ় শাসনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিয়ে সাম্প্ৰতিক আইনহীনতাৰ পৰিৱেশৰ কথাও উল্লেখ কৰিছে। এই পৰিৱেশৰ উচ্ছেদ সাধন কৰাটো কিমান প্ৰয়োজনীয় সেই বিষয়ে ৰাষ্ট্ৰপতিয়ে কোৱা কথাৰ সৈতে সকলো একমত। আমাৰ গণতান্ত্ৰিক জীৱন ধাৰাৰ সমুখত সেয়ে এটা সংকট স্বৰূপ হৈ উঠিছে। দেশৰ এই ৰুগীয়া ৰূপ সোনকালে আঁতৰাব নোৱাৰিলে আমাৰ দেশে চৰম ক্ষতি স্বীকাৰ কৰিবলগীয়া হ'ব। কিন্তু এই ৰোগ দূৰ কৰা হ'ব কেনেকৈ? আইনহীনতাৰ এই পৰিৱেশে গঢ় লৈছে কিয়? দেশত চলি থকা অনীতি, দুৰ্নীতি আদিয়ে যিদৰে প্ৰসাৰ লাভ কৰিছে, তাৰ প্ৰতিকাৰ নাই। যিবা অলপ চেষ্টা কৰা হৈছে, সিয়ো নিচেই দুৰ্বল। ৰাইজে নিকাৰ ভূগিছে— কিন্তু নিস্তাৰ পোৱা নাই। ৰাইজৰ দাবী উপেক্ষিত হৈছে— সময়ত প্ৰৱঞ্চিত হৈছে। সেইবোৰ কথাই অসন্তুষ্টি পুঞ্জীভূত কৰি ৰাখিছে। সেই ক্ষোভে অবাটে গৈ প্ৰকাশৰ পথ বিচাৰিছে। কেতবোৰ ৰাজনৈতিক উদ্দেশ্যেৰেও পৰিচালিত কৰা হৈছে। কিন্তু অকল সেয়ে সকলোৰে মূল বুলি ভাবিলে ভুল কৰা হ'ব।

ৰাষ্ট্ৰপতিয়ে প্ৰশাসনক নিকা কৰিবৰ বাবে 'আমাৰ প্ৰতিনিধি'সকলৰ ভূমিকাৰ ওপৰতো গুৰুত্ব দিছে। এই প্ৰতিনিধিসকল নিঃস্বাৰ্থ হ'ব লাগিব আৰু ক্ষমতালোভী হ'ব নেলাগিব; দলা-দলিৰ পৰাও আঁতৰি থাকিব লাগিব। ৰাষ্ট্ৰপতিয়ে তেওঁলোকৰ প্ৰতি সেইটো পথৰে নিৰ্দেশ দিছে। কিন্তু আমি স্বীকাৰ কৰিব লাগিব যে আমাৰ দৈন্য সেইখিনিতে আৰু সাম্প্ৰতিক অসুস্থ অৱস্থাৰো মূল সেয়ে। সেই পংকিলতা দূৰ নহ'লে দেশৰ পৰা দুৰ্নীতি, অনাচাৰ আদি দূৰ নহয় আৰু শাসন সুদৃঢ় কৰি তোলাও টান। সেইদেখি ৰাষ্ট্ৰপতিৰ এই আহ্বান বিবেকৰ প্ৰতি আহ্বান বুলি ধৰিব লাগিব। আমাৰ নিকাৰ দূৰ কৰাৰ বাট এইপিনেই আছে— তাৰ বিকল্প একো হ'ব নোৱাৰে।

# পাকিস্থানলৈ সাহায্য

পাকিস্থানে সামৰিক আহিলা-পাতি যোগাৰ কৰা সম্পৰ্কত ভাৰতে মাৰ্কিন যুক্তৰাজ্যৰ ওচৰত আপত্তি দৰ্শোৱা বুলি সংসদত চৰকাৰীভাৱে ঘোষণা কৰা হ'ল। সেই চৰকাৰী ভাষ্য মতে মাৰ্কিন যুক্তৰাজ্যক চোকা সুৰত ভাৰতৰ আপত্তি সম্পৰ্কে জনোৱা হৈছিল। কিন্তু ৱাছিংটনৰ চৰকাৰী মহলে বিদ্ৰূপৰ সুৰতহে এই বিষয়ে মতামত প্ৰকাশ কৰা যেন লাগিল। ভাৰতৰ পৰা তেনে আপত্তি পোৱা বুলি সেইটো মহ'লে স্বীকাৰ কৰা নাই। কিন্তু লগতে এনে সুৰত কৈছে যে আপত্তি পায়েই থকা হয়— অকল ভাৰতৰ পৰাই নহয়, পাকিস্থানৰ পৰাও। মুঠতে ৱাছিংটনে কাশ্মীৰৰ পৰা আৰম্ভ কৰি ভাৰত-পাকিস্থান সম্পৰ্কীয় সকলো কথাতে আগতে যি ধৰণৰ মনোভাৱ লৈ আহিছিল, এতিয়াও তেনে মনোভাৱকে লৈ আছে। ভাৰতৰ আপত্তিলৈ গ্ৰাহ্য কৰাৰ চিন ইয়াৰ মাজত নাই। আনহাতে পশ্চিমীয়া কেতবোৰ মহলে হেনো পাকিস্থানৰ শেহতীয়া সমৰ-প্ৰস্তুতিৰ বাতৰি সত্য

নহয় বুলিহে ক'ব খোজে। সেইটো মহলৰ মতে ভাৰতে হৈ চৈ লগাইছে— হেঁচা দিয়াৰ বাবে।

ৱাছিংটনে পাৰস্পৰিক সন্দেহৰ শাৰীতহে বৰ্তমান প্ৰসঙ্গটো ৰাখিবলৈ বিচাৰিছে। মাৰ্কিন যুক্তৰাজ্যই অৱশ্যে নিজ স্বাৰ্থৰ কাৰণেই সত্যক আগতেও উপেক্ষা কৰিছিল। সেই কাৰণে পাকিস্থানক ছিয়াটোভুক্তৰাষ্ট্ৰ হিচাবে সাহায্য দি শক্তিশালী কৰি তোলা সম্পৰ্কত ভাৰতৰ আপত্তিলৈ আওকাণ কৰা হৈছিল আৰু মিছা আশ্বাস দিয়া হৈছিল যে সেই অস্ত্ৰ ভাৰতৰ বিৰুদ্ধে প্ৰয়োগ কৰিবলৈ দিয়া নহ'ব। কিন্তু সেই আশ্বাসৰ মূল্য নেথাকিল আৰু মাৰ্কিন যুক্তৰাজ্যই গোটেই কথাটোৰ পৰাই মূৰকত মূৰ পোলোকা দিলে।

এতিয়া ৱাছিংটনৰ পৰা কোৱা হৈছে যে ভাৰত আৰু পাকিস্থানক মাৰ্কিন সামৰিক সাহায্য পুনৰ দিয়াৰ কোনো পৰিকল্পনা নাই। কিন্তু পাকিস্থানে মাৰ্কিন সামৰিক সাহায্য পোৱা বুলি বাতৰি ওলাই আছে। পোনপটীয়াভাৱে এনে সাহায্য পোৱাৰ উপৰিও আওপকীয়াভাৱেও পাকিস্থানলৈ সাহায্য আহিছে। 'নেটো' আৰু 'ছিয়াটো' গোষ্ঠীৰ অন্তৰ্ভুক্ত দেশবোৰৰ পৰা পাকিস্থানে সামৰিক সামগ্ৰী গোটাইছে। এই সম্পৰ্কত সংশ্লিষ্ট দেশবোৰে ডালজোৰা দিয়া যুক্তিহে দেখুৱাইছে। মাৰ্কিন যুক্তৰাজ্য অৱশ্যে সেই বিষয়ত নিমাত। সেইদেখি বুজা গৈছে যে মাৰ্কিন যুক্তৰাজ্যৰ অভিপ্ৰেত ধৰণেই পাকিস্থানে সাম্প্ৰতিক প্ৰস্তুতি চলাইছে। এই বিষয়ত পাকিস্থানৰ কূটনীতিয়েও বিশেষ কাম দিছে। চীনা অস্ত্ৰ-শস্ত্ৰ যোগাৰ কৰি পাকিস্থানে মাৰ্কিন যুক্তৰাজ্যক শ'লঠেকত পেলাইছে। 'পেণ্টাগন'ৰ এতিয়া একমাত্ৰ ধ্যান— চীনা প্ৰভাৱ আৰু চীনা অস্ত্ৰৰ অনুপ্ৰৱেশৰ পৰা পাকিস্থানক নিলগীয়াকৈ ৰখা। তাৰবাবে পাকিস্থানৰ যিকোনো কাৰ্য্যতে ৱাছিংটনৰ মৌন উৎসাহ থাকিব। ভাৰতৰ আপত্তিলৈ গ্ৰাহ্য কৰাৰ জোখাৰে ৱাছিংটনৰ ধৈৰ্য্য নাই। কিন্তু আমাৰ আপত্তি যাতে উপেক্ষিত নহয়, তাৰবাবে আমাৰ কূটনীতিত শান দিব লাগিব। তাকে কৰিবলৈ হ'লে আমাৰ অধিক দৃঢ়তাৰ প্ৰয়োজন। এতিয়াৰ চানকা নীতিয়ে আমাৰেই ক্ষতি সাধন কৰিছে।

<u>বৃহস্পতিবাৰ, ১৮ আগষ্ট, ১৯৬৬ চন</u>

# আত্মবিশ্লেষণ কৰক

ঊনবিংশ স্বাধীনতা দিৱস উপলক্ষে ইতিহাসপ্ৰসিদ্ধ লালকিল্লাৰ পৰা দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে দেশবাসীক সমাজবাদ প্ৰতিষ্ঠাৰ বাবে আৱশ্যক হ'ব পৰা সকলো প্ৰকাৰৰ ত্যাগ স্বীকাৰ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কৈছে যে দেশৰ সমুখত 'দুৰ্জয়' সমস্যাৱলীয়ে দেখা দিছে। এই সমস্যাৰ সমাধানত দেশৰ সকলো শ্ৰেণীৰ জনতাই চৰকাৰৰ লগত সহযোগ কৰা আৱশ্যক। দেশৰ ওপৰত দাৰিদ্ৰ আৰু অনৈক্যৰ বিৰাট হেঁচা পৰিছে। এই হেঁচা দূৰ কৰি সমাজবাদৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আৰু আন নেতৃবৃন্দই দেখুৱাই যোৱা পথ অনুসৰণ কৰিব লাগিব।

প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ এই আহ্বান সঁচাকৈয়ে গুৰুত্বপূৰ্ণ। স্বাধীনতা লাভৰ ঊনৈশ বছৰৰ পাচত ভাৰতৰ যি শোকলগা অৱস্থা হৈছে, এনে অৱস্থা হয়তো বিদেশী শক্তিৰ অধীনত থকা কালতো হোৱা নাছিল। আজি দেশৰ উল্লেখযোগ্য অংশ এটাই অৰ্দ্ধহাৰে জীৱন কটাব লগা হৈছে, খাদ্যৰ কাৰণে দাবী জনাই সমদল উলিয়াব লগা হৈছে, 'খাদ্য লাগে' ধ্বনি তুলি টেটুফালি চিঞৰিব লগা হৈছে, উপযুক্ত বাসস্থান উলিয়াব নোৱাৰি,

আলিবাটৰ দাঁতিত, নগৰৰ উপকণ্ঠত বা নগৰৰ মাজতে আদিম মানৱৰ দৰে, গছ-পাত আৱৰ্জনাৰে মূৰ সুমুৱাবৰ কাৰণে একো ডোখৰ ঠাইৰ ব্যৱস্থা কৰিব লগা হৈছে। জীৱন ধাৰণৰ মূল বস্তু খাদ্য-বস্ত্ৰ-আশ্ৰয় (বাসস্থান)ৰ সমস্যাই ভাৰতত আজিলৈকে সমাধান হৈ নুঠিল। বিদেশী শাসকৰ লাঠী-বন্দুক-বেয়নেটৰ আগত যেতিয়া ভাৰতৰ হেজাৰ হেজাৰ অহিংসা ক্ৰান্তিকাৰীয়ে বুকু উদঙাই দিছিল, নিৰ্ব্বিবাদে কলিজাৰ ৰঙা তেজ অৰ্পণ কৰিছিল, সেইদিনা সেই বীৰ-বীৰঙ্গনা দলে তেওঁলোকৰ ত্যাগৰ, আত্মাহুতিৰ পৰিণতি এনে হ'ব বুলি ভাবিব পৰা নাছিল। মহাত্মা গান্ধীয়ে এই ভাৰত ভূমিত 'ৰাম-ৰাজ্য',— চিৰ সুখ-শান্তিৰ দেশ, ৰচনা কৰাৰ সপোন দেখিছিল; পণ্ডিত জৱাহৰলাল নেহৰুৱে সমাজবাদী ভাৰতক আকৌ এবাৰ পৃথিৱীৰ জাতিসমূহৰ মাজত শ্ৰেষ্ঠ আসনত প্ৰতিষ্ঠা কৰাৰ কল্পনা কৰিছিল। কিন্তু সেই সপোন, সেই কল্পনা ব্যৰ্থ হৈ গ'ল। তাৰ পৰিৱৰ্তে আজি প্ৰধানমন্ত্ৰীয়ে আকুল আহ্বান জনাব লগা হৈছে— দেশৰ সন্মুখত ভয়ানক সমস্যাই দেখা দিছে, দেশৰ ওপৰত গধূৰ বোজা পৰিছে; এই সমস্যা আৰু বোজা আঁতৰাবলৈ দেশবাসীয়ে সকলো প্ৰকাৰৰ ত্যাগ স্বীকাৰ কৰিব লাগিব।

ভাৰতৰ সৰ্বসাধাৰণ জনতাই ত্যাগ স্বীকাৰৰ আহ্বান এয়ে নতুনকৈ শুনা নাই। যোৱা ঊনৈশ বছৰে বিভিন্ন মঞ্চৰ পৰা তেওঁলোকে এই আহ্বান শুনিছে। কিন্তু এতিয়া? প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ সভাপতি শ্ৰীকামৰাজে সিদিনা মাদ্ৰাজত কোৱা কথাৰ উদ্ধৃতিয়েই যথেষ্ট। তেওঁ কৈছে, 'আমি আমাৰ অনাহাৰে থকা আৰু বাসস্থান নোহোৱা জনতাক কি ত্যাগ স্বীকাৰ কৰিবলৈ আহ্বান দিব পাৰোঁ? কিবা যদি ত্যাগ স্বীকাৰ কৰিব লগা হয় তেন্তে সুযোগ-সুবিধা ভোগ কৰি থকা দলেহে কৰিব লাগিব।' ভাৰতৰ দুৰ্ভাগ্য যে সুযোগ-সুবিধা পাই অহা শ্ৰেণীটোৱে আজিলৈকে এই আহ্বানৰ মূল্য উপলব্ধি নকৰিলে। সেই কাৰণেই আৱাদি কংগ্ৰেছৰ সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ প্ৰস্তাৱ দহ বছৰৰ পাছতো বাস্তৱত ৰূপায়িত নহ'ল। ভাৰতত সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰিবলৈ শান্তিপূৰ্ণ পন্থা গ্ৰহণ কৰা হৈছিল। দেশৰ অৰ্থনৈতিক ক্ষেত্ৰত তলত থকা লোকসকলক ওপৰলৈ তুলি নিয়া হ'ব আৰু ওপৰৰ চামটোক যুক্তিসঙ্গতভাৱে তললৈ নমাই আনি সমতা স্থাপন কৰা হ'ব— এয়ে আছিল লক্ষ্য। কিন্তু লক্ষ্যৰ বিপৰীতহে ঘটিল। অৰ্থনৈতিক ক্ষেত্ৰত পিচ পৰাসকল অধিক পিচ পৰিল আৰু আগবঢ়া দলটো আৰু আগবাঢ়িল। সুযোগ-সুবিধাত অধিষ্ঠিত দলটোৱে কৰ ফাঁকি দিয়া, চোৰাং ব্যৱসায় আদি বিভিন্ন দুৰ্নীতিৰ দ্বাৰা নিজৰ অৱস্থা ওপৰলৈ তুলিলে আৰু সাধাৰণ লোকে অন্ন-বস্ত্ৰৰ কাৰণে হাঁহাকাৰ কৰিবলগীয়া হ'ল। এয়া সমাজবাদী সমাজ নহয়। সেই কাৰণে আজি দেশৰ অনৈক্য বৃদ্ধি পাইছে, সুবিধাবাদী বা ভুল নেতৃত্বৰ দ্বাৰা পৰিচালিত জনতাই আন্দোলনত হিংসাৰ আশ্ৰয় লৈছে।

সেই কাৰণে এতিয়া ঘাই কথা হৈছে দেশক সমাজবাদৰ লক্ষ্যত উপনীত কৰাবলৈ ত্যাগ স্বীকাৰ কৰিব লগা শ্ৰেণীয়ে ত্যাগ কৰিব লাগিব। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত সকলোকে আত্মবিশ্লেষণ কৰিবলৈ আহ্বান জনাইছে। সুযোগ-সুবিধা থকা শ্ৰেণীটোৱেই আত্মবিশ্লেষণ কৰি চাব লগা হৈছে। এই আহ্বান তেওঁলোকৰ কাৰণে। এই শ্ৰেণীটোৱে যদি সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ আদৰ্শ গ্ৰহণ কৰে তেন্তে দেশৰ দাৰিদ্ৰ্য বেছিদিন নেথাকে, আন্দোলন-অশান্তি দূৰ কৰিবলৈকো অসুবিধা নহ'ব। কিন্তু তেওঁলোকে যদি প্ৰধানমন্ত্ৰীৰ আহ্বানত সঁহাৰি নিদিয়ে তেন্তে সমাজবাদ প্ৰতিষ্ঠা সহজ নহ'ব আৰু নেতৃবৃন্দই হেজাৰ আহ্বান দিলেও অনৈক্য, অশান্তিৰ অৱসান নঘটে।

# ৰপ্তানি বৃদ্ধিৰ প্ৰচেষ্টা

যোৱা জুন মাহত টকাৰ মূল্য হ্ৰাস কৰাৰ পাচৰ পৰা ৰপ্তানি বৃদ্ধিৰ প্ৰয়োজনীয়তা অধিক পৰিমাণে বৃদ্ধি পাইছে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত ভাৰতৰ বিৰাট ঘাটিত বাধা প্ৰদান কৰাই টকাৰ মূল্য হ্ৰাসৰো অন্যতম উদ্দেশ্য আছিল। টকাৰ মূল্য হ্ৰাসৰ ফলত বিদেশী গ্ৰাহকে ভাৰতীয় পণ্য আগতকৈ কিছু বেছিকৈ আগৰ দামতে পাব পাৰে। সেই কাৰণে সাধাৰণভাৱে চালে ৰপ্তানি বৃদ্ধি হোৱাই স্বাভাৱিক। কিন্তু, যোৱা দুটা মাহৰ সঠিক বিৱৰণ পোৱা নেযায় যদিও ৰপ্তানি আশানুৰূপভাৱে যে বৃদ্ধি পোৱা নাই তাৰ ইঙ্গিত পোৱা গৈছে। কিছুমান বস্তুৰ দাম একেবাৰে কমি গ'লেও তাৰ চাহিদা অতিপাত বৃদ্ধি পোৱাৰ সম্ভাৱনা নাই। সেই কাৰণে মুদ্ৰাৰ মূল্য হ্ৰাসৰ ফলত ভাৰতৰ ৰপ্তানি সামগ্ৰীসমূহৰ চাহিদা হঠাৎ বৃদ্ধি পাব বুলি আশা কৰাও সমীচীন নহয়।

যি হওক, ৰপ্তানি বৃদ্ধিৰ কাৰণে সামগ্ৰীৰ মূল্যৰ লগতে মানৰ প্ৰশ্নটোও গুৰুত্বপূৰ্ণ। দাম কম হ'লেও নিম্ন মানৰ সামগ্ৰীয়ে বজাৰ নেপায়। ভাৰতীয় পণ্যৰ ৰপ্তানি বৃদ্ধিৰ প্ৰচেষ্টা চলাওঁতে মানৰ উৎকৰ্ষ সাধনৰ প্ৰশ্নটো বিশেষভাৱে বিবেচনা কৰিব লগা হৈছে।

কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী শ্ৰীছাহে সংসদত উত্থাপন কৰা ব্যৱস্থাৱলীৰ দ্বাৰা ৰপ্তানিকাৰকসকলক বহুতো সুযোগ-সুবিধা দিয়াৰ প্ৰস্তাৱ দিছে। সেই ব্যৱস্থামতে নগদ সাহায্য, ঋণৰ সাহায্য, দেশীয় আৰু বিদেশী কেঁচামালৰ  যোগান আৰু যন্ত্ৰপাতি আমদানিত অগ্ৰাধিকাৰৰ সুযোগ দিব খোজা হৈছে। এতিয়া কথা হৈছে আমাৰ দেশৰ ৰপ্তানি উদ্যোগসমূহে এইবোৰ সুযোগ-সুবিধা আশা কৰা মতে ব্যৱহাৰ কৰিবলৈ প্ৰস্তুত হৈছেনে নাই। ৰপ্তানি বৃদ্ধিৰ নামত দেশৰ গ্ৰাহকসকল যাতে কঠিন অৱস্থাৰ সন্মুখীন হ'ব লগা নহয়, তাৰ প্ৰতি লক্ষ্য ৰখাও চৰকাৰৰ কৰ্তব্য হ'ব। ভাৰতৰ সামগ্ৰীয়ে দক্ষিণ-পূব এছিয়া আৰু আফ্ৰিকাত অন্ততঃ, বজাৰ পাব পাৰে কিন্তু তাৰবাবে উচ্চ মানৰ সামগ্ৰী অধিক পৰিমাণে উৎপাদন হ'ব লাগিব।

<u>বৃহস্পতিবাৰ, ২৫ আগষ্ট, ১৯৬৬ চন</u>

# পাকিস্থানৰ যুদ্ধ সজ্জা

টাছখণ্ড ঘোষণাক ঐতিহাসিক আখ্যা দিয়া হৈছিল এটা কাৰণত যে ইয়াৰ দ্বাৰা ভাৰত আৰু পাকিস্থান, চুবুৰীয়া ৰাষ্ট্ৰ দুখনে পৰস্পৰৰ মাজত থকা বিবাদ শান্তিপূৰ্ণভাৱে মীমাংসা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। এই ঘোষণাৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ গৈ ভাৰতে যথেষ্ট ত্যাগ স্বীকাৰ কৰিলে। পাকিস্থান অধিকৃত অঞ্চলৰ পৰা ভাৰতীয় জোৱানসকলক অপসাৰণ কৰা হ'ল। অশেষ কষ্ট স্বীকাৰ কৰি অধিকাৰ কৰা হাজীপীৰ আৰু গুৰুত্বপূৰ্ণ কাৰগিল চকী এৰি দিয়া হ'ল, অথচ এই দুখন অঞ্চল ভাৰতীয় ৰাজ্যক্ষেত্ৰৰে অন্তৰ্ভুক্ত। পাকিস্থানক অসামৰিক ক্ষেত্ৰতো যথেষ্ট সুবিধা দিয়া হ'ল— সংঘৰ্ষৰ সময়ত ভাৰতত জব্দ কৰা পাকিস্থানী জাহাজ আৰু সামগ্ৰী একপক্ষীয়ভাৱে এৰি দিবলৈ ভাৰতে সিদ্ধান্ত ল'লে। কিন্তু তাৰ বিনিময়ত পাকিস্থানে প্ৰয়োজনীয় সদ্ভাৱ প্ৰদৰ্শন কৰা দেখা নগ'ল। টাছখণ্ড ঘোষণা স্বাক্ষৰ কৰি অহাৰ পাচৰে পৰা প্ৰেছিডেণ্ট আয়ুব আৰু সেই সময়ৰ বৈদেশিক মন্ত্ৰী জুলফিকৰ আলি ভুট্টোৱে ভাৰত বিদ্বেষী মন্তব্য, বিবৃতি দিবলৈ আৰম্ভ কৰিলে। টাছখণ্ড ঘোষণাৰ বিধান অনুসাৰে পৰস্পৰৰ মাজত আলোচনাৰ বাবে মন্ত্ৰী পৰ্য্যায়ৰ যি প্ৰথম বৈঠক পতা হ'ল তাত পাকিস্থানৰ পক্ষৰ

পৰা কোনো সঁহাৰি পোৱা নগ'ল।

আৰু এতিয়া এই দেশখনে পূৰ্ণ পৰ্য্যায়ৰ সমৰ সজ্জাত প্ৰবৃত্ত হৈছে। চীনৰ পৰা সকলো প্ৰকাৰৰ সাহায্য পোৱাৰ উপৰিও পাকিস্থানে পৰোক্ষভাৱে মাৰ্কিন যুক্তৰাজ্যৰ পৰাও প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰিছে। 'চেণ্টোৰ অন্তৰ্ভুক্ত দেশ তুৰস্ক আৰু ইৰাণে পাকিস্থানক সামৰিক সামগ্ৰী যোগোৱাত কৃপণতা কৰা নাই। এইবিলাক সাহায্যৰ বলত পাকিস্থানে যি দ্ৰুততাৰে সমৰ প্ৰস্তুতি চলাইছে, সি ভাৰতৰ কাৰণে ভীতি প্ৰদৰ্শক বুলি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীচৱন আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধী উভয়ে মুকলিভাৱে প্ৰকাশ কৰিছে। শ্ৰীমতী গান্ধীয়ে সিদিনা ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ বৈঠকত বক্তৃতা দি কৈছে যে দেশৰ উত্তৰ, পূব আৰু পশ্চিম যিকোনো দিশৰ পৰা যিকোনো মুহূৰ্ত্তত আক্ৰমণৰ বিপদ আহিব পাৰে বুলি ধৰি লৈ পৰিকল্পনা প্ৰস্তুত কৰা আৱশ্যক হৈ পৰিছে; দেশবাসীয়ে সেই আশঙ্কাৰ কথা মনত ৰাখি উৎপাদন বৃদ্ধি আৰু শৃঙ্খলা ৰক্ষাৰ প্ৰতি সচেষ্ট হ'ব লগা হৈছে।

এই প্ৰসঙ্গত পাকিস্থানত অহা ৬ ছেপ্টেম্বৰত পালন কৰিবলৈ লোৱা 'বিজয় দিৱস'ৰ কথাও উল্লেখযোগ্য। সেই দিনটো পাকিস্থানী সশস্ত্ৰ বাহিনীয়ে সমগ্ৰ দেশত বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰিবলৈ লৈছে। বিজয় দিৱস উপলক্ষে পাকিস্থানী সশস্ত্ৰ বাহিনীয়ে পূৰ্ণ পয়োভৰে কুচকাৱাজ প্ৰদৰ্শন কৰিব। চাম্ব-জ'ৰিয়ান, খেমকৰণ আৰু ৰাজস্থানত পাকিস্থানী সৈন্যৰ অগ্ৰগতিৰ কথাছবি দেখুওৱা হ'ব। এনে এটা দিৱস পতাৰ অৰ্থ কি হ'ব পাৰে, তাক সহজে অনুমান কৰিব পাৰি। ভাৰতৰ বিৰুদ্ধে পাকিস্থানী সৈন্য বাহিনীৰ মাজত উত্তেজনা সৃষ্টিৰ বাহিৰে ইয়াৰ আন একো অৰ্থ থাকিব নোৱাৰে।

পাকিস্থানী সৈন্য বাহিনীৰ লোকৰ লগত অলপতে নৌছেৰা খণ্ডত ভাৰতীয় সীমান্ত ৰক্ষীৰ সংঘৰ্ষ হোৱা কথাও একেবাৰে উলাই কৰিব লগা নহয়। অনুপ্ৰৱেশ আৰু যুদ্ধ-বিৰতি চুক্তি ভঙ্গ কাৰ্য্যও সমানেই গুৰুত্বপূৰ্ণ। ইয়াৰ পৰা দেখা যায় যে পাকিস্থানে আকৌ এবাৰ ভাৰতৰ বিৰুদ্ধে অভিযান চলোৱাৰ আশা এৰি দিয়া নাই। এই বিভীষিকাৰ সন্মুখত ভাৰতৰ পক্ষৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি আশ্বাস দিয়া হৈছে। আৰু তেনে প্ৰতিৰক্ষা ব্যৱস্থা লোৱাই স্বাভাৱিক কাৰণ আকৌ এবাৰ 'আকস্মিকভাৱে' দেশখনক বিপদগ্ৰস্ত হ'বলৈ এৰি দিয়া উচিত নহ'ব।

কিন্তু এই বিষয়ত ভাৰত-পাকিস্থানৰ পশ্চিমীয়া 'বন্ধু'সকলে কি কৰিছে? তেওঁলোকে, ভাৰতত আণৱিক বোমাৰ পৰীক্ষা কৰিব খোজা হৈছে বুলি চলোৱা পাকিস্থানী প্ৰচাৰতে ভোল গৈ এই আক্ৰমণাত্মক আৰু শান্তি বিপন্নকাৰী কাৰ্য্যৰ প্ৰতি চকু মুদি থাকিবনে? ইয়াৰ উত্তৰ অন্ততঃ মাৰ্কিন যুক্তৰাজ্য আৰু বৃটেইনে দিয়া উচতি।

## কাশ্মীৰ নীতি

কাশ্মীৰৰ মুখ্যমন্ত্ৰী শ্ৰীজি-এম ছাদিকে অলপতে এটা সাক্ষাৎ প্ৰসঙ্গত অভিযোগ তুলিছে যে, 'যেতিয়াই কাশ্মীৰত এটা স্বাভাৱিক অৱস্থাৰ উদ্ভৱ হয়, তেতিয়াই কেন্দ্ৰই এনে কিছুমান কাম কৰি পেলায় যাৰ ফলত সেই স্বাভাৱিক গতিত বাধা পৰে।' এই সংশ্ৰৱত শ্ৰীছাদিকে জয়প্ৰকাশ-ছেখ আব্দুল্লা সাক্ষাতৰ বিষয়ে উল্লেখ কৰে। তেওঁ কৈছে যে ইয়াৰ ফলত জন্মু-কাশ্মীৰৰ আব্দুল্লা সমৰ্থক আৰু গণভোটকামী দলবিলাকে ভাবিবলৈ প্ৰয়াস পাইছে যে চৰকাৰে হয়তো ছেখ আব্দুল্লাৰ লগত এটা বুজাবুজিৰ মাজলৈ আহিব খুজিছে। সেই কাৰণে এই দুই দলৰ লোকসকলে আকৌ এটা প্ৰেৰণা লাভ কৰিছে। তেওঁ আৰু এটা অভিযোগ তুলিছে যে কাশ্মীৰৰ বিষয়ে কিবা প্ৰসঙ্গ উত্থাপিত হ'লে আগতে যিদৰে কাশ্মীৰ চৰকাৰৰ লগত আলোচনা কৰা হৈছিল, এতিয়া

তেনে ৰীতি পৰিহাৰ কৰা হৈছে।

শ্ৰীছাদিকে এনে অভিযোগ মুকলিভাৱে উত্থাপন কৰাৰ প্ৰয়োজন হ'ল কিয়— এই প্ৰশ্নটো নিশ্চয় সকলোৰে মনত উদ্ভৱ হৈছে। জম্মু-কাশ্মীৰ ৰাজ্যখনৰ বিশেষ পৰিস্থিতি, তাৰ জটিলতা সকলোৰে বিদিত। এই ৰাজ্যখনৰ আভ্যন্তৰীণ শান্তি-শৃঙ্খলা, স্বাভাৱিক অৱস্থা, জনসাধাৰণৰ সন্তুষ্টি বিশেষ উল্লেখযোগ্য কথা। স্থানীয় পৰিস্থিতি সম্পৰ্কে ৰাজ্যিক চৰকাৰেই আন সকলোতকৈ বেছি অৱগত সেই কাৰণে ৰাজ্যখনৰ সমস্যাৰ বিষয়ে সেই চৰকাৰৰ লগত সততে সংযোগ ৰক্ষা কৰা বাঞ্চনীয়। যদি ইয়াৰ ব্যতিক্ৰম হয়, ৰাজ্যিক চৰকাৰে কিবা ব্যৱস্থা ওপৰৰ পৰা জাপি দিয়া বুলি ভাবিবলৈ প্ৰয়াস পায়, তেন্তে তাৰ শুধৰণি হোৱা উচিত।

শ্ৰীছাদিকেৰ অভিযোগৰ উত্তৰ দি প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধী আৰু গৃহমন্ত্ৰী শ্ৰীনন্দই সংসদত জনাইছে যে চৰকাৰৰ কাশ্মীৰ নীতিৰ পৰিৱৰ্ত্তন ঘটা নাই, জয়প্ৰকাশ নাৰায়ণে ছেখ আব্দুল্লাক ব্যক্তিগতভাৱেহে সাক্ষাৎ কৰিছিল আৰু কাশ্মীৰ চৰকাৰৰ লগত প্ৰাসঙ্গিক বিষয়ৰ ক্ষেত্ৰত আলোচনা নকৰাকৈ থকা নাই।

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰীৰ অভিযোগ আৰু প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীৰ উত্তৰৰ পৰা দেখা যায় যে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজৰ সম্বন্ধত ক'ৰবাত কেৰোণ সোমাইছে। ইয়ে শুভ লক্ষণ নহয়, সেই কথা স্বীকাৰ কৰিব লাগিব। কাশ্মীৰৰ প্ৰশ্নত নতুনকৈ ভুল কৰাৰ সময় এতিয়া নাই। সীমান্তবৰ্ত্তী ৰাজ্যখনৰ কাৰণে সমগ্ৰ দেশে যথেষ্ট ক্ষতি স্বীকাৰ কৰিছে; এনে অৱস্থাত ভুল বুজাবুজিৰ কাৰণে সেই অঞ্চলৰ স্বাভাৱিক অৱস্থা বাধাপ্ৰাপ্ত হোৱা সমীচীন নহ'ব। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ উভয় পক্ষই এই বিষয়ে সচেতন হোৱা উচিত।

<u>শুকুৰবাৰ, ২৬ আগষ্ট, ১৯৬৬ চন</u>

# আকৌ বান

আকৌ প্ৰৱল বানে অসমক আগুৰি ধৰিলে। পুনৰ পুৰণি অৱস্থাৰে পুনৰাবৃত্তি হৈছে। অসমৰ লগত দেশৰ অৱশিষ্ট অংশৰ যোগাযোগ স্থাপন কৰা ৰেল-পথ সকলো বতৰৰ কাৰণে উপযোগী কৰি গঢ়ি তোলা বুলি লিংক-পথ উদ্বোধন কৰা দিনৰে পৰা গৌৰৱেৰে ঘোষণা কৰি অহাৰ মূৰতো বছৰি এই ৰেলপথৰ সংযোগ বিচ্ছিন্ন হৈছে। সিদিনা মাত্ৰ অসমৰ ৰেল সংযোগ বিচ্ছিন্ন হৈ থকাৰ মূৰত এতিয়া নতুনকৈ হোৱা বানপানীৰ লগে লগে বাতৰি ওলাইছে যে বছৰটোৰ ভিতৰত দ্বিতীয়বাৰৰ কাৰণে অসমৰ ৰেল-সংযোগ বিচ্ছিন্ন হৈ পৰাৰ আশংকা কৰা হৈছে।

সেয়া হ'ল— ৰেলপথৰ পৰিচিত কাহিনী। বান্ধ-মথাউৰিৰ কাহিনীও একেই। চৰকাৰী হিচাপ মতে আগৰ বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা মথাউৰি, বাট, স্কুল আদি মেৰামতি কৰিবৰ বাহে ৯ কোটি ৫৫ লাখ টকাৰ প্ৰয়োজন। ৰাজ্যিক বিত্ত বিভাগে তেনে কাম হাতত ল'বৰ বাবে ইতিমধ্যে ১ কোটি ১৬ লাখ টকা মঞ্জুৰ কৰে। তাৰ ভিতৰত ৪৫ লাখ টকা ধৰা হয় মথাউৰি মেৰামতি কৰাৰ কাৰণে। ৰাজ্যিক বান-নিয়ন্ত্ৰণ বিভাগীয় মন্ত্ৰী শ্ৰীমইনুল হক চৌধুৰীয়ে শ্বিলঙত কয় যে সম্প্ৰতি মথাউৰি মেৰামতি কৰা ক্ষেত্ৰত শালি খেতি ৰক্ষা কৰিব পৰা ব্যৱস্থা লোৱা বিষয়তহে জোৰা দিয়া হৈছে। কিন্তু ইতিমধ্যে নতুনকৈ হোৱা বানে সেই ধৰণৰ ব্যৱস্থাও পঙ্গু কৰি পেলোৱাৰ বাতৰি আহিলেই। বিভিন্ন ঠাইত মথাউৰি ছিগাৰ ফলত প্ৰৱলভাৱে বানপানী হৈছে। তাতোকৈ দুখৰ

কথা— সিদিনা মাত্ৰ লাখ লাখ টকা আৰু অত পৰিশ্ৰম খৰচ কৰি মেৰামতি কৰা মথাউৰিও নতুন বানৰ আগত তিষ্ঠিব নোৱাৰিলে। নলবাৰীৰ বাতৰি মতে প্ৰায় ৫ লাখ টকা খৰচ কৰি অলপতে মেৰামতি কৰা বৰখনা জান মথাউৰি পানীয়ে আকৌ ছিঙিলে। ৰঙিয়া চাৰ্কেলৰ মধুকুছি গাৱঁৰ ওচৰতো পুঠিমাৰীৰ মথাউৰি ছিগিল— অথচ সিদিনা মাত্ৰ মেৰামতি কৰা হৈছিল। যোৰহাটৰ পৰাও বাতৰি আহিছে যে মালৌ বান্ধৰ নতুনকৈ বন্ধা একাংশ খঙ্গিয়াৰ ওচৰত পানীৰ হেঁচাত উটি গৈছে। যোৱা ৪ জুলাইৰ বানৰ পিচত এক লাখ টকা খৰচ কৰি ৰিং বান্ধ দিয়াৰ মূৰত পৰিণতি হ'লগৈ এয়ে?

দীৰ্ঘম্যাদী আৰু অধিক স্থায়ী ধৰণৰ ব্যৱস্থা হোৱা শীত কালিহে লোৱা হ'ব। কিন্তু তৎকালীন ব্যৱস্থা হিচাপে ইতিমধ্যে সাম্প্ৰতিক খেতি ৰক্ষা কৰিব পৰাকৈ যিখিনি ব্যৱস্থা হাতত লোৱা হ'ল— তাৰ এনে নিৰাশজনক পৰিণতি দেখি আমি চিন্তাত পৰিছো। নতুন খেতিৰ মূৰতো যদি ৰাম টাঙোন পৰে তেন্তে ৰাইজৰ কি অৱস্থা হ'ব? এনেয়ে খাদ্য সমস্যা জটিল। গাওঁ অঞ্চলৰ অৱস্থা— বিশেষকৈ পূৰ্বৰ বানত পীড়িত হোৱা অঞ্চলবোৰৰ অৱস্থা অতি শোচনীয়। খাদ্য-শস্যৰ নাটনিৰ বাবে চৰকাৰেও বানপীড়িত ৰাইজৰ কাৰণে মজুত ভঁৰাল ৰাখিব পৰা নাই— এনে অৱস্থাত ৰাইজৰ অৱস্থা এতিয়া আৰু শোচনীয় হ'ব।

এতিয়া কথা হ'ল— বছৰি আমি এইটো দুৰ্দশাৰ চকৰীৰ মাজতে ঘূৰি থাকিব লাগিবনে? বানপানী ৰোধ কৰিবৰ বাবে এতিয়ালৈকে লোৱা ব্যৱস্থাই সম্পূৰ্ণ ব্যৰ্থতাৰ চিনাকি দিলে। টকা কিমান খৰচ হ'ল— সেইটো ঘাই কথা নহয়। ফল ধৰিলে নে নাই— সেইটোহে আচল কথা। আমাৰ নিশ্চিত ধাৰণা যে অ'ত ত'ত মথাউৰি বন্ধাৰ দৰে খুচুৰা কাৰবাৰৰ যোগেদি অসমৰ বানপানীৰ সমস্যা আংশিকভাৱেও সমাধান কৰিব পৰা নহ'ব। ৰাজ্য আৰু কেন্দ্ৰৰ বিশেষজ্ঞ মহলে যেতিয়ালৈকে অকপট চিত্তে এই নিভাঁজ সত্য স্বীকাৰ কৰি বাস্তৱ পথৰ সন্ধান নলয়, তেতিয়ালৈকে আমি এই নিকাৰ ভোগি থাকিব লাগিব। নতুন দিল্লীত উচ্চতম মহলত অসমৰ বানপানীৰ সমস্যা সম্পৰ্কে হৈ যোৱা আলোচনা সম্পৰ্কে সম্প্ৰতি সংশ্লিষ্ট ৰাজ্যিক মন্ত্ৰীৰ যোগেদি এটি আভাস পোৱা হৈছে। পিচে আলোচনাৰ গতি-গোত্ৰ দেখি বুজা গ'ল যে সম্পূৰ্ণভাৱে স্থিতাৱস্থাৰ ভিত্তিতহে আলোচনা চলে। সাহায্য কেনে ধৰণে দিব, কিমানখিনি ধন সাহায্য স্বৰূপে দিব— সেইবোৰহে আলোচনাৰ ঘাই বিষয়। মূৰকত যেনিবা কেন্দ্ৰৰ পৰা আশ্বাস পোৱা হ'ল যে সাহায্য দিয়াত বিশেষভাৱে বিবেচনা কৰা হ'ব। কিন্তু বৰ্তমানৰ পালমৰা বান-নিয়ন্ত্ৰণ ব্যৱস্থাৰ ঠাইত পূৰ্ণঙ্গ আৰু ব্যয়-বহুল আঁচনি হাতত লোৱাৰ কাৰণে সোনকালে ব্যৱস্থা কৰাৰ আশ্বাস ইয়াৰ মাজত নাই। অথচ আমাক লাগে— সেইটো আশ্বাসহে।

## গুৱাহাটী বিশ্ববিদ্যালয় লীলা

জালুকবাৰী অসমৰ জীৱন-প্ৰবাহৰ পৰা আঁতৰি থকা আন্দামান নহয়। তথাপি গুৱাহাটী বিশ্ববিদ্যালয়ে নিজক ত্ৰিশংকুৰ দৰে অসমৰ জীৱন-প্ৰবাহৰ পৰা বিচ্ছিন্ন অৱস্থাত কেনেকৈ ৰাখিব পাৰিছে— সেইটো ভাবিলে আচৰিত যেন লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম কাহিনীৰ এটা বৈচিত্ৰ্য আছিল। অসমৰ জুপুৰীৰ পৰা প্ৰাসাদলৈকে— সকলোৰে পৰা ধন গোটাই এই বিশ্ববিদ্যালয় পতা হৈছিল। সেইদেখি এই বিশ্ববিদ্যালয়ৰ এটা সুকীয়া উম আছিল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ে নিজক বিচ্ছিন্ন কৰি নি ক'ৰবাৰ কোনোবা হোৱাৰ দৰেহে থাকিবলৈ ল'লে দেখোন!

গুৱাহাটী বিশ্ববিদ্যালয় বয়সত চালুকীয়া— কিন্তু বুৰঞ্জী ৰচনা কৰাত পুৰঠ। ইতিমধ্যে নানান খেলিমেলি, বিসঙ্গতি আদিৰ বুৰঞ্জী হৈ এইখন বিশ্ববিদ্যালয় পৰিপুষ্ট হৈ আছে। এতিয়া আৰু এটা ঘটনাই সেই তালিকাৰ সৌষ্ঠৱ বঢ়াব খুজিছে। পৰহি হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ ছাপ্লিমেণ্টৰী পৰীক্ষাৰ ফল প্ৰকাশ পালে। মুঠ ৪৫২৫ জন প্ৰাৰ্থীৰ ভিতৰত ২৯৬৩ জন কৃতকাৰ্য্য হ'ল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ে হেনো সেই কৃতকাৰ্য্য হোৱা ছাত্ৰ-ছাত্ৰীসকলক প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত ভৰ্তি নকৰিবলৈ নিৰ্দেশ দিছে। যদি সেয়ে হয়, তেন্তে ৰং চাবৰ বাবেই এই পৰীক্ষা লোৱাৰ আগতে তেনে ইঙ্গিত নিদিয়াকৈ আছিল নেকি? এইবোৰ বিষয়ত বিশ্ববিদ্যালয় আৰু মাধ্যমিক শিক্ষা বৰ্ডৰ মাজত একো সমন্বয় থাকিব নেলাগে নেকি? যদি ভৰ্তি হ'বই নোৱাৰে তেন্তে এইসকল প্ৰাৰ্থীয়ে পৰীক্ষা দি এনেয়ে হাৰাশাস্তি হ'ল কিয়? বিশ্ববিদ্যালয়ে নিজস্ব সৌধৰ ওপৰত উঠিও এইবোৰ প্ৰশ্নৰ বিচাৰ লওক। পৰীক্ষাৰ্থীসকল মাত্ৰ কচাইখানাৰ পাঠা বুলি আন কোনোবাই ভাবিলেও ৰাইজে সেই বুলি নেভাৱে।

শনিবাৰ, ২৭ আগষ্ট, ১৯৬৬ চন

# চাকৰিৰ খতিয়ান

আঞ্চলিক বৈষম্য দূৰ কৰাৰ ধ্বনি, উদ্যোগকৰণ আদিয়ে অসমৰ উন্নতি সধাৰ লগতে থলুৱা ৰাইজকো ভাত-কাপোৰৰ সুবিধা উলিয়াই দিব বুলি সকলোৱে ভাবিছিল। কিন্তু এটা নতুন ধৰণৰ শোষণ-ব্যৱস্থাৰ পট্টন হোৱাৰ ফলত থলুৱা ৰাইজৰ সৰহভাগেই চাকৰি আদিৰ পৰা বঞ্চিত হৈ আহিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে একো প্ৰতিকাৰ কৰিব নোৱাৰাটো অতিশয় দুখৰ কথা। বেচৰকাৰী উদ্যোগ, চৰকাৰী উদ্যোগ, বিভিন্ন অফিচ, ঠিকা, কাৰবাৰ— ইত্যাদি সকলোতে থলুৱা লোক বিমুখ হ'বলগীয়া হৈছে।

সম্প্ৰতি নিয়োগ বিনিময় কেন্দ্ৰৰ কাৰ্য্যকলাপ সম্পৰ্কীয় হিচাপ এটাৰ মাজতো আমি ৰাজ্যৰ দূৰৱস্থা প্ৰতিফলিত হোৱা দেখা পাইছো। তালিকাভূক্ত হৈ থকা চাকৰি-প্ৰাৰ্থীৰ সংখ্যা ১৯৬১ চনতকৈ ১৯৬৫ চনত বহুত বাঢ়িছে। চাকৰি বিচাৰি নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্তি কৰা শিক্ষিত নিবনুৱাৰ সংখ্যা তৃতীয় পৰিকল্পনাৰ কালছোৱাত অধিক ক্ষিপ্ৰগতিৰে বৃদ্ধি পায়; ১৯৬১-৬৫ চনত এই বৃদ্ধিৰ পৰিমাণ শতকৰা ৭১ ভাগ। এইটো হিচাপে সাম্প্ৰতিক অৱস্থাৰ স্পষ্ট পৰিচয় দিব পাৰিছে। অৱশ্যে হিচাপটোৰ মতে ৰাজ্যত চৰকাৰী খণ্ডত নিয়োগ মতে ৰাজ্যত চৰকাৰী খণ্ডত নিয়োগ কৰা লোকৰ সংখ্যা বৃদ্ধি পাইছে। ১৯৬১ চনৰ মাৰ্চ মাহৰ সংখ্যা আছিল ১,৭০,১৬৯ জন; ১৯৬৫ চনৰ মাৰ্চ মাহৰ হিচাপ মতে ২,২৬, ১০৪ জনে চৰকাৰী খণ্ডত চাকৰি পায়— অৰ্থাৎ প্ৰায় ৫৬ হেজাৰ লোকৰ বাবে বেছিকৈ কৰ্ম-সংস্থানৰ দিহা হয়। কিন্তু এই হৰিলুট কোনে দিলে? থলুৱা চাকৰি-প্ৰাৰ্থীয়ে জানো? পৰ্য্যালোচনাত কোৱা মতে ১৯৬১ চনতকৈ ১৯৬৫ চনত বেচৰকাৰী খণ্ডত বিনিয়োগ হ্ৰাস পাইছে— ৫,৫৫৯০৭ জনৰ পৰা ৫,৪৬,২৯৫ জনলৈ নামিছে। তাৰো শতকৰা কিমানভাগ থলুৱা লোক— সেইটো ভাবিবলগীয়া কথা বুলিয়েই আমাৰ ধাৰণা। চাহবাগিছাত বিনিয়োগ ক্ৰমে কমি যোৱা বুলিও ইয়াত স্বীকাৰ কৰিছে। অৱশ্যে পৰ্য্যালোচনাত কোৱা হৈছে যে বেচৰকাৰী খণ্ডত অধিক বিনিয়োগৰ থল উলিওৱাটো প্ৰয়োজনীয়।

গাৱঁৰ নিবনুৱা সমস্যাৰ ৰূপটোও এই পৰ্য্যালোচনা যোগে প্ৰকাশ পাইছে। ১৯৬৩ চনৰ হিচাপ এটা

দাঙি ধৰি কোৱা হৈছে যে নিয়োগ বিনিময় কেন্দ্ৰযোগে চাকৰি বিচাৰি গাওঁ অঞ্চলৰ প্ৰাৰ্থীৰ সংখ্যা সেই বছৰত আছিল ২৮,৪৯২ জন। এতিয়া নিশ্চয় বহুত বাঢ়িছে। আনহাতে অকল সংখ্যাই এই ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰা নাই। গাৱঁৰ পৰা চাকৰি বিচৰাসকলৰ ভিতৰত সৰহভাগেই প্ৰৱেশিকা পাচ, প্ৰৱেশিকা পাচ নকৰা আৰু অৰ্হতাবিহীন প্ৰাৰ্থী। সেয়ে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ কৰি থৈছে। এই বিপুল সংখ্যক লোকক কেন্দ্ৰ কৰি গাওঁ অঞ্চলত যি নতুন সমস্যাৰ উদ্ভৱ হৈছে, তাক দূৰ কৰিবলৈ হ'লে এই চাম লোকক অৰ্হতা অৰ্জনৰ বাবে বিকল্প সুবিধা দিব লাগিব। কিন্তু এই সমস্যাটোৰ সম্পৰ্কত ৰাজ্য চৰকাৰে সমূলি একোকে চিন্তা কৰা নাই। কিন্তু তাকে নকৰাৰ ফলত জটিলতাহে বঢ়াই লোৱা হৈছে। নিযোগ বিনিময় কেন্দ্ৰৰ পৰ্য্যালোচনা মতে চাকৰি বিচৰাসকলৰ ভিতৰত শতকৰা ৭৮ ভাগৰো সৰহ সংখ্যকৰে বয়স ২৫ বছৰৰ তল। সেই বয়সত চকুলৈ ঘন তমসা নামিলে সমাজত কি দুৰ্যোগ ঘটে, সেই কথাও চৰকাৰে নিশ্চয় জানে।

## দৰমহাৰ স্থিতাৱস্থা

দৰমহা বৃদ্ধি হোৱাটো বন্ধ কৰা প্ৰশ্ন সম্পৰ্কে ৰাজ্যসভাত কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীশচীন চৌধুৰীয়ে কয় যে দৰমহা বৃদ্ধি হোৱাটো বন্ধ কৰাৰ ব্যৱস্থা লোৱাটো অসম্ভৱ। মূল্য বঢ়াটো ৰোধ কৰিব নোৱাৰালৈকে চৰকাৰে সেই ব্যৱস্থা ল'ব নোৱাৰে। চৰকাৰে মূল্য বৃদ্ধি হোৱাটো ৰোধ কৰাতহে মনোনিৱেশ কৰিছে বুলি তেওঁ কয়। স্পষ্টভাৱে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে এই কথা কোৱাৰ মূৰত সম্ভৱতঃ দৰমহা বৃদ্ধি হোৱা বন্ধ কৰা প্ৰসঙ্গটো তোলাৰ আৰু অৱকাশ নেথাকিব। বৃটেইনে দৰমহা বৃদ্ধি হোৱাটো বন্ধ কৰাৰ বাবে ব্যৱস্থা লোৱাৰ মূৰতে আমাৰ দেশতো সেই ধ্বনি উঠিবলৈ ধৰে। পিছে বৃটেইনে অকল দৰমহা বঢ়াটোকে বন্ধ ৰখা নাই; মূল্যবৃদ্ধি আদি বন্ধ ৰখাৰ বাবেও ব্যৱস্থা লৈছে। ছ'মাহৰ কাৰণে লোৱা জৰুৰী কাৰ্য্যব্যৱস্থাৰ মাজত যথেষ্ট দৃঢ়তা পৰিলক্ষিত হৈছে।

কিন্তু আমাৰ চৰকাৰ জানো সিমানখিনি দৃঢ়তাৰ বাবে প্ৰস্তুত আছে? দৰমহা বৃদ্ধি হোৱাটো বন্ধ ৰখাৰ কথা তুলি খেলি-মেলি লগোৱাৰ প্ৰয়াস কৰা বুলিহে সন্দেহ জন্মে। ৰেলৱে মন্ত্ৰী শ্ৰীএছ. কে পাটিলে দৰমহা বৃদ্ধি হোৱাটো বন্ধ কৰাৰ সপক্ষে মন্তব্য কৰিলে। অথচ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌধুৰী, শ্ৰীজগজীৱনৰাম আৰু শ্ৰীনন্দই সুকীয়া মত প্ৰকাশ কৰিলে। ইপিনে মাজতে কংগ্ৰেছ সংসদী দলৰ বৈঠকত এই প্ৰসঙ্গটো উঠোতে কিছুমান পৰামৰ্শ আগবঢ়ালে যে অকল দৰমহাই নহয়, বয়-বস্তুৰ মূল্য, কোম্পানীৰ 'ডিভিডেণ্ড' আদি বঢ়াটোও বন্ধ কৰিব লাগে। লগে লগে সকলো কোঁচ খাই পৰিল। কিয়নো সিমানখিনি দৃঢ়তাৰ বাবে চৰকাৰ প্ৰস্তুত নহয়। এনেস্থলত দৰমহা বঢ়াটো বন্ধ কৰাৰ কথা তুলি আলোচনা কৰি অবাবত শক্তি ক্ষয় কৰাৰ কোনো প্ৰশ্ন নুঠে। অকল দৰমহা বঢ়াৰ ফলত আমাৰ অৰ্থনীতিত বেমাৰে ধৰা নাই। বয়-বস্তুৰ দাম বঢ়াৰ মূৰতহে দৰমহা বঢ়োৱাৰ দাবী উঠে। সেইদেখি বয়-বস্তুৰ দাম বঢ়াটো ৰোধ কৰাটোহে ঘাই কথা। দৰমহা বঢ়াটো বন্ধ কৰিয়েই মুদ্ৰাস্ফীতিৰ বিৰুদ্ধে যুঁজিব নোৱাৰি। ইতিমধ্যে দৰমহা আৰু বয়-বস্তুৰ মূল্যৰ মাজত বিৰাট পাৰ্থক্য ঘটিছে। এনে অৱস্থাত মূল কথাটোৰ পৰা ফালৰি কাটি চালে-বেৰে কোবাবলৈ চেষ্টা কৰাটো মাত্ৰ আন্তৰিকতাহীনতাৰহে পৰিচায়ক। মূল্যৰ উৰ্দ্ধমুখী গতি ৰোধ কৰিবৰ বাবে চৰকাৰে বিবিধ ব্যৱস্থা লোৱা বুলি দাবী তুলিছে। কিন্তু বজাৰত তাৰ প্ৰভাৱ পৰিলক্ষিত হোৱা নাই। আনহাতে মূল্য নিয়ন্ত্ৰণৰ আদেশ জাৰি হৈয়েই আছে— কিন্তু তাৰ কাৰ্য্যকাৰিতা দেখিবলৈ পোৱা নাই।

সোমবাৰ, ২৯ আগষ্ট, ১৯৬৬ চন

# পাৰ্বত্য অঞ্চলৰ বাবে শেহতীয়া প্ৰস্তাৱ

অসমৰ পাৰ্বত্য অঞ্চলৰ ভৱিষ্যৎ সম্বন্ধে বিবেচনা কৰিবলৈ গঠিত কেন্দ্ৰীয় মন্ত্ৰীসভা ছাব-কমিটিয়ে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধি দললৈ যি প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি গভীৰ উৎকণ্ঠাৰে আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। এই প্ৰস্তাৱ সংশ্লিষ্ট পক্ষই গ্ৰহণ কৰে নে নকৰে আমি নাজানো। কিন্তু গৃহীত হ'লে আৰু ইয়াক কাৰ্য্যকৰী কৰিলে গোটেই সমস্যাটোৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰৰ মনোভাৱৰ এখন সম্যক ছবি পৰিস্ফুট হৈ উঠিব আৰু আমাৰো অধিকতৰ সতৰ্কতাৰ প্ৰয়োজন হ'ব।

আমি দেখাত ছাব-কমিটীয়ে পাৰ্বত্য নেতা সন্মিলনৰ দাবীকে মূলতঃ স্বীকাৰ কৰি লৈছে। এই শেহতীয়া প্ৰস্তাৱ মতে অসমৰ পাৰ্বত্য অঞ্চলক লৈ এখন 'ছাব ষ্টেট' বা শাখা ৰাজ্য স্থাপন কৰিব খোজা হৈছে; ইয়াত সুকীয়া মন্ত্ৰী পৰিষদ, সুকীয়া মুখ্যমন্ত্ৰী আৰু সুকীয়া বিধান মণ্ডল থাকিব। ইয়াতকৈ বেছি কথা এতিয়াও ওলোৱা নাই— ছাব-কমিটীয়েও বিস্তাৰিত বিৰৰণ নিদি প্ৰতিক্ৰিয়ালৈহে লক্ষ্য ৰাখিছে। অসমবিধান সভাৰ লগত 'কিছুমান উমৈহতীয়া বিষয়ৰ' দায়িত্ব এই শাখা ৰাজ্যৰ থাকিব বুলি কোৱা হৈছে— সেইবোৰ কি এতিয়াও অজ্ঞাত। এই ব্যৱস্থা যে নেহৰু আঁচনি আৰু পাটস্কৰ আয়োগৰ পৰামৰ্শতকৈ বহুখিনি আগবঢ়া সেইটো বুজিবলৈ টান নহয়। এইটোও বুজিবলৈ টান নহয় যে তোষণ নীতিৰ বশবৰ্তী হৈয়েই ছাব-কমিটিয়ে এনে প্ৰস্তাৱ আগবঢ়াইছে। ইয়াৰ ফলত যে ভাঙনমুখী শক্তিবিলাকক অধিকতৰ সুবিধা দিয়াহে হ'ল সেইটো নক'লেও হ'ব। মুখ্যমন্ত্ৰী শ্ৰীচলিহাই কেইদিনমানৰ আগতে এনেকুৱা ভাঙনমুখিতাৰ আশঙ্কাৰ কথা উল্লেখ কৰিছিলেই। কিন্তু মুখেৰে সংহতিৰ গীত গাই অহা কেন্দ্ৰীয় নেতৃবৰ্গই পৃথকীকৰণৰ মনোভাৱক আগৰে পৰা তুষ্ট কৰিবলৈ লৈ ক্ৰমাৎ বৰ বেয়াকৈ আপোন জালত বান্ধ খাই এতিয়া ওলাব নোৱাৰা হৈছে। নগাপাহাৰৰ সমস্যা সমাধান কৰাৰ নামত নগালেণ্ড সৃষ্টি কৰি এতিয়াও কেন্দ্ৰই পাৰ পাব পৰা নাই। নগালেণ্ড ৰাজ্যৰ লগত অসমৰ কোনো বিৰোধিতাৰ ভাব নাই। কিন্তু এই ৰাজ্য গঠন কৰিবৰ সময়ত কেন্দ্ৰই অসমৰ মত লোৱাৰ কথা বিবেচনা নকৰিলে। পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে (তেওঁ উক্ত ছাব-কমিটীৰ সভাপতি) অসমৰ মনোভাৱ উলাই কৰিও নিজৰ মতেৰে চলিব বুলি ইংগিত দি থৈছে। নগালেণ্ডৰ ক্ষেত্ৰত হোৱাৰ দৰে এতিয়াও অসম চৰকাৰ বা অসমৰ ৰাইজৰ মতামতলৈ তেওঁৰ ছাব-কমিটীয়ে আওকাণ কৰিছে। অসম চৰকাৰ বা প্ৰদেশ কংগ্ৰেছে অসমৰ অধিকতৰ খণ্ডিতকৰণৰ বিৰোধিতা কৰিছে।

অসম চৰকাৰ বা কংগ্ৰেছ কিয়, সংশ্লিষ্ট সকলো পক্ষৰ ভিতৰত ছাব-কমিটীয়ে কেৱল পাৰ্বত্য নেতা সন্মিলনকে গুৰুত্ব দিছে। পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী মুঠেই সৰ্বসন্মত নহয়। খাছী-জয়ন্তীয়া জিলা কংগ্ৰেছে ছাব-কমিটীৰ ওচৰত জিলা-ৰাজ্য এখন দাবী কৰিছে; গাৰোপাহাৰ আৰু মিকিৰ পাহাৰ জিলাৰ এটা প্ৰতিনিধি দলে পাটস্কৰ আয়োগৰ পৰামৰ্শকে সামান্য সাল-সলনি কৰি অসমৰ ভিতৰতে থকাকৈ সমস্যাটোৰ সমাধান বিচাৰিছে। কিন্তু কেন্দ্ৰীয় নেতৃবৃন্দ বা ছাব-কমিটীয়ে কেৱল পাৰ্বত্য নেতা সন্মিলনৰ পৃথক ৰাজ্য দাবীৰ পৰিপ্ৰেক্ষিততে বিবেচনা কৰি শাখা ৰাজ্য গঠনৰ প্ৰস্তাৱ আগবঢ়াইছে। নামত শাখা ৰাজ্য হ'লেও কামত যে ই পূৰ্ণাঙ্গ ৰাজ্যই হ'ব তাত কোনো সন্দেহ নাই। পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধি দলৰ মনত খেলি-মেলি

লাগিছে বুলি তেওঁলোকে ক'লেও এইবাৰৰ আলোচনাত তেওঁলোক বিশেষ সন্তুষ্ট হোৱা দেখা গৈছে। তেওঁলোকে প্ৰকাশ্যে কৈছে যে পৃথক ৰাজ্য গঠনৰ দাবীৰ বিৰুদ্ধে আৰু প্ৰত্যক্ষ প্ৰতিৰোধ দিল্লীত নাই। তেওঁলোকক তুষ্ট কৰাৰ এই নীতিয়ে কেন্দ্ৰৰ হাতলৈ আৰু কি কি সমস্যাৰ ভাৰ বৈ আনে তালৈ আমি চাই থাকিলো।

শেহতীয়া প্ৰস্তাৱ যদি কাৰ্য্যকৰী কৰা হয় তেন্তে তাৰ কুপৰিণাম যে অসমৰ বাকী অংশই ভুগিব লাগিব সেইটোও আমি মনত ৰখা উচিত। নগালেণ্ড সৃষ্টি কৰাৰ মূৰত অসমৰ ৰাইজেই নানান ধৰণৰ অশান্তি-আহুকাল ভোগ কৰি থাকিব লগা হৈছে। পাৰ্বত্য অঞ্চল আঁতৰি গ'লে কাছাৰ জিলাখন শাৰীৰিকভাৱে অসমৰ বাকী অংশৰ পৰা বিচ্ছিন্ন হৈ পৰিব। তাৰ পৰা যে কাছাৰবাসীৰ কি কি অসুবিধা হ'ব সেইটো এতিয়াই অনুমান কৰি ল'ব পাৰি। আটাইতকৈ ডাঙৰ কথা হ'ব— বিচ্ছিন্ন হৈ যাব খোজা মনোভাৱক ইয়াৰ পিছত আৰু চৰকাৰে সহজে বাধা দিব নোৱাৰিব— সি অসমতেই হওক বা ভাৰতৰ আন ঠাইতে হওক।

## ছুটী

আমি যিসকল এসময়ত ছাত্ৰ আছিলো, সেইসকলৰ মনত আছে যে হাফ্ ছুটী দিয়া বা ক্লাছ কেন্সেল কৰাৰ বাবে আমি আমাৰ বিদ্যালয়ৰ কৰ্ত্তৃপক্ষক জোৰ দি ধৰিছিলো। ডাঙৰ হৈ উঠাৰ পিছত অৱশ্যে সেইটোক আমি বেয়া বুলি কওঁ। পিছে ছাত্ৰসকলে এতিয়াও হৰতাল কৰাই কেতিয়াবা 'ছুটী'ৰ দিহা কৰিলে আমি উপভোগ নকৰাকৈ নেথাকো। আনহাতে এছিয়াৰ ছাত্ৰসকলে এনে এক ধৰণৰ ছুটীৰ দিহা কৰিছে যে সি বৰ উপভোগ্য হৈ উঠা নাই। ইণ্ডোনেছিয়াৰ ছাত্ৰ সমাজে প্ৰেছিডেণ্ট ডঃ সুকৰ্ণক এটা আপত্তিকৰ বক্তৃতাৰ কাৰণে ৰাজনৈতিক ছুটী ল'বলগীয়া কৰিছে বুলি বাতৰি ওলাইছে। চীন দেশতো 'ৰক্তৰক্ষী' চেমনীয়াহ'তে মাও ছে-টুঙক গাদীত সুপ্ৰতিষ্ঠিত কৰিবলৈ এনে এটা পৰিৱেশৰ সৃষ্টি কৰিছে যে বাটে-পথে মানুহ ওলাব নোৱাৰা হৈছে; এতিয়াও ছুটী নোপোৱা মাওবিৰোধী নেতা কোনোবা আছে যদিও বতাহৰ কলপাত হৈ আছে কিজানি। ৰাজনৈতিক ছুটী পাকিস্থানৰ ভূতপূৰ্ব বৈদেশিক মন্ত্ৰী শ্ৰীভুট্টোৱেও ল'ব লগা হ'ল; অৱশ্যে তেওঁ ছাত্ৰৰ আন্দোলনত নহয়, ক্ষমতাৰ টনা-আজোৰাতহে যাবলগা হ'ল। তথাপি ৰোগ একেটাই— ইয়াক ইণ্ডোনেছিয়াৰ এজন সংসদী সদস্যই এছিয়ান ফ্লু আখ্যা দিছে। ডঃ সুবান্দ্ৰিঅ'ৰ লগত শ্ৰীভূট্টোক তুলনা কৰা হয়েই। ডঃ সুকৰ্ণৰ উগ্ৰ ৰাজনীতিৰ পতন ঘটোৱাত ছাত্ৰ সমাজৰ বৰঙণি ভালেখিনি; তেওঁলোকে এতিয়াও তেওঁৰ 'বিপ্লৱৰ মহান নেতা' উপাধি কাঢ়ি ল'ব খুজিছে, চীনৰ লগত স্বদেশৰ সম্পৰ্ক সম্পূৰ্ণ ছেদ কৰি পেলাবলৈ দাবী কৰিছে। শ্ৰীভূট্টোৰ দৰে ডঃ সুকৰ্ণৰো ছুটী উপভোগ বৰ সুখকৰ নহ'ব।

এছিয়াৰ ভিতৰতে যেতিয়া ভাৰততো এই বিধ ৰোগ হ'ব নোৱাৰেনে? হ'ব পাৰে। কিন্তু হ'লেও সুপ্ৰাচীন দেশ হিচাপে আমি বিদেশত 'চিকিৎসা' কৰিবলৈ গৈ হাঁহিয়াতৰ পাত্ৰ হ'ব নোখোজো। আমাৰ ইয়াতো কোনোবা লোক দেশৰ কামত বিদেশলৈ যাব লগা থকাত কিবা আউল লাগিলে 'ছিকলীভ' লোৱা দেখা যায়। বানপ্ৰস্থৰ আৰ্হিৰে নাইবা তাৰে নোৱাৰিলে কামৰাজ আঁচনিৰ নিচিনা কিবা বুধি উলিয়ায়ো ৰাজহুৱা জীৱনৰ পৰা বহুতক ইয়াত আজৰি কৰি দিয়া হয়। স্বেচ্ছায়ো কিছুমানে অব্যাহতি লয় বা লৈছে। অতি ব্যস্ত ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ লৈ বিদেশত অৱস্থান কৰা লোকসকলৰ কথা আমি আৰু মনত নাৰাখো। তেওঁলোকৰ জীৱন

দুৰ্বিসহ নেকি তাকো নাজানো। আমাৰসকলে হ'লে সভা-সমিতিলৈ সভাপতি, মুখ্য অতিথি হৈ গৈ থাকি অফুৰন্ত সময়ৰ কিছু কিছু কটাব পাৰে; কেতিয়াবা পেন্সনপ্ৰাপ্ত বিষয়া পুনৰ মকৰল হোৱাৰ দৰে পুনৰ ৰাজহুৱা জীৱনলৈ ঘূৰিও যাব পাৰে।

বৃহস্পতিবাৰ, ১ চেপ্তেম্বৰ, ১৯৬৬ চন

# আইন-শৃঙ্খলাৰ প্ৰশ্ন

যোৱা মঙ্গলবাৰে মুখ্যমন্ত্ৰী শ্ৰীচলিহাই অসমৰ আইন-শৃঙ্খলাৰ পৰিস্থিতি সম্পৰ্কে বিধানসভাত দিয়া এটা বক্তৃতাত কৈছে যে ৰাজ্যত অশান্তি আৰু বিশৃঙ্খলাৰ সৃষ্টি কৰা, 'ভিতৰৰ বা বাহিৰৰ— যিকোনো প্ৰতিক্ৰিয়াশীল শক্তি'ৰ সন্মুখীন হোৱাটো প্ৰকৃত চৰকাৰৰ কৰ্তব্য। এই কৰ্তব্য পালনত অসম চৰকাৰে কেনেদৰে কাৰ্য্যপন্থা গ্ৰহণ কৰিছে, মুখ্যমন্ত্ৰীয়ে তেওঁৰ বক্তৃতাত আভাস দিছে।

অসমত আইন-শৃঙ্খলা অটুট ৰখাৰ আৱশ্যকতা যে যথেষ্ট বেছি সেই কথা কোনেও নুই নকৰে। সীমান্তৱৰ্ত্তী ৰাজ্যখনত আইন-শৃঙ্খলাৰ অভাৱ— এটা ভয়ঙ্কৰ কথা। ইয়াত অশান্তি আৰু বিশৃঙ্খলাৰ সৃষ্টি কৰাটো অসম তথা ভাৰত বিৰোধী শক্তিৰ এটা লক্ষ্য হৈ পৰিছে। সেই কাৰণেই আমি ৰাজ্যখনত পশ্চাদঘাতী কাৰ্য্য দেখিবলৈ পাইছোঁ, মিজো জিলাত বিদ্ৰোহ হোৱা দেখিছোঁ। এইবোৰ কাৰ্য্যত বিদেশীৰ সহায়-সহযোগ সুস্পষ্ট হৈ পৰিছে আৰু সেই কাৰণেই বিদ্ৰোহী মিজোৰ 'অস্থায়ী চৰকাৰ' এটাই সেই জিলাখনত উৎপাত কৰিবলৈ সুযোগ পাইছে। ৰাজ্যখনৰ, লগতে সমগ্ৰ ভাৰতৰ নিৰাপত্তাৰ কাৰণে প্ৰতিক্ৰিয়াশীল শক্তিবিলাকৰ উচ্ছেদ কৰা আৱশ্যক হৈ পৰিছে। এই বিষয়ত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই চৰকাৰৰ যি দৃঢ়তাৰ আশ্বাস দিছে সি প্ৰশংসনীয়। আমি আশা কৰিছোঁ ভাৰতৰ শত্ৰু দলৰ সহযোগত বা উচটনিত অসমত ধন-জন ক্ষতি হোৱা পশ্চাদঘাতী কাৰ্য্য চলোৱাৰ কোনো সুযোগ প্ৰতিক্ৰিয়াশীল শক্তিয়ে নাপাব, ভাৰতৰ লগত সুসম্পৰ্ক ৰক্ষা কৰিব নোখোজা পাকিস্থানৰ 'এজেণ্টে' কোনো গুপ্তচৰগিৰি কৰাৰ সুবিধা নাপাব আৰু মিজো জিলাৰ শান্তিপ্ৰিয় লোকসকলে নিৰাপদভাৱে জীৱন যাত্ৰা নিৰ্বাহ কৰিব পাৰিব।

বিভিন্ন দিশৰ পৰা গুৰুত্বপূৰ্ণ অসমত গণতান্ত্ৰিক পদ্ধতি অব্যাহত থকাটোও ডাঙৰ প্ৰশ্ন। গণতান্ত্ৰিক ব্যৱস্থাই ৰাইজক বল দিয়ে আৰু সেয়ে হ'লে ৰাজ্যখনো শক্তিশালী হ'ব পাৰে। এই সংশ্ৰৱত স্বাভাৱিকতে ৰাজ্যত হৈ যোৱা আন্দোলনৰ প্ৰসঙ্গ উঠে। যোৱা ৪ আগষ্টত ছাত্ৰসকলে যি দাবী দিৱস পালন কৰিছিল তাৰ ধ্বনি ১০/১১ আগষ্টলৈকে মাৰ যোৱা নাছিল আৰু তাৰ ফলত কেইজনমানে প্ৰাণ হেৰুৱাব লগা হ'ল। গণতান্ত্ৰিত পদ্ধতিত অভাৱ-অভিযোগৰ দাবী তোলা, অন্যায়ৰ প্ৰতিবাদ কৰা সঙ্গতিহীন কাৰ্য্য নহয়। যেতিয়া ৰাজ্যৰ এক শ্ৰেণী— গৰিষ্ঠ সংখ্যকলোকে এই অঞ্চলৰ প্ৰধান আহাৰ চাউল মুঠিৰ কাৰণে হাবাথুৰি খাব লগা হয়, তেতিয়া সমাজ বিৰোধী ব্যৱসায়ীয়ে অধিক লাভৰ আশাত ধান-চাউল মজুত কৰি ৰখাৰ প্ৰতিবাদ জনোৱাটো দোষণীয় হ'ব নোৱাৰে; খাদ্য-সামগ্ৰীত ভেজাল দি জনতাক মৃত্যুৰ মুখলৈ ঠেলি দিয়া কাৰ্য্যৰ প্ৰতিবাদ কৰাটো অন্যায় হ'ব নোৱাৰে। অৱশ্যে এই দাবী, প্ৰতিবাদ সকলো সময়তে শান্তি আৰু শৃঙ্খলাপূৰ্ণ হোৱা উচিত। ছাত্ৰসকলৰ 'দাবী দিৱস'ৰ উদ্দেশ্যও অশান্তি আৰু বিশৃঙ্খলা সৃষ্টি নাছিল। কিন্তু কিয় অশান্তিৰ সৃষ্টি হ'ল—

তাত প্ৰৰোচনা দিলে কোনে? এই প্ৰশ্নৰ উত্তৰ এতিয়া দৰকাৰ হৈছে।

যিহওক, মুখ্যমন্ত্ৰীয়ে শ্বিলং আৰু শিৱসাগৰৰ গুলী চালনাৰ বিষয়ে ন্যায়িক তদন্ত চলোৱাৰ ঘোষণা দি ৰাইজক কিছু আশ্বস্ত কৰিব পাৰিছে। ন্যায়পালিকাৰ জৰিয়তে চলোৱা তদন্তই দোষ কাৰ প্ৰকাশ কৰিব পাৰিব বুলি আশা কৰা গৈছে। ডিব্ৰুগড়, শ্বিলং, শিৱসাগৰ আদিৰ দৰে ঠাইৰ ঘটনাৱলীৰ পুনৰাবৃত্তি স্বাভাৱিকতে অমঙ্গলজনক। সেই কাৰণে ইয়াৰ বাবে সকলো পক্ষই সতৰ্ক হোৱা বাঞ্ছনীয়। নেতৃত্বৰ ত্ৰুটি নাথাকিলেও বহুত সময়ত ৰাজহুৱা বিক্ষোভ প্ৰদৰ্শনে বেয়াৰ ফালে ঢাল লয়। সেয়ে এতিয়া ঘাই কথা হৈছে যে জনসাধাৰণৰ মনৰ অশান্তি দূৰীকৰণ। চৰকাৰৰ বিভাগীয় লোকৰ সুযোগ-সুবিধাপ্ৰাপ্ত দলৰ আন্তৰিকতা আৰু সদ্ভাৱ দেখিলে সৰ্বসাধাৰণ ৰাইজে দলীয় প্ৰচাৰত ভোল নাযায়। কিন্তু সংশ্লিষ্ট পক্ষৰ যদি সদ্ভাৱ আৰু সহানুভূতিৰ অভাৱ দেখে ৰাইজ সাময়িক উত্তেজনাত বিভ্ৰান্ত হোৱাই স্বাভাৱিক। আমাৰ চৰকাৰে জনসাধাৰণক নিম্নতম সুযোগ-সুবিধাখিনি দিয়াৰ কাৰণে আন্তৰিকতা প্ৰচেষ্টা চলাব বুলি আমি আশা কৰিছো।

## বানপানী আৰু খাদ্য

বানপানী বিধস্ত অসমত বানপানীৰ ধ্বংসলীলাৰ আলোচনা অৰ্থহীন হৈ পৰিছে। অসম বা ভাৰতৰ বাহিৰৰ লোকৰ কাৰণে অসমৰ বানপানীৰ ক্ষয়-ক্ষতিৰ বিৱৰণ আশ্চৰ্য্যৰ বিষয়। আশ্চৰ্য্যৰ কথা এই কাৰণে যে এইখন ৰাজ্যত বছৰি কোটি কোটি টকাৰ শস্য, সা-সম্পত্তি নষ্ট হয়, কুৰি ডেৰকুৰি মানুহে মৰে অথচ স্বাধীনতা লাভৰ ১৮/১৯ বছৰৰ পাছতো এটা দীৰ্ঘম্যাদী ব্যৱস্থা লোৱা হোৱা নাই। এইবিলাক মানুহৰ প্ৰাণ আৰু সা-সম্পত্তিৰ যেন কোনো মূল্যই নাই। অথচ বছৰি বানপানীত জুৰুলা হোৱা অঞ্চলৰ খেতিয়কসকলক কৃষিৰ উৎপাদন বঢ়াবলৈ, বিজ্ঞানসন্মত কৃষি পদ্ধতি অনুসৰণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে আৰু আঁচনি তৈয়াৰ কৰা হৈছে।

ৰাজ্যৰ কৃষিমন্ত্ৰী শ্ৰীহক চৌধুৰীয়ে বিধানসভাত অসমৰ বানপানী আৰু ক্ষয়-ক্ষতিৰ বিৱৰণ দি কৈছে যে অসমৰ বান নিয়ন্ত্ৰণৰ কাৰণে প্ৰায় ৩২০ কোটি টকাৰ সৰ্বতোমুখী আঁচনি এখন প্ৰস্তুত কৰা হৈছে কিন্তু সেই আঁচনিৰ নামত তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ শেষলৈকে ১৮ কোটি ৫৬ লাখ টকাহে খৰচ কৰিব পৰা গৈছে। চতুৰ্থ পৰিকল্পনাত অসমৰ বান নিয়ন্ত্ৰণৰ ব্যয়ো ৩০০ কোটি টকাৰ পৰা ১১৫ কোটি টকালৈ হ্ৰাস কৰা হৈছে— তাকো টকাৰ মূল্য হ্ৰাসৰ পাচত। এয়া অসমৰ ভাগ্যৰ বিৰাট বিড়ম্বনা।

এতিয়া বানপানীৰ দুৰ্দশাৰ কাৰণে চকুলো টোকাৰ সময় নহয়, বানপানী ৰোধৰ কাৰণে দৃঢ়তাৰে প্ৰস্তুতি চলোৱাৰ সময়। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ সচেতন হ'বনে? কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী শ্ৰীআলি আহমদে ইতিমধ্যে আপত্তি তুলিছে যে চতুৰ্থ পৰিকল্পনাত জলসিঞ্চন আঁচনিৰ বাবে আৰু ২৩০ কোটি টকাৰ ব্যয় নিৰ্দ্ধাৰণ কৰা উচিত আছিল। এই কৰ্ত্তনৰ বাবে অসমে ক্ষতি স্বীকাৰ কৰিব নেলাগেতো?

বানপানীৰ প্ৰসঙ্গ উত্থাপিত হ'লেই অসমত খাদ্যৰ প্ৰশ্ন উঠে। ১৯৬৫-৬৬ চনত শালি ধানৰ চাউলৰ উৎপাদন ১ লাখ ২৪ হেজাৰ টন কমিল। ৰাজ্যিক যোগান মন্ত্ৰী শ্ৰীৰূপনাথ ব্ৰহ্মৰ মতে অসমত বছৰি প্ৰয়োজনীয় ১৮ লাখ ৭৯ হেজাৰ টন চাউলৰ ঠাইত ১৬ লাখ টনহে হয়তো উৎপাদন হ'ব। ফলত অসম খাদ্যত ঘাটি পৰা অঞ্চললৈ ৰূপান্তৰিত হ'ব। কেন্দ্ৰীয় চৰকাৰে বৰ্তমানৰ সংকটত অসমক আশানুৰূপভাৱে চাউলৰ যোগান

ধৰিব পৰা নাই। সেই কাৰণে অহা তিনি মাহৰ কাৰণে অসমৰ চাউল যোগান পৰিস্থিতি কঠিন হ'ব বুলি শ্ৰীব্ৰহ্মাই কৈছে। কিন্তু কথা হৈছে— অসমৰ মানুহ নাখাই মৰিব লাগিবনে? ইয়াৰ দায়িত্ব চৰকাৰে ল'ব লাগিব। ৰাইজে কিন্তু ধাৰণা কৰে উপযুক্ত বিতৰণ হ'লে, চোৰাং বজাৰ বন্ধ হ'লে, আহাৰৰ ধৰণ বদলি কৰিলে সমস্যাই গুৰুতৰ ৰূপ নলয়। অৱস্থা বুজি ব্যৱস্থা লোৱাত ৰাইজৰ বিশেষ আপত্তি নাই, কিন্তু বিভাগীয় উদাসীনতা দূৰ হ'ব লাগিব আৰু ব্যৱসায়ী মহলৰ সহানুভূতি আৰু সততা থাকিব লাগিব।

শুকুৰবাৰ, ২ চেপ্তেম্বৰ, ১৯৬৬ চন

# হুলেৰে হুল কাঢ়ক

মিজো নেচনেল ফ্ৰণ্টৰ সভাপতি শ্ৰীলালদেঙ্গাই পূব পাকিস্থানৰ কোনো এঠাইত অস্থায়ী চৰকাৰ গঠন কৰা বুলি দাবী কৰাৰ কথা চৰকাৰে জানে। লোকসভাৰ প্ৰশ্নোত্তৰ প্ৰসঙ্গত চৰকাৰীভাৱে এই কথা প্ৰকাশ কৰা হৈছে। পিচে এই কথা স্বীকাৰ কৰাৰ লগে লগে চৰকাৰৰ দায়িত্বও শেষ হ'ল বুলি আমি নেভাবো। বিদ্ৰোহী নগা দলে পাকিস্থানৰ পৰা অস্ত্ৰ-শস্ত্ৰ পাইছে; পাকিস্থানত বিদ্ৰোহী নগাই প্ৰশিক্ষণো পাইছে। পাকিস্থানে সকলো প্ৰকাৰে সাহায্য দিয়াৰ কাৰণেই বিদ্ৰোহী নগাই ঘনাই আমাৰ সীমান্তইদি অহা-যোৱা কৰি থাকিবও পাৰিছে। সেইবোৰ বিষয়ত ভাৰতে একো প্ৰতিকাৰ কৰিব নোৱাৰিলে; পাকিস্থানৰ ওপৰত কোনো প্ৰকাৰৰ হেঁচাও দিব নোৱাৰিলে। তাৰপিছত আহিল মিজো বিদ্ৰোহীৰ প্ৰসঙ্গ। মিজো বিদ্ৰোহীয়েও পাকিস্থানৰ পৰা একেখিখনি সুবিধাকে পালে। আনকি মিজো বিদ্ৰোহীক পাকিস্থানত অস্থায়ী চৰকাৰ গঠন কৰিবলৈকো সুবিধা দিয়া হ'ল। মুঠতে বিদ্ৰোহক সৱল কৰি তোলা ক্ষেত্ৰত পাকিস্থানে সকলো প্ৰকাৰে চেষ্টা কৰি আহিছে। পাকিস্থানৰ এই ভূমিকাই অসমৰ পাৰ্বত্য অঞ্চলৰ এভাগ লোকক বিশেষ উৎসাহ যোগাইছে বুলি আমাৰ সন্দেহ হৈছে। সেইদেখি শ্বিলঙকে ধৰি কেতবোৰ ঠাইৰ পৰা হঠাৎ কিছুমান ডেকা অন্তৰ্দ্ধান হৈছে। তেওঁলোক পাকিস্থানলৈকে গৈছে বুলি সন্দেহ কৰা হৈছে। কিয় গৈছে তাৰ কাৰণো পৰিষ্কাৰ হৈ আছে। পাকিস্থানৰ এনে প্ৰৰোচনাই আমাৰ সমস্যাৰ জটিলতা ক্ৰমে বঢ়াই নিছে।

কিন্তু চৰকাৰে এতিয়া কি কৰিব? আমাৰ কূটনীতি ইমান ভোতা হৈ পৰিল কিয়? 'বঙ্গ আমাৰ, জননী আমাৰ'— এই শীৰ্ষক অনুষ্ঠান আকাশবাণীৰ কলিকতা কেন্দ্ৰ যোগে প্ৰচাৰ কৰি পূব পাকিস্থানক ভকতীয়া বাণী শুনালেই আমাৰ সকলো দায়িত্ব শেষ হ'ল বুলি আমি কেতিয়াও নেভাবো। টাছখণ্ড চুক্তি সম্পূৰ্ণ ৰূপে উলংঘা কৰি পাকিস্থানে শ্ৰীলালদেঙ্গাক 'অস্থায়ী চৰকাৰ' পাতিবলৈ দিয়াৰ মূৰত আমিও হুলেৰে হুল কাঢ়িবলৈ শিকিব লাগিব। পূব পাকিস্থানত আজি নৱ জাগৰণ উঠিছে। ধৰ্মৰ ধ্বনি আজি তাত নিষ্কৰ্মা হৈ উঠিছে। পূব পাকিস্থানৰ বুকুত উঠা নতুন গাজনিয়ে আজি পশ্চিম পাকিস্থানক ভয়াৰ্ত কৰি তুলিছে। আমিও সকলো প্ৰকাৰে পূব পাকিস্থানৰ এই গণ জাগৰণক সহায় কৰি পাকিস্থানক যোগ্য প্ৰত্যুত্তৰ দিব নোৱাৰো কিয়? পশ্চিম পাকিস্থানৰ পখ্টুনসকলৰ ন্যায্য দাবীৰ প্ৰতি আমি সঁহাৰি দিব নোৱাৰিম কিয়? আমাৰ অসাৰ্থক নীতিয়েই আমাৰ দুৰ্বলতা বুলি প্ৰতিপন্ন হৈছে যেতিয়া আমাৰ নীতিৰ পৰিৱৰ্তন সধাটো নিতান্ত প্ৰয়োজনীয়। ফিজো আৰু ৰেভাৰেণ্ড মাইকেল স্কটে ইংলণ্ডৰ পৰা ভাৰতবিৰোধী প্ৰচাৰ চলাই থাকিব পাৰে— অথচ আমি মুখ ফুটাই বৃটেইনৰ

ওচৰত চোকা প্ৰতিবাদ জনাবলৈ সাহস চপাই ল'ব নোৱাৰো। এতিয়া পাকিস্থানৰ এনেবোৰ কাৰ্য্য-কলাপৰ বেলিকাও আমি নিৰ্বিকাৰ হৈ থাকিলে সেয়ে আমাৰ দুৰ্বলতাৰ চূড়ান্ত নিদৰ্শন হ'ব।

# আয়ুৰ্বেদীয় কাৰখানা

আপেক্ষিক গুৰুত্ব নিৰ্ণয় কৰি আঁচনি হাতত লোৱা, খৰচ কমোৱা আদি নানান ধ্বনি চৰকাৰেই তুলিছে। অথচ কাৰ্য্যক্ষেত্ৰত চৰকাৰেই ওলোটা বাট এটা অনুসৰণ কৰিছে। সম্প্ৰতি আয়ুৰ্বেদিক ঔষধ তৈয়াৰ কৰা কাৰখানা পতাৰ বাবে হাতত লোৱা আঁচনিখনে এই সত্যকে পুনৰ প্ৰতিপন্ন কৰিছে। কিহৰ স্বাৰ্থত এই আঁচনি হাতত ল'বলগীয়া হ'ল আমি বুজা নাই। কিন্তু এতিয়ালৈকে পোৱা বাতৰিৰ পৰা ধাৰণা হৈছে যে ৰাজহুৱা স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থইহে এই ক্ষেত্ৰত প্ৰাধান্য লাভ কৰিছে। প্ৰস্তাৱিত কাৰখানাৰ গুৰিয়াল পদৰ বাবে মিকানিকেল আৰু ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিং অৰ্হতা থকা মানুহ বিচৰা দেখিয়েই এই ধাৰণা আৰু বদ্ধমূল হৈছে— বিশেষ কোনোবা এজন মানুহৰ কথা ভাবিয়েই কামটোৰ বাবে মানুহ বিচৰা হৈছে। ইতিমধ্যে এই কাকতত প্ৰকাশ পোৱা কেতবোৰ বাতৰিয়ে এই প্ৰস্তাৱিত আঁচনিৰ মূলত ঠাই পোৱা ন্যস্ত স্বাৰ্থৰ কথালৈ আঙুলিয়াই দিছিল। এতিয়া সেয়ে আৰু পৰিষ্কাৰ ৰূপ ধাৰণ কৰিছে।

ৰাজহুৱা ধন লৈ এনেবোৰ লীলা-খেলা চলোৱাটো কেনেকৈ সম্ভৱপৰ হৈছে— সেইটোহে আমি বুজা নাই। অসমৰ জনমতে আৰু জনমতৰ প্ৰতিনিধিত্ব কৰা বুলি দাবী কৰোতাসকলে কি কৰিছে? আয়ুৰ্বেদ কলেজ এখন আছেই। নামত কলেজ এখন পাতি থোৱা হৈছে। কিন্তু সুস্থিৰ পৰিকল্পনা নাই। ফলত কলেজখন থাকিও নথকাৰ দৰে হৈছে। ধনৰ অভাৱেই কলেজক গিলি থৈছে। কলেজত সা-সুবিধা নাই; অধ্যাপক আদিৰ প্ৰতিও সুবিচাৰ হোৱা নাই। তদুপৰি কলেজ পাতিলেইতো নহ'ব— কলেজৰ পৰা ওলাই অহাৰ মূৰত সংস্থানৰ সুপৰিকল্পিত আঁচনিও লাগিব। কিন্তু তেনে একো ব্যৱস্থা নথকাত এই কলেজে ছাত্ৰক আকৰ্ষণ কৰিবও পৰা নাই। কলেজ আৰু ছাত্ৰৰ তৰফৰ পৰা পাঠ্যক্ৰম উন্নত পৰ্য্যায়লৈ নিয়া, বৃত্তিৰ পৰিমাণ বঢ়োৱা, আয়ুৰ্বেদৰ বাবে সুকীয়া ডিৰেক্টৰ ৰখা, আয়ুৰ্বেদ কলেজ হাস্পতালখন সম্পূৰ্ণ কৰা ইত্যাদি নানা ধৰণৰ দাবী উঠি আছে। কিন্তু টকা নাই বুলি সকলো কথা তল পেলাই থোৱা হৈছে।

অথচ ইমানবোৰ আহুকালৰ মাজতো আয়ুৰ্বেদ কলেজৰ উদ্যোগত পৰিচালিত হোৱা আয়ুৰ্বেদীক ঔষধ প্ৰস্তুত কৰা কেন্দ্ৰই চৰকাৰক বহুতখিনি টকা ঘটি দিছে। এই কেন্দ্ৰৰ উন্নতি সাধনৰ বাবেও চৰকাৰৰ হাতত কিন্তু টকা নাই। এতিয়া হঠাৎ সুকীয়াকৈ এটা কাৰখানা পাতি আয়ুৰ্বেদীয় ঔষধ তৈয়াৰ কৰাৰ কথা চৰকাৰৰ মনত পৰিল! যদি সেইখিনি ধন খৰচ কৰিব পৰা সামৰ্থ্য আছেই, তেন্তে জালুকবাৰীৰ আয়ুৰ্বেদ কলেজতে তাৰ ব্যৱস্থা কৰিব নোৱাৰিলে কিয়? সুকীয়াকৈ কাৰখানা পাতি চলি থকা কেন্দ্ৰটোৰ মৰণ চমু চপাই দিয়া হ'ব। ইপিনে প্ৰস্তাৱিত কাৰখানাৰ আড়ম্বৰে ইয়াক 'বগা হাতী'ত পৰিণত কৰিব বুলিহে ভয় হৈছে। তদুপৰি ৰসায়ন, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান আদিৰ লগতে যাৱতীয় অন্যান্য জ্ঞান থকা অসমৰ অৰ্হতা সম্পন্ন লোকক বঞ্চিত কৰি গুৰিয়ালৰ পৰা তলতীয়া কৰ্মচাৰীলৈকে সকলোকে আন ঠাইৰ পৰা মকৰল কৰাৰ পৰিকল্পিত চেষ্টা চলা বুলিও অভিযোগ উঠিছে। অসম ৰাজ্যিক আয়ুৰ্বেদ মহাসভাৰ উত্তৰ কামৰূপ শাখায়ো এই সম্পৰ্কত পোনপটীয়াভাৱে আপত্তি প্ৰদৰ্শন কৰিছে। ৰাজ্য চৰকাৰে এইবোৰ কথালৈ কাণ কৰক।

দেওবাৰ, ৪ চেপ্তেম্বৰ, ১৯৬৬ চন

# আমাৰ প্ৰস্তুতি

ৰাজ্য বিধানসভাত সিদিনা মাত্ৰ মুখ্যমন্ত্ৰী শ্ৰীচলিহাই ৰাজ্যৰ আইন-শৃঙ্খলাৰ পৰিস্থিতি সম্পৰ্কে দীঘলীয়া বিবৃতি দিওঁতে ৰাজ্যত বিদেশী শক্তিৰ প্ৰৰোচনাত ধ্বংসাত্মক কাৰ্য্য চলোৱাৰ বাবে ষড়যন্ত্ৰ চলাৰ ইঙ্গিত দিয়া হৈছিল। এই বিবৃতিয়ে আনকি ৰাজ্যসভাৰো বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। এটা দৃষ্টি আকৰ্ষণমূলক জাননীৰ উত্তৰত কাইলৈ সদনত চৰকাৰীভাৱে এটা বিবৃতি দিয়াৰ কথা আছে। ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে ৰাজ্য বিধানসভাত দৃষ্টি আকৰ্ষণমূলক জাননীৰ সন্দৰ্ভত আৰু এটা বিবৃতি দিছে। পাকিস্থানী চৰ আৰু দুৰ্বত্তই চলোৱা কাৰ্য্যকলাপ আৰু পাকিস্থানে সীমান্তৰ সিপাৰে চলোৱা যুদ্ধ সদৃশ প্ৰস্তুতিৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে এই বিবৃতিত উল্লেখ কৰিছে আৰু প্ৰতিৰক্ষা ব্যৱস্থাৰ সম্পৰ্কত আশ্বাস দিছে।

পিছে কথা হ'ল— আমি আশ্বাস পাব পাৰো কামৰ যোগেদিহে। মাজতে ঘটি যোৱা কেতবোৰ ধ্বংসাত্মক কাৰ্য্যৰ মূলত বিদেশী শক্তিৰ প্ৰৰোচনা জড়িত থকা বুলি সন্দেহ কৰা হয়। কিন্তু সেইবোৰ ঘটনাৰ পম খেদি নিশ্চিত হ'ব পাৰিলে নে নাই, সেই কথাহে আমি জানিব নোৱাৰিলো। তেনে সুনিশ্চিত সিদ্ধান্তই পশ্চাৎঘাতী কাৰ্য্যৰ মূল উদ্‌ঘাটন কৰাৰ লগতে ভৱিষ্যতৰ কাৰণে প্ৰতিকাৰৰ ভৰসাও দিব পাৰিলেহেঁতেন। আৰু এটা কথা এই সন্দৰ্ভতে উল্লেখ কৰাটো বিশেষ প্ৰয়োজনীয়। পাৰিস্থানে কাশ্মীৰৰ ওপৰত চলোৱা শেহতীয়া আক্ৰমণৰ বেলিকা আমি দেখিবলৈ পালো যে পোনতে অনুপ্ৰৱেশকাৰী পঠাই পাকিস্থানে আক্ৰমণৰ কঠীয়াতলী ৰচনা কৰি ল'লে। সেই কৌশলৰ পুনৰাবৃত্তি হোৱাৰ থল অসমত নাই বুলি কোনেও ক'ব নোৱাৰে। অবৈধ পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ সমস্যাটোৰ কথা আমি এই সন্দৰ্ভত বিশেষভাৱে বিচাৰ কৰাটো প্ৰয়োজনীয়। সিদিনা অৱশ্যে সংসদত প্ৰশ্নোত্তৰ প্ৰসঙ্গত পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ সমস্যা সম্পৰ্কে ৰঙীন ছবি এখন কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা দাঙি ধৰিলে। কেন্দ্ৰীয় স্বৰাষ্ট্ৰ দপ্তৰৰ উপমন্ত্ৰীয়ে ক'লে যে অনুপ্ৰৱেশকাৰী অসমলৈ অহাত বাধা দিয়া ব্যৱস্থাৰ পৰা বিশেষ সুফল পোৱা হৈছে। এই মূল্যাংকন বৰ বেছি ৰঙচঙীয়া হ'ল বুলিহে আমাৰ আশংকা হৈছে। প্ৰকৃত অৱস্থাৰ পৰিচয় ইয়াৰ মাজত নাই বুলিহে আমি ক'বলৈ বাধ্য। কিয়নো এতিয়ালৈকে দিয়া হিচাপবোৰৰ খেলিমেলিৰ পৰা আমাৰ ধাৰণা হৈছে যে প্ৰকৃততে অসমত কিমান অবৈধ অনুপ্ৰৱেশকাৰী আছে, কিমান নতুনকৈ আহিছে, কিমানক বহিষ্কাৰ কৰা হ'ল— সেইবোৰৰ খাটাং হিচাপ কাৰো হাতত নাই। ইপিনে বহিষ্কাৰ কৰাৰ পিছত কিমানে মূৰ পোলোকা দি পুনৰ অসম সোমাইছেহি— তাৰ খবৰো কাৰো হাতত নাই। অবৈধ অনুপ্ৰৱেশকাৰী ধৰা পেলোৱা আৰু বহিষ্কাৰ কৰা ক্ষেত্ৰত হাতত লোৱা সমুদায় ব্যৱস্থা অকামিলা হোৱা বুলি সন্দেহ কৰাৰ যথেষ্ট কাৰণ আছে। তদুপৰি ৰাজ্য চৰকাৰে বিশেষ স্বাৰ্থৰ হেঁচাত পৰি অবৈধ পাকিস্থানী বহিষ্কৰণ ব্যৱস্থা গাপত দি থোৱা বুলি বিভিন্ন মহলৰ পৰা যি অভিযোগ উঠিছে সেই সম্পৰ্কত চৰকাৰীভাৱে একো ব্যাখ্যা দিয়া হোৱা নাই।

আমি যি সংকটৰ কথা ভাবিছো আৰু তাৰ বিৰুদ্ধে থিয় দিয়াৰ কথা ভাবিছো— সেই উদ্দেশ্য পূৰণ কৰাৰ বেলিকা কিন্তু অবৈধ পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ কথা তল পৰিছে কাৰণেই পাকিস্থানী এজেণ্টৰ সূত্ৰও

ওলোৱা নাই। সেইদেখি আমাৰ চকুৰ আগতে পাকিস্থানলৈ চাউলৰ চোৰাং চালান হোৱাকে ধৰি নানান কাৰ্য্যও চলি থাকিব পাৰিছে। সীমান্তৰ নিৰাপত্তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে। বাট-পথৰ উন্নতি সাধিছে, চকীৰ সংখ্যা বঢ়াইছে, সীমান্তৰক্ষী দলৰ শক্তিও বঢ়াইছে। পিচে প্ৰতিৰক্ষা বেহু অকল জানো সীমান্তক লৈয়েই ৰচিত হয়? কেতিয়াও নহয়। ৰক্ষা বেহুৰ সীমা আমাৰ মাজলৈকে বিয়পি আছে। এই বৰ্দ্ধিত সীমাৰ প্ৰস্তুতি আৰু জৰুৰী কথা।

<u>সোমবাৰ, ৫ চেপ্তেম্বৰ, ১৯৬৬ চন</u>

# শিক্ষকৰ মৰ্য্যাদা

বিশ্ববিশ্ৰুত শিক্ষক, আমাৰ বৰ্তমান ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণণৰ জন্ম দিৱসত আজি পঞ্চম বাৰলৈ শিক্ষক দিৱস পালন কৰা হৈছে। চৰকাৰীভাৱে দেশৰ শিক্ষক শ্ৰেণীক এইদৰে সন্মানিত কৰিবলৈ লোৱাটো উচিত কাৰ্য্য হৈছে বুলি সকলোৱে একমুখে ক'ব। বছৰি উপযুক্ত শিক্ষক, লেখক, বৈজ্ঞানিক, শিল্পী আদিকো এইদৰে ৰাষ্ট্ৰীয় মৰ্য্যাদা দিয়াৰ ৰীতি অনুসৃত হোৱাটো সকলো শ্ৰেণীৰ সেৱকৰ প্ৰতি ৰাষ্ট্ৰৰ কৃতজ্ঞতা জ্ঞাপন স্বৰূপ হৈছে। দেশ গঠন তথা মানৱ জাতিৰ সেৱাত বিভিন্ন বৃত্তিত লিপ্ত প্ৰত্যেক লোকৰে যে অৱদান আছে এই কথা যেনেকৈ সমূহ ৰাইজে উপলব্ধি কৰিব লাগে, ঠিক তেনেকৈ সংশ্লিষ্ট প্ৰত্যেক শ্ৰেণীয়েও নিজৰ স্থান আৰু গুৰুত্ব উপলব্ধি কৰিব পাৰিব লাগে। আজি আমি আমাৰ গুৰুসকললৈ ওলগ আৰু ধন্যবাদ জনোৱাৰ লগতে উক্ত বিষয়েও বিচাৰ কৰি চাব লাগিব।

এই কাকততে দুদিনৰ আগতে ৰাইজৰ কেইজনমানে লিখিছে যে প্ৰথম দুবছৰৰ দৰে পিচৰ দুবছৰ এই দিৱস পালনত উৎসাহ-উদ্দীপনা দেখা নগ'ল; আৰু তাৰ কাৰণ শিক্ষক কল্যাণ পুঁজিৰ আয়-ব্যয়ৰ একো হিচাপ নিদিয়াটোৱেই বুলি তেওঁলোকৰ ধাৰণা। উৎসাহৰ অভাৱৰ কাৰণ কিছুদূৰ আমাৰ সামাজিক অৱস্থা আৰু কিছুদূৰ দিৱস পালনৰ পদ্ধতিয়েই বুলি আমাৰ অনুভৱ হয়। দিৱস, সপ্তাহ আৰু কেতিয়াবা পক্ষও পালন আমাৰ দেশত ইমান বেছি হৈছে যে কেতিয়াবা সৰ্বসাধাৰণ ৰাইজ অতিষ্ঠ হৈ পৰাটো একো আচৰিত কথা নহয়। দ্বিতীয়তে কণ-কণ ল'ৰা-ছোৱালীৰ পৰা পাঠশালাত টিকট দি দহোটা পইচা লোৱাৰ বাহিৰে প্ৰথমৰ উৎসাহেৰে কাম হোৱা বৰকৈ আমিও দেখা নাই; এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে নিজৰ কাৰণে এইদৰে ধন তুলি ফুৰাটো বহুত শিক্ষকে ভিক্ষা বৃত্তিৰ দৰে লজ্জাকৰ বিবেচনা কৰে— তেওঁলোকৰ মতে ৰাইজেহে এই কাম কৰিব লাগে, যদিহে শিক্ষকক ৰাজহুৱাকৈ মৰ্য্যাদা দিব খুজিছে। কিন্তু ৰাইজৰ মাজত তেনে উৎসাহ সৃষ্টি হোৱা নাই। ১৯৬২ চনত কল্যাণ পুঁজি গঠন কৰি ৫ কোটি টকা সংগ্ৰহৰ লক্ষ্য স্থিৰ কৰা হৈছিল; আজি চাৰি বছৰৰ মূৰত তাৰে মাত্ৰ ৯১ লাখহে সংগৃহীত হৈছে— তাতো কেন্দ্ৰ চৰকাৰে ৫ লাখ আৰু ৰাজ্য তথা কেন্দ্ৰ শাসিত অঞ্চলসমূহে প্ৰথমে ৫০ হেজাৰ আৰু পিছত বছৰি ২৫ হেজাৰকৈ টকা দিওঁতেহে ইমানখিনি হৈছেগৈ। এইটো অঙ্ক উৎসাহজনক নহয়। ইয়াৰে ৩৫ লাখ টকা বিতৰণ কৰা হৈছে। বিতৰণৰ বেলিকাও একোটা হাঁহি উঠা নিয়ম কৰা হৈছে। বছৰি ডেৰ হেজাৰৰ বেছি আয় নহ'লেহে সাহায্য পাব— সাহায্যও সৰ্বোচ্চ ডেৰ হেজাৰ টকা। বছৰি ডেৰ হেজাৰত যোগ-বিয়োগ কৰি জীৱন পাত কৰিলেও ডেৰ হেজাৰৰ এককালীন সাহায্যৰ সহায়ত কি কাম কৰিব পৰা হ'ব আমাৰ ধ্যান-ধাৰণাৰ অতীত। এচমকা মাটি, এটা কোঠালি বা সন্তানৰ পঢ়া-শুনা

কিহবাত এই কেটা টকাই কিবা সহায় কৰিব পাৰিব বুলি ভাবিছে যদি আঁচনি কৰোতাসকলে হয় মূৰ্খৰ স্বৰ্গত বাস কৰিছে, নহয় নিঃস্ব মানুহক ঢোল কোবাই আভুৱা ভাৰিছে।

বৃহস্পতিবাৰ, ৮ চেপ্তেম্বৰ, ১৯৬৬ চন

# পৰিস্থিতি আৰু কৰ্তব্য

ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতি সম্পৰ্কীয় আলোচনাৰ সামৰণি মাৰি মুখ্যমন্ত্ৰী শ্ৰীচলিহাই ৰাজ্য বিধানসভাত খাদ্য-সমস্যা, বানপানীৰ সমস্যা আৰু ধ্বংসাত্মক কাৰ্য্যকলাপৰ সমস্যাই প্ৰধান সমস্যা বুলি অভিহিত কৰিছে। এই সম্পৰ্কত ইয়াৰ বিপৰীত মন্তব্য কৰিবলগীয়া একো কথা নাই। সেয়ে কেইটাই মূল সমস্যা বুলি আমি স্বীকাৰ কৰিবলৈ বাধ্য। কিন্তু সেইবোৰ সমস্যাৰসমাধানৰ ক্ষেত্ৰত আমি কেনেদৰে আগবাঢ়িব লাগে— সেই বিষয়তহে মতভেদৰ থল ওলাইছে। এতিয়ালৈকে যিবোৰ পন্থা অৱলম্বন কৰা হৈছে, সেইবোৰ আমাৰ মনঃপুত হোৱা নাই। সম্প্ৰতি খাদ্য-সমস্যাটো গৈ আইন-শৃংখলাৰ সমস্যাৰ শাৰীত পৰা যেন দেখা গৈছে বা আইন-শৃংখলাৰ ধ্বনিয়ে খাদ্য-সমস্যাৰ প্ৰশ্নটোকে ঢাকি ধৰা যেন দেখা গৈছে। বিশেষ কেতবোৰ পৰিস্থিতিয়ে অৱশ্যে আইন-শৃংখলাৰ প্ৰশ্নটোক ইয়াৰ মাজলৈ আজুৰি অনাৰ থল উলিয়াই দিলে। অলপতে হৈ যোৱা অশান্তিয়েই সেই সুযোগ দিলে। কিন্তু আইন-শৃংখলাৰ প্ৰশ্নই গোটেই খাদ্য-সমস্যাটোক গিলি থলে তাৰ পৰিণাম আৰু বেয়াহে হ'ব— সেই কথা চৰকাৰে উপলব্ধি কৰা উচতি।

খাদ্য-সমস্যা সমাধান কৰিবৰ বাবে আইন-শৃংখলা ৰক্ষা কৰাটো নিতান্ত প্ৰয়োজনীয়। কিন্তু আইন-শৃংখলা ৰক্ষা কৰাৰ নামতে সমাজত চলি থকা অনাচাৰবোৰে পট্টা লগাই ল'বলৈ পোৱা অনুচিত। মাজতে ৰাজ্য জুৰি যি আন্দোলন চলিছিল, তাৰ পৰা দেখা গ'ল যে চৰকাৰৰ বিভিন্ন বিভাগৰ অলসতাৰ (বা আন কিবা স্বাৰ্থৰ কাৰণে) কাৰণে ব্যাপকভাৱে দুৰ্নীতি চলিছে। তাৰ ডেধাৰ প্ৰমাণো ওলাল। নাটনিও সম্পূৰ্ণভাৱে খাটি নাটনি নহয়— কৃত্ৰিম নাটনিৰ প্ৰাধান্য যথেষ্ট আছে। কিন্তু আইন-শৃংখলাৰ কথাটো আগশাৰীলৈ অহাৰ লগে লগে এইবোৰ দুৰ্নীতিৰ কথা তল পৰি গ'ল। সেই সম্পৰ্কত যে চৰকাৰৰ কৰিবলগীয়া একোৱেই নাই।

অকল বানপানীৰ বাবেই প্ৰধানতঃ খাদ্য-সমস্যাৰ উদ্ভৱ হৈছে বুলি আমি নেভাবো। কৃত্ৰিম নাটনি, দুৰ্নীতি আদি নানান প্ৰসঙ্গই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেইবোৰৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আমাৰ খাদ্য-সমস্যা লাঘৱ নহয়— হ'ব নোৱাৰে। উৎপাদন, বিতৰণ, সংগ্ৰহ আদি সমুদায় পৰ্য্যায়তে ঘূণে ধৰিছে— সেইবোৰৰ আমূল সংস্কাৰৰ প্ৰয়োজন। চৰকাৰৰ যোগান বিভাগ সম্পূৰ্ণভাৱে অকামিলা হৈছে— এই বিভাগক কামিলা কৰাৰ ব্যৱস্থাও লাগে।

বানপানীৰ সম্পৰ্কত আমি মাত্ৰ এটা স্থিৰ সিদ্ধান্তত উপনীত হৈছো। বান নিয়ন্ত্ৰণৰ বাবে মথাউৰি নিৰ্মাণৰ দৰে খুচুৰা আঁচনি লৈ আমি একো কৰিব নোৱাৰো। নদী উপত্যকা পৰিকল্পনাৰ দৰে সৰ্বাত্মক আৰু বহুমুখী আঁচনি হাতত ল'লেহে আমি বানপানীৰ পৰা নিস্তাৰ পাম। আনহাতে মথাউৰি নিৰ্মাণৰ সম্পৰ্কত ৰাজ্য জুৰি যিবোৰ অভিযোগ উঠিছে, সেইবো উপেক্ষিত হোৱাটোও আমি নিবিচাৰো।

ধ্বংসাত্মক কাৰ্য্য বন্ধ কৰিবৰ বাবে আৰু ইয়াৰ শিপা উঘালিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা যি ব্যৱস্থাকে

হাতত লয়, সেই সকলো ক্ষেত্ৰতে চৰকাৰে ৰাইজৰ পৰা সহযোগিতা পাব। পিচে ধ্বংসাত্মক কাৰ্য্যৰ নতুন পটভূমিৰ পৰা পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ প্ৰসঙ্গটোৰ নতুন মূল্যাংকন কৰিবলৈকো চৰকাৰ আগ নেবাঢ়ে কিয়? অসমলৈ পাকিস্থানী লোকৰ অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে লোৱা ব্যৱস্থা ফলদায়ক হোৱা বুলি সংসদত কেন্দ্ৰীয় মন্ত্ৰীসকলে উৎফুল্ল হৈ ঘোষণা কৰিলে। কিন্তু ৰাজ্য বিধানসভাত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই জনালে যে এতিয়াও প্ৰায় এক লাখ পাকিস্থানী অনুপ্ৰৱেশকাৰী অসমত আছে। বহিষ্কাৰ কৰা পাকিস্থানী অনুপ্ৰৱেশকাৰী পুনৰ অসম সোমাইছেহি আৰু পাকিস্থানীৰ নতুন অনুপ্ৰৱেশো চলি আছে বুলি মুখ্যমন্ত্ৰীয়ে কৈছে। সেয়ে সাম্প্ৰতিক ব্যৱস্থাৰ চৰম ব্যৰ্থতাৰ পৰিচয়হে দিছে।

## নিৰ্মম সত্য

লণ্ডনত কমনৱেলথ প্ৰধামন্ত্ৰী সন্মিলনে ৰোডেছিয়া প্ৰসঙ্গ লৈ বিতৰ্কৰ ধুমুহা তোলাৰ মুহূৰ্ত্ততে দক্ষিণ আফ্ৰিকাত আন এটা ধুমুহা বলিলে। বৰ্ণ-বৈষম্যমূলক নীতিৰ নেতৃত্ব বহন কৰা দক্ষিণ আফ্ৰিকাৰ প্ৰধানমন্ত্ৰী ডঃ হেণ্ড্ৰিক ভাৰৱাৰ্ডক সংসদৰ নিম্ন সদনৰ মজিয়াতে এজন শ্বেতাঙ্গ লোকে ছুৰী মাৰি হত্যা কৰিলে। দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ নেতৃত্ব বহনকাৰী শ্বেতাঙ্গ আমোলৰ মানসপুত্ৰ স্বৰূপ ৰোডিছিয়াৰ শ্বেতাঙ্গ আমোলৰ কাৰণে এই ঘটনা নিশ্চয় বিশেষ গুৰুত্বপূৰ্ণ।

দক্ষিণ আফ্ৰিকাৰ প্ৰধানমন্ত্ৰীক শ্বেতাঙ্গ লোকজনে কিয় হত্যা কৰিলে তাৰ বিতং বিৱৰণী এতিয়াও ওলোৱা নাই। কিন্তু এইটো আচৰিত কথা যে শ্বেতাঙ্গৰ বাবে স্বৰ্গৰাজ্য ৰচনা কৰিবলৈ ওলোৱা এইজন নেতাই মূৰকত শ্বেতাঙ্গৰ হাততে প্ৰাণ দিবলগীয়া হ'ল। ইয়াৰ আগতে ১৯৬০ চনতো আন এজন শ্বেতাঙ্গ লোকে তেওঁক গুলীয়াই হত্যা কৰিবলৈ চেষ্টা কৰিছিল। সেয়ে অন্ততঃ এটা কথা প্ৰমাণ কৰিলে যে বৰ্ণ-বৈষম্যমূলক নীতিৰ আশ্ৰয় লৈ শ্বেতাঙ্গৰ বাবে স্বৰ্গৰাজ্য ৰচনা কৰাৰ যি প্ৰয়াস চলিছে, সি প্ৰকৃততে শ্বেতাঙ্গ লোকৰ স্বাৰ্থ সোৱা কৰা নাই। এমুঠি লোকৰ (শ্বেতাঙ্গ) ন্যস্ত স্বাৰ্থহে পূৰণ কৰিছে। সেইদেখি শ্বেতাঙ্গ মহলতো অসন্তুষ্টি উথলি উঠিছে। দক্ষিণ আফ্ৰিকা তথা ৰোডেছিয়াৰ অবাস্তৱ নীতিৰ আচল দুৰ্বলতা তাতেই। শ্বেতাঙ্গ দেশবোৰৰ মৌন সমৰ্থন লৈ নবজাগ্ৰত আফ্ৰিকান দেশবোৰত চলোৱা আওপকীয়া অভিযানৰ যোগেদি সেইবোৰত নস্ত স্বাৰ্থৰ সম্প্ৰসাৰণ ঘটাই আৰু দক্ষিণ আফ্ৰিকা আৰু ৰোডেছিয়াত কৃষ্ণাঙ্গৰ বিৰুদ্ধে দমন নীতি চলাই শ্বেতাঙ্গৰ স্বৰ্গৰাজ্যক স্থায়ী কৰিব নোৱাৰি। ডঃ ভাৰৱাৰ্ডে দক্ষিণ আফ্ৰিকাত কৃষ্ণাঙ্গক ভীতিগ্ৰস্ত কৰাৰ উপৰিও শ্বেতাঙ্গ বিৰোধী নেতাকে দেশৰ বাহিৰ ওলাবলগীয়া অৱস্থা কৰিছিল। তথাপি মূৰকত তেওঁ শ্বেতাঙ্গৰ হাততে জীৱন এৰিব লগীয়া হ'ল। এয়ে এটা সত্যৰ নিৰ্মম আত্মপ্ৰকাশ।

শুকুৰবাৰ, ৯ চেপ্তেম্বৰ, ১৯৬৬ চন

## 'অসম বন্ধ' আন্দোলন পৰিত্যাগ

আজি হ'বলগীয়া 'অসম বন্ধ' আন্দোলন পৰিত্যাগ কৰাটো সন্তোষৰ কথা। মুখ্যমন্ত্ৰী শ্ৰীচলিহা আৰু সংযুক্ত আন্দোলন পৰিষদৰ নেতৃবৰ্গৰ মাজত হোৱা আলোচনাৰ মূৰত পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে সংযুক্ত আন্দোলন পৰিষদৰ লগত থকা সকলৰে এটা ভাগে ইতিমধ্যে সুকীয়া মনোভাৱ প্ৰকাশ কৰিছিল

আৰু ছাত্ৰসকলৰো এটা ভাগে আজিৰ 'অসম বন্ধ'ৰ পৰা বিৰত থাকিবলৈ সিদ্ধান্ত লৈছিল। তথাপি 'অসম বন্ধ'ৰ গুৰুত্ব কমা নাছিল। লগে লগে অশান্তিৰ আশংকাও আছিল। কিয়নো আমি দেখি আহিছো যে বন্ধ, হৰতাল আদি আন্দোলন হ'লেই আজিকালি অশান্তি, গুলীয়াগুলী— এইবোৰ হয়েই। ব্যতিক্ৰম নোহোৱা নহয়। ইতিমধ্যে অসমতো তেনে ব্যতিক্ৰম নঘটা নহয়। কিন্তু তাৰো আগতে এইখন ৰাজ্যতে আন্দোলনৰ সন্দৰ্ভত ব্যাপক অশান্তি ঘটি গ'ল। অশান্তি কেনেকৈ হ'বলৈ পালে, সেইটো অৱশ্যে সুকীয়া কথা। কিন্তু যি কাৰণেই নহওক, সি আন্দোলনৰ উদ্যোক্তাসকলৰ আয়ত্তৰ ভিতৰত নাই বুলিয়েই ধাৰণা হয়। অথচ আন্দোলনৰ এনে দায়িত্ব লওঁতাসকলে অশান্তিৰ সুৰুঙা নথকা কৰিব পৰা সামৰ্থ্যও আয়ত্ত কৰি ল'ব পাৰিব লাগে। সেই সামৰ্থ্য নাই কাৰণেই আন্দোলনে মূল উদ্দেশ্যটোৱেই ব্যৰ্থ হৈ যায়। শেষত গৈ আইন-শংঙ্খলাৰ কথাই আন সকলো কথা তল পেলাই দিয়ে। অসমত মাজতে চলা আন্দোলন সম্পৰ্কে যিমান বিৰূপ মন্তব্য কৰা নহওক, ইয়াক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি যিমানেই কোৱা নহওঁক— তথাপি এই কথা স্বীকাৰ কৰিবই লাগিব যে সেই আন্দোলনেই চৰকাৰৰ অলসতা ভাঙি দিছিল, কেতবোৰ ব্যৱস্থা ল'বলৈ চৰকাৰক বাধ্য কৰিছিল আৰু সংশ্লিষ্ট চৰকাৰী বিভাগবোৰৰ চৰম অকৰ্মণ্যতাও সেই আন্দোলনেই উদঙাই দেখুৱাইছিল। কিন্তু মূৰকত অশান্তিৰ পোহাৰৰ মাজত মূল কথাৰে আঁত হেৰাই গ'ল। ইয়াৰ ফলত লাভবান হ'ল কোন? যিসকলে সমাজক নিকৰুণভাৱে শোষণ কৰিছে, তেওঁলোক— ৰাইজ নহয়।

সেইদেখি আন্দোলনৰ অস্ত্ৰ হিচাপে 'বন্ধ', হৰতালৰ আহ্বান দিলে আমি চক খাওঁ— জানোচা পুনৰ অশান্তি হয় আৰু তাৰ ফলত ৰাইজৰ স্বাৰ্থত আৰু আঘাত পৰে! জানোচা শোষণকাৰী সকলৰ কাৰণে আৰু সুযোগ ওলায়। সেইবোৰ কথাৰ কাৰণেই এতিয়া 'অসম বন্ধ'ৰ আঁচনি পৰিত্যাগ কৰা বুলি জানি আমি সন্তোষ পাইছো। এই সন্তোষজনক পৰিণতিৰ বাবে মুখ্যমন্ত্ৰী শ্ৰীচলিহা আৰু সংযুক্ত আন্দোলন পৰিষদৰ নেতৃবৰ্গৰ আমি শলাগ লৈছো। প্ৰকাশিত বাতৰি মতে মুখ্য মন্ত্ৰীয়ে হেনো চাউলৰ বিতৰণ-ব্যৱস্থা অবিলম্বে সলনি কৰিব বুলি কৈছে। নগৰ, উদ্যোগ-কেন্দ্ৰ আৰু নাটনি পৰা অঞ্চলত ৰেচন কাৰ্ড দিয়া ব্যৱস্থা প্ৰবৰ্তন কৰা হ'ব। তেনে ব্যৱস্থা নথকাত কি অৱস্থা হৈছে, সেই বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছিল। প্ৰস্তাৱিত ব্যৱস্থাই নিশ্চয় ৰাইজক সকাহ দিব। মাত্ৰ এই পৰিৱৰ্তন সাধন কৰোতে যাতে খেলি-মেলি নহয়, নতুন জটিলতাৰ সৃষ্টি নহয় আৰু সংশ্লিষ্ট চৰকাৰী বিভাগে যাতে পুনৰ অকৰ্মণ্যতাৰে পৰিচয় নিদিয়ে, তাকেই আমি আশা কৰিছো। মুখ্যমন্ত্ৰীয়ে হেনো সপ্তাহত জনমূৰি এক কিলোকৈ নৱেম্বৰলৈকে চাউল দিবৰ বাবেও সিদ্ধান্ত লৈছে। তাৰে এটা ভাগ মিলৰ পুলৰ পৰা ১.০৫ পইচা নিৰিখত আৰু সমানে ইটো ভাগ চৰকাৰী ভঁৰালৰ পৰা ৭৫ পইচা নিৰিখত দিয়া হ'ব। মিলৰ পুলৰ কাৰণে যোগান সুনিশ্চিত কৰাৰ ভাৰসা যদি থাকে আৰু দামৰ বিভিন্নতাৰ বাবে চৰকাৰী ভঁৰালৰ চাউলে যদি বাট এৰি অবাটে যোৱাৰ সুৰুঙা নোলায়, তেন্তে এই ব্যৱস্থাই ৰাইজক নিশ্চয় কিছু সকাহ দিব।

## বৈদেশিক প্ৰচাৰ

বৈদেশিক প্ৰচাৰ সম্পৰ্কীয় বাজেট ব্যৱস্থা আৰু প্ৰচাৰৰ স্বৰূপ সম্পৰ্কে সংসদৰ চৰকাৰী হিচাপ কমিটীয়ে কেতবোৰ কঠোৰ সমালোচনা কৰিছে। এইবোৰ সমালোচনাই চৰকাৰক সচেতন কৰিব বুলি অৱশ্যে আমাৰ ভাসৰা নাই। বৈদেশিক প্ৰচাৰৰ ক্ষেত্ৰত আমাৰ দৈন্য প্ৰায় নিগাজী হৈ পৰিছে। আমাৰ দেশক প্ৰতিনিধিত্ব

কৰি যিসকল কূটনৈতিক নানান দেশত আছে সেইসকল লোকৰ বাছনি সম্পৰ্কেই সন্দেহৰ অৱকাশ আছে। বৈদেশিক সেৱাত কাম কৰা এজন উচ্চ পদস্থ বিষয়াৰ গোপন প্ৰতিবেদন এখন মাজতে প্ৰকাশ হৈ গৈছিল— তাৰ পৰা বৈদেশিক সেৱাৰ হীন অৱস্থাটোৰ পৰিচয় পোৱা গৈছে। বৈদেশিক প্ৰচাৰৰ অৱস্থাও একে ধৰণৰ। দৰাচলতে নিৰপেক্ষ মহলৰ যোগেদি এই বিষয়ে খৰচি মাৰি অনুসন্ধান চলোৱাটো প্ৰয়োজনীয়। অৱশ্যে তাকে কৰিলে বহুতো লোক গঞ্জনাৰ ভাগী হ'ব লাগিব কাৰণেই গোটেই বিষয়টো থাপি-থুলি থোৱা হৈছে।

বৈদেশিক প্ৰচাৰৰ ক্ষেত্ৰত আমি যি ব্যৱস্থা লৈছো, সেই ব্যৱস্থাই পৃথিৱীৰ ক'তো সমূলি ৰেখাপাত কৰিব পৰা নাই। আমাৰ দেশৰ প্ৰতি বিৰূপ ধাৰণা লোৱা দেশৰ সংখ্যা বাঢ়ি গৈছে; আমাৰ দেশৰ বিকৃত চিত্ৰ একোখনহে দেশে দেশে প্ৰচাৰিত হৈছে। অথচ অৰ্থহীনভাৱে ধন খৰচ হ'বই লাগিছে। কিবা এটা ৰাষ্ট্ৰীয় সংকট হ'লেই বা কোনো ৰাষ্ট্ৰীয় জৰুৰী প্ৰয়োজন হ'লেই বিস্তৰ ধন খৰচ কৰি আমি বিদেশত প্ৰচাৰ চলাবলৈ বা বিদেশৰ ভুল ধাৰণা দূৰ কৰিবলৈ ভাৰতৰ পৰা প্ৰতিনিধি দল পঠাব লগীয়া হয়। চৰকাৰী প্ৰচাৰ ব্যৱস্থা থকা সত্বেও আমেৰিকাৰ ভাৰতীয় দূতাবাসৰ পৰা পদত্যাগ কৰা লোকক মাহে ৩৭,৫০০ টকা দি বেচৰকাৰী প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ ভাৰ দিবলগীয়া হৈছে। তথাপি আমাৰ চৰকাৰী বৈদেশিক প্ৰচাৰৰ গুণ-কীৰ্তন নতুন দিল্লীত চলিয়েই আছে। এতিয়া হেনো বৈদেশিক প্ৰচাৰৰ ক্ষেত্ৰত খৰচ কমাব খোজা হৈছে। অবাবত হোৱা খৰচ বাদ দিয়াটো নিশ্চয় দৰকাৰী কথা। কিন্তু বৈদেশিক প্ৰচাৰৰ পয়া লগা অৱস্থা আৰু শোচনীয় কৰি তোলাকৈ খৰচ কমোৱাতকৈবৈদেশিক প্ৰচাৰ বন্ধ কৰি দিয়াই ভাল। লণ্ডনত ভাৰতীয় হাই কমিছনাৰ অফিচত ডেৰ হেজাৰ লোকে কাম কৰা সত্বেও খৰচ বেছি হোৱা বুলি স্বীকাৰ নকৰা কেন্দ্ৰীয় চৰকাৰে শাকত লোণ নোখোৱাৰ দিহা কৰাৰ পৰা কি লাভ হ'ব?

<u>সোমবাৰ, ১২ চেপ্তেম্বৰ, ১৯৬৬ চন</u>

# অস্বস্তিকৰ

অসম বিধানসভাত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই এহেজাৰ খাছী লোকৰ পূব পাকিস্থানত গৰিলা যুদ্ধৰ প্ৰশিক্ষণ সম্পৰ্কে দিয়া বিবৃতিটো বৰ অস্বস্তিকৰ। কিয়নো এই ঘটনাই প্ৰমাণ কৰিছে যে পাৰ্বত্য অঞ্চলৰ আন্দোলনবিলাকে প্ৰায় একে ধৰণৰ গঢ় ল'ব ধৰিছে। বিদ্ৰোহী নগাসকলে যি বাট দেখুৱালে তাক বিদ্ৰোহী মিজোসকলে গ্ৰহণ কৰিলে আৰু এতিয়া খাছীসকলেও তেওঁলোকক অনুসৰণ কৰিছে যেন লাগে। আজি কিছুদিনৰ পৰা শ্বিলঙৰ কিছুমান জনজাতীয় ডেকা নিখোজ হোৱাৰ বাতৰি ওলাইছে; তেওঁলোক পূব পাকিস্থানলৈ গৈছে আৰু খাছী ডেকাই মিজো লোকৰ লগ লাগি এনে কাম কৰিছে বুলিও ইংগিত পোৱা গৈছে। চীনা সামৰিক বিষয়াই নগা, মিজো, খাছী যেয়ে নহওক— তেওঁলোকক গৰিলা ৰণৰ কৌশল শিকোৱা কথাটো একো বিচিত্ৰ নহয়; বৰং ভাৰতক ঠেকত পেলাবলৈ সততে চেষ্টা কৰি থকা চীন আৰু পাকিস্থানৰ কৰ্তৃপক্ষই এনে এটা সুযোগ লোৱাটো স্বাভাৱিকেই বুলিব পাৰি। এতিয়াও বিদ্ৰোহী আখ্যা নোপোৱা এই খাছী লোকসকলক প্ৰশিক্ষণ দিয়াটো ডাঙৰ কথা নহয়, কিন্তু তেওঁলোক পূব পাকিস্থানলৈ সৰকি যোৱাটোহে ডাঙৰ কথা। পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী সম্পৰ্কে সুমীমাংসা এতিয়াও হোৱা নাই; কেন্দ্ৰৰ শেহতীয়া শাখা-ৰাজ্যৰ প্ৰস্তাৱ সম্পৰ্কেও ভালেখিনি সন্দেহ

প্ৰকাশ কৰা হৈছে। কেন্দ্ৰই তথাকথিত সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনক অযথা গুৰুত্ব দি তেওঁলোকক প্ৰশ্ৰয় দিছে। এই সন্মিলনে প্ৰত্যক্ষ সংগ্ৰামৰ ভাবুকি দি অহাৰ কথাও আটাইৰে নিশ্চয় মনত আছে। এনে অৱস্থাত তেওঁলোকৰ সমৰ্থক কিছুমানে যে তলে তলে সশস্ত্ৰ বিদ্ৰোহৰ নিচিনা সাংঘাতিক কিবা পন্থাৰ কথা চিন্তা কৰিব সেইটো চৰকাৰে অনুমান কৰি ল'ব পাৰিব লাগিব আৰু তাৰ বিৰুদ্ধে ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব। কিন্তু মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰা শেহতীয়া পৰিস্থিতিলৈ চাই তেনে কৰা নাই বুলিয়েই ক'ব লাগিব।

পূব পাকিস্থানলৈ পাৰ হৈ যাব পৰাৰ পৰা এনে লোকক বাধা দিব পাৰিব লাগিছিল। খাছী-জয়ন্তীয়া পাহাৰৰ সৈতে পাকিস্থানৰ সীমা লগা-লগি— পাৰ হৈ যোৱা তেনেই সহজ। দূৰদৰ্শিতাৰে চাই চৰকাৰে সীমান্তত চোকা পহৰাৰ দিহা কৰিব লাগিছিল। কিন্তু চৰকাৰী বিবৃতিৰ পৰা যি দেখা গৈছে, খাছী ডেকাসকলে ইচ্ছা মতে দুই দেশৰ মাজত অহা-যোৱা কৰি আছে। আমি মনত ৰখা উচিত যে কিছুদিন আগলৈকে পূব পাকিস্থানৰ সৈতে সীমান্তবৰ্ত্তী জনজাতীয় লোকসকলে বেহা-বেপাৰ অবাধে কৰি আছিল। গতিকে অনুকূল পৰিৱেশ পাই তালৈ ৰাষ্ট্ৰ বিৰোধী লোক যোৱাটো তেনেই সহজ কথা। এসপ্তাহমান আগতে শ্ৰীচলিহাই বিধানসভাত কৈছিল যে পূব পাকিস্থানৰ পৰা অহা সশস্ত্ৰ লোক গোৱালপাৰা, গাৰোপাহাৰ আৰু খাছী-জয়ন্তীয়া পাহাৰৰ সীমাত বহুবাৰ ডকাইতি কৰিছে আৰু গৰু-ম'হৰ উপৰি খাছী লোক সন্থিতে আন বহু লোককে অপসৰণ কৰি লৈ গৈছে। তেনে লোকক ভৱিষ্যতে বিদ্ৰোহৰ কামত লগোৱা হ'ব পাৰে। গতিকে সীমান্তত এলেকা পহৰাৰ নিতান্তই প্ৰয়োজন। নিৰাপত্তা বাহিনীৰ লোকক সপৰিয়ালে সীমান্তত বহুওৱাৰ প্ৰস্তাৱ ৰাজ্য চৰকাৰে কেন্দ্ৰক দিছে। আমাৰ বোধেৰে চৰকাৰে তৎক্ষণাৎ কেন্দ্ৰক এই বিষয়ত সৈমান কৰোৱাহে উচিত হ'ব। খাছী পাহাৰতো নগা পাহাৰ আৰু মিজো পাহাৰৰ দৰে বিদ্ৰোহৰ পৰিস্থিতি হ'বই বুলি আমি ক'ব খোজা নাই; কিন্তু সাৱধানতা অৱলম্বনৰ প্ৰয়োজন নোহোৱা নহয়। বিদেশীৰ ধ্বংস কাৰ্য্যৰ আশঙ্কা কৰাও হৈছে যেতিয়া সেই ফালৰ পৰাও সীমান্তক নিৰাপদ কৰাৰ আৱশ্যক আছে।

## বেজবৰুৱা শতবাৰ্ষিকী

এতিয়াৰ পৰা দুবছৰতকৈ কম দিনৰ পিছত ১৯৬৮ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱ পালন কৰিবলৈ লোৱা হৈছে। অসম সাহিত্য সভাই ইয়াৰ কাৰণে বিস্তাৰিত কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু চৰকাৰ সমন্বিতে অন্যান্য অনুষ্ঠানেও এই উৎসৱ পালন কৰিব বুলি আশা কৰিছে। ইয়াৰ প্ৰতি বহুলভাৱে সঁহাৰি নোপোৱাৰ আমি একো কাৰণ দেখা নাই। অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰিলেও বেজবৰুৱা নব্য অসম তথা নব্য ভাৰতৰে আশা-আকাংক্ষাৰ প্ৰতীক আছিল। তদুপৰি অসম, বঙ্গ, উৰিষ্যা আদি একাধিক ৰাজ্যৰ লগত তেওঁ সকলো পিনৰ পৰাই ওতঃপ্ৰোতভাৱে জড়িত আছিল। সেই সম্পৰ্কৰ চিন তেওঁৰ ৰচনাৰাজিত বিৰাজ কৰিছে। সেইবাবে সাহিত্য একাডেমীয়ে যেনেকৈ বেজবৰুৱাৰ বিষয়ে পুথি ৰচনা কৰাবলৈ লোৱাটো যুক্তিসংগত হৈছে, সেই দৰে বেজবৰুৱাৰ নামত ডাক-টিকট প্ৰচলন কৰিবলৈ সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰী দপ্তৰেও হেলা কৰাৰ আমি কোনো কাৰণ নেদেখো। সকলো আঞ্চলিক ভাষাই ভাৰতীয় ভাষা আৰু বিভিন্ন আঞ্চলিক ভাষাৰ কবি-সাহিত্যিকক যেনেকৈ স্মাৰক-ডাক টিকটেৰে সন্মানিত কৰি অহা হৈছে সেইদৰে বেজবৰুৱাৰ ক্ষেত্ৰতো তেনে হোৱা উচিত। সাহিত্য সভাই বেজবৰুৱা গ্ৰন্থাৱলী সম্পাদন কৰি উলিয়াবলৈ

প্ৰস্তাৱ কৰাৰ উপৰি নিজাকৈও একাধিক পুথি প্ৰকাশৰ যো-জা কৰিছে। সাহিত্যৰথীৰ স্মৃতি-উৎসৱত যে তেওঁৰ সাহিত্য প্ৰচাৰতে অধিক গুৰুত্ব দিব লাগিব সেই বিষয়ে সন্দেহ নাই। গতিকে সাহিত্য একাডেমীৰ নিচিনা অনুষ্ঠানে একেখন পুথিতে আৱদ্ধ নেথাকি বেজবৰুৱাৰ প্ৰতিনিধিমূলক কেতবোৰ ৰচনা অন্যান্য ভাষালৈ অনুবাদ কৰোৱাৰ কিয় দিহা কৰিব নোৱাৰে আমি বুজিব পৰা নাই। এই বিষয়ত অসম চৰকাৰ, প্ৰকাশন পৰিষদ তথা অন্যান্য ব্যৱসায়ী প্ৰকাশন প্ৰতিষ্ঠানেও কিছুমান কাম হাতত ল'ব পাৰে। কিন্তু এতিয়ালৈকে তাৰ একো উম-ঘাম আমি দেখিবলৈ পোৱা নাই। অসম সাহিত্য সভাৰ বাহিৰে অন্যান্য সাংস্কৃতিক অনুষ্ঠানেও কিবা কাৰ্য্যসূচী হাতত লোৱাৰ বাতৰি আমি পোৱা নাই। আমি ভাবো, বেজবৰুৱা শতবাৰ্ষিকী সফলতাৰে পালন কৰি অসমীয়া ৰাইজে নিজকে ডাঙৰ কৰাৰ বাটত এখোজ আগুৱাব পাৰিব। গতিকে তাৰ কাৰণে যিকোনো অনুষ্ঠানৰে সজ প্ৰচেষ্টাৰ প্ৰতি সকলো ৰাইজে কায়িক, বৌদ্ধিক তথা আৰ্থিক বৰঙণি যোগাব বুলি আমি আশা কৰিলো।

## নতুন নাৰদ

মন্থৰা বা নাৰদৰ ন-ন ৰূপ আমাৰ চকুত নিতৌ পৰিবই লাগিছে। এই পুৰণি দেশখনত ঐতিহ্য ইমান দ-কৈ শিপাই আছে যে কিবা এটা তুলনা দিবলৈ যাওঁতেও আমি সেই পুৰণি ৰামায়ণ-মহাভাৰত-ভাগৱতলৈকে উলটি যাব লগা হয়। আমাৰ গাৱেঁ গাৱেঁ নাৰদ। লোকে কুইজলিং বুলিলে আমাৰ বিভীষণ নামটোহে মনলৈ আহে। বিভিন্ন যুগৰ সাহিত্যয়ো নাৰদক একে ৰূপত জীয়াই ৰাখিছে যেন বোধ হয় ঃ হিন্দী কথাছবিৰ 'নাৰায়ণ নাৰায়ণ' কৰি ফুৰা বীণৰ'ৰাগীটিৰ কথা বাৰু এৰিলো; কিন্তু ঢেঁকীত উঠি সামান্য ফুল এপাহিৰ কাৰণে কৃষ্ণ-গোসাঁইৰ ঘৰত কন্দল লগোৱা চৰিত্ৰটি মনত পেলাওকচোন— সেইজন এতিয়াও গাৱেঁ-নগৰে প্ৰভাৱ বিস্তাৰ কৰি থকা যেন লাগে। ঢেঁকী আমাৰ উৰাজাহাজৰ পৌৰাণিক সংস্কৰণ আছিল নেকি নাজানো। কিন্তু আজিকালিৰ কোনো কোনো নাৰদে হ'লে অৱলীলাক্ৰমে উৰাজাহাজতে অহা-যোৱা কৰে। স্বয়ং পাইলট শ্ৰীবিজু পাটনায়কে দিল্লী-ভুৱনেশ্বৰৰ মাজত তাঁত-বাটি কৰি থকাৰ মূৰত উৰিষ্যা মন্ত্ৰীসভাৰ কি অথন্তৰ মিলিছে আমি সকলোৱে দেখিছো। উৰিষ্যাৰ মুখ্যমন্ত্ৰী শ্ৰীসদাশিৱ ত্ৰিপাঠীক অকলে এৰি তেওঁৰ সহকৰ্মীসকলে একেলগে পদত্যাগ কৰিব লগা হোৱাৰ প্ৰায় কেউটা স্তৰতে শ্ৰীপাটনায়ক উপস্থিত আছিল বুলি এতিয়া বাতৰি ওলাইছে। মহাৰাষ্ট্ৰৰ এম-এল-এ সকলৰ পদত্যাগ আৰু উত্তৰ প্ৰদেশৰ নেতৃ নিৰ্বাচন প্ৰশ্নতো এনেকুৱা নতুন নাৰদ কেনোবা কোনোবা আছিল নেকি কোৱা টান। কিন্তু মহাৰাষ্ট্ৰৰ বেলিকা মুখ্যমন্ত্ৰী শ্ৰীনায়কে কেন্দ্ৰীয় ৰেলৱে মন্ত্ৰী শ্ৰীপাটিলৰ লগত টেলিফোনেৰে আলোচনা কৰাৰ বতৰি হ'লে ওলাইছে— ৰেলৱে মন্ত্ৰী হ'লেও শ্ৰীপাটিলে যে ৰেলৰ সলনি আধুনিক ঢেঁকী-বাহনেৰেই অহা-যোৱা কৰে সেইটো নকলেও হ'ব। শ্ৰীমতী কৃপালনিৰ বেলিকাও আঁৰপটৰ পৰা সূত্ৰ ধৰা লোক আছিল বুলি নিসন্দেহে ক'ব পাৰি। আমাৰ জকাইচুকীয়া অসমতো পঞ্চায়ত, মন্ত্ৰীসভা, নিৰ্বাচন, খাদ্য যোগান আদিত অদৃশ্য হাতৰ পৰশ মাজে মাজে পৰি থাকে। সতকাই ধৰা টান; কাৰণ আগতে নাৰদ এজনহে আছিল, আজিকালি ক্ষেত্ৰই ক্ষেত্ৰই বহুত হ'ল।

মঙ্গলবাৰ, ১৩ চেপ্তেম্বৰ, ১৯৬৬ চন

# চাহ বাগিচাৰ কথা

উত্তৰ বঙ্গত কিছুদিন আগতে চাহ বাগিচাত হোৱা ধৰ্মঘট আৰু গুলী চালনা আদিয়ে চাহ-শিল্পৰ বিষয়ে অলপ দ'কৈ ভাবি চোৱাৰ কথালৈকে আঙুলিয়ায়। সেয়েহে পশ্চিমবঙ্গ চৰকাৰে চাহ বাগিচাৰ বনুৱাসকলৰ অভাৱ-অভিযোগ আদিৰ বিষয়ে সম্যকভাৱে বুজ ল'বলৈ এখন এজনীয়া কমিটী নিয়োগ কৰাৰ সিদ্ধান্ত লৈছে। এই কমিটীত বনুৱা বিভাগৰ প্ৰবীণ বিষয়া এজন থাকিব। চাহ বাগিচাৰ বনুৱাসকলৰ বানচ আৰু বৰ্তমানৰ বৰ্দ্ধিত মূল্য বা অনাটনৰ দিনত তেওঁলোকৰ জীৱিকা-নিৰ্বাহৰ অৱস্থা আদিৰ বিষয়ে এই তদন্ত কমিটীয়ে বিচাৰ কৰাৰ কথা।

এই সন্দৰ্ভত আমি গোটেই ভাৰতৰে চাহ-শিল্পৰ কেইটিমান সমস্যাৰ কথা উনুকিয়াব খুজিছো। বাতৰি মতে, পঞ্জাবৰ কাংৰা পাৰ্বত্য অঞ্চলৰ চাহ বাগিচাবোৰতো ১৯৬৫ চনৰ হিচাপ মতে এহাতে উৎপাদন কমিছে আনহাতে বানচ কম হোৱা কাৰণে বনুৱাৰ সংখ্যা কমি আহিছে। কাংৰা অঞ্চলত থকা ১১৫৯ খন ৰেজিষ্টাৰ্ড চাহ বাগিচাৰ ভিতৰত কুৰিখন বাগিচাতহে হেনো 'প্লেণ্টেচন লেবাৰ এক্ট' কাৰ্য্যকৰী কৰা হৈছে। বৃটিছ কোম্পানীয়ে এৰি যোৱা বহু বাগিচাত উন্নয়নৰ বাবে বিশেষ চেষ্টা নকৰা হেনো লাগে। 'টি ব'ৰ্ড' আৰু পঞ্জাব চৰকাৰৰ যুটীয়া প্ৰচেষ্টাত পতা ফেক্টৰীৰ লগত চাহ শিল্পত জড়িত উদ্যোগপতিসকলে সহযোগ নকৰাটোও উল্লেখযোগ্য। এনেদৰে হ'লে কাংৰা অঞ্চলৰ চাহ-শিল্পৰ ভৱিষ্যত কি হ'ব পাৰে সেয়া সহজে অনুমেয়। অসমৰ চাহ বাগিচাবোৰত যদিও বনুৱা বিক্ষোভ তেনেদৰে বৰ্তমানে হোৱা নাই, তথাপি চাউল যোগান আদিৰ ক্ষেত্ৰত অলপ অথন্তৰ ঘটা বুলি বাতৰি ওলাইছিল। তদুপৰি বহু বাগিচা হাত সলনি হ'ব ধৰিছে। এই বাগিচাবোৰৰ ইউৰোপীয় স্বত্বাধিকাৰীৰ পৰা দুই এক অবাঞ্ছিত (দেশৰ নিৰাপত্তাৰ দৃষ্টিভঙ্গীৰে) লোকে বাগিচা কিনিবলৈ চেষ্টা কৰাৰ বতৰাও ওলাইছে। আনহাতে দুই-এখন বাগিচাত বিদেশী কৰ্মকৰ্ত্তাসকলে ভাৰত-বিৰোধী মনোভাবো পোষণ কৰাৰ কথা মাজে সময়ে শুনা যায়। তেওঁলোকে থলুৱা ওপৰৱালা কৰ্মচাৰী কিছুমানো (এছিষ্টেণ্ট মেনেজাৰ আদি) কমাবলৈ ধৰিছে। এনেবোৰ কথা ভাবি-চিন্তি চাই অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে কিছুমান বিষয়ে কঢ়া নজৰ দিয়াৰো আৱশ্যক হৈছে। প্ৰথম কথা চাহ বাগিচাৰ বনুৱাসকলৰ বাবে চাউল-নিমখ আদি অতি আৱশ্যকীয় বস্তু উচিত মূল্যত নিয়মিতভাৱে যোগান ধৰাৰ ব্যৱস্থাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। দ্বিতীয়তে, যাতে ন্যস্ত স্বাৰ্থৰ খাম-খেয়ালীৰ বাবে থলুৱা লোকৰ কৰ্মচ্যুতি নহয় তাৰ বাবে বিশেষ দৃষ্টি ৰাখিব লাগিব। নিয়োগৰ ক্ষেত্ৰতো অসম চৰকাৰে নিজস্ব উচ্চ ক্ষমতাসম্পন্ন বিষয়াৰ জৰিয়তে থলুৱা লোকৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি তৎপৰ হ'ব লাগিব। তৃতীয়তে, হস্তান্তৰিত কৰা চাহ বাগিচাবোৰ চৰকাৰে নিজৰ অধীনলৈ আনি অশুভ প্ৰতিক্ৰিয়াৰ বাট বন্ধ কৰা উচিত হ'ব। শেষত, চোৰাংচোৱা বিভাগক চাহ বাগিচাত নিয়োজিত অবাঞ্ছিত লোকৰ সন্ধানৰ বাবে তৎপৰ হ'বলৈ নিৰ্দেশ দিয়া উচিত হ'ব।

বিদেশী মুদ্ৰা অৰ্জনকাৰী চাহ শিল্পক বাঢ়ি অহা প্ৰতিযোগিতাৰ মাজত জীয়াই ৰাখিবলৈ চৰকাৰে এতিয়াৰেপৰা অহোপুৰুষাৰ্থ নকৰিলে অৰ্থনৈতিক ক্ষেত্ৰত দেশৰ যথেষ্ট ক্ষতি হ'ব। সময় থাকোতে এই বিষয়ে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ যাতে সজাগ হয়, আমি তাকেই আশা কৰো।

# নাট্য আন্দোলন

অসমীয়া সাহিত্য-সংস্কৃতিৰ পাতনি মেলিছিল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে নাট-ভাওনাৰেই। সেয়া পাঁচশ বছৰ আগৰ কথা। ভাৰতৰ কোনো প্ৰান্তীয় ভাষাত এনেদৰে পাঁচশ বছৰ আগতে নাটকৰ ঐতিহ্যই গঢ় লোৱা নাছিল। অথচ, তেনে ঐতিহ্যসম্পন্ন অসমত আজি সকলোৱে আক্ষেপ কৰে যে ইয়াত এটা সুস্থ নাট্য আন্দোলন গঢ়ি উঠা নাই। নাটক সাহিত্যৰ এটা বিভাগ, যদিও, ইয়াৰ প্ৰাণ সঞ্চাৰ হয় প্ৰয়োগতহে। সেয়ে নাট্য সাহিত্য আৰু মঞ্চৰ মাজত অতীত কালৰেপৰা এটা নিবিড় সম্বন্ধ গঢ়ি উঠিছে।

অসমত মানে মঞ্চৰ বাহিৰেও অন্যান্য মাধ্যমত নাটক প্ৰচাৰিত হয়; কিন্তু মূল কথাটো একেই আছে যে দৰ্শনেন্দ্ৰিয় আৰু শ্ৰৱণেন্দ্ৰিয় নাইবা অকল শ্ৰৱণেন্দ্ৰিয়ৰ যোগেৰে গ্ৰহণ কৰিবলৈ যি কোনো এটা প্ৰয়োগশৈলীৰ জৰিয়তে নাটক অভিনীত হ'বই লাগিব। অকল সাহিত্যিক মূল্যৰ বাবে পাঠ কৰিবলৈ লিখা নাটকৰ নাটকীয় মূল্য এই কাৰণেই বিশেষ নেথাকে যে, তেনে ক্ষেত্ৰত সেই কাহিনীটি উপন্যাস বা গল্পৰ আকাৰেও লিখিব পৰা গ'লহেঁতেন।

পৰহি কটন কলেজ নাট্য পৰিষদৰ প্ৰথম নাটক মঞ্চস্থ কৰা উপলক্ষে দিয়া উদ্বোধনী ভাষণত ৰাজ্যিক শিক্ষামন্ত্ৰীয়ে কৈছিল যে নাটক হ'ল বিপ্লৱৰ বাৰ্ত্তাবহ; যুগে যুগে দেশে দেশে নাট্যকাৰে তেওঁলোকৰ নাটকৰ যোগেৰে একোটা জাতি, একোখন দেশক উদ্বুদ্ধ কৰি আহিছে নিজৰ প্ৰাপ্যৰ কাৰণে সংগ্ৰাম কৰিবলৈ; অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ, আৰু দুৰ্নীতি-দুষ্কৃতিৰ ছবি দাঙি ধৰি জনসাধাৰণক সত্য-ন্যায়ৰ আদৰ্শ ল'বলৈ। আমি ক'ব খোজো যে, এই আদৰ্শতে উদ্বুদ্ধ হৈ পৰাধীন ভাৰততো, বিশেষকৈ বঙ্গদেশত জাতীয়ভাবোদ্দীপক বহু নাট ৰচিত হৈছিল। প্ৰত্যক্ষভাৱে প্ৰচাৰধৰ্মী কৰিব নোৱাৰি মহাভাৰত-ৰামায়ণৰ কাহিনীৰ মাজেৰেও, ভাৰতবাসীক বিদেশী শাসন আৰু শোষণৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ নাটকৰ যোগেৰে উদ্‌গনি যোগাইছিল। আপেক্ষিকভাৱে দুৰ্বল আৰু অনুকৰণধৰ্মী হ'লেও অসমীয়া দুই-চাৰিখন নাটকেও পৰাধীন ভাৰতক স্বাধীনতাৰ বাবে অনুপ্ৰাণিত কৰিছিল। স্বাধীনতাৰ পিচত সমাজৰ অৰ্থনৈতিক অসমতা আৰু দুৰ্নীতি-দুষ্কৃতিৰ ছবি দাঙি ধৰা নাটক বা দেশ আক্ৰান্ত হোৱাৰ সময়ত সংহতি আৰু প্ৰতিৰক্ষাৰ আহ্বানৰ নাটকে ছেগাচোৰোকাকৈ অসমত মঞ্চস্থ হৈ আছে। তাৰ ভিতৰত শক্তিশালী নাটক কেবাখনো আছে। দ্বিতীয় মহাযুদ্ধৰ পিচত নাট্য জগতত এহাশুধীয়া অনুশীলন নোহোৱা হৈছিল একাধিক কাৰণত। প্ৰথম কথা, জীৱন যাত্ৰা দুৰ্বহ হৈ অহাত,— মঞ্চত লাগি থকা এচাম নতুন শিল্পী গঢ়ি উঠাটো সম্ভৱ নহ'ল। পুৰণি মঞ্চবোৰ জহিখহি গ'ল, আৰু আন আন ঠাইত— বিশেষকৈ কলিকতাত হোৱা নাট্য নিবেদনৰ কৌশলৰ লগত ফেৰ মাৰিব পৰা সুবিধা আমাৰ মঞ্চবোৰত নথকাত নতুন চামে পৰীক্ষা-নিৰীক্ষাৰ বাবে আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা নেপালে। চিনেমাৰ প্ৰতি প্ৰবীণ শিল্পীসকলৰ মন আকৃষ্ট হোৱা আৰু মঞ্চত মহিলা শিল্পীৰ অভাৱো ইয়াৰ কাৰণ। কিন্তু তেনে এটা অৱস্থাৰ অৱসান হোৱাৰ ইঙ্গিত পোৱা গৈছে আজি তিনি বছৰমানৰ পৰা নামনি অসমত গঢ় লোৱা ব্যৱসায়ী ভ্ৰাম্যমান নাট্য সংস্থাৰ উদ্যোগত; প্ৰাচীন মঞ্চ কিছুমানত আলোক-শব্দ-মেজিক আদিৰ সহায়েৰে দৰ্শকক আকৃষ্ট কৰাৰ চেষ্টাৰে নাট্য নিবেদন কৰা অব্যৱসায়ী দলৰ মাজত; আৰু চৰকাৰী-বেচৰকাৰী প্ৰতিযোগিতাৰ চাহিদাত ৰচিত আৰু মঞ্চস্থ হোৱা নাট নিবেদন কৰা নাট্য-গোষ্ঠীৰ প্ৰচেষ্টাৰ মাজত। তদুপৰি দ্বিতীয় মহাযুদ্ধৰ পিচত স্বাধীনোত্তৰ কালৰ পৰা ৰেডিঅ'ৰ চাহিদাত ৰচিত বহুশ শ্ৰব্যনাট আৰু বিশ্ববিদ্যালয়ৰ আৰু আন প্ৰতিযোগিতাৰ বাবে ৰচিত বহু

একাঙ্কিকাৰ মাজতো অসমীয়া নাটকে চলোৱা পৰীক্ষা-নিৰীক্ষাৰ সম্ভেদ পোৱা যায়।

কিন্তু নাটকৰ উদ্দেশ্য হ'ব লাগিব মনোৰঞ্জনৰ লগতে লোক-হিত আৰু সেই উদ্দেশ্যৰেই নিয়মিতভাৱে ভাওনা মঞ্চস্থ কৰাৰ ব্যৱস্থা কৰিছিল শ্ৰীমন্ত শঙ্কৰে সত্ৰই সত্ৰই। আমাৰ নতুন নাটকো সমাজৰ দুৰ্নীতি অপসাৰণ আৰু অসমতা দূৰীকৰণৰ উদ্দেশ্যৰে নিয়মিতভাৱে মঞ্চস্থ হ'ব লাগিব; লগতে আমাৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰাক বিশ্ব সংস্কৃতিৰ ভঁৰাললৈ আগবঢ়াবলৈ চেষ্টা চলাব লাগিব। সেই উদ্দেশ্য সফল কৰিবলৈ সঙ্গীত নাটক একাডেমীৰ দৰে অনুষ্ঠানে চৰকাৰী সাহায্য আৰু ৰাজহুৱা সহযোগেৰে কাম কৰিব লাগিব। অসমৰ মঞ্চসমূহৰ উন্নয়ন, আৰু আধুনিকীকৰণ; কেন্দ্ৰীয় জাতীয় ৰঙ্গমঞ্চৰ আৰ্হিৰে ৰাজ্যিক ৰঙ্গমঞ্চ নিৰ্মাণ; ব্যৱসায়ী আৰু অব্যৱসায়ী নাট্যগোষ্ঠীক আমোদকৰ আদি ৰেহাই দিয়া; আৰু ৰঙ্গমঞ্চৰ লগত জড়িত থাকি নতুন নাট্যকাৰসকলে দেশ-বিদেশৰ আৰ্হিৰে দেশৰ মাটিৰ উম থকা নাট্য ৰচনা আৰু প্ৰযোজনা কৰা,— এইবোৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি উচিত কাৰ্য্য পন্থা হাতত ল'লেহে অসমত প্ৰকৃত নাট্য আন্দোলন এটাই গঢ় ল'ব পাৰিব।

বৃহস্পতিবাৰ, ১৫ চেপ্তেম্বৰ, ১৯৬৬ চন

## গুৱাহাটীৰ পানী-যোগান ব্যৱস্থা

গুৱাহাটীকে ধৰি ৰাজ্যৰ কেতবোৰ অঞ্চলত ব্যাপকভাৱে জণ্ডিচ ৰোগ হোৱাৰ মূল কাৰণ আজিলৈকে উদ্‌ঘাটন কৰিব নোৱাৰাটো দুখৰ কথা। যিদৰে ৰোগে ব্যাপকতা লাভ কৰিছে আৰু যিদৰে নতুন নতুন লোক এই ৰোগত পৰিছে, তালৈ চাই শিলিগুৰিৰ পৰা ৰোগ আহি ইয়াত বিয়পি পৰিছে বুলি ভাবিবলৈ টান লাগে। ৰোগৰ উৎস সম্পৰ্কে বিচাৰ ল'বলৈ হ'লে খৰচি মাৰি আৰু ব্যাপকভাৱে যিবোৰ তথ্য সংগ্ৰহ কৰিব লাগে, সেইবোৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা নহ'ল বুলিয়েই আমাৰ ধাৰণা হৈছে। ৰাজ্যৰ বাহিৰৰ পৰা বিশেষজ্ঞই আহি কেইদিনমানৰ ভিতৰতে (যাৱতীয় তথ্য নোপোৱাকৈ) ৰোগৰ মূল বিচাৰি, উলিওৱাটো কোনোমতে সম্ভৱপৰ নহয়। কিন্তু আমি দেখিবলৈ পালো যে সংশ্লিষ্ট কৰ্ত্তৃপক্ষ যিদৰে তৎপৰ হ'ব লাগিছিল, সেইদৰে তৎপৰ নহ'ল। আনকি আজিলৈকে জণ্ডিচ-সংক্ৰমিত অঞ্চল বুলিও ৰাজ্যৰ কোনো অঞ্চলতে ঘোষণা জাৰি কৰা হোৱা নাই।

গুৱাহাটীত কিছুমানে ইতিমধ্যে পানীৰপৰাই জণ্ডিচ হোৱা বুলি সন্দেহ কৰিছে। অৱশ্যে তাকে প্ৰমাণ-সিদ্ধ কৰি তুলিব পৰাকৈ কোনেও তথ্য দাঙি ধৰিব পৰা নাই। সম্ভৱতঃ এসময়ত দিল্লীত পানী দূষিত হোৱাৰ ফলত তাত ব্যাপকভাৱে জণ্ডিচ ৰোগ হোৱাটো প্ৰমাণিত হোৱা কথালৈ মনত পেলাই কিছুমানে এনে ধাৰণা কৰিছিল। গুৱাহাটীৰ পানীৰ গুণাগুণ সম্পৰ্কে বিচাৰ লোৱা হৈছে যদি আমি নেজানো। কিন্তু এই বিষয়ে খৰচি মাৰি বিচাৰ লোৱাটো প্ৰয়োজনীয়। নতুনকৈ বহুওৱা পাইপবোৰৰে কিছুমান লগোৱাৰ পিচতে ফাটি যায়। সেই পিনেদি পানী বৈ আহি দোঙা বান্ধি থকাও কিছুমান ঠাইত দেখিবলৈ পোৱা যায়। নৰ্দমাৰ গেলা পানীৰ লগত এইবোৰ স্থানত সংস্পৰ্শ ঘটাৰ সম্ভাৱনা নথকা নহয়। ইয়াৰ প্ৰতিকাৰ সোনকালে কৰিব লাগে।

সম্প্ৰতি গুৱাহাটীৰ পানী কলৰ বাবে পাম্পেৰে পানী তোলা ব্যৱস্থা সন্তোষজনক নহয় বুলি এটা বাতৰি ওলাইছে। ব্ৰহ্মপুত্ৰৰ বোৱতি সুঁতিৰ পৰা পানী তোলা হোৱা নাই। পাৰৰ কাষৰে ঘোলা পানীহে পাম্পেৰে

তোলা হৈছে। গুৱাহাটী নগৰৰ কাষৰ পাৰটো কি অৱস্থাত আছে, সেই কথা সকলোৱে জানে। কৰ্তৃপক্ষই নাগৰিকসকলক নিম্নতম যিখিনি সা-সুবিধা দিব লাগে, সেইখিনিও দিব পৰা নাই। সেইদেখি হেজাৰ হেজাৰ লোকে নদীৰ পাৰটো লেতেৰা কৰি পেলাইছে। নিম্নতম সা-সুবিধাখিনি দিব পৰা নাই কাৰণেই বোধকৰো কোনেও এই সমস্যাটোলৈ কাণ কৰা নাই। এইটো যেন কাৰো দায়িত্বৰ ভিতৰুৱা কথা নহয়! কিন্তু এই লেতেৰা, অস্বাস্থ্যকৰ পাৰিপাৰ্শ্বিকতাৰ নিচেই কাষৰ পৰা পানীকলৰ বাবে পানী তোলাটো বিজ্ঞানসন্মত ব্যৱস্থা হৈছে নে? এহাতে অস্বাস্থ্যকৰ পাৰ আৰু আনহাতে কাষৰ অসংখ্য জাহাজে পানীৰ গতিত বাধা দি সেই ঠাইৰ পানী স্থবিৰ কৰি ৰাখিছে (লগতে জাহাজবোৰৰ পৰাও পানী অধিক লেতেৰা হৈছে)— তেনে এটা অঞ্চলৰ পৰা পানী তোলাটো অবিলম্বে বন্ধ কৰি বোৱতি সোঁতৰ পৰা পাম্পেৰে পানী তোলাৰ ব্যৱস্থা কৰাৰ হকে, যিসকলে পোষকতা কৰিছে, আমিও সেইটো মত সমৰ্থন কৰো। ইতিমধ্যে পানী শোধন কৰাৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰা উচিত। লগতে পানী উতলাই খাবৰ বাবেও ৰাইজৰ মাজত ব্যাপকভাৱে প্ৰচাৰ চলোৱা উচিত। এটা সংক্ৰামক ৰোগ হৈ থকা পৰত সাৱধানতা অৱলম্বন কৰাটো কৰ্তৃপক্ষই জঞ্জাল বুলি ভবা অনুচিত।

<u>শনিবাৰ, ১৭ চেপ্তেম্বৰ, ১৯৬৬ চন</u>

## সমস্যাৰ ভঁৰাল

আমাৰ প্ৰশাসনীয় ব্যৱস্থা কিমান নিৰাশজনক পৰ্য্যায়ত আছে, তাৰ ছবি এখন কামৰূপ জিলাৰ উপায়ুক্তই পতা সভা এখনৰ আলোচনা প্ৰসঙ্গত প্ৰকাশ পাইছে। অৱশ্যে এইখন ছবি অকল গুৱাহাটীৰে নহয়, সমগ্ৰ অসমৰে ছবি। চৰকাৰৰ পৰা আমি আশ্বাস পায়েই থাকো। কিন্তু কাৰ্য্যক্ষেত্ৰত সেই আশ্বাসৰ মূল্য নেথাকে। এনে সোপাটিলা ব্যৱস্থা কাৰণেই সমাজ-বিৰোধী কিছুমান শক্তিয়ে সমাজত যথেচ্ছাচাৰ চলাব পাৰিছে। অকল চ'ৰা দাম আৰু নাটনিয়েই আমাৰ সমস্যা নহয়। ভেজাল খাদ্য-সামগ্ৰীৰ অবাদ প্ৰচলনো আমাৰ কাৰণে ডাঙৰ সমস্যা। এই সমস্যাৰ অৱসান ঘটাবলৈ চৰকাৰৰ বিভিন্ন বিভাগ আছে; কিন্তু সেইবোৰ বিভাগ সম্পূৰ্ণৰূপে আওকণীয়া হৈ আছে। এই চৰকাৰী বিভাগবোৰ যিমানে নিৰ্লিপ্ত হৈ উঠিছে, সিমানে কিছুমান লোকৰ অনাচাৰ বাঢ়ি গৈছে। মাজতে খানাতালাচৰ অভিযান চলোতে খাদ্য-সামগ্ৰীত ভাঁজ দিয়াৰ বাবে কিদৰে ব্যাপকভাৱে পৰিকল্পিত প্ৰচেষ্টা চলিছে, সেই কথা সুস্পষ্ট হৈ পৰিছিল। কিন্তু সেইবোৰ তথ্য প্ৰকাশ পোৱাৰ পিচতো চৰকাৰৰ তৎপৰতা পৰিলক্ষিত নহ'ল। বজাৰত ভেজাল খাদ্য ওলোৱাটো নিয়মত পৰিণত হৈছে। মানুহৰ স্বাস্থ্যৰ সমুখত গুৰুতৰ সংকটে দেখা দিছে।

এই গুৰুতৰ সমস্যা সমাধান কৰিবলৈ আন্তৰিকতাহীন আশ্বাসেই যথেষ্ট নহয়। কঠোৰ ব্যৱস্থাৰ প্ৰয়োজন। আইন আৰু সাংবিধানিক ব্যৱস্থাবোৰ দেশৰ মঙ্গলৰ কাৰণেহে। যেতিয়া সেই সুবিধাৰ অপপ্ৰয়োগ কৰি কিছুমান লোকে নৰমেধ যজ্ঞ পাতি ধন ঘটাটোকে ব্ৰত হিচাপে লয়, তেতিয়া আইন আৰু সাংবিধানিক ব্যৱস্থাৰ সংশোধন ঘটাই হ'লেও চৰকাৰে কঠোৰ ব্যৱস্থা হাতত ল'বই লাগিব। সম্প্ৰতি আইনৰ নানান বাধাৰ অজুহাত দেখুৱাই ভেজাল সামগ্ৰী ধৰা পেলোৱা বা তাৰবাবে শাস্তি বিধান কৰাৰ ক্ষেত্ৰত আগবঢ়াটো মন্থৰ হোৱা বুলি যুক্তি দেখুৱাব খোজা হয়। এইটো কিন্তু পলায়নবাদী যুক্তিহে।

আনহাতে ভেজাল বস্তু ধৰা পেলাই তাৰ গুণাগুণ পৰীক্ষা কৰিবৰ বাবে সম্প্ৰতি থকা ব্যৱস্থাও নিচেই নিৰাশজনক। সমগ্ৰ ৰাজ্যৰ কাৰণে শ্বিলঙত মাত্ৰ পৰীক্ষাগাৰ আছে। ফলত সকলো কাম মন্থৰ হয়। ইপিনে ফাল চাঁচোতেই মাহৰ বতৰ যায়। গুৱাহাটীত উপায়ুক্তই পতা সভাতেই এইবুলি তথ্য দাঙি ধৰা হৈছে যে ভেজাল বস্তুৰ নমুনা পঠাই দিয়াৰ পিচত তিনি মাহেও শ্বিলঙৰ পৰা উত্তৰ পোৱা নাই। ১৯৬২ চনৰ গোচৰো আজিলৈকে নিষ্পত্তি নোহোৱাকৈ আছে। ব্যাপক ভাৱে ভেজাল বস্তুৰ প্ৰচলন হোৱাৰ মূৰতো নমুনা পৰীক্ষা কৰিবৰ বেলিকা লেজুত ধৰি বল নিদিয়াকৈ থকাটো আন্তৰিকতাৰ পৰিচায়ক নহয়। পৰীক্ষাগাৰ বিভিন্ন ঠাইত থাকিব লাগে। গুৱাহাটীত আঞ্চলিক পৰীক্ষাগাৰ পাতিবৰ বাবে ঘৰ সাজি 'চাইন ব'ৰ্ড' মৰালৈকে তৎপৰতা পৰিলক্ষিত হ'ল। কিন্তু তাৰ পিচত কাৰো একো সাৰসুৰ নাই। ভেজাল বস্তু ভেজাল বুলি প্ৰমাণ কৰিবলৈকে যদি বছৰৰ পিচত বছৰ বাট চাব লাগে, গোচৰ নিষ্পত্তি কৰিবলৈকো যদি কেইবা বছৰো লাগে আৰু শেষত যদি সামান্য দণ্ড বিধানেৰে প্ৰসঙ্গটোৰ সামৰণি মৰা হয়— তেন্তে ভেজাল বস্তুৰ পোহাৰ নেবাঢ়ি কমিবনে? ভেজাল সামগ্ৰী ততালিকে চিনাক্ত কৰি তপতে তপতে দোষীৰ দণ্ড বিধান হ'ব লাগে। তদুপৰি দণ্ড বিধান এনে আদৰ্শস্থানীয় হ'ব লাগে— যাতে সেয়ে আনৰো বুকুৰ কঁপনি তুলিব পাৰে।

কেতবোৰ ক্ষেত্ৰত দেখা গৈছে যে দুৰ্নীতিয়ে বহলাই শিপোৱা বাবে কেতবোৰ ভেজাল সামগ্ৰীৰ অবাধ প্ৰচলন হৈছে। চাউলৰ কথাকে এই প্ৰসঙ্গত ক'ব পাৰি। ব্যৱসায়ী মহলৰ লগতে কেতবোৰ চৰকাৰী বিভাগীয় লোকৰ ঘনিষ্ঠ সম্পৰ্ক ঘটিছে কাৰণেই চাউলৰ বেলিকা ডাঙৰ দুৰ্নীতি এটা চলি আছে। চৰকাৰৰ উদ্যোগত যোগান ধৰা হ'লেই তাৰ মান নিকৃষ্ট হোৱাটো স্বতঃসিদ্ধ যেন হৈছেগৈ। ইয়াৰ মাজত দুৰ্নীতি সোমাইছে কাৰণেই এই অৱস্থা হৈছে। সেইদৰে চাউলত শিল, ধান, তুঁহ, বনগুটি আদিয়ে প্ৰাধান্য লাভ কৰাৰ মূলতো দুৰ্নীতিৰ পোহাৰ এখন চলি আছে। সেয়ে নোহোৱা হ'লে কোনে এই কাম কৰিছে সেইটো ধৰা পেলাই তেনে কামৰ বিৰুদ্ধে চোকা ব্যৱস্থা লোৱাটো নিচেই সহজ কথা হ'লহেতেন!

গুৱাহাটীত উপায়ুক্তৰ উদ্যোগত পতা সভাৰ সিদ্ধান্ত মতে এতিয়া বিভিন্ন সমস্যাৰ প্ৰতি চকু ৰাখিবলৈ তদাৰককাৰী কমিটী গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই উদ্যমত আমি চেঁচা পানী ঢালিব খোজা নাই। ভেজাল খাদ্য সম্পৰ্কীয় কমিটীৰ সদস্যসকলে খাদ্য বস্তুৰ নমুনা সংগ্ৰহ কৰি গুণাগুণ সম্পৰ্কে বিচাৰ ল'ব বুলি কোৱা হৈছে। কিন্তু চলিত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন নেসাধিলে তাৰ পৰা ফল একোৱেই নহ'ব। কমিটীয়ে ভেজাল বুলি ক'লেই তাৰ আইনগত মূল্য নেবাঢ়ে। শ্বিলঙৰ পৰীক্ষাগাৰৰ ৰায় আনি চিৰাচৰিত মন্থৰ গতিৰে আগবাঢ়োতে মূৰকত কমিটীৰ উদ্যমেই ক'ৰবাত হেৰাই যাব। চৰকাৰৰ তৎপৰতা আৰু খৰতকীয়া কঠোৰ ব্যৱস্থা, সংশ্লিষ্ট চৰকাৰী বিভাগৰ নিষ্ঠা আৰু সচেতন নাগৰিক সদা-জাগ্ৰত সহযোগিতাই এই শামুকীয়া গাঁঠি খুলিব পাৰে।

গুৱাহাটীৰ এই সভাখনতে চাউলৰ বিতৰণ সম্পৰ্কে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। এইপথ অন্যান্য ঠাইতো লোৱা উচিত। সভাত সিদ্ধান্ত কৰা মতে ২৬ ছেপ্টেম্বৰ পৰা গুৱাহাটীত ৰেচন কাৰ্ডত চাউল দিয়া হ'ব। ২১ ছেপ্টেম্বৰৰ ভিতৰত ৰেচন কাৰ্ড যুগুত কৰা কাম সম্পূৰ্ণ হ'ব বুলি কোৱা হৈছে। ৰেচন কাৰ্ডৰ ব্যৱস্থাই এতিয়া বহুতখিনি অসুবিধা দূৰ কৰিব পাৰিব। পিচে কৰ্তৃপক্ষই এটা কথাৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগিব— এই পৰিৱৰ্তন ঘটোৱাৰ প্ৰাৰম্ভিক সময়ছোৱাত ৰাইজৰ যাতে একো ওপৰঞ্চি আহুকাল নহয়।

সোমবাৰ, ১৯ চেপ্তেম্বৰ, ১৯৬৬ চন

# আৰু দহ বছৰ?

খাদ্য-শস্য নীতি কমিটীয়ে কেন্দ্ৰীয় চৰকাৰক যি পৰামৰ্শ দিছে তাৰ পৰা অনুমান হৈছে যে দেশৰ খাদ্য পৰিস্থিতি এতিয়াৰ দৰেই পাঁচৰ পৰা দহ বছৰলৈ একেই থাকিব বুলি ধৰি লোৱা হৈছে। ঘাইকৈ খাদ্য অঞ্চল গঠনৰ বিৰুদ্ধে হোৱা কঠোৰ সমালোচনাৰ কাৰণেই খাদ্যৰ সংগ্ৰহ, বিতৰণ, মূল্য, চলাচল আদি সকলো দিশৰ বিষয়ে পৰামৰ্শ দিবলৈ এই কমিটী যোৱা মাৰ্চ মাহত গঠন কৰা হৈছিল। কমিটীয়ে উৎপাদন বৃদ্ধিৰ বিষয়ে একো কথা কোৱা নাই যেতিয়া বৰ্তমান খাদ্য-সংকটেই ৫।১০ বছৰলৈ চলি থাকিব বুলি ধৰি লোৱা হৈছে। কিন্তু এই সময়ৰ ভিতৰত যে এই সংকট আৰু বেছি উৎকট নহ'ব তাৰ কোনো নিশ্চয়তা নাই। গতিকে এতিয়াই খাদ্যাভাৱত জুৰুলা হোৱা ভাৰতবাসীৰ চকুৰ সমুখত কমিটীয়ে আশাৰ ছবি এখন দাঙি ধৰা নাই, বৰং বেছি দুখ-কষ্টৰ আশঙ্কাহে নমাই আনিছে। কমিটীৰ প্ৰতিবেদনৰ ভাষা অতিশয় ভয়াবহ, আমাৰ সমুখত বোলে "কোনো সহজ বিকল্প নাই— কেৱল কঠোৰ পথহে" বাছি ল'ব লাগিব; কমিটীৰ মতে ভৱিষ্যৎ "ইমান বেছি উদ্বেগপূৰ্ণ" যে ই দেশৰ নিৰাপত্তাৰ প্ৰতি সামৰিক ভাবুকিৰ নিচিনাই বুলি ইয়াক ধৰিব লাগে। গতিকে এতিয়া আমাৰ বিচাৰ্য্য বিষয় হ'ব— মোটা-মুটিকৈ ৪ৰ্থ-৫ম পৰিকল্পনাৰ ভিতৰত বাহাল ৰাখিব খোজা এই স্থিতাৱস্থাত ৰাইজৰ কষ্ট লাঘৱ কৰিবলৈ কি কি উপায় ল'ব খোজা হৈছে সেইটো।

কমিটীয়ে কৈছে যে খাদ্যৰ ওপৰৰ নিয়ন্ত্ৰণ উঠাই দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে আৰু চৰকাৰৰ পৰিচালনাও থাকিবই লাগিব। তদুপৰি খাদ্য বিষয়ত সৰ্বাত্মক ৰাষ্ট্ৰীয় বাজেট প্ৰস্তুত কৰিবলৈ, ৩।৪ বছৰৰ ভিতৰত চাৰি নিযুত টনৰ আছুতীয়া খাদ্য পুঁজি গঠন কৰিবলৈ, খাদ্য কৰ্পৰেচনক শক্তিশালী কৰি তুলিবলৈ প্ৰতিকাৰৰ পন্থা হিচাপে পৰামৰ্শ দিয়া হৈছে। নিয়ন্ত্ৰণ বাহাল ৰখাৰ বিষয়ত কাৰো দ্বিমত থাকিব নোৱাৰে, যেনেকৈ ৰেচনিং প্ৰৱৰ্ত্তনৰ ওপৰতো সমবিতৰণৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে বুলি স্বীকাৰ কৰিবই লাগিব। কিন্তু যি দেখা গৈছে খাদ্য বিষয়ত চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থা কেতিয়াবা উঠাই দিয়া হৈছে আৰু পিচত আকৌ তাক বহুৱাবলৈ লোৱা হৈছে। অসমতে এনেকুৱা লীলা-খেলা হৈ থকা দেখা গৈছে। এনে ধৰণৰ এৰা-ধৰা নীতিৰ ফলত সৰ্বসাধাৰণ ৰাইজেই অযথা কষ্ট পাব লগা হয়। প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী কেইজনমানক লৈ গঠন কৰিব খোজা ৰাষ্ট্ৰীয় খাদ্য পৰিষদে সততে খাদ্য পৰিস্থিতিৰ ওপৰত চকু ৰাখিব যেতিয়া এনে ধৰণৰ ভুল যাতে নহয় তাকেই আমি আশা কৰিলো। বেচনিঙৰ বিষয়তো কেৱল এক নিযুত জনসংখ্যা কিয়, সকলো চহৰতে ইয়াক প্ৰৱৰ্ত্তন কৰা আৱশ্যক বুলি আমাৰ বাস্তৱ অভিজ্ঞতাৰ পৰা আমি ক'ব পৰা হৈছো। কিয়নো ৰেচনিং হ'লে সম-বিতৰণ ভালেখিনি সুনিশ্চিত হ'ব।

বাতৰি কাকতৰ পৰা জনা মতে সংগ্ৰহৰ ক্ষেত্ৰত কমিটীৰ বৰ বেছি ক'বলগীয়া নাই যেন লাগিল। তিনি বছৰৰ কাৰণে শস্যৰ "উৎসাহদায়ক" নিম্নতম মূল্য স্থিৰ কৰি দিবলৈ যি কথা কোৱা হৈছে সেইটো বতৰ-সৰ্বস্ব আমাৰ কৃষি পদ্ধতিত কিমান কাৰ্য্যকৰী হ'ব কোৱা টান— অৱস্থা চাই ঘনাই সলনি কৰি থাকিব লগা হ'বও পাৰে। তদুপৰি সেই মূল্যতকৈ ওপৰত মূল্য ধৰি সংগ্ৰহ কৰিবলৈ যি পৰামৰ্শ দিয়া হৈছে সেইটো নকৰাৰ ফলতে অসম আৰু পশ্চিমবঙ্গৰ নিচিনা ৰাজ্যত আহুকাল আৰু অসন্তোষ সৃষ্টি হোৱা দেখা গৈছে। ইয়াৰ কাৰণেই অসমত একচেটিয়া সংগ্ৰহ ব্যৰ্থ হ'ল আৰু পশ্চিমবঙ্গত প্ৰথমৰ পৰা নিদি পিচলৈ দাম বঢ়াই দিয়া বাবে খেতিয়কৰ

মাজত ক্ষোভ ওপজিছে। খাদ্যৰ বিষয়ত বেচৰকাৰী ব্যৱসায়ীৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এই খণ্ডক একে দিনাই উৎখাট কৰাৰ পোষকতা নকৰিলেও আমি ক'বলৈ বাধ্য যে তেওঁলোকৰ ওপৰত বেছি নিৰ্ভৰশীলতাও শোভনীয় নহয়। কাৰণ তেতিয়াহ'লে নিয়ন্ত্ৰণ আৰু ৰেচনিং ব্যৱস্থাক কৃতকাৰ্য্য কৰিব খোজাটো এটা অলীক স্বপ্ন যেন হৈ পৰে। আন্তঃৰাজ্যিক খাদ্য চলাচলত বাধা-নিষেধ বাহাল ৰাখিবলৈ কোৱা হৈছে, কাৰণ তেতিয়াহ'লে সংগ্ৰহত সুবিধা হ'ব। এনেধৰণৰ বহুত আশাৰ কথা আমি শুনিলো কিন্তু বিভিন্ন ৰাজ্যৰ মাজত চোৰাং ব্যৱসায়ত যথেষ্টভাৱে বাধা দিব পৰা হোৱা নাই। এতিয়াও যদি চৰকাৰী যন্ত্ৰ অধিক তৎপৰ নহয়, তেন্তে এই ব্যৱসায় চোৰাং বেপাৰী নতুন উৎসাহে যোগাব। ওপৰৰ আলোচনাৰ পৰা দেখা যায়, কমিটিয়ে এনে কোনো নতুন পন্থাৰ সন্ধান দিয়া নাই, যিটোৰপৰা খাদ্য সংকট দূৰ হোৱাৰ কিবা আশা কৰিব পাৰি নাইবা এতিয়ালৈকে গৃহীত পন্থাৰ পৰা বেলেগ কিহবাৰ পৰামৰ্শ দিয়া হৈছে।

## সাধুতাৰ সাধু কথা

ঢৌ লেখি ধন ঘটাৰ সাধুটো নিশ্চয় বহুতে জানে। কোনোবাই মাজত ঢৌ ভাঙি দিলেতো কম্পেনচেচন লৈ লেখোঁতাই হেনো পুনৰ কাম আৰম্ভ কৰিছিল। আজিকালি আমি ক'ম— এইটোনো এটা কাম হ'লনে? পিচে আজিকালিওচোন বহুতে নানান ধৰণৰ ঢৌ লেখিয়ে বেছ ভালকৈ বৰ্তি আছে। অজানিতে অনুপাৰ্জিত ধন বুলি এটা কথা আছে। একো নকৰাকে লাভ কৰা ধনখিনিক তেনে আখ্যা দিয়া হয়। ভাৰতৰ আজিও যিটো বণিক সভ্যতা, তাত নানান অসদুপায় অৱলম্বন কৰিয়ে ধন ঘটাৰ বস্তুত ভাঁজ দি, বস্তু লুকুৱাই থৈ, বস্তুৰ চোৰাং ব্যৱসায় কৰি, ভেটি দি আৰু ভেটি খুৱাই ইত্যাদি নানা উপায় অৱলম্বন কৰি ব্যৱসায় জগতখন চলাই থকা হৈছে। ইয়াৰপৰা যিবোৰ ধন উপাৰ্জিত হয় তাকনো বাৰু ঢৌ লেখি পোৱা ধন নুবুলি কি বুলিব।

এই আন্ধাৰৰ মাজতো কাচিৎ এগচি বন্তি জ্বলি উঠে। বাছ বা বজাৰত যেনেকৈ আপোনাৰ জেপ লুৰুকী মানিবেগটো নিয়া মানুহো আছে, তেনেকৈ আপুনি অন্য মনস্ততাত এৰি থৈ আহা মাণিবেগটো ঘূৰাই দিয়া মানুহো দুই-এজন ওলাব। কলিকতাৰ পুলিচে এনে দুজন ডেকাৰ সন্ধান পাইছে। তেওঁলোকে হেনো চাকৰি বজাই ৰাখিবৰ কাৰণে মিছা কথা কৈ, ভুৱা চাৰ্টিফিকেট দেখুৱাই চৰকাৰক প্ৰৱঞ্চনা কৰিছে। কিন্তু বিবেকৰ দংশনত থাকিব নোৱাৰি আৰু সংশোধনৰ সুযোগ বিচাৰি পুলিচৰ ওচৰ চাপিছিল। এনে ঘটনাক সুধাতাৰ সাধু কথা বুলিয়ে ক'ব পাৰি। এনেবোৰ যে বাতৰি বুলিও বিবেচিত হৈছে সেইটোৱে তাৰ প্ৰমাণ। কিন্তু শ্মশানৰ জুইকুৱাই আন্ধাৰ দূৰ কৰাকচাৰি তাক বেছি গভীৰ, বেছি ভয়াৱহে কৰি তোলাৰ দৰে এইবোৰ ঘটনাই আমাৰ সমাজৰ সমস্যা আৰু জটিল কৰিব বুলিহে অনুভৱ কৰাই দিয়ে। শ্ৰীধৰমবীৰ ডেকাসকলে অভিযান চলাই অসাধু বেপাৰীক ধৰিলে। আমি হাত চাপৰি বজাই ৰং কৰো; কিন্তু অভিযানৰ উল্কা চেঁচা পৰি গ'লে আমি যি তিমিৰত আছিলো সেই তিমিৰতে আকৌ বুৰ যাওঁ— বৰং তিমিৰৰ ভয়াৱহতা বুজিব পাৰি তাক আগতকৈও অসহ্য যেনহে লাগে। ঢৌ খেলিবলৈ গৈ ধৰা পৰা চৰকাৰী চাকলিয়ালৰ তালিকা মাজে মাজে চৰকাৰে উলিয়াই থাকে। তথাপি ঢৌ লেখাৰ অন্ত নাই। অৱশ্যে অকল যে বেপাৰী বা চাকৰিয়ালে এনে কাম কৰে এইটো নহয়। কৰ ফাঁকি দিয়া চৰকাৰী ব্যয়ৰ পৰা চান কাৰি কমিচন লোৱা, লাইনত থিয় হৈ সহৰকৈ চাউল গোটায় বেচা, দৰ্খাস্তই প্ৰতি হাতত পৰা আদি বহুত মানুহে ঢৌ লেখি আজিকালি ধন ঘটে।

শুকুৰবাৰ, ২৩ চেপ্তেম্বৰ, ১৯৬৬ চন

# নিৰাশজনক

ৰাজ্য বিধানসভাৰ এষ্টিমেট কমিটীৰ উনবিংশ প্ৰতিবেদনৰ যোগেদি কেতবোৰ নিৰাশজনক কথা প্ৰকাশ পাইছে। চৰকাৰী পৰিবহন সন্থা সম্পৰ্কীয় এই প্ৰতিবেদনৰ সকলো আলোচ্য বিষয়ৰ উৎস অৱশ্যে নতুন নহয়। ১৯৬০ চনৰ চতুৰ্থ প্ৰতিবেদনৰ সূত্ৰ ধৰি ইয়াত কেতবোৰ কথা আলোচনা কৰা হৈছে। চৰকাৰী পৰিবহন বিভাগৰ কেতবোৰ খুঁত উলিয়াই তেতিয়াৰ এষ্টিমেট কমিটীয়ে দিয়া চতুৰ্থ প্ৰতিবেদনৰ (১৯৬০ চনৰ) সম্পৰ্কত সংশ্লিষ্ট বিভাগে কেনেদৰে সহযোগ কৰিলে তাৰে নমুনা এই প্ৰতিবেদনত আছে। তেতিয়াৰ পৰা বহুত লিখালিখি চলাৰ মূৰত ১৯৬৫ চনতহে বিভাগীয় উত্তৰ পোৱা হ'ল। কিন্তু সেয়ে যথেষ্ট নোহোৱাত পুনৰ উত্তৰ বিচাৰিবলগীয়া হ'ল, সাক্ষ্য ল'বলগীয়াও হ'ল। মূৰকত ১৯৬৬ চনৰ মে মাহত এষ্টিমেট কমিটীয়ে চূড়ান্ত মতামত দিব পাৰিলে। এই প্ৰসঙ্গৰ ভেটিতে কমিটীয়ে মন্তব্য কৰিছে যে চৰকাৰে এষ্টিমেট কমিটীৰ প্ৰতিবেদনৰ প্ৰতি সাধাৰণতে কেনে আওকণীয়া মনোভাৱ দেখুৱায়, ই তাৰে এটা উদাহৰণ।

সাধাৰণতে কমিটীয়ে বিধাসনভাত প্ৰতিবেদন দাখিল কৰাৰ ছমাহৰ ভিতৰত প্ৰতিবেদনত উল্লেখ কৰা বিষয়ৰ সম্পৰ্কত সংশ্লিষ্ট বিভাগে উত্তৰ দাখিল কৰিব লাগে। এনে অৱস্থাত একোটা বিষয় ছবছৰলৈকে চুঁচৰিলে অতি নিৰাশজনক অৱস্থা এটাৰে প্ৰতিচ্ছবি এখন ওলাই পৰে। প্ৰশাসনক নিকা কৰাটো গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰথম চাহিদা। সেই বাবেই প্ৰশাসনৰ কেতবোৰ ফাল সংযত অৱস্থাত ৰাখিবৰ বাবে বিশেষ কেতবোৰ ব্যৱস্থা ৰখা হৈছে। সংসদ, ৰাজ্য বিধানসভা আদিৰ বিভিন্ন কমিটীয়েও চৰাকৰৰ কাম-বনৰ ওপৰত চকু ৰাখি মহৎ উপকাৰ সাধন কৰিব পাৰে। সংসদত পাব্লিক একাউণ্টছ কমিটীয়ে কেনে অপূৰ্ব ধৰণে দায়িত্ব পালন কৰিছে, তাৰ পৰিচয় আমি ইতিমধ্যে পাইছো। ইংলণ্ডৰ গণতান্ত্ৰিক গাঁথনিৰ আৰ্হিতে আমাৰ দেশতো এনে ব্যৱস্থা লোৱা হৈছে। অৱশ্যে ইংলণ্ডৰ পাব্লিক একাউণ্টছ কমিটীৰ গণ্ডী আৰু বহল। তথাপি আমাৰ সংসদৰ এনেবোৰ কমিটীয়ে কৰ্মকুশলতা দেখুৱাব পাৰিছে আৰু চৰকাৰৰ পৰাও পূৰ্ণ সহযোগ আদায় কৰিব পাৰিছে।

এনে অৱস্থাত অসমৰ এষ্টিমেট কমিটীয়ে চৰকাৰৰ আওকণীয়া মনোভাৱৰ বাবে দুখ কৰিবলগীয়া হোৱাটো আমাৰ গণতান্ত্ৰিক মৰ্য্যাদাৰ কাৰণেই ক্ষতিকৰ। প্ৰশাসন নিকা কৰাৰ আন্তৰিকতা যদি চৰকাৰৰ আছে, তেন্তে মৌখিক বাণীয়েই তাৰ প্ৰমাণ নহয়। এনেবোৰ ক্ষেত্ৰত পূৰ্ণ সহযোগ আগবঢ়ালেহে তাৰ প্ৰমাণ পোৱা যাব। চৰকাৰৰ ব্যয় আদিৰ বেমেজালি ঘটিলে তেনে বিষয়ক যদি বহুত বছৰলৈ চোঁচোৱাই লৈ ফুৰোৱাটোৱেই নিয়ম হয়, তেন্তে বুজিব লাগিব যে কেতবোৰ ন্যস্ত স্বাৰ্থই এই ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছে। চৰকাৰৰ নিষ্ঠা আৰু দৃঢ়তাৰ ক্ষেত্ৰতো এনে কথাই বে'কা দৃষ্টি পেলাব। সম্প্ৰতি প্ৰশাসন নিকা কৰা, দুৰ্নীতি নাশ কৰা, অপব্যয় নিবাৰণ কৰাৰ ধ্বনি উঠিছে। এনে অৱস্থাত সদনৰ নিৰ্বাচিত কমিটীয়ে দায়িত্ব পালন কৰিবলৈ সুবিধা নোপোৱাটো বৰ দুখৰ কথা। সম্ভৱতঃ এনে সোপাটিলা মনোভাৱ থকা কাৰণেই ১৯৬৬ চনৰ অডিট ৰিপৰ্টতো আমি নানা বিসঙ্গতিৰ বাতৰি পাইছো। যি সতৰ্কতা নাই; কঠোৰতাও নাই। ১৯৫৫-৫৬ চনৰ পৰা ১৯৬০-৬১ চনৰ ভিতৰত কাৰিকৰী শিক্ষা বিভাগে কেইবালাখো টকাৰ বস্তু কিনি ১৯৬৪ চনলৈকে ব্যৱহাৰ নকৰাকৈ পেলাই থ'লে। অডিট-আপত্তি উঠাই সেই বস্তুখিনি আন প্ৰতিষ্ঠানৰ হাতত দিয়াটোকে ঠিক কৰা হয়। কিন্তু

তাকে কৰা হ'ল নে নাই সেই বিষয়ে ১৯৬৬ চনৰ মাৰ্চলৈকে কোনো খবৰ দিয়া নহ'ল। সেই একেটা বিভাগে ১৯৬৩ চনত একে ধৰণৰ সঁজুলি দুবাৰ কিনিলে। কিন্তু তাৰ বাবে দায়ী কোন, সেই কথা ১৯৬৬ চনলৈকে নিদ্ধাৰণ কৰা নহ'ল। এইবোৰ কথাই প্ৰশাসনৰ কাৰণে সুনাম অৰ্জা নাই। অফিচৰ 'ৰামৰাজ্য' বন্ধ কৰিবলৈ হ'লে সাংবিধানিক আৰু গণতান্ত্ৰিক ব্যৱস্থা অনুসৰি কৰা তদাৰককাৰী সংগঠনবোৰৰ প্ৰতি অধিক শ্ৰদ্ধা প্ৰদৰ্শন কৰিবই লাগিব।

## সাধাৰণ পৰিষদ

সন্মিলিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ একবিংশ অধিৱেশন ইতিমধ্যে আৰম্ভ হৈছে। বৰ্তমান অধিৱেশনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ভিয়েটনামৰ যুদ্ধ, আফ্ৰিকাৰ গুৰুতৰ পৰিস্থিতি, —এইবোৰৰ পৰিৱেশৰ মাজত বহা কাৰণেই এই অধিৱেশনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। পিচে অধিৱেশনে নাটকীয়ভাৱে কিবা সমাধান উলিয়াব পাৰিব বুলি আমাৰ ধাৰণা নহয়। জাতিসংঘৰ মৰিশালীত গঢ়ি তোলা সন্মিলিত ৰাষ্ট্ৰসংঘৰ জেউতি ইতিমধ্যে ম্লান হৈ পৰিছে। সম্প্ৰতি সন্মিলিত ৰাষ্ট্ৰসংঘত দুটা সমান্তৰাল গতি দেখা গৈছে। নতুনকৈ স্বাধীন হোৱা এছীয় আৰু আফ্ৰিকান দেশবোৰৰ সদস্য-সংখ্যা বৃদ্ধি পোৱাৰ পৰা সাধাৰণ পৰিষদত এতিয়া বিশেষ এটা ধাৰাই প্ৰাধান্য লাভ কৰিছে। কিন্তু সন্মিলিত ৰাষ্ট্ৰসংঘৰ গতিপথ নিৰ্ণয় কৰিছে নিৰাপত্তা পৰিষদেহে— সাধাৰণ পৰিষদে নহয়। নিৰাপত্তা পৰিষদত বৰমূৰীয়া ৰাষ্ট্ৰসমূহৰে এদনীয়া দখল। সেইদেখি এই বিশ্ব সংস্থাৰ মাজত দুটা সমান্তৰাল গতি পৰিলক্ষিত হৈছে।

ইয়াৰ পৰিণতি কি হয়গৈ ক'ব নোৱাৰি। কিন্তু এইটো ঠিক যে সাধাৰণ পৰিষদে সাম্প্ৰতিক সমস্যাবোৰত ৰেখাপাত কৰিব নোৱাৰে। বিশ্বৰ অন্যতম ঘাই সমস্যা— ভিয়েটনামৰ যুদ্ধ। কিন্তু ভিয়েটনামৰ প্ৰশ্নক আজি সন্মিলিত ৰাষ্ট্ৰসংঘৰ গণ্ডীৰ বাহিৰত ৰাখি বৰমূৰীয়া ৰাষ্ট্ৰৰ লীলা-খেলাৰ মাজতহে ৰখা হৈছে। আফ্ৰিকাৰ গুৰুতৰ পৰিস্থিতিৰ ক্ষেত্ৰতো কাৰ্যতঃ আনুগত্যৰ ভাগ বাটোৱাৰা হৈছে— শ্বেতাঙ্গ আৰু কৃষ্ণাঙ্গৰ মাজত। বৰমূৰীয়া ৰাষ্ট্ৰৰ মৌন আশীৰ্বাদ যেতিয়ালৈকে থাকিব তেতিয়ালৈকে সাধাৰণ পৰিষদৰ অসহায় অৱস্থা দূৰ নহয়।

শনিবাৰ, ২৪ চেপ্তেম্বৰ, ১৯৬৬ চন

## বানপানী

কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা পঠোৱা প্ৰতিনিধি দল এটাই অসমৰ বানপানীৰ সমস্যা সম্পৰ্কে ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰে আৰু এতিয়া প্ৰতিনিধি দলে ৰাজ্যৰ বানপীড়িত অঞ্চল কেতবোৰ পৰিদৰ্শন কৰিবলৈ লৈছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি দল ৰাজ্যৰ এই জটিল সমস্যা সম্পৰ্কে উপলব্ধি কৰিবলৈ সক্ষম হ'ব বুলিয়েই আমি আশা কৰিছো। ৰাজ্য চৰকাৰে বানপানীয়ে ক্ষতি সধা অঞ্চলত মেৰামতিৰ কাম চলাবলৈ আৰু সাহায্য দিবৰ বাবে কেন্দ্ৰৰ পৰা মুঠতে ১০.৫ কোটি টকা বিচাৰিছে। ৰাজ্য চৰকাৰে অকলে নিজা পুঁজিৰ পৰা এই গধুৰ দায়িত্ব যে বহন কৰিব নোৱাৰে, সেইটো কথা আজি নতুনকৈ বুজোৱাৰ সকাম নাই। সেইদেখি কেন্দ্ৰীয় চৰকাৰ সাহায্যৰ বাবে মুকলি মনেৰে আগবাঢ়ি আহিবই লাগিব।

অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত আমাৰ বানপানীৰ সমস্যা সম্পৰ্কে হোৱা আলোচনা অকল আৰ্থিক

সাহায্যৰ প্ৰশ্নতে সীমাবদ্ধ হৈ থকাটো আমি বিচৰা নাই। বানপানীয়ে আমাক লগ এৰা নিদিয়া হৈছে— বছৰি একাধিক বানপানী হ'বই লাগিছে। এইবাৰ একে লেথাৰিয়ে হোৱা বানপানীয়ে ভৈয়ামৰ জিলাসমূহৰ ৬৯০০ বৰ্গমাইল ঠাইত ক্ষতি সাধিলে আৰু ভৈয়াম অঞ্চলৰ শতকৰা ৪৪ ভাগ লোক পীড়িত হ'ল। প্ৰায় ২১ কাটি টকাৰ শস্য হানি হ'ল। বাট-পথ, দলং আৰু বিভিন্ন চৰকাৰী সা-সম্পত্তিৰ বাহিৰেও স্কুল আদি ৰাজহুৱা অনুষ্ঠান আৰু ব্যক্তিগত ঘৰ-বাৰীৰ ক্ষতিৰ হিচাপ ল'লে বিৰাট অংক এটা ওলাব। বছৰি কম-বেছি পৰিমাণে এনে ক্ষতি হৈ আছে। বছৰি সাহায্য আৰু মেৰামতিৰ কামত বিস্তৰ ধন খৰচ হৈছে। লগে লগে প্ৰতি বছৰে কোটি কোটি টকা ভাঙি মথাউৰি আদি নিৰ্মাণ কৰি থকা হৈছে। কিন্তু মূল সমস্যাৰ সমাধান হোৱা নাই। বানপানীৰ অত্যাচাৰ বাঢ়িহে গৈছে; নদীৰ গতি সলনি হৈছে; খহনীয়াও বাঢ়িছে।

এনে অৱস্থাত আমাক বৃহৎ নদী উপত্যকা পৰিকল্পনা এখনৰ বাহিৰে আন একোৱে উদ্ধাৰ কৰিব নোৱাৰে বুলি আমাৰ নিশ্চিত ধাৰণা জন্মিছে। যিমান দিনলৈ বানপানী থাকিব সিমান দিনলৈ আমাৰ কাৰণে কোনো পৰিকল্পনাৰে একো মূল্য নাই। সমুখৰ নিশ্চিত বানপানীৰ আগত আমি মাত্ৰ পৰিকল্পনাৰ নামত নিকৰুণভাৱে ধনৰ অপচয় ঘটাইছো; দুখীয়া ৰাইজক আৰু দুখীয়া কৰিছো আৰু ক্ৰমে ক্ৰমে ৰাইজৰ সকলো উৎসাহ নিঃশেষ কৰি নিছো। মথাউৰিৰ আশ্বাসে ৰাইজৰ বুকুত বল চপাই নিদিয়ে। নদী নিয়ন্ত্ৰণৰ সৰ্বাঙ্গীন ব্যৱস্থাৰে বৃহৎ আঁচনি হাতত লোৱাই এতিয়া একমাত্ৰ পথ। স্বাধীনতাৰ পিচৰ পৰা এতিয়ালৈকে বানপানীয়ে যিমান ক্ষতি কৰিলে, চৰকাৰে যিমান টকা ভৰিলে— সেইখিনি ধনেৰে বৃহৎ আকাৰৰ কেইবাখনো নদী নিয়ন্ত্ৰণ আঁচনি কাৰ্যকৰী কৰি তুলিব পৰা হ'লহেঁতেন। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি দলক সেই বাস্তৱে যদি পতিয়ন নিয়ায়, তেন্তে ৰাইজৰ আশা তেতিয়াহে পূৰণ হ'ব পাৰে।

## তৎপৰতা লাগে

পূব পাকিস্থানলৈ ধান-চাউলৰ চোৰাং চালান বন্ধ নোহোৱা বুলি শুনিলে আমি বুজিব লাগিব যে চৰকাৰৰ তৎপৰতাৰ অভাৱ এতিয়াও গুচা নাই। কেনে পৰিকল্পিতভাৱে পূব পাকিস্থান আৰু ৰাজ্যৰ বাহিৰৰ আন কেতবোৰ ঠাইলৈ চোৰাংভাৱে ধান-চাউল যাব লাগিছে, সেই বিষয়ে বিস্তৃত বাতৰি ইতিমধ্যে প্ৰকাশ পাইছে। এইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখিবৰ বাবে চৰকাৰী বিভাগো আছে। সেইবোৰ বিভাগে এইবোৰ কথা গম নেপায় বুলি আমি বিশ্বাস নকৰো। সেইদেখি গোটেই কথাটোৰ লগত দুৰ্নীতিৰ ঘনিষ্ঠ সম্পৰ্ক ঘটিছে বুলি আমাৰ সন্দেহ হৈছে। দুৰ্নীতিৰ পোহাৰ চলিলেহে আৰু দায়িত্বশীল কিছুমান লোকৰ যোগাযোগ থাকিলেহে এনে পৰিণতি হ'ব পাৰে।

সেইদেখি চৰকাৰে আমাৰ সন্দেহ ভঞ্জন কৰক। অকল বিবৃতিয়ে এই সন্দেহ দূৰ কৰিব নোৱাৰে। কাৰ্য্যক্ষেত্ৰত কঠোৰতা দেখা পালেহে আমি বুজিম যে সন্দেহৰ থল নাই। পূব পাকিস্থানৰ লগত অবাধে চোৰাং ব্যৱসায় চলাব পৰা 'সুবিধা' থকা কথাটোলৈ আমি নিশ্চয় ৰাষ্ট্ৰৰ নিৰাপত্তাৰ দৃষ্টিকোণৰ ফালৰ পৰাও লক্ষ্য কৰা উচিত হ'ব। এইবোৰ সুৰুঙাই জানো ডাঙৰ বিপদকো হাত বাউল নিদিব? সেই ভাৰসা আমাৰ নাই। ইতিমধ্যে বহুতো কথাই আমাৰ উদ্বেগ বঢ়াইছে। অবৈধ পাকিস্থানীৰ প্ৰসঙ্গটোৰ ক্ষেত্ৰতো অদৃশ্য হাতৰ স্পৰ্শ পৰা বুলি ধাৰণা হৈছে। অসমত অবৈধভাৱে প্ৰৱেশ কৰা পাকিস্থানী লোকৰ সমস্যাটো এটা ডাঙৰ সমস্যা বুলি চৰকাৰেও স্বীকাৰ কৰিছে। কিন্তু তেনে লোকক বহিষ্কাৰ কৰা কাম সমূলি সন্তোষজনক হোৱা নাই। বহিষ্কাৰ কৰা লোক

পুনৰ অসমত সোমাইছেহি। কিমান অবৈধভাৱে প্ৰৱেশ কৰা পাকিস্থানী লোক অসমত আছে, তাৰ নিৰ্ভৰযোগ্য হিচাপ চৰকাৰৰ হাতত নাই বুলিয়েই আমাৰ ধাৰণা হৈছে। মাজতে বৰপেটা সত্ৰৰ সন্মুখত হোৱা ৰাজহুৱা সভাত প্ৰকাশ কৰা কেতবোৰ তথ্যই আমাক অবাক কৰিছে। সভাত তোলা অভিযোগ মতে সেই অঞ্চলত অবৈধভাৱে প্ৰৱেশ কৰা পাকিস্থানী লোকৰ সংখ্যা বৃদ্ধি পাইছে; তেনে লোক ভোটাৰৰ শাৰীতো উঠিছে; তদুপৰি থলুৱা লোকক বঞ্চিত কৰি পাকিস্থানী লোকক মাটি দিয়া বুলিও অভিযোগ তোলা হৈছে। নদীয়ে অঘৰী কৰা লোকৰ সংস্থাপনৰ নামত হেনো থলুৱা লোকৰ ঠাইত অবৈধভাৱে অসমত সোমোৱা পাকিস্থানী লোকক মাটি দিয়া হৈছে। এইবোৰ কথাৰ সত্যতাৰ বিচাৰ লোৱাৰ প্ৰয়োজন চৰকাৰে নাই বুলিয়েই ভাবিছে নেকি? আমি কিন্তু ভবা নাই। এই বিষয়ে নিৰপেক্ষভাৱে উচ্চ পৰ্য্যায়ৰ তদন্ত হোৱা উচিত। চৰকাৰৰ ঘোষিত উদ্দেশ্যৰ বিপৰীতে যোৱা কাম চৰকাৰৰ চকুৰ আগতে যদি হ'বলৈ পায়, তেন্তে ক'ব লাগিব যে ইয়াত ন্যস্ত স্বাৰ্থই শিপা মেলিছে, দুৰ্নীতি চলিছে আৰু ক্ষমতাশালী কেতবোৰ মহলৰ প্ৰৰোচনাত ৰাষ্ট্ৰৰ স্বাৰ্থৰ বিপৰীতে যোৱা কাম কৰাৰ বাবে সুৰুঙা ওলাইছে। এনে অৱস্থাত এই প্ৰসঙ্গৰ প্ৰতি আওকণীয়া হৈ থকাটো মাৰাত্মক ভুল হ'ব। চৰকাৰ এই বিষয়ত তৎপৰ হওক।

<u>দেওবাৰ, ২৫ চেপ্তেম্বৰ, ১৯৬৬ চন</u>

# এখন বিয়োগান্ত নাট

অসমৰ এভাগ প্ৰাইমেৰী শিক্ষকক কেন্দ্ৰ কৰি বহুত বছৰ ধৰি এখন বিয়োগান্ত নাটক চলি আছে। প্ৰাইমেৰী শিক্ষাৰ মান উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰে যে বিভিন্ন ব্যৱস্থা হাতত লৈছে সেই কথা স্বীকাৰ কৰিবই লাগিব। সেই আঁচনি মতে প্ৰাইমেৰী শিক্ষকসকলক অৰ্হতাসম্পন্ন কৰি তোলাৰো ব্যৱস্থা হাতত লোৱা হয়। শিক্ষকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ লগতে হঠাৎ আদেশ জাৰি কৰা হ'ল যে যিসকল শিক্ষক প্ৰৱেশিকা পাছ নহয় বা শিক্ষকৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নাই, তেওঁলোকক ১৯৬৩ চনৰ ৩১ মাৰ্চৰ পৰা চাকৰিৰ পৰা বিদায় দিয়া হ'ব। নাটকখনৰ আৰম্ভণি তেতিয়াৰ পৰাই। বহুত বছৰ ধৰি অলপীয়া দৰমহাৰে কাম কৰি থকা বহুত শিক্ষকে সৰিয়হ ফুল দেখিলে। এই আদেশ পোৱা শিক্ষকসকলে অসম আৰু নগালেণ্ড উচ্চ ন্যায়ালয়ৰ কাষ চপাত উচ্চ ন্যায়ালয়ে শিক্ষকসকলৰ সপক্ষেই ৰায় দিলে। তেওঁলোকক চাকৰিৰ পৰা বিদায় দিয়া পদ্ধতিৰ দোষ ধৰি ন্যায়ালয়ে এই শিক্ষকসকলক পুনৰ কামত নিয়োগ কৰাৰ আদেশ দিলে। কিন্তু সেই দুৰ্ভগীয়া শিক্ষকসকলৰ দুৰ্গতি সিমানতে শেষ নহ'ল। তেওঁলোকে পুনৰ চাকৰিত সোমাবলৈ নেপালে। কিয়নো ৰাজ্য চৰকাৰে সেই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ কাষ চাপি স্থিতাৱস্থাকে বাহাল ৰাখিলে।

১৯৬৩ চনৰ সেই ঘটনাৰ প্ৰতিধ্বনি উঠিল ১৯৬৬ চনৰ ছেপ্টেম্বৰ মাহত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰ চ'ৰাত। উচ্চতম ন্যায়ালয়েও প্ৰায় পূৰ্বৰ ৰায়ৰ আৰ্হিতে ৰায় দান কৰি অসম চৰকাৰৰ আপীল নাকচ কৰিছে। উচ্চতম ন্যায়ালয়ৰ মতে অসমৰ ৰাজ্যিক শিক্ষা ব'ৰ্ডৰ সহকাৰী সচিবে এই শিক্ষকসকলক চাকৰিৰ পৰা বিদায় দিয়াৰ কৰ্তৃত্ব পোৱা নাই। কিয়নো তেওঁ নিয়োগকাৰী কৰ্তৃপক্ষ নহয়। ৰাজ্যিক শিক্ষা ব'ৰ্ড ১৯৬২ চনৰ অসম প্ৰাথমিক শিক্ষা আইন মতে গঠিত হয়; কিন্তু এই শিক্ষকসকল তাৰ আগতেই নিযুক্ত হৈছিল। তদুপৰি

এই আদেশ যে ৰাজ্যিক ব'ৰ্ডে দিয়া নাছিল আৰু ১৯৬৩ চনৰ ৩১ মাৰ্চৰ আগতে কোনো শিক্ষককে চাকৰি যোৱাৰ জাননী দিয়া হোৱা নাছিল— সেই কথাও উচ্চতম ন্যায়ালয়ৰ ৰায়ত প্ৰকাশ পাইছে।

চৰকাৰে যে জধে-মধে ব্যৱস্থা লৈছিল, সেই কথা এই দুয়োটা ৰায়ৰ পৰা সুস্পষ্টভাৱে ওলাই পৰিছে। কলমৰ খোঁচাতে আনৰ ভাত মৰাৰ অধিকাৰ আছে বুলি যিসকলে ভাবে, তেওঁলোকৰ হয়তো ধীৰে-সুস্থিৰে আগবঢ়াৰ ধৈৰ্য্যকণো নাই। এতিয়া আদালতৰ ৰায়ে যদি সেইকণ শিক্ষা দিয়ে, তেন্তে সেয়ে বহুত লাভ। আমি এতিয়া বিচাৰো যে ক্ষতিপূৰণসহ এইসকল শিক্ষক পূৰ্বৰ পদত বাহাল হ'ব লাগে। লগতে আমি এই কথাও কৈ থ'ব খোজো— অবাঞ্ছনীয়ভাৱে শিক্ষকক খেদাই শিক্ষাৰ মান উন্নত কৰিব নোৱাৰি। প্ৰাইমেৰী শিক্ষাৰ মান উন্নত কৰিবৰ বাবে উপযুক্ত শিক্ষকৰ ব্যৱস্থা কৰিবলৈ হ'লে মূল ভেটিটোৱো উন্নতি কৰিব লাগিব। অনাহাৰে থকাৰ খত লিখি দি শিক্ষকতাৰ দায়িত্ব ল'বলৈ মানুহ সহজে নাহে। দ্বিতীয়তে মহম্মদ টোগলকৰ আৰ্হিৰে প্ৰশিক্ষণ আঁচনি সফলতাৰে সম্পাদন কৰিব নোৱাৰি— তাৰ বাবে লাগিব— সুপৰিকল্পনা, নিষ্ঠা, আন্তৰিকতা, ধৈৰ্য্য আৰু সহ্যনুভূতি।

তেনে পৰিকল্পনা আমি দেখা নাই। কিয়নো সাম্প্ৰতিক অৱস্থাটোক স্বীকাৰ কৰি লৈহে বাস্তৱ পৰিকল্পনাৰ কথা ভাবিব পাৰি। কোন স্তৰৰ লোক বৰ্তমান প্ৰাইমেৰী স্কুলৰ শিক্ষকৰ আসনত আছে, সেই কথা পোনতেই বিচাৰ কৰিব লাগিব। কিয় আছে— সেইটো কথাও বিচাৰ কৰিব লাগিব। ৰাজহুৱা সভাত যিহকেই কোৱা নহওক প্ৰাথমিক শিক্ষা সুদীৰ্ঘকাল ধৰি উপেক্ষিত হৈ আছে। তাৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে প্ৰাথমিক পৰ্য্যায়ত যি অৰ্হতাৰ শিক্ষক লাগে, তেনে শিক্ষক নাই। যিসকল আছে তেওঁলোকক আচম্বিতে যুগুত কৰা মাপ-কাঠীৰে জুখি দলিয়াই দিলেও নল মৰি গজালিহে ওলাব— যদিহে মূল ভেটিৰ সুস্থ পৰিকল্পনা কৰা নহয়। চৰকাৰে ব্যৱস্থা কৰি উপযুক্ত লোকক আকষণ কৰক আৰু যিসকল ইতিমধ্যে শিক্ষক হৈ আছে তেওঁলোকক সহানুভূতিৰে সময় দিয়ক— নিজৰ যোগ্যতা আৰ্জিবলৈ। শাস্তি দিবলৈ শিক্ষকলৈ চোঁচা লোৱাটো সম্ভৱতঃ নিচেই সহজ কথা।

<u>সোমবাৰ, ২৬ চেপ্তেম্বৰ, ১৯৬৬ চন</u>

# গুৱাহাটী মেডিকেল কলেজ

অৱশেষত কুম্ভকৰ্ণৰ টোপনি ভঙাৰ দৰে গুৱাহাটী মেডিকেল কলেজ সম্পৰ্কে চৰকাৰৰ মনোভাৱৰ এটা আভাস পোৱা গৈছে। কিছুমান দাবীৰ ভিত্তিত যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা এই কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰি আছে আৰু এসপ্তাহৰো ওপৰ কাল এই ধৰ্মঘট চলি থকাটো উদ্বেগজনক বুলি বিবেচিত হৈছে। তেওঁলোকৰ দাবীৰ ন্যায্যতা সম্পৰ্কে আমাৰ দ্বিধা নাই। কলেজখনক ইমান দিনেও পূৰ্ণাঙ্গ কৰি তুলিব নোৱাৰাটো অকল ছাত্ৰ-ছাত্ৰীৰে নহয়, ৰাইজৰো পৰম পৰিতাপৰ বিষয়। এখন কলেজ পতাই চৰকাৰৰ পক্ষে সহজ নহয়, এনে অৱস্থাত একেলগে দুখন কলেজ পাতিবলৈ সিদ্ধান্ত কৰি পোনতেই ভুল কৰা হৈছিল— তাৰ গুৰি কাৰণ যিয়েই নহওক। তাৰ ফলত স্বীকৃতি পোৱা আদি বিষয়ত অনিশ্চয়তাৰ সৃষ্টি হৈ ছাত্ৰ-ছাত্ৰীয়ে উদ্বিগ্নতাত দিন কটাবলগীয়া অৱস্থাও হৈছে, তথাপি এই মেডিকেল কলেজখনক অচিৰে পূৰ্ণাঙ্গ ৰূপদান কৰিবলৈ

চৰকাৰে চেষ্টা কৰা দেখা নগ'ল। দিহিঙে-দিপাঙে থাকি পঢ়িব লগা অৱস্থা, হাস্পতালত ভাল সুবিধাৰ অভাৱ ইত্যাদি কাৰণতো কৰ্তৃপক্ষৰ আওকণীয়া মনোভাৱ ছাত্ৰ-ছাত্ৰীসকলে দেখি আহিছে। মেডিকেল কলেজ হোৱাত ইয়াৰ হাস্পতালৰ পৰা সৰ্বসাধাৰণ ৰাইজেও ডিব্ৰুগড়ৰ দৰে চিকিৎসাৰ সা-সুবিধা পাবলৈ আশা কৰাটো স্বাভাৱিক। সেই আশা যে কিছুপৰিমাণে ফলৱতী হৈছে সেই বিষয়ে সন্দেহ নাই। কিন্তু এই কথাও সঁচা যে ইয়ালৈ অহা ৰোগী তথা ৰাইজৰ ক্ষোভৰ কাৰণো বহুত আছে। দিচপুৰৰ নতুন ঠাইত কলেজ আৰু হাস্পতাল হৈ উঠিলে এইবিলাক অসুবিধাৰ ভালেখিনি নিশ্চয় লাঘৱ হ'লহেঁতেন।

মুখ্যমন্ত্ৰী শ্ৰীচলিহাই মেডিকেল ছাত্ৰৰ ধৰ্মঘট সংক্ৰান্তত যি বিবৃতি দিছে তাত কেইটামান আশাপ্ৰদ কথা আছে। ছাত্ৰসকলৰ দাবীসমূহৰ বিষয়ে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ তেওঁ আশ্বাস দিছে। যেনে কলেজখনক পূৰ্ণাঙ্গ কৰা হ'ব, পাছ কৰা ছাত্ৰৰ স্বীকৃতিৰ দিহা কৰা হ'ব, ডীপ এক্সৰে প্লেন্ট পাবলৈ চেষ্টা কৰি থকা হৈছে আৰু কৰি থকা হ'ব আৰু অক্টোবৰত অপাৰেচন থিয়েটাৰত কাম কৰিব পৰা হ'ব তথা ছাত্ৰীসকলে জালুকবাৰীৰ সলনি দিচপুৰত থাকিব পাৰিব। তেওঁৰ মতে আগত বিত্তীয় বছৰতে দিচপুৰত হাস্পতাল নিৰ্মাণো আৰম্ভ হ'ব। এইবিলাক কথাৰ কিছুমানে সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীক আশ্বস্ত কৰিব, কিন্তু বাকীবিলাক যে কেৱল আশ্বাসহে এই কথা নহয় বুলিবৰ কাৰণ নাই।

মুখ্যমন্ত্ৰীয়ে দিয়া সমিধানৰ যিখিনি কথা বাতৰি কাকতত ওলাইছে তাৰ পৰা যি দেখা যায় অতি কঠিন ৰোগৰ চিকিৎসাৰ বাবে অত্যাৱশ্যকীয় ডীপ এক্সৰে প্লেন্ট পোৱাৰ বিষয়ত কোনো নিশ্চয়তা নাই; তদুপৰি নতুন ঠাইত হাস্পতাল ভৱনৰ নিৰ্মাণ কাৰ্য্যই পূৰ্ণতা পাবলৈ কিমান দিন লয় তাকো সঠিককৈ ক'ব পৰা নগ'ল— অহা বছৰত আৰম্ভ হ'বহে! এইবোৰলৈ চাই কলেজখনক পূৰ্ণাঙ্গ কৰি তোলা হ'ব বুলি দিয়া মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পৰাও আশ্বস্ত হ'বলৈ বিশেষ একো নাই।

গুৱাহাটীৰ ৰাজহুৱা সভা এখনেও মেডিকেল কলেজখনৰ দুৰৱস্থাত উদ্বেগ প্ৰকাশ কৰিছে আৰু ইয়াৰ প্ৰতি কৰ্তৃপক্ষৰ 'সহানুভূতিহীনতা'ৰ অভিযোগ তুলিছে। ছাত্ৰৰ সঁজাতী দল এটাই মুখ্যমন্ত্ৰীক লগ ধৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী কৰিছে। তেওঁ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি যেতিয়া নিজ মুখে কৈছে তেতিয়া আমি খৰতকীয়া কাৰ্য্যপন্থাৰ দাবী কৰো। চৰকাৰৰ সহানুভূতিৰ প্ৰশ্নই উঠিব নেলাগিছিল; এইটো তেওঁলোকৰ অৱশ্য কৰ্তব্য। কলেজ এখন পতাৰ নামত আধা-ডুখৰীয়াকৈ কিবা অলপ কৰি গা-এৰা স্বভাৱটো শ্বিলঙৰ কৰ্তৃপক্ষই এৰক। শ্ৰীচলিহাক কথাই-কামে একে দেখিবলৈ আমি ইচ্ছা কৰো।

## "সংগ্ৰহকুমাৰ"

এই নামৰ লগত যাৰ পৰিচয় নাই তেওঁক জনাওঁ, কেন্দ্ৰীয় চৰকাৰৰ তথ্যচিত্ৰ এখনত এজন সাধাৰণ মানুহ উলিওৱা হৈছিল যি বজাৰত পণ্যৰ অনাটন দেখি অনাৱশ্যকভাৱেও যি পায় বস্তু গোটাই থয়। তেওঁৰে নাম সংগ্ৰহকুমাৰ। এনে কৰিব নেলাগে বুলি তথ্যচিত্ৰখনত কোৱা হৈছিল। ৰেচন কাৰ্ড বিলাবৰ বেলিকাও বহুতে পৰিয়ালৰ সংখ্যা বঢ়াই দি গুৱাহাটীত সমস্যাৰ সৃষ্টি কৰিছে বুলি বাতৰি ওলাইছে। কলিকতাত অসংখ্য ভুৱা ৰেচন কাৰ্ড ধৰাৰ কথা কিছুদিন আগতে ওলাইছিল। খাদ্য বিতৰণৰ বাবে নাগৰিকৰ তালিকা কৰোতে হেনো তেজপুৰতো হিচাপতকৈ বহুত মানুহ বেছি ওলাইছে।

মিছা কথা কোৱাটো বেয়া। অন্যায়ো। কাৰণ পিয়ল মতেই চহৰবোৰৰ জনসংখ্যাৰ মোটামুটি হিচাপ একোটা আছে। কৰ্তৃপক্ষই নিয়ম কৰি খাদ্য-বস্তু বিতৰণ কৰিবলৈ ওলাই যদি ৰাইজে বঢ়াই দেখুওৱা পেটবোৰৰ সমুখীন হয় তেন্তে বিতৰণ ব্যৱস্থাটোৱেই ব্যৰ্থ হৈ যাব। অৱশ্যে মুকলি বজাৰত যথেষ্ট পৰিমাণৰ পণ্য থাকিলে এনে পয়মালৰ সৃষ্টি নহয়। যোৱা কিছুদিন প্ৰতি বৃহস্পতিবাৰে লাইনত থিয় দিয়া মানুহৰো বহুতে একে কাৰণতে সংগ্ৰহকুমাৰৰ ভূমিকা লৈছিল— কিছুমানে বোলে বেপাৰো কৰিছিল।

অভিযোগ উঠিছে যে পৰিয়াল পৰিচয়-পত্ৰ প্ৰস্তুত আৰু বিতৰণৰ পদ্ধতিটো ভুল হোৱা কাৰণেই মানুহে সংখ্যা বঢ়াই দেখুৱাবলৈ সুবিধা পাইছে। পদ্ধতি নিকা কৰাটো আমিও বিচাৰো। কিন্তু আনহাতে মানুহৰ মনত এই বুধিটো খেলাল কেনেকৈ সেইটোও ভাবি চাবলগীয়া। আমাৰ মানুহে অৱস্থা চাই যে ব্যৱস্থা কৰিব জানে এই কথা ইয়াত প্ৰমাণ হয়। পৰিয়ালৰ সংখ্যা বঢ়াই দেখুৱাটো যে লাজৰ কথা নহয় এইটো বাৰু গান্ধাৰীৰ এশ পুত্ৰ বা দ্ৰৌপদীৰ পঞ্চপতি থকা ধৰ্মকথাৰ প্ৰেৰণা নেকি? —ছগৰাকী পত্নী গ্ৰহণ কৰা ইণ্ডোনেছিয়াৰ ভূতপূৰ্ব মন্ত্ৰী এজনৰ কথা বাৰু নধৰিলোৱেই! চাউল গোটাই ফুৰা মধ্যবিত্ত-নিম্নবিত্তকনো অকলে কি দূষিব, বৰ বৰ লোকেও মনে মনে সংগ্ৰহ কৰে— তাকে যেনিবা খুলি নকয়। কিছু ধন বাহিৰ কৰিবলৈ চৰকাৰে চেষ্টা কৰাৰ কথা সকলোৱে জানে; বোম্বাইত চিত্ৰতাৰকাসকলৰ লটি-ঘটি হোৱাৰ কথাও আমাৰ মনত আছে। নেতাসকলৰ পৰাও কেতিয়াবা কেতিয়াবা হিচাপ খোজা হয়। কুবেৰ কিজানি এই পিচৰ শ্ৰেণীৰ আৰ্হি। মুঠতে ৰোগটো প্ৰাচীন আৰু ব্যাপক। সমাজদেহৰ ওপৰত আসুৰিক হওক, অস্ত্ৰোপচাৰ হওক ভাল চিকিৎসা নহ'লে নিৰাময় কৰা টান।

বুধবাৰ, ২৮ চেপ্তেম্বৰ, ১৯৬৬ চন

# ভাষা আইনৰ প্ৰয়োগ

ৰাজ্য চৰকাৰে অহা এক নবেম্বৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত জিলা-জজৰ আদালতৰ পৰ্য্যায়লৈকে আদালতত অসমীয়া ভাষা প্ৰৱৰ্তন কৰা হ'ব বুলি ঘোষণা কৰিছে। সেইদৰে কাছাৰ জিলাতো অনুৰূপ পৰ্য্যায়লৈ বঙালী ভাষা আদালতত সেই তাৰিখৰ পৰা ব্যৱহৃত হ'ব। ইতিমধ্যে ৰাজ্য চৰকাৰে মহকুমা আৰু জিলা পৰ্যায়ত চৰকাৰী ভাষা ব্যৱহাৰ কৰা সম্পৰ্কে ঘোষণা জাৰি কৰিছিল। পিচে সেই ঘোষণা মূলতঃ ঘোষণাৰ পৰ্য্যায়তে থাকিল। এতিয়াও নিম্নতম পৰ্য্যায়ত ইংৰাজী ভাষাৰ প্ৰাদুৰ্ভাৱ আগৰ দৰেই আছে। আনকি পঞ্চায়তলৈ যোৱা চিঠিও ইংৰাজীতে গৈ আছে। অসমৰ যিকেইখন জিলাত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে, সেই কেইখন জিলাৰ সাম্প্ৰতিক কথা-কাণ্ডৰ বিচাৰ ল'লেই বুজা যাব যে চৰকাৰী আদেশ পালন কৰা ক্ষেত্ৰত নিষ্ঠা আৰু আন্তৰিকতাৰ উৎকট অভাৱ ঘটিছে।

চৰকাৰী ভাষা আইনখন কাৰ্য্যকৰী কৰাত এনেয়েই গতি অতিশয় লেহেম হৈছে। এনে স্থলত নিৰ্দিষ্ট পৰ্য্যায়ত সীমাৱদ্ধভাৱে অসমীয়া ভাষা প্ৰয়োগ কৰিবৰ বাবে প্ৰৱৰ্তন কৰা চৰকাৰী ব্যৱস্থাও কাৰ্য্যকৰী নহ'লে আমি হতাশ হোৱাৰ যথেষ্ট কাৰণ আছে। উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা জোখাৰে নোহোৱা, টাইপ ৰাইটাৰৰ চাহিদা পূৰণ কৰিব নোৱাৰা— ইত্যাদি কাৰণত অলপ বাধাৰ সৃষ্টি হ'ব পাৰে। কিন্তু সেই বাধা অচিৰে দূৰ

কৰিবই লাগিব। আনহাতে যিবোৰ পাৰিভাষিক শব্দাৱলী গৃহীত হৈছে, সেইবোৰৰ কোনো শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত ইতিমধ্যে যদি কিবা আহুকাল হৈছে, তেন্তে তাৰ সাল-সলনিৰো ব্যৱস্থা কৰিব লাগে।

পিচে আমাৰ ধাৰণা যে ঘাইকৈ এটা বিশেষ মনোবৃত্তিৰ কাৰণেহে অসমীয়া ভাষা নিম্ন পৰ্য্যায়ত উচিতভাৱে ব্যৱহৃত হোৱা নাই। যেতিয়ালৈকে ছেক্ৰেটৰিয়েট পৰ্য্যায়ত অসমীয়া ব্যৱহৃত নহয়, তেতিয়ালৈকে এই মনোবৃত্তিৰ অৱসান হয়তো নঘটিব। সেইদেখি আমি বিচাৰো যে উচ্চতম পৰ্য্যালয়ত যথাসম্ভৱ শীঘ্ৰে অসমীয়া ভাষা চৰকাৰী ভাষা আইনৰ ব্যৱস্থা মতে প্ৰৱৰ্তিত হ'ব লাগে।

## নিৰাপত্তা ঃ ৰেলপথ আৰু সীমান্তত

স্বাধীন ৰাজ্যৰ নাগৰিকৰ প্ৰথম আৰু প্ৰধান স্বত্ব হৈছে নিৰাপত্তা; —ব্যক্তিগত নিৰাপত্তা, পৰিয়ালৰ নিৰাপত্তা, দেশৰ নিৰাপত্তা। এই নিৰাপত্তা অক্ষুণ্ণ ৰখাৰ দায়িত্ব ৰাষ্ট্ৰীয় চৰকাৰৰ। ভাৰতে আজি কেইবছৰমানৰ পৰা ওচৰচুবুৰীয়া ৰাজ্যৰ অবন্ধু-সুলভ মনোভাৱৰ বাবে সীমান্ত অঞ্চলৰ নিৰাপত্তাৰ ক্ষেত্ৰত সদায় সজাগ থাকিবলগীয়াত পৰিছে। আনহাতে ওচৰচুবুৰীয়া দুই এক ৰাষ্ট্ৰৰ অনুপ্ৰৱেশকাৰী আৰু দুই এক দেশদ্ৰোহীৰ বাবে দেশৰ ভিতৰতো— ৰেলপথ আদিত নিৰাপত্তাহীনতাৰ বাবে চৰকাৰ উদগ্ৰীৱ হ'বলগীয়াত পৰিছে। ৰেলপথত গুপ্ত শত্ৰুৰ উপৰিও দেশৰ গুণ্ডা ধৰণৰ লোকৰ পৰাও মাজে সময়ে বিপদ-আপদ হৈ থকাটো সকলোৰে জানে। ১৯৬৫ চনত ৰেলত ১০৭ টা হত্যাকাণ্ড, ২৪ টা ডকাইতি, ১৩৫ টা গুণ্ডামি, ২৫ টা নাৰী হৰণ আৰু ১০,৬০৬ টা চুৰি সংক্ৰান্ত ঘটনা সংঘটিত হৈছিল। যাত্ৰীবাহী ট্ৰেইন আৰু ৰেল ষ্টেচনত ঘটা এই ঘটনাবোৰৰ সংখ্যা আৰু অধিক হ'ব, কাৰণ বহুতো সৰু-সুৰা ঘটনা বা গম নোপোৱা ঘটনা এই লেখৰপৰা বাদ পৰিছে। আনহাতে সেই বছৰতে ১৪৪ বাৰ ৰেল লাইন আঁতৰোৱা বা ৰেল লাইনত বাধা দিয়াৰ চেষ্টা কৰা হৈছিল। এনেবোৰ অসৎ লোকৰ কামৰ বাবে বহু প্ৰাণ নষ্ট হৈছিল, বহুতো সম্পত্তি ধ্বংস হৈছে আৰু ৰেলৱে বিভাগে ১৯৬৪-৬৪ চনত প্ৰায় ৫ দেশৰ সামূহিক নিৰাপত্তাৰ লগত ৰেলপথৰ নিৰাপত্তাৰ বিশেষ সম্বন্ধ থকালৈ চাই— এই বিষয়ে কেন্দ্ৰীয় ৰেলৱে মন্ত্ৰী বিভাগ তৎপৰ হোৱাটো স্বাভাৱিক। ৰেল লাইনৰ নিৰাপত্তাৰ বাবে প্ৰত্যেক ৰাজ্য চৰকাৰৰ দায়িত্ব থাকিব কিন্তু ৰেল ষ্টেচন বা ট্ৰেইনত ঘটা চুৰি-ডকাইতি-হত্যাকাণ্ড আদিৰ বিপৰীতে দ্ৰুততৰ ব্যৱস্থা ল'বলৈ এটা কেন্দ্ৰীয় ৰেলৱে পুলিচ বাহিনী গঠন কৰাৰ মানসে সংবিধানৰ আৱশ্যকীয় সংশোধনৰ বাবে ৰেলৱে মন্ত্ৰীদপ্তৰে বৰ্তমানে প্ৰস্তাৱ দিছে। চলন্ত ট্ৰেইন বা ৰেল ষ্টেচনত ঘটা অপৰাধৰ সংখ্যা বৰ্তমানে বাঢ়িছে আৰু ইয়াৰ আঁৰত বিদেশী শত্ৰুৰ হাত থকাটোও অসম্ভৱ নহয়। বহু ক্ষেত্ৰত তেনে বাহিৰৰ হস্তক্ষেপৰ উমানো পোৱা গৈছে। অসমৰ দৰে একাধিক অবন্ধুভাবাপন্ন ৰাষ্ট্ৰৰ সীমাত থকা ৰাজ্যৰ ক্ষেত্ৰত এই বিষয়ে ৰেল বিভাগ অধিক তৎপৰ হোৱা উচিত হ'ব।

আনহাতে কেন্দ্ৰীয় সীমান্ত নিৰাপত্তা বাহিনীৰ ডিৰেক্টৰ জেনেৰেল শ্ৰীকে-এফ-ৰুস্তমজীয়ে যোৱা দেওবাৰে শ্বিলঙত কোৱাৰ দৰে চৰকাৰে দ্ৰুতভাৱে— অসম আৰু পূৱ পাকিস্থানৰ সীমান্তত অধিক চোকা পহৰাৰ ব্যৱস্থা কৰাটো যুগুত হ'ব। বৰ্তমানে পূৱ পাকিস্থানৰ পৰা অনুপ্ৰৱেশকাৰী দলে দলে অসমত সোমাবলৈ চেষ্টা কৰা কথাটো অকল অসমৰ কাৰণেই নহয়, গোটেই ৰাষ্ট্ৰৰ কাৰণে ভয়াবহ হৈ উঠিছে। এই বিষয়ে অসমৰ মুখ্যমন্ত্ৰীয়েও দঢ়াই দঢ়াই সাৱধান কৰি দিছে। আমি আশা কৰো অসমৰ সকলো দলৰ নেতৃস্থানীয় সকলো লোকে এই

বিপদৰ বিপৰীতে সক্ৰিয় অংশ গ্ৰহণ কৰিব। সমূহ ৰাইজেও এই বিষয়ে চৰকাৰক সহায় কৰাৰ উপৰি, দেশৰ মাজত লুকাই থকা দেশদ্ৰোহীৰ সন্ধানত সজাগ থাকিব,— যাতে এজনো অনুপ্ৰৱেশকাৰীয়ে ক'তো আশ্ৰয় নেপায়। আজি ভাৰতৰ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিকে ব্যক্তিগতভাৱে আৰু সমূহীয়াকৈ ৰক্ষা কৰিব লাগিব তেওঁলোকৰ প্ৰথম আৰু প্ৰধান স্বত্ব-নিৰাপত্তা, ব্যক্তিগত নিৰাপত্তা, পৰিয়ালৰ নিৰাপত্তা, দেশৰ নিৰাপত্তা।

শুকুৰবাৰ, ৩০ চেপ্তেম্বৰ, ১৯৬৬ চন

## ব্যয় সংকোচন

চলিত বিত্তীয় বছৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে ১০১ কোটি টকাৰ ব্যয় হ্ৰাস কৰিবলৈ ঠিক কৰিছে। তাৰে ২৪ কোটি টকা ৰাজহৰ শিতানৰ ব্যয়, ৬৭ কোটি মূলধনী শিতানৰ ব্যয় আৰু ১০ কোটি ৰেলৰে মূলধনী শিতানৰ ব্যয়। ৰাজহৰ শিতানত শতকৰা ৩ ভাগ আৰু মূলধনী শিতানত শতকৰা ৫ ভাগ ব্যয় কৰ্তন কৰিবৰ বাবে ইতিমধ্যে লোৱা সিদ্ধান্ত অনুসৰি কেন্দ্ৰীয় চৰকাৰে এই ব্যৱস্থা লৈছে। আমাৰ বৰ্তমান সমস্যাৰ পটভূমিত এনে ব্যৱস্থা লোৱাৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিছে। খৰচ কমাই পৰিকল্পনাৰ বাবে ৬০০ কোটি টকা গোটোৱাৰ লক্ষ্য কেতিয়াবাই লোৱা হৈছিল। কিন্তু সেই বিষয়ত অগ্ৰগতিহে দেখা নগ'ল।

এতিয়া কেন্দ্ৰীয় চৰকাৰে সেই ক্ষেত্ৰত তৎপৰতা দেখুওৱাটো সন্তোষৰ কথা। অগ্ৰাধিকাৰ পোৱা বৃহৎ যোজনা এই ব্যৱস্থাৰ ফলত বাধাগ্ৰস্ত নহয় বুলি চৰকাৰে আশ্বাস দিছে। আমিও তাকেই বিচাৰো। কঠোৰভাৱে অগ্ৰাধিকাৰ নিৰূপণ কৰি কিছুমান কাম পিচলৈ নিব পাৰি— তেনে থল বহুতো ওলাব। আনহাতে মিছা মৰ্য্যাদাৰ প্ৰশ্ন তুলি ব্যৰ্থ আঁচনি কেতবোৰ চলাই খৰচান্ত হৈ থকাৰো সকাম নাই। বৰ্তমানৰ আৰ্থিক সংকটক তেনে মিছা মৰ্য্যাদাতকৈ উৰ্দ্ধত স্থান দিয়াটো কৰ্তব্য। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে ৰাজহৰ শিতানত ব্যয় কমোৱাৰ অন্যতম ব্যৱস্থাৰূপে অতিৰিক্ত নিযুক্তি বন্ধ ৰখাৰ প্ৰস্তাৱ দিছে। প্ৰশাসনীয় ব্যয় কমোৱাৰ যথেষ্ট থল আছে। আমাৰ প্ৰশাসনীয় ব্যয় ক্ৰমে বাঢ়ি গৈছে। এনে ব্যয় যে কিছু পৰিমাণে বাঢ়িব, সেইটো ঠিক। কিন্তু সেই বৃদ্ধিৰ লগত ৰাষ্ট্ৰীয় উন্নয়নৰ এটা সংগতি থাকিব লাগে। ওপৰ-গধুৰ প্ৰশাসনীয় ব্যৱস্থাই খৰচৰ বোজা বঢ়াই নিছে। মন্ত্ৰী, বিষয়াসকলৰ ভ্ৰমণ, লাইট, ফেনৰ ব্যৱহাৰ চৰকাৰী ভৱনৰ সাজ-সজ্জাৰ খৰচ, টেলিফোনৰ খৰচ, অফিচৰ কাগজ আদিৰ ব্যৱহাৰ— ইত্যাদি অলেখ ক্ষেত্ৰত খৰচ কমোৱাৰ থল আছে। আমাৰ বৈদেশিক মিছনসমূহতো খৰচ কমোৱাৰ ডেধাৰ থল আছে। লণ্ডনৰ হাইকমিছনাৰৰ কাৰ্য্যালয়ত এহেজাৰৰ অধিক লোকে চাকৰি কৰাটো বিস্ময়কৰ কথা।

আনহাতে গুৰুত্বপূৰ্ণ আঁচনিবোৰত হাত নিদিয়াকৈ খৰচ কমোৱাৰ বহুত থল ওলাব। বিশেষকৈ নিৰ্মাণ কাৰ্য্যত খৰচ কমোৱাৰ বাট আছে। চতুৰ্থ পৰিকল্পনাত ৭ হেজাৰ কোটিৰো সৰহ টকা অকল নিৰ্মাণ কাৰ্য্যতে খৰচ কৰা হ'ব। সকলো নিৰ্মাণ কাৰ্য্যতে খৰচৰ মাত্ৰাধিক্য ঘটাৰ অভিযোগ সদায় উঠে। কিন্তু তাৰ প্ৰতিকাৰহে নাই। তদুপৰি নানান ধৰণৰ দুৰ্নীতিয়েও ইয়াত শিপা মেলে। তেনেবোৰ অনাচাৰ বন্ধ কৰিব পাৰিলেও খৰচ কমে।

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহকো খৰচ কমোৱাৰ বাবে নিৰ্দেশ দিছে। আন্তৰিকতাৰে আগবাঢ়িলে

ৰাজ্য চৰকাৰসমূহেও অনায়াসে বিভিন্ন শিতানত খৰচ কমাব পাৰে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে এতিয়া ল'ব খোজা ব্যৱস্থাই যে আমাৰ সমূহৰ এন্ধাৰ দূৰ কৰিব পাৰিব— সেইটো নহয়। কিয়নো এতিয়া যিখিনি ব্যয় কমাব খোজা হৈছে, তাৰ মূৰতো ১৯৬৬-৬৭ চনৰ ৰাজহৰ বাজেট ৰাহিৰে শেষ নহ'বগৈ। তদুপৰি চৰকাৰে টকাৰ মূল্য হ্ৰাসকৰণৰ ফলত হোৱা হেঁচাৰ হিচাপ এই প্ৰসঙ্গত লোৱা নাই। টকাৰ মূল্য হ্ৰাস কৰাৰ ফলত আমাৰ প্ৰায় সকলো শিতানৰ ব্যয় বৃদ্ধি পাব। হেঁচা আঁতৰাবৰ বাবে টকাৰ মূল্য হ্ৰাস কৰাৰ মূৰত লোৱা ব্যৱস্থাই সমস্যা লাঘৱ কৰিব বুলি চৰকাৰে আশা কৰিছে। কিন্তু সেই ভাৰসা ল'ব পৰা অৱস্থাত আমি এতিয়াও উপনীত হোৱা নাই। কিয়নো চৰকাৰে লোৱা কোনো ব্যৱস্থাৰে সুফল এতিয়ালৈকে পৰিলক্ষিত হোৱা নাই।

## বিদ্ৰোহী নগাৰ তৎপৰতা

অলপ দিন শান্ত হৈ থকাৰ মূৰত বিদ্ৰোহী নগা দলৰ উপদ্ৰৱমূলক কাৰ্য্যকলাপ আকৌ চলিছে। বিভিন্ন অঞ্চলৰ পৰা ভিন ভিন ঘটনাৰ বাতৰি আহিব লাগিছে। চৰকাৰী ৰক্ষী বাহিনীৰ ওপৰত বিদ্ৰোহী নগা দলে আক্ৰমণ চলোৱাৰ কেইবাটাও বাতৰি ইতিমধ্যে প্ৰকাশ পাইছে। বিদ্ৰোহী নগা দলে সময় বুজি এনেবোৰ তৎপৰতা দেখুৱাই আহিছে। এনে অৱস্থাত চৰকাৰে এইবোৰ বিক্ষিপ্ত ঘটনা বুলি ধৰি লোৱাটো ভুল হ'ব। বিদ্ৰোহী নগা, বিদ্ৰোহী মিজো সকলোৰে তৎপৰতাৰ যোগাযোগ নিশ্চয় আকস্মিক নহয়। পাকিস্থানৰ সহায় লৈ এই দুয়োটা পক্ষই নিজক অধিক পৰিমাণে সুসজ্জিত কৰি তুলিছে। আনহাতে উভয়ৰে মাজত যোগাযোগ স্থাপিত হোৱা বুলিও কেতবোৰ মহলে বাতৰি দিছে।

অভিযান বন্ধ কৰি শান্তিপূৰ্ণ পৰিৱেশৰ মাজত আলোচনা সুগম কৰি তোলাটোৱেই উদ্দেশ্য আছিল। কিন্তু আলোচনাৰ ক্ষেত্ৰত অগ্ৰসৰ হ'ব পৰা নাই। অথচ অভিযান বন্ধ ৰখাৰ মিয়াদ ক্ৰমে বঢ়াই থকা হৈছে। ইয়াৰ ফলত মাত্ৰ এটা পৰিণতিহে ঘাইকৈ চকুত পৰিছে— এই অৱস্থাৰ পূৰ্ণ সুযোগ লৈ বিদ্ৰোহী নগা দলে নিজৰ শক্তি বৃদ্ধি কৰিছে। অবাধ চলাচলৰ যোগেদি বিদ্ৰোহী নগা দলে নিজৰ প্ৰভাৱৰ গণ্ডী ক্ৰমে বঢ়াই নিছে। মণিপুৰ সীমান্তত সেই প্ৰভাৱ বিস্তাৰৰ অভিযানত বাধা পোৱা কাৰণেই স্থানীয় লোকৰ সৈতে ইটোৰ পিচত সিটোকৈ সংঘৰ্ষ ঘটিছে। আনহাতে বিদ্ৰোহী নগা দলে নিজৰ সামৰিক বলো ইতিমধ্যে আগতকৈ বহুত বেছি পৰিমাণে বঢ়ালে। অস্ত্ৰ-শস্ত্ৰ আদিও পাকিস্থানৰ পৰা আনিয়েই আছে। চৰকাৰে খুটি পুতি উজুটি খোৱাৰ উপায় উলিয়াই লোৱাহে হ'ল বুলি আমাৰ ধাৰণা জন্মিছে। নগালেণ্ডৰ এই সমস্যা এনেদৰে থাকিবলৈ দিলে ইয়াৰ পৰিণাম বৰ জটিল হ'ব— তাত সমূলি সন্দেহ নাই।

দেওবাৰ, ২ অক্টোবৰ, ১৯৬৬ চন

## দুই অক্টোবৰ

আজিৰ দিনটো কেবাটাও কাৰণত গুৰুত্বপূৰ্ণ। এই দিনটোতে মহাত্মা গান্ধী আৰু লালবাহাদুৰ শাস্ত্ৰীয়ে জন্ম গ্ৰহণ কৰিছিল। গান্ধীজীয়ে ভাৰতবাসীক জাগৰণৰ পথেৰে নি স্বাধীনতাৰ লক্ষ্যত উপনীত কৰাইছিল আৰু গান্ধীবাদত পূৰ্ণবিশ্বাসী স্বৰ্গীয় শাস্ত্ৰীয়ে স্বাধীন ভাৰতৰ দ্বিতীয় প্ৰধান মন্ত্ৰী ৰূপে অতি সংকটৰ কালত দেশক সততা আৰু সাহসিকতাৰে পৰিচালনা কৰিছিল। আজি দেশবাসীয়ে শ্ৰদ্ধাৰে উভয় নেতালৈ স্মৰণ কৰিব।

কিন্তু গান্ধীজী কেৱল ভাৰতৰে নেতা নাছিল। তেওঁ বিচাৰিছিল নৈতিক পৰীক্ষাৰ জৰিয়তে হিংসাত উন্মত্ত পৃথিৱীত প্ৰেম আৰু অহিংসাৰে সুখী মানৱ সমাজ ৰচনাৰ সপোন। আজিৰ পৰা তিনি বছৰৰ পিচতে গান্ধী জন্ম শতবাৰ্ষিকী পালন কৰা হ'ব। তাৰ কাৰণে অকল ভাৰততে নহয়, বিশ্বৰ বিভিন্ন দেশতো এতিয়াৰ পৰাই আয়োজন চলিছে। সংঘৰ্ষ জৰ্জ্জৰিত বিশ্বত শান্তিৰ পথ বিচাৰিয়েই যে মহাত্মা গান্ধীৰ প্ৰতি এই দৰে সন্মান প্ৰদৰ্শাব খোজ হৈছে সেই বিষয়ে সন্দেহ নাই। উল্লেখযোগ্য যে গান্ধীজীৰ নেতৃত্বত ভাৰতৰ যি মুক্তি সংগ্ৰাম হৈছিল তাৰ প্ৰতি বিশ্বৰ বহুত পদানত জাতিয়ে আগ্ৰহেৰে লক্ষ্য কৰিছিল। সেইবিলাক জাতিৰ বহুতেই আজি স্বাধীনতা লাভ কৰিছে। গতিকে গান্ধীজীৰ প্ৰতি বিশ্বজুৰি স্বতঃস্ফূৰ্ত্ত সন্মানবোধ হোৱাটো স্বাভাৱিক আৰু ভাৰতৰ পক্ষে গৌৰৱৰ বিষয়। ব্যক্তিৰ স্বকীয় দুৰ্বলতা পৰিহাৰ কৰাই অন্যায়ৰ প্ৰতিৰোধৰ বাবে যি প্ৰেৰণা গান্ধীজীয়ে সৃষ্টি কৰিছিল তাৰ প্ৰভাৱ বহিঃবিশ্বতো পৰা আমি দেখিবলৈ পাইছো।

আমাৰ দৰে সৰ্বসাধাৰণ ৰাইজেও নিশ্চয় লক্ষ্য কৰিছে যে যোৱা কেইবছৰমান ধৰি গান্ধী জয়ন্তীৰ দিনৰে পৰা ৰাষ্ট্ৰীয় সংহতি সপ্তাহো পালন কৰি অহা হৈছে। যি কাৰণতে নহওঁক, স্বাধীনতা লাভৰ পিচৰ পৰা ভাৰতত এক ৰাষ্ট্ৰীয় ভাবত বেয়াকৈ আঘাত পৰিছে। বহিৰাক্ৰামণ হৈ থকা বা তাৰ ভাবুকি থকা অৱস্থাত ই এক মাৰাত্মক অৱস্থাৰ সৃষ্টি কৰিব পাৰে। যদিও বিপদৰ সময়ত আমি প্ৰশংসনীয় ঐক্যবদ্ধতা দেখুৱাই আহিছো, তথাপি সময়ে সময়ে হৈ থকা নানান আন্দোলন-অশান্তিৰ পৰা সংশয় নোপজাকৈ নেথাকে। এনে অৱস্থাত চৰকাৰী-বেচৰকাৰী এনে উদ্যমৰ জৰিয়তে সংহতিৰ প্ৰচেষ্টা চলাই থকা আৰু ৰাইজক এই ভাবৰ প্ৰতি উদ্বুদ্ধ কৰি থকাটো আৱশ্যকীয় হৈ উঠিছে। সংহতিৰ ভাব গান্ধীজীৰো মনৰ ওচৰ আছিল; কাৰণ তেওঁ এখন ভাৰতৰ কাৰণে সেৱাৰ পথ দেখুৱাইছিল আৰু তাৰ জৰিয়তে মানৱ জাতিক একীভূত কৰিব খুজিছিল।

<u>সোমবাৰ, ৩ অক্টোবৰ, ১৯৬৬ চন</u>

# ছাত্ৰৰ নিয়মানুবৰ্ত্তিতা

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীনন্দই পৰহি কংগ্ৰেছ এম-পি কেইজনমানক ক'বৰ দৰে ভাৰতত ছাত্ৰসমাজৰ অনুশাসনহীনাটো সঁচাই এটা ব্যাপক সমস্যা হৈ পৰিছেনে? কিছুমান ঘটনাৰ পৰা প্ৰথমে তেনে যেনেই লাগে। সম্ভৱতঃ ছাত্ৰৰ আন্দোলনে বেয়া ৰূপ লোৱা বাবে লক্ষ্ণৌ বিশ্ববিদ্যালয় বন্ধ কৰি দিয়া ঘটনা আৰু যোৱা মাহৰ মাজ ভাগ মানৰ পৰা মধ্যপ্ৰদেশৰ ইন্দোৰ, গোৱালিয়ৰ, জবলপুৰ আদি চহৰত হৈ থকা ছাত্ৰ আন্দোলনৰ কথাকে চিন্তা কৰি শ্ৰীনন্দই এই সমস্যাটোৰে 'বিৰাট আকাৰ' ধাৰণ কৰিছে বুলি কৈছে। কিন্তু আমি মনত ৰখা উচিত যে এনেকুৱা বিক্ষিপ্ত ঘটনা সময়ে সময়ে বিভিন্ন বিশ্ববিদ্যালয় বা অন্যান্য ঠাইত হৈয়েই আহিছে। ভাৰতৰ বাহিৰততো কোনো কোনো দেশত ছাত্ৰ সমাজৰ আন্দোলনে ব্যাপক ৰাজনৈতিক আকাৰ ধাৰণ কৰা দেখিবলৈ পোৱা গৈছে। ভাৰততো স্বাধীনতা আন্দোলনৰ সময়ত আমাৰ ছাত্ৰ সমাজে স্কুল-কলেজ এৰি নেতাসকলক অনুসৰণ কৰি দুখ-কষ্টৰ জীৱনক সাবটি লৈছিল। কিন্তু আজি দেশত তেনে কোনো ব্যাপক ৰাজনৈতিক আন্দোলনো নাই আৰু সেই বাবে তেনে ঘটনাৰো সৃষ্টি হোৱা নাই। সময়ে সময়ে অৱশ্যে নানান ধৰণৰ আন্দোলন হৈ আছে আৰু সেইবিলাকত ছাত্ৰসকলকো কেতিয়াবা যোগদান কৰা দেখা যায়। যেনে চোৱাং

বেপাৰীৰ বিৰুদ্ধে চলোৱা অভিযান, 'বন্ধ' আন্দোলন আদিত তেওঁলোকেও সহযোগিতা কৰে। তদুপৰি ছাত্ৰ সমাজৰ নিজৰো কিছুমান অভিযোগ আছে বা থাকে যিবোৰৰ কাৰণে তেওঁলোকে ধৰ্মঘট কৰে। বিশ্ববিদ্যালয়ত হোৱা আন্দোলন সাধাৰণতে এই পিচৰ বিধৰ।

শিক্ষা প্ৰতিষ্ঠানত অনুশাসনহীনতা কেতিয়াও ক্ষমণীয় নহয়। শিক্ষাদানৰ বাবে অনুকূল বাতাবৰণ ৰক্ষা কৰিবই লাগিব; তাৰ লগত ছাত্ৰৰ নিজৰে আৰু লগতে দেশৰো ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। কিন্তু ছাত্ৰসকলক চৌপাশৰ সমাজখনৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি আৰু সেইবাবে বাহিৰৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰিবই। বাহিৰৰ নানান আন্দোলনৰ লগতে গুৰুসকলৰো দাবী দিৱস, ধৰ্মঘট আদি ছাত্ৰই চকুৰ আগতে দেখি আছে। চকুৰ আগতে দেখি থকা দুৰ্নীতি আৰু অনৈতিকতাৰ বিৰুদ্ধে তেওঁলোকে নিজেই ক্ষোভ প্ৰকাশ কৰিছে। হয়তোবা তেওঁলোকৰ উচ্ছ্বাসত মাত্ৰাধিক্য ঘটে; কিন্তু বয়সৰ ফালৰ পৰা সেইটো বৰ বেছি অস্বাভাবিক নহয়। তেওঁলোকৰ শক্তিৰ প্ৰাচুৰ্য্যক সুপথে পৰিচালিত কৰিব পাৰিলে অনুশাসনৰ সমস্যা ভালেখিনি লাঘৱ হৈ গ'লহেঁতেন। কিন্তু তাৰ কাৰণে অনুকূল পৰিৱেশ নাই।

সুপৰিচালনাৰ অভাৱেই ঘাই সমস্যা যেন প্ৰতীয়মান হৈছে। সিদিনা দুধনৈত হোৱা এখন ছাত্ৰ সভাত মুখ্যমন্ত্ৰী শ্ৰীচলিহায়ো তেওঁলোকক যথাৰ্থ পৰিচালনা দিয়াৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। ৰাজনৈতিক দলসমূহে ছাত্ৰক বিপথে নিছে বুলি আপত্তি কৰাৰ কোনো অৰ্থ নহয়; কাৰণ দলীয় ৰাজনীতি বৰ্ত্তি থকা গণতন্ত্ৰত সকলো ৰাজনৈতিক দলেই ডেকা শক্তিক নিজৰ নিজৰ কামত খটুৱাবলৈ চেষ্টা কৰিবই— আৰু বৰ্তমান ভাৰতত কৰিছেও। অলপতে প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে ছাত্ৰ শক্তিক ৰাষ্ট্ৰ-নিৰ্মাণৰ কামত লগোৱাৰ আৱশ্যকতাত গুৰুত্ব দি এঠাইত ভাষণ দিছিল। সম্প্ৰতি বাক-বিতণ্ডাত লাগি থকা পৰিকল্পনা আয়োগৰ শিক্ষা মণ্ডলীয়েও ভালেমান কমিটী গঠন কৰি তাৰে এখনৰ দ্বাৰা দেশ গঠনত ছাত্ৰৰ সেৱা প্ৰয়োগ কৰাৰ আঁচনি তৰিব খুজিছে। এইবোৰ কথা বহু দিনৰে পৰা গাই-বাই থকা হৈছে। কিন্তু অতীত হৈ যোৱা তিনিটা পৰিকল্পনাৰ বিভিন্ন কামৰ ক'ত যে ছাত্ৰ শক্তিক লগোৱাৰ সুবিধা আছিল তাকেহে আমি জানিব পৰা নাই। বৰং আজি ছাত্ৰ সমাজ সেই দিশৰ পৰা ৰাষ্ট্ৰীয় জীৱনৰ পৰা বিচ্ছিন্ন হৈহে পৰিছে। ৰাষ্ট্ৰীয় জীৱনৰ লগত তেওঁলোকক সক্ৰিয়ভাৱে সংযুক্ত কৰিব পাৰিলে নিশ্চয় দেশ আৰু ছাত্ৰ সমাজ উভয়েই উপকৃত হ'ব। কিন্তু তাৰ পন্থা কেতিয়া যে উদ্ভৱ হ'ব সেইটোৱেই কথা। মহৎ আৰু বৃহৎ আদৰ্শৰ প্ৰতি ছাত্ৰক উদ্বুদ্ধ কৰাৰ কথাও মাজে-সময়ে কৈ থকা হয়। কিন্তু ক'ত সেই আদৰ্শ? বৃটিছ শাসনৰ তেনে এক মহৎ আদৰ্শ। তাৰ পিচৰ পৰা কেৱল আদৰ্শৰ বুলিহে আওৰোৱা হৈছে, কামত তাৰ বিপৰীতে গৈ থকা হৈছে। অলপ কথাত আজি কিছুদিনৰ আগতে লোকসভাৰ অধ্যক্ষ শ্ৰীহুকম সিঙে ৰাইজৰ প্ৰতিনিধিৰ মাজত হোৱা নৈতিক পতনৰ প্ৰতি বক্ৰোক্তি কৰা নাছিল। শ্ৰীনন্দই গৃহ মন্ত্ৰী ৰূপে সমস্যাটোক কেৱল আইন-শৃঙ্খলাৰ প্ৰশ্ন ৰূপেই চোৱা যেন লাগে। কাৰণ তেওঁ পুলিচৰ বৰমূৰীয়া সকলৰ সৈতে আলোচনা কৰিব বুলি কৈছে। কিন্তু আমাৰ বোধেৰে ওপৰত উল্লেখ কৰা দিশবোৰো ফঁহিয়াই চাইহে অনুশাসনহীনতা হ্ৰাস কৰাৰ আশা কৰিব পাৰি। অৱশ্যে কেইগৰাকীমান উপাচাৰ্য্যকো এই বিষয়ক আলোচনা সভালৈ মতা হ'ব। এনেকুৱা ছাত্ৰৰ লগত সংশ্লিষ্ট তথা সমাজৰ অন্যান্য দিশৰ প্ৰতিনিধিৰ পৰাও এই বিষয়ত পৰামৰ্শ লোৱা বাঞ্চনীয়। কিন্তু মুঠৰ ওপৰত সামাজিক অৱস্থাৰ পৰিৱৰ্তন বিনে সমস্যাৰ গুৰুত্ব লাঘৱ কৰা বৰ সহজ নহয়।

শুকুৰবাৰ, ৭ অক্টোবৰ, ১৯৬৬ চন

## ছাত্ৰৰ বিক্ষোভ

কেইদিনমানৰ ভিতৰতে ছাত্ৰ সমাজৰ বিক্ষোভে এনে ব্যাপক আৰু ভয়াবহ ৰূপ ধাৰণ কৰিব বুলি আমি ভবা নাছিলো। চৰকাৰে ভবাৰ দৰে ই কেৱল আইন-শৃঙ্খলাৰ প্ৰশ্ন নহয় বুলিও আমাৰ ধাৰণা হৈছিল। সেই ধাৰণা সলনি হোৱা নাই যদিও এতিয়া সকলো ঠাইতে ধ্বংসাত্মক কাৰ্য্য-কলাপলৈ চাই সাময়িক ভাৱে হ'লেও কৰ্তৃপক্ষই শৃঙ্খলা ৰক্ষাৰ ব্যৱস্থা লোৱাৰ প্ৰয়োজন হৈছে। ক্ষুব্ধ ছাত্ৰৰ লগ হৈ সমাজ বিৰোধী লোকে ৰাজহুৱা সা-সম্পত্তি নাশ কৰি যাব, এনে কথা হ'ব নোৱাৰে। কৰ্তৃপক্ষই সতৰ্কতাৰে উপযুক্ত কঠোৰ ব্যৱস্থা লওক।

সুখৰ বিষয় যে চৰকাৰ আৰু অন্যান্য কৰ্তৃপক্ষই এই অশান্তিক বহল দৃষ্টি-কোণৰ পৰা বিবেচনা কৰিছে। কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে একোখন কমিটী গঠন কৰি ছাত্ৰৰ উচ্ছৃঙ্খলতাৰ গুৰি কাৰণ উলিয়াবলৈ দিহা কৰিছে। এইবিলাক কমিটীত দেশৰ প্ৰধান প্ৰধান শিক্ষাবিদ, চিন্তানায়ক আদিকে লোৱা হৈছে। সম্প্ৰতি ছাত্ৰ-বিক্ষোভ হৈ থকা অঞ্চলবিলাকৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যসকলকো পৰামৰ্শৰ বাবে আহ্বান জনোৱা হৈছে। তেওঁলোকে সুচিন্তিত অভিমত আৰু পৰামৰ্শ আগবঢ়াব বুলি আশা কৰিছো। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী দপ্তৰে প্ৰশ্নটো কেবল আইনশৃঙ্খলা ৰক্ষাৰ দ্বাৰা সমাধান কৰিব নোৱাৰি বুলি উপলব্ধি কৰাটো এটা ভাল লক্ষণ।

চলিত বিক্ষোভৰ গুৰি কাৰণ প্ৰাপ্ত বাতৰিবিলাকৰ পৰা উলিওৱা টান। বিহাৰ, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশত যিবিলাক ঘটনা হৈ আছে সেইবোৰৰ সৰহ ভাগেই আন ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপ। ছাত্ৰৰ ক্ষোভৰ কাৰণ হয়তো আছে, কিন্তু তাৰ প্ৰতিক্ৰিয়া ইমান ব্যাপক আৰু ভয়ঙ্কৰ হৈছে যে ইয়াৰ অন্তৰালত ছাত্ৰৰ মানসিক অৱস্থালৈ ভালদৰে লক্ষ্য কৰাৰ প্ৰয়োজন হৈছে। এই বিষয়ত চিন্তা-চৰ্চা কৰা কোনো কোনো লোকে ক'ব খোজে যে শিক্ষকৰ হতাশাজনক মনোভাৱৰ পৰাও ছাত্ৰ সমাজ বিশৃঙ্খল হৈ পৰিব পাৰে; ইয়াৰ লগতে বিশ্ববিদ্যালয়ৰ প্ৰভাৱ হ্ৰাস, অনুশাসন শিক্ষাৰ অভাৱ ইত্যাদিয়েও বৰঙণি যোগাইছে। শিক্ষকসকলে সম্প্ৰতি ভাৰত-জোৱা আন্দোলন চলাবলৈ আয়োজন কৰিছে; ইয়াৰ বাবে আলোচনাৰ কেন্দ্ৰ পাটনা আৰু লক্ষ্ণৌ নিৰ্বাচিত হৈছে— যি দুঠাইত ব্যাপক ছাত্ৰ বিক্ষোভ হৈছে। শিক্ষকৰ ক্ষোভৰ সৈতে ছাত্ৰৰ ক্ষোভৰ কিবা সম্পৰ্ক আছে নেকি উক্ত মহলবিলাকে বিচাৰ কৰি চাওক। কিন্তু অকল এয়েই কাৰণ হ'ব নোৱাৰে। বন্ধ আন্দোলনত হোৱাৰ দৰে এইবিলাক ক্ষোভৰ ফলতো ৰাজহুৱা সা-সম্পত্তিৰ ক্ষতি সাধন কৰিবলৈ লোৱা দেখা গৈছে। গতিকে ধৰি ল'ব পাৰি যে ইয়াৰ অন্তৰালত বহুতো আৰু বহুদিনৰ পৰা পুঞ্জীভূত হৈ থকা অসন্তোষে ক্ৰিয়া কৰিছে। সেইবোৰ বিচাৰি উলিওৱাই হ'ব উক্ত কমিটীসমূহৰ কাম। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহক ৰাষ্ট্ৰীয় কাৰ্য্যসূচী উদ্ভাৱনৰ প্ৰয়োজন হৈছে বুলি কৈছে। এই কথা কিছুদূৰ প্ৰয়োজনীয় হ'বও পাৰে। কিন্তু কেতিয়াবা স্থানীয়ভাৱেও ক্ষোভৰ কাৰণ থাকিব পাৰে। সমবেশ নীতি অনুসৰণ কৰিবলৈ গৈ যেন এইবিলাক কথালৈ আওকাণ কৰা নহয়। ইতিমধ্যে কালি দিল্লীত উচ্চমহলত এই বিষয়ে আলোচনা আৰম্ভ হৈছেই। অসুস্থতাৰ পৰা সকাহ পাই শিক্ষামন্ত্ৰীয়েও এতিয়া ভালদৰে মনোনিৱেশ কৰিব পাৰিব।

## বিদ্ৰোহীৰ গতি-বিধি

এই খৰালিতে আকৌ নিষিদ্ধ মিজো বিদ্ৰোহীসকলে উৎপাত আৰম্ভ কৰিব পাৰে বুলি যি আশঙ্কা

চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে সি একেবাৰে অমূলক নহয় যেন লাগিছে। যোৱা ৪ অক্টোবৰৰ দিনাখন মাত্ৰ অসম প্ৰদেশ কমিটীৰ গুৱাহাটীত বহা অধিৱেশনত ভাষণ দিওঁতে মুখ্য মন্ত্ৰী শ্ৰীচলিহাই কৈছিল যে মিজো বিদ্ৰোহীসকল শান্ত হোৱা নাই আৰু খৰালি পৰিলেই তেওঁলোকে পুনৰ লুট-পাত, আকস্মিক আক্ৰমণ আদি কাম আৰম্ভ কৰিব। স্বয়ং মুখ্যমন্ত্ৰীৰ মুখৰ পৰাই এই কথা ওলাইছে যেতিয়া ইয়াৰ সত্যতা সম্পৰ্কে প্ৰশ্ন নুঠে। আশা কৰো চৰকাৰে তাৰ প্ৰতিৰোধাৰ্থে আগতীয়াকৈ ভাল ব্যৱস্থাও লৈ থৈছে। তিনিশ জনমানৰ বিদ্ৰোহী দল এটা পূব পাকিস্থানৰ পৰা স্বয়ংক্ৰিয় অস্ত্ৰ-শস্ত্ৰ লৈ মণিপুৰ-মিজোপাহাৰৰ সীমাত প্ৰৱেশ কৰিছে আৰু বিদ্ৰোহীৰ এটা জনাজাত ঘাটি টামেংলঙৰ ফালে আহিবলৈ চেষ্টা কৰিছে বুলি এতিয়া বাতৰি ওলাইছে।

এই বাতৰিয়ে শ্ৰীচলিহাৰ উক্ত উক্তিকে সমৰ্থন কৰিলে মাত্ৰ। কিন্তু বিশেষ মন কৰিবলগীয়া কথা এয়ে যে এই দলটো এটা মিশ্ৰিত দল— ঘাইকৈ নগা আৰু মিজো বিদ্ৰোহীৰ। পূব পাকিস্থানত তেওঁলোক লগ লগাটো আচৰিত কথা নহয়। কিন্তু তেওঁলোকে লগ লাগি উৎপাত আৰম্ভ কৰিব, এইটো নিশ্চয় ভাবিবলগীয়া কথা। এই বিষয়ে আগতেও আমি আশংকা প্ৰকাশ কৰিছিলো। অস্ত্ৰ সম্বৰণৰ ম্যাদ পুনৰ দুমাহলৈ বঢ়াই দিয়াটো নিশ্চয় ভাল কথা। কিন্তু অস্ত্ৰ সম্বৰণ সত্বেও আগতে নগা বিদ্ৰোহীয়ে উপদ্ৰৱ কৰিছে। এতিয়া মিজো বিদ্ৰোহীৰ লগ লাগি যে আকৌ উৎপাত নকৰিব— বিশেষকৈ এই মাহৰ শেষৰ পিনে দিল্লীত নগা প্ৰশ্নৰ বিষয়ে পুনৰ আলোচনা হ'বৰ সময়তে— এনে কথা ক'ব নোৱাৰি। শ্ৰীচলিহাৰ মতেই, নগাপাহাৰৰ শান্তিকামী দলটো দুৰ্বল হৈ পৰিছে। পাৰ্বত্য ৰাজ্যৰ দাবীতো এই মাহতে প্ৰত্যক্ষ সংগ্ৰাম হোৱাৰ কথা আছে। অৱশ্যে নগা আৰু মিজো বিদ্ৰোহীৰ লগত ইয়াৰ সম্বন্ধ নাই। তথাপি অশান্তি সৃষ্টি সমসাময়িকভাৱেই হ'ব ধৰিছে। এনে অৱস্থাত উক্ত বিদ্ৰোহীসকলৰ কাৰ্য্যকলাপৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বনৰ প্ৰয়োজন আছে বুলি বোধ হৈছে।

<u>সোমবাৰ, ১০ অক্টোবৰ, ১৯৬৬ চন</u>

# পুলিচৰ আচৰণ

হঠাৎ কেইখনমান ৰাজ্যত দেখা দিয়া হিংসাত্মক ছাত্ৰ বিক্ষোভৰ কাৰণে ভালেমান মহলতে পুলিচৰ আচৰণৰ বিষয়ে সমালোচনা কৰা হৈছে। ছাত্ৰ সমাজতো পোনপটীয়াকৈয়ে অভিযোগ কৰিছে যে পুলিচৰ কাৰ্য্য ব্যৱস্থা অতিচাৰ হৈছে। বিষয়টোত তেওঁলোকক নিজেই সংশ্লিষ্ট যেতিয়া তেওঁলোকৰ কথা অন্ততঃ তৰ্কৰ খাতিৰতে আমি বিবেচনা নকৰো। কিন্তু শাসনকাৰী দলৰ সংসদী সদস্যসকলেও ছাত্ৰ বিক্ষোভত পুলিচে গুলী চলোৱাটো অতিমাত্ৰা বিবেচনা কৰিছে। ভূতপূৰ্ব প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীকৃষ্ণমেননৰ নিচিনা দায়িত্বশীল লোকেও অভিমত প্ৰকাশ কৰিছে যে পুলিচৰ কাম শাস্তি বিহা নহয়, তেওঁলোকে শক্তিৰ প্ৰয়োগত অতিচাৰ কৰিছে। শিক্ষাব্ৰতীৰ ফালৰ পৰা ডঃ চি-ডি দেশমুখ, ডঃ ত্ৰিগুণা সেন আদি ছাত্ৰৰ লগত ঘনিষ্ঠভাৱে জড়িত প্ৰবীণ লোকেও পুলিচৰ আতিশয্যই অধিক সমস্যাৰ সৃষ্টি কৰে বুলি মত প্ৰকাশ কৰিছে।

পুলিচৰ গুলীচালনা হ'বই লাগিছে। বিক্ষোভে এনে আকাৰ ধাৰণ কৰিছে যে আইন-শৃঙ্খলা ৰক্ষা কৰাটোৱেই এতিয়া প্ৰধান সমস্যা হৈ উঠিছে। সেইটো অৱশ্যে কৰিবই লাগিব, কাৰণ ৰাজহুৱা সা-সম্পত্তি ইয়াৰ ফলত ধ্বংস হ'বলৈ এৰি দিব নোৱাৰি। কিন্তু এই ক্ষোভ আৰু ধ্বংসকাৰ্য্য কিমানখিনিলৈকে পুলিচৰ

দোষত হৈছে সেইটো বিচাৰ কৰি চাবই লাগিব। কাইলৈ গৃহমন্ত্ৰী শ্ৰীনন্দই তিনিখন ৰাজ্যৰ আই-জি-পি সকলৰ লগত আলোচনা কৰাৰ কথা। অকল তিনিখন কিয়, সকলো ৰাজ্যৰ পুলিচ কৰ্তৃপক্ষৰ লগতে পৰামৰ্শ কৰাৰ আৱশ্যক। কাৰণ অন্যান্য ৰাজ্যতো বিক্ষোভ-আন্দোলন হৈছে আৰু আগলৈকো নহ'ব বুলি ক'ব নোৱাৰি— সেইবিলাকতো অভিযোগ কৰিবলগীয়া নাই বা নেথাকিব বুলি কোৱা টান।

অসমত তেনে অভিযোগ আছেই। অলপতে হৈ যোৱা খাদ্য আন্দোলন সংক্ৰান্ততে এনে অভিযোগ যোৰহাট, শ্বিলং আদি ঠাইত উঠিছে। যোৰহাটৰ ঘটনা কিছুমানৰ বিষয়ে অনুসন্ধানৰ আদেশ দিয়া হৈছে। যোৱা ১৪ ছেপ্টেম্বৰত অসম বিধানসভাৰ গোপন অধিৱেশনত আইন-শৃঙ্খলাৰ বিষয়ে খোলোচাকৈ আলোচনা কৰা হয়। এই আলোচনাৰ বিষয়ে যি বিবৃতি প্ৰকাশ কৰা হৈছে তাত অসমৰ পুলিচ বাহিনীৰ উন্নতি সাধন কৰাৰ আৱশ্যক আছে বুলি একমত প্ৰকাশ কৰা হৈছে। এতিয়াতকৈ উন্নত গুণ আৰু নিপুণতা সম্পন্ন লোকক পুলিচ বিভাগত ল'ব লাগে বুলিও মত প্ৰকাশ কৰা হৈছে। অৰ্থাৎ এই ৰাজ্যৰ পুলিচ ব্যৱস্থা উপযুক্ত নহয়। বিষয়া পৰ্য্যায়ত পতা দুখন কমিটীয়ে প্ৰশাসন আৰু পুলিচ ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ দি প্ৰতিবেদন দাখিল কৰিছে বুলি বাতৰি ওলাইছে। পৰিৱৰ্তিত অৱস্থাৰ লগত পুলিচৰো যে পৰিৱৰ্তিত ব্যৱস্থাৰ প্ৰয়োজন এই কথা অন্ততঃ অসমত স্বীকাৰ কৰি লোৱা হৈছে। সৰ্বভাৰতীয় পৰ্য্যায়তো এই সজাগতা অহাৰ লক্ষণ দেখা গৈছে।

পুলিচৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ সলনি হোৱাৰ প্ৰয়োজন আছে নেকি ভাবি চাবলগীয়া। অসম বিধানসভাৰ উক্ত গোপন অধিৱেশনে প্ৰয়োজন আছে বুলি অনুভৱ কৰে। ছাত্ৰ বিক্ষোভৰ সংক্ৰান্ততো এই প্ৰসঙ্গ উল্লেখ কৰা হৈছে। শোষণকাৰী আৰু উৎপীড়ক বিদেশী শক্তি এটাৰ প্ৰতিনিধি বুলি এসময়ত পুলিচক বেয়া চকুৰে স্বাভাৱিকভাৱেই চোৱা হৈছিল। সেই ভাবটো এতিয়া থাকি যোৱা উচিত নহয় সঁচা। কিন্তু দেশখনত এনে এটা পৰিৱেশ আৰু পৰিস্থিতিৰ সৃষ্টি হৈছে যে পুলিচে প্ৰতিনিধিত্ব কৰা নতুন শক্তিটোকো জনসাধাৰণে তাতকৈ বেলেগ বুলি ভাবিব পৰা নাই। সেই পৰিৱেশৰ পৰিৱৰ্তন লাগে। পুলিচ সৌজন্য সপ্তাহ পালনে এই বিষয়ত একো বৰঙণি যোগাব পৰা নাই। অসৎ, সমাজ-বিৰোধী লোকৰ বিৰুদ্ধেহে পুলিচৰ আৱশ্যক; বাদবাকী সৰহ সংখ্যক নাগৰিকে উচিত কামত পুলিচৰ সৈতে সহযোগিতা নকৰাৰ কাৰণ নাই। কি কাৰণত সহযোগিতাৰ এই ভাব ৰাইজৰ মাজলৈ অহা নাই সেইটো বিচাৰি উলিয়াই প্ৰতিকাৰ কৰিব পাৰিলেই বিধানসভাই কামনা কৰা পুলিচ-ৰাইজৰ সম্প্ৰীতিৰ সম্পৰ্ক আশা কৰিব পাৰি। সেইটো এটা বিৰাট সামাজিক দায়িত্ব— তাক চৰকাৰে বহন কৰিব পাৰিবনে?

## এটা বিন্দুক কেন্দ্ৰ কৰি

এটা বাতৰি ওলাইছে— বন বিভাগত ইঞ্জিনীয়াৰিং আৰু মেডিচিনৰ বিষয়ত তিনিটা সৰ্বভাৰতীয় সেৱা অনুষ্ঠান গঠন হ'বলৈ এতিয়াও বাকী যদিও আজিৰ পৰা পাঁচ বছৰৰ আগতে দেশত ঐক্য ৰক্ষা কৰাৰ নামত ৰাষ্ট্ৰীয় আনুভূতিক ঐক্য পৰিষদে সেইৰূপে অনুমোদন দিছিল। অকল সেয়েই নহয়— তাৰো পাঁচ বছৰৰ আগতে ৰাজ্য পুনৰ গঠন আয়োগেও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল। এতিয়া হেনো চৰকাৰী মহলে এই সেৱা অনুষ্ঠানকেইটা অতি সোনকালে গঠন কৰিবৰ ব্যৱস্থা হাতত লৈছে।

গোটেই কাণ্ডটো এতিয়া যদি চালি-জাৰি চোৱা যায়, তেনেহ'লে দেখা যাব যে, দহ বছৰৰ আগতে কথাটো 'পৰামৰ্শ' হৈ ফাইলত সোমাই থাকি তাপ পাই তাৰ আয়তন বঢ়াত তাৰ পাঁচ বছৰৰ পিচত এতিয়া

তাৰ অনতিবিলম্ব 'ব্যৱস্থা' লোৱা হৈছে।

এই আটাইবোৰ দোষ ৰঙা ফিটাৰ। ৰঙা ৰং যিদৰে মন-মোহিনী সেইদৰে ভয়াবহো। পৃথিৱীত বেছিভাগ অথন্তৰ ৰঙাৰ পৰাই ঘটি থাকে। ৰঙা চীনে ক'ত কি কৰিছে নক'লেও হ'ব। সেই ৰঙা চীনৰে ৰঙা ৰক্ষী (ৰেড গাৰ্ড) সকলৰ প্ৰভাৱ ভাৰততো পৰা বুলি সিদিনা এখন প্ৰসিদ্ধ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যজনে কৈছেই। মাজতে আমাৰ ইয়াত ওলোৱা ৰঙা চাউলে কাৰ উদৰত কি কৰিছে তাৰ হিচাপ ইয়াত নিদিলেও ৰাইজে বুজিব। মুঠতে 'ৰঙা'য়ে দৰাচলতেই ভয়াবহ তাত কোনো সন্দেহ নাই।

চৰকাৰী ফাইলৰ ফিটাবোৰো ৰঙা ৰঙা। কোনোবা ফাইলত কিবা কথা লিখা কিবা কাগজ ভৰাই উঠি ফাইলটো জপাই আথে-বেথে দিয়া গাঁথিটো ইমান মোহনীয় হয় যে তাক খুলিবৰ মন সততে নেযায়েই। কেতিয়াবা কোনোজনে কেনেবাকে' খুলিলেও আকৌ জপাই, আকৌ গাঁথিটো দি থৈহে বেছি ভাল পায়।

উক্ত কাৰণসমূহতেই হয়তো দহ বছৰৰ আগৰ 'পৰামৰ্শ' তাৰ পাঁচ বছৰৰ পিচত 'অনুমোদিত' হ'ল আৰু তাৰো পাঁচ বছৰৰ পিচত এতিয়া অনতিবিলম্ব 'ব্যৱস্থা'ৰ পৰ্য্যায় পাইছেহি। এইবাৰ ফাইলত সোমোৱাৰ পাল 'ব্যৱস্থা'ৰ। চক্ৰাকাৰ গতিত আকৌ পাঁচ বছৰৰ পিচত ফাইলৰ ৰঙা গাঁথি খোল খাব। পাঁচ বছৰ ফাইলত গাপ লাগি তাপ পাই তাৰ আয়তন হয়তো আৰু বাঢ়িব। তাৰ পাঁচ বছৰৰ পিচত আকৌ... !...আকৌ!

এটা বিন্দুক কেন্দ্ৰ কৰি এডাল ৰেখা তাৰ কেউদিশে ঘূৰিয়েই থাকিব, ঘূৰি ঘূৰি চিৰদিন বৃত্তৰ সৃষ্টি কৰি গৈ থাকিব আৰু সেই বৃত্তটোৰ কথা পঢ়াত কেঁচা স্কুলীয়া ল'ৰাই বৰ ভালকৈ জানে।

বৃহস্পতিবাৰ, ১৩ অক্টোবৰ, ১৯৬৬ চন

# অসমৰ চতুৰ্থ পৰিকল্পনা

শ্বিলঙত অনুষ্ঠিত হোৱা ৰাজ্যিক পৰিকল্পনা উপদেষ্টা পৰিষদৰ দুদিনীয়া বৈঠকত অসমৰ চতুৰ্থ পৰিকল্পনা সম্পৰ্কে আলোচনা চলোৱা হৈছে। বৈঠকত ৰাজ্যৰ পৰিকল্পনা মন্ত্ৰী শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে কোৱা মতে অসমৰ তিনিশ কোটি টকাৰ প্ৰস্তাৱিত পৰিকল্পনা ব্যয় বৃহৎ পৰিমাণে কৰ্ত্তন কৰাৰ আশংকা দেখা গৈছে। শ্ৰীত্ৰিপাঠীয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰিকল্পনা ব্যয় স্বৰূপে মাত্ৰ ১২০ কোটি টকাহে দিবলৈ ৰাজি হৈছে। ইয়াৰ বাহিৰে আন ২০ কোটি টকা কেন্দ্ৰ পৰিচালিত আঁচনিত ব্যয় কৰা হ'ব।

অসমে চতুৰ্থ পৰিকল্পনাৰ কৰাণে ৪০ কোটিৰ অধিক টকা নিজাকৈ সংগ্ৰহ কৰিব পৰাৰ সম্ভাৱনা নাই। সেয়ে হ'লে কেন্দ্ৰ পৰিচালতি আঁচনিকে ধৰি অসমে চতুৰ্থ পৰিকল্পনাৰ বাবে ১৮০ কোটি টকাহে ব্যয় কৰিব পাৰিব। অহা ২৮ অক্টোবৰৰ পৰা তিনি দিন অসমৰ পৰিকল্পনা সম্পৰ্কে নতুন দিল্লীত পৰিকল্পনা আয়োগে ৰাজ্যিক প্ৰতিনিধিৰ লগত আলোচনা চলাব। এই আলোচনাৰ শেষত যদি ৰাজ্যিক পৰিকল্পনা মন্ত্ৰী শ্ৰীত্ৰিপাঠীয়ে আশংকা কৰাৰ দৰেই অসমৰ পৰিকল্পনাই ৰূপ লয়, তেন্তে সীমান্তৱৰ্ত্তী এই ৰাজ্যখনৰ কাৰণে কি বিচাৰ কৰা হ'ব সহজে বুজিব পাৰি।

অসমৰ অৰ্থনৈতিক দুৰৱস্থাৰ কথা এই ৰাজ্যৰ লোকে অনুভৱ কৰিছে কাৰণ ৰাজ্যিক চৰকাৰৰ বিত্ত মন্ত্ৰী দপ্তৰ আৰু অন্যান্য পক্ষৰ পৰা এই বিষয়ে জনোৱা হৈছে। কিন্তু ৰাজ্যখনৰ এই পিচপৰা অৰ্থনীতিৰ কাৰণে

দায়ী কোন? ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰেও দায়িত্ব বহন কৰিব নালগিবনে? এইখন ৰাজ্যত বৈদেশিক মুদ্ৰা অৰ্জন কৰিব পৰা চাহ, মৰাপাটৰ খেতি হয়, ইয়াত আজিৰ যুগৰ অতি আপুৰুগীয়া সম্পদ তেল আছে। এইখন ৰাজ্যত প্ৰাকৃতিক সম্পদৰ অভাৱ নাই, ইয়াৰ মাটি সাৰুৱা, অথচ এইখন ৰাজ্যই দুখীয়া। এই ৰাজ্যৰ চৰকাৰে উন্নয়ন আঁচনি হাতত লোৱাৰ কথা দূৰত থাওক, প্ৰশাসন কাৰ্য্য চলাবলৈ ধনৰ চিন্তা কৰিব লাগে। এই ৰাজ্যখনৰ সম্পদ আহৰণ কৰি কামত লগোৱাত কেন্দ্ৰীয় চৰকাৰে সময়োপযোগী আৰু আৱশ্যকীয় পৰিমাণৰ সাহায্য দিয়া হ'লে আৰু তৎপৰতা অৱলম্ন কৰা হ'লে স্বাধীনতা লাভৰ উনৈশ বছৰৰ পিচতো এনে এটা অৱস্থা থাকিলহেঁতেন নে? নিশ্চয় নেথাকে। কিন্তু অসমৰ ন্যায্য দাবীৰ প্ৰতি সদায় আওকাণ কৰাহে আমাৰ চকুত পৰিছে।

অসমত উদ্যোগৰ বিকাশ খটা নাই। বেচৰকাৰী খণ্ডই ৰাজ্যখনৰ সামৰিক গুৰুত্বপূৰ্ণ অৱস্থিতি আৰু পৰিবহন আদি অন্যান্য অসুবিধাৰ বাবে অসমত উদ্যোগ স্থাপন কৰিবলৈ উৎসাহ প্ৰদৰ্শন নকৰে। এনে অৱস্থাত ৰাজ্যৰ কল্যাণৰ হকে চৰকাৰীভাৱেই কাৰ্য্যপন্থা গ্ৰহণ কৰিব লাগিছিল আৰু তাৰবাবে কেন্দ্ৰীয় চৰকাৰে অধিক আগ্ৰহ প্ৰদৰ্শন কৰা উচিত আছিল। কিন্তু তেনে চৰকাৰী আগ্ৰহ আমি দেখিবলৈ পোৱা নাই।

অসমত কৃষিৰ উন্নতি সাধনৰ কাৰণে যথেষ্ট থল আছে। ইয়াৰ মাটি উৰ্বৰা কিন্তু কৃষিৰ উন্নতি আশানুৰূপভাবে হোৱা নাই চৰকাৰী সাহায্য আৰু তৎপৰতাৰ অভাৱত। আজিলৈকে ৰাজ্যখনৰ বানপানী নিয়ন্ত্ৰণৰ এখন সুস্থিৰ আঁচনি লোৱা নহ'ল। পৰিকল্পনা আয়োগ আৰু কেন্দ্ৰীয় কৰ্ত্তৃপক্ষই যদি ভাবিছে অসম বাহি-বননিৰ অঞ্চলত অসমৰ মানুহে খেতি-বাতি কৰি দুবেলা দুমুঠি খাবলৈ পালেই যথেষ্ট, তেন্তে এটা গুৰুতৰ কথা হৈছে।

অসমৰ বৃহৎ অংশ এটাত পাৰ্বত্য জনজাতীয় লোক বাস কৰে, সেই লোকসকলৰ উন্নয়নৰ আঁচনি হাতত লোৱাৰ আৱশ্যকতা কেন্দ্ৰীয় চৰকাৰেও বুজে। অসমক ১২০ কোটি টকা পৰিকল্পনাৰ বাবে দি তাৰে ৫০ কোটি টকা একীভূত পাৰ্বত্য অঞ্চল উন্নয়ন আঁচনিত ব্যয় কৰিবলৈ দিলে বাকী অংশৰ কাৰণে কিবা কাৰ্য্যকৰী আঁচনি হাতত ল'ব পাৰিনে?

মুঠ কথা ৰাজ্যিক পৰিকল্পনা মন্ত্ৰীয়ে আভাস দিয়া দৰেই হ'লে কেন্দ্ৰীয় চৰকাৰৰ মনোভাৱ অতি অসঙ্গত। অসমৰ পৰিকল্পনা ব্যয় হ্ৰাস কৰিলে ৰাজ্যখনৰ দোৰ্ঘোৰ অনিষ্ট কৰা হ'ব। সেই কথা পৰিকল্পনা আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰা উচতি।

## ৰুছ-মাৰ্কিন সম্পৰ্ক

মাৰ্কিন যুক্তৰাজ্য আৰু ছোভিয়েট ইউনিয়নৰ মাজত সম্পৰ্কৰ উন্নতি সাধন কৰিবৰ বাবে প্ৰেছিডেণ্ট জনছন আৰু ছোভিয়েট বৈদেশিক মন্ত্ৰী আঁদ্ৰে গ্ৰমিকোৰ হোৱাইট হাউছৰ আলোচনাত হয়তো বিশেষ গুৰুত্ব আৰোপ কৰিব লগা নাই। তথাপি নেতা দুজনে 'অতি সৌহাৰ্দ্যপূৰ্ণ আৰু অতি বন্ধুত্বপূৰ্ণ' পৰিৱেশত আলোচনা কৰা বুলি মাৰ্কিন ৰিপ্ৰেজেণ্টেটিভ সদনৰ অধ্যক্ষজনে দিয়া মন্তব্য মন কৰিবলগীয়া।

ৰাজনৈতিক আদৰ্শৰ ব্যৱধানে দেশ দুখনক সম্পূৰ্ণ বিপৰীত বিন্দু দুটাত অৱস্থিত হ'বলৈ বাধ্য কৰিছে। এই ৰাজনৈতিক আদৰ্শক কেন্দ্ৰ কৰি উভয় দেশৰ স্বাৰ্থৰ সংঘাত ব্যাপক হৈ পৰিছে। সেই কাৰণে দুয়োখন

দেশে দুটা গোষ্ঠীৰ নেতৃত্ব কৰিবলৈ লৈছে, পৰস্পৰৰ বিৰুদ্ধে আণৱিক অস্ত্ৰ-শস্ত্ৰৰ ভঁৰাল তৈয়াৰ কৰিছে; ইউৰোপ-এছিয়াত নিজ প্ৰাধান্য বিস্তাৰৰ বাবে পৰোক্ষ বা প্ৰত্যক্ষভাৱে তৎপৰ হৈ উঠিছে।

এইবিলাক ক্ষেত্ৰত মতানৈক্য সুস্পষ্ট হৈ থকা সত্বেও মাৰ্কিন প্ৰেছিডেণ্ট জনছনে ছোভিয়েট ইউনিয়নৰ লগত তেওঁৰ দেশৰ সম্পৰ্কৰ উন্নতি সাধন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। তেওঁ ভাবে যে ভিয়েটনামৰ যুদ্ধ চলি থাকিলেও দুয়ো দেশৰ সম্পৰ্ক উন্নত কৰা অসম্ভৱ কথা নহয়। হয়তো প্ৰকৃততে অসম্ভৱ নহয়। দুয়োখন দেশে যদি বিৰাট মানৱ জাতিৰ কল্যাণৰ কথা ঐকান্তিকভাৱে চিন্তা কৰে তেন্তে দেশ দুখনৰ সম্পৰ্কৰ ব্যৱধান যথেষ্ট পৰিমাণে হ্ৰাস পাব পাৰে। সেয়ে হ'লে ইউৰোপত মাৰ্কিন আৰু ৰুছ সৈন্য বাহিনী মুখামুখি হৈ থকাৰ আৱশ্যক নেথাকিব; নিৰস্ত্ৰীকৰণ আণৱিক অস্ত্ৰৰ বিস্তৃতি সাধন বন্ধ আদি বিশ্বৰ আহুকলীয়া সমস্যা কিছুমান সমাধান কৰাৰ পথ সুগম হ'ব। আনকি ভিয়েটনামৰ যুদ্ধৰ সমস্যাও সমাধান হ'ব পাৰে। এই আটাইবোৰৰ কাৰণে লাগিব সহ-অৱস্থান নীতিৰ প্ৰতি আনুগত্য। মাৰ্কিন যুক্তৰাজ্যই সহ-অৱস্থান নীতি অনুসৰণ কৰিবলৈ আগবাঢ়ি আহিবনে সেয়ে হৈছে প্ৰশ্ন।

মাৰ্কিন প্ৰেছিডেণ্ট জনছনে মাৰ্কিন জনতাৰ সাধাৰণ মনোভাৱৰ প্ৰতি লক্ষ্য কৰি অহা প্ৰেছিডেণ্ট নিৰ্বাচন আৰু ৰিপ্ৰেজেণ্টেটিভ সদনৰ নিৰ্বাচনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈকে এনে প্ৰস্তাৱ আগবঢ়াইছেনে কি বুজা নাযায়। কিন্তু এটা কথা ঠিক যে মাৰ্কিন যুক্তৰাজ্যত ভিয়েটনামৰ যুদ্ধই এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু বিক্ষোভ প্ৰদৰ্শনৰ দ্বাৰা সেই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হৈছে। ইউৰোপত মাৰ্কিন যুক্তৰাজ্যই এদিন নেতৃত্ব অব্যাহত ৰাখিব পাৰিব বুলি ভাবিছিল যদিও ফ্ৰান্সৰ দৃষ্টিভঙ্গীৰ পৰিৱৰ্ত্তনে সেই আশা ব্যৰ্থ কৰি পেলাইছে। এতিয়া মাৰ্কিন যুক্তৰাজ্যই সসন্মানে ইউৰোপৰ পৰা আঁতৰি আহিব পাৰিলেই হয়তো ৰক্ষা পৰিব। ভিয়েটনামতো মাৰ্কিন যুক্তৰাজ্যৰ সন্মানৰ প্ৰশ্ন উঠিছে। সেই কাৰণে স্বাৰ্থৰ খাতিৰতে প্ৰেছিডেণ্ট জনছনে সহ-অৱস্থান নীতি অনুসৰণ কৰা বৰ্ত্তমানৰ ছোভিয়েট ইউনিয়নৰ লগত সম্পৰ্কৰ উন্নতি সাধন কৰিবলৈ চেষ্টা চলোৱা অসম্ভৱ নহয়।

কিন্তু মাৰ্কিন যুক্তৰাজ্য আৰু ছোভিয়েট ইউনিয়নৰ মাজত এনে বুজা-বুজি হ'ব বুলি আশা কৰা কঠিন। ছোভিয়েট ইউনিয়নৰ লগত সহ-অৱস্থান নীতি কাৰ্য্যকৰী কৰাত মাৰ্কিন পেণ্টাগন আৰু ৱালষ্ট্ৰীটৰ বেৰণসকল সন্মত হ'ব বুলি আশা কৰিব নোৱাৰি। অথচ বিশ্বৰ শান্তিপ্ৰিয় জনতাই মানৱ জাতিৰ কল্যাণৰ বাবে আজি এই দুখন দেশৰ পৰস্পৰ বিৰোধী কাৰ্য্যকলাপৰ অৱসান কামনা কৰিছে আৰু সেয়ে হ'লে পৃথিৱীৰ বহুতো সৰু-সুৰা সমস্যা সমাধান কৰা উজু হৈ পৰিব।

<u>সোমবাৰ, ১৭ অক্টোবৰ, ১৯৬৬ চন</u>

# আকৌ অনুপ্ৰৱেশকাৰী

পাকিস্থানী কৰ্ত্তৃপক্ষই আকৌ নিয়মিত ৰূপে অনুপ্ৰৱেশকাৰী ভাৰতৰ ভিতৰলৈ পঠোৱাৰ বাতৰি ওলাইছে। কালি আমি এই স্তম্ভত সামান্যভাৱে ইয়াৰ উল্লেখ কৰিছিলো। এইবাৰ আমি বেছি ঘনিষ্ঠভাৱে এই সমস্যাৰ লগত সংশ্লিষ্ট। কাৰণ এইবাৰ অসমলৈ অনুপ্ৰৱেশকাৰী পঠোৱা হৈছে। সীমান্ত নিৰাপত্তা বাহিনীক সজাগ কৰি

দিয়া হৈছে বুলি ৰাজ্য চৰকাৰে জনাইছে। সেইটো উৎসাহজনক কথা। কিন্তু তাতেই আশ্বস্ত আৰু সন্তুষ্টি হৈ থাকিলে নহ'ব। এই সমস্যাটো কিমান ব্যাপকভাৱে সাংঘাতিক হৈ উঠিব পাৰে সেইটো চালি-জাৰি চালেই সেই কথা উপলব্ধি হ'ব।

১৯৪৭ চনত স্বৰ্গীয় জিন্নাই কাশ্মীৰখন গাৰ বলেৰে দখল কৰিবৰ মনেৰে সশস্ত্ৰ উপজাতীয় লোকসকলক পঠাই দিছিল। ভাৰতীয় সৈন্যৰ মাৰ খাই তেওঁলোক ওঁঠ-মুখ চেলেকি উলটি যাব লগা হ'ল। পিচৰবাৰ সৌ সিদিনাখন ভাৰত আক্ৰমণ কৰিবৰ কাৰণেও প্ৰস্তুতি স্বৰূপে পাকিস্থানী কৰ্ত্তৃপক্ষই অসংখ্য অসামৰিক লোকক পাৰ কৰি পঠাইছিল; সেইবোৰ মানুহ পিচত ধৰা পৰে। ঘোষণা উলাই কৰি সামৰিক প্ৰস্তুতি আৰু উত্তেজনা বঢ়াই নিছে আৰু এনে সময়তে পূব খণ্ডত অনুপ্ৰৱেশকাৰী প্ৰেৰণৰ বাতৰি ওলাইছে। আটাইতকৈ ডাঙৰ কথা হৈছে এইবিলাক মানুহ হেনো অসমৰ পৰাই বহিষ্কৃত হৈ যোৱা পাকিস্থানী নাগৰিক। তেওঁলোকক পূব পাকিস্থান কৰ্ত্তৃপক্ষই গোৱালপাৰা-গাৰো পাহাৰৰ বিপৰীতে দুমাইল বহল এলেকা এটা বসতিমুক্ত কৰি বহুৱাইছে আৰু তেওঁলোকৰ পৰাই এতিয়া দলে দলে অনুপ্ৰৱেশকাৰী অসমলৈ পঠাই থকা হৈছে। এনেকুৱা ভালেমান লোক গোৱালপাৰা জিলাৰ ভিতৰত ধৰা পৰিছে। এইবিলাকৰ সকলোখিনি পশ্চাদঘাতী কাৰ্য্যৰ কাৰণে নাহিব পাৰে সঁচা কিন্তু তেওঁলোকৰ লগতে যে তেনে কাম কৰা লোকো নাহিব এনে কথা কেতিয়াও ক'ব নোৱাৰি। এইটোৱে কি মাৰাত্মক ৰূপ ধাৰণ কৰিবগৈ পাৰে চিন্তা কৰি চাবলগীয়া। পাকিস্থানে আকৌ ভাৰত আক্ৰমণ কৰিলে এইবিলাক মানুহে ভয়ানক বিপৰ্য্যয়ৰ সৃষ্টি কৰিব পাৰে।

এনে লোকক পালে ধৰাই দিবলৈ ৰাইজক চৰকাৰে আহ্বান কৰিছে আৰু এনে লোকক আশ্ৰয় দিলে দণ্ড বিহা হ'ব বুলিও সতৰ্ক কৰি দিছে। ৰাইজ নিশ্চয় সতৰ্ক হোৱা উচিত হ'ব আৰু তেনে লোকক আশ্ৰয় দিয়াটো ৰাষ্ট্ৰ-বিৰোধী কাৰ্য্য হিচাপে বিবেচিত হ'বই। কিন্তু এই বিষয়ত চৰকাৰৰ ব্যৱস্থাও মুঠেই প্ৰশংসনীয় নহয়। কিমান সংখ্যক পাকিস্থানী লোকে বেআইনীভাৱে অসমৰ চুকে-কোণে বসবাস কৰি আছে তাৰ সঠিক হিচাপ আজিলৈকে নোলাল। এটা বাতৰি ওলাইছে যে ১৯৬১ চনত আঢ়ৈ লাখ অনুপ্ৰৱেশকাৰী আছিল, তাৰে ডেৰ লাখক বহিষ্কাৰ কৰা হৈছে। এই হিচাপ শুদ্ধ বুলি ধৰিলেও এক লাখ লোক ৰৈ গ'ল। এই বিৰাট সংখ্যক অনুপ্ৰৱেশকাৰীৰ বিষয়ে কি কৰা হৈছে? তদুপৰি এঠাইৰ পৰা খেদা খাই আন এটাইত লুকাই থকাৰ উদাহৰণ বহুত। এখন ৰাজহুৱা সভাতে অভিযোগ তোলা হৈছে যে এনে ধৰণৰ গোপনভাৱে থকা লোকৰ দ্বাৰা ভোটাৰৰ সংখ্যাও অস্বাভাৱিকভাৱে বৃদ্ধি কৰা হৈছে। তাৰ মানে এনে লোকক আশ্ৰয় আৰু প্ৰশ্ৰয় দিয়া লোকো অসমত আছে। যিবা বহিষ্কাৰ কৰাৰ ব্যৱস্থা কৰা হ'ল তাতো এনে সুৰুঙা উলিয়াই দিয়া হৈছে যে তাৰ সহায়ত বহুত লোক ৰৈ যাব পৰা হৈছে। এজনো ভাৰতীয় নাগৰিক বহিষ্কৃত হোৱাত আমাৰ সমৰ্থন নাই; কিন্তু আইনৰ চকুত যি অবাঞ্ছিত তেওঁক ইয়াত দেখিবলৈও আমি প্ৰস্তুত নহওঁ। এখন জিলাৰ পৰা খেদা খাই আন এখন জিলাত কিছুমান লোক কেনেকৈ লুকাই থাকিব পাৰিছে? দৰঙৰ পৰা বহিষ্কৃত লোক পূব পাকিস্থানৰ পৰা পুনৰ আহি কেনেকৈ গোৱালপাৰা ওলাইছেহি? নদীৰ মাজৰ চৰবিলাকত যদি তেনে লোকে আশ্ৰয় ল'ব পাৰে আৰু এই চৰবিলাক যদি উত্তৰ কামৰূপৰ পৰা ধানৰ চোৰাং চালান দিয়া ঘাটিয়েই হয় তেন্তে এটা চৰকাৰৰ ইমান কণ শক্তিও নাই নে যে তাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে? মুঠতে অবাঞ্ছিত আৰু অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে ল'বলগীয়া ব্যৱস্থাৰ মাজত সুচিন্তিত, সুসঙ্ঘবদ্ধ উদ্যম নাই। তাৰ বাবে আৱশ্যকীয় সময় যাতে বেছি অতীত হৈ নেযায় চৰকাৰে তাৰেই দিহা কৰক।

# ল'ৰামতীয়া

ল'ৰাই পানী পেলায়, বুঢ়া পিছলি পৰে— নীতি-বাক্যযাৰ বহুতেই পঢ়ি আহিছে। টলষ্টয়ৰ বৰ সুন্দৰ কাহিনী এটাও আছে— ল'ৰা-ছোৱালীৰ কাজিয়াৰ পৰা ডাঙৰৰ কাজিয়া ডাঙৰকৈ লাগিলগৈ আৰু শেষত সেই 'তামাচা' ল'ৰা-ছোৱালীয়ে ডিঙিত ধৰা-ধৰিকৈ চাই আছে! পিচে আজিকালি অকল ল'ৰা-ছোৱালীয়েই কাজিয়া নকৰে আৰু কাজিয়াকো বিবাদ, মতভেদ আদি নাম দি সন্মানিত কৰি লোৱা হৈছে। তথাপি এই বিবাদ-মতভেদবোৰকো এক প্ৰকাৰে ল'ৰামতীয়া কাম নহয় বুলিব নোৱাৰি। উদাহৰণ স্বৰূপে এই দেশৰ ভালেমান ৰাজ্যতে চৰকাৰৰ নেতৃত্ব লৈ কাজিয়া লাগি আছে। নগালেণ্ডৰ পৰা পঞ্জাবলৈকে মনতে চকু ফুৰাই চাওক— বয়স্কসকলৰ বিবাদ দেখিবলৈ পাব। উৰিষ্যাৰ তুঁহ জুই জ্বলিবই লাগিছে, বিহাৰত এসময়ত দুই সিংহৰ গোজৰণি উঠিছিল, উত্তৰ প্ৰদেশত দলৰ পাক আঁতি আঁতি খাবই লাগিছে, পঞ্জাবত ডেৰ অঁৰামান নেতাই মুখ্যমন্ত্ৰী হ'ব খুজিছে, কেৰালাততো ল'ৰা-ছোৱালী নোৰোৱা পোৱাতীৰ অৱস্থা হৈছে— চৰকাৰ হয় ভাগে আৰু বিসম্বাদী এদল ওলাই যায়,— অন্ধ্ৰতো ৰেড্ডীয়ে-ৰেড্ডীয়ে জেদা-জেদি। আঙুলি মূৰত এনে কাজিয়াৰ লেখ উলিয়াব নোৱাৰা হৈছেগৈ। এইবিলাক প্ৰায় সকলোতে কংগ্ৰেছৰ শাসন। এসময়ত সেৱাৰ সঙ্ঘ আছিল কংগ্ৰেছ। এতিয়াও নেতাসকলে ক্ষমতা গ্ৰহণৰ সলনি সেৱাৰ আদৰ্শৰ বক্তৃতা দিয়ে। কিন্তু কাৰ্য্যত সকলোৱে প্ৰমাণ কৰিব খোজে যে যোগ্য বোগ্যা বসুন্ধৰা। অসুবিধা এয়ে যে প্ৰত্যেকেই নিজকে যোগ্য বুলি ভাবে। সকলো সুৰ হোৱা হ'লে আৰু কোনো অসুৰ নথকা হ'লে আগৰ কালৰ কল্পনাতো সঙ্ঘৰ্ষ লগা টান আছিল। এইবোৰ বিবাদৰ আটাইতকৈ উল্লেখযোগ্য কথা হৈছে কোনো ক্ষেত্ৰতে আদৰ্শৰ দ্বন্দ্ব নাই। আদৰ্শবাদ যে ভাৰতত আজি নাই তাৰ উৎকৃষ্ট প্ৰমাণ বোধকৰো এইটোৱেই। ফল বা কুফল ভোগ কৰিছে শাসিতই ঃ তেওঁলোকৰ কথা ভাবিবৰ অৱকাশ কাৰো নোহোৱা হৈছে। নীতি-বাক্যত ল'ৰাৰ কাজিয়াৰ পৰা বয়স্কৰ অপকাৰ হৈছিল; ৰাজনীতিত বয়স্কৰ বিবাদৰ ফলত ল'ৰা-বুঢ়া সকলোৰে অপকাৰ হৈছে।

<u>বুধবাৰ, ১৯ অক্টোবৰ, ১৯৬৬ চন</u>

# মন্ত্ৰীসভাৰ সঙ্কট

অসমৰ মন্ত্ৰীসভাৰ মাজত হোৱা সংকটে এতিয়া এটা নতুন পৰ্য্যায়ত অৱস্থান কৰিছে। মুখ্যমন্ত্ৰী শ্ৰীচলিহা আৰু শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাৰ মাজত মতভেদ হোৱা বাতৰি অৱশ্যে আগতেই ওলাইছিল। কিন্তু কি কি বিষয়ত মতভেদ হৈছে, তাৰ খাটাং বাতৰি আজিলৈকে ওলোৱা নাই। মাত্ৰ জনজাতীয় নীতি সম্পৰ্কে মতভেদ হোৱা সম্পৰ্কীয় এটা বাতৰি প্ৰকাশ পাইছিল। কিন্তু জনজাতীয় নীতিৰ কোনবোৰ কথাত আপত্তি উঠিছে বা আপত্তি তোলোতা পক্ষই কি বিকল্প নীতিৰ কথা কৈছে— সেইবোৰ বিষয়ে কোনেও নেজানে। সেইদেখি বিবাদ ব্যক্তিকেন্দ্ৰীয় নে নীতিগত— সেই বিষয়ে খাটাংভাৱে কোৱাৰ কোনো উপায় নাই।

বিবাদৰ বিষয়ে কংগ্ৰেছৰ উৰ্দ্ধতন মহল কেতিয়াবাই অৱগত হৈছিল। সংশ্লিষ্ট উভয় পক্ষই এই বিষয়ে কংগ্ৰেছৰ উৰ্দ্ধতন কৰ্তৃপক্ষক জনাইছিল। কিন্তু সমস্যাৰ সমাধানৰ সূত্ৰ আগ নবঢ়াই মাত্ৰ ইয়াকে কোৱা হৈছিল যে নিৰ্বাচনৰ আগমুহূৰ্তত স্থিতাৱস্থাকে বাহাল ৰাখিব লাগে। পিচে মুখ্যমন্ত্ৰীয়ে শ্ৰীবৰুৱা মন্ত্ৰীৰূপে থাকিলে

পদত্যাগ কৰিব বুলি জনোৱাত কংগ্ৰেছ সভাপতিকে ধৰি উৰ্দ্ধতন মহলৰ কাৰণে বিকল্পৰ থল সংকুচিত হৈ পৰিল। মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰিলে মন্ত্ৰীসভাৰ গাঁথনিৰে আমূল পৰিৱৰ্তন সাধিবলগীয়া হ'ব। নিৰ্বাচনৰ আগমুহূৰ্তত অসমৰ ক্ষেত্ৰত তাকে কৰিলে অন্যান্য কেইখনমান ৰাজ্যতো অনুৰূপ ব্যৱস্থা হাতত ল'বলৈ কংগ্ৰেছ কৰ্তৃপক্ষ প্ৰতিশ্ৰুত হৈ পৰিব। অসমৰ মন্ত্ৰীসভাৰ সংকটতকৈ উৰিষ্যা, উত্তৰ প্ৰদেশৰ মন্ত্ৰীসভাৰ সংকট অধিক গুৰুতৰ। সেই দুয়োখন ৰাজ্যৰ তৰফৰ পৰা কংগ্ৰেছ কৰ্ত্তৃপক্ষৰ ওপৰত প্ৰবল হেঁচাও দিয়া হৈছে। কিন্তু তাকে কৰিলে সেই দুয়োখন ৰাজ্যতে দলাদলি বৃদ্ধি পাব আৰু ফলত সমাগত মাহ কেইটাত নতুন নতুন সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব। সেই কাৰণেই কংগ্ৰেছৰ উৰ্দ্ধতন মহলে স্থিতাৱস্থা বাহাল ৰখাৰহে পোষকতা কৰিছিল।

শ্ৰীচলিহাৰ শেহতীয়া উক্তিয়ে কংগ্ৰেছ সভাপতি প্ৰমুখ্যে নেতৃবৰ্গৰ আগত মাত্ৰ এটা পথ ৰাখিলে। সেইদেখি শ্ৰীবৰুৱাক দিল্লীলৈ মাতি নিয়াৰ পিচত এতিয়া শ্ৰীবৰুৱাক পদত্যাগ কৰিবলৈ কোৱাৰ বাতৰি প্ৰকাশ পাইছে। শিক্ষামন্ত্ৰী শ্ৰীবৰুৱাই হেনো পদত্যাগ কৰিবলৈ সন্মতি জনাইছে। ইমানতে বিবাদ নিষ্পত্তি হৈ যায় যদি ভালেই। কিন্তু গোজেই গছ হ'লৈগে সমাগত দিনত বহুতো বিপত্তিৰ সন্মুখীন হ'বলগীয়া হ'ব। অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ কংগ্ৰেছ নেতৃবৰ্গ পাৰস্পৰিক বিবাদৰ পৰা আপেক্ষিকভাৱে মুক্ত আছিল। সেইদেখি নানান সীমাবদ্ধতাৰ মাজতো কেতবোৰ ৰাজ্যৰ তুলনাত অসমৰ মন্ত্ৰীসভাই প্ৰশাসনৰ কামত অধিক পৰিমাণে মনোনিবেশ কৰিব পাৰিছিল। সীমামূৰীয়া এই ৰাজ্যখনৰ সমস্যাৰ সন্দৰ্ভত এইটো বিশেষ সন্তোষজনক কথা। অসমৰ সীমান্তৰ সিপাৰে শত্ৰুতা আচৰণ কৰা দুটা শক্তি তৎপৰ হৈ আছে। সীমামূৰীয়া ৰাজ্য নগালেণ্ডত বিদ্ৰোহী নগাৰ তৎপৰতা আছেই। তাৰ লগতে যোগ হৈছে বিদ্ৰোহী মিজোৰ সমস্যা, পাৰ্বত্য জনজাতীয় অঞ্চলৰ আন্দোলন, পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ সমস্যা, ৰাজ্যৰ খাদ্য সমস্যা, বান আৰু খহনীয়াৰ সমস্যা, ৰাইজৰ অৰ্থনৈতিক দুৰ্গতিৰ সমস্যা, থলুৱা স্বাৰ্থৰ সংকটাপন্ন অৱস্থা— ইত্যাদি এশ ছকুৰি সমস্যা। এনে সময়ত দলাদলি বৰ্জিত শক্তিশালী চৰকাৰ এটাৰ নিতান্ত প্ৰয়োজন। শাসনত অধিষ্ঠিত দলৰ মূৰব্বীসকলৰ মাজত দলাদলি থাকিলে চৰকাৰ কেতিয়াও শক্তিশালী হ'ব নোৱাৰে। অথচ দেশৰ বৃহত্তৰ স্বাৰ্থই অসমত এতিয়া শক্তিশালী চৰকাৰ এটা কাৰ্য্যৰত হৈ থকাটোকে দাবী কৰে। সেইদেখি আমি এতিয়া চিন্তিত হৈছো। শেহতীয়া ব্যৱস্থাই যদি বিবাদৰ পুষ্টি সাধনত সহায় কৰে, তেন্তে অকল যে দলীয় স্বাৰ্থতে আঘাত কৰিব এনে নহয়— অসম তথা ভাৰতৰ বৃহত্তৰ স্বাৰ্থও বাধাগ্ৰস্ত হ'ব।

সোমবাৰ, ৩১ অক্টোবৰ, ১৯৬৬ চন

## ৰাজনীতিৰ বেমাৰ

ছাত্ৰ, শিক্ষক আৰু শিক্ষানুষ্ঠান ৰাজনীতিৰ লগত জড়িত হৈ পৰিব নেলাগে বুলি মুখেৰে সকলোৱে কয়। কিন্তু কাৰ্য্যক্ষেত্ৰত সেইটো নহয়। ৰাজনীতিয়ে গোটেই পৰিৱেশটোকে বিষাক্ত কৰি তুলিছে। বিৰোধী দলবোৰে যেনেকৈ ৰাজনীতিৰ জাল পেলাবলৈ সুযোগ বিচাৰি তেনে সুযোগ কামত লগাইছে, ক্ষমতাত অধিষ্ঠিত দলেও বহুত ক্ষেত্ৰত তেনে কামকে কৰিছে। সম্প্ৰতি আমাৰ জীৱনৰ অন্যান্য ক্ষেত্ৰ যেনেকৈ ৰাজনীতি-সৰ্বস্ব হৈ পৰিছে, শিক্ষানুষ্ঠানৰ পবিত্ৰ চৌহদকো সেই একেটা বিকাৰে কলুষিত কৰি তুলিছে। সময়ত ৰাজনীতিয়ে

প্ৰকাশ্যে প্ৰৱেশ কৰিছে, সময়ত কৰিছে লুকাই-চুৰকৈ। শিক্ষক, অধ্যাপকৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজনীতিৰ প্ৰভাৱ পৰিছে। ৰাজনৈতিক বিচাৰ-বিবেচনাৰ ফালৰ পৰা শিক্ষানুষ্ঠান পতা হৈছে। শিক্ষক, ছাত্ৰ আদিৰ কিছুমান ৰাজনৈতিক স্বাৰ্থৰ প্ৰভাৱত পৰিছে। যদি সেই প্ৰভাৱ বিৰোধী দলৰ, তেন্তে ক্ষমতাত অধিষ্ঠিত দলে ওলোটা শৰ মাৰিছে। যদি সেই প্ৰভাব ক্ষমতাত অধিষ্ঠিত দলৰ তেন্তে বিৰোধী দলে ওলোটাই শৰ জুৰিছে। ছাত্ৰানুষ্ঠানবোৰৰ নিৰ্বাচনো ৰাজনৈতিক দলৰ শক্তি পৰীক্ষাৰ স্থল হৈ পৰিছে।

এইখন পটভূমিতে এতিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীচাগলাই কংগ্ৰেছ সংসদী দলৰ সভাত কোৱা কথা এযাৰৰ তাৎপৰ্য্য বিচাৰি চাব পাৰো। শ্ৰীচাগলাই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ নেতৃত্বৰ অভাৱ ছাত্ৰৰ অশান্তিৰ অন্যতম কাৰণ বুলি কৈছে। তেওঁ উপায়ুক্তৰ নিযুক্তিৰ ব্যৱস্থাটোৰো সমালোচনা কৰিছে আৰু এই ব্যৱস্থাত ৰাজনৈতিক বিচাৰে প্ৰাধান্য লাভ কৰা বুলি মন্তব্য কৰিছে। শিক্ষানুষ্ঠানৰ স্বতন্ত্ৰতা যে কেতিয়াবাই নোহোৱা হ'ল— সেই কথা আমি জানো। এতিয়া আৰু এখোপ চৰিছে। বিশ্ববিদ্যলয়ৰ উপাচাৰ্য্য আৰু ক'ৰ্ট আদিৰ সদস্য বছাৰ ক্ষেত্ৰতো ৰাজনীতিয়েই প্ৰধান বিবেচনা হৈ পৰিছে। তাৰ ফলত কেতবোৰ বিশ্ববিদ্যালয়ত কি অৱস্থা হৈছে, সেই কথা সকলোৱে জানে। শ্ৰীচাগলাই নিৰ্ভীকভাৱে এইযাৰ কথা কৈ চৰকাৰক আত্মবিলোকনৰ বাবে এটা সুযোগ উলিয়াই দিছে বুলি আমি ভাবো। সাম্প্ৰতিক অশান্তি দূৰ কৰা ক্ষেত্ৰত চৰকাৰৰ যদি আন্তৰিকতা আছে, তেন্তে মূলতে থকা বিকাৰবোৰ দূৰ কৰক। চালে-বেৰে কোবোৱাৰ পৰা লাভ নাই।

<u>মঙ্গলবাৰ, ১ নৱেম্বৰ, ১৯৬৬ চন</u>

# নিষ্ফল আলোচনা

নতুন দিল্লীত বিদ্ৰোহী নগাৰ প্ৰতিনিধিৰ সৈতে হোৱা আলোচনাৰ অন্তত চৰকাৰী মুখপাত্ৰই যিমানেই মৃদু আৰু আশাৰ সুৰত নহওক, বিদ্ৰোহী নগা পক্ষৰ বক্তব্যই কিন্তু কোনো আশাৰ সঁহাৰি দিয়া নাই। ইতিমধ্যে বিদ্ৰোহী নগা দলৰ প্ৰতিনিধিবৰ্গৰ নেতা শ্ৰীজে-কে সুখায়ে কলিকতাত স্পষ্টভাৱে ঘোষণা কৰিলে যে আলোচনা অচল অৱস্থাত উপনীত হৈছে। বিদ্ৰোহী দলে সাৰ্বভৌমত্বৰ বাহিৰে আন কোনো ব্যৱস্থাকে মানি নলয়। তাৰ পিচত বিদ্ৰোহী দলৰ তৰফৰ পৰা তেওঁলোকৰ ১৪ দফীয়া স্মাৰক-পত্ৰখন সাংবাদিকৰ আগত আগবঢ়াই দি তেওঁলোকে স্পষ্টভাৱে ব্যক্ত কৰিলে যে তেওঁলোক আগৰ খোপনিৰ পৰা সমূলি লৰা নাই।

যদি সেয়ে হয়, তেন্তে ইমান দিনেনো নতুন দিল্লীত কিহৰ আলোচনা চলিল আৰু প্ৰত্যেকবাৰৰ আলোচনাৰ অন্ততে আশাৰ মনোভাৱ প্ৰকাশ কৰাৰ কি কাৰণ আছিল? ভুল ধাৰণা দূৰ কৰাৰ ক্ষেত্ৰত আগবঢ়া বুলি একাধিকবাৰ চৰকাৰীভাৱে ঘোষণা কৰাৰ মূৰত এতিয়া দেখা গ'ল যে সেইবোৰ উক্তিয়ে বিকৃত ৰূপ এটাহে দাঙি ধৰিছিল। আনকি বিকল্প প্ৰস্তাৱ বিদ্ৰোহী দলে দিব পাৰে বুলি ওলোৱা বাতৰিটোও কাৰবাৰ স্বাৰ্থ-প্ৰণোদিত কল্পনাবিলাস বুলিহে সন্দেহ কৰাৰ থল ওলাইছে।

১৯৬৪ চনৰ ৬ ছেপ্টেম্বৰৰ পৰা অস্ত্ৰ-বিৰতি কাৰ্য্যকৰী কৰি শান্তিৰ পৰিৱেশ ৰচনা কৰিবলৈ চেষ্টা কৰা হ'ল। কিন্তু কাৰ্য্যতঃ দেখা গ'ল যে অস্ত্ৰ-বিৰতিৰ সুযোগ লৈ বিদ্ৰোহী দলে অবাধে নিজৰ শক্তি বৃদ্ধি কৰিলে। তাতোকৈ ডাঙৰ কথা হ'ল— বিদ্ৰোহী নগা দলে নগালেণ্ডত তেওঁলোকৰ প্ৰতিচ্ছবি, সুপ্ৰতিষ্ঠিত কৰি ল'লে।

অনুগত নগাসকলৰ মাজত সুস্থ নেতৃত্ব গঢ়ি তোলাৰ হকে যি প্ৰয়াস চলোৱা হৈছিল, তাৰ স্বাৰ্থতো ডাঙৰ আঘাত পৰিল। ইপিনে নিষ্ফল আলোচনা দীঘলীয়া কৰি নি পূব ভাৰতৰ জনজাতীয় অঞ্চলত এটা নতুন প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰা হ'ল। তাৰ ফল কি হৈছেগৈ— সেই কথা আজি নতুনকৈ কোৱাৰ সকাম নাই।

আলোচনা চলোৱাৰ নামত চৰকাৰে বোজা বঢ়াই ল'লে। অথচ বিদ্ৰোহী দলৰ বোজা পাতলিল। কিয়নো চৰকাৰীভাৱে যি ব্যাখ্যাই দিয়া নহওক, বিদ্ৰোহী দলে কেন্দ্ৰীয় চৰকাৰৰ সৈতে চলোৱা আলোচনাৰ যোগেদি বিদ্ৰোহ চৰকাৰৰ কাৰণে পৰোক্ষভাৱে স্বীকৃতি আদায় কৰি লোৱা বুলি ভাবিবলৈ থল পালে। আনহাতে ৰেভাৰেণ্ড মাইকেল স্কটৰ সৌজন্যত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো অনুৰূপ ছবি এখন দাঙি ধৰিব পাৰিলে। এনে স্থলত চৰকাৰে শামুকীয়া গাঁঠি বঢ়াই ল'বৰ বাবে আলোচনা অনৰ্থকভাৱে দীঘলীয়া কৰি নিয়াৰ একো প্ৰয়োজন নাছিল। এতিয়া দৃঢ়তাৰহে নিতান্ত প্ৰয়োজন। বিভিন্ন ক্ষেত্ৰত বিভিন্ন ভুলে নগা সমস্যাৰ জটিলতা বঢ়াই দিলে। ১৯৪৭ চনত তেতিয়াৰ ৰাজ্যপাল ছাৰ আকবৰ হায়দৰীয়ে বিদ্ৰোহী নগাৰ সৈতে 'সম্পাদন' কৰা 'দহ বছৰীয়া চুক্তি'খন আজিও আমাৰ কাৰণে সাঁথৰ স্বৰূপ হৈ থাকিল। সেই 'চুক্তি'ৰ ৯ নম্বৰ দফাত চুক্তিৰ মিয়াদ সম্পৰ্কে উল্লেখ কৰি 'নগা ৰাইজৰ ভৱিষ্যত' সম্পৰ্কে নতুন চুক্তি কৰা হ'ব নে নাই চুক্তিৰে মিয়াদ বঢ়োৱা হ'ব সেই বিষয়ে আলোচনা কৰাৰ ব্যৱস্থা দিয়া হৈছিল। তাৰ নিজস্ব ব্যাখ্যা দি বিদ্ৰোহী নগা দলে পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে। মিছনেৰী দলক আগ ভাগ ল'বলৈ দি ৰেভাৰেণ্ড স্কটক ৰঙা ঠেঙা পাৰি আদৰি আনি আৰু শান্তি মিছনৰ আয়োজন কৰিও জটিলতা বৃদ্ধি কৰি লোৱাহে হ'ল। যি শান্তি মিছনৰ ইমান গুণগান চলিল, সেই মিছনেও কিন্তু নগাসকলৰ 'আত্মনিয়ন্ত্ৰণৰ আকাংক্ষা'ৰ কথা বুজি পোৱা বুলিহে বিবৃতি দিছিল। এই সকলোবোৰ হ'ল— ভুলৰ হূল। কিন্তু তাকে আৰু কিমান বঢ়াব?

শনিবাৰ, ৫ নৱেম্বৰ, ১৯৬৬ চন

# প্ৰাৰ্থী বাছনি

কালিৰ পৰা গুৱাহাটীত প্ৰদেশ কংগ্ৰেছ নিৰ্বাচনী কমিটীৰ বৈঠক বহিছে। এই বৈঠকতে অহা নিৰ্বাচনৰ কাৰণে কংগ্ৰেছ প্ৰাৰ্থীসকলৰ বাছনি কৰি সেই তালিকা কংগ্ৰেছৰ উৰ্দ্ধতন মহলৰ অনুমোদনৰ বাবে পঠোৱা হ'ব। কংগ্ৰেছ দলৰ প্ৰাৰ্থী বুলি দলৰ স্বাৰ্থ ইয়াত যেনেকৈ নিহিত থাকিব, সেইদৰে ক্ষমতাত অধিষ্ঠিত দলৰ প্ৰাৰ্থী হিচাপে এই বাছনিৰ লগত সমূহ ৰাইজৰ স্বাৰ্থও নিহিত থাকিব। সেইদেখি এই বাছনিৰ প্ৰতি সকলোৰে দৃষ্টি ৰাখিছে। সৰ্বসাধাৰণ ৰাইজৰ ভাৰসা এয়ে যে অসম তথা ভাৰতৰ বৃহত্তৰ স্বাৰ্থৰ ভেটিতে যেন প্ৰাৰ্থী বছা হয়। ঠেক স্বাৰ্থ বা ব্যক্তিমুখী স্বাৰ্থই প্ৰাধান্য লাভ কৰিলে বাছনিও ত্ৰুটীপূৰ্ণ হ'ব আৰু মূৰকত তাৰ পৰিণাম ভূগিব লাগিব— সমগ্ৰ অসম তথা ভাৰতে।

এইবাৰ নিৰ্বাচনী কমিটীৰ বাছনিৰ দায়িত্বও গধূৰ। কিয়নো আগতে মণ্ডল কংগ্ৰেছ কমিটীকে ধৰি নিম্নতম মহলৰ পৰা মতামত লৈ উচ্চতম মহলে বাছনিৰ আঁত উলিয়াইছিল। এইবাৰ সেই নিয়ম বলৱৎ থকা নাই। এনে কৰাৰ ফলত ন্যস্ত স্বাৰ্থই প্ৰাধান্য লাভ কৰাৰ সুবুঙা উলিয়াব পাৰে। দ্বিতীয়তে অসমত এইবাৰেই ক্ষমতাত অধিষ্ঠিত দলৰ মাজত হোৱা কাৰণেই বহুত ক্ষেত্ৰত বাছনি উপযুক্ততাৰ ভেটিত হ'ব পৰা নাই। সম্ভৱতঃ তেনেবোৰ

কাৰণেই উপযুক্ত অৰ্হতা থকা বহুতো লোকৰ ৰাজনীতিৰ প্ৰতি আজিকালি বিৰাগ ভাগ জন্মিছে। আনহাতে অযোগ্য লোক সুবুঙাইদি সৰকি যোৱা কাৰণে শাসনৰ মান ৰক্ষা কৰাতো বাধা জন্মিছে।

সেইদেখি প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচনী কমিটী যেন নিজৰ দায়িত্ব সম্পৰ্কে সচেতন হয়। ঠেক স্বাৰ্থ বা ব্যক্তিমুখী স্বাৰ্থই যেন বৃহত্তৰ স্বাৰ্থ বিপন্ন কৰি তুলিব নোৱাৰে। সুস্থ বিচাৰ-বিবেচনাৰে যোগ্যতাৰ বিচাৰ লোৱাই মূল লক্ষ্য হ'ব লাগিব। ঠেক স্বাৰ্থই দলাদলিৰো বীজ ৰাখি থৈ ভৱিষ্যতৰ অৱস্থা অসহনীয় কৰি তোলে।

## পৰীক্ষা-পদ্ধতি

ৰাজ্যিক মাধ্যমিক শিক্ষা ব'ৰ্ডে পৰীক্ষা-পদ্ধতি সংস্কাৰ কৰা সম্পৰ্কত প্ৰচেষ্টা হাতত লোৱাটো সন্তোষৰ কথা। এতিয়ালৈকে দেশৰ পৰীক্ষা-পদ্ধতি সলনি কৰা সম্পৰ্কে বহুতো দিহা-পৰামৰ্শ, প্ৰতিবেদন আদি পোৱা হ'ল। কিন্তু কাৰ্য্যক্ষেত্ৰত কোনো ব্যৱস্থা লোৱাৰ বেলিকা তৎপৰতা পৰিলক্ষিত হোৱা নাছিল। এনে অৱস্থাত ৰাজ্যিক মাধ্যমিক শিক্ষা ব'ৰ্ডে প্ৰণালীবদ্ধ প্ৰচেষ্টা এটা হাতত লোৱাটো আশাপ্ৰদ। ব'ৰ্ডে সমীক্ষা চলাই বিভিন্ন বিষয়ত ছাত্ৰই দিয়া উত্তৰৰ ধৰণ, ত্ৰুটী আদিৰ বিষয়েও সন্ধান লোৱাটো ভাল কথা হৈছে। ব'ৰ্ডৰ এই প্ৰচেষ্টাৰ সম্পৰ্কত সমালোচনা উত্থাপন কৰাৰ সময় এতিয়াই হোৱা নাই। আমি মাত্ৰ ইয়াৰ অগ্ৰগতিৰ প্ৰতিহে লক্ষ্য ৰাখিব লাগিব।

মাত্ৰ এটা কথা মনত ৰখা উচিত হ'ব। চলিত ব্যৱস্থাৰ সংস্কাৰ সধা ক্ষেত্ৰত সকলো বাছ-বিচাৰ কৰি গতি নিৰ্ণয় কৰাটো উচিত হ'ব। প্ৰশ্ন-কাকতৰ ধৰণ পোনপটীয়া কৰা, মুখস্থ কৰি লিখা বা নোট পঢ়ি লিখাটো নিবাৰণ কৰা, ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত মেধাৰ পৰিচয় ল'ব পৰাকৈ ব্যৱস্থা কৰা— ইত্যাদি কথাবোৰ নিঃসঙ্গ ভাৱে বিচাৰ কৰাটো অনুচিত। এইবোৰ আঁসোৱাহ দূৰ কৰিবলৈ ছাত্ৰৰ লগতে স্কুল আৰু শিক্ষকৰ বহুতখিনি প্ৰস্তুতিৰ প্ৰয়োজন। নতুন ধাৰাৰ প্ৰশ্নৰ তাৎপৰ্য্য কি, কেনে ধৰণেৰে উত্তৰ দিব লাগিব, তাৰ বাবে কেনে ধৰণৰ প্ৰস্তুতিৰ প্ৰয়োজন— এইবোৰ কথা ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ বুজি উঠিব পাৰিব লাগিব। আনহাতে স্কুলেও যাতে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তুলিব পাৰে— তাৰ বাবে যাৱতীয় যা-যোগাৰ প্ৰতিখন স্কুলতে থাকিব লাগিব। এইবোৰ দায়িত্ব পালন কৰিব পৰাকৈ উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষকো থাকিব লাগিব। আনহাতে পাঠ্যপুথিৰ মান উন্নত কৰাটোও নিতান্ত প্ৰয়োজনীয়। সম্প্ৰতি ব্যৱসায়িক দৃষ্টিকোণৰ পৰা পাঠ্যপুথি সালসলনি কৰি থকাৰ ফলত নানান অসুবিধা হৈছে।

ব'ৰ্ডে ইংৰাজী আৰু গণিতৰ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে দিয়া উত্তৰৰ সম্পৰ্কত সমীক্ষা চলাই যিবোৰ দোষ পাইছে, সেইবোৰৰপৰাই বুজা গৈছে যে স্কুলত কৰিবলগীয়া বহুত কাম বাকী আছে। এইবোৰ দোষ দূৰ কৰিবৰ বাবে ব্যাপক অনুশীলনৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীয়ে স্কুলত আৰু ঘৰত কৰিবলগীয়া কাম বঢ়াব লাগিব। পিচে এই বৰ্দ্ধিত দায়িত্ব পালন কৰিব পৰা জোখাৰে শিক্ষক সৰহ ভাগ স্কুলতে নাই। এজন শিক্ষকে সপ্তাহটোত যিমানটা শ্ৰেণী ল'ব লাগে, তাতকৈ বেছি ল'বলগীয়া হৈছে শিক্ষকৰ সংখ্যা কম হোৱা কাৰণেই। গণিতৰ দোষ-ত্ৰুটীৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে নিম্নতম মহলাৰপৰাই বিচাৰ ল'ব লাগিব। নিম্ন মহলাত সুদৃঢ় ভেটি ৰচনা কৰাৰ সামৰ্থ্য বহুত স্কুলতে নাই। সেইদেখি বৰ্ডৰ বিচাৰ্য্য মূল বিষয়টোৰ লগত আন বহুতো প্ৰসঙ্গ জড়িত হৈ আছে। বৰ্ডৰ প্ৰচেষ্টা যদি সফল হ'ব লাগে, তেন্তে উল্লিখিত সকলো বিষয়ৰ দোষবোৰো আঁতৰিব লাগিব। সেইবোৰ ক্ষেত্ৰত বৰ্ডে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সহযোগিতা পালেহে বৰ্ডৰ এই প্ৰচেষ্টা ফলৱতী হ'ব।

এইখিনিতে আমি এটা কথালৈ বৰ্ডৰ দৃষ্টি আকৰ্ষণ কৰিলো। বুৰঞ্জী আদি বিভিন্ন বিষয়ৰ প্ৰশ্ন কাকত ইংৰাজীত কটাৰ একো প্ৰয়োজন নাই। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী বাধাগ্ৰস্ত হৈছে। আনকি বৰ্ডে গণিতৰ প্ৰশ্ন সম্পৰ্কে চলোৱা সমীক্ষাতে স্বীকাৰ কৰিছে যে গণিতৰ সু-পৰিচিত শব্দ কিছুমানৰ (ইংৰাজীত দিয়া) অৰ্থ নুবুজাৰ বাবে পৰীক্ষাৰ্থীয়ে উত্তৰ দিব নোৱাৰে। এনে স্থলত এই অবাঞ্ছনীয় হেঙাৰ ৰাখি থোৱাৰ কি প্ৰয়োজন?

মঙ্গলবাৰ, ৮ নৱেম্বৰ, ১৯৬৬ চন

# অসমৰ উদ্যোগীকৰণ

ব্যৱহাৰিক অৰ্থনৈতিক গৱেষণাৰ ৰাষ্ট্ৰীয় পৰিষদে মন্তব্য কৰিছে যে প্ৰাকৃতিক সম্পদৰাজিক উদ্যোগৰ ক্ষেত্ৰত প্ৰয়োগ কৰাত অসমে বিশেষ আগবাঢ়িব পৰা নাই। অসমৰ অৰণ্যানিৰ মাজত লুকাই থকা সম্ভাব্য উদ্যোগ বিষয়ত ৰাষ্ট্ৰই বিশেষ একো কৰিব নোৱাৰা কথাটোলৈ পৰিষদে বিশেষভাৱে আঙুলিয়াই দিছে। তেলৰ বাহিৰে অকল চাহ শিল্পৰ ক্ষেত্ৰতহে অসমে উল্লেখযোগ্য বৰঙণি যোগাইছে। কেইবছৰমান আগতে পৰিষদে চলোৱা অনুসন্ধানৰ ৰিপোৰ্টৰ ভেটিতে এই মন্তব্য কৰা হৈছে আৰু চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত অসমৰ দ্ৰুতভাৱে উদ্যোগীকৰণৰ বাবে ২৬৮.৭৫ কোটি টকাৰ এখন সুচিন্তিত আঁচনি কৰিবলৈ পৰামৰ্শ দিছে।

এইখিনিতে এটা কথা মন কৰিবলগীয়া যে যোৱা তিনিটা পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত তুলনামূলকভাৱে অসম ৰাজ্যত ঔদ্যোগীকৰণৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতিৰ চিন পোৱা নেযায়। আনহাতে বাষষ্ঠিৰ চীনা আক্ৰমণ আৰু যোৱা বছৰৰ পাক-ভাৰত সংঘৰ্ষৰ আৱশ্যকতাত সীমান্তবৰ্ত্তী ৰাজ্য বুলি যিখিনি কাম খৰখেদাকৈ কৰা হৈছে বা কৰা হ'ব ধৰিছে সেয়াও যথেষ্ট নহয়। ৰাষ্ট্ৰৰ সীমান্তবৰ্ত্তী ৰাজ্য হোৱাৰ উপৰিও অসমত পেট্ৰোলিয়াম জাতীয় আপুৰুগীয়া সম্পদ থকাত এই অঞ্চললৈ কেন্দ্ৰীয় চৰকাৰে অধিক মনোযোগ দিয়া উচতি হ'ব। অৰণ্য-সম্পদৰ পৰা কাকত, নিউজ-প্ৰিণ্টৰ উৎপাদন; চেনি-মৰাপাট উৎপাদন; চিমেণ্ট আদিৰ উৎপাদনৰ উপৰিও,— ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিষদে এই ৰাজ্যত কৃষিৰ সঁজুলি, ধাতুজাত বয়-বস্তু, বাইচাইকেল, গৃহ নিৰ্মাণৰ সঁজুলি আদি প্ৰস্তুত কৰাৰ কথা উনুকিয়াইছে। এই পৰামৰ্শসমূহ অতি আৱশ্যকীয় আৰু দ্ৰুতভাৱে সেইবোৰ কাৰ্য্যকৰী কৰাটোকে আমি বিচাৰো। কিন্তু আগৰ অভিজ্ঞতাৰে, আমাৰ সন্দেহ হয় যে এনে ধৰণৰ বহু সজ পৰামৰ্শ শেষলৈ গৈ ৰঙাফিটাৰ খুঁটি-নাটিৰ বাবে বা কৰ্ত্তৃপক্ষৰ হেমাহিৰ বাবে কাৰ্য্যত পৰিণত নহয়। তদুপৰি উদ্যোগীকৰণৰ লগে লগে স্থানীয় লোকৰ নিবনুৱা সমস্যা সমাধানত যাতে সেয়ে সহায়ক হয় তালৈ বিশেষভাৱে আগতীয়াকৈ মন দিয়া উচিত। প্ৰস্তাৱিত উদ্যোগৰ বাবে আগতীয়াকৈ, প্ৰশিক্ষণ দি থলুৱা এচামলোকৰ কামৰ বাট প্ৰশস্ত কৰিব পৰা যায়। নহ'লে উদ্যোগ স্থাপনৰ নামত নতুনকৈ ৰাজ্যলৈ অধিক খাৰবীয়া আনি, থলুৱা লোকৰ অভাৱ-অনাটন বঢ়োৱাহে হ'ব পাৰে। উদ্যোগৰ লগত আন ঠাইৰ বিশেষজ্ঞসকল নিশ্চয় আহিব; কিন্তু যাতে বিশেষজ্ঞৰ নামত— থলুৱা লোকে অলপ শিক্ষা ললেই কৰিব পৰা কামতো বাহিৰৰ ন্যস্ত স্বাৰ্থৰ অঙহী-বঙহীয়ে ৰঘুমলা হৈ অসমত, নতুন সমস্যাৰ সৃষ্টি নকৰে তালৈ চকু ৰখাটো আৱশ্যক। সেয়া প্ৰাদেশিকতা নহয়, বৰং পাঁচ বছৰীয়া আঁচনিৰ সকলো ৰাজ্যকে সমানে আগবঢ়াই নিয়াৰ প্ৰচাৰিত উদ্দেশ্যতহে তাৰে সহায় কৰা হ'ব।

কিছুদিন আগতে নিখিল ভাৰত অৰ্থনৈতিক সন্মিলনে কেৰালা সম্পৰ্কে আলোচনা কৰোতে আনকি কেন্দ্ৰীয় খাদ্য দপ্তৰৰ ৰাজ্যিকমন্ত্ৰী শ্ৰীপি-পি গোবিন্দ মেননে প্ৰকাশ্যভাৱে কৈছিল যে ভাৰতৰ প্ৰতিখন ৰাজ্যক সমানে ঔদ্যোগীকৰণ কৰাত বা উন্নত কৰাত যেন পঞ্চবাৰ্ষিক আঁচনিসমূহ কৃতকাৰ্য্য হোৱা নাই। তাৰ কাৰণ হ'ল ত্ৰুটিপূৰ্ণ অৰ্থনৈতিক পৰিকল্পনা। কেৰালাৰ ক্ষেত্ৰত যদি এই কথা প্ৰযোজ্য হয়, তেনেহলে অসমৰ ক্ষেত্ৰত সেয়া তাতোকৈ বেছি প্ৰযোজ্য হোৱাটো দেখ্ দেখ্ কথা। সমাজবাদী ৰাষ্ট্ৰ গঠনৰ বাবে প্ৰতিখন ৰাজ্যই তুলনামূলকভাৱে প্ৰায় সমানে আগবাঢ়িবলৈ সুবিধা পোৱা উচিত। অসমৰ কথাও সেই দৃষ্টিভঙ্গীৰে চাব লাগিব।

আমি আশা কৰো ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিষদৰ পৰামৰ্শাৱলী নিখুঁতভাৱে অসমৰ ঔদ্যোগীকৰণৰ ক্ষেত্ৰত যাতে খটুৱায় তালৈ যেন ৰাজ্যিক চৰকাৰে চকু ৰাখে আৰু তৎপৰতাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত উপযুক্ত যোগাযোগ ৰক্ষা কৰি দ্ৰুতভাৱে যেন সেইবোৰ কাৰ্যকৰী কৰায়।

বুধবাৰ, ৯ নৱেম্বৰ, ১৯৬৬ চন

# উন্মাদনা আৰু নেতৃত্ব

উন্মাদনাই এতিয়া সমগ্ৰ দেশকে ছাটি ধৰিছে। হিংসাত্মক কাৰ্য্যকলাপ গোটেই দেশতে বিয়পি পৰিছে। শেহতীয়া ঘটনাবোৰ ঘটিছে— ৰাজধানী দিল্লীত। সেই পটভূমিত কংগ্ৰেছ সংসদী দলৰ কাৰ্য্যনিৰ্বাহক কমিটীৰ বৈঠকত এই বিষয়ে হোৱা আলোচনাত হেনো কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীনন্দ সমালোচনাৰ কেন্দ্ৰ হৈ পৰে। গৃহমন্ত্ৰী শ্ৰীনন্দক তেওঁৰ দপ্তৰৰ পৰা আঁতৰোৱাৰ দাবী উঠে আৰু এই বিষয়ত শ্ৰীঅতুল্য ঘোষ আৰু ৰেলৰে মন্ত্ৰী শ্ৰীএছ-কে-পাটিলে বোলে আগভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰী সভাত শ্ৰীনন্দক যে একপ্ৰকাৰ এঘৰীয়া কৰা হৈছে, তাৰ প্ৰমাণ ইতিমধ্যে পোৱা হৈছে। গৃহদপ্তৰৰ কেতবোৰ দায়িত্ব তেওঁৰ পৰা আঁতৰাই নিয়া, শ্ৰীনন্দই নজনাকৈ বা তেওঁৰ অনুপস্থিতিত বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা— ইত্যাদি কথাবোৰ বিশেষ তাৎপৰ্য্যপূৰ্ণ। মন্ত্ৰীসভাত যে আনুগত্য ভাগ ভাগ হৈছে আৰু মন্ত্ৰীসভাৰ বাহিৰে-ভিতৰে শ্ৰীপাটিল প্ৰমুখ্যে এভাগৰ প্ৰতিপত্তি যে দিনক দিনে বৃদ্ধি পাইছে— সেই কথা দেশবাসীয়ে উপলব্ধি কৰিছে। লগতে এই কথাও সকলোৰে উপলব্ধি কৰিছে যে শ্ৰীপাটিল, শ্ৰীঘোষ আদিৰ মতামতে গঢ় দিয়া কেতবোৰ চৰকাৰী নীতি জনমতৰ সম্পূৰ্ণ বিপৰীতে গৈছে। একালৰ তথাকথিত 'ছীণ্ডিকেট' আজি অলপ বেলেগ ৰূপত সৰ্বশক্তিমান হৈ উঠিছে। এইসকল লোকে ক্ষমতাৰ বুভুক্ষা পূৰণৰ বাবে প্ৰতিটো সুযোগকে গ্ৰহণ কৰিছে। সেইদেখি বৰ্তমানৰ অশান্তিৰ ক্ষেত্ৰতো তেওঁলোকে সেই বেজালিকে কৰিবলৈ লৈ শ্ৰীনন্দক আঁতৰোৱাৰ বা নিম্নতৰ স্থানলৈ নমোৱাৰ কথা পাঙিছে।

কিন্তু এয়া ৰোগৰ নিৰাকৰণৰ ব্যৱস্থা নহ'ব। শ্ৰীনন্দক উপলক্ষ হিচাপে লৈ পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি এই শক্তিমান সমষ্টিটোৱে হয়তো নিজৰ স্থিতি আৰু টনকিয়াল কৰি তুলিব পাৰে। কিন্তু তাৰপৰা দেশৰ পৰিস্থিতি উন্নত কৰিব পৰাৰ থল ওলাব বুলি ভাৰসা ৰখাৰ উপায় নাই। ওলোটা ফলহে হ'বগৈ পাৰে। কিয়নো এই সৰ্বশক্তিমান সমষ্টিটোৱে জনমতৰ বিৰুদ্ধে গৈ যিবোৰ নীতি প্ৰৱৰ্তন কৰিছে, সেইবোৰেই দেশত অস্থৈৰ্য্যৰ বাবে সুৰুঙা উলিয়াই দিছে। সেয়ে দেশত কাৰ্যতঃ দুটা শিবিৰ ৰচনা কৰাৰ তুল্য হৈছে। এই ব্যৱধান দূৰ কৰাটোহে এতিয়া ঘাই সমস্যা।

এই ব্যৱধান আছে কাৰণেই সুযোগ সন্ধানী বিৰোধী দল কিছুমানে পৰিস্থিতিৰ পূৰ্ণ সুযোগ ল'বলৈ চেষ্টা কৰিছে। এই বিষয়ত ঠাই বিশেষে বামপন্থী দল আৰু ঠাই বিশেষে সোঁপন্থী দল তৎপৰ হৈ উঠিছে। বেলট বাকচে তেওঁলোকৰ ভাগ্যৰ চকৰী ঘূৰাব পাৰিব বুলি তেওঁলোকে হয়তো পেটে পেটে ভাৰসা ৰাখিব পৰা নাই। সেইদেখি ৰাইজৰ অসন্তুষ্টি বঢ়াই তুলি অনুগ্ৰহ পোৱাৰ চমু বাট কেনিবা ওলায় নেকি তাৰ সন্ধানত তেওঁলোকে আত্মনিয়োগ কৰিছে। ফলত সৰ্বসাধাৰণ যেন বাহিৰ ওলোৱাৰ বাট নথকা বেহুত সোমাই পৰিছে। চৰকাৰৰ ভুল নীতি আৰু বিৰোধী দল কিছুমানৰ বিকৃত ধাৰণাৰ সমাহাৰত সৃষ্টি হোৱা সাম্প্ৰতিক পৰিস্থিতিয়ে আমাক কিহৰ পিনে ঠেলি নিছে, সেই কথালৈ যেন কোনেও কাণ দিয়া নাই— এনে এটা ধাৰণাহে এতিয়া হৈছে। কিন্তু পিচত আমি এহাতৰ হুল দুহাতে কাঢ়িবলগীয়া হ'ব। আমাৰ গণতান্ত্ৰিক ধাৰা যদি এই অসুস্থ পৰিৱেশৰ মাজত অপমৃত্যুৰ গৰাহত পৰে, তেন্তে সেই পৰিণতিৰ অভিশাপ যুগে যুগে বহন কৰিব লাগিব— এতিয়াৰ ৰাজনৈতিক ৰঙ্গমঞ্চৰ ভাৰৰীয়াসকলেই।

## উদ্যোগকৰণৰ বাটত

চেৰাপুঞ্জীত ৰাজ্যৰ সৰ্বপ্ৰথম চৰকাৰী খণ্ডৰ চিমেণ্ট কাৰখানাৰ উৎপাদন কাৰ্য্য আৰম্ভ হোৱাটো সন্তোষৰ কথা। খাছী পাহাৰত থকা বিপুল পৰিমাণৰ চূণশিল কামত লগাই এই কাৰখানা পতাৰ পৰিকল্পনা কেতিয়াবাই কৰা হৈছিল। কিন্তু বিভিন্ন কাৰণত গতি মন্থৰ হোৱাত ৰাইজৰ মন সেমেকি গৈছিল। ১৯৫৯ চনতে অসমত অনুসন্ধানকাৰ্য্য চলোৱা ব্যৱহাৰিক অৰ্থনৈতিক সমীক্ষাকাৰী ৰাষ্ট্ৰীয় পৰিষদৰ তৰফৰপৰা দিয়া আশাপ্ৰদ ছবিখন ১৯৬৬ চনতহে কাৰ্য্যত ৰূপায়িত হ'বলগীয়া হোৱাটো সঁচাকৈ হতাশ হ'বলগীয়া কথা। এতিয়া এই প্ৰচেষ্টাৰ সফল অগ্ৰগতি হোৱাটোকে আমি কামনা কৰিছো। চৰকাৰী খণ্ডত এই কাম হাতত লোৱা হৈছে যেতিয়া দায়িত্বও বাঢ়িছে। চৰকাৰী খণ্ডৰ বিষয়ে বিৰূপ সমালোচনা আছেই— সময়ত সেই সমালোচনাৰ যথেষ্ট ভিত্তি থাকে; সময়ত কিন্তু আন স্বাৰ্থও থাকে। এতিয়া এই চিমেণ্ট কাৰখানাৰ কাৰ্য্যনিৰ্বাহকসকলে নিষ্ঠাৰে কাৰ্য্য সম্পাদন কৰি এই উদ্যমক সমালোচনাৰ উৰ্দ্ধত ৰাখিব পাৰিব লাগিব।

চৰকাৰৰ প্ৰস্তাৱিত ব্যৱস্থা মতে বোকাখাটতো চৰকাৰী খণ্ডত আন এটা চিমেণ্ট কাৰখানা পতাৰ কথা আছে। মিকিৰ পাহাৰত সঞ্চিত থকা ১৫৪ নিযুত টন চূণশিল কামত লগোৱাত এই কাৰখানাই উপায় উলিয়াই দিব পাৰিব। পিচে চেৰাপুঞ্জী আৰু বোকাখাট— এই দুয়োটা কাৰখানাই উৎপন্ন কৰিব পৰা চিমেণ্টেও ৰাজ্যৰ চাহিদা পূৰণ কৰিব নোৱাৰিব বুলি সম্প্ৰতি প্ৰকাশিত তথ্য মতে জনা গৈছে। সেইদেখি ৰাষ্ট্ৰীয় পৰিষদৰ বাকীবোৰ প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ কথা চিন্তা কৰাৰ থলো আছে। পৰিষদে গুৱাহাটীতো এটা চিমেণ্ট কাৰখানা পতাৰ দিহা দিছিল। তদুপৰি গাৰো পাহাৰৰ চূণশিল কামত লগোৱাৰ বাবেও পৰিষদে বিকল্প স্থানত কাৰখানা পতাৰ ব্যৱস্থা দিছিল। আমাৰ ঔদ্যোগিক ভেটি ৰচনা কৰা বিষয়ত এইবোৰ পৰামৰ্শয়ো গুৰুত্ব লাভ কৰা উচিত।

মঙ্গলবাৰ, ১৫ নৱেম্বৰ, ১৯৬৬ চন

## কেন্দ্ৰীয় মন্ত্ৰীসভা ঃ মুকলি চিন্তা

প্ৰায় এসপ্তাহজোৰা জল্পনা-কল্পনাৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ যি সালসলনি কৰা হ'ল তালৈ মন কৰিলে

এইটোৱেই প্ৰতীয়মান হয় যে ন্যস্ত স্বাৰ্থ বা উপদলীয়া হেঁচাৰ ওচৰত প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণভাৱে সেও মনা নাই। শ্ৰীনন্দৰ অপসাৰণৰ পশ্চাৎভূমিত যি শক্তি আছিল বুলি সন্দেহ কৰা হৈছে, সেই একে শক্তিয়ে বিচৰা মতে অৰ্থ বিভাগ বা বাণিজ্য বিভাগত হাত দিয়া নহ'ল। কিন্তু শক্তিশালী মহলৰ প্ৰতিবাদৰ মূৰতো শ্ৰীচৱনক প্ৰধানমন্ত্ৰীয়ে গৃহদপ্তৰৰ ভাৰ দিলে। গৃহমন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটালৈ শ্ৰীওৱাই বি চৱনক অনা হৈছে আৰু আন বিভাগসমূহৰ সালসলনি কৰা হৈছে মাত্ৰ অহা নিৰ্বাচনলৈ কাম চলাই যাবলৈ। মাত্ৰ চাৰি মাহ পিচতে সাধাৰণ নিৰ্বাচন হ'ব; গতিকে বৰ্ত্তমানৰ মন্ত্ৰীসকলৰ সালসলনিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিবলগীয়া একো নাই; —আৰু এনে সাল-সলনিৰ পৰা কোনো বিভাগৰ বিশেষভাৱে নীতি নিৰ্দ্ধাৰণ বা সালসলনিৰ প্ৰশ্নও নুঠে। যি কি নহওক আমি আশা কৰোঁ যাতে কেন্দ্ৰীয় মন্ত্ৰীসভাই বৰ্ত্তমানৰ আভ্যন্তৰীণ অনিশ্চয়তাৰ ইমানতে সামৰণি মাৰি, যৌথভাৱে বহল দৃষ্টিভঙ্গীৰে দেশৰ সমুখত দেখা দিয়া প্ৰধান সমস্যাসমূহৰ প্ৰতি বাস্তৱ দৃষ্টিভঙ্গীৰে মনোযোগ দিয়ে। খাদ্য সমস্যা আৰু দেশৰ ভিতৰত নিৰাপত্তা আৰু শৃঙ্খলাৰ কথাই এই ক্ষেত্ৰত বিশেষকৈ মনলৈ আহে। চৰকাৰৰ দৃঢ় আৰু স্থিৰ নীতিৰ অভাৱৰ চেলু লৈ বহুতো বিভেদকামী শক্তিয়ে নানা উপায়ে দেশত গা কৰি উঠিব ধৰিছে। বাহিৰৰ শত্ৰুৱে দেখদেখকৈ আক্ৰমণ কৰি আমাক সেও মনাব নোৱাৰাটো প্ৰমাণিত হৈছে। সেয়ে হয়তো এই শত্ৰুসকলে দেশৰ মাজত ভেদ নীতিৰ বীজাণু সিঁচি ভাৰতক দুৰ্বল কৰাৰ উপায় লৈছে। তদুপৰি পশ্চাৎঘাতী কাৰ্য্যেৰে আৰু অনুপ্ৰৱেশকাৰীৰ যোগেৰে জাতিৰ মনোবল হ্ৰাস কৰাৰ চেষ্টাও তেওঁলোকে কৰি আছে। অবন্ধুভাবাপন্ন দুই এক ৰাষ্ট্ৰই দিনে নিশাই ভাৰতৰ বিপক্ষে অনাতাঁৰ আৰু বাতৰি কাকত যোগে বিষ উদ্‌গীৰণ কৰিয়েই আছে। ভাৰতৰ খাদ্য সমস্যাৰ কাৰণে 'ঘঁৰিয়ালৰ চকুলো' টুকি এনে দুই-এক ৰাজ্যৰ প্ৰচাৰ যন্ত্ৰসমূহে ভাৰতবাসীৰ মাজত হতাশা আৰু বিক্ষোভ সৃষ্টি কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে। তাৰ বিপৰীতে আমাৰ অনাতাঁৰ বা আন প্ৰচাৰ যন্ত্ৰই সমানে ফেৰ মাৰিব পৰা নাই যেন লাগিছে। সেয়ে আমি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সাময়িক সালসলনিৰ বিষয়ে বিশেষ চিন্তিত হোৱা নাই। আমি মাত্ৰ আশা কৰিছো— সমুখত সাধাৰণ নিৰ্বাচনৰ মোহ থাকিলেও, চৰকাৰে দেশৰ ভৱিষ্যতৰ কথাত যেন দৃঢ়তাৰে আৱশ্যকীয় কৰ্ম ব্যৱস্থা লয়; দেশৰ পৰা বিশৃঙ্খলা, হতাশাজনিত ক্ষোভ, অৰাজকতা আৰু দলীয়-উপদলীয় বা ব্যক্তিগত স্বাৰ্থৰপৰা উদ্ভৱ হোৱা সকলো প্ৰকাৰৰ দেশৰ বাবে অহিতকৰ মনোভাৱৰ যেন অন্ত পেলায়। এই মূল নীতি অকল কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰতে নহয় ৰাজ্যিক চৰকাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। ক্ষুদ্ৰ ব্যক্তিগত বা দলীয় স্বাৰ্থ বলি দিবলৈ চেষ্টা কৰা কোনো লোকক দেশ আৰু দেশবাসীয়ে ক্ষমা নকৰে।

## শিশু কথাছবি

শিশু দিৱসৰ লগত খাপ খুৱাই শিশু কথাছবি সংস্থাই কালিৰপৰা সমগ্ৰ দেশতে শিশু কথাছবি সপ্তাহ পালন কৰিবলৈ সিদ্ধান্ত লৈছে। অসমত অৱশ্যে শিশু কথাছবি সম্পৰ্কীয় কাৰ্য্যকৰী কোনো সমিতি নথকাত এই বিষয়ে একো উমঘাম নেপোৱাটোৱেই স্বাভাৱিক। পিচে শিশু কথাছবিৰ কথাই নেলাগে অসমত কোনো ধৰণৰ কথাছবিয়েই আজি প্ৰায় দুবছৰে নিৰ্মিত হোৱা নাই। ৰাজ্যিক চৰকাৰে সাজি থকা ষ্টুডিঅ'টিলৈ অপেক্ষা কৰি আমাৰ কথাছবি প্ৰযোজকসকল নিশ্চল হৈ আছে বুলি ক'লেও সত্যৰ অপলাপ কৰা হ'ব। অসমীয়া ছবি চাওতা একেবাৰে কম নহ'লেও, দেখুওৱাৰ ব্যৱস্থা অৰ্থাৎ প্ৰেক্ষাগৃহৰ অভাৱৰ কথাটোহে মন কৰিবলগীয়া।

প্ৰেক্ষাগৃহ যিখিনি আছে, সেইবোৰৰ মালিকসকলেও অৰ্থকৰী দৃষ্টিভঙ্গীৰে অসমীয়া ছবি প্ৰদৰ্শন কৰিবলৈ আগবাঢ়ি আহিব নোখোজে। অৱশ্যে কথাছবি নিৰ্মাতাসকলে যদি অকল অৰ্থকৰী দৃষ্টিভঙ্গীকে লয়, তেনে ক্ষেত্ৰত প্ৰেক্ষাগৃহৰ মালিকসকলকে বা আমি কেনেকৈ দাবী কৰো যে তেওঁলোকে অসমীয়া কথাছবিৰ প্ৰসাৰৰ বাবে ত্যাগ স্বীকাৰ কৰক! কিন্তু ত্যাগ স্বীকাৰ আমি কৰিবই লাগিব; —প্ৰযোজকেও অসমীয়া কথাছবিৰ মান উন্নয়ন কৰাৰ ক্ষেত্ৰত অধিক লাভৰ অঙ্কটোৰ কথা পাহৰিব লাগিব আৰু প্ৰেক্ষাগৃহৰ মালিকেও অসমীয়া ছবি দেখুৱাবলৈ আগবাঢ়ি আহিব লাগিব। অসমীয়া অভিনেতা-অভিনেত্ৰী আৰু প্ৰায়বোৰ শিল্পীয়ে প্ৰায় বিনা বানচতে প্ৰযোজকৰ হৈ ছবিত অংশ গ্ৰহণ কৰালৈ চাই, তেওঁলোকৰ পিনৰপৰা যথেষ্ট ত্যাগ স্বীকাৰ কৰা বুলিয়েই ক'ব লাগিব। এতিয়া প্ৰযোজক আৰু প্ৰদৰ্শকসকলৰ পাল। তেনে কৰিলেহে আমি চৰকাৰকো দাবী কৰিব পাৰিম— আমোদকৰ ৰেহাইৰ বাবে, প্ৰেক্ষাগৃহৰ সংখ্যা বৃদ্ধিৰ বাবে আৰু প্ৰত্যেক প্ৰেক্ষাগৃহত বাধ্যতামূলকভাৱে অসমীয়া ছবি প্ৰদৰ্শনৰ বাবে। আনহাতে অসম চৰকাৰৰ কথাছবি বিভাগৰ পৰা আমি বঙ্গ চৰকাৰৰ কথাছবি বিভাগৰ দৰে তৎপৰতা বিচাৰো। এতিয়ালৈকে অসম চৰকাৰৰ এই বিভাগে তথ্যচিত্ৰ নিৰ্মাণ কামত গা কৰিব নোৱাৰাটো দুখৰ কথা। আমি আশা কৰো, চৰকাৰী আৰু বেচৰকাৰী কথাছবি নিৰ্মাতাসকলে এই বিষয়ে অলপ দ'কৈ ভাবি চাব।

শিশু কথাছবি সপ্তাহ উপলক্ষে দিয়া বাণীত শ্ৰীমতী ইন্দিৰা কান্ধীয়ে কৈছে যে কথাছবিৰ যেনেদৰে ভাল গুণ আছে, তেনেদৰে বেয়া গুণো নথকা নহয়। সেই কাৰণে তেওঁ শিশু কথাছবি নিৰ্মাণ কৰোতাসকলক বিশেষভাৱে সতৰ্ক হ'বলৈ আৰু শিশু-মনস্তত্বৰ বিষয়ে অধ্যয়ন কৰিবলৈ অনুৰোধ কৰিছে। এইয়ে কথাছবিৰ বেয়া গুণ, ইয়াৰ হাত সাৰিবলৈ অকল শিশু কথাছবিৰ ক্ষেত্ৰতে নহয়— সকলো ধৰণৰ কথাছবিৰ ক্ষেত্ৰতে প্ৰযোজকসকল সাৱধান হোৱা উচিত। পিচপৰা দেশৰ অশিক্ষিত বা অৰ্দ্ধশিক্ষিত জনসাধাৰণৰ বহুতো বয়স্ক লোকৰ মনো শিশুৰ দৰেই সৰল আৰু সহজে ভুল বাটেৰে যাব পৰা ধৰণৰ। এনে অৱস্থাত, প্ৰযোজকসকলে সস্তীয়া অৰ্থকৰী দৃষ্টিভঙ্গীৰে জাতীয় চৰিত্ৰত আঘাত কৰা ধৰণৰ ছবি উলিয়ালে, —সেয়া লুভীয়া ব্যৱসায়ীৰ ভেজাল বিষাক্ত খাদ্যৰ দৰেই জাতিৰ স্বাস্থ্যৰ বাবে ক্ষতিকৰ হ'ব।

আমি আদৰ্শ প্ৰচাৰৰ কথা কোৱা নাই; কলা শিল্পক মাত্ৰ অৰ্থ উপাৰ্জনৰ বাহনৰূপে ব্যৱহাৰ কৰাৰ বিৰুদ্ধেহে কৈছো। কলা সৃষ্টি জীৱনৰ বাবে; সেয়ে যি কলা শিল্পই জীৱনবোধক সমৃদ্ধ কৰিব নোৱাৰে সেয়া ব্যক্তি আৰু সমূহ— উভয়ৰে পক্ষে ক্ষতিকৰ। সুখৰ কথা অসমীয়া কথাছবিৰ সংখ্যা তাকৰ হ'লেও, তুলনামূলকভাৱে সেইবোৰৰ মাজত ক্ষতিকৰ দোষবোৰ সোমোৱা নাই। অসমত ষ্টুডিঅ' হ'লে আৰু অসমীয়া ছবিৰ সংখ্যা সৰহ হ'লেও যাতে প্ৰযোজকসকলে এই দিশটোলৈ লক্ষ্য ৰাখে তাৰবাবেহে আমি আগতীয়াকৈ এই দুষাৰ লিখিলো। শিশুসকলৰ উপযোগী অসমীয়া কথাছবি নিৰ্মাণ কৰিবলৈও এচাম উদ্যোগী প্ৰযোজক-পৰিচালক আগবাঢ়ি অহাটো আমি কামনা কৰো। অসমত শিল্প-প্ৰতিভা যথেষ্ট আছে, কিন্তু সেই প্ৰতিভাক ঠিকমতে প্ৰকাশৰ বাট দেখুৱাই দিওঁতাৰহে অভাৱ। তদুপৰি নীচাত্মিকা মনোভাৱ আঁতৰ কৰি, অসমীয়া শিল্পী সমাজে পৰস্পৰে পৰস্পৰৰ লগত সহযোগ কৰিহে এই ক্ষেত্ৰত আগবাঢ়িব পাৰিব আৰু আমি তাকেই আশা কৰো।

শনিবাৰ, ১৯ নৱেম্বৰ, ১৯৬৬ চন

## নতুন গৃহমন্ত্ৰীৰ আহ্বান

যোৱা ৭ নৱেম্বৰৰ দিনা দিল্লীত হোৱা ঘটনাৰ সন্দৰ্ভত গৃহমন্ত্ৰী শ্ৰীচৱনে সংসদত কয় যে বৰ্তমান হিংসাত্মক কাৰ্য্যৰ দ্বাৰা উত্তপ্ত হৈ থকা পৰিৱেশৰ মাজত সকলো ৰাজনৈতিক দলে হিংসাত্মক কাৰ্য্যলৈ ৰূপান্তৰিত হ'ব পৰা সকলো আন্দোলনৰপৰা নিজক বিৰত ৰাখিব লাগে। এই আহ্বানৰ প্ৰতি সঁহাৰি জনোৱাটো সকলো ৰাজনৈতিক দলৰে কৰ্তব্য বুলি আমি ভাবো। বৰ্তমানে যি পৰিৱেশৰ সৃষ্টি হৈছে, তাৰ গতিৰোধ কৰিব নোৱাৰিলে দেশৰ সমুখত চৰম বিপদে দেখা দিব পাৰে। শান্তিপূৰ্ণ আন্দোলনৰ কথা বাৰেপতি ঘোষণা কৰা সত্বেও সেয়ে মূৰকত হিংসাত্মক হৈ উঠিছে আৰু এই ক্ষেত্ৰত প্ৰতিটো ৰাজনৈতিক দলে নিজক দোষমুক্ত কৰাৰ বাবে চেষ্টা কৰাৰ বাহিৰে এই পৰিৱেশত একো যোগাত্মক অৱদান যোগাব পৰা নাই। এনে অৱস্থাত সকলো ৰাজনৈতিক দলে আন্দোলনৰপৰা বিৰত থাকি সমাগত নিৰ্বাচন নিৰ্বিঘ্নে সম্পন্ন হোৱাত সহায় কৰা উচিত।

পিছে গৃহমন্ত্ৰীৰ এই উক্তিৰ প্ৰতি সমৰ্থন জনায়ো আমি তেওঁৰ এষাৰ কথা সহজভাৱে ল'ব নোৱাৰিলো। শ্ৰীচৱনে দিল্লীৰ ঘটনা সম্পৰ্কে ন্যায়িক তদন্ত চলোৱা কথাটো একে আষাৰে বাতিল কৰি দিয়ে। এনে এটা গুৰুত্বপূৰ্ণ ঘটনাৰ সম্পৰ্কত তেনে তদন্তৰ প্ৰয়োজন নাই বুলি চৰকাৰে ভাবিলে কিয়? চৰকাৰৰ সতৰ্কতামূলক ব্যৱস্থা, আন্দোলন সংক্ৰান্ত সভাত মুখিয়াল কংগ্ৰেছী লোকে যোগদান কৰা, সমদলত যোগ দিবলৈ বাহিৰৰপৰা দিল্লীলৈ অহা লোকৰ বাবে বিশেষ ৰেলৰ ব্যৱস্থা কৰা— ইত্যাদি বিবিধ প্ৰশ্নই ৰহস্যৰ অৱতাৰণা কৰিছে। তদুপৰি এই ঘটনাৰ সম্পৰ্কতে আগৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী যি ধৰণে আঁতৰিবলগীয়া হ'ল আৰু আঁতৰি যোৱাৰ পিচত তেওঁ যিবোৰ মন্তব্য কৰিলে সেইবোৰ কথায়ো এই ৰহস্য ঘনীভূত কৰি তুলিছে। শ্ৰীনন্দই এই সকলো কথা পৰিকল্পিত বুলি প্ৰকাশ্যে ঘোষণা কৰে। তদুপৰি তেওঁ মন্ত্ৰীসভাৰ সহযোগিতা লাভ নকৰা, উচ্চপদস্থ চৰকাৰী বিষয়াৰ ভূমিকা আদিৰ কথাও উল্লেখ কৰিছিল। সেইবোৰ কথাৰো বিশেষ তাৎপৰ্য্য আছে। অৱশ্যে শ্ৰীনন্দৰ অভিযোগ সম্পৰ্কে প্ৰধানমন্ত্ৰীয়ে সমিধান দিছে। কিন্তু প্ৰধানমন্ত্ৰীয়ে শ্ৰীনন্দৰ অভিযোগৰ সন্দৰ্ভত আগতে সচিবৰ কথা উল্লেখ কৰোতে কৈছিল যে সচিবৰ নিযুক্তিৰ প্ৰসঙ্গটো মন্ত্ৰীসভাৰ নিযুক্তি সম্পৰ্কীয় শাখা কমিটিৰহে। প্ৰধানমন্ত্ৰীয়ে পূৰ্বৰ উক্তিৰপৰা ফালৰি কাটি যোৱাৰ দৰে গৈ সংসদত ক'লে কোনো মন্ত্ৰীয়ে 'ভাল পোৱা বা বেয়া পোৱা'ৰ বিবেচনাত তেওঁৰ অধীনত বিষয়া এজনক দিব নোৱাৰি। শ্ৰীনন্দৰ স্পষ্ট উক্তিত ব্যক্তিগতভাৱে 'ভাল পোৱা বা বেয়া পোৱা'ৰ কথা কিন্তু নাছিল। তেওঁৰ খোলোচা উক্তিৰ এইটো বিকৃত ব্যাখ্যাহে হ'ল। এনে অৱস্থাত সকলো কথাৰ মাজতে ৰহস্য থকা যেন লাগে। ৭ নৱেম্বৰৰ ঘটনাৰ পৰিসীমা অকল আলিবাটেই নাছিল— বহুত দূৰলৈ শিপাইছিল বুলি সন্দেহ কৰাৰ কাৰণ আছে। এনে অৱস্থাত তদন্তৰ প্ৰয়োজন ইয়াতেই আটাইতকৈ বেছি। শান্তিপূৰ্ণ পৰিৱেশ ৰচনা কৰা ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব কম নহয়— চৰকাৰে নিজৰ কাৰ্য্য-ব্যৱস্থাৰ দ্বাৰা পোনতে ৰাইজক আশ্বস্ত কৰিব পাৰিব লাগিব। নতুন গৃহমন্ত্ৰীয়ে যেন সেই কথা মনত ৰাখে।

বুধবাৰ, ২৩ নৱেম্বৰ, ১৯৬৬ চন

# নিৰাশজনক

লোকসভাত বৈদেশিক মন্ত্ৰী শ্ৰীএম-চি-চাগলাই মিজো আৰু নগা বিদ্ৰোহীক পাকিস্থানে সাহায্য দিয়া সম্পৰ্কে দিয়া বিবৃতিয়ে চৰকাৰৰ কাৰ্য্য-ব্যৱস্থাৰ সম্পৰ্কত ৰাইজক একো আশ্বাস দিব নোৱাৰিলে। বিদ্ৰোহী দলক পাকিস্থানে অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰশিক্ষণ দিয়া আৰু পাকিস্থানী এলেকাৰ পৰা কাম চলাবলৈকো সুবিধা দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ সমূলি সন্দেহ নাই বুলি শ্ৰীচাগলাই কৈছে।

কিন্তু তাৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কি কৰিছে? পাকিস্থানে সকলো আন্তঃৰাষ্ট্ৰীয় অনুশাসন অগ্ৰাহ্য কৰি ভাৰতক বিব্ৰত কৰিবলৈ এইবোৰ কাম কৰি আহিছে। আমাৰ তৰফৰ পৰা প্ৰতিবাদ টোকা পঠোৱাৰ কথাহে আমি শুনিছো। কিন্তু পাকিস্থানে এনে কোনো সাহায্য দিয়াৰ কথা অস্বীকাৰ কৰিছে। এই বিষয়ে পাকিস্থানৰ লগত পোনপটীয়াভাৱে আলোচনা চলোৱাৰ পৰাও লাভ নহ'ব— কিয়নো পাকিস্থানে আগতেই অস্বীকাৰ কৰি থৈছে। সেইদেখি পাকিস্থানৰ পৰা সঁহাৰি পাই কিবা ব্যৱস্থা হাতত ল'ব পৰা হ'ব বুলি অৰ্থহীন আশা পোষণ কৰাতকৈ ভাৰত চৰকাৰে নিজৰ ববীয়া চেষ্টাতহে মনোনিবেশ কৰিব লাগে। পাকিস্থানৰ বিৰুদ্ধে নতুন দৃঢ়তা অৱলম্বন কৰাৰ উপৰিও চৰকাৰে বিদ্ৰোহী দলৰ প্ৰতিও অধিক দৃঢ়তাৰে ব্যৱস্থা ল'ব লাগে আৰু সীমান্ত অধিক সুৰক্ষিত কৰাৰ ব্যৱস্থা হাতত ল'ব লাগিব। আমাৰ ধাৰণা হৈছে যে নগালেণ্ডৰ ক্ষেত্ৰত যি ভুল কৰা হ'ল, মিজো জিলাতো চৰকাৰে একেটা ভুলকে কৰিছে। কঠোৰ ব্যৱস্থা নলৈ বিদ্ৰোহী নগাসকলৰ মন ঘূৰাব পৰা হ'ব বুলি চৰকাৰে আশা কৰিছিল। কিন্তু তাৰ ফল বিপৰীত হ'ল। এতিয়া মিজো বিদ্ৰোহী দলৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা হাতত নলৈ চৰকাৰে মৰিচীকা খেদি ফুৰিছে। কিমান মিজো বিদ্ৰোহী কোন দিনা কোন পিনে পাকিস্থানলৈ গ'ল আৰু কেনে ধৰণৰ অস্ত্ৰ লৈ কিমান মিজো বিদ্ৰোহী কোন বাটেদি পাকিস্থানৰ পৰা ঘূৰি আহিল— সেই সকলো তথ্য চৰকাৰৰ নখদৰ্পণ হৈ আছে। অথচ সীমান্ত সৰকি যোৱাত বা সীমান্ত অতিক্ৰম কৰি আহি পুনৰ মিজো জিলাত প্ৰৱেশ কৰাত বিদ্ৰোহী দলক চৰকাৰে বাধা দিব নোৱাৰে। চৰকাৰৰ নৰম নীতিয়েই সীমান্তৰক্ষী বাহিনীক ব্যৱস্থা লোৱাৰ পৰা বিৰত ৰাখিছে নেকি?

যদি কথা সেইটোৱেই, তেন্তে চৰকাৰে এই নিৰৱ দৰ্শকৰ নীতি পৰিহাৰ কৰক। মিজো বিদ্ৰোহীৰ এনেবোৰ যোগাযোগৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লওক। আমাৰ সীমান্তৰক্ষী বাহিনীৰ সেইখিনি সামৰ্থ্য আছে বুলি আমাৰ দৃঢ় বিশ্বাস আছে। কঠোৰ ব্যৱস্থা লোৱাত তেওঁলোকৰ সমুখত কোনো বাধাৰ সৃষ্টি কৰা অনুচিত। দ্বিতীয়তে সীমান্ত-চকী বঢ়োৱা, সীমান্ত অধিক সুৰক্ষিত কৰা আৰু সীমান্তৰ বাট-পথৰ উন্নতি সাধন কৰা কথা একমাত্ৰ বিবৃতিৰ বিষয়-বস্তু কৰি নেৰাখি তাক কাৰ্য্যত অতি শীঘ্ৰে ৰূপায়িত কৰক।

# খাৰুৱা তেলৰ বিবাদ

অসমৰ তেল পুঙৰপৰা আহৰণ কৰা খাৰুৱা তেলৰ বাবে অসম চৰকাৰক কেন্দ্ৰই দিবলগীয়া 'ৰয়েলিটী' সম্পৰ্কীয় বিবাদ চিঙা নাই। ১৯৬২ চনত প্ৰধানমন্ত্ৰীৰ ৰায় মানি প্ৰতি টনৰ বাবে চাৰে সাত টকাকৈ 'ৰয়েলিটী'ৰ ব্যৱস্থা কৰাটো মানি লোৱা হৈছিল। সেইটো সঙ্গত নিৰিখ বুলি অৱশ্যে তেতিয়া মানি লোৱা হোৱা নাছিল। প্ৰধানমন্ত্ৰীৰ মধ্যস্থতাইহে এই ব্যৱস্থা মানি ল'বলৈ অসম চৰকাৰক বাধ্য কৰিছিল। কিন্তু ইতিমধ্যে অৱস্থাৰ

বহুতখিনি পৰিৱৰ্তন ঘটিল। অসমৰ নতুন নতুন তেল পুঙৰপৰা তেল আহৰণ কৰা হ'ল। উপাৰ্জনো বাঢ়িল। এটা আগতীয়া হিচাপ মতে দেশৰ খাৰুৱা তেল আৰু গেছ বিক্ৰী কৰি ১৯৬৬-৬৭ চনত খৰচ বাদে প্ৰায় ৩০ কোটি টকা পোৱা হ'ব বুলি দেখুওৱা হৈছিল। ইতিমধ্যে হোৱা অগ্ৰগতিলৈ চাই এই হিচাপ নিশ্চয় আৰু উৰ্দ্ধমুখী হ'ব।

কিন্তু এই সম্পদে দেশক চহকী কৰাৰ লগতে অসমকো যিদৰে চহকী কৰিব বুলি আশা কৰা হৈছিল, সেইদৰে কৰা নাই। সেইদেখি অসম চৰকাৰে খাৰুৱা তেলৰ 'ৰয়েলিটী' দুগুণ কৰিব লাগে বুলি কেন্দ্ৰৰ ওচৰত প্ৰস্তাৱ কৰে। কেন্দ্ৰীয় চৰকাৰে হেনো সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিছে। পিচে এই প্ৰসঙ্গ লৈ অকল অসমেই বিবাদৰ সৃষ্টি কৰা নাই। গুজৰাট চৰকাৰে কাম্বে আৰু আংকেলেশ্বৰৰ গেছৰ দাম সম্পৰ্কেও নতুন দাবী উত্থাপন কৰিছে আৰু সেই বিষয়টোও এতিয়া বিবেচনাধীন হৈ আছে।

এতিয়া অসমৰ দাবী পোনেই অগ্ৰাহ্য কৰা বুলি বাতৰি ওলোৱাত আমি হতাশ হৈছো। অসমৰ মাটিত পোৱা বহুমূলীয়া সম্পদৰ পৰাও যদি আমি সংগত পৰিমাণে ধন নেপাওঁ, তেন্তে আমাৰ ৰাজ্যখনৰ সমৃদ্ধি হ'ব কেনেকৈ? পিচ পৰা সৰু ৰাজ্যবোৰৰ বিশেষ সমস্যাৰ প্ৰতি আওকাণ কৰি কেন্দ্ৰীয় চৰকাৰে এইবোৰ ৰাজ্যৰ উন্নয়নৰ গতি খৰতকীয়া কৰিব কেনেকৈ? সকলো ব্যৱস্থা ডাঙৰ ৰাজ্যবোৰৰ স্বাৰ্থৰ অনুকূলে কৰাতহে আমি সাধাৰণতে তৎপৰতা দেখিবলৈ পাওঁ। পৰিকল্পনা আয়োগে চতুৰ্থ পৰিকল্পনাত দিবলগীয়া কেন্দ্ৰীয় সাহায্যৰ বিতৰণৰ সম্পৰ্কত যি সূত্ৰ আগবঢ়াইছে, তাত জনসংখ্যাৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। শতকৰা ৭০ ভাগ সাহায্য জনসংখ্যাৰ ভিত্তিত দিয়াৰ কথা এই সূত্ৰত কোৱা হৈছে (উত্তৰ প্ৰদেশ আদি কেইখনমান ৰাজ্যই হেনো শতকৰা ৯০ ভাগ সাহায্য জনসংখ্যাৰ ভিত্তিত দিব লাগে বুলিহে দাবী তুলিছে)। এনেবোৰ ব্যৱস্থাই সৰু ৰাজ্যবোৰৰ স্বাৰ্থ বিশেষভাৱে হানি কৰে। এতিয়া খাৰুৱা তেলৰ সন্দৰ্ভতো অসমৰ উচিত দাবীলৈ আওকাণ কৰি কেন্দ্ৰীয় চৰকাৰে অসমক একে অসুবিধাতে পেলাইছে।

শনিবাৰ, ২৫ নৱেম্বৰ, ১৯৬৬ চন

## আকৌ শান্তি মিছন!

মুখ্যমন্ত্ৰী শ্ৰীচলিহাই গুৱাহাটীত সাংবাদিকৰ আগত কৰা মন্তব্যৰ পৰা বুজা গ'ল যে ৰাজ্য চৰকাৰে মিজো জিলাৰ অশান্তিৰ পটভূমিত শান্তি মিছন এটাই পাতনি মেলাটো বিচৰা নাই। শান্তি মিছনে বিদ্ৰোহী দলৰ সৈতে আলোচনা কৰাটো ৰাজ্য চৰকাৰে সমৰ্থন নকৰাৰ অভিমতকে মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰিছে। পোনপটীয়াভাৱে শ্ৰীচলিহাই এই মন্তব্য কৰাটো সন্তোষৰ কথা। অৱশ্যে বিদ্ৰোহী মিজো দলৰ সৈতে কোনো আলোচনা কৰা নহয় বুলি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগতেও একাধিক বাৰ ঘোষণা কৰা হৈছিল।

কিন্তু চৰকাৰৰ সেই ঘোষিত নীতিৰ বিপৰীতে গৈ মিজো জিলাৰ গীৰ্জা-নেতাসকলে নিজা দায়িত্বত প্ৰচেষ্টা হাতত লোৱাৰ অধিকাৰ পালে কেনেকৈ? নগালেণ্ডতো দেখা গ'ল— গীৰ্জা-নেতাসকলে নিজা দায়িত্বতে এটা নেতৃত্ব গঢ়ি তুলিলে। এতিয়া মিজো জিলাতো হুবহু একে অৱস্থাৰে পুনৰাবৃত্তি হ'ল। যি সময়ত চৰকাৰৰ সীমান্তৰক্ষী বাহিনীয়ে মিজো জিলাৰ ভিতৰুৱা গাৱঁলৈ গৈ অৱস্থা সম্পূৰ্ণৰূপে আয়ত্তাধীন কৰিব

পৰা নাই, সেই সময়তে গীৰ্জা-নেতাসকলৰ মুখপাত্ৰই আইজলৰ পৰা ৪০ মাইল দূৰলৈ গৈ মিজো বিদ্ৰোহী দলৰ নেতা শ্ৰীলালদেঙ্গা আৰু আন আন বিদ্ৰোহী নেতাৰ সৈতে অবাধে আলোচনা কৰিব পাৰিছে। এতিয়া গীৰ্জা-নেতাসকলৰ তৰফৰ পৰা প্ৰস্তাৱ দিয়া হৈছে যে তেওঁলোকৰ প্ৰতিনিধিক লৈ গঠিত শান্তি মিছনে নিষিদ্ধ মিজো নেচনেল ফ্ৰণ্ট আৰু অনুগত মিজো ইউনিয়নৰ নেতাৰ মাজত বৈঠক পতাৰ সুবিধা পাব লাগে।

এই প্ৰস্তাৱে গোজেই গছ হোৱাৰ বাট মুকলি কৰিব মাত্ৰ। বিদ্ৰোহী দলে পূব পাকিস্থানত সমান্তৰাল চৰকাৰ পাতি লৈ এতিয়া আলোচনাৰ পথ উলিয়াব পাৰিলে নিজৰ শক্তি বঢ়োৱাৰ থল পাব মাত্ৰ। তাৰপৰা ভাৰত চৰকাৰৰ লাভ নহয়— দুৰ্বলতাহে প্ৰকাশ পাব। আনহাতে মিজো জিলাতো শান্তি মিছনৰ পাতনি মেলি গীৰ্জা-নেতাসকলে নিজৰ কৰ্তৃত্বৰ নতুন সমল উলিয়াব পাৰিব। সেইদেখি চৰকাৰে দৃঢ়তাৰে এতিয়াই এনে প্ৰচেষ্টাৰ কণ-কঠীয়া মাৰক।

# কম্পিউটাৰ

জীৱন-বীমা কৰ্পৰেচনত ইলেকট্ৰনিক কম্পিউটাৰ ব্যৱহাৰ কৰা কথা লৈ দেশজুৰি প্ৰতিবাদ-আন্দোলন চলিছে। আনহাতে চৰকাৰৰ তৰফৰপৰা একো সঁহাৰি দিয়া নাই। লোকসভাত বিত্তমন্ত্ৰী শ্ৰীচৌধুৰীয়ে কয় যে কম্পিউটাৰ ব্যৱহাৰ কৰা কথা লৈ কৰ্মীসকলৰ লগত আলোচনা কৰাৰ একো প্ৰশ্নই উঠিব নোৱাৰে। কেন্দ্ৰীয় মন্ত্ৰীয়ে লগতে কৈছে যে কম্পিউটাৰ ব্যৱহাৰ কৰাৰ ফলত কাকো চাকৰিৰপৰা বিদায় দিবলগীয়া নহয় আৰু কোনো কৰ্মচাৰীৰে দৰমহা-পাতি কম নহয়। কাকো বদলি কৰিবলগীয়া নহয় বুলিও মন্ত্ৰী গৰাকীয়ে কৈছে। কিন্তু কাৰ্য্যক্ষেত্ৰত সকলো বিষয় ইমান সহজ হোৱা হ'লে একো কথাই নাছিল। ইলেকট্ৰনিক কম্পিউটাৰৰ অদ্ভুত কৰ্মক্ষমতা আছে। অত টকা খৰচ কৰি এইবোৰ কিনা হৈছে যেতিয়া আৰু অতখিনি ধন ভাঙি এইবোৰ বহুৱাবৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে যেতিয়া এই যন্ত্ৰবোৰক লাভজনকভাৱে কামত খটুওৱাটো চৰকাৰৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষৰ কৰ্তব্য। এই যন্ত্ৰ পূৰ্ণাঙ্গভাৱে কামত লগালে অফিচতে হওক বা কাৰখানাতে হওক, কামৰ ধাৰাই সলনি হৈ পৰিব। এনে অৱস্থাত কৰ্মচাৰীসকলক কাম দিয়াটো সহজ কথা নহব। যন্ত্ৰৰ তদাৰক কৰা আদি ক্ষেত্ৰত অৱশ্যে কেতবোৰ কাম ওলাব। কিন্তু যন্ত্ৰ ব্যৱহাৰ কৰাৰ ফলত যিসকল লোক নিষ্কৰ্মা হব, তেওঁলোকৰ সকলোকে এনে প্ৰশিক্ষণ দিব পৰা নহব— কিয়নো তেওঁলোকৰ বৰ্তমানৰ অৰ্হতাৰ লগত তাৰ একো সম্পৰ্ক নেথাকিব। সেইদেখি চৰকাৰে যিমানেই পাতলাই নেদেখুৱাওক— এদিন নহয় এদিন গুৰুতৰ সমস্যা হ'বই।

কম্পিউটাৰৰ যুগ যে আহিছে, সেই কথা আমি স্বীকাৰ কৰো। আমি যে যুগৰ আহ্বানলৈ আওকাণ কৰি থাকিব নোৱাৰো সেই কথাও মানি লৈছো। কিন্তু পশ্চিমীয়া কেতবোৰ দেশৰ অন্ধ অনুকৰণ কৰাটো আমি বিচৰা নাই। মাৰ্কিন যুক্তৰাজ্য, বৃটেইন আদি দেশ এই ক্ষেত্ৰত আমাৰ আৰ্হি হ'ব নোৱাৰে। সেইবোৰ দেশত জনশক্তি কম। খালী হোৱা চাকৰি পূৰাবলৈকে জোখাৰে মানুহ নাই। বৃটেইনত হেনো সম্প্ৰতি অফিচ-কাৰখানা আদিৰ কাৰণে মানুহৰ চাহিদা যিমান বাঢ়িছে যোৱা দহ বছৰৰ ভিতৰত সিমান বঢ়া নাছিল। খালী থকা কামৰ বাবে মানুহ নাই। তদুপৰি পশ্চিমীয়া দেশবোৰত নিবনুৱা-বীমা আদিৰ ইমান ব্যাপক ব্যৱস্থা আছে যে মানুহ সতকাই নিঠৰুৱা অৱস্থাত নপৰে।

ভাৰতৰ কথা ওলোটা। কোটি কোটি টকা খৰচ কৰি নিচেই কম সংখ্যক লোকৰ কাৰণেহে কৰ্ম-সংস্থানৰ ব্যৱস্থা হৈছে। সেই হিচাপে চাবলৈ গ'লে ডেধাৰ ধনৰ বিনিময়ত একোটা নতুন কাম ওলাইছে; অথচ আমাৰ তেনে সামৰ্থ্য তেনেই সীমাবদ্ধ। আনহাতে দেশত নিবনুৱাৰ সংখ্যা বছৰি বাঢ়ি গৈছে। এনে অৱস্থাত কম্পিউটাৰৰ প্ৰশ্নটোৱে আমাৰ সমস্যাৰ জটিলতা নিশ্চয় বঢ়াব। অকল জীৱন-বীমা কৰ্পৰেচনতে নহয়, আন বহুত অফিচ আৰু কাৰখানাত নিশ্চয় কম্পিউটাৰ ব্যৱহৃত হ'ব। ফলত কামৰ ধাৰাৰ আমূল পৰিৱৰ্তন ঘটিব। তেতিয়া বহুত মানুহ ওপৰঞ্চি হৈ পৰিব। এই সকলো লোককে একে পৰ্য্যায়ৰ বিকল্প কাম দিয়াটো বা প্ৰশিক্ষণ দি আন কামত লগোৱাটো (মাজতে স্বৰ্ণকাৰসকলক প্ৰশিক্ষণ দি বিকল্প কামত লগোৱাৰ কি ভেকোভাওনা চলিছিল আমাৰ ভালকৈ মনত আছে) সমূলি সম্ভৱপৰ নহয়। অকল সেয়ে নহয়, কম্পিউটাৰ প্ৰৱৰ্তন কৰাৰ ফলত ভৱিষ্যতে নতুন কাম ওলোৱাৰ বাট আৰু সংকুচিত হ'ব। ফলত আমাৰ নিবনুৱা সমস্যাই আৰু জটিল ৰূপ ধাৰণ কৰিব।

এই পৰিণতি চৰকাৰে অস্বীকাৰ কৰিব নোৱাৰে। অৱশ্যে কম্পিউটাৰৰ গতি হয়তো আমি মূৰকত ৰোধ কৰিব নোৱাৰিম। কিন্তু আমাৰ দেশৰ অৱস্থাৰ লগত সঙ্গতি ৰাখি আমি পৰিকল্পিতভাৱে কম্পিউটাৰ প্ৰৱৰ্তন কৰাৰ আঁচনি হাতত ল'ব নোৱাৰিম কিয়? অন্ধ অনুকৰণৰ মোহ ত্যাগ কৰি বৃহত্তৰ লোকসমষ্টিৰ স্বাৰ্থৰ কথা মনত ৰাখি আগবঢ়াই চৰকাৰৰ কাৰণে একমাত্ৰ পথ।

## শিক্ষাৰ খেলিমেলি

শিক্ষাৰ লগত দেশৰ সামাজিক-অৰ্থনৈতিক চাহিদাৰ সংগতি থাকিব লাগে। ভাৱ প্ৰৱণতা এই ক্ষেত্ৰত যদি আমাৰ একমাত্ৰ দিক-দৰ্শক হয়, তেতিয়া সেই লক্ষ্যত উপনীত হোৱাটো দূৰৰ কথা আমাৰ শিক্ষা-ব্যৱস্থা আৰু বিভ্ৰান্তহে হ'ব। দৰাচলতে সেয়ে হৈছে। এই পৰিণতিৰ বাবে ঘাইকৈ দায়ী আমাৰ শিক্ষাৰ পৰিকল্পনাকাৰীসকল। ভাৱ প্ৰৱণতাত সাঁতুৰি-নাদুৰি ফুৰাসকলে বুনিয়াদী শিক্ষাৰ নামত ভেকোভাওনাৰ সৃষ্টি কৰি অজস্ৰ ধনৰ অপচয় ঘটালে। আকৌ সেই ভাৱপ্ৰৱণ দলেই হঠাৎ আবিষ্কাৰ কৰিলে যে এন-চি-চিৰ প্ৰশিক্ষণ বাধ্যতামূলক হ'ব লাগে। যেনে কথা তেনে কাম। ফলত এন-চি-চিৰ আগৰ সৌষ্ঠৱ নোহোৱা হ'ল— হয়তো ইয়ো অচিৰে ভেকোভাওনাৰ ৰূপ ল'বগৈ।

আমাৰ শিক্ষাৰ পৰিকল্পনাকাৰীসকলৰ মাজতে আৰু এচাম লোক আছে। বিদেশৰ শিক্ষা-ব্যৱস্থা দেখিলেই তেওঁলোকৰ চকুত চমক লাগে। তেওঁলোকে তেনে জেউতি দেখিয়েই উচ্চ মাধ্যমিক পৰ্য্যায়ৰ স্কুলৰ ব্যৱস্থা আমাৰ মাজতো কৰিবলৈ দিহা দিলে। আমাৰ সামৰ্থ্য, অৰ্থবল, জনবল— ইত্যাদিৰ কথা বিচাৰ লওঁতা কোনো নোলাল। ফলত উচ্চ মাধ্যমিক স্কুলৰ আঁচনি মূৰকত ভালুকৰ সাঙি হৈ পৰিল। উপযুক্ত শিক্ষক নাই, সা-সঁজুলি নাই, পৰীক্ষাগাৰ নাই, পাঠ্যপুথি নাই আৰু এইবোৰৰ ব্যৱস্থা কৰিব পৰা জোখাৰে চৰকাৰৰ হাতত আৰ্থিক সম্বলো নাই। সেইদেখি সৰহভাগ উচ্চ মাধ্যমিক স্কুলৰে অৱস্থা দেখিলে চকুলো ওলাব। নিম্নতম সময়ত সকলো হাইস্কুল উচ্চ মাধ্যমিক পৰ্য্যায়লৈ নিয়াটো লক্ষ্য বুলি অৱশ্যে কোৱা হ'ল। কিন্তু এতিয়া থকাবোৰৰে অৱস্থা কাহিল— এনে স্থলত নতুন দায়িত্ব লয় কেনেকৈ? চতুৰ্থ পৰিকল্পনাৰ খচৰাত সেইদেখি সুৰ নামি গ'ল। ইয়াত কোৱা হৈছে যে যিবোৰ ৰাজ্যত উচ্চ মাধ্যমিক স্কুলৰ আঁচনি মতে ভাল কাম হৈছে সেইবোৰত হাইস্কুলবোৰ উচ্চ মাধ্যমিকলৈ ৰূপান্তৰিত কৰা কাম চতুৰ্থ পৰিকল্পনাত সম্পূৰ্ণ কৰা হ'ব। আন

ৰাজ্যত হাইস্কুলৰ অৱস্থা উন্নত কৰাত মনোনিবেশ কৰা হ'ব। তাৰ মানে এতিয়াৰ সমান্তৰাল ব্যৱস্থা দীৰ্ঘস্থায়ী হ'ব আৰু সেয়ে হ'বলৈ হ'লে এতিয়াৰ খেলিমেলি, অসুবিধা আদিৰো মিয়াদ দীঘলীয়া হ'ব। বহুমুখী স্কুলৰ ক্ষেত্ৰত পৰিকল্পনাৰ প্ৰতিশ্ৰুতি আৰু সংকুচিত। ইয়াত কোৱা হৈছে যে সম্প্ৰতি থকা বহুমূখী স্কুলবোৰৰহে উন্নতি সধা হ'ব। এনে পৰিণতি হ'বগৈ বুলি আমাৰ পৰিকল্পনাকাৰীসকলে আগতে ভাবিব নোৱাৰিলে কিয়? আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে যিমান ধন লাগে, সেই ধন যে যোগাব পৰা নহ'ব— সেই কথা আগতেই ভাবিব পাৰিব লাগিছিল। আনবোৰৰ কথাই নাই, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ চাহিদা পূৰোৱাই টান কথা। চৰকাৰে আত্মতৃপ্তি লাভ কৰি কৈছে যে ১৯৫০-৫১ চনত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আছিল ৪ লাখ ৩০ হেজাৰ; কিন্তু ১৯৬৫-৬৬ চনত হ'লগৈ ১৪ লাখ। পিচে হিচাপৰ ওলোটা পিঠিত কি আছে? ১৯৫০-৫১ চনত প্ৰশিক্ষণ নেপোৱা শিক্ষকৰ সংখ্যা আছিল ৩ লাখ ২০ হেজাৰ; ১৯৬৫-৬৬ চনত তেনে শিক্ষকৰ সংখ্যা হলগৈ ৬ লাখ।

পৰিকল্পনা আয়োগৰ সদস্য ডঃ ভি-কে-আৰ-ভি ৰাৱে এতিয়া আয়োগৰ শিক্ষা সম্পৰ্কীয় কমিটীৰ আগত ধন, পুথিভঁৰাল, পৰীক্ষাগাৰ, শিক্ষক— আদিৰ অভাৱৰ কথা স্বীকাৰ কৰাৰ লগতে এই কথাও মানি লৈছে যে হাইস্কুলত এটা শ্ৰেণী লগ লগাই উচ্চ মাধ্যমিকলৈ ৰূপান্তৰিত কৰা ব্যৱস্থা সফল হোৱা নাই আৰু কিছুমান ৰাজ্যই এই আঁচনি প্ৰত্যাহাৰ কৰিছে। পিচে ডঃ ৰাৱে লগতে আৰু কেতবোৰ মন্তব্য কৰিছে। শিক্ষা আয়োগৰ প্ৰতিবেদন আৰু চতুৰ্থ পৰিকল্পনাৰ খচৰাত মতভেদ ঘটাৰ কথা উল্লেখ কৰি তেওঁ স্কুলত দুটা বছৰ সাঙুৰি নিদি কলেজত এটা বছৰ যোগ দি প্ৰাক্-বিশ্ববিদ্যালয় মহলা দুবছৰীয়া কৰা আৰু সেই মহলাৰ বাবে জুনিয়ৰ কলেজ পতাৰ দিহা দিছে। প্ৰাক্-বিশ্ববিদ্যালয় মহলাৰ বাবে সময় কম হোৱা বুলি অৱশ্যে ইতিমধ্যে নানান মহলে অভিযোগ তুলিছিল। কিন্তু ডঃ ৰাওৰ পৰামৰ্শই আকৌ নতুন পদক্ষেপৰ বাবে আহ্বান জনাইছে। অৰ্থাৎ 'গিনিপিগক' পৰীক্ষা কৰাৰ দৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইটোৰ-পিচত সিটোকৈ পৰীক্ষা চলাই থকা হ'ব আৰু কাৰ্য্যক্ষেত্ৰত হোৱা অসুবিধা অনুসৰি শিক্ষা আঁচনিয়ে মোট সলাই থাকিব। এয়া কিন্তু সুস্থতাৰ চিন নহয়— অসুস্থ শিক্ষা-নীতিৰহে পৰিচায়ক।

## একত্ৰিকৰণ

প্ৰশাসনীয় ব্যৱস্থাৰ মাজত আমোলাতান্ত্ৰিক গাঁথনিয়ে ডেধাৰ খোটালী তৈয়াৰ কৰাৰ ফলত নানান সমস্যাৰ সৃষ্টি হৈছে আৰু প্ৰশাসনৰ মান তাৰ ফলতে হ্ৰাস হৈছে। এইবোৰ বিসঙ্গতি দূৰ কৰিবৰ বাবে আগবঢ়োৱা কোনো ব্যৱস্থাই এতিয়ালৈকে সফল হ'ব পৰা নাই। সম্প্ৰতি খাদ্য উৎপাদনৰ ওপৰত দেশে বিশেষ গুৰুত্ব আৰোপ কৰিছে। কিন্তু কথা হ'ল— এই গুৰু ভাৰ ল'ব পৰাকৈ সংশ্লিষ্ট প্ৰশাসনীয় ব্যৱস্থাক জানো নতুনকৈ গঢ়ি তোলা হৈছে? খাদ্য সংক্ৰান্ত সকলো চৰকাৰী ব্যৱস্থা বিভিন্ন মহলৰ মাজেদি সৰকি যাবলগীয়া হোৱাত সকলো কথা ৰঙা ফিটাৰ মেৰপাকত সোমাই পৰে। ফলত সময়মতে কাম নহয়। আনহাতে পৰস্পৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থকা ভিন ভিন বিষয় সুকীয়া সুকীয়া বিভাগ আৰু পৃথক পৃথক মন্ত্ৰীৰ অধিনত থকা হেতুকে কোনো এখন আঁচনিৰ বাবে কাকো দায়িত্বশীল কৰিব পৰা নহয়। আমাৰ খাদ্য আঁচনিৰ বুজনভাগ এটাৰ তৎপৰতা মাত্ৰ তুলাপাততে সীমাবদ্ধ থকাৰ ইয়ো এটা কাৰণ।

খাদ্য উৎপাদনকে ধৰি খাদ্য সংক্ৰান্তত বিভিন্ন কথাৰ লগত কৃষিবিভাগ, সমূহীয়া উন্নয়ণ বিভাগ আৰু সমবায় বিভাগ জড়িত আছে। এই তিনিওটা বিভাগ পানী নসৰকা খোটালিত পৰিণত হোৱা বাবে খাদ্য আঁচনিয়ে নিকাৰ ভুগিছে। এই তিনিওটা বিভাগ একত্ৰিত কৰা আৰু এজন মন্ত্ৰীৰ অধিনত ৰখাৰ হকে পৰমাৰ্শ উত্থাপিত হয়। কেন্দ্ৰীয় চৰকাৰে কিন্তু সেই পৰামৰ্শ আগবঢ়াই ৰাজ্যসমূহৰ পৰা সহাৰি নাপালে। মাজতে প্ৰকাশ পোৱা বাতৰি এটাৰ মতে অসম, উত্তৰ প্ৰদেশ আদি ৰাজ্যই হেনো এতিয়া কেন্দ্ৰলৈ উত্তৰকে পঠোৱা নাই। একমাত্ৰ জম্মু আৰু কাশ্মিৰ ৰাজ্যই এই পৰামৰ্শ মানি লৈ তিনিওটা বিভাগ এজন মন্ত্ৰীৰ অধিনত ৰাখিছে। বাকী কোনো এখন ৰাজ্যই তাকে কৰিবলৈ সন্মত হোৱা নাই। অৱশ্যে উৰিষ্যাই কৃষি আৰু সমবায় এজন মন্ত্ৰীৰ অধিনত ৰাখিছে। মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগই কৃষি আৰু সমবায় বিভাগ একত্ৰিত কৰিছে। কিন্তু পুৰ্ণাংগভাৱে কেন্দ্ৰৰ পৰামৰ্শ মানি ল'বলৈ কোনো প্ৰস্তুত নহয়। ৰাজ্যবোৰৰ মতে একত্ৰিত কৰি এজন মন্ত্ৰীৰ অধিনত ৰাখিলে কামৰ বোজা বাঢ়িব আৰু সেইদেখি সুফল পোৱা নহ'ব। তাৰ সলনি সমন্বয় সাধন কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা বুলি ৰাজ্যসমূহে কেন্দ্ৰক জনাইছে। পিছে সমন্বয় ধ্বনি যে এটা অসাৰ ধ্বনি— তাৰ প্ৰমাণ বিভিন্ন কাৰ্য্যক্ষেত্ৰত পোৱা গৈছে। আচল কথা হ'ল— তিনিওটা বিভাগ একত্ৰিত কৰি এজন মন্ত্ৰীৰ অধিনত ৰাখিলে বহুতখিনি ন্যস্ত স্বাৰ্থ খৰ্ব হয়। সেইদেখি এই ক্ষেত্ৰত আগবাঢ়িবলৈ বিভিন্ন ৰাজ্য সন্মত হ'ব পৰা নাই; অথচ খাদ্য আঁচনিক প্ৰাণশক্তি দিয়াৰ অন্যতম ফলপ্ৰদ পন্থা।

# ১৯৬৭

দেওবাৰ, **১** জানুৱাৰী, **১৯৬৭** চন

## অসম, অসমীয়া ভাষা আৰু সাহিত্য সভা

অসম সাহিত্য সভাৰ ডিব্ৰুগড়ত বহা চতুঃত্ৰিংশ অধিৱেশনৰ সভাপতিৰ আসনৰ পৰা শ্ৰীনকুল চন্দ্ৰ ভূঞাই দিয়া ভাষণৰ মাজত এটি আন্তৰিক আহ্বানৰ সুৰ আমি শুনিবলৈ পাইছো। 'নবীন', 'প্ৰবীণ' সকলোৰে প্ৰতি এই আহ্বান আহিছে ঃ শ্ৰীভূঞাই 'বয়সৰ বান্ধোন', ছিঙি দি 'পুৰণি আধুনিকতাৰ প্ৰাচীৰ ভাঙি দি দেশৰ বৃহত্তৰ স্বাৰ্থ চিন্তা কৰি সকলোকে থুপ খাবলৈ আহ্বান জনাইছে। এই আহ্বানৰ প্ৰতি জনোৱা সহাঁৰিয়ে যদি এতিয়াৰ ব্যৱধান দূৰ কৰি ৰচনাত্মক পৰিৱেশ এটা ৰচনা কৰিব পাৰে, তেন্তে অসমীয়া ভাষা, অসমৰ সংস্কৃতি, অসম সাহিত্য সভা— সকলোৰে কাৰণে সেয়ে মংগলৰ সূচনা কৰিব। যুগৰ বিৱৰ্তনে বহুতো পৰিৱৰ্তন আনিলে। কিন্তু স্থবিৰতাই সেই বিৱৰ্তনৰ মাজত সমন্বয় বা সংগতি স্থাপন কৰিব নোৱাৰা কাৰণে মাজতে এটা বিৰাট শূন্যই থিতাপি লোৱা দেখা গ'ল। সুমেৰু-কুমেৰু দৰে দুটা ভাগ হৈ গ'ল— এভাগে বৰ্তমানক অস্বীকাৰ কৰিলে আৰু আনটো ভাগে অতীতক অস্বীকাৰ কৰিলে। ফলত ৰাজনীতি, সমাজ, সাহিত্য সকলোতে সংঘাতৰ সৃষ্টি হ'ল। সকলোতে কাণ্ডাৰীবিহীন অৱস্থা এটাই বিৰাজ কৰিলে।

এই সংঘাতৰ ওৰ পেলাই নতুন ক্ষেত্ৰ ৰচনা কৰাটোৱেই এতিয়া একমাত্ৰ বিকল্প। অন্যান্য ক্ষেত্ৰত যেনেকৈ ইয়াৰ প্ৰয়োজন সাহিত্যতো তাৰ প্ৰয়োজন। সেই চাহিদা পূৰণ কৰিব লাগিব অসম সাহিত্য সভাই। কিন্তু সেই দায়িত্ব পালন কৰিবলৈ অসম সাহিত্য সভাক নতুন প্ৰাণশক্তি লাগিব। তাৰ অভাৱতে অসম সাহিত্য সভাই ইপ্সিত লক্ষ্যত আজিও ভৰি দিব পৰা নাই। প্ৰায় আঢ়ৈ কুৰি বছৰীয়া জীৱনৰ অভিজ্ঞতাই সাহিত্য সভাক আত্মবিশ্লেষণৰ বাবে সাহস যোগোৱা উচিত। নতুন সভাপতি শ্ৰীভূঞাৰ মৰ্মস্পৰ্শী আহ্বানে আমাক আশা দিছে— অসম সাহিত্য সভাৰ নৱ জীৱন দেখিবলৈ পাম বুলি। শ্ৰীভূঞাৰ ভাষণৰ মাজত মুকলি মনৰ পৰিচয় আমি পাইছো। "সাহিত্যৰ ঘৰটোৰ দুৱাৰ-খিৰিকী সততে সম্পূৰ্ণভাৱে মুক্ত কৰি" ৰখাৰ আহ্বানো ইয়াত আছে। আধুনিক কবিতা, গল্প, উপন্যাস সম্পৰ্কে উপলুঙাৰ সুৰ ইয়াত নাই, যুগক অস্বীকাৰ কৰাৰ ভাব নাই— কিন্তু নিষ্ঠাপূৰ্ণ উপদেশ আৰু বলিষ্ঠ সমালোচনা আছে। কবিতাত ঠাই পোৱা বাৰে-বঙলুৱা শব্দ, কেতবোৰ উপন্যাসৰ যোগেদি প্ৰতিফলিত হোৱা ৰুগ্ন মনৰ সমালোচনা আছে— কিন্তু ৰক্ষণশীলতা নাই। নচলা পৰিভাষা তৈয়াৰ কৰাতকৈ সৰবৰহী বিদেশী শব্দ ব্যৱহাৰ কৰিলে অৰ্থ বুজাত বিজুতি নঘটে বুলিও কোৱা হৈছে। পশ্চিমীয়া সাহিত্যৰ অন্ধ অনুকৰণৰ বিৰূপ সমালোচনা যেনেকৈ আছে— সেইদৰে এই আহ্বানো আছে যে আন্তঃৰাষ্ট্ৰীয় সাহিত্যৰ লগত (প্ৰাচ্যৰ দেশসমূহৰ লগতো) অধিক সংযোগ স্থাপিত হ'ব লাগে। বাস্তৱ সাহিত্যৰ ধ্বনিয়ে তোলপাৰ লগোৱা কথালৈকো শ্ৰীভূঞাই আওকাণ কৰা নাই। ভাষণত কোৱা হৈছে যে ব্যৱহাৰিক-সামাজিক ক্ষেত্ৰৰ সমস্যা সাহিত্যত প্ৰতিফলিত হ'ব লাগে। কিন্তু সেয়ে এনে সুস্থ সাহিত্য হ'ব লাগিব— যি সমাজত 'ভূমিকম্পৰ সৃষ্টি কৰি মলিনতা ধুই নিয়াত অৰিহণা যোগাব পাৰে।

ভাষণত শ্ৰীভূঞাই সমস্যাৰ আলোচনাৰ লগতে কেতবোৰ পৰামৰ্শও আগবঢ়াইছে। বুৰঞ্জী, শিশু সাহিত্য, অনুবাদ, সমালোচনা-সাহিত্য, অনুবাদ, সমালোচনা-সাহিত্য, লোক সাহিত্য, নাট্য সাহিত্য (জাতীয় নাট্যশালাৰ দাবী অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰাও উত্থাপিত হোৱাত আমি ভাল পাইছো), পৰ্বত-ভৈয়ামৰ বান্ধোন ইত্যাদি বিবিধ ক্ষেত্ৰত পৰামৰ্শ দাঙি ধৰা হৈছে। কিন্তু কথা হ'ল— এই দায়িত্ব পালন কৰিব পৰা সংগঠন ক'ত ? এই বিষয়ত অসমৰ ৰাইজ, অসম সাহিত্য সভা আদি সংগঠন, বিশ্ববিদ্যালয় আৰু অসম চৰকাৰ— সকলোৰে সমবেত প্ৰচেষ্টা লাগে। তেনে সমবেত প্ৰচেষ্টাই আজিলৈকে প্ৰথম পদক্ষেপো পেলোৱা নাই। অসম সাহিত্য সভাৰ নিজা প্ৰচেষ্টাও ক্ষীণ— সাহিত্য সভাৰ মাজত থকা দুৰ্বলতাই তাৰ বাবে দায়ী। অসমত দুখনকৈ বিশ্ববিদ্যালয় গঢ়ি উঠিল যদিও বিশ্ববিদ্যালয়ে ৰাইজৰ ইপ্সিত বহুতখিনি কামতে গা-এৰা দিলে। এইক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ে নেহৰুৰ নামত উছৰ্গা কৰা আসনৰ যি দুৰ্গতি কৰিলে সেয়ে এইখন বিশ্ববিদ্যালয়ৰ নিৰ্লিপ্ততাৰ নিদৰ্শন দাঙি ধৰিলে। অসম চৰকাৰে অসমীয়া ভাষা-সাহিত্যৰ সম্পৰ্কত ৰাজহুৱাভাৱে এযাৰ কথা ক'বলৈকো সংকোচবোধ কৰাৰ ফলতো আমি নতুন নতুন সমস্যাৰ সন্মুখীন হৈছো। চৰকাৰী ভাষা আইনৰ দুৰ্দশাও এই মনোভাৱৰে অন্যতম পৰিণাম। ৰাইজৰ সম্পৰ্কত ক'বলৈ গ'লে সকলোৰে মাজত যে সচেতনতা আছে এনে নহয়। কিন্তু সচেতনতা আনিবৰ বাবে সংগঠনৰ দায়িত্ব ল'ব লাগিব— সাহিত্য সভাৰ নিচিনা অনুষ্ঠানে। সেই সামৰ্থ্যৰ গৰাকী হ'বলৈ হ'লে অসম সাহিত্য সভায়ো নিজক কৰ্মমুখৰ কৰি তুলিব পাৰিব লাগিব। সাহিত্য সভাৰ মাজত সেই প্ৰাণৰ সঞ্চাৰ হ'ব জানো ?

সোমবাৰ, ২ জানুৱাৰী, ১৯৬৭ চন

# মুখ্যমন্ত্ৰীৰ খোলোচা মন্তব্য

ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ অধিৱেশন মুকলি কৰি মুখ্যমন্ত্ৰী শ্ৰীচলিহাই দিয়া ভাষণ এটা বিৰাট ব্যতিক্ৰম বুলি ক'বলৈ আমি বাধ্য হৈছো। অৱশ্যে এই ব্যতিক্ৰমে আমাক নিৰাশ কৰা নাই— আশাহে দিছে। অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী চলিহাৰ পক্ষৰ পৰা অসমীয়া ভাষাৰ সম্পৰ্কত এনে স্পষ্ট মন্তব্য পোৱা আমাৰ মনত নপৰে। অসমীয়া ভাষাৰ ক্ষেত্ৰত চৰকাৰৰ এটা জড়তাৰ ভাবহে পৰিলক্ষিত হৈছিল আৰু তাৰে পৰিণতি স্বৰূপে অসমীয়া ভাষাৰ স্বাৰ্থ বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে ক্ষতিগ্ৰস্ত হয়। চৰকাৰী ভাষা আইনকে ধৰি এইক্ষেত্ৰত নানান উদাহৰণ দাঙি ধৰিব পাৰি।

কিন্তু ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই কৰা খোলোচা মন্তব্যই সেই পুৰণি কথাবোৰ পাহৰাই আমাক নতুন আশা পুহিবলৈ উৎসাহ দিছে। আমি এতিয়া আশা কৰিছো যে শ্ৰীচলিহাৰ সেই সুদৃঢ় অভিব্যক্তি যেন সমান দৃঢ়তাৰে চৰকাৰৰ কাৰ্যতো প্ৰতিফলিত হয়। চৰকাৰী ভাষা আইনক কাৰ্যত ৰূপায়িত কৰাৰ ক্ষেত্ৰত আমি অধিক তৎপৰতা বিচাৰো। লগতে চৰকাৰী ভাষাৰূপে স্বীকৃত হোৱাৰ মূৰত অসমীয়া ভাষাই যিবোৰ দায়িত্ব বা চাহিদা পূৰণ কৰিবলগীয়া হৈছে আৰু আগলৈ কৰিবলগীয়া হ'ব— সেইবোৰৰ বাবে চলাবলগীয়া প্ৰস্তুতিত ৰাজ্য চৰকাৰে মন পুতি ভাগ লওক। চৰকাৰী ভাষা আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত হওক বা অসমীয়া ভাষাৰ প্ৰসাৰৰ ক্ষেত্ৰতে হওক— কেতবোৰ ন্যস্ত স্বাৰ্থই যে সদায় অন্তৰায়ৰ সৃষ্টি কৰি আহিছে, সেই কথা আমি জানো। অসমীয়া ভাষাৰ প্ৰসাৰৰ বেলিকা প্ৰসিদ্ধ কেতবোৰ লোককে ধৰি কিছুমানে বাধা জন্মাইছে বুলি মুখ্যমন্ত্ৰীয়েও ডিব্ৰুগড়ত দিয়া ভাষণ প্ৰসংগত স্বীকাৰ কৰিছে। কিন্তু সেই বাধা অতিক্ৰম কৰাৰ দৃঢ়তা অকল ৰাইজৰ থাকিলেই নহ'ব, চৰকাৰৰো থাকিব লাগিব। আমি তাকেই চৰকাৰৰ পৰা আশা কৰো। আমি অৱশ্যে জাপি দিয়াৰ ওকালতি কৰা নাই। অসমীয়া ভাষাৰ স্বাভাৱিক গতি-পথৰ অন্তৰায় দূৰ কৰাৰ কথাহে কৈছো।

লগতে এইটোও দুখেৰে স্বীকাৰ কৰিবলগীয়া হৈছে যে ৰাইজ আৰু ৰাজ্য চৰকাৰ তৎপৰ নোহোৱাৰ কাৰণেই অসমীয়া ভাষাই বিভিন্ন ক্ষেত্ৰত ঘাটি খাই আহিছে। অসম অঞ্চলত সংহতি স্থাপনৰ বেলিকা সুদীৰ্ঘ কালজুৰি অসমীয়া ভাষাই বিশিষ্ট ভূমিকা গ্ৰহণ কৰা সত্ত্বেও ন্যস্ত স্বাৰ্থৰ প্ৰৰোচনাত অসমীয়া ভাষাৰ সেই ভূমিকা সংকুচিত হৈ আহিছে। নগালেণ্ড আৰু অসমৰ মাজৰ যোগসূত্ৰৰ সাক্ষীৰূপে নগালেণ্ডৰ বিভিন্ন লোক সমষ্টিৰ মাজত প্ৰচলিত হৈ থকা অসমীয়া ভাষা আজি আকাশবাণীৰ সৌজন্যত "নাগামীজ" হ'ল। এই শব্দ যোজনা নগালেণ্ডৰ কাৰণেও সন্মান হানিকৰ আৰু অসমীয়া ভাষাৰ কাৰণেও বেদনাদায়ক। যিসকল ভাগ্য বিধাতাই দিল্লীত বহি তাকে কৰিলে, তেওঁলোকে নিশ্চয় বিশেষ উদ্দেশ্য (কুট?) লৈয়েই তাকে কৰিলে। একে পৰিকল্পনা, আকাশবাণী, গুৱাহাটীৰ চাহ বাগিচাৰ উদ্দেশ্যেৰে প্ৰচাৰিত বিশেষ অনুষ্ঠানৰ ক্ষেত্ৰতো এসময়ত কৰিবলৈ লোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ এনে আওপকীয়া নীতিৰ প্ৰেৰণা লৈয়েই নেফাতো অসমীয়া ভাষাক নিৰ্বাসন দিয়াৰ পৰিকল্পনা চলিল। শ্ৰীচলিহাই নেফাৰ ক্ষেত্ৰত কেন্দ্ৰৰ ভাষা-নীতি ভুল হোৱাৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰি স্বৰ্গীয় নেহৰুৱে তাৰ পৰিৱৰ্তন ঘটোৱাৰ কথা উল্লেখ কৰিছে। কিন্তু কথা জানো সিমানতে শেষ হ'ল? বেনামী পন্থাৰে অসমীয়া ভাষাৰ বিৰুদ্ধে চলোৱা অভিযান এতিয়া আৰু বাঢ়িছে। মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কেন্দ্ৰৰ ভুল নীতিৰ কথা

উল্লেখ কৰিছে যেতিয়া সেই একে দৃঢ়তাৰে তাৰ প্ৰতিকাৰো দাবী কৰে যেন, এয়ে আমাৰ আশা।

**যি মূল্য বাঢ়ে......**

কথা এষাৰ আছে— যি মূল্য বাঢ়ে, তাৰ দুপাততে চিন। অকল অসমীয়াতে নহয় অন্যান্য ভাষাতো, আনকি ইংৰাজীতো কথাষাৰ সুকীয়া ৰূপত চলি আহিছে। কথাষাৰ মনত পৰিছে বছৰৰ আৰম্ভণিৰ দিনটো দেওবাৰৰ পৰা দেখিহে। অৰ্থাৎ দেওবাৰটো বন্ধৰ দিন। আমাৰ দেশত যেনিবা কেৱল অফিচ-কাছাৰী আদিৰে বন্ধ থাকে অন্যান্য দেশত এই দিনটোত খেলা -ধূলাও বন্ধ থাকে। এতিয়া কথা হৈছে— যি মূল্য বাঢ়িব তাৰ দুপাততেই যদি চিন হয়, তেনেহ'লে বছৰটোৰ আৰম্ভণিতেই যেতিয়া বন্ধ পৰিছে, তেনেস্থলত বছৰটো কিমান "বন্ধ"ৰ মাজেদি পাৰ হ'বলগীয়া হ'ব তাৰ ঠিকনা নাই।

যোৱা বছৰ অৱশ্যে বছৰৰ আৰম্ভণিৰ দিনটো বন্ধ পৰা নাছিল তথাপিও কিমানটো "বন্ধ"ৰ মাজেদি বছৰটো পাৰ হ'ল সেই কথা নিশ্চয় কোনেও পাহৰা নাই। অৱশ্যে অসম "বন্ধ" নহ'ল।

প্ৰকাৰভেদে "বন্ধ"ই আকৌ সুকীয়া ৰূপো ল'ব পাৰে। যেনে— খোৱা-বোৱা, উশাহ-নিশাহ লোৱা, পঢ়া-শুনা সকলো বন্ধ হৈ যাব পাৰে। যোৱাবাৰ অৱশ্যে অসম 'বন্ধ' হোৱা নাছিল সঁচা সেইবুলি বহুতৰে খোৱা-বোৱা বন্ধ হৈছিল, কোনো কোনোৰ আকৌ চিৰদিনলৈ উশাহ-নিশাহেই বন্ধ হৈ পৰিছিল। বানপানীৰ গৰাহত পৰি ৰাইজৰ বহুতৰে খোৱা-বোৱা বন্ধ হোৱা কথাটো যিদৰে কোনেও অস্বীকাৰ নকৰে, সেদিৰে লামডিং-ডিফুত ৰে'লতে বিস্ফোৰণ ঘটি বহুতো লোকে উশাহ-নিশাহ বন্ধ হৈ যোৱা কথাটোও কোনেও অস্বীকাৰ নকৰিব। চাউলৰ অভাৱত কিমানৰ কিমান সাজ ভাত বন্ধ হৈছিল, তাৰ খবৰ আমি নাজানো— কিন্তু চাউলৰ অভাৱত হাহাকাৰ কৰি ফুৰোতে বহুতৰে উশাহ বন্ধ হৈ যাব খোজা অৱস্থা এটা হোৱাৰ কথাটো সৰ্বজনবিদিত।

গতিকে দেখা গ'ল যে যোৱাবাৰ বন্ধৰ দিন নপৰি তাৰ আগৰ দিনটো পৰোতেই বছৰটো এশ এটা বন্ধৰ মাজেদি সৰকি আহিব লগা হ'ল। এইবাৰ আৰম্ভণিতেই বন্ধ। এই "বন্ধ"ই যেন ৰাইজৰ জীৱন নিৰ্বাহ বন্ধ হোৱাৰ সূচনা নকৰে সেয়েই আমাৰ কামনা।

মঙ্গলবাৰ, ৩ জানুৱাৰী, ১৯৬৭ চন

## শ্ৰদ্ধাঞ্জলি

অসম-কেশৰী, ডেকা-অসমৰ অক্লান্ত যুঁজাৰু শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী আৰু নাই। লগে লগে এটা যুগৰো পৰিসমাপ্তি ঘটিল। ১৯০৪ চনতে ৰাজনৈতিক জীৱন আৰম্ভ কৰি যিজনে দেশৰ মুক্তিযুঁজত অৰিহণা যোগালে, জীৱনত ভোগৰ ঠাইত ত্যাগকে নিজৰ বুলি লৈ বুকুৰ জুইকুৰা অম্লান কৰি ৰাখিলে— সেইজন মানুহে পৃথিৱীৰ পৰা শেষ বিদায় লোৱাৰ আগতে অজ্ঞান হৈ পৰাৰ আগডোখৰলৈকে দেশৰ কথাকে ভাবি গ'ল। বয়সে বুকুৰ জুইক ফুটছাইত পৰিণত কৰিব নোৱাৰা ৰায়চৌধুৰীয়ে লাখুঁটিত ভৰ দি বাতৰি কাকতৰ অফিচলৈ আহি দীপ্ত কণ্ঠেৰে দেশৰ চলিত সমস্যাৰ সন্দৰ্ভত নিজৰ মন্তব্য ব্যক্ত কৰিছিল। অসমৰ বিবিধ সমস্যাৰ সম্পৰ্কত শেষ

সময়লৈকে নেতৃবৰ্গলৈ তাঁৰ-বাৰ্তা পঠাই নিজক ব্যক্ত কৰি আহিছিল— ঠিক যেনেকৈ একালত নিজে লিখি, নিজে কম্প'জ কৰি আৰু ছফাই আৰু বিতৰণ কৰি 'ডেকা অসম'ৰ যোগেদি নিজৰ অন্তৰ উজাৰি দিছিল। দেশক জাগ্ৰত কৰি তুলিবৰ বাবে জ্বালাময়ী ভাষণ দিয়া, কলমৰ আগেৰে ফিৰিঙটি উলিওৱা ৰায়চৌধুৰীয়ে কবিতাৰ মাধ্যমেৰেও জনসাধাৰণৰ অন্তৰৰ কাষ চাপিব খুজিছিল এইজন 'তুমি'ৰ প্ৰেমিক কবিৰ কাপৰ পৰাই 'বন্দো কি ছন্দেৰে' ধ্বনিত হৈছিল। আনকি সৌ সিদিনা মাত্ৰ আকাশবাণী গুৱাহাটীৰ কবি সন্মিলনত অপূৰ্ব কবিতাৰে তেওঁৰ চিন্তা-দৰ্শন দাঙি ধৰিছিল। 'চেতনা', 'ডেকা অসম', অসম জাতীয় মহাসভা, অসমীয়া সংৰক্ষিণী সভা আদিৰ মাধ্যমেৰে সেই একে সোঁত প্ৰবাহ প্ৰতীক স্বৰূপে হৈ উঠা বাবেই প্ৰতীক স্বৰূপ হৈ উঠা বাবেই প্ৰতীক স্বৰূপ হৈ উঠা বাবেই ৰায়চৌধুৰী ডেকা-শক্তিৰ প্ৰেৰণাৰ উৎস হৈ আছিল।

ভাৰতক ভালপোৱা, অসমক ভালপোৱা, অসমীয়াক ভালপোৱা এইজন ব্যক্তিৰ চিন্তা-চৰ্ন সম্পৰ্কে সুদীৰ্ঘ কালজুৰি মতভেদৰ সংঘাতো ঘটিছিল। কিন্তু তাৰ মাজতো সকলোৱে একমুখে স্বীকাৰ কৰিছিল— তেওঁৰ নিষ্ঠা, তেওঁৰ দৃঢ়তাৰ কথা। স্বৰ্গীয় ৰায়চৌধুৰীয়ে জীৱনৰ ব্যাখ্যা নিজৰ কবিতাতে দিছিল ঃ

পূৰ্ণ জীৱন
নিটোল জীৱন, নিখুত জীৱন
সফল জীৱন
তাকেই জীৱন কয়
সেই জীৱনে কৰে কেৱল
উৎপীড়নৰ অংগ ছেদি
জগত নিৰাময়।

—কবিতাৰ এই ব্যাখ্যা তেওঁ নিজৰ জীৱনেৰে ৰূপায়িত কৰি গ'ল। আমি আজি শ্ৰদ্ধাৰে সুৱৰিছোঁ— ডেকা-অসমৰ চিৰসেউজীয়া এইজন অসম-বীৰক।

<u>বুধবাৰ, ৪ জানুৱাৰী, ১৯৬৭ চন</u>

# কৃষি-আঁচনি

পৰিকল্পনা আয়োগে চতুৰ্থ পৰিকল্পনাৰ বাবে ৰাজ্যসমূহৰ কৃষি-আঁচনিত ধৰা টকাৰ পৰিমাণ খচৰা পৰিকল্পনাত ধৰা পৰিমাণতকৈ প্ৰায় ১৭০ কোটি টকা কৰ্তন কৰিছে। খচৰা পৰিকল্পনাত ৰাজ্যসমূহৰ কৃষি-আঁচনিত ধৰা হৈছিল ১৫৫০ কোটি টকা ; এতিয়া ধৰা হ'ব ১৩৯০ কোটি টকা। আয়োগে আৰ্থিক সংগতিৰ পিনে লক্ষ্য ৰাখি অন্যান্য শিতানতো পূৰ্বতে ধৰা টকাতকৈ এতিয়া পৰিমাণ হ্ৰাস কৰিছে। কৃষিৰ ওপৰতে সৰ্বাধিক গুৰুত্ব আৰোপ কৰি সেই শিতানতে এতিয়া খৰচ কমাবলৈ ব্যৱস্থা লোৱা বাবে কোনো কোনো মহলে হয়তো উৎকণ্ঠাৰ ভাব প্ৰকাশ কৰিব। কিন্তু উৎকণ্ঠা প্ৰকাশ কৰাৰ কাৰণ নাই। সংগতি চাই কামত নধৰা বাবে ইতিমধ্যে আমি যথেষ্ট নিকাৰ ভুগিবলগীয়া হ'ল। এতিয়া আৰু তেনে ভুল কৰাৰ হেঁপাহ থকা অনুচিত। আমাৰ পাঁচ বছৰীয়া পৰিকল্পনাসমূহৰ যোগেদি কৃষিৰ শিতানত ইতিমধ্যে বিস্তৰ ধন খৰচ কৰা হ'ল। কিন্তু ব্যয়ৰ তুলনাত কৃষিৰ উন্নতি

বৰ কম হ'ল। সেইদেখি ধনেই একমাত্ৰ মাপকাঠি নহয়। আমাৰ পৰিকল্পনাসমূহ আড়ম্বৰপূৰ্ণ হোৱাতকৈ কাৰ্যক্ষম হোৱাটোহে আমি বিচাৰো। সামৰ্থ্য অনুসৰি দায়িত্ব হাতত লৈ কাম নিয়াৰিকৈ কৰিলে অধিক সুফল পোৱা হ'ব। সেইদেখি পৰিকল্পনাক প্ৰচাৰধৰ্মী ৰূপ এটা দিয়াটোও আমি নিবিচাৰো। সেই কাৰণে এতিয়া কৃষিৰ শিতানত ধৰা টকাৰ পৰিমাণ কমোৱা বাবে হাহাকাৰ লগোৱাৰো প্ৰয়োজন নাই। সংকুচিত যি আঁচনি হাতত লোৱা হ'ব, তাকে নিষ্ঠাৰে কাৰ্যকৰী কৰিলেও আমাৰ কৃষিৰ অৱস্থা পূৰঠ কৰি তুলিব পৰা হ'ব।

আড়ম্বৰপূৰ্ণ আয়োজনেই আমাৰ সফলতাৰ দিক-দৰ্শকৰূপে কাম নকৰে। পৰিকল্পনাৰ বাটেদি আগবঢ়া সত্বেও কৃষিৰ বাটৰ অন্তৰায়বোৰ দূৰ কৰিব পৰা নহ'ল। চৰকাৰী হিচাপ মতে প্ৰথম আৰু দ্বিতীয় পৰিকল্পনাত কৃষিৰ ক্ষেত্ৰত উন্নয়নৰ নিৰিখ উন্নত হ'ল। কিন্তু তৃতীয় পৰিকল্পনাৰ বেলিকা নিৰাশ হ'বলগীয়া হ'ল। সেইদেখি অতীতৰ 'শিক্ষা' বুলি অভিহিত কৰি চতুৰ্থ পৰিকল্পনাৰ খচৰাত এই বুলি স্বীকাৰ কৰা হ'ল যে বিভিন্ন ক্ষেত্ৰত ত্ৰুটি হ'ল। লগতে স্বীকাৰ কৰা হ'ল যে কৃষিৰ ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ হ'লে কৃষিৰ লগত পোনপটীয়াভাৱে সংযোগ থকা বিষয়বোৰৰ ক্ষেত্ৰতো সমানে মনোযোগ দিব লাগিব। কিন্তু আমাৰ পৰিকল্পনাত জানো প্ৰকৃততে তাকে কৰা হ'ল। কৃষিৰ লগত সংযোগ থকা বিষয়বোৰৰ ক্ষেত্ৰত দিবলগীয়া মনোযোগ দিয়াৰ ব্যৱস্থা ৰখাটো পৰিলক্ষিত নহ'ল। আনহাতে কৃষিৰ অগ্ৰগতিৰ বেলিকা কৃষিক্ষেত্ৰতে থকা বিৰাট অন্তৰায়সমূহ দূৰ কৰাৰ বাবেও কোনো সুদৃঢ় পদক্ষেপ পৰিলক্ষিত নহ'ল।

সেইবোৰ কথাই আমাৰ কৃষি-আঁচনিৰ সামৰ্থ্য ইতিমধ্যে সীমাবদ্ধ কৰি থৈছে। এনে অৱস্থাত বিৰাট অংকৰ আঁচনিৰে গতি আৰু ক্ষীণ কৰি তোলাৰ কোনো প্ৰয়োজন নাই। আমাৰ যি প্ৰশাসনীয় গাঁথনিয়ে পৰিকল্পনা ৰূপায়িত কৰি তোলাৰ দায়িত্ব লৈছে, সেই গাঁথনিৰ সংস্কাৰ নহ'লে বিপুল দায়িত্বভাৰ লৈ কাৰ্যক্ষেত্ৰত সফল হোৱাটোও টান কথা। ব্যাপক কৃষি-আঁচনি সম্পৰ্কে মূল্যাংকন কৰি পৰিকল্পনা আয়োগৰ সহকাৰী সচিবে দিয়া প্ৰতিবেদনত প্ৰশাসনীয় বেমেজালিয়ে এই আঁচনিৰ বাটত অন্তৰায়ৰূপে থকাটো স্বীকাৰ কৰে। পৰিকল্পনা আয়োগৰ কাৰ্যসূচী মূল্যাংকন কমিটীয়েও ইতিপূৰ্বে পৰিকল্পনাৰ কাৰ্যকাৰিতা সম্পৰ্কে অধ্যয়ন কৰি সংগঠনৰ দুৰ্বলতা, ক্ষিপ্ৰ কামৰ অন্তৰায় আদিৰ মূল ক'ত— ইত্যাদি বিষয়ে আলোচনা কৰিছিল আৰু লগতে পৰিকল্পনাৰ লক্ষ্য নিৰ্ধাৰণ কৰোতে মাত্ৰাধিক্য ঘটাৰ কথাও উল্লেখ কৰিছিল।

কিন্তু তেনেবোৰ মূল্যাংকনে মূল খুঁতবোৰ আঁতৰাব পাৰিলে বুলি আমি ভবাৰ থল পোৱা নাই। কৃষি-আঁচনিৰ বেলিকাও মূল কথাতকৈ আন কেতবোৰ কথাত অধিক মনোনিৱেশ কৰা হ'ল। ৰাসায়নিক সাৰ উৎপাদনৰ নিচিনা কেতবোৰ বিষয়ত প্ৰচুৰ ধন খৰচ কৰাৰ ব্যৱস্থা কৰা হ'ল। অথচ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ বেলিকা প্ৰাথমিক আৱশ্যকতাৰূপে পৰিগণিত হোৱা কথাবোৰ উপেক্ষিত হৈ থাকিল। ৰাসায়নিক সাৰ সকলো মাটিৰ বাবে ফলদায়ক নহ'ব পাৰে ; সেইদেখি বিভিন্ন ঠাইৰ সকলো মাটি পৰীক্ষা কৰিহে এই সাৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আগবাঢ়িব পাৰি। এনে ব্যাপকভাৱে মাটি পৰীক্ষা কৰাৰ সামৰ্থ্যও আমাৰ নাই আৰু তেনে চেষ্টা হাততো লোৱা হোৱা নাই। আনহাতে খেতিয়কসকলক ৰাসায়নিক সাৰৰ বিষয়ে অভিজ্ঞ কৰি তোলাৰ অভিযানো চলোৱা হোৱা নাই। ইপিনে ভাৰতীয় কৃষি গৱেষণা পৰিষদে ৰাসায়নিক সাৰৰ প্ৰয়োগ সম্পৰ্কে চলোৱা পৰীক্ষাৰ ফলবোৰলৈ মন কৰিলে খেলিমেলি লগাৰ সম্ভাৱনাহে বেছি— কিয়নো একে ফল সকলোতে পোৱা নাই। মাজতে মাৰ্কিন যুক্তৰাজ্যৰ পৰা ভাৰতলৈ অহা কৃষি-নেতা দলেও নিজৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি ৰাসায়নিক

সাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰাৰ হকে দিহা দিয়ে।

কিন্তু আমাৰ পৰিকল্পনাত বিৰাট অংকই আগুৰি থৈছে— ৰাসায়নিক সাৰক। সাৰ কাৰখানা, সাৰৰ আমদানি— এইবোৰলৈ শিতানত ধৰা ধনে অৱশ্যে পৰিকল্পনাক দেখনিয়াৰ কৰি তুলিছে। কিন্তু সেয়ে কৃষিক সৰ্বাংগসুন্দৰ কৰি তোলে নে নোতোলে তাক চাবলৈ আমি বাট চাব লাগিব।

বৃহস্পতিবাৰ, ৫ জানুৱাৰী, ১৯৬৭ চন

# মিজো জিলাত সামৰিক অভিযান

যোৱা বছৰৰ মাৰ্চ মাহৰ পৰা মিজো নেচনেল ফ্ৰণ্টে বিদ্ৰোহ আৰম্ভ কৰাত অশান্ত হৈ পৰা পাৰ্বত্য জিলাখনৰ লোকসকলৰ মনত নিৰাপত্তাৰ ভাব আনিবৰ কাৰণে সৈন্য বাহিনীয়ে কালি বুধবাৰৰ পৰা অভিযান আৰম্ভ কৰিছে। বিদ্ৰোহী দলৰ উৎপাতত ব্যতিব্যস্ত হৈ পৰা গাঁৱলীয়া মিজো লোকসকলক একোখন বৃহৎ গাঁৱত সংস্থাপিত কৰিবলৈকে 'নিৰাপত্তা বাহিনী'য়ে এই অভিযান চলাব। মিজো জিলাৰ বহুতো সৰু সৰু গাঁও বিস্তীৰ্ণ অঞ্চলত বিক্ষিপ্ত হৈ আছে আৰু সেইবোৰ গাঁও সংযোগৰ পৰা বিচ্ছিন্ন হৈ থকা বাবে তাত বিদ্ৰোহী নেচনেল ফ্ৰণ্টৰ স্বেচ্ছাসেৱকে উৎপীড়ন কাৰ্য চলোৱাৰ সুযোগ পাইছে আৰু সেইবাবেই ভাৰত চৰকাৰে স্বাভাৱিক গতিৰে সংযোগ ৰক্ষা কৰিব পৰা কিছুমান বৃহত্তৰ গাঁও প্ৰতিষ্ঠাৰ সিদ্ধান্ত লৈছে। এইবিলাক গাওঁ অৰ্থনৈতিক দিশৰ পৰাও অধিক সুযোগ-সুবিধাপূৰ্ণ হ'ব বুলি চৰকাৰে বিবেচনা কৰিছে।

মিজো জিলাৰ অধিবাসীসকলৰ এটা গুৰুতৰ সমস্যা হৈছে অৰ্থনৈতিক ক্ষেত্ৰত পিচপৰা অৱস্থা। এই বৃহৎ পাৰ্বত্য জিলাখনত সংযোগ ব্যৱস্থাও উন্নত হোৱা নাই। সেইকাৰণে চৰকাৰে এনে এখন আঁচনি গ্ৰহণ কৰি তাক কাৰ্যকৰী ৰূপ দি স্থানীয় লোকৰ আস্থাভাজন হ'ব পাৰিলে প্ৰকৃততে সন্তোষৰ কথা হ'ব। বিচ্ছিন্ন গাওঁবিলাকৰ লোকসকলক যদি নিজৰ পাৰিপাৰ্শ্বিকতাৰ পৰা আঁতৰাই আনি উন্নত মান আৰু নিৰাপত্তাপূৰ্ণ জীৱন-যাপন কৰাৰ সুযোগ দিব পৰা যায় তেন্তে বিদ্ৰোহীৰ প্ৰতি সাধাৰণ মিজো ৰাইজৰ সমৰ্থন বা আকৰ্ষণ নাইবা বাধ্যত পৰি গঢ়ি উঠা আনুগত্য স্ব-প্ৰণোদিতভাৱেই অন্তৰ্হিত হ'ব বুলিও আশা কৰা যায়।

কিন্তু এইখিনিতে মিজো পাহাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যপালিকা সদস্য শ্ৰীবাৰিচুৱাকাই যোৱা মাহত কলিকতাত বহা উত্তৰ-পূৱ ভাৰতৰ পাৰ্বত্য লোকৰ ছেমিনাৰত কোৱা এষাৰ কথা উল্লেখ কৰা প্ৰয়োজন হ'ব। শ্ৰীবাৰিচুৱাকাই কৈছিল যে মিজোসকলে নিজকে ভাৰতীয় বুলি নেভাবে আৰু "সেয়ে হৈছে আমাৰ সমস্যা।" এইটো মিজো পাহাৰ জিলা পৰিষদৰে নহয় ভাৰত চৰকাৰৰো সমস্যা। মিজোসকলে ভাৰতীয় ইউনিয়নৰ ভিতৰত থাকি নিজকে অভাৰতীয় বুলি গণ্য কৰে কিয়? প্ৰস্তাৱিত ব্যৱস্থাই তেওঁলোকক ভাৰতীয় বুলি চিনাকি দিবলৈ প্ৰেৰণা যোগাবনে? শ্ৰীবাৰিচুৱাকাই তেওঁৰ বক্তৃতা প্ৰসংগত কৈছিল যে চৰকাৰে সহায় কৰিছে বুলি নাভাবি, মিজোসকলে যাতে ভাবিব পাৰে যে চৰকাৰে তেওঁলোকৰ সৈতে কাম কৰিছে, তাৰ ব্যৱস্থা লোৱা প্ৰয়োজন। মিজো ৰাইজৰ মাজত এজন নেতৃস্থানীয় লোকৰ এই উক্তিত স্বাভাৱিকতে গুৰুত্ব আৰোপ কৰিব লগা হয় আৰু সেই কাৰণেই বৰ্তমানৰ সামৰিক অভিযানে মিজো ৰাইজৰ মন কি পৰিমাণে জয় কৰিব পাৰে তাৰ ইংগিত এতিয়াই দিব নোৱাৰা অৱস্থা এটা চলি আছে। নগা পাহাৰ জিলাত সামৰিক অভিযান চলাই নগা ৰাইজৰ মনত

কিমান প্ৰতিক্ৰিয়া কৰিব পৰা গ'ল তাৰ বিৱৰণৰ দৰকাৰ নেথাকিলেও অভিজ্ঞতা মনত ৰাখিব লাগিব। সামৰিক অভিযান বুলিলে ভাবপ্ৰৱম পাৰ্ব্যত্য জনজাতিৰ মাজত এটা পূৰ্বকল্পিত ধাৰণা থকাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। অভিযানৰ অতিৰঞ্জিত আৰু বিকৃত ব্যাখ্যা দি জনসাধাৰণক বিভ্ৰান্ত কৰা বিদ্ৰোহীৰ কৌশলৰ কথাও পাহৰি যোৱা ঠিক নহ'ব।

নিৰাপত্তা বাহিনীৰ আঁচনিৰ উদ্দেশ্য ব্যাখ্যা কৰি ইষ্টাৰ্ণ কমাণ্ডৰ মুখ্য সেনাধিনায়ক লেঃ জেনেৰেল মানেকশ্বই কৈছে যে মিজো নেচনেল ফ্ৰণ্টৰ বিদ্ৰোহীবিলাক এতিয়া সৰু সৰু দুৰ্বৃত্তৰ দলত পৰিণত হৈছে আৰু দুৰ্গম অঞ্চললৈ পলাই গৈ সক্ৰিয় হৈ পৰিছে। মিজো নেচনেল ফ্ৰণ্টৰ বহুতো নেতা যোৱা কিছুদিনৰ ভিতৰত নিৰাপত্তা বাহিনীৰ হাতত বন্দী হোৱাৰো খবৰ ওলাইছে। সেইফালৰ পৰা চালে মিজো জিলা ব্যাপকভাৱে অশান্ত হোৱাৰ সম্ভাৱনা নাই বুলিয়েই ক'ব লাগিব কিন্তু এই সংশ্ৰৱত মিজো নেচনেল ফ্ৰণ্টৰ স্বেচ্ছাসেৱক দল যে যোৱা ফেব্ৰুৱাৰী-মাৰ্চতকৈ অধিক পৰিমাণে সংসংগঠিত আৰু অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ পৰিছে সেই কথালৈ আওকাণ কৰিলেও নচলিব। পূব পাকিস্তানত ৩ হেজাৰ মিজো বিদ্ৰোহীয়ে যুদ্ধ প্ৰশিক্ষণ লোৱাৰ বাতৰি অমূলক বুলি কোৱাৰো থল নাই। যোৱা মাহত কেন্দ্ৰীয় গৃহ উপ-মন্ত্ৰী শ্ৰীশুক্লই স্বীকাৰ কৰিছিল যে মিজো জিলাত স্বাভাৱিক অৱস্থা প্ৰৱৰ্তন কাৰ্য "বৰ মন্থৰ" হৈছে।

সেইবাবেই এতিয়া মিজো জনসাধাৰণে নিজক ভাৰতীয় বুলি বিবেচনা কৰাৰ ব্যৱস্থা হাতত লোৱা প্ৰধান কাম হ'ব আৰু তাৰ কাৰণে যিমান সোনকালে পাৰি অসামৰিক প্ৰশাসন প্ৰৱৰ্তন কৰিব লাগিব।

## বিজ্ঞানৰ সাধনা

হায়দৰাবাদত অনুষ্ঠিত ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ অধিৱেশনত ভাষণ দি প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে কৈছে যে দৰিদ্ৰতাৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত বৈজ্ঞানিকসকল চৰকাৰ আৰু জনসাধাৰণৰ মিত্ৰশক্তি। এই কথাত নিশ্চয় কাৰো আপত্তি থাকিব নোৱাৰে। প্ৰযুক্তিবিদ্যাই আজিৰ বিশ্বক তথা মানৱ জাতিক অধিক সুখ-স্বাচ্ছন্দ্য আৰু জীৱন ধাৰণৰ উন্নত মানৰ আশ্বাস দিছে। সেই কাৰণে জনতাৰ জীৱনৰ মান উন্নত কৰিবলৈ চৰকাৰৰ লগত বৈজ্ঞানিকৰ সহযোগিতা অতি দৰকাৰী বিষয়।

ভাৰত এখন দুখীয়া দেশ। এই দেশৰ কোটি কোটি জনতাৰ দৰিদ্ৰতা দূৰ কৰিবলৈ বৈজ্ঞানিক আৰু চৰকাৰ তথা ৰাইজৰ সহযোগিতাৰ প্ৰয়োজন অতি বেছি। কিন্তু চৰকাৰেও বৈজ্ঞানিক দলক মিত্ৰশক্তিৰ দৰেই ব্যৱহাৰ কৰা উচিত। বিজ্ঞানৰ সাধনা ফলপ্ৰসু কৰিবলৈ ভাৰতত অনুকূল পৰিৱেশৰ সৃষ্টি কৰা হৈছে নে, নাইবা ইয়াৰ উদ্দেশ্যধৰ্মী ভিত্তিয়েই গঢ়ি তোলা হৈছে? ভাৰতৰ পৰা বোৱাৰ কাৰণ থাকিব নেলাগে যিহেতু এই দেশত প্ৰযুক্তিবিদ্যাৰ লোকৰ চাহিদা বৰ বেছি। অথচ ভাৰতত সেয়ে ঘটিছে। ভাৰতৰ বৈজ্ঞানিক, প্ৰযুক্তিবিদ্যাৰ লোকৰ আন দেশলৈ বোৱা সোঁত বন্ধ হোৱা নাই। ইয়াত বিজ্ঞান সাধনাৰ পৰিৱেশ গঢ়ি উঠা নাই। উদ্দেশ্যধৰ্মী ভিত্তিও গঢ়ি উঠা নাই। কোমলমতীয়া শিশুক বিজ্ঞানৰ শিক্ষা দি বৈজ্ঞানিক দৃষ্টিভংগী সম্পন্ন কৰিবলৈ যাওঁতে সেই শিশু দলক কোনে বিজ্ঞানৰ শিক্ষা দিয়ে তাৰ বিষয়ে বিবেচনা কৰাও দৰকাৰ।

বৈজ্ঞানিকৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ আহ্বান সময়োপযোগী হৈছে কিন্তু চৰকাৰৰ ফালৰ কৰ্তব্যখিনি সম্পাদন কৰাৰো ব্যৱস্থা থাকিব লাগে।

শনিবাৰ, ৭ জানুৱাৰী, ১৯৬৭ চন

# আলোচনাৰ গতি

বিদ্ৰোহী নগা দলৰ সৈতে কেন্দ্ৰীয় চৰকাৰে চলোৱা আলোচনাৰ মিয়াদ এবছৰ হৈ গ'ল। তথাপি আলোচনাৰ পৰ্যায়ৰ পৰা আৰু আগবাঢ়িব পৰা নহ'ল। সম্প্ৰতি পঞ্চম বৈঠক শেষ হ'ল আৰু নিৰ্বাচনৰ পিচত পুনৰ বৈঠক বহাৰ কথা আছে বুলি বাতৰি ওলাইছে। সম্প্ৰতি শেষ হোৱা বৈঠক সম্পৰ্কেও পূৰ্বৰ দৰেই পৰস্পৰবিৰোধী কথা প্ৰকাশ হৈছে। নতুন দিল্লীৰ চৰকাৰী মহলে 'আশা' দেখা পাইছে আৰু বিদ্ৰোহী নগা দলে আলোচনা অব্যাহত ৰখাটোৱেই এটা শুভ লক্ষণ বুলি অভিহিত কৰা হৈছে। আনহাতে বিদ্ৰোহী নগা দলে আলোচনা সম্পৰ্কে পোনপটীয়াভাৱে একো নক'লেও তেওঁলোকৰ স্থিতি যে আগৰ দৰেই আছে, তাৰ পুনৰোক্তি কৰি আছে। তেওঁলোকে এতিয়াও কৈছে যে নগালেণ্ড ভাৰতৰ অংশ বিশেষ নহয় আৰু সেইদেখি ভাৰত চৰকাৰৰ পৰা কিবা দাবী কৰাৰ একো প্ৰশ্নই উঠা নাই।

মুঠতে আলোচনাৰ বাট মুকলি কৰি ৰখাটোকে ভাৰত চৰকাৰে একমাত্ৰ লক্ষ্য হিচাপে লোৱা বুলি ধাৰণা হৈছে। তাকে কৰিবলৈ গৈ ভাৰত চৰকাৰেহে নিজৰ স্থিতি লৰোৱা বুলি মনে ধৰিছে। ইয়াৰ গলৈকে ভাৰত চৰকাৰৰ দাবী আছিল— ভাৰতীয় ইউনিয়নৰ ভিতৰত থকা ভেটিতহে আলোচনা হ'ব পাৰে। আনহাতে বিদ্ৰোহী নগা দলে স্বাধীন নগালেণ্ডৰ নগা দলে স্বাধীন নগালেণ্ডৰ বাহিৰে আন কোনো ভিত্তিতে আলোচনা কৰিবলৈ নিবিচাৰে। কিন্তু এতিয়া নগা দলৰ মুখপাত্ৰই কৈছে যে "এয়ে পোন প্ৰথমবাৰলৈ ভাৰত চৰকাৰে পূৰ্ব চৰ্ত নোহোৱাকৈ আলোচনা কৰিবলৈ সন্মতি জনালে।" সেই কথাৰ তাৎপৰ্য ভাৰত চৰকাৰে যিভাৱেই নধৰক বিদ্ৰোহী নগা দলে তাৰ তাৎপৰ্য নিজস্ব ধৰণেৰেহে নিৰূপণ কৰিছে। সেইদেখি প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা কৰাৰ মূৰতে বিদ্ৰোহী নগা দলৰ মুখপাত্ৰই সাংবাদিকৰ আগত তৃপ্তিৰ সুৰতে কয় "দুয়োখন দেশৰ স্বাৰ্থতে আমি এনে এটা সম্পৰ্ক গঢ়ি তোলাৰ হকে আলোচনাত বহিছো— যাতে সেয়ে আমাক একেলগে ৰাখিব পাৰে।"

সেইদেখি এবছৰ ধৰি চলা আলোচনাৰ মূৰত দেখা গ'ল যে মূলতে যি স্থিতি লৈ আলোচনাৰ অৱতাৰণা কৰা হৈছিল, সেই স্থিতি ক্ৰমে অস্পষ্ট হৈ পৰিছে। এই আপোচগন্ধী ৰূপটোৱে কিন্তু ভাৰতৰ স্বাৰ্থৰ বিপৰীতেহে কাম কৰিব। ইতিমধ্যে দেশৰ কেতবোৰ নেতাই আপোচৰ সুৰত নগালেণ্ডক বিশেষ মৰ্যাদা দিয়াৰ পোষকতা কৰিছিল। সেই প্ৰসংগত ভূটান, চিকিমৰ উদাহৰণো উত্থাপিত হৈছিল ; কিন্তু সংসদত দৃঢ়তাৰে তাকে অস্বীকাৰ কৰা হৈছিল। এতিয়া দিল্লীৰ শেহতীয়া আলোচনাৰ সন্দৰ্ভত দিয়া বাতৰিৰ লগতে দিল্লীৰ কাকতে নগালেণ্ডক বিশেষ মৰ্যাদা দিয়াৰ বাবে সংবিধান সংশোধন কৰাৰ সম্ভাৱনা থকাৰ ইংগিতো দিছে। কিন্তু বিদ্ৰোহী নগাক তুষ্ট কৰিবৰ বাবে যদি সঁচাকৈয়ে এনে পথ ল'ব খোজা হৈছে, তেন্তে সেই পিচল পথত ভাৰতৰ স্বাৰ্থইহে মূৰকত পিচল খাব।

## অশান্তিৰ এটা সমীক্ষা

বৰদিনৰ ছুটীৰ পিছত কলেজ খোলাৰ লগে লগে বিহাৰত আকৌ ছাত্ৰৰ অশান্তিয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিলে। ইতিমধ্যে ৯ জন লোক পুলিচৰ গুলীত নিহত হ'ল আৰু বহুতো লোক আহত হ'ল। তদুপৰি ব্যাপক অশান্তিৰ ফলত নানান সা-সম্পত্তি হানি হৈছে। যোৱা ৯ ডিচেম্বৰত মজফৰপুৰত হোৱা পুলিচৰ গুলীচালনাৰ

প্ৰতিবাদকল্পে 'নিষ্পেষণ নিবাৰণী সপ্তাহ' পালন কৰা সন্দৰ্ভতে এই নতুন অশান্তিৰ উদ্ভৱ হয়। বিহাৰত এপিনে মানুহে অনাহাৰত মৰিবলগীয়া অৱস্থা হৈছে, দেশ-বিদেশৰ লোকে সেই ৰাজ্যৰ পীড়িত লোকৰ বাবে সাহায্য আগবঢ়াইছে আৰু দেশৰ বিধিবদ্ধ ৰেচনিং ব্যৱস্থা প্ৰৱৰ্তিত হোৱা অঞ্চলৰ ৰাইজে নিজৰ ৰেচন কমাই লৈ বিহাৰৰ ক্ষুধাৰ্ত লোকৰ কাৰণে আগবঢ়াবলগীয়া হৈছে। এনে অৱস্থাত সেইখন ৰাজ্যতে এনেদৰে অশান্তি হোৱা, পুলিচৰ গুলীত মানুহে প্ৰাণ হেৰুৱাবলগীয়া হোৱা আৰু ব্যাপকভাৱে ৰাজহুৱা সা-সম্পত্তি আদি হানি হোৱাটো অতিশয় দুখৰ কথা। ভাৰতক ব্যংগ কৰাৰ প্ৰচুৰ সম্বল ইতিমধ্যে বিদেশত পাইছে— এতিয়া নতুন সম্বল যোগান ধৰা হ'ল। কোনো সচেতন লোকে এই গঞ্জনাৰ ভাৰ ল'বলৈ নিশ্চয় নিবিচাৰিব। যিসকলে মজফৰপুৰৰ শোকাবহ ঘটনাৰ সন্দৰ্ভত সপ্তাহ পালন কৰি নিষ্পেষণৰ প্ৰতিবাদ জনাবলৈ আগবাঢ়ি আহিছিল, তেওঁলোকেই ওলোটাই নিষ্পেষণৰ পোহাৰ মেলি পুলিচক প্ৰৰোচিত কৰাৰ পৰা বুজা গ'ল যে এই আন্দোলনৰ গুৰিত আন উদ্দেশ্য থকা বুলি অভিযোগ কৰাটো অবান্তৰ কথা নহ'ব। সমাগত নিৰ্বাচনলৈ লক্ষ্য ৰাখি কিছুমানে পূৰ্ব পৰিকল্পিতভাৱে এই পৰিণতি হয়তো বিচাৰিছিল।

কিন্তু সেইখন জালত কৰ্তৃপক্ষই ইমান সহজে ধৰা দিলে কিয়? কলেজ পুনৰ খুলিলে কি অৱস্থা হ'বগৈ পাৰে সেই বিষয়ে চোৰাংচোৱা বিভাগে আগতীয়াকৈ একো গম ধৰিব নোৱাৰিলে কিয়? আনহাতে মজফৰপুৰৰ গুলীচালনাই কি উত্তপ্ত পৰিৱেশ ৰচনা কৰি থৈছে— সেই কথা চৰকাৰে নিশ্চয় জানে। সেই ঠাইৰ গুলীচালনাৰ সন্দৰ্ভত যিবোৰ চাঞ্চল্যকৰ খবৰ বাতৰি কাকতত ওলাইছিল, তাৰ পৰা সকলোৰে এই ধাৰণাই হয় যে এই ক্ষোভত বিচাৰ বিভাগীয় তদন্তৰ যথেষ্ট যুক্তি আছে। কিন্তু বিহাৰ চৰকাৰে সেই দাবী উপেক্ষা কৰি পৰিস্থিতি আৰু উত্তপ্ত কৰি তুলিলে। পুলিচৰ অতিচাৰৰ প্ৰশ্নটো চৰকাৰে নিজৰ মৰ্যাদাৰ প্ৰশ্নৰ ফালৰ পৰা সদায় বিবেচনা কৰিবলৈ লোৱাটো তিক্ততা বঢ়াৰ আৰু এটা কাৰণ হৈ উঠিছে। মধ্যপ্ৰদেশৰ বাস্তাৰৰ গুলীচালনা সম্পৰ্কে দেশজুৰি উত্থাপিত হোৱা দাবীলৈ আওকান কৰা হ'ল। অথচ এতিয়া নিৰ্বাচনৰ স্বাৰ্থৰ তাগিদাত মধ্যপ্ৰদেশ চৰকাৰে সংশ্লিষ্ট পুলিচ বিষয়াক অৱসৰ গ্ৰহণ কৰাৰ নিৰ্ধাৰিত সময়ৰ চাৰি মাহৰ আগতে তেওঁক অৱসৰ ল'বলৈ বাধ্য কৰিছে। বিভিন্ন ৰাজ্যত চৰকাৰৰ এনে মনোভাৱে খোপনি লোৱা বাবেই পুলিচৰ মনোভাৱো সলনি কৰাৰ থল ওলোৱা নাই। সেই কাৰণেই বিহাৰত পুনৰ পুলিচে গুলী চলোৱাৰ প্ৰয়াস পালে। সেইকাৰণেই সিদিনা কলিকতাৰ ইডেন গাৰ্ডেনত পুলিচে লোৱা ব্যৱস্থাৰ মাত্ৰাধিক্য ঘটিল। অথচ সিদিনা মাত্ৰ দিল্লীত মহা পয়োভৰেৰে উচ্চ পৰ্যায়ত সভা-সমিতি পাতি পুলিচৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি নানান শ্ৰুতিমধুৰ সিদ্ধান্ত লোৱা হ'ল।

দেওবাৰ, ৮ জানুৱাৰী, ১৯৬৭ চন

## মেধাৰ অপচয়

ভাৰতৰ পৰা বৈজ্ঞানিক আৰু কাৰিকৰী লোক আদিয়ে বিদেশলৈ গৈ মূৰকত স্বদেশলৈ ঘূৰি নাহি তাতে কাম কৰিবলৈ লোৱাত প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে দুখ প্ৰকাশ কৰিছে। সঁচাকৈয়ে আমাৰ দৰে দুখীয়া দেশ এখনৰ বেলিকা মেধাৰ এনে অপচয় ঘটাটো অতি পৰিতাপৰ কথা। ১৯৬১ চনৰ এটা সমীক্ষা মতে সেই সময়ত

বিদেশত ভাৰতৰ কুৰি হেজাৰ মেধাসম্পন্ন লোকে কাম কৰি আছিল— তাৰ ভিতৰত চাৰি হেজাৰ বৈজ্ঞানিক, দহ হেজাৰ ইঞ্জিনীয়াৰ আৰু কাৰিকৰী লোক। এতিয়া সম্ভৱ এইটো হিচাপ আৰু বাঢ়িছে। এয়া আমাৰ কাৰণে গুৰুতৰ ক্ষতি। বিশেষজ্ঞ গঢ়ি তোলাটো কষ্টসাধ্য কাম। আৰ্থিক সীমাবদ্ধতাই এইক্ষেত্ৰত আমাৰ সামৰ্থ্য আৰু কমাইছে। আমাৰ দেশত গৱেষণা আৰু উচ্চতৰ শিক্ষাৰ বাবে মানুহজনে প্ৰতি বছৰি দহ টকাহে খৰচ কৰিব পৰা হৈছে। অথচ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিচিনা দেশত মানুহজনে প্ৰতি বছৰি দুহেজাৰ টকাকৈ এই শিতানত খৰচ কৰা হৈছে।

বিদেশী জীৱনৰ মোহত পৰিয়েই কিছুমানে স্বদেশলৈ উলটি আহিবলৈ ইচ্ছা নকৰাটো মানি ল'ব লাগিব। কিন্তু কাৰণ অকল সেইটোৱেই নহয়। আনকি প্ৰধানমন্ত্ৰীয়েও নিজেই কৈছে যে বিজ্ঞানৰ প্ৰতি উচিত 'সামাজিক মনোভাব' নথকাৰ কাৰণে দেশৰ এনে ক্ষতি হৈছে। মেধাৰ শক্তিয়ে স্বীকৃতি পাব লাগে বুলি শ্ৰীমতী গান্ধীয়ে কয়। দেশত বিজ্ঞান, কাৰিকৰী বিজ্ঞানৰ শিক্ষাৰ বাবে বহল ব্যৱস্থা ৰখা, গৱেষণা, মৌলিক চিন্তা আদিৰ বাবে অধিক ধন খৰচ কৰা আৰু সা-সুবিধা দিয়া, আৱিষ্কাৰৰ বাবে উৎসাহ যোগোৱা— ইত্যাদি ক্ষেত্ৰত আমি বহুতো ব্যৱস্থা হাতত ল'বলগীয়া হৈ আছে। তদুপৰি সমাজৰ লগতে চৰকাৰেও বৈজ্ঞানিক আৰু কাৰিকৰী বিশেষজ্ঞক যথোচিত স্বীকৃতি দিব লাগিব।

কিন্তু এতিয়া বৈজ্ঞানিক আৰু কাৰিকৰী বিশেষজ্ঞই নিচেই কম সা-সুবিধা পাইছে। বৈজ্ঞানিক আৰু উদ্যোগীক গৱেষণা পৰিষদৰ তৰফৰ পৰা ১৯৬১ চনত চলোৱা সমীক্ষা এটাৰ পৰা আমি নিৰাশজনক ছবি এখন দেখিবলৈ পাইছিলো। সেই সমীক্ষা মতে ভাৰতৰ ৪ লাখ বৈজ্ঞানিক আৰু কাৰিকৰী লোকৰ সম্পৰ্কত এইবোৰ তথ্য পোৱা হয়— প্ৰত্যেক ৩ জনৰ ভিতৰত এজন নিবনুৱা হৈ আছে বা অকাৰিকৰী ধৰণৰ কামত নিযুক্ত হৈছে। আনকি বিজ্ঞানৰ স্নাতক সকলৰ ভিতৰতো শতকৰা ৪০ ভাগ বিজ্ঞান বা কাৰিকৰী বিষয়ৰ কামত থকা নাই। স্নাতক ইঞ্জিনীয়াৰসকলৰ শতকৰা ২.৮ ভাগৰ অৱস্থাও সেয়ে। এই পৰিসংখ্যাই আমাৰ দেশৰ মেধা প্ৰব্ৰজনৰ আৰু এটা দিশ মুকলি কৰি দিছে। আণৱিক বিজ্ঞানৰ উচ্চতৰ শিক্ষা লাভ কৰি লণ্ডনৰ পৰা উ টি অহা বৈজ্ঞানিকে 'ফাইল' ঘাটিয়েই অৱসৰ লোৱা উদাহৰণ আন ঠাইত বিচাৰিবলৈ নগৈ অসমতে বিচাৰি পোৱা যাব। আনহাতে চৰকাৰৰ অধীনত যিসকল বৈজ্ঞানিক আৰু কাৰিকৰী লোকে কাম কৰিছে তেওঁলোকৰো সকলোৱে সুযোগ-সুবিধা পোৱা নাই। আমোলাতান্ত্ৰিক বাধা, ৰঙা ফিটাৰ পাক— এইবোৰতো আছেই। মুকলি চিন্তা, মৌলিক প্ৰচেষ্টা সদায় সেইদেখি বাধাগ্ৰস্ত হয়। আনকি আমাৰ দেশতে এনে উদাহৰণো আছে— গুৰুত্বপূৰ্ণ আৱিষ্কাৰ কৰা বৈজ্ঞানিকে অফিচৰ কামত হেলা কৰা বুলি বৰমূৰীয়া পদাধিকাৰীৰ পৰা শাস্তিমূলক ব্যৱস্থা মূৰ পাতি ল'বলগীয়া হৈছে। তাৰ বাহিৰেও দৰমহা আদিৰ প্ৰশ্নও আছে। আমাৰ দেশত বৈজ্ঞানিকসকলৰ দুই-তৃতীয়াংশই চৰকাৰৰ অধীনত কাম কৰে। কিন্তু বাকী যিটো অংশই বেচৰকাৰী প্ৰতিষ্ঠানত কাম কৰে তেওঁলোকৰহে দৰমহা আদি বেছি। সেই আকৰ্ষণ যি পিনে বেছি হ'ব লাগিছিল— সেইপিনেই কম। ইয়াৰ বাহিৰেও নতুন বাধা কিছুমানো ওলাইছেহি। বৈদেশিক সাহায্য-সহযোগিতাত আমাৰ দেশত বিভিন্ন আঁচনি কাৰ্যকৰী কৰা হৈছে— এনে ধৰণৰ প্ৰায়বোৰ আঁচনিৰ কামতে বৈদেশিক বিশেষজ্ঞৰ সোঁত বৈছে। ইয়াৰ ফলত ভাৰতীয় মেধা বঞ্চিত হৈছে।

আমাৰ মেধাৰ বিদেশ যাত্ৰা ৰোধ কৰিবলৈ হ'লে আমি দেশৰ ভিতৰৰ কৰ্মক্ষেত্ৰত থকা অন্তৰায়বোৰো দূৰ কৰিব লাগিব। তাৰ বাবে সুদৃঢ় পৰিকল্পনাৰ প্ৰয়োজন।

মঙ্গলবাৰ, ১০ জানুৱাৰী, ১৯৬৭ চন

# টাছখণ্ড আৰু শাস্ত্ৰীজী

এবছৰ আগতে আজিৰ দিনতে স্বৰ্গীয় লালবাহাদুৰ শাস্ত্ৰী আৰু প্ৰেছিডেণ্ট আয়ুবে টাছখণ্ড ঘোষণাপত্ৰত দুখন বিবদমান দেশৰ প্ৰতিনিধিস্বৰূপে স্বাক্ষৰ দিছিল। ছোভিয়েট চৰকাৰৰ সৰল প্ৰচেষ্টাত ভাৰত আৰু পাকিস্তানৰ নেতৃত্বয়ে যুদ্ধ সামৰি সমিলমিলভাৱে তৃতীয় পক্ষৰ মধ্যস্থতা নোলোৱাকৈ নিজৰ ভিতৰতে আলাপ-আলোচনা কৰি বিবাদৰ কাৰণবোৰ ফহিয়াই সকলো সমস্যাৰ সমাধান কৰিবলৈ সন্মত হৈছিল। শান্তিকামী ভাৰতৰ অসম সাহসী নেতা লালবাহাদুৰ শাস্ত্ৰীয়ে ভাৰতৰ নিশ্চিত জয়ৰ মুহূৰ্ততো শান্তিৰ আহ্বানত সহাঁৰি দি অগ্ৰগামী ভাৰতৰ সৈন্য দলক নিৰস্ত্ৰ কৰিছিল। যি বীৰত্বেৰে, দৃঢ়তাৰে আৰু বাস্তৱ দৃষ্টিভংগীৰে ভাৰতীয় সৈন্য দলক প্ৰত্যাক্ৰমণ চলাই পাকিস্তানৰ মূল ভূ-ভাগলৈ প্ৰৱেশ কৰাৰ বাবে শাস্ত্ৰীজীয়ে আদেশ দিছিল ;— সেই একে দৃঢ়তাৰে শান্তি আৰু সহ-অৱস্থান নীতিৰ আদৰ্শৰ সন্মান ৰক্ষা কৰি টাছখণ্ডত শান্তিৰ বাবে তেওঁ প্ৰখৰ বুদ্ধি, ৰাজনৈতিক জ্ঞান আৰু আত্মবিশ্বাসৰ অস্ত্ৰ প্ৰয়োগ কৰি বিজয়ী হৈছিল। এই কৃতিত্বত দেশবাসী আনন্দ উতলা হৈছিল। এইকন হাঁহিমুৰা, চুটি-চাপৰ দেহৰ নেতাৰ অন্তৰত যি দৃঢ়তা আৰু বুদ্ধিমত্তা আছিল তাৰ পৰিচয় ভাৰতবাসীয়ে সিদিনা সম্পূৰ্ণকৈ পাইছিল।

এবছৰ আগৰ কথা। ইয়াৰ ভিতৰতে তেওঁ স্বাক্ষৰ দি যোৱা টাছখণ্ড ঘোষণা মতে আত্মঘাতী যুদ্ধৰ অৱসান ঘটিল। ১৯৬৫ চনৰ ছেপ্টেম্বৰ মাহত আক্ৰান্ত হোৱা দেশৰ নাগৰিকসকলে স্বস্তিৰ নিশ্বাস ত্যাগ কৰিলে। ঘোষণা মতে দুই দেশৰ মাজত বৈদেশিক সম্বন্ধ পুনৰ গঢ়ি উঠিল ; যুদ্ধবন্দী বিনিময় কৰা হ'ল ; ১৯৬৫ চনৰ ৫ আগষ্টৰ সময়ত থকা সীমালৈ দুয়োদল উভতি গ'ল ; যুদ্ধৰ সময়ত অধিগ্ৰহণ কৰা জাহাজ আদি ঘূৰাই দিয়া বিষয়তো আংশিকভাৱে অগ্ৰগতি হ'ল। অৱশ্যে বিনা চৰ্তে টাছখণ্ড ঘোষণাৰ মূল কথাৰ ভেটিত দুই দেশৰ মাজত মন্ত্ৰী পৰ্যায়ৰ আলাপ-আলোচনাৰ ক্ষেত্ৰত এতিয়াও বিশেষ ফল ধৰা নাই। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ১৯ মে'ৰ দিনা মুকলিভাৱে ঘোষণা কৰিছিল যে টাছখণ্ড ঘোষণাৰ ভেটিত যিকোনো পৰ্যায়তে পাকিস্তানৰ লগত ভাৰতে আলোচনা কৰিবলৈ সাজু। কিন্তু অন্য পক্ষৰ পৰা একো সহাঁৰি পোৱা নাই। আনহাতে, টাছখণ্ড ঘোষণাৰ বিপৰীতে পাকিস্তানে ভাৰতৰ বিপক্ষে ৰেডিঅ'— বাতৰি কাকত আদিৰ যোগে অপপ্ৰচাৰ চলাবলৈ পুনৰ আৰম্ভ কৰিছে আৰু ভাৰতৰ পক্ষৰ পৰা দুই দেশৰ জনসাধাৰণৰ মাজত সদ্ভাৱ গঢ়িবলৈ কৰা সকলো ধৰণৰ প্ৰচাৰ বা প্ৰচেষ্টাৰ বিপৰীতেহে কাম কৰা দেখা গৈছে।

আজি টাছখণ্ড ঘোষণাৰ বাৰ্ষিকী দিৱসত আমাৰ প্ৰতিৱেশী ৰাষ্ট্ৰই তেওঁলোকৰ নেতাই স্বাক্ষৰ দিয়া পবিত্ৰ শান্তিৰ চনদখনৰ কথা মনত পেলাব বুলিয়েই শান্তিকামী ভাৰতবাসীয়ে আশা কৰে। ভাৰতৰ বৈদেশিক দপ্তৰৰ মন্ত্ৰী শ্ৰীএম চি চাগলাই সেয়ে আজিৰ দিনটোৰ তাৎপৰ্যৰ কথা সোঁৱৰাই কৈছে যে টাছখণ্ড ঘোষণাৰ প্ৰথম বাৰ্ষিকী প্ৰকৃত অৰ্থত উদ্‌যাপন কৰিবলৈ হ'লে ভাৰত আৰু পাকিস্তান উভয়ে সেই চনদৰ প্ৰতি বিশ্বাস গাঢ় কৰি তুলিব লাগিব। স্বৰ্গীয় লালবাহাদুৰ শাস্ত্ৰীয়ে টাছখণ্ডলৈ যোৱাৰ আগমুহূৰ্ততো কৈছিল যে এই দুয়োখন দেশে সু-প্ৰতিৱেশী হিচাপে থাকিবই লাগিব, আৰু যদি আমি ৰচনাত্মক পৰিকল্পনাৰে কাম কৰো তেনেহ'লে দুইখন দেশৰ নাগৰিকসকলে অধিক সুখ-স্বাচ্ছন্দ্যেৰে থাকিব পাৰিব।

এইযাৰ কথা আমি সদায়েই উপলব্ধি কৰি আহিছোঁ। কিন্তু যদি কোনো প্ৰতিৱেশীয়ে অন্যায়ভাৱে আমাৰ দেশৰ অখণ্ডতা আৰু সংহতিৰ বিপৰীতে কাম কৰে তেনেহ'লে আমাৰ বৰ্তমানৰ নেতাসকলে শাস্ত্ৰীজীৰ দৰে দৃঢ়তাৰে প্ৰতিৰোধ কৰিব পাৰিব লাগিব। এইযাৰ কথা দোহাৰিবলগীয়া হৈছে এই কাৰণে যে বৰ্তমান আমাৰ কেবাটাও সমস্যাৰ ক্ষেত্ৰত চৰকাৰৰ অস্থিৰ নীতিয়ে সমস্যা জটিলতৰ কৰাহে দেখা গৈছে। তদুপৰি আমাৰ নেতৃস্থানীয় লোকসকলে ব্যক্তিগত স্বাৰ্থ বা ক্ষমতা প্ৰাপ্তিৰ মোহ সামৰি দেশৰ সমূহীয়া স্বাৰ্থৰ বাবে আত্মোৎসৰ্গ কৰিব পাৰিব লাগিব। তেনে কৰিব পৰা কাৰণেই স্বৰ্গীয় লালবাহাদুৰ শাস্ত্ৰী জনতাৰ ইমান আপোন হ'ব পাৰিছিল। সাধাৰণ নিৰ্বাচনৰ আগমুহূৰ্তত, আমাৰ নেতাসকলে আৰু ৰাইজে এই কথাযাৰ বিশেষভাৱে উপলব্ধি কৰিব লাগিব। টাছখণ্ড ঘোষণাই অকল সংগ্ৰাম বিৰোধী নেতিবাচক আদৰ্শকে দাঙি ধৰা নাই, এই ঘোষণাৰ অন্তৰালত আছে দেশপ্ৰেম আৰু বিশ্ব ভাতৃত্বৰ এটি উজ্জ্বল আদৰ্শ! এই ঘোষণাৰ অন্তৰালত সকলো আদৰ্শ যদি ভাৰত আৰু পাকিস্তানে আদৰি ল'বলৈ সক্ষম হয়, তেনেহ'লে একে পন্থাৰে বিশ্বৰ সকলো দেশৰ পৰা আত্মঘাতী সংঘৰ্ষ আঁতৰাব পৰা হ'ব আৰু তেনে কৰিব পাৰিলেহে সমগ্ৰ মানৱ জাতিয়ে একমুঠ হৈ ৰোগ, ক্ষুধা আৰু প্ৰকৃতিৰ দুৰ্যোগৰ বিপক্ষে জয়ী হ'বলৈ সক্ষম হ'ব। এনে এটি মহৎ সম্ভাৱনাৰ বীজাণু নিহিত থকা টাছখণ্ড ঘোষণাৰ প্ৰথম বাৰ্ষিকীৰ কথা সেয়ে আমি আজি সুঁৱৰিছো ; আৰু লগতে সেই ঐতিহাসিক চনদৰ অন্যতম স্ৰষ্টা অমৰ লালবাহাদুৰ শাস্ত্ৰীলৈ শ্ৰদ্ধা জনাইছো।

শুকুৰবাৰ, ১৩ জানুৱাৰী, ১৯৬৭ চন

# নগালেণ্ডৰ শান্তি

নগালেণ্ডত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে চৰকাৰে মুকলি মনেৰে আলোচনা চলাব বুলি নগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীটি এন আংগামিয়ে আত্মগোপনকাৰী দললৈ দিয়া আশ্বাসে তেওঁলোকৰ মনত কেনে ৰেখাপাত কৰে বুজিব নোৱাৰি কিন্তু চৰকাৰৰ ফালৰ পৰা যে নগা জনসাধাৰণৰ কল্যাণৰ বাবে আত্মগোপনকাৰী দলৰ ন্যায্য দাবী সম্পৰ্কে আলোচনা কৰাত আন্তৰিকতাৰ অভাৱ নাই তাকে পুনৰবাৰ স্পষ্ট কৰি দিয়া হৈছে।

নগাভূমিত যে স্থায়ী শান্তিৰ একান্ত প্ৰয়োজন হৈ পৰিছে সেই কথা আত্মগোপনকাৰী দলেও স্বীকাৰ কৰিব লাগিব। তেওঁলোকে এই অঞ্চলটোত দহ বছৰৰো অধিক কাল ধৰি অনিশ্চয়তাৰ সৃষ্টি কৰি আহিছে। সেই অনিশ্চয়তাই নগালেণ্ডৰ প্ৰগতিত বাধা জন্মাইছে। চৰকাৰীভাৱে উদাৰ হাতেৰে কৰা ব্যয়ৰ আশানুৰূপ ফল পোৱা বুলি দাবী কৰিব নোৱাৰাত পৰিছে। আত্মগোপনকাৰী দলে এতিয়া হয়তো উপলব্ধি কৰিব পাৰিছে যে বিদ্ৰোহৰ দ্বাৰা "সাৰ্বভৌম নগা ৰাজ্য" প্ৰতিষ্ঠা কৰা অসম্ভৱ। তেওঁলোকে আৰু উপলব্ধি কৰা উচিত যে সাৰ্বভৌমত্বৰ দাবীয়েই শেষ লক্ষ্য নহয়। নগা ৰাইজৰ বৰ্ণ ৰঞ্জিত জীৱনধাৰাৰ স্বকীয় পদ্ধতিৰে বিকাশ সাধনহে প্ৰকৃত লক্ষ্য হোৱা উচিত।

সেইবাবে, আত্মগোপনকাৰী দলে এই অনিশ্চয়তাৰ অৱসান ঘটাবলৈ আগবাঢ়ি অহা বাঞ্ছনীয়। আত্মগোপনকাৰী দলে বুজা উচিত যে আজিৰ বিশ্বত বিচ্ছিন্নতাৰ স্থান নাই, আজিৰ পৃথিৱীত বিশ্ব চৰকাৰৰ, বিশ্ব পৰিয়াল গঠনৰহে ধ্বনি উঠিছে। নগালেণ্ডৰ সাৰ্বভৌমত্ব দাবী কৰা দলটোৱে নিজৰ দাবীৰ অসাৰতা হৃদয়ংগম

কৰিব পাৰে, স্বাৰ্থজড়িত বিদেশী শক্তিৰ প্ৰভাৱত নপৰে আৰু প্ৰকৃততে নগা ৰাইজৰ কল্যাণ কামনা কৰে তেন্তে চৰকাৰৰ লগত এটা মীমাংসাত উপনীত হোৱাত কিবা বাধা উপস্থিত হ'ব বুলি আমি নেভাবোঁ।

চৰকাৰৰ পক্ষৰ পৰা যথেষ্ট ধৈৰ্য আৰু সহযোগিতা প্ৰদৰ্শন কৰা হৈছে। অস্ত্ৰ সম্বৰণৰ কাল বৃদ্ধি কৰি, সন্ত্ৰাসবাদী কাৰ্যকলাপলৈ আওকাণ কৰি পাঁচবাৰ আলোচনা চলোৱা হৈছে। সেয়ে আমি বাঞ্ছা কৰোঁ পৰৱৰ্তী আলোচনাই এটা কাৰ্যকৰী ৰূপ ল'ব।

নগালেণ্ড ৰাষ্ট্ৰীয়তাবাদী সংস্থাৰ গুৰুত্বপূৰ্ণ ডিমাপুৰ অধিৱেশনত সভাপতিত্ব কৰি মুখ্যমন্ত্ৰী শ্ৰীআংগামিয়ে নিৰীহ নগা ৰাইজে ভোগ কৰা অসুবিধাৰ বিষয়ে উপলব্ধি কৰিবলৈকো আত্মগোপনকাৰী দললৈ আহ্বান জনাইছে। নগালেণ্ডৰ এই ৰাজনৈতিক অনুষ্ঠানটোৱে ৰাজ্যত চৰকাৰ গঠন কৰিছে আৰু সেয়ে প্ৰমাণ কৰিছে যে এই সংস্থাৰ প্ৰতি নগা ৰাইজৰ ব্যাপক সমৰ্থন আছে। সংস্থাৰ অধিৱেশনৰ সভাপতিস্বৰূপে মুখ্যমন্ত্ৰীজনে দিয়া এই আহ্বানত সৰ্বসাধাৰণ নগা ৰাইজেও সহাঁৰি দিব বুলি আমি আশা কৰিছোঁ। ৰাইজৰ শান্তি প্ৰতিষ্ঠাৰ আগ্ৰহ দৃঢ়তাপূৰ্ণ হ'লে আত্মগোপনকাৰী দলেও তাকে মানি ল'বলৈ বাধ্য হ'ব বুলি আমি ভাবোঁ কাৰণ গাৰ বলেৰে কোনো দলেই জনতাৰ আশা-আকাংক্ষা চিৰদিনলৈ হেঁচা দি ৰাখিব নোৱাৰে।

এই পটভূমিত নগালেণ্ড ৰাষ্ট্ৰীয়তাবাদী সংস্থাই জনমত সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। নগালেণ্ডৰ শান্তি সমগ্ৰ ভাৰতৰ সীমান্ত নিৰাপত্তাৰ কাৰণে তাৎপৰ্যপূৰ্ণ আৰু সেইবাবেই আমিও এই অঞ্চলত সোনকালে শান্তি প্ৰতিষ্ঠা হোৱাটো কামনা কৰোঁ।

## মজুৰি বৃদ্ধি বন্ধৰ প্ৰশ্ন

বৃটেইনত অৰ্থনৈতিক সংকটৰপৰা সকাহ পাবলৈ মজুৰি বৃদ্ধি সাময়িকভাৱে বন্ধ কৰাৰ দৰে ব্যৱস্থা ভাৰততো গ্ৰহণ কৰিব পাৰি বুলি কোনো কোনো মহলে মত দিয়া দেখা গৈছে। আমাৰ দেশৰ অৰ্থনীতিত মুদ্ৰাস্ফীতিজনিত হেঁচা এটা পৰাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰ ফলত মূল্য স্থিৰীকৰণ কৰাত অসুবিধা ঘটিছে। উদ্যোগৰ ফালৰ পৰা বিশেষকৈ বেচৰকাৰী খণ্ডৰ পৰা সাধাৰণতে অভিযোগ কৰা হৈছে যে মজুৰি বৃদ্ধিৰ দাবী ক্ৰমাৎ বাঢ়িছে আৰু মজুৰি বৃদ্ধিৰে উৎপাদনৰ ব্যয় বঢ়াই তুলিছে।

কিন্তু বৃটেইনৰ দৰে মজুৰি বৃদ্ধি বন্ধ কৰাৰ সুযোগ আমাৰ দেশত আছে নে নাই তাক বিচাৰ কৰি চাব লাগিব। বৃটেইনৰ শ্ৰমজীৱী লোক আৰু ভাৰতৰ শ্ৰমজীৱীৰ আয়ৰ ব্যৱধান অতিপাত বেছি। সেইখন দেশত অবাধ গতিৰে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যও বৃদ্ধি পোৱা নাই। বৃটেইনৰ দৰে আমাৰ দেশৰ সকলো উদ্যোগতে শ্ৰমিকক নিম্নতম মজুৰি দিয়া হোৱা নাই। সেই কাৰণে বৃটেইনৰ আৰ্হি অনুসৰণ কৰিবলৈ পৰামৰ্শ দিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে। এই সম্পৰ্কত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ সচিব শ্ৰীপি মেথিউৱে এটা স্পষ্ট ঘোষণা দিয়াটো সন্তোষৰ কথা হৈছে। চৰকাৰে এনেবোৰ প্ৰশ্নত দ্বৈতাৰ্থক কথা নকৈ পোনপটীয়া মত প্ৰকাশ কৰিলে সংশ্লিষ্ট সকলো পক্ষৰ কাৰণে ভাল হয়।

এই প্ৰসংগত এটা কথা ক'ব লাগিব যে আমাৰ উদ্যোগত উৎপাদন অনুপাতে আয় আৰু মুৰি নিৰ্ধাৰিত হোৱা নাই। শ্ৰমিকৰ মজুৰি উৎপাদন ক্ষমতাৰ লগত সংগতি ৰাখি নিৰ্ধাৰণ কৰা উচিত। মজুৰি বৃদ্ধি কৰিলে তাৰ বাবে শ্ৰমিকৰ পৰা কাম আদায় কৰাত আপত্তি নুঠে। কিন্তু উৎপাদন ক্ষমতা অনুসৰি উৎপাদনৰ ব্যৱস্থা নকৰি

মজুৰি বৃদ্ধি বন্ধ কৰিবলৈ গ'লে "প্ৰকৃত মজুৰি"ৰ পৰাও শ্ৰমিকক বঞ্চিত কৰাহে হ'ব। চৰকাৰে এই বিষয়টোৰ প্ৰতিও লক্ষ্য ৰখা উচিত।

শনিবাৰ, ১৪ জানুৱাৰী, ১৯৬৭ চন

## মাঘবিহু জানো ভোগালী ?

মাঘবিহু আকৌ আহিছে। অভাৱ-অনাটনৰ মাজত এইবেলি মাঘবিহুক ভোগালী বুলি ক'বলৈ সংকোচবোধ হোৱাটো স্বাভাৱিক। অতীত কালত বিত্তশালী অথচ বৰ্তমানে সৰ্বহাৰা এজনক "মহাজন" বোলাৰ দৰে আজিৰ যুগৰ মাঘবিহুক ভোগালী বুলি ক'লে উপলুঙা কৰা যেনহে লাগে। তথাপি ঐতিহ্যৰ পম খেদি নোহোৱাৰ দিনৰ এমুঠিকে যেয়ে পাৰে পা-পৰিয়ালৰ লগত মিলিজুলি খাইছে ; অ'ত ত'ত মেজিৰ জুইৰ পোহৰত ল'ৰা-বুঢ়াৰ সৰল মুখত হাঁহিৰ পোহৰ দেখা গৈছে ; খেতিয়ক ৰাইজে দুই-চাৰি দিনলৈ হ'লেও হাড়ভঙা শ্ৰমৰ ফল সমুখত লৈ গৌৰৱবোধ কৰিছে। আনহাতে, অভাৱ-অনাটন আৰু জীয়াই থকাৰ সংগ্ৰামত বিৰুদ্ধ শক্তিৰ প্ৰাবল্যই যদি সদৌ ৰাইজক মাৰ বান্ধি থিয় দিবলৈ অনুপ্ৰেৰণা যোগায়— তেন্তে ভালেই। আৰু যদি তাকে নকৰি, অভাৱৰ মাজত বহুতক অধিক অভাৱগ্ৰস্ত কৰি এমুঠিয়ে আনন্দৰ কিৰীলি পাৰিব খোজে ; তেনেহ'লে দেশজুৰি অভাৱ-অনাটনে বেছি গা কৰি উঠিব আৰু শেষলৈ এইসকল নিষ্পেষিতৰ অন্তৰাত্মাৰ হাহাকাৰে মেজিৰ জুইৰ দৰে জ্বলি নিজৰ লগতে সকলোকে পুৰি ছাই কৰি পেলাবও পাৰে। সেয়ে মেজিৰ জুইৰ যোগেদি প্ৰকৃতিৰ শক্তিলৈ অৰিহণা আগবঢ়োৱাৰ লগতে, আমি যেন আমাৰ মানৰ সমাজৰ অন্ধবিশ্বাস, স্বাৰ্থপৰতা, হিংসা-দ্বেষ, পাৰস্পৰিক অসুয়া আদিকো অগ্নিত আহুতি দিব পাৰো সেই কথালৈহে মন কৰিব লাগিব।

অসমৰ সংস্কৃতিৰ পুৰণি বৰঘৰটোৰ এলান্ধু মকৰাজাল আঁতৰাই, মচি-কাছি, আৱশ্যক অনুসৰি বাহিৰৰ পোহৰ-বতাহ সোমাব পৰা কৰি দুৱাৰ মোকলাই দিব লাগিব ; অথচ চাব লাগিব যাতে সেই মুকলি দুৱাৰেৰে ধুমুহাৰ ছাটি আহি মূল ভেটিৰ অক্ষয়-বন্তি গছা নুমুৱাই পেলাব নোৱাৰে। হাবি-বননি, গাঁও-ভূই, সত্ৰ-নামঘৰৰ আঁৰৰ পৰা উলিয়াই আমাৰ সাতামপুৰুষীয়া সংস্কৃতিৰ জপা মেলি, সেইবোৰৰ চৰ্চা-সাধনা কৰা আৰু সময়ৰ লগত খাপ খুৱাই বিশ্বৰ সন্মুখত দাঙি ধৰাৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিব লাগিব সাহসী এচাম সংস্কৃতিৰ পূজাৰীয়ে। একো নকৰি, অকল ঐতিহ্যৰ দোহাই দি থাকিলে অতীতৰ সম্পদৰাজি এদিন বুৰঞ্জী আৰু যাদুঘৰৰ সমলহে হ'বগৈ ; আৰু সেয়ে হ'লে তাৰ বাবে আজিৰ যুগে উত্তৰ-পুৰুষৰ গঞ্জনা মূৰ পাতি ল'ব লাগিব। এই উদ্দেশ্যে অসমৰ সংস্কৃতিৰ পূজাৰী সকলে হীনমনা ভাব, পাৰস্পৰিক হিংসা আৰু লগতে দুই-একৰ মাজত দেখা দিয়া অৰ্থহীন অহমিকা ভাব আঁতৰাই একেযোগে নিস্বাৰ্থভাৱে ত্যাগৰ আদৰ্শেৰে কাম কৰিব লাগিব। তাকে নকৰিলে, যিমান কৃতী বা প্ৰতিভাবান সংস্কৃতি সাধকেই নহওক কিয়, তেওঁলোকৰ স্বাৰ্থপৰতা আৰু হীনতাক ভাবীকালে কেতিয়াও ক্ষমা নকৰে।

আমাৰ বাপতিসাহোন তিনিটা বিহুৰ মাজত নিহিত থকা সমূহীয়া জীৱনাদৰ্শই পৰোক্ষভাৱে আমাক এই কথাকে সোঁৱৰাই যে অসমীয়া ৰাইজে অতীজৰ পৰাই মাৰবান্ধি শইচৰ শত্ৰ শনাহী জাকক পুৰি মাৰিবলৈ কঙালী বিহুত একেলগে শ্ৰম কৰে;— পথাৰৰ লখিমী চপাই ভোগালী বিহুৰ দিনত "এটি তিলকে সাত ভায়েকে ভাগ"

কৰাৰ দৰে হ'লেও একেলগে ভাগ কৰি খায় ;— ব'হাগৰ বিহুত সৃষ্টিৰ বাবে একেলগে মিলনৰ সুৰ তোলে নৃত্য-গীতৰ ছন্দত ; আৰু বছৰি অহা বান-বাৰিষা-খহনীয়া আদিৰ বিৰুদ্ধে একেলগে যুঁজ দিবলৈ সদায় সক্ষম থাকে। এই সমূহীয়াভাৱে কষ্ট বৰণ কৰা, আনন্দ কৰা আৰু ভোগ কৰা— ইয়াৰ মাজতে অসমৰ পৰ্বত-ভৈয়ামৰ বিভিন্ন জাতি-উপজাতিৰ ভিতৰতে থকা সাতামপুৰুষীয়া ঐক্যৰ এনাজৰীৰ উমান আজিকোপতি পোৱা যায়। আজি আমি যিকণ পাইছো, যিখিনি গোটাইছো,— তাকে এধানমানো অপচয় নকৰি ভগাই খাই আনন্দ কৰিবলৈ সংকল্প ল'ব লাগিব— মাঘবিহুৰ পবিত্ৰ মেজিৰ জুইৰ সমুখত। তেতিয়াহ'লেহে ভোগৰ অভাৱ হ'লেও, মনৰ তৃপ্তিৰ বাবে আজিৰ যুগৰ মাঘবিহুকো ভোগালী বোলাত কোনো সংকোচৰ কাৰণ নেথাকিব।

<u>সোমবাৰ, ১৫ জানুৱাৰী, ১৯৬৭ চন</u>

# আঞ্চলিক ফেডাৰেচন

আকৌ আমাৰ সন্মুখত এটা দুৰ্যোগ উপস্থিত হ'লহি। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সুকীয়া ৰাজ্যৰ দাবীৰ সন্দৰ্ভত চলা আলোচনাৰ মূৰত কেন্দ্ৰীয় চৰকাৰে তোষণ নীতিকে শেষ অৱলম্বন হিচাপে ল'লে। জাকজমক আৰু অভিনৰ সাজত সজাবলৈ গ'লেও কেন্দ্ৰীয় চৰকাৰে প্ৰকৃততে যি শেহতীয়া প্ৰস্তাৱ দাঙি ধৰিলে— সেই প্ৰস্তাৱত পাৰ্বত্য অঞ্চলসমূহ সন্তুষ্ট হোৱাৰ অৱকাশ থাকিলেও অৱশিষ্ট অসমে সন্তোষ পোৱাৰ কোনো কাৰণ ইয়াত নাই— বৰং ক্ষুব্ধ হোৱাৰ কাৰণহে আছে। চৰকাৰী ঘোষণা মতে ফেডাৰেল গাঁথনি এটাৰ অধীনত সমান মৰ্যাদা সম্পন্ন দুখন ৰাজ্য থাকিব— এখন পাৰ্বত্য জিলাকেইখনক লৈ গঠিত ৰাজ্য আৰু আনখন অসমৰ অৱশিষ্ট জিলাকেইখনক লৈ গঠিত ৰাজ্য। এই ফেডাৰেটিং গোট দুটাৰ নিজস্ব বিধানসভা আৰু মন্ত্ৰী পৰিষদ আদি থাকিব। কেতবোৰ 'উমৈহতীয়া স্বাৰ্থ জড়িত বিষয়' এই আঞ্চলিক ফেডাৰেচনৰ হাতত থাকিব— বাকীবোৰ ৰাজ্য দুখনৰ নিজৰ নিজৰ দায়িত্বত থাকিব। আঞ্চলিক ফেডাৰেচনৰ অধীনত থাকিবলগীয়া বিষয়বোৰ প্ৰতিনিধি স্থানীয় কমিটী এখনে ৬ মাহৰ ভিতৰত নিৰূপণ কৰিব।

ভৌগোলিক কাৰণ, নিৰাপত্তাৰ স্বাৰ্থ আৰু সমন্বয়পূৰ্ণ উন্নয়নৰ স্বাৰ্থতে কেন্দ্ৰীয় চৰকাৰে এই ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ আগবঢ়াইছে বুলি কোৱা হৈছে। পিচে এই যুক্তি অকল অসমৰ কাৰণে মকৰধ্বজ স্বৰূপে ব্যৱহাৰ কৰাৰ কাৰণ কি? দেশৰ গুৰুত্বপূৰ্ণ পশ্চিম সীমান্তত চণ্ডীগড়, পঞ্জাৱ, হাৰিয়ানা আৰু হিমাচল প্ৰদেশক লৈ চৰম দুৰ্বল নীতিৰ পোহাৰ মেলিবৰ বেলিকা সেইবোৰ স্বাৰ্থলৈ মনত নপৰে কিয়? অসমৰ ক্ষেত্ৰত আগবঢ়োৱা এই প্ৰস্তাৱে ভৱিষ্যতে সুকীয়া ৰাজ্যৰ দাবীৰ সন্দৰ্ভত চৰকাৰে ল'বলগীয়া নীতিৰ বিষয়ত এটা পৰম্পৰা ৰচনা কৰিছে নেকি বুলি প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীক ইতিমধ্যে সাংবাদিকে প্ৰশ্ন কৰিছিল। তাৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে এই ব্যৱস্থাই কোনো পৰম্পৰা সৃষ্টি কৰা নাই বুলিহে ব্যাখ্যা কৰে। অৰ্থাৎ অকল অসমেই ভৌগোলিক স্বাৰ্থ, নিৰাপত্তাৰ স্বাৰ্থ আৰু সমন্বয়পূৰ্ণ উন্নয়নৰ স্বাৰ্থত নিজক বলিৰ ছাগলীৰ দৰে আগবঢ়াই দিব লাগিব! ইতিমধ্যে পাৰ্বত্য নেতাসকলৰ সন্তুষ্টিৰ বাবে 'ৰাজ্যৰ ভিতৰত ৰাজ্য' পতাৰ প্ৰস্তাৱ আৰু অসম বিধানসভাৰ অধিকাৰ খৰ্ব কৰা, সংসদী গণতান্ত্ৰিক ব্যৱস্থাৰ সীমা সংকুচিত কৰাৰ প্ৰস্তাৱ উঠিছিল। এইভাৱে কেন্দ্ৰীয় চৰকাৰ আৰু এখোজ আগবাঢ়ি গ'ল। আঞ্চলিক ফেডাৰেচন গঠন কৰাটো ভাৰতৰ কাৰণে অভিনৱ প্ৰস্তাৱ। এই প্ৰস্তাৱে ভাৰতীয় ইউনিয়নত ৰাজ্য এখনৰ বাবে নিৰূপিত হোৱা স্থানৰ পৰা অসমক নমাই আনিব— অসম এতিয়া দ্বিতীয় শ্ৰেণীৰ

ৰাজ্যত পৰিণত হ'ব। সংবিধান মতে কেন্দ্ৰীয় তালিকা, উমৈহতীয়া তালিকা আৰু ৰাজ্যিক তালিকাত নিৰূপিত হোৱা ব্যৱস্থাৰ অনুশাসনৰ ওপৰত এতিয়া আৰু এটা অনুশাসন ওলাব। এতিয়া ওপৰঞ্চিভাৱে আঞ্চলিক ৰেডাৰেচনৰ তালিকা এখন থাকিব আৰু সেই তালিকাই ৰাজ্যিক তালিকাৰ সীমা আৰু সংকুচিত কৰিব।

আঞ্চলিক ফেডাৰেচনৰ ব্যৱস্থাই কাম দিয়ে নে নিদিয়ে, সেইটো এতিয়া আমাৰ মূল প্ৰশ্ন নহয়। সম্প্ৰতি চৰকাৰে কৰা ঘোষণাই জানিবলগীয়া সকলো খবৰ দিয়া নাই। ৰাজধানীৰ প্ৰশ্নটোও আমাক খাটাংভাৱে জনাব লাগিব। আঞ্চলিক ফেডাৰেচনৰ দোহাই দি শ্বিলঙত ৰাজধানী ৰখাৰ থ'লো নাই। মিকিৰ পাহাৰৰ নিচিনা অঞ্চলৰ প্ৰবল জনমতক সম্পূৰ্ণৰূপে উপেক্ষা কৰা ব্যৱস্থাও আমাৰ সমৰ্থনযোগ্য নহয়। আনহাতে কাছাৰ জিলাৰ ত্ৰিশংকুৰ লেখীয়া অৱস্থাটোৰ বিষয়েও চৰকাৰী ঘোষণা নিমাতে থাকিল। তাতোকৈ ডাঙৰ কথা— অসমৰ জনমতক সম্পূৰ্ণভাৱে উপেক্ষা কৰি এই ফেডাৰেচনৰ প্ৰস্তাৱ দিয়া হৈছে। চৰকাৰে যদি পাৰ্বত্য নেতা সন্মিলনৰ প্ৰত্যক্ষ সংগ্ৰামলৈ ভয় কৰিছেই তেন্তে আওপাকে গৈ সুকীয়া ৰাজ্য দান কৰি অসমক দ্বিতীয় শ্ৰেণীৰ ৰাজ্যলৈ ৰূপান্তৰিত কৰিবলৈ দিহা কৰিলে কিয়? অসমৰ জনমতৰ দাম নাই বুলিয়েই নেকি?

## উৰুকাৰ ক্ষতি

"উজাগৰ গাৰু তিওৱাৰ" দৰে "উজাগৰ জুই পুওৱা" হ'বনে বাৰু? উৰুকাৰ ৰাতি বহুতৰে সেয়ে হ'ল। পিচদিনা ভোগালীৰ ভোগেও কিজানি প্ৰজ্বলিত অগ্নিত জাহ যোৱা টাটি চকোৱা, চকী-মেজ, আটকীয়া খৰিৰ দুখ পাহৰাব পৰা নাই। চকু উখহোৱা গিৰিহঁতক আমি মাত্ৰ এটা বুলি সান্ত্বনা দিব পাৰো যে মেজি-ভেলা-পুঁজিৰ ভোজত অলপ অনিয়মৰ আনন্দ কৰাটো আমাৰ কৃষিজীৱী জনসাধাৰণৰ এটা পুৰণি ঐতিহ্য। গাঁৱৰ ডেকা ল'ৰাহঁতে ঘৰে ঘৰে বৰগুণি তোলাৰ উপৰি বাৰীৰ শাক-পাচলিও চুৰ কৰি আনি খোৱাটো পুৰুষ পৰম্পৰাই চলি আহিছে। তথাপি মাঘ বিহুৰ আগে আগে দুই-এক সজাগ নাগৰিকে সম্পাদকলৈ চিঠি লিখি সম্ভাব্য উৎপাতৰ প্ৰতি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে। কৰ্তৃপক্ষয়ো বিশেষভাৱে পুলিচ পহৰাৰ ব্যৱস্থা কৰে। তথাপি আমাৰ চেমনীয়াহঁতে অনিষ্ট সাধন কৰে। সজাগ নাগৰিকে হয়তো ক্ষোভ কৰিব যে এইবোৰ পুলিচৰ সমুখতে হয়। কিন্তু আন্ধাৰে-মুন্ধাৰে বিহুৰ ৰং-তামাচাই হৈছে নে আন কিবাই হৈছে সেইটো পুলিচে ধৰিব নেৱাৰাটোও কাৰণ হ'ব পাৰে!

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে ঐতিহ্যই ভাৰসাম্য হেৰুৱাই পেলাইছে। ভোগালী বিহুৰ লগত পাতি অহা ম'হযুঁজ, হাউগুদু, ঢোপখেল আদি স্বাস্থ্যকৰ অনুষ্ঠানৰ ঠাই লৈছে ধ্বংসাত্মক চৌৰ্য্য আৰু মাইকৰ সস্তীয়া ফিল্মী গানে। কিন্তু অকল আমাৰ চেমনীয়া বা ডেকাহঁতকে দোষ দিনো কি লাভ? আন আন ঠাইৰ ল'ৰাহঁতৰ পৰা আৰম্ভ কৰি ডাঙৰলৈকে সকলোৱে আন্দোলনৰ নামত দফে-বিদফে ট্ৰাক-বাছ জ্বলাই দিন দুপৰতে উৰুকা কৰিবই লাগিছে। আপুনি দিল্লীৰ পৰা কলিকতালৈকে পাটনাইদি মনৰ চকুৰ চকুৰে চাই আহক— একেই দৃশ্য। আনকি চৰকাৰো বহি থকা নাই। ল'ৰাহঁতে সীমাৰ চকোৱা তুলি নিয়াৰ দৰে দিল্লীৰ ভাগ্যনিয়ন্তাসকলে ইখনৰ পিছত সিখন ৰাজ্যৰ সীমা ভাঙি তহিলং কৰিছে। এই উৰুকাৰ দিনাই তেওঁলোকে অসমকো ভাগ ভাগ কৰি আমাক "বিহুৰ উপহাৰ" দিলে। আমাৰ ৰাজনৈতিক ঘৰখনত এইবাৰৰ বিহুত এইটোৱেই কিজানি আটাইতকৈ ডাঙৰ ক্ষতি হ'ল।

মঙ্গলবাৰ, ১৬ জানুৱাৰী, ১৯৬৭ চন

# সাজু হ'বৰে হ'ল

কালিৰ সম্পাদকীয় স্তম্ভত প্ৰস্তাৱিত আঞ্চলিক ফেডাৰেচন কাৰ্যকৰী হ'লে অসমৰ মৰ্যাদা আৰু স্বাৰ্থ কেনেদৰে ক্ষুণ্ণ হ'ব সেই বিষয়ে আভাষ দিয়া হৈছিল। একে বিষয়ে আকৌ আজি আলোচনা কৰিবলৈ ওলাইছো এই কাৰণেই যে, এই প্ৰস্তাৱৰ ফলত ৰাজ্য হিচাপে অসমৰ মৰ্যাদা দ্বিতীয় শ্ৰেণীলৈ অধঃপতিত হোৱাৰ উপৰি থলুৱা ভৈয়ামবাসীৰ ভাষা, ঐতিহ্য, সংহতি বিবিধ প্ৰকাৰে বিপদগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। সদৌ অসমৰ ৰাইজৰ বাবে এনে এটি বিপজ্জনক ভৱিষ্যতৰ সম্ভাৱনা থকা প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰে দিয়া স্বীকৃতিৰ বিষয়ে ফহিয়াই চাবলৈ দ্বিধাবোধ কৰাৰ কাৰণ আমি নেদেখোঁ। এইখিনিতে আঞ্চলিক ফেডাৰেচনৰ মূল নীতি মানি লোৱা-নোলোৱাৰ প্ৰশ্ন প্ৰথমেই উঠে। মূল নীতি মানি ল'লে, বিশদ ব্যাখ্যাৰ মাজত অকল থাকিব— কি কি বিষয় ফেডাৰেচনৰ তলতীয়া হ'ব, দুটা গোটৰ বাবে একেজন ৰাজ্যপাল বা একেটা হাইকোৰ্ট হ'ব নেকি, ইত্যাদিহে। অথচ পৰ্বত অঞ্চলৰ সকলো জনজাতিয়ে এনে ব্যৱস্থা যে মানি নল'ব পাৰে, সেই কথা নিৰ্ধাৰণ কৰিবলৈ— গোৱা, দমন, দিউৰ দৰে জনমত গ্ৰহণ কৰাৰ কথাও তেতিয়া নুঠিব। আঞ্চলিক ফেডাৰেচনৰ মূল নীতি মানি লোৱাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ ব্যক্তিগত মন্তব্যও আমি পোৱা নাই। আনহাতে সাধাৰণ নিৰ্বাচনত ব্যস্ত বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভা এতিয়া পতা নহ'ব বুলি সভাপতি শ্ৰীশৰৎ চন্দ্ৰ সিংহই কৈছে। এনে এটি জৰুৰী আৰু ৰাজ্যৰ স্বাৰ্থৰ লগত নিবিড়ভাৱে জড়িত বিষয়ৰ কথালৈ চাই কিন্তু প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ বৈঠক নহ'লেও কাৰ্যনিৰ্বাহকৰ সভা এখন ততালিকে আহ্বান কৰা উচিত বুলি আমি ভাবো। দলীয় অনুশাসনৰ কথা উলিয়ালে এনে সভা আহ্বান কৰাৰ প্ৰশ্নই নুঠে ; কিন্তু থলুৱা স্বাৰ্থৰ হকে যেতিয়া এই মীমাংসাৰ বিষয়ে প্ৰদেশ কংগ্ৰেছ কমিটীয়ে বিবেচনা কৰাৰ কথা ভাবিছেই,— তেন্তে তাকে ততালিকে কৰাহে উচিত। সাধাৰণ নিৰ্বাচনৰ আগতে সমূহ ৰাইজে জনা উচিত যে তেওঁলোকৰ প্ৰতিনিধিয়ে অসমৰ ভৱিষ্যৎ সম্পৰ্কে কি মত পোষণ কৰে। অকল প্ৰদেশ কংগ্ৰেছেই নহয়, আন দলবোৰেও আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও এই বিষয়ে স্পষ্ট মত ৰাইজৰ আগত দাঙি ধৰা উচিত হ'ব। তেতিয়াহে গণতান্ত্ৰিক দেশৰ এটা অঞ্চলৰ নাগৰিকসকলক ন্যায্য মৰ্যাদা দিয়া হ'ব আৰু সমূহ ৰাইজে এই বিষয়ে কি মত দিয়ে সেয়া জানিব পৰা হ'ব। অকল নিৰ্বাচনত জয়লাভ কৰাই জানো ব্যক্তি বা দলৰ উদ্দেশ্য ভোটদাতা জনসাধাৰণক দেশৰ সমস্যা সম্পৰ্কে সজাগ কৰা আৰু তেওঁলোকৰ সমৰ্থন লাভ কৰিবলৈ চেষ্টা কৰাটো জানো উচিত নহয়?

এই প্ৰশ্নটো অসমৰ থলুৱা লোকসকলৰ স্বাৰ্থৰ পিনৰ পৰা অতিশয় আৱশ্যকীয় আৰু তৎপৰতাৰে ইয়াৰ সন্মুখীন হ'ব নোৱাৰিলে সাধাৰণ নিৰ্বাচনৰ পিচত মাত্ৰ তিনি-চাৰি মাহৰ ভিতৰতে দলবিলাকে সভা পাতি সিদ্ধান্ত গ্ৰহণ কৰি, বিশেষ একো কৰিব নোৱাৰিব। ইতিমধ্যে ন্যস্ত স্বাৰ্থৰ আৰু অসমৰ থলুৱা স্বাৰ্থৰ পৰিপন্থী দুই-এক মহলে (বাতৰি কাকতকে ধৰি) দুই-এটা কথা উলিয়াইছেই ;— যেনে ফেডাৰেচন হ'লেও ভৈয়াম অঞ্চলৰ ৰাজধানী শ্বিলঙৰ পৰা আঁতৰাব নেলাগে ইত্যাদি। আমি ভাবো ৰাজ্যৰ দলসমূহৰ মাজত ব্যক্তিগত নেতৃত্বৰ লোভ আদিৰ বাবে বিভেদ সৃষ্টি হোৱাতকৈ, ৰাইজৰ এনে বৃহত্তৰ স্বাৰ্থৰ ক্ষেত্ৰতহে দৃঢ়তা দেখুওৱাটো বিশেষ জৰুৰী কথা।

যি কি নহওক, অসমৰ ৰাইজ সাৱধান হ'বৰ হৈছে। নিৰ্বাচনত আমি যাক প্ৰতিনিধি বাছি দিওঁ, তেওঁক আমি আমাৰ মত জনাব লাগিব আৰু তেওঁৰ পৰাও আমি জানিব লাগিব— (ক) প্ৰস্তাৱিত ফেডাৰেচন সম্পৰ্কত কি মত? (খ) যদি প্ৰস্তাৱিত ফেডাৰেচনৰ মূল নীতিৰ তেওঁ বিৰোধী তেন্তে নিৰ্বাচিত হোৱাৰ পিচত তেওঁ বা তেওঁৰ দলে কি কৰিব? (গ) যদি ফেডাৰেচন হোৱাত তেওঁ সন্মতি দিয়ে তেন্তে ভৈয়াম অঞ্চলৰ ৰাজধানী শ্বিলঙৰ পৰা ভৈয়ামলৈ নমাই অনাৰ বাবে তেওঁ আৰু তেওঁৰ দলে কি কৰিব? (ঘ) ভৈয়াম অঞ্চলৰ ভাষা আৰু সংস্কৃতি ; পৰ্বত অঞ্চলৰ যিবোৰ ঠাইত ৰাজ্যিক ভাষা এতিয়া চলি আছে তাত শাসন ব্যৱস্থাত ব্যৱহৃত ভাষা ; পৰ্বত অঞ্চলত অসমীয়া ভাষা-সংস্কৃতি আৰু ভৈয়াম অঞ্চলত জনজাতীয় ভাষা সংস্কৃতিৰ প্ৰচাৰ আৰু সংহতি ; আদি বিষয়ে তেওঁৰ বা দলৰ কি বক্তব্য ইত্যাদি। আনহাতে অসম সাহিত্য সভা আৰু অসমৰ জনসাধাৰণে সভা-সমিতি পাতি নিজৰ আৰু অনুষ্ঠানৰ মত আগতীয়াকৈ দাঙি ধৰিব লাগিব। বৰ্তমানে এনে দেখা গৈছে যে প্ৰাপ্য হ'লেও নিবিচাৰিলে হেৰাবৰ সম্ভাৱনা আৰু দুষ্প্ৰাপ্য হ'লেও বিচাৰি আন্দোলন কৰিলে পোৱাৰ সম্ভাৱনা। আমি আমাৰ ৰাইজে অগণতান্ত্ৰিক পদ্ধতি ল'বলৈ নিবিচাৰো সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে আমি আমাৰ প্ৰকৃত জনমত দাঙি ধৰিবে খাজো আৰু সেই জনমত উপেক্ষিত নহ'বলৈ সকলো প্ৰকাৰে চেষ্টা চলাব খোজো।

সাধাৰণ নিৰ্বাচনৰ পিচতকৈআগতহে অসমৰ ৰাইজৰ মত এই বিষয়ে স্পষ্টভাৱে ব্যক্ত হোৱাটো উচিত। সময় মতে গতিশীল হোৱা বাবেহে এবাৰ আমি মাৰাত্মক গ্ৰুপিঙৰ প্ৰস্তাৱৰ হাত সাৰিব পাৰিছিলো— মহাত্মা গান্ধীৰ উপদেশত। গান্ধীজীৰ সিদিনাৰ কথাষাৰি মনত পেলাবৰ সময় আহিছে। বলেৰে পৃথিৱীৰ কোনো শক্তিয়ে তোমালোকক অবাঞ্চিত এটা প্ৰস্তাৱ মানি লোৱাব নোৱাৰে,— তেওঁ কৈছিল। কেন্দ্ৰৰ অৱহেলিত হৈ আকৌ '৬২ চনত আমি বলি হ'ব ধৰিছিলো, সেই কথাও মনত পেলাব লাগিব। আজি আকৌ যাতে কেন্দ্ৰৰ ঔদাসীন্য বা আমাৰ নেতৃত্বৰ বিফলতাত অসমৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন হোৱাত হাত সাৰটি থাকি পৰোক্ষভাৱে আমি ইন্ধন নোযোগাওঁ, তাৰ বাবে ৰাইজ সজাগ হ'ব লাগিব। সাজু হ'বৰে হ'ল— আজি জ্যোতিপ্ৰসাদৰ মৃত্যু বাৰ্ষিকীৰ দিনা সেইজনা স্বৰ্গগত দেশপ্ৰেমিকৰ এটি দেশপ্ৰেমমূলক গীতৰ এই কথাষাৰিয়েই সেয়েহে বেছিকৈ মনত পৰিছে।

<u>বুধবাৰ, ১৭ জানুৱাৰী, ১৯৬৭ চন</u>

# প্ৰতিক্ৰিয়া

অসমৰ পাৰ্বত্য নেতৃবৰ্গৰ দাবীৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱৰ প্ৰতিক্ৰিয়া হোৱাৰ বাতৰি এটা সম্প্ৰতি উত্তৰ প্ৰদেশৰ পৰা আহিছে। উত্তৰ প্ৰদেশৰ টেহৰী গাড়ৱাল অঞ্চলত হেনো এতিয়া এটা আন্দোলনে গঢ় লৈছে। অসমৰ পাৰ্বত্য নেতৃবৰ্গই তেওঁলোকৰ দাবীৰ ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰা দেখি এতিয়া উত্তৰ প্ৰদেশৰ পাৰ্বত্য জিলাকেইখনৰ বাবে সুকীয়া পাৰ্বত্য ৰাজ্য এখন পতাৰ ধ্বনি তুলি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ যো-জা চলিছে। এনে প্ৰতিক্ৰিয়া হ'ব বুলি আমি সন্দেহ নকৰাকৈ থকা নাছিলো। ভাঙোনমুখী শক্তিক চৰকাৰৰ কাৰ্যাৱলীয়েই প্ৰেৰণা যোগাই আহিছে। আমি মনত ৰখা উচিত যে জনজাতীয় লোকসকল অসমতে নাই— মধ্যপ্ৰদেশ, বিহাৰ প্ৰমুখ্যে বিভিন্ন ৰাজ্যত জনজাতীয় লোক আছে। সেইবোৰ ৰাজ্যত অসমত

উঠা ধৰণৰ ধ্বনি নুঠাৰ কাৰণ হ'ল— তাৰ অনুকুল পৰিৱেশ এটা গঢ়ি তোলাৰ সুৰুক্ষা সেইবোৰ ৰাজ্যত নাই। এতিয়া কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱে হয়তো সেই অঞ্চলৰো এই 'অভাৱ' পূৰণ কৰিব!

একেটা ভুলকে কৰি অহাৰ বিষময় ফল ভোগ কৰিও তাৰ পৰা শিক্ষা লাভ কৰিব নোৱাৰাটো অতি দুখৰ কথা। অসমৰ পাৰ্বত্য অঞ্চলত ব্ৰিটিছৰ দিনৰ পৰা চলি অহা ক্ৰিয়াকলাপৰ প্ৰতি চৰকাৰে স্বাধীনতাৰ পৰৱৰ্তী কালত কাণ নকৰিলে। আনকি তেনেবোৰ ক্ৰিয়াকলাপৰ উৎস ক'ত, তালৈ আঙুলিয়াই দিয়া সত্ত্বেও চৰকাৰে দৃঢ় নীতি এটা অৱলম্বন নকৰিলে। অথচ দোষৰ সকলো বোজা জাপি দিয়া হ'ল— অসমীয়া ৰাইজ, অসমীয়া ভাষা আৰু অসম চৰকাৰৰ ওপৰত। তাকে কৰিয়েই সকলোৱে পৰিতৃপ্তি লাভ কৰিলে আৰু সেই পৰিতৃপ্তিৰ ভেটিতে জন্ম ল'লে নতুন নতুন আঁচনিয়ে। সুকীয়া নগালেণ্ড ৰাজ্য গঠিত হ'ল। কিন্তু তাৰ পৰা চৰকাৰে ইচ্ছা কৰা ধৰণে ফল পোৱা নহ'ল। তেতিয়া বিদ্ৰোহী নগাৰ সৈতে আলোচনা চলাই যি নীতি অনুসৰণ কৰা হ'ল, তাৰ ফলত নগালেণ্ডত শাসনত অধিষ্ঠিত থকা আৰু ভাৰতৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা দলৰ প্ৰতিচ্ছবিখনহে নিস্তেজ কৰি তোলা হ'ল। এই ওলোটা গতি কিমানদূৰ পাইছেগৈ তাৰ এটা আভাস আমি ইতিমধ্যে পাইছো। নগালেণ্ডৰ যিটো দলৰ ওপৰত আমি ভাৰষা ৰাখি চলিছো সেই দললৈ দায়িত্বপূৰ্ণ পদ লৈ অনুক্ৰমে এনে লোক আহিবলৈ লৈছে— যিসকল আগতে বিদ্ৰোহী নগা নেতা ফিজোৰ দলতহে আছিল।

দ্বিধাগ্ৰস্ত নীতিৰ কুফল মিজো জিলাতো প্ৰতিফলিত হ'ল। এইবাৰ অৱশ্যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পদাংক অনুসৰণ কৰিলে। মিজো ইউনিয়নৰ নিচিনা দলৰ ঠাইত মিজো নেচনেল ফ্ৰণ্টৰ প্ৰতি অনুকম্পা দেখুৱাবলৈ লোৱা হ'ল। তাৰ ফলতেই মূৰকত কি কলংক আমি মূৰ পাতি ল'বলগীয়া হ'ল— তাৰ বৰ্ণনা আজি নতুনকৈ দিয়াৰ প্ৰয়োজন নাই। এতিয়া কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা শেহতীয়া প্ৰস্তাৱেও অসমৰ পূৰ্বৰ সেই পৰিৱেশৰে পৰিপুষ্টি সাধন কৰিব। ইতিমধ্যে নতুন নতুন ধ্বনি উঠিছে। কাছাৰক লৈ সুকীয়া প্ৰশাসনীয় গোট গঠন কৰাৰ প্ৰস্তাৱ উঠিছেই। সেই তৎপৰতা আৰু লগতে অন্যান্য অঞ্চলৰ উদ্যমে বিভিন্ন স্বাৰ্থৰ তাড়নাত কিছুমান মহলৰ পৰা নিশ্চয় সমৰ্থনো পাব। এই প্ৰসংগত আমি কেতবোৰ বাতৰি কাকতৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰো। দাৰ্জিলিঙৰ পাৰ্বত্য অঞ্চলৰ দাবী উঠোতে, সেই অঞ্চলৰ ৰাইজৰ তৰফৰ পৰা সিদিনা প্ৰধানমন্ত্ৰীৰ হাতত স্মাৰক পত্ৰ দিওঁতে যিবোৰ কাকতে মূল বিষয়টোৰ পৰা ফালৰি কাটি যোৱাৰ মনোভাব দেখুৱাইছিল, সেইবোৰ কাকতেই এতিয়া অসমৰ এই অঞ্চলৰ সম্পৰ্কত উপদেশৰ প্লাৱন বোৱাই দিছে।

এতিয়া কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱে কাৰ্যক্ষেত্ৰত কি গঢ় লয়গৈ ক'ব নোৱাৰি। অৱশ্যে এই প্ৰসংগত নেফা সম্পৰ্কে আমি আগতীয়াকৈ এটা মন্তব্য এতিয়াই কৰি থ'ব পাৰো। নেফাৰ ভৱিষ্যতৰ সম্পৰ্কত স্বৰ্গীয় নেহৰুৱে কি আশ্বাস দি থৈছিল আমাৰ মনত আছে। সেই আশ্বাসৰ বাটত যে ডাঙৰ হেঙাৰ পোতা হ'ল, সেই কথাও আমি পৰৱৰ্তী বিভিন্ন ব্যৱস্থাৰ পৰা বুজিব পাৰিছিলো। কিন্তু এইবাৰ ফেডাৰেল গাঁথনিৰ যি প্ৰস্তাৱ কৰিলে আৰু ভৱিষ্যতে ফেডাৰেল গাঁথনিৰ সম্প্ৰসাৰণ ঘটোৱাৰ থল ৰাখি যি ইংগিত দিলে— সেয়ে এটা কথা সুনিশ্চিত কৰি তুলিলে যে নেফা আৰু অসমৰ মাজৰ প্ৰাচীৰ চিৰস্থায়ী হ'ল। কেন্দ্ৰৰ অনুসৃত নীতিয়ে পৃথককৰণৰ জাল এইদৰেই কেওপিনে সম্প্ৰসাৰিত কৰিছে। কথা আৰু কামৰ এনে চৰম বিসংগতি আৰু কোনোক্ষেত্ৰত হৈছে যদি আমি নেজানো। কিন্তু দেশৰ যি অঞ্চলৰ গুৰুত্ব সম্পৰ্কে সদায় সকলোৱে ক'ব লাগিছে, সেই অঞ্চলতে এনে বিভেদৰ পোহাৰ মেলি আমি মাত্ৰ হাতৰ কুঠাৰ ভৰিত মাৰি লৈছো!

# জৰুৰী ভঁৰালৰ খাদ্য

জৰুৰী পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে আৰু বজাৰৰ উৰ্দ্ধমুখী দামৰ গতিৰোধ কৰিবৰ বাবে ৰাজ্য চৰকাৰে খাদ্য সামগ্ৰী গোটাই ৰাখি জৰুৰী খাদ্য ভঁৰাল পাতিলে। এই সম্পৰ্কত যথেষ্ট প্ৰচাৰ চলোৱা হ'ল। সঞ্চিত ভঁৰালত থকা খাদ্য-সামগ্ৰীৰ গধুৰ অংকৰ তথ্যও চৰকাৰীভাৱে ৰাইজক জনোৱা হ'ল। ইতিমধ্যে যথেষ্ট টকা খৰচ কৰি চৰকাৰে বিভিন্ন খাদ্য সামগ্ৰী ভঁৰালত ৰাখিলে ; এইবোৰ সামগ্ৰী কিনিবৰ বাবে ধন খৰচ কৰি আন ৰাজ্যলৈ বিষয়াও পঠোৱা হ'ল।

কিন্তু এই আঁচনি মতে কাম কি হ'ল— সেইটোহে বুজা নগ'ল। ইতিমধ্যে এই সম্পৰ্কত নানান বাতৰি ওলাই আছে। বাহিৰত উচিত বস্তুৰ ঠাইত নিম্ন মানৰ বস্তু কিনা, অত্যধিক চৰা দামত কিনি আনি মূৰকত বিপাঙত পৰা— ইত্যাদি বাতৰিও ওলাইছে। তদুপৰি বছৰৰ পিচত বছৰ ধৰি খাদ্য সামগ্ৰী গোটাই ৰখাৰ ফলত প্ৰচুৰ খাদ্য সামগ্ৰী নষ্ট হোৱাৰ বাতৰিও ওলাই গৈছে। চৰকাৰে অৱশ্যে এতিয়া বেছি দিনলৈ গোটাই নৰখাৰ ব্যৱস্থা লৈছে। কিন্তু তাকে আগতে কৰিব নোৱাৰাটোহে আচৰিত কথা। তেনেবোৰ অব্যৱস্থাই আন্তৰিকতাৰ অভাৱৰহে চিনাকি দিয়ে। সম্প্ৰতি এটা বাতৰি ওলাইছে যে কেতবোৰ খাদ্য সামগ্ৰী ডাকত দি চৰা দামত ব্যৱসায়ীক বিক্ৰী কৰা হৈছে। আন সামগ্ৰীৰ (চৰকাৰী গুদামত থকা) ক্ষেত্ৰত হোৱা লোকচান উচুল কৰাৰ বাবেই হেনো এই ব্যৱস্থা হাতত লোৱা হয়। কিন্তু সেয়ে যদি হয়, তেন্তে চৰকাৰী আঁচনিৰ সাৰ্থকতা ক'ত? যি খাদ্য বস্তুৰ অভাৱৰ বেলিকা চৰকাৰী গুদামৰ সামগ্ৰীয়ে ৰাইজক সকাহ দিব নোৱাৰে তেন্তে জমা কৰি ৰখাৰ পৰা কাৰ লাভ হ'ল? আকৌ চৰা দামত তেনে বস্তু বেচি বজাৰৰ গতি উৰ্দ্ধমুখী কৰাত সহায় কৰি চৰকাৰৰ ঘোষিত নীতিৰ বিৰুদ্ধাচৰণ কৰা নহ'লনে? এনেবোৰ কথাই চৰকাৰৰ আঁচনিখনক হাঁহিয়াতৰ পাত্ৰ কৰিছে। কাৰ কাৰণে এইবোৰ খেলিমেলি হ'বলৈ পাইছে, চৰকাৰে তাৰ বিচাৰ লওক।

<u>শুকুৰবাৰ, ১৯ জানুৱাৰী, ১৯৬৭ চন</u>

# পাৰ্বত্য নেতা সন্মিলনৰ ৰায়

সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ তুৰাত বহা কাৰ্যনিৰ্বাহকৰ বৈঠকে অসমৰ পুনৰ গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তত অভিনন্দন জনাইছে আৰু প্ৰস্তাৱিত ফেডাৰেচনৰ বিস্তাৰিত ব্যৱস্থা প্ৰস্তুত কৰিবলৈ গঠন কৰিব খোজা কমিটীত যোগ দিবলৈ সন্মতি প্ৰকাশ কৰিছে।

নতুন দিল্লীত আলোচনা কৰি অসমলৈ উভতি অহা পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধিসকলক বীৰৰ সম্বৰ্ধনা জনোৱা হৈছিল। কাৰণ সেই আলোচনাৰ ফলস্বৰূপেই কেন্দ্ৰীয় চৰকাৰে অসমৰ পুনৰ্গঠনৰ সিদ্ধান্ত লৈছিল। এতিয়া সন্মিলনৰ কাৰ্যনিৰ্বাহকে সিদ্ধান্ত অনুমোদন কৰাৰ পৰা দেখা গৈছে যে পাৰ্বত্য নেতাসকল সন্তুষ্ট হৈছে আৰু তেওঁলোকে যি দাবী কৰিছিল তাতকৈ কম লাভ কৰা নাই। সেই কাৰণে ইয়াৰ পৰা স্পষ্ট ধাৰণা ল'ব পাৰি যে ফেডাৰেচন গঠনৰ প্ৰস্তাৱ নিৰ্বাচনৰ আগমুহূৰ্তত স্থিতাৱস্থা অব্যাহত ৰখাৰ বাবে দিয়া এটা আশ্বাস মাত্ৰ নহয়, ইয়াৰ যথেষ্ট গুৰুত্ব আছে। অসমৰ কোনো কোনো মহলে ফেডাৰেচন গঠন অৱশেষত কাৰ্যকৰী হৈ নুঠিবগৈ বুলি যি মত পোষণ কৰা দেখা গৈছে, সি অবাস্তৱ আৰু যুক্তিহীন প্ৰমাণিত হৈছে।

পাৰ্বত্য নেতা সন্মিলনৰ কাৰ্যনিৰ্বাহকত গৃহীত এটা প্ৰস্তাৱত কোৱা হৈছে যে ফেডাৰেল গাঁথনিত পাৰ্বত্য ৰাজ্যক অসমৰ বাকী অংশৰ ৰাজ্যখনৰ সৈতে সমান প্ৰতিনিধিত্বৰ সুযোগ দিলেহে প্ৰস্তাৱিত ফেডাৰেচন প্ৰস্তুতি কমিটীত সন্মিলনে অংশ গ্ৰহণ কৰিব। অসমৰ পৰ্বত আৰু ভৈয়ামৰ লোক সংখ্যা আৰু অৰ্থনৈতিক সমৃদ্ধি একে নহয়। মিজো জিলাক বাদ দিলে পাৰ্বত্য জিলা কেইখনৰ লোক সংখ্যা ১১ লাখৰো কম হয়। কিন্তু অসমৰ বাকী অংশৰ লোক সংখ্যা ১০৮ লাখৰো অধিক। এনে অৱস্থাত সমান প্ৰতিনিধিত্ব দাবী কৰাৰ পৰা বুজিব পাৰি যে পাৰ্বত্য নেতাসকলে এখন সুকীয়া ৰাজ্য পোৱা বুলিয়েই ধৰি লৈছে আৰু ফেডাৰেচন বুলিলে সাধাৰণতে যি বুজা যায় তেওঁলোকে তেনে ধৰণে গ্ৰহণ কৰা নাই। পুনৰ গঠিত স্বৰূপটো এতিয়াও পৰিষ্কাৰ হোৱা নাই যদিও পাৰ্বত্য নেতাসকলৰ সন্তুষ্টিৰ কাৰণে অসমৰ ভৈয়াম অঞ্চলে কি ক্ষতি স্বীকাৰ কৰিব লাগিব তাৰ এটা আভাস পোৱা গৈছে।

কামৰূপ আৰু গোৱালপাৰা জিলাৰ গাৰো জনজাতি অধ্যুষিত অঞ্চলকেইখন পাৰ্বত্য জিলাত অন্তৰ্ভুক্ত কৰাৰ দাবী পাৰ্বত্য নেতা সন্মিলনে গ্ৰহণ কৰি স্পষ্টভাৱে দেখুৱাই দিছে যে সমস্যা ইমানতে শেষ নহয়। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তই সমস্যা জটিল কৰি তুলিছে আৰু সেই সিদ্ধান্তৰ ফলত অসমৰ ভৈয়াম অঞ্চলেই অধিক ক্ষতি স্বীকাৰ কৰিব লাগিব। এই অৱস্থাৰ পাচতো আমি কৰ্তব্য সম্পৰ্কে সন্দিহান হৈ থাকিব লাগিবনে?

## গোৱা, দমন, ডিউ

গোৱা, মদন আৰু ডিউৰ ভৱিষ্যৎ মৰ্যাদা নিৰ্ধাৰণৰ কাৰণে গ্ৰহণ কৰা জনমতৰ ফল প্ৰকাশ পাইছে। সুদীৰ্ঘ ৪৫১ বছৰ ঔপনিৱেশিক পৰ্তুগীজ চৰকাৰৰ অধীনত থাকি ১৯৬১ চনৰ ১৯ ডিচেম্বৰত মুক্তি লাভ কৰা ভাৰতৰ এই সৰু অঞ্চল তিনিখনে অৱশেষত কেন্দ্ৰ শাসিত অঞ্চল হৈ থকাৰ সপক্ষে অভিমত ব্যক্ত কৰিলে। গোৱাক মহাৰাষ্ট্ৰৰ লগত চামিল কৰিবলৈ গোৱা আৰু মহাৰাষ্ট্ৰত চলা ব্যাপক আন্দোলন ব্যৰ্থ হ'ল।

পৰ্তুগীজ শাসনৰ পৰা অব্যাহতি পোৱা গোৱা, দমন, ডিউৰ অৱস্থা ভাৰতৰ আনবিলাক অঞ্চলৰ লগত একে নহয়। ৰাজনৈতিকভাৱে ভাৰতৰ অংশ স্বৰূপে পৰিগণিত হোৱাৰ পাচতে এই অঞ্চল তিনিখনৰ ভৱিষ্যৎ সম্পৰ্কে বাদ-বিসম্বাদৰ সৃষ্টি হৈছিল। মহাৰাষ্ট্ৰ আৰু মহীশূৰৰ গাতে লাগি থকা গোৱাৰ ওপৰত দুয়োখন ৰাজ্যই দাবী তুলিছিল। উভয় ৰাজ্যই গোৱাক নিজৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছিল। মহাৰাষ্ট্ৰই দাবী কৰিছিল যে গোৱাৰ অধিক সংখ্যক লোক মহাৰাষ্ট্ৰৰ পৰা যোৱা লোকৰে সতি-সন্ততি। গোৱাৰ কংকনী ভাষা মাৰাঠী ভাষাৰে অংশ বিশেষ। এই অঞ্চলটোৰ শিল্প-সংস্কৃতিৰ সম্পৰ্ক মহাৰাষ্ট্ৰৰ লগত অতি নিবিড়। সেই কাৰণে গোৱাক মহাৰাষ্ট্ৰৰ লগত চামিল কৰা একান্ত বাঞ্ছনীয়। আনহাতে মহীশূৰে মহাৰাষ্ট্ৰৰ এইবোৰ দাবী অগ্ৰাহ্য কৰি গোৱাৰ লগত সেই ৰাজ্যৰহে ঘনিষ্ঠতা অধিক বুলি চামিলকৰণ দাবী কৰিছিল। ইফালে গোৱাৰ এক শ্ৰেণী নাগৰিকে সুকীয়া ৰাজনৈতিক মৰ্যাদাৰ পোষকতা কৰিছিল। বিভিন্ন পক্ষৰ বাদ-বিসম্বাদ চলি থকা ১৯৬৩ চনৰ ডিচেম্বৰত গোৱাত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ল। সেই নিৰ্বাচনত গোৱাৰ ৰাজনৈতিক দল মহাৰাষ্ট্ৰবাড়ি গোমন্তক দলে মহাৰাষ্ট্ৰৰ লগত চামিলকৰণকে নিৰ্বাচনী ধ্বনি স্বৰূপে লৈ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ল আৰু ৩০ খন আসনৰ বিধানসভাৰ ১৪ খন আসন অধিকাৰ কৰিবলৈ সক্ষম হ'ল। অৱশ্যে গোৱাৰ কাৰণে পৃথক ৰাজ্যৰ দাবী কৰা ইউনাইটেড গোৱান দলে ২৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ১২ খন আসন দখল কৰিলে। এই নিৰ্বাচনৰ ওপৰত গুৰুত্ব আৰোপ

কৰিলে গোৱাবাসীয়ে মহাৰাষ্ট্ৰৰ লগত চামিল হোৱাটোকে বাঞ্ছা কৰে বুলি ধৰি ল'ব লগা হৈছিল। কিন্তু গোৱাত সেই অঞ্চলখনৰ ভৱিষ্যতৰ প্ৰশ্ন লৈ উত্তেজনাৰ সামৰণি নপৰিল। সেয়ে প্ৰধানমন্ত্ৰী স্বৰ্গীয় জৱাহৰলাল নেহৰুৱে দহ বছৰলৈ গোৱাক কেন্দ্ৰ শাসিত অঞ্চল স্বৰূপে ৰখাৰ প্ৰতিশ্ৰুতি দিব লগা হৈছিল।

কিন্তু সেই প্ৰতিশ্ৰুতিৰ দুবছৰৰ পাচত পৰিস্থিতি অন্য ধৰণৰ হৈ উঠিল। মহাৰাষ্ট্ৰৰ লগত গোৱাৰ চামিলকৰণৰ দাবী প্ৰবল হৈ উঠাত পূৰ্বৰ পৰ্তুগীজ শাসিত অঞ্চল গোৱা, দমন, ডিউত জনমত গ্ৰহণ কৰি অঞ্চল তিনিখনৰ ভৱিষ্যৎ ৰাজনৈতিক মৰ্যাদা নিৰ্ধাৰণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত ল'ব লগা হ'ল।

গোৱাৰ দৰে দমন আৰু ডিউৰ ওপৰতো গুজৰাট ৰাজ্যৰ দাবী আছিল। দমনৰ আয়তন মাত্ৰ ৫৯.৮৮ বৰ্গ মাইল। ডিউ তাতকৈও সৰু অঞ্চল। এই অঞ্চল দুখনৰ গুজৰাটৰ লগত থকা ঘনিষ্ঠ সম্পৰ্কৰ বিষয়ে সন্দিহান হ'ব লগা একো নাই। অথচ এই সৰু অঞ্চল দুখনেও কেন্দ্ৰ শাসিত হৈ থকাৰ সপক্ষেহে মত দিলে।

গোৱ, দমন, ডিউৰ ভৱিষ্যৎ নিৰ্ধাৰণৰ কাৰণে জনমত গ্ৰহণ স্বাধীনোত্তৰ ভাৰতত এটা অভিনৱ ঘটনা। ই এটা বিতৰ্কপূৰ্ণ পৰম্পৰা সৃষ্টি কৰিলে। এনে জনমত গ্ৰহণ কাৰ্যৰ বৈধতাৰ প্ৰশ্ন তুলি ইতিমধ্যে ছুপ্ৰীম ক'ৰ্টত গোচৰ তোলা হৈছে। দেশখনক একত্ৰিত কৰাৰ প্ৰয়োজনীয়তা যিমানেই বৃদ্ধি পাইছে সিমানেই বিখণ্ডীকৰণৰ গতিও বৃদ্ধি পোৱা দেখা গৈছে। গোৱা মহাৰাষ্ট্ৰৰ লগত চামিল হোৱা হ'লে গোৱাবাসীয়ে কোনোক্ষেত্ৰতে অসুবিধাৰ সন্মুখীন হ'ব নেলাগিব বুলি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী শ্ৰীনায়কে সিদিনা মাত্ৰ বিতংভাৱে বিবৃতি দিছিল। কিন্তু সেয়ে হৈ নুঠিল। ভাৰত চৰকাৰে এটা নিশ্চিত সিদ্ধান্ত লওঁতে অযথা পলম কৰাৰ ফলতে গোৱাৰ প্ৰশ্নটো জটিল হৈ পৰিল আৰু চামিলকৰণৰ বিপক্ষে জনমত বৃদ্ধি পালে। এই দীৰ্ঘসুত্ৰিতাৰ সুযোগ লৈ গোৱাত ন্যস্ত স্বাৰ্থই কাম কৰা বুলি ভাবিবৰ অৱকাশ ওলাল। গোৱা, দমন, ডিউৰ লোকসকলৰ স্বাৰ্থ ৰক্ষা পোৱাত কোনেও আপত্তি নকৰে কিন্তু তাৰ বাবে এটা সুকীয়া প্ৰশাসনীয় গোট গঠন কৰি ব্যয় বৃদ্ধিৰ ব্যৱস্থা কৰাটো সন্তোষৰ কথা হ'ব নোৱাৰে। আৰু এই পৰিণতিৰ বাবে আমাৰ চৰকাৰী নীতি নিৰ্ধাৰণত দীৰ্ঘসূত্ৰিতাই দায়ী বুলি ক'ব লাগিব।

<u>শনিবাৰ, ২০ জানুৱাৰী, ১৯৬৭ চন</u>

## নেতৃত্ব লাগে

ফেডাৰেল গাঁথনি সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱৰ সম্পৰ্কত অসমৰ ৰাজনৈতিক দলসমূহ আৰু নেতৃবৰ্গই মন খুলি একো কথা নোকোৱা দেখি আমি স্তম্ভিত হৈছো। বিশেষকৈ অসম প্ৰদেশ কংগ্ৰেছে আৰু কংগ্ৰেছ নেতৃবৃন্দই ওঁঠ চেপি ধৰি গোটেই কথাটো নিৰ্বাচনৰ পিচলৈ ঠেলি নিয়াৰ চেষ্টা চলোৱা দেখি আমি আৰু আচৰিত হৈছো। অকল সেয়ে নহয়— কিছুমান মহলে ফেডাৰেচনৰ প্ৰস্তাৱটোৰ সম্পৰ্কত সুকীয়া ব্যাখ্যা দঙি ধৰিবলৈ চেষ্টা কৰি ইয়াৰ চোক কমাই দেখুৱাব খুজিছে। আন কেতবোৰ মহলে আকৌ ফেডাৰেল গাঁথনিৰ অন্তৰ্ভুক্ত পাৰ্বত্য অঞ্চলৰ ৰাজ্যখন গঠন কৰিলে তাৰ দ্বাৰা পাৰ্বত্য অঞ্চলক অধিক স্বায়ত্ত শাসন দিয়া ব্যৱস্থা এটাহে হ'ব বুলি আৰু ইয়াত সুকীয়া পাৰ্বত্য ৰাজ্যৰ কথা নাই বুলি ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। পিচে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে তুৰাত বহা অধিৱেশনত গ্ৰহণ কৰা প্ৰস্তাৱে এইসকল লোকৰ মনে পতা কাৰেং চূৰমাৰ কৰি দিব। সন্মিলনে কি ধাৰণা লৈছে তাৰ সাক্ষী প্ৰস্তাৱতে আছে। 'সুকীয়া পাৰ্বত্য ৰাজ'—

কথাযাৰ প্ৰস্তাৱত একাধিকবাৰ উল্লেখ কৰা হৈছে। তদুপৰি তুৰাত বহা ৰাজহুৱা সভাত পাৰ্বত্য নেতা সন্মিলনৰ নেতৃবৰ্গই দিয়া ভাষণত 'আদৰ্শস্থানীয় পাৰ্বত্য ৰাজ্য'ৰ প্ৰশাসন গঢ়ি তোলাত সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

এনে অৱস্থাত আত্ম-প্ৰৱঞ্চনাৰ আশ্ৰয় লৈ বা বিষয়টোৰ পৰা ফালৰি কাটি যাবলৈ চেষ্টা কৰি ক্ষতিৰ বোজা বঢ়াই ল'বলৈ আমি প্ৰস্তুত নহওঁ। আমাৰ সমুখত এনে এটা দুৰ্যোগ উপস্থিত হোৱা সত্বেও অসমৰ কাণ্ডাৰীবিহীন অৱস্থা হোৱাৰ দৰে হ'ল কিয়? নিৰ্বাচনী স্বাৰ্থই সকলো বৃহত্তৰ স্বাৰ্থ তল পেলাই দিলে কিয়? কিন্তু এইটো ঠিক যে মুকলিলৈ ওলাই নাহিলে আমাৰ স্থিতি আৰু দুৰ্বল হৈ পৰিব। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে এতিয়া কেন্দ্ৰৰ প্ৰস্তাৱত সন্মতি জনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ নিৰ্ভীকভাৱে আগবাঢ়িছে। আগতে সন্মিলনে নিৰ্বাচন বৰ্জন কৰাৰ কথা কৈছিল। এতিয়া সেইদেখি নিৰ্বাচনত স্পষ্টতৰভাৱে সন্মিলনৰ সমৰ্থনৰ ছবিখন দেখিবলৈ পোৱা যাব। আনকি মিকিৰ পাহাৰ আদি অঞ্চলৰ বেলিকাও অধিক স্পষ্ট ছবি দেখিবলৈ পোৱা যাব। কিন্তু তাৰ বিপৰীতে খাচী পাহাৰ জিলা কংগ্ৰেছৰ সিদ্ধান্তটোৰ ঠেক নোহোৱা অৱস্থা এটাহে পৰিলক্ষিত হৈছে। খাচী পাহাৰ জিলা কংগ্ৰেছৰ ৱৰ্কিং কমিটীয়ে ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱৰ বিৰুদ্ধে মন্তব্য কৰি খাছী পাহাৰক লৈ সুকীয়া ৰাজ্য এখন গঠন কৰাৰহে পোষকতা কৰিছে। অথচ আনহাতে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত কৰিছে। খাছী পাহাৰ জিলা কংগ্ৰেছে সুকীয়া ৰাজ্যৰ দাবী (খাছী পাহাৰক লৈ) তোলাৰ প্ৰেৰণা ক'ৰ পৰা পালে সেই বিষয়ে অৱশ্যে আমাৰ সন্দেহ আছে। পিছে তেনেবোৰ আওপকীয়া পন্থাই কাৰ্যক্ষেত্ৰত একো কাম নিদিয়ে। খাছী পাহাৰ জিলা কংগ্ৰেছে নিৰ্বাচনত অৱতীৰ্ণ হৈ নিজৰ শক্তিৰ প্ৰমাণ পোনতে দি ল'ব পাৰিব লাগিছিল। কোনোবাই যদি খাছী পাহাৰ জিলা কংগ্ৰেছক শিখণ্ডীৰ দৰে ব্যৱহাৰ কৰি আন স্বাৰ্থ পূৰণ কৰাৰ কথা ভাবিছে, তেন্তে আমি ক'বলৈ বাধ্য যে সেই স্বাৰ্থও পূৰণ নহয় আৰু অসমৰ বৃহত্তৰ স্বাৰ্থও পূৰণ নহয়। আনহাতে যিসকলে এই অভিনয়ৰ আয়োজন কৰিছে, তেওঁলোকেও তাৰ যোগেদি নিজৰ নিষ্ক্ৰিয় ভূমিকাক নিষ্কলুষ কৰি তুলিব নোৱাৰে।

আমি এইক্ষেত্ৰত পোনপটীয়া বাটটোৰেদি যোৱাটোকে বিচাৰো। কংগ্ৰেছ আৰু কংগ্ৰেছী নেতাকে ধৰি সকলোৱে নিৰ্ভীকভাৱে ফেডাৰেল গাঁথনিৰ সম্পৰ্কত নিজৰ অভিমত পোনপটীয়াভাৱে ব্যক্ত কৰক। সমষ্টি গঠনৰ প্ৰস্তাৱৰ সময়ত অসমে যি নেতৃত্ব পাইছিল, তেনে নেতৃত্বকে আমি এতিয়া আকৌ বিচাৰিছো। সেইদেখি ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ নিৰ্বাচনৰ পিচলৈ নিয়াৰ প্ৰশ্ন নুঠে। এইটোৱেই সৰ্বপ্ৰথম নিৰ্বাচনী বিষয়ৰূপে পৰিগণিত হ'ব লাগিব। সেই ভিত্তিয়েহে আমাৰ ভৱিষ্যতৰ কৰ্মপন্থা নিৰূপিত কৰিব পাৰে। সৰ্বসাধাৰণৰ মতৰ মূল্য নিৰ্বাচনৰ পিচত নেথাকিব। বিভিন্ন স্বাৰ্থৰ সংঘাতত সৰ্বসাধাৰণৰ মত কেনিবা হেৰাই যোৱাৰ সম্ভাৱনাও নথকা নহয়। সেয়ে হ'লেও তেতিয়া সৰ্বসাধাৰণৰ কাৰণে গণতন্ত্ৰ নেথাকিব। কিয়নো তেতিয়া সৰ্বসাধাৰণে একো কৰিবৰ উপায় নেথাকে। সৰ্বসাধাৰণৰ কাৰণে একমাত্ৰ সুযোগ এইটোৱেই— অৰ্থাৎ সমাগত নিৰ্বাচনেই শেষ সুযোগ। এই সুযোগ সৰ্বসাধাৰণে এৰি দিব নোখোজে। দিল্লীয়ে আমাৰ জনমতৰ পৰিচয় পাবই লাগিব। আমি নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পাৰিছো যে দিল্লীয়ে অলপতে ৰাজধানীত হোৱা আলোচনা প্ৰসংগত অসমৰ জনমতৰ কথালৈ কাণেই কৰা নাছিল। প্ৰকাশ যে অসমৰ জনমতৰ সম্পৰ্কত বিৰূপ মন্তব্যহে কৰা হৈছিল। অবান্তৰ হ'লেও সেই প্ৰসংগত হেনো অলপতে অসমত হৈ যোৱা খাদ্য আন্দোলনক বিশেষ সম্প্ৰদায় এটাৰ বিৰুদ্ধে

চলোৱা আন্দোলন বুলিহে অভিহিত কৰা হৈছিল আৰু তাকে কৰি আমি কাকো সামৰি ল'ব নোৱাৰা মনৰ গৰাকী বুলি প্ৰমাণ কৰাৰ চেষ্টা চলিছিল। যদি সেয়ে হয়, তেন্তে আমিও আমাৰ জনমতেৰে কেন্দ্ৰৰ ভুল ধাৰণা দূৰ কৰিব পাৰিব লাগিব। সমাগত নিৰ্বাচন সেই জনমতৰে প্ৰকাশৰ মাধ্যম হ'ব লাগিব।

মঙ্গলবাৰ, ৩০ জানুৱাৰী, ১৯৬৭ চন

# ত্ৰিশ জানুৱাৰী

"ত্ৰিশ জানুৱাৰী" কথাষাৰ প্ৰতিজন ভাৰতীয়ৰ হিয়াত অংকিত হৈ আছে। এই দিনটোতে আমি যাক জাতিৰ পিতা বুলি সন্মান যাচি আহিছো তেওঁক সাম্প্ৰদায়িকতাৰ আটাইতকৈ ডাঙৰ বলি কৰিছিলো— সেইজন মানুহক যি সাম্প্ৰদায়িকতাৰ বিৰুদ্ধেই আজীৱন কাম কৰি গৈছিল। আজিৰ দিনটো ৰাষ্ট্ৰীয় শোক আৰু ক্ষমা প্ৰাৰ্থনাৰ দিন। এই দিনটোতে আকৌ আজি কেইবছৰমানৰ পৰা বিশ্ব কুষ্ঠ দিৱস পালন কৰিবলৈ লোৱা হৈছে। গান্ধীজীয়ে তেওঁৰ গঠনমূলক কাৰ্যসূচীত কুষ্ঠৰ সেৱাকো এটা প্ৰধান বিষয় কৰি লৈছিল। সেই পিনৰ পৰা ত্ৰিশ জানুৱাৰীত এই দিৱস পতাৰ এটা তাৎপৰ্যও আছে। এতিয়াও কুৰি লাখ কুষ্ঠৰোগী থকা ভাৰতত এই বিষয়ত কিছু সজাগতা পৰিলক্ষিত হৈছে ; কাইলৈ আন্তঃৰাষ্ট্ৰীয় কুষ্ঠ সন্মিলন এখনো ভাৰতত আৰম্ভ হ'ব। এই বিষয়ত গান্ধীজীৰ পথ প্ৰদৰ্শনে যেনেকৈ প্ৰেৰণা যোগাইছে, তেনেকৈ আন বিষয়ত কাম হৈছে বুলি মুঠেই ক'ব নোৱাৰি। কিয়নো দেশখনত সেৱাৰ পৰিৱৰ্তে ভোগ আৰু দুৰ্নীতিৰ আৰু সহনশীলতাৰ পৰিৱৰ্তে সাম্প্ৰদায়িকতাৰ বিষবাষ্পহে ক্ৰমাৎ বেছি হৈ আহিছে ; তাৰ কুপৰিণাম আমি দেশৰ ৰাজনীতিতো দেখিবলৈ পাইছো। সাধাৰণ নিৰ্বাচন ওচৰ চাপি অহাৰ সময়ত এই বিকাশৰ ৰূপ আমি বেছি উৎকটভাৱে দেখিবলৈ পাইছো। কিন্তু আজিৰ গুৰুত্বপূৰ্ণ দিনটোত সেই কথা দেশবাসীৰ উপলব্ধি হ'বনে? গান্ধীজীৰ লগতে আজিৰ শ্বহীদ দিৱসত আমি স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়া বীৰসকললৈও শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

## স্পষ্ট কথা কওক

ফেডাৰেল ভিত্তিত অসমৰ পুনৰ্গঠন সম্পৰ্কীয় প্ৰস্তাৱৰ বিষয়ে অসম চৰকাৰ আৰু প্ৰদেশ কংগ্ৰেছৰ নিৰৱতা অতিশয় আশ্চৰ্যজনক যদিও কংগ্ৰেছৰ দুই-এজন নেতাই মন্তব্য প্ৰকাশ কৰা দেখা গৈছে। কিন্তু তেওঁলোকৰ উক্তিসমূহ অসমৰ জনসাধাৰণৰ ক্ষোভ আৰু উৎকণ্ঠালৈ লক্ষ্য কৰি এৰাব নোৱাৰি দিয়া বিবৃতিৰ দৰেহে হৈছে। ৰাজ্যমন্ত্ৰী শ্ৰীৰাধিকাৰাম দাসে গুৱাহাটীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত কয়, যদি ফেডাৰেল গাঁথনিয়ে অসমৰ সংহতিত ব্যাঘ্যাত জন্মায় তেন্তে অসমবাসীয়ে নিশ্চয় তাত প্ৰতিবাদ কৰিব। প্ৰবীণ কংগ্ৰেছ নেতা, প্ৰাক্তন মন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মায়ো যোৰহাটত এটা বিবৃতি দি কৈছে, যদি প্ৰস্তাৱিত আঁচনি অসমৰ আত্মসন্মানৰ পক্ষে ক্ষতিকাৰক তেন্তে ইয়াৰ প্ৰতিৰোধ কৰিবই লাগিব ; কিন্তু এই বিষয়ে কোনো স্পষ্ট ধাৰণা নৌহওতেই আন্দোলন কৰাৰ আৱশ্যক নাই। কংগ্ৰেছ নেতাসকলৰ উক্তিত এই "যদি"ৰ অনাৱশ্যক বহন কেলৈ? তেওঁলোকে স্পষ্ট কথা নকয় কিয়? পাৰ্বত্য নেতা সন্মিলনে তুৰাত প্ৰস্তাৱ গ্ৰহণ কৰোতে স্পষ্ট ধাৰণা লৈ আগবঢ়াৰ পিচতো ভৈয়ামৰ প্ৰস্তাৱ গ্ৰহণ কৰোতে স্পষ্ট ধাৰণা লৈ আগবঢ়াৰ পিচতো ভৈয়ামৰ মানুহৰ পক্ষে ধাৰণাৰ অস্পষ্টতা থাকি গৈছেনে? কাছাৰ জিলাৰ সম্পৰ্কত মন্ত্ৰীৰ পৰা আৰম্ভ কৰি ৰাজহুৱা জীৱনৰ লগত জড়িত বিভিন্ন ব্যক্তিয়ে স্পষ্ট

পন্থা অৱলম্বন কৰাৰ কাৰণে মাত মাতি উঠিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ ঘোষণাটোত থকা "শব্দ সম্ভাৰ"ৰ গাত আউজি এতিয়াও সীমান্তৰ নিৰাপত্তাৰ বিপদলৈ আঙুলিয়াই থাকি আমাৰ নেতাসকলে ৰাইজক কেৱল বিভ্ৰান্তহে কৰিব খুজিছে। কিন্তু ইতিমধ্যেই যে সৰ্বসাধাৰণ অসমবাসী ৰাইজৰ মন শংকিত হৈ উঠিছে তাৰ প্ৰমাণ আমি পাবলৈ ধৰিছো। ছাত্ৰ সমাজে এটা নিৰ্দিষ্ট দিনৰ ভিতৰত অসম চৰকাৰৰ অভিমত দাবী কৰিছে। আমিও ভাবো যে চৰকাৰী আৰু ৰাজনৈতিক নেতৃবৃন্দই আৰু অযথা কাল ক্ষয় নকৰি তেওঁলোকৰ অভিমত স্পষ্ট ভাষাত ব্যক্ত কৰক। পৃথক পাৰ্বত্য ৰাজ্যৰ কথা ঘোষণাটোত নাই বুলি এবাৰ ক'ব খোজা হৈছিল ; তুৰাত পাৰ্বত্য নেতাসকলে পৃথক ৰাজ্য বুলিয়েই প্ৰস্তাৱ গ্ৰহণ কৰিলে। প্ৰস্তাৱিত ফেডাৰেল গাঁথনিত দুটাৰ ঠাইত বহু গোট থাকিব পৰাৰ কথাও এতিয়া ওলাই পৰিছে। ফেডাৰেল চৰকাৰ হ'লে প্ৰতি গোটৰ সমান প্ৰতিনিধিত্ব থকাৰ পৰা হ'ব পৰা বিপদলৈও আঙুলিয়াই দিয়া হৈছে। ইমানতো নেতৃবৃন্দই জোৰা-টাপলি মৰা কথা কৈ থকাৰ কোনো যুক্তি নাই।

## উৰহী গছৰ ওৰ

দেশৰ খাদ্যাভাৱৰ কাৰণে হেনো ঈশ্বৰেই দায়ী— এইবুলি পশ্চিমবংগৰ কৃষ্ণ নগৰত গণৰাজ্য দিৱসৰ সভাত এজন কংগ্ৰেছ নেতাই কয়। তেওঁৰ মতে ঈশ্বৰে সময় মতে বৰষুণ নেপেলালে শইচ হ'ব কেনেকৈ? "অ' গৰু অ' গৰু আগ খাৰ কিয়" বুলি যে সৰু ল'ৰা-ছোৱালীৰ পদ্য এটা আছে, তালৈহে আমাৰ ছাঁট কৰে মনত পৰি গ'ল। প্ৰশ্নৰ পিচত প্ৰশ্ন কৰি পোৱা গ'ল যে আচলতে মইনাক পুথি আনি নিদিয়াটোৱেই গৰুৱে গছৰ আগ খোৱাৰ গুৰি কাৰণ। কিয়নো কৃষ্ণ নগৰৰ একেখন সভাতে মুখ্যমন্ত্ৰী শ্ৰীসেনে ক'লে যে জনসংখ্যা বৃদ্ধিহে খাদ্য সংকটৰ আচল কাৰণ (আশা কৰো কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীআহমেদে অসমৰ ক্ষেত্ৰত ভবাৰ দৰে পশ্চিমবংগৰ লোক গণনাত ভুল হোৱা নাই)। তাৰো আগতে আকৌ আমি শ্ৰীসুব্ৰমণিয়ামৰ লৰা-ঢপৰা দেখি ভাবিছিলো আমেৰিকাই খাদ্য নিদিয়াতহে আমি খাবলৈ পোৱা নাই। ৱাশ্বিংটন চৰকাৰে আকৌ ভাবে যে তেওঁলোকৰ পৰা আনি খাই থাকি লটা লগাত আমি খেতি-বাতিলৈ মন-কাণ নিদিওঁ কাৰণেহে ভাৰতত খাদ্যাভাৱ হৈছে। ৰাসায়নিক সাৰৰ যোগান কম কাৰণেও উৎপাদনকে বঢ়াব খোজা হৈছে। কিন্তু এতিয়া উৰহী গছৰ ওৰ বিচাৰি বিচাৰি দেখিলো এইবোৰ কাৰণ তেনেই মিছা ; সকলো দোষৰ ভাগী নেদেখাজনহে। তেওঁৰ লগতনো বলে পাৰিব কোনে? মাত্ৰ আমাৰ চৰকাৰে সকলো চেষ্টা এৰি নেপেলালেই হয়। অন্ততঃ কেই কুইন্টলমান ঘিঁউ খৰচ কৰি বৰুণ দেৱতাক পূজা কৰাৰ দিহা কৰক ; পেটে-পিঠিয়ে নলগাকৈ আমি তেও থাকিব পাৰিম।

সোমবাৰ, ৩ এপ্ৰিল, ১৯৬৭ চন

## এতিয়াও অস্পষ্ট

ফেডাৰেল ভিত্তিত অসমক পুনৰ্গঠন কৰিবলৈ ওলোৱা বিষয়ত নতুন বিধানসভাই এতিয়াও স্পষ্ট অভিমত দিব নোৱাৰাটো অতিশয় পৰিতাপৰ কথা। আমি আশা কৰিছিলো যে নিৰ্বাচনৰ সময়তে এই জ্বলন্ত সমস্যাটোৰ বিষয়ে এতিয়াৰ সদস্য আৰু তেতিয়াৰ প্ৰাৰ্থীসকলে জনসাধাৰণৰ স্পষ্ট অভিমত জানিব পাৰিছিল। কিন্তু ভোটাৰ ৰাইজৰ প্ৰতিনিধি হিচাপে তেওঁলোকে যিমানখিনি কৰিব লাগিছিল সিমানখিনি কৰিব নোৱাৰিলে। শাসনকাৰী কংগ্ৰেছ আৰু বিভিন্ন বিৰোধী দলৰ ভালেমান সদস্যই জনসাধাৰণৰ মনোভাব অনুযায়ী ফেডাৰেল প্ৰস্তাৱৰ

বিৰোধিতা কৰিছে সঁচা, কিন্তু কোনো স্থিৰ সিদ্ধান্তলৈ আহিবলৈ তেওঁলোকে চেষ্টা নকৰিলে। বেচৰকাৰীভাৱে সামূহিক প্ৰস্তাৱ এটা উত্থাপন কৰি স্পষ্ট অভিমত দাঙি ধৰা হ'লে চৰকাৰৰ কি প্ৰতিক্ৰিয়া হয় আমি তালৈ বাট চাব পাৰিলোহেঁতেন। ৰাইজৰ সমৰ্থনৰ বলত এনে এটা প্ৰস্তাৱ বিধানসভাই গ্ৰহণ কৰা হ'লে তাৰ ওপৰত কেন্দ্ৰই কি ব্যৱস্থা গ্ৰহণ কৰে আমি তালৈ লক্ষ্য ৰাখি ভৱিষ্যতৰ কথা ভাবিবলৈ অৱকাশ পালোহেঁতেন। এতিয়া বিধানসভাই এনে কোনো পন্থা উদ্ভাৱন নকৰিলে যে কেন্দ্ৰই পুনৰ্গঠনৰ "সিদ্ধান্ত" কাৰ্যকৰী কৰাৰ কামত আগবাঢ়ি নাযাব।

ৰাজ্যপালৰ ভাষণ সম্বন্ধে হোৱা বিতৰ্কৰ মোখনি মাৰি চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী শ্ৰীচলিহাইও কমিটী গঠন পৰ্যায়লৈ যাব লগাৰ ইংগিত দি তাৰেই আগজাননী দিলে। তদুপৰি তেওঁ অসমৰ বিভিন্ন সমস্যাৰ সৈতে পৰ্বত-ভৈয়ামৰ সমস্যাটোৰো সমাধান উলিয়াবলৈ সকলো শ্ৰেণীৰ লোকৰ সহযোগিতা আহ্বান কৰিছে। আমি ভাবো যে অসমৰ সকলো শ্ৰেণীৰ লোকে স্পষ্ট অভিমত প্ৰকাশ কৰিয়ে থৈছে। এই অভিমতৰ বলত চৰকাৰ তথা বিধানসভাই ঐক্যবদ্ধভাৱে কাম কৰিব পাৰিব লাগিছিল। হল্ৰইডৰ কুখ্যাত "আগে ফাঁচী, পিচত বিচাৰ"ৰ ৰায়ৰ দৰে দিল্লীত আগতেই সকলো সিদ্ধান্ত কৰি থৈ এতিয়া জনসাধাৰণৰ মত লোৱাৰ কোনো অৰ্থ নহয়। যোৱা জানুৱাৰী মাহত দিল্লীত এই গুৰুত্বপূৰ্ণ আৰু অসমবাসীৰ পক্ষে ক্ষতিকৰ "সিদ্ধান্ত" লওঁতে ৰাইজৰ সৈতে কোনো ধৰণৰ আলোচনা নকৰাকৈয়ে শ্ৰীচলিহা আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীসিংহই তাত সন্মতি দি আহিছিল। কেন্দ্ৰীয় গৃহ দপ্তৰৰ ঘোষণাটোত বিভিন্ন গোট গঠন কৰি ফেডাৰেল গাঁথনিৰে অসমৰ মৰ্যাদা হানি কৰাৰ ব্যৱস্থা কৰা হৈছে— এই কথা বুজাৰ পিচতো, এনে মাৰাত্মক সিদ্ধান্ত গৃহীত হৈ যোৱাৰ পিচতো, কিয় যে কংগ্ৰেছ আৰু চৰকাৰে কমিটীৰ দ্বাৰা হ'ব লগা বিস্তৃত ব্যৱস্থালৈ অপেক্ষা কৰিবলৈ কৈ আঁভুৱা ভাৰিবলৈ চেষ্টা কৰি আছে সেইটো অবোধগম্য। ইয়াৰ বিপৰীতে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে বেছ স্পষ্ট মনোভাব ব্যক্ত কৰি আহিছে। তেওঁলোকৰ কাৰ্যপালিকাই দিল্লীৰ পৰা আহিয়েই তুৰাত আনুষ্ঠানিকভাৱে কেন্দ্ৰৰ প্ৰস্তাৱ গ্ৰহণ কৰে, তেওঁলোকৰ দাবী প্ৰায় স্বীকৃত হৈছে বুলি কয়— আৰু এতিয়াও ভৈয়ামৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ কথা কৈ আছে— কাৰ্যতঃ পাৰ্বত্য ৰাজ্য পোৱা হ'ল বুলিতো তেওঁলোকৰ কিছুমান মহলে কৈ ফুৰিছেই। আনহাতে উৎফুল্ল হৈয়ো তেওঁলোক বহি থকা নাই ঃ ইতিমধ্যে দিল্লীলৈ অহা-যোৱা কৰি কেন্দ্ৰক সকীয়াই আছে আৰু লোকসভাৰ সমৰ্থনৰ কাৰণেও চেষ্টা চলাই আছে।

আমি লক্ষ্য কৰিছো যে ফেডাৰেল প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত দেশৰ নিৰাপত্তা আৰু সংহতি ৰক্ষাৰ ওপৰত কিছুমান সদস্যই গুৰুত্ব আৰোপ কৰিছে। খুলি ক'বলৈ হ'লে, ভাৰতৰ পূব অঞ্চলটো বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিৱেষ্টিত ; ইয়াত সৰু সৰু ৰাজ্য গঠিত হ'লে পাকিস্তান আৰু চীনৰ নিচিনা বৈৰী-ভাবাপন্ন দেশবিলাকে খোপনি পুতিবলৈ সুচল পাব। তদুপৰি সমগ্ৰ ভাৰততে সংহতি ৰক্ষাৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ উঠিছে— অসমৰ নিচিনা সীমামূৰীয়লী অঞ্চলতো সেইটোৰ আৰু বেছি আৱশ্যক। কিন্তু কাৰ্য্যত এইবোৰ যুক্তি কেৱল কিছুমান ধ্বনিৰ লেখীয়াহে হৈছে। প্ৰধান দুটা সম্প্ৰদায়ৰ ভিত্তিত দেশখনক বিভাজন কৰাটোৱেই হ'ল সংহতিৰ মূৰত আটাইতকৈ ডাঙৰ কুঠাৰাঘাত। সেই মূল বিভাজনতে বিভক্ত পঞ্জাবক সৌ সিদিনাখন আকৌ দুভাগ কৰি তাৰ পৰা হাৰিয়ানাৰ সৃষ্টি কৰা হ'ল। মহাৰাষ্ট্ৰ আৰু গুজৰাট সৃষ্টিৰ সময়তো সংহতিৰ কথা তল পৰিছিল। এখন জিলাক লৈ এই সীমাতে নগালেণ্ড গঠন কৰিবৰ সময়ত নিৰাপত্তাৰ কথা মনলৈ অহা নাছিলনে ? পঞ্জাৱ সীমান্তবৰ্তী ৰাজ্য নহয়নে ? এইবিলাক তুলুঙা যুক্তি। সৰু হওক ডাঙৰ হওক ৰাজ্য সৃষ্টিৰ দায়িত্ব যি বহন কৰিছে, তেওঁলোকেই

দেশৰ প্ৰতিটো চুকৰ নিৰাপত্তাৰ দায়িত্বও বহন কৰিব লাগিব। বিধানসভাত পাৰ্বত্য নেতা সন্মিলনৰ সদস্য শ্ৰীনিকলছ ৰয়ে কৈছে যে তেওঁলোকে ফেডাৰেচনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে, কিন্তু যদিহে কেনেবাকৈ ইয়াক অগ্ৰাহ্য কৰা হয় তেন্তে তেওঁলোকে শান্তিপূৰ্ণভাৱে পৃথক হৈ যোৱাটো কামনা কৰে। অৰ্থাৎ একেখন অসমত যে তেওঁলোক থাকিব নোখোজে সেইটো স্পষ্ট। যোৱা বৃহস্পতিবাৰে বিধানসভাত কোনো কোনো সদস্যই অভিযোগ কৰিছিল যে নানান উপায় উদ্ভাৱন কৰিও বৰ্তমান আৰু পূৰ্ববৰ্তী চৰকাৰে পৰ্বতবাসীক সন্তুষ্ট কৰি ৰাখিব পৰা নাই। নগালেণ্ড আৰু মিজো পাহাৰৰ অশান্তি, পাৰ্বত্য ৰাজ্যৰ দাবী আদিয়েই ইয়াৰ জ্বলন্ত নিদৰ্শন। এনে অৱস্থাত সংহতিৰ নামত মৰীচিকা খেদি নুফুৰি, আঁতৰি যাবলৈ অনিচ্ছুকসকলক ভৈয়ামৰ লগতে ৰাখি, দুখন পৃথক ৰাজ্য গঠন কৰি পেলোৱাই শ্ৰেয়ঃ। যি ব্যৱস্থাৰেই নহওক, অসমত এটা নতুন গাঁথনি (কিন্তু ফেডাৰেল ভিত্তিত নহয়) অৱশ্যম্ভাৱী। নহ'লে বৰ্তমানৰ লেখীয়া অশান্তি কেতিয়াও দূৰ নহয়। মাত্ৰ চাব লাগিব, এনে নতুন গাঁথনিত যাতে মিকিৰ আৰু উত্তৰ কাছাৰ আদি অনিচ্ছুক অঞ্চলক অন্যায় কৰা নহয়। চয়-নিচয় এটা সোনকালেই কৰি পেলোৱা ভাল। কাৰণ বিলম্বই বিপদ ঘনীভূতহে কৰে।

<u>মঙ্গলবাৰ, ৪ এপ্ৰিল, ১৯৬৭ চন</u>

## অসমত নিয়োগ ব্যৱস্থা

তৃতীয় পৰিকল্পনাৰ কালছোৱাৰ শেষৰ পিনে চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে বিনিয়োগৰ ক্ষেত্ৰত এটা নিম্নমুখী গতি লক্ষ্য কৰা হৈছে। উক্ত পৰিকল্পনাৰ সমগ্ৰ কালডোখৰত অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ বাহিৰে ভাৰতৰ বাকী অংশৰ কৰ্ম-বিনিয়োগ ক্ষেত্ৰত শতকৰা ২৮ ভাগহে বৃদ্ধি পোৱা বুলি জনা গৈছে। উক্ত পৰিকল্পনাৰ প্ৰথম ভাগত শতকৰা ৫৮ ভাগলৈ বৃদ্ধি পোৱা গতি শেষলৈ কমি অহাটো এইক্ষেত্ৰত উল্লেখযোগ্য। বৰ্তমানৰ আৰ্থিক আৰু সামাজিক ব্যৱস্থালৈ লক্ষ্য কৰিলে ভাব হয় যে চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত হয়তো বিনিয়োগৰ হাৰ আৰু কমিব পাৰে। ক্ৰমবৰ্ধিত জনসংখ্যালৈ চাই, এনে ধৰণৰ বিনিয়োগৰ ক্ষেত্ৰত দেখা দিয়া নিম্ন গতিয়ে দেশৰ ভৱিষ্যৎ ভয়াৱহ কৰি তুলিব পাৰে। এতিয়া কথা হ'ল, এনে হোৱাৰ কাৰণ কি? কৰ্ম-বিনিয়োগ বিভাগৰ কৰ্মদক্ষতাৰ কথাও এইক্ষেত্ৰত উঠে। তদুপৰি দেশৰ অৰ্থনৈতিক প্ৰগতিৰ লগত খাপ খোৱা পৰিকল্পনাৰ ভেটিত বৰ্ধমান উদ্যোগ আদিৰ স্থাপন আৰু সংগঠনৰ ক্ষেত্ৰত এই পৰিসংখ্যাই নিশ্চিতভাৱে ত্ৰুটিৰ সন্ধান দিয়ে।

এয়া হ'ল সামূহিকভাৱে গোটেই ৰাষ্ট্ৰৰ অৰ্থনৈতিক দিশৰ কথা। আনহাতে, ভাৰতৰ পূব অঞ্চলত ওচৰা-ওচৰিকৈ থকা অসম, মণিপুৰ আৰু ত্ৰিপুৰাত নিয়োগৰ হাৰ পাঁচ বছৰে স্থিতিশীল হোৱাটোৰ পৰা সহজে অনুমান হয় যে আন অঞ্চলৰ তুলনাত এই অঞ্চলত (ক) উদ্যোগ আদি সময়োপযোগী হোৱা নাই আৰু জনসংখ্যা বৃদ্ধি আদিৰ লগত খাপ খুৱাই উপযুক্ত মতে সংগঠন কৰিব পৰা নাই ; (খ) চৰকাৰী নিয়োগ-বিনিময় কেন্দ্ৰসমূহৰ কাম ঠিক মতে চলা নাই আৰু (গ) এই অঞ্চলৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত স্থানীয় চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ কিছু উদাসীন। অথচ আপেক্ষিকভাৱে পিচপৰা এই অঞ্চলৰ দ্ৰুত উদ্যোগিকৰণ আৰু উদ্যোগসমূহত থলুৱা লোকৰ নিয়োগ সম্পৰ্কে উভয় চৰকাৰ অধিক মনোযোগীহে হোৱা উচিত। সীমান্তৰ প্ৰতিৰক্ষাৰ অতিৰিক্ত দায়িত্ব বহন কৰা এই অঞ্চলৰ ৰাইজৰ মাজত যাতে নিবনুৱা সমস্যা সংক্ৰান্ত কোনো ধৰণৰ অসন্তুষ্টি নহয়, যাতে

উপযুক্ত লোক উপযুক্ত কামত নিয়োজিত হয়,— তাৰৈ লক্ষ্য ৰখাৰ বাবে আমি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰোঁ। এই পৰিসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি চতুৰ্থ পৰিকল্পনাত বিনিয়োগৰ ক্ষেত্ৰত আপেক্ষিকভাৱে পিচপৰা অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ কথাৰৈ কেন্দ্ৰীয় চৰকাৰ আৰু পৰিকল্পনা আয়োগে বিশেষভাৱে যেন মন কৰে তাকেই আমি আশা কৰো। অসম চৰকাৰেও এই বিষয়ে অধিক মনোযোগ দিব লাগিব। মংগলকামী ৰাষ্ট্ৰত ভাৰতৰ প্ৰতি অংশ সমানে আগবঢ়াটো অতিশয় আৱশ্যক।

## ত্ৰিভাষী সূত্ৰৰ অসাৰতা

পৰহি আহমদাবাদৰ সংবাদপত্ৰসেৱীসকলৰ আগত কেন্দ্ৰীয় মন্ত্ৰী আৰু প্ৰসিদ্ধ শিক্ষাবিদ ড° ত্ৰিগুণা সেনে স্পষ্টভাৱে কয় যে শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত তেওঁ ত্ৰিভাষী সূত্ৰৰ বিৰোধী। উন্নত দেশসমূহত মাতৃভাষাৰ জৰিয়তেই সকলো স্তৰতে শিক্ষা দিয়া হয়। সেই দেশসমূহৰ ল'ৰা-ছোৱালীয়ে অবাবতে একাধিক সময় নষ্ট কৰিব বাবে বহুমূলীয়া সময় নষ্ট কৰিবলগীয়া নহয়। ভাৰতত যদিও বহু ভাষা আছে, তথাপি শিক্ষামন্ত্ৰীয়ে ভাবে যে সেয়ে মাতৃভাষাৰ জৰিয়তে সকলো স্তৰতে শিক্ষাদানৰ ক্ষেত্ৰত একো প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰে। সুখৰ কথা যে প্ৰথমবাৰৰ কাৰণে চৰকাৰৰ শিক্ষা বিষয়ক উচ্চতম মুখপাত্ৰ এগৰাকীয়ে দৃঢ়তাৰে এনে এটি অতি আৱশ্যকীয় উক্তি কৰিছে। তথাকথিত দ্বিভাষী-ত্ৰিভাষী সূত্ৰ আদিৰ উদ্ভাৱনে ভাৰতৰ বিভিন্ন ভাষা-ভাষী অঞ্চলত তিক্ততাৰহে সৃষ্টি কৰিছে। লগতে ছাত্ৰসকলৰ প্ৰতিভাৰ স্বাভাৱিক বিকাশৰ ক্ষেত্ৰত এনে ধৰণৰ শিক্ষাৰ মাধ্যম বিভ্ৰাটে আহুকালৰ সৃষ্টি কৰিছে। পৰাধীন ভাৰতত বিদেশী ভাষা আৰু সাহিত্যৰ যোগেৰেহে শিক্ষিত আৰু সভ্য বুলি পৰিচয় দিয়া নীচাত্মিকা মনোভাবৰ অন্ত আজি কুৰি বছৰেও আমি আঁতৰাব নোৱাৰাটো পৰিতাপৰ বিষয়। আনহাতে ৰাষ্ট্ৰ ভাষা, উন্নত ভাষা বা সংখ্যালঘিষ্ঠৰ ভাষা আদি ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত 'বুলি' আওৰাই ভাৰতৰ বিভিন্ন অঞ্চলত এহাতে সংহতিবিৰোধী কামকে পৰোক্ষভাৱে কৰা হৈছে আৰু আনহাতে সমগ্ৰ ৰাষ্ট্ৰৰে শিক্ষা-বিজ্ঞান আদিৰ ক্ষেত্ৰত সম্ভাব্য প্ৰগতিত হেঙাৰ দিয়া হৈছে। আশা কৰো, কেন্দ্ৰীয় শিক্ষামন্ত্ৰীয়ে কোৱা কথাষাৰ কাৰ্যত পৰিণত কৰিবলৈ তেওঁ অচিৰতে উপযুক্ত ব্যৱস্থা ল'ব। সমূহ ৰাইজে ৰাজনৈতিক চক্ৰান্তত পৰি দেশৰ ভৱিষ্যৎ ছাত্ৰ সমাজৰ প্ৰতি কৰি অহা অন্যায়ৰ বিপৰীতে শিক্ষামন্ত্ৰীৰ এই নতুন ব্যৱস্থাক নিশ্চয় আদৰণি জনাব।

## নলবাৰী

আজি কামৰূপ জিলাৰ তৃতীয়খন মহকুমা আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব। প্ৰশাসনীয় সুবিধাৰ কাৰণে আৰু ক্ৰমে বাঢ়ি অহা জনসংখ্যা আদিলৈ লক্ষ্য ৰাখি নতুন মহকুমা সৃষ্টি হোৱাটো আৱশ্যকীয়। একে ধৰণে উত্তৰ লক্ষীমপুৰ, শিৱসাগৰ, নগাঁও আদি জিলাৰ ক্ষেত্ৰতো ৰাইজে নতুন মহকুমা বিচৰাৰ বাতৰি মাজে সময়ে পোৱা যায়। মেল-মোকৰ্দমা, ৰাজহ-ততহ আদি নানা কাৰণে একোখন মহকুমাৰ সদৰ ঠাইলৈ শ শ মানুহ নিতৌ আহ-যাহ কৰিবলগীয়া হয়। এইক্ষেত্ৰত আৰ্থিক অনাটনৰ দিনত হোৱা ভৰণি কমাবলৈ আপেক্ষিকভাৱে কম দূৰত্বত এনেবোৰ ব্যৱস্থা থকাটো ৰাইজৰ কাৰণে সুবিধাজনক। তদুপৰি একেটা মহকুমাৰ অফিচসমূহত বাঢ়ি অহা কাম সময়মতে কৰিব নোৱাৰাত দূৰৈৰ মানুহ আহি কেবাদিন থাকিবলগীয়াত পৰে, কামো সুচাৰুৰূপে নহয়, কেতিয়াবা এবাৰতে কৰিব পৰা কামৰ বাবে একাধিকবাৰ আহিবলগীয়া হয়। আনহাতে চৰকাৰী কৰ্মচাৰীসকলেও অত্যাধিক কামৰ হেঁচাত ৰাইজক সন্তুষ্ট কৰাত অসুবিধা হয়। এনে অৱস্থাত কামৰূপৰ দৰে

জনবহুল জিলা এখনত তৃতীয় মহকুমা এটা হোৱাত আমি সন্তোষ পাইছো। এই চেগতে এই নতুন মহকুমাখনৰ আশু উন্নতি আমি কামনা কৰিছো।

দেওবাৰ, ৯ এপ্ৰিল, ১৯৬৭ চন

# আমাৰ দুৰ্বলতা

বাতৰি প্ৰতিষ্ঠানৰ বাতৰি মতে ৩০০ বিদ্ৰোহী নগা উত্তৰ ব্ৰহ্মইদি চীনলৈ ৰাওনা হৈছে। তেওঁলোকে হেনো চীনত প্ৰশিক্ষণ ল'ব আৰু সেই দেশৰ পৰা অস্ত্ৰ-শস্ত্ৰ যোগাৰ কৰিব। ইতিমধ্যে পাকিস্থানে পোনপটীয়াভাৱে বিদ্ৰোহী নগা আৰু মিজো দলক সাহায্য দিয়াত পৰিস্থিতি জটিল হৈ পৰিছে। এতিয়া চীনৰো পোনপটীয়া সহযোগে পৰিস্থিতি আৰু জটিল কৰি তুলিব। বাতৰিটোৰ পৰা আৰু জনা গৈছে যে বিদ্ৰোহী নগা আৰু মিজো দলৰ মাজত হোৱা বন্দোবস্ত মতে উভয় পক্ষই এক হৈ মণিপুৰৰ বিশেষ কেইটামান অঞ্চলত তেওঁলোকৰ কাৰ্যকলাপ বৃদ্ধি কৰিব। সম্ভৱতঃ বাহিৰৰ দেশৰ লগত যোগাযোগৰ পথ আৰু সুগম কৰি তোলাৰ উদ্দেশ্যেৰেই এই পৰিকল্পনা হাতত লোৱা হৈছে।

এই বাতৰিয়ে দুনাই প্ৰমাণ কৰি দিলে যে চৰকাৰৰ নীতিয়ে দেশৰ স্বাৰ্থ আৰু বেছি বিপন্ন কৰিহে তুলিছে। শিথিল নীতিৰ আশ্ৰয় লৈ চৰকাৰে মিজো বা নগা বিদ্ৰোহী দলক বিদেশৰ কাষ চপাৰ পৰা বিৰত কৰিব পৰা নাই। বিদ্ৰোহী নগা নেতা শ্ৰীফিজো আৰু বিদ্ৰোহী মিজো নেতা শ্ৰীলালদেঙ্গাই লণ্ডনৰ পৰা চাবি-কাঠী ঘূৰাবলৈ অধিক প্ৰেৰণাহে লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে বিদ্ৰোহী মিজো আৰু বিদ্ৰোহী নগা দলে বিদেশৰ লগত যোগাযোগ স্থাপন কৰাত আৰু বিদেশৰ পৰা সাহায্য অনাত যেনেকৈ বাধা দিব পৰা নাই, ঠিক তেনেকৈয়ে বিদেশী চৰকাৰকো এনেবোৰ কাৰ্যত সহযোগ কৰাৰ পৰা বিৰত কৰিব পৰা নাই। একমাত্ৰ ব্ৰহ্ম চৰকাৰৰ পৰা সহযোগিতা পোৱা হৈছে। বিদ্ৰোহী নগা দল যাতে ব্ৰহ্মদেশত সোমাবলৈ নোৱাৰে আৰু ব্ৰহ্মৰ মাটিত যাতে ঘাটি পাতিব নোৱাৰে— তাৰ বাবে ব্ৰহ্ম চৰকাৰে পাৰ্য্যমানে চেষ্টা কৰিছে। আনকি চীনলৈ যোৱা বিদ্ৰোহী নগা দলকো ব্ৰহ্মৰ সামৰিক বাহিনীয়ে বাধা দিবৰ চেষ্টা কৰিছিল। প্ৰকাশিত বাতৰি মতে উত্তৰ ব্ৰহ্মত ব্ৰহ্মৰ সামৰিক বাহিনীয়ে বাধা দিওঁতে বিদ্ৰোহী নগা পক্ষৰ কিছু লোক হতাহত হয় হেনো।

কিন্তু সেয়া অকলশৰীয়া উদাহৰণ। চীনে বিদ্ৰোহী দলক যে সকলো প্ৰকাৰে সহায় কৰিব, সেই বিষয়ত সমূলি সন্দেহ নাই। পাকিস্থানৰ কথাও সেয়ে। শ্ৰীফিজোৱে পাকিস্থানৰ পৰা সহায় পায়হে লণ্ডন পাইছিলগৈ। বিদ্ৰোহী নগাই অস্ত্ৰ-শস্ত্ৰৰ পৰা আৰম্ভ কৰি পাকিস্থানৰ পৰা সকলো সাহায্য পাইছে। মিজো বিদ্ৰোহীকো পাকিস্থানে সহায় কৰিছে। মিজো বিদ্ৰোহীয়ে পাকিস্তানৰ সীমাৰ ভিতৰত বিদ্ৰোহী চৰকাৰ গঠন কৰাৰ বাতৰিও ওলাইছিল। বিদ্ৰোহী মিজো নেতা শ্ৰীলালদেঙ্গাই পাকিস্তানী পাৰপত্ৰৰ সহায়ত লাল খাঁ নাম লৈ লণ্ডন পাইছেগৈ বুলি বাতৰি ওলাইছে। পাকিস্থানী পাৰপত্ৰ লৈ যোৱা কাৰণেই হেনো ব্ৰিটিছ চৰকাৰে শ্ৰীলালদেঙ্গাৰ উপস্থিতিৰ কথা চৰকাৰীভাৱে স্বীকাৰ কৰিবলৈ সংকোচ কৰিছে। শ্ৰীফিজোৱেই হওক বা শ্ৰীলালদেঙ্গাই হওক— বিদ্ৰোহী পক্ষৰ সকলো ক্ষেত্ৰতে বৃটিছ চৰকাৰৰ ভূমিকাৰ সম্পৰ্কতো সন্দেহ কৰিবলগীয়া বহুত কথা আছে। কিন্তু আমাৰ চৰকাৰৰ কূটনৈতিক ব্যৱস্থা ইমান অসাৰ হৈ পৰিছে যে সেই ব্যৱস্থাই বৃটিছ চৰকাৰকো সংযত হ'বলৈ বাধ্য কৰিব পৰা নাই। এই সকলো কথাই আমাৰ দুৰ্বলতাহে প্ৰতিপন্ন কৰিছে।

# থলুৱা চাকৰি প্ৰাৰ্থী

গুৱাহাটীৰ উদ্যোগ প্ৰতিষ্ঠান এটাৰ অনুষ্ঠানত ভাষণ দিওঁতে ৰাজহ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উদ্যোগপতিসকলক অসমত উদ্যোগৰ বিকাশ সধাৰ লগতে স্থানীয় লোকক নিয়োগ কৰা বিষয়তো মনোনিৱেশ কৰিবলৈ আহ্বান জনাইছে। ৰাজ্যিক মন্ত্ৰীসকলে এই গুৰুত্বপূৰ্ণ বিষয়টোলৈ সাধাৰণতে আওকাণ কৰাটোৱেই নিয়মত পৰিণত হৈছে। এনে অৱস্থাত শ্ৰীচৌধুৰীয়ে পোনপটীয়াভাৱে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিয়াত আমি সন্তোষ প্ৰকাশ পাইছো। আমি আশা কৰো চৰকাৰে ইমানতে দায়িত্বৰ সামৰণি নেপেলাই এই বিষয়ত আৰু তৎপৰতা দেখুৱাব। ৰাজ্যৰ নিবনুৱা সমস্যা ভয়াৱহ ধৰণে বাঢ়ি গৈছে। আনকি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিবেদনতো স্বীকাৰ কৰা হৈছে যে পৰিকল্পনাই স্থিতাৱস্থাকে বাহাল ৰখাৰ বাহিৰে এইক্ষেত্ৰত একো সহায় কৰিব পৰা নাই।

সেইদেখি ৰাজ্য চৰকাৰৰ অধিক তৎপৰতাৰ প্ৰয়োজন হৈছে। উদ্যোগকৰণৰ যোগেদি আঞ্চলিক বৈষম্য দূৰ কৰিবলৈ আগবাঢ়ি যদি থলুৱা চাকৰি প্ৰাৰ্থীক বঞ্চিত কৰা হৈছে। নতুন আৰু পুৰণি বেচৰকাৰী খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান— সকলোতে থলুৱা চাকৰি প্ৰাৰ্থী বঞ্চিত হৈছে। ৰে'ল, ডাক আৰু তাঁৰ বিভাগ, বেংক আদিতো সেয়ে হৈছে। ৰে'লৱে বিভাগ আৰু ডাক বিভাগে অসমৰ পৰা অফিচ আদি তুলি নি তলগুজীয়াভাৱে নতুন 'আঁচনি' এখন কাৰ্যকৰী কৰিবলৈহে যত্ন কৰিছে বুলি সন্দেহ কৰাৰ কাৰণ আছে। আনকি ডিব্ৰুগড় বিশ্ববিদ্যালয়েও থলুৱা চাকৰি প্ৰাৰ্থীৰ বাট বন্ধ কৰাত উৎসাহ দিয়াটো পৰিলক্ষিত হৈছে। উপযুক্ত থলুৱা প্ৰাৰ্থী অকল থলুৱা বুলিয়েই অযোগ্য হৈছে ; অথচ থলুৱা প্ৰাৰ্থীতকৈ কম অৰ্হতা থকা লোককো ৰাজ্যৰ বাহিৰৰ পৰা আনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গুৰুত্বপূৰ্ণ পদত নিয়োগ কৰাৰ উদাহৰণ আছে। অসম চৰকাৰে অকণমানো যদি চকু-কাণ দিলেহেঁতেন, তেন্তে সমগ্ৰ অসমজুৰি এনেবোৰ ঘটনা ঘটিবলৈ নেপালেহেঁতেন। আমি আশা কৰো চৰকাৰে এই সমস্যাৰ প্ৰতি চকু দিব।

সোমবাৰ, ১০ এপ্ৰিল, ১৯৬৭ চন

# অসমত উদ্যোগ

অসমৰ নতুন উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই কাৰ্যভাৰ গ্ৰহণৰ কেইদিনমানৰ ভিতৰতে উদ্যোগ নীতিৰ ক্ষেত্ৰত এটা ডাঙৰ পৰিৱৰ্তন হ'ব পৰাৰ ইংগিত দিছে। তেওঁৰ কথাৰ সুৰ আৰু চিন্তাধাৰাই সম্ভাব্য পৰিৱৰ্তনৰ লগতে মন্ত্ৰীসভাত ডেকা শক্তিৰ এটা উমান দিছে বুলিব লাগিব। এতিয়ালৈকে অনুসৃত উদ্যোগ নীতিৰ ভালেমানতে তেওঁ অসন্তুষ্ট ; ঋণদান পদ্ধতিকে আদি কৰি কেইটিমান স্পষ্ট উদাহৰণো তেওঁ এই সংক্ৰান্তত দাঙি ধৰিছে। এই পদ্ধতি সলনি কৰাৰ উপৰি কুটীৰ শিল্পৰ প্ৰসাৰৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছে আৰু চাহিদা আধাৰিত উদ্যোগ যেনে খাদ্য, গৃহ নিৰ্মাণ সঁজুলি আদি বিষয়ত প্ৰচেষ্টা হাতত লোৱাৰ আৱশ্যকতালৈ আঙুলিয়াই দিছে। অসমত ব্যক্তিগত বা বেচৰকাৰী মূলধন নাই বুলি কৈ সৰহীয়াকৈ ঋণ দান কৰি উদ্যোগ গঢ়াত সহায় কৰি কাৰিকৰী জ্ঞান আৰু তৈয়াৰী বস্তু বিক্ৰীত সহায় কৰাত বিশেষ গুৰুত্ব উদ্যোগ মন্ত্ৰীয়ে আৰোপ কৰিছে।

নতুন মন্ত্ৰীসভাৰ সদস্য হ'লেও শ্ৰীশৰ্মাই এইবিলাক কথা চিন্তা কৰিছে যেতিয়া এইবোৰ কথাৰ পৰাই চৰকাৰৰ নীতিৰ আভাস এটা পোৱা গৈছে বুলি আমি ধৰি লৈছো। অহা কেইটামান বছৰ অসমৰ কাৰণে বিশেষ গুৰুত্বপূৰ্ণ বুলি তেওঁ কৈছে যেতিয়া চৰকাৰৰ নতুন উদ্যোগ নীতি সম্বন্ধে দুআষাৰ কথা ক'বৰ অধিকাৰ ৰাইজৰো আছে। নতুন দৃষ্টিভংগী ল'ব খোজা শ্ৰীশৰ্মাৰ মনোভাৱক আমি ওলগ জনাওঁ। কিন্তু লগতে আমি ইয়াকো কওঁ যে অসমত ব্যক্তিগত মূলধন নেথাকিলেও ইয়াত উদ্যোগ স্থাপন কৰিবলৈ তাৰ একেবাৰে অভাৱ হোৱা নাই। আন লোকে ব্যৱসায়িক কাৰণত অসমত উদ্যোগ স্থাপন নকৰাকৈ থকা নাই। আকৌ ইতিপূৰ্বে ব্যক্তিগত ব্যৱসায়ীৰ সহযোগিতাত চৰকাৰী ধনৰ অংশেৰেও ডাঙৰ ডাঙৰ কল-কাৰখানা স্থাপিত হৈছে। এইবোৰৰ পৰা আমাৰ ৰাজ্যখনৰ উদ্যোগীকৰণত নিশ্চয় সহায় হৈছে। কিন্তু ইয়াৰ পৰা থলুৱা লোকৰ লাভ হৈছে নে নাই বা হৈছে যদি কি পৰিমাণে হৈছে সেইটোও চাব লাগিব। অসমৰ কেবা ঠাইতো উদ্যোগ পাম স্থাপন কৰি দিয়া হৈছে ; কিন্তু সেইবোৰত থলুৱা মানুহক সা-সুবিধা দিয়াতকৈ আন মানুহকহে উপকৃত কৰাৰ লক্ষণ দেখা যায় বুলি অভিযোগ উঠি আছে। যোৱা বিধানসভাৰ এটা দলে অসমৰ বিভিন্ন উদ্যোগ পৰিদৰ্শন কৰি থলুৱা লোকৰ নিয়োগ সম্বন্ধে দুখ লগা ছবি এখন দাঙি ধৰিছিল। তাৰ উন্নতি এতিয়াও হোৱা নাই। নিয়োগৰ কথা এৰিলেও স্থানীয় মানুহে যেন উদ্যোগ স্থাপনৰ ক্ষেত্ৰত স্থানীয় চৰকাৰৰ সহানুভূতিৰ পৰা বঞ্চিত নহয় তালৈ চকু ৰাখিবলৈ আমি চৰকাৰক এতিয়াই সকীয়াই থ'লো। কিয়নো ইয়াৰ মানুহে বাহিৰলৈ গৈ উদ্যোগ পতাৰ সপোন দেখিব নোৱাৰে। তেওঁলোকে ইয়াতেই যি হয় কৰিব লাগিব। চৰকাৰে তেওঁলোকক সহায় কৰিবই লাগিব।

শ্ৰীশৰ্মাই কুটীৰ শিল্পৰ ওপৰত জোৰ দিয়া কথাটোও ভালদৰে ভাবি চাবলগীয়া। এইটো অৱশ্যে একো নতুন কথা নহ'ব। কাৰণ কাপোৰ-কানিৰ পৰা বাঁহ-বেতৰ কামলৈকে কুটীৰ শিল্পত ইতিপূৰ্বেই কাম কৰি অহা হৈছে। এইবিলাকে যে বহুতো নতুন নতুন বাট মুকলি কৰি দিছে তাতো সন্দেহ নাই। মাত্ৰ উদ্যোগ মন্ত্ৰীয়ে ইয়াৰ উৎপাদিত সামগ্ৰীসমূহৰ বজাৰ সম্পৰ্কে দিয়া ইংগিতটোহে আমাৰ কাৰণে অলপ উৎসাহজনক। তেওঁ ক'বৰ দৰে যদি চৰকাৰৰ বিভিন্ন দপ্তৰ এইবিলাক বস্তুৰ গ্ৰাহক হয় তেন্তে কুটীৰ শিল্পই বিশেষ উৎসাহ পাব। এই সম্পৰ্কত কেইবা লাখ টকাৰো অফিচ সামগ্ৰী বছৰি কিনা হয় বুলি তেওঁ উল্লেখ কৰিছে। কুটীৰ শিল্পজাত বস্তুৰ উন্নতি সাধন কৰি অথবা আৱশ্যকীয়ভাৱে ৰুচিসন্মত কৰি ৰপ্তানি কৰাৰ চেষ্টা এটাও থাকিব লাগে। হেণ্ডলুম আৰু ধাতৰ সামগ্ৰীয়ে দেশৰ বাহিৰত মানুহৰ মন আকৰ্ষণ কৰাৰ দৰে অসমৰ তাঁত শিল্পজাত আৰু অন্যান্য সামগ্ৰীয়েও তেনে কৰিব নোৱাৰাৰ কাৰণ নাই।

সেইবুলি যে অসমত বৃহৎ উদ্যোগৰ আৱশ্যক নাই এই কথা যেন ধৰি লোৱা নহয়। এইটো বৃহৎ উদ্যোগৰে যুগ। আন আন ঠাই আৰু দেশৰ লগত সমানে খোজ মিলাই চলাৰ কথাও আমি পাহৰি যাব নেলাগিব। কুটীৰ শিল্পৰ লগে লগে বৃহৎ উদ্যোগৰো বিকাশ সাধন সমানে কৰি যোৱাৰ কথা চৰকাৰে চিন্তা কৰিব লাগিব। বৃহৎ উদ্যোগৰ লগতে যে কুটীৰ শিল্পৰো বিশেষ উপযোগিতা আৰু বিৰাট সম্ভাৱনা আছে সেই কথা জাপানেই প্ৰমাণ কৰি দিছে। জাপানে কুটীৰ শিল্পৰ বিশেষ উন্নতি সাধন কৰাৰ লগে লগে বৃহৎ উদ্যোগেৰে আমেৰিকাৰ নিচিনা উন্নত দেশৰ লগত ফেৰ মাৰি দেখুৱাইছে। অসমৰ উদ্যোগীকৰণৰ সময়তো এই কথা মনত ৰাখিব লাগিব। কুটীৰ শিল্পৰ উন্নতি আৰু প্ৰসাৰেৰে অসমৰ মানুহৰ অৰ্থ আৰু সুনাম হওক, কিন্তু বৃহৎ উদ্যোগৰ পৰা বঞ্চিত কৰি যেন তেওঁলোকক বহল বিশ্বৰ পৰা বিচ্ছিন্ন কৰি ৰখা নহয়।

# পুৰণি বস্তু

পুৰণি থেকেৰাৰ দৰে বহুতো পুৰণি দ্ৰব্যৰে ঔষধি গুণ আছে। অকল খোৱা বস্তুতে এই কথা নেখাটে। পুৰণি মুদ্ৰা, পুৰণি ফুল-জালি কটা শিল, ছবি অঁকা বা আখৰ লিখা কাগজ বা সাঁচিপাত আদিৰ পৰা কেনেকৈ বুৰঞ্জী উদ্ধাৰ কৰা হয় সেইটো সকলোৰে জানে। এইবোৰতকৈও পুৰণি বস্তু যেনে জীৱাশ্ম, মাটিৰ পাত্ৰ আদিয়েও বুৰঞ্জী জনাত সহায় কৰি আহিছে। কিন্তু পুৰণি বস্তুৰ পৰা কেতিয়াবা বিপদ ঘটাৰো সম্ভাৱনা আছে। পুৰণি কাকত-পত্ৰই কেতিয়াবা গৰাকীৰ বিৰুদ্ধে গোচৰৰ প্ৰমাণৰ কাম কৰিবও পাৰে। নীলা খামৰ চিঠি একোটা বয়সত অলপ-অচৰপ আটায়ে লিখে। ছেণ্টিমেণ্টাল কাৰণত এনে চিঠিৰ জাপ হয়তো কোনো কোনোৱে বাকচৰ তলিত থৈও দিয়ে। দৈবাৎ গৃহিণীয়ে এনেকুৱা তেওঁলৈ নিলিখা চিঠি পালে কি হ'ব পাৰে তাৰ গল্প ডেকা-গাভৰুৱে লিখিবই লাগিছে। বিপদ যে ঘটিব পাৰে সেই কথা বহু সময়ত ভাবিবই নোৱাৰি। বিৰোধী দলে চৰকাৰ গঠন কৰা কেবাখনো ৰাজ্যত পুৰণি ফাইল পাচ দুৱাৰেদি নিব খোজা অথবা নষ্ট কৰি পেলাব খোজাৰ বাতৰি ওলাইছে। আগৰ চৰকাৰেনো বাৰু কেনেকৈ ভাবিব যে কাহানিবা তেওঁলোকৰ দলে গাদী এৰিব লাগিব, এৰিলে ফাইলবোৰ কামত আহক চাৰি বিপদজনকহে হৈ উঠিব? শ্ৰীমতী ইন্দিৰা গান্ধীয়ে হাৰ এডাল লৈ যে এসময়ত বিপদত পৰিব সেই কথা জনা হ'লেনো তেওঁ ছৌদি আৰবৰ ৰজাৰ পৰা সেই উপহাৰ ল'লেহেঁতেন নে? ড° ৰামমনোহৰ লোহিয়া আৰু তেওঁৰ সহকৰ্মীসকলে পুৰণি কাগজ-পত্ৰৰ সহায়ত চৰকাৰী মানুহক কম লটিঘটি কৰি থকা নাই! বুৰঞ্জী অধ্যয়নত সহায়ক হ'লেও কিছুমান সমল কেতিয়াবা অবাঞ্ছনীয় হোৱাত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই বুৰঞ্জী দাহ কৰাদি নষ্ট কৰিবলৈ চেষ্টা কৰা দেখা যায়। আজিকালিৰ দিনতো নথি-পত্ৰই বিপদ ঘটাই থকা দেখা যায় যেতিয়া কিছুমান ক্ষমতাশালী উচ্চ মহলে কৰাৰ দৰে মধ্যপন্থা এটা অৱলম্বন কৰিব লাগে, আদেশ-নিৰ্দেশ পৰাখিনিলৈকে মুখেৰেই দিব লাগে, যাতে ভৱিষ্যতে কোনেও তাক প্ৰমাণ কৰিব নোৱাৰে। পুৰণি প্ৰবচন এটাৰ হ'লে এইক্ষেত্ৰত সাৰবত্তা স্বীকাৰ কৰিব লাগিব ঃ গছৰ গুটি খাবা, নাম নকবা।

# বিদ্ৰোহী নগাৰ তৎপৰতা

নগা সমস্যা সমাধানৰ বাবে ভাৰত চৰকাৰে নানা উপায় অৱলম্বন কৰি চলাই অহা চেষ্টা এতিয়ালৈকে ব্যৰ্থতাত পৰিণত হৈছে। আত্মগোপনকাৰীসকলৰ লগত পাঁচবাৰ আলাপ-আলোচনা কৰিও এইক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা হোৱা নাই। অস্ত্ৰ বিৰতিৰ কাল দীঘলাই থাকিলেও, তাৰ মাজতে অ'ত ত'ত পশ্চাৎঘাতী কাৰ্য চলি আছে। এতিয়া শেহতীয়া বাতৰিত জনা গৈছে যে পাকিস্থানলৈ দীঘলীয়া বাট কাৰণে টিৰাপ সীমান্ত অতিক্ৰম কৰি শ শ বিদ্ৰোহী নগাই চীনদেশত গেৰিলা যুঁজৰ প্ৰশিক্ষণ লৈ আৰু বিদেশী অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই আনি এওঁলোকে ভাৰতৰ এই সীমান্ত অঞ্চলত পুনৰ হত্যা আৰু অগ্নিকাণ্ডৰ পোহাৰ মেলিবলৈ আঁচনি কৰিছে। আনহাতে বিদ্ৰোহী মিজোৰ লগত সম্বন্ধ স্থাপন কৰি একেলগে এই অঞ্চলত চৰকাৰৰ স্থিতি বিপন্ন কৰাৰ প্ৰয়াস কৰা বুলিও বাতৰি ওলাইছে। এনেদৰে ভীতি প্ৰদৰ্শন কৰি বা কৌশলজনক হেঁচা দি ৰাজনৈতিক দাবী প্ৰতিপন্ন কৰাৰ চেষ্টাৰ বিপৰীতে ভাৰত চৰকাৰে কি ব্যৱস্থা লয় তাৰ ওপৰতে সমগ্ৰ ৰাষ্ট্ৰৰ নিৰাপত্তা নিৰ্ভৰ কৰিব। দৃঢ় নীতিৰ অভাৱত ভাৰতবৰ্ষত প্ৰতিটো সমস্যাৰ পোখাই শেষলৈ বৃহৎ মহাৰূহত পৰিণত হোৱাটো যেন এটা গতানুগতিক কথা হৈ পৰিছে। আনকি নগা সমস্যাৰ দৰে ৰাষ্ট্ৰীয় জীৱন বিপন্ন কৰিব পৰা প্ৰশ্নৰ ক্ষেত্ৰতো, দীৰ্ঘসূত্ৰিতা,

সিদ্ধান্তহীন মনোভাৱ আৰু তোষণ নীতিয়ে সমস্যাটোক ইতিমধ্যে বিৰাট আকাৰত পৰিণত কৰিছে। এতিয়াও দৃঢ়তাৰে বাঢ়ি অহা বিপদক তীব্ৰভাৱে বাধা দিয়াৰ সময় উকলি যোৱা নাই। ভাৰত চৰকাৰে যেন শত্ৰু ৰাষ্ট্ৰৰ লগত সংযোগ স্থাপন কৰিবলৈ দেশৰ কোনো বিদ্ৰোহী দলকে সুবিধা নিদিয়ে, তাৰ বাবে অতি তৎপৰতাৰে ব্যৱস্থা লোৱা উচিত।

নিৰ্বাচনৰ পিচত ভাৰতত যি ৰাজনৈতিক দৃশ্যাৱলীৰ অৱতাৰণা হৈছে তাক নিৰাসক্তভাৱে পৰ্যবেক্ষণ কৰোঁতাসকলে দেখিবলৈ পাইছে যে সকলো দলৰ সকলো পৰ্যায়ৰ ৰাজনৈতিক নেতাসকলেই ক্ষমতাৰ ধান্দাত মতলীয়া হৈ পৰিছে। কোনবোৰ লক্ষ্য সাধনৰ বাবে ক্ষমতাৰ প্ৰয়োগ হ'ব লাগে তাক নজনাকৈয়ে তেওঁলোকে ক্ষমতাৰ খকা-খুন্দাত ব্যস্ত হৈ পৰিছে। আনহে নালাগে জৰুৰী সমস্যাৱলী যে তেওঁলোকে বুজি পাইছে তেওঁলোকৰ কথাৰ গতি আৰু কাৰ্যৰ ভাওত তাৰো অহফুট পাবলৈ নাই।

দেশৰ বৈদেশিক নীতি, প্ৰতিৰক্ষা প্ৰস্তুতি, দুৰ্ভিক্ষৰ আশংকা, বা দেউলীয়া অৱস্থা— যিহৰে কথা নাভাবো লাগে, সকলোৰে একমাত্ৰ প্ৰতিকাৰ হ'ল দেশৰ অৰ্থনৈতিক স্বাস্থ্যৰ উন্নয়ন সাধন।

সাধাৰণ নিৰ্বাচনে এটা কথা প্ৰকাশ কৰিছে। সেইটো হ'ল, ভাগ্যবিধাতা পৰিৱৰ্তন কৰাৰ অধিকাৰ সম্পৰ্কে জনসাধাৰণ সচেতনতা। তাৰ ফলত ক্ষমতাই যি নতুন গঢ় লৈছে সি ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত থকা খেলিমেলি অধিক প্ৰকট কৰি তুলিছে। সকলো দলৰ গতিভাও বিচাৰ কৰিলে দেখা যায় উভয় ক্ষেত্ৰতে পৰিস্থিতি উন্নত হোৱাৰ আগতে আৰু বেয়ালৈহে যাব।

বৃহস্পতিবাৰ, ১৩ এপ্ৰিল, ১৯৬৭ চন

# ফিজোৰ আমেৰিকা যাত্ৰা

পলাতক বিদ্ৰোহী নগা নেতা শ্ৰীজোপো ফিজো লণ্ডনৰ পৰা মাৰ্কিন যুক্তৰাজ্যলৈ গৈছে। ৰাজ্যসভাত এটা প্ৰশ্নৰ উত্তৰ দি বৈদেশিক মন্ত্ৰী শ্ৰীচাগলাই সংবাদ দিছে যে তেওঁ "চিকিৎসা"ৰ কাৰণে সেই দেশলৈ গৈছে। ৰাজনৈতিক উদ্দেশ্য লৈ আন বহু নেতৃস্থানীয় লোকে গ্ৰহণ কৰা এনে "চিকিৎসা"ৰ তাৎপৰ্য বুজিবলৈ একো টান নহয়। ৰাজ্যসভাৰ এজন সদস্যই ক'বৰ দৰে বৃটেইনৰ নিচিনা চিকিৎসা বিষয়ত বিশেষ অগ্ৰৱৰ্তী এখন দেশৰ পৰা আমেৰিকালৈ চিকিৎসা কৰাবলৈ যোৱাৰ কোনো অৰ্থ নহয়। আত্মগোপনকাৰী নগা বিদ্ৰোহীসকলৰ অনমনীয় মনোভাৱ সদায়েই স্পষ্ট হৈ আহিছে। ৰাজনৈতিক মীমাংসাৰ কাৰণে ভাৰত চৰকাৰে আলোচনাৰ পথ অৱলম্বন কৰিছে যদিও আৰু সমাধান-আশাৰ সপোন দেখিবই লাগিছে যদিও বিদ্ৰোহী পক্ষৰ ফালৰ পৰা এবাৰলৈকে সাৰ্বভৌমত্ব দাবী প্ৰত্যাহাৰ কৰা হোৱা নাই। কহিমা বা দুৰ্গম পাহাৰত কিয়, নতুন দিল্লীতে আলোচনা কৰিবলৈ যোৱা বিদ্ৰোহী প্ৰতিনিধি দলে এই কথা একাধিকবাৰ ঘোষণা কৰিছে। কেইদিনমানৰ আগতে মাত্ৰ সাংবাদিকসকলক মাতি নি বিদ্ৰোহী পক্ষই নগা সমস্যাৰ সমাধানত দিল্লী চৰকাৰেই পলম কৰিছে বুলি অভিযোগ তুলিছিল ; পৰহি দিনাও তেনেকুৱা এটা ঘোষণা তেওঁলোকে প্ৰকাশ কৰিছে। লণ্ডনৰ পৰা শ্ৰীফিজোৱে বিদ্ৰোহৰ বাঘজৰীত ধৰিয়ে আছে। তেওঁৰ ওচৰলৈ সঁজাতী যাবলৈ প্ৰধানমন্ত্ৰীয়ে সন্মতি দিছিল কিন্তু "স্বাধীন" নাগৰিকৰ ৰূপত যাব খোজা যেন কৰাতহে যোৱা হৈ উঠা নাই। ইপিনে দলে দলে বিদ্ৰোহী নগা চীনদেশলৈ যাবই লাগিছে

গৰিলা ৰণকৌশল শিকি ৰণসম্ভাৰ লৈ পনৰ অনুপ্ৰৱেশ কৰিবৰ কাৰণে। সকলোখিনি কথা বিবেচনা কৰি চালে দেখা যায় যে এটা মাৰাত্মক জটিল অৱস্থাৰ সৃষ্টি হৈছে। ইয়াৰ ফলত নগা সমস্যাটোৱে যে এটা আন্তঃৰাষ্ট্ৰীয় ৰূপ পৰিগ্ৰহণ নকৰিব সেইটো ক'ব নোৱাৰি। সেইটোকে বিদ্ৰোহী দলে বিচাৰিও ফুৰিছে।

বিদ্ৰোহীক দমন বা প্ৰতিশোধ কৰাত চৰকাৰ যেনেকৈ ব্যৰ্থ হৈছে, তেনেকৈ তেওঁলোকক অবাধে এই দেশৰ পৰা ওলাই-সোমাই ফুৰাতো বাধা দিব পৰা নাই। ৰেভাৰেণ্ড মাইকেল স্কটৰ দৰে লোকৰ সহায়ত যদি শ্ৰীফিজো, শ্ৰীলালডেঙ্গা আদিয়ে ভাৰতক অপমানজনক অৱস্থাত পেলাই গৈ তেন্তে তাৰ কাৰণেও চৰকাৰেই জগৰীয়া হ'ব। কাৰণ শ্ৰীফিজোৰ ওপৰত ইমান গুৰুত্ব দি থকাৰ কোনো প্ৰয়োজন নাছিল। তেওঁ এই দেশ এৰাৰ উপৰি ইয়াৰ নাগৰিকত্বকো অস্বীকাৰ কৰি বৃটেইনৰ নাগৰিকত্ব গ্ৰহণ কৰিছে। আমি ভাবো যে ভাৰত চৰকাৰে শ্ৰীফিজোক কোনো মূল্যই দিব নেলাগে। সেইবাবে বিদ্ৰোহীৰ প্ৰতিনিধিয়ে তেওঁক লগ ধৰিব খুজিলেও তাত অনুমতি বা সন্মতি দিয়াৰ প্ৰয়োজন নাই। তেওঁলোকে এই দেশৰ মাটিতে কিবা এটা মীমাংসালৈ আহিব লাগিব।

শ্ৰীফিজোৰ "ৰাজনৈতিক" চিকিৎসা-প্ৰচেষ্টাই আমাৰ অধিক সতৰ্কতাৰ প্ৰয়োজনলৈ সকীয়াই দিছে। বৃটেইন বা আমেৰিকাই তেওঁৰ নিচিনা পলৰীয়াক আশ্ৰয় দিব পাৰে। কিন্তু আমাৰ সাৰ্বভৌমত্বক প্ৰশ্ন কৰা বিষয়তো যেতিয়া তেওঁলোকে আওপকীয়াকৈ সহায় কৰিব খোজে তেতিয়া আমাৰ চৰকাৰে কঠোৰতা অৱলম্বন কৰা উচিত। আমাৰ প্ৰতি প্ৰকৃত সন্মান থাকিলে তেওঁলোকে নিশ্চয় সঁহাৰি দিব। যদিহে নিদিয়ে তেন্তে বুজিব লাগিব যে সাম্ৰাজ্যবাদী বা অন্য প্ৰকাৰৰ কিবা মনোবৃত্তি বৃটেইনত আছে যাৰ কাৰণে মাইকেল স্কটৰ নিচিনা মানুহক সহ্য কৰি যোৱা হৈছে। মাৰ্কিন যুক্তৰাজ্যতো শ্ৰীফিজোৱে আশ্ৰয়-প্ৰশ্ৰয় পাবলৈ হ'লে একে মনোভাবৰ কথাকে আমি বুজি ল'ব লাগিব।

## নিমাত কিয় ?

নতুনকৈ কাৰ্যভাৰ গ্ৰহণ কৰি ৰে'লৰে উপমন্ত্ৰী শ্ৰীজামিৰে মালিগাঁৱলৈ আহি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ পৰা কাৰ্যালয় তুলি নিয়া সম্বন্ধে নীৰৱতা অৱলম্বন কৰাটো বৰ আশ্চৰ্যজনক। ফৰ্মছ ডিপো, এক্জিকিউটিভ ইঞ্জিনীয়াৰৰ কাৰ্যালয় আদি স্থানান্তৰ কৰা সম্বন্ধে সংশ্লিষ্ট কৰ্মচাৰী আৰু ৰাইজৰ মনত অসন্তোষৰ ভাব ওপজিছে, আৰু এই সম্পৰ্কত ৰাজহুৱা প্ৰতিবাদ সভা একাধিকখন হৈ যোৱাৰ উপৰি সংসদতো প্ৰশ্ন উত্থাপন কৰা হৈছে। এনে স্থলতো শ্ৰীজামিৰে চৰকাৰ পক্ষৰ হৈ কি মনোভাব বা উত্তৰ লৈ ইয়ালৈ আহিছিল যে এই গুৰুত্বপূৰ্ণ বিষয়ত তেওঁ পুনৰ দিল্লীলৈহে ধীয়াই থাকিবলৈ সমিধান দিলে ? নতুন উপমন্ত্ৰী হিচাপে তেওঁ ৰে'লৱেৰ বিভিন্ন 'জোন'ৰ বুজ লৈ ফুৰাটো নিশ্চয় ভাল কথা হৈছে। বিশেষকৈ তেওঁ নিজে এই অঞ্চলৰ মানুহ যেতিয়া বিদ্ৰোহীৰ আক্ৰমণ আদিয়ে ভাৰাক্ৰান্ত এই ৰে'লপথৰ সমস্যাৱলী জানি ল'বলৈ অহাটো সুখৰ কথা। কিন্তু চৰকাৰীভাৱে উক্ত কাৰ্যালয় স্থানান্তৰৰ বিষয়ে ইতিপূৰ্বে জনা সত্ত্বেও তেওঁ কিয় সেই সম্পৰ্কে কিবা মন্তব্য বা অভিমত দিবলৈ টান পালে সেইটোহে দুৰ্বোধ্য। তেওঁ মনত ৰখা উচিত আছিল যে অসমৰ পৰা এই 'জোন'ৰ কাৰ্যালয়বিলাক ধাৰাবাহিকভাৱে তুলি নিয়াৰ চেষ্টা এটা তলে তলে চলিছে বুলিও অভিযোগ উঠিছে। সেই অভিযোগৰ সত্যাসত্য জানিবলৈ এতিয়াও বাকী। তথাপি সেই সম্বন্ধে জনসাধাৰণৰ মনৰ সন্দেহ দূৰ কৰিবলৈ তেওঁ প্ৰস্তুত হৈ আহিব লাগিছিল।

শ্ৰীজামিৰে যিওবা দুআষাৰ কথা অলপ স্পষ্টভাৱে গৈছে তাতো বিশেষ উৎসাহিত হোৱাৰ একো কাৰণ আমি দেখা নাই। গুৱাহাটীলৈ ব্ৰডগজ লাইন সম্প্ৰসাৰিত কৰা আৰু উজনি অসমলৈ বিকল্প ৰে'লপথ নিৰ্মাণ কৰা বিষয় দুটা সহানুভূতিৰে বিবেচনা কৰা হ'ব বুলি তেওঁ কৈছে। চতুৰ্থ পৰিকল্পনাৰ কি গতি হয়গৈ সেইটো ভালদৰে জানিবলৈ এতিয়াও বাকী। সহানুভূতিৰে বিবেচনা কৰাটো গতিকে সুদূৰ পৰাহত কথা। সি আমাক উৎফুল্ল কৰি তুলিব নোৱাৰে।

<u>শুকুৰবাৰ, ১৪ এপ্ৰিল, ১৯৬৭ চন</u>

# ব'হাগৰ বিহুৰ ওলগ

আজি বিহু। অতিকৈ চেনেহৰ বহাগৰ বিহুটি আজিৰ পৰা আৰম্ভ হৈছে। বসন্তৰ পৰশ পাই শুৱনি পৃথিৱীখনি আৰু শুৱনি হৈ পৰিছে। নাহৰ ফুল ফুলিছে, কপৌ ফুল ফুলিছে; তগৰ আৰু কেতেকীয়ে আমোলমোলাই যোৱা গোন্ধৰ সঁফুৰা মেলি দিছে; সেউজবুলীয়া পৃথিৱীখনে নতুনক আদৰিবলৈ যেন উত্ৰাৱল হৈ পৰিছে। এতিয়া চাৰিওফালেই ধুনীয়া; সকলোতে ৰঙৰ, আনন্দ-উলাহৰ পৰশ লাগিছে। সেয়ে এই বিহু ৰঙালী। এই বিহু নাচি, গীত গাই ৰঙত বলিয়া হোৱাৰ সময়। অসমীয়াৰ কৃষিভিত্তিক সাংস্কৃতিক জীৱনত ব'হাগৰ বিহুটিৰ স্থান সঁচাকৈয়ে সুকীয়া।

অসমত বিহু উৎসৱ কেতিয়াৰ পৰা পালন কৰা হৈছে, বিহু উৎসৱৰ স্বৰূপ কেনে আছিল আৰু বৰ্তমান কি হৈছে, সেই সম্পৰ্কে এশ এবুৰি প্ৰশ্নৰ অৱতাৰণা কৰি তাৰ উত্তৰ দিবলৈ প্ৰচেষ্টা চলোৱাৰ আগতে স্বীকাৰ কৰিব লাগিব যে বিহু উৎসৱ অসমীয়াৰ স্বকীয় জীৱন পদ্ধতিৰ উত্তম প্ৰতিফলন। বসন্ত কালৰ প্ৰকৃতিৰ উন্মাদনাৰ লগতে প্ৰকৃতি সন্তান অসমীয়াই কমোৱা তুলাৰ দৰে উৰিব খোজে; বাস্তৱ জীৱনৰ কঠোৰতা পাহৰি যাব খোজে; বিহু বুলি গৰুজনক মান-সৎকাৰ কৰে; বন্ধুক আকোঁৱালি ধৰে। আন সকলক মৰম-চেনেহ যাচে; ভেদাভেদ, হিংসা-দ্বেষ পাহৰি যায়। এয়া অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ এটা গুৰুত্বপূৰ্ণ দিশ। এই পৰম্পৰাকে লৈ অসমীয়া জাতি জীয়াই আছে।

কিন্তু আজি বিহুৰ দিনত, আনন্দ উছাহৰ মাজতো এটা প্ৰশ্নই মনত ভুমুকি মাৰে— আমি অসমীয়াই বিহুৰ এই গুৰুত্বপূৰ্ণ দিশ, প্ৰেম-প্ৰীতিৰ পৰম্পৰা অব্যাহত ৰাখিব পাৰিছো নে? পূৰণি কালৰ প্ৰাচুৰ্য আমাৰ নাই সঁচা। সমল থকা সত্বেও আমি কিছুমান অপৰিহাৰ্য কাৰণত আমাৰ জীৱন ধাৰণৰ মান উচ্চ কৰিব পৰা নাই, সমৃদ্ধি প্ৰাচুৰ্য আমাৰ মাজৰ পৰা আঁতৰি গৈছে। এতিয়া আমি চেনিকনৰ কাৰণে, কাপোৰ ডুখৰিৰ বাবে চৰকাৰী ঘোষণা আৰু লাভখোৰ ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। এই অৱস্থাই আমাক ভালেখিনি নিৰাশ কৰিছে সঁচা কিন্তু সেয়ে আমাৰ নৈতিকতাৰ অৱনতি ঘটোৱাৰ কাৰণতো থাকিব নোৱাৰে; মনৰ উদাৰতা প্ৰেম-প্ৰীতিৰ অভাৱ হোৱাৰতো একো কাৰণ নাই।

জাতীয় উৎসৱ স্বৰূপে ব'হাগৰ বিহুটিৰ সমাদৰ কিছুদিনৰ পৰা বৃদ্ধি পাইছে আৰু সি শুভ লক্ষণ। ৰং-ৰসহীন জীৱনক প্ৰকৃত জীৱন বুলিব নোৱাৰি। এই আনন্দৰ বাবেই আমাক জাতীয় উৎসৱ লাগে আৰু এই উৎসৱবিলাকে প্ৰেম-প্ৰীতিৰ দোলেৰে আৱেগিক ঐক্য গঢ়ি তোলা উচিত।

কাইলৈ অসমীয়া নতুন বছৰ আৰম্ভ হ'ব। এটা বিগত বছৰৰ সকলো আৱৰ্জনা জোকাৰি, হিমালয়-প্ৰমাণ আশা বুকুত বান্ধি আমি নতুন বছৰটোক আদৰণি জনাইছোঁ। অহা দিনবোৰ সকলোৰে কাৰণে সুখৰ হওক সকলোৰে শান্তিৰে বাস কৰক।

আজিৰ এই শুভ দিনত উলহ-মালহৰ মাজত আমি অসমৰ ৰাইজ আৰু আমাৰ শুভাকাংক্ষীসকললৈ ওলগ জনাইছোঁ। প্ৰতি বছৰে এই দিনত বিহু আহে। তথাপি এই দিনটো, এই সময়টো আমাৰ কাহানিও পুৰণি লগা নাই। এয়ে ইয়াৰ মাহাত্ম্য। এয়ে বসন্তৰো মাহাত্ম্য। গছ-লতাই নতুন সজীৱতা লাভ কৰাৰ দৰে প্ৰাণী জগতেও এই কালত জীৱনক নতুন ৰূপত পায়। অসমীয়া মানুহে ন-বছৰৰ পাতনিতে এই উৎসৱ পাতি কৃষি কৰ্মলৈ সাজু হয়। যিসকলে খেতি নকৰে তেওঁলোকেও এই উৎসৱৰে পৰা নতুন বল বান্ধি বছৰটোলৈ সাজু হয়। বছৰে বছৰে বাঢ়ি অহা বিহু সন্মিলনৰ সংখ্যাই অসমীয়া হিচাপে আমাৰ নৱ জাগৰণকে সূচাইছে। ই ঐক্য-সংহতিৰ প্ৰতীক। এনে এক শুভক্ষণত সকলোলৈকে ওলগ জনাবলৈ পাই আমি নিজকে ধন্য মানিছো।

মঙ্গলবাৰ, ১৮ এপ্ৰিল, ১৯৬৭ চন

# বিপন্ন মানৱতা

দক্ষিণ-পূব এছিয়াত ন্যস্ত স্বাৰ্থৰ সংঘাতে মানৱতাৰ ওপৰত যি কলংক সানিছে, সেয়া আঁতৰাবলৈ বিশ্বৰ সকলো শান্তিকামী লোক বিশেষভাৱে চিন্তিত হৈ পৰিছে। ভিয়েটনামৰ শস্য-শ্যামল প্ৰান্তৰত— বছৰৰ পিচত বছৰে— অসহায় শিশু-নাৰী ডেকা-বুঢ়াৰ তেজৰ ডোঙা বান্ধিছে। অথচ তথাকথিত ভুৱা ৰাষ্ট্ৰীয় মৰ্যাদা ৰক্ষাৰ বাবে আৰু এচাম ৰণলিপ্সুৰ স্বাৰ্থপৰ নেতৃত্ব বজাই ৰাখিবৰ চেষ্টাত এই ক্ষয়ংকৰী সমৰৰ ওৰ পেলোৱা হোৱা নাই। আনহাতে অলপৰে পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰই হয়তো শেষ চেষ্টাৰূপে জল-স্থল অন্তৰীক্ষ সকলো দিশেৰে যুদ্ধ সম্প্ৰসাৰিত কৰিছে ; নেৱানেপেৰাকৈ উত্তৰ ভিয়েটনামত বোমাবৰ্ষণ চলাই আছে আৰু আৱশ্যক হ'লে আণৱিক অস্ত্ৰ প্ৰয়োগ কৰাৰ কথাও হেনো ভাবিছে। আনহাতে মাৰ্কিন যুক্তৰাষ্ট্ৰতেই তেওঁলোকৰ চৰকাৰৰ এনেকুৱা মানৱতা বিৰোধী ৰণনীতিৰ বিৰুদ্ধে শক্তিশালী জনমতে গঢ় ল'ব ধৰিছে। শেহতীয়া বাতৰি মতে, বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ প্ৰায় ডেৰ লাখ লোকৰ সমদল এটাই পৰহি ৰাষ্ট্ৰসংঘৰ সমুখত গোট খাই ন'বেল বঁটা বিজয়ী আৰু নাগৰিক স্বত্বকামী জনসংস্থাৰ সংগঠক মাৰ্টিন লুথাৰ কিঙহে আদি কৰি শান্তিকামী নেতাসকলৰ বক্তৃতা শুনে। ভিয়েটনামত অবিলম্বে যুদ্ধ বন্ধৰ বাবে মাৰ্কিন লুথাৰ কিঙে দৃঢ়তাৰে কৈছে— যে তেওঁলোকে এই নৰহত্যা অভিযান বন্ধ কৰিবই আৰু আণৱিক ধ্বংসকাণ্ড সংঘটিত হ'বলৈ কেতিয়াও নিদিয়ে। ৰাষ্ট্ৰসংঘৰ নিম্ন সচিব ড° ৰালফ্ৰাঞ্চে কিঙক কয় যে সচিব প্ৰধান উথাণ্টে আজি কেবা মাহ আগতে আগবঢ়োৱা বোমাবৰ্ষণ বন্ধৰ প্ৰস্তাৱ কাৰ্যকৰী নোহোৱাত শান্তিকামী সকলো সদস্য হতাশ হৈছে। উথাণ্টে মাৰ্কিন যুক্তৰাষ্ট্ৰক বিনা চৰ্তে যুদ্ধ বিৰতিৰ বাবে অলপতে পুনৰ গোহাৰি জনাইছে। নতুন দিল্লী এৰাৰ আগতে বাতৰি কাকতৰ প্ৰতিনিধিবৰ্গক সচিব প্ৰধানে কৈছে যে তেওঁ পূৰ্ব প্ৰস্তাৱিত শান্তিৰ প্ৰস্তাৱত এতিয়াও বিশ্বাসী কাৰণ উত্তৰ ভিয়েটনামতে বোমাবৰ্ষণ বন্ধ হ'লেহে শান্তিৰ বাবে সাৰ্থক আলাপ-আলোচনা আৰম্ভ হোৱাটো সম্ভৱ। এই প্ৰস্তাৱ উত্তৰ ভিয়েটনামে পোনপটীয়াভাৱে অগ্ৰাহ্য কৰা বুলি তেওঁ নেভাবে। এই সন্দৰ্ভতে অহা ২৩ মে' তাৰিখে বুদ্ধদেৱৰ জন্ম দিৱস উপলক্ষে যদি যুদ্ধবিৰতি হয়— তাকে দীঘলীয়া

যুদ্ধ বিৰতিলৈ ৰূপান্তৰিত কৰি আলাপ-আলোচনাৰ বাবে উভয় পক্ষই আৱশ্যকীয় ক্ষেত্ৰ প্ৰস্তুত কৰাটো নিতান্ত উচিত হ'ব বুলি তেওঁ ভাবে।

বৰ্তমানে মাৰ্কিন দেশতে ভিয়েটনাম যুদ্ধৰ সমাপ্তিৰ বাবে গঢ়ি উঠা জনমতলৈ লক্ষ্য কৰি প্ৰেছিডেণ্ট জনছনে অবিলম্বে বোমাবৰ্ষণ বন্ধ কৰি মানৱতাৰ এই ধ্বংস অভিযানৰ অন্ত পেলোৱা উচিত হ'ব। তাৰ পিছত উত্তৰ ভিয়েটনামেও সমান মৰ্যাদাৰে আলোচনাৰ মেজত বহি দীঘলীয়া এই আহুকলীয়া সমস্যাটিৰ সমাধান কৰিবলৈ আগবাঢ়ি অহা উচিত হ'ব। যদি তাকে কৰা নহয়, তেনেহ'লে এই সম্প্ৰসাৰিত ৰণৰ জুয়ে অকল ভিয়েটনামতে নহয়, অকল দক্ষিণ পূব এছিয়াতে নহয় সমগ্ৰ বিশ্বতে খাণ্ডৱ দাহৰ সৃষ্টি কৰিব পাৰে। তদুপৰি মানৱতাৰ মুখত কলংক সনাই নহয়,— তেনে এটা অৱস্থাত মানৱ জাতি নিশ্চিহ্ন হৈ যোৱাটোও একো আচৰিত কথা নহ'ব।

## অসমৰ চাহ

অসমৰ পৰা ৰপ্তানি হোৱা চাহপাতৰ ওপৰত পশ্চিমবংগই প্ৰৱেশ-শুল্ক লগাই যথেষ্ট ধন আহৰণ কৰে। আনহাতে ৰাজ্যত উৎপন্ন হোৱা আৰু বিদেশী মুদ্ৰা আহৰণ কৰা এইবিধ পণ্য দ্ৰব্যৰ পৰা অসম চৰকাৰে আশানুৰূপ শুল্ক নোপোৱাটো দুখৰ কথা। বৰ্তমানে অসম চৰকাৰে এটা প্ৰস্তাৱ আগবঢ়াইছে যে পশ্চিমবংগই লগোৱা প্ৰৱেশ শুল্ক আঁতৰাই বৰ্ধিত আবকাৰী শুল্ক এটা নিৰূপণ কৰিব লাগে আৰু এনেদৰে পোৱা অতিৰিক্ত ৰাজহখিনি অসম আৰু বংগৰ মাজত বিতৰণ কৰিব লাগে। ৰাজ্যিক বিত্তমন্ত্ৰীৰ পৰা জনা গৈছে যে এই প্ৰস্তাৱটো খৰচি মাৰি বিবেচনা কৰিবলৈ আৰু চাহৰ ওপৰত লগোৱা আন কৰ আদিৰ বিষয়েও আলোচনা কৰিবলৈ অহা মাহত দুই ৰাজ্যৰ বিত্তমন্ত্ৰীক কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে এখন সভালৈ আহ্বান কৰিব। অসম-পথ-পৰিবহণৰ বাবে লগাব খোজা শুল্ক ন্যায়িক খুটি-নাতিৰ কাৰণে অগ্ৰাহ্য হোৱা অথচ প্ৰৱেশ কৰ হিচাপে পশ্চিমবংগই চাহপাতৰ ওপৰত কৰ লগাই থকা কথাটো বিসংগতিপূৰ্ণ যেন লাগে। শ্ৰীত্ৰিপাঠিয়ে কোৱা মতে চাৰি বছৰ আগতে কিবা আনুষ্ঠানিক ত্ৰুটিৰ কাৰণে উচ্চতম ন্যায়ালয়ে চাহপাতৰ সঞ্চালনৰ ওপৰত অসম চৰকাৰে লগোৱা পথ পৰিবহণ কৰ আইন নাকচ কৰিছিল। পৰিবহণ কৰ চাহ শিল্পৰ ক্ষেত্ৰত বোজা বুলি ধৰিলে পশ্চিমবংগত দিব লগা প্ৰৱেশ কৰৰ যুক্তিযুক্ততাৰ প্ৰশ্নও সহজতে উঠে। একেখন ৰাষ্ট্ৰৰ অন্তৰ্গত এখন ৰাজ্যত সঞ্চালনৰ কাৰণে কৰ লগোৱা আৰু যি ৰাজ্যত সেই বস্তু উৎপন্ন হৈছে সেই ৰাজ্যই তেনে কাৰণেও কৰ লগাব নোৱাৰা— এই বিসংগতিপূৰ্ণ প্ৰচলিত প্ৰথাৰ ওৰ পেলাই প্ৰস্তাৱিত বিবেচনাৰে বৰ্ধিত আবকাৰী কৰ লগাই দুই ৰাজ্যকে ভগাই দিয়াটো অধিক যুক্তিসংগত কথা হ'ব। কিন্তু এনে ধৰণৰ কিবা ব্যৱস্থা লোৱাৰ সময়ত এটা কথালৈ বিশেষভাৱে লক্ষ্য ৰাখিব লাগিব যাতে কৰৰ বোজা বাঢ়ি নেযায়। ইতিমধ্যে বিদেশী কোম্পানীবিলাকে দক্ষিণ আফ্ৰিকাত চাহখেতিৰ বিকল্প ব্যৱস্থা ল'বলৈ আৰম্ভ কৰিছে আৰু অসমত চাহখেতি লাভজনক নহয় বুলি তেওঁলোকৰ ব্যৱসায় সংকুচিত কৰি আনিছে। ঠায়ে ঠায়ে ভাৰতীয় চাকৰিয়াল আঁতৰোৱা হৈছে আৰু আগৰ নীতি সলাই এতিয়া এবছৰীয়া চুক্তিত ভাৰতীয় সহায়ক বিষয়াসকলৰ স্বাক্ষৰ লৈছে। এনে অৱস্থাত যাতে দেশী বা বিদেশী কোনো কোম্পানীয়ে বৰ্ধিত বা পৰিবৰ্ধিত কৰ ব্যৱস্থাৰ অসুবিধাৰ দোহাই দি হঠাতে বাগিচাসমূহত বনুৱা 'ছাটাই' কৰিব নোৱাৰে বা বাগিচা বন্ধ কৰিব নোৱাৰে,— সেই দিশটোলৈ যেন প্ৰস্তাৱিত সন্মিলনত বিশেষভাৱে মন দিয়া হয়। অলপতে দুজন বিধানসভাৰ সদস্যই অনশন কৰিহে বন্ধ ৰখা চাহ বাগিচা খোলাব লগা কথাও এইখিনিতে মন কৰিবলগীয়া।

শেষত এটা কথা আমি স্পষ্টভাৱে কওঁ যে এই সন্মিলনত অসম চৰকাৰে মুকলিভাৱে অসমৰ থলুৱা স্বাৰ্থ ৰক্ষাৰ দিশটো আলোচনা কৰিব লাগিব যাতে ন্যস্ত স্বাৰ্থৰ চক্ৰান্তত এই ৰাজ্যৰ উৎপন্নৰ ভেটিত গঢ়া উদ্যোগ এটাৰ ক্ষেত্ৰত নিচলা থলুৱাসকলৰ নাজল-নাথল অৱস্থা নহয়।

বুধবাৰ, ১৯ এপ্ৰিল, ১৯৬৭ চন

# অৰ্থৰ সংকট

অভাৰ ড্ৰাফ্ট, ঘাটি-বিনিয়োগ ব্যৱস্থা বন্ধ হোৱাত, আৰ্থিক সংকটৰ বাবে কেন্দ্ৰীয় চৰকাৰেও ৰাজ্যসমূহক অধিক সাহায্য দিব নোৱাৰাত ৰাজ্যবোৰৰ সন্মুখত কঠিন সমস্যাই দেখা দিছে। আনবোৰ ৰাজ্যৰ অসুবিধা স্বীকাৰ কৰি লৈয়ো আমি অসমৰ বিশেষ অসুবিধাখিনিলৈ আঙুলিয়াই দিয়াটো প্ৰয়োজনীয়। বিনিয়োগৰ হাৰ, উন্নয়নৰ হাৰ, উদ্যোগকৰণৰ মাত্ৰা— ইত্যাদি যিহকে চোৱা যায়— সকলো হিচাপেই তুলনামূলকভাৱে অসমৰ পিচপৰা অৱস্থাটোকে উদঙাই দেখুৱাব। অসমৰ বিশেষ অৱস্থিতি, বিশেষ সমস্যা আদিৰ হিচাপ লৈ কেন্দ্ৰই ধন আগবঢ়োৱাৰ ব্যৱস্থাও নাই। আনকি ধন পাব পৰা থলবোৰৰ ক্ষেত্ৰতো সুবিচাৰ পোৱা নাই। অসমৰ যি কেইপদ সামগ্ৰীয়ে দেশৰ কাৰণে বিপুল পৰিমাণে বৈদেশিক মুদ্ৰা আৰ্জি দিছে, সেই আৰ্জনৰ লগত সংগতি থকাকৈ অসমে কেন্দ্ৰৰ পৰা ধন পোৱা নাই। অসমত থকা বিবিধ ঔদ্যোগিক, বাণিজ্যিক প্ৰতিষ্ঠানৰ সদৰ কাৰ্যালয় অসমৰ বাহিৰত থকা বাবে আয়কৰৰ প্ৰাপ্য ভাগৰ পৰাও অসম বঞ্চিত হৈছে। অসমৰ খাৰুৱা তেলে দেশলৈ সম্পদ আনিছে ; কিন্তু অসমৰ কোষত গোট খোৱা ৰয়েল্টীৰ পৰিমাণ নিচেই কম। এইবোৰৰ ক্ষেত্ৰত অসমে তোলা দাবী সদায় উপেক্ষিত হৈ আহিছে।

অথচ সীমাবদ্ধ আৰ্থিক সমল লৈ অসমে নতুন নতুন বোজাহে ল'বলগীয়া হৈছে। সীমান্তৰ সিপাৰৰ ঘটনাৱলীয়ে প্ৰতিৰক্ষামূলক ব্যৱস্থাৰ গুৰুত্ব বৃদ্ধি কৰিলে। বাট-পথ নিৰ্মাণ কৰা, মেৰামতি কৰাৰ ক্ষেত্ৰত সীমান্ত অঞ্চলত ৰাজ্য চৰকাৰে অধিক দায়িত্ব চপাই ল'বলগীয়া হ'ল। এই কামত কেন্দ্ৰই পোনপটীয়াভাৱে অংশ গ্ৰহণ কৰা উচিত। ৰাজ্য চৰকাৰে সেই দাবীকে তুলিছে। তদুপৰি সীমান্ত ৰক্ষা কৰা কামত ৰাজ্যৰ বাহিৰৰ পৰা ইয়ালৈ অহা বিশেষ পুলিচ বাহিনীক ৰচদ আদি যোগোৱাৰ খৰচ কেন্দ্ৰই বহন কৰিব লাগে বুলিও ৰাজ্য চৰকাৰে দাবী তুলিছে। নগালেণ্ডৰ সীমান্তৰক্ষী দল নিযুক্ত ৰখা ব্যয়ৰ ভাৰ আৰু মিজো জিলাৰ সংক্ৰান্তত হোৱা ব্যয়ৰ ভাৰো কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে বুলি অসম চৰকাৰে দাবী পেচ কৰিছে। এই সমুদায় শিতানত অসমে কেন্দ্ৰৰ পৰা ৯ কোটি টকা বিচাৰিছে। অৱশ্যে সেইখিনি ধনেই আমাৰ সমস্যা সমাধান নকৰে। কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা পাবলগীয়া আগধনৰ টকাৰ মুঠ হিচাপ হ'ল ৩০ কোটি। সেইদেখি তেতিয়াও ২২ কোটি টকা অসমে কেন্দ্ৰক দিবলগীয়া হৈ থাকিব। সেইখিনি ধন পৰিশোধ কৰাৰ সমস্যাৰ লগতে ৰাজ্য চৰকাৰে চলিত বাৰ্ষিক পৰিকল্পনাৰ বাবেও ৩ কোটি টকা সংগ্ৰহ কৰিব লাগিব। অতিৰিক্ত কৰৰ যোগেদি সেইখিনি চাহিদা পূৰণ কৰাটো অসম্ভৱ কথা।

এনে অৱস্থাত কেন্দ্ৰই বিশেষভাৱে সাহায্যৰ হাত আগনবঢ়ালে অতি জটিল পৰিস্থিতি এটাৰ সন্মুখীন হ'ব লাগিব। অৱশ্যে এই দুৰ্যোগৰ সময়ত ৰাজ্য চৰকাৰে অকল কেন্দ্ৰৰ মুখলৈকে চাই থাকিলে নহ'ব। অবাঞ্চিত ব্যয়

হ্ৰাস কৰা, অপব্যয় বন্ধ কৰা, বাকী থকা কৰ সংগ্ৰহ কৰা— ইত্যাদি ব্যৱস্থা কঠোৰ হাতেৰে কাৰ্য্যকৰী কৰিব লাগিব। তদুপৰি আদৰ্শৰ মিছা ধ্বনি তুলি যিবোৰ অনাৰ্থক আঁচনি হাতত লৈ বগা হাতী পোহা হৈছে, সেইবোৰ আঁচনি বৰ্জন কৰি ফলদায়ক কামত সেই ধন খটুৱাবলৈ চৰকাৰ দৃঢ়তাৰে আগবাঢ়ি আহক।

## জোলোঙাৰ মেকুৰী

জোলোঙাৰ মেকুৰী বাহিৰ ওলাল। বিদ্ৰোহী নগা নেতা শ্ৰীফিজো চিকিৎসাৰ বাবে মাৰ্কিন যুক্তৰাজ্যলৈ যোৱা বুলি বাতৰি ওলাওঁতেই সন্দেহৰ চামনি ডাঠ হৈছিল। এতিয়া 'নিউইয়ৰ্ক টাইমছ'ৰ লগত হোৱা সাক্ষাৎ প্ৰসংগত শ্ৰীফিজোৱে নিজেই ভেদ ভাঙি দিছে। তেওঁ হেনো নগাসকলৰ স্বাধীনতাৰ বাবে আমেৰিকাৰ পৰা সাহায্য বিচাৰিব। আমেৰিকাৰ দয়াতে তেওঁ ৰাষ্ট্ৰসংঘৰ মজিয়াতো থিয় দিবলৈ পোৱাটো একো আচৰিত কথা নহ'ব। শ্ৰীফিজোৱে মাৰ্কিন বাতৰি কাকতখনৰ আগত কৈছে যে তেওঁ 'বেপ্টিষ্ট মিছন'ৰ মানুহৰ লগত যোগাযোগ কৰিছে (বেপ্টিষ্ট মিছন! তাহানি নগা পাহাৰত অশান্তিৰ সূত্ৰপাত হওঁতেই এই দুটা শব্দ শুনিবলৈ পোৱা গৈছিল। শ্ৰীফিজোৰ মুখত অস্ত্ৰোপচাৰ কৰি চেহেৰা সলোৱা, তেওঁ অন্তৰ্ধান হোৱা, লণ্ডনত উপস্থিত হোৱা, নগালেণ্ডত শান্তিৰ নামত প্ৰচেষ্টা চলোৱা, মিজো পাহাৰৰ অশান্তি আৰু পৰৱৰ্তী শান্তি-উদ্যোগ— এই সকলোবোৰতে এই পৰিচিত শব্দ দুটাৰ কথা কিবা নহয় কিবা প্ৰকাৰে শুনিয়েই থকা হৈছে। অৱশ্যে আমাৰ কেন্দ্ৰীয় চৰকাৰ স্থিতপ্ৰজ্ঞ হৈ আছে!) এতিয়া সেই সূত্ৰৰ যোগেদি শ্ৰীফিজোৱে ৱাশ্বিংটনত মাৰ্কিন বিষয়াসকলৰ লগত নগা সমস্যা সম্পৰ্কে আলোচনা কৰাৰ আশা পুহিছে।

পিচে নগা সমস্যা সম্পৰ্কে বৃটেইন আৰু আমেৰিকা ইমান আগ্ৰহশীল হৈ পৰিল কিয়? ছোভিয়েট টেংক বা বিমান কিনিবলৈ আমাৰ দেশ আগবাঢ়িব খুজিলে বৃটেইনে চকু পকাই ধৰে বুলি আমাৰ চৰকাৰ সংকুচিত হৈ পৰে। বৃটেইন বিতুষ্ট হয় বুলি কমনৱেলথৰ সভা-সমিতিত আমাৰ দেশে মুখ টিপি ৰাখে। অথচ স্বাধীন ভাৰত চৰকাৰক অগ্ৰাহ্য কৰি বৃটেইনে ভাৰতৰ অংশ বিশেষত হোৱা বিদ্ৰোহক প্ৰশ্ৰয় দিব পাৰে আৰু ভাৰতৰ পৰা পলোৱাত আৰু বৃটেইনত আশ্ৰয় দিয়াত বিদ্ৰোহী নেতাক সকলো সুযোগ সুবিধা দিব পাৰে। শ্ৰীফিজোৰ সম্পৰ্কত বৃটেইনে ভাৰতৰ প্ৰতি যি অপমানজনক আচৰণ দেখুৱালে, তাৰ বিৰুদ্ধে মেৰুদণ্ড পোন কৰি আমাৰ দেশে এষাৰ কথাও ক'ব নোৱাৰিলে। এতিয়া দ্বিতীয় দফা আৰম্ভ হৈছে। ভাৰতৰ আপত্তিলৈ সম্পূৰ্ণভাৱে আওকাণ কৰি শ্ৰীফিজোক আমেৰিকালৈ পঠোৱা হ'ল। ভিয়েটনামৰ সম্পৰ্কত খোলোচা মন্তব্য এষাৰ কৰিলে যি আমেৰিকা আমাৰ প্ৰতি বিতুষ্ট হয়, সেইখন আমেৰিকাই এতিয়া নগা-সমস্যাৰ নিচিনা সম্পূৰ্ণৰূপে আমাৰ ঘৰুৱা বিষয় এটাত নিশ্চিন্তভাৱে হস্তক্ষেপ কৰিছে। 'চিকিৎসা'ৰ অজুহাত দেখুৱাই শ্ৰীফিজোক আমেৰিকালৈ নিছে। ৱাশ্বিংটনত থকা ভাৰতীয় দূতাবাসৰ আপত্তি অগ্ৰাহ্য কৰি মাৰ্কিন চৰকাৰে তেওঁক 'ভিছা' দিলে। এই সম্পৰ্কত পি-টি আইৰ বিশেষ প্ৰতিনিধিয়ে নিউইয়ৰ্কৰ পৰা বাতৰি দিছে যে নতুন দিল্লীয়ে দিল্লীস্থিত মাৰ্কিন দূতাবাসৰ যোগেদি প্ৰেৰণ কৰা প্ৰতিক্ৰিয়া সম্ভৱতঃ যিমান দৃঢ়তাপূৰ্ণ হ'ব লাগিছিল, সিমান নহ'ল। অৰ্থাৎ এইক্ষেত্ৰতো আমাৰ মেৰুদণ্ড পোন নহ'ল। ইয়াতকৈ পৰিতাপৰ কথা কি হ'ব পাৰে? চৰকাৰৰ দুৰ্বলতাই অকল যে আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰে হানি কৰিছে এনে নহয়, বিশ্বৰ চকুতো আমাক হাঁহিয়াতৰ পাত্ৰ কৰিছে। ডলাৰ-ষ্টাৰ্লিঙৰ প্ৰয়োজন আমাৰ আছে। কিন্তু সেইবুলি ডলাৰ আৰু ষ্টাৰ্লিঙৰ লগত আমাৰ স্বাধীনতাও ফালেঙী সলোৱাদি সলাব লাগিব নে? ভাৰতৰ জনতাই চৰকাৰক সেই এক্তিয়াৰ দিয়া নাই।

২০ এপ্ৰিল, বৃহস্পতিবাৰ, ১৯৬৭ চন

# মিজো বিদ্ৰোহী

এই বছৰৰ আৰম্ভণিৰ পৰা মিজো পাহাৰ জিলাত সৈন্য বাহিনীয়ে নিৰ্মূলাত্মক অভিযান আৰম্ভ কৰাৰ পাচত তিনিশৰো অধিক বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰা আৰু মিজো নেছনেল ফ্ৰণ্টৰ নেতা লালডেঙ্গা মিজো পাহাৰৰ পৰা আঁতৰি যোৱা কাৰণেই মিজো বিদ্ৰোহী দলত বিৰাট বিশৃংখলাৰ সৃষ্টি হৈছে বুলি কৰ্তৃত্বশীল মহলে অনুমান কৰিলেও তেনে অনুমানৰ ভিত্তি কিমান সবল বিবেচনা কৰিব লগা বিষয়। মিজো নেছনেল ফ্ৰণ্টে যোৱা বছৰৰ মাৰ্চ মাহৰ পৰা বিদ্ৰোহ আৰম্ভ কৰিছিল। এই বিদ্ৰোহে আৰম্ভণিতে কেনে ৰূপ ধাৰণ কৰিছিল, সেই কথা এতিয়াও পাহৰিবৰ হোৱা নাই। মিজো বিদ্ৰোহীৰ সংখ্যা যে বৃহৎ নহয় সেইটো হয়তো স্বীকাৰ কৰিব লাগিব। কিন্তু বিদ্ৰোহী দলে সামৰিক বাহিনীৰ অভিযান চলি থকা সত্ত্বেও এতিয়াও সন্ত্ৰাসবাদ আৰু সৰু-সৰুকৈ হ'লেও আক্ৰমণ চলাই থাকিবলৈ কেনেকৈ সক্ষম হৈছে সিও চিন্তা কৰিব লগা কথা। মিজো বিদ্ৰোহী দলে বিদেশী ৰাষ্ট্ৰৰ পৰা অস্ত্ৰ-শস্ত্ৰৰ সাহায্য লাভ কৰা কথা চৰকাৰীভাৱে স্বীকাৰ কৰা হৈছে। পাকিস্থানত মিজো বিদ্ৰোহীয়ে সামৰিক প্ৰশিক্ষণ লোৱাৰ কথা চৰকাৰী পক্ষই অস্বীকাৰ কৰিব পৰা নাই। মিজো আৰু নগা বিদ্ৰোহীৰ মাজত সংযোগ স্থাপনৰ বতৰাও সদৰী হৈ পৰিছে। বিদ্ৰোহী দলক আত্ম সমৰ্পণৰ সুযোগ দি যি ক্ষমাদানৰ নিৰ্দেশ বলবৎ কৰা হৈছে তাৰ পৰা আশানুৰূপ ফল পোৱা নাই বুলি কিছুদিনৰ আগতে প্ৰকাশ পাইছিল। এনে অৱস্থাত মিজো বিদ্ৰোহীৰ দল ভাগি গৈছে আৰু নিৰ্মূল হৈছে বুলি আত্ম-সন্তুষ্টি লাভ কৰাৰ সময় এতিয়াও হোৱা নাই বুলিয়েই আমি বিবেচনা কৰোঁ। মিজো পাহাৰত অভিযান চলোৱা নিৰাপত্তা বাহিনীৰ হেঁচাত বিদ্ৰোহী দলৰ কাৰ্যকলাপ বৰ্তমান কিছু হ্ৰাস পালেও সেয়ে বিদ্ৰোহী নিৰ্মূল হোৱাৰ লক্ষণ বুলি ঠাৱৰ কৰিব নোৱাৰি।

মিজো বিদ্ৰোহী দলৰ নিৰ্মূল সাধন সকলো শান্তিকামী লোকেই কামনা কৰে। সীমান্তৱৰ্তী মিজো পাহাৰ অঞ্চলৰ শান্তি-শৃংখলা অসম তথা সমগ্ৰ দেশৰ নিৰাপত্তাৰ কাৰণেই অতি দৰকাৰী। সেই কাৰণে এই অঞ্চলটোত প্ৰকৃত শান্তি স্থাপনৰ বাবে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলীৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব লগা হৈছে।

মিজো পাহাৰ জিলাৰ লোকসংখ্যা ২ লাখ ৬৬ হেজাৰ। ইয়াৰে ২ লাখ ৫১ হেজাৰ জনেই গাঁও অঞ্চলত বাস কৰে। এইসকল লোকৰ ৫০ হেজাৰ জনকহে ভৈৰাংতে-লুংলে পথৰ কাষত নতুনকৈ সৈন্য বাহিনীয়ে স্থাপন কৰা গাঁৱত বসতি দিয়া হৈছে। সেইফালৰ পৰা চাবলৈ গ'লে এতিয়াও দুই লাখ মিজো লোক জিলাখনৰ বিস্তীৰ্ণ আৰু দুৰ্গম অঞ্চলত সিঁচৰতি হৈ আছে আৰু তেওঁলাকে বিদ্ৰোহীৰ পৰা সম্পূৰ্ণ নিৰাপত্তা পোৱা নাই। নতুনকৈ সংস্থাপিত হোৱা লোকসকলৰ দৰে তেওঁলোকে সা-সুবিধাও পোৱা নাই।

মিজোসকলৰ জীৱন ধাৰণৰ মান উন্নয়ন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। তেওঁলোকৰ আপত্তি যে নগালেণ্ডত ১৭ কোটি টকা উন্নয়ন কাৰ্যত ব্যয় কৰা হয় কিন্তু মিজো জিলাত ১৭ লাখ টকাহে খৰচ কৰা হয় অথচ নগালেণ্ডৰ লোকসংখ্যা মিজো পাহাৰ জিলাৰ লোকসংখ্যাতকৈ দুগুণৰ অলপহে বেছি। সেই কাৰণে মিজো পাহাৰত বিদ্ৰোহীৰ কাৰ্যকলাপ অন্ত পেলাবলৈ সেই অঞ্চলটোৰ উন্নয়ন কাৰ্যত ঘাইকৈ মনোযোগ দিয়া উচিত হ'ব। ইয়াৰ বাবে অসামৰিক প্ৰশাসকে উপযুক্ততা অৰ্জন কৰিব লাগিব। নতুনকৈ প্ৰতিষ্ঠা কৰা গাঁওবিলাকত যাতে অধিবাসীসকলে বৰ্তমানৰ দৰে প্ৰয়োজনীয় সা-সুবিধা ভোগ কৰিব পাৰে আৰু বিভেদকামী মনোভাব তেওঁলোকৰ

মনৰ পৰা সম্পূৰ্ণ দূৰ হয় তাৰ প্ৰতিও অসামৰিক প্ৰশাসন সতৰ্ক হ'ব লাগিব। সেয়ে হ'লেহে অঞ্চলটোত বিদ্ৰোহীৰ কাৰ্যকলাপ অন্ত পেলোৱাৰ আশা কৰিব পাৰি।

## গৃহমন্ত্ৰী দপ্তৰৰ খচৰা বিধি

সংসদ আৰু বিধানসভাৰ সদস্যসকল আৰু চৰকাৰী বিষয়াসকলৰ মাজৰ সম্পৰ্ক সুস্পষ্টভাৱে নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে এখন খচৰা বিধি প্ৰস্তুত কৰিছে। সেই বিধিত আইনসভাৰ সদস্যসকলৰ প্ৰতি চৰকাৰী বিষয়া-ৰ্কচাৰীসকলৰ মনোভাব আৰু আচৰণ কেনে হ'ব লাগে তাৰ পৰামৰ্শ দিয়া হৈছে।

সংসদ আৰু বিধানসভাৰ সদস্যসকলৰ ওপৰত স্বাভাৱিকতে গুৰু দায়িত্ব ন্যস্ত কৰা হৈছে। প্ৰশাসনকাৰ্যৰ ত্ৰুটি-বিচ্যুতি দূৰ কৰি প্ৰকৃত গণতান্ত্ৰিক পদ্ধতিৰ কাৰ্যকাৰিতাৰ দ্বাৰা জনসাধাৰণৰ কল্যাণ সাধনত সহায় কৰিবলৈকে জনসাধাৰণে সদস্যসকলক তেওঁলোকৰ প্ৰতিনিধিস্বৰূপে নিৰ্বাচন কৰি দিছে। এই সদস্যসকলে ৰাইজৰ অভাৱ-অভিযোগৰ প্ৰতিকাৰ সাধনৰ কাৰণে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ লগতো সাধাৰণতে সম্পৰ্ক ৰক্ষা কৰিব লগা হয়। সেই কাৰণে চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলে তেওঁলোকৰ লগত সহযোগিতা কৰা একান্ত বাঞ্ছনীয়। এইক্ষেত্ৰত সদস্যসকল চৰকাৰী দলৰ নে বিৰোধী দলৰ সেই প্ৰশ্ন চৰকাৰী চাকৰিয়ালে উত্থাপন কৰিবলৈ লোৱাটো যুক্তিসংগত কথা নহয়। আমোলাতান্ত্ৰিকতাৰ প্ৰভাৱৰ ফলতেই হওক বা আন কাৰণতেই হওক চৰকাৰী মহলৰ পৰা আইনসভাৰ সদস্যসকলক ক্ষিপ্ৰ গতিৰে প্ৰয়োজনীয় তথ্য-পাতিৰ যোগান নধৰাটোও দুখৰ কথা। কিছুমান ক্ষেত্ৰত চৰকাৰী চাকৰিয়ালে সদস্যসকলৰ যোগেদি ব্যক্তিগত সুযোগ-সুবিধা আদায় কৰিবলৈ চেষ্টা কৰা দেখা যায়। এনেবোৰ কাৰ্য স্বাভাৱিকতে সমৰ্থনযোগ্য নহয়। ইয়ে গণতান্ত্ৰিক পদ্ধতিত বেমেজালিৰহে সৃষ্টি কৰে। সেই কাৰণে আইনসভাৰ সদস্য আৰু চৰকাৰী চাকৰিয়ালৰ মাজৰ সম্পৰ্ক সুস্পষ্টভাৱে নিৰ্ধাৰণ কৰিবলৈ লোৱাটো ভাল কথা হৈছে। ইয়াৰ লগে লগে সংসদ আৰু বিধানসভাৰ সদস্যসকলেও মনত ৰখা উচিত হ'ব যে চৰকাৰী চাকৰিয়ালৰ কাৰ্যকলাপত অযথা হস্তক্ষেপে বহুতো জটিলতাৰ সৃষ্টি কৰে আৰু তাৰ পৰা তেওঁলোক বিৰত থকা উচিত।

<u>শুকুৰবাৰ, ২১ এপ্ৰিল, ১৯৬৭ চন</u>

## উত্তৰ-পূব সীমান্ত অঞ্চল

'কিছুমান বেমেজালি' দূৰ কৰাৰ উদ্দেশ্যে ১৯৬৫ চনৰ ১৫ জুলাইত উত্তৰ-পূব সীমান্ত অঞ্চলৰ প্ৰশাসনীয় গাঁথনি নতুন কৰাৰ ঘোষণা দিয়া হৈছিল। সেই পৰিৱৰ্তন অনুসৰি অঞ্চলটোৰ প্ৰশাসন বহিঃপৰিক্ৰমা মন্ত্ৰী দপ্তৰৰ হাতৰ পৰা গৃহমন্ত্ৰী দপ্তৰৰ অধীনলৈ নিয়া হ'ল ; বিভাগৰ পৰিৱৰ্তে জিলা শব্দ ব্যৱহাৰ কৰা হ'ল ; বিষয়াৰ পদবীৰ নামো সলনি হ'ল। কিন্তু এই সংস্কাৰে উত্তৰ-পূব সীমান্ত অঞ্চলৰ আটাইবোৰ বেমেজালি দূৰ কৰিব নোৱাৰিলে।

ভাৰতৰ গুৰুত্বপূৰ্ণ সীমান্তৰ ৩১ হেজাৰ বৰ্গ মাইলজোৰা বিস্তীৰ্ণ অঞ্চলটোৰ বিভিন্ন জনজাতীয় শাখাৰ লোকসকলক ভাৰতৰ বাকী অংশৰ লগত আৱেগিক ঐক্যৰ দ্বাৰা জড়িত কৰাৰ ঘাই প্ৰশ্নটো এতিয়াও সমাধান

হোৱা নাই। এই লোকসকলে নিজক ভাৰতৰ দায়িত্ব সম্পন্ন নাগৰিক বুলি বোধ কৰিব পাৰিছেনে নাই সেইটোহে এতিয়াৰ প্ৰধান প্ৰশ্ন। এই নেফা অঞ্চল, ভাৰতৰ বৈৰী ভাবাপন্ন চীনৰ সীমাত অৱস্থিত কাৰণে এই লোকসকলৰ ভাবধাৰাৰ প্ৰতি অধিক মনোযোগ দিব লগা হৈছে। চীনে নেফাৰ অধিবাসীসকল তেওঁলোকৰ মানুহ বুলি কৰা দাবীৰ অসাৰতা প্ৰমাণ কৰিব লগা হৈছে। যোৱা বছৰ নেফা ভ্ৰমণ কৰা সংসদী দলটোৰ প্ৰতিবেদনখন এই দৃষ্টিভংগীৰে চৰকাৰ আৰু আনসকলেও বিবেচনা কৰিব লাগিব।

সংসদী প্ৰতিনিধি দলৰ প্ৰতিবেদন কিছুদিনৰ আগতে চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে আৰু প্ৰতিবেদনত দিয়া পৰামৰ্শাৱলী ভাৰত চৰকাৰে অসমৰ ৰাজ্যপাল আৰু মন্ত্ৰীসকলৰ লগত আলোচনা ক্ৰমে বিবেচনা কৰিবলৈ লোৱা বুলি জনা গৈছে। সংসদী প্ৰতিনিধি দলৰ প্ৰতিবেদন আংশিকভাৱে প্ৰকাশ পাইছে, আৰু তাত কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ দিয়া হৈছে।

নেফা আৰু ভাৰতৰ বাকী অংশক অৰ্থাৎ অসমক পৃথক কৰি ৰখা "ইনাৰ লাইন" লাহে লাহে তুলি দিবলৈ এটা পৰামৰ্শ দিয়া হৈছে। এই 'ইনাৰ লাইন'ৰ ফলত অসম আৰু অসমৰ কাষৰীয়া নেফাবাসী ৰাইজৰ মাজত যি কৃত্ৰিম আৰু অবাঞ্ছনীয় বাধাৰ সৃষ্টি হৈছে তাক দিল্লীৰ নীতি ৰচনাকাৰীসকলে উপলব্ধি নকৰিলেও এই দুই অঞ্চলৰ ৰাইজে ইতিমধ্যে বুজিব পাৰিছে। সেই কাৰণে "ইনাৰ লাইন" ক্ৰমাগতভাৱে নহয়, অনতি বিলম্বে বিলোপ কৰা উচিত। নেফাবাসীক সংগ্ৰহালয়ৰ সামগ্ৰী কৰি ৰখাৰ পৰিণতি যে সমগ্ৰ দেশৰ কাৰণেই অমংগলজনক তাক চৰকাৰে উপলব্ধি কৰিব লগা হৈছে। অৱশ্যে 'ইনাৰ লাইন' প্ৰত্যাহাৰৰ সুযোগ লৈ কোনেও যাতে নেফা অঞ্চলত শোষণ কাৰ্যত প্ৰবৃত্ত হ'ব নোৱাৰে তাৰ ব্যৱস্থা ৰাখিব লাগিব।

নেফাবাসীৰ ওপৰত বাহিৰৰ পৰা কিবা জাপি দি তেওঁলোকৰ মন জয় কৰিব নোৱাৰি বুলিও কৰ্তৃপক্ষই বুজা দৰকাৰ। নেফাত বৰ্তমান যি 'হিন্দী সাম্ৰাজ্যবাদ' বিস্তাৰৰ প্ৰচেষ্টা চলিছে সেয়ে ভাৰতীয় মনোভাবত নেফাবাসীক উদ্বুদ্ধ কৰিব বুলি ধাৰণা লোৱাৰ দৰে মাৰাত্মক ভুল আৰু একো থাকিব নোৱাৰে। চৰকাৰে এই বিষয়টোৰ প্ৰতি শীঘ্ৰে মনোযোগ দিয়া আৱশ্যক হৈ পৰিছে। অসমীয়াৰ 'মিতিৰ'সকলে যি ভাষাৰে শিক্ষা লাভ কৰিব খোজে তাৰেহে দিয়াৰ ব্যৱস্থা হ'ব লাগে। অন্যান্য উন্নয়ন কাৰ্যৰ লগতে আন এটা প্ৰধান কথা হৈছে নেফালৈ ইয়াৰ সদৰ কাৰ্যালয় স্থানান্তৰ। সদৰ কাৰ্যালয় শ শ মাইল দূৰৰ শ্বিলঙত ৰাখি অঞ্চলটোৰ উন্নতি সাধন কৰিবও নোৱাৰি, জনজাতীয় লোকসকলক প্ৰবোধ দিবও নোৱাৰি। সংসদী প্ৰতিনিধি দলে এনে মতকে প্ৰকাশ কৰিছে।

নেফালৰ প্ৰশাসনীয়, অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ কাম-কাজে তাৰ অধিবাসীসকলৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰিলে কেৱল ধন খৰচ কৰাৰ পৰাই সুফল পাব নোৱাৰি। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে সু-পৰামৰ্শ গ্ৰহণ কৰি সেইবোৰ সোনকালে কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা লোৱাহে দূৰদৰ্শিতাৰ কথা হ'ব।

## আংগামিৰ আপত্তি

শিৱসাগৰ জিলাত, নগালেণ্ড সীমান্তত সশস্ত্ৰ গাওঁৰক্ষী বাহিনী নিযুক্ত কৰাত নগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীটি. এন আংগামিয়ে আপত্তি তুলিছে বুলি জনা গৈছে। "অসম চৰকাৰৰ কৰ্তৃপক্ষই নিৰ্বিচাৰে বহুতো নগা লোকক গ্ৰেপ্তাৰ কৰা" বাবেও তেওঁ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধী আৰু অসমৰ মুখ্যমন্ত্ৰী শ্ৰীচলিহালৈ পঠোৱা তাঁৰ বাৰ্তাত এইবোৰ "ভাৰতৰ নিৰ্দিষ্ট জাতি এটাৰ বিৰুদ্ধে বৈষম্যমূলক কাৰ্য" বুলি অভিযোগ

তুলিছে। অসমৰ চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰীজনে এনে ধৰণৰ অভিযোগ তোলাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক কথা।

১৯৬৩ চনৰ ১ ডিচেম্বৰত নগালেণ্ড ৰাজ্য ঘোষণা বহুত দিনৰ আগৰ কথা নহয়। সেইদিনৰ আগলৈকে নগা অধ্যুষিত পাৰ্বত্য অঞ্চল অসম ৰাজ্যৰ অংশ বিশেষৰূপে পৰিগণিত হৈছিল। সেই অঞ্চলৰ লোকসকলৰ লগত অসমৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এখন সুকীয়া ৰাজ্যত পৰিণত হোৱাৰ বাবেই বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ পৰা আপোনভাৱে থকা লোকসকল পৰ হৈ যাব নোৱাৰে। অসমৰ ৰাইজে বিশেষকৈ সীমান্তৱৰ্তী লোকসকলে নগাসকলৰ লগত থকা বন্ধুত্ব আৰু ভাতৃত্বৰ সম্পৰ্ক ছেদ কৰাৰ কথা ভাবিবই নোৱাৰে। কিন্তু সমস্যা উত্থাপিত কৰা হৈছে নগালেণ্ডৰ ফালৰ পৰা।

নগালেণ্ড আৰু অসমৰ সীমাৰ প্ৰশ্নটো নতুনকৈ মীমাংসা কৰিব লগা একো নাই। নগালেণ্ড ৰাজ্য প্ৰতিষ্ঠাৰ সময়ত প্ৰকাশ কৰা জাননীতে ইয়াক স্পষ্টভাৱে জনোৱা হৈছে। এই সীমাৰেখা নতুনকৈ নিৰ্ধাৰণ কৰিবলৈ স্বাভাৱিকতে কোনো সীমা আয়োগ গঠনৰ প্ৰশ্ন নুঠে। অসমৰ মুখ্যমন্ত্ৰী শ্ৰীচলিহাই এই কথা স্পষ্টভাৱে জনাই দি উচিত কাম কৰিছে। কিন্তু নগাসকলে শিৱসাগৰ জিলা সীমান্তৰ ১২ মাইলজোৰা অঞ্চলৰ হাবি কাটি আলি বান্ধিবলৈ লৈছে আৰু এই এলেকাত সন্ত্ৰাসবাদী নগাৰ সমাৱেশ ঘটোৱা হৈছে। আত্মগোপনকাৰী নগা দলে শিৱসাগৰ জিলাৰ এলেকাত সময়ে সময়ে চলাই থকা সন্ত্ৰাসবাদী কাৰ্যকলাপ, অসমীয়া লোকৰ পৰা কৰ আদায় কৰা আদি কাৰ্যৰ প্ৰত্যক্ষ প্ৰমাণৰ অভাৱ নাই। এনে অৱস্থাত অসমৰ নিৰাপত্তাৰ বাবে সীমান্তত গাঁওৰক্ষী বাহিনী নিয়োগ নাইবা সামৰিক বাহিনীক সতৰ্ক কৰা কাৰ্য কোনো মতে অযুক্তিকৰ কথা হ'ব নোৱাৰে। এই অঞ্চলত আত্মগোপনকাৰী নগাৰ সমাবেশ বাতৰি কাকতৰ খবৰ বুলি শ্ৰীআংগামিয়ে তাৰ গুৰুত্ব লাঘৰ কৰিবলৈ যোৱাটোও সমীচিন হোৱা নাই। শ্ৰীআংগামিৰ মতে চীনলৈ আত্মগোপনকাৰী নগাৰ দল যোৱাটোও সাধাৰণ কথাহে। তেওঁ নগা লোকক নিৰ্বিচাৰে গ্ৰেপ্তাৰ কৰা বুলি তোলা অভিযোগো অসমৰ ভিতৰত বিশেষকৈ ৰে'লপথত সন্ত্ৰাসবাদী নগাৰ ধ্বংসাত্মক কাৰ্যকলাপৰ পটভূমিতহে বিবেচনা কৰিব লাগিব।

নগালেণ্ড চৰকাৰে অসম সীমান্তত উত্তেজনা সৃষ্টিৰ বাবে আত্মগোপনকাৰী দলৰ লগ লৈছে বুলি কোৱা যুক্তিসংগত নহ'ব পাৰে কিন্তু আত্মগোপনকাৰী দলৰ সন্ত্ৰাসবাদৰ পৰা অসমৰ সীমান্তৱৰ্তী লোকসকলক ৰক্ষা কৰা দায়িত্বৰ প্ৰতি নগালেণ্ড চৰকাৰে সচেতন হোৱা হ'লেহে শ্ৰীআংগামিয়ে তোলা বন্ধুত্বহীনতাৰ অভিযোগৰ ভিত্তি থাকিলহেঁতেন।

যি হওক, চুবুৰীয়া ৰাজ্যখনৰ লগত মিলা-প্ৰীতিৰে থকাটোকে অসমৰ সকলোৱে কামনা কৰে। আত্মগোপনকাৰী দলে দুয়োখন ৰাজ্যতে অশান্তি সৃষ্টি কৰাৰ সম্ভাৱনা আঁতৰ নোহোৱা অৱস্থাত এনে মতবিৰোধ বা ভুল বুজাবুজিৰ অৱকাশ থাকিব নেলাগে। নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে পৰিস্থিতিৰ বাস্তৱতা উপলব্ধি কৰি অসমৰ লগত সদ্ভাৱ ৰক্ষা কৰিবলৈহে ব্যৱস্থা লোৱা উচিত।

মঙ্গলবাৰ, ২৫ এপ্ৰিল, ১৯৬৭ চন

# নতুন আঁচনি

বাতৰি প্ৰতিষ্ঠানৰ বাতৰি মতে অসমত অবৈধভাৱে প্ৰৱেশ কৰা পাকিস্থানী অনুপ্ৰৱেশকাৰীক ধৰা পেলাবলৈ ৰাজ্য চৰকাৰে অসামৰিক বাহিনী এটি গঠন কৰিব খুজিছে। এই বাহিনীয়ে ৰাজ্যৰ ভিতৰুৱা অঞ্চলত পাকিস্থানী অনুপ্ৰৱেশকাৰীক বিচাৰি উলিয়াব ; কিন্তু সীমান্ত অঞ্চলত পাকিস্তানী অনুপ্ৰৱেশকাৰীক বিচাৰি উলিওৱা দায়িত্ব পুলিচৰ হাততে থাকিব বুলি বাতৰিটোত কোৱা হৈছে।

পাকিস্থানী অনুপ্ৰৱেশকাৰীৰ গতিৰোধ কৰিবৰ বাবে আৰু এনে লোকক ধৰা পেলাবৰ বাবে চৰকাৰী ফাইলত আঁচনিৰ প্ৰস্তাৱে ইতিমধ্যে দ'ম বান্ধিলে। সীমান্ত অঞ্চল মুকলি কৰা, সীমান্তৰ এটা এলেকা জনবসতি শূন্য কৰি তোলা, সীমান্তত কাঁটা তাঁৰৰ বেৰা দিয়া, পৰিচয়-পত্ৰ দিয়াৰ ব্যৱস্থা কৰা, সীমান্তৰ লোকগণনা কৰা ইত্যাদি আঁচনি ইখনৰ পিচত সিখন আগবঢ়োৱা হ'ল আৰু অগ্ৰাহ্য কৰা হ'ল। য'ত মাজতে হৈ-চৈ লগোৱা হ'ল আৰু লগে লগে তিক্ততা বৃদ্ধি কৰা হ'ল। কিন্তু মূল সমস্যাৰ একো পৰিৱৰ্তন নহ'ল। আচল কথা ক'বলৈ গ'লে পাকিস্তানী অনুপ্ৰৱেশকাৰীক ধৰা পেলোৱা, অনুপ্ৰৱেশকাৰীৰ মূঠ হিচাপ লোৱা— আদি ব্যৱস্থাবোৰ ইমান অপৰিপক্ক ধৰণৰ যে অনুপ্ৰৱেশকাৰীৰ আচল সমস্যাটো প্ৰতিফলিত কৰিব পৰা সমল নাই বুলি সন্দেহ কৰাৰ যথেষ্ট কাৰণ আছে। প্ৰকাশিত তথ্যতকৈ সমস্যাৰ ব্যাপকতা বহুত বেছি বুলি ধাৰণা কৰা হৈছে। বহু প্ৰশংসিত ন্যায়াধীকৰণৰ ব্যৱস্থাই সমস্যাৰ সমাধানৰ বেলিকা কিমান সহায় কৰিলে, সেইটো আমি বুজা নাই। এতিয়া মন্থৰ গতি এটাই ওলোটা প্ৰক্ৰিয়া এটাহে আৰম্ভ কৰিছে বুলি ভয় কৰিবলগীয়া হৈছে।

এনে অৱস্থাত এতিয়া ৰাজ্য চৰকাৰে অসামৰিক বাহিনী এটাৰ হাতত নতুন দায়িত্ব এটা দিয়াৰ কথা কিয় ভাবিবলগীয়া হ'ল? প্ৰকাশিত বাতৰি মতে পুলিচে জোৰ-জুলুম কৰা আৰু ভেটি লোৱা বুলি বেছিকৈ অভিযোগ উঠিবলৈ লোৱা কাৰণেই ৰাজ্য চৰকাৰে এই ব্যৱস্থা হাতত ল'ব খুজিছে। পিচে অভিযোগৰ এনে ভিত্তিত যদি এইধৰণৰ সিদ্ধান্ত লোৱা হয়, তাৰ দ্বাৰা পৰোক্ষভাৱে অভিযোগৰ যথাৰ্থতা স্বীকাৰ কৰি লোৱা নহ'ল জানো? যিবোৰ অভিযোগ উঠিছে, সেইবোৰ সঁচা বুলি প্ৰমাণ পাই চৰকাৰে এই সিদ্ধান্ত লৈছে নেকি? যদি তেনে প্ৰমাণ পাইছে তেন্তে সংশ্লিষ্ট লোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ল? যদি জোৰ-জুলুম আৰু ভেটি লোৱাৰ মাত্ৰাই বেছি, তেন্তে ন্যায়াধীকৰণৰ বিচাৰৰ সময়ত সেই কথা দেখোন সুস্পষ্টভাৱে ওলাই পৰিব লাগিছিল। কিয়নো ভাৰতীয় নাগৰিকৰ ওপৰত যাতে কোনো জুলুম নহয়, তাৰ ৰক্ষাকবচ হিচাপেই এনে ন্যায়াধীকৰণ পতা হৈছিল। এনে অৱস্থাত চৰকাৰে ৰাইজক এই কথা বুজাই দিয়া উচিত— ন্যায়াধীকৰণৰ বিচাৰেও উল্লিখিত অভিযোগৰ যথাৰ্থতাকে প্ৰমাণ কৰিছে নেকি?

যদি নাই কৰা আৰু কেৱল অভিযোগৰ চোক কমাবলৈকে চৰকাৰে যদি এই নতুন ব্যৱস্থা হাতত লৈছে, তেন্তে ক'ব লাগিব যে এই ব্যৱস্থাৰ দ্বাৰা চৰকাৰে দায়িত্বৰ পৰা গা-এৰা দিব খুজিছে। তেনে অৱস্থাত এইটো সুদৃঢ় ব্যৱস্থা বুলি ধৰিবলৈকো টান হ'ব। আনহাতে ইয়াৰ ওলোটা প্ৰতিক্ৰিয়াও হ'ব পাৰে। অভিযোগ উঠা কাৰণেই পুলিচক এই দায়িত্বৰ পৰা যদি আঁতৰাই অনা হৈছে, তেন্তে প্ৰস্তাৱিত বাহিনীৰ ক্ষেত্ৰতো এনে অভিযোগ উঠিলে চৰকাৰে কি কৰিব? তদুপৰি প্ৰস্তাৱিত ব্যৱস্থাই তিক্ততা বঢ়োৱাৰ ক্ষেত্ৰতো যদি অৰিহণা যোগায়, তেতিয়া

দেখোন গোটেই প্ৰসংগটোৱেই সুকীয়া ৰূপ এটা ল'বগৈ— অৰ্থাৎ ৰাষ্ট্ৰৰ প্ৰতিৰক্ষাৰ স্বাৰ্থৰ ফালৰ পৰা গৈ ঠেক সাম্প্ৰদায়িক স্বাৰ্থৰ দ্বাৰা কলুষিত হ'বগৈ পাৰে। সেই দেখি ৰাজ্য চৰকাৰে গোটেই প্ৰসংগটো পুনৰ বিচাৰ কৰি চোৱা উচিত। সুদৃঢ় ব্যৱস্থা হাতত লৈ যিমান সোনকালে পাৰে সিমান সোনকালে সমস্যাৰ সমাধান কৰাটোকে আমি বিচাৰো। তাকে কৰিবলৈ হ'লে চৰকাৰে নিজৰ দায়িত্ব বঢ়াবহে লাগিব— দায়িত্ব কমোৱাৰ উপায় উলিয়ালে নহ'ব।

## শ্ৰীহনুমন্তিয়াৰ উপদেশ

প্ৰশাসনীয় সংস্কাৰ আয়োগৰ সভাপতি শ্ৰীহনুমন্তিয়াই অসমত সাক্ষ্য গ্ৰহণ কৰাৰ কাম শেষ কৰি শ্বিলঙত সাংবাদিকৰ আগত কৰা এষাৰ মন্তব্যই আমাৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। শ্ৰীহনুমন্তিয়াই কয় যে প্ৰশাসনীয় সংস্কাৰতকৈ অসমৰ বেলিকা অধিক প্ৰয়োজন হৈছে— পৰস্পৰক সামৰি ল'বৰ বাবে ৰাইজৰ মাজত এটা মনোভাৱে গঢ় লোৱাটো। ঠোৰতে কৰি থৈ যোৱা এইষাৰ মন্তব্যৰ তাৎপৰ্য বহুত ধৰণৰ হ'ব পাৰে। শ্ৰীহনুমন্তিয়াই কোন ফালৰ পৰা কথাষাৰ ক'লে তাক বুজা টান। হয়তো তাকে সুনিশ্চিতভাৱে জানিবলৈ আমি প্ৰশাসনীয় সংস্কাৰ আয়োগে প্ৰতিবেদনত অসমৰ সম্পৰ্কত কৰা মন্তব্যখিনি পঢ়ি চাবলৈ বাট চাব লাগিব। অসমৰ বেলিকা আয়োগে এলানি সুকীয়া পৰামৰ্শ আগবঢ়াবলগীয়া হ'ব পাৰে বুলি আৰু নানা তৰহৰ মানুহে বাস কৰা এই ৰাজ্যৰ সমস্যাবোৰ আন ৰাজ্যতকৈ বেলেগ বুলিও তেওঁ মন্তব্য কৰিছে।

আয়োগে বিভিন্ন লোকৰ সাক্ষ্য গ্ৰহণ কৰাৰ পিচত যিহেতু শ্ৰীহনুমন্তিয়াই উক্ত মন্তব্য কৰিছে, সেইদেখি আমি ধৰি লৈছো যে সাক্ষ্যৰ ভিত্তিত আৰু আয়োগে তাৰ ভেটিত লোৱা ধাৰণা অনুসৰিয়েই এই কথা কোৱা হৈছে। এতিয়া কথা হ'ল পৰস্পৰক সামৰি ল'বৰ বাবে মনোভাৱ গঢ়ি তুলিবলৈ কোৱাৰ বাবে চক খাবলগীয়া একো কথা নাই। বৈচিত্ৰ্যৰ মাজত ঐক্য ৰচনা কৰা ভাৰতৰ কাৰণে এইটো মূল কথা। অসমতো আমি তাকে বিচাৰো। সেই মনোভাৱে সকলো লোকৰ মাজত গঢ় লোৱা উচিত। কিন্তু চৰকাৰী নীতিবোৰ এনেদৰে ৰচিত হৈছে যে সেই লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এই নীতিবোৰেই সদায় বাধা দান কৰি আহিছে। একোখন ৰাজ্যত থকা একোটা সংখ্যালঘু ভাষা-ভাষী লোক সমষ্টিক ৰাজ্যখনৰ জীৱনধাৰাৰ পৰা নিজক বিচ্ছিন্ন কৰি ৰাখিবলৈহে সময়ত চৰকাৰী নীতিয়ে উদগনি দিয়ে। অসমতো সেয়ে হোৱা আমি দেখিছো। শ্ৰীহনুমন্তিয়াই যি সময়ত শ্বিলঙত আহি সাক্ষ্য গ্ৰহণ কৰিছিল, সেই সময়ত অসমৰ পাৰ্বত্য অঞ্চলৰ সমস্যাবোৰে নিশ্চয় আয়োগৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছিল। যদি পাৰ্বত্য অঞ্চলৰ কথা মনত ৰাখি তেওঁ ভৈয়ামৰ ৰাইজক সেই উপদেশ দিছে, তেন্তে আমি ক'ব লাগিব যে আচল সমস্যা সেইটো নহয়। ভৈয়ামৰ ৰাইজে পাৰ্বত্য অঞ্চলৰ ৰাইজক সামৰি লোৱাৰ ক্ষেত্ৰত কাৰ্পণ্য কৰা নাই। অৱশ্যে অপপ্ৰচাৰে মূল সত্যটো আচ্ছন্ন কৰি থৈছে। কিন্তু পাটস্কাৰ আয়োগেও তেনে অপপ্ৰচাৰ খণ্ডন কৰি থৈ গৈছে। আচলতে চৰকাৰে পাৰ্বত্য অঞ্চল আৰু পাৰ্বত্য ৰাইজৰ ক্ষেত্ৰত অনুসৰণ কৰা নীতিয়েই সেই অঞ্চলৰ ৰাইজক অসম তথা ভাৰতৰ জীৱনধাৰাৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে আৰু ফলত তেওঁলোকৰ মাজত পৃথক মনোভাৱ এটাই গঢ় লৈছে। সেইদেখি আয়োগৰ উপদেশ বিশেষকৈ প্ৰয়োজন হৈছে— চৰকাৰৰ কাৰণেহে।

## অসমৰ খেলুৱৈ

এইবাৰ অৰ্জুন বঁটাৰ বাবে নিৰ্বাচিত হোৱা দেশৰ ১৪ জন খেলুৱৈৰ ভিতৰত অসমৰ শ্ৰীভোগেশ্বৰ বৰুৱাও আছে। দৌৰত সুখ্যাতি অৰ্জন কৰা অসমৰ এইজন খেলুৱৈৰ প্ৰতি আগবঢ়োৱা এই সন্মানে অসমৰ খেলুৱৈ সমাজক বিশেষভাৱে প্ৰেৰণা যোগাব বুলি আমি আশা কৰো। খেলা-ধূলাৰ বিষয়তো অসম তেনেই পিচ পৰি আছে। এই দুৰৱস্থাৰ অৱসান ঘটাবলৈ আমাক লাগে এটা প্ৰণালীবদ্ধ প্ৰচেষ্টা। উপযুক্ত প্ৰশিক্ষণ দিব পাৰিলে (অৱশ্যে উচিত বয়সত) অসমে কৃতী খেলুৱৈ গঢ়ি তুলিব পাৰিব। সম্প্ৰতি দেশত খেল-ধেমালিয়ে নতুন স্বীকৃতি পাইছে। বিভিন্ন ৰাজ্যই আগতকৈ বেছি পৰিমাণে খেল-ধেমালিৰ বিষয়ত মনোনিৱেশ কৰিছে। কিন্তু সেই উদ্যম বেছি দূৰ আগবাঢ়িব পৰা নাই। স্কুল-কলেজতে উপযুক্তভাৱে গঢ় দিব নোৱাৰিলে পিছত সময় উকলি যায়। নেচনেল ইনষ্টিটিউট অব স্প'ৰ্টছৰ অধ্যক্ষ মেজৰ জেনেৰেল চোপ্ৰাই মাজতে মন্তব্য কৰিছিল যে স্কুল-কলেজে খেলৰ প্ৰতি উচিতভাৱে মন দিয়া নাই। এই কথা অসমকে ধৰি কেতবোৰ ৰাজ্যত বিশেষভাৱে প্ৰযোজ্য বুলি আমি জানো। অসমৰ স্কুল-কলেজ সকলোবোৰৰ বাবে খেলপথাৰেই নাই।

প্ৰশিক্ষণৰ ওপৰত বহুতখিনি নিৰ্ভৰ কৰে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে পৰামৰ্শ দিছিল যে প্ৰত্যেকখন বিশ্ববিদ্যালয়তে প্ৰশিক্ষণদাতা থাকিব লাগে। পিচে দেশৰ ৩ খন মান বিশ্ববিদ্যালয়তহে তেনে ব্যৱস্থা আছে। ভাৰতত বিভিন্ন মহলৰ উদ্যোগত ৫০টা মান প্ৰশিক্ষণ কেন্দ্ৰ আছে। তাৰে ১১টা পঞ্জাবত আছে আৰু পঞ্জাৱৰ খেলুৱৈসকলৰ যোগ্যতা সম্পৰ্কে নতুনকৈ কোৱাৰো প্ৰয়োজন নাই। কেতবোৰ ৰাজ্যত তেনে সুবিধা নায়েই। কেতবোৰত আৰম্ভণি হৈছে মাত্ৰ। অসমো সেই পৰ্যায়ৰ ভিতৰতে আছে। ৰাজ্য চৰকাৰে পূৰ্ণাংগভাৱে এনে দায়িত্ব লোৱা নাই— কিন্তু তাকে কৰিলেহে এই ব্যৱস্থা পূৰ্ঠ হৈ উঠিব। ৰাজ্য চৰকাৰে অৱশ্যে ফুটবল আৰু ভলীৰ কাৰণে প্ৰশিক্ষণদাতা ৰাখিছে. তদুপৰি ৰাজ্যৰ ক্ৰীড়া সন্থা, চৰকাৰ আদিৰ সহযোগতো প্ৰশিক্ষণৰ বিভিন্ন আয়োজন কৰা হৈছে— কিন্তু এইবোৰ সামান্য আৰম্ভণি বুলিহে ক'ব পাৰি। ৰাজ্য চৰকাৰ, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ক্ৰীড়া সন্থা আদি সকলোৰে সহযোগ আৰু সমন্বয়ত অসমত প্ৰশিক্ষণৰ ব্যাপক ব্যৱস্থা কৰাটোহে আমি বিচাৰো।

সোমবাৰ, ১ মে, ১৯৬৭ চন

## কিমান ঠেক?

বোম্বাইৰ প্ৰেছমেলত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৱনে কৈছে যে সকলো ধৰণৰ ঠেক মনোবৃত্তিয়েই বেয়া আৰু তাৰ বিৰুদ্ধে অকল আইনৰ ব্যৱস্থাই যথেষ্ট নহয়, লগে লগে শক্তিশালী জনমতো গঠন কৰা আৱশ্যক। উল্লেখযোগ্য যে শিৱসেনাৰ সংগঠনৰ সম্পৰ্কতে তেওঁক প্ৰশ্ন কৰা হৈছিল আৰু তেওঁ এই সংগঠনৰ কথা বিশেষভাৱে মনত নৰখাকৈয়ে উক্ত মন্তব্য দিয়ে বুলি কৈছে। কিন্তু শিৱসেনাৰ কথা তেওঁৰ মনত নাছিল বুলি বিশ্বাস কৰা টান। তেওঁ স্বীকাৰ নকৰিলেও ক্ষমতাশালী কিছুমান লোক যে এই সংগঠনৰ লগত জড়িত এই কথা ইতিমধ্যেই প্ৰকাশ হৈ গৈছে। পি-টি-আইৰ বাতৰি মতে শিৱসেনাৰ নিচিনা সংগঠন হোৱাৰ অন্তৰালত প্ৰকৃত যি ওজৰ-

আপত্তি থাকে সেইবিলাকৰ প্ৰতি মনোনিৱেশ কৰিবই লাগিব বুলি হেনো শ্ৰীচৱনে কয়। ইয়াৰ পৰাই বুজিব লাগিব যে স্থানীয় বা আঞ্চলিক কিবা আন্দোলন বা সংগঠন হ'লেই তাক গৃহমন্ত্ৰীয়ে ঠেক মনোবৃত্তিৰ পৰিচায়ক বুলি ক'ব নোখোজে। মাত্ৰ কথা হৈছে এই কথা সকলো সময়তে প্ৰযোজ্য বুলি ভবা হয় নে নহয়।

ভাষা আৰু সম্প্ৰদায়ৰ ভেটিত এদলে আন এদলৰ ওপৰত "আক্ৰমণ" চলোৱাটো শোচনীয় বুলি শ্ৰীচৱনে কৈছে। আমিও কওঁ, যিহৰ ভেটিত নহওক তেনেকুৱা ঠেক মনোবৃত্তি সমৰ্থনযোগ্য নহয়। কিন্তু ভাষা বা আন প্ৰশ্নৰ ভেটিত ন্যায্য অভিযোগ থাকিলেও যদি তাকে লৈ কৰা আন্দোলনক ঠেক মনোবৃত্তিৰ পৰিচায়ক বুলিবলৈ কোৱা হয় তেন্তে তাত প্ৰতিবাদ জনাবই লাগিব। অসমত বিভিন্ন সময়ত হৈ অহা শোধনাগাৰ, ৰাজ্যভাষা আদি বিষয়ক আন্দোলনক বাহিৰৰ মানুহে আমাৰ ঠেক মনোবৃত্তি বুলি সদায়েই সমালোচনা কৰি অহা দেখা যায়। সংবিধানত স্বীকৃত ভাষাৰ প্ৰতিষ্ঠাৰ কাৰণে কৰা আন্দোলন ন্যায্য আন্দোলন। স্থানীয় বিকাশৰ কাৰণে শোধনাগাৰৰ দৰে উদ্যোগৰ প্ৰতিষ্ঠা নিশ্চয় অত্যাৱশ্যকীয়। থলুৱা লোকক স্থানীয় উদ্যোগ-প্ৰতিষ্ঠানত নিয়োগ কৰাৰ দাবী প্ৰায় ৰাজ্যতে উঠি আহিছে। কেৱল অসমৰ পৰা এনে দাবী উঠিবৰ সময়তে সৰ্বভাৰতীয় নেতৃবৃন্দই আমাৰ ঠেক মনৰ পৰিচয় বিচাৰি চাব খোজে। যুগ যুগ ধৰি ভাষাগত আৰু জাতিগতভাৱে বিচ্ছিন্ন হৈ থকা ভাৰতবাসীৰ নানান আঞ্চলিক সমস্যা থকাটো একো আচৰিত কথা নহয়। সেইবিলাকৰ সমাধান সৰ্বভাৰতীয় ভেটিত সকলো সময়তে সম্ভৱ নহয়। থলুৱা দাবী উঠিলেই যে ঠেক দাবী হ'ব এনে কথা হ'ব নোৱাৰে। প্ৰথম চৰকাৰী খণ্ডৰ শোধনাগাৰটো সৰ্বভাৰতীয়তাৰ অজুহাতত অসমৰ পৰা লৈ যাব খোজা হৈছিল। অসমৰ ঔদ্যোগিক বিকাশৰ বাবে কৰা দাবীৰ যুক্তিযুক্ততা তেতিয়া মানি ল'ব খোজা নহৈছিল। আমাৰ নেতৃবৃন্দৰ এইবোৰ কথা উপলব্ধি হওঁতে বৰ পলম হয়।

## অভয়াৰণ্য বিভাগ

এটা বাতৰি মতে অসমৰ অভয়াৰণ্যকেইখনৰ তত্বাৱধানৰ কাৰণে বন বিভাগৰ অধীনত এটা পৃথক ডিভিজন খুলিবলৈ অসম চৰকাৰে থিৰ কৰিছে। আপুৰুগীয়া জীৱ-জন্তুৰে পৰিপূৰ্ণ অভয়াৰণ্যৰ বিষয়ে কৰ্তৃপক্ষৰ এই সজাগতা প্ৰশংসনীয়। কাজিৰঙাত গোপনে হৈ থকা চিকাৰৰ ফলত পশু-পক্ষী, বিশেষকৈ এশিঙীয়া খড়গ গঁড়ৰ ক্ষেত্ৰত কি মাৰাত্মক অৱস্থা এটাৰ সৃষ্টি হৈছে সেইটো সকলোৱে দেখি আছে। পহু, মাছ আদি গোপনে মাৰি নিয়াৰ কথা এৰিছোৱেই। গঁড় মাৰি মাৰি খড়গ চালান কৰি থকাই হৈছে। অথচ সংশ্লিষ্ট ৰক্ষীসকলে তাত বাধা দিব পৰা নাই। নতুন উপ-বিভাগ এটা সংগঠন কৰি যদি প্ৰতিকাৰৰ কিবা ব্যৱস্থা কৰিব পৰা যায় তেন্তে নিশ্চয় ভাল কথা হ'ব।

কিন্তু গুৱাহাটীত এই উপ-বিভাগৰ কাৰ্যালয় পাতিব খোজা হৈছে কিয়? কাজিৰঙা, মানস আদি অভয়াৰণ্য গুৱাহাটীৰ পৰা শ-ডেৰশ মাইল আঁতৰত। এনেস্থলত ইয়াৰ পৰা ভাৰপ্ৰাপ্ত বিষয়াই প্ৰকৃত সেৱা দিব নে কেৱল ফাইলহে চাই থাকিব? আমাৰ বোধেৰে বনৰ লগত শাৰীৰিক সম্পৰ্ক ৰাখিব পৰাকৈ কাজিৰঙাৰ নিচিনা ঠাইতে এই অফিচ হোৱা উচিত, যাতে লাগ বুলিলে ভাৰপ্ৰাপ্ত বিষয়াই ঠাইতে কিবা সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। আমাৰ যোৰহাটৰ নিজা বাতৰি দিওঁতাই ক'বৰ দৰে ৫০ মাইল আঁতৰৰ যোৰহাটস্থ বন বিষয়াৰ অধীনত থাকোতেই কাজিৰঙাৰ ৰক্ষণাবেক্ষণ বা তদাৰক ভাল কৰিব পৰা হোৱা নাই। গুৱাহাটীৰ বিষয়াই যে এতিয়াতকৈ কমহে

মনোযোগ দিব পাৰিব সেইটো দেখদেখ কথা। আমি ভাবোতে, উপ-বিভাগৰ মূল বিষয়াক এখন অভয়াৰণ্যতে ৰাখক ; বাকীবিলাকতো তেনেকৈ একোজন তেওঁৰ অধীনৰ বিষয়াক ভাৰ দিয়ক। এনে ব্যৱস্থা অকল বনৰ ৰক্ষণাবেক্ষণৰ কাৰণেই নহয়, তাৰ উন্নতিৰ কাৰণেও আৱশ্যক। অভয়াৰণ্যলৈ ভ্ৰমণকাৰীক আকৰ্ষণ কৰিবলৈ বহুতো কাম হাতত ল'বলগীয়া হৈ আছে। একোজন বিষয়া অৰণ্যত থাকিলেহে তেনেকুৱা সুবিধা-অসুবিধাবিলাক ভালদৰে বুজিব পাৰিব।

## কৃত্ৰিম

যিসকলে হাক্সলী, অৰৱেল আদিৰ ভৱিষ্যৎ কালৰ কাহিনী পঢ়িছে তেওঁলোকক পৰীক্ষাগাৰত শাৰী শাৰী টেষ্টটিউব বেবীৰ বা কাৰখানাৰ উপন্যাসৰ উৎপাদনৰ কথা নতুনকৈ নক'লেও হ'ব। এইবিলাক বৈজ্ঞানিক ভিত্তি আৰু চিন্তাৰ আধাৰত কৰা কল্পনা হ'লেও কাহানিবা (১৯৮৪ লৈ কিমান দিন ? ওৱেলছৰ টাইম মেচিন ওলাবগৈনে ?) বাস্তৱত পৰিণত হ'ব বুলি কিজানি কোনেও ভবা নাই। কিন্তু প্লাষ্টিকৰ ঘাঁহনি বিক্ৰী কৰিবলৈ ওলোৱা বুলি শুনি কিজানি এতিয়া মত সলাবলগীয়া হ'বও পাৰে। লণ্ডনত হেনো তেনেকুৱা ঘাঁহনি ডৰাডৰে বিক্ৰী কৰিব খোজা হৈছে। ইয়াৰে হেনো টেনিচ ক'ৰ্টো কৰিব পৰা হ'ব— ধুলেই নিকা হৈ যাব। আমাৰ দ্ৰয়িংৰুমত প্লাষ্টিকৰ ফুলৰ অনুপ্ৰৱেশ হৈছেই। কাহানিবা প্ৰেয়সীৰ খোপাত তেনেকুৱা এপাহকে গুজি দিয়াৰ কথা কল্পনা কৰি চাওক। কল্পনাৰ মৃত্যুৰ লগে লগে আমাৰ বহুত কোমলতাৰো অপমৃত্যু নহ'বনে ? ওমৰ খৈয়ামে কোমল ঘাঁহনি ডৰাত খোজ দিয়াৰ আগতে আমাক থমকি ৰ'বলৈ কৈ গৈছে ; কাৰণ বহু প্ৰেমিক-প্ৰেমিকাৰ দেহাৰ বিনিময়ত সেইডৰা ঘাঁহনি হৈ উঠিছে। ডলাৰ-ষ্টাৰ্লিঙৰ লাভৰ বিনিময়ত হোৱা "ঘাঁহনিত" ঘোৰাবাগৰ দিবলৈ গৈ এই কথা মনত পৰিবনে ? এইচ জি ওৱেলছে অনুমানতে চন্দ্ৰলোকত খোজ পেলাইছিল। এতিয়া বৈজ্ঞানিক কাৰিকৰে সঁচা-সঁচিকৈয়ে চন্দ্ৰৰ পিঠিত ফুটা কৰি দিয়াৰ বাতৰি ওলাইছে। চন্দ্ৰক আমি জোনবাই, মোমাই, ৰাতিৰ ৰাণী আদি মোলায়েম সম্বোধনেৰে ইমান দিনে আদৰ কৰি আহিছিলো। এতিয়া যেন সেইবোৰ সকলো নোহোৱা হৈ যাবলৈ ওলাইছে। সেইবোৰ কল্পনা প্লাষ্টিকৰ বস্তুৰ দৰেই নিশ্চয় কৃত্ৰিম আছিল, কিন্তু অনুভূতি আছিল অকৃত্ৰিম। এতিয়া প্লাষ্টিকৰ ঘাঁহনিত অকৃত্ৰিম অনুভূতি হ'বনে ?

শুকুৰবাৰ, ৫ মে, ১৯৬৭ চন

# ৰাষ্ট্ৰপতি নিৰ্বাচন

কাইলৈ ৬ মে' তাৰিখে ৰাষ্ট্ৰপতি নিৰ্বাচন সম্পন্ন হ'ব। সাধাৰণ নিৰ্বাচনৰ পাচত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নতুন কথা নহয়। ১৯৫২ চনত পৰলোকগত ড° ৰাজেন্দ্ৰ প্ৰসাদে আন চাৰিজন প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ব লগা হৈছিল। ড° প্ৰসাদে দ্বিতীয়বাৰ আৰু তেওঁৰ পাচত ড° ৰাধাকৃষ্ণনে প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰিহে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। কিন্তু এইবাৰ ৰাষ্ট্ৰৰ এই সৰ্বোচ্চ পদটোৰ কাৰণে চলা প্ৰতিদ্বন্দ্বিতাৰ ৰূপ সুকীয়া হৈছে।

চতুৰ্থ সাধাৰণ নিৰ্বাচনে ভাৰতীয় গণৰাজ্যৰ সংসদী জীৱনত যি নতুন ৰূপ দিলে তাৰ পৰিপ্ৰেক্ষিতত এইবাৰ সকলো ৰাজনৈতিক দলৰ সমৰ্থনপ্ৰাপ্ত ব্যক্তি এজন এই উচ্চতম পদটোত অধিষ্ঠিত হোৱা হ'লেই সন্তোষৰ কথা হ'লহেঁতেন, কিন্তু সেয়ে হৈ নুঠিল। ৰাষ্ট্ৰপতি পদৰ কাৰণে সোতৰজনে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলাল। এইসকলৰ ভিতৰত উপ-ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইন আৰু সিদিনালৈকে সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশস্বৰূপে থকা শ্ৰীকোকা সুব্বা ৰাওৱেই মুখ্য প্ৰতিদ্বন্দ্বী ড° জাকিৰ হুছেইনক ঘাইকৈ কংগ্ৰেছ দলে সমৰ্থন দিছে আৰু আনহাতে শ্ৰীসুব্বা ৰাওক স্বতন্ত্ৰ, জনসংঘ, এছ এছ পি, পি এছ পি আৰু দুয়োটা শিবিৰৰ কমিউনিষ্ট পাৰ্টি প্ৰমুখ্যে বিৰোধী দলসমূহে সমৰ্থন কৰিছে। এইবাৰ নিৰ্বাচনত কংগ্ৰেছ বিৰোধী দলসমূহৰ শক্তি বৃদ্ধি পাইছে আৰু সেই কাৰণেই ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতা তীব্ৰ হৈ পৰিছে।

ৰাষ্ট্ৰপতি নিৰ্বাচনত নিজৰ সমৰ্থনপ্ৰাপ্ত প্ৰাৰ্থীক জয়লাভ কৰাবৰ বাবে ইতিমধ্যে চলা প্ৰচাৰকাৰ্য সকলোৰে দৃষ্টিগোচৰ হৈছে। শ্ৰীসুব্বা ৰাওৰ পক্ষ সমৰ্থনকাৰীসকলে নিৰ্দলীয় প্ৰাৰ্থী স্বৰূপে তেওঁক সমৰ্থন দিবলৈ নিৰ্বাচক মণ্ডলৰ প্ৰতিনিধিসকলৰ প্ৰতি আহ্বান দিছে। তেওঁলোকৰ মতে ড° জাকিৰ হুছেইন এটা দল বিশেষৰ প্ৰাৰ্থী। কিন্তু প্ৰশ্ন উঠে ড° জাকিৰ হুছেইন যদি কংগ্ৰেছ দলৰ প্ৰাৰ্থী তেন্তে শ্ৰীসুব্বা ৰাওক বিৰোধী দলৰ প্ৰাৰ্থী বুলি ধৰাত বাধা কি? ড° জাকিৰ হুছেইনৰ ব্যক্তিত্ব, অৰ্হতা আৰু দেশপ্ৰেমৰ স্বীকৃতি দি সুব্বা ৰাওৰ সমৰ্থক কোনো কোনো বিৰোধী নেতাই কৈছে যে কংগ্ৰেছ দলে সমৰ্থন দিয়া কাৰণেই ড° হুছেইনক সমৰ্থন কৰিব নোৱাৰি। সংবিধান আৰু পৰম্পৰা অনুসাৰে ৰাষ্ট্ৰৰ মুৰব্বীজনে জনপ্ৰিয় মন্ত্ৰীসভাৰ পৰামৰ্শ মতেই কাম কৰে। সেই ফালৰ পৰা চালে ৰাষ্ট্ৰপতি পদত যিয়েই নাথাকক তেৰেঁই কেন্দ্ৰত ক্ষমতাপ্ৰাপ্ত কংগ্ৰেছ দলৰ মন্ত্ৰীসভাৰ পৰামৰ্শ মতে চলিব। তেনে অৱস্থাত ড° হুছেইনৰ দৰে অভিজ্ঞতাসম্পন্ন, বিশিষ্ট শিক্ষাবিদ এজনক ৰাষ্ট্ৰপতি স্বৰূপে গ্ৰহণ কৰাত কি বাধা থাকিব পাৰে, তাৰ উপযুক্ত কাৰণ বিৰোধী দলসমূহৰ নেতাসকলে দৰ্শাব পৰা নাই। ধৰ্মনিৰপেক্ষ ভাৰতত সাম্প্ৰদায়িকতাৰ অনুভূতিয়ে প্ৰাধান্য বিস্তাৰ কৰা অনুচিত আৰু সেই কাৰণে ড° হুছেইনক এই পদ দি কথা আৰু কামৰ সামঞ্জস্য ৰক্ষা কৰিব লাগে বুলিহে নিৰপেক্ষ মহলে মত প্ৰকাশ কৰিছে। বিৰোধী দলসমূহে তেওঁলোকৰ প্ৰাৰ্থীজনক জয়লাভ কৰাই তেওঁৰ পৰা বিশেষ কিবা আশা কৰিছে নেকি বুজা নাযায়। ড° হুছেইনক প্ৰাৰ্থী তুলিবলৈ লৈ বিদেশী মহলৰ হেঁচা মানি লোৱা হৈছে বুলি বিৰোধী নেতাসকলে অভিযোগ তোলাৰ লগতে এই বিশিষ্ট নেতাজনৰ বিৰুদ্ধে বিৰোধী মহলতে কেনে নিম্ন পৰ্যায়ৰ ব্যক্তিগত সমালোচনা চলিছে তাৰ প্ৰতিও তেওঁলোক সচেতন হোৱা উচিত।

যি হওক, এই নিৰ্বাচনত নিৰ্বাচক মণ্ডলৰ প্ৰতিনিধিসকলে দূৰদৰ্শিতা আৰু বাস্তৱমুখী দৃষ্টিভংগীৰে কাম কৰিব বুলিয়েই আশা কৰা হৈছে, যাতে দেশৰ সংসদী গণতন্ত্ৰৰ মৰ্যাদা অক্ষুণ্ণ থাকে আৰু জাতিৰ সমুখত দেখা দিয়া সমস্যাৱলী সমাধানৰ পথ সুগম হৈ পৰে।

## উদ্যোগীকৰণৰ প্ৰশ্ন

উদ্যোগৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য দূৰ কৰাই কেন্দ্ৰীয় চৰকাৰৰ নীতি যদিও কেইবাখনো ৰাজ্যত সেই নীতি অনুসৰি উদ্যোগৰ প্ৰতিষ্ঠা আৰু উন্নয়ন হৈ উঠা নাই বুলি কেন্দ্ৰীয় ঔদ্যোগিক উন্নয়ন আৰু কোম্পানী পৰিক্ৰমাৰ মন্ত্ৰী শ্ৰীফখৰুদ্দিন আলি আহমদে স্বীকাৰ কৰিছে। এই বৈষম্যৰ ফলত অসমে ক্ষতি স্বীকাৰ কৰাৰ কথা মন্ত্ৰীজনক

নতুনকৈ জনোৱাৰ কোনো প্ৰয়োজন নাই। অসমক উদ্যোগৰ ক্ষেত্ৰত উন্নত কৰাত যথেষ্ট সুযোগ-সুবিধা আছে কিন্তু সেইবোৰ উপযুক্ত পৰিমাণে কামত লগোৱা হোৱা নাই। অসমত মূলধন বিনিয়োগ কৰিবলৈ অসমৰ বাহিৰৰ লোকে আগ্ৰহ প্ৰকাশ নকৰে, পৰিবহণৰ জটিলতা এতিয়ালৈকে অন্ত পৰা নাই, স্থানীয় মূলধনৰ অভাৱ। এনে অৱস্থাত অসমৰ ঔদ্যোগিক উন্নয়নৰ দায়িত্ব চৰকাৰেণ গ্ৰহণ কৰা উচিত। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কি কৰা হৈছে? ৰাজ্যৰ খাৰুৱা তেল শোধনৰ বাবে আৰু এটা শোধনাগাৰ প্ৰতিষ্ঠাৰ আৱশ্যকতা উপলব্ধি কৰা হোৱা নাই; পেট্ৰো-কেমিকেল উদ্যোগ গঢ়ি তোলাৰ সুযোগ-সুবিধা গ্ৰহণ নকৰি কেঁচা মালৰ অপচয় কৰা হৈছে; কাগজৰ কল এটা প্ৰতিষ্ঠা কৰা হোৱা নাই। ক্ষুদ্ৰায়তন ক্ষেত্ৰতো এনে বহুত সম্ভাব্য উদ্যোগৰ উদাহৰণ দিব পাৰি, যিবোৰৰ কাৰণে অসমত কেঁচা মাল আছে কিন্তু উদ্যোগ গঢ়ি উঠা নাই।

কেন্দ্ৰীয় মন্ত্ৰীজনে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ দ্বাৰা অসমত চিমেণ্ট আৰু 'পেপাৰ পাম্প' উদ্যোগৰ উন্নয়ন সাধন কৰা হ'ব বুলি আশ্বাস দি অৱশ্যে কিছু আশাৰ সঞ্চাৰ কৰিছে। কিন্তু সেয়ে অসমৰ ঔদ্যোগিকৰণৰ কাৰণে ডাঙৰ বৰঙণি নহয়। ইয়াত সোনকালে পেট্ৰো-কেমিকেল উদ্যোগ, চীনা মাটিৰ কাৰখানা, কাগজৰ কলৰ দৰে উদ্যোগো প্ৰতিষ্ঠা কৰা আৱশ্যক।

এই প্ৰসংগতে অহা মাহত শ্বিলঙত ৰাজ্যিক উদ্যোগ মন্ত্ৰীৰ উদ্যমত বহিব লগা অসমৰ উদ্যোগপতিসকলৰ সন্মিলনৰ বিষয়েও উল্লেখ কৰিব লগা হৈছে। এই সন্মিলনত অসমৰ ঔদ্যোগিক নীতিৰ ধৰণ সলনি কৰাৰ বিষয়ে আলোচনা চলিব বুলি জনা গৈছে। ৰাজ্যখনৰ ঔদ্যোগিক উন্নয়নৰ বিষয়ে "উদ্যোগপতিসকলে নিজৰ অভিজ্ঞতাৰ পৰা পৰামৰ্শ আগবঢ়াব পাৰে আৰু তেনে পৰামৰ্শ কামত লগোৱা ভাল।

অসমত উদ্যোগৰ বিকাশ সাধন সম্পৰ্কে চিন্তা কৰোঁতে স্থানীয় লোকৰ দাবীক অগ্ৰাধিকাৰ দি বিবেচনা কৰা উচিত। আন ঠাইৰ মূলধন আকৰ্ষণ কৰিবলৈ যাওঁতে স্থানীয় লোকৰ স্বাৰ্থ যাতে ক্ষুণ্ণ নহয় তাৰ প্ৰতিও লক্ষ্য ৰখা দৰকাৰ। অসমত উদ্যোগিকৰণ হ'লে তাৰ সুফল অসমৰ লোকেহে অগ্ৰাধিকাৰৰ ভিত্তিত পাব লাগিব, নহ'লে উদ্যোগিকৰণৰ অৰ্থ নেথাকে। উদ্যোগিকৰণৰ নামত অসমক উপনিৱেশত পৰিণত হ'বলৈ এৰি দিব নোৱাৰি। অসমত উদ্যোগ প্ৰতিষ্ঠাৰ লাইচেন্সৰ, আমদানি লাইচেন্সৰ যদি অপব্যৱহাৰ হৈছে তেন্তে তাৰো বিচাৰ হোৱা উচিত।

উদ্যোগপতিসকলৰ সন্মিলন আৰু চৰকাৰৰ তৎপৰতাই অসমক ভাৰতৰ ঔদ্যোগিক মানচিত্ৰই যোগ্য স্থান দিয়াত সহায় কৰিলে সন্তোষৰ কথা হ'ব।

<u>শনিবাৰ, ৬ মে, ১৯৬৭ চন</u>

# ৰাইজৰ দুৰ্যোগ

গুৱাহাটীত দেখা দিয়া খাদ্য সমস্যাই অসমৰ খাদ্য সমস্যাৰ প্ৰতিচ্ছবি এখনকে দাঙি ধৰিছে। চাউল, আটা পাবলৈ নাই। যোগান ব্যৱস্থা শোচনীয় হৈ উঠিছে। আনহাতে সৰহ দাম দিলে চাউল পোৱা গৈছে। এক মে'ৰ দিনা মুকলি বজাৰত ১.৫০ টকা (কিলোত) দামত পোৱা চাউলৰ দাম তিনি দিনৰ ভিতৰত ২.৫০ টকালৈকে উঠিল। এই উৰ্দ্ধ গতি অব্যাহত আছে। লগে লগে অন্যান্য খাদ্য-সামগ্ৰীৰ দামো বাঢ়ি গৈছে। ফলত ৰাইজৰ

মাজত হাহাকাৰ লাগিছে। মানুহৰ ক্রয় শক্তিৰ সীমা অতিক্রম কৰি যোৱা এই অৱস্থাই সমুখৰ দিনকেইটাৰ বিপদলৈহে আঙুলিয়াই দিছে। এতিয়াই যদি এইটো অৱস্থা হয়, তেন্তে পিচৰ কেইমাহত কি হ'বগৈ। যি কেইমাহত এনেয়ে ধান-চাউল কমকৈ ওলায় আৰু যিকেইমাহত বাৰিষাৰ বানে সকলো থানবান কৰি দিয়ে, তেতিয়াৰ পৰিস্থিতি চৰকাৰে চম্ভালিব কেনেকৈ ? আকৌ গুৱাহাটীতে পেটৰ ভোকত কলমলাই ল'ৰা-ছোৱালী যদি স্কুললৈ যাবলগীয়া হৈছে, তেন্তে অভাৱগ্ৰস্ত গাঁওবোৰত আৰু চাউল-আটা যোগান ধৰাৰ বাবে কৰ্তৃপক্ষই দায়িত্ব নোলোৱা অঞ্চলত কি অৱস্থা হৈছে?

চৰকাৰে চাউল-আটাৰ যোগান ধৰিব পৰা নাই ; অথচ বেছি দামত যিসকলে চাউল-আটা বেচিছে তেওঁলোকৰ চাউল-আটাৰ একো অভাৱ নাই। এইবোৰ চাউল-আটা ক'ৰ পৰা আহিছে আৰু ক'ত জমা হৈ আছে— তাৰ সম্ভেদ নোপোৱাটো সংশ্লিষ্ট লোকৰ অকৰ্মণ্যতাৰ চূড়ান্ত নিদৰ্শন। চৰকাৰৰ সকলো আঁচনিয়ে ব্যৰ্থ হোৱাটোও মন কৰিবলগীয়া। যোৱা ১ মে'ৰ পৰা কামৰূপ জিলাত দহ মোনলৈকে চাউল অবাধে অনা-নিয়া কৰিব পৰা অনুমতি দিয়া হ'ল। কিন্তু চৰকাৰে তাৰ পৰা যি ফল পোৱা যাব বুলি ভাবিছিল, তাৰ ওলোটা ফলহে হ'লগৈ। কেনেবোৰ প্ৰক্ৰিয়াৰ ফলত এই অৱস্থা হ'ল তাৰ পম খেদিবলৈ চৰকাৰৰ অধীনত যোগ্য লোক নাই নেকি ? নে সকলো নিৰ্লিপ্ত হৈ আছে? অৱশ্যে ৰাইজৰ চৰম দুৰ্গতিৰ মাজতো ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা শ শ মোন ধান-চাউল চোৰাংভাৱে চালান হৈ থকা বাতৰিবোৰে চৰকাৰী বিভাগবোৰৰ অপযশ ইতিমধ্যে প্ৰচাৰ কৰিছে। চৰকাৰী নীতি সকলো ক্ষেত্ৰতে অথৰ্ব হৈ পৰাটো নিতান্ত পৰিতাপৰ কথা। এই দুৰ্যোগৰ মাজতো বিভিন্ন স্বাৰ্থৰ মাজত সংঘাত চলি থকাহে আমি দেখা পাইছো। সমবায়, খাদ্য কৰ্পৰেচন, যোগান বিভাগ, ব্যৱসায়ী, মিল— সকলোৱে একোটা প্ৰতিৰেশী প্ৰতিদ্বন্দ্বী শিবিৰৰ দৰে কাম কৰাৰ ফলত সংগ্ৰহ, যোগান আৰু বিতৰণ ব্যৱস্থা পংগু হৈ পৰিছে। তাৰ মাজত চৰকাৰে অবাক দৰ্শকৰ দৰে চাই থাকি ৰাইজৰ দুৰ্দশা আৰু বঢ়াইছে।

## আভ্যন্তৰীণ নৌ পৰিবহণ

আৰ-এছ-এন কোম্পানী লিমিটেড আচম্বিতে বন্ধ হৈ গ'ল। কোনো আগজাননীও দিয়া নহ'ল ; আনকি কৰ্মচাৰীয়ে এপ্ৰিল মাহৰ দৰমহাও নেপালে। ফলত অসমত এই কোম্পানীৰ অধীনত কাম কৰা ৩৩৫২ জন লোক বিপাঙত পৰিল। সেইদৰে পশ্চিমবংগতো ৪৫০০ জন লোকৰ অনুৰূপ অৱস্থা হ'ল। সুদীৰ্ঘকাল ধৰি নৌ পৰিবহণৰ দায়িত্ব লৈ থকা এই কোম্পানীৰ বেলিকা লোৱা এনে ব্যৱস্থাৰ পৰিণাম কোম্পানীৰ চাকৰিয়ালসকলৰ বেলিকা কিমান নিকৰুণ হৈ উঠিছে, সেই কথা বুজিবলৈ টান নহয়। কলিকতাৰ উচ্চ ন্যায়ালয়ত উথাপিত এটা গোচৰৰ সংক্ৰান্তত আৰ-এছ-এন কোম্পানীয়ে ন্যায়ালয়ত দাখিল কৰা আঁচনি এখন ন্যায়ালয়ৰ দ্বাৰা অনুমোদিত হোৱাৰ পিচ মুহূৰ্ততে আচম্বিতে কোম্পানী বন্ধ কৰি দিয়া হ'ল আৰু কোম্পানীৰ সা-সম্পত্তি হস্তান্তৰিত হ'ল নৱগঠিত কেন্দ্ৰীয় আভ্যন্তৰীণ নৌ পৰিবহণ কৰ্পৰেচন লিমিটেডলৈ (যোৱা ১৬ ফেব্ৰুৱাৰীত এই নতুন কোম্পানী গঠিত হয়)। আৰ-এছ-এন কোম্পানীৰ আঁচনিৰ আন উদ্দেশ্য যিয়েই নেথাকক, ঋণৰ দায়ৰ পৰা কোম্পানীক উদ্ধাৰ কৰাটো অন্যতম ঘাই কথা। পাকিস্তানৰ মাজেদি জাহাজ চলাচল বন্ধ কৰাৰ ফলত আৰ-এছ-এন কোম্পানী যে আৰ্থিক সংকটত পৰিছে, সেইটো কোনেও নুই নকৰে। সেই সম্পৰ্কত কোম্পানীয়ে চৰকাৰৰ পৰা সাহায্য নোপোৱাকৈয়ো থকা নাই। অসুবিধাৰ হাত সাৰিবলৈ চৰকাৰে কোম্পানীক ঋণো দিছিল।

কিন্তু কোম্পানীৰ (আগৰ) আৰ্থিক সংকট, ঋণৰ দায়— আদি বিষয়তো সকলো মনোযোগ সীমাৱদ্ধ কৰি ৰাখি আৰু কোম্পানীত চাকৰি কৰা লোকসকললৈ সম্পূৰ্ণ পিঠি দি যি পদ্ধতিৰে নতুন কোম্পানীক অধিষ্ঠিত কৰা হ'ল— সেইটো সঁচাকৈ নিৰাশজনক। আজিৰ অৰ্থনৈতিক দুৰ্যোগৰ মাজত এইসকল লোকৰ কি অৱস্থা হ'ব, সেই কথালৈ কাণ দিয়া নহ'ল। এই সম্পৰ্কত যি আশা দিয়া হৈছে, সেইটো সমূলি উৎসাহজনক নহয়। আৰ-এছ-এন কোম্পানীয়ে যি আঁচনি দাঙি ধৰি অনুমোদন লাভ কৰিলে, তাত দিয়া ব্যৱস্থা মতে নতুন কোম্পানীয়ে এতিয়াৰ চাকৰিয়ালসকলৰ সৰহভাগকে নিয়োগ কৰিব— অৱশ্যে নতুন কোম্পানীৰ চাকৰিৰ চৰ্তসাপেক্ষে। ইয়াৰ এটাও আশাপ্ৰদ কথা নহয়। ইতিমধ্যে কৰ্মচ্যুত চাকৰিয়ালসকলে কি কৰিব সেই বিষয়ে কোনো আশ্বাস নাই। নতুন চৰ্ত কেনে ধৰণৰ হয়, তাৰো একো নিশ্চয়তা নাই। আনহাতে এভাগ কৰ্মচাৰীক যে বিদায় দিয়া হ'ব— সেইটো আঁচনিতে খাটাংভাৱে সন্নিৱিষ্ট কৰা হৈছে।

অৱশ্যে অতিৰিক্ত বুলি পৰিগণিত হোৱা কৰ্মচাৰীসকলৰ বিষয়ে বিচাৰ লৈ পৰামৰ্শ দিবৰ বাবে এখন কমিটী গঠন কৰা হৈছে। এই কমিটীয়ে হেনো ৰাজা বাগান ডক আৰু কলিকতা বন্দৰত অতিৰিক্ত লোকক নিয়োগ কৰাৰ সুবিধা উলিয়াবলৈ পৰামৰ্শ দিব। যদি কমিটীৰ লক্ষ্য সেইটোৱেই তেন্তে অসমৰ চাকৰিয়ালসকলৰ কোনো ভৱিষ্যৎ নাই। বৰ্তমান ব্যৱস্থাৰ ফলত পশ্চিমবংগৰ ৪৫০০ জন আৰু অসমৰ ৩৩৫২ জন ক্ষতিগ্ৰস্ত হৈছে। আকৌ এটা বাতৰি মতে নতুন কোম্পানীয়ে হেনো ৫২০০ জন লোকক ল'ব। বাকী ২০০০ জন অতিৰিক্ত লোকৰ বিষয়ে কমিটীয়ে বিচাৰ কৰিব। অসমৰ বাহিৰৰ ডক বা বন্দৰত অসমৰ এইসকল লোকক চাকৰিৰ সুবিধা দিয়া হ'ব বুলি আশা কৰাটো দুৰাশা মাত্ৰ।

সেয়ে সুস্পষ্টভাৱে প্ৰমাণ কৰিছে যে এই আঁচনি সুপৰিকল্পিত নহয়। অসমৰ আভ্যন্তৰীণ নৌ পৰিবহণ ব্যৱস্থাই অৱশ্যে কোনোকালে সুবিচাৰ নাপালে। বিদেশী কোম্পানীয়ে সুদীৰ্ঘ কাল ধৰি ধন ঘটাৰ বাহিৰে ইয়াৰ একো সুকীয়া বুৰঞ্জী নাই। বৰ ভূইকঁপৰ পিচত বাধাগ্ৰস্ত হোৱা আভ্যন্তৰীণ নৌ পৰিবহণ ব্যৱস্থা উন্নত কৰাৰ বাবে আন্তৰিক প্ৰচেষ্টা হাতত লোৱা দেখা নগ'ল। চৰকাৰৰ হাতলৈ নিয়াৰ ধ্বনি কেতিয়াবাই উঠিছিল যদিও কামত একো নহ'ল। অৱশ্যে চীনৰ আক্ৰমণৰ সময়ত শিক্ষা পোৱা গ'ল। তেতিয়া চৰকাৰে তৎপৰ হৈ ব্যৱস্থা হাতত ল'লে। এতিয়া চৰকাৰে নৌ পৰিবহণৰ ব্যৱস্থা হাতত লৈয়ো অসম অঞ্চলৰ নৌ পৰিবহণৰ ওপৰত প্ৰকৃত গুৰুত্ব নিদিয়াটো দুখৰ কথা। পাকিস্তানে অন্তৰায়ৰ সৃষ্টি কৰিলেও বিকল্প ব্যৱস্থা আমাক লাগে— যাতে পোনপটীয়াভাৱে দেশৰ অৱশিষ্ট অঞ্চলৰ লগত আমি যোগাযোগ স্থাপন কৰিব পাৰো। দ্বিতীয়তে অসমৰ ভিতৰতে নৌ পৰিবহণ ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু উন্নতিৰ লক্ষ্য ল'ব লাগে। কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগিক গৱেষণা পৰিষদৰ সমীক্ষাত এই বিষয়ে নানান পৰামৰ্শও দিয়া হৈছিল। কিন্তু কাৰ্যক্ষেত্ৰত একো নহ'ল। মাজতে অসমৰ নৌ পৰিবহণৰ ক্ষেত্ৰত নানান আঁচনিৰ কথা কোৱা হৈছিল। কাছাৰ জিলা আদিত বিকল্প ব্যৱস্থা (নৌ পৰিবহণ বন্ধ হোৱা কাৰণে) লোৱাৰ কথাও কোৱা হৈছিল। পাণ্ডু বন্দৰৰ ধ্বনিও তোলা হৈছিল। কিন্তু সেই সকলোবোৰ সেমেকি গ'ল। এতিয়াৰ ব্যৱস্থাই অন্তৰায় আৰু বঢ়ালেহে। যদি অসমৰ নৌ পৰিবহণ ব্যৱস্থা নতুন কোম্পানীয়ে সফলতাৰে পৰিচালনা কৰিব খোজে— তেন্তে অসমতে সদৰ কাৰ্যালয় পাতি সুকীয়া গোট এটা গঠন কৰক, ৰাজ্যৰ বিভিন্ন ঠাইক সামৰি ল'ব পৰাকৈ পৰিবহণ ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাওক। তেতিয়া ওপৰঞ্চি হোৱা লোকৰ সমস্যাও নেথাকিব আৰু লাভৰ অংকও ডাঙৰ হ'ব। আগ-গুৰি নোহোৱা আঁচনি আৰু আচম্বিতে লোৱা ব্যৱস্থাই

সমস্যাহে বঢ়াব। চাকৰিয়াল হ্ৰাসকৰণ, নতুন কোম্পানীৰ দায়িত্ব গ্ৰহণ, সম্প্ৰসাৰণ— এই সকলো কথা সানি-পুতকি একাকাৰ নকৰি পৰিকল্পিতভাৱে আগবাঢ়িবলৈ চৰকাৰে মন স্থিৰ কৰক।

## ফেডাৰেল আঁচনি আৰু জনমত

জনমতক উলাই কৰি ফেডাৰেল আঁচনি জাপি দিয়াৰ চেষ্টা চলাই থকা বাতৰিয়ে অসমৰ সকলো শ্ৰেণীৰ লোকক মনত এটি ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে ছাত্ৰ সভা, বিভিন্ন অনুষ্ঠান আৰু ৰাজহুৱা সভা-সমিতিত অসমৰ ৰাইজৰ স্পষ্ট মত ধ্বনিত হৈছে। কোনোপধ্যেই অসমৰ সংহতি নাশ কৰাৰ সম্ভাৱনা থকা প্ৰস্তাৱিত ফেডাৰেল আঁচনি গ্ৰহণ কৰা নহ'ব বুলি পৰহি গুৱাহাটীত বহা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে ঘোষণা কৰিছে আৰু এই বিষয়ে প্ৰধানমন্ত্ৰীক আৰু গৃহমন্ত্ৰীক দৃঢ়তাৰে এই প্ৰস্তাৱৰ বিৰোধিতাৰ কথা জনাবলৈ এটা সজাতী দল পঠিয়াবলৈ স্থিৰ কৰিছে। এই সজাতী দল কাইলৈ নতুন দিল্লীলৈ ৰাওনা হ'ব। আমি আশা কৰো, সাহিত্য সভাৰ সজাতী দলে কেন্দ্ৰীয় চৰকাৰক ভালকৈ বুজাই দিব যে গণতান্ত্ৰিক ৰাষ্ট্ৰত সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষা যেনেদৰে অৱশ্য কৰ্তব্য, তেনেদৰে সমূহ জনতাৰ মতামতৰ প্ৰতি শ্ৰদ্ধা জনোৱাটোও নিতান্ত উচিত। নহ'লে এটা সমস্যাৰ ভুল সমাধানৰ বাবে পৰীক্ষা-নিৰীক্ষা চলাবলৈ যাওঁতে বৃহত্তৰ সমস্যা দেখা দিয়াটো অস্বাভাৱিক নহ'ব। ৰাষ্ট্ৰ শাসনৰ ক্ষেত্ৰত অসাৱধানতাৰে জধে-মধে ন ন পৰীক্ষা চলোৱাটো অতি বিপজ্জনক। এনে বিপজ্জনক পৰীক্ষা-নিৰীক্ষাৰ 'গিনিপিগ' হিচাপে বাৰে বাৰে অসমক ব্যৱহাৰ কৰাৰ প্ৰতিক্ৰিয়া ভীষণ হ'ব পাৰে। যি পদ্ধতিৰে নগাৰাজ্য গঠনৰ পিচতো নগা সমস্যাৰ ওৰ নপৰিল, নেফা গঠনৰ পিচতো সেই অঞ্চলৰ বিভিন্ন সমস্যাৰ শেষ, নহ'ল, তেনে ধৰণৰ নীতিৰে অসমক পৰ্বত-ভৈয়ামৰ ভেটিত, ভাষা-ধৰ্মৰ ভেটিত টুকুৰা-টুকুৰা কৰি অৰ্থহীন 'ফেডাৰেল' নামক কৃত্ৰিম ঐক্যৰ গোটত সুমুৱাবৰ চেষ্টা কৰাৰ প্ৰায়স কিয় লোৱা হ'ল আমি ভাবি নেপাওঁ। ৰাজ্যৰ ভিতৰৰ আৰু বাহিৰৰ এচাম ন্যস্ত স্বাৰ্থৰ লোকে এনে ব্যৱস্থা সমৰ্থন কৰি অসমবাসীক সঁচাকৈয়ে ক্ষুণ্ণ কৰি তুলিছে। অসমবাসীয়ে পাৰ্বত্য অঞ্চলৰ জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি পূৰ্ণ সহানুভূতি জনাই আহিছে আৰু সঁচাকৈয়ে যদি তেওঁলোকে ভৈয়ামবাসীৰ পৰা আঁতৰি নিজস্ব প্ৰতিভা বিকাশত সুবিধা পাব বুলি ভাবে— তেনেহ'লে তেওঁলোকক এখন সুকীয়া ৰাজ্যৰ অন্তৰ্ভুক্ত কাৰটো আমি আপত্তি নকৰো। কিন্তু সেই বুলি পৰ্বতীয়া লোকসকলৰ আশা-আকাংক্ষাৰ দোহাই দি— অসমজুৰি বিভিন্ন ধৰণৰ ভাঙোনমুখী চিন্তাধাৰাক জীপ দি তোলাটো আমি কোনোমতেই সমৰ্থন নকৰো। আমাৰ সংসদী আৰু বিধানসভাৰ সদস্যসকলক এইক্ষেত্ৰত ততালিকে সক্ৰিয় আৰু সৰৱ হ'বলৈ আমি আহ্বান জনাওঁ। সৰল বিশ্বাসেৰে ৰাজ্যৰ জনসাধাৰণে তেওঁলোকক— বৰ্তমান আৰু ভৱিষ্যতৰ নাগৰিকসকলৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক হক ৰক্ষাৰ কাৰণে নিৰ্বাচিত কৰিছে। সেই বিশ্বাসৰ মূল। তেওঁলোকে দিবই লাগিব। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ আলোচনাৰ পৰত সংবিধানৰ ষষ্ঠ অনুসূচীৰ কথা ওলাইছিল। এই অনুসূচীৰে পিচ পৰা লোকসকলৰ স্বাৰ্থ ৰক্ষাৰ কথা ভবা হৈছিল যদিও কাৰ্যক্ষেত্ৰত সেয়া সফল হোৱা নাই কাৰণেই তেনে লোকৰ পৰা নতুন নতুন দাবী উঠাটো স্বাভাৱিক। এনেস্থলত তেনে লোকসকলৰ মনত চৰকাৰ আৰু আন সুবিধা পোৱা নাগৰিকৰ বিপৰীতে বিক্ষোভৰ ভাব জাগি উঠাটো স্বাভাৱিক। এই দৃষ্টিভংগীৰে অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ উভয়ে ষষ্ঠ অনুসূচীত নিহিত ব্যৱস্থাসমূহ

পুনৰ অধ্যয়ন কৰি সুচিৰ্ন্তিত এটি নতুন ব্যৱস্থা গ্ৰহণ কৰক ;— যাতে জনজাতীয় বা পিচ পৰা লোকসকলৰ স্বাৰ্থ সঁচাকৈয়ে ন্যস্ত স্বাৰ্থৰ গৰাহৰ পৰা ৰক্ষা কৰিব পাৰি আৰু আনহাতে যাতে ৰাজ্যৰ তথা ৰাষ্ট্ৰৰ সংহতিত আঘাত কৰিব পৰা কোনো মনোভাব গঢ়ি নুঠে। সংহতিৰ চৰম আৰশ্যকতাৰ পৰত অসংহতিৰ বীজ নিহিত থকা প্ৰস্তাৱিত ফেডাৰেল আঁচনিৰ দৰে ব্যৱস্থা জোৰেৰে জাপি দি অশান্তিৰে ভৰা দেশখনত নতুন অশান্তিৰ সৃষ্টি কৰাতকৈ অদূৰদৃষ্টিসম্পন্ন কাম হ'ব নোৱাৰে।

<u>বুধবাৰ, ১০ মে, ১৯৬৭ চন</u>

# শোকাবহ

এমুঠি ভাতৰ কাৰণে সমগ্ৰ ৰাজ্যজুৰি মানুহে হাহাকাৰ কৰা পৰত পুলিচৰ গুলীচালনাত মানুহ হতাহত হোৱা খবৰে স্বাভাৱিকতে সকলোৰে মনলৈ বিতুষ্টিৰ ভাব এটা আনিব। বৰ্তমান অৱস্থাত পেটত ভোক লৈ যাতে মানুহ মৰিবলগীয়া নহয়, তাৰ ব্যৱস্থা কৰাটোৱেই চৰকাৰ আৰু ৰাইজৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। সেই কৰ্তব্য পালন কৰাৰ পথত উপৰুৱা জঞ্জালে দেখা দিয়াটো সঁচাকৈ দুৰ্ভাগ্যৰ কথা। সোমবাৰে তেজপুৰত যি ঘটনা ঘটিল, তাৰ বাবে আমি অতি দুখ পাইছো। ব্যাপক অশান্তি, পুলিচৰ লাঠীচালনা, গুলীচালনা— এইবোৰৰ ফলত ব্যাপক ক্ষতি হ'ল। হতাহতৰ হিচাপ সম্পৰ্কে আলোচনা নকৰাই ভাল। চৰকাৰী আৰু বেচৰকাৰী হিচাপ মতে নিহত আৰু আহত হোৱা লোকৰ সংখ্যাৰ মাজত মিল নাই। তথাপি এইটো ঠিক যে কেইবাজনো লোক নিহত হ'ল আৰু বহুতো লোক আহত হ'ল। এনে শোকাবহভাৱে এজন মানুহ নিহত হ'লেও ঘটনাৰ গুৰুত্ব নকমে।

সাম্প্ৰতিক বিভিন্ন পৰিস্থিতিয়ে পুলিচৰ গুলীচালনা সংযত কৰিব বুলি আমি আশা কৰিছিলো ; কিয়নো ইতিমধ্যে স্পষ্ট প্ৰমাণ পোৱা হৈছিল যে গুলীচালনাই সহায় নকৰে— বুমেৰাঙৰ দৰে ওলোটা প্ৰক্ৰিয়া এটাহে আৰম্ভ কৰে। তদুপৰি মাজতে মহা আড়ম্বৰেৰে সন্মিলন পাতি চৰকাৰীভাৱে গুলীচালনা সম্পৰ্কীয় নিৰ্দেশক-নীতি কিছুমান ৰচনা কৰিছিল। কিন্তু নীতি আৰু বাস্তৱৰ মাজত আনক্ষেত্ৰত যিদৰে তেল-পানীৰ সম্পৰ্ক থকাহে দেখা যায়, এইক্ষেত্ৰতো তাকেই দেখা গ'ল। এজন ছাত্ৰ আৰু এজন পুলিচৰ মাজত হোৱা তৰ্কাতৰ্কিৰ পৰাই খাণ্ডৱ দাহ হোৱা দেখি আমাৰ প্ৰশ্ন কৰিবৰ মন গৈছে— 'মহাৰাণীৰ আমোল'ৰ 'দাৰোগা'ৰ ঐতিহ্য আজিও অব্যাহত আছে নেকি? অভিযোগ মতে যিজনে পুলিচজনক চৰ মাৰিছিল, তেওঁ হেনো সুস্থ মগজুৰ মানুহ নাছিল। তেওঁক পগলা ফাটেকলৈ নিয়া অৱস্থাতে হেনো ঘটনাটো ঘটে। যদি সেইটো সঁচা হয় তেন্তে ঘটনাটো আৰু মৰ্মান্তিক। এজন অসুস্থ মগজুৰ মানুহৰ অবাঞ্ছনীয় আচৰণেই সকলোৰে মন উত্তপ্ত কৰি তুলিলেনে? পুলিচো তেন্তে পৰিস্থিতিৰ সন্মুখীন হয় এই নমুনাৰে। অলপ দূৰদৰ্শিতা, দায়িত্বসম্পন্ন মনোভাৱ দেখুৱাব পৰা হ'লেই এই সামান্য কথাটো সহজ কৰি তুলিব পৰা গ'লহেঁতেন। কিন্তু সেয়ে হোৱা দূৰৰ কথা- লাঠীচালনা, কন্দুৱা গেছ প্ৰয়োগ, গুলীবৰ্ষণ— সকলোৰে আশ্ৰয় ল'বলগীয়া হ'লগৈ।

আমি কিন্তু দায়িত্বশীল মহলৰ তৎপৰতাৰ অভাৱেই পৰিস্থিতিক ইমান বেয়াৰ ফাললৈ টানি নিলে বুলি সন্দেহ কৰিছো। সেই দেখি এই বিষয়ে নিৰপেক্ষ সূত্ৰৰ যোগেদি তদন্ত চলিব লাগে। সপ্তাহজোৰা ধৰ্মালোচনা

সভা পাতি আলিবাট বন্ধ কৰিবলৈ দি যাতায়াত নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা যিসকলে কৰিছিল, তেওঁলোকে সেই ব্যৱস্থাৰ প্ৰাৰম্ভতে এনে শোচনীয়ভাৱে কিয় ব্যৰ্থতা স্বীকাৰ কৰি ল'ব লগাত পৰিল? লুকঢাক নোহোৱাকৈ সকলো কথাৰ বিচাৰ হ'ব লাগে। পুলিচৰ আতিশয্য ঘটিছিল নে নাই— তাৰ বিচাৰ আমি বিচাৰো। ঘটনাৰ পিচত যি কঠোৰ ব্যৱস্থাৰে কৰ্তৃপক্ষই পৰিস্থিতি সোনকালে আয়ত্তাধীন কৰিলে, তেনে তৎপৰতা আৰম্ভতে থকা হ'লে এই শোকাবহ পৰিণতিৰ বাবে সম্ভৱতঃ থ'লেই নেথাকিলহেঁতেন। আমি আশা কৰো পৰিস্থিতি স্বাভাৱিক কৰি তুলিবলৈ ৰাইজেও চেষ্টা কৰিব। উত্তেজনাৰ উপশম ঘটাই শান্তি অটুট ৰখাৰ বাবে সকলোৰে আত্মনিয়োগ কৰা উচিত। ইতিমধ্যে তদন্তৰ ব্যৱস্থা কৰি চৰকাৰে ঘটনাৰ স্বৰূপ উদ্‌ঘাটন কৰাৰ লগতে ৰাইজৰ উত্তেজনা শাম কটোৱাত সহায় কৰক।

## নেফা সম্পৰ্কীয় নীতি

নেফা সম্পৰ্কে সংসদী সদস্যৰ প্ৰতিনিধি দলে দিয়া সকলো ঘাই পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰে অগ্ৰাহ্য কৰিছে। আমি অৱশ্যে সমূলি আচৰিত হোৱা নাই। নেফাৰ ক্ষেত্ৰত অনুসৰণ কৰা নীতিয়ে ইতিমধ্যে এটা কথা স্পষ্টভাৱে দাঙি ধৰিছিল। সেয়ে হ'ল ঃ নেফাত জনজাতীয় ৰাইজৰ মংগল হওক বা নহওক, বৰ্তমান নীতিয়ে এটা ন্যস্ত স্বাৰ্থৰ পুষ্টি সাধনত বিশেষ সহায় কৰিছে। বিশেষ কেতবোৰ মহলৰ বাবে নেফাত চাকৰিৰ বহল বজাৰ এখন ওলাইছে। দ্বিতীয়তে ভাষাৰ 'সাম্ৰাজ্যবাদ' নিষ্কণ্টক হৈ পৰিছে। সেই দুটা স্বাৰ্থ অটুট ৰাখিবলৈ হ'লে নেফাৰ বৰ্তমান স্থিতাৱস্থা সকলো ক্ষেত্ৰতে অটুট নেৰাখিলেই নচলে। অসমৰ লগত নেফাৰ অখণ্ড সংযোগ স্থাপন কৰা কথাটোৱেই সেইদেখি বহুতক পাণ্ডু ৰোগাগ্ৰস্ত কৰে। স্বৰ্গীয় নেহৰুৱে এসময়ত এই সম্পৰ্কত কৰা স্পষ্ট উক্তি আজি অতীতৰ অটল গহ্বৰত হেৰাই যোৱাৰ মূলো হ'ল— সেইটোৱেই। আনহাতে সেইটো কাৰণেই অসমীয়া মানুহ আৰু অসমীয়া ভাষাক নেফাত 'আচামী' ৰূপে গণ্য কৰিবলৈ উৎসাহ দিয়া হৈছে।

এতিয়াৰ নিভাঁজ আমোলাতন্ত্ৰ অটুট ৰাখিলে নেফাৰ ৰাইজৰ স্বাৰ্থ যিয়েই নহওক— উল্লিখিত সকলো স্বাৰ্থ ৰক্ষা পৰিব। ৩১ হেজাৰ ৪৩৮ বৰ্গ মাইলজোৰা এই অঞ্চলৰ ৩৫০,০০০ মানুহৰ প্ৰকৃত অৱস্থাৰ দাপোণখন ভাৰতৰ অৱশিষ্ট অঞ্চলত চকুত নপৰিলেই হ'ল। অকল আমোলাতন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিলে ভৈয়ামত কি হ'লহেঁতেন, সেই কথা অনুমান কৰিবলৈ সমূলি টান নহয়। আমাৰ নিৰ্বাচিত প্ৰতিনিধিসকলে সংসদ আৰু বিধানসভাত সময়ে সময়ে দাঙি ধৰা চাঞ্চল্যকৰ তথ্যই আমাক সেই অভিজ্ঞতা দিছে। নেফাত নিৰ্বাচিত প্ৰতিনিধিৰ কোনো ব্যৱস্থা নাই। আমোলাতন্ত্ৰই যি কৰে সেয়ে শিলৰ ৰেখা। তৃতীয় পৰিকল্পনাৰ সময়ছোৱাত সংবিধানৰ ২৭৫ নম্বৰ অনুচ্ছেদ অনুসৰি লোৱা আঁচনিৰ শিতানত মঞ্জুৰ কৰা ধনৰ জনমূৰি হিচাপ হ'ল ২১২.৯ টকা (নেফাত)। তাৰ তুলনাত সেই শিতানত নগালেণ্ডত জনমূৰি ব্যয় ৪০০.৮ টকা আৰু অসমৰ পাৰ্বত্য অঞ্চলত ৬৮.৯ টকা। কিন্তু নেফাত যি পৰিমাণে ব্যয় হৈছে সেই পৰিমাণে কাম হৈছে নে নাই, তাৰ খবৰ দিব একমাত্ৰ আমোলাতন্ত্ৰৰ ৰিপ'ৰ্টে। এনে অৱস্থাত সংসদী প্ৰতিনিধি দলে নিৰ্বাচনৰ ব্যৱস্থাৰে নেফাৰ পৰা সংসদলৈ প্ৰতিনিধি বছাৰ বাবে দিয়া পৰামৰ্শ অতি জৰুৰী আছিল। কিন্তু সেই পৰামৰ্শ অগ্ৰাহ্য হৈছে। শ্বিলঙৰ পৰা নেফালৈ ছেক্ৰেটৰিয়েট উঠাই নিবৰ বাবে দিয়া পৰামৰ্শ অগ্ৰাহ্য কৰি ন্যস্ত স্বাৰ্থকহে তুষ্ট কৰা হ'ল— নেফাৰ ৰাইজক নহয়। নেফাৰ

ৰাইজে নেফাৰ ভিতৰতহে ছেক্ৰেটৰিয়েট পতাটো বিচাৰে। ‘ইনাৰ লাইন’ৰ বাধা-নিষেধ প্ৰত্যাহাৰ কৰিবলৈকো অস্বীকাৰ কৰি কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ব্ৰিটিছৰ পদাংক অনুসৰণ কৰিলে। ‘ইনাৰ লাইন’ৰ ব্যৱস্থাই ৰাষ্ট্ৰীয় সংহতিৰ বাটত সহায় কৰা নাই— বাধাহে দিছে। সেই বাধাৰ কথা চুবুৰীয়া হিচাপে আমি অসমৰ মানুহে আটাইতকৈ বেছি পৰিমাণে উপলব্ধি কৰিছো। চৰকাৰে এতিয়াও বাস্তৱক অস্বীকাৰ কৰা দেখি আমি হতাশ হৈছো।

<u>শুকুৰবাৰ, ১২ মে, ১৯৬৭ চন</u>

# উদ্যোগীক শান্তিৰ প্ৰশ্ন

উদ্যোগীক উৎপাদন বৃদ্ধিৰ আৱশ্যকতাৰ প্ৰশ্নত কাৰো দ্বিমত থাকিব নোৱাৰে। ক্ৰমান্বয়ে অৱনতি ঘটা দেশৰ অৰ্থনৈতিক পৰিস্থিতিৰ উন্নতি উদ্যোগ আৰু কৃষিৰ উৎপাদন বৃদ্ধিৰ ওপৰতে নিৰ্ভৰ কৰিছে। কিন্তু উৎপাদন বৃদ্ধি কৰিবলৈ আঁচনি ল’লেইযথেষ্ট নহয়, তাৰ বাবে উপযুক্ত পৰিৱেশো গঢ়ি তুলিব লাগিব। আমাৰ দেশত তৃতীয় পৰিকল্পনাৰ কালছোৱাৰ পৰাই উদ্যোগৰ সম্পূৰ্ণ উৎপাদন শক্তি কামত লগাব পৰা হোৱা নাই। ইয়াৰ কাৰণ যিয়েই নহওক, দেশ আৰু জনসাধাৰণে তাৰ ফল ভোগ কৰিব লগা হৈছে। উৎপাদন বৃদ্ধি নোপোৱা বাবে বিদেশলৈ ৰপ্তানি হ্ৰাস পাইছে, দেশৰ ব্যৱহাৰকাৰীয়ে আৱশ্যক অনুপাতে সামগ্ৰী পোৱা নাই। উদ্যোগৰ ফালৰ পৰা আৰু কিছুমান অসুবিধা দেখুওৱা হৈছে। সেইবোৰৰ ভিতৰত শ্ৰমিকৰ অশান্তি অন্যতম। আনহাতে শ্ৰমিকসকলেও দাবী তুলিছে যে তেওঁলোকে জীৱন নিৰ্বাহৰ ব্যয় বৃদ্ধিৰ অনুপাতে মজুৰি বঢ়াই পোৱা নাই, তেওঁলোকক অত্যাৱশ্যকীয় সমগ্ৰীৰ যোগান ধৰা হোৱা নাই। ভালেমান ক্ষেত্ৰত শ্ৰমিকসকলক কামৰ পৰা অব্যাহতি দিয়া হৈছে। শ্ৰমিকসকলৰ এনেবোৰ অভিযোগ ভিত্তিহীন বুলি কোৱাৰ যুক্তি নাই। কিন্তু কথা হৈছে এই পৰিৱেশ চলি থাকিলে উৎপাদন বৃদ্ধি সম্ভৱ হ’ব পাৰেনে? নিয়োগকাৰী আৰু শ্ৰমিক উভয় পক্ষৰ সমন্বয়মূলক প্ৰচেষ্টা নহ’লে উৎপাদিকা বছৰ পালন কৰি উৎপাদন বৃদ্ধি কৰিব নোৱাৰি। এতিয়া প্ৰকৃততে প্ৰয়োজন হৈছে— ঔদ্যোগিক শান্তিৰ, দেশৰ ঔদ্যোগিক ক্ষেত্ৰৰ এই পটভূমিত ত্ৰিদলীয় ষ্টেণ্ডিং লেবাৰ কমিটীৰ বৰ্তমানৰ আলোচনাই বৰঙণি যোগাব পাৰিলে সকলোৰে কাৰণে সন্তোষৰ কথা হ’ব। নিয়োগকাৰীসকলেও উদ্যোগ প্ৰতিষ্ঠান বন্ধ কৰাৰ ভাবুকি দিব নেলাগিব আৰু শ্ৰমিকসকলেও ন্যায্য দাবী পূৰণৰ আশ্বাস পাব লাগিব। তেনে ধৰণৰ এটা ব্যৱস্থা নিয়োগকাৰী, শ্ৰমিক আৰু চৰকাৰৰ মাজত হোৱা আলোচনাত গঢ়ি উঠাটোকে দেশৰ জনসাধাৰণে বাঞ্ছা কৰিছে।

ষ্টেণ্ডিং লেবাৰ কমিটীৰ প্ৰথম দিনৰ বৈঠকত গৃহীত এটা প্ৰস্তাৱত ঔদ্যোগিক বিবাদ নিষ্পত্তিৰ বাবে ‘ঘেৰাও’কৈ ধৰি “ভীতি প্ৰদৰ্শন কৰা কৌশলেৰে” তত্বাৱধায়ক আৰু পৰিচালক বিষয়াসকলক “অন্যায়ভাৱে আৱদ্ধ ৰখা” কাৰ্যত অসন্মতি প্ৰকাশ কৰা হৈছে। কমিটীৰ এই বৈঠকত বিশেষকৈ পশ্চিমবংগত চলা “ঘেৰাও”ৰ বিষয়ে দীঘলীয়া আলোচনা চলিছিল। পশ্চিমবংগৰ শ্ৰমমন্ত্ৰীৰ মতে ৰাজ্যখনত যোৱা দুমাহত ১৫২ বাৰ “ঘেৰাও” হৈছে। এই “ঘেৰাও” ব্যৱস্থাৰ ফলত উৎপাদনত বাধা পৰিছে বুলি নিয়োগকাৰী মহলৰ পৰা অভিযোগ তোলা হৈছে আৰু সেই অভিযোগ অস্বীকাৰ কৰিব নোৱাৰি। ‘ঘেৰাও’ৰে হয়তো কেন্দ্ৰীয় শ্ৰমমন্ত্ৰী শ্ৰীহাথীয়ে কোৱাৰ দৰে তত্বাৱধায়ক আৰু পৰিচালক বিষয়াসকলৰ মনোবল আৰু মূলধনৰ ওপৰত গুৰুতৰ প্ৰতিক্ৰিয়া কৰিছে।

এনে অৱস্থা এটা উৎপাদন বৃদ্ধিৰ কাৰণে নিশ্চয় অনুকূল হ'ব নোৱাৰে। কিন্তু "ঘেৰাও" কাৰ্য অনুষ্ঠিত কৰাৰ কাৰণবিলাকৰ প্ৰতিও ইয়াৰ লগতে মনোযোগ দিব লাগিব। পশ্চিমবংগত, কৰ্মচ্যুতি আৰু ঔদ্যোগিক ন্যায়াধীকৰণৰ ৰায় কাৰ্যকৰী নকৰাৰ বাবেই ৰাজ্যৰ শ্ৰমমন্ত্ৰীজনে কৈছে। শ্ৰমমন্ত্ৰীসকলৰ সন্মিলনত কেন্দ্ৰীয় শ্ৰমমন্ত্ৰীয়ে মত প্ৰকাশ কৰিছে যে ঔদ্যোগিক বিবাদ সম্পৰ্কীয় ৰায়বিলাক কাৰ্যকৰীভাৱে বলৱৎ কৰাৰ ব্যৱস্থা এটা কৰিব লাগিব। নিয়োগকাৰীসকলে আপোচকামী মনোভাৱ এটা গ্ৰহণ কৰিলে পৰিস্থিতি আয়ত্তাধীন কৰিব পাৰি বুলি শ্ৰমমন্ত্ৰীসকলে ভাবে।

সেই কাৰণে ঔদ্যোগিক শান্তি ৰক্ষাৰ কাৰণে নিয়োগকাৰী আৰু শ্ৰমিকে পাৰস্পৰিক বুজাবুজিৰ মাজলৈ অহা দৰকাৰ আৰু চৰকাৰেও নিৰপেক্ষ কাৰ্যপন্থাৰে এনে বুজাবুজি সম্ভৱ কৰি তোলাহে আজিৰ প্ৰধান কৰ্তব্য হৈ পৰিছে।

# পৰীক্ষা পদ্ধতি

আমাৰ দেশৰ পৰীক্ষা পদ্ধতিৰ উপকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কেও বহুত দিনৰ আগৰ পৰা আলোচনা কৰা হৈছে। এইক্ষেত্ৰত পূৰ্বৰ গতানুগতিকতা কিছু পৰিমাণে হ্ৰাস পাইছে যদিও সংস্কাৰ আশানুৰূপ হৈ উঠা নাই। এই প্ৰসংগত সিদিনা মাৰ্কিন বিশেষজ্ঞ এজনে গুৱাহাটীত দিয়া পৰামৰ্শ মন কৰিবলগীয়া কথা। তেওঁ কৈছে যে ছাত্ৰই কেইটামান প্ৰশ্ন বাছি লৈ তাৰে উত্তৰ মুখস্থ কৰি পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰাৰ পৰিৱৰ্তে নিৰ্ধাৰিত পাঠ্যক্ৰম আয়ত্ত কৰি পোৱা জ্ঞানৰ সহায়েৰেহে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ ব্যৱস্থা ৰাখিব লাগে। কিন্তু দুৰ্ভাগ্যৰ বিষয় আমাৰ অসমত ঘাইলৈ, উল্লিখিত প্ৰথম পদ্ধতিৰে পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰা ছাত্ৰৰ সংখ্যাই সৰহ। নিৰ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণৰূপে আয়ত্ত নকৰি বছা বছা প্ৰশ্নৰ প্ৰস্তুত কৰি পৰীক্ষাত বহা বাবেই তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰৰ সংখ্যাই আজিকালি অধিক হৈছে। প্ৰশ্ন কাকতবোৰ গতানুগতিক হোৱা বাবে কিছুমান ব্যৱসায়ীয়ে পৰীক্ষাত কৃতকাৰ্যতা লাভৰ নিশ্চিত উপায় স্বৰূপ প্ৰশ্নোত্তৰৰ কিতাপ উলিয়াবলৈ সুবিধা পাইছে আৰু সহজে উত্তীৰ্ণ হ'বলৈ ছাত্ৰ এদলেও সেই প্ৰশ্নোত্তৰ কিতাপৰ ওপৰতে একমাত্ৰ ভাৰসা ৰাখিবলৈ লৈছে। ফলত শিক্ষাৰ মান তললৈ নামিছে। পাঠ্যক্ৰমৰ পৰা ছাত্ৰসকলে জ্ঞান আহৰণ কৰিব পৰা নাই।

এই অৱস্থাটোৰ সংস্কাৰ সাধন কৰিব নোৱাৰিলে, কোনো পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰৰ সেই পৰ্যায়ৰ জ্ঞানৰ ক্ষেত্ৰত দৰিদ্ৰতাৰ কথা লৈ হাঁহিৰ খোৰাক উলিওৱাৰ কোনো অৰ্থ নেথাকে। সেই কাৰণে আমাৰ ৰাজ্যখনত পৰীক্ষা পদ্ধতিৰ সংস্কাৰ সাধনত শীঘ্ৰে গুৰুত্ব আৰোপ কৰা আৱশ্যক বুলি আমি ভাবোঁ। এই বিষয়ত নিম্ন বুনিয়াদী স্তৰৰ পৰা মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্তৰলৈকে সংশ্লিষ্ট কৰ্তৃপক্ষই কাৰ্যপন্থা গ্ৰহণ কৰা আৱশ্যক।

পৰীক্ষা পদ্ধতিৰ সংস্কাৰ সাধন হ'লে গণিত আৰু ইংৰাজীৰ দৰে অপেক্ষাকৃতভাৱে কিছু কঠিন বিষয়বোৰ আয়ত্ত কৰিবলৈকো ছাত্ৰ দলে আগ্ৰহ দেখুৱাব আৰু সেয়ে হ'লে ইঞ্জিনীয়াৰিঙৰ দৰে কাৰিকৰী শিক্ষা ল'বলৈ অসমীয়া ছাত্ৰৰ অভাৱ নহ'ব।

দেওবাৰ, ১৪ মে, ১৯৬৭ চন

# ড° ৰাধাকৃষ্ণণৰ আহ্বান

ৰাষ্ট্ৰপতিৰ আসনৰ পৰা ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে দেশবাসীলৈ শেষবাৰৰ কাৰণে জনোৱা আহ্বান যদি আজি আমাৰ যাত্ৰা-পথৰ পাথেয় হ'ব পাৰে, তেন্তে সেয়ে আমাক বৰ্তমানৰ এন্ধাৰৰ মাজত পোহৰ দিব পাৰিব। ৰাষ্ট্ৰপতিৰ ভূমিকা কি আমি জানো ; কিন্তু লগতে এইটোও জানো যে ড° ৰাধাকৃষ্ণণে নিজৰ সীমাৱদ্ধতাৰ মাজতো প্ৰশাসনৰ পথ শুধৰাই দিবলৈ যি নিৰ্ভীকভাৱে নিজৰ মতামত প্ৰকাশ কৰিছিল সেয়ে দেশৰ বহুতৰ কাৰণে আশাৰ থল আছিল। অৱশ্যে এইটোও ঠিক যে দেশৰে এচাম লোকে ড° ৰাধাকৃষ্ণণৰ স্পষ্ট উক্তি সহজভাৱে ল'ব পৰা নাছিল আৰু সেইটো চামৰ কাৰণে তেওঁ অবাঞ্ছিত হৈ উঠিছিল বুলিও শুনা যায়। পিচে নিজৰ এই নিৰ্ভীকতা, সততা, পাণ্ডিত্য আদি গুণৰ জৰিয়তে ড° ৰাধাকৃষ্ণণে দেশবাসীৰ মন জয় কৰি লৈছিল আৰু সমূহ জনসাধাৰণে তেওঁৰ ওপৰত ভাৰসা ৰাখি চলিব পাৰিছিল। সেই পৰম্পৰাই ড° ৰাজেন্দ্ৰ প্ৰসাদৰ দিনতে গঢ় লৈছিল আৰু ড° ৰাধাকৃষ্ণণৰ দিনত সেয়ে পৰিপুষ্ট হৈ উঠিছিল। এতিয়া দেশৰ আন এজন সুযোগ্য সন্তান ড° জাকিৰ হুছেইন ৰাষ্ট্ৰপতিৰ আসনত অধিষ্ঠিত হৈছে। আমাৰ দৃঢ় বিশ্বাস যে একে পৰম্পৰাই আমাৰ মাজত থাকিব আৰু আমি আগৰ দৰেই পৰম নিষ্ঠাৰে এইখন আসনত অধিষ্ঠিত লোকজনৰ ওপৰত নিৰ্ভৰ কৰি চলিব পাৰিম।

সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিয়ে ৰাষ্ট্ৰপতিৰ পদটোত এটা বিশেষ তাৎপৰ্য আৰোপ কৰিছে। বিভিন্ন ৰাজনৈতিক দলৰ দ্বাৰা গঠিত ৰাজ্য চৰকাৰসমূহক লৈ আজি দেশত এটা নতুন অথচ কঠিন পৰীক্ষা চলিছে। এই পৰীক্ষাৰ কষটি শিলতে আমাৰ ভৱিষ্যতৰ বহুত কথা নিৰ্ণয় কৰিব লাগিব। এইক্ষেত্ৰত ড° ৰাধাকৃষ্ণণে কোৱাৰ দৰেই ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় উদ্দেশ্য আৰু ৰাষ্ট্ৰীয় ঐক্যৰ প্ৰতীকৰূপে নিজক প্ৰতিফলিত কৰিব পাৰিব লাগিব আৰু সুস্থিৰ অৱস্থা এটা বাহাল ৰখাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব পাৰিব লাগিব। অৱশ্যে তাৰ বাবে যি পটভূমি লাগিব— সেই পটভূমি ৰাইজ আৰু সংশ্লিষ্ট সকলো মহলৰ পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন হ'ব। আমাৰ সংসদী গণতান্ত্ৰিক গাঁথনিৰ নিৰাপত্তাৰ বাবে সেই কৰ্তব্যক সকলোৱে নিজৰ কৰ্তব্য বুলি ধৰিব লাগিব।

সেই লক্ষ্য যাতে ভ্ৰষ্ট হ'ব নোৱাৰে, তাৰ বাবে ড° ৰাধাকৃষ্ণণে তেওঁৰ বিদায়-বাণীত সকলোকে সকীয়াই দিছে। পিচে তাকে কৰিবলৈ দেশৰ সুস্থ পৰিৱেশ এটাৰ নিতান্ত প্ৰয়োজন। সম্প্ৰতি আমাৰ দেশৰ ৰাজনৈতিক-সামাজিক অৰ্থনৈতিক ধাৰা এনেদৰে বিকাৰগ্ৰস্ত হৈ উঠিছে যে তাৰ ফলতে সমগ্ৰ দেশত ক্ষতিকৰ পৰিৱেশ এটাই গঢ় লৈছে। নিষ্ঠা, সততাৰ ঠাইত কৃত্ৰিমতাই বিৰাজ কৰিছে আৰু তাকে দেখি এতিয়া ৰোগৰ লক্ষণকেই ৰোগ বুলি ধৰাৰ ভ্ৰান্তি এটা পৰিলক্ষিত হৈছে। সেইটো দোষৰ কাৰণেই মুখ্য উদ্দেশ্যবোৰ গৌণ হৈ পৰিছে। ড° ৰাধাকৃষ্ণণে সেয়েহে ক'বলগীয়া হৈছে যে ৰাজনৈতিক কন্দল পৰিহাৰ কৰি দেশৰ দৰিদ্ৰতা আৰু বৈষম্যৰ মূল সমস্যা সমাধান কৰাত মনোনিৱেশ কৰিব লাগে। যিকোনো উপায়ে ক্ষমতা ভোগ কৰাটোৱেই লক্ষ্য হ'ব নেলাগে— যিকোনো উপায়ে দেশৰ সেৱা কৰাটোহে লক্ষ্য হ'ব লাগিব। ইয়াকেই মূল মন্ত্ৰ হিচাপে গ্ৰহণ কৰিবলৈ বিদায়ী ৰাষ্ট্ৰপতিয়ে আহ্বান জনাইছে। লগতে এইবুলিও সতৰ্ক কৰি দিছে যে ক্ষুধা আৰু নিবনুৱা সমস্যাইহে মানুহক বিপ্লৱৰ পথলৈ নিয়ে। আনহাতে আঞ্চলিক বৈষম্য, অৰ্থনৈতিক আৰু সামাজিক বৈষম্য দূৰ কৰিব

পাৰিলেহে ৰাষ্ট্ৰীয় ঐক্য সাধিত হ'ব পাৰে বুলি সকীয়াই দিছে আমাৰ দেশত দেখা দিয়া সাম্প্ৰতিক অস্থৈৰ্য্য আৰু ৰাষ্ট্ৰীয় ঐক্য 'বিৰোধী' পৰিৱেশৰ শিপা উঘালিবলৈ হ'লে আমি আজি সেই পথেৰেই আগবাঢ়িব লাগিব। কিন্তু চতুৰ্থ পৰিকল্পনাৰ দুৱাৰ ডলি সৰকি অহাৰ মূৰতো আমি সেই প্ৰধান লক্ষ্যৰ পৰা নিলগতে থকাটো দুৰ্ভাগ্যৰ কথা। ঘোষিত লক্ষ্য আৰু কৰ্মক্ষেত্ৰৰ মাজত বিৰাট ব্যৱধান হৈ গৈছে। অকল সেয়ে নহয় বেসুৰীয়া ধ্বনিও শাসক বৰ্গৰ পৰা তোলা হৈছে। আনকি পৰিকল্পিত অৰ্থনৈতিক ভেটিৰ সম্পৰ্কতে আজি সুকীয়া ধ্বনি উঠিছে। সেইদেখি ড° ৰাধাকৃষ্ণণে ক'বলগীয়া হৈছে যে যোৱা দুই-তিনি বছৰত কৃষি ব্যৰ্থ হোৱাৰ বাবেই অৰ্থনৈতিক বিকাশৰ বাবে পৰিকল্পনাৰ সাৰ্থকতা থকা-নথকাৰ প্ৰশ্ন তোলাৰ অৱকাশ থাকিব নেলাগিব। অৱশ্যে তেওঁ কৃষিৰ উন্নতি সাধিবৰ বাবে ভূমি ব্যৱস্থাৰ সংস্কাৰ সধা, অৰ্থনৈতিক বিকাশৰ বাবে গতি খৰতকীয়া কৰা, ঘাটি বিনিয়োগ বন্ধ কৰা, অনাৱশ্যকীয় খৰচ কমোৱাৰ হকে আহ্বান জনাইছে। লগতে প্ৰশাসনৰ মান উন্নত কৰাৰ প্ৰয়োজনীয়তালৈ আঙুলিয়াই দিওঁতে আকালগ্ৰস্ত লোকৰ কথা উল্লেখ কৰি কৈছে যে "ভুল বিতৰণ ব্যৱস্থা আৰু জোখাৰে আগতীয়া প্ৰস্তুতি নথকা কাৰণে" হেজাৰ হেজাৰ লোকে কষ্ট ভুগিবলগীয়া হৈছে। এই নিৰ্ভীক সমালোচনাই চৰকাৰক সচেতন কৰা উচিত।

শুকুৰবাৰ, ১৯ মে, ১৯৬৭ চন

# কুটীৰ আৰু গ্ৰাম উদ্যোগৰ ঋণ

অসমত কুটীৰ আৰু গ্ৰাম উদ্যোগ বিভাগে বিতৰণ কৰা চৰকাৰী ঋণৰ আধা ভাগ সম্পূৰ্ণ অপচয় হ'ল বুলি অসম চৰকাৰৰে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মূল্যাংকন গোটটোৱে এটা সমীক্ষাৰ (ওছেম্পল ছাৰ্ভে) পাচত অভিমত প্ৰকাশ কৰিছে। এই কাণ্ড ঘটিল ১৯৬০-৬৫ চনৰ ভিতৰত। এই সময়ছোৱাত ৭৩ লাখ ১৩ হেজাৰ টকাৰ ঔদ্যোগিক ঋণ বিতৰণ কৰা হৈছিল। ইয়াৰে আধাখিনি যদি অথলে গ'ল তেন্তে উদ্যোগৰ নামত কিমানখিনি টকাৰ অপচয় হ'ল বুজিব পাৰি।

আমাৰ ৰাজ্যখনত বৃহৎ উদ্যোগ স্থানীয় মূলধনেৰে প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা অতি সীমাবদ্ধ। সেই কাৰণে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ আৰু নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ ক্ষুদ্ৰায়তন উদ্যোগৰ ওপৰতে গুৰুত্ব আৰোপ কৰা আৱশ্যক। এইখন ৰাজ্যত তাঁত শিল্প, ৰেচম, কাঁহ-পিতল শিল্প, হাতী দাঁতৰ কাম, কমাৰ, কুমাৰৰ কাম, বাঁহ-বেত আদিৰ কাম কুটীৰ আৰু গ্ৰাম্য উদ্যোগ স্বৰূপে বহুত দিনৰ আগৰ পৰাই চলি আহিছে। কিন্তু তিনিটা পৰিকল্পনা শেষ হোৱাৰ পাচতে দেখা গৈছে এই ধৰণৰ কুটীৰ আৰু গ্ৰাম্য উদ্যোগবোৰ মুমূৰ্ষু অৱস্থাত পৰিছেহি। অসমৰ জাকত জিলিকা এড়ি, মুগা, পাট, কঁহাৰ, কুমাৰ, কমাৰ, হাতী দাঁতৰ কামৰ দৰে উদ্যোগবোৰেই যদি মূলধনৰ অভাৱত বিপন্ন হৈ পৰিব লগা হ'ল তেন্তে ৫ বছৰত ৭৩ লাখ টকাৰে ৰাজ্যত কি উদ্যোগ গঢ়ি উঠিল? ঋণ পোৱা উদ্যোগৰ শতকৰা ২০ ভাগৰো কম উদ্যোগহে ভালদৰে কাম চলাব লগা হ'ল কিয়? এইদৰে ৰাজহুৱা ধনৰ অপচয়ৰ বাবে দায়ী কোন?

এটা কথাত উত্তৰ দিবলৈ হ'লে ক'ব লাগিব ইয়াৰ বাবে চৰকাৰৰ উদ্যোগ বিভাগটোৱেই দায়ী। এই বিভাগে

যদি কিবা উপৰুৱা হেঁচাত পৰি (ৰাজনৈতিক বা আন ধৰণৰ) উপযুক্ত লোকক ঋণ দিয়াৰ পৰা বিৰত থাকি অপাত্ৰত অৰ্পণ কৰিব লগা হৈছিল তেন্তে সেইবোৰৰ বাবে দায়িত্ব সেই বিভাগে আনৰ ওপৰত জাপিব পাৰে। কিন্তু ৰাইজৰ বিচাৰত বিভাগীয় শিথিলতা আৰু অকৰ্মণ্যতাৰ বাবেই এইদৰে ধনৰ অপচয় হ'ল আৰু ৰাজ্যখন কুটীৰ আৰু গ্ৰাম্য উদ্যোগৰ ক্ষেত্ৰতো পিচ পৰি থাকিব লগা হ'ল।

মূল্যাংকন দলৰ প্ৰতিবেদনত উল্লেখ কৰা বিভিন্ন কথাই বিভাগীয় শিথিলতা আৰু অকৰ্মণ্যতাৰ কথাকে প্ৰকাশ কৰিব। হাইস্কুলৰ হেডমাষ্টৰে ছপাখানা খুলিবলৈ আৰু মিউনিচিপেলিটিৰ ঠিকাদাৰে আৰ- চি-চি প'ষ্ট তৈয়াৰী কৰিবলৈ টকা বিচাৰি নাপাই পাচত কুমাৰৰ কাম আৰু কাঠৰ কাম কৰিবলৈ টকা ল'লে। বিভাগীয় অনুসন্ধানকাৰীয়ে এইক্ষেত্ৰত সঠিক ৰিপ'ৰ্ট দিছিলনে? কিছুমান ক্ষেত্ৰত ঋণৰ বাবে কৰা দৰ্খাস্তৰ সম্পৰ্কত অনুসন্ধান কৰোতেই তিনি বছৰ যায় আকৌ কিছুমান ক্ষেত্ৰত দুমাহতে ফল হয়। তাতোকৈ ৰহস্যৰ কথা দৰ্খাস্ত কৰাতকৈ অধিক পৰিমাণৰ ঋণ মঞ্জুৰ। এনে অনিয়মীয়া কাৰ্যকলাপৰ পাচতো দায়িত্ব এৰুৱাবলৈ উদ্যোগ বিভাগে কি যুক্তি দিব পাৰে?

চৰকাৰী ঔদ্যোগিক ঋণ পৰিশোধ কৰিব নলগা অনুদান বুলি ধৰি লোৱা এক শ্ৰেণীয়েই অধিকাংশ ঋণ গ্ৰহণ কৰিছিল বোলা কথা মিছা নহয় আৰু সেয়ে তেনে ঋণ পাবৰ বাবে আগতীয়া ধন খৰচ কৰিবলৈকো সেইবিলাক মানুহ হয়তো কুণ্ঠিত নহৈছিল।

কিন্তু এইবোৰ পুৰণি কথা বুলি অনুশোচনাৰ বিষয় হৈয়ে থাকিব নোৱাৰে। এনে অনিয়মৰ যথাবিহিত তদন্ত হ'ব লাগে আৰু ঋণ উদ্ধাৰৰ কঠোৰ ব্যৱস্থা ল'ব লাগে। লগতে এই অভিজ্ঞতাই চৰকাৰী বিভাগক শিকনি দিব লাগে যাতে উপযুক্ত আৰু স্থানীয় লোকেহে ন্যায্যভাৱে ঔদ্যোগিক ঋণ পাব পাৰে।

## সুৰা নিবাৰণ ব্যৱস্থা

অসম চৰকাৰে ৰাজ্যত মদ নিবাৰণ ব্যৱস্থা শিথিল কৰিব খুজিছে বুলি ওলোৱা বাতৰি যদি সঁচা হয় তেন্তে ক'ব লাগিব যে এটা বিলাসিতাপূৰ্ণ নীতি সম্পৰ্কত চৰকাৰে বাস্তৱ দৃষ্টিকোণেৰে বিবেচনা কৰিবলৈ লৈছে।

ৰাজ্যখনৰ ১১ খন জিলাৰ ভিতৰত মাত্ৰ ৩ খন জিলাত বৰ্তমান মদ নিবাৰণ কৰা হৈছে। এনে আংশিক নিবাৰণ ব্যৱস্থাই কি সুফল দিলে তাক সৰ্বসাধাৰণৰ বুজিবলৈ বাকী নাই। এটা দুষ্প্ৰাপ্য আৰু অচিন বস্তুৰ জুতি লোৱাৰ আদিম মানৱীয় প্ৰবৃত্তিয়ে এইকেইখন জিলাৰ নতুন বহুতক সুৰাপান কৰিবলৈ উদগনিহে দিলে বুলি ক'লেই যথেষ্ট হ'ব। চোৰাং ব্যৱসায় অবাধ নহ'লেও চলি থাকিল। কিছুমান সমাজ বিৰোধী তথাকথিত ব্যৱসায়ীয়ে ইয়াৰ সুযোগ ল'লে। চৰকাৰ ৰাজহৰ পৰা বঞ্চিত হ'ল, চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বাবে চৰকাৰী ভঁৰালৰ পৰা কিছুমান টকা ব্যয় কৰিব লগা হ'ল। সমাজৰ একো লাভ নহ'ল। মদ নিবাৰণী আইন বলৱৎ থকা জিলাতো সন্ধিয়াৰ পাছত অতিৰিক্ত সুৰাপায়ীৰ উৎপাত দূৰ নহ'ল। এয়াই হ'ল অভিজ্ঞতা।

চৰকাৰে পাৰ্মিট প্ৰথা আৰু অধিক কৰ লগাই আংশিক সুৰা নিবাৰণ প্ৰত্যাহাৰ কৰাৰ কথা যদি চিন্তা কৰিছে, তেনে ব্যৱস্থাই কিছু ফল দিব বুলি আশা কৰিব পাৰি।

মদ নিবাৰণৰ প্ৰশ্নত ইতিমধ্যে কংগ্ৰেছী চৰকাৰ থকা ৰাজ্যতো দৃষ্টিভংগী সলনি কৰিব লগা হৈছে। সেয়ে

কংগ্ৰেছ উৰ্দ্ধতন কৰ্তৃপক্ষয়ো এনে বিষয়ত শিথিলতা প্ৰদৰ্শন কৰা উচিত হ'ব বুলিহে গৰিষ্ঠ সংখ্যক লোকে ভাবে।

শনিবাৰ, ২০ মে, ১৯৬৭ চন

## অসমৰ পুনৰ গঠন

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৱন দুদিনীয়া ভ্ৰমণসূচী লৈ আজি গুৱাহাটীত উপস্থিত হ'বহি। অসমৰ পুনৰ গঠনৰ সম্পৰ্কত গৃহমন্ত্ৰীয়ে বিভিন্ন মহলৰ সৈতে আলোচনা কৰিব আৰু এই আলোচনাৰ ওপৰতে ৰাজ্যৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। এই সন্ধিক্ষণত আমি কেতবোৰ স্পষ্ট কথা ক'বলগীয়া হৈছে— নহ'লে ভৱিষ্যতৰ বংশধৰসকলৰ গঞ্জনা আমিয়েই চিৰকাল বহন কৰিব লাগিব। অসম সদায় পৰীক্ষাগাৰৰ সমল ৰূপেই পৰিগণিত হৈ আছে— ইয়াৰ বাসিন্দাসকলৰ মতামতৰ যেন কোনো মূল্যই নাই। স্বাধীনতাৰ আগমুহূৰ্তৰ সমষ্টি গঠন আঁচনিয়েই তাৰ সাক্ষী। আকৌ দৰকাৰ হ'লে বা টানত পৰিলে অসমক চাহ এৰা দিয়াৰ ভাব এটায়ো সময়ত উকি মাৰে ; চীনা আক্ৰমণৰ সময়ত স্বৰ্গীয় নেহৰুৰ দুৰ্ভাগ্যজনক অনাতাঁৰ ভাষণেই তাৰ প্ৰমাণ। আনহাতে অসমক কেন্দ্ৰ কৰি পৰিকল্পনা যুগুত কৰোতাৰো অভাৱ নাই ; সুদূৰৰ জাৰ্মানীত বহি বংগ-অসম আদিক লৈ স্বাধীন দেশ গঠন কৰাৰ কল্পনা-বিলাস কৰাতো বাধা নাই! ৰাজ্য পুনৰ গঠন আয়োগৰ আগতো বৃহত্তৰ- বাদীসকলে অসমক আজুৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। অসমৰ পাৰ্বত্য অঞ্চলক সুকীয়া ৰাজ্যৰ দাবী তুলিবলৈ আমাৰ চুবুৰীৰ কোনে উৎসাহ যোগাইছিল (আৰু শ্বিলঙৰ কেতবোৰ ঘটনাৰ মূৰত কোনে ওলোটা সুৰ জুৰিলে), সেই কথাও আমি জানো। তাৰ পিচত আহিল শেহতীয়া উদাহৰণৰ কথা। দিল্লীত বহিয়েই অসমৰ ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ আগবঢ়োৱা হ'ল। ৰাইজৰ মনৰ খবৰ নোলোৱাকৈয়ে ফেডাৰেল ভিত্তিত অসমৰ পুনৰ গঠনৰ সিদ্ধান্ত লোৱা হ'ল ; মাত্ৰ বিতং বিৱৰণী যুগুত কৰিবলৈ কমিটী গঠন কৰাৰ ব্যৱস্থা ৰখা হ'ল। ৰাইজৰ মাজত যেতিয়া প্ৰতিবাদৰ খলকনি উঠিল, তেতিয়া অসম চৰকাৰ আৰু অসম কংগ্ৰেছে 'বিতং বিৱৰণী' নোপোৱালৈকে মতামত দিব নোৱাৰি বুলি ফালৰি কাটি যোৱাৰ চেষ্টা কৰিলে। অথচ সেই অসম কংগ্ৰেছেই (অসম চৰকাৰে এতিয়া কি ভাবিছে আমি ক'ব নোৱাৰো ; যদিও সংসদী ধাৰা মতে অসম কংগ্ৰেছৰ সিদ্ধান্তৰ প্ৰতিফলন অসম চৰকাৰৰ কাৰ্যত দেখা পাব লাগে) বিতং বিৱৰণী নোপোৱাকৈয়ে মূৰকত ফেডাৰেল আঁচনি প্ৰত্যাখ্যান কৰিবলগীয়া হ'ল আৰু তাকে কৰি আগৰ নীতি ভুল আছিল বুলি নিজেই প্ৰমাণ কৰিলে।

অৱশ্যে সেয়ে জনমতৰ জোখ দিলে। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দৃষ্টি আমি সেই কথাৰ প্ৰতি আকৰ্ষণ কৰিলো। ফেডাৰেচনৰ ভিতৰতে ফেডাৰেচন পতাৰ পৰীক্ষা চলাবলৈ অসমক বাছি লোৱাৰ কাৰণ কি? ভাৰতৰ আন কোনো ঠাইত তাকে কৰা হ'বনে? মধ্যপ্ৰদেশ, বিহাৰ বা পশ্চিমবংগত (দাৰ্জিলিঙৰ সমস্যা সমাধান কৰাৰ বাবে) তেনে তৎপৰতা দেখুওৱা হ'বনে? বিভিন্ন ৰাজ্যৰ মাজত ওচৰ সম্পৰ্ক ৰাখিবৰ বাবে নৰম ব্যৱস্থা হিচাপে গঠন কৰা আঞ্চলিক পৰিষদবোৰেই দেখোন সুদৃঢ় নীতিৰ অভাৱত মুজুৰা মৰা . . . অৱস্থাতে থাকিল। অসমৰ পাৰ্বত্য ৰাইজৰ সমস্যা সমাধান কৰাৰ নামত অসমক ফেডাৰেচনৰ ভিতৰত সুমুৱাই দ্বিতীয় শ্ৰেণীৰ ৰাজ্যলৈ ৰূপান্তৰিত

কৰিববৈলে আমি কিয় দিম? এই ব্যৱস্থাই ভাঙোনমুখী শক্তিকহে অধিক প্ৰেৰণা যোগাব। প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে মিজো প্ৰতিনিধি দলৰ আগত দুটাৰ অধিক গোট গঠিত হ'ব পাৰে বুলি ব্যাখ্যা দি বিপদৰ বাটহে বহলাই দিলে। ইতিমধ্যে অসমত উঠিববৈলে ধৰা নতুন নতুন দাবীৰ প্ৰেৰণাৰ উৎস ক'ত, সেই কথাৰ বিচাৰ ল'ববৈলে শ্ৰীচৰনে যেন নেপাহৰে। অগণতান্ত্ৰিক আৰু অসাংবিধানিকভাৱে ফেডাৰেল আঁচনি আগবঢ়োৱাৰ আগতে কেন্দ্ৰীয় চৰকাৰে বুজিব পাৰিব লাগিছিল যে পাৰ্বত্য অঞ্চলৰ ৰাইজৰ স্বাৰ্থৰ নামত (পাৰ্বত্য ৰাইজৰ ইচ্ছা-আকাংক্ষা ন্যায্যভাৱে পূৰণ কৰাত ভৈয়ামৰ ৰাইজৰ একো আপত্তি নাই) ভৈয়ামৰ ৰাইজে নিজৰ ইচ্ছা-আকাংক্ষা সকলো বন্ধকত থ'ববৈলে আগ নেবাঢ়ে। সংখ্যালঘিষ্ঠ পাৰ্বত্য ৰাইজৰ লগত সংখ্যাগৰিষ্ঠ ভৈয়ামবাসীৰ সকলো বিষয়তে সমতা স্থাপন কৰি উমৈহতীয়া বিষয়ৰ বিবেচনাৰ কাৰণে যি উমৈহতীয়া বিধানমণ্ডলৰ ব্যৱস্থা ফেডাৰেল প্ৰস্তাৱ মতে কৰিবলগীয়া হ'ব, তাৰ স্বৰূপটোলৈ মন কৰিলে আমি কি দেখিম? ভৈয়াম আৰু পাৰ্বত্য অঞ্চলৰ সমান সংখ্যক সদস্য তাত থাকিব আৰু উমৈহতীয়া ৰাজধানী শ্বিলং অঞ্চলৰ প্ৰতিনিধিত্বৰ ব্যৱস্থাও তাত থাকিব লাগিব। শ্বিলং অঞ্চলৰ প্ৰতিনিধি যিহেতু জনজাতীয় লোকেই হ'ব (অজনজাতীয় প্ৰতিনিধি থাকিলেও জনজাতীয় লোকৰ সংখ্যাৰ হিচাপ মতে প্ৰতিনিধিৰ ব্যৱস্থা ৰাখিলে জনজাতীয় প্ৰতিনিধিয়েই বেছি হ'ব) তাৰ ফলত উমৈহতীয়া বিধানমণ্ডলত জনজাতীয় প্ৰতিনিধিয়েই বেছি হ'ব।

ইতিমধ্যে প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে অসম সাহিত্য সভাৰ প্ৰতিনিধি দলৰ আগত আশ্বাস দিছে যে ফেডাৰেল ব্যৱস্থা জাপি দিয়া নহয়। আমিও জানো যে চৰকাৰে আমাৰ মতৰ বিৰুদ্ধে গৈ এই ব্যৱস্থা জাপি দিব নোৱাৰে। সেই বিশ্বাসৰ নিশ্চয়তা লৈয়েই অসমৰ জনমতে গৃহমন্ত্ৰীৰ লগত আলোচনা কৰিববৈলে আগবাঢ়িছে। ফেডাৰেল আঁচনি ইতিমধ্যে মৰা-হোজা হ'ল বুলিয়েই আমি ধৰি লৈছো। পিচে তাৰ বিকল্প উলিওৱাৰ ভাৰটোও দিল্লীৰ নেতাসকলে আমাৰ ওপৰতে জাপি দিয়াৰ প্ৰয়াস কৰিছে কিয়? বৰ্তমানে যি পৰিৱেশ দেখা গৈছে, সেইটো এটা বিকাৰৰ লক্ষ্যণহে ; সেইটোৱেই বিকাশ নহয়। কিন্তু সেই বিকাৰৰ স্ৰষ্টা কোন? আমিতো নহয়। পাৰ্বত্য অঞ্চলৰ ভাৰতীয় জীৱন-ধাৰাৰ পৰা বিচ্ছিন্ন কৰি ৰাখি বৃটিছে যি বিহ গছৰ গুটি সিঁচি গ'ল, সেই বিহ গছ উঘালি নেপেলাই তাৰ গুৰিত সাৰ-জাবৰ দিববৈলে স্বাধীন ভাৰতৰ চৰকাৰক অসমৰ ৰাইজে কৈছিলনে? সংবিধানৰ ষষ্ঠ অনুসূচীয়ে কি সৰ্বনাশ সাধিছে, 'ইনাৰ লাইন'ৰ ব্যৱস্থাই কি পৰিণতিৰ সৃষ্টি কৰিছে, সেই কথা ৰাইজে কোৱা সত্ত্বেও চৰকাৰে নুশুনিলে। এদিন অধ্যাপক আৰ কুপলেণ্ডে ব্ৰিটিছ চৰকাৰৰ আগত আৰ্জি পেচ কৰিছিল যে ভাৰত আৰু ব্ৰহ্মাৰ জনজাতীয় লোক কোনোপধ্যে সেই দুখন ৰাষ্ট্ৰৰ ভিতৰুৱা লোক বুলি পৰিগণিত হ'ব নোৱাৰে। এই সমুদায় লোকক লৈ সুকীয়াকৈ ব্ৰিটিছ ক্ৰাউন কল'নী পতাৰ দিহা তেওঁ দিছিল। এই ধৰণৰ প্ৰচাৰ তাহানিৰ ব্ৰিটিছ বিষয়াসকলে চলাইছিল ; মিছনেৰীসকলেও তাৰ লগত হাত মিলাই দিছিল। ভাৰত চৰকাৰে স্বাধীনতাৰ পিচতো সেই সমস্যালৈ চকু নিদিলে। জনজাতীয় পাৰ্বত্য ৰাইজক এঘৰীয়া কৰি ৰাখি আৰু ধৰ্মনিৰপেক্ষতাৰ নামত নীচাত্মিকা ভাব এটাৰ ওচৰত শৰণ লৈ বিশেষ এটা মহলক অবাধ স্বাধীনতা দি এই সমস্যাৰ মেটমৰা বোজা চপাই লোৱা হ'ল। আনহাতে নেফাৰ ক্ষেত্ৰত লোৱা নীতি, নগালেণ্ড গঠন, বিদ্ৰোহী নগাৰ ক্ষেত্ৰত অৱলম্বন কৰা নীতি আৰু ভাৰতৰ বিভিন্ন অঞ্চলত হেঁচাৰ ওচৰত চৰকাৰে আত্মসমৰ্পণ কৰা নীতিয়েও বিশেষ কিছুমান শক্তিক প্ৰেৰণা যোগালে। সংহতিৰ ধ্বনিৰ বিপৰীতে ভাঙোনমুখী শক্তিয়ে কিৰীলি পাৰিলে। তথাপি চৰকাৰ আঁকোৰগোজ হৈ থাকিল— যাদুঘৰীয়া নীতিত। পাৰ্বত্য জনজাতীয় অঞ্চলত ভাৰতীয় জীৱন-ধাৰাৰ

পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰা শক্তিয়ে পৰিপুষ্টি লাভ কৰিলে। নেতৃত্বৰ সুযোগো ল'লে বিশেষ এটা মহলে।

সেই পৰিণতিৰ বাবে অসমৰ ৰাইজ দায়ী নে কেন্দ্ৰীয় চৰকাৰ? এতিয়া অসমৰ ৰাইজে কি উপায় দিব পাৰে? কেন্দ্ৰীয় চৰকাৰে পাৰ্বত্য নেতা সন্মিলনৰ লগত আলোচনা কৰি ইতিমধ্যে দেখোন যথেষ্ট প্ৰতিশ্ৰুতি দি থ'লেই? তাৰ পৰা উলটি যোৱাৰ বাট জানো আছে? পাৰ্বত্য ৰাজ্যৰ দাবী পোনতে উঠোতে অসম চৰকাৰ আৰু অসমীয়া ৰাইজকে বহুতে 'আচামী' পাতি থৈছিল। কিন্তু পাটস্কৰ আয়োগৰ প্ৰতিবেদনেই সেই অভিযোগ খণ্ডন কৰিলে। পাৰ্বত্য অঞ্চলত জনমূৰি ব্যয় ১৯৫১-৫২ চনৰ তুলনাত ৫-৬ গুণ বাঢ়িল ; এই বৃদ্ধিৰ হাৰ ভৈয়ামতকৈ বেছি। জনসংখ্যাৰ ভেটিত পাৰ্বত্য অঞ্চলৰ কাৰণে কৰা ব্যয় অবিচাৰমূলক হোৱা নাই আৰু পুঁজিৰ অপব্যৱহাৰ নাই হোৱা বুলিও প্ৰতিবেদনত কোৱা হ'ল। ইমানখিনি কৰিও আৰু জনজাতীয় পৰিষদৰ বিশেষ ব্যৱস্থা কৰিও একো ৰেখাপাত কৰিব নোৱাৰাৰ কাৰণ সুকীয়া। তাৰ নিৰাকৰণৰ উপায় এতিয়া নাই— আগতে আছিল। পাৰ্বত্য জনজাতীয় ৰাইজক সৰ্বোচ্চ পৰিমাণৰ স্বায়ত্ত শাসন দিয়াৰ ধ্বনি উঠা বহুত দিন হ'ল। কিন্তু নেহৰুৰ স্কটিছ আৰ্হি আৰু পাটস্কৰ আয়োগৰ পৰামৰ্শয়ো জনজাতীয় নেতাসকলক সন্তুষ্ট কৰিব নোৱাৰিলে। ৰাজ্যৰ ভিতৰতে ৰাজ্য পতা অৰ্থাৎ বেনামী ৰাজ্যৰ ব্যৱস্থায়ো সন্তুষ্ট কৰিব নোৱাৰিলে। অথচ সেয়ে সৰ্বোচ্চ স্বায়ত্ত শাসনৰ শেষ সীমা আছিল। সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাই যিহেতু আগ্ৰহ দেখুওৱা নাই, সেই জিলাক বাদ দি (বাদ দিলে কাছাৰৰ লগতো সেই জিলাইদি আমাৰ সংযোগ ৰাখিব পৰা হ'ব) বাকীকেইখন পাৰ্বত্য জিলাক লৈ সুকীয়া পাৰ্বত্য ৰাজ্য গঠন কৰিব পাৰে। অৱশ্যে মিজো জিলাতো সুকীয়া ৰাজ্য গঠন কৰাৰ দাবী উঠিছে। অৱস্থা সুস্থিৰ হৈ উঠিলেও যদি মিজো জিলাক একেখন পাৰ্বত্য ৰাজ্যৰ ভিতৰুৱা কৰিব পৰা নহয়, তেন্তে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ অসমক লৈ যি ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ দাঙি ধৰিছে, সেই প্ৰস্তাৱ পাৰ্বত্য ৰাজ্যখনৰ ক্ষেত্ৰতে প্ৰয়োগ কৰক আৰু মিজো জিলাক সেই পাৰ্বত্য ৰাজ্য ফেডাৰেচনৰ গোট ৰূপে ধৰক।

মঙ্গলবাৰ, ৩০ মে, ১৯৬৭ চন

# মদ নিবাৰণ

আইন প্ৰণয়ন কৰাৰ লগে লগে সেই আইন কাৰ্যকৰী কৰাৰ গুৰুদায়িত্ব প্ৰশাসন যন্ত্ৰৰ ওপৰত স্বতঃসিদ্ধভাৱে আহি পৰে। আনহাতে আদৰ্শৰ ভেটিত প্ৰণয়ন কৰা আইন কাৰ্যকৰী কৰাৰ পৰত দেখা দিয়া আহুকাল আদিৰ কথা বিবেচনা কৰি তেনে আইনৰ সংশোধন, দৃঢ়ভাৱে প্ৰয়োগ নাইবা সেয়া উঠাই লোৱাৰ সিদ্ধান্তৰ মাজত কোনো লাজৰ কথা নেথাকে। বৰং তেনেদৰে বাস্তৱৰ লগত সমন্বয় ৰাখি, চৰকাৰে দেশ-কাল-অৱস্থাৰ পৰিপ্ৰেক্ষিতত নিজকে খাপ খুৱাই লোৱাৰ গৌৰৱহে কৰিব পাৰে। সেই দৃষ্টিভংগীৰে বহু বছৰে চলাই অহা ভাৰতৰ মদ নিবাৰণ নীতিৰ বিষয়ে মুকলিভাৱে বিবেচনা কৰি চোৱাৰ পৰা কেতিয়াবাই হ'ল। সুখৰ কথা, পৰহি কংগ্ৰেছ সংসদী দলৰ কাৰ্যনিৰ্বাহক সমিতিত উপ প্ৰধান মন্ত্ৰী শ্ৰীমোৰাৰজী দেশায়ে উনুকিয়াইছে যে প্ৰত্যেক ৰাজ্যই মদ নিবাৰণী আইনৰ আৱশ্যকতা সম্পৰ্কে চিন্তা কৰি সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে। ইতিমধ্যে কেৰালাৰ অকংগ্ৰেছী মন্ত্ৰীসভাই ৰাজ্যৰ মদ-নিবাৰণী বাধা নিষেধ উঠাই লৈছেই। শ্ৰীদেশায়ে দৃঢ়ভাৱে বিশ্বাস কৰে যে মদ নিবাৰণী আইন উঠাই ল'লে দুখীয়া ৰাইজৰ বাবে মংগলজনক নহ'ব। কিন্তু কথা হ'ল, আদৰ্শ হিচাপে সেই

বিশ্বাসত সত্যতা থাকিলেও, আজি ইমান বছৰে জানো সঁচাকৈয়ে ভাৰতৰ পৰা মদ-নিবাৰণ কৰিব পৰা গৈছে? চোৰাং মদৰ বেপাৰ বঢ়াত, একশ্ৰেণী বেপাৰীক অধিক ধন ঘটাৰ সুযোগহে এই আইনে দিয়া নাই জানো? উদ্যোগ কেন্দ্ৰ, চাহ বাগিচা, জনজাতীয় অঞ্চল আদিৰ বেছি ভাগততো মদ নিৰ্বিবাদে চলি আছে। মদ-নিবাৰণী আইন হোৱাৰ পিচত মদ খোৱা লোকৰ সংখ্যা কমক ছাৰি ক্ষেত্ৰবিশেষে বঢ়াহে দেখা গৈছে। কেইবছৰমান আগতে এই বিষয়ে অনুসন্ধান চলোৱা টেকচাঁদ আয়োগেও মন্তব্য কৰিছিল যে কিছুমান ৰাজ্যত নিষ্ঠৰে এই আইন পালন কৰাৰ চেষ্টা চলোৱা হোৱা নাই। গতিকে যি আইন দৃঢ়ভাৱে কাৰ্যকৰী কৰিব পৰা নগ'ল ; যি আইনে ভাৰতৰ সমাজ জীৱনত কোনো বৈপ্লৱিক মংগলজনক পৰিৱৰ্তন সূচনা কৰিব নোৱাৰিলে ; আনহাতে যি আইনে এচাম চোৰাং বেপাৰীকহে ধনী কৰিলে অথচ ৰাজকোষত সংগৃহীত হ'ব পৰা ধন ব্যক্তিবিশেষৰ জেপলৈহে নিয়ালে,— তেনে এখন আইন মাত্ৰ ভুৱা মৰ্যাদাবোধৰ বাবে চলাই ৰখাৰ বিশেষ যুক্তি নাই। তদুপৰি উপ-প্ৰধানমন্ত্ৰীয়ে কোৱাৰ দৰে যদি বিভিন্ন ৰাজ্যই বিভিন্ন মত গ্ৰহণ কৰে তেনেহ'লে ভাৰতৰ ভিতৰতে একোটা অঞ্চলত মদ মুকলিভাৱে চলিব আৰু সেয়ে হ'লে চোৰাং কাৰবাৰী আৰু দুৰ্নীতিপৰায়ণ ব্যক্তি এচামকহে নতুন সুবিধা দিয়া হ'ব। এনে বিবেচনাৰে, আৰু ৰাষ্ট্ৰৰ অৰ্থনৈতিক অভাৱৰ কথা ভাবি, কাৰ্যক্ষেত্ৰত প্ৰায় অচল এই মদ নিবাৰণী আইন সমগ্ৰ দেশৰে পৰা বৰ্তমানে উঠাই দিয়াই ভাল যেন লাগে। নৈতিকতা আৰু জাতীয় চৰিত্ৰ কোনেও কাৰো ওপৰত জাপি দিব নোৱাৰে। তদুপৰি হেজাৰ বছৰৰ ঐতিহ্য থকা আৰু বিদেশী-দেশী সকলো ধৰণৰ শাসনৰ অভিজ্ঞতা লাভ কৰা, ভাৰতৰ প্ৰগতিশীল নাগৰিকসকলক নিজৰ বিবেক বুদ্ধিৰ অনুশাসনেৰে এনে ধৰণৰ ব্যক্তিগত আৰু সামাজিক জীৱনত ৰেখাপাত কৰা বিষয়ত সিদ্ধান্ত ল'বলৈ দিয়াটো একো অনুচিত নহ'ব।

## উচ্চ মাধ্যমিক পৰীক্ষা

অলপতে অসমৰ মাধ্যমিক শিক্ষা ব'ৰ্ডে ঘোষণা কৰা এইবেলিৰ উচ্চ মাধ্যমিক পৰীক্ষাৰ ফল হতাশজনক বুলিয়েই ক'ব লাগিব। নিয়মীয়া পৰীক্ষাৰ্থীৰ ভিতৰত 'হিউমেনিটিজ' গ্ৰুপত পাছৰ হাৰ হ'ল শতকৰা ৩৫.৫ ; বিজ্ঞানত ৪৬.৫ ; কমাৰ্চত ২৪.৬ ; গৃহ বিজ্ঞানত ৫০ আৰু কৃষি বিষয়ত ৭.২ ; আনহাতে সুকুমাৰ কলা বিষয়ত কোনো উত্তীৰ্ণ নহ'ল। এনে ধৰণৰ নিম্নহাৰৰ সফলতাহে লাভ কৰিব পৰাৰ কাৰণ নিৰ্ণয় কৰিবলৈ মাধ্যমিক শিক্ষা ব'ৰ্ড আৰু উক্ত ব'ৰ্ডৰ বিশেষ বিষয়াসকলে তলত দিয়া কথাযাৰলৈ মন কৰিলে ভাল হ'ব ঃ

১। উচ্চ মাধ্যমিক স্কুলসমূহৰ পাঠ্যপুথিৰ গুণাগুণ আৰু পাঠ্যপুথি সময় মতে বজাৰত পোৱা যায়নে নেযায় ;

২। একোখন স্কুলৰ শ্ৰেণী আৰু 'ছেক্সন'ৰ সংখ্যানুপাতে উচ্চ মাধ্যমিক শ্ৰেণীত শিক্ষা দিবলৈ বিভিন্ন বিষয়ৰ যথেষ্ট সংখ্যক অৰ্হতাসম্পন্ন শিক্ষক আছেনে নাই ;

৩। ছাত্ৰ-ছাত্ৰীৰ বাবে লাইব্ৰেৰী, লেবৰেটৰী, কমন ৰূম, খেল-ধেমালি আদিৰ উপযোগী ব্যৱস্থা আছেনে নাই ;

৪। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত আগ্ৰহ আৰু ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁলোকৰ ব্যক্তিগত যোগাযোগৰ পৰিৱেশ আছেনে নাই? বৰ্তমানে একে অৰ্হতা আৰু অভিজ্ঞতা সম্পন্ন শিক্ষকৰ ভিতৰতে কাৰ্যকৰী, দৰমহাৰ নিৰিখ আদি বিষয়ত তাৰতম্য আৰু বিসংগতি থকা বুলি শিক্ষামন্ত্ৰীৰ ওচৰত উচ্চ মাধ্যমিক শিক্ষক সংস্থাই

আপত্তি কৰি থকা কথা এই বিষয়ত উল্লেখযোগ্য।

৫। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঢ়া-শুনাৰ প্ৰতি ৰাপ নোহোৱা আৰু নিয়মানুৱৰ্তিতা আৰু শৃংখলাৰ অভাৱ ; অভিভাৱকসকলৰ উদাসীনতা আৰু শিক্ষকসকলৰ অভাৱ-অভিযোগৰ কাৰণসমূহ ফঁহিয়াই চাই সেইবিলাক বিষয়ে সোনকালে ব্যৱস্থা গ্ৰহণ কৰা ইত্যাদি।

বৰ্তমানে হাইস্কুল আৰু উচ্চ মাধ্যমিক দুয়োটা পদ্ধতিৰে শিক্ষাদান কৰা ; ৰাজনৈতিক কাৰণত দুই-চাৰি মাইলৰ ভিতৰতো একাধিক স্কুল স্থাপন কৰা ; অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ আৰু অভিজ্ঞ শিক্ষকসকলৰ কিছুমান নতুন নিয়মৰ দোহাই দি পুৰণি কামৰ স্বীকৃতিৰ বানচ নিদিয়া ; পাঠ্য অনুসৰি পুথিৰ অভাৱ ; লেবৰেটৰী, বহা কোঠা আৰু আহিলা-পাতিৰ অভাৱ আদি বিসংগতিবোৰ থাকিলে অসমৰ মাধ্যমিক শিক্ষা বিষয়ত অগ্ৰগতি লাভ কৰিবলৈ কিমান যুগ যে লাগিব তাক ভাবি উলিয়াব নোৱাৰি। অকল বছৰি পৰীক্ষা পাতি, ছাত্ৰ-ছাত্ৰীৰ নিজা মেধা বা চেষ্টাতে এৰি দি,— যি হয় হওক বুলি শিক্ষা সংস্কাৰৰ ডাঙৰ ডাঙৰ বাণী আওৰালে বিশেষ ফল নহ'ব। আশা কৰোঁ, ৰাজ্যিক শিক্ষামন্ত্ৰী আৰু মাধ্যমিক শিক্ষা ব'ৰ্ডে এই বিষয়ে তৎপৰতাৰে বিশেষ মনোযোগ দিব।

দেওবাৰ, ৪ জুন, ১৯৬৭ চন

# মানুহ, মাটি আৰু খেতি

অসমৰ প্ৰকৃত খেতিয়ক অথচ ভূমিহীনসকলক মাটি দি সংস্থাপন কৰিবলৈ চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে, ৰাজহমন্ত্ৰী শ্ৰীচৌধুৰীয়ে বিধানসভাত তাৰ এটা ব্যাখ্যা দিছে। ১৯৫৮ চনতে গৃহীত প্ৰস্তাৱ অনুসৰি চৰকাৰে এই উদ্দেশ্যে গ্ৰহণ কৰা চাৰিদফীয়া পন্থাৰ কাৰ্যকাৰিতা সম্পৰ্কেও তেওঁ সদনত জনাইছে। ৰাজহ মন্ত্ৰীস্বৰূপে অসমৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰি দিয়া বক্তৃতাত শ্ৰীচৌধুৰীয়ে আচল খেতিয়কক মাটি দিয়া বিষয়ত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। ৰাজ্যৰ কৃষি উন্নয়নৰ অন্যতম গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি মনোযোগ দিয়াটো বাস্তৱতে সন্তোষৰ কথা হৈছে।

নেছনেল ছেম্পল ছাৰ্ভেৰ হিচাপ মতে অসমত ৩ লাখ ৫০ হেজাৰ ভূমিহীন লোক আছে। এই লোকসকলক খেতিৰ মাটি দি সংস্থাপন কৰাৰ ওপৰত ৰাজ্যৰ কৃষি-উন্নয়নৰ প্ৰশ্নটো যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰিছে। কিন্তু এইক্ষেত্ৰত অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰচেষ্টা চলোৱা আমাৰ চকুত পৰা নাই। আশাশুধীয়া প্ৰচেষ্টা চলা হ'লে সমস্যাটোৰ সমাধান ভালেখিনি আগবাঢ়িলহেঁতেন। চৰকাৰীভাৱে উপযুক্ত প্ৰচেষ্টা চলালে আৰু গ্ৰামদান আন্দোলনেও কৃতকাৰ্যতা লাভ কৰিলে এতিয়াও এই বিষয়ত বহু পৰিমাণে সাফল্য লাভ কৰিব পৰা যায়।

ৰাজহমন্ত্ৰীয়ে চৰকাৰৰ চাৰিদফীয়া প্ৰচেষ্টা মতে চাহ বাগিচাৰ পৰা মাটি অধিগ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। অসমত চাহ উদ্যোগৰ হাতত যথেষ্ট পৰিমাণৰ মাটি আছে কিন্তু সেইবোৰ আৱশ্যক মতে অধিগ্ৰহণ কৰা হোৱা নাই। উদ্যোগৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ বাবে যথেষ্ট মাটিৰ দৰকাৰ হয় বুলি চাহ উদ্যোগৰ পক্ষৰ পৰা যুক্তি প্ৰদৰ্শন কৰা হয়। সেই কাৰণে চাহখেতি কৰা মাটিৰ দুগুণ এলেকা চৰকাৰে চাহ বাগিচাৰ কাৰণে এৰিহে অধিগ্ৰহণ কৰিব লগা হৈছে। এই নীতি অনুসৰণৰ ফলত চাহ বাগিচাৰ পৰা মাটি অধিগ্ৰহণ কৰি ভূমিহীন খেতিয়কৰ সমস্যা সমাধানৰ কাৰণে কথা চিন্তা কৰিব নোৱাৰি। সংৰক্ষিত বনাঞ্চল আৰু চৰণীয়া পথাৰৰ মাটি খেতিৰ কাৰণে

মুকলি কৰি দিয়া হৈছে যদিও তেনে কৰোতে আন জটিলতাৰ সন্মুখীন হ'ব লগা হৈছে। সংৰক্ষিত বনাঞ্চল আৰু চৰণীয়া পথাৰ যি পৰিমাণে থাকিব লাগে সেই পৰিমাণে ৰখা হোৱা নাই। ইয়াৰ ফলত বনাঞ্চলৰ সম্পদ বৃদ্ধিত বাধা পৰা আৰু গৰু-ম'হৰ খাদ্যৰ অভাৱ হোৱাই স্বাভাৱিক ; সেয়ে ভূমিহীনৰ সমস্যা সমাধানৰ কাৰণে পতিত মাটিৰ আৱাদ আৰু সৰহীয়া মাটিৰ মালিকৰ পৰাই মাটি উলিয়াব লাগিব।

চৰকাৰে নিয়োগ কৰা জৰীপ কমিটীৰ মতে যদি অসমত ৩ লাখ বিঘা আৱাদৰ উপযোগী মাটি আছে তেন্তে তাক খেতিৰ কামত ব্যৱহাৰ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কিন্তু ইয়াৰ লগতে সৰহীয়া মাটিৰ মালিকৰ পৰা আৰু খেতি নকৰা মাটিৰ মালিকৰ পৰা খেতিয়কৰ কাৰণে মাটি উলিওৱাত অগ্ৰাধিকাৰ দিব লাগিব। ৰাজহমন্ত্ৰীৰ ব্যাখ্যাৰ পৰাই দেখা যায় যে অসমৰ গৰিষ্ঠসংখ্যক ভূমিহীন খেতিয়কক মাটি দিব পৰা হোৱা নাই। সেইকাৰণে এইবিলাক মানুহে কৃষিবনুৱা স্বৰূপে জীৱিকা উপাৰ্জন কৰিবলৈ বাধ্য হৈছে। এইদৰে কৃষিবনুৱা হৈ খেতিয়কে কাম কৰিব লগা হোৱা বাবে মাটিৰ মালিক লাভবান হ'লেও খেতিয়ক আৰু সমূহীয়াভাৱে সমাজখন ক্ষতিগ্ৰস্ত হৈছে। খেতিয়কে পৰিশ্ৰমৰ ন্যায্য মূল্য পোৱা নাই, খেতিৰ মাটিত উৎপাদন বৃদ্ধি হোৱা নাই. মাটিৰ মালিক আৰু খেতিয়ক উভয় পক্ষই কৃষিত উন্নত পদ্ধতিপ্ৰয়োগৰ প্ৰতি মনোযোগ দিবলৈ আৱশ্যকতা বোধ কৰা নাই। ফলত উৎপাদন হ্ৰাস পাইছে আৰু সমাজৰ ক্ষতি হৈছে।

মাটিৰ সৰ্বোচ্চ পৰিমাণৰ অধিকাৰ সম্পৰ্কীয় আইন মতে এতিয়ালৈকে ১ লাখ ১৬ হেজাৰ বিঘা মাটি চৰকাৰে হস্তগত কৰা বুলি ৰাজহমন্ত্ৰী শ্ৰীচৌধুৰীয়ে প্ৰকাশ কৰিছে। কিন্তু এনে ধৰণে মাটি হস্তগত কৰাৰ স্থল আৰু নাই জানো ? এই বিষয়ত চৰকাৰৰ নীতি আৰু কাৰ্যৰ দৃঢ়তা নাথাকিলে আশানুৰূপ ফল পোৱা নাযায়। এই সম্পৰ্কীয় আইনখনত যদি কিবা সুৰুঙাৰ সহায় লৈ সৰহীয়া মাটিৰ মালিকে আইনৰ কবলৰ পৰা অব্যাহতি পোৱাৰ সুযোগ উলিয়াইছে তেন্তে তাৰো প্ৰতিষেধক ব্যৱস্থা লোৱা উচিত। যি খেতি নকৰে তেওঁলোকে অতিৰিক্ত পৰিমাণৰ মাটি ৰখাৰ কোনো অধিকাৰ নাই। এই লক্ষ্য চৰকাৰে গ্ৰহণ কৰিলে আমাৰ ভূমিহীন ৰাইজৰ মাজত বিতৰণ কৰিবলৈ আৰু ভালেখিনি মাটি ওলাব আৰু তেতিয়া আধিয়াৰ ৰক্ষাৰ বাবে আইনৰ জঞ্জালৰো হাত সাৰিব পৰা যাব, কৃষি উৎপাদনো বৃদ্ধি পাব। ৰাজহমন্ত্ৰী শ্ৰীচৌধুৰীয়ে এইক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ দিব বুলি আশা কৰিব পাৰিনে ?

<u>৫ জুন, সোমবাৰ, ১৯৬৭ চন</u>

# ঘেঁহুৰ যোগান

অসমত ঘেঁহুৰ অভাৱে উৎকট ৰূপ ধাৰণ কৰিছে। এই ৰাজ্য প্ৰধানতঃ চাউল-ভোজী যদিও আটা ব্যৱহাৰ কৰা লোকৰ সংখ্যা নিতান্ত তাকৰ নহয় আৰু চাউলৰ নাটনি হোৱাত পৰিচয়-পত্ৰযোগে দিয়া ৰেচনৰ লগত আটা দিয়াৰো নিয়ম কৰা হৈছে। এসময়ত কেন্দ্ৰই অসমক যিমান লাগে আটা দিবলৈ ওলোৱাৰ কথা সকলোৰে মনত আছে। কিন্তু এতিয়া কেন্দ্ৰই সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। ৰেচনৰ লগত দিয়াৰ উপৰি ঘেঁহু জাতীয় বস্তুৰে ৰাজ্যৰ অসংখ্য সৰু-ডাঙৰ বেকাৰী চলোৱা হয় আৰু তাত ভালেমান মানুহ পোহ-পাল গৈ আছে। ভালেমান গাঁও অঞ্চলতে সুলভ মূল্যৰ দোকানৰ সুবিধা নাই ; সেইবাবে চাউল নথকা ঠাইৰ বহুতো গাঁৱলীয়া

মানুহে আটা কিনি খাইছিল। এতিয়া আটাৰ অনাটন ইমান উৎকট হৈ পৰিছে যে এই সকলো শ্ৰেণীৰ মানুহ ক্ষতিগ্ৰস্ত হৈছে। বেকাৰীবিলাক বন্ধ হৈ যোৱাৰ বাতৰি বিভিন্ন জিলাৰ পৰা আহিব লাগিছে। ৰেচনৰ লগত দিয়া আটাৰ পৰিমাণ কমি যোৱা নাইবা সমবায় দোকানবিলাকত সমূলি আটা নিদিয়া দেখা গৈছে। ৰেচনৰ যথেষ্ট নোহোৱা চাউলৰ সৈতে আটা খাবলৈ লোৱা দুখীয়া লোকৰ কথাই নাই ; মূল খাদ্যৰূপে নহ'লেও আন প্ৰকাৰে আটাৰ ব্যৱহাৰ কৰা সকলো তৰপৰ মানুহৰ আজি কিছুদিন ধৰি ভীষণ আহুকাল হৈছে। সাময়িকভাৱে হ'লেও বন্ধ হৈ যোৱা বেকাৰীৰ কৰ্মীসকলৰ দুৰৱস্থাৰ কথা কোনোবাই ভাবি চাইছেনে?

অসমলৈ আটাৰ যোগান ধৰাত কেন্দ্ৰৰে দায়িত্ব ভালেখিনি। তেওঁলোকে প্ৰতিশ্ৰুতি দি তাক ৰক্ষা কৰিব নোৱাৰাটো দুখৰ বিষয়। অসমৰ যোগানমন্ত্ৰীয়ে ইয়াৰ বাবে অসন্তোষ প্ৰকাশ কৰিছে। আমিও তেওঁৰ সৈতে একমত হৈ ক'ব খোজো যে কেন্দ্ৰক তেওঁলোকৰ দায়িত্বৰ কথা জোৰেৰে স্মৰণ কৰাই দিব লাগে। সঁচা কথা যে ঘেঁহুৰ চাহিদা গোটেই দেশজোৰা আৰু বাহিৰৰ পৰা অহা ঘেঁহুৰ ওপৰতে কেন্দ্ৰ ভালেখিনি নিৰ্ভৰশীল। কিন্তু যেতিয়া তেওঁলোকে প্ৰতিশ্ৰুতি দিয়ে তেতিয়া নিশ্চয় এটা হিচাপ কৰিয়েই দিয়ে। তেনেস্থলত এপ্ৰিল-মে' এই দুমাহৰ প্ৰতিশ্ৰুত ঘেঁহুৰ মাত্ৰ এক-তৃতীয়াংশহে দিয়াৰ কোনো অৰ্থ নহয়। আৰু এটা ডাঙৰ কথা এয়ে যে যোগানমন্ত্ৰীৰ মতে কলিকতাৰ পৰা অসমৰ ঘেঁহু পঠিয়াই দিয়া হোৱা নাই আৰু অসমৰ কাৰণে পঠিওৱা সামগ্ৰী মাজবাটৰ পৰা আন ৰাজ্যলৈ ফালৰি কটাই নিয়া হৈছে বুলি তেওঁৰ সন্দেহ হৈছে। এইটো এটা মাৰাত্মক কথা। বিহাৰ আৰু পশ্চিমবংগ দুয়োখন ৰাজ্যত দুৰ্ভিক্ষ হৈছে। তাৰ প্ৰয়োজন মিটাবলৈকে এনে কাৰ্য কৰা হৈছে বুলি সন্দেহ কৰিবলৈ যোগানমন্ত্ৰী শ্ৰীবৰুৱাৰ কথাই আমাক বাধ্য কৰিছে। যদি এনে দুষ্কাৰ্য হৈছে তেন্তে কাৰ নিৰ্দেশত বা অভিসন্ধিত হৈছে সেইটো উলিয়াব লাগে। অসম চৰকাৰে এই বিষয়ে অনুসন্ধান চলোৱা উচিত। হয়তো এনেবিলাক কাৰণতে অসমলৈ ঘেঁহুৰ নিয়মীয়া যোগান হোৱা নাই আৰু ফলত ৰাজ্যৰ মানুহে নিকাৰ ভুগিব লগা হৈছে। কেন্দ্ৰীয় খাদ্যমন্ত্ৰী শ্ৰীৰামে সমগ্ৰ দেশৰ বণ্টন ব্যৱস্থা সংস্কাৰ কৰাৰ কথা ভাবিছে। বৰ্তমান ব্যৱস্থাত থকা কিবা আসোঁৱাহৰ কাৰণেই যদি মাজবাটৰ পৰা অসমৰ ভাগৰ বস্তু নোহোৱা হৈছে তেন্তে সেইটো অত্যন্ত পৰিতাপৰ কথা হ'ব। অৱশ্যে শ্ৰীৰামে আশ্বাস দি থৈছে যে খালাচ কৰি নিনিয়া ঘেঁহুৰ কোটা বাতিল হৈ নেযায়। কিন্তু লগতে আমি যোগান নিয়মীয়া হোৱাটোও বিচাৰো। গুৱাহাটীৰ যোগান কৰ্তৃপক্ষই জুনৰ মাজভাগলৈকে ঘেঁহুৰ পৰিস্থিতি উন্নত নহ'ব বুলি কৈছে। এইটো বৰ সুখকৰ কথা নহয়।

## ঘেৰাও

সম্প্ৰতি "ঘেৰাও" বুলিবৰ শব্দটো আৰু কাৰ্যফেৰা বেছ জনপ্ৰিয় হৈ উঠা দেখা গৈছে। শ্ৰমিকে ঘেৰাও কৰে, সাধুৱে ঘেৰাও কৰে, ছাত্ৰই ঘেৰাও কৰে, ৰে'লযাত্ৰীয়ে ঘেৰাও কৰে, আনকি সংসদী সদস্যয়ো ঘেৰাও কৰে। শব্দটো গৈ পশ্চিমীয়া ভাষাবিলাকতো বোলে ব্যৱহাৰ হ'ব ধৰিছে। ইংৰাজীত অৱশ্যে এনে কাম বহু দিনৰে পৰা হৈ আহিছে। বাজাৰ, টিপয়, ছোটা, হাজৰি, ৰাজা আদিৰ কথা সকলোৱে জানে। এখন কাকতে মতলব, গোলমাল আদি শব্দও ইংৰাজীত ব্যৱহাৰ হোৱাৰ কথা লিখিছিল। এতিয়া ঘেৰাও শব্দটোৱেও তাত শাৰী পূৰাইছে। কিন্তু ইয়াৰ ব্যুৎপত্তিগত অৰ্থ লৈহে গোলমাল চলি থাকিব যেন পাইছো। কাৰণ প্ৰশ্ন উঠিব— ঘেৰাও কিহক কয়? এজন নিৰ্দলীয় এম পিয়ে ইয়াৰ সংজ্ঞা দিবলৈ গৈ কৈছে যে মেনেজাৰৰ ওচৰলৈ কোনো অভিযোগৰ মীমাংসাৰ্থে

কমেও এশজন কৰ্মী যোৱাকে ঘেৰাও বোলে। এই অৰ্থত চাবলৈ গ'লে আগৰ দিনৰ পৰাই পৃথিৱীত ঘেৰাও চলি আছে। যুদ্ধক্ষেত্ৰত ইয়াকে অৱৰোধ বোলা হৈছিল। বৃটেইনে অৰলীন অৱৰোধ কৰোতে ফৰাচী বীৰাংগনা জোৱান ডাৰ্কে প্ৰতিৰোধ কৰি প্ৰাণ দিছিল। সপ্তৰথীয়ে সসৈন্যে অভিমন্যুক ঘেৰাও কৰি ধৰিছিল। কোনো জনপ্ৰিয় চিত্ৰশিল্পী বা গায়কক হেজাৰ হেজাৰ অনুৰাগীয়ে বেৰি-কুৰি ধৰি বাট-পথ বন্ধ কৰি পেলালে ঘেৰাও হ'বনে? এনেকুৱা আমোদজনক কথাও ওলাব পাৰে। বোম্বাইৰ এটা মিলত বোলে বিষয়াসকলক ঘেৰাও কৰিবৰ কাৰণে বনুৱাসকলে প্ৰৱেশ পথ ট্ৰলীৰে বন্ধ কৰি দি নিজকো আৱদ্ধ কৰি ৰাখে। ঘেৰাওৰ ভয়ত ঘৰৰ পৰা খোৱা বস্তুৰ টোপোলা লৈ যোৱা বা অফিচতে ক্ষুদ্ৰ ৰান্ধনিশাল পাতি লোৱাৰ ছবি, বাতৰি আদি ওলাই আছে। চীনদেশত বিদেশী কূটনৈতিক প্ৰতিনিধিয়ে ঘেৰাওৰ সোৱাদ পাবই লাগিছে। পশ্চিমবংগৰ ঘেৰাও আন্দোলন লৈ কেন্দ্ৰৰ সৈতে এটা বিবাদ লাগিবৰে উপক্ৰম হৈছে। ইমান ব্যাপক হ'লেও ঘেৰাও আন্দোলনে সৰু সৰু দলকহে জড়িত কৰে। বাকী ৰাইজে এইবোৰ দেখি বেছ ৰং চাব পাৰে। মাত্ৰ সৰ্বসাধাৰণ মানুহে গম পোৱা নাই যে তেওঁলোককো নিতে নতুন সমস্যাই ঘেৰাও কৰিবই লাগিছে।

<u>৬ জুন, মঙ্গলবাৰ, ১৯৬৭ চন</u>

# সমবায় আৰু আত্মপ্ৰশংসা

আমি জনাত অসমত সমবায় আন্দোলনৰ খোজ শামুকীয়া গতিৰ। খাদ্য বস্তু সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰতো সমবায়ৰ বিফলতাৰ কথা চৰকাৰী-বেচৰকাৰী উভয় মহলে স্বীকাৰ কৰি আহিছে। অথচ এতিয়া ৰাষ্ট্ৰীয় সমবায় উন্নয়ন কৰ্পৰেচনে আন চাৰিখন ৰাজ্যৰ লগতে অসমকো সমবায়যোগে অন্ততঃ বিতৰণৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰা বুলি শলাগিছে। এনেদৰে অকল আত্মপ্ৰশংসা কৰি কোনো এটা পদ্ধতি জীয়াই ৰাখিব নোৱাৰি। সাময়িকভাৱে অ'ত-ত'ত আংশিক সফলতাৰ কথা জহাই, সমবায়ৰ মূল উদ্দেশ্য সাৰ্থক কৰিব পৰা নহ'ব। আচলতে, সমবায় আন্দোলনৰ ত্ৰুটিহীন কৰিবলৈ হ'লে ই হ'ব লাগিব সৰ্বাত্মক অৰ্থাৎ উৎপন্নৰ পৰা বিতৰণলৈ সকলো অংশ সামৰা বিধৰ। তাৰ বাবে আমাৰ সমাজ ব্যৱস্থাত সমাজতান্ত্ৰিক বুনিয়াদটো কাৰ্যক্ষেত্ৰত গঢ়ি তুলিব লাগিব। নহ'লে ন্যস্ত স্বাৰ্থ, পুঁজিপতিৰ স্বাৰ্থ আদিৰ লগতে সানি পুটকি আংশিকভাৱে ইয়াক গঢ় দিবলৈ গ'লে, সেয়া সফল হ'ব নোৱাৰে। এই কাৰণেই তাহানি দ্বিতীয় মহাসমৰৰ সময়তো ষ্টেণ্ডাৰ্ড ক্লথ নিয়ন্ত্ৰণ কৰি বিতৰণৰ চেষ্টা শেষলৈ বিফল হৈছিল। এতিয়াও অকল বজাৰত বস্তু বিতৰণৰ ভাৰ লৈ ন্যস্ত স্বাৰ্থৰ চেপাত, সমবায়ৰ কণ্ঠৰোধ হ'বৰ উপক্ৰম হৈছে। তদুপৰি সমবায় কৃষি-ঋণ আদি ব্যৱস্থাক কাৰ্যকৰী ৰূপ দিব নোৱাৰা বাবে, এই অনুষ্ঠানৰ প্ৰতি সমূহ ৰাইজৰ আকৰ্ষণ হোৱা নাই। একোটা সমবায় সংস্থাৰ পৰিচালনাৰ লগত জড়িত কেইজনমানৰহে সুবিধা হোৱা বুলি আটায়ে ক'বলৈ সেয়ে প্ৰয়াস পায়। অথচ, সমবায়ৰ মূল ভেটিয়েই হ'ল— সভ্যসমূহৰ আস্থা আৰু সক্ৰিয় সহযোগিতা। নগৰৰ সৰু-সুৰা সমবায় দোকানবিলাকত আমি দেখো বয়-বস্তুৰ যোগান বিশেষ নাই, গ্ৰাহকৰো ভিৰ নাই ; আনহাতে কাষৰে ব্যক্তিগত দোকানত বিৰ দি বাট পাবৰ উপায় নাই। এয়া কেনেকৈ হ'বলৈ পায়? এই বিষয়ে সঠিক সন্ধান কৰাটো অকল চৰকাৰৰে দায়িত্ব নহয়, সমূহ ৰাইজেও আগ্ৰহশীল হৈ নিজৰ

সমবায় দোকানৰ উন্নতিৰ বাবে সক্ৰিয়ভাৱে সহযোগ কৰিব লাগে। চৰকাৰৰ পক্ষৰ পৰা লক্ষ্য ৰাখিব লাগিব যাতে একোবিধ বস্তু উৎপাদনৰ পৰা বিতৰণলৈকে সমবায়যোগে কৰাব পাৰি। কৃষি ঋণ দি পথাৰৰ ধান সংগ্ৰহ কৰি, নিজা কলত ধান বানি চাউল বজাৰত বেচালৈকে— সমগ্ৰ অংশকে যদি নিয়ন্ত্ৰণ কৰিব পৰা যায়, তেতিয়াহে সমবায় আন্দোলন জয়যুক্ত হ'ব পাৰিব। এই বিষয়ত অসম সমবায় চেনি কলৰ কথা মনত পৰে। নানান বিপৰ্যয়ৰ মাজেৰে হ'লেও, এই সমবায় চেষ্টাৰে অলপ হ'লেও যে লাভ কৰিব পৰা হৈছে তাৰ কাৰণ হ'ল— কুঁহিয়াৰ খেতি কৰোঁতাৰ পৰা, সেইবোৰ আহৰণ কৰোঁতা আৰু চেনি, গুড় উৎপন্ন কৰালৈ মনোযোগ দিয়া হৈছে।

আমি আশা কৰোঁ এই দৃষ্টিভংগীৰে সকলো ৰাজ্যতে সমবায়ক অগ্ৰাধিকাৰ দিলেহে সফলতাৰ ৰেঙণি দেখা পোৱা যাব।

## অসমৰ খেতিয়কৰ নতুন সমস্যা

শিৱসাগৰ জিলাৰ অংশবিশেষত তেল আৰু প্ৰাকৃতিক গেছ আয়োগে অধিগ্ৰহণ কৰা আৰু পৰীক্ষামূলক খাদ খনাৰ পিছত উপযুক্ত ক্ষতিপূৰণ নিদিয়া মাটিৰ বিষয়ে আয়োগ আৰু জিলা কৰ্তৃপক্ষৰ মাজত মতান্তৰ ঘটাৰ বতৰা পোৱা গৈছে। ৰাষ্ট্ৰীয় সম্পদ আহৰণৰ কাৰণে ব্যক্তিগত অধিকাৰত থকা মাটি-বাৰী অধিগ্ৰহণ কৰাটো ন্যায়সংগত, সঁচা। কিন্তু তেনে অধিগ্ৰহণৰ দ্বাৰা যাতে সেই মাটিত বাস কৰা বা খেতি কৰা লোকসকলৰ ভৱিষ্যৎ অন্ধকাৰ নহয় তালৈ বিশেষ লক্ষ্য ৰখাটো চৰকাৰৰ প্ৰধান কৰ্তব্য। তেওঁলোকক বিকল্প খেতিৰ মাটি দিয়াৰ ব্যৱস্থা কৰাটো নিতান্ত উচিত। যি মাটি তেওঁলোকে এৰি দিলে, তাত গঢ় লোৱা উদ্যোগত তেওঁলোকে বা তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে জীৱিকা নিৰ্বাহৰ উপায় বিচাৰি নেপায়। অথচ উৎক্ষিপ্ত হৈ ৰাজ্যতে ভগনীয়াৰ দৰে ঘূৰি-পকি ফুৰা এইচাম লোকে টকা কিছুমান পাই সেয়া শেষ হ'লে ৰাষ্ট্ৰৰ সামূহিক বেকাৰ সমস্যাতহে বৰঙণি যোগাব। একেদৰে ৰাষ্ট্ৰীয় পথ (নেচনেল হাইৱে) নিৰ্মাণৰ ক্ষেত্ৰতো বহু থলুৱা লোকৰ মাটি অধিগ্ৰহণ কৰা হৈছে আৰু আচৰিতভাৱে বিশেষ এক শ্ৰেণীৰ ব্যৱসায়ী বা দালাল শ্ৰেণীৰ লোকে এনে ৰাষ্ট্ৰীয় পথৰ কাষে কাষে আগতীয়াকৈ কম দামত মাটি কিনি থৈছে। ফলত ৰাষ্ট্ৰীয় পথৰ ওচৰত হোৱা কাৰণে এনেয়ে বাঢ়ি যোৱা মাটিৰ দামৰ বা তেনে ঠাইত দোকান-পোহাৰ খোলাৰ সুবিধা লাভৰ পৰা থলুৱাসকল পাকে-প্ৰকাৰে বঞ্চিত হৈছে। এইবিলাক কথালৈ কাণসাৰ দিবলৈ আমাৰ ৰাইজৰ প্ৰতিনিধিসকলে পাহৰিলে নেকি? এতিয়া বোলে পৰীক্ষা কৰি তেল আদি নোপোৱা ঠাই বা 'কলনি' পাতো বুলি শিল ইটা পেলাই শেষত আঁচনি ত্যাগ কৰি এৰি যোৱা খেতিৰ মাটিৰ বাবেও গেছ আয়োগে উপযুক্ত ক্ষতিপূৰণ দিব নোখোজে। কৃষিজীৱী, থলুৱা লোকসকল এনেদৰে অসহায় অৱস্থাত পৰা কথাটো চৰকাৰে নিৰৱে সহ্য কৰি যাবনে? আমি ভাবো, আগতীয়াকৈ সুসম বিকল্প ব্যৱস্থা নকৰাকৈ— কোনো লোকৰে জীৱন নিৰ্বাহৰ আহিলাত হাত দিয়া উচিত নহয়। বৰং ৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে স্থানচ্যুত হোৱাসকলৰ ত্যাগ স্বীকাৰ কৰি চৰকাৰে এইসকল লোকৰ বাবে অধিক সা-সুবিধাৰ কথাহে ভবাটো যুক্তিসংগত।

শনিবাৰ, ১০ জুন, ১৯৬৭ চন

# প্ৰতিৰক্ষা আৰু আমি

প্ৰতিৰক্ষা মন্ত্ৰী দপ্তৰৰ ১৯৬৩-৬৭ চনৰ বাৰ্ষিক প্ৰতিবেদনত আমাৰ সামৰিক বাহিনী শক্তিশালী কৰি তুলিবৰ বাবে লোৱা বিভিন্ন ব্যৱস্থাৰ কথা উল্লেখ কৰাৰ লগতে এটা গুৰুত্বপূৰ্ণ কথালৈকো আঙুলিয়াই দিছে। প্ৰতিবেদনত কৈছে যে পাকিস্থানৰ সৈন্য-সংখ্যা, যুঁজাৰু বিমান আৰু বোমাৰু বিমানৰ সংখ্যা দুগুণ পৰিমাণে বৃদ্ধি পাইছে। ৩ খন ছাবমেৰিণ সংগ্ৰহ কৰি পাকিস্থানৰ নৌ বাহিনীৰো শক্তি বঢ়োৱা হৈছে। তদুপৰি টেংক, বিমান ধ্বংসকাৰী কামানকে ধৰি বিভিন্ন সমৰাস্ত্ৰ যোগাৰ কৰা আৰু পাকিস্থান অধিকৃত কাশ্মীৰ অঞ্চলত সামৰিক শক্তি দুগুণ পৰিমাণে বৃদ্ধি কৰাৰ কথাও ইয়াত উল্লেখ কৰা হৈছে। পাকিস্থানৰ সামৰিক শক্তি বৃদ্ধি কৰাটো অৱশ্যে নতুন কথা নহয়— যি গতিৰে এইক্ষেত্ৰত আগবাঢ়িছে সেই কথালৈহে আমি লক্ষ্য ৰখা উচিত। মাৰ্কিন যুক্তৰাজ্যৰ পৰা পোৱা আশীৰ্বাদে পাকিস্থানক এটা ডাঙৰ অৱলম্বন দিলে। সামৰিক যন্ত্ৰাংশ যোগান ধৰাৰ নামত মাৰ্কিন যুক্তৰাজ্যই যি নীতি ল'লে, তাৰ ফলত যোৱা বাৰৰ যুদ্ধত হোৱা ক্ষতিপূৰণ কৰি শক্তি দুগুণে বঢ়াবলৈ পাকিস্তানে ডাঙৰ সুবিধা পালে। আনহাতে দুমুখীয়া নীতিৰ যোগেদি চীনৰ পৰাও পাকিস্থানে যথেষ্ট সমৰ সম্ভাৰ আহৰণ কৰিছে। আমাৰ প্ৰতিৰক্ষা মন্ত্ৰীদপ্তৰৰ প্ৰতিবেদনতে উল্লেখ কৰিছে যে পাকিস্তানে চীনৰ পৰা পদাতিক বাহিনীৰ প্ৰয়োজনীয় সামৰিক আহিলা, টেংক, প্ৰায় ১২০ খন যুঁজাৰু বিমান আৰু দুই স্কোৱাড্ৰন বোমাৰু বিমান যোগাৰ কৰিলে। তদুপৰি ইৰাণে দেখুওৱা মতি গতিৰ পৰা বুজা গৈছে যে পাকিস্তানে সেইটো সূত্ৰৰ পৰাও যথেষ্ট সাহায্য আশা কৰিব পাৰে।

এই পটভূমিত আমি আমাৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত নতুন তৎপৰতা হাতত ল'ব লাগিব। প্ৰতিৰক্ষা মন্ত্ৰীদপ্তৰৰ প্ৰতিবেদনত চৰকাৰে এই উদ্দেশ্যেৰে লোৱা বিভিন্ন ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। পিচে এইখিনিতে আমি দুটামান কথালৈ আঙুলয়িাই দিছো। মিছা আদৰ্শৰ ধ্বনিয়ে যেন আমাক এইক্ষেত্ৰত বিধি-পথালি জন্মাব নোৱাৰে। প্ৰতিৰক্ষা ব্যয় বেছি হোৱা বুলি বিবেক-দংশন হোৱাৰ প্ৰয়োজন নাই। আদৰ্শগত জুবুৰিয়াই প্ৰতিৰক্ষা সম্পৰ্কীয় চাহিদাৰ গুণাগুণ বিচাৰ কৰাতকৈ বাস্তৱক সাৰথিৰূপে লোৱাটোৱেই অধিক ফলপ্ৰদ হ'ব। চীনে আণৱিক শক্তিৰূপে নিজক প্ৰতিষ্ঠিত কৰি লোৱাৰ পিচত, দীৰ্ঘ দূৰত্বৰ ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰাৰ প্ৰস্তুতি চলোৱাৰ মূৰত আৰু পাকিস্তানে সৰ্বাধিক সমৰসজ্জাৰে নিজক সজ্জিত কৰাৰ মূৰত আমি বাস্তৱকে দিক্-দৰ্শকৰূপে স্বীকৃতি দিয়াটো প্ৰয়োজনীয়। আমাৰ সৈন্য বাহিনীক সৰ্বাধুনিক সমৰ-সজ্জাৰে সজ্জিত কৰা আৰু বিমান-শক্তি বঢ়োৱাটো অতি জৰুৰী— এই বিষয়ত সময় হানি কৰিব নেলাগে। আমাৰ প্ৰতিৰক্ষা ব্যৱস্থা যিমান দূৰ পাৰি আত্মনিৰ্ভৰশীল কৰি তোলাটোও লাগতিয়াল কথা। অৱশ্যে প্ৰতিৰক্ষা দপ্তৰৰ প্ৰতিবেদনতে কৈছে যে প্ৰতিৰক্ষা বিষয়ক আহিলা-পাতি আদিৰ ক্ষেত্ৰত বিদেশৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰি দেশতে এইবোৰৰ উৎপাদন-ব্যৱস্থা হাতত লোৱাত খৰখেদা লগাব লাগিব। সেই লক্ষ্যত উপনীত হ'বৰ বাবে আমি সৰ্বাত্মক প্ৰচেষ্টা হাতত ল'ব লাগিব।

পশ্চিম এছিয়াৰ শেহতীয়া ঘটনাই আকৌ প্ৰমাণ কৰিলে যে কোনো অঞ্চলৰ শক্তিৰ ভাৰসাম্য ৰখা ক্ষেত্ৰত

বাহিৰা শক্তিৰ ভূমিকাইহে মুখ্য স্থান লাভ কৰে। কাশ্মীৰৰ সুৰুঙাইদি সোমাই পশ্চিমীয়া শক্তিয়ে এই উপমহাদেশতো পাকিস্তানক আহিলা স্বৰূপে লৈ নিজৰ মনঃপুত ধৰণে শক্তিৰ ভাৰসাম্য ৰচনা কৰিব খুজিছে। আমাৰ তৎপৰতাৰ অভাৱ ঘটিলে আমি সেইখন জালত ভৰি দিয়াহে হ'ব।

## পৰিকল্পিত আক্ৰমণ

গাজা অঞ্চলত থকা সন্মিলিত ৰাষ্ট্ৰসংঘৰ জৰুৰী বাহিনীৰ অন্তৰ্ভুক্ত ভাৰতীয় সৈন্যৰ ওপৰত ইজৰাইলে চলোৱা আক্ৰমণৰ সন্দৰ্ভত সংসদত আলোচনা হওঁতে বিৰোধী দলৰ তৰফৰ পৰা গাজা খণ্ডত থকা ভাৰতীয় সৈন্যৰ অপসাৰণৰ ক্ষেত্ৰত 'আওকণীয়া' মনোভাৱ দেখুওৱা বুলি অভিযোগ তুলিছিল। তেতিয়া প্ৰধানমন্ত্ৰীয়ে তাকে 'দায়িত্বহীন' উক্তি বুলি গৰিহণা দিলে। জনসংঘৰ এজন সদস্যই 'বিত্তীয়' কাৰণত অপসাৰণ কাৰ্যত পলম হোৱা বুলি উল্লেখ কৰি কৈছিল যে বেছি খৰচ হোৱাৰ কাৰণেই বিমানেৰে ভাৰতীয় সৈন্যক আঁতৰাই অনা ব্যৱস্থা অগ্ৰাহ্য কৰা হয়। তাৰ উত্তৰত প্ৰতিৰক্ষা মন্ত্ৰীয়ে ক'লে যে প্ৰতিৰক্ষা মন্ত্ৰীদপ্তৰ, সামৰিক সদৰ কাৰ্যালয় বা বিত্ত মন্ত্ৰীদপ্তৰে বিমানেৰে অনা প্ৰস্তাৱ অগ্ৰাহ্য কৰা নাছিল। অৱশ্যে বিমানেৰে অনা সম্পৰ্কে পৰামৰ্শ এটা উত্থাপিত হৈছিল। সংসদত দিয়া এইবোৰ সমিধানৰ পৰা কথাবোৰ পৰিষ্কাৰ হোৱা নাছিল। কিন্তু এতিয়া পি-টি-আইৰ বাতৰিৰ পৰা চৰকাৰে ঘূৰাই-পকাই কোৱা কথাৰ ভাঁজবোৰ ধৰিব পৰা গৈছে। পশ্চিম এছিয়াত যুদ্ধ লগাৰ আগতে ভাৰতীয় সৈন্য দলক বিমানেৰে আঁতৰাই আনিব লাগে বুলি ভাৰত চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছিল ; কিন্তু সন্মিলিত ৰাষ্ট্ৰসংঘৰ ছেক্ৰেটৰী জেনেৰেলৰ কাৰ্যালয়ৰ তৰফৰ পৰা সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰা হয়। সংসদত সেই কথাকে চৰকাৰৰ তৰফৰ পৰা খোলোচাভাৱে প্ৰকাশ কৰা নহ'ল।

কিয় এই প্ৰস্তাৱ অগ্ৰাহ্য কৰা হ'ল, তাৰ ব্যাখ্যাসহ বিতং বিৱৰণ এটা সংসদত দিয়াটো এতিয়া নিতান্ত প্ৰয়োজনীয়। কিয়নো জেনেৰেলৰ কাৰ্যালয়ে প্ৰস্তাৱ অগ্ৰাহ্য কৰিলেও ভাৰতীয় সৈন্য দলৰ নিৰাপত্তাৰ বাবে একো ব্যৱস্থা হাতত ল'ব নোৱাৰিলে। সন্মিলিত ৰাষ্ট্ৰসংঘৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই ভাৰতে সদায় সৈন্য যোগান ধৰি আহিছে— শান্তি বাহিনীত কাম কৰিবৰ বাবে। কিন্তু কংগোৰ অশান্তিৰ বেলিকা দেখা গৈছিল যে ভাৰতীয় সৈন্যৰ নিৰাপত্তাৰ বাবে উপযুক্ত ব্যৱস্থা হাতত লোৱা নহ'ল। এতিয়া গাজাতো একে কথাকে দেখিবলৈ পোৱা গ'ল। সন্মিলিত ৰাষ্ট্ৰসংঘৰ মূল্য-বিচাৰত ভাৰতীয় সৈন্যৰ দাম কিয় কম, সেই কথাৰ উত্তৰ আমি পাব লাগিব। নহ'লে ভৱিষ্যতে ভাৰতীয় সৈন্যক এনে দায়িত্ব ল'বৰ বাবে পঠোৱাৰ প্ৰশ্ন নুঠে। আনহাতে ভাৰত চৰকাৰে ইজৰাইলৰ পৰা উপযুক্ত ক্ষতিপূৰণ আদায় কৰিব লাগে। পি-টি-আইৰ শেহতীয়া বাতৰি মতে গাজাৰ ভাৰতীয় সৈন্যৰ ওপৰত চলা আক্ৰমণ আকস্মিক দুৰ্ঘটনা বুলি নতুন দিল্লীৰ চৰকাৰী মহলে নেভাবে হেনো। ৰাষ্ট্ৰসংঘ বাহিনীৰ শিবিৰৰ পতাকা দেখিও আঢ়ৈ ঘণ্টাজুৰি কামান চলাই ৯ জন ভাৰতীয় সৈনিক হত্যা কৰা আৰু ২০ জন আহত কৰাটো অজানিতে ঘটা ঘটনা বুলি কোৱাৰ থল নাই। ৰাষ্ট্ৰসংঘ বাহিনীত ব্ৰাজিল, ছুইডেন আৰু যুগোশ্লাভিয়াৰ সৈন্যও আছিল— তেওঁলোকৰ শিবিৰ অৱশ্যে ভাৰতীয় সৈন্যৰ লগতে নাছিল। কিন্তু সেইসকলৰ ওপৰত কোনো আক্ৰমণ চলা নাছিল। সেইদেখি এইটো পৰিকল্পিত আক্ৰমণ বুলি নিশ্চিত হ'ব পাৰি।

# বৰ্বৰ আচৰণ

শিক্ষাগুৰুৰ সেৱাৰ কাৰণে ছাত্ৰই নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰাৰ ঐতিহ্য থকা দেশখনত আজি যি ঘটিব লাগিছে আৰু সেয়ে এই দেশখন আৰু জাতিটোক কোন পথেদি নিবলৈ ধৰিছে তাৰ কথা ভাবি আতংকিত হ'ব লগা হৈছে। আজিকালি পৰীক্ষাত অকৃতকাৰ্য হোৱা ছাত্ৰই শিক্ষকৰ ওপৰত শাৰীৰিক শক্তি প্ৰয়োগ কৰি প্ৰতিশোধ লয় ; পৰীক্ষা ঘৰত অসৎ উপায় অৱলম্বন কৰা ছাত্ৰক ধৰা পেলাবলৈ গ'লে নিৰীক্ষণকাৰীয়ে সাধাৰণ অপমানৰ উপৰিও প্ৰাণৰ আশংকা কৰিব লগা হয় ; শ্ৰেণীত অসৎ আচৰণ কৰা ছাত্ৰক শাস্তি দিবলৈ যাওঁতে শিক্ষকে ভৱিষ্যৎ পৰিণামৰ কথা চিন্তা কৰিব লগাত পৰে। এইদৰেই আমাৰ দেশখনৰ ভৱিষ্যৎ নিৰ্মাণ কৰিব লগা দলটো যদি গঢ়ি উঠিছে তেন্তে জাতিটোৰ ভৱিষ্যৎ কি তাক অনুমান কৰিবলৈ টান নেলাগে।

কিন্তু এই আটাইবোৰকে চেৰ পেলাইছে হাজোৰ ঘটনাই। হাজো উচ্চ মাধ্যমিক স্কুলৰ অধ্যক্ষজনক সেই স্কুলৰে ছাত্ৰই বোলে তিৰোতাৰ সাজ পিন্ধাই আলিবাটত ঘূৰাই লৈ ফুৰালে আৰু তেওঁ পিয়াহত পানী খোজাত প্ৰস্ৰাৱহে দিলে। এই অমানুষিক অত্যাচাৰ কৰাৰ যুক্তি হ'ল (ছাত্ৰৰ দলৰ মতে) অধ্যক্ষজনে ইংৰাজী পঢ়ুওৱা সত্ত্বেও উচ্চ মাধ্যমিকৰ শেষ পৰীক্ষাত স্কুলৰ পৰীক্ষাৰ্থীৰ শতকৰা ৩৮.৭ জনেহে কৃতকাৰ্যতা লাভ কৰিলে। ইংৰাজী বিষয়টো শীৰ্ষ শ্ৰেণীত আন শিক্ষকক পঢ়ুৱাবলৈ দিব লাগে বুলি ছাত্ৰ দলে তোলা দাবী অধ্যক্ষই মানি লোৱা নাছিল। এই অপৰাধতে অধ্যক্ষক এনে পাশৱিক অত্যাচাৰ কৰা হ'ল।

এই প্ৰসংগত প্ৰথমেই মনলৈ আহে যে এখন উচ্চ মাধ্যমিক স্কুলৰ অধ্যক্ষক এদল উদণ্ড আৰু উন্মত্ত ছাত্ৰই এনে জঘন্য উৎপাত কৰোঁতে স্থানীয় লোকসকল ক'লৈ গৈছিল ? চৰকাৰী শান্তিৰক্ষক দলেই বা এই সময়ত কি কৰিছিল ? হাজোত আইনৰ শাসন চলা নাই নেকি ?

শিক্ষকসকলৰ সকলোৱেই প্ৰকৃত গুৰুৰ ভূমিকা পালন কৰি আহিছে বুলি আমি ক'ব খোজা নাই কিন্তু সেইবুলি ছাত্ৰই নিজৰ হাতত শাসনৰ দায়িত্ব লৈ শিক্ষকক এনে দুৰ্গতি কৰা বৰ্বৰতাৰ নিশ্চয় গৰিহণা দিব লাগিব।

এই সম্পৰ্কত বিভাগীয় তদন্ত চলোৱা বুলি জনা গৈছে। আমি আশা কৰোঁ এই ঘটনাৰ সংশ্ৰৱত ন্যায্য অনুসন্ধান চলাই ভৱিষ্যতে এনে কাৰ্যৰ পুনৰাবৃত্তি হ'ব নোৱাৰা ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

দেওবাৰ, ১৮ জুন, ১৯৬৭ চন

# প্ৰশাসন

ৰাজ্য বিধানসভাত সাধাৰণ প্ৰশাসন সম্পৰ্কে হোৱা বিতৰ্কৰ উত্তৰত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই বিভিন্ন অভিযোগ খণ্ডন কৰিবৰ বাবে বিতং ব্যাখ্যা দিছে আৰু এই অসম্পূৰ্ণ ভাষণ সোমবাৰে সদনত সম্পূৰ্ণ কৰা হ'ব। শ্ৰীচলিহাই কেতবোৰ অভিযোগৰ যোগ্য প্ৰত্যুত্তৰ দিছে। এটা কথা ঠিক যে চৰিত্ৰ হননৰ উদ্দেশ্য নিহিত থকাটো গৰ্হিত কথা। অভিযোগ আদি উত্থাপন কৰোতে সতৰ্ক হোৱাটো নিতান্ত প্ৰয়োজনীয়। সংসদী ধাৰাৰ সৌষ্ঠৱ তেতিয়াহে বাঢ়িব। সেইবুলি বিৰোধী দলৰ সকলো অভিযোগ সেই পৰ্যায়ৰ বুলি ধৰিলে ভুল কৰা হ'ব। লোকসভাৰ মজিয়াত উত্থাপিত কেতবোৰ অভিযোগ কিছুমানৰ বাবে বৰ অস্বস্তিকৰ আছিল— সেই কথা ঠিক। কিন্তু সেই চাঞ্চল্যকৰ

অভিযোগৰ পম ধৰি কেঁচু খান্দোতে সাপ ওলোৱাটোও সঁচা কথা। সেইবোৰ কথাই প্ৰশাসনৰ মাজত থকা ডাঙৰ দোষ কিছুমান উদঙাই দিলে আৰু তাৰ ফলতে প্ৰশাসনৰ মান উন্নত কৰাত বিশেষ সহায় পোৱা হ'ল। সেই ফালৰ পৰা বিৰোধী দলৰ অৱদান বিশেষ ফলপ্ৰদ হৈছিল। তেনে ধৰণৰ চিৰন্তন সতৰ্কতা বিৰোধী দলৰ পৰা সকলোৱে আশা কৰে।

আমাৰ ৰাজ্যৰ প্ৰশাসনৰ সম্পৰ্কতো আপত্তি দৰ্শাবলগীয়া বহুত কথা আছে। মন্ত্ৰীসভাৰ কলেবৰ সম্পৰ্কেও চিন্তা কৰিবলগীয়া বহুত প্ৰসংগ ওলাব। সন্তোষৰ কথা যে প্ৰশাসন সংস্কাৰ আয়োগৰ দৃষ্টিও এই বিষয়ৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু আয়োগৰ তৰফৰ পৰা এই বিষয়ে কেতবোৰ পৰামৰ্শও আগবঢ়োৱাৰ বাতৰি ওলাইছে। প্ৰশাসনৰ চাহিদা বুজি মন্ত্ৰীসভা গঠন কৰিব লাগে, বিভিন্ন স্বাৰ্থ ৰক্ষা কৰিব লাগে— এইটো ঠিক। তদুপৰি এইটোও মানি ল'ব লাগিব যে ৰাজনৈতিক বিচাৰ-বিবেচনা নকৰাকৈ মন্ত্ৰীসভা গঠন কৰা হয়। কিন্তু বিভিন্ন স্বাৰ্থৰ মাজত সমতা নথকাকৈ বিশেষ কেতবোৰ স্বাৰ্থৰ ওপৰত প্ৰাধান্য দিলে মন্ত্ৰীসভা টনকীয়াল নহয়। অসমত তেনে বিকাৰ নঘটাকৈ থকা নাই। সেইদেখি প্ৰয়োজনতকৈ মন্ত্ৰীৰ সংখ্যা বেছি ; তথাপিও বিষয়বাব বিতৰণৰ আহুকাল মাৰিব পৰা নহ'ল। প্ৰশাসনৰ ব্যয় সম্পৰ্কত এটা কথা আমি মানি ল'ব লাগিব যে ১৯৫০ চনৰ তুলনাত ১৯৬৭ চনত প্ৰশাসনৰ ব্যয় নিশ্চয় বেছি হ'ব। কিন্তু সকলো ক্ষেত্ৰতে আয় আৰু ব্যয়ৰ মাজত এটা সংগতি থাকিব লাগিব আৰু ব্যয় নেতিবাচক নহৈ যোগাত্মক তথা ফলদায়ক হ'ব লাগে। আমাৰ কথা হ'ল— যি পৰিমাণে ব্যয় হৈছে সেই পৰিমাণে ফল পোৱা নাই। ব্যয়ৰ ৰেখাচিত্ৰ ওপৰমুৱা হৈ গৈ আছে ; আনহাতে ফলৰ ৰেখাচিত্ৰৰ তলমুৱা গতিহে অব্যাহত আছে। বৰ্ধিত ব্যয়েই এখন ৰাজ্যৰ উন্নতিৰ মাপকাঠি নহয়। আমাৰ অৰ্থনীতিৰ ভেটি উদ্যোগ, কৃষি, বিনিয়োগ সমস্যা আদি প্ৰায় আগৰ দৰেই শোচনীয় হৈ থাকিল। এইবোৰেই আমাৰ পৰিকল্পনাৰ বিজুতি আৰু তাৰ সম্পাদন ব্যৱস্থাৰ দোষৰ কথালৈ আঙুলিয়াই দিয়ে।

প্ৰশাসনৰ মাজত মিতব্যয়িতাৰ কঠোৰ শাসন চলাটো নিতান্ত প্ৰয়োজনীয়। চৰকাৰী যান বাহনৰ কাৰণে পেট্ৰ'ল ব্যৱহাৰ কৰাত হাত ধৰাটো এটা নিচেই সামান্য প্ৰচেষ্টা বুলিহে ধৰিব লাগিব। অপব্যয়ৰ থল বহুতো আছে। দুখৰ কথা যে তেনে অপব্যয়ক কেন্দ্ৰ কৰি একোটা ন্যস্ত স্বাৰ্থয়ো গঢ় লোৱাত সেইবোৰ দূৰ কৰাটো টান কথা হৈ পৰিছে। নিষ্ঠাৰে চেষ্টা চলালে অপব্যয় ৰোধ কৰিয়েই বিপুল পৰিমাণৰ ধন ৰাহি কৰিব পৰা হ'ব। সম্প্ৰতি চৰকাৰী ধনৰ বিৰাট অংশ এটা নিয়মিতভাৱে অপব্যয় হৈ আছে। এই অবাধ অপচয়ে এটা ক্ষতিকৰ পৰিৱেশো ৰচনা কৰিছে। চৰকাৰী ধনৰ ক্ষেত্ৰত যেন একো দায়িত্বই নাই, এনে এটা মনোভাৱে পোখা মেলা দেখা গৈছে। এই ক্ষতিকৰ পৰিৱেশৰ শিপা উভালিবলৈ হ'লে অতি কঠোৰ ব্যৱস্থা এটা হাতত লোৱাটো প্ৰয়োজনীয়। প্ৰশাসনীয় ব্যয় ওপৰ-গধুৰ হোৱাটোও আন এটা অভিযোগ। ব্যয় সংকোচনৰ নামত তলতীয়া পদ কেতবোৰ তুলি দিয়াৰ বাহিৰে এই অভিযোগ খণ্ডন কৰিবলৈ বিশেষ প্ৰচেষ্টা হাতত লোৱা দেখা নেযায়। ওপৰ মহলৰ ওপৰ-গধুৰ অৱস্থা আগৰ দৰেই আছে। দৰাচলতে ক'বলৈ গ'লে সেইপিনেও আৰু গধুৰহে হৈছে।

প্ৰশাসনৰ মান উন্নত কৰিবৰ বাবে দুৰ্নীতিৰ কথাটোও বিচাৰ্য বিষয়ৰ মাজলৈ আনিব লাগিবই। সম্প্ৰতি দুৰ্নীতিয়ে ব্যাপকভাৱে শিপাইছে। উন্নত প্ৰশাসনৰ এইটো এটা ডাঙৰ অন্তৰায়। দুৰ্নীতি ধৰা পেলোৱাতকৈ দুৰ্নীতি ঢাকিবলৈহে চেষ্টা কৰা বুলি সময়ত প্ৰশাসনৰ বিৰুদ্ধে উত্থাপিত হোৱা অভিযোগে সমাজত এটা মাৰাত্মক

পৰিৱেশৰ সৃষ্টি কৰে। সেই ধাৰণা যিমান সোনকালে দূৰ হয়, সিমানে মংগল। প্ৰশাসন নিকা কৰিবৰ বাবে চৰকাৰে এতিয়াতকৈ বহুত বেছি দৃঢ়তা দেখুৱাব পাৰিলেহে সুস্থ ধাৰণা এটা ৰাইজৰ মনলৈ আহিব পাৰে।

মঙ্গলবাৰ, ২০ জুন, ১৯৬৭ চন

## উদ্যোগ পাম আৰু থলুৱা স্বাৰ্থ

গুৱাহাটীৰ উদ্যোগ পামত আৰম্ভণিৰে পৰা দুৰ্নীতিয়ে শিপাবলৈ লোৱা কথাটো নুই কৰাৰ থল নাই। দুৰ্নীতিৰ অংগ হিচাপেই থলুৱা লোকৰ ন্যায্য অধিকাৰ উপেক্ষিত হোৱা আৰু আন ঠাইৰ লোকে সেই সুযোগ লোৱা কথাটো দেখদেখকৈ ওলাই পৰিছে। সৰ্বোচ্চ মূলধন পাঁচ লাখ টকা বান্ধি দিয়া সময়তো নানা ছল-চাতুৰিৰে ৰাজ্যৰ বাহিৰত ব্যৱসায় থকা অধিক মূলধনৰ কেইবাটাও প্ৰতিষ্ঠানেও পামৰ কোঠালি পাইছে ; আনকি বৰ্তমানে ৭.৫০ লাখ টকালৈ সৰ্বোচ্চ মূলধনৰ নিৰিখ বঢ়াই দিয়াৰ পৰতো এনেকুৱা একাধিক প্ৰতিষ্ঠানে তাত সুবিধা ভোগ কৰি আছে যিবিলাকৰ মূলধন দহ লাখতকৈ অধিক। আনহাতে থলুৱা ১০-১২টা উদ্যোগী অথচ কম মূলধনৰ থলুৱা প্ৰতিষ্ঠান ৪-৫ বছৰ ধৰি এটি কোঠালিৰ বাবে দৰ্খাস্ত কৰি আশা পালি বহি আছে। অথচ দুই-এক প্ৰতিষ্ঠানে একাধিক কোঠালিও পাইছে। নিজে অংশ বিশেষ বান্ধি লৈ চৰকাৰী সম্পত্তিৰ ওপৰত নিজস্ব স্বত্ব সাব্যস্ত কৰাৰ লগতে পৰিকল্পিত উদ্যোগ পামৰ বহুতো ঠাইজুৰি দুই-এক বৃহৎ প্ৰতিষ্ঠানে নিগাজিকৈ বহিছে। পামত থকা ৫৮টা কোঠালিৰ ভিতৰত ২৮টাৰ কিছুমান গুদাম ঘৰ কৰাত আৰু বাকীবোৰৰ কিছুমান প্ৰতিষ্ঠানে তলা বন্ধ কৰি থোৱাত এহাতে পামৰ উদ্দেশ্য ব্যাহত হৈছে আৰু আনহাতে থলুৱা উদ্যোগীসকল ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। কিছুমান প্ৰতিষ্ঠানে এনে উদ্যোগৰ কোঠালিত অলপ কাম দেখুৱাই, বেছি ভাগ কেঁচা মাল বাহিৰে বাহিৰে ৰাজ্যৰ বাহিৰত হস্তান্তৰ কৰাৰ কথাও শুনা যায়। ৰাজ্যিক চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আমি দাবী জনাওঁ যে উদ্যোগ পামৰ ভিতৰত চলি অহা আঁসোৱাহবোৰ চালি জাৰি চাবলৈ এটি তদন্ত আয়োগ নিয়োগ কৰক ঃ অযথা বন্ধ কৰি থোৱা কোঠালিবোৰ থলুৱা প্ৰাৰ্থীসকলৰ বাবে মুকলি কৰি দিয়ক ; আৰু অন্যায়ভাৱে ৰাইজ আৰু চৰকাৰক আঁভুৱা ভাৰি ন্যস্ত স্বাৰ্থ পূৰণৰ বাবে যিসকল দুৰ্নীতিপৰায়ণ ব্যৱসায়ী বা চাকৰিয়ালে চেষ্টা চলাই আছে— তেওঁলোকক উপযুক্ত শাস্তি দিয়ক। তাকে কৰিব নোৱাৰিলে, এনে ধৰণৰ উদ্যোগ পামৰ মূল উদ্দেশ্যই বিফল হ'ব।

শনিবাৰ, ২৪ জুন, ১৯৬৭ চন

## ভুলৰ সমাহাৰ

ৰাজ্যৰ বিধানসভাৰ মজিয়াত থিয় দি সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সদস্য শ্ৰীউইলিয়ামছন চাংমাই দণ্ডালিৰ সুৰত ভাবুকি দিছে যে অহা ১৩ জুলাইৰ ভিতৰত শান্তিপূৰ্ণভাৱে খাচী-জয়ন্তীয়া পাৰ্বত্য জিলা আৰু গাৰো পাহাৰ জিলা সুকীয়া ৰাজ্যৰূপে পৃথক হোৱাত সন্মতি নজনালে সেই দুখন জিলাত মিজো জিলাৰ ঘটনাৰে পুনৰাবৃত্তি হ'ব। সমগ্ৰ পাৰ্বত্য অঞ্চলৰ মুখপাত্ৰৰূপে স্বয়ম্ভু নেতা বোলোৱা একেজন নেতাই গোটেই

পাৰ্বত্য অঞ্চল সামৰি এখন সুকীয়া পাৰ্বত্য ৰাজ্য বিচাৰি তালফাল লগোৱাৰ মূৰত এতিয়া দুখন জিলাতে সন্তুষ্ট থাকিবলৈ পুতৌ লগা ধৰণে বইট পেলাই দিয়াৰ মূৰতো এনে দম্ভালিৰ স্পৰ্ধা ৰাখিছে! এই স্পৰ্ধা হ'ল কেনেকৈ? কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দুৰ্বলতাই তাৰ উৎস। নগালেণ্ড, মিজো জিলাকে ধৰি সকলো জনজাতীয় সমস্যাৰ ক্ষেত্ৰতে চৰকাৰে যি দুৰ্বল নীতি অনুসৰণ কৰিছে তাৰ ফলতে 'পেণ্ডোৰাৰ বাকচ'ৰ দৰে সহস্ৰ কাল সাপ ওলাব লাগিছে। আমি নিশ্চিত যে পূব ভাৰতৰ সকলো জনজাতীয় সমস্যাৰ বাবে দায়ী— কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ। ষষ্ঠ অনুসূচী, ইনাৰ লাইন, নগালেণ্ড গঠন, বিদ্ৰোহী নগাৰ প্ৰতি আচৰণ, বিদ্ৰোহী মিজোৰ প্ৰতি আচৰণ— এই সকলোবোৰ কথাৰ পাৰস্পৰিক সংযোগৰ পৰিণতিস্বৰূপে এতিয়াৰ অৱস্থাই দেখা দিছে আৰু তাৰেই সুযোগ লৈ শ্ৰীচাংমাই নিৰ্ভয় মনেৰে এনে আস্ফালন কৰিব পাৰিছে।

ইতিমধ্যে এটা বেচৰকাৰী প্ৰস্তাৱৰ আলোচনা প্ৰসংগত ৰাজ্য বিধানসভাত যিবোৰ চাঞ্চল্যকৰ কথা প্ৰকাশ পাইছে, তাৰ পৰাই বুজা গৈছে যে চৰকাৰৰ কাৰ্যব্যৱস্থা ; পদে পদে ব্যৰ্থ হৈছে আৰু তাকে ঢাকি ৰাখিবৰ বাবেই ছালে-বেৰে কোবোৱাৰ দিহা কৰা হৈছে। মিজো জিলাৰ বিদ্ৰোহৰ বেলিকা চৰকাৰে আগতীয়া সন্ধানেই নেপালে। অথচ বিদ্ৰোহী দলৰ গতি-বিধি সম্পৰ্কে লক্ষ্য ৰাখিবলৈ এতিয়াৰ ব্যৱস্থা পূৰঠ হৈ উঠিছে বুলি কোৱাৰো ভাৰসা নাই। বিদ্ৰোহী নেতা শ্ৰীলালদেংগা শ্বিলং পাইছেহি বুলি অভিযোগ উঠিবলৈ পাইছে কেনেকৈ? বিদ্ৰোহীৰ সপক্ষে চোৰাংচোৱাৰ বৃত্তি অৱলম্বন কৰা লোকৰ বিষয়েও নানান অভিযোগ উঠিছে। কিন্তু চৰকাৰৰ সতৰ্কতাৰ চিন নাই। শিলচৰৰ বাতৰি মতে বিদ্ৰোহী নেতাক মুকলি কৰিহে দিয়া হৈছে। এনে মৃদু নীতিয়ে গুণ দিব বুলিয়েই হয়তো চৰকাৰে ভাবি আছে। পাৰ্বত্য নেতা সন্মিলনৰ সদস্য ৰেভাৰেণ্ড নিকলছ ৰয়ে সদনত কৈছে যে বিদ্ৰোহী দলৰ লগত ঘনিষ্ঠ সহযোগ থকা লোকো চৰকাৰী চাকৰি কৰি আছিল আৰু তেনে লোকেই গৈ মূৰকত বিদ্ৰোহী দলৰ "ভাইচ প্ৰেছিডেণ্ট" হয়গৈ। চৰকাৰেনো কাৰ পৰামৰ্শ মতে মিজো পাহাৰৰ ক্ষেত্ৰত নীতি ৰচনা কৰিছে? আচৰিত কথা যে মিজো পাহাৰৰ সমস্যা সম্পৰ্কে আলোচনা হ'লেই সংসদ আৰু ৰাজ্য বিধানসভাৰ মজিয়াত আকাশবাণীৰ এজন বিষয়াৰ ভূমিকাৰ প্ৰশ্নটো অৱতাৰণা কৰা হয়। এইবাৰ ৰাজ্য বিধানসভাত নিৰ্দলীয় সদস্য শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্যই কৈছে যে বিদ্ৰোহী মিজোৰ লগত ঘনিষ্ঠ যোগাযোগ থকা আকাশবাণীৰ এজন বিষয়াই মুখ্যমন্ত্ৰীৰ ওপৰত প্ৰবল প্ৰভাৱ বিস্তাৰ কৰিছে। এনে তাৎপৰ্যপূৰ্ণ অভিযোগৰ সম্পৰ্কক খোলোচা উক্তি কাৰ পৰা পোৱা যাব?

ভুল নীতি আৰু তোষণ নীতিয়ে সুফল দিব নোৱাৰে। মিজো বুলি চৰকাৰে যিমানেই নকওক— আইজলৰ বুকুতে ঘটি থকা ঘটনাই তাৰ অসাৰতা নিৰ্ভুলভাৱে প্ৰতিপন্ন কৰিছে। তোষণ নীতিৰ ফলতে নিৰাপত্তাৰক্ষী বাহিনীও বাধাগ্ৰস্ত হৈছে বুলি সন্দেহ কৰাৰ থল আছে। মিজো ৰাইজক স্থানান্তৰিত কৰি নতুন ঠাইত সংস্থাপিত কৰা আঁচনি ফলপ্ৰদ হোৱা বুলি চৰকাৰে জয়ঢোল বজাইছে। আনকি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৱনেও সংসদত কৈছে যে মিজো ৰাইজক নতুনকৈ সংস্থাপিত কৰাত তেওঁলোকৰ নিৰাপত্তা সুদৃঢ় হৈ পৰাৰ ফলতে বিদ্ৰোহী দল এতিয়া উন্মত্ত হৈ পৰিছে! এনে আত্মতুষ্টিৰ মূল্য আছে জানো? ইতিমধ্যে সংসদত অসমৰে জনজাতীয় সদস্যাই স্পষ্ট ভাষাৰে কৈছে যে মিজো ৰাইজক নতুন ঠাইত একত্ৰিত কৰাৰ ফলত প্ৰায় সমগ্ৰ মিজো জিলা এতিয়া বিদ্ৰোহী দলৰ এদলীয়া দখলৰ অধীনলৈ গৈছে। ৰাজ্য বিধানসভাতো অভিযোগ উঠিছে যে শতকৰা ৯০ ভাগ

অঞ্চল এতিয়া বিদ্ৰোহীৰ হাতত আছে। আনহাতে নতুনকৈ সংস্থাপিত কৰা ৰাইজৰ মাজত বোলে অথৰ্বসকলহে আছে— কৰ্মঠ ডেকাসকল তাত নাই! প্ৰকৃত অৱস্থাৰ ইংগিত এইবোৰ কথাই দিব পৰা নাই জানো? অৱশ্যে চৰকাৰে ভৈয়ামৰ বেচৰকাৰী লোকৰ কাৰণে এইবোৰ অৱস্থাৰ বুজ লোৱাৰ দুৱাৰ বন্ধ কৰি ৰাখিছে। কিন্তু আনৰ বেলিকা সেই চিন্তা নাই! সাত সাগৰ তেৰ নৈৰ সিপাৰৰ পৰা আজি মিজো জিলাত অধ্যাপনাৰ দায়িত্ব লোৱা লোকে শান্তিৰ দূতৰ ভূমিকা ল'লে চৰকাৰ পুলকিত হৈ উঠে! ধৰ্মৰ ধ্বজাবাহী লোকে ধৰ্মৰ লগত বিদ্ৰোহীৰ ৰাজনীতি সানি-পুটকি পেলালে সেয়ে উপাদেয় খিচিৰিৰূপে গ্ৰহণীয় হৈ উঠে! আমাৰ ধৰ্মনিৰপেক্ষতাৰ ইমানেই ঠেৰু নোহোৱা অৱস্থা!

এনেবোৰ নিস্ফল নীতিৰ পোহাৰ মেলি চৰকাৰে মিজো জিলা তথা পাৰ্বত্য অঞ্চলৰ সমস্যা সমাধান কৰিব নোৱাৰে। সেই ভুলৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়েই ল'ব লাগিব। ৰাজ্য চৰকাৰৰ পদস্খলন হোৱাটো স্বীকাৰ কৰিবই লাগিব। সেইবুলি কেন্দ্ৰীয় চৰকাৰেও তাৰ ভাৰ নোলোৱাকৈ থাকিব নোৱাৰে। দেশ বিভাজনৰ অনুকূলে সিদ্ধান্ত লৈ তাৰ পৰিণতিৰ দায়িত্ব লোৱাত তৎপৰতাৰ অভাৱ কেন্দ্ৰই বাৰুকৈয়ে দেখুৱালে। পাকিস্তান প্ৰতিষ্ঠা হোৱাত বজাৰ হেৰুওৱা পাৰ্বত্য অঞ্চলৰ কথা কেন্দ্ৰই চিন্তা নকৰাৰ ফলত দুৰ্যোগৰ সৃষ্টি হ'ল। ব্ৰিটিছৰ দিনতে অতিশয় পিচপৰি থকা এই অঞ্চলসমূহৰ বাবে ধন মঞ্জুৰ কৰাত কটকিনা কৰি এতিয়া ৰাজ্য চৰকাৰৰ গালৈ সকলো ঠেলি পঠাবলৈ চেষ্টা কৰাটোও ভুল। তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ নীতিয়েই জনজাতীয় লোকৰ মনলৈ সংহতিৰ ভাব অহাত আটাইতকৈ ডাঙৰ বাধাৰূপে কাম কৰি আহিছে।

শনিবাৰ, ১ জুলাই, ১৯৬৭ চন

## বন মহোৎসৱ

আজিৰ পৰা অষ্টদশ বন মহোৎসৱ সপ্তাহ মুকলি কৰা হৈছে। দেশত গছ ৰোৱা বাবে সুদীৰ্ঘ কালজুৰি চলোৱা এই অভিযানে আমাৰ ৰাষ্ট্ৰীয় জীৱনত কিমান গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে, সেই কথা কিন্তু আজিও চৰকাৰ আৰু দেশবাসীয়ে সম্যকভাৱে উপলব্ধি কৰিব নোৱাৰাটো অতিশয় দুখৰ কথা। গতানুগতিকভাৱে লোকদৰ্শক স্বৰূপে এটা অভিযান চলি আছে। এই অভিযানৰ লগত এহাতে ৰাইজৰ অকৃত্ৰিম সম্বন্ধ গঢ়ি উঠা নাই— সৰ্বসাধাৰণ আজিও ইয়াৰ পৰা নিলগীয়া হৈ আছে। আনহাতে চৰকাৰো নিষ্ঠাবিহীনভাৱে অপৰিকল্পিত পথেৰে আগবাঢ়িছে। বন মহোৎসৱৰ সমুদায় অগ্ৰগতি চৰকাৰী প্ৰতিবেদনৰ পাততে সীমাৱদ্ধ হৈ আছে। এই শোচনীয় পৰিণতিৰ ফলত আমি এখোজ এখোজকৈ চৰম দুৰ্যোগৰ পিনে আগবাঢ়ি গৈছো। বিজ্ঞানসন্মত জোখ মতে দেশৰ মুঠ কালিৰ এক তৃতীয়াংশ হাবি হ'ব লাগে। কিন্তু আমাৰ দেশৰ হাবিৰ পৰিমাণ শতকৰা ২২ ভাগ মাত্ৰ। দেশবাসীৰ ভাগত জনমূৰি মাত্ৰ আধা একৰকৈ হাবি ভগাব পাৰি। এনে অৱস্থাত আমাৰ ভৱিষ্যতৰ বংশধৰসকলৰ কি গতি হ'ব? ইতিমধ্যে হাবি ভাঙি নগৰৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। কল-কাৰখানা পতা হৈছে, হাবি ভাঙি মানুহ বহুওৱা হৈছে, হাবিত বেদখল চলিছে, বনজ সম্পদ আহৰণ কৰাৰ নামত হাবি-বন নিঃশেষ কৰা হৈছে। কিন্তু ইয়াৰ পিচত কি হ'ব? হাবিৰ অভাৱৰ কাৰণে ইতিমধ্যে নানান সমস্যাই দেখা দিছেই। কিন্তু হাবি পতাৰ বাবে আমি আন্তৰিক কোনো প্ৰচেষ্টা হাতত লোৱা নাই।

অসমৰ সমস্যাও সেয়ে। ওপৰ চকুৰা মানুহে অসমৰ হাবি সম্পৰ্কে যিমানেই অতিৰঞ্জনৰ অত্যাচাৰ নচলাওক— ক্ৰমে নিঃশেষ হ'বলৈ ধৰা হাবিয়ে ৰাজ্যত যথেষ্ট উদ্বেগৰ সৃষ্টি কৰিছে। সম্প্ৰসাৰণৰ বাবে কল-কাৰখানা পতাৰ দৰে বান আৰু খহনীয়া পীড়ত লোকক মাটি দিয়াৰ বাবে, মাটিহীন লোকক সংস্থাপিত কৰাৰ বাবে অনুক্ৰমে হাবি ভাঙি গৈ থকা হৈছে। সৰ্বভাৰতীয় বিজ্ঞানসন্মত জোখতকৈ অসমৰ হাবিৰ পৰিমাণ কম। মুঠ কালিৰ শতকৰা ১৩.৩৪ ভাগ মাত্ৰ সংৰক্ষিত হাবি আছে। ১৯৫১ চনৰ পৰা এতিয়ালৈকে প্ৰায় ৮০ হেজাৰ বিঘা সংৰক্ষিত হাবি মুকলি কৰি দিয়া হ'ল। খেতি কৰিব পৰা চৰকাৰী পতিত মাটিৰ হাবি ভাঙি ১৯৬৬ চনলৈকে তাৰে ১০ লাখ ৩১ হেজাৰ ৫৯৬ বিঘা মাটিৰ পট্টন দিয়া হ'ল। এতিয়া দিব পৰা অৱস্থাত ৩ লাখ বিঘামানহে আছে। গাঁৱৰ চৰণীয়া সংৰক্ষিত হাবিৰ ভিতৰত ১৯৬৬ চনলৈকে ১ লাখ ৩২ হেজাৰ ৬৩১ বিঘা মুকলি কৰি দিয়া হ'ল। এতিয়া পট্টন দিব পৰা অৱস্থাত আছে ৮ লাখ ৫৭ হেজাৰ বিঘা। অথচ চৰকাৰে যুগুত কৰা তথ্য মতে একোজনী ম'হৰ কাৰণে ১০ বিঘা আৰু একোজনী গৰুৰ কাৰণে ৫ বিঘা চৰণীয়া হাবি লাগে। সেই হিচাপ মতে ২ কোটি ৮৬ লাখ বিঘাৰো অধিক গাৱঁলীয়া চৰণীয়া সংৰক্ষিত হাবিৰ প্ৰয়োজন। চৰকাৰে প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভৰো ৩ লাখ ৫৭ হেজাৰ বিঘা ১৯৬৬ চনলৈ মুকলি কৰি দিলে। এতিয়া হাতত আছে ৫ লাখ ২৯ হেজাৰ ৬৯২ বিঘা। অথচ গৰু-ম'হৰ হিচাপ মতে প্ৰায় ৬ লাখ ১৯ হেজাৰ বিঘা প্ৰফেচনেল গ্ৰেজিং ৰিজৰ্ভ লাগে বুলি ৰাজহ মন্ত্ৰীয়ে ৰাজ্য বিধানসভাতে স্বীকাৰ কৰিছে।

এতেকে দেখা গ'ল— গৰু-ম'হৰ বাবে হাবি নাই ; খেতি আৰু বতৰৰ স্বাৰ্থৰ বাবে জোখাৰে হাবি নাই ; ভৱিষ্যতৰ সংস্থাপন আৰু সম্প্ৰসাৰণৰ বাবে হাবি নাই, বন সম্পদৰ সমৃদ্ধিৰ জোখাৰেও হাবি নাই। অথচ হাবি ভাঙিয়েই থকা হৈছে। এইখন পটভূমিৰ পৰা চালে বন মহোৎসৱক ভেকোভাওনা যেনহে লাগে। বছৰৰ মূৰত লোকদৰ্শক হিচাপে সপ্তাহ পালন কৰি প্ৰচাৰৰ খলকনি তুলি আমি একো কৰিব নোৱাৰে। গোটেই বছৰজুৰি ভিন ভিন গছ ৰোৱাৰ বাবে অসমত থল আছে। তাৰ বাবে নিৰৱ আৰু পৰিকল্পিত আঁচনিৰ প্ৰয়োজন। বিভিন্ন চাহিদা পূৰণ কৰিব পৰাকৈ বিভিন্ন ধৰণৰ গছ ৰুব লাগে। অফিচৰ চৌহদত আনুষ্ঠানিকভাৱে গছ ৰোৱাতকৈ য'ত গছ ৰুলে পৰিকল্পিত প্ৰচেষ্টা এটা ৰূপায়িত কৰিব পাৰি তাতহে ৰুব লাগে। তাহানি বন বিভাগে হৈ-চৈ নকৰাকৈ বহুতো ডাঙৰ ডাঙৰ হাবি পাতিলে। এতিয়া কিন্তু হৈ-চৈ যিমান বাঢ়িল, গছ-গছনি সিমান নেবাঢ়িল। বন বিভাগক চৰকাৰে কৰ্মঠ কৰক— হাবি বঢ়োৱা আৰু হাবিৰ সংৰক্ষণৰ ক্ষেত্ৰত অৰিহণা যোগোৱা বন বিভাগীয় লোকক কাৰ্যকৰীভাৱে স্বীকৃতি দিয়ক। আনহাতে ৰাইজৰ ওপৰত গছ ৰোৱা আৰু সংৰক্ষণৰ দায়িত্ব ন্যস্ত কৰি উদ্দেশ্যমূলক আৰু পৰিকল্পিত আঁচনি যুগুত কৰিব লাগে। অৱশ্যে এতিয়াও প্ৰতিযোগিতামূলক আঁচনি এখন আছে— কিন্তু সেই বৃক্ষৰোপণ আঁচনি উদ্দেশ্যমূলক নোহোৱা বাবেই এতিয়াও নিশকতীয়া হৈ থাকিল। এই দুৰৱস্থা দূৰ কৰিবলৈ নতুন প্ৰচেষ্টাৰ প্ৰয়োজন। এইক্ষেত্ৰত চৰকাৰৰ দায়িত্ব যিমান, সচেতন জনমতৰ দায়িত্বও সিমানেই।

## চৰিত্ৰ হনন

ৰাজ্যিক কৃষিমন্ত্ৰী শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীৰ বিৰুদ্ধে বিৰোধী দলৰ সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই তোলা চাঞ্চল্যকৰ অভিযোগৰ সত্যতা নাই বুলি ৰাজ্য বিধানসভাৰ অধ্যক্ষ শ্ৰীহৰেশ্বৰ গোস্বামীয়ে ৰায় দিয়ে। পিচত

এই সংক্ৰান্তত উঠা বিশেষাধিকাৰৰ প্ৰশ্ন সম্পৰ্কীয় প্ৰস্তাৱটো উত্থাপন কৰিবলৈকো অধ্যক্ষই অনুমতি দিয়ে। শ্ৰীদুলাল চন্দ্ৰ বৰুৱাক এতিয়া বৰ্তমান অধিৱেশনৰ বাকী কেইদিনৰ বাবে সদনে বহিষ্কাৰ কৰিছে। এই কঠোৰ ব্যৱস্থা লোৱাৰ বাবে আচৰিত হ'বলগীয়া একো নাই— মূল প্ৰস্তাৱ মতে এবছৰলৈ বহিষ্কাৰ কৰাৰ কথা আছিল। যিহওক সদনৰ এই ব্যৱস্থাই সকলোকে দায়িত্ব-সচেতন কৰি তুলিব বুলি আমি আশা কৰিছো।

চৰিত্ৰ হননৰ এনেদৰে প্ৰচেষ্টা চলা অসমত এয়ে প্ৰথম। এজন মন্ত্ৰীৰ বিৰুদ্ধে নিশ্চিত নোহোৱাকৈ এনে মাৰাত্মক অভিযোগ তোলাটো সঁচাকৈ বৰ পৰিতাপৰ কথা। 'প্ৰমাণ' স্বৰূপে দাঙি ধৰা টেপ ৰেকৰ্ডৰ কথাখিনি আৰু ৰহস্যজনক। বিধানসভাৰ অধ্যক্ষই সদনত এই ৰেকৰ্ডিঙৰ বিষয়ে কৰা মন্তব্যই বিৰোধী সদস্যজনৰ প্ৰতিচ্ছবি আৰু ম্লান কৰিলে। এনে তৎপৰতা চলোৱাটো নিৰাশজনক কথা। এনেবোৰ কাৰ্যকলাপ আৰম্ভ হ'লে— তাৰ শেষ নহ'ব। ইয়াৰ ফলত আমাৰ গণতান্ত্ৰিক ধাৰাৰে আটাইতকৈ বেছি ক্ষতি হ'ব। ৰাইজৰ প্ৰতিনিধি হিচাপে সদনত থিয় দিয়া সদস্যই তেনে ভূমিকা লোৱাটো গৰ্হিত কথা। ইয়াৰ পৰিসমাপ্তি ঘটোৱাটোকে আমি বিচাৰো। তাৰ বাবে যিমান কঠোৰতা অৱলম্বন কৰাটো প্ৰয়োজনীয়, সিমান কঠোৰতা ল'ব লাগে। এনে কাৰ্যকলাপে কোনো প্ৰশ্ৰয় পোৱা অনুচিত।

এইখিনিতে অৱশ্যে আৰু এটা কথালৈ সকলোৰে মন কৰা উচিত। ভাৰতৰ ৰাজনীতিত চৰিত্ৰ হননৰ এই ঢৌ উঠিছে কিয়? ইয়াক সম্প্ৰতি অস্ত্ৰ হিচাপে লোৱাৰ এটা বিশেষ কাৰণ আছে। দুৰ্নীতিয়ে দেশৰ বা-বতাহ বিষাক্ত কৰি তুলিছে। যিটো মহল সকলো সন্দেহৰ উৰ্দ্ধত থকা উচিত আছিল, সেইটো মহলেই সন্দেহৰ পাত্ৰ হৈ উঠিছে। উচ্চ মহলত থকা লোক দুৰ্নীতিৰ লগত জড়িত হৈ পৰিছে ; দুৰ্নীতিত লিপ্ত থকা লোকক আঁৰত ৰখাৰ প্ৰচেষ্টাও চলিছে। তদুপৰি দুৰ্নীতিৰ অভিযোগৰ পৰা গা-এৰা দিয়া চেষ্টাও সময়ত চলা দেখা যায়। এইবোৰ কথাই এটা বিষাক্ত পৰিৱেশ ৰচনা কৰিছে। সেই পৰিৱেশৰ মাজতহে চৰিত্ৰ হননৰ উদ্যমেও গা কৰি উঠিছে। এনে উদ্যমৰ পথ ৰোধ কৰিবলৈ হ'লে সেই বিষাক্ত পৰিৱেশৰ উচ্ছেদ সধাটো প্ৰধান কাম হ'ব।

<u>দেওবাৰ, ২ জুলাই, ১৯৬৭ চন</u>

# এটা মাধ্যমৰ অপচয়

বাতৰি কাকতে 'অবাঞ্ছনীয়' প্ৰচাৰ চলাই মানুহৰ মন কলুষিত কৰে বুলি সংবিধান প্ৰদত্ত মৌলিক অধিকাৰত হাত দি কেন্দ্ৰীয় চৰকাৰে তাহানিয়েই বিশেষ আইন যুগুত কৰিলে। অথচ ভাৰতৰ চিনেমা-উদ্যোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ নিৰ্লিপ্তভাৱে আছে। বাতৰি কাকতৰ মাজত যি বিভীষিকা চৰকাৰে দেখা পালে, সেই বিভীষিকা দৰাচলতে নাই। কিন্তু প্ৰকৃততে যিটো মাধ্যমে অবাটে গৈ আজি দেশত এটা জটিল সমস্যাৰ সৃষ্টি কৰিছে, সমাজ জীৱনৰ মাজলৈ বিপৰ্যয় আনিছে— সেইটো মাধ্যমৰ প্ৰতি চৰকাৰে কাণ কৰা নাই। কথাছবিয়ে আন দেশত যিদৰে ৰাষ্ট্ৰীয় জীৱন প্ৰতিফলিত কৰিছে। যিদৰে ৰাষ্ট্ৰক উদ্বুদ্ধ কৰি তুলিছে— তাৰ চিন আমাৰ কথাছবিৰ মাজত নাই। দুই এখন ছবি হয়তো তাৰ ব্যতিক্ৰম হৈছে, কিন্তু ছবিঘৰত সৰ্বাধিক সমাদৰ লাভ কৰা বাকী সকলোবোৰ কথাছবিয়ে মানুহৰ ৰুচি তললৈ নিছে। আমাৰ সমাজত দেখা দিয়া বিভিন্ন সমস্যাৰ উৎস বিচাৰিবলৈ গ'লে কথাছবিৰ মাজতে পোৱা যাব।

যোৱা ২৬ জুনৰ দিনা লোকসভাত ব্যয় নিৰ্ধাৰক কমিটীৰ যিখন প্ৰতিবেদন দাখিল কৰা হয়, সেই প্ৰতিবেদনতো আংশিকভাৱে এই সমস্যাৰ কথা আলোচনা কৰিছে। এই প্ৰতিবেদনত কোৱা হয় যে কথাছবিৰ উৎপাদন আৰু চেন্সৰৰ ক্ষেত্ৰত এটা ৰাষ্ট্ৰীয় নীতি থাকিব লাগে। আমি অৱশ্যে এই কথাও মানি লওঁ যে সম্পূৰ্ণ চৰকাৰী ছত্ৰছায়াতে কথাছবি শিল্প বৰ্তি থাকিব নেলাগে। বাধাহীন সৃজনীমূলক কলাৰ বিকাশ ঘটিব লাগিবই। কিন্তু এতিয়া কথাছবি উদ্যোগক ধনৰ আকৰৰূপে মাত্ৰ গঢ়ি তোলা হৈছে। কোনো যোগাত্মক নীতি ইয়াত নাই। ধন ঘটাৰ কলা-কৌশল সৰ্বাত্মক ৰূপত ইয়াত নিয়োজিত হৈছে। ব্যয় নিৰ্ধাৰক কমিটীয়ে প্ৰতিবেদনত কৈছে যে ‘চেন্সৰ’ সম্পৰ্কে উঠা আপত্তিৰ বিচাৰ হ’ব লাগে। প্ৰতিবেদনত অৱশ্যে কৈছে যে নিৰ্দোষ দৃশ্যও নৈতিকতাবিহীন বুলি বাদ দিয়াৰ কথা তুলি কথাছবি উদ্যোগৰ তৰফৰ পৰা আপত্তি দৰ্শোৱা হৈছে। পিচে আমাৰ আপত্তি সেইটো হয়— অবাঞ্ছনীয় বহুতো দৃশ্য নিৰ্দোষ বুলি অনুমোদিত হোৱাটোহে। লগতে ব্যয় নিৰ্ধাৰক কমিটীৰ প্ৰতিবেদনৰ সৈতে একে সুৰতে আমিও ক’ব লাগিব যে দুই-এটা দৃশ্য বাদ দিয়াটোৱেই একমাত্ৰ দায়িত্ব নহয়। ছবিখনৰ সৰ্বাত্মক প্ৰতিক্ৰিয়া কি হ’ব— তাৰ বিচাৰ লোৱাটোও প্ৰয়োজনীয়। কেতবোৰ হিন্দী ছবিয়ে সামাজিক আৰু ৰাষ্ট্ৰীয় উদ্দেশ্য পূৰণ কৰা নাই বুলি আৰু হিন্দী ছবিৰ প্ৰতি চৰকাৰে বিশেষকৈ লক্ষ্য কৰিব লাগে বুলি কমিটীয়ে সকীয়াই দিছে। চৰকাৰে অৱশ্যে সেইবোৰ কথালৈ সমূলি কাণ দিয়া নাই আৰু সেইকাৰণেই অতি শক্তিশালী মাধ্যম এটাৰ এতিয়া সম্পূৰ্ণ অপচয় ঘটিছে। চৰকাৰৰ এনে অমনোযোগিতা চেঞ্চৰ ব’ৰ্ডৰ ক্ষেত্ৰতো প্ৰতিফলিত হৈছে। কমিটীৰ প্ৰতিবেদনত এই ব’ৰ্ডৰ সদৰ কাৰ্যালয় বোম্বাই, মাদ্ৰাজ বা কলকাতাত থাকিব নেলাগে বুলি কোৱা কথাষাৰ বিশেষ তাৎপৰ্যপূৰ্ণ আৰু সম্প্ৰতি ব’ৰ্ডৰ ওপৰত কাৰ প্ৰভাৱ পৰিছে তাৰো ইংগিত আমি এই পৰামৰ্শৰ মাজতে পাইছো। ব’ৰ্ডে ভাৰতীয় আৰু বিদেশী কথাছবিৰ মূল্য বিচাৰ পৃথক পৃথক দৃষ্টিকোণৰ পৰা কৰা বুলি উঠা অভিযোগ সম্পৰ্কেও প্ৰতিবেদনত আলোচনা কৰা হৈছে। পিচে ব’ৰ্ডৰ দৃষ্টিকোণ যে দৃষ্টিকটু হৈ পৰিছে তাৰ প্ৰমাণ পাবলৈ বাকী নাই। ব’ৰ্ডৰ অনুমোদন মতে ভাৰতৰ বিভিন্ন ঠাইত বহুত দিন ধৰি প্ৰদৰ্শিত হোৱাৰ মূৰত কেতবোৰ বিদেশী ছবি চৰকাৰে ভাৰতত দেখুওৱাটো নিষেধ কৰি দিলে! ব’ৰ্ডৰ বিচাৰধাৰাৰ নমুনা এয়ে।

চৰকাৰে ব্যয় নিৰ্ধাৰক কমিটীৰ প্ৰতিবেদনৰ প্ৰতি উচিত গুৰুত্ব দিয়াটো ৰাষ্ট্ৰীয় স্বাৰ্থৰ ফালৰ পৰাই নিতান্ত প্ৰয়োজনীয়। অৱশ্যে কোনোবা মহলৰ হেঁচাত পৰিয়েই বোধকৰো চৰকাৰ মন্থৰ গতিৰে আগবাঢ়িছে। ১৯৬৫ চনতে ৰাজ্যসভাত এটা প্ৰস্তাৱ লোৱা হৈছিল ; প্ৰদৰ্শনৰ বাবে কথাছবিৰ প্ৰতি অনুমোদন জনোৱা পদ্ধতি সম্পৰ্কে বিচাৰ ল’বলৈ এখন কমিটী পাতিবলৈ এই প্ৰস্তাৱযোগে চৰকাৰক কোৱা হৈছিল। কিন্তু সেই সম্পৰ্কত একো ব্যৱস্থা লোৱা নহ’ল। কথাছবি তদন্তকাৰী কমিটীয়েও উৎপাদন বিধি ৰচনা কৰা সম্পৰ্কে যি পৰামৰ্শ দিছিল— তাকো কামত লগোৱা নহ’ল। এনে নিৰ্লিপ্ততা ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপন্থী।

বৃহস্পতিবাৰ, ৬ জুলাই, ১৯৬৭ চন

# অসমত নতুন তেল শোধনাগাৰ

অসমত খাৰুৱা তেলৰ উৎপাদন বৃদ্ধি পোৱাত অসমৰ ৰাইজে ৰাজ্যৰ ভিতৰতে চৰকাৰী খণ্ডত আন এটা শোধনাগাৰ প্ৰতিষ্ঠা কৰিবলৈ জনোৱা দাবীৰ প্ৰতি ভাৰত চৰকাৰে এতিয়াও মনোযোগ দিয়াৰ আৱশ্যকতা বোধ কৰা নাই। অসম বিধানসভাত ৰাজ্যৰ উদ্যোগমন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই প্ৰকাশ কৰা মতে চতুৰ্থ পৰিকল্পনাত শোধনাগাৰ নিৰ্মাণৰ আঁচনি অন্তৰ্ভুক্ত কৰা হোৱা নাই। অসমৰ যিকোনো ন্যায্য দাবীতে কেন্দ্ৰীয় চৰকাৰে আওকাণ কৰাৰ দৃষ্টান্ত আছে। কিন্তু শোধনাগাৰৰ দাবীটোৰ সামাজিক-অৰ্থনৈতিক দিশটোৰ গুৰুত্ব বৰ্তমানৰ চৰকাৰে উপলব্ধি কৰিব বুলিয়েই আশা কৰা গৈছিল। ভাৰত চৰকাৰে সমতাপূৰ্ণ অৰ্থনৈতিক বিকাশ আৰু মিতব্যয়িতাৰ ধ্বনি তুলি অহাৰ পাছত এটা ন্যায্য দাবীৰ ক্ষেত্ৰত এনে আওকণীয়া মনোভাৱ লোৱাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। অসমৰ নতুন তেলপুঙত প্ৰচুৰ পৰিমাণে তেল পোৱা বাবে চৰকাৰে নিজেই আন এটা শোধনাগাৰ প্ৰতিষ্ঠাৰ আঁচনি হাতত ল'ব লাগিছিল। কিন্তু ইয়াৰ বাবে ৰাইজৰ তৰফৰ পৰাহে দাবী উত্থাপন কৰিব লগা হ'ল। ইয়াৰ পৰা ধাৰণা ল'ব লগা হৈছে যে একোটা ন্যায্য দাবীৰ বাবেও ব্যাপক আন্দোলন চলালেহে কেন্দ্ৰীয় চৰকাৰৰ গা লৰে আৰু আন্দোলন কৰিলে ন্যায্য নহ'লেও সুবিধা আদায় কৰিব পাৰি।

এটা সমীক্ষা মতে অসমৰ শতকৰা প্ৰায় ৫৫ ভাগেই তেলৰ সম্ভাৱনাপূৰ্ণ অঞ্চল। সমগ্ৰ ভাৰতত ১৭ কোটি টন খাৰুৱা তেল পোৱাৰ সম্ভাৱনা আছে বুলি যি হিচাপ ধৰা হৈছে সেই হিচাপ মতে অসমতে ১০ কোটি টন পোৱা যাব। তেল বিশেষজ্ঞসকলৰ সুচিন্তিত অভিমত মতে খাৰুৱা তেল ওলোৱা ঠাইতে শোধনাগাৰ নিৰ্মাণ কৰিব লাগে। সেই ফালৰ পৰা চালে অসমত আন এটা বৃহৎ শোধনাগাৰৰ প্ৰয়োজন কিমান, সহজে উপলব্ধি কৰিব পাৰি। দহ কোটি সঞ্চিত খাৰুৱা তেল থকা অঞ্চলত চৰকাৰী খণ্ডত ১.৮ নিযুত টনৰ গুৱাহাটী শোধনাগাৰটোৱেই যে যথেষ্ট নহয় তাক স্বীকাৰ কৰিব লাগিব। আনহাতে অসমৰ খাৰুৱা তেল শোধনৰ কাৰণেই বাৰাউনিত এটা ৩ নিযুত টনৰ শোধনাগাৰ প্ৰতিষ্ঠা কৰা হৈছে। বৰ্তমানৰ হিচাপ মতে গুৱাহাটী, বাৰাউনিৰ চৰকাৰী খণ্ডৰ শোধনাগাৰ আৰু ডিগবৈৰ বেচৰকাৰী খণ্ডৰ শোধনাগাৰৰ চাহিদা পূৰণ কৰাৰ পাচতো অসমত উদ্ঘাটিত খাৰুৱা তেল বাকী ৰ'ব। সেই তেল অসমৰ বাহিৰত নতুনকৈ শোধনাগাৰ এটা পাতি শোধনৰ ব্যৱস্থা কৰাৰ কিবা যুক্তি থাকিব পাৰেনে?

অসমত দ্বিতীয় চৰকাৰী শোধনাগাৰ নিৰ্মাণৰ বিৰুদ্ধে দিল্লীৰ কৰ্তা মহলত কিছুমান টুলুঙা যুক্তিৰ অৱতাৰণা কৰাটো আৰু দুখ লগা কথা। সেই মহলে অসমত আৰু এটা শোধনাগাৰ অৰ্থনীতিসন্মত আৰু লাভজনক নহ'ব বুলি দেখুৱাবলৈ গৈ যুক্তি দিছে যে ইয়াত তেলৰ বজাৰ নাই। শোধিত তেল, পাইপ লাইনৰ যোগেদি বজাৰ অঞ্চললৈ পঠোৱাৰ সুবিধা থকা আৰু খাৰুৱা তেল আন ঠাইলৈ শোধনৰ বাবে পঠাওতে হোৱা অধিক ব্যয়ৰ কথা জানিও ভাৰত চৰকাৰৰ মন্ত্ৰী-সচিবসকলে এই অৰ্থনীতিসন্মত দাবীলৈ বিৰোধিতা কৰা বাবে, তেওঁলোকে প্ৰশ্নটো ৰাজনৈতিক পৰ্যায়লৈ নিয়া বুলিহে অসমৰ নিবনুৱাই কৰ্মসংস্থান ধাৰণা ল'ব লগা হৈছে।

শোধনাগাৰৰ দৰে চৰকাৰী খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান এটা গঢ়ি উঠিলে স্থানীয় নিবনুৱা লোকসকলৰ সমস্যা সমাধানত যথেষ্ট সহায় হ'ব আৰু অসমে তেনে সুযোগ পোৱা উচিত। স্থানীয় প্ৰাকৃতিক সম্পদৰ পৰাই যদি

অসমৰ কৰ্মক্ষম লোকে নিয়োগ নেপায় তেন্তে আন ৰাজ্যৰ উদ্যোগ প্ৰতিষ্ঠানত অসমৰ নিবনুৱাই কৰ্মসংস্থান বিচাৰি যাবনে?

আৰু এটা শোধনাগাৰ অসমত পাতিলে তাৰ শোধিত তেলৰ পৰা অসমে বিক্ৰী কৰ স্বৰূপেও বুজন পৰিমাণৰ ৰাজহ পাব। বিত্তীয় ক্ষেত্ৰত শোক লগা অৱস্থাৰ ৰাজ্যখনক এই ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ কৌশল উলিওৱাটো ভাৰত চৰকাৰৰ কাৰণে সমীচিন নহ'ব। অসমে ইতিমধ্যে বাৰাউনী শোধনাগাৰলৈ পঠোৱা তেলৰ পৰা বিক্ৰী কৰ হেৰুৱাব লগা হৈছে। দ্বিতীয় তেল শোধনাগাৰ গঢ়ি উঠিলে অসমত পেট্ৰোকেমিকেল উদ্যোগ নিৰ্মাণৰ সুযোগ আৰু আৱশ্যকতাও বৃদ্ধি পাব।

ভাৰত চৰকাৰে এইবিলাক সুযোগ-সুবিধাৰ পৰা অসম আৰু অসমৰ ৰাইজক যদি বঞ্চিত কৰি ৰাখে তেন্তে সীমান্তৱৰ্তী গুৰুত্বপূৰ্ণ ৰাজ্যখনৰ সমস্যাৱলীৰ প্ৰতি সদায় সজাগ বুলি কোৱাৰ কোনো যুক্তি নেথাকে। আমি আশা কৰোঁ অসম চৰকাৰে এই বিষয়টো ভাৰত চৰকাৰৰ ওচৰত যুক্তিপূৰ্ণ দৃঢ়তাৰে উত্থাপন কৰিব আৰু ভাৰত চৰকাৰেও ইয়াৰ ন্যায্যতা উপলব্ধি কৰি সোনকালে ব্যৱস্থা হাতত ল'ব।

## শোষণৰ ৰহস্য

অসমত পাৰ্বত্য জনজাতীয় লোকসকল ভৈয়ামৰ মানুহৰ দ্বাৰা শোষিত হোৱা বুলি সাধাৰণতে পাৰ্বত্য জনজাতিৰ এক শ্ৰেণীৰ নেতাই ধ্বনি তুলিবলৈ প্ৰয়াস পাই আহিছে। এনে ধ্বনিৰ ওপৰত ভিত্তি কৰিয়েই প্ৰকৃত অৱস্থাৰ অনুসন্ধান নকৰাকৈ পাৰ্বত্য জনজাতিৰ সাধাৰণ লোকসকলে ভৈয়াম অঞ্চলৰ লোকৰ প্ৰতি বিদ্বেষ ভাব শোষণ কৰিবলৈ লৈছে। কিন্তু জনজাতীয় লোকসকলক কোনে শোষণ কৰিছে?

পাটস্কৰ আয়োগৰ প্ৰতিবেদনত পাৰ্বত্য অঞ্চলৰ জনজাতীয় লোকৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা সম্পৰ্কে এটা সমীক্ষা আৰু লোক গণনা প্ৰতিবেদনৰ পৰা দেখা যায় যে পাৰ্বত্য জিলাকেইখনৰ জনমূৰি আয় ১৯৫১ৰ পৰা ১৯৬১ চনৰ ভিতৰত শতকৰা ৫১ ভাগ বৃদ্ধি পাইছে, সেইদৰে শিক্ষিতৰ সংখ্যা শতকৰা ১২ ভাগ বাঢ়িছে। খাছী পাহাৰত জনমূৰি আয়, শিক্ষিতৰ সংখ্যা, চাকৰিয়ালৰ সংখ্যা ভৈয়ামৰ জিলাতকৈ গড় হিচাপে বেছি। এনে অৱস্থাতো জনজাতীয় লোক উপেক্ষিত হোৱা বুলিহে পাৰ্বত্য অঞ্চলত অভিযোগ কৰা হয়।

এনে অভিযোগৰ সন্মুখত সিদিনা বিধানসভাত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই অসম সচিবালয়ত নিয়োগ সম্পৰ্কে দিয়া বিবৃতি উল্লেখযোগ্য। মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃতি মতে অসম সচিবালয়ত ১৯৬২ চনৰ পৰা নিয়োজিত তৃতীয় শ্ৰেণী (কেৰাণী) আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ ভিতৰত যথাক্ৰমে শতকৰা ৮.৭ জন আৰু ২০ জনহে ভৈয়ামৰ অসমীয়া। আনহাতে তৃতীয় শ্ৰেণীৰ চাকৰিত জনজাতীয় লোক শতকৰা ৫৫.২২ জন নিয়োজিত হৈছে। আনকি বঙালী চাকৰিয়ালৰ সংখ্যাও ভৈয়ামৰ অসমীয়াতকৈ বেছি— শতকৰা ৩১.৭৪ জন। সেইদৰে চতুৰ্থ শ্ৰেণীত শতকৰা ১১.৬২ জন খাছী লোক আছে।

তৃতীয় শ্ৰেণীৰ চাকৰিয়ালসকলক অসম লোকসেৱা আয়োগৰ বাছনি সাপেক্ষে নিয়োগ কৰা হয়। সেই কাৰণে পক্ষপাতমূলক নিয়োগৰ প্ৰশ্নও উঠিব নোৱাৰে। নিয়োগৰ ক্ষেত্ৰত অন্যান্য পৰ্যায়তো যে জনজাতীয় আৰু অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ প্ৰতি সুবিচাৰ কৰা হৈছে তাৰ প্ৰত্যক্ষ প্ৰমাণ আছে। তথাপিও অসমত জনজাতীয় লোক উপেক্ষিত হোৱা বুলি ধ্বনি তুলি তাৰ পৰা সুযোগ আদায়ৰ অপচেষ্টা চলোৱাটোহে অতি দুৰ্ভাগ্যৰ বিষয়।

শনিবাৰ, ৮ জুলাই, ১৯৬৭ চন

# দিল্লীৰ আলোচনা

আজিৰ পৰা নতুন দিল্লীত অসমৰ পুনৰ গঠন সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা আৰম্ভ হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৱনে গুৱাহাটীলৈ আহি বিভিন্ন লোকৰ সৈতে আলোচনা কৰাৰ মূৰত আৰু পৰৱৰ্তী আলোচনা সম্পৰ্কে বিশেষ এক ধৰণৰ ইংগিত দিয়াৰ মূৰত নতুন দিল্লীত এই গুৰুত্বপূৰ্ণ আলোচনাৰ ব্যৱস্থা কৰাত আৰু সন্মিলনৰ প্ৰতিনিধিত্বৰ ক্ষেত্ৰত গ্ৰহণ কৰা নীতিৰ বাবে আমি পোনতেই হতাশ হ'বলগীয়া হ'ল। অধিক সংখ্যক লোকে আলোচনাত ভাগ ল'ব পৰাকৈ অসমতে ইয়াৰ দিহা কৰিব লাগিছিল। তদুপৰি শ্ৰীচৱনে সুস্পষ্টভাৱে জানি গৈছিল যে পুনৰ গঠনৰ সম্পৰ্কত বিভিন্ন মহলে বিভিন্ন মতামত দিছিল। এনে স্থলত অকল এম পি আৰু এম এল এ সকলক লৈ চূড়ান্ত আলোচনাৰ বাবে সমবেত হোৱাটো আচৰিত কথা। এই আলোচনাত অসম বিধানসভাৰ মুঠ সদস্যৰ এক চতুৰ্থাংশ সদস্য উপস্থিত থাকিব আৰু ইয়াত বিভিন্ন দলৰ সদস্য থকাটোও সঁচা। কিন্তু এই বিশেষ ক্ষেত্ৰত সেয়ে জনমতৰ প্ৰতিফলন বুলি ধৰাটো সম্ভৱ নহয়। কিয়নো ৰাজ্য পুনৰ গঠনৰ ভেটিত নিৰ্বাচন হোৱা নাছিল। বিভিন্ন স্বাৰ্থৰ টনা-আঁজোৰাৰ কাৰণে বহুতো দলে বিষয়টোৰ পৰা ফালৰি কাটি যোৱাৰ ভাবহে দেখুৱাইছিল। কংগ্ৰেছে নিৰ্বাচনৰ পিচতহে মতামত দিব বুলি আৰু বিস্তাৰিত আঁচনিখনৰ বিষয়ে নজনাকৈ মতামত দিব নোৱাৰি বুলিয়েই মত প্ৰকাশ কৰিছিল (পিচত অৱশ্যে বিস্তাৰিত আঁচনিলৈ বাট নোচোৱাকৈয়ে মত দিবলগীয়া হ'ল)। নিৰ্বাচনৰ সময়ত ছাত্ৰ সমাজে প্ৰতিজ্ঞা-পত্ৰত চহী দিবলৈ ধৰোতেও বিভিন্ন প্ৰাৰ্থীয়ে সংকোচৰ ভাবহে প্ৰকাশ কৰিছিল। এনে স্থলত অকল এম এল এ আৰু এম পিক কেন্দ্ৰ কৰিয়েই আলোচনাত বহিলে অসমৰ ভৈয়ামৰ জিলাসমূহৰ জনমতৰ প্ৰকৃত প্ৰতিফলন হোৱা বুলি ধৰিবৰ থল নাই। অসমীয়াৰ আৰু অসমৰ স্বাৰ্থৰ কথা পোনপটীয়াভাৱে ক'ব পৰা আৰু বিভিন্ন দলীয় টনা-আঁজোৰাৰ কথালৈ সততে জোখ-মাপ কৰি কথা ক'বলগীয়া নোহোৱা প্ৰতিনিধিও দিল্লীৰ সন্মিলনত উপস্থিত থাকিব লাগিছিল।

এতিয়া আলোচনাই কোন ফালে গতি লয়, কোৱা টান। শ্ৰীচৱন অসমলৈ আহোঁতে যি পৰিৱেশ আছিল, সেই পৰিৱেশ এতিয়াও আছে। মাত্ৰ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলন অধিক প্ৰগল্‌ভ হৈ উঠিছে আৰু ভাবুকিৰ সুৰ অধিক পোনপটীয়া হৈ উঠিছে। এই ভাবুকিয়েই যদি শ্ৰীচৱনৰ কাৰণে দিক-দৰ্শক হৈ উঠে, তেন্তে আলোচনা মাত্ৰ এটা আড়ম্বৰলৈ অধঃপতিত হ'ব। আলোচনাৰ ভেটি সম্পৰ্কে চৰকাৰীভাৱে যিয়েই নহওক, আলোচনাৰ আগমুহূৰ্তত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৰা বিভিন্ন ধৰণৰ মন্তব্যবোৰেই এটা ইংগিত দি থৈছে যে কোনোবা মহলক কোনোবাই কিবা অলিখিত আশ্বাস দি থৈছে। আনহাতে ১৩ জানুৱাৰীৰ ঘোষণাৰ ভিত্তিত আলোচনা চলিলেও আমি উৎফুল্ল হোৱাৰ একো কাৰণ নাই। আমি মাত্ৰ কৈ থওঁ যে অসমৰ জনমতৰ বিচাৰ নোলোৱাকৈ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধিৰ লগত আলোচনা কৰিয়েই ১৩ জানুৱাৰীৰ ঘোষণাত 'পুনৰ গঠনৰ বাবে সিদ্ধান্ত' লোৱাৰ কথা আৰু "ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱেই" তাৰ "ভেটি ৰচনা" কৰা উচিত বুলি "সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সৈতে গৃহমন্ত্ৰীয়ে আলোচনা" কৰাৰ কথা প্ৰকাশ কৰা হৈছে। অসমৰ অৱশিষ্ট লোকৰ জনমতৰ ওপৰত মূল্য দিয়াৰ কোনো সাক্ষী ১৩ জানুৱাৰীৰ সেই ঘোষণাৰ মাজত নাছিল। কিন্তু

জনমতক যে তুলাপাতৰ কথাৰেই উলাই কৰিব নোৱাৰি তাৰ প্ৰমাণ শ্ৰীচৰনে অসমলৈ আহোতে পালে। এতিয়া দিল্লীত আলোচনা কৰোতে যেন সেই ভুলৰ পুনৰাবৃত্তি নহয়।

আমাৰ স্পষ্ট কথা হ'ল— গোজামৰা ব্যৱস্থা আমাক নেলাগে। আনহাতে ফেডাৰেল শব্দই চক খুৱাই বুলি বেনামী ফেডাৰেল গাঁথনিৰ ব্যৱস্থা কৰিও অসমৰ জনমতক ফাঁকত পেলাব পৰা নহ'ব। ফেডাৰেল গাঁথনি আমি মানি নলওঁ। আমাৰ প্ৰতিনিধিত্ব কৰা সদস্যসকলে যেন সেই কথা মনত ৰাখি মুখ খুলি সকলো কথা কয়। একালত স্বৰ্গীয় গোপীনাথ বৰদলৈয়ে সমষ্টি-গঠন আঁচনিৰ বিৰুদ্ধে অকলে থিয় দি সিদ্ধান্ত সলাবলৈ উৰ্ধ্বতন মহলক বাধ্য কৰিছিল। আমাৰ স্বাৰ্থৰ প্ৰতিফলন ঘটাবলৈ হ'লে তেনে নিৰ্ভীক নেতৃত্ব লাগিব। আমাৰ প্ৰতিনিধিসকলে অসমৰ হক ৰক্ষা কৰাৰ বাবে মাতিবলৈ সৰ্বশেষ সুযোগ পাইছে— সেই সুযোগ যেন তেওঁলোকে অথলে নিনিয়ায়।

## পদচ্যুত শিক্ষক

অৱশেষত ৰাজ্য চৰকাৰে অৰ্হতাসম্পন্ন নহয় বুলি পদচ্যুত কৰা প্ৰাথমিক শিক্ষকসকলৰ পদচ্যুতক 'বৈধ' ৰূপ দিলে। ১৯৬৭ চনৰ অসম প্ৰাথমিক শিক্ষা (সংশোধনী) বিলখন ৰাজ্য বিধানসভাত গ্ৰহণ কৰি চৰকাৰে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ হেঙাৰ অতিক্ৰম কৰিলে। ন্যায়ালয়ে পদচ্যুতিৰ গুণাগুণ নিৰ্ণয় কৰিবলৈ ভাৰ পোৱা নাছিল। যি ব্যৱস্থাৰে প্ৰাথমিক শিক্ষকসকলক পদচ্যুত কৰা হৈছিল, সেই ব্যৱস্থাৰ মাজত থকা খুঁতৰ প্ৰতিহে আঙুলিয়াই দি ন্যায়ালয়ে এই কাৰ্য অবৈধ বুলি ঘোষণা কৰে। পদচ্যুত শিক্ষকসকলক পুনৰ নিয়োগ কৰিবলৈ আৰু পদচ্যুত হৈ থকা কালৰ বাবে ক্ষতিপূৰণ দিবলৈ ন্যায়ালয়ে ৰায় দিছিল। ৰাজ্য চৰকাৰে সেইখিনি দায়িত্বৰ হাত সাৰিবলৈকে এই সংশোধিত আইনৰ ব্যৱস্থা কৰিলে। ন্যায়ালয়ৰ হেঙাৰ সৰকি যাবৰ বাবে দেখুওৱা এনে তৎপৰতাই কিন্তু এটা অশুভ পৰম্পৰাৰ সূচনা কৰিলে। আমি এইটো কথা স্বীকাৰ কৰো যে পদচ্যুতি ঘটোৱাটো উচিত ব্যৱস্থা হৈছে নে নাই সেই বিষয়ে ন্যায়ালয়ে মতামত দিয়া নাই। কিন্তু ন্যায়ালয়ৰ ৰায়ৰ যোগেদি এটা কথা প্ৰকাশ পাইছিল— চৰকাৰে সংগতভাৱে এই ব্যৱস্থা হাতত লোৱা নাছিল। কেইবা হেজাৰো শিক্ষক আৰু লগতে তেওঁলোকৰ পৰিয়ালৰ ভৱিষ্যতৰ প্ৰশ্ন জড়িত থকা এনে এটা বিষয়ত চৰকাৰে দায়িত্ব-সচেতনতাৰ চিনাকি দিব নোৱাৰিলে। অথচ যিসকলে আইন যুগুত কৰিলে আৰু কামত খটুৱালে, তেওঁলোকেই শিক্ষকৰ অৰ্হতাৰ অভাৱৰ প্ৰশ্ন তুলি তেওঁলোকক পদচ্যুত কৰিলে!

এতিয়া সংশোধিত বিলখন গ্ৰহণ কৰাৰ পৰত ৰাজ্য বিধানসভাত চৰকাৰীভাৱে যি আশ্বাস দিয়া হ'ল তাৰ পৰা বুজা গ'ল যে চৰকাৰে মৰ্যাদাৰ প্ৰশ্নটো আৰু ক্ষতিপূৰণ হিচাপে দিবলগীয়া টকা কেইলাখৰ পৰা ৰেহাই পোৱাটোকে মূল লক্ষ্য হিচাপে ধৰিছে। তাৰ বাহিৰে সংশোধিত বিলখনৰ আন মূল্য নাই। কিয়নো চৰকাৰে পদচ্যুত শিক্ষকসকলক দুমাহ প্ৰশিক্ষণ দি পুনৰ নিয়োগ কৰিব বুলি আশ্বাস দিছে। সাহায্য স্বৰূপেও ৭ লাখ টকা দিয়াৰ কথা কোৱা হৈছে। কিন্তু পদচ্যুত হৈ থকা কালছোৱাৰ বাবে তেওঁলোকে দৰমহা নেপায়— সেইছোৱা সময় দৰমহা নোপোৱা ছুটী বুলি গণ্য কৰাৰ কথা ভবা হৈছে। অৰ্থাৎ চৰকাৰী ব্যৱস্থাৰ মাজত থকা ত্ৰুটিৰ বাবেও শিক্ষকসকলেই জগৰীয়া হ'ব— তেওঁলোকে সুদীৰ্ঘ কালৰ বাবে দৰমহাৰ পৰা বঞ্চিত হ'ব আৰু আনহাতে চাকৰিৰ কাল ভংগ হোৱাৰ দৰে হোৱা কাৰণে ভৱিষ্যতে তেওঁলোক বিভিন্ন ধৰণে বাধাগ্ৰস্ত হ'ব।

সোমবাৰ, ১০ জুলাই, ১৯৬৭ চন

# বানপানীৰ বাৰ্ষিক গতি

অসমৰ বানপানী গ্ৰহৰ বাৰ্ষিক গতিৰ দৰেই নিয়মীয়া হৈ পৰিছে। কেৱল বাৰিষাৰ বাঢ়নী পানীৰ বাবে চিন্তা কৰিবলগীয়া একো নাছিল, কিন্তু তাৰ লগতে পুহকৰৰ দৰে লাগি থকা দুখ-দুৰ্গতিৰ কাৰণেহে অসমবাসীৰ দুশ্চিন্তা। এই বছৰৰ বাৰিষাৰ প্ৰথম খুন্দাতে আগৰ কেইবছৰৰ সকলো বিপদৰে সূচনা কৰিছে। নলবাৰীৰ ওচৰত আলিবাট আৰু ৰে'লৰ আলি বুৰ নিয়াই বাছ আৰু ৰে'লগাড়ীৰ চলাচল বন্ধ কৰিছে ; যাত্ৰীবাহী ট্ৰেইনো নলবাৰীত আটক হৈ আছে ; দলগাঁও-হাঁচিমাৰাৰ মাজত ৰে'লপথ বিচ্ছিন্ন হোৱাৰ কাৰণে ব্ৰডগজ ৰে'লৰ লাইনেদি যাত্ৰীক ঘূৰাই অনাৰ দিহা কৰিব লগা হৈছে। উত্তৰ কামৰূপত পাগলাদিয়া, পুঠিমাৰী বৰলিয়া আদি চিৰ পৰিচিত নৈয়ে মথাউৰি বহু ঠাইত ভাঙিছে আৰু বিৰাট বিৰাট এলেকাত প্লাৱনৰ সৃষ্টি কৰিছে। এই সময়ত বাঢ়নী পানীয়ে যিহৰ আটাইতকৈ বেছি ক্ষতি কৰিব পাৰে বুলি আমি আশংকা কৰো সেইটোৱেই হৈছে ঃ ভালেমান ঠাইতে আহু ধানৰ অনিষ্ট সাধন কৰিছে ; আমাৰ ৰঙিয়াৰ নিজা বাতৰি দিওঁতাৰ মতে সেই অঞ্চলৰ আহু খেতি নষ্ট হৈছে। দেশজোৰা নাটনিৰ দিনত এই বাতৰিয়ে নিশ্চয় ৰাইজক শংকাকুল কৰি তুলিব।

পানীৰ প্ৰথম খুন্দাই ভালেমান ঠাইত বান-প্ৰতিৰোধক মথাউৰি ভাঙি পেলোৱাৰ বাতৰিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰা উচিত। ঘনাই মথাউৰি নষ্ট হোৱালৈ চাই এইবোৰৰ নিৰ্মাণ কাৰ্য উপযুক্ত হোৱা নাই বুলিয়েই ক'ব লাগিব। পৰহিৰ পৰা উত্তৰ কামৰূপৰ বানপানীয়ে বিপৰ্যয় সৃষ্টি কৰাৰ আগতেই এনে নিৰ্মাণ কাৰ্যত লিপ্ত থকা বিভাগৰ অকৰ্মণ্যতাৰ দুটামান উদাহৰণ পোৱা গৈছিল। আমাৰ পাঠশালাৰ নিজা বাতৰি দিওঁতাই জনাইছিল যে পহুমৰা নৈৰ গৰাখহনীয়া বন্ধ কৰিবৰ কাৰণে আগৰ সাধাৰণ স্পাৰে কাম নিদিয়াত নতুনকৈ কাঠৰ স্পাৰ দিবলৈ যো-জা কৰা হৈছিল ; কিন্তু সংশ্লিষ্ট বিভাগৰ আয়োজনৰ ধান পকে মানে টুনিৰ মৰণ হ'বৰে উপক্ৰম ঃ ভৰ বাৰিষালৈকে এই কাম কৰাই নহ'ল। উজনিতো ২৫ জুনৰ দিনা বাঢ়নী পানীয়ে ইকৰা জানৰ সৰু দলংখনৰ খুঁটা উটুৱাই নিয়াৰ ফলত কেবাদিনলৈ পাৰাপাৰ হোৱাত ৰাইজৰ আহুকাল হৈছিল ; গড়কাপ্টানি বিভাগীয় এই দলংখনৰ খুঁটাৰ পোতন জোখ মতে হোৱা নাছিল বাবেই এনে দুৰ্ঘটনা হ'ল— এই মৰ্মে যোৰহাটৰ নিজা বাতৰি দিওঁতাই জনোৱা কথা এতিয়ালৈকে কৰ্তৃপক্ষই অস্বীকাৰ কৰা নাই। কেইবছৰমান আগতে কেবাখনো নতুন পকী দলং ভাগি পৰাৰ চাঞ্চল্যকৰ বাতৰি আজিও আমাৰ মনত কেঁচা হৈ আছে। সোৱণশিৰি নৈয়ে মথাউৰি ভাঙি খেতি-বাতি তল নিয়াইছে বুলিও বাতৰি আহিছে। এইবোৰ ঘটনাই প্ৰতিপন্ন কৰিছে যে দলং মথাউৰি আদিৰ নিৰ্মাণকাৰ্য উপযুক্ত হোৱা নাই, নাইবা খুঁত থকা সত্বেও সংশ্লিষ্ট কৰ্তৃপক্ষই তাক ধৰিব পৰা নাই। বছৰি এইবোৰৰ পুনৰাবৃত্তি হৈ থাকিবলৈ দিব নোৱাৰি।

আমি বিচাৰো যে এইবোৰৰ দোষ-ত্ৰুটি সংশ্লিষ্ট কৰ্মচাৰীসকলে এতিয়াই চাই-চিন্তি লওক। মথাউৰি বান-নিয়ন্ত্ৰণৰ কাৰণেই দিয়া হৈছে। সেই কাম কৰিব নোৱাৰা মানে কাম বা আঁচনিৰ খুঁত। বিজ্ঞানসন্মতভাৱে মথাউৰি দিবলৈ লোৱা বহু বছৰ হৈ গ'ল। এতিয়াও ইমানদিনৰ অভিজ্ঞতাক কামত লগাব নোৱাৰিলে তাক ক্ষমাৰ চকুৰে চোৱাৰ কোনো যুক্তি নাই। উত্তৰ কামৰূপৰ ভগা মথাউৰি চাবলৈ কোনো কোনো বিষয়া গৈছে বুলি শুনি আমি সন্তোষ পাইছো। তেওঁলোকে দোষ-ত্ৰুটি আঁতৰাবলৈ যত্ন কৰিব বুলি আমি আশা কৰো। কিন্তু বৰ্তমান কাম

অকল সেয়ে নহয়। জিলা কৰ্তৃপক্ষসমূহৰ তৎপৰতা অৱলম্বনৰ এয়ে সময়। বাট বিচ্ছিন্ন আৰু মথাউৰি ছিগা অৱস্থা হৈছে যেতিয়া বানপানীয়ে গঞা ৰাইজৰ বাৰুকৈয়ে দুৰ্গতি কৰিব বুলি ধৰি ল'ব পাৰি। এনে বিপন্ন ৰাইজক সকলো ধৰণৰ সহায় কৰিব পৰাকৈ জিলা কৰ্তৃপক্ষই ব্যৱস্থা কৰি থওক। বিচ্ছিন্ন হৈ পৰা গাওঁবাসীক স্থানান্তৰ কৰিব লগা হ'লে যাতে লাগ বুলিলেই নাও-নাওৰা, খাদ্যবস্তু আদি দিব পৰা হয় তাৰ যোগাৰ ঠিক কৰি ৰাখক। এনে সাহায্যৰ প্ৰয়োজন হ'বই আৰু অচিৰেই হ'ব যেন লাগিছে। পাগলাদিয়া নৈৰ পানীয়ে এশখনমান গাঁও তল নিয়াইছে বুলি বৰলিয়াৰ বানেও ৰঙিয়া মৌজাবাসীৰ চকুত টোপনি নোহোৱা কৰিছে বুলি বাতৰি আহিছে। খাদ্য যোগানৰ বিষয়ত বিশেষ তৎপৰতা লাগিবই। এনেয়ে খাদ্যবস্তুৰ নাটনিত মানুহ জুৰুলা হৈ আছে। এতিয়া ৰে'লপথ আৰু মটৰ পথ বিচ্ছিন্ন হৈ পৰাৰ ফলত খাদ্যবস্তু অহাত বাধা পৰাৰ আশংকা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষই চেষ্টা কৰক যাতে ক'তো খাদ্য সম্ভাৰ আটক হৈ থাকিব লগা নহয় আৰু হ'লেও যাতে দুই-এদিনৰ কাৰণে অসাধু ব্যৱসায়ীয়ে তাৰ সুযোগ লৈ কৃত্ৰিম অনাটনৰ সৃষ্টি কৰিব নোৱাৰে। ৰে'লৱে কৰ্তৃপক্ষই দুদিনমানলৈ ৰে'ল চলাচল বন্ধ থাকিব বুলিও কৈছেও।

## নতুন পাচনি

আপুনি বেজবৰুৱাৰ 'পাচনি' নাটখন পঢ়িছেনে? আলহী নহ'লে ভাতমুঠি খাব নোৱাৰা এজন মানুহ আছিল (কি দিন আছিল— আনক খুৱাব নোৱাৰিলে নিজেও নেখায়! ঘৈণীয়েকে হ'লে গিৰিয়েকৰ এই অতিথিপৰায়ণতাক ভাল চকুৰে নেচায়— ভাল পাবই বা কেলৈ? ৰান্ধি-বাঢ়ি তেওঁহে দিব লাগিব। আজিকালিও আপোনাৰ ভাত খোৱা হৈ যোৱাৰ পিচত ৰাতি থকা আলহী আহকচোন— প্ৰেছাৰ কুকাৰ থাকিলেও গৃহিণীৰ ব্লাড প্ৰেছাৰ বাঢ়ে নে নেবাঢ়ে চাওক। সেইবাবে নাটৰ পাচনিৰ ঘৰলৈ এৰাতি এজন আলহী আহিলত পাচনিয়নীয়ে নানান কৌশল কৰি আলহীক ঢেঁকী-থোৰাৰে মাৰ খুওৱাৰ ভয় দেখুৱাই তৰা-নৰা ছিঙি পলাবলৈ বাধ্য কৰিলে। আজি আমাৰ কাৰ্ড-হস্তে চাউল মিহলি ধান খোৱাৰ দিন পৰিছে, আহু, শালি, বাওঁ, বৰো, টাইচুং কোন বিধ চিন ধৰিবৰ বা বাছি উলিয়াবৰ সময়ো নাই উপায়ো নাই। আজি আলহী কামনা নকৰাৰে দিন ; মুখেৰে হেঃ হেঃ কৰিলেও পাৰিলে আমি আলহীৰ নাও হেঁচুকি দিওঁ (কাহুদীত দুঃস্থ, বুদ্ধিমান গৃহস্থৰ উদাহৰণ আপুনি নিশ্চয় পাইছে)। এই কাকতৰ সাপেখাতীৰ বাতৰি দিওঁতাই আজিৰ গৃহস্থৰ উদাহৰণ এটা দি পঠিয়াইছে ; মাত্ৰ গৃহস্থজনৰ অলপ মাত্ৰাধিত্য হ'ল যেন বোধ হৈছে। মানুহজনে হেনো সকাম পাতিছিল ; তিনিজন ভকতক মাতি খুৱাব খুজিছিল ; ঘৰখনৰ একমাত্ৰ দ্বিতীয় প্ৰাণী স্ত্ৰীয়ে ভকতলৈ আঁঠু লওঁতেই গিৰিয়েকে বোলে স্ত্ৰী আৰু ভকতসৱক টঙনিয়াই টঙনিয়াই এক লেখীয়া কৰিলে ; ভকত পলালত, গৃহস্থই দকচি উছৰ্গাৰ সকলো বস্তু নিজৰ পেট নামৰ পেটাৰীত ভৰালে। আমাৰ বোধেৰে তেওঁ মিতিৰো ৰওক, চাউলো সিজক বুলি ভাবিছিল ; অৰ্থাৎ ধৰ্ম-কৰ্মও হ'ব, নিজে ভালদৰে খোৱাও হ'ব। এইটো আমাৰ মুখে বোলে থাক থাক ভাবতকৈনো কি বেলেগ? মাত্ৰ মাত্ৰাৰহে যি উনৈশ বিশ। খাদ্যাভাৱত ভুগি যদি মানুহজনে ভকতক ঠগিব খুজিছিল তেন্তে সকামলৈ বুলি অন্য বস্তুৰ সৰহ ভাগ লুকুৱাই থ'ব পাৰিলেহেঁতেন, যিটো আজিকালি সাধাৰণতে মানুহে কৰে। মানুহজনে 'পাচনি' পঢ়ি এনে কামত প্ৰবৃত্ত হোৱা নাই নিশ্চয় ; কাৰণ স্ত্ৰীক তেওঁ প্ৰয়োগ কৰা নাই। ৰক্ষা যে বেজবৰুৱাৰ প্ৰতি অসন্মান কৰা নহ'ল।

শুকুৰবাৰ, ১৪ জুলাই, ১৯৬৭ চন

# ভাষা নীতি

১৯৬৫ চনত দক্ষিণ ভাৰতত ভাষাৰ প্ৰশ্ন লৈ গুৰুতৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ পাচত প্ৰধানমন্ত্ৰীস্বৰূপে স্বৰ্গীয় জৱাহৰলাল নেহৰুৱে দিয়া আশ্বাস আইনবদ্ধ কৰাৰ প্ৰয়োজনীয়তা ক্ষমতাত অধিষ্ঠিত কংগ্ৰেছ দলে উপলব্ধি কৰিলে। জৱাহৰলাল নেহৰুৱে আশ্বাস দিছিল যে অহিন্দীভাষী অঞ্চলৰ লোকসকলে যেতিয়ালৈকে বিচাৰে তেতিয়ালৈকে সহযোগী চৰকাৰী ভাষাস্বৰূপে ইংৰাজী চলি থাকিব। এনে এটা ব্যৱস্থাহে বিভিন্ন ভাষা-ভাষী ভাৰতত বৰ্তমান অৱস্থাত বাস্তৱমুখী কথা হ'ব বুলি উপলব্ধি কৰিয়েই স্বৰ্গীয় প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়েও নেহৰুৰ মত সমৰ্থন কৰিছিল।

সেই উদ্দেশ্যেই লোকসভাৰ চলিত অধিৱেশনত চৰকাৰী ভাষা আইন সংশোধন কৰিবলৈ এখন বিল উত্থাপন কৰিবলৈ লোৱা হৈছে। কংগ্ৰেছ সংসদী দলৰ কাৰ্যনিৰ্বাহকত এই বিলৰ আলোচনা প্ৰসংগত গৃহ পৰিক্ৰমাৰ ৰাজ্যমন্ত্ৰী শ্ৰীভি-চি শুক্লাই ইয়াৰ মূল কথাকেইটা ব্যাখ্যা কৰিছে।

চৈধ্যটা আঞ্চলিক ভাষা থকা ভাৰতত পূৰ্বৰ সংযোগকাৰী ভাষা ইংৰাজীক আঁতৰাই হিন্দী প্ৰৱৰ্তন কৰাটো সহজ কথা নহয়। সংবিধানত হিন্দীক ৰাষ্ট্ৰভাষাৰ মৰ্যাদা দিয়া হ'ল যদিও এই ভাষাই সেই মৰ্যাদা আহৰণ কৰিব পৰা নাই। বিদেশী ভাষা এটা ভাৰতৰ ৰাষ্ট্ৰভাষা হ'ব নোৱাৰে সঁচা কিন্তু ভাৰতীয় ভাষায়ো ৰাষ্ট্ৰৰ চৰকাৰী ভাষা হ'ব পৰা অৰ্হতা অৰ্জন কৰিব লাগিব। বৃহৎ অঞ্চলৰ মাতৃভাষা হিন্দীকে ৰাষ্ট্ৰভাষাস্বৰূপে গ্ৰহণ কৰাৰ পাচত সেই ভাষাই প্ৰয়োজনীয় অৰ্হতা অৰ্জন কৰিব পাৰিলেনে সেই প্ৰশ্নকে প্ৰথমতে বিচাৰ কৰিব লগাত পৰে। হিন্দীয়ে উপযুক্ততা অৰ্জন কৰাৰ আগতে যদি আনৰ ওপৰত সেই ভাষা বলেৰে জাপি দিয়া হয় তেন্তে তাৰ সুফল আশা কৰিব নোৱাৰি। সংবিধান গৃহীত হোৱাৰ পাচতো অহিন্দী ভাষী অঞ্চলত হিন্দীৰ প্ৰসাৰ নোহোৱাৰ মূলত হিন্দীভাষী উন্মত্ততাই কাম কৰা অথবা অস্বীকাৰ কৰাৰ উপায় নাই। সেয়ে আঞ্চলিক ভাষাৰ ক্ষতিসাধন আৰু হিন্দী ভাষীৰ প্ৰাধান্য বিস্তাৰৰ আশংকা কৰাও অমূলক নহয়। সংসদৰ কংগ্ৰেছী, অকংগ্ৰেছী ২০০ জন সদস্যই প্ৰস্তাৱিত সংশোধনী বিল উত্থাপন নকৰিবলৈ প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ ওচৰত দাবী জনোৱা কথাই ইয়াৰ প্ৰমাণ দিয়ে।

ভাৰতক নিজস্ব চৰকাৰী ভাষা এটা লাগে। ভাষাই ৰাষ্ট্ৰীয় ঐক্য সাধনত সহায় কৰে, ৰাষ্ট্ৰীয় মৰ্যাদাও ৰক্ষা কৰে। কিন্তু সেই বিষয়ত সকলোৰে সন্মতিৰ দৰকাৰ। সকলো ভাষা-ভাষী লোকেই উপলব্ধি কৰিব লাগিব যে চৰকাৰী ভাষাই তেওঁলোকৰ স্বাৰ্থ ক্ষুণ্ণ কৰা নাই। বৰ্তমান অৱস্থাত সেইবাবেই স্বৰ্গীয় নেহৰুৰ আশ্বাস ৰক্ষাৰ আৱশ্যকতা বৃদ্ধি পাইছে। হিন্দীৰ নামত চিঞৰ-বাখৰ কৰাসকলে অহিন্দী ভাষী অঞ্চলৰ স্বাৰ্থৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শন কৰিলে প্ৰশ্নৰ সমাধান নহয়। ভাষা নীতি স্থিৰ কৰোতে অহিন্দী ভাষী দক্ষিণ আৰু পূব ভাৰতৰ কথা পাহৰি গ'লে নচলে। সেই কাৰণে হিন্দী সমৰ্থকসকলে হিন্দীক ৰাষ্ট্ৰভাষাত পৰিণত কৰাৰ তাৰিখ নিৰ্ধাৰণ কৰাতকৈ ভাষাটোৰ উন্নতি সাধনৰ প্ৰচেষ্টা চলোৱাহে উচিত কাম হ'ব।

সোমবাৰ, ১৭ জুলাই, ১৯৬৭ চন

# পাৰ্বত্য নেতাৰ সিদ্ধান্ত

সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে শ্বিলঙত দুদিন ধৰি আলোচনা কৰি ৩১ আগষ্টলৈকে অপেক্ষা কৰিবলৈ সিদ্ধান্ত ল'লে। দেখাত এইটো তেওঁলোকৰ সৌহাৰ্দপূৰ্ণ মনোভাৱ যেন হৈছে। কিন্তু ই যে এটা চাতুৰী বা কৌশলহে মাত্ৰ, সেই কথা বুজিবলৈ টান নহয় যেতিয়া তেওঁলোকে মেহতা কমিটীৰ সৈতে সহযোগিতা নকৰিবলৈকে পূৰ্বঘোষিত সিদ্ধান্ততে আঁকোৰগোজকৈ ধৰি থকা আমি দেখিলো আৰু যেতিয়া তেওঁলোকে প্ৰত্যক্ষ সংগ্ৰামৰ কাৰ্যসূচী পালন কৰিবলৈকে থিৰ কৰিলে। তেওঁলোকৰ অনমনীয়তাৰ কথা আজি আৰু দেশজুৰি বুজিবলৈ কাৰো বাকী নাই। তেওঁলোকৰ প্ৰতি অনুসৰণ কৰা চৰকাৰী তোষণ নীতিয়েই যে এই অনমনীয়তাৰ চোক বঢ়াইছে তাতো সন্দেহ নাই। কাৰণ নামত সৰ্বদলীয় হ'লেও (তাকো ই নেতাৰহে সন্মিলন, ৰাইজৰ নহয়) ই পৃথকতাবাদী এটা উগ্ৰপন্থী দলহে আৰু ভাৰত চৰকাৰে ভুল ধাৰণাৰ বশৱৰ্তী হৈ কেৱল এই দলকে পাৰ্বত্য জনসাধাৰণৰ প্ৰতিনিধি বুলি গণ্য কৰি আহিছে। যোৱা ১৩ জানুৱাৰীৰ ঘোষণাটো এই তোষণ নীতিৰ চূড়ান্ত, অগণতান্ত্ৰিক পৰিণাম। কেন্দ্ৰই গণতান্ত্ৰিক দেশৰ জনমতৰ হেঁচাত পৰি এই ভুল সংশোধন কৰিবলৈ অৱশেষত চেষ্টা কৰি চালে। তাৰ ফলতেই যোৱা ৮ আৰু ৯ জুলাই নতুন দিল্লীত অসমৰ পুনৰ্গঠন সম্বন্ধে অসমৰ এম পি আৰু এম এল এ সকলৰ আলোচনা সভাৰ আয়োজন কৰা হৈছিল। এই সভা পতাৰ অৰ্থই আৰু তাত পাৰ্বত্য নেতা সন্মিলনেও যোগ দিবলৈ সিদ্ধান্ত কৰাৰ অৰ্থই হৈছে গোটেই প্ৰশ্নটো পুনৰ মুকলি কৰা— ই কেতিয়াও পুনৰ্গঠনৰ সিদ্ধান্ত হৈ নেথাকিল। তথাপি পাৰ্বত্য নেতা সন্মিলনৰ মুখপাত্ৰসকলে দিল্লীলৈ যাত্ৰা কৰিবৰ সময়ত যুক্তিহীন উক্তি দিবলৈ প্ৰয়াস কৰিছিল যে হয় ফেডাৰেচন নহয় পৃথক পাৰ্বত্য ৰাজ্যৰ ভিত্তিতহে তেওঁলোকে আলোচনা কৰিব। আগৰ ভুল শুধৰোৱাৰ চেষ্টাত গৃহমন্ত্ৰী শ্ৰীচৱনে ক'বলৈ বাধ্য হৈছিল যে গণতান্ত্ৰিক ব্যৱস্থাত সংসদ তথা আন আন পক্ষৰ জনসাধাৰণকো সৈমান কৰাব পাৰিব লাগিব, সেইবাবেই পুনৰ্গঠনৰ প্ৰস্তাৱ সম্পৰ্কে পুনৰ আলোচনা কৰিব লগা হ'ল। এইধৰণৰ যুক্তি পাৰ্বত্য নেতাসকলে বুজিব নোখোজে। সেইকাৰণেই তেওঁলোকে দিল্লীতে ঘোষণা কৰিলে যে সৰ্বসন্মত সূত্ৰ এটা উদ্ভাৱন কৰিবলৈ এঘাৰজনীয়া উপ-সমিতিয়ে চলাব খোজা আলোচনাৰ লগত তেওঁলোকে সংশ্ৰৱ নেৰাখে। আনকি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে পৃথকভাৱে তেওঁলোকক এনে অসহযোগিতাৰ দৃষ্টিভংগী নল'বলৈ অনুৰোধ কৰা সত্ত্বেও তেওঁলোকে নিজৰ আঁকোৰগোজ মনোভাৱতে লাগি থাকিল আৰু এতিয়া শ্বিলঙৰ দলীয় সভাতো সেই সিদ্ধান্তকে বাহাল ৰখা হ'ল।

৩১ আগষ্টৰ পিছত কোনদিনাৰ পৰা প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ হ'ব এতিয়াও স্থিৰ হোৱা নাই। কিন্তু শ্বিলঙৰ দুদিনীয়া সভাৰ জৰিয়তে সন্মিলনে ইয়াৰ কাৰণে সাজু হৈ থাকিবলৈ পৰ্বতীয়া ৰাইজক আহ্বান জনাইছে। সমূহ পৰ্বতীয়া ৰাইজক এইদৰে আহ্বান জনোৱাৰ অধিকাৰ তেওঁলোকৰ আছেনে নাই সি সন্দেহৰ বিষয়। মিকিৰ-উত্তৰ কাছাৰ পাহাৰে তেওঁলোকৰ লগত সংশ্ৰৱ ৰখা নাই। মিজো পাহাৰৰ আন্দোলন তেওঁলোকৰ দাবীৰ পৰা সম্পূৰ্ণ পৃথক। কেৱল খাছী-জয়ন্তীয়া আৰু গাৰো পাহাৰকে কেন্দ্ৰ কৰি তেওঁলোকৰ পৃথকতাবাদী আন্দোলন গঢ়ি উঠিছে— কিন্তু এই দুই জিলাতো যথেষ্ট বিবুদ্ধবাদী লোক আছে। এনে অৱস্থাত সমগ্ৰ পাৰ্বত্য অঞ্চলৰ হৈ মাত

মাতিবৰ বা সমগ্ৰ পাৰ্বত্য অঞ্চলক পৃথক কৰি নিয়াৰ দাবী তুলিবৰ তেওঁলোকৰ হক ক'ত? তেওঁলোকৰ দাবীৰ দুৰ্বলতাৰ কথা ওলাই নপৰাকৈও থকা নাই। দিল্লীৰ আলোচনাৰ আগে আগে কেৱল উক্ত দুখন জিলাক লৈ কেন্দ্ৰীয় শাসিত অঞ্চল তৈয়াৰ কৰি সমস্যা সমাধানৰ সূত্ৰ বাহিৰ কৰিব খোজাৰ বাতৰি একাংশ কাকতত ওলাইছিল ; আনকি সময়ে সময়ে "সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ" নেতাসকলেও আৱশ্যক হ'লে অকল খাছী-জয়ন্তীয়া আৰু গাৰো পাহাৰক লৈ হ'লেও পৃথক ব্যৱস্থা কৰিব লাগে বুলি কোৱা ৰাইজৰ চকুত পৰিছে। ইয়াৰ পৰাই বুজিব পাৰি যে সমগ্ৰ পাৰ্বত্য অঞ্চলৰ প্ৰতিনিধিত্ব কৰিব পৰা যোগ্যতা তেওঁলোকৰ নাই বুলি তেওঁলোকে নিজেও উপলব্ধি কৰে। এনে অৱস্থাত এই এমুঠি নেতাক ইমান গুৰুত্ব দি অহাটোৱেই চৰকাৰৰ ভুল হৈছে। শ্ৰীচৱনে দিল্লী আলোচনাত দেশৰ অখণ্ডতা আৰু সংহতি ৰক্ষাৰ ওপৰত জোৰ দি গুৰুত্ব আৰোপ কৰিছিল। কিন্তু তেওঁৰ চৰকাৰেই আদিৰে পৰা পাহাৰৰ সংহতিবাদী লোক তথা শক্তিসমূহক গুৰুত্ব নিদি তাৰ বিপৰীতে গৈ আজি ইমান অথন্তৰ ঘটাই পেলাইছে। "সৰ্বদলীয়সকলৰ" দুৰ্বলতা থাকিলেও তেওঁলোকে বুজে যে কেন্দ্ৰ নিজ ভুলৰ জালত পৰিছে ; সেয়ে তেওঁলোকে অনমনীয় মনোভাৱ দেখুৱাইছে আৰু শ্বিলঙত সেই মনোভাৱ বেছি প্ৰকট কৰি দেখুৱাইছে। মেহতা কমিটীয়ে কিবা সূত্ৰ উদ্ভাৱন কৰিলেও ফেডাৰেচন বা পৃথক ৰাজ্য নহ'লে তাক তেওঁলোকে মানি নলয়, কাৰণ আগতেই সেই কমিটীৰ পৰা তেওঁলোকে নিজক আঁতৰাই থৈছে। গতিকে কেন্দ্ৰৰ ওচৰত সমস্যাৰ জটিলতা বৃদ্ধিহে হৈ গৈ আছে।

<u>শুকুৰবাৰ, ২১ জুলাই, ১৯৬৭ চন</u>

## নগা সমস্যা

আত্মগোপনকাৰী নগা দলৰ লগত ভাৰত চৰকাৰে শান্তি আলোচনা চলোৱাত, নগা সমস্যাটো সহানুভূতিৰে বিবেচনা কৰাত আপত্তি কৰিব লগা নাই। ভাৰতৰ দৰে বৃহৎ দেশ এখনত কোনো এদল লোকে সাময়িকভাৱে উগ্ৰ মনোভাৱ লোৱা আচৰিত কথা নহয়। সেই অৱস্থাত সেইসকল লোকক বুজনি দি সৰ্বভাৰতীয় মনোভাৱ গ্ৰহণ কৰাবলৈ চেষ্টা চলোৱাই উত্তম পন্থা। সেই কাৰণে নগা আত্মগোপনকাৰী দলৰ লগত শান্তি-আলোচনা চলোৱা নীতিত সংসদৰ পৰাও চৰকাৰে সাধাৰণভাৱে সমৰ্থন লাভ কৰিছে। যোৱা সোমবাৰে অসমৰ পি এছ পি সদস্য শ্ৰীহেম বৰুৱাই মণিপুৰত নগা বিদ্ৰোহীৰ হাতত ২৪ জন কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ নিহত হোৱা সংশ্ৰৱত উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱৰ আলোচনা প্ৰসংগত এই কথা প্ৰকাশ পাইছে।

কিন্তু, প্ৰশ্ন হৈছে আলোচনা কিমানদিন চলিব? শান্তি-আলোচনা অনিৰ্দিষ্ট কাললৈ চলি থাকিবনে? প্ৰায় তিনি বছৰ ধৰি চলোৱা আলোচনাৰ পৰা ৰাজনৈতিক মীমাংসাৰ কিবা পথ উলিয়াব পৰা গ'লনে? চৰকাৰে আলোচনা দীঘলীয়া কৰাৰ ফলত লাভ হোৱা বুলিয়েই হয়তো ধাৰণা লৈছে। সৰ্বসাধাৰণ নগা লোকে শান্তিৰে বাস কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছে। আনফালে আত্মগোপনকাৰী নগাৰ সৈন্য দলে দীৰ্ঘকাল ধৰি, যুদ্ধবিৰতিৰ বাবে নিষ্কৰ্মা হৈ পৰাত তেওঁলোকৰ মাজতে খৰিয়ালৰ সৃষ্টি হৈছে। চৰকাৰৰ এইবোৰ যুক্তি সম্পূৰ্ণৰূপে মানি ল'ব পাৰি জানো?

নগালেণ্ডৰ জনসাধাৰণে সম্পূৰ্ণ শান্তিত বাস কৰিছে বুলি প্ৰকৃততে ক'ব নোৱাৰে। কহিমাৰ অদূৰত 'নগা ফেডাৰেল চৰকাৰ'ৰ সৈন্যবাহিনীৰ উপস্থিতিত নগা ৰাইজে কি মনোভাৱ গ্ৰহণ কৰিব পাৰে, সি সহজে অনুমেয়। নগালেণ্ডত নিৰাপত্তা বাহিনী আৰু আত্মগোপনকাৰী নগাৰ গুলীয়াগুলী চলা নাই কাৰণেই বিদ্ৰোহী দলৰ প্ৰভাৱ নোহোৱা হৈছে বুলি ধাৰণা লোৱা ভুল। সৰ্বসাধাৰণ নগা ৰাইজে এতিয়া কোন চৰকাৰৰ তলত শান্তিৰে বাস কৰাৰ কথা ভাবিছে তাক নিৰ্ণয় কৰা কঠিন।

আত্মগোপনকাৰী দলৰ মাজত বৰ্তমান যি বিভেদৰ কথা প্ৰকাশ পাইছে তাৰ যথাযথ মূল্যাংকন কৰাও সহজ নহয়। এই বিভেদ আত্মগোপনকাৰী দলৰ মূল লক্ষ্যৰ ক্ষেত্ৰত হৈছে বুলি ধৰি ল'লে ডাঙৰ ভুল কৰা হ'ব। আত্মগোপনকাৰী নগাৰ নেতৃত্বৰ বাবে হোৱা বিবাদে তেওঁলোকৰ দাবীৰ কিবা পৰিৱৰ্তন ঘটাব বুলি আশা কৰিব নোৱাৰি। লণ্ডন প্ৰবাসী বিদ্ৰোহী নেতা ফিজোৱে আলোচনা দীঘলীয়া কৰিবলৈ পৰামৰ্শ দিয়াৰ উদ্দেশ্যৰ প্ৰতিও মনোযোগ দিব লাগিব। বাতৰিত প্ৰকাশ পোৱা মতে ফিজো, প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে আত্মগোপনকাৰী দলক দিব খোজা স্বনিয়ন্ত্ৰণৰ অধিকাৰত সন্তুষ্ট হ'ব পৰা নাই। সেইকাৰণেই তেওঁ অধিক সুবিধা আদায়ৰ বাবে আলোচনা চলোৱাৰ পৰামৰ্শ দিছে। দীঘলীয়া আলোচনাই নগাৰ প্ৰশ্নটো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিবলৈকো ফিজোক সুবিধা দিব।

কিন্তু, ডাঙৰ কথা হৈছে— নগা বিদ্ৰোহীৰ চীনৰ লগত সংযোগ স্থাপনৰ পৰা। চীনে আত্মগোপনকাৰী নগাক অস্ত্ৰ-শস্ত্ৰৰ সাহায্য দিবলৈ লৈছে বুলি বাতৰি ওলাইছে। পাকিস্তানে আত্মগোপনকাৰী নগাক সাধ্যমতে সহায় কৰি আহিছে। এই দুয়োখন দেশে ভাৰত বিৰোধী প্ৰচাৰ কাৰ্যত নগা সমস্যাৰ সুযোগ লৈছে।

আৰু যুদ্ধবিৰতি! শান্তি আলোচনাৰ সহগামী যুদ্ধ বিৰতিয়ে নগালেণ্ড ৰাজ্যত গুলীৰ শব্দ বন্ধ কৰিলেও মণিপুৰৰ যুদ্ধবিৰতি ঘোষিত অঞ্চলত কোনো ফল দিয়া নাই ; বৰং ইয়াৰ বাবে অসতৰ্ক নিৰাপত্তা বাহিনীৰ লোকে প্ৰাণ দিব লগা হৈছে। আনকি অসমৰো সীমান্তৱৰ্তী লোক সন্ত্ৰস্ত থাকিব লগা হৈছে। এই অৱস্থা অনিৰ্দিষ্ট কাললৈ চলি থাকিবনে?

ভাৰত চৰকাৰে নগা সমস্যাটো আপোচ-মীমাংসাৰে সমাধান কৰিবলৈ লোৱাটো ভাল কথা কিন্তু এই বিষয়ত পলম কৰাৰ পৰিণাম সমগ্ৰ পূৰ্ব ভাৰততে কেনেদৰে পৰিলক্ষিত হৈছে তালৈকো মনোযোগ দিয়া উচিত।

## অসমৰ নিয়োগ পৰিস্থিতি

যোৱা দুবছৰত একেৰাহে অসমত নিয়োগ পৰিস্থিতিৰ অৱনতি ঘটাৰ বিষয়ে বাতৰি কাকতত ওলোৱা খবৰৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে বুলি কেন্দ্ৰীয় শ্ৰমমন্ত্ৰীয়ে লোকসভাত প্ৰকাশ কৰিছে। তেওঁ কৈছে যে যোৱা তিনি মাহত এই অৱনতি উল্লেখযোগ্য বিধৰ হৈছে। নিয়োগ সম্পৰ্কত অলপতে প্ৰকাশিত সমীক্ষা মতে ১৯৬৬ চনৰ ছেপ্টেম্বৰ মাহত সমূহীয়াভাৱে ৰাজ্যখনত নিয়োগৰ সংখ্যা বৃদ্ধি পায় যদিও আগৰ বছৰটোৰ তুলনাত শতকৰা দশমিক ৩ ভাগ হ্ৰাস পাইছিল।

অসম চৰকাৰৰ অৰ্থনৈতিক আৰু পৰিসংখ্যা বিভাগৰ এটা সমীক্ষাত ১৯৬৬ চনৰ বছৰটো অৰ্থনৈতিক দিশৰ পৰা অশুভ বছৰ বুলি কোৱা হৈছে। অৰ্থনৈতিক কাৰ্যকলাপ সম্প্ৰসাৰিত নহ'লে নিয়োগ সংকুচিত হোৱাই

স্বাভাৱিক। কিন্তু প্ৰশ্ন হৈছে অসমত অৰ্থনৈতিক কাৰ্যকলাপ সম্প্ৰসাৰণৰ সুযোগ-সুবিধা নাই জানো? কেন্দ্ৰীয় শ্ৰমমন্ত্ৰীয়ে কোৱা মতে চাহ উদ্যোগত নিয়োগ হ্ৰাস পোৱা বাবেই ঘাইকৈ এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। চাহ বাগিচাত পাত তোলাৰ সময়ত অধিকসংখ্যক বনুৱা নিয়োগ কৰা হয় ; এইবিলাক ওপৰঞ্চি বনুৱা। এই ওপৰঞ্চি বনুৱাসকলৰ ভিত্তিত সমূহীয়াভাৱে নিয়োগ পৰিস্থিতি নিৰ্ধাৰণ কৰিবলৈ গ'লে প্ৰকৃত অৱস্থাৰ ভূ-পোৱা নাযায়। আচলতে অসমত কিমান প্ৰশিক্ষণ প্ৰাপ্ত আৰু প্ৰশিক্ষণ নোপোৱা লোক নিবনুৱা হৈ আছে তাৰ হিচাপেহে আচল ৰূপটো দাঙি ধৰিব পাৰে। অসমত নিবনুৱা সমস্যা কিমান জটিল হৈ পৰিছে, তাৰ স্বৰূপ বুজি ব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'লে চাহ উদ্যোগত নিয়োগ পৰিস্থিতি সম্পৰ্কে কমিটীৰ দ্বাৰা তদন্ত কৰালেই যথেষ্ট নহয়। অৱশ্যে চাহ উদ্যোগত ১৯৬৫ আৰু ১৯৬৬ চনত শতকৰা যি হাৰত নিয়োগ হ্ৰাস পাইছে, তাৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰাও চৰকাৰৰ অপৰিহাৰ্য দায়িত্ব।

অসমৰ নিয়োগ পৰিস্থিতিৰ উন্নতি সাধন কৰিবলৈ অৰ্থনৈতিক কাৰ্যকলাপ চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে বৃদ্ধি কৰিব লাগিব আৰু লগতে থলুৱা নিবনুৱাৰ স্বাৰ্থৰ প্ৰতি সৰ্বপ্ৰথমে মনোযোগ দিব লাগিব। এই বিষয়ত ৰাজ্যিক আৰু কেন্দ্ৰীয় উভয় চৰকাৰৰে দায়িত্ব আছে।

## কাছুটি

"ৰূপহী কপাহী বাই, কাপোৰ তোৰ ওলাল নে নাই?"— এই বুলি গীতিকাৰে প্ৰশ্ন কৰিছিল নিশ্চয় ১৯৬২ চনত "হিমালয়ান ব্লাণ্ডাৰ" কৰি চৰকাৰে হিমালয়ত জোৱানসকলক যথেষ্ট কাপোৰ যোগাব নোৱাৰা কথাৰ পৰিপ্ৰেক্ষিতত। কিন্তু কপাহী বাই নাইবা ডেক্ৰনী-টেৰিলিনী ভাইসকলক অবিৰাম এই সুৰত আহ্বান জনোৱাৰ এটা বিপদো আছে যেন পাইছো। সিদিনাখন লোকসভাত এটা প্ৰশ্নৰ উত্তৰত বোলে চৰকাৰ পক্ষৰ পৰা জনোৱা হ'ল যে দিল্লীত চৰকাৰী অফিচত কাম কৰা ৪৬ হেজাৰমান মহিলাই অফিচত কি কাপোৰ পিন্ধিব লাগে সেই সম্পৰ্কে ১৯৫৪ চনতে এখন পৰিপত্ৰ প্ৰচাৰ কৰা হৈছিল আৰু তাত এটা পৰামৰ্শ আছিল যে "ব্লাউজ পিচবিলাক যথেষ্ট দীঘল হ'ব লাগে।" ইয়াৰ অৰ্থ এয়ে যে আইদেউহঁতে তাকৰকৈ কাপোৰ ব্যৱহাৰ কৰাৰ অভ্যাস কৰি লৈছে। চেপামৰা পোছাক পিন্ধাৰ কথাও কেন্দ্ৰীয় চৰকাৰৰ অৱগত আছে, যদিও চৰকাৰে তাক নিষিদ্ধ কৰাৰ কথা ভবা নাই হেনো। ৰাহুল সাংকৃত্যায়নৰ ভল্গাপৰীয়া প্ৰাচীন সভ্যতাৰ লোকসকলৰ কাহিনী যিসকলে বিশ্বাস কৰে— পণ্ডিত লোকৰ কথা বিশ্বাস নকৰিবৰো কাৰণ নাই— তেওঁলোকে ব্যৱহৃত বস্ত্ৰৰ স্বল্পতাৰ কথা বুজিব পাৰিব। প্ৰকৃতিলৈ প্ৰত্যাৱৰ্তন  কৰাৰ আন্দোলন এটাও আছে। এইবিলাক কথন-মথনৰ ফলতেই আজিকালি বস্ত্ৰৰ স্বল্পতাৰ ঢং দেখিবলৈ পোৱা গৈছে নেকি ঠিক বুজিব পৰা হোৱ নাই। মোৰ ছোৱালীক বোৰ্খাৰ তলত সোমাই ফুৰিবলৈ দিব নোৱাৰো— এনেকৈ কোৱা মাতৃৰ কথা বাতৰি কাকতত ওলাইছেই। ল'ৰাহঁতৰ চেপা মৰা পেণ্টটোওতো চুড়িদাৰ পায়জামাৰ এক সংস্কৰণ যেনেই লগা হৈছে। গতিকে কাপোৰৰ ব্যৱহাৰ আনুপাতিকভাৱে কমি গৈছে নেকি তাৰ এটা লেখ ল'ব লগা হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ উক্ত তেৰ বছৰীয়া পৰিপত্ৰখনত হেনো এইবিলাক পৰামৰ্শও দিয়া হৈছে ঃ কৰ্মী মহিলাই পিন্ধা শাড়ী-ব্লাউজবোৰ পাতল বৰণীয়া হ'ব লাগে ; উজ্জ্বল ৰং, জকমকীয়া আৰু চকু চাৎ মাৰি ধৰা চানেকি পৰাপক্ষত বাদ দিব লাগে ; পোছাকবোৰ স্বদেশী আৰু সম্ভৱস্থলত হাতেকটা সূতাৰ হাতেবোৱা কাপোৰৰ হ'ব

লাগে। অফিচৰ পোছাক হ'ব লাগে সাধাৰণ শেল থকা বা একেবাৰে শেল নথকা কপাহী বা ছিল্কৰ শাড়ী, ছালৱাৰ-কামিজ-দোপত্তা অথবা স্কাৰ্ট আৰু ব্লাউজ। ছালৱাৰ-কামিজ চৰকাৰী পাৰ্টিতো পিন্ধিব পাৰি। এই নিৰ্দেশ কিমানে মানি চলিছে জনা নেযায়। চাৰ্কুলাৰখনৰ পৰা অন্ততঃ এটা কথা বুজা গ'ল যে দিল্লীৰ চৰকাৰী অফিচত অসমীয়া মহিলাই কাম নকৰে বা কৰে যদিও কৰ্তৃপক্ষৰ চকুত পৰা নাই। অসমীয়া ৰিহা-মেখেলাযোৰক বাহিৰত সকলোৰে বৰ আদৰৰ চকুৰে চায় বুলি ভ্ৰমণ কাহিনীবিলাকত যে পঢ়িবলৈ পোৱা যায়, কথাটো সঁচা নহয় নেকি? অৱশ্যে অসমতো দ্ৰুতগতিত শাৰী আৰু ছালৱাৰ-কামিজৰ প্ৰচলন হোৱাটোৱে ৰিহা-মেখেলাৰ গৌৰৱ ম্লান কৰাত বৰঙণি যোগাব পাৰে। যি নহওক, ইয়াৰ ফলত আমাৰ কপাহী বাইহঁতৰ দুৰ্গতি হয় বুলিহে আমাৰ অলপ খুকুৰি লাগিছে। আনহাতে, বস্ত্ৰৰ যোগেদি এটা সাংস্কৃতিক আদান-প্ৰদান হৈছে বুলিও আমি গৌৰৱ কৰিব পাৰো। কাৰণ আমি আনৰ চেপামৰা পেণ্ট, মিনি ব্লাউজ, শাৰী, ছালৱাৰ-কামিজ গ্ৰহণ কৰাৰ সময়তে আমাৰ ইয়াৰ বিচিত্ৰ চানেকিৰ তাঁতৰ কাপোৰ বাহিৰলৈ গৈ আছে। চীনে দখল কৰাৰ আগলৈকে তিব্বতখন অসমৰ এড়ি কাপোৰৰ হেনো এখন ভাল বজাৰ আছিল।

মঙ্গলবাৰ, ২৪ জুলাই, ১৯৬৭ চন

# অনাতাঁৰ কেন্দ্ৰৰ দুকুৰি বছৰ

পৰহি দেওবাৰে ভাৰত চৰকাৰৰ অনাতাঁৰ প্ৰচাৰ ব্যৱস্থাৰ দুকুৰি বছৰ পূৰ হ'ল। ভাৰত বিভাজনৰ সময়ত থকা নটা প্ৰচাৰ কেন্দ্ৰৰ ছটা ভাৰতৰ ভাগত আৰু তিনিটা পাকিস্তানত পৰিছিল। এতিয়া স্বাধীনোত্তৰ কালত মূল অনাতাঁৰ ষ্টেচনৰ সংখ্যাই হৈছেগৈ ছয়ত্ৰিশ। তদুপৰি সহায়ক কেন্দ্ৰ, প্ৰেৰক কেন্দ্ৰৰ সংখ্যাও বহু। আনহাতে প্ৰচাৰৰ সময়ো বঢ়াই নি এতিয়া প্ৰায়বোৰ কেন্দ্ৰৰ পৰা কমেও ১০-১২ ঘণ্টাকৈ অনুষ্ঠান প্ৰচাৰিত হয়। ভাৰতীয় সকলো ভাষাৰ উপৰি বিদেশৰ শ্ৰোতাৰ বাবেও বিভিন্ন ৰাষ্ট্ৰৰ বহু ভাষাত অনাতাঁৰ অনুষ্ঠান প্ৰচাৰিত হয়। টেলিভিছনৰ পৰীক্ষামূলক ব্যৱস্থাও ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু তাৰো প্ৰসাৰৰ আঁচনি হাতত লোৱা হৈছে। দেখদেখকৈ, ভাৰত চৰকাৰে ১৯২৭ চনৰ ২৩ জুলাই তাৰিখে বোম্বাইত উদ্বোধন কৰা অনাতাঁৰ ব্যৱস্থাই আজি দুকুৰি বছৰে ভালদৰে থিতাপি লৈছে আৰু লাখ লাখ গাঁও আৰু নগৰবাসী লোকৰ তথ্য, আমোদৰ বাহক হ'বলৈ চেষ্টা কৰি আহিছে। স্বাধীনোত্তৰ ভাৰতত অল ইণ্ডিয়া ৰেডিঅ'ই তথ্য আৰু আমোদ বিতৰণৰ উপৰি জনহিতৰ আদৰ্শ প্ৰচাৰ কৰি আহিছে। এই সকলোবোৰ আদৰণীয় আঁচনি নিশ্চয়। কিন্তু আঁচনি, আঁচনিৰ কাৰ্যকাৰিতা, আঁচনি প্ৰয়োগৰ বাবে আৱশ্যকীয় প্ৰতিভা আৰু নিষ্ঠা— আদিৰ কথা এইখিনিতে অনুষ্ঠানৰ কৃতিত্বৰ বাবে প্ৰশাসনীয় বিচক্ষণতা অতি আৱশ্যক। কিন্তু বিদেশী শাসকে পৰাধীন লোকৰ হতুৱাই নিজৰ স্বাৰ্থৰ বাবে চলোৱা শাসন ব্যৱস্থা আৰু স্বাধীন দেশৰ বিষয়াই দেশৰ তথা সমূহ ৰাইজৰ স্বাৰ্থৰ বাবে চলোৱা শাসন ব্যৱস্থাৰ মাজত নিশ্চয় তাৰতম্য থকা উচিত। এটাত মাত্ৰ জীৱিকা অৰ্জনৰ বাবে কাম কৰাৰ প্ৰশ্ন উঠে ; আৰু আনটোত জীৱিকাৰ উপৰি স্বদেশ-স্বজাতিৰ প্ৰতি থাকিব লগা কৰ্তব্যবোধৰ কথাই আগ ঠাই পাব লাগে। দুখৰ বিষয় প্ৰাক্ স্বাধীন যুগৰ বিষয়া-আমোলা আৰু তেওঁলোকৰ আৰ্হিৰ ন আমোলা-বিষয়া এচামে ঠিক এই দৃষ্টিভংগীৰে শাসন ব্যৱস্থা নচলোৱা

বাবে বিভিন্ন দিশত দেশৰ অগ্ৰগতি মন্থৰ আৰু কেতিয়াবা বিপথগামী হৈছে। আনহাতে ন-চামৰ বেছিভাগ তথাকথিত যোগ্যতাৰ চাকৰি পোৱা ভাবতে উচ্চাত্মিকা ভাব লৈ নাইবা হতাশাৰ ছবি সন্মুখত লৈ নিষ্ঠাৰে সৃষ্টিশীল চেষ্টা নিজেও নকৰে আৰু আনৰ হতুৱাই কৰোৱা বিষয়তো উদাসীন হৈ থাকে। এইবোৰৰ আন এটা কাৰণ হ'ল, বিভাগীয় দুই-এক মন্ত্ৰীৰ কালোপযোগী ৰাজহুৱা বিবেচনাতকৈ নিজস্ব বদ্ধমূল মানসিক ভাবধাৰা প্ৰয়োগৰ চেষ্টা। সেয়ে একোগৰাকী মন্ত্ৰী সলনি হোৱাৰ লগে লগে অনাতাঁৰৰ মূল নীতিও সলনি হয়। অনাতাঁৰ প্ৰচাৰ ব্যৱস্থা স্বয়ং শাসিত কৰ্পৰেচনৰ হাতলৈ হস্তান্তৰ কৰা এই কাৰণেও উচিত। ড° কেশকৰেও এনে ব্যৱস্থা ভাবি চোৱা হ'ব বুলি পিচুৱাই পিচুৱাই শেষলৈ গ্ৰহণ নকৰিলে। প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু স্বয়ং শাসিত অনাতাঁৰ কৰ্পৰেচনৰ পক্ষপাতী থাকিলেও, দলীয় হেঁচা আৰু স্বাৰ্থৰ বাবে এই মাধ্যমটো এটা বিশেষ গোষ্ঠীৰ প্ৰচাৰযন্ত্ৰ হৈ থকাত বাধা দিব পৰা নাছিল। কিন্তু এইবেলিৰ নিৰ্বাচনে সকলো ওলট-পালট কৰিলে। বিবিধ দলৰ মন্ত্ৰীসভা হ'ল, বিবিধ দলে অনাতাঁৰ মাধ্যমৰ সুযোগ বিচাৰিলে, পশ্চিমবংগ মন্ত্ৰীসভাই অনাতাঁৰৰ লগত অসহযোগ কৰিলে। এই বিষয়ে চন্দ সমিতিৰ অনুমোদন বৰ্তমান কেন্দ্ৰীয় চৰকাৰে বিৱেচনা কৰা বা বৰ্তমানৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰী শ্ৰীকে কে শ্বাহ এই বিষয়ে সহানুভূতিশীল বোলা— কথাই যথেষ্ট নহয়। অতি সোনকালে চৰকাৰে স্পষ্টভাৱে ঘোষণা কৰি, অনাতাঁৰ ব্যৱস্থাক স্বয়ংশাসিত কৰ্পৰেচনৰ অধীনলৈ আনিব লাগে ; প্ৰতি ৰাজ্যৰ ৰাজ্যিক চৰকাৰৰ লগত সেই ৰাজ্যৰ অন্তৰ্গত অনাতাঁৰ কেন্দ্ৰৰ সংযোগ থাকিব লাগে, আৰু তাৰ বাবে ৰাজ্যিক ভেটিত উচ্চ পৰ্যায়ৰ ক্ষমতাসম্পন্ন কেন্দ্ৰীয় কৰ্পৰেচনৰ শাখা থাকিব লাগে। সেই শাখাত ৰাজ্যিক চৰকাৰৰ প্ৰতিনিধিত্বৰ উপৰি থলুৱা সংস্কৃতিৰ লগত বাস্তৱক্ষেত্ৰত জড়িত চিন্তাশীল ন-পুৰণি চামৰ কৰ্তৃত্বশীল প্ৰতিনিধিত্বও অতি আৱশ্যক।

এইখিনিতে আৰু এটা কথা মনত পৰে। সেয়া হ'ল প্ৰস্তাৱিত বিজ্ঞাপন প্ৰচাৰৰ কথা। যি সময়ত ভাৰতত অতি কমসংখ্যক ৰেডিঅ'-ছেট আছিল, ৰাজহ কম আছিল— তেতিয়াও 'বহুজন, হিতায় বহুজন সুখায় চ', এই মূল মন্ত্ৰেৰে চৰকাৰে এই ব্যৱস্থাক শিক্ষাৰ অংগ হিচাপে ব্যয়ভাৰ বহন কৰিও চলাইছিল। এতিয়া দহ-বাৰগুণে ৰেডিঅ'-ছেট বঢ়াত আৰু সমানে ৰাজহ বঢ়া অৱস্থাত— অনাতাঁৰ ব্যৱস্থাৰ ঘাটি যথেষ্ট কমিছে। অৱশ্যে দূৰদৰ্শী দৃষ্টিভংগীৰ অভাৱত জধে-মধে পুতলা ষ্টেচন খুলি ; ওপৰ গধূৰ শাসনেৰে চহী দিয়া অলাগতিয়াল বেছি দৰমহাৰ বিষয়া বঢ়াই অথচ একে অনুপাতে প্ৰকৃত অনুষ্ঠান নিবেদকৰ সংখ্যা বা দৰমহা নবঢ়াই ;— বৰ্ধিত ৰাজহৰ অপব্যয় কৰাটো দেখদেখকৈ ওলাই আছে। সেইবোৰ বিষয়লৈ চকু দি,— বৰ্তমানে প্ৰস্তাৱিত বিজ্ঞাপন প্ৰচাৰৰ কথা নভবাটো ভাল যেন অনুমান হয়। এনেয়ে আমাৰ অনুষ্ঠানৰ মান সময় বঢ়াৰ লগে লগে অধিক নিম্নমুখী হৈছে ; তাতে নানা ধৰণৰ নিম্ন পৰ্যায়ৰ ৰুচিসম্পন্ন বিজ্ঞাপন সন্নিৱিষ্ট কৰিলে— এহাতে অনাতাঁৰ প্ৰচাৰৰ সামগ্ৰিক মূল্যমানত আঘাত পৰিব, আনহাতে ব্যৱসায়ী মনোভাৱে শিপা মেলি কলা-সংস্কৃতি-সাহিত্য আদিৰ প্ৰতি আৱশ্যকীয় দৃষ্টিভংগী বিপথে নিয়াব। তদুপৰি অৰ্ধশিক্ষিত আৰু বিভিন্ন ভাষা-ভাষী সমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ ব্যৱস্থাৰ দিহা কৰা ক্ষুদ্ৰ বাতৰি কাকত আৰু সাময়িকীবিলাকৰ উন্নতিৰ ক্ষেত্ৰতো কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ বিভাগৰ দায়িত্ব আছে। অনাতাঁৰ যোগে বিজ্ঞাপন প্ৰচাৰ আৰম্ভ কৰিলে, এই বাতৰি কাকত আৰু সাময়িকীবিলাক অৰ্থৰ অভাৱত পৰাৰ সম্ভাৱনা আছে। সুখৰ কথা, বাতৰি কাকতৰ প্ৰতিনিধিসকলৰ লগত হোৱা আলোচনাৰ ফলত কেন্দ্ৰীয় তথ্যমন্ত্ৰীয়ে আগষ্টৰ পৰা আৰম্ভ কৰিব খোজা এই প্ৰস্তাৱিত বিজ্ঞাপন প্ৰচাৰ

নৰেশ্বৰ মাহলৈ স্থগিত ৰাখিছে। আমি আশা কৰো, এই বিষয়টো পুনৰ বিবেচনা কৰা হ'ব আৰু আকাশবাণীক স্বয়ংশাসিত কৰ্পৰেচনলৈ ৰূপান্তৰিত কৰাৰ পিচতহে এই বিষয়ে বিচাৰ-বিবেচনা কৰি চোৱা উচিত হ'ব।

## মানাহ অভয়াৰণ্য

প্ৰাকৃতিক দৃশ্যৰ দিশৰ পৰা কাজিৰঙাতকৈ অধিক আকৰ্ষণীয় হোৱা সত্বেও মানাহ অভয়াৰণ্যই যথেষ্ট সংখ্যক পৰ্যটক আকৰ্ষণ কৰিব নোৱাৰাৰ কাৰণ হ'ল যাতায়াত ব্যৱস্থাৰ অসুবিধা, থকা-মিলা, খোৱা-বোৱাৰ ব্যৱস্থাৰ অভাৱ আৰু বনৰীয়া ম'হ, হাতী, বাঘ, চৰাই আদি চোৱাৰ বা পিঠীয়া আদি মাছ চিকাৰৰ অব্যৱস্থা। বৰ্তমান এইবোৰ কথালৈ লক্ষ্য কৰি, অসম চৰকাৰৰ পৰ্যটন বিভাগে মানাহ অভয়াৰণ্যৰ পৰিচালনা বন বিভাগৰ হাতৰ পৰা অধিগ্ৰহণ কৰাটো সুখৰ কথা। পৰ্যটন বিভাগে মানাহ অভয়াৰণ্যলৈ যোৱা আলিবাটৰ উন্নতি কৰাত যেন পোনতে মনোযোগ দিয়ে। তদুপৰি অধিক লোক একে সময়তে থকাৰ ব্যৱস্থা, ভাল হোটেলৰ ব্যৱস্থা, ফুৰা-চকাৰ বাবে উপযুক্ত ঠাইবোৰৰ সংৰক্ষণ, যান-বাহনৰ যোগান আদিৰ কথা ভাবিব লাগিব। পশ্চিমবংগৰ পৰ্যটন বিভাগে যান-বাহনৰ যোগানেৰে আৰু সকলো প্ৰকাৰৰ সুবিধা দি দীঘা, ডায়মণ্ড হাৰবাৰ আদি ঠাইলৈ একো একোটা পৰ্যটক দল নিয়াৰ ব্যৱস্থা প্ৰায়েই কৰে। তদুপৰি বিভিন্ন ৰাজ্যৰ পৰ্যটন বিভাগে তীৰ্থস্থান, নদী সংগম, পৰ্বতীয়া স্বাস্থ্য নিবাস আদিলৈ আৰু আনকি আন্তঃৰাজ্যিক পৰ্যটনৰ সা-সুবিধাও মাজে মাজে কৰিয়েই থাকে। অসম চৰকাৰৰ পৰ্যটন বিভাগে গুৱাহাটী, শ্বিলং, যোৰহাট, ডিব্ৰুগড় আদি ঠাইক কেন্দ্ৰ কৰি ছাত্ৰদল আৰু আন পৰ্যটক দলক বিভিন্ন অভয়াৰণ্য, শৈল নিবাস, বুৰঞ্জী প্ৰসিদ্ধ স্থান, বৈদ্যুতিক শক্তিকেন্দ্ৰ, কল-কাৰখানা, নেফা-নগা-মণিপুৰ, ত্ৰিপুৰা ৰাজ্যাঞ্চল আদি চোৱাৰ সা-সুবিধা কৰি দিয়াৰ কথা জানো ভাবিবই নোৱাৰে। গুৱাহাটীৰ কৰ্মচাৰী থলুৱা ছাত্ৰ, শিক্ষক আদিক ওচৰ-পাজৰৰ মানাহ, শ্বিলং, কাজিৰঙা আদি ঠাই দেখুওৱাৰ বাবে প্ৰত্যেক মাহৰ প্ৰথম আৰু দ্বিতীয় শনি-দেওবাৰে এনে চমু পৰ্যটনৰ ব্যৱস্থা কৰিব পাৰি। তদুপৰি বছৰত এবাৰকৈ হ'লেও আন্তঃৰাজ্যিক পৰ্যটনৰ ব্যৱস্থাৰ কথা ভাবিব পাৰে। গুৱাহাটীৰ ওচৰৰ বশিষ্ঠাশ্ৰমৰ প্ৰায় গাতে লগাই হ'ব ধৰা নতুন ক্ষুদ্ৰ নগৰখনে যাতে পৰ্যটকৰ এই মনোৰম ঠাই ডোখৰৰ আকৰ্ষণ নকমায়, তালৈকো চকু ৰাখিবলৈ এই ছেগতে আমি চৰকাৰক সকীয়াই থ'লো। ৰাজ্যৰ প্ৰাচীন ভগ্নাৱশেষবোৰৰ সংৰক্ষণৰ প্ৰতিও অধিক তৎপৰতা আমি সংশ্লিষ্ট মহলৰ পৰা আশা কৰো।

<u>সোমবাৰ, ৩১ জুলাই, ১৯৬৭ চন</u>

## মধ্যপ্ৰদেশৰ ধুমুহা

মধ্যপ্ৰদেশৰ ৰাজনৈতিক ধুমুহাৰ স্বৰূপ এতিয়া মুকলিলৈ আহিছে। অৱশেষত শ্ৰীডি-পি মিশ্ৰই নতি স্বীকাৰ কৰিলে। অৱশেষত কেন্দ্ৰীয় কংগ্ৰেছ নেতাবৃন্দয়ো শুদ্ধ সিদ্ধান্তলৈ আহিবলৈ বাধ্য হ'ল। মধ্যপ্ৰদেশ বিধানসভাত পৰহি বহু বিলম্বিত ভোট গ্ৰহণ হৈ গ'ল আৰু আশা (বা কোনোৱে আশংকা) কৰা মতেই কংগ্ৰেছ চৰকাৰ পক্ষই পৰাজয় বৰণ কৰিলে। এসপ্তাহ মানৰ আগতে ৩৬ জন কংগ্ৰেছ এম এল এই দল সলনি কৰাৰে পৰা ভূপালত যি ৰাজনৈতিক ধামখুমীয়াৰ সৃষ্টি হ'ল তাৰ পৰাই এই ধৰণৰ পৰিণতিৰ কথা বুজিবলৈ কাৰো বাকী নেথাকিল।

কিন্তু শ্ৰীমিশ্ৰই আঁকোৰগোজ মনোভাৱেৰে এই পৰিণতি এৰাই যাবলৈ আপ্ৰাণ চেষ্টা কৰিলে আৰু তেওঁৰ এই অপচেষ্টাত কেন্দ্ৰীয় নেতৃবৃন্দয়ো মূৰ দুপিয়াব খোজা যেন কৰিলে। বৰ আচৰিত কথা যে চূড়ান্ত সিদ্ধান্তৰ কাৰণে সকলো পক্ষই দিল্লীলৈ দল-বল লৈ ঢাপলি মেলিলে, অথচ দিল্লীৰ প্ৰভুসকলে নিজৰ ভিতৰত থকা মতভেদৰ কাৰণে কোনো সিদ্ধান্ত কৰি দিব নোৱাৰি তাৰ ভাৰ পুনৰ শ্ৰীমিশ্ৰৰ ওপৰতে এৰি দিলে। বিধানসভা ভাঙি দিবলৈ আৰু মধ্যৱৰ্তীকালীন নিৰ্বাচন পাতিবলৈ ৰাজ্যপালক পৰামৰ্শ দিবলৈ শ্ৰীমিশ্ৰই যি জেদ কৰিছিল তাক যেন কেন্দ্ৰীয় কংগ্ৰেছ সংসদী দলৰ বৃহদাংশই নুই কৰিব পৰা নাছিল। শ্ৰীমোৰাৰজী প্ৰমুখ্যে এভাগে অৱশ্যে এই ব্যৱস্থাৰ ঘোৰ বিৰোধিতা কৰি আহিছিল আৰু শেষ মুহূৰ্তত মিশ্ৰ চৰকাৰ নিশ্চিতভাৱে পৰাভূত হোৱাত এই মত ৰজিলগৈ আৰু শ্ৰীকামৰাজে শ্ৰীমিশ্ৰক পদত্যাগ কৰিবলৈ বাধ্য কৰিলে। এইটোও যে লজ্জা নিবাৰণৰহে এটা প্ৰয়াস মাত্ৰ তাকো বুজিবলৈ কাৰো বাকী নাই। কাৰণ ইতিমধ্যে সংসদী গণতন্ত্ৰৰ আদৰ্শত যি ক্ষতি হ'ব লাগে সি হৈ গ'ল।

শ্ৰীদ্বাৰকা প্ৰসাদ মিশ্ৰৰ ৰাজনৈতিক জীৱন বৰ্ণাঢ্য বুলি বৰ্ণোৱা হৈছে। নেহৰুৰ লোকান্তৰৰ পিচতে দলীয় তথা চৰকাৰী মহলত তেওঁৰ ক্ষমতা উৰ্দ্ধমুখী হৈছিল আৰু তাক আন আন মুধাফুটা নেতাৰ দৰে তাৎপৰ্যপূৰ্ণ সাধাৰণ নিৰ্বাচনেও ব্যাহত কৰিব পৰা নাছিল। নিৰ্বাচনত কাম চলাব পৰাকৈ মধ্যপ্ৰদেশ কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰাত তাৰ সৈতে অন্যান্য কৌশল সংযোগ কৰি তেওঁ পুনৰ ক্ষমতাত গজগজীয়া হৈ বহিছিল। তেওঁ নিজৰ বিষয়ে ইমানেই নিশ্চিত হৈ পৰিছিল যে বিপদৰ অন্ধকাৰ ঘনীভূত হৈ অহা সত্বেও নৈতিকতাৰ হাস্যকৰ প্ৰশ্ন তুলি নতুন নিৰ্বাচন পাতি গৃহত্যাগী সহযোগীসকলক এসেকা দিবলৈ উৰ্দ্ধতন মহলক সৈমান কৰাবলৈ গ'ল আৰু এই কামত ভালেখিনি কৃতকাৰ্য হোৱাৰ উপৰি অনমনীয় মনোভাৱ দেখুওৱা সহযোগীসকলক বেলেগ নেতা বিচাৰি ল'বলৈ ক'বলৈকো প্ৰয়াস পালে। এনেকৈ অন্ধভাৱে বাস্তৱলৈ পিঠি দিয়া কাৰণেই গোৱালিয়ৰৰ ৰাজমাতাৰ মাজত যে তেওঁৰ সৰ্বনাশ সৃষ্টি হ'ব ধৰিছে সেই বিপদলৈ চকু দিব নোৱাৰিলে। দেৱতাও যে হাৰে এই কথা ক্ষমতাত অধিষ্ঠিতসকলে উপলব্ধি কৰিব নোৱাৰা যেন হৈছে। উল্লেখযোগ্য যে শ্ৰীমিশ্ৰই প্ৰদেশ কংগ্ৰেছ বিধায়িনী দলৰ নেতৃত্বও পৰিহাৰ কৰিছে।

যিসকলে তেওঁৰ পৰাজয় আনিলে, ৰাজমাতা বিজয় ৰাজে ছিন্ধিয়াৰ নেতৃত্বাধীন সেই সংযুক্ত বিধায়ক দলে নতুন চৰকাৰ গঠন কৰা সম্পৰ্কে এই কথা লিখি থকালৈকে নিশ্চিতভাৱে একো জানিব পৰা হোৱা নাই। মধ্যপ্ৰদেশত এনে ওলট-পালট সৃষ্টি কৰিব পৰা ৰাজমাতাৰ ক্ষমতাক নিশ্চয় এক হিচাপে প্ৰশংসাৰ চকুৰে চাব লাগিব। কিন্তু যিটো বিৰোধী দলক তেওঁ নিৰ্বাচনৰ পিচৰ পৰা নেতৃত্ব কৰি আহিছে তাত স্বৰ্গ-মৰ্ত্যৰ প্ৰভেদ থকা পৰস্পৰ বিৰোধী দলবিলাক আছে। ৰাজমাতাৰ ৰাজনৈতিক কৌশলো স্ব-বিৰোধপূৰ্ণ ; এসময়ত নিৰ্মূল কৰা দলৰ লোককে এতিয়া তেওঁ নিজৰ শিবিৰৰ সৈনিক পাতি লৈছে। শ্ৰীমিশ্ৰ আৰু কংগ্ৰেছক ধ্বংস কৰিবলৈকে তেওঁ ৰাজনীতিত সক্ৰিয় হৈ উঠিছিল। এতিয়া তেওঁৰ নেতৃত্বাধীন বিৰোধী পক্ষসমূহে সৰ্বসন্মত কাৰ্যসূচী উলিওৱা হৈছে বুলি কৈছে, কিন্তু তেওঁলোকৰ নীতি এতিয়াও অস্পষ্ট। সৰ্বসন্মত কাৰ্যসূচী গৃহীত হ'লেও বিৰোধী পক্ষৰ কিছুমান দলৰ জনাজাত নীতিত উৎসাহ বোধ কৰিবলগীয়া একো নাই।

ভূপালত হৈ যোৱা ৰাজনৈতিক বিপৰ্যয়ে শ্ৰীমিশ্ৰ বা কংগ্ৰেছৰ ক্ষতি কৰা নাইবা ৰাজমাতা আৰু বিৰোধী পক্ষৰ লাভ কৰি দিয়া— কোনোটোৱেই ডাঙৰ কথা নহয়। ভাৰতৰ আধাতকৈ বেছি ৰাজ্যত কংগ্ৰেছৰ পতন

হ'ল, এই বিষয়ে চিন্তা কংগ্ৰেছ দলেই কৰক। কিন্তু আজি কিছুদিনৰ পৰা সংসদী ৰাজনীতিত হাৰিয়ানা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদি ৰাজ্যৰ সদস্য ফুচুলোৱাৰ নিচিনা অশুভ কাৰ্যৰ দ্বাৰা যি আদৰ্শৰ অধঃপতন ঘটোৱা হৈছে তাত মধ্যপ্ৰদেশে বিৰাট "বৰঙণি" যোগোৱাটোহে ডাঙৰ কথা। তদুপৰি শ্ৰীমিশ্ৰই নৈতিক সাংবিধানিক প্ৰশ্ন তুলি আৰু নিজৰ প্ৰভাৱ খটাই ৰাজনৈতিক হেতালি খেলাৰ যি নিদৰ্শন দেখুৱালে সি আৰু উদ্বেগজনক। ২৮ জুলাইত পুনৰ বহা বিধানসভাতে শক্তিৰ পৰিচায়ক চয়-নিচয় হৈ যাব খুজিছিল, কিন্তু এটা বিশেষাধিকাৰৰ প্ৰশ্ন তুলি শ্ৰীমিশ্ৰই সেই শেষ মুহূৰ্ততো ভোট গ্ৰহণ স্থগিত ৰখালে। আনকি পিচদিনা ভোটত হৰাৰ পিচতো তেওঁ পুনৰ দিল্লীলৈ যাবলৈ ওলাইছিল ; অৰ্থাৎ অন্তিম বেলাও তেওঁ দুৰাশা এৰি দিয়া নাছিল। সদস্য ফুচুলাই দল বৃদ্ধি কৰিবলৈ কিছুমান ৰাজ্যত যি দুষ্কাৰ্য চলিছে সি সংসদী ৰাজনীতিৰ ওপৰত থকা ৰাইজৰ আস্থা কমাই পেলাব। এই দোষৰ পৰা বিজয়িনী মাতাৰ নামো স্খলিত নহয়। ডলাৰ বগৰীৰ দৰে দল সলাই ফুৰা সদস্যসকলকতো পুতৌৰ বাহিৰে একো কৰিব নোৱাৰি। আনহাতে তেনে সদস্যক বলপূৰ্বক আটক কৰি ৰখাৰ অভিযোগ-প্ৰত্যভিযোগো উঠিছে। এইবোৰ কাৰ্যই ভাৰতৰ সংসদী গণতন্ত্ৰৰ ভৱিষ্যতকে আন্ধাৰ কৰি পেলাব খুজিছে।

## যন্ত্ৰ আৰু মন্ত্ৰ

এডগাৰ ভালাচৰ কাহিনী এটাত এনে এজন "ডিটেক্টিভ" আছে যি বন্ধ চিঠি এখন হাতৰ তলুৱাৰ ওপৰত ওজন কৰি চায়েই ক'ব পাৰে তাত কি লিখা আছে! পিচত অৱশ্যে পুলিচ বিষয়া এজনে উলিয়ালেগৈ যে মানুহজনেই আচলতে "চোৰ" আৰু তেৱেঁই ভাবুকি দিয়া চিঠিবোৰ লিখে। অদৃশ্য বস্তুৰ বৰ্ণনা দিব পৰা মেজিক মাজে-সময়ে আমি দেখিবলৈ পাওঁ। অৱশ্যে আঁহতৰ তলত বহি হাত চোৱা বহুতেই যে আপোনাৰ পেটত তিল আছে বুলি কোৱা ধৰণৰ সেইটোও আমি জানো— গাৰ ক'ৰবাত তিল মাহ থকাটো একো আচৰিত কথা নহয় আৰু তাৰ কাৰণে ভৱিষ্যৎদ্ৰষ্টা নহ'লেও চলে। (স্বীকাৰ কৰি থোৱা ভাল হ'ব যে মেজিচিয়ানে চকু বান্ধি ব্যস্ত চহৰৰ মাজেদি মটৰ চাইকেল চলোৱা বিদ্যা সম্বন্ধে আমাৰ সম্যক জ্ঞান নাই।) মাটিৰ তলত পানী আছে নে নাই সেইটো ওপৰৰ পৰাই ধৰিব পৰা যন্ত্ৰ এটা ৰুছিয়াত উলিওৱা হৈছে বুলি শুনি আমাৰ মনত পৰিল যে আগৰ দিনত নাৰদৰ ঢেঁকীৰ লেখীয়া উৰাজাহাজ থকাৰ দৰে কিছুমান প্ৰাচীন সমাজত মাটিৰ তলত পানী বিচাৰিব পৰা মানুহো থকা দেখা যায়। আফ্ৰিকাত উপনিৱেশ পাতিবলৈ যোৱা শ্বেতাংগ লোকে এনে কৃষ্ণাংগ লোকৰ সহায় লোৱাৰ কাহিনী পঢ়িবলৈ পোৱা যায়। কিছুদিনৰ আগতে হেনো ভাৰতৰো ৰাজস্থান আদি পানীৰ অভাৱ হোৱা কেতবোৰ ৰাজ্যত পানী বিচাৰি দিয়া এজন মানুহক নিয়োগ কৰি বহু ধন পানীত পেলোৱা হৈছিল— অৱশ্যে তেওঁ আৱিষ্কাৰ কৰা পানীত নহয়, প্ৰবচনীয় পানীতহে। ৰুছিয়াত তৈয়াৰ কৰা যন্ত্ৰটো খৰাং পীড়িত বিহাৰৰ কাৰণে বিশেষ উপযোগী হ'ব বুলি কোৱা হৈছে। আমাৰ চৰকাৰে যন্ত্ৰটো কিনি আনে নে নানে ক'ব নোৱাৰো। এনেকুৱাও হ'ব পাৰে যে এতিয়া যথেষ্ট বৰষুণ হোৱা কাৰণে (মনত ৰাখিব চতুৰ্থ পৰিকল্পনাৰ লক্ষ্য ৯০ নিযুত টন কৃষি উৎপাদন মৌচুমীৰ ওপৰত নিৰ্ভৰশীল) কথাটো তল পৰি থাকিব পাৰে আৰু অসমত খৰালি শুই থাকি বাৰিষা আলি বান্ধ আদি নিৰ্মাণ কৰিব খোজাৰ দৰে আকৌ অনাবৃষ্টি আহিলে কথাটো আকৌ ওলাব পাৰে। তেতিয়া আকৌ এইবুলি তৰ্ক লাগিব পাৰে যে ভাৰতৰ দৰে সুপ্ৰাচীন দেশত মন্ত্ৰসিদ্ধ পুৰুষ থাকোতে মহামূল্য বৈদেশিক মুদ্ৰা খৰচ কৰি কিয় জলসন্ধানী যন্ত্ৰ কিনিব লাগে? কামৰূপ-কামাখ্যা আৰু নিভাৰ্খাৰ দেশ অসমত থাকি এই কথা আমাৰেই প্ৰথমে উপলব্ধি হোৱা স্বাভাৱিক।

সোমবাৰ, ৪ চেপ্তেম্বৰ, ১৯৬৭ চন

# শিক্ষাৰ মাধ্যম আৰু অসম

অসমত পাৰ্বত্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মাধ্যম ইংৰাজীয়েই থকা উচিত বুলি শিক্ষামন্ত্ৰীসকলৰ সন্মিলনত গ্ৰহণ কৰা সিদ্ধান্তই গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰূপে ইংৰাজীকে ৰখাৰ কথা সূচাইছে— এই মৰ্মে আমি শ্বিলঙৰ পৰা বাতৰি পাইছো। শ্বিলঙত পাৰ্বত্য বিশ্ববিদ্যালয় পাতি তাত ইংৰাজীকেই শিক্ষাৰ মাধ্যমৰূপে ৰখা হ'ব যদিও বাকী দুখন বিশ্ববিদ্যালয়ত এই ব্যৱস্থা বাহাল ৰখা হ'ব। কিয়নো পাৰ্বত্য বিশ্ববিদ্যালয় পাতিলেও বিশেষ কেতবোৰ বিষয়ৰ অধ্যয়নৰ বাবে পাৰ্বত্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰী ভৈয়ামৰ বিশ্ববিদ্যালয় দুখনলৈহে আহিব লাগিব। পিচে পাৰ্বত্য ছাত্ৰৰ দোহাই দি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটো অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিব খোজাটো এটা অদ্ভুত যুক্তি। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ইংৰাজী নহ'লে কি অসুবিধা হ'ব, তাৰ দীঘলীয়া তালিকা দিয়া সকলৰ যুক্তি যিসকলে ওফৰাই পঠিয়াইছে, সেইসকলেই এতিয়া অসমৰ ক্ষেত্ৰত সেইবোৰ যুক্তিকে দাঙি ধৰিব খুজিলে আমাৰ সন্দেহ জন্মাটো স্বাভাৱিক কথা। বিভিন্ন ভাষা-ভাষী লোক আন ৰাজ্যতো আছে ; জনজাতীয় লোকৰ সংখ্যা দেশৰ কেতবোৰ ৰাজ্যত অসমতকৈ বেছি হ'লেও কম নহয় ; কেতবোৰ ক্ষেত্ৰত ইংৰাজীৰ অবিহনে ডাঙৰ অসুবিধাৰ সন্মুখীন হ'ব লাগিব বুলিও বহুতে দৃঢ়তাৰে অভিমত দিছে। তেনেস্থলত ভাৰতৰ আন কোনো ৰাজ্যত বা সৰ্বভাৰতীয় ক্ষেত্ৰত কোনো সমস্যা হ'ব বুলি স্বীকাৰ নকৰি অকল অসমৰ বেলিকা সেই সমস্যাক স্বীকৃতি দিব খোজাটো সৰল মনৰ পৰিচায়ক নহয়। এনে ব্যৱস্থাই অসমীয়া ভাষাৰ প্ৰতি চৰম অবিচাৰ কৰাটোহে বুজাব।

সেইদেখি এইবোৰ বেঁকা যুক্তি বুলিহে আমি গণ্য কৰিম। ৰাইজৰ ইচ্ছা-আকাংক্ষাক এনেবোৰ যুক্তিৰে অৱৰুদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰাটো অকল অন্যায়েই নহয়, ইয়াৰ ফলো অশুভ হ'ব। সেইদেখি এই বিষয়ে স্থিৰ আৰু স্পষ্ট ঘোষণা এটা আমি বিচাৰো। অৱশ্যে এটা কথা আমি মুক্তকণ্ঠে স্বীকাৰ কৰিম। ততাভুকুতাকৈ শিক্ষাৰ মাধ্যম সলোৱাৰ আমি পক্ষপাতী নহয়। ৫ বছৰৰ সীমাৰেখা বান্ধি দিয়াটো বাস্তৱধৰ্মী কথা নহয় বুলিয়েই আমি ভাবো। সুদীৰ্ঘকাল ইংৰাজী মাধ্যমত কাম চলাই অহাৰ মূৰত এতিয়া একেকোবেই মাধ্যম সলাই পেলালে শিক্ষাৰ মূৰতহে ৰামটাঙোন পৰিব। এই গুৰুভাৰ লোৱাৰ আগতে প্ৰস্তুতিৰ প্ৰয়োজন। যিমান পৰিকল্পিতভাৱেই চেষ্টা কৰা নহওক, সেই প্ৰস্তুতিৰ মিয়াদ দীঘলীয়া হ'বই। আন কেতবোৰ ৰাজ্যত আপেক্ষিকভাৱে কম সময় লাগিলেও অসমত বেছি সময় লাগিবই। কিয়নো আমাৰ ইয়াত কোনো ভেটিয়েই আজিলৈকে ৰচিত নহ'ল। আমাৰ পাচপৰা অৱস্থাটো স্বীকাৰ কৰি ল'বলৈ সংকোচ কৰা উচিত নহয়। কিন্তু সেইবুলি দেশৰ সকলো ঠাইতে মাধ্যম সলোৱাৰ ব্যৱস্থা কৰি অসমৰ বেলিকা পাৰ্বত্য ৰাইজৰ স্বাৰ্থৰ দোহাই দি হাত সাৰটি বহি থকাৰ সমৰ্থক আমি হ'ব নোৱাৰো। সৰ্বভাৰতীয় নীতি অসমৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'বই লাগিব। সেয়ে সময় লওক— তাত আপত্তি নাই। কিন্তু স্পষ্টভাৱে তাকে ঘোষণা কৰি এটা সুচিন্তিত সীমা নিৰ্ধাৰণ কৰি দিব লাগে। ইতিমধ্যে কিতাপ-পত্ৰ যুগুত কৰিবৰ বাবে বৃহৎ পৰিকল্পনা হাতত ল'ব লাগিব। চৰকাৰী আৰু বেচৰকাৰী উদ্যমৰ সহযোগিতাত পৰিকল্পিতভাৱে এইক্ষেত্ৰত আগবঢ়োৱা প্ৰয়োজনীয়। তদুপৰি কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্যেৰে হাতত লোৱা

আঁচনি মতে আনবোৰ ৰাজ্যক যি আৰ্থিক সাহায্য দিব খোজাৰ বাতৰি ওলাইছে ; সেইমতে অসমেও সাহায্য পাব লাগিব। অসম চৰকাৰে মাত্ৰ কেন্দ্ৰৰ মুখলৈ চাই নেথাকি নিজৰ ববীয়া উদ্যম অবিলম্বে হাতত লোৱা উচিত।

সোমবাৰ, ১১ চেপ্তেম্বৰ, ১৯৬৭ চন

# নাটৰ ৫০০ বছৰ

অসমৰ সাংস্কৃতিক জগতৰ আধুনিক নৱ-জাগৰণৰ মূল্যাংকন হ'ব ধৰিছে। বিভিন্ন শতবাৰ্ষিকী উৎসৱ পালনৰ আয়োজন তাৰেই চিন। অসমীয়া নাট্য ঐতিহ্যৰ পঞ্চশতবাৰ্ষিকী অনুষ্ঠানকো এই প্ৰসংগতে আমি গুৰুত্বপূৰ্ণ বুলি ভাবিছো। যিখিনি নৱ-গঠিত পৰিষদে এই বিষয়ত আগভাগ লৈ সত্ৰীয়া নৃত্য-কলাৰ অনুশীলনৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিছে তাৰ উদ্যোক্তাসকলক ৰজাঘৰ-প্ৰজাঘৰ সকলোৱে মানসিক বাস্তৱিক সকলো প্ৰকাৰে সহায়-সমৰ্থন জনোৱা উচিত হ'ব। অসমীয়া জাতিয়ে আত্ম-প্ৰতিষ্ঠাৰ চেষ্টাত শ্ৰীশংকৰদেৱৰ অৱদানৰ ওপৰত নিভৰ কৰিবলৈ নতুনকৈ শিকাৰ লক্ষণ দেখা গৈছে। অংকীয়া নাটৰ উদ্ভাৱনেৰে তেওঁ ভাৰতৰ ভিতৰতে অসমক এখন বিশিষ্ট আসন দি থৈ গৈছে। তেওঁৰে উদ্ভাৱিত বৰগীত ভক্তিমূলক গীতৰ ক্ষেত্ৰত ভাৰতৰ আন আন ঠাইৰ সৈতে গৌৰৱ কৰিব পৰা মহাসম্পদ। সত্ৰীয়া নৃত্যকলাৰ আধাৰত এক বিশিষ্ট স্কুল প্ৰতিষ্ঠা কৰাৰ চেষ্টাও উচিতভাৱেই চলি থকা গৈছে। এই সকলোখিনি যে একেজন শিল্পীৰ সৃষ্টিৰ বলতে পোৱা গৈছে সেই কথা আমি আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছো।

এই নাট-গীত-নৃত্য সৃষ্টি এক বিশিষ্ট ধৰ্ম আন্দোলনৰ ফলস্বৰূপ বুলি এঙাই দেখুৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। আজিৰ দিনত এখন ভাৰতৰ কাৰণে আমি সক্ৰিয়ভাৱে নানান আন্দোলন চলাবলগীয়া হৈছে ; তাতো দিনে দিনে কিমান 'কৃতকাৰ্য' হৈছো আমি দেখিয়েই আছো। মহাপুৰুষে পাঁচশ বছৰৰ পূৰ্বে নাট-গীতৰ বিশিষ্ট অসমীয়া ৰূপ দিবলৈ গৈও সৰ্বভাৰতীয় ধাৰাৰ পৰা আমাক আঁতৰাই অনা নাছিল। প্ৰাচীন ভাৰতীয় নাট্য কলা আৰু ৰাগ সংগীতক তেওঁ তেওঁৰ চৰ্চাৰ ভিতৰুৱা কৰি লৈছিল। শংকৰী যুগৰ গীততে আমি গাওঁ কলিযুগৰ 'ধন্য ধন্য ভাৰতবৰ্ষ'ৰ কথা। আটাইতকৈ ডাঙৰ কথা শংকৰী যুগৰ নাট-গীতৰ উদ্দেশ্যধৰ্মিতা ঃ দৰ্শক-অভিনেত্ৰী, গায়ক-শ্ৰোতা সকলোৱে মনক সংস্কাৰ কৰি এক উচ্চতৰ স্তৰলৈ তুলি নিবলৈ এইবিলাকৰ দ্বাৰা চেষ্টা কৰা হৈছিল। জীৱন-পদ্ধতি তথা মানসিক ধ্যান-ধাৰণাক সংস্কৃত ৰূপত বহিঃপ্ৰকাশ কৰাই যদি সংস্কৃতি হয় তেন্তে অংকীয়া নাটৰ যোগেদি তাকেই কৰা হৈছিল। এই সাংস্কৃতিক উদ্যমৰ সফলতা ইমানেই ব্যাপক আছিল যে ই বৈষ্ণৱ-বহিৰ্ভূত আন সকলো সম্প্ৰদায়কো প্ৰভাৱান্বিত কৰিছিল। ধৰ্ম-প্ৰচাৰৰ বাহনস্বৰূপে লৈও সেই যুগত সাহিত্যত ৰস-সৃষ্টি আৰু নাট-গীতত সংগীতৰ মৰ্যাদা ৰক্ষাই ইবিলাকক ধৰ্মৰ গণ্ডীৰ পৰা সংস্কৃতিৰ উচ্চ স্তৰলৈ তুলি লৈ গৈছিল। পাঁচশ বছৰৰ পিচত আজি আমি সেই সত্যকে আৱিষ্কাৰ কৰি তাক প্ৰতিষ্ঠা কৰিব লাগিব।

বিশিষ্ট উদ্দেশ্যসম্পন্ন কলা-বস্তুৰ প্ৰতি বীতৰাগ লোকৰ মনোভাৱ বুজিব পাৰি। কিন্তু আজিৰ কলা জগতৰ নিৰুদ্দেশ্য 'সৃষ্টি'ৰ কিমানখিনিয়েইনো সমৰ্থনযোগ্য? শ্বেক্সপীয়েৰে হেনো স্থিতপ্ৰজ্ঞ, আদৰ্শ চৰিত্ৰৰ প্ৰেৰণা যোগাব খুজিছিল। ইবছেনে ভুৱা সামাজিক সন্মানবোধ থানবান কৰিব খুজিছিল। বাৰ্ণাৰ্ড শ্ব'ই নাটত চিন্তা-চৰ্চা,

যুক্তি-তৰ্কৰ অৱতাৰণা কৰিছিল। ভাৰতত চলচ্চিত্ৰ শিল্পই প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছে ; বহুক্ষেত্ৰত মঞ্চকে ই ম্লান কৰি পেলাইছে। চলচ্চিত্ৰ জগতৰ ইতৰতাপূৰ্ণ উৎপাদনখিনি সমৰ্থনযোগ্যনে ? চামে চামে উঠি অহাসকলক উদ্দেশ্যবিহীনতা আৰু দিক্‌ভ্ৰান্ত সংগীত নামধেয় বস্তুৱে ক'লৈ লৈ যাব ভাবি চাবলগীয়া। ধনৰ মোনা লৈ বহি থকাসকলেও নিৰ্ভুল মূল্যবোধ উপলব্ধি কৰিব নোৱাৰে। শুনা যায় আমাৰ কুটীৰ শিল্পজাত বস্তু তৈয়াৰ কৰিব পৰা যন্ত্ৰৰ আমদানিৰ বেলিকা বোলে লেখ ল'ব খোজা হয় এনে বস্তুৰপৰা কিমান বিদেশী মুদ্ৰা আৰ্জন হয়। অথচ ইতৰ যৌন-সৰ্বস্ব বোলছবিৰ উপাদানৰ কাৰণে বিদেশী মুদ্ৰালৈ অবাৰিত দ্বাৰ কাৰণ সি দেশলৈ ধন আনিব পাৰে। এনেকুৱা কুবেৰলৈ ভীমৰ প্ৰয়োজন আছে নে নাই ক'ব নোৱাৰো, কিন্তু এনে মনোভাৱৰ পৰিৱৰ্তন হ'লে প্ৰয়োজনীয় হৈছে। ইয়াৰ কাৰণেও প্ৰথম প্ৰয়োজন তলৰ পৰা উৎসাহ-উদ্দীপনা। শংকৰী নৃত্য-নাটৰ চৰ্চা আৰু নতুন, উচিত মূল্যাংকনে যদি ইয়াৰ কাৰণে প্ৰেৰণাৰ স্ফুৰণ কৰিব পাৰে তেনেহ'লেহে বৰ্তমান প্ৰচেষ্টা সফলতাৰ বাটত বুলি ক'ব পৰা হ'ব। ৰজাঘৰ-প্ৰজাঘৰ সকলোৱে এইপিনে লক্ষ্য ৰাখিব লাগিব। অংকীয়া নাট সম্বন্ধে অজস্ৰ সাহিত্য সৃষ্টি হৈছে ; এইটো তাৰ প্ৰতি থকা আদৰৰ চিন। কিন্তু নাট মঞ্চৰহে সম্পদ ; আগৰ কালত এক প্ৰকাৰ মুকলি মঞ্চত ইয়াৰ অভিনয় হৈছিল ; এতিয়াও তাক মঞ্চত সুপ্ৰতিষ্ঠিত কৰিব পাৰিলেহে বৰ্তমান উদ্যম সম্পূৰ্ণ হ'ব।

দেওবাৰ, ১৭ চেপ্তেম্বৰ, ১৯৬৭ চন

# সাম্প্ৰদায়িকতা

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীচৱনে সাম্প্ৰদায়িক ঘটনা নিবাৰণ কৰাৰ বাবে অবিলম্বে ব্যৱস্থা হাতত ল'বলৈ মুখ্যমন্ত্ৰীসকলক অনুৰোধ জনোৱা বুলি বাতৰি ওলাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এই প্ৰসংগত সাম্প্ৰদায়িক বিদ্বেষ বঢ়োৱা ভাষণ আৰু ৰচনা আদিৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সাম্প্ৰদায়িক বিদ্বেষে ইতিমধ্যে ভাৰতৰ বুকুলৈ চৰম দুৰ্দশা অনাৰ মূৰতো আমি ইয়াৰ পৰা শিক্ষা লাভ কৰিব নোৱাৰাটো অতি দুখৰ কথা। বিভিন্ন ধৰণৰ সাম্প্ৰদায়িক প্ৰচাৰ চলি থকা কথাটোও সঁচা। বিশেষ কেতবোৰ কাকতত তেনে প্ৰচাৰ চলিছে আৰু বক্তৃতা মঞ্চৰ পৰাও সাম্প্ৰদায়িক বিহ উদ্‌গীৰণ কৰা মানুহৰ অভাৱ নাই। আইন মতে তেনে লোকৰ বিৰুদ্ধে ব্যৱস্থা লোৱাটো নিতান্ত প্ৰয়োজনীয়। কিন্তু অকল সেই ব্যৱস্থাই সাম্প্ৰদায়িক বিদ্বেষ দূৰ কৰিব নোৱাৰে। তাৰ বাবে সুস্থ পৰিৱেশ এটাৰ প্ৰয়োজন। সেই পৰিৱেশ আমাৰ দেশত গঢ়ি উঠা নাই। ৰাঁচীৰ ঘটনা সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীসকলৰো দৃষ্টি আকৰ্ষণ কৰিছে। অসুস্থ পৰিৱেশে একোটা প্ৰসংগক কেনে ৰূপ দিবগৈ পাৰে, ৰাঁচীৰ ঘটনা তাৰেই নিদৰ্শন। ভাষাৰ প্ৰশ্ন এটাই মোট সলাই সাম্প্ৰদায়িক ৰূপ ল'লে। ফলত পৰিস্থিতি আয়ত্তৰ বাহিৰ হৈ পৰিল। ঠিক সেইদৰে কাশ্মীৰৰ এটা সৰু ঘটনায়ো গোকাট সাম্প্ৰদায়িক ৰূপ ল'লৈগৈ। এনে পৰিণতি ঘটিবলৈ পালে— মানুহৰ বিষাক্ত মনৰ বাবে। বিশেষ কেতবোৰ স্বাৰ্থ সংশ্লিষ্ট মহলে নিৰ্দিষ্ট কিছুমান স্বাৰ্থ সিদ্ধি কৰিবৰ বাবে মানুহৰ মনত বিষাক্ত কৰি তুলিলে। কেতবোৰ কাকতে এই ক্ষেত্ৰত অৰিহণা যোগালে। কিছুমান দলৰ মানুহেও উৎসাহেৰে এই ক্ষেত্ৰত বৰঙণি যোগালে। আইনৰ কঠোৰ ব্যৱস্থাৰে এনে কাৰ্যকলাপ কিছু সংযত কৰিবহে পাৰে— কিন্তু তাক নিৰ্মূল কৰিব নোৱাৰে।

[illegible]

চাউল ওলাই যোগান বিভাগ বা খাদ্য কৰ্পৰেচন কোনেও ক'ব নোৱাৰে। তেওঁলোকে কৃতকাৰ্যতা লভিব নোৱাৰা নিয়ন্ত্ৰণ ব্যৱস্থাৰ সুবিধা যে বেচৰকাৰী লোকে লৈছে সেইটো তেওঁলোকে উপলব্ধি কৰা উচিত। যোৰহাটত ৰেচনৰ পৰিমাণ কমাই দিয়াৰ লগে লগে মুকলি বজাৰত চাউলৰ দাম হু-হু কৰে বাঢ়ি গ'ল ; তাত ডেকাহঁতে অ'ৰ-ত'ৰ পৰা চাউল গোটাই আনি ডেৰ টকা কিলোকৈ বিক্ৰী কৰিও সংগ্ৰহ ব্যৱস্থাৰ অকৰ্মণ্যতা প্ৰতিপন্ন কৰিছে। শ্বিলঙৰ বৰবজাৰত আৰু গুৱাহাটীৰ সৰু-বৰ সকলো বজাৰতে দমে দমে চাউল ক'ৰ পৰা ওলাইছে? ৰাইজে দুইৰ পৰা তিনি টকালৈকে কিলো প্ৰতি দি এই চাউলকে খাব লগা হৈছে। চৰকাৰী বাছ-ট্ৰাকত নগাঁৰৰ চাউল শ্বিলঙলৈ যায় বুলি যি সন্দেহ হৈছে তাৰ থল নোহোৱা নহয়। উত্তৰ কামৰূপতো যোগান বিভাগে চলোৱা অভিযানত নাও, গাড়ী আদিত ধান নিব ধৰোতে ধৰা পেলাই থকা হৈছে। এই অবাধ ৰাজত্বৰ বিপৰীতে এপেক্স মাৰ্কেটিঙৰ সভাপতিয়ে চৰকাৰলৈ পঠোৱা এখন স্মাৰক পত্ৰত হিচাপ দিছে যে এই বছৰ খাদ্য কৰ্পৰেচনে মাত্ৰ ২৫ লাখ মোন শালি ধান আৰু ডেৰ লাখ মোন আহু ধান সংগ্ৰহ কৰিছে— যোৱা বছৰৰ এই সময়ত কিন্তু এপেক্স মাৰ্কেটিঙে ৬১ লাখ মোন শালি আৰু ৫ লাখ মোন আহু ধান সংগ্ৰহ কৰিছিল। খাদ্য কৰ্পৰেচনৰ এই ব্যৰ্থতাই বেপাৰীক অবাধে চলিবলৈ বাট উলিয়াই দিলে।

এনে পৰিস্থিতিতো চৰকাৰ এটা স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাই। তেওঁলোকে পৰীক্ষামূলক ব্যৱস্থাকে লৈ থাকিব খুজিছে। মিলবিলাককো ধান সংগ্ৰহৰ অনুমতি দিবলৈ লোৱাই ইয়াৰ প্ৰমাণ। এপেক্স মাৰ্কেটিঙক ধান সংগ্ৰহৰ একচেটিয়া অধিকাৰ দিওঁতে এনেকুৱা ব্যক্তিগত ব্যৱসায়ীক আঁতৰাই ৰাখিব খোজা হৈছিল। মাজতে সেই ব্যৱস্থা ৰহিত কৰি ব্যৱসায়ীক সুবিধা দিয়া হ'ল। খাদ্য কৰ্পৰেচনে দায়িত্ব বহন কৰিব নোৱাৰাত এতিয়া আকৌ ব্যৱসায়ীৰ ওচৰতে সৈমান হ'ব লগা হৈছে। এনেকুৱা এৰা-ধৰা নীতি অৱলম্বন কৰাতকৈ নিয়ন্ত্ৰণৰ ভেকোভাওনা নেপাতি মুকলি বজাৰৰ প্ৰতিযোগিতালৈ ধান-চাউলৰ ব্যৱসায় এৰি দিয়া হ'লেই কিজানি ৰাইজৰ ইমান আহুকাল নহ'লহেঁতেন। অৱশ্যে চৰকাৰী নিয়ন্ত্ৰণ ৰহিত কৰাৰ আমি পোষকতা নকৰো। তাৰ কঠোৰ কাৰ্যকৰী আৰু পূৰ্ণ কৃতকাৰ্যতাহে আমি বিচাৰো। চোৰাং ব্যৱসায় যে চলি আছে আৰু তাক ৰোধ কৰিব পাৰিলে যে ধান-চাউলৰ দাম কমিব পাৰে সেইটো বৰপেটা অঞ্চলৰ এটা ঘটনাই প্ৰমাণ কৰিছে ঃ আনন্দ বজাৰৰ পৰা ধান ওলাই যাব নোৱাৰাকৈ তালাচী চকী নিৰ্মাণ কৰাৰ ফলত ২৭/২৮ টকাৰ ধান ২০ টকাত বিক্ৰী হ'বলৈ ধৰে। চোৰাং চালান বন্ধ কৰাটো কি এনে টান কাম আমি বুজিব নোৱাৰো। কৰ্তৃপক্ষৰ হাতত জনবল, অৰ্থবল আৰু আইনৰ বল সকলোখিনিয়েই আছে। নাই বোধ হয় মন আৰু মনোবল। চৰকাৰক সমালোচনা কৰা বিৰোধী ৰাজনৈতিক দলসমূহো সম্প্ৰতি দৰকাৰৰ পৰতে নিষ্ক্ৰিয় হৈ থকা যেন লাগিছে। এটা মাত্ৰ বন্ধ দিৱস পালন কৰাৰ বাহিৰে তেওঁলোকে চৰকাৰক সজাগ কৰি তুলিবলৈ একো ব্যৱস্থা গ্ৰহণ কৰা নাই।

## বগা হাতী

দীপৰ বিলত তিনিটা বগা হাতী নমা কথাত স্থানীয় প্ৰাণীবিদসকলৰ সন্দেহ হোৱাটো যেনেকৈ অনাৱশ্যকীয়, তেনেকৈ সংশ্লিষ্ট চৰকাৰী বিষয়াসকলো ব্যস্ত হোৱাৰ কোনো দৰকাৰ নাই। তৰুণৰাম ফুকনৰ দিন আৰু নাই যে প্ৰকৃত খবৰটো আমি তপতে তপতে পাওঁ ঃ এই কথা লিখি থকালৈকে যিটো জাকৰ মাজত সন্দেহযুক্ত শুকুলা

হাতী তিনিটা আহিছে তাৰ ওচৰলৈ কোনো যাবই পৰাই নাই— দূৰৰ পৰাই ৱাইনকুলাৰেৰে মাত্ৰ চোৱা হৈছে। প্ৰকৃত শুকুলা হাতী নহৈ এইকেইটা অলপ বগা চানেকীয়া হাতীও হ'ব পাৰে বুলি কোৱা হৈছে। দক্ষিণ-পূব এছিয়াত শুকুলা হাতীক ধৰ্ম মন্দিৰত ৰখা হয়। আগৰ দিনত হেনো এই অঞ্চলৰ ৰজাবিলাকেহে এনে হাতী পুহিছিল আৰু কাৰোবাক শাস্তি দিব লগা হ'লে ৰজাই বগা হাতী উপহাৰ দিছিল, কাৰণ বগা হাতী পোহা বৰ কষ্টসাধ্য আৰু ব্যয়বহুল কাম। আন ধৰণৰ ভালেমান বগা হাতীচোন আমি অবিৰাম পুহিয়েই আছো! কিছুদিনৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কিছুমান উচ্চ পদ অদৰকাৰী বুলি উঠাই দিব ধৰা হৈছে। তাৰ মানে ইমান দিনে কেন্দ্ৰই কেইটামান বগা হাতী পুহি আছিল? চৰকাৰী শাসন যন্ত্ৰত এনেকুৱা কিমান পদ আছে— যা ন সুতে ন দুগ্ধদা— তাৰ কোনে লেখ লৈছে? কামৰাজ আঁচনিৰ আঁৰ লৈ নেহৰুৱে কিছুমান বগা হাতী বিবেচিত লোককে জানো খহাব খোজা নাছিল? নৌখিৰাওঁতেই খিৰিং বুলি এফাঁকি কথা আছে ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গাইজনী লওঁতেও খিৰিং কৰাৰ শব্দ এটা উঠাৰ কথা আমাৰ মনত আছে ঃ ঘৰ-দুৱাৰ, বিদ্যা দান আদি আৰম্ভ নৌহওঁতেই তাৰ কৰ্তৃপক্ষই যিটো খৰচৰ অংক তুলিলে তাক তদন্ত কমিটীয়ে দেখুৱাই দিয়া মতে বগা হাতীৰ খৰচ নুবুলি উপায় নাই। বাহিৰৰ চেনি আৰু ভিতৰৰ ধান আহিব লাগিছে বুলি বিবৃতি মাৰি বিষয়াই আশ্বাস খুৱাই থকা যোগান বিভাগ, আৰম্ভ কৰোতে বেলি হ'ল বুলি শালিৰ বতৰত মূৰপোলোকা মৰা কিন্তু ভাল আহুৰ বতৰতো লজ্জাহীন নীৰৱতা অৱলম্বন কৰা খাদ্য কৰ্পৰেচন— এইবোৰ জানো একোটা বগা হাতী নহয়? ইমানবোৰ উদাহৰণ থকা সত্বেও দীপৰত বগা হাতী নমা শুনি চৰকাৰী বিষয়াৰ ব্যস্ত হ'বৰ কি কাৰণ থাকিব পাৰে? নে একো খবৰ নৰখা বুলি প্ৰমাণিত হৈ কাজিৰঙাৰ অনাদৰত মৰা হাতীজনীৰ বাবে জগৰীয়া হোৱা বিষয়াৰ দৰে, নিজেই বগা হাতী প্ৰতিপন্ন হোৱাৰ ভয়? কোনোবা নিৰ্দয় লোকে ৰসিকতা কৰি ক'বও পাৰে যে দীপৰৰ নিৰ্দিষ্ট হাতীকেইটা সঁচাই শুকুলা যদি হয় তেন্তে সিহঁতে নিশ্চয় ভুল খবৰ পাই আমি ওপৰত উনুকিওৱা বিধৰ বগা হাতীৰ খবৰ ল'বলৈকে আহিছে! এসময়ত বালিপৰাৰ ফালে এটা অতিকায় প্ৰাগ্ঐতিহাসিক জন্তু ওলাইছে বুলি পৃথিৱী জুৰি হৈ-চৈ লাগিছিল। পিছত বিদেশী বিশেষজ্ঞই তেনে জন্তু এতিয়া থাকিব নোৱাৰে বুলি কোৱাত যেনিবা সকলো তল পৰিছিল। দীপৰৰ হাতীকেইটাৰ ক্ষেত্ৰতো তেনেকুৱাই হয় নেকি ক'ব পৰা নাই। হ'লেও তাৰ আগতে অসমৰ নাম বাহিৰত অলপ ফাটি-ফুটি যাব, সেয়ে যথা লাভ হ'ব। মাত্ৰ বিদেশৰ পৰা বিশেষজ্ঞ লৰি-ঢাপৰি আহি নিৰাশ নহ'লেই হয়, কাৰণ আমাৰ কাৰণে খৰচান্ত হোৱাত আমাকেই বগা হাতী নাম দি থৈ যোৱাৰ আশংকা আছে।

<u>বুধবাৰ, ২৭ চেপ্তেম্বৰ, ১৯৬৭ চন</u>

# দিল্লী আলোচনা

অসমৰ পুনৰ্গঠন সম্পৰ্কত আশোক মেহতা উপ-সমিতিয়ে এখন সন্মিলনত প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰাৰ পাছত মূল প্ৰশ্নটোৰ বিষয়ে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ সঁজাতী দলৰ লগত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আলোচনাৰ আয়োজন কৰিছিল। সেই আলোচনা যোৱা সোমবাৰে নতুন দিল্লীত অনুষ্ঠিত হয়। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ তেৰজনীয়া প্ৰতিনিধি দলটোৱে গৃহমন্ত্ৰী শ্ৰীচৱন আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী

ইন্দিৰা গান্ধীৰ লগত বেলেগে আলোচনা কৰাৰ পাচত শ্ৰীচৱনে কৈছে যে সংসদৰ বিৰোধী দলৰ নেতাসকলৰ সৈতে পৰামৰ্শ কৰিহে ভাৰত চৰকাৰে অসমৰ পুনৰ্গঠন সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

এইবাৰৰ দিল্লী আলোচনাত সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধি দলে অশোক মেহতা কমিটীৰ প্ৰস্তাৱ অনুসাৰে ৰাজ্য পুনৰ্গঠনৰ প্ৰশ্নটো বিবেচনা কৰিবলৈ সন্মত নহ'ল। পাৰ্বত্য নেতা সন্মিলনে আগতেও স্পষ্টভাৱে ঘোষণা দি আহিছে যে মেহতা কমিটীৰ প্ৰস্তাৱ নিৰৰ্থক, যিহেতু সন্মিলনে সেই কমিটীৰ আলোচনাত অংশগ্ৰহণ কৰা নাই। পাৰ্বত্য নেতা সন্মিলনে ফেডাৰেচন আঁচনি নাইবা সুকীয়া পাৰ্বত্য ৰাজ্যৰ পৰিৱৰ্তে আন কোনো ব্যৱস্থাতে সন্মত হ'ব নোৱাৰে বুলি এতিয়াও স্পষ্টভাৱে কৈছে। এই সন্মিলনে নিজৰ দাবী পূৰণ নহ'লে আন্দোলন আৰম্ভ কৰিব বুলি ইতিমধ্যে ভাবুকি দি থৈছে আৰু তাৰ বাবে প্ৰস্তুতি চলোৱাও দেখা গৈছে।

এই অৱস্থাত পুনৰ গঠন প্ৰশ্নটোৰ এটা মীমাংসা নকৰাকৈ কেন্দ্ৰীয় চৰকাৰ বহি থাকিব নোৱাৰে। কিন্তু সমস্যাৰ মীমাংসা কেনেকৈ কৰা হ'ব? কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীয়ে এই বিষয়টো সংসদৰ বিৰোধী নেতাসকলৰ লগত আলোচনা কৰিবলৈ লোৱাৰ ইংগিত দিয়াৰ পাচত এই সম্পৰ্কত বিভিন্ন ধৰণৰ অনুধ্যানে ঠাই পোৱা স্বাভাৱিক।

ৰাজ্য এখনৰ পুনৰ্গঠনৰ দৰে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সংবিধান সংশোধন কৰা দৰকাৰ আৰু তাৰ বাবে সংসদৰ দুই-তৃতীয়াংশ সদস্যৰ সন্মতিৰ আৱশ্যক। সেই সন্মতি লাভৰ বাবে বিৰোধী দলসমূহৰ সহযোগিতা পাব লাগিব। কিন্তু বিৰোধী দলসমূহৰ সহযোগিতা লাভৰ বাবে চৰকাৰে নিজা এখন আঁচনিও দাঙি ধৰিব লাগিব। সেই আঁচনি অশোক মেহতা কমিটীৰ প্ৰতিবেদনৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে নে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ দাবীৰ পৰিপ্ৰেক্ষিতত ৰচনা কৰা হৈছে? অশোক মেহতা কমিটীৰ পৰামৰ্শৰ ওপৰত সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে কোনো গুৰুত্ব দিয়া নাই আৰু সেইকাৰণে কমিটীৰ পৰামৰ্শ সন্মিলনে গ্ৰহণ নকৰাটো নিশ্চিত। মেহতা কমিটীৰ ভিত্তিতে চৰকাৰৰ আঁচনি প্ৰস্তুত কৰাৰ ইংগিত পোৱা হ'লে ইতিমধ্যে পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিক্ৰিয়াও প্ৰকাশ পালেহেঁতেন। সেই কাৰণে ধাৰণা কৰা যায় যে মেহতা কমিটীৰ পৰামৰ্শ কাৰ্যতঃ বাতিল হৈ গৈছে। অথচ এই কমিটীৰ পৰামৰ্শ সৰ্বসন্মত আছিল আৰু কমিটীৰ প্ৰতিবেদন পাবলৈ কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা প্ৰবল আগ্ৰহ প্ৰদৰ্শনো কৰা হৈছিল।

সীমান্তস্থিত ৰাজ্যখনৰ ভৱিষ্যতৰ বিষয়ে প্ৰকৃততে ৰাজ্যৰ অধিবাসীসকলেই দূৰদৰ্শিতাৰে চিন্তা কৰি সিদ্ধান্ত ল'ব লাগে। কিন্তু কেন্দ্ৰীয় চৰকাৰে যোৱা ১৩ জানুৱাৰীত ফেডাৰেচনৰ নিজা প্ৰস্তাৱ উদ্ভাৱন কৰি তাৰ বাট কাঁইটীয়া কৰি পেলালে। আৰু শেষত মেহতা কমিটীৰ হুলস্থূল লগাই তাৰ প্ৰতিও এতিয়া অৱজ্ঞা প্ৰদৰ্শন কৰা যেন দেখা গৈছে। এইবিলাকৰ দ্বাৰা অসমৰ এক শ্ৰেণী লোকৰ মাজত উত্তেজনা আৰু আত্ম-সন্তুষ্টিৰ ভাব বিস্তৃত কৰাহে হৈছে।

কিন্তু ইতিমধ্যে অসম প্ৰদেশ কংগ্ৰেছে মেহতা কমিটীৰ পৰামৰ্শত দৃঢ় সমৰ্থন দি প্ৰস্তাৱ গ্ৰহণ কৰাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে মনোনিৱেশ নকৰাকৈ থাকিব নোৱাৰে। ৰাজ্য পুনৰ্গঠনৰ প্ৰশ্নটোৱে ইতিমধ্যে যথেষ্ট তিক্ততাৰ সৃষ্টি কৰিছে আৰু এই তিক্ততাৰ অৱসান ঘটাবলৈ কেন্দ্ৰীয় চৰকাৰে দূৰদৃষ্টি সম্পন্ন ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলেহে ভাল কথা হ'ব।

# বিদেশী ঋণ

বিশ্ব বেংকৰ (পুনৰ্নিৰ্মাণ আৰু উন্নয়ন) ১৯৬৬-৬৭ চনৰ বাৰ্ষিক প্ৰতিবেদনত উন্নয়নশীল দেশ বিশেষকৈ ভাৰতৰ ঋণৰ বোজাৰ বাবে উদ্বেগ প্ৰকাশ কৰা হৈছে। মাৰ্কিন ডলাৰৰ হিচাপত ৯৫ খন উন্নয়নশীল দেশক দিয়া ৪১১০ কোটিৰ ৬৯০ কোটি ডলাৰ ঋণ লোৱা দেশ ভাৰতে ৰপ্তানি আয়ৰ শতকৰা প্ৰায় ২২ ভাগ ঋণৰ সূত আদি দিওঁতেই ব্যয় কৰিব লগা বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ৰপ্তানি বৃদ্ধিৰ গতিত মন্থৰতাই ইয়াৰ অন্যতম কাৰণ বুলি কোৱা হৈছে।

বিশ্ব বেংকে উন্নয়নশীল দেশসমূহক পুনৰ্নিৰ্মাণ আৰু উন্নয়নৰ কাৰণে যথেষ্ট পৰিমাণে ঋণ দান কৰাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু সেই ঋণৰ দ্বাৰা বিশ্বৰ উন্নয়নশীল দেশসমূহ প্ৰকৃততে অৰ্থনৈতিক দিশত অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে নে, সি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। আফ্ৰিকা আৰু এছিয়াৰ প্ৰায়বোৰ দেশেই অৰ্থনৈতিক দিশত পাচপৰা। এই দুখন মহাদেশৰ বহুতো দেশত ৰাজনৈতিক অশান্তিৰ মূল যে অৰ্থনৈতিক পিচপৰা অৱস্থা, সেই কথা কোনেও নুই কৰিব নোৱাৰে। এই দেশবোৰৰ অৰ্থনৈতিক উন্নয়নত বৰঙণি যোগোৱাটো উন্নত দেশবিলাকৰ এটা মানৱীয় আৰু ৰাজনৈতিক দায়িত্ব। এই দায়িত্বৰ কথা বিশ্ব বেংকৰ সভাপতিৰ মুখত প্ৰায়েই শুনা যায় আৰু প্ৰতিবেদনত প্ৰায়েই উল্লেখ কৰা হয়। কিন্তু কাৰ্যত তাৰ একো সুফল পোৱা নেযায়।

উন্নয়নশীল দেশবিলাকক কেঁচা মালৰ যোগান ধৰা অঞ্চল আৰু উন্নত দেশত নিৰ্মিত সামগ্ৰীৰ বজাৰস্বৰূপে ৰাখিবলৈ ঋণ দিলে, সেই ঋণৰ দ্বাৰা দেশ এখনত উন্নতি সম্ভৱপৰ হ'ব নোৱাৰে। বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ঋণে প্ৰকৃততে উন্নয়নশীল দেশক উন্নত হ'বলৈ সুযোগ দিয়া নাই। উন্নয়নশীল দেশত নিৰ্মিত সামগ্ৰীৰ বাবে উন্নত দেশৰ বজাৰ মুক্ত নহয়। সেইবোৰ দেশে উদ্যোগৰ কেঁচা মাল উন্নত দেশৰ পৰা সংগ্ৰহ কৰাতো অলেখ বাধা আছে। এনে অৱস্থাত পিচপৰা দেশসমূহে ৰপ্তানি বৃদ্ধি কৰিব পাৰে কেনেকৈ? আৰু ৰপ্তানি বৃদ্ধি নহ'লে নিয়োজিত মূলধনৰ পৰা সুফল আশা কৰাও নিৰৰ্থক।

ৰাইও ডি জেনেৰোত বহা বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ সন্মিলনে উন্নয়নশীল দেশক ঋণৰ সাহায্য দিয়া সম্পৰ্কত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব বুলি আশা কৰা হৈছে। এই সন্মিলনে ভাৰতক বিদেশী ঋণৰ সাহায্য দিয়া সম্পৰ্কতো এটা ইংগিত দিব।

কিন্তু সি যিয়ে নহওক, বিদেশী ঋণৰ ওপৰত নিৰ্ভৰ কৰি পুনৰ্নিৰ্মাণ আৰু উন্নয়নৰ বৃহৎ আঁচনি লোৱাৰ অসাৰতা ভাৰতে উপলব্ধি কৰিব লগা হৈছে। ইয়াৰ বাবে আমাৰ চৰকাৰে এতিয়াৰ পৰা সতৰ্কতা অৱলম্বন নকৰিলে কৃষি উৎপাদন বৃদ্ধি কৰিও অৰ্থনৈতিক উন্নত অৱস্থা লাভ কৰা অসম্ভৱ হ'ব।

শুকুৰবাৰ, ২৯ চেপ্তেম্বৰ, ১৯৬৭ চন

# সতৰ্ক বাণী

অসমৰ পুনৰ্গঠন সম্পৰ্কত ভাৰত চৰকাৰে দিয়া যিকোনো ঘোষণাৰ পাচত ৰাজ্যখনত প্ৰতিক্ৰিয়া হ'ব পাৰে আৰু সেইবাবে আইন-শৃংখলাৰ পৰিস্থিতিৰ প্ৰতি সতৰ্ক থাকিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ সচিবে পঠোৱা চিঠিৰ উত্তৰ অসম চৰকাৰে চোকা ভাষাৰে দিয়া বুলি জানিব পৰা গৈছে। অসমৰ ন্যায্য দাবী ভাৰত চৰকাৰে ইচ্ছাকৃতভাৱে

অগ্ৰাহ্য কৰা বুলি জনসাধাৰণৰ মনত ঠাই পোৱা ধাৰণাৰ বিষয়ে ৰাজ্যিক চৰকাৰৰ চিঠিখনত উল্লেখ কৰা হৈছে। অসমৰ সমস্যাৱলী বাস্তৱ দৃষ্টিভংগীৰে বিবেচনা কৰিবলৈ নোযোৱাৰ ফলত ৰাজ্যখনত আইন-শৃংখলা ব্যাপকভাৱে বিপন্ন হ'লে তাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰেই বহন কৰিব লাগিব বুলিও সতৰ্ক কৰি দিয়া হৈছে।

সহনশীল অসম চৰকাৰে এইদৰে কেন্দ্ৰীয় চৰকাৰক সতৰ্কবাণী শুনোৱা বোধহয় ইয়েই প্ৰথম উদাহৰণ। চৰকাৰে যিয়েই নকৰক, অসমৰ জনসাধাৰণৰ সচেতন শ্ৰেণীটোৱে কিন্তু ভাৰত চৰকাৰে অসমৰ প্ৰতি প্ৰদৰ্শন কৰি অহা উপেক্ষাৰ কথা বহুত দিনৰ আগৰ পৰা উপলব্ধি কৰি আহিছে। অসমীয়া ৰাইজৰ এই শ্ৰেণীটোৱে যেতিয়া অসমৰ ন্যায্য দাবীত কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতাৰ কথা প্ৰকাশ কৰিবলৈ যায়, তেতিয়া কেন্দ্ৰীয় নেতাসকলৰ কাৰণে সেইবোৰ দাবী হৈ পৰে প্ৰাদেশিক সংকীৰ্ণতা। অসমৰো এক শ্ৰেণীৰ নেতাই তেনে প্ৰসংগত সৰ্বভাৰতীয় দৃষ্টিভংগীত আত্মহাৰা হৈ মৌনতা অৱলম্বন কৰে। তাৰে পৰিণতি স্বৰূপে স্বাধীনতা লাভৰ কুৰি বছৰৰ পাচতো সম্পদশালী অসম সকলো দিশতে পাচ পৰি থাকিব লগা হৈছে।

বৈদেশিক মুদ্ৰা অৰ্জনকাৰী, কৃষিভিত্তিক উদ্যোগৰ ৰাজ্য অসম, পনীয়া সোণৰ ৰাজ্য অসমৰ জনতা আজিও ডালদৰিদ্ৰ। ভাৰত চৰকাৰৰ প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰা বিষয়া গোষ্ঠীৰ কাৰণে অসম হাবি-জংঘলৰ ৰাজ্য, জনজাতি অধ্যুষিত অঞ্চল হৈ থকা বাবেই এই অৱস্থাৰ সৃষ্টি হোৱা বুলি ধৰি লোৱাত কোনো বাধা নাই। অসমৰ মানুহে বানপানীত জ্বলা-কলা হৈও, খেতি-বাতি কৰি কোনোমতে পেট প্ৰৱৰ্তাই থাকক, সেয়ে দিল্লীৰ শাসক মহলৰ ইচ্ছা। অসমলৈ অহা আন ঠাইৰ শ শ মানুহেও অসমত উৎপাদিত হোৱা খাদ্যৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। ভাৰত চৰকাৰে এইখন ৰাজ্যক প্ৰতিশ্ৰুত খাদ্য সাহায্য দিয়াৰো আৱশ্যক নাই কাৰণ খাদ্যৰ অভাৱত অসমৰ মানুহ মৰিব লগা হ'লেও দিল্লী মহলৰ একো ক্ষতি নহয়। অসমত বৃহৎ উদ্যোগ গঢ়ি উঠাৰ দৰকাৰ নাই ; অসমে কেঁচা মাল যোগালেই হ'ল। কেঁচা মালৰ বাবে ন্যায্য 'ৰয়েলিটি'খিনি দিয়াৰ আৱশ্যকতাও কেন্দ্ৰীয় চৰকাৰে বোধ নকৰে। এইখন ৰাজ্যৰ পৰিবহণ, সংযোগ ব্যৱস্থাৰ কথা চিন্তা নকৰিলেও চলে। কিন্তু এইখন ৰাজ্যৰ অসামৰিক প্ৰশাসনৰ উচ্চপদস্থ বিষয়া দলৰ গৰিষ্ঠ সংখ্যাটো হ'ব লাগিব অসমৰ বাহিৰৰ। এইবিলাকেই হ'ল— ভাৰত চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ কাৰ্যধাৰা আৰু মনোভাৱ। এইবিলাক কথা যদি মুখ ফুটাই কোৱা হয় তেন্তে অসমৰ জনসাধাৰণ হয় প্ৰাদেশিকতাবাদী।

অসমৰ জনসাধাৰণে ভাৰত চৰকাৰৰ পৰা পোৱা অবিচাৰৰ দীঘলীয়া তালিকা দাঙি ধৰি গৌৰৱবোধ নকৰে। এই উপেক্ষাৰ বাবে তেওঁলোকে আজিকালি লজ্জাবোধ কৰিবলৈ লৈছে। ভাৰতীয় ইউনিয়নৰ সমান অংশীদাৰস্বৰূপে অসমক গ্ৰাহ্য নকৰা বাবে অসমৰ আত্মসন্মান লাঘৱ হোৱা বুলি ধৰিছে। অসম চৰকাৰে অসমৰ জনসাধাৰণৰ এই মনোবেদনা আৰু অসন্তুষ্টিৰ কথা পলমকৈ হ'লেও যদি স্পষ্ট ভাষাৰে কেন্দ্ৰীয় চৰকাৰক জনাই দিছে তেন্তে অন্ততঃ এটা উচিত কাম কৰিছে। অসমৰ জনসাধাৰণে নিজৰ ন্যায্য দাবী আদায় কৰিবৰ বাবে সদায় আন্দোলন কৰিব লগা হৈছে। কিন্তু এনে আন্দোলনৰ বাবে যে অসমীয়াক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যই প্ৰৰোচিত কৰিছে সেই কথা চৰকাৰে উপলব্ধি কৰা উচিত।

ৰাজ্য পুনৰ্গঠন সম্পৰ্কীয় ঘোষণাৰ পাচত অসমত আইন শৃংখলা ৰক্ষাৰ কাৰণে কেনে ধৰণৰ ব্যৱস্থা লোৱা হ'ব, সেই বিষয়ে বিভাগীয় বিষয়াসকলে আলোচনা কৰা বুলিও প্ৰকাশ পাইছে। আইন-শৃংখলা ৰক্ষাৰ বাবে পুলিচ দল 'মোতায়েন' কৰাৰ পূৰ্ব প্ৰস্তুতি চলোৱাতকৈ সম্ভাব্য অসন্তুষ্টিৰ কাৰণ দূৰ কৰাহে কেন্দ্ৰীয় প্ৰশাসন

যন্ত্ৰৰ প্ৰধান লক্ষ্য হ'ব লাগিছিল। অসমক কেন্দ্ৰীয় চৰকাৰ বা বিষয়া মহলে পুলিচী ব্যৱস্থাৰেই সৈমান কৰাব খোজে নেকি?

কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ সচিবৰ চিঠি আৰু সেই দপ্তৰৰ কাৰ্যকলাপৰ উত্তৰত অসম চৰকাৰে দিয়া সতৰ্কবাণীৰ লগতে অসমৰ জনসাধাৰণৰ হকে আমিও কেন্দ্ৰীয় চৰকাৰক জনাব খোজো যে এই ৰাজ্যখনৰ প্ৰতি ন্যায় বিচাৰ কৰাই দূৰদৰ্শিতাৰ কাম হ'ব।

## সাম্প্ৰদায়িক অশান্তি

ৰাঁচী আৰু শ্ৰীনগৰৰ অশান্তিৰ পাচত সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰিবলৈ সতৰ্কতা অৱলম্বন কৰা সত্বেও, ইতিমধ্যে কেইবা ঠাইতো সাম্প্ৰদায়িক সম্প্ৰীতি ব্যাহত হোৱাটো পৰিতাপৰ বিষয় হৈ পৰিছে। যোৱা দেওবাৰে নাছিক জিলাৰ মালেগাঁৱত আৰু উত্তৰ প্ৰদেশৰ গোৰখপুৰত সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিছে। এনে ধৰণৰ সংঘৰ্ষৰ পৰিসৰ কম বা বেছি যিয়েই নহওক সম্প্ৰদায়ৰ ভিত্তিত ভাৰতীয় জনসাধাৰণৰ মাজত অশান্তি হোৱাটোৱেই গুৰুতৰ কথা।

এনে অশান্তিৰ আন্তঃৰাষ্ট্ৰীয় তাৎপৰ্য স্বাভাৱিকতে দূৰপ্ৰসাৰী হ'ব। যি সময়ত মস্কোত পাকিস্তানী প্ৰেছিডেণ্ট আয়ুব খানে টাছখণ্ড ঘোষণা অনুসাৰে ভাৰতৰ লগত আলোচনা কৰাৰ মনোভাৱ ব্যক্ত কৰি বিশ্ব জনমতৰ ওচৰত নিজক শান্তিপ্ৰিয় বুলি প্ৰতিপন্ন কৰিবলৈ প্ৰচেষ্টা চলাইছে, সেই সময়ত ভাৰতত সাম্প্ৰদায়িক ভিত্তিত সংঘৰ্ষ হোৱাটো কিমান ক্ষতিকৰ কথা সকলোৱে উপলব্ধি কৰিব পাৰে। আভ্যন্তৰীণ ক্ষেত্ৰত এনে অশান্তিয়ে শান্তি-শৃংখলা ভংগ কৰাৰ উপৰিও উৎপাদনতো বাধা জন্মাইছে।

এইদৰে সাম্প্ৰদায়িক অশান্তি আৰম্ভ হোৱাৰ কাৰণ কি? ইয়াৰ পটভূমিত কিছুমান ক্ষেত্ৰত অভিযোগ তোলাৰ দৰে বিদেশী 'এজেন্ট'ৰ হাত আছে নেকি? সাম্প্ৰদায়িক উন্মত্ততাৰ লগত ৰাজনীতিও জড়িত হৈছে নেকি? — এইবোৰ প্ৰশ্ন বিবেচনা কৰি চোৱা অতি আৱশ্যক হৈ উঠিছে। পুলিচী ব্যৱস্থাৰ ওপৰতে সংঘৰ্ষ বন্ধৰ সকলো দায়িত্ব আৰোপ নকৰি চৰকাৰে অশান্তিৰ উৎস অনুসন্ধান কৰা উচিত আৰু তাক বন্ধ কৰিবলৈ ৰাজনৈতিক দলসমূহৰ সহযোগিতা গ্ৰহণ কৰা বাঞ্চনীয়।

দেওবাৰ, ১ অক্টোবৰ, ১৯৬৭ চন

## নিবনুৱা

সংবাদ প্ৰতিষ্ঠানে দিয়া এটা বাতৰিত প্ৰকাশ যে দেশৰ এক কোটি নিবনুৱা লোকৰ মাজত এক দশমাংশ শিক্ষিত নিবনুৱা। এই দহ লাখ শিক্ষিত নিবনুৱাৰ ভিতৰত ৬ লাখৰ সৰহ প্ৰৱেশিকা মহলা উত্তীৰ্ণ হোৱা চাকৰি প্ৰাৰ্থী আৰু ২ লাখ হ'ল— নিম্নস্নাতক মহলা উত্তীৰ্ণ হোৱা চাকৰি প্ৰাৰ্থী। এই পৰিসংখ্যাই দেশৰ গুৰুতৰ সমস্যা এটালৈ আঙুলিয়াই দিছে। পাঁচ বছৰীয়া পৰিকল্পনাসমূহে নিবনুৱা সমস্যা সমাধান কৰাত সমূলি সহায় কৰিব পৰা নাই। কোটি কোটি টকা খৰচ কৰি নতুন চাকৰিৰ থল যিখিনি উলিয়াব পৰা হৈছে— সেইখিনি চাহিদাৰ

তুলনাত নিচেই কম। সেইদেখি নামজাৰি হৈ থকা চাকৰি প্ৰাৰ্থীৰ তালিকা অভাৱনীয়ভাৱে বাঢ়ি গৈছে। ইপিনে আৰ্থিক সংগতিৰ অভাৱত আমাৰ পৰিকল্পনাযোগে চাকৰিৰ থল বঢ়োৱাটো কষ্টসাধ্য হৈ গৈছে ; সম্প্ৰতি সেয়ে একপ্ৰকাৰ স্থবিৰ অৱস্থা এটাত উপনীত হৈছেগৈ। তদুপৰি সম্প্ৰতি কাৰিকৰী উন্নয়নৰ ফলতো এটা নতুন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। কাৰিকৰী উন্নয়ন বা স্বয়ংক্ৰিয় যান্ত্ৰিক ব্যৱস্থাৰ ফলত উদ্যোগ আদিত মানুহৰ প্ৰয়োজন কমি গৈছে। সেইদেখি বিপুল ধনৰ বিনিময়ত গঢ়ি উঠা উদ্যোগ একোটাত প্ৰয়োজন হোৱা লোকৰ সংখ্যা নিচেই কমি গৈছে। এহাতে ইয়াৰ ফলত হেঁচা বাঢ়িছে আৰু আনহাতে আমাৰ শিক্ষা ব্যৱস্থাই নিবনুৱাৰ শাৰী দীঘলীয়া কৰাত বিশেষভাৱে বৰঙণি যোগাইছে। শিক্ষাৰ সংস্কাৰৰ কথা আজিও মৌখিক আস্ফালনৰ পৰ্যায়তে আছে। ফলত আধা কেচেলুৱা হৈ চাকৰি বিচাৰি ফুৰাটোৱেই জীৱনৰ ব্ৰত হিচাপে লোৱা মানুহৰ সংখ্যা বাঢ়ি গৈ আছে। প্ৰৱেশিকা বা নিম্নস্নাতক মহলা সৰকি চাকৰি বিচাৰি এন্ধাৰত খেপিয়াই ফুৰিবলগীয়া হোৱা এই মানুহখিনি আমাৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ নেতৃবৰ্গৰ নিৰ্লিপ্ততাৰ পৰিণতি। সেই বিষবৃক্ষ আজি নগৰতে নাই— গাঁৱলৈকো সম্প্ৰসাৰিত হৈছে। গাঁৱৰ এশ ছকুৰি সমস্যাৰ মাজত ছিন্নমূল হৈ পৰা বিশেষ এক শ্ৰেণীৰ শিক্ষিত নিবনুৱাৰ সমস্যা আজি দুশ্চিন্তাৰ কাৰণ হৈ উঠিছে।

এইখন সৰ্বভাৰতীয় ছবি। উল্লিখিত বাতৰি পৰিৱেশন কৰা বাতৰি প্ৰতিষ্ঠানে অৱশ্যে কেতবোৰ ৰাজ্যত এই সমস্যা কিমান প্ৰবল হৈ পৰিছে, তাৰ নিৰ্দিষ্ট লেখ দিছে। মাত্ৰ অসমৰ কথা উল্লেখ কৰা নাই। নকৰাটোৱেই স্বাভাৱিক— লাও যিমানে ডাঙৰ হওক, তথাপি পাতৰ তল। অসমৰ সমস্যা সেইদেখি পাতৰ তলতে থাকে। আমাৰ সমস্যাৰ মাজতো কলিকতীয়া কাকতে সেয়েহে পেংলাই কৰি বাতৰি পৰিৱেশন কৰে— "অসমৰ ভাগ্যবান স্নাতক সকল" বুলি শিতান দি! অসমত হেনো নিবনুৱা স্নাতক নাই! অথচ অসমৰ শিক্ষিত মহলৰ মাজত নিবনুৱা সমস্যাই আজি উৎকট ৰূপ ধাৰণ কৰিছে। চৰকাৰী পৰিসংখ্যা মতে অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা অভাৱনীয়ভাৱে বাঢ়িছে। ১৯৬১ চনৰ পৰা ১৯৬৫ চনৰ ভিতৰত ৰাজ্যত শিক্ষিত নিবনুৱাৰ সংখ্যা শতকৰা ৭১ ভাগ পৰিমাণে বৃদ্ধি পায়। তাৰ পিচত এই শতকৰা হাৰ নিশ্চয় আৰু বাঢ়িছে। কিয়নো সম্প্ৰতি থলুৱা চাকৰি প্ৰাৰ্থীক বঞ্চিত কৰাৰ হকে প্ৰণালীবদ্ধ প্ৰচেষ্টা চলিছে। চাহ বাগিচা, বেচৰকাৰী উদ্যোগ, চৰকাৰী খণ্ডৰ উদ্যোগ ৰেল, বেংক আদি সকলোতে তেওঁলোক বঞ্চিত হৈছে। উচ্চ মহলৰ পদৰ কথাই নাই নিম্ন মহলৰ পদো তেওঁলোকৰ ভাগ্যত নিমিলে। অন্যান্য অফিচৰ কথাই নাই— অসম চৰকাৰৰ অধীনস্থ অফিচসমূহতো নানান পাক-চক্ৰ লাগিছে। শ্বিলঙৰ ছেক্ৰেটৰিয়েটৰ নিযুক্তিৰ ছবি এখন মুখ্যমন্ত্ৰীয়ে নিজেই এই বছৰৰ জুলাই মাহত অসম বিধানসভাত দাঙি ধৰিছিল। সেই হিচাপ মতে ১৯৬২ চনৰ পৰা অসমীয়া মানুহৰ নিযুক্তি কমি গৈছে— (কেতবোৰ কামত মাত্ৰ শতকৰা ৮.৭০ ভাগ অসমীয়া মানুহক লোৱা হৈছে ; আন কেতবোৰত মাত্ৰ শতকৰা ৭.৯৭ ভাগ অসমীয়া)।

চৰকাৰী-বেচৰকাৰী সকলো অফিচতে সেয়ে ঘটিছে। উদ্যোগৰ কথাই নাই। যি সময়ত দেশত উদ্যোগত নিয়োগ কৰা লোকৰ সংখ্যা শতকৰা ৯ ভাগ বাঢ়িছে— সেই সময়ত অসমত বাঢ়িছে মাত্ৰ শতকৰা দুভাগ। তাৰ ভিতৰত কিমান অসমীয়া মানুহ আছে, তাৰ হিচাপ ল'বলৈ অনুবীক্ষণ যন্ত্ৰ লাগিব। এই গুৰুতৰ সমস্যাৰ প্ৰতি ৰাজ্য চৰকাৰে সমূলি কাণ কৰা নাই। ৰাজ্য চৰকাৰৰ এনে নিৰ্লিপ্ততাৰ সুযোগ লৈয়েই এতিয়া কিছুমান চাহ

বাগিচাই হিন্দী উপাধি নেথাকিলে চাকৰি নিদিয়াৰ সিদ্ধান্ত লোৱাৰ স্পৰ্ধা দেখুৱাব পাৰিছে। ৰাজ্য চৰকাৰনো কেতিয়া তৎপৰ হ'ব?

সোমবাৰ, ২ অক্টোবৰ, ১৯৬৭ চন

## সংহতিৰ সমস্যা

আজিৰ পৰা আৰম্ভ হোৱা ৰাষ্ট্ৰীয় সংহতি সপ্তাহৰ দৰে নানান উদ্দেশ্যত পালন কৰি অহা দিৱস, সপ্তাহ পক্ষ আদিৰ পৰা কিমান লাভ হৈছে সন্দেহজনক। কিয়নো নিয়ম ৰক্ষা কৰি এইবোৰ ঢোলে-দগৰে পালন কৰি প্ৰচাৰ কৰাৰ বাহিৰে ইয়াৰ অন্তৰালত উপযুক্ত মনোভাৱ গঢ়ি নুঠাত কথা আৰু কামৰ মাজত সংগতি নোহোৱা হয়গৈ। আজি গান্ধী জয়ন্তীও। যি অৰ্থত ভাৰতক এখন দেশ কৰা হৈছে বা কৰাৰ সপোন দেখা হৈছে সেই অৰ্থত জাতীয় আন্দোলনৰ নেতৃত্ব লৈ গান্ধীজীয়েই পোন প্ৰথমে ভাৰতবাসীক জাগ্ৰত কৰি তোলে। এটা উমৈহতীয়া ভাষাৰে এই ঐক্য গঢ়াৰ যি পৰিকল্পনা তেওঁ কৰিছিল সেই কথা এই প্ৰসংগত স্মৰণ কৰিব পাৰি। সাম্প্ৰদায়িক সম্প্ৰীতিৰ কাৰণে তেওঁৰ অক্লান্ত প্ৰচেষ্টা আৰু সদৌ শেষত আত্মাহুতিৰ কথাতো কোৱাই বাহুল্য। কিন্তু স্বাধীনতা লাভৰ পিচৰ পৰা সেই আদৰ্শক কাৰ্যত পৰিণত কৰিবলৈ যিখিনি কৰিব লাগিছিল সেইখিনি হৈ উঠা দেখা নগ'ল। বৰং ভাষা, অঞ্চল সম্প্ৰদায় আদিৰ প্ৰশ্নত ক্ৰমান্বয়ে দেশখন ডোখৰ ডোখৰ হোৱাৰ পিনেহে গতি কৰা দেখিবলৈ পোৱা গৈছে। এইবোৰ হোৱাৰ কাৰণে জনসাধাৰণেই যে জগৰীয়া সেইটো সঁচা ; কিয়নো জনসাধাৰণ আজি সৰ্বভাৰতীয় উদাৰ আদৰ্শবাদৰ দ্বাৰা অনুপ্ৰাণিত হৈ কমেইহে আচৰণ কৰে। কিন্তু কৰ্তৃত্বত থকা লোকৰ কাৰ্যকলাপৰ পৰাই যে জনসাধাৰণৰ এনে আচৰণৰ প্ৰতিক্ৰিয়া হয় সেইটোও স্বীকাৰ কৰিব লাগিব। কিছুমান ভুল নীতিৰ ফলতে এই প্ৰতিক্ৰিয়াশীল মনোভাৱ গঢ় লৈ উঠিছে। উদাহৰণস্বৰূপে ভাষাভিত্তিক ৰাজ্য গঠনৰ বতাহ বলাই দি তাক আজিলৈকে ৰোধ কৰিব পৰা নাই ; বৰং নানান ভুল আৰু দুৰ্বলতাৰ প্ৰদৰ্শনী পাতি সমস্যা বঢ়াই নিয়াহে হৈছে। অসমৰ পুনৰ্গঠনৰ নামত বিবিধ প্ৰস্তাৱ, পৰিকল্পনা দিল্লীয়ে উলিয়াই আছে আৰু তাৰ দ্বাৰা অশান্তিৰহে বাট কাটি দিয়া হৈছে। চৰকাৰী ভাষা লৈ চৰকাৰৰ ভিতৰত থকা অত্যুৎসাহী এদলে এনে ধৰণে খৰখেদা লগাবলৈ ধৰিলে যে সেয়ে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি দেশখনক এই বিষয়ত এটা অচল অৱস্থাত পেলাইছেগৈ। সাম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শত প্ৰথম কুঠাৰাঘাত কৰা হ'ল দেশ বিভাজনতে। তাৰ পিচত ইয়াৰ এনে পতন হ'বলৈ ধৰিলে যে কংগ্ৰেছে চৰকাৰ গঠন কৰি থকা দিল্লীতে তাৰ উগ্ৰতাৰ ৰূপ ফুটি উঠিল আৰু চৰকাৰ অসহায় হৈ চাই থাকিবলগীয়া হ'ল। দুৰ্বলতা আদি নানান কাৰণত আদৰ্শহীনতা ইমান শিপাইছে যে সপ্তাহ পালন কৰি সংহতি ৰক্ষাৰ অৰ্থে জনোৱা আহ্বান অৰণ্য-ৰোদনৰ লেখীয়া হৈ পৰিছে।

## হিচাপ

সকলো ধৰণৰ হিচাপ শুদ্ধ বুলিব পাৰিনে? আপোনাৰ খৰচৰ হিচাপ ঠিক থাকেনে? বা বাজেট মতে আয়-ব্যয় মিলি যায়নে? চৰকাৰী বাজেটতে যেতিয়া ভবা মতে ধন নুঠাত পৰিপূৰক মঞ্জুৰী দাবীৰ সময়ত তাক

স্বীকাৰ কৰা হয় তেতিয়া আপোনাৰ-মোৰ ব্যক্তিগত জীৱনত বাকী বা ঘাটি পৰাটোনো কি আচৰিত কথা? কিন্তু এক ধৰণৰ হিচাপ আছে যিটোক আনুমানিক বুলি সম্ভৱপৰ হিচাপে আপুনি গ্ৰহণ কৰিব পাৰে। ধৰক হাবিৰ গছ, ফুটবল খেলৰ বা ৰাজহুৱা সভাৰ দৰ্শক, ভাৰতৰ জনসংখ্যা ইত্যাদি। ভাৰতৰ জনসংখ্যা আনুমানিক বুলিলে অৱশ্যে ভুল হ'ব ; কিয়নো জনগণনাৰ পদ্ধতি এটা অনুসৰণ কৰিহে তাৰ হিচাপ আজিকালি দিনৌ দিব ধৰা হৈছে। কিন্তু ইয়াকেই শুদ্ধ বুলি ধৰি ল'বলৈ অলপ টান হয়। ধৰক সিদিনাখন কেন্দ্ৰীয় মন্ত্ৰী এজনে মন্তব্য কৰিছে যে গাঁৱৰ মুখীয়ালসকলে নৱজাতক আদি সম্বন্ধীয় তথ্য-পাতি ঠিক মতে নিদিয়ে। এনে অৱস্থাতনো চৰকাৰীভাৱে প্ৰকাশিত সংখ্যাটোক বিশুদ্ধ বুলি কেনেকৈ ল'ব পাৰি? ড° চন্দ্ৰশেখৰেও যিটো গতিত ট্ৰেঞ্জিষ্টৰৰ উপহাৰৰ লোভ দেখুৱাই ল'ৰা-ছোৱালী কমোৱাত উৎসাহ দিব ধৰিছে তাৰে চায়ো বহুতে পৰিয়ালৰ শুদ্ধ সংখ্যা নিদিব পাৰে। গান্ধাৰীৰ এশ পুত্ৰৰ আৰ্হি থাকিলেও কোনেনো বাৰু বাৰটি ল'ৰা-ছোৱালী বুলি ক'বলৈ লাজ নকৰিব? পাণ্ডুৰ পাঁচটি সন্তানৰ সমুখত কাবুলী মাতৃ লজ্জিতা হৈছিল নে নাই সেই কথা মহাভাৰতত লিখা নাই যদিও ক'ব পাৰি যে বিজয়ী পঞ্চপাণ্ডৱৰ সমুখত গান্ধাৰীয়ে এশজন ল'ৰাৰ পৰা কম মনস্তাপ পোৱা নাছিল। সি যি হওক ভাৰতৰ জনসংখ্যাৰ হিচাপত আমি বিশেষ খুঁত ধৰিব খোজা নাই। সংখ্যাটো বাঢ়ি যাবলৈ দিয়াতকৈ কমাই দেখুৱাব পৰাতহে আমি গুৰুত্ব দিছোঁ ; নহ'লে কাৰ্টুনিষ্টে ড° চন্দ্ৰশেখৰক কাহানিবা গান্ধাৰী কৰি দেখুৱাব।

সম্প্ৰতি বন্যপ্ৰাণী সপ্তাহ চলি থকা অৱস্থাত শ্বিলঙৰ পৰা দিয়া এটা হিচাপত কোৱা হৈছে যে আমাৰ চাৰিখন অভয়াৰণ্যত গুটীয়া খৰ্গৰ গঁড় ৫৪১টা আছে ; কাজিৰঙাত হাতী ৩৭৫টা, ৫৫০টা ম'হ, ৫,০০০ হৰিণা পহু ইত্যাদি জন্তু আছে। এইটো হিচাপো মোটামুটিভাৱে শুদ্ধ বুলি আমাৰ বিশ্বাস। কিয়নো বন বিভাগৰ বিষয়াসকলে নিশ্চয় ভালদৰে লক্ষ্য কৰিয়েই বহুদিনীয়া অভিজ্ঞতাৰে এই লেখটো উলিয়াইছে। এইটো লেখ হ'লে আমি বঢ়াবলৈ কওঁ। কাৰণ একোটা গঁড়ৰ দাম ৫০ হেজাৰৰ পৰা ১ লাখ টকালৈ বঢ়াই দিয়া হৈছে। গতিকে গঁড়ৰ সংখ্যা বঢ়ালে ৰাজভঁৰালৰ ধনৰ পৰিমাণো বাঢ়িব। আন এবিধ গঁড়ৰ কথা ৰাইজৰ মুখত শুনা যায়। হাজাৰ সমালোচনা, হাজাৰ চৰকাৰী ব্যৱস্থা আদি সত্বেও অকৰ্মণ্যতা, দুৰ্নীতি আদিৰ কাৰণে কুখ্যাত শ্ৰেণীৰ লোককে এইবিধ গঁড় বোলা যায়। এইবিধৰ অংক বঢ়োৱাত হ'লে আমাৰ আপত্তি আছে। আৰু এটা হিচাপ বোধকৰো কোনো কালে লিপিবদ্ধ নহ'ব ঃ নতুনকৈ লিখিব ধৰা স্বাধীনতাৰ বুৰঞ্জীত দেশৰ কাৰণে প্ৰাণাহুতি দিয়া অজ্ঞাতনামা বীৰসকলৰ নাম নিশ্চয় নেথাকিব ; যেনেকৈ ব্যৰ্থ প্ৰেমৰ কাৰণে নিজকে শেষ কৰি দিয়া প্ৰাণবিলাকৰ কোনো লেখ ক'তো নেথাকে ঃ অসমীয়া কবিৰ ভাষাত— "চাকিৰ শিখাত জানো চগাৰ হিচাপ লিখা থাকে?"

শনিবাৰ, ৭ অক্টোবৰ, ১৯৬৭ চন

# ৰাইজৰ হাহাকাৰ

ডিব্ৰুগড়ত খাদ্য সমস্যাক কেন্দ্ৰ কৰি অশান্তিকৰ পৰিস্থিতি এটা উদ্ভৱ হয় ; অৱশ্যে সেয়ে এতিয়ালৈকে আয়ত্তাধীন অৱস্থাত আছে। সেইবুলি আত্মতুষ্টিৰ ভাব লোৱাটো উচিত নহ'ব। পৰিস্থিতিয়ে যি গঢ় লৈছে, তাৰে চাই ধাৰণা হৈছে এইবাৰৰ খাদ্য সমস্যা যোৱাবাৰতকৈয়ো জটিল হ'বগৈ পাৰে। ইতিমধ্যে ৰাইজৰ দুৰ্গতি সম্পৰ্কে

নানান বাতৰি নানা ঠাইৰ পৰা ওলাইছে। ধান-চাউলৰ নাটনিয়ে সম্প্ৰতি যি গুৰুতৰ ৰূপ ধাৰণ কৰিছে— তাৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিবলৈ চৰকাৰে পলম কৰাটো অনুচিত।

যোৱা বছৰ ধান-চাউল নাই বুলি চৰকাৰীভাৱে কোৱাৰ পৰতো ৰাজ্যৰ বাহিৰলৈ চোৰাং চালান গৈ আছিল। ইপিনে অত্যধিক বেছি দামত মুকলি বজাৰত চাউল ওলাই আছিল। চোৰাং কাৰবাৰৰ পয়োভৰ তেতিয়াও আছিল। আনহাতে চৰকাৰে সংগ্ৰহ সম্পৰ্কীয় নীতিৰ বিষয়ে নতুন ঘোষণা জাৰি কৰাৰ লগে লগে বজাৰৰ ৰূপ বহুতখিনি বেলেগ হোৱা দেখা গৈছিল। এইবাৰৰ অৱস্থাৰ বিচাৰ লোৱাৰ পৰত সেইদেখি সেইবোৰ কথাই মনত ভুমুকি মাৰিছেহি। এইবাৰো ৰাজ্যৰ বাহিৰলৈ চোৰাং চালানৰ পয়োভৰ অব্যাহত আছে। চোৰাং বেপাৰ অক্ষুণ্ণ আছে। আনহাতে ৰেচনৰ দোকানত যোগান ধৰিবলৈ চাউল নেথাকিলেও মুকলি বজাৰত চাউল ওলাই আছিল— মাত্ৰ দামৰ গতি অবাধ আছিল। সম্প্ৰতি খাদ্য কৰ্পৰেচন, যোগান বিভাগ সকলো নিমাত অথচ ৰেচনৰ দোকানে চাউল যোগোৱাটো প্ৰায় সম্পূৰ্ণ বন্ধ হৈছে। মুকলি বজাৰতো আগৰ দৰে চাউল নোলোৱা হৈছে— দামো বহুত ওপৰলৈ উঠিছে। সেইদেখি হঠাৎ হোৱা এই অৱস্থাটোৰ মূল কাৰণ কি, তাকে জানিবলৈ ইচ্ছা জন্মাটো নিশ্চয় স্বাভাৱিক। চোৰাং বজাৰ, চোৰাং চালানৰ বাবে চাউল ওলাই আছে। কিন্তু ৰেচনৰ দোকানলৈ চাউল নাহে। মুকলি বজাৰলৈ সোঁত বোৱা চাউলৰ গতিও তেনেই মন্থৰ হৈ পৰিল। কিয় এনে হ'ল? ইয়াৰ মাজত কৃত্ৰিমালি নাইনে— অৰ্থাৎ কৃত্ৰিম নাটনিয়ে এই অৱস্থাৰ সৃষ্টি কৰা নাইনে? চৰকাৰী নীতি সলনি হোৱাৰ কিবা আভাস পোৱাৰ কাৰণে নাইবা বিশেষ কেতবোৰ মহলে হেঁচা প্ৰয়োগ কৰি সুবিধা আদায় কৰি ল'বৰ বাবে এই পথ লৈছে নেকি? তাৰ উত্তৰ আমাক লাগে— আৰু লাগে তৎকালীন প্ৰতিকাৰ। পৰিস্থিতিয়ে তাকেই চৰকাৰৰ পৰা দাবী কৰিছে।

## পাৰ্বত্য বিশ্ববিদ্যালয়

প্ৰস্তাৱিত কেন্দ্ৰীয় পাৰ্বত্য বিশ্ববিদ্যালয় স্থাপন কৰা ক্ষেত্ৰত নগালেণ্ডে সহযোগ নকৰিবলৈ থিৰাং কৰিছে বুলি বাতৰি ওলাইছে। তাৰ সপক্ষে এটা যুক্তি দেখুওৱা হৈছে যে প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ মাধ্যমৰ ক্ষেত্ৰত জটিলতাই দেখা দিয়াটো সম্ভৱপৰ। অৱশ্যে এতিয়ালৈকে ওলোৱা বাতৰি মতে প্ৰস্তাৱিত কেন্দ্ৰীয় পাৰ্বত্য বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ইংৰাজী ভাষা হ'ব। নগালেণ্ডে যিহেতু ইংৰাজীকে চৰকাৰী ভাষা আৰু শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে, এনে স্থলত জটিলতাৰ সম্ভাৱনা দেখাত নাই। হয়তো নগালেণ্ডে সন্দেহ কৰিছে যে মূৰকত এই কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিন্দী হ'বগৈ— সেইদেখি এনে এটা সন্দেহৰ অৱতাৰণা হৈছে। এনে সম্ভাৱনা অৱশ্যে নথকা নহয় ; হয়তো এই অঞ্চলত হিন্দী মাধ্যমৰ বিশ্ববিদ্যালয় এটা পতাৰ চূড়ান্ত লক্ষ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈয়েই কেন্দ্ৰই পাৰ্বত্য অঞ্চলৰ ৰাইজৰ দোহাই দি আছুতীয়াভাৱে বিশ্ববিদ্যালয়ৰ পতাৰ ক্ষেত্ৰত ইমান উৎসাহ দেখুৱাইছে। নগালেণ্ডৰ দ্বিতীয় আপত্তি হ'ল— দূৰত্ব। শ্বিলঙত কেন্দ্ৰীয় বিশ্ববিদ্যালয় পাতিলে নগালেণ্ডৰ কাৰণে যে দূৰ হ'ব, সেইটো ঠিক। গাৰ বলেৰে শ্বিলঙত অসমৰ ৰাজধানী ৰাখি দূৰত্ব আৰু বিচ্ছিন্ন অৱস্থা সম্পৰ্কীয় সকলো আপত্তিলৈ ভ্ৰূক্ষেপ নকৰাকৈ থকাদি নগালেণ্ডৰ এই আপত্তিৰ প্ৰতি আওকাণ কৰাৰ সাহস কাৰো নিশ্চয় নহ'ব। তদুপৰি দাম-দৰৰ বাবে নগালেণ্ডৰ স্থিতি অধিক সুবিধাজনক। এনে অৱস্থাত নগালেণ্ডে কহিমাত এটা সুকীয়া বিশ্ববিদ্যালয় পতাৰ হকে দাবী তুলিলে কৰ্ণধাৰসকল বিব্ৰত নহৈ নোৱাৰে।

যিহেতু কেন্দ্ৰীয় বিত্তীয় অনুদানেই নগালেণ্ডৰ একমাত্ৰ সম্বল, সেই কাৰণে নগালেণ্ডে সুকীয়া বিশ্ববিদ্যালয় পাতিবলৈ সিদ্ধান্ত লোৱা মানে— কেন্দ্ৰীয় ধনেৰেই সেই বিশ্ববিদ্যালয় পতা।

যদি সেয়ে হয়গৈ, তেন্তে পূৰ্বাঞ্চলৰ সমূহ জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ স্বাৰ্থ পূৰণ কৰিবৰ বাবে প্ৰস্তাৱিত বিশ্ববিদ্যালয় পাতিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লোৱা বুলি কৰা গুৰু-গম্ভীৰ ঘোষণাৰ চোক নোহোৱা হ'ব। হয়তো আন পাৰ্বত্য অঞ্চলতো আৰু বিশ্ববিদ্যালয় পতাৰ বাবে দাবী তোলাৰ প্ৰেৰণাও কিছুমানে পাব। অকল পাৰ্বত্য অঞ্চলৰ বাবে আছুতীয়া বিশ্ববিদ্যালয় পতাৰ প্ৰয়োজন কিয় হ'ল, সেই কথা আমি আগতেও বুজা নাছিলো, এতিয়াও বুজা নাই। জনজাতীয় লোক অকল অসমতে নাই— ভাৰতৰ আন ৰাজ্যতো আছে। কেইখনমান ৰাজ্যৰ প্ৰত্যেকতে থকা জনজাতীয় লোকৰ সংখ্যা অসমতকৈ বেছি। কিন্তু সেইবোৰত তেনে দাবী উঠা নাই। আনহাতে বিশ্ববিদ্যালয় মহলাত জনজাতীয় ছাত্ৰ-ছাত্ৰীয়ে যিবোৰ বিষয়ে শিক্ষা গ্ৰহণ কৰিব, হুবহু সেইবোৰ বিষয়কে অজনজাতীয় ছাত্ৰ-ছাত্ৰীয়েও অধ্যয়ন কৰিব। আনহাতে অসমৰ বিশ্ববিদ্যালয় দুটাৰ মাধ্যম ইংৰাজী কৰি ৰখাৰ সিদ্ধান্ত বাহাল ৰখা হ'ল— জনজাতীয় স্বাৰ্থৰ কথা তুলি। সেইদেখি সেইফালৰ পৰাও অদূৰ ভৱিষ্যতে কোনো সমস্যা উদ্ভৱ হোৱাৰ সম্ভাৱনা নাই। তথাপি অসমৰ বেলিকা খৰখেদা লগাই কেন্দ্ৰীয় চৰকাৰে এনে এটা সিদ্ধান্ত গ্ৰহণ কৰিলে। তাতোকৈ দুখৰ কথা হ'ল— মূলতঃ যিবোৰ অভিযোগৰ ভিত্তিত পাৰ্বত্য জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়াকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় পতাৰ কথাটোৰ অৱতাৰণা কৰি মূৰকত সিদ্ধান্ত লোৱা হ'ল, সেই অভিযোগবোৰ খণ্ডন কৰাৰ বা তাৰ সত্যাসত্য নিৰূপণ কৰি খাটাংভাৱে অভিমত দিয়াৰ কোনো ব্যৱস্থা লোৱা নহ'ল। ফলত অসম চৰকাৰ, অসমৰ ৰাইজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গাত চেকা থাকি গ'ল। কিন্তু সেয়ে যে সতিনীৰ নাক কাটি যাত্ৰা ভংগ কৰাৰ নিচিনা কথা হ'ল, তাৰ বিচাৰ কোনেও নল'লে। অথচ ভুলৰ হুলে আমাক ইতিমধ্যে থকা-সৰকা কৰি থৈছে। জনজাতীয় ছাত্ৰৰ বাবে আছুতীয়া ছাত্ৰাবাস স্থাপন কৰাৰ ব্যৱস্থা কেন্দ্ৰই লোৱা নাছিল জানো? সকলো প্ৰতিবাদলৈ আওকাণ কৰি দেশৰ বিভিন্ন ঠাইত এই আঁচনি কাৰ্যকৰী কৰা হ'ল। কিন্তু বিহ গছৰ গুটি সিঁচি দিয়াৰ মূৰত কেন্দ্ৰই বুজিলে— তেতিয়া এই আঁচনি বাতিল কৰি দিয়া হ'ল। পিচে অসমৰ বেলিকা কেন্দ্ৰই এই ভুল স্বীকাৰ নকৰে। ইয়াত ষষ্ঠ অনুসূচীৰ দেৱাল সাজি জনজাতীয় ৰাইজক বিচ্ছিন্ন কৰি থোৱাৰ পৰিণাম কেন্দ্ৰই বুজিও নুবুজিলে। এতিয়া পাৰ্বত্য ছাত্ৰ-ছাত্ৰীৰ বাবে আছুতীয়া বিশ্ববিদ্যালয় পাতি পৃথক মনোভাৱকে অধিক পৰিমাণে প্ৰশ্ৰয় দিয়া হ'ব। সেই মনোভাৱে চল পালেই পোখা বেছিকৈ মেলে— তাৰে ইংগিত জানো ইতিমধ্যে পোৱা নাই?

সোমবাৰ, ৯ অক্টোবৰ, ১৯৬৭ চন

# সেই তিমিৰতে

নগা সমস্যাৰ সমাধানাৰ্থে দিল্লীত যি ষষ্ঠ আলোচনা সভা হৈ গ'ল তাত বিদ্ৰোহী পক্ষৰ প্ৰতিনিধিবৰ্গই নাটকীয় পন্থা অৱলম্বন কৰি কেন্দ্ৰীয় চৰকাৰৰ গাত দোষ জাপি দিবলৈ চেষ্টা কৰিছে বুলি বাতৰি দিয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ অতিশয় ব্যস্ততা হেতু— দলীয় সভা আৰু পূব ইউৰোপ ভ্ৰমণ সংক্ৰান্তত কথা দিও হেনো

৬ তাৰিখে আলোচনা কৰিব নোৱাৰাত প্ৰতিনিধি দলে "অপমানিত আৰু অৱহেলিত" বোধ কৰি ৭ তাৰিখে ৰাতিপুৱাই দিল্লী এৰি আহে ; কোৱা বাহুল্য যে এই "অপমানবোধ"ৰ কথা তেওঁলোকে তাৰ আগতে ভালদৰে প্ৰচাৰ কৰি আহে। তেওঁলোকে দিল্লী আৰু কলিকতাত সাংবাদিকৰ আগত ভাৰতৰ বাহিৰত স্বাধীনতা বিচৰাৰ যি অনমনীয়তা প্ৰকাশ কৰিছে সেই মনোভাৱ আলোচনাৰ আজি তিনি বছৰে এবাৰলৈকো পৰিহাৰ কৰা নাছিল। এই কথা কেন্দ্ৰীয় চৰকাৰেও ভালদৰেই জানে ; জানে কাৰণেই পাঁচবাৰৰ ভিতৰত এবাৰলৈকো কোনো সিদ্ধান্তৰ ওচৰলৈ নগৈ সময় পিছুৱাই নি আছে— হয় ঐন্দ্ৰজালিকভাৱে কিবা ঘটিব বুলি নহয় বিদ্ৰোহীৰ অনমনীয়তা নোহোৱা হ'ব পাৰে বুলি। আমি আগতেই মত প্ৰকাশ কৰি আহিছো যে এনে ধৰণৰ দীৰ্ঘসূত্ৰিতাৰ পৰা লাভ একো নহয়, বৰং সমস্যাৰ জটিলতা বাঢ়িহে যাব। কাৰ্যক্ষেত্ৰত সেয়ে হৈছেও। অস্ত্ৰ-সম্বৰণৰ ক্ষেত্ৰত চুক্তি ভংগৰ বিষয়ে পৰস্পৰৰ ভিতৰত অভিযোগ-প্ৰত্যভিযোগ উঠি আছে, যাৰ সত্যাসত্য প্ৰমাণ কৰিবলৈ যোৱাটো সুদূৰপ্ৰসাৰী বিষয়। মণিপুৰ প্ৰশাসনে নিজাববীয়াকৈ বিপদ উপলব্ধি কৰি অস্ত্ৰ-সম্বৰণৰ বিৰোধিতা কৰি আহিছে ; তালৈ কৰ্ণপাত কৰা হোৱা নাই ; পৰিণামত এতিয়া দেখা গৈছে যে বিদ্ৰোহীসকলৰ কাৰ্যকলাপ মণিপুৰ এলেকাত বিস্তাৰিত আৰু বিপুল আকাৰৰ হৈ পৰিছে। অসমৰ সীমাৰ ভিতৰতো চেগা-চোৰোকাকৈ বিদ্ৰোহীৰ উৎপাত চলি আছে আৰু এই বিষয়ত আত্মগোপনকাৰীক অভিযুক্ত কৰিবলৈ গ'লেই তেওঁলোকে ওলটাই কয় যে নিৰাপত্তা বাহিনীয়ে গুলী চলালে তেওঁলোকেও ওভোতাই গুলী চলাবই। এইদৰে নিৰৰ্থকভাৱে আলোচনা চলাই গৈ থাকি একো লাভ নাই। অথচ শ্ৰীমতী গান্ধীয়ে সংশ্লিষ্ট সকলোৰে মূৰত প্ৰতিবাৰে একো চলুকৈ পানী দি আলোচনা দীঘলাই নিয়েই আছে। কথা দিও কথা নৰখাটো তেওঁৰ পক্ষে নিশ্চয়েই ভাল হোৱা নাই। কাৰণ তাৰ পৰা ইপক্ষৰ প্ৰতিনিধিয়ে তৎক্ষণাৎ সুবিধা গ্ৰহণ কৰিলেই। আনহাতে চৰকাৰৰ পক্ষৰ পৰাও পুনৰ দীৰ্ঘসূত্ৰিতাৰ আশ্ৰয় লোৱা হ'ল। বিদ্ৰোহী পক্ষৰ কৌশলো বিৰক্তিকৰ। তেওঁলোকৰ স্বাধীনতা দাবী কোনোমতেই সমৰ্থনযোগ্যতো নহয়েই, তেওঁলোকৰ দাম্ভিকতা আৰু অন্যান্য কাৰ্যকলাপো সহি থাকিব পৰা বিষয় হৈ থকা নাই। দিল্লীত শেহতীয়াকৈ তেওঁলোকে নিজৰ নাটকীয় আচৰণৰ ব্যাখ্যা দিবলৈ বছা বছা, বিশেষকৈ বিদেশৰ সাংবাদিকক মাতি নিয়ে বুলি অভিযোগ উঠিছে। এনেকুৱা কৌশল অৱলম্বন কৰিবলৈ তেওঁলোকক সুবিধা দিব নেলাগে— চৰকাৰী প্ৰচাৰ যন্ত্ৰৰ বিফলতাৰনো আৰু কিমান দৃষ্টান্ত দেখুৱাই থাকে? আটাইতকৈ ডাঙৰ কথা, আদিৰে পৰা কেন্দ্ৰীয় চৰকাৰে উভয় পক্ষৰ সম্পূৰ্ণ বিপৰীতমুখী দৃষ্টিভংগী দেখি আহিছে। সেইবাবে প্ৰতিবাৰে তাকে লৈ ব্যৰ্থ চেষ্টা চলাই থাকি কাৰ লাভ হৈছে আমি নেজানো। হেস্ত-নেস্ত কিবা এটা কৰি পেলোৱাৰ পন্থা উদ্ভাৱন কৰিব লাগে। সুস্থিৰ নীতি এটা উদ্ভাৱনৰ দ্বাৰা দৃঢ়তাৰে আগুৱাই যাব লাগে। কোনো এটা সমস্যাৰে সমাধান কৰিব নোৱাৰি সেইবোৰ সময়ৰ সোঁতত উটি যাবলৈ দিয়া হৈছে মাথোন। তাৰ ফলত ওচৰৰ শত্ৰুভাবাপন্ন দেশবোৰে কেনেকৈ সুযোগ লৈছে তাক সকলোৰে দেখি আছে।

যি তিমিৰত আছিল সময়ত সেই তিমিৰতে ৰৈ গৈছে।

## বিয়া নকৰাব !

পাঠকসকলৰ সম্প্ৰতি নতুন কৰ্তব্য ওলাইছে। বৃত্তি পোৱা ল'ৰা-ছোৱালী আছে যদি সাৱধান! দুই-চাৰিটা ল'ৰা-ছোৱালী মোমায়েকৰ ঘৰত থ'বগৈ, নহ'লে বৃত্তি কটা যাব পাৰে। যথেষ্ট বয়সতো বিয়া নোহোৱাকৈ

কাৰোবাৰ ছোৱালী আছে যদি চৰকাৰৰ কাণ চোৰাই থ'বলৈ নেপাহৰিব, চৰকাৰে তেওঁলোকৰ ভৰণ-পোষণৰ ভাৰ ল'ব পাৰে। কেন্দ্ৰীয় পৰিয়াল পৰিকল্পনা পৰিষদৰ দুদিনীয়া সম্মিলনে উক্ত মৰ্মে যি সিদ্ধান্ত লৈছে তাক যদি আইনত পৰিণত কৰা হয় তেন্তে এই ধৰণৰ ভয় নিশ্চয় আছে। আগতে একেখন স্কুলত তিনি-চাৰি ককাই-ভাই পঢ়িলে পিচৰ কিটাই হাফ্ বা মাফ্ পাইছিল ; ড° চন্দ্ৰশেখৰৰ দিনত তাৰো ভিকাচন ভাগে যেন পাইছো। কেনেবাকৈ যদি গম পালে যে হাফ্-মাফ্ পাই থকা অমুকাহঁতৰ আৰু এটা কেঁচুৰা হৈছে তেন্তে কথা গহীনেই হ'ব পাৰে। উক্ত পৰিষদে প্ৰস্তাৱ কৰিছে যে ছোৱালীৰ বিয়াৰ বয়স ২১ বছৰলৈ আৰু ল'ৰাৰ ২৫ বছৰলৈ বঢ়াই দিয়া উচিত। ছোৱালীৰ বয়স বাঢ়ি গৈছে অথচ উলিয়াই দিব পৰা নাই বুলি যিসকলে হা-হুমুনিয়াহ কাঢ়ি আছে তেওঁলোকে নিয়ম মতে এই কথাত সকাহ পোৱাই উচিত। পিচে চৰ্দা আইন কাগজতে থকাৰ দৰে এই ব্যৱস্থাও কাগজতে থাকি যায় বুলিহে আমাৰ ভয় হয়। সংশ্লিষ্টসকলে অৱশ্যে এটা কাম কৰিব পাৰে ঃ আইন মতে ২১ বছৰলৈ বিয়া দিব নোৱাৰি বুলি লোকক উচটাই থাকি নিজৰ জীয়েকৰ বিয়াৰ চেষ্টা তলে তলে চলাই থাকিব পাৰে। আইনে এইকণেই সুবিধা দিব যেন বোধ হৈছে। পৰিষদে আৰু এটা কথা কৈছে— দুটা বা তিনিটা সন্তান থকা লোকসকলক ষ্টেৰিলাইজেচনৰ বাবে মান্তি কৰাব খোজা হৈছে। বাটত চৰি ফুৰা বিধক ধৰি-বান্ধি আনিব পাৰি ; মানুহকনো কি উপায়েৰে মান্তি কৰাব খোজা হৈছে আমি বুজি পোৱা নাই। জনসংখ্যা বৃদ্ধিত বাধা দিবৰ কাৰণেই পৰিষদে এইবিলাক পন্থা অৱলম্বনৰ দিহা দিছে। তেওঁলোকৰ উদ্দেশ্য সজ, তাৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থন আছে— বিশেষকৈ বজাৰত যথেষ্ট চাউল নোপোৱাৰ অভিজ্ঞতাৰ পিচত। কিন্তু তেওঁলোকৰ পন্থাই সফলতা লভে নে নলভে সেইটোহে ক'ব পৰা নাই। জনপ্ৰিয় গায়কৰ হতুৱাই গীতো গোওৱা হৈছে— চীনা যুদ্ধ গীতেৰে জিকিব খোজাৰ দৰে। বিয়া কৰায়ো ছদ্মবেশত কুমাৰ নাম লোৱা অসমীয়া কবিয়ে "মই যে কৰাম বিয়া" বুলি কাব্যগ্ৰন্থ লিখিছে ; তেনে লোকৰ দ্বাৰা "মই নকৰাওঁ বিয়া" এনে ধৰণৰ কাব্যও লিখাই চাব পাৰি।

মঙ্গলবাৰ, ১০ অক্টোবৰ, ১৯৬৭ চন

# জয়ং দেহি

বছৰি অহাৰ দৰে এইবেলিও পূজা আহিছে। বাহিৰৰ জাকজমক হয়তো আগৰ দৰেই আছে, কিন্তু পূজা কৰোঁতাসকলৰ দৈহিক আৰু মানসিক প্ৰস্তুতি জানো একেই আছে? থাকিব নোৱাৰে। অভাৱ-অনাটনত জুৰুলা হোৱা উপাসকসকলৰ অধিকৰে মনত এটি নৈৰাশ্যৰ ভাবে ভুমুকিয়াইছে। দুৰ্নীতি-শোষণ-অন্যায়-উৎপীড়নৰ মাজত জনসাধাৰণৰ মনত হতাশাৰ ভাব অহাটো সঁচাকৈয়ে দুৰ্ভাগ্যৰ কথা। এনে হতাশাই আত্মবিশ্বাস আৰু আত্মশক্তি নাইকিয়া কৰে ;— লগে লগে নাইকিয়া কৰে ন্যায়-নীতি, ধৰ্ম-কৰ্ম, ঐতিহ্য-সংস্কৃতিৰ প্ৰতি থকা শ্ৰদ্ধা। ফলত সবল বিশ্বাসীজনো হয়গৈ একে ধৰণৰ দুৰ্নীতিপৰায়ণ, শোষক বা অন্যায়-উৎপীড়ক ; যাৰ বিপৰীতে নিজে যুঁজিবলৈ অক্ষম হৈ তেওঁ এদিন হা-হুতাশ পেলাইছিল। অথচ এনে দুৰ্নীতি আৰু আসুৰিক উত্থানৰ লগত অবিৰাম সংগ্ৰাম চলোৱাৰ প্ৰতীকৰূপেই বছৰি দুৰ্গা পূজা কৰা হয়। এই পূজা-শক্তিৰ পূজা ;— এই উৎসৱ দুৰ্নীতি-দানৱ-নাশিনীৰ জয়গান গোৱা উৎসৱ। সেয়ে বছৰি দুৰ্গা পূজাত বিশ্বাসী ভক্তই বিচাৰে জয়, যশ, ৰূপ

আৰু শত্ৰুৰ মৃত্যু। জয়ৰ কাৰণে, যশৰ বাবে আৰু শান্তিৰ মাজতে ৰূপৰ অধিকাৰী হোৱাৰ মানসেৰে আহ্বান কৰা হয় শক্তিৰূপিনী দেৱীক ; সকলো প্ৰাণীতে কান্তিৰূপে, ক্ষমাৰূপে, দয়াৰূপে, শান্তিৰূপে, মাতৃৰূপে, শক্তিৰূপে থকা জগজ্জননীক। হতাশা পৰাজয়ৰ লক্ষণ ; নৈৰাশ্য কাপুৰুষৰ আভৰণ। সেয়ে আজি শক্তিপূজাৰ দিনা আমি চৰমতম দুৰ্গতিৰ মাজতো আত্মবিশ্বাসেৰে থিয় দি আহ্বান জনাব লাগিব দুৰ্গতিনাশিনীক।

এইবেলি 'ঘোটক'ত অহা গোঁসানী যাব 'দোলাত' ; জ্যোতিষ শাস্ত্ৰ অনুসৰি তাৰ ফল ক্ৰমে 'ছত্ৰভংগ' আৰু 'মৰক'। কিন্তু দেৱী নিজে জয় আৰু শক্তিৰ অধিষ্ঠাত্ৰী ; 'মাৰি-মৰক' নাশ কৰাৰ গৰাকিনী তেৱেঁই। তেওঁৰ বিশ্বাসী ভক্তবৰ্গও একে শক্তিৰে তৎপৰতাৰে দৃঢ়বিশ্বাসেৰে প্ৰকৃতিৰ দুৰ্যোগ আৰু দুষ্কৃতিকাৰী দানৱজাকৰ বিপৰীতে থিয় দিব লাগিব। জয় আমাৰ হ'বই ;— কাৰণ সেও নেমানি অন্যায়ৰ সৈতে কৰা সংগ্ৰামত মৃত্যুও জীৱনৰ অন্যতম জয়।

## নেফা

এই বছৰৰে আৰম্ভণিতে মাঘ বিহুৰ উপহাৰৰূপে কেন্দ্ৰই অসমৰ ৰাইজলৈ আগবঢ়াইছিল ফেডাৰেচন গঠনৰ প্ৰস্তাৱ ; সেয়া আমি গ্ৰহণ কৰিব নোৱাৰিলো। পুনৰ দুৰ্গা পূজাৰ উপহাৰৰূপেই হয়তো 'নেফাক' কেন্দ্ৰীয় শাসিত অঞ্চল কৰাৰ সিদ্ধান্তৰ বাতৰি আগবঢ়াইছে। এই বিষয়ে আমি বিশেষ মাত মাতিব নোখোজো ; কাৰণ যদি নেফাবাসী ৰাইজে তেনে হোৱাটোকে বিচাৰে তাত হকাবধা কৰাটো উচিত নহ'ব। কিন্তু এটা কথাৰ বাবে আমাৰ মনত অসন্তোষ ৰৈ যাব। নেফাবাসীৰ মনত এনে ভাব জগাই তোলাৰ পৰিৱেশ পৰিকল্পিতভাৱে ন্যস্ত স্বাৰ্থৰ দ্বাৰা গঢ়ি তোলা হৈছিল। দেশ স্বাধীন হোৱাৰ পিচত অসমৰ আগৰ দুজনা মুখ্যমন্ত্ৰীক স্বৰ্গীয় প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে বাৰে বাৰে আশ্বাস দিছিল যে 'নেফা' অসমৰে অংগ আৰু সময় সুবিধা অনুসৰি সেই অঞ্চল অসমৰ লগত চামিল কৰা হ'ব। আনহাতে এচাম ওপৰ মহলাৰ কৰ্মচাৰী আৰু স্বাৰ্থান্বেষী অনা-অসমীয়াই তেতিয়াৰে পৰা পাকে-প্ৰকাৰে নেফাবাসীৰ মাজত অসমীয়া মানুহ আৰু অসমীয়া ভাষাৰ প্ৰতি বিদ্বেষ ভাব জগোৱাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ চেষ্টা চলাই আহিছে ; সেই পৰিকল্পিত আঁচনিৰ ফলস্বৰূপে হয়তো এই অঞ্চলৰ অধিবাসীসকলে সুকীয়াকৈ থকাটোকে বিচাৰিছে। গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিক হিচাপে তেওঁলোকৰ তেনে স্বত্ব থকাটো স্বাভাৱিক ; সেয়ে কেন্দ্ৰীয় শাসিত অঞ্চল বিচাৰি যদি তেওঁলোক সফল কাম হৈছে— তেনেহ'লে আমিও এই ছেগতে নেফাবাসীক আন্তৰিক শুভেচ্ছা জনোৱাত কৃপণালি নকৰোঁ। অৱশ্যে, কেন্দ্ৰীয় চৰকাৰক এইখিনিতে সকীয়াই থোৱা উচিত হ'ব যে এই সীমান্ত অঞ্চলৰ যাতায়াত ব্যৱস্থা আদি যেন অতি তৎপৰতাৰে উন্নত কৰি দেশৰ প্ৰতিৰক্ষা দৃঢ়তৰ কৰাৰ লগতে নেফাবাসীক ভাৰতৰ আন অধিবাসীসকলৰ লগত সততে যোগাযোগ স্থাপনৰ বাবে সুচল কৰি দিয়ে। ইমানদিনে আমোলাতন্ত্ৰৰ একাধিপত্যত শামুকীয়া গতিৰেহে আগবঢ়া উন্নয়ন কাৰ্য এতিয়া পোনপটীয়া তত্বাৱধানত দ্ৰুতগতিৰে আগবাঢ়িব বুলি আমি বিশ্বাস কৰো। শ্বিলঙৰ শৈল শিখৰত বিহাৰ কৰা আমোলাসকলে ভুল আৰু আংশিক তথ্যাদিৰ ভেটিত নাইবা স্থল বিশেষে ন্যস্ত স্বাৰ্থৰ উদগণিত চলাই অহা আন্তৰিকতাহীন শাসন ব্যৱস্থাৰ যিমান সোনকালে অন্ত পৰে সিমানেই ভাল। নেফাৰ অন্তৰ্গত উপযুক্ত ঠাইত কেন্দ্ৰস্থল পাতি কামেং, শোৱণশিৰি, ছিয়াং, লোহিত আৰু টিৰাপৰ যাতায়াত ব্যৱস্থা, শিক্ষা ব্যৱস্থা আৰু প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে বিশেষ তৎপৰতাৰে মনোযোগ দিব বুলি আশা

কৰোঁ। 'অসমে' হয়তো নেফা অঞ্চলক সামৰি অতীতৰ সংস্কৃতি-ঐতিহ্যৰ বান্ধোনৰ মধুৰ স্মৃতিৰে একেলগে উন্নতিৰ পথত বাট ল'বলৈ আশা পোষণ কৰিছিল। সেয়া নহ'লেও, পৰিৱৰ্তিত পৰিৱেশৰ লগত খাপ খুৱাই অসমবাসীয়ে 'সহযাত্ৰী'ৰূপে নেফাবাসীৰ লগত আগবাঢ়িবলৈ— বন্ধুত্বৰ হাত আগবঢ়াই দিব। ভুল বুজাবুজি বা চক্ৰান্তকাৰীৰ ষড়যন্ত্ৰই যেন আমাৰ হেজাৰ বছৰীয়া ঐক্যৰ গ্ৰন্থি শিথিল কৰিব নোৱাৰে— তাকে কামনা কৰি নেফাবাসীৰ নতুন যাত্ৰাৰ পথ উজ্জ্বল হ'বলৈ আগতীয়াকৈ শুভ ইচ্ছা জনাইছো।

<u>দেওবাৰ, ১৫ অক্টোবৰ, ১৯৬৭ চন</u>

# থলুৱা স্বাৰ্থ

ৰাজ্যিক বিত্তমন্ত্ৰী শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে শ্বিলঙত সাংবাদিকৰ আগত কৈছে যে ''স্থানীয় কাম স্থানীয় মানুহৰ বাবে''— এই ধ্বনি নিন্দনীয় ; নিবনুৱা সমস্যাৰ ফলতে এনে ধ্বনি উঠিছে বুলি শ্ৰীত্ৰিপাঠীয়ে অৱশ্যে স্বীকাৰ কৰিছে ; কিন্তু লগতে কৈছে যে এনে ধ্বনিৰ সুযোগ দেশৰ শত্ৰুৱে গ্ৰহণ কৰাৰ আশংকা আছে। এখন ৰাজ্যৰ সকলো কাম-বন, সা-সুবিধা এভাগ মানুহৰ বাবে এদনীয়া কৰি ৰখাৰ পোষকতা আমিও নকৰো— এইটো বিপজ্জনক কথা। তদুপৰি ই সংবিধানবিৰোধী। কিন্তু এই কথাৰ আন এটা দিশো আছে। বহুতে সেইটো দিশৰ পৰা কথা নেভাবে, ভাবিবলৈ সাহ নকৰে বা বিশেষ স্বাৰ্থৰ কাৰণে তালৈ আওকাণ কৰে। সংবিধানে সকলোকে সকলো ৰাজ্যতে সমানে সুবিধা দিয়াৰ অৰ্থ এইটো নিশ্চয় নহয় যে স্থানীয় ৰাইজৰ কোনো দাবী উঠাটোৱেই দোষৰ কথা। এইটোও অৰ্থ নহয় যে দিল্লীত প্ৰভাৱ বিস্তাৰ কৰিব পৰা কেইখনমান ৰাজ্যৰ কাৰণে বিশেষ ধৰণৰ 'উপনিৱেশ' পাতিবলৈ সংবিধানে কেতবোৰ ৰাজ্যক অধিকাৰ দান কৰিছে। সেইবোৰ কথালৈ যদি নিঃস্বাৰ্থভাৱে কাণ কৰা হয়, তেন্তে এতিয়াৰ বিষাক্ত পৰিৱেশৰ উপশম ঘটাবলৈ নিশ্চয় টান নহ'ব। তাকে নকৰি বাহিৰৰ শত্ৰুৱে সুবিধা আদায় কৰাৰ ভয় দেখুওৱাটো বৰ তুলুঙা কথা।

এই সম্পৰ্কত অসমৰ সমস্যাৰ কথা উল্লেখ কৰিলেই বহুতে চক খায় আৰু গোটেই কথাটো প্ৰাদেশিকতাৰ প্ৰতীক বুলি ধৰি লয়। সেইদেখি অসমৰ কথা বাদ দি আন ৰাজ্যৰে দুই-এটা কথা উল্লেখ কৰা যাওক। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ পৰ্যবেক্ষক স্বৰূপে বোম্বাই কংগ্ৰেছৰ কাৰ্যকলাপ সম্পৰ্কে অধ্যয়ন কৰিবলৈ যোৱা শ্ৰীচি সুব্ৰমণিয়মে তেওঁৰ প্ৰতিবেদনত শিৱসেনা দলৰ ভূমিকা সম্পৰ্কে সতৰ্ক কৰি দিয়াৰ লগতে পৰামৰ্শ দিছে যে অৰাজনৈতিক ভিত্তিত কেতবোৰ প্ৰতিকাৰমূলক ব্যৱস্থা ল'ব লাগে। নিবনুৱা লোকসকলৰ আপত্তিৰ সুবিচাৰ কৰাৰ কথাও ইয়াত আছে। আনহাতে যিখন কাকতত এই বাতৰি ওলাইছে, সেইখন কাকতৰ সকলো কথা বেদৰ বাণীৰূপে গণ্য কৰা মানুহ আমাৰ দেশত বহুতো আছে। সেইদেখি কাকতখনে এই বাতৰিৰ সন্দৰ্ভত উল্লেখ কৰা দুটামান তথ্য সেইসকল লোকৰ বাবে তুলি দিয়া প্ৰাসংগিক হ'ব। তাত লিখিছে— ''প্ৰকৃততে নিবনুৱা সমস্যা এটা আছে। স্থানীয় লোকে কাম নেপায় ; আনকি বিশেষ অৰ্হতাৰ প্ৰয়োজন নোহোৱা ক্ষেত্ৰতো আন ঠাইৰ মানুহেহে চাকৰি পায়। ফলত তিক্ততাৰ সৃষ্টি হৈছে....।'' কাকতখনৰ বিশেষ সংবাদদাতাই লগতে লিখিছে— ''স্থানীয় বাসিন্দাসকলে চাকৰিৰ সুযোগ পাবই লাগিব। স্থানীয় ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে সৰ্বসন্মত ভিত্তিত

বহিৰাগতৰ বিনিয়োগৰ সুবিধা নিয়ন্ত্ৰিত কৰাটো প্ৰয়োজনীয়।” অসমৰ কাকতে অসমৰ নিবনুৱাসকলৰ সন্দৰ্ভত এনে মন্তব্য কৰা হ'লে কি প্ৰতিক্ৰিয়া হ'লহেঁতেন, সেই কথাকে আজি সুধিবৰ মন যায়।

মুঠ কথা হ'ল— আঞ্চলিক বৈষম্য যদি দূৰ কৰাটোৱেই চৰকাৰৰ অভিপ্ৰায়, তেন্তে অঞ্চলটোৰ মানুহখিনিৰ কথাও ভাবিবই লাগিব। নহ'লে কোনো পৰিকল্পনাই সফল হ'ব নোৱাৰে। যোৱা বছৰ কেৰালাৰ অৰ্থনৈতিক অনগ্ৰসৰতা সম্পৰ্কে আলোচনা কৰিবৰ বাবে এখন আলোচনাচক্ৰ বহিছিল। তাত সভাপতিত্ব কৰোতে খাদ্য দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীগোবিন্দ মেননে কৈছিল যে ৰাজ্যসমূহৰ মাজত বিত্তশালী আৰু বিত্তহীন ৰাজ্য থকাৰ বাবে দায়ী— ত্ৰুটিপূৰ্ণ অৰ্থনৈতিক পৰিকল্পনা। ভাৰতৰ, সকলো ৰাজ্যই পৰিকল্পনাৰ সমান সুযোগ গ্ৰহণ কৰিবলৈ পোৱাকৈ পৰিকল্পনা যুগুত কৰোতা— পৰিকল্পনাৰ ১৬ বছৰৰ মূৰতো নোলোৱাৰ বাবে তেওঁ আক্ষেপ কৰে। শ্ৰীমেননৰ এই উক্তিকো ভাঙোনমুখী বুলি গৰিহণা দিব লাগিব নে ইয়াৰ পৰা শত্ৰু ৰাষ্ট্ৰই সুবিধা পাব বুলি দেশবাসীক সতৰ্ক কৰি দিলেই দায়িত্ব পালন কৰা হ'ব?

## ড° লোহিয়া

ড°ৰাম মনোহৰ লোহিয়াৰ মৃত্যু অকল এটা ৰাজনৈতিক দলৰ ক্ষতি নহয়— এই ক্ষতি সমগ্ৰ দেশৰ। এজন ৰাজনীতিবিদক আমি হেৰুৱালো— যাৰ ৰাজনীতি নিৰ্বাচন সৰ্বস্ব নাছিল, যাৰ চিন্তাদৰ্শন আছিল মৌলিক। লগতে আমি হেৰুৱালো— এজন অৰ্থনীতিবিদ, সমাজবাদৰ নিষ্ঠাবান অনুগামী, মুক্তি সংগ্ৰামৰ অক্লান্ত যুঁজাৰু, পণ্ডিতপূৰ্ণ ব্যক্তি, ভাৰতৰ নিঃস্বজনৰ সেৱক, নিৰ্ভীক, স্বাৰ্থবিহীন আৰু নিকৰুণভাৱে সঁচা কথা ক'ব পৰা লোকক। ভাৰতৰ ঘটনাবহুল জীৱনৰ বিভিন্ন দিশত ড° লোহিয়াৰ নাম জড়িত আছিল আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ সেই ভূমিকা লৈ আছিল। এই সকলো দিশৰ মূল্যাংকনেহে মানুহজনৰ বিষয়ে সামগ্ৰিক ৰূপত ব্যক্ত কৰিব। সংসদৰ মজিয়াতে হওক বা কংগ্ৰেছ, কংগ্ৰেছ সমাজতন্ত্ৰী দল, পি এছ পি অথবা এছ এছ পি দলৰ মঞ্চতে হওক— সকলো ক্ষেত্ৰতে তেওঁৰ বৈশিষ্ট্য পৰিলক্ষিত হৈছিল। কংগ্ৰেছৰ মাজতে ৰাজনৈতিক জীৱন আৰম্ভ কৰি মূৰকত তেওঁৰ লগত কংগ্ৰেছৰ সম্পৰ্ক সুমেৰু-কুমেৰু যেন হ'লগৈ। অথচ সমাজবাদৰ আদৰ্শৰ ধ্বনিয়েই সকলোৱে তুলিছে। দেশ স্বাধীন হোৱাৰ পিচৰ পৰা সমাজবাদৰ আদৰ্শ আৰু কামৰ মাজত যিমানে পাৰ্থক্য বাঢ়ি গ'ল, সিমানে ড° লোহিয়াও আঁতৰি গ'ল। সমাজবাদৰ প্ৰতি থকা তেওঁৰ নিষ্ঠাৰ আগত একোৱেই ডাঙৰ নহয়— আনকি নিজৰ এছ এছ পি দলো সেই কাৰণেই তেওঁৰ মুকলি সমালোচনাৰ পৰা সাৰি যাব পৰা নাছিল।

ভাৰতৰ কাৰণে ডাঙৰ সমস্যা হ'ল— নবীন আৰু প্ৰবীণৰ মনৰ সংঘাত। সমাজ, সাহিত্য, ৰাজনীতি— সকলো ক্ষেত্ৰতে এই সংঘাত আৰু বিচ্ছিন্নতা বিস্তৃত হৈ পৰিছে। 'ভাৰত ত্যাগ' আন্দোলনৰ সময়ত ড° লোহিয়া প্ৰমুখ্যে এভাগ লোকে এই বিচ্ছিন্নতা দূৰ কৰিবৰ বাবে চেষ্টা হাতত লৈছিল আৰু ড° লোহিয়াই সেই প্ৰচেষ্টা আজীৱন চলাই আছিল। ড° লোহিয়াৰ অৱশ্যে কিছুমান বক্তব্যই দেশত ধুমুহাৰ সৃষ্টি কৰিছিল। তেওঁৰ কেতবোৰ কথা কোৱাৰ ধৰণ আপত্তিকৰ বুলি সকলোৱে একমুখে কৈছিল। তথাপি তেওঁ কিয় তেনে সুৰত তেওঁৰ বক্তব্য দাঙি ধৰিছিল? তাৰ নিশ্চয় এটা কাৰণ আছিল। ভাৰতত বীৰ-পূজাৰ পয়োভৰ ইমান বিকৃত হৈ পৰিছে যে বীৰ-পূজাই আন সকলো কথা আচ্ছন্ন কৰি ৰাখিছে ; ফলত সেয়ে দেশৰ কাৰণে অন্তৰায় স্বৰূপ হৈ উঠিছে। বীৰ-

পূজাৰ বিকৃতি দূৰ কৰিবৰ বাবে মানুহৰ মনত নতুন চেতনাৰ সঞ্চাৰ কৰিবলৈকে ড° লোহিয়াই এই অপ্ৰিয় পন্থাও নিৰ্ভীকভাৱে গ্ৰহণ কৰিছে।

সোমবাৰ, ১৬ অক্টোবৰ, ১৯৬৭ চন

# ধান আৰু ব্যৱসায়ী

ডিব্ৰুগড়ৰ প্ৰেছমেলত মুখ্যমন্ত্ৰী শ্ৰীচলিহাই ধান-চাউলৰ বৰ্তমান নাটনিৰ কাৰণে সংশ্লিষ্ট এক শ্ৰেণী ব্যৱসায়ীকে জগৰীয়া কৰিছে। সৰ্বসাধাৰণ ৰাইজে যিটো কথা জানি আহিছিল, সেইটো এতিয়া চৰকাৰীভাৱেও সমৰ্থিত হ'ল। এইটো বৰ সুখৰ বিষয়। কিন্তু কথা ইমানতে শেষ হ'ল বুলি ধৰিলেই লাখ লাখ মানুহৰ পেট নভৰে। বেপাৰীৰ বিপৰীতে ৰাজহুৱাভাৱে সংগৃহীত ধানৰ সহায়ত চৰকাৰে চাউল বিতৰণৰ যি ব্যৱস্থা কৰিছে তাৰ পৰিণাম সাদিনত এক কিলোৰ ঠাইত পোৱা কিলোত পৰিছেগৈ, সেইটোও মনত ৰাখিব লাগিব। মুখ্যমন্ত্ৰীয়ে চৰকাৰীভাৱে উপলব্ধি কৰাৰ পিচত চৰকাৰী যন্ত্ৰৰ কাম হ'ব এই শ্ৰেণী ব্যৱসায়ীক প্ৰতিৰোধ কৰা— ৰে'লগাড়ী-গৰুগাড়ী নাইবা পাকিস্তানলৈ চালান দিবলৈ চোৰাং আনন্দবজাৰত বাধা দিয়া। ইয়াকে নকৰিলে ৰাইজে আগৰ দৰেই চৰকাৰৰ পৰা কেৱল সান্ত্বনাৰ বাণীহে শুনি থাকিব লাগিব চাউল খাবলৈ নেপাব।

এই বছৰ ধানখেতি অসমত ভাল হৈছে বুলিও শ্ৰীচলিহাই কৈছে। শালি ধানৰ কথা ভাবিয়েই বোধহয় তেওঁ এইষাৰ কথা কৈছে। ৰাইজৰ মনত থাকিব পায় যে আহু খেতিও ভাল হৈছিল বুলি কোৱা হৈছিল। কিন্তু আহু ধান বজাৰত ওলোৱাৰ ফলতো চাউল মুঠিৰ ক্ষেত্ৰত অলপ সকাহ পাওক ছাৰি ৰাইজৰ কাৰ্ডৰ পৰিমাণ টুটিহে গ'ল, মুকলি বজাৰতো হু-হু কৰে দাম চৰি গ'ল। শালি ধান চপোৱাৰ পিচতো একেই অৱস্থা নহ'ব বুলি ক'ব নোৱাৰি যদিহে ইতিমধ্যে আমি ওপৰত কোৱাৰ দৰে প্ৰতিকাৰৰ কিবা নতুন ব্যৱস্থা লোৱা নহয়। মুখ্যমন্ত্ৰীৰ উক্তিৰ পৰা আৰু এটা সিদ্ধান্ত টানি আনিব পাৰি ঃ অসমত ধান যথেষ্ট আছে কিন্তু সি বজাৰত ওলোৱা নাই। মুকলি বজাৰত দমে দমে চাউল দেখিয়েই এই কথা বুজিব পাৰি ; কিন্তু সৰু-বৰ বেপাৰীৰ প্ৰতাপত এই চাউলৰ দাম চৰা হৈ আছে ; মাজে মাজে নোহোৱাও হয়। কিন্তু ধান যে উভৈনদীও নহয় এইটোও ঠিক। উভৈনদী হোৱা হ'লে নিশ্চয় নিয়ন্ত্ৰণৰ কথা ভবা নহ'লহেঁতেন। দৰাচলতে প্ৰয়োজনৰ তুলনাত শইচৰ উৎপন্ন সমগ্ৰ বিশ্বতে বেয়াকৈ কমি গৈছে ; ৰাষ্ট্ৰসংঘৰ খাদ্য-কৃষি সন্থাই সিদিনাখন দিয়া তথ্য-পাতিত কোৱা হৈছে যে ধানৰ উৎপন্ন এতিয়াৰ দৰে আগতে কোনো কালে ইমান কম হোৱা নাছিল। শ্ৰীচলিহায়ো অসমৰ বাহিৰত প্ৰাকৃতিক দুৰ্যোগজনিত কাৰণত শইচ নোপোৱা হোৱাত যোগান কমি যোৱাৰ কথা উল্লেখ কৰিছে। বেপাৰীয়ে এই সুবিধা ল'বই। উজনিতে হওক, নামনিতে হওক, অসংখ্য সৰু-বৰ বেপাৰী ধান-চাউলৰ বেপাৰত নামি পৰিছে আৰু তাৰ ফলত অনাটন আৰু চৰা দামৰ কাৰণে ৰাইজে কষ্ট ভুগিবলগীয়া হৈছে। চৰকাৰৰ অস্থিৰ নীতিয়েও ইয়াত ইন্ধন যোগাইছে। সমবায়ক একচেটিয়া সংগ্ৰহৰ ক্ষমতা দি হঠাৎ এদিন ব্যৱসায়ীকো সেই সুবিধা দি চৰকাৰে অথন্তৰ ঘটালে। তাৰ পিচত খাদ্য কৰ্পৰেচনকো দি চোৱা হ'ল— কৰ্পৰেচনে বিশেষ একো সুবিধা কৰিব নোৱাৰিলে। চৰকাৰে নিজেও সংগ্ৰহ কাৰ্য চলাই আছে। কিন্তু চৰকাৰৰ নিৰ্ধাৰিত দাম আৰু প্ৰভাৱশালী ব্যৱসায়ীৰ লোভনীয় দামৰ যি বিৰাট

তাৰতম্য তাক দূৰ কৰাৰ কি উপায় কৰা হৈছে? ব্যৱসায়ীয়ে চিৰকালেই তলে তলে কাৰবাৰ চলাই আহিছে ; বাধ্যতামূলক ৰাজহুৱা সংগ্ৰহৰ বেলিকাও তেওঁলোকক সুবিধা দিয়া হৈছে। ধান হৰলুকি হোৱা বা তাৰ দাম নেবাঢ়ি থাকে কেনেকৈ? নামনি অসমত দাদন প্ৰথা প্ৰচলিত আছে ; দুখীয়া খেতিয়কক খেতিৰ সময়তে ধানৰ দাম দি থয় ; ধান ওলালে পানীৰ মূল্যত তাক বেপাৰীয়ে লৈ আহে। এইবাৰ আহুৰ দাম ঠাই বিশেষে চৰকাৰৰ নিৰ্ধাৰিত দামতকৈ কমিছিল ; এতিয়া বেপাৰীৰ আবিৰ্ভাৱৰ ফলত নিৰ্ধাৰিত দামক চেৰাই টিংখোপ পালেগৈ। অসংখ্য উপৰুৱা বেপাৰীতো নতুনকৈ সোমাইছেই। আমি চৰকাৰক এই দিশলৈহে চকু দিবলৈ কওঁ। বেপাৰীক নিয়ন্ত্ৰণৰ কিবা দিহা কৰক। যদি সেইটো সম্ভৱ নহয় বুলি চৰকাৰে ভাবে তেন্তে নিয়ন্ত্ৰণৰ ভেকোভাওনা পাতি লাভ নাই— ধানৰ ব্যৱসায় মুকলিকৈ হ'বলৈ দিয়াই ভাল। কিন্তু গণতান্ত্ৰিক চৰকাৰে এই পৰাজয় স্বীকাৰ কৰি লোৱাটোও লজ্জাকৰ হ'ব। ৰাজনৈতিক দলসমূহৰ লগত চৰকাৰে আলোচনা কৰি নতুন সংগ্ৰহ নীতি উদ্ভাৱনৰ কথা ভাবিছে। তেওঁলোকে কি পৰামৰ্শ দিয়ে তালৈ আমি বাট চালোঁ। এতিয়া ভীষণ অনাটনৰ দিনত কিন্তু তেওঁলোকৰ কোনো স্পষ্ট অভিমতকে আমি শুনিবলৈ পোৱা নাই। তথাপি, ব্যৱসায়ীক প্ৰতিৰোধ, চোৰাং বেপাৰত কঠোৰভাৱে বাধা দান, ৰাজহুৱা সংগ্ৰহৰ উন্নতি সাধন আদিত কাৰোবাৰ আপত্তি থাকিব বুলি মনে নধৰে।

## উৰণীয়া

মটৰগাড়ী চলাই ঘৰলৈ উলটি যোৱা কানাডাৰ মহিলাগৰাকীয়ে বাৰু যোৱা বুধবাৰে আকাশত সঁচাই ফ্লাইং চচাৰ দেখিছিলনে? এহেজাৰ ফুট ওপৰত কণীৰ আকৃতিৰ এচমকা পোহৰ ওলোৱাত হেনো তেওঁৰ গাড়ীৰ ইঞ্জিন-চিঞ্জিন বন্ধ হৈ গৈছিল ; পোহৰ নুমাই যোৱাতহে আকৌ গাড়ী চলিছে। ঘটনাটো সঁচা হওক মিছা হওক ইয়াৰ ফলত যে উৰন্ত চাকিৰ দৰে মহিলাগৰাকী নিজেই প্ৰখ্যাত হৈ গ'ল সেই বিষয়ে সন্দেহ নাই। নোহোৱা-নোপোৱা বিষয়ৰ উৰা বাতৰিতো মানুহ ভোল যোৱাৰ সাধুকথা আছে ঃ শহুৰেকে বোৱাৰীয়েকহঁতৰ মন দ নে তৰাং জুখিবৰ নিমিত্তে হঠাৎ চিঞৰ-বাখৰ লগাই দিলে, নিলে নিলে হেৰৌ কাউৰীয়ে পটাগুটিটো নিলে! সৰুজনীৰ বাহিৰে বাকী কেউজনী দৌৰ মাৰি বাহিৰ পালেহি। বুঢ়াই বুজিলে কোন দ কোন তৰাং। বায়ুমণ্ডলৰ সিপাৰৰ ৰহস্য সম্বন্ধেও পুৰণি কালৰ পৰা আজিলৈকে কবি, লেখক, বৈজ্ঞানিকসকলে নানান কথা উলিয়াই মানুহৰ মনবোৰ ৰঞ্জিত কৰি থৈছে। ব্ৰহ্মাৰ ল'ৰা নাৰদে ঘোঁৰা উঠি ফুৰা ঢেঁকীটো উৰাজাহাজৰে আদি অৱস্থা বুলি কোৱা শুনা নাই জানো? ঢেঁকী-জাহাজ, মেঘৰ আঁৰৰ পৰা যুঁজিব পৰা ৰাৱণ-তনয় ইন্দ্ৰজিতৰ বীৰত্ব এইবোৰ বিশ্বাস কৰা মানুহ এতিয়াও আছে। ইপিনে বৈজ্ঞানিকেও অন্য গ্ৰহত মানুহ আছে বুলি ক'বই লাগিছে। বৈজ্ঞানিক কাহিনীৰ লেখকসকলেও জানো আমাক কম আহুকালত পেলাইছে? তেওঁলোকে এনে ধৰণে কল্পনাৰ জাল তৰে যে কেতিয়াবা বিশ্বাস কৰি পেলাবৰ মন যায়। কনান ডইলৰ বৈমানিক এজনে অকলশৰে উৰাজাহাজ এখন চলাই আকাশৰ এনে এঠাই পাইছিলগৈ য'ত বোলে ডাৱৰ বা বগা ধোঁৱাৰ লেখীয়া বস্তুৰ আকাৰত কিহবাই তেওঁক আগুৰি ধৰিছিল। এইচ জি ওৱেলছৰ সেই চন্দ্ৰ লোকত পাও দিয়া প্ৰথম মানুহজনেও অদ্ভুত যান এখনেৰেই উৰা মাৰি গৈছিল ; তেওঁৰে "দুই গ্ৰহৰ যুদ্ধ" সম্বন্ধে অনাতাঁৰত শুনি হেনো এসময়ত পশ্চিমৰ চহৰত

বিৰাট আতংকৰ সৃষ্টি হৈছিল— সেইটো কেনেকুৱা আতংক হ'ব পাৰে এই কাহিনীৰ আধাৰত নিৰ্মিত কথাছবি চোৱাসকলে নিশ্চয় বুজিব পাৰিব। অথচ চাক্ষুসভাৱে গ্ৰহান্তৰত কি আছে তাক আজিলৈকে কোনেও ক'ব পৰা নাই। উৰা বাতৰি প্ৰচাৰ কৰাৰ এইখিনিতে সুবিধা। আপোনাৰ মটৰগাড়ীৰ ইঞ্জিন বন্ধ হৈ যোৱা কিয়, সিপুৰীৰ বাসিন্দাৰ সৈতে আপুনি কৰমৰ্দন কৰিলো বুলি আৰু তেওঁৰ সৈতে সংস্কৃততে কথা পাতিলো বুলিও কৈ দিব পাৰে— এটা থিয়ৰি মতে এদল ভাৰতীয় মানুহেই একপ্ৰকাৰৰ ৰকেটৰ সহায়ত অতি পুৰণি কালত গ্ৰহান্তৰলৈ গৈছিল। মাত্ৰ কথাটো প্ৰচাৰ কৰিবলৈ নিভাৰ্খাৰ দেশৰ পৰা ওলাই ৰিতা ফাৰিয়াৰ দৰে দেশান্তৰলৈ যাব লাগিব। কাৰণ ইতিপূৰ্বে গ্ৰহান্তৰ গমনৰ কথা কৈ এগৰাকী প্ৰখ্যাত অসমীয়া লোকে বিশেষ একো কৰিব নোৱাৰিলে। অসমত প্ৰচাৰটো বৰ বেছি ফুচফুচীয়া।

<u>বুধবাৰ, ১৮ অক্টোবৰ, ১৯৬৭ চন</u>

# খৃষ্টান নেতাৰ আশ্বাস

শ্বিলঙত বহা ৰাষ্ট্ৰীয় খৃষ্টান পৰিষদৰ বৈঠকৰ অন্তত বিশ্ব গীৰ্জা পৰিষদৰ উপ-সভাপতি ড° জে আৰ চন্দ্ৰনে সাংবাদিক মেলত নগা আৰু মিজো অঞ্চলত চলা স্বাধীনতা আন্দোলন সম্পৰ্কত পৰিষদৰ মনোভাৱ ব্যাখ্যা কৰা দেখা গৈছে। তেওঁ কৈছে যে নগালেণ্ড আৰু মিজো পাহাৰ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু সেই কাৰণে তাত চলা স্বাধীনতাৰ আন্দোলনত খৃষ্টান পৰিষদৰ সমৰ্থন থাকিব নোৱাৰে। ৰাষ্ট্ৰীয় খৃষ্টান পৰিষদৰ এই মুখপাত্ৰজনে এনে এটা ঘোষণা দি অসমৰ তথা ভাৰতৰ জনসাধাৰণক চমক খুওৱা হ'ল আৰু পূৰ্ণমাত্ৰাৰ আশ্বাস দিয়া হ'ল বুলি বোধ কৰিছেনে কি জনা নেযায়। কিন্তু সৰ্বসাধাৰণ ৰাইজ আৰু চৰকাৰে নগা ভূমি আৰু মিজো পাহাৰৰ স্বাধীনতা আন্দোলনৰ বাবে খৃষ্টানসকলেই একমাত্ৰ দায়ী বুলি কেতিয়াও কোৱা নাই।

ধৰ্মনিৰপেক্ষ ভাৰতত খৃষ্টানসকলৰ দেশপ্ৰেম ঐক্য-সংহতিৰ মনোভাৱ সম্পৰ্কে কোনেও প্ৰশ্ন তোলা নাই। এইখন দেশ সকলো ধৰ্ম, সকলো গোষ্ঠীৰ লোকৰে উমৈহতীয়া, ইয়াত ধৰ্মভেদে দেশাত্মবোধৰ বিচাৰ ল'বলৈ যোৱা নিৰৰ্থক। খৃষ্টান লোকসকলে যদি নিজক আনৰ পৰা পৃথক বুলি ভাবিবলৈ প্ৰয়াস পাইছে, তেওঁলোকে যদি নিজৰ কাৰ্যকলাপ আন লোকৰ সন্দেহজনক হোৱা বুলি ধৰি লৈছে, তেন্তে সেই দায়িত্ব তেওঁলোকৰ নিজা। খৃষ্টানধৰ্মী হোৱা বুলিয়েই অখৃষ্টান লোকে ভাৰতৰ এক শ্ৰেণী লোকৰ ওপৰত সন্দেহ পোষণ কৰাটো অন্যায় কথা আৰু তেনে কাম দোষণীয়ও। সেই কাৰণে নগা-মিজোৰ স্বাধীনতা আন্দোলনত খৃষ্টান পৰিষদৰ যে সমৰ্থন থাকিব নোৱাৰে খৃষ্টান পৰিষদেও যে ভাৰতৰ ঐক্য স্থায়িত্বহে বিচাৰে, তাক কোনেও অস্বীকাৰ কৰা নাই।

কিন্তু খৃষ্টান ধৰ্মাৱলম্বী লোক আৰু বিদেশী মিছনেৰী অভিন্ন বুলি গ্ৰাহ্য কৰা সম্ভৱ নহয়। ভাৰতৰ ব্ৰিটিছ চৰকাৰ চলি থকা সময়ত বিদেশী খৃষ্টান যাজকসকলৰ পৰামৰ্শ মতে চৰকাৰে জনজাতীয় খৃষ্টান আৰু অখৃষ্টান লোকসকলৰ প্ৰতি তাৰতম্য থকা ব্যৱহাৰ কৰা কথা জনজাতীয় আৰু অজনজাতীয় সকলো লোকেই জানে। বিদেশী চৰকাৰৰ পৰা তেনে ব্যৱহাৰ পোৱাৰ পাচত জনজাতীয় অঞ্চলৰ ৰাইজৰ মাজত কেনেদৰে বিভেদৰ

সৃষ্টি হ'ল তাকো বৰ্তমান পৰিষ্কাৰভাৱে দেখিবলৈ পোৱা গৈছে। এই ভেদ ভাবৰ বীজ বিদেশী মিছনেৰীয়ে সিঁচি গ'ল আৰু তাৰ কুফলে এতিয়াও কাম কৰি আছে। বিদেশী মিছনেৰীসকলৰ মানৱ সেৱাৰ স্বীকৃতি সকলো সময়তে সকলোৱে দিব লাগিব। কিন্তু তেওঁলোকে যদি ৰাজনীতিত জড়িত হ'ব খোজে তেন্তে তাক কোনেও সমৰ্থন কৰিব নোৱাৰে। খৃষ্টান পৰিষদেও ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে বিবেচনা কৰিলে বিদেশী খৃষ্টান যাজকসকলৰ ভাৰতীয় ৰাজনীতিত হস্তক্ষেপ অনুমোদন কৰিব নোৱাৰে। সেই কাৰণে বিদেশী মিছনেৰীৰ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰে বৈধভাৱে ব্যৱস্থা ল'বলৈ গ'লে, সেই কাৰ্য খৃষ্টান বিৰোধী বুলি ধ্বনি তোলাৰ যুক্তি থাকিব নোৱাৰে। খ্ৰীষ্টান গীৰ্জা পৰিষদেও এই কথা উপলব্ধি কৰা উচিত। ৰেভাৰেণ্ড মাইকেল স্কটক নগালেণ্ডৰ পৰা কিয় বহিষ্কাৰ কৰিব লগা হ'ল, তাক গীৰ্জা পৰিষদে তথা ভাৰতৰ ঐক্য-সংহতি বিচৰা খ্ৰীষ্টানসকলে বুজিবলৈ চেষ্টা কৰা উচিত। স্কটৰ দৰে আন বিদেশী মিছনেৰীয়ে যদি ৰাষ্ট্ৰৰ ঐক্য-সংহতি বিনষ্ট কৰিব পৰা কাৰ্যত লিপ্ত হয় তেন্তে তেনে লোকক সন্দেহ কৰা আৰু বহিষ্কাৰ কৰাত কি আপত্তি থাকিব পাৰে?

ড° চন্দ্ৰনৰ ঘোষণা মতে বিদেশী মিছনেৰীক পৰিচালিত কৰিবলৈ খৃষ্টান পৰিষদৰ দৃঢ়তা আৰু সামৰ্থ্য কিমান সৰ্বসাধাৰণৰ জানিবৰ উপায় নাই। কিন্তু ভাৰতৰ জনসাধাৰণে ভাৰতৰ প্ৰতি আনুগত্য নথকা বিদেশী মিছনেৰীক এই দেশত ৰাজনীতিত লিপ্ত হ'বলৈ দিব নোৱাৰে। তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য হ'ব লাগিব— মানৱ সেৱা।

## বাংলা কংগ্ৰেছ

পশ্চিমবংগত যোৱা সাধাৰণ নিৰ্বাচনত ব্যাপক সাফল্য লাভ কৰা নতুন ৰাজনৈতিক দল বাংলা কংগ্ৰেছৰ আভ্যন্তৰীণ দ্বন্দ্ব সুস্পষ্ট হৈ পৰিছে। এই দলে পশ্চিমবংগত সংযুক্ত মৰ্চাৰ চৰকাৰ গঠন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু বাংলা কংগ্ৰেছৰ সভাপতি শ্ৰীঅজয় কুমাৰ মুখাৰ্জীয়েই সংযুক্ত মৰ্চা চৰকাৰৰ নেতৃত্ব কৰাৰ সুযোগ পাইছিল। সেই কাৰণে পশ্চিমবংগৰ জনসাধাৰণৰ মনত এই ৰাজনৈতিক দলটোৱে এটা প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। কিন্তু সিদিনা বহা বাংলা কংগ্ৰেছৰ অধিৱেশন আৰু তাৰ লগতে ন জন বাংলা কংগ্ৰেছী বিধানসভাৰ সদস্যই দলৰ পৰা পদত্যাগ কৰি অনুষ্ঠানটোৰ স্থায়িত্ব আৰু জনপ্ৰিয়তা সন্দিহান কৰি তুলিছে।

দলত্যাগী বিধানসভাৰ সদস্যকেইজনে বাংলা কংগ্ৰেছৰ সভাপতি আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ তুলি তেওঁৰ নেতৃত্বত অনাস্থা প্ৰকাশ কৰিছে। এই সদস্যকেইজনে শ্ৰীমুখাৰ্জীৰ ভূমিকা সমালোচনা কৰি কৈছে যে তেওঁ কংগ্ৰেছৰ সমৰ্থন লৈ সংখ্যালঘিষ্ঠ দলৰ মন্ত্ৰীসভা এখন গঠন কৰিবলৈহে পদত্যাগ কৰিবলৈ ওলাইছিল আৰু তেওঁ বাংলা কংগ্ৰেছ সচিবালয়ৰ এটা উপদলৰহে নেতৃত্ব কৰিছে। এনে অভিযোগৰ বিৰুদ্ধে শ্ৰীমুখাৰ্জীয়ে বিবৃতি দিছে সঁচা কিন্তু তেওঁৰ বিবৃতিয়ে সৰ্বসাধাৰণ লোকক কিমানদূৰ আশ্বস্ত কৰিব পাৰে কোৱা টান। শ্ৰীমুখাৰ্জী নিজে এজন ভাল মানুহ হ'লেও উপদলীয় কাৰ্যকলাপে বাংলা কংগ্ৰেছৰ গতি নিয়ন্ত্ৰণ কৰাৰ লক্ষণ দেখা গৈছে। বাংলা কংগ্ৰেছে যিকোনো প্ৰকাৰে ক্ষমতাত অধিষ্ঠিত হ'ব বুলি নিশ্চয় জনসাধাৰণৰ পৰা সমৰ্থন লাভ কৰা নাছিল। ভোটদাতাসকলে দোষমুক্ত গণতান্ত্ৰিক দল এটাকহে সমৰ্থন দিছিল।

বাংলা কংগ্ৰেছে ভাৰতীয় ক্ৰান্তি দলত যোগদান কৰাটোও দলৰ মাজত চলা বিৰোধৰ অন্যতম কাৰণ হৈ পৰিছে। এই দলে সৰ্বভাৰতীয় ক্ৰান্তি দলত যোগদানৰ কাৰণে দিয়া এটা চৰ্তত কৈছে যে বাংলা কংগ্ৰেছৰ পৰা

"বহিষ্কৃত বা আঁতৰ কৰা" কোনো লোকক ক্ৰান্তি দলে ইন্দোৰ সন্মিলনৰ আগতে অন্তৰ্ভুক্ত কৰিব নোৱাৰিব। এনে চৰ্ত ভাৰতীয় ক্ৰান্তি দলে মানি ল'ব পাৰিবনে?

ভাৰতত ৰাজনৈতিক দল যথেষ্ট বেছি কাৰণে এইখন দেশত সুস্থ গণতান্ত্ৰিক পদ্ধতি কাৰ্যকৰী হোৱা নাই। সেই কাৰণে ক্ষুদ্ৰ আৰু আঞ্চলিক ভিত্তিৰ দলবোৰ যিমান পাৰি হ্ৰাস কৰা বাঞ্ছনীয়। কিন্তু সেই গণতান্ত্ৰিক চেতনা আমাৰ মাজত আজিও উদয় হোৱা নাই। সুনিৰ্দিষ্ট কাৰ্যসূচী আৰু নীতি বিষয়ক পাৰ্থক্য নথকাতো যিবোৰ দল গঢ়ি উঠিছে তেনে দলৰ মূল লক্ষ্য ৰাজনৈতিক ভাগ্য অন্বেষণ অৰ্থাৎ ক্ষমতাৰ মোহ বুলিয়েই ক'ব লাগিব। বাংলা কংগ্ৰেছো কংগ্ৰেছ ত্যাগীসকলৰ নেতৃত্বত গঢ়ি উঠিছিল।

এতিয়া ভাৰতৰ সকলো ৰাজ্যৰ জনসাধাৰণে নতুন ৰাজনৈতিক দলসমূহৰ নীতি আদৰ্শ আৰু কাৰ্যপন্থাৰ প্ৰতি লক্ষ্য ৰাখিব লগা হৈছে। ৰাজনৈতিক দলৰ সংখ্যা বৃদ্ধিয়ে জনসাধাৰণৰ কল্যাণ সাধন নকৰে, গণতান্ত্ৰিক পদ্ধতিও সুস্থ কৰিব নোৱাৰে।

শনিবাৰ, ২১ অক্টোবৰ, ১৯৬৭ চন

# শুক্ৰ গ্ৰহ

শুক্ৰ গ্ৰহ জীৱনৰ প্ৰতীক বুলিয়েই পৰিগণিত হৈ আহিছিল। এই ৰহস্যাবৃত গ্ৰহক ভাৰতীয় শাস্ত্ৰই 'মায়াৱতী' বুলিও অভিহিত কৰিছে। সন্ধিয়া বুৰ যাব খোজা বেলিৰ পাচফালে থকা এই উজ্জ্বল বিন্দুক সন্ধ্যাতৰা বুলি আৰু বেলি ওলোৱাৰ পূৰ্ব মুহূৰ্তত তাকে শুকতৰা বুলি প্ৰণতি জনোৱা মানুহে শুক্ৰ গ্ৰহক লৈ নানান কল্পনা ৰচি আহিছে। তাৰ পিচত চলিল বিজ্ঞানৰ অভিযান-১৭৫ নিযুত মাইল (পৃথিৱীৰ পৰা) নিলগত থকা শুক্ৰ গ্ৰহৰ বিষয়ে বিজ্ঞানৰ সন্ধানী মনে নানান কথা খুচৰি খুচৰি উলিয়ালে। তথাপি শুক্ৰৰ কেওপিনে আবৰি থকা ডাৱৰৰ ডাঠ আৱেষ্টনীয়ে বৈজ্ঞানিকৰ অতি শক্তিশালী দূৰবীক্ষণ যন্ত্ৰকো পৰাভূত কৰিলে। কিন্তু সন্ধানৰ অভিযান চলি থাকিল— বৈজ্ঞানিকে অনুমান কৰিলে যে সেই ডাৱৰত সম্ভৱতঃ কাৰ্বন ডাই অক্সাইডৰ মাত্ৰাই বেছি ; সূৰ্যৰ বিকিৰণো তাত পৃথিৱীতকৈ দুগুণ বেছি হ'ব নিশ্চয়। আনহাতে ৰাডাৰ আৰু কম্পিউটাৰৰ ব্যৱস্থাৰ যোগেদি বৈজ্ঞানিকে আৱিষ্কাৰ কৰিলে যে সেই ডাঠ ডাৱৰৰ তলত শুক্ৰ গ্ৰহত দুশাৰী পৰ্বতমালা আছে। 'আলফা' আৰু 'বিটা' পৰ্বতমালা নামে অভিহিত এই পৰ্বতমালা পৃথিৱীৰ পৰ্বতৰ দৰেই বুলি ধাৰণা কৰা হ'ল। বৈজ্ঞানিকে আগতেই ভাবিছিল যে পৃথিৱীৰ সৈতে প্ৰায় সমান আকাৰৰ আৰু কিছুমান বিষয়ত সাদৃশ্য থকা গ্ৰহত পৃথিৱীৰ নিচিনা পৰ্বত থাকিব লাগে। আপেক্ষিকভাৱে ক্ষুদ্ৰ আকাৰৰ গ্ৰহত তেনে পৰ্বত থাকিব নোৱাৰি বুলিয়েই ধাৰণা কৰা হৈছিল। জোন আৰু মংগল গ্ৰহৰ পৰা গোটোৱা তথ্যই সেই ধাৰণাৰ সত্যতাকে প্ৰমাণ কৰিলে। লগে লগে শুক্ৰৰ পৰ্বতমালাই নতুন কল্পনাৰ ঢৌ তুলিলে— জানোচা তাতো পৃথিৱীৰ অনুৰূপ আৰু কিহবাৰ সন্ধান ওলায়।

সেই প্ৰত্যাশাত নতুন জীপ দিলে— মহাকাশযানৰ অভিযানে। ছোভিয়েট ৰুছিয়া আৰু আমেৰিকাই পৃথক পৃথকভাৱে এলানি অভিযান আৰম্ভ কৰিলে। ১৯৬১ চনত ছোভিয়েট মহাকাশযান শুক্ৰ গ্ৰহৰ ৬৫ হেজাৰ মাইল

ওচৰ পালেগৈ। তাৰ পিচৰ বছৰত আমেৰিকাৰ মহাকাশযান আৰু ওচৰ চাপিল। ১৯৬৬ চনৰ এক মাৰ্চৰ দিনা ছোভিয়েট আকাশযান ভেনাছ-৩ চাৰে তিনি মাহ গৈ শুক্ৰত পৰিলগৈ। তাৰ পিচত এই বছৰৰ ১২ জুনৰ দিনা ছোভিয়েট মহাকাশযান ভেনাছ-৪ আৰু ১৪ জুনৰ দিনা আমেৰিকাৰ মেৰিণাৰ-৫ শুক্ৰ অভিমুখে ৰাওনা হ'ল। মেৰিণাৰ-৫ শুক্ৰৰ পৰা ২,৫০০ মাইল নিলগেদি যোৱাৰ লক্ষ্যহে নিৰূপিত হৈছিল। কিন্তু ভেনাছ-৪ চাৰি মাহৰ মূৰত অপূৰ্ব দক্ষতাৰে শুক্ৰ গ্ৰহত উপনীত হ'ল। মৃদু অৱতৰণ কৰি এই ছোভিয়েট মহাকাশযানে পোন প্ৰথমবাৰলৈ যিবোৰ তথ্য পৃথিৱীলৈ পঠালে তাৰ পৰা বুজা গ'ল যে বৈজ্ঞানিকে পূৰ্বতে কৰা ধাৰণা সঠিক আছিল। ভেনাছ-৪ যোগে পোৱা তথ্য মতে সেই গ্ৰহত কাৰ্বন ডাই অক্সাইডৰ মাত্ৰাই বেছি আৰু গ্ৰহৰ তাপমাত্ৰা ৪০ ডিগ্ৰী চেণ্টিগ্ৰেডৰ পৰা ২৮০ ডিগ্ৰী চেণ্টিগ্ৰেডৰ ভিতৰত। সেই কথাই ইয়াকে প্ৰমাণ কৰিলে যে তাত জীৱ থকাটো সম্ভৱ নহয়। জডৰেল বেংকৰ পৰ্যবেক্ষণ কেন্দ্ৰৰ অধ্যক্ষৰ মতে শুক্ৰ গ্ৰহত জীৱৰ অস্তিত্ব নথকাটো এতিয়া প্ৰমাণিত হ'ল। তেওঁৰ মতে হয়তো লাখ লাখ বছৰৰ আগতে তাত জীৱ আছিল। এই সিদ্ধান্তই মানুহৰ জনপ্ৰিয় কল্পনাৰ গাত আঁচোৰ মাৰি থৈ গ'ল। তথাপিও শুক্ৰৰ অজান ফালটো সম্পূৰ্ণকৈ উদং হৈ পৰা নাই। ছোভিয়েট বৈজ্ঞানিকে ১৯৮০ চনৰ ভিতৰত শুক্ৰত মানুহ নমোৱাৰ আশা কৰিছে। তাৰ বাবে এতিয়া প্ৰস্তুতি চলিব। এইক্ষেত্ৰতো সফল নোহোৱাৰ কাৰণ নাই— কিয়নো ক্ৰমে ক্ৰমে মানুহে যিখিনি দক্ষতা দেখুৱাব পাৰিছে, সেয়ে নতুন প্ৰত্যয় এটা মানুহৰ মনলৈ আনি দিছে।

জোনত মহাকাশযান নমোৱাতকৈ শুক্ৰত মহাকাশযান নমোৱাটো অধিক কষ্টসাধ্য কথা। শুক্ৰ সম্পৰ্কীয় তথ্যৰ অভাৱে এইক্ষেত্ৰত ডাঙৰ অন্তৰায়ৰ সৃষ্টি কৰে। আনহাতে মহাকাশযানৰ গতিবেগো এইক্ষেত্ৰত বেছি হ'ব লাগিব— তাকে কৰিবলৈ অধিক শক্তিসম্পন্ন ৰকেটৰ প্ৰয়োজন। তদুপৰি যন্ত্ৰৰ ক্ৰিয়া-কলাপ নিয়ন্ত্ৰণ কৰাৰ বাবেও বাহুল্য ব্যৱস্থাৰ প্ৰয়োজন। কিয়নো জোনলৈ নিক্ষেপ কৰা মহাকাশযান লক্ষ্যত উপনীত হ'বলৈ কেইদিনমানহে লাগে ; কিন্তু শুক্ৰ গ্ৰহত উপনীত হ'বলৈ মাহৰ প্ৰয়োজন হয়। তাতোকৈ মন কৰিবলগীয়া কথা হ'ল— শুক্ৰলৈ নিক্ষেপ কৰা মহাকাশযান সূৰ্যৰ অধিক কাষ চাপে ; ফলত প্ৰবল তাপৰ সন্মুখীন হ'ব লাগে। এই তাপৰ মাজত যন্ত্ৰ বিকল নোহোৱা অৱস্থাত ৰাখিব পাৰিব লাগিব আৰু পৃথিৱীৰ যান্ত্ৰিক নিয়ন্ত্ৰণ অব্যাহত ৰাখিব পাৰিব লাগিব। ছোভিয়েট মহাকাশযানে এই সকলোবোৰ অন্তৰায় দূৰ কৰি নতুন দিগন্ত মুকলি কৰিলে।

## প্ৰশ্ন কাটোতাৰ প্ৰশিক্ষণ

মাধ্যমিক শিক্ষা পৰ্যায়ত প্ৰতি বছৰে অসমৰ পৰীক্ষাৰ্থীসকলৰ অকৃতকাৰ্যতাৰ হাৰ বাঢ়ি যোৱাটো সঁচাকৈয়ে চিন্তাৰ বিষয়। পৰহি গুৱাহাটীত ৰাজ্যিক মাধ্যমিক শিক্ষা বোৰ্ডে আয়োজন কৰা প্ৰশ্ন কাকত যুগুত কৰোতাসকলৰ প্ৰশিক্ষণ শিবিৰ এটা মুকলি কৰা সভাত প্ৰকাশ কৰা অনুসৰি শতকৰা ৫৫ ভাগ ছাত্ৰ মাধ্যমিক পৰ্যায়ত উত্তীৰ্ণ হ'ব নোৱাৰে আৰু শতকৰা ৪০ ভাগ ছাত্ৰৰ ক্ষেত্ৰত শ্ৰেণী বিভাজন ত্ৰুটিপূৰ্ণ হয়। শিক্ষা ব্যৱস্থা আৰু পৰীক্ষা পদ্ধতিৰ ক্ষেত্ৰত এনেদৰে দেশৰ ভৱিষ্যৎ নাগৰিকসকলৰ অধিক সংখ্যকে অসফল প্ৰচেষ্টাত বহু অৰ্থ, পৰিশ্ৰম শক্তি আৰু সময় নষ্ট কৰাটো জাতীয় স্বাৰ্থৰ দৃষ্টিকোণৰ পৰা অতীৱ ক্ষতিজনক। এই জাতীয় অপচয়ৰ ফলত উদ্ভৱ হোৱা নিবনুৱা অৰ্ধ শিক্ষিতৰ সমস্যা সামাজিক উচ্ছৃংখলতা আৰু নৈৰাশ্যৰ প্ৰসাৰ আদিও দূৰ কৰিবলৈ হ'লে আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থা বিজ্ঞানসন্মত আৰু স্থান-কাল-পাত্ৰ উপযোগী কৰি ল'ব লাগিব। গুৱাহাটীৰ

প্ৰশিক্ষণ শিবিৰ মুকলি কৰা সভাত মুখ্য অতিথিৰূপে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী দপ্তৰৰ শিক্ষা সংস্কাৰ আৰু প্ৰশিক্ষণ বিষয়ক ৰাষ্ট্ৰীয় পৰিষদৰ শিক্ষা উন্নয়ন আঁচনিৰ বৰমূৰীয়া ড° এইচ ভাবেই কয় যে আমাৰ শিক্ষা পদ্ধতি ব্ৰিটিছ পদ্ধতিৰ আৰ্হিত গঢ় দিয়া বুলি কোৱা হয় ; সেয়া আংশিকভাৱে সত্য হ'লেও তেনে পদ্ধতি এতিয়া পুৰণিকলীয়া। সময়ৰ লগত খাপ নোখোৱা হৈ অহা কাৰণে বৃটেইনতো সময়োপযোগী নতুন শিক্ষা ব্যৱস্থাহে প্ৰৱৰ্তন কৰা হৈ আহিছে। আমাৰ পৰীক্ষাৰ প্ৰশ্নবোৰো এনেদৰে কটা হয় যে তাত কিছুমান গতানুগতিক তথ্যৰ সন্ধানহে থাকে। ফলত মুখস্থ বিদ্যাৰে পৰীক্ষাত ভাল কৰা ছাত্ৰয়ো বাস্তৱ জগতত আৱশ্যকীয় প্ৰকৃত জ্ঞান লাভৰ পৰা বঞ্চিত হয়। আমি এই মন্তব্যৰ সত্যতা স্বীকাৰ কৰোঁ ; কিয়নো শিশু আৰু চেমনীয়াসকলৰ সম্ভাব্য প্ৰতিভা বিকাশৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তুলিব নোৱাৰিলে শিক্ষা ব্যৱস্থা আদৰ্শনীয় হ'ব নোৱাৰে। কৰ্মচাৰী গঢ়া কমাৰশালৰ দৰে চলি থকা আমাৰ শিক্ষা ব্যৱস্থা স্বাধীনতা লাভৰ পিচতো বিশেষ উন্নত হ'ব পৰা নাই ;— আমাৰ বদ্ধমূল কিছুমান ধাৰণাৰ বাবে আৰু নতুন পৰীক্ষা-নিৰীক্ষা চলোৱাৰ উৎসাহ বা সাহসৰ অভাৱত। সভা-সমিতি ; বিধানসভা-পাৰ্লিয়ামেণ্ট ; স্কুল-কলেজ ; সকলোতে শুনা যায় শিক্ষা ব্যৱস্থাৰ সংস্কাৰ লাগে ; প্ৰশ্ন কাকতত ছাত্ৰৰ বুদ্ধিৰ পৰিচয় পাব পৰা প্ৰশ্নহে লাগে ইত্যাদি ;— কিন্তু থলুৱা ভাষা-সাহিত্যৰ প্ৰশ্ন কাকতখনো আমি সেই ভাষাতে কাটিবলৈ আগবাঢ়িব নোখোজো। আমোলাতন্ত্ৰৰ গতানুগতিকতাৰ চেপাত উশাহ নিৰুদ্ধ হোৱা শিক্ষা ব্যৱস্থাৰ— ক'বলৈ গ'লে সমগ্ৰ সমাজ ব্যৱস্থাৰ— গতি সেয়ে মন্থৰ হৈ আছে। সময়ৰ লগত খোজ পেলাবলৈ হ'লে আমাৰ কৰ্তৃপক্ষই কিছুমান সাহসী সিদ্ধান্ত ল'বই লাগিব।

শিক্ষা বিভাগে যেন অকল শিবিৰ স্থাপন বা আলোচনাচক্ৰতে সন্তুষ্ট নহৈ বাস্তৱক্ষেত্ৰত তেনেবোৰ আদৰ্শনীয় পন্থা খটুৱাবলৈ তৎপৰতাৰে কাৰ্যব্যৱস্থা লয় তালৈহে আমি অধিক আগ্ৰহেৰে বাট চাম। বহুক্ষেত্ৰত এনে ধৰণৰ প্ৰশিক্ষণ আদি (যেনে— 'ইংলিছ ট্ৰেইনিং') দিয়া হয় যদিও প্ৰশিক্ষণপ্ৰাপ্তসকলৰ যোগেদি তেনে পদ্ধতিসমূহ কাৰ্যকৰী কৰা বিষয়ত কোনো ব্যৱস্থা লোৱা নহয়। এয়াও একপ্ৰকাৰ জাতীয় অপচয়। সেয়ে যাতে মাধ্যমিক ছাত্ৰৰ শক্তি-মেধা অপচয় নিবাৰণৰ বাবে চলোৱা প্ৰশিক্ষণৰ ক্ষেত্ৰত তাৰে পুনৰাবৃত্তি নহয় সেই কথালৈ আমি আগতীয়াকৈ আঙুলিয়াই থ'লো।

সোমবাৰ, ২৩ অক্টোবৰ, ১৯৬৭ চন

# অসমলৈ ব্ৰডগজ লাইন

অসমলৈ ব্ৰডগজ ৰে'লৱে লাইন সম্প্ৰসাৰিত কৰা বিষয়ত কেন্দ্ৰীয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ মন জুখি পৰস্পৰবিৰোধী কথা কৈ থকা যেন দেখা গৈছে। বঙাইগাওঁ-যোগীঘোপাৰ পৰা গুৱাহাটীলৈকে ব্ৰডগজ লাইন কৰাৰ প্ৰস্তাৱ উঠিছে। উত্তৰ পাৰেদি এই লাইন বৰ্তমান মিটাৰগজৰ ঠাইত পৰিৱৰ্তিত কৰাৰ প্ৰস্তাৱ প্ৰসংগত গোৱালপাৰা আৰু দক্ষিণ কামৰূপৰ ৰাইজে একেমুখে দক্ষিণ পাৰেদি নতুন ব্ৰডগজ লাইন কৰাৰ দাবী তুলিছে। তিনিদিন মানৰ আগতে মাত্ৰ শ্বিলঙৰ পৰা প্ৰচাৰিত এটা বাতৰিত প্ৰকাশ পাইছিল যে আৱশ্যকীয় বিৰাট পৰিমাণৰ ব্যয়ৰ কাৰণে কেন্দ্ৰীয় ৰে'লৱে দপ্তৰে সম্প্ৰতি এই প্ৰস্তাৱ কাৰ্যকৰী কৰিব খোজা নাই ; বৰং বৰ্তমানৰ মিটাৰগজ

লাইন আৰু স্থলপথৰ পৰিবহণৰ ওপৰতে গুৰুত্ব দিব খোজা হৈছে আৰু এই দৃষ্টিকোণৰ পৰাই জৰীপ কাৰ্য চলাই থকা হৈছে। এই নিৰাশজনক বাতৰি ওলোৱাৰ পিচতে দক্ষিণপৰীয়া ৰাইজৰ গম-গতি স্থানীয়ভাৱে লাভ কৰা ৰে'লৱে মন্ত্ৰী শ্ৰীপুনাচাই কালি কথাৰ সুৰ সলাই কৈছে যে দক্ষিণ পাৰেদি ব্ৰডগজ লাইন নতুনকৈ বহুৱাৰ প্ৰশ্নটো বিবেচনা কৰা হ'ব। সংগতি নোহোৱা এই ধৰণৰ উক্তিৰ পৰাই বুজিবলৈ টান নহয় যে এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মনোভাৱ অসমৰ দাবীৰ অনুকূল নহয়।

স্থানীয় কমিউনিষ্ট পাৰ্টিৰ সঁজাতী দলক কোৱা কথাই যদি সঁচা হয় তেন্তে শ্ৰীপুনাচাই দিল্লীলৈ ঘূৰি গৈ এটা অনুকুল সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বেছি সময় নল'ব বুলি আমি আশা কৰিলো। বাহিৰৰ লগত অসমৰ ৰে'ল সংযোগ কিমান গুৰুত্বপূৰ্ণ সেই কথা তেওঁ নিশ্চয় নিজ চকুৰে চাই উপলব্ধি কৰি গৈছে। তাৰ সলনি তেওঁ যদি কেৱল আমাৰ মন জুখিহে আঁভুৱা ভৰা ধৰণৰ কথা ক'বলৈ ধৰে তেন্তে বৰ দুখজনক কথা হ'ব। এই প্ৰশ্ন লৈ গোৱালপাৰা জিলাত যি মনোভাৱ আৰু আন্দোলন গঢ়ি উঠিছে সি তেনেই স্বাভাৱিক কথা বুলি আমি ক'বলৈ বাধ্য। পশ্চিম অসমৰ দক্ষিণপৰীয়া এই অঞ্চলটো যে ৰে'ল সংযোগৰ কাৰণেই নানান অসুবিধাৰ সন্মুখীন হৈ পিচ পৰি আছে সেই কথা জলজল-পটপট। কংগ্ৰেছকে ধৰি দল-মত নিৰ্বিশেষে সকলো ৰাইজৰ মনৰ ক্ষোভ প্ৰকাশ পোৱাতে এই কথা কেন্দ্ৰই উপলব্ধি কৰা উচিত। গাৰোপাহাৰৰ কুমাৰী পৃথিৱীৰ বিৰাট সম্ভাৱনা ৰে'ল সংযোগৰ অসুবিধাতে লোক চক্ষুৰ অন্তৰালত অনাদৃত হৈ পৰি থাকিব লগা হৈছে আৰু এই কথা চৰকাৰীভাৱেও উপলব্ধি কৰি অহা হৈছে। অকল এই অঞ্চল কিয়, উজনি অসমৰ বৰ্তমান ৰে'লপথৰ মূৰলৈকে ব্ৰডগজৰ সম্প্ৰসাৰণ অসমবাসীৰ বহুদিনীয়া দাবী ; বৰ্তমান মিটাৰগজৰ সমান্তৰালকৈ আন এটা ৰে'লপথ প্ৰতিষ্ঠাৰ দাবীও এই প্ৰসংগত উল্লেখযোগ্য। দেশৰ অন্যান্য অংশৰ লগত অসমৰ ৰে'লৰ ব্ৰডগজ সংযোগ অসমৰ অৰ্থনীতিৰ কাৰণেই অপৰিহাৰ্য। পাকিস্তানৰ মাজেদি অহা নদী পৰিবহন ব্যাহত হোৱাৰ ফলত আমাৰ কি দুৰ্গতি হৈছে আৰু তাৰ ফলত যোগান ব্যৱস্থাৰ কি দুৰ্যোগ হৈছে সেই কথা কেন্দ্ৰীয় কৰ্তৃপক্ষই এতিয়াও উপলব্ধি কৰা নাই। দুয়ো ফালৰ পৰা পণ্যৰ গতি অব্যাহত ৰাখিবলৈ হ'লে যে পোনপটীয়া ব্ৰডগজ লাইনে বিশেষ সহায় কৰিব সেই কথা দেখদেখ। নহ'লে চৰা দাম আৰু অনাটনৰ পৰা অসমৰ ৰাইজে চিৰদিনেই কষ্ট ভুগি থাকিব লাগিব। বিৰাট ব্যয়ৰ কথাটো এই প্ৰসংগত অজুহাতৰূপে উত্থাপন নকৰাই ভাল। অৰ্থনীতি সন্মত নহ'ল বুলিয়েই অনগ্ৰসৰ অঞ্চললৈ ৰে'লপথ সম্প্ৰসাৰিত কৰাটো স্থগিত ৰাখিব নেলাগে বুলি ৰে'লৱে উপদেষ্টা কমিটীয়ে প্ৰকাশ কৰা অভিমতলৈ আমি আঙুলিয়াই দিব খোজো।

## বেমাৰী কৰ

কৰটো বেমাৰী নহয়— বেমাৰীৰ ওপৰত লগাব খোজা কৰৰ কথাহে ক'ব খুজিছো। পশ্চিমবংগ চৰকাৰে হাস্পতালত থকা প্ৰত্যেক ৰোগীৰ পৰা আৰ্থিক অৱস্থা অনুসৰি ১০ৰ পৰা ২৫ পইচালৈকে কৰ ধাৰ্য কৰিব খুজিছে ; এইদৰে উঠা পইচাৰে গাওঁ অঞ্চলত চিকিৎসা ব্যৱস্থাৰ উন্নতি সাধন কৰা হ'ব হেনো। বোধকৰো আশা কৰা হৈছে যে গাৱঁতে যেহেতু সৰহ ভাগ মানুহ থাকে, গতিকে চহৰত লগোৱা কৰত বেছি আপত্তি নুঠিব। আগেয়ে আছিল যে বংগই আজি যি ভাবে, ভাৰতে কাইলৈহে সেইটো ভাবিব। এই বিষয়ত হ'লে বংগৰ ওপৰত 'টেক্কা মাৰিলে' বোম্বাই আৰু মাদ্ৰাজে ঃ সেই দুখন ৰাজ্যত ইতিপূৰ্বৰেপৰা বেমাৰী কৰ লগাই অহা হৈছে।

অসমৰ কথাটো অলপ সুকীয়া। ইংৰাজ আমোলৰ আৰম্ভতে কাকতিসকল অহাৰে পৰা পূব বংগৰ ভগনীয়া আৰু অনুপ্ৰৱেশকাৰীকে ধৰি বৰ্তমান সাহিত্যত শব্দসম্ভাৰ সোমোৱালৈকে বংগৰ পৰা নানান সোঁত অসমলৈ বৈ আহি আছে। এইবিধ কৰৰ আৰ্হিও আহি পৰে নেকি ঠিক নাই। বাতৰিটোও বৰ বেয়া সময়ত ওলাইছে। কাৰণ চাকৰি-বাকৰিত অসমীয়া-অনাঅসমীয়া বাচ-বিচাৰ নকৰিবলৈ বাণী দিয়া অসমৰ বিত্তমন্ত্ৰী শ্ৰীত্ৰিপাঠীয়ে সিদিনাখন মাত্ৰ কৈ থৈছে যে অসম চৰকাৰৰ আৰ্থিক অৱস্থা বৰ বেয়া— লোকচান ভৰিয়েই তেওঁ ঘৰ চলাই থাকিব লগা হৈছে। তেওঁও এটা উপায় পাই অসমৰ হাস্পতালবিলাকত পেচকচ কৰি দিব যেনেই পাইছো। দিলেও আশা কৰো এই বিষয়ত নীতিগতভাৱেই অসমীয়া ৰোগীৰপৰা অনা-অসমীয়া ৰোগীক পৃথক চকুৰে চোৱা নহ'ব। দূৰ-দূৰণিৰপৰা ৰোগ দেখুৱাবলৈ আহি হাস্পতালৰ বাৰাণ্ডাত পৰি থাকিবলগীয়া হোৱা ৰোগীসকলে এই কৰৰ কথাটো কেনে পায় ক'ব নোৱাৰো। এটা বিষয়ত তেওঁলোকে ভাল পাব লাগে ঃ ভাৰতৰ অন্যান্য ঠাইৰ দুৰ্ভগীয়াসকলো একে অৱস্থাৰ সন্মুখীন হৈছে ; খাদ্যত সমভাগী হোৱাৰ দৰে এই বিষয়তো তেওঁলোকে সংহতি ৰক্ষা কৰিব। পশ্চিমবংগই ভবা মতে চহকী ৰোগীৰপৰা দুখীয়া ৰোগীতকৈ বেছি পইচা লোৱা হ'ব। ধনী-দুখীয়া কেনেকৈ বিচাৰ কৰিব প্ৰশ্ন উঠিব পাৰে। সেইটোৱে বৰ বেছি সমস্যাৰ সৃষ্টি কৰিব বুলি অনুমান নহয়। কাৰণ আয়কৰ ধাৰ্য কৰিবৰ বেলিকা এনে এটা সমস্যাৰ সমাধান হৈয়ে আছে। গাৱঁৰ পৰা অহা ৰোগীয়ে আকৌ গৰ্ব অনুভৱ কৰিব পাৰিব যে গাৱঁৰ চিকিৎসা ব্যৱস্থাত খৰচ কৰা পইচাৰ কিছু অংশ তেওঁলোকেও চহৰৰ হাস্পতালত দিছে।

মঙ্গলবাৰ, ২৪ অক্টোবৰ, ১৯৬৭ চন

# চলিহাৰ খেদ

যোৱা শনিবাৰে গোৱালপাৰাত অনুষ্ঠিত ৰাজনৈতিক সন্মিলনত মুখ্য অতিথি হিচাপে দিয়া ভাষণত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই এইবুলি খেদ কৰে যে কেন্দ্ৰৰ বহু নেতাই অসমৰ কথা ভালদৰে বুজি নেপায়, বুজিবলৈ চেষ্টা নকৰে নাইবা অসমৰ সমস্যাক সমস্যা বুলি নধৰে। কেন্দ্ৰীয় ৰে'লৰে মন্ত্ৰী শ্ৰীচি এম পুনাচা উপস্থিত থকা এই সভাত আমাৰ মুখ্যমন্ত্ৰীৰ এনে উক্তি তাৎপৰ্যপূৰ্ণ। ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ৰ পৰা এই অঞ্চলজুৰি অধিক সমস্যাই মূৰ তুলি উঠিছে ; অথচ সীমান্তৰাজ্য এখনৰ ক্ষেত্ৰত অসমৰ বাহিৰৰ নেতাসকলে অ-সহানুভূতিশীল মনোভাৱ লোৱাটো সঁচাকৈয়ে দুখৰ কথা। আমি আশা কৰো শ্ৰীচলিহাই দৃঢ়তাৰে অসমৰ সমস্যাৱলীৰ বিষয়ে বাহিৰৰ নেতাসকলক পতিয়ন নিয়াবলৈ পৰান্মুখ নহ'ব। এনে প্ৰচেষ্টাত মুখ্যমন্ত্ৰীক দল-নিৰ্বিশেষে অসমৰ সকলো নেতাই আৰু সমূহ ৰাইজে সমৰ্থন কৰা উচিত হ'ব। দুখৰ বিষয় এয়ে যে অকল নেতাসকলেই নহয়, বাহিৰৰ পৰা অহা সাংবাদিক দুই-একেও উপৰুৱাভাৱে দুই-চাৰিখন ঠাইলৈ গৈ, ওপৰ মহলাৰ দুই-চাৰিজন অনা-অসমীয়া, আধা অসমীয়া বা অসমীয়া বুলি পৰিচয় দিবলৈ লাজ পোৱা তথাকথিত থলুৱা আদিৰ লগতে ঘূৰি-পকি কাকতে-পত্ৰই অসমৰ বিকৃত ৰূপ দাঙি ধৰে। আনহাতে আমাৰ ৰাজ্যিক প্ৰচাৰ বিভাগ বা ৰাজ্যৰ বুদ্ধিজীৱিচামে সেইবোৰৰ প্ৰতিবাদ নকৰে! ফলত ৰাজ্যৰ বিষয়ে নানান মিছা ধাৰণা বাহিৰত প্ৰচাৰিত হয়। সেই ধাৰণাসমূহকে মূলধন কৰি ন্যস্তস্বাৰ্থ আৰু বিভেদকামী লোকসকলে নিজ নিজ উদ্দেশ্য পূৰণ কৰিবলৈ

সুবিধা বিচাৰে। আমি প্ৰতিবাদ কৰাত তৎপৰ নোহোৱাৰ বাবে ইতিমধ্যে একাধিক শুধৰাব নোৱাৰা সমস্যা সামৰি ল'ব লগা হৈছে। তদুপৰি কেন্দ্ৰই থলুৱা লোকক অযথা সন্দেহ কৰি বাহিৰৰ আনকি বিদেশৰ লোকৰ কথাতহে পতিয়ন হৈ কেনেদৰে বহু বিপদৰ সৃষ্টি কৰিছে, তাৰ উদাহৰণ বিৰল নহয়। এইক্ষেত্ৰত নগালেণ্ডত স্কটৰ ভূমিকা, নেফা সম্পৰ্কে এলুইন চাহাবৰ সিদ্ধান্ত, পৰ্বত অঞ্চলত ভাষা-নীতি আদিলৈ আঙুলিয়াব পাৰি। অসমীয়া মানুহ আৰু অসমীয়া ভাষাৰ ওপৰত শত্ৰুতা কৰি যে এচাম ন্যস্ত স্বাৰ্থৰ লোকে সমগ্ৰ ৰাষ্ট্ৰৰ বাবেই এটি অমংগল কাষ চপাই আনিছে সেই কথা অসমৰ যিকোনো দলৰ যিকোনো নেতাই স্পষ্টভাৱে ক'ব পাৰিব লাগিব। সেই দিশৰ পৰা আমি শ্ৰীচলিহাৰ এনে পোনপটীয়া উক্তিলৈ ওলগ জনাইছো।

## আকৌ স্কট

ৰাষ্ট্ৰসংঘৰ ন্যাসৰক্ষী সমিতিত দক্ষিণ আফ্ৰিকাৰ সমস্যা সম্পৰ্কে ক'বলৈ গৈ, তাৰ মাজতে লেজু উলিয়াই স্কট চাহাবে বিদ্ৰোহী নগাৰ প্ৰশ্নটোও উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল। ভাৰতবন্ধুৰ ভাওত এইগৰাকী লোকে নগা সমস্যাটোক জটিলতৰ কৰি আঁতৰি যাবলগীয়া হোৱাতো শান্তি পোৱা নাই। দক্ষিণ আফ্ৰিকাৰ বেলিকাও এই তথাকথিত মানৱ-হিতৈষী গৰাকীৰ প্ৰকৃত উদ্দেশ্য কি, তাৰ সম্ভেদ সময়েহে দিব পাৰিব। ন্যাসৰক্ষী সমিতিৰ কাৰ্যক্ৰমণিকাত নথকা বিষয় বস্তু এটাকো আজুৰি আনি পৰোক্ষভাৱে স্কট চাহাবে বিদ্ৰোহী নগাসকলক ভাৰত চৰকাৰৰ বিৰুদ্ধে কাম কৰি যাবলৈকে উদগনি দিয়াটোৱেই প্ৰমাণিত হয়। আপোচ-মীমাংসাৰে এই সমস্যা সমাধান হ'লে,— স্কটৰ দলৰ ষড়যন্ত্ৰমূলক প্ৰকৃত উদ্দেশ্য ব্যৰ্থ হ'ব কাৰণে তেওঁ এইদৰে অনিয়মীয়াভাৱে হ'লেও দক্ষিণ আফ্ৰিকাৰ কথাৰ মাজতে নগাৰ কথা উলিয়াইছিল। চীনদেশ, ভিয়েটনাম, জাৰ্মানী আদিতো মুমূৰ্ষ মানৱতাৰ মাজত শান্তিৰ উপায় দিবলৈ তেওঁলৈ হেনো আহ্বান আহিছে— যদিও তেওঁ নিজে ভাবে যে দৈহিক, মানসিক আৰু আধ্যাত্মিক পিনৰ পৰা এই বিষয়ে অসুবিধা বহুতো আছে! নিজৰ ঢোল এনেদৰে কোবাই স্কট চাহাবে আওপকীয়াভাৱে নগা প্ৰশ্নটো ৰাষ্ট্ৰসংঘৰ দুৱাৰ ডলি পোৱাবলৈ কৰা চেষ্টা মন কৰিবলগীয়া। বিদেশী ন্যস্ত স্বাৰ্থৰ এচাম লোকে ভাৰতৰ উত্তৰ-পূব সীমান্ত অঞ্চলত নানা প্ৰকাৰে বিভেদ সৃষ্টি কৰি থকা কথা আজি আৰু কাৰো অবিদিত নহয়। সেয়ে ভাৰত চৰকাৰে এই বিষয়ে অতি সতৰ্কতাৰে অথচ দৃঢ়তাৰে ব্যৱস্থা লোৱা উচিত। পূৰ্বৰ ভুল বা উদাসীনতাৰ কথা এৰি সাহসেৰে নিজৰ ভুল নীতি শুধৰাই দেশৰ বৃহৎ স্বাৰ্থ ৰক্ষাৰ বাবে তৎপৰতাৰে কৰ্ম ব্যৱস্থা ল'ব লাগিব। দেশৰ সমূহীয়া স্বাৰ্থৰ ক্ষেত্ৰত সন্দেহজনক পৰীক্ষা-নিৰীক্ষাৰ থল নাই ; আনহাতে কণমানো উদাসীনতা তেনেক্ষেত্ৰত ক্ষমণীয় নহয়। শত্ৰুৰাজ্যৰ গুপ্তচৰ আৰু বন্ধুবেশী ৰাষ্ট্ৰৰ ষড়যন্ত্ৰ যাতে ব্যৰ্থ হয় তাৰ বাবে ভাৰত চৰকাৰ আৰু সীমান্তৰ ৰাজ্য চৰকাৰসমূহ সদা জাগ্ৰত থাকিব লাগিব।

শুকুৰবাৰ, ২৭ অক্টোবৰ, ১৯৬৭ চন

# মণিপুৰত সংসদী গণতন্ত্ৰ

মণিপুৰত জনপ্ৰিয় চৰকাৰৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিব লগা অৱস্থাৰ সৃষ্টি কৰা বাবে সংযুক্ত বিধায়িনী মৰ্চাই অকলে দায়ী নহয়। এই মৰ্চাই ৩২ জনীয়া বিধানসভাত মাত্ৰ এজনীয়া সংখ্যাগৰিষ্ঠতা লৈ

মন্ত্ৰীসভা গঠন কৰি ভুল কৰিলে সঁচা। কিন্তু কংগ্ৰেছ দলে সেই মৰ্চাৰ পৰা এজন সদস্যক নিজৰ পক্ষলৈ আনিও কোনো প্ৰশংসনীয় কাৰ্য কৰা নাই। কংগ্ৰেছ দলৰ পৰা আঠজনকৈ সদস্য আঁতৰি গৈ বিৰোধী মৰ্চা এটা গঠন কৰিব লগা হোৱা বাবে কংগ্ৰেছ দল আৰু তাৰ নেতৃত্বও কম দায়ী নহয়। কংগ্ৰেছ দলে নিজৰ দুৰ্বলতা মানি লৈ মণিপুৰৰ দৰে এখন সমস্যাবহুল অঞ্চলত মন্ত্ৰীসভা ভঙা-পতাৰ ৰচি টনাটনি নকৰা হ'লেই ভাল আছিল। কিন্তু সেয়ে হৈ নুঠিল। সংযুক্ত বিধায়িনী মৰ্চাই বিধানসভাত অচলাৱস্থাৰ সৃষ্টি কৰি নিজৰ চৰকাৰক আইন মতে ক্ষমতাত ৰাখিবলৈ চেষ্টা কৰিছিল যদিও সেই কৌশল কাৰ্যকৰী নহ'ল। প্ৰকৃততে তেনে কৌশল সমৰ্থনযোগ্যও হ'ব নোৱাৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে মণিপুৰত ছমাহলৈ ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিছে যদিও ইয়াৰ ভিতৰতে কোনো এটা দলে মন্ত্ৰীসভা গঠন কৰিবলৈ সামৰ্থ্য লাভ কৰিলে ৰাষ্ট্ৰপতিৰ শাসন বাতিল কৰা হ'ব বুলি ঘোষণা দিছে। ইয়াৰ ফলত সদস্য নিজৰ ফলীয়া কৰাৰ প্ৰতিযোগিতা অব্যাহত থাকিব আৰু সেয়ে এই অঞ্চলটোৰ ৰাজনৈতিক বা-বতাহ কলুষিত কৰি তুলিব।

বিধানসভাৰ সদস্যৰ দল সলনি ভাৰতত এটা স্বাভাৱিক ৰীতিত পৰিণত হৈছে আৰু ই গণতান্ত্ৰিক পদ্ধতিৰ ধ্বংস মাতি আনিছে। ৰাজনৈতিক দলসমূহে প্ৰাৰ্থী মনোনীত কৰাত ত্ৰুটি থকা আৰু ব্যক্তি বিশেষৰ গণতান্ত্ৰিক নিষ্ঠা হ্ৰাস পোৱা বাবেই এনে অৱস্থাৰ সৃষ্টি হৈছে। এনেবোৰ ক্ষেত্ৰত জনসাধাৰণৰ প্ৰকৃত প্ৰতিনিধি নিৰ্বাচনৰ বাবে মধ্যকালীন নিৰ্বাচন পতাহে যুক্তিসংগত কথা। মণিপুৰতো তেনে নিৰ্বাচনৰ আশ্ৰয় ল'লেহে হয়তো জনসাধাৰণ আশ্বস্ত হ'ব।

## ৰহস্যজনক

অসম চৰকাৰৰ বিনা অনুমতিত বিহাৰৰ পৰা উজনি অসমৰ তিনিচুকীয়ালৈকে যাত্ৰীবাহী বাছ চলাচল কৰিব লাগিছে বুলি বাতৰি প্ৰকাশ পাইছে। বিহাৰৰ পৰা অসমলৈ বনুৱা কঢ়িওৱাৰ চুক্তি ভিত্তিত এই বাছবিলাক চলোৱা বুলি জনা গৈছে। কিন্তু দিনে ১২ খনকৈ মটৰ গাড়ীত যোৱা ৭ মাহ ধৰি বিহাৰৰপৰা অসমলৈ কি বনুৱা আনিব লগা হ'ল, চিন্তা কৰিব লগা বিষয়। এইবোৰ মটৰ বাছ ৪৭ জনকৈ যাত্ৰী বহিবপৰা বিধৰ। বেচৰকাৰী মটৰ গাড়ীত যাত্ৰীক সুখ-স্বাচ্চন্দতা দিয়াৰ নিয়ম কোনো ৰাজ্যতে দেখা নাযায়, সদায় অতিৰিক্ত সংখ্যক যাত্ৰী কঢ়িওৱা হয়। তথাপি প্ৰত্যেকখন গাড়ীত ৫০ জনকৈ ধৰিলেও দিনে ৬০০ বনুৱা অসমলৈ আহিছে। এনে সংখ্যাৰ বনুৱাৰ কাৰণে অসমত কাম হৈছেনে?

সংখ্যাৰ বিষয়ত নিখুঁত হ'ব নোৱাৰিলেও এটা কথা স্পষ্ট যে এইবিলাক মটৰ বাছত অহা আটাইবোৰ মানুহেই শ্ৰমিক নহয়। ইয়াৰ গৰিষ্ঠ অংশটো অসমৰ আৰু অসমৰ অৰ্থনীতিৰ কাৰণে অবাঞ্ছিত ব্যক্তি। চৰকাৰৰ লগত পূৰ্ব চুক্তি নোহোৱাকৈ এনে ভাড়াৰ যাত্ৰীবাহী মটৰ বাছ অসমত চলোৱা আৰু অসমলৈ লোক প্ৰব্ৰজন কৰোৱাটো বিশেষ তাৎপৰ্যপূৰ্ণ কথা।

এই সংশ্ৰৱত পৰিবহণ বিভাগৰ এনফ'ৰ্ছমেণ্ট শাখাই তৎপৰতা অৱলম্বন কৰিব লাগিছিল কাৰণ চৰকাৰৰ অনুমতি নোহোৱা বাছেদি ৰাষ্ট্ৰীয়কৃত পথত যাত্ৰী অনা-নিয়া কৰা ফলত পৰিবহণ বিভাগ তথা চৰকাৰৰ ৰাজহৰ ক্ষতি হৈছে। কিন্তু পৰিবহণ বিভাগৰ এনফ'ৰ্ছমেণ্ট শাখাৰ কাৰ্যকলাপ পৰিলক্ষিত হোৱা নাই।

এই ৰহস্যজনক আৰু গুৰুতৰ কাৰ্য সম্পৰ্কত চৰকাৰীভাৱে তদন্ত চলাই ইয়াৰ আচল পৰিস্থিতি প্ৰকাশ কৰা উচিত।

## পশ্চিম এছিয়াত নতুন অশান্তি

সমগ্ৰ বিশ্বই পশ্চিম এছিয়াত উত্তেজনা হ্ৰাস কৰিবলৈ প্ৰবল আগ্ৰহ প্ৰকাশ কৰা সময়ত ছুৱেজ অঞ্চলত পুনৰ মিছৰ আৰু ইজৰাইলৰ সংঘৰ্ষ চলাটো উল্লেখযোগ্য বিষয়। আৰব গণৰাজ্যৰ নৌ জাহাজে ইজৰাইলৰ 'ইলাট' নামৰ ডেষ্ট্ৰয়াৰ যুদ্ধ জাহাজখন জলমগ্ন কৰাৰ পাচত ইজৰাইলী প্ৰতিৰক্ষা মন্ত্ৰী মচি দায়ানে ইয়াৰ প্ৰতিশোধমূলক ব্যৱস্থা লোৱা হ'ব বুলি কোৱাৰ পাচত ছুৱেজ অঞ্চলত ইজৰাইলী সৈন্যই প্ৰচণ্ডভাৱে গুলীবৰ্ষণ কৰিবলৈ লয়। সেই গুলীবৰ্ষণৰ ফলত আৰব গণৰাজ্যৰ দুটা তেল শোধনাগাৰৰ এটা সম্পূৰ্ণৰূপে আৰু আনটোৰ আধাখিনি ভস্মীভূত হৈছে। এই শোধনাগাৰতে আৰব গণৰাজ্যৰ তিনি চতুৰ্থাংশ তেল শোধন কৰা হৈছিল।

ইজৰাইল আৰু আৰব গণৰাজ্যৰ নতুন যুদ্ধ বিৰতি পৰ্যবেক্ষণৰ বাবে ৰাষ্ট্ৰসংঘৰ পৰ্যবেক্ষক থকা সত্ত্বেও ইজৰাইলে বৃহৎ কামানাৰে ছুৱেজ নগৰত গুলীবৰ্ষণ কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ যুদ্ধ বিৰতি প্ৰস্তাৱ আৰু নতুন আক্ৰমণৰ বিৰুদ্ধে দিয়া সতৰ্ক বাণী ইজৰাইলে গ্ৰাহ্য কৰা নাই। 'ইলাট' নামৰ ইজৰাইলী ডেষ্ট্ৰয়াৰখন ধ্বংস কৰাৰ অজুহাততে মচি হায়ানৰ সৈন্য বাহিনীয়ে নতুনকৈ আক্ৰণ কৰিছে। অথচ এই যুদ্ধ জাহাজখন কিয় ধ্বংস হ'ব লগা হ'ল সেই বিষয়ে নিশ্চিতভাৱে জানিবলৈ ৰাষ্ট্ৰসংঘৰ পক্ষৰ পৰা এতিয়ালৈকে কোনো তদন্তই হোৱা নাই। ইজৰাইলে আন ব্যাখ্যা দিলেও আৰব গণৰাজ্যই কৈছে যে ডেষ্ট্ৰয়াৰখনে মিছৰৰ আঞ্চলিক জলভাগত প্ৰৱেশ কৰি আক্ৰমণ চলাবলৈহে আহিছিল।

ইজৰাইলৰ দৰে সৰু দেশ এখনে ৰাষ্ট্ৰসংঘৰ প্ৰতি, বিশ্ব জনমতৰ প্ৰতি এনে অৱজ্ঞা প্ৰদৰ্শন কৰিবলৈ ক'ৰ পৰা সাহস কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা সংখ্যক সদস্য ৰাষ্ট্ৰই যোৱা জুন মাহৰ সংঘৰ্যত হস্তগত কৰা অঞ্চলৰ পৰা আঁতৰি যাবলৈ আহ্বান জনোৱা সত্ত্বেও ইজৰাইলী সৈন্যক তাৰ পৰা অপসাৰণ কৰা হোৱা নাই ; বৰং মিছৰৰ পৰা যুদ্ধত দখল কৰা অঞ্চলত ইজৰাইলী শাসন স্থায়ী কৰাৰ আয়োজন চলোৱা বুলিহে জানিব পৰা গৈছে। ইজৰাইলৰ এই স্পৰ্ধা উদ্ভৱ হৈছে— মাৰ্কিন যুক্তৰাজ্যৰ পৰা। ৰাষ্ট্ৰসংঘৰ মঞ্চত যুদ্ধ প্ৰস্তুতিত আৰু অৰ্থনৈতিক ক্ষেত্ৰত মাৰ্কিন যুক্তৰাজ্যৰ পূৰ্ণ সাহায্য লাভ কৰিয়েই ইজৰাইলে এনে দম্ভ প্ৰকাশ কৰিবলৈ সাহস পাইছে। ইয়াৰ লগতে ছোভিয়েট ইউনিয়নৰ কৃত্ৰিমতা, চীনৰ বৃথা আস্ফালন আৰু পশ্চিমীয়া কূটনীতিৰ বাবে আৰব ৰাষ্ট্ৰসমূহৰ মাজত গঢ়ি উঠা মতানৈক্যই ইজৰাইলক সহায় কৰিছে।

কিন্তু এই অৱস্থাই চলি থাকিবনে? বিশ্বত সামৰিক বলেই প্ৰাধান্য লাভ কৰি যুক্তি-বিবেচনা অৰ্থহীন কৰি তুলিবনে? যদি সেয়ে হয় আৰু ইজৰাইলে এইদৰে ৰাষ্ট্ৰসংঘকো অৱমাননা কৰি চলি থাকিব পাৰে তেন্তে বিশ্বত কিছুদিনৰ ভিতৰতে এনে পৰিস্থিতিৰ উদ্ভৱ হ'ব যে শান্তিৰ প্ৰসংগ তোলাৰ কোনো উপায় নেথাকিব। সেই কাৰণে বিশ্ব সংস্থাটো যদি তিষ্ঠি থাকিব লগা হয় তেন্তে ইজৰাইলক সংযত কৰিব লাগিব। বিশ্বৰ বৃহৎ শক্তি কেইটায়ো শান্তিৰ ভুৱা বাণী প্ৰচাৰ কৰাতে ব্যস্ত নেথাকি পশ্চিম এছিয়াত শান্তি স্থাপনৰ চেষ্টা কৰিব লাগিব।

মঙ্গলবাৰ, ৩১ অক্টোবৰ, ১৯৬৭ চন

# সাম্প্ৰদায়িকতা আৰু কংগ্ৰেছ

সাম্প্ৰদায়িক ঐক্য তথা জাতীয় সংহতিৰ আদৰ্শৰ গুণ গাই প্ৰস্তাৱ ল'লে ; বক্তৃতা দিলে বা বাণী বৰষিলেই কৰ্তব্যৰ শেষ নহয়। ভাৰতৰ দৰে বিশাল আৰু বিচিত্ৰ দেশ এখনত জাতি-ধৰ্ম-ভাষা-অঞ্চল নিৰ্বিশেষে কোটি কোটি জনসাধাৰণৰ মনত 'এক জাতি-এক প্ৰাণ-একতা'— এই ভাব যুগমীয়াকৈ গঢ়ি তুলিবলৈ হ'লে অকল নেতিবাচক কথাৰে নহ'ব, লাগিব যোগাত্মক কৰ্মপন্থা। অনৈক্যৰ কাৰণবোৰ ফঁহিয়াই চালে দেখা যায় যে দেশী বা বিদেশী ন্যস্ত স্বাৰ্থই মাজে মাজে দেশৰ একোটা অংশত হঠাতে বিৰোধ আৰু বিক্ষোভৰ সৃষ্টি কৰায়। অনৈক্যৰ সুৰুঙা বিদেশী শত্ৰু ৰাজ্যই বিচাৰি ফুৰে সঁচা ;— কিন্তু বহুক্ষেত্ৰত ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ কাৰণে দেশৰ লোকেও তেনে ধৰণৰ সুৰুঙা উলিয়াই দিয়াটো মিছা নহয়। সাম্প্ৰদায়িক বিৰোধ হ'ব পাৰে আৱেগিক কাৰণত ; অৰ্থনৈতিক কাৰণত নাইবা ৰাজনৈতিক কাৰণত। কিন্তু যি কাৰণতেই নহওক কিয় ; সেয়ে ৰাষ্ট্ৰৰ স্বাৰ্থত ভীষণভাৱে আঘাত কৰে। আৱেগিক কাৰণত বিৰোধ হ'ব পাৰে ; কিন্তু সেয়া অকল আৱেগক বশৱৰ্তী হৈ সৃষ্টি হ'লে বেছি সময় নেথাকে। ব্যক্তিগত জীৱনত হঠাতে আৱেগৰ বশৱৰ্তী হৈ দুষ্কাৰ্য কৰি পুনৰ শান্ত অৱস্থাত মানুহে অনুশোচনা কৰে আৰু নিয়মতান্ত্ৰিকতাৰে যুক্তিৰ ভেটিত জীৱন-যাপন কৰে। তেনেদৰে সমাজ জীৱনতো সাম্প্ৰদায়িক বিৰোধ যদিওবা কাচিৎ আৱেগিক কাৰণত ঘটেও ; সেই ক্ষতি সময়ে নিৰাময় কৰি দিবলৈ বেছিপৰ নেলাগে। দেশ বিভাজনৰ সময়ৰ উগ্ৰতম আৱেগিক বিস্ফোৰণো জানো সময়ত শাম কটা নাছিল? আনহাতে অৰ্থনৈতিক শোষণৰ ভেটিত যি বিৰোধ ঘটিব পাৰে সেয়া এটা বিশেষ সম্প্ৰদায়ৰ মাজত আৱদ্ধ নেথাকে ; প্ৰতিটো সম্প্ৰদায়তে একে ধৰণৰ শোষক আৰু শোষিত থাকে। কিন্তু দুটা ভিন সম্প্ৰদায়ৰ মাজত এই বিৰোধ হ'লে ; তাৰ চেলু লৈ বিভেদকামীয়ে তাতেই আৱেগিক শক্তিকো যোগ দিবলৈ চেষ্টা কৰে। কিন্তু অৰ্থনৈতিক কাৰণত এহাতে যদিও এনে বিৰোধ হ'ব পাৰে আনহাতে একেদৰে শোষিতসকলৰ সমন্বয়ে বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত ঐক্যৰ ভাবো আনে। শেষত আহিল ৰাজনৈতিক কাৰণ ; এইটোৱেই হ'ল আটাইতকৈ সৰ্বনশীয়া কাৰণ। ব্যক্তি বা গোষ্ঠী একোটাই নেতৃত্ব তথা স্বাৰ্থৰ উদ্দেশ্যে আৱশ্যক হ'লে জাতীয় জীৱনৰ ক্ষতি কৰিও— এনে সাম্প্ৰদায়িক বিৰোধ ঘটায়। বিদেশীয়ে বিভেদ জীয়াই ৰাখি শাসন চলাই থকাৰ নীতি লৈছিল ; হয়তো সেই কু-পন্থাকে অনুসৰণ কৰি আজিও আমাৰ দেশীয় ন্যস্ত স্বাৰ্থৰ মহল বা ব্যক্তিবিশেষে এনেবোৰ মাৰাত্মক পন্থাৰে ৰাজনীতিৰ জুৱা খেল। এনেদৰে বিশ্লেষণ কৰিহে আমি সাম্প্ৰদায়িক ঐক্য স্থাপনৰ বাবে কাম কৰি যাব লাগিব। জব্বলপুৰত বহা নিখিল ভাৰতীয় কংগ্ৰেছৰ দুদিনীয়া অধিৱেশনত লোৱা দুটা প্ৰস্তাৱৰ এটা হ'ল সাম্প্ৰদায়িক ঐক্য দেশজুৰি ব্যাহত হোৱা যেন দেখা গৈছে কাৰণে তাৰ পুনৰ স্থাপনৰ বাবে কাৰ্যকৰী পন্থা লোৱাটো দেশ স্বাধীন হোৱাৰ একুৰি বছৰ পিচতো হিন্দু আৰু মুছলমান ভাৰতবাসীৰ এটা বুজন চামৰ মাজত অবিশ্বাস, সন্দেহ আৰু ভয় কিয় বৰ্তি আছে? মাজে মাজে বিশেষকৈ আজি কিছুদিনৰ পৰা কেইবাখনো ৰাজ্যত সাম্প্ৰদায়িক বিৰোধে গা কৰি উঠাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। গো-ৰক্ষাৰ নামত পশচাৎঘাতীৰ দোষাৰোপত বা আন সামাজিক বিসংগতিৰ কাৰণত আনকি ব্যক্তিগত দোষ-ত্ৰুটিৰ বাবে একোটা সংঘৰ্ষ হ'ব পাৰে কেনেকৈ? একেদৰে ভাৰতত শত্ৰুৰাজ্যৰ গুপ্তচৰে আশ্ৰয় পাব পাৰে কেনেকৈ? ক'ৰবাত এটা সাম্প্ৰদায়িক বিৰোধ হ'লে থিতাতে আমি শত্ৰু ৰাজ্যৰ

উদগনি বুলি কৈ থ'লেই কিন্তু নিজকে আঁভুৰা-ভৰা হ'ব। সেয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটীত এই প্ৰস্তাৱ উত্থাপন কৰা শ্ৰীএছ কে পাটিল প্ৰমুখ্যে কংগ্ৰেছৰ নেতাসকলক আমি এই গোহাৰিকেই জনাওঁ যে ৰাজনৈতিক কাৰণত যেন আৱেগিক উত্তেজনাক ব্যৱহাৰ কৰিবলৈ কোনো ব্যক্তি বা গোষ্ঠী বা উপদলক চেলু দিয়া নহয়। একেদৰে দেশৰ আন সকলো প্ৰগতিবাদী দলৰ পৰাও আজি একে ব্যৱহাৰকে আশা কৰো। শেষত এটা কথা ভাবি চাব লাগিব। সেয়া হ'ল স্বাধীনতাৰ পাচৰ কুৰি বছৰৰ অভিজ্ঞতাৰে আমি চাকৰি বাকৰিৰ ক্ষেত্ৰত, বিধানসভা আদিত প্ৰতিনিধি বছাৰ ক্ষেত্ৰত সা-সুবিধা বিতৰণ আদিৰ ক্ষেত্ৰত চলাই অহা সাম্প্ৰদায়িক বিবেচনাসমূহ জীয়াই ৰখা মানে এনে বিৰোধক উম দি থকাটোৱেই নহয় জানো? অথচ সংখ্যাধিক্যৰ ত্যাগ-স্বীকাৰক অনুগ্ৰহ বুলি লৈ যাতে কোনো এজন নাগৰিকে দ্বিতীয় শ্ৰেণীৰ জীৱন-যাপন কৰিবলগীয়া নহয়— সেইটোও বিবেচ্য। এই দিশেৰে নেতৃত্ব কৰিব খোজা প্ৰতিটো দলৰে প্ৰতিজন বিবেকসম্পন্ন লোকে প্ৰশ্নটো বিবেচনা কৰি তৎপৰ কৰ্ম ব্যৱস্থা ল'ব লাগিব। তেতিয়াহে যদি এই সাম্প্ৰদায়িক অনৈক্যৰূপী দানৱৰ মৃত্যু ঘটে।

## অসম চৰকাৰ আৰু লোকসেৱা আয়োগ

নিয়োগৰ ক্ষেত্ৰত পক্ষপাতিতাৰ দোষাৰোপ কৰাৰ যাতে থল নেথাকে, সেই কাৰণেই লোকসেৱা আয়োগৰ সৃষ্টি কৰা হৈছে। অথচ, সেই উদ্দেশ্য সাধনত ৰাজ্যৰ কাৰ্যনিৰ্বাহকৰ ক্ষমতা পোৱাসকলে পৰোক্ষভাৱে হ'লেও আহুকালৰ সৃষ্টি কৰাটো আশ্চৰ্যজনক! মাজে মাজে অসম লোকসেৱা আয়োগে আপত্তি কৰি আহিছে যে প্ৰশাসক মহলে ক্ষেত্ৰবিশেষে পোনপটীয়া নিযুক্তিৰে বা স্বেচ্ছামূলক কৰ্মোন্নতিৰে আন প্ৰাৰ্থী আৰু চাকৰিয়ালসকলৰ মাজত অসন্তোষৰ সৃষ্টি কৰি আহিছে। বৰ্তমানে আয়োগে উদাহৰণেৰে সৈতে তীব্ৰভাৱে অভিযোগ কৰিছে যে এনে ধৰণৰ নিয়ম উলংঘনৰ মাত্ৰা বাঢ়িহে গৈছে। তদুপৰি আসোঁৱাহবোৰ আঙুলিয়াই দিলেও সংশ্লিষ্ট কৰ্তৃপক্ষই আওকাণহে কৰাৰ নিদৰ্শনো আয়োগে দাঙি ধৰিছে। মীন বিভাগ, যোগান বিভাগ আৰু শিক্ষা বিভাগত এনে ধৰণৰ পোনপটীয়া নিযুক্তি দিয়া আৰু নিয়ম মতে সেইসকল লোকক নিৰ্ধাৰিত সময়ৰ ভিতৰত আয়োগৰ দ্বাৰা পৰীক্ষা ল'বলৈ নিদিয়া বা তেনেদৰে লোৱা লোকৰ অৰ্হতাৰ ভেটিত বিজ্ঞাপন দি অনাহকতে বহু প্ৰাৰ্থীৰ সময়, অৰ্থ নষ্ট কৰা আদি উদাহৰণ দেখুওৱা হৈছে। গড়কাপ্তানি বিভাগৰ ইঞ্জিনীয়াৰৰ পদোন্নতিৰ ক্ষেত্ৰতো বিভাগীয় বৰমূৰীয়াৰ স্বেচ্ছাচাৰিতাৰ প্ৰশ্ন তোলা হৈছে। এইবোৰ অভিযোগ সঁচাকৈয়ে গুৰুতৰ। গণতান্ত্ৰিক দেশৰ ৰাজ্যিক চৰকাৰৰ এটা বিশেষ দায়িত্ব হ'ল— যাতে উপযুক্ত লোকে ব্যক্তি বিশেষৰ খামখেয়ালিৰ বাবে প্ৰাপ্য অগ্ৰাধিকাৰ নোপোৱাকৈ নেথাকে তাৰ ব্যৱস্থা কৰা। নীতিৰ ফালৰ পৰাও লোকসেৱা আয়োগক বিভাগীয় মুখীয়ালে উলাই কৰাটোৱে অকল আয়োগৰ সন্মানতে আঘাত নকৰে, গোটেই প্ৰশাসন যন্ত্ৰতে সেয়ে কলংক সানে। পোনপটীয়া নিয়োগৰ আৱশ্যক নথকা নহয়, সময় মতে আৰু যোগ্য ব্যক্তিৰ সেৱা লাভৰ বাবে এনে নিয়োগ প্ৰয়োজনীয় হ'ব পাৰে। কিন্তু ছমাহৰ ভিতৰতে তেনে লোকৰ যোগ্যতা আয়োগৰ হতুৱাই প্ৰমাণ কৰি লোৱাত আপত্তি কি? অথচ নিয়মৰ ব্যতিক্ৰম কৰি ৰখা এনেবোৰ লোকক একাউণ্টেণ্ট জেনেৰেলৰ অফিচৰ পৰা বিধি-বহিৰ্ভূত হ'লেও দৰ্মহা দিয়াৰ অনুমতি পত্ৰ বিলোৱা কেনেকৈ হয় সেয়াও ৰহস্যজনক বুলি ভাবিবৰ থল আছে। অসম চৰকাৰে এই বিষয়টো ততালিকে বিবেচনা কৰি বিভাগীয় বৰমূৰীয়া আৰু লোকসেৱা আয়োগৰ মাজত সৃষ্টি হোৱা বিৰোধৰ অৱসান ঘটোৱাটো যুগুত বুলি আমি ভাবো।

বৃহস্পতিবাৰ, ৯ নৱেম্বৰ, ১৯৬৭ চন

# আত্মগোপনকাৰী নগা দল

আত্মগোপনকাৰী নগা দলৰ মাজত যে এটা ডাঙৰ মতভেদৰ সৃষ্টি হৈছে, শ্ৰীকুঘাটো সুখাইৰ ("প্ৰধানমন্ত্ৰী") পদত্যাগৰ পাচৰ পৰাই অনুমান কৰিব পৰা গৈছিল। বেপ্টিষ্ট চাৰ্চৰ পক্ষৰ পৰা অহা ১৬ নৱেম্বৰত কহিমাত আহ্বান কৰা সৰ্বদলীয় নগা অভিৱৰ্তনত আত্মগোপনকাৰী নগা সৈন্য বাহিনীৰ মুখ্য অধিনায়ক 'জেনেৰেল' মুইও আৰু তেওঁৰ সহকাৰী জেহেটোৱে যোগ দিবলৈ ইচ্ছা প্ৰকাশ কৰাৰ পাচত এই মতভেদৰ পৰিষ্কাৰ আভাস পোৱা গৈছে। আত্মগোপনকাৰী নগা চৰকাৰৰ পূৰ্ণ কৰ্তৃত্ব গ্ৰহণ কৰা 'প্ৰেছিডেণ্ট" শ্ৰীমাহেছিউৱে এই অভিৱৰ্তনত যোগ নিদিবলৈ নগাসকলৰ প্ৰতি আহ্বান জনাইছিল। এই সেনানায়ক দুজনে বেপ্টিষ্ট চাৰ্চৰ অভিৱৰ্তনত যোগ দিবলৈ সিদ্ধান্ত লোৱাৰ পৰা ধাৰণা কৰিব পাৰি যে আত্মগোপনকাৰী নগাৰ সৈন্য বাহিনীয়ে নগা সমস্যাটো আলোচনাৰ মাজেদি সমাধান হোৱাটোকে বাঞ্ছা কৰিছে। এই অৱস্থাত শ্ৰীমাহেছিউৰ দলে কি কাৰ্যপন্থা আৰু মনোভাৱ গ্ৰহণ কৰে সিয়ে লক্ষ্য কৰিবলগীয়া বিষয় হৈ পৰিছে।

নগা আত্মগোপনকাৰী দলৰ মাজত মতবাদৰ প্ৰশ্ন উঠিছে নেকি? চীনৰ সাহায্য ল'বলৈ ওলোৱাৰ পাচত নগাসকলৰ স্বাধীনতাৰ পাচত নগাসকলৰ স্বাধীনতাৰ দাবী সমৰ্থন কৰা পাশ্চাত্য ভাবধাৰাই প্ৰতিক্ৰিয়া কৰা বুলি ধাৰণা কৰাৰ থল ওলাইছে। ইতিমধ্যে দুজন নগা নেতা পূব পাকিস্তানৰ পৰা চীনলৈ যোৱা বুলি সন্দেহ কৰা হৈছে। তাত শ্ৰীকুঘাটো সুখাইৰ মন্ত্ৰীসভাৰ বৈদেশিক মন্ত্ৰীজনো আছে বুলি কোৱা হৈছে। চীনৰ নেতৃবৰ্গই যদি নগাসকলৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছে তেন্তে তাকে দিবলৈকে এই নেতা দুজন চীনলৈ গৈছে নেকি?

এই আটাইবোৰ কথা অনুধ্যানৰ বিষয় হ'লেও ভাৰত চৰকাৰে মনত ৰাখিব লাগিব যে চীনা নেতা দলে ভাৰত ভূমিত বিশৃংখলাৰ সৃষ্টি কৰিব পৰা সুযোগ এটা সহজে এৰি নিদিয়ে। আত্মগোপনকাৰী দলেও উত্তেজনাৰ মুহূৰ্তত চীনৰ সাহায্য ল'বলৈ স্থিৰ কৰা অস্বাভাৱিক নহয়। শ্ৰীমাহেছিউ বা আত্মগোপনকাৰী সেনানায়ক দুজনৰ কাৰ্যকলাপেই পৰিস্থিতিৰ সম্পূৰ্ণ বুজ দিব নোৱাৰে। নগা স্বাধীনতা আন্দোলনৰ মস্তিষ্ক যন্ত্ৰ লণ্ডনতহে আছে। সেই কাৰণেই যিকোনো অৱস্থাত এই স্বনিৰ্বাসিত নেতাজনৰ পৰামৰ্শ আত্মগোপনকাৰী দলে লৈ থকা দেখা গৈছে। ৰাষ্ট্ৰসংঘত নগা সমস্যা উত্থাপন কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিলে ফিজোৱে চীনৰ কাষ চপাই উচিত বুলি স্থিৰ কৰাও আচৰিত কথা নহ'ব। ভাৰত চৰকাৰে এইবোৰ পটভূমিৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা গ্ৰহণ কৰিব বুলিয়েই আশা কৰা হৈছে।

## পশ্চিমবংগ

পশ্চিমবংগৰ সংযুক্ত মৰ্চা চৰকাৰৰ পৰা খাদ্যমন্ত্ৰী ডাঃ প্ৰফুল্ল ঘোষ আৰু তেওঁৰ সমৰ্থক আন ১৭ জন সদস্যই মৰ্চা ত্যাগ কৰাৰ পাচত মন্ত্ৰীসভা সংকটৰ সন্মুখীন হৈছে। এই সংকট অৱসানৰ বাবে সংযুক্ত মৰ্চাই প্ৰচেষ্টা চলাই আছে। পশ্চিমবংগৰ ৰাজ্যপালৰ ওচৰত ডাঃ ঘোষ আৰু বিৰোধী কংগ্ৰেছ দলে সংযুক্ত মৰ্চা বিধানসভাত সংখ্যালঘিষ্ঠ দলত পৰিণত হৈছে বুলি দাবী জনাইছে যদিও সংযুক্ত মৰ্চা চৰকাৰৰ মুখ্যমন্ত্ৰী শ্ৰীঅজয় কুমাৰ

মুখাৰ্জীয়ে সেই কথা স্বীকাৰ কৰিব খোজা নাই। শ্ৰীমুখাৰ্জীৰ মন্ত্ৰীসভাই অহা ১৮ ডিচেম্বৰত বিধানসভাৰ অধিৱেশন আহ্বান কৰিবলৈ ৰাজ্যপালক পৰামৰ্শ দিছে। বিৰোধী দলৰ দাবীৰ সমুখত ৰাজ্যপালে কি ব্যৱস্থা গ্ৰহণ কৰে তাক এতিয়ালৈকে জানিব পৰা হোৱা নাই। সংযুক্ত মৰ্চা চৰকাৰে বিধানসভাতে বিৰোধী দলৰ সৈতে শক্তিৰ পৰীক্ষা দিবলৈ স্থিৰ কৰিছে।

কিন্তু ইতিমধ্যে পশ্চিমবংগত ব্যাপক আলোড়নৰ সৃষ্টি হৈছে। শ্ৰীহুমায়ুন কবীৰৰ দৰে লোকে পশ্চিমবংগৰ বৰ্তমান চৰকাৰ ভাঙি দি অনতিবিলম্বে ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিবলৈ আৰু তাৰ পাচত মধ্যকালীন নিৰ্বাচন পাতিবলৈ দাবী তুলিছে। কংগ্ৰেছ দলে ডাঃ পি চি ঘোষক লৈ বিকল্প মন্ত্ৰীসভা গঠনৰ কাৰণে প্ৰস্তুত হৈছে।

পশ্চিমবংগত আইন-শৃংখলাৰ অৱনতিৰ কাৰণেই সংযুক্ত মৰ্চা চৰকাৰক ঘাইকৈ দায়ী কৰা হৈছে। এই চৰকাৰে দুৰ্নীতি দূৰীকৰণ, নিবনুৱা সমস্যা আৰু খাদ্য সমস্যা সমাধান কৰিবলৈ অক্ষম হোৱা বাবেও দোষাৰোপ কৰা হৈছে। কিন্তু এইবিলাক সমস্যা সংযুক্ত মৰ্চা চৰকাৰৰ আঠমহীয়া কাৰ্যকালতে সমাধান হ'ব বুলি আশা কৰাৰো কোনো যুক্তি থাকিব নোৱাৰে। পশ্চিমবংগত আইন-শৃংখলাৰ সংকট একেবাৰে নতুন কথা নহয়। অৱশ্যে সংযুক্ত মৰ্চাৰ অংশীদাৰ মাৰ্ক্সবাদী কমিউনিষ্ট দলে মৰ্চাৰ স্বাৰ্থৰ বিৰুদ্ধে কৰা কিছুমান অপৰিণামদৰ্শী কাৰ্যত গৰিহণা দিব লাগিব। সেয়ে হ'লেও সংযুক্ত মৰ্চা চৰকাৰক আঁতৰ কৰিবলৈ ষড়যন্ত্ৰমূলক কাৰ্যকলাপ চলোৱাটো নিন্দনীয় কাৰ্য। পশ্চিমবংগ বিধানসভাৰ কংগ্ৰেছ দলৰ চীফ হুইপ শ্ৰীজগন্নাথ কোলেই পদত্যাগ কৰি দিয়া বিবৃতি এই প্ৰসংগত প্ৰণিধানযোগ্য।

পশ্চিমবংগত সংযুক্ত মৰ্চা চৰকাৰৰ পতন ঘটোৱাটো বৰ্তমান অৱস্থাত আপেক্ষিকভাৱে সহজ হ'লেও, তাত আইন-শৃংখলা ৰক্ষা আৰু অন্যান্য সমস্যা সমাধান কৰা যে সহজ নহয় তাক সংযুক্ত মৰ্চাৰ বিৰোধী পক্ষবোৰে স্বীকাৰ কৰা উচিত হ'ব।

## যুৱ দলৰ অনুশাসনৰ প্ৰশ্ন

উপ-ৰাষ্ট্ৰপতি শ্ৰীগিৰিৰ মতে ছাত্ৰৰ মাজত অনুশাসনহীনতা অকল ভাৰতৰ ক্ষেত্ৰতে বিশেষভাৱে পৰিলক্ষিত হোৱা বুলি ক'ব নোৱাৰি, ই সমগ্ৰ বিশ্বত এই দশকৰ সংকটৰ অংশ বিশেষ হৈ পৰিছে। শ্ৰীগিৰিৰ পৰ্যবেক্ষণত ভুল হোৱা নাই। ভাৰতৰ ছাত্ৰ দলে ডিগ্ৰী লাভৰ পাচত নিয়োগৰ অনিশ্চয়তা, শিক্ষালয়ত আৱশ্যকীয় সুযোগ-সুবিধাৰ অভাৱ, শিক্ষাদান আৰু শিক্ষাৰ ত্ৰুটি, ৰাজনৈতিক দলসমূহৰ প্ৰলোভন, ভুল নেতৃত্ব আৰু সামাজিক দুৰ্ব্যৱস্থাৰ কাৰণে উত্যক্ত হৈ অনুশাসন মানিব নোখোজা হৈছে বুলি ধৰি ল'লেও প্ৰাচ্য আৰু পাশ্চাত্যৰ উন্নত দেশবোৰত এনেবোৰ সমস্যা ব্যাপক আৰু গুৰুতৰ নোহোৱা সত্ত্বেও যুৱক আৰু কিশোৰ দলৰ মাজত অনুশাসনহীনতাই কিয় ঠাই পাইছে তাক চিন্তা কৰিব লগা হৈছে। প্ৰাচুৰ্যপূৰ্ণ আমেৰিকাত ছাত্ৰ দলৰ মাজত 'হিপি'ৰ প্ৰাধান্য বিস্তাৰ হৈছে ; শিষ্টাচাৰ আৰু গাম্ভীৰ্যত অগ্ৰণী বৃটেইনৰ যুৱক আৰু কিশোৰ দলৰ মাজত 'অস্থিৰতা' প্ৰকাশিত হৈছে ; অনুশাসন আৰু আদৰ্শবাদত দৃঢ়তা প্ৰদৰ্শন কৰা ছোভিয়েট যুৱক দলৰ মাজত পাশ্চাত্যৰ লঘু সংগীত আৰু উদ্দেশ্যহীন আচৰণৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। এইবোৰ দেশত শিক্ষা, নিয়োগ ; ৰাজনৈতিক দল লৈ সমস্যাৰ সৃষ্টি হোৱা নাই। তথাপি ছাত্ৰ আৰু যুৱক দলৰ মাজত এক অস্থিৰতাই দেখা দিছে। এই অস্থিৰতাক শ্ৰীভি ভি গিৰিয়ে যুগৰ সংকট বুলি অভিহিত কৰিব খুজিছে যদি ইয়াৰ পৰিণতি কি হ'ব পাৰে,

সেই সম্পৰ্কে অভিজ্ঞ আৰু চিন্তাশীলসকলে ভাবি চোৱাও দৰকাৰ হৈ পৰিছে।

উপ-ৰাষ্ট্ৰপতিয়ে পৰামৰ্শ দিছে যে যুৱ দলক পোনে পোনেই গৰিহণা দিয়া উচিত নহয়। এই পৰামৰ্শ মানি লোৱাত কোনেও আপত্তি কৰাও উচিত নহয়। যুৱ শক্তিৰ প্ৰতিভা আৰু মূল্য কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু প্ৰশ্ন হৈছে শিক্ষাৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিলেই আমাৰ যুৱ দলৰ মাজত, কিশোৰসকলৰ মাজত বৰ্তমানৰ অস্বাভাৱিককতাৰ অৱসান ঘটিব বুলি আশা কৰিব পাৰিনে? আমাৰ উঠি অহা শ্ৰেণীটোৰ সাজ-পাৰ, চিন্তাধাৰা, কথা-বতৰা, আচৰণ ইতিমধ্যে প্ৰাপ্তবয়স্কসকলৰ পৰা অস্বাভাৱিকভাৱে পৃথক হৈ পৰিছে। এই পাৰ্থক্যই হয়তো তেওঁলোকক আনবিলাক মানুহ আৰু পৰিৱেশহে অস্বাভাৱিক বুলি ধৰি ল'বলৈ প্ৰেৰণা যোগাইছে। এনে অৱস্থাত যুৱ দলক কাৰ্যকলাপ আৰু চিন্তাধাৰাৰ সংগতিপূৰ্ণ দিশ এটাৰ সন্ধান দিলেহে তেওঁলোকৰ কল্যাণ কামনা কৰা হ'ব বুলি ধাৰণা হয়।

## এখন ৰচনা লিখা

এইচ জি ওৱেলছ নাইবা জৰ্জ ওৱৰেলৰ দৰে অসমীয়া ভাষাতো কাচিৎ দুই-এটা ভৱিষ্যৎ কালৰ কাহিনী ওলোৱা দেখা যায়। ২০০৫ চন মানত যদি স্কুলীয়া ছাত্ৰ এজনক "অৰ্দ্ধ শতিকাৰ আগৰ সমাজৰ অৱস্থা" সম্বন্ধে এখন ৰচনা লিখিবলৈ দিয়াৰ কথা কল্পনা কৰা যায় তেন্তে তেওঁ কি লিখিব? বোধহয় তেওঁৰ ৰচনাখন মোটামুটিভাৱে এনে ধৰণৰ হ'ব ঃ "প্ৰকৃতিৰ বিৰুদ্ধে কৰা অক্ষয় সংগ্ৰামত তেতিয়াৰ মানুহে ইমান উৎকৰ্ষ সাধন কৰিছিল যে উৎপাদনৰ স্বল্পতা সত্বেও তেওঁলোকে কোনো অসুবিধা পোৱা নাছিল। কাৰণ প্ৰধান আহাৰ্য তণ্ডুলক টেক্‌নিকালাৰ কৰি তাৰ আকৰ্ষণ বঢ়োৱাৰ উপৰি প্ৰচুৰ প্ৰস্তৰখণ্ড সংমিশ্ৰণ কৰি তাৰ ওজন বঢ়াই লৈছিল। তদুপৰি উগ্ৰ কালচাৰেল ৰিভলিউচন কৰিও গো-জাতিৰ উন্নতি সাধিবলৈ অপৰাগ হৈ গাখীৰৰ অভাৱ পূৰাবৰ কাৰণে একো লিটাৰ পানীত দুফোটামান খিৰোৱা গাখীৰ নাইবা একোগ্ৰাম আমেৰিকাৰ পৰা বিনামূল্যে পোৱা পাউদাৰ পেলাই দি কাম চলাই দিছিল। তেতিয়াৰ মানুহে এনে এক কৌশলেৰে জীৱ-জন্তুক শিক্ষা দিছিল যে আৱশ্যকবোধে আমিষভোজী, নিৰামিষ আৰু ভাইচ-ভাৰচা হৈছিল— কামাখ্যা নামক পাহাৰলৈ উঠি গৈ গৰুবোৰে পাৰ চৰাই ধৰি ধৰি খাইছিল। কেৰ্কেটুৱাই কুমলীয়া তামোলৰ সলনি চৰাই-চিৰিকটিও ধৰিছিল আৰু চৰাই-চিৰিকটিয়েও শস্য এৰি মৎস্যতহে অধিক মনোনিৱেশ কৰিছিল।" ইত্যাদি। (ভাষা কঠিন হৈছে বুলি কোনোবাই ক'ব পাৰে। কিন্তু সেইটো কণ্ঠলংগুটিৰ শাৰীৰ সংস্কৃতীয়া হিন্দীৰ প্ৰভাৱ হ'ব পাৰে বুলি কল্পনা কৰা হৈছে।) হাক্সলীয়ে তেওঁৰ ভৱিষ্যৎ কালৰ কাহিনীত এখন "ব্ৰেভ নিউ ৱৰ্ল্ড" কল্পনা কৰাৰ দৰে উক্ত ল'ৰাহঁতে ৰচনাখনত আলোচ্য সমাজখনকো "এখন সাহসী পুৰণি জগত" আখ্যা দিয়ে নে নিদিয়ে কোৱা টান। কাৰণ তেতিয়ামানলৈ ভাৰতৰ অন্ততঃ উত্তৰ আৰু পূব অঞ্চলত ইংৰাজী উঠিয়েই যাব পাৰে (যদিহে ইতিমধ্যে জুলফিকাৰ আলী ভুট্টোৱে অসম দখল নকৰে) আৰু দক্ষিণত ইংৰাজী চলি থকা অৱস্থাত সাহিত্য অনুবাদ কৰিবলৈ কেন্দ্ৰই নিশ্চয় প্ৰান্তীয় ভাষাবোৰক ধন নিদিয়ে। উক্ত প্ৰশ্নটোৰ কল্পনা সৰ্বভাৰতীয় স্তৰৰ কাৰণে কৰা হৈছে। অসমৰ ল'ৰা-ছোৱালীয়ে কি ভাষাত লিখিব সেইটো কোৱা টান। কাৰণ বৰ্তমান ভাষা আইন পাছ হৈ যোৱা সত্বেও অসমীয়া ভাষাৰ প্ৰয়োগ বৰ ঠেক হৈ আছে— কাছাৰলৈ যাবলৈ টান, পাহাৰলৈ উঠা দুৰূহ আনকি আদালত পতা বৰ বৰ পকীঘৰত সোমোৱাতো বাধা। তদুপৰি সম্প্ৰতি ৰৈ ৰৈ আহি থকা পুনৰ্গঠন ভূমিকম্পৰ পিচত ধ্বংসলীলা মুঠে-মাঠে কি

হয়গৈ তাক দেখিলেহে ক'ব পৰা যাব "চনিবাৰে চনিবাৰে চদাই জ্বৰ উঠা" ল'ৰাৰ বংশধৰসকলৰ আকৌ "চুকুৰবাৰে চুকুৰবাৰেও, চোমবাৰে চোমবাৰেও চৰ্দি লাগিবলৈ" আৰম্ভ কৰিছে— প্ৰতিকাৰাৰ্থে নীৰদ চি চৌধুৰীৰ লেখীয়া বেজে সিহঁতক জৰা-ফুকা কৰিছে (আনকি কামাখ্যা আৰু মায়ঙতো) আৰু প্ৰতিবাদকল্পে অসম সাহিত্য সভাৰ মৰকামোৰ নেৰা এমুঠি কাঃ নিঃ সভ্যই অনশন আৰম্ভ কৰিছে।

মঙ্গলবাৰ, ১৪ নৱেম্বৰ, ১৯৬৭ চন

## শিশু দিৱস কেলৈ ?

বছৰি এই দিনটো আহে ;— এই দিনাই পৃথিৱীত এটি মহৎ শিশু ওপজিছিল। কালক্ৰমত এই মহৎ শিশুৱে নিজৰ পৰিয়াল, নিজৰ দেশ আনকি গোটেই বিশ্বজুৰি এটি নতুন আশাৰ ৰেঙণি বিৰিঙাই তুলিছিল। লক্ষ লক্ষ শিশুৱে তেওঁক শেষ দিনলৈকে নিজৰ খেলৰ লগৰীৰূপে ধৰি লৈছিল। শিশুপ্ৰেমী, সেই মানৱ শিশু আজি নাই, কালৰ দেওনাত উধাই অসীমত ক'ৰবাত মিলি গ'ল। কিন্তু আজিও, দেশৰ লক্ষ লক্ষ লোকে সেইগৰাকী লোকক বছৰৰ এটা দিনত বিচাৰি পায় আন প্ৰতিটো শিশুৰ মাজত। নেহৰু খুড়াৰ নামে প্ৰাণচঞ্চল কৰা আজিৰ শিশুজাকো এদিন ডাঙৰ হ'ব, তেওঁলোকেও তেওঁলোকৰ আদৰ্শৰ নেহৰু খুড়াৰ দৰে হ'বলৈ বাট ল'ব লাগিব। তাৰ বাবেই আৱশ্যক সামগ্ৰিকভাৱে শিশু কল্যাণৰ ব্যৱস্থাৰ। প্ৰতি বছৰে এই দিৱসে জাতিৰ নেতৃ আৰু পিতৃ স্থানীয়সকলক এই দায়িত্বৰ কথাকে সোঁৱৰাই দিয়ে। এই দিনটোৰ বিশেষত্ব এইখিনিতে। কিন্তু আত্মবিশ্লেষণ কৰি আমি চাব লাগিব, সঁচাকৈয়ে জানো আমি শিশুসকলক প্ৰাণেৰে ভাল পাওঁ ? পাওঁ হয়তো নিশ্চয়। কিন্তু ভাল পোৱাতেই ভালপোৱাৰ সামৰণি নহয় ; প্ৰতিটো শিশুৰ মাজতে নিহিত সম্ভাব্য একোজন মহৎ লোকক নিজস্ব গঢ় ল'বলৈ যদি এটা আৱশ্যকীয় পৰিৱেশেই কৰি দিব নোৱাৰিলো, তেনেহ'লে অকল অনুভূতি-আৱেগেৰে উথলি উঠিলেই হ'বনে ? আজি আমি দেশৰ প্ৰতিটো শিশুক উপযুক্ত আহাৰ দিব পাৰিছোনে ? বৰ্তমানে দুৰ্নীতিপৰায়ণ সমাজত শিশুৰ খাদ্যও ভেজাল কৰি বা লুকুৱাই থৈ অধিক লাভ লোৱা ব্যৱসায়ীসকলক আপুনি কি ক'ব ? তেওঁলোকেও নিশ্চয় শিশুক ভাল পায় ;— কিন্তু প্ৰকৃততে তেওঁলোক শিশুহন্তা। আজি আমি অভাৱ-অনাটনৰ মাজত প্ৰতিটো শিশুক শিক্ষা দিব পৰা নাই ;— সৰল মনৰ ভৱিষ্যৎ নাগৰিকসকলৰ জ্ঞান চকু মোকোলাব পৰা নাই। তাৰ বাবে জানো প্ৰতিজন লোকৰে, প্ৰতিটো চৰকাৰৰে দায়িত্ব নাই? পঢ়াশালিলৈ যোৱা চামেও আধাপেটী হৈ, স্বাস্থ্য সম্পদ হেৰুৱাই দেশৰ ভৱিষ্যতক গঢ় দিব কেনেকৈ ? এতিয়া আকৌ শিশু আৰু চেমনীয়াহঁতক হয় অৱস্থা,— নহয় ন্যস্তস্বাৰ্থই আলিবাটত শোভাযাত্ৰা কৰাবলৈ, আন্দোলন বা অনশন কৰাবলৈও বাধ্য কৰাইছে। এই পৰিপ্ৰেক্ষিতত আমি আজি শিশু দিৱসৰ তাৎপৰ্য বিচাৰ কৰিব লাগিব। বিশ্বত হতাশা, নৈৰাশ্য ; অত্যাচাৰ অনাচাৰে ইমানদূৰ শিপাইছে যে আজি সুসভ্য বুলি গৌৰৱ কৰি আমি নৃশংসভাৱে বোমা পেলাই বাচ-বিচাৰ নকৰাকৈ ঠায়ে ঠায়ে মাক আৰু শিশু উভয়কে হত্যা কৰিছো। আনপিনে প্ৰতিপালন দিব নোৱাৰা অভিভাৱকেও শিশুহঁতক হয় দৈহিকভাৱে নাশ কৰিছে, নাইবা 'যি হয় হওক' বুলি এৰি দি মানসিক বিবেচনাৰে হত্যাকাণ্ডকে সংঘটিত কৰিছে। ভাৰতৰ বৰ্ধিত জনসংখ্যাৰ আঁৰত আজি লাখ লাখ নৱজাতকৰ ভৱিষ্যৎ এন্ধাৰ হৈ উঠিছে।

ফলত দেশৰ ভৱিষ্যৎ আৰু ভয়াৱহ হৈ পৰিছে। এই অৱস্থাত পৰিকল্পিত পৰিয়ালৰ আৱশ্যকতাৰ কথা যিদৰে সততে মনলৈ অহা উচিত ;— ঠিক তেনেদৰে যিসকল শিশু বৰ্তমানে আছে তেওঁলোকৰ বাবে উপযুক্ত আহাৰ যোগান, শিক্ষাদান চিকিৎসা ব্যৱস্থা আদিৰ বিষয়েও অধিক মনোযোগ দিয়া উচিত। বিভিন্ন দেশত প্ৰতিৰক্ষা আৰু মাৰণাস্ত্ৰ নিৰ্মাণৰ বাবে যি প্ৰতিযোগিতা চলিছে,— ঠিক একে উৎসাহৰে যদি সেই অৰ্থ আৰু চেষ্টা শিশু কল্যাণৰ বাবে চলোৱা হ'লহেঁতেন তেনেহ'লে পৃথিৱী এদিন কল্পনাৰ স্বৰ্গ ৰাজ্যত পৰিণত হ'লহেঁতেন। তেনে এটা অসম্ভৱ কল্পনাৰ কথা বাদ দিলেও আমাৰ দেশৰ শিশু কল্যাণ সংস্থা আদিৰ পৰাই আমি আৰু আগ্ৰহ সহকাৰে কৰা সেৱা কাৰ্য বিচাৰো। শিশুসকলৰ খাদ্য আদিৰ যোগান, পঢ়া-শুনাৰ ব্যৱস্থা, আজৰি পৰত খেল-ধেমালিৰ ব্যৱস্থা আদি বিষয়ত এই সীমিত পৰিসৰতে কৰিব পৰা বহু কাম আছে। আমাৰ শিক্ষা অনুষ্ঠানবোৰত চন্তালিব পৰাতকৈ অধিক ছাত্ৰ-ছাত্ৰীক একেলগে পাল মাৰি পাঠ্যপুথি পঢ়াই বা মুখস্থ কৰাই পৰীক্ষা পাছ কৰোৱাই যেন আজিৰ শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য! অথচ এই ল'ৰা-ছোৱালীবোৰে মুকলিভাৱে শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলাপ-আলোচনা কৰাৰ সুবিধা নেপায়, নিজৰ অফুৰন্ত উদ্যম প্ৰকাশৰ বাবে আটায়ে খেলপথাৰৰ সুবিধা নেপায়, ঘৰত এটা সুসম পৰিৱেশ নেপায়। ফলত বেছিভাগ হয় উদণ্ড। আদৰ্শ দেখুৱাওঁতা থাকিলেহে শিশুৱে সজ বাট ল'ব। আজি শিশু দিৱসৰ দিনা, এই দৃষ্টিভংগীৰে এবাৰ ভাবি চাবলৈ আৰু কাৰ্যকৰী পন্থা হাতত ল'বলৈ আমি প্ৰতিজন অভিভাৱককে, প্ৰতিটো শিশু কল্যাণ সংস্থাকে, আৰু প্ৰতিজন দেশ নেতাকে সোঁৱৰাই দিছো।

## সীমান্তত ষড়যন্ত্ৰ

শ্বিলঙত ওচৰা-ওচৰিকৈ দুবাৰ বোমা বিস্ফোৰণ ঘটা আৰু সেই ঘটনাৰ পম খেদি বহুতো মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা কথাটো বিশেষভাৱে চিন্তনীয় বিষয়। বিদ্ৰোহী নগাৰ কাৰ্যকলাপৰ পৰা আৰম্ভ কৰি মিজো জিলাৰ পৰিস্থিতি আৰু শেষত ৰাজ্যৰ ৰাজধানীতেই আতংক সৃষ্টিৰ চেষ্টালৈ লক্ষ্য কৰিলে এই কথা প্ৰতীয়মান হয় যে ৰাষ্ট্ৰৰ ভিতৰৰ এচাম লোকক উচটাই বিদেশী শত্ৰুৰাজ্যই এই সীমান্তত সততে অশান্তি জীয়াই ৰখাৰ ষড়যন্ত্ৰ চলাই আছে। পৰিকল্পিতভাৱে দীঘলীয়া আঁচনিৰে অসম ; নগালেণ্ড ; নেফা ; মণিপুৰ অঞ্চল আদি কৰায়ত্ত কৰাৰ চেষ্টাও যে ইয়াৰ মাজত নাই, সেই কথা ক'ব নোৱাৰি। অলপতে পূব পাকিস্তানত প্ৰকাশিত আলোচনী এখনত পাকিস্তানৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী জুলফিকাৰ আলী ভুট্টোৱে হেনো খেদ কৰিছে যে অসম তেওঁলোকৰ প্ৰাপ্য আছিল। আনপিনে নগা বিদ্ৰোহী দলক মাৰ্কিন দেশৰ এটা দলে সহানুভূতি দেখুওৱা বা চীনাসকলে অস্ত্ৰৰ যোগান ধৰা আদি বাতৰিও মাজে মাজে ওলাই আছে। এই পৰিপ্ৰেক্ষিতত ভাৰতৰ উত্তৰ-পূব সীমান্ত অঞ্চলত অৱস্থিত এই ৰাজ্যাঞ্চলত প্ৰতিৰক্ষা ব্যৱস্থা আৰু চোৰাংচোৱা ব্যৱস্থা অতিশয় কাৰ্যকৰী কৰাৰ প্ৰশ্ন উঠিছে। বিদেশী গুপ্তচৰ বা অনুপ্ৰৱেশকাৰীৰ ক্ষেত্ৰত চৰকাৰে দৃঢ় নীতি অনুসৰণ কৰাটোও আৱশ্যক হৈ পৰিছে। উপযুক্ত প্ৰতিৰক্ষা ব্যৱস্থাৰ বাবে ভাৰতৰ বাকী অংশৰ লগত স্থলপথেৰে অধিক সুবিধাজনক যোগাযোগ ব্যৱস্থাৰ কথাও এইখিনিতে উঠে। সময়ৰ তৎপৰতা সময় মতে নল'লে, এই ৰাজ্যাঞ্চলত সততে অশান্তি হৈ থাকিব আৰু ফলত সম্পদৰে ভৰা এই অঞ্চল সৰ্ব্বতোভাৱে বঞ্চিত হ'ব। আনহাতে শত্ৰু ৰাজ্যৰ গুপ্তচৰ যাতে অঞ্চলবাসীসকলৰ

মাজত অসংহতিৰ বীজ বিয়পাই তেওঁলোকৰ নিজৰ স্বাৰ্থ পূৰণ কৰাৰ ছল উলিয়াব নোৱাৰে, তাৰ বাবে সমূহ ৰাইজ সন্তম থাকিব লাগিব।

বুধবাৰ, ১৫ নৱেম্বৰ, ১৯৬৭ চন

# নতুন উদ্যোগ স্থাপনৰ আয়োজন

অসমত প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক গেছ পোৱা গৈছে কিন্তু তাৰ সদ্ব্যৱহাৰ এতিয়ালৈকে হোৱা নাই। এইদৰে অথলে যোৱা প্ৰাকৃতিক গেছখিনিৰ ব্যৱহাৰ কৰি আধুনিক যুগৰ যথেষ্ট চাহিদাপূৰ্ণ পেট্ৰো-কেমিকেল উদ্যোগ প্ৰতিষ্ঠা কৰাৰ সুযোগ অসমত বহুত দিনৰ আগৰ পৰাই ওলাইছে। এই সুযোগ ব্যৱহাৰ কৰিবলৈ বৰ্তমান যি আয়োজন চলোৱা হৈছে সেয়ে অসমৰ লোকক স্বাভাৱিকতে আনন্দ দিব।

অলপতে জাপান ভ্ৰমণ কৰি অহা অসমৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই প্ৰকাশ কৰিছে যে অসমত এটা 'পেট্ৰো-কেমিকেল' উদ্যোগ আৰু এটা কাগজৰ 'পাল্প' কাৰখানা প্ৰতিষ্ঠা কৰিবৰ বাবে ২২ কোটি টকাৰ ঋণ দিবলৈ জাপানী পৰামৰ্শকাৰী ইন্‌ষ্টিটিউট সন্মত হৈছে। জাপানৰ এই প্ৰতিষ্ঠানটোৱে অসমৰ সম্পদৰ বুজ লৈ উদ্যোগৰ ভৱিষ্যৎ সম্পৰ্কে আশ্বস্ত হোৱাৰ পাচতহে যে ঋণ দানৰ সন্মতি দিছে তাত সন্দেহ নাই।

উদ্যোগ মন্ত্ৰীয়ে প্ৰকাশ কৰা মতে পেট্ৰো-কেমিকেল উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ১৪ কোটি আৰু কাগজৰ 'পাল্প' কাৰখানাৰ বাবে ২০ কোটি টকা ব্যয় হ'ব। ইয়াৰে ৮ কোটি টকা পেট্ৰোকেমিকেল উদ্যোগৰ বাবে আৰু ১৪ কোটি টকা কাগজৰ কাৰখানাৰ বাবে জাপানী মুদ্ৰাৰ ঋণ স্বৰূপে পোৱা যাব। ইয়াৰেই দুয়োটা উদ্যোগৰ কাৰণে আৱশ্যকীয় বৈদেশিক যন্ত্ৰপাতি ক্ৰয় কৰিব পৰা যাব। কিন্তু এই উদ্যোগ প্ৰতিষ্ঠাৰ প্ৰশ্নটো নিৰ্ভৰ কৰিছে ভাৰত চৰকাৰৰ ওপৰত। ভাৰত চৰকাৰে যদি জাপানী মুদ্ৰাৰ ঋণ এই দুটা উদ্যোগত ব্যয় কৰিবলৈ অনুমতি দিয়ে তেনেহ'লেহে উদ্যোগ স্থাপন সম্ভৱপৰ হ'ব, বৈদেশিক বিনিময়ৰ বাহিৰেও দুয়োটা উদ্যোগৰ কাৰণে ১২ কোটি টকা ব্যয় হ'ব। ভাৰত চৰকাৰে সন্মতি দিলে অহা বছৰৰ পৰাই উদ্যোগৰ প্ৰাৰম্ভিক কাৰ্য আৰম্ভ কৰা হ'ব বুলি উদ্যোগ মন্ত্ৰী শ্ৰীশৰ্মাই জনাইছে।

ভাৰত চৰকাৰে অসমত এই দুটা উদ্যোগেই নহয় আৰু কেইবাটাও উদ্যোগ চৰকাৰী খণ্ডত প্ৰতিষ্ঠা কৰি আঞ্চলিক অৰ্থনৈতিক বৈষম্য দূৰ কৰিবলৈ বহুত আগতে কাৰ্যপন্থা হাতত লোৱা উচিত আছিল। কিন্তু সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰ আৰু পৰিকল্পনা ৰচনাকাৰী কোনেও মনোযোগ দিয়া দেখা নাযায়। তাৰ ফলত অসমৰ প্ৰাকৃতিক সম্পদ অব্যৱহৃত হৈ পৰি আছে, নাইবা তেনে সম্পদৰ অপচয় ঘটিছে। অসমক অৰ্থনৈতিক পিচপৰা অৱস্থাৰ পৰা মুক্ত কৰিবলৈ অকল কৃষিৰ উন্নতি সাধনৰ পৰামৰ্শ দিলেই যথেষ্ট নহয়। এই অঞ্চলৰ ঔদ্যোগিক উন্নয়নৰ প্ৰতিও গভীৰভাৱে মনোনিৱেশ কৰিব লাগিব। ঔদ্যোগিক উন্নয়নৰ কাৰণে বেচৰকাৰী খণ্ডত ক্ষুদ্ৰায়তন আৰু কুটীৰ উদ্যোগ স্থাপন কৰিবলৈ ল'লেও এইখন ৰাজ্যৰ বাবে সুবিচাৰ কৰা নহয়। ইয়াত চৰকাৰী খণ্ডত বৃহৎ উদ্যোগ প্ৰতিষ্ঠাৰ সুযোগ সুবিধা আছে আৰু সেইবোৰ সুযোগ-সুবিধাৰ পূৰ্ণ ব্যৱহাৰ হ'ব লাগে ; তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৱশ্যকীয় সাহায্য আগবঢ়াব লাগে। সেয়ে হ'লেহে এই ৰাজ্যৰ জনসাধাৰণে অৰ্থনৈতিক

ক্ষেত্ৰত আন ৰাজ্যৰ লোকসকলৰ দৰে আগবাঢ়ি যাব পাৰিব। আমি আশা কৰিছো কেন্দ্ৰীয় চৰকাৰে জাপানৰপৰা পাবপৰা ঋণৰ ২২ কোটি টকা এইবাৰ অসমৰ ঔদ্যোগিক ঋণৰ বাবে ব্যয় কৰিবলৈ ইতস্ততঃ নকৰিব।

এই উদ্যোগ দুটাৰ স্থান কেঁচা মাল পোৱা ঠাইৰ ওচৰতে হোৱাই বাঞ্ছনীয়। উদ্যোগৰ স্থান নিৰ্ধাৰণৰ প্ৰশ্নটো বিশেষজ্ঞসকলৰ বিবেচনাৰ বিষয়। সেই কাৰণে এনে প্ৰশ্নত অন্য পক্ষই প্ৰভাৱ বিস্তাৰ কৰিবলৈ যোৱাটো যুক্তিসংগত নহয়। আমাৰ দেশত চৰকাৰী খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠাৰ বেলিকা স্থান নিৰ্ধাৰণৰ প্ৰশ্নত বিশেষজ্ঞৰ অভিমতৰ প্ৰতি গুৰুত্ব নিদি, ৰাজনৈতিক বা আঞ্চলিক দৃষ্টিভংগীৰ প্ৰাধান্য দিয়া এটা পৰম্পৰা আছে। অসমৰ প্ৰস্তাৱিত উদ্যোগৰ ক্ষেত্ৰত এনে অযুক্তিকৰ দৃষ্টিভংগীয়ে ঠাই পোৱা উচিত নহ'ব। ৰাজ্যিক চৰকাৰে বৰ্তমান অসমৰ ঔদ্যোগিকৰণৰ বাবে এটা প্ৰচেষ্টা চলোৱা দেখা গৈছে আৰু সেই প্ৰচেষ্টাৰ জৰিয়তে যথাস্থানত উদ্যোগ গঢ়ি উঠিলেই ৰাজ্যৰ লোকসকল সুখী হ'ব।

## সঞ্চয় পযেক

যোৱা ১৪ নৱেম্বৰৰ পৰা ৰাষ্ট্ৰীয় সঞ্চয় পযেক আৰম্ভ কৰা হৈছে। জনসাধাৰণক সঞ্চয়ৰ আৱশ্যকতা সম্পৰ্কে সচেতন কৰোৱাই এনে পযেক পালনৰ মুখ্য উদ্দেশ্য। মূলধনৰ অভাৱ আৰু মুদ্ৰাস্ফীতিজনিত প্ৰক্ৰিয়া চলি থকা অৰ্থনীতিত সঞ্চয়ৰ প্ৰয়োজনীয়তা সম্পৰ্কে নতুনকৈ আলোচনা কৰাৰ প্ৰয়োজন নাই। যিকোনো প্ৰকাৰৰ সঞ্চয়েই মূলধন গঠন আৰু মুদ্ৰাস্ফীতি ৰোধত সহায় কৰিব পাৰে। সেই কাৰণে যোৱা তিনিটা পাঁচ বছৰীয়া পৰিকল্পনাত সঞ্চয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। অৱশ্যে নিৰ্ধাৰিত লক্ষ্য মতে সংগৃহীত ক্ষুদ্ৰ সঞ্চয়ে আমাৰ পৰিকল্পনাৰ বাবে কিমান বৰঙণি যোগাব পাৰিলে সি বেলেগ কথা।

পৰিকল্পনাৰ বিভিন্ন আঁচনি কাৰ্যকৰী কৰিবৰ বাবে বিদেশৰ পৰা লোৱা ঋণৰ বোজা দেশৰ প্ৰতিজন নাগৰিকৰ ওপৰতে পৰিছে আৰু তাৰ পৰা কোনেও অব্যাহতি পাব নোৱাৰে, যদিও আমি সকলোৱে সেই বিষয়ে সচেতন হোৱা নাই। দেশৰ সম্পদ আৰু মূলধন বিনিয়োগ কৰি সম্পূৰ্ণ কৰা আঁচনিৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ যেনে হয়, বিদেশী ঋণৰ সহায়ত কাৰ্যকৰী কৰা পৰিকল্পনাৰ আঁচনিৰ প্ৰতি যে তেনে আকৰ্ষণ নেথাকে, সেই কথা অভিজ্ঞতাৰ পৰা বুজিব পৰা গৈছে। সঞ্চয় কৰোতে সাময়িকভাৱে যিখিনি ত্যাগ স্বীকাৰ কৰিব লগা হয়, সেয়ে জাতীয় চৰিত্ৰ গঠনতো সহায় কৰে। সেইকাৰণে অৰ্থনৈতিক আৰু সামাজিক উভয় দিশৰ পৰা সঞ্চয়ৰ গুৰুত্ব আছে। মুদ্ৰাস্ফীতি নিয়ন্ত্ৰিত কৰাতো তাকৰীয়া সঞ্চয়েই ভালেখিনি বৰঙণি যোগাব পাৰে। সেয়ে আমাৰ দেশবাসীক সঞ্চয়মুখী কৰা দৰকাৰী কথা হৈ পৰিছে আৰু এনে পযেক উদ্‌যাপনৰ ফলত কম আয়ৰ লোকসকলেও সঞ্চয়ৰ প্ৰেৰণা লাভ কৰিব বুলি আশা কৰা গৈছে।

ক্ষুদ্ৰ সঞ্চয়ৰ অভিযানত অসমে ইতিমধ্যে প্ৰশংসনীয় দৃষ্টান্ত দেখুৱাইছে। এই ৰাজ্যখনে যোৱা তিনিওটা পৰিকল্পনাত নিৰ্ধাৰিত লক্ষ্যতকৈ অধিক পৰিমাণে ক্ষুদ্ৰ সঞ্চয় ব্যৱস্থাৰে সঞ্চয় কৰি কৃতিত্ব অৰ্জন কৰিছে। সেই হিচাপত অসমৰ জনমূৰি ২০ টকাকৈ সঞ্চয় কৰা হৈছে। ই প্ৰকৃততে সন্তোষৰ বিষয়। ক্ষুদ্ৰ সঞ্চয়ৰ শিতানত তৃতীয় পৰিকল্পনাৰ কালছোৱাত অসমত নিৰ্ধাৰিত লক্ষ্য ১৮ কোটি টকাৰ ঠাইত ২১ কোটি ৬৬ লাখ টকা সংগৃহীত হয়। এই ধনৰ দুই তৃতীয়াংশ ৰাজ্যখনে উন্নয়ন ঋণ স্বৰূপে লাভ কৰিছে। ইয়াৰ পৰিমাণ বৃদ্ধি হৈ যোৱাৰ লগে লগে ৰাজ্যৰ উন্নয়নমূলক আঁচনিত অধিক ধন বিনিয়োগ কৰিব পৰা যাব। সমূহীয়াভাৱে এইদৰে সুবিধা পোৱাৰ উপৰিও ব্যক্তি আৰু পৰিয়াল

ক্ষুদ্ৰ সঞ্চয়ৰ পৰা সদায় উপকৃত হৈছে।

ক্ষুদ্ৰ সঞ্চয় অভিযানৰ সফলতা নিৰ্ভৰ কৰে প্ৰচাৰ আৰু সঞ্চয় পৰিৱেশ সৃষ্টিৰ ওপৰত। সঞ্চয়ৰ আৱশ্যকতা সৰ্বসাধাৰণ লোকে হৃদয়ংগম কৰিব পাৰিলে, আৰু নিম্নতম সুযোগখিনি পালে জনসাধাৰণে ভৱিষ্যতৰ কল্যাণৰ কাৰণে সাময়িকভাৱে কিছু ত্যাগ স্বীকাৰ কৰিবলৈ কুণ্ঠিত নহয়। কিন্তু সৰ্বসাধাৰণ লোকক যদি সঞ্চয়ৰ আৱশ্যকতা উপলব্ধি কৰোৱা নহয়, বেংক ডাকঘৰত জমা দিয়াৰ জঞ্জাল দূৰ নহয়, তেন্তে সঞ্চয় আশানুৰূপ হোৱাত কিছু বাধা পৰে। সঞ্চয় পষেকত এইবিলাক বিষয়ৰ প্ৰতি চকু ৰখা হ'ব বুলি আশা কৰা হৈছে।

শুকুৰবাৰ, ১৭ নৱেম্বৰ, ১৯৬৭ চন

## চাঞ্চল্যকৰ

নিজ পক্ষত্যাগী মাৰ্কিন নাগৰিক জন স্মিথে ভাৰতত মাৰ্কিন যুক্তৰাজ্যৰ কেন্দ্ৰীয় গুপ্তচৰ এজেন্সীৰ (চি আই এ) কাৰ্যকলাপ সম্পৰ্কে যি তথ্যৰ সন্ধান দিছে, সি প্ৰকৃততে চাঞ্চল্যকৰ আৰু মাৰাত্মক। মাৰ্কিন যুক্তৰাজ্যৰ এই গুপ্তচৰ প্ৰতিষ্ঠানটোৱে সমগ্ৰ বিশ্বত মাৰ্কিন প্ৰতিপত্তি আৰু কৰ্তৃত্ব বিস্তাৰৰ কাৰণে কেনেদৰে ষড়যন্ত্ৰ চলাই আহিছে তাৰ বিৱৰণ মাৰ্কিন বাতৰি কাকতত আগতেও প্ৰকাশ পাইছে। বিদেশী গুপ্তচৰৰ কাৰ্যকলাপ আচৰিত কথা নহয়। প্ৰত্যেক দেশৰ গুপ্তচৰে আন দেশত কাম চলাই থাকিব পাৰে। কিন্তু মাৰ্কিন চি আই এৰ কাৰ্যকলাপ সেইবিলাকতকৈ যথেষ্ট পৃথক। এই প্ৰতিষ্ঠানটোৱে বিভিন্ন দেশৰ সাৰ্বভৌমত্ব হৰণৰ বাবে প্ৰচেষ্টা চলোৱাৰ উমান পোৱা গৈছে আৰু সেয়েহে ভয়ংকৰ কথা।

ভাৰতত এই গুপ্তচৰ প্ৰতিষ্ঠানটোৱে যথেষ্ট অৰ্থ ব্যয় কৰাৰ অভিযোগ 'নিউয়ৰ্ক টাইমছ'ৰ দৰে বাতৰি কাকতত ইতিমধ্যে প্ৰকাশ পাইছে আৰু সেই সম্পৰ্কত কিছুদিনৰ আগতে দেশত এটা আলোড়নৰো সৃষ্টি হৈছিল। কিন্তু জন স্মিথে স্পষ্টভাৱে কোৱাৰ দৰে ; ভাৰত-পাকিস্তান বৈৰিতা সঞ্জীৱিত কৰি ৰাখিবলৈ এই প্ৰতিষ্ঠানে প্ৰচেষ্টা চলোৱাৰ কথা প্ৰকাশ পোৱা নাছিল। ভাৰতৰ কৃষি আঁচনি ব্যৰ্থ কৰিবলৈ চি আই এ পৰিকল্পিত প্ৰচেষ্টা চলোৱাৰ কথাও সদৰি হোৱা নাছিল। নগা বিদ্ৰোহী দলক লাখ লাখ টকা, অস্ত্ৰ-শস্ত্ৰ আৰু গোপন পৰামৰ্শ দি ভাৰতত বিশৃংখলাৰ সৃষ্টি কৰিবলৈ মাৰ্কিন গুপ্তচৰ প্ৰতিষ্ঠানটোৱে সহায় কৰা কথা স্মিথে স্পষ্টভাৱে উল্লেখ কৰিছে। ভালদৰে পৰ্যালোচনা কৰি চালে স্মিথৰ এই তথ্য-পাতি অসত্য বুলি উলাই কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। ভাৰত আৰু পাকিস্তানৰ মাজত সম্প্ৰীতি গঢ়ি নুঠাৰ মূলতে যে বিদেশী ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে তাক বুজিবলৈ টান নহয়। ভাৰতৰ কৃষি উৎপাদন প্ৰচেষ্টা কাৰ্যকৰী হৈ নুঠা বাবে মাৰ্কিন বিশেষজ্ঞৰূপী চি আই এৰ কৰ্মী এদল দায়ী বুলি কোৱাত বাধা নাই।

আটাইতকৈ ডাঙৰ কথা হৈছে নগা বিদ্ৰোহত এই গুপ্তচৰ প্ৰতিষ্ঠানটোৰ হস্তক্ষেপ। নগা আত্মগোপনকাৰী চি আই এৰ লগত জড়িত থকা বাবেই এটা দলে চীনৰ লগত হলি-গলি কৰিবলৈ লোৱাত তেওঁলোকৰ মাজত বিভেদৰ সৃষ্টি হোৱাৰ বুলি স্পষ্ট ধাৰণা ল'ব পৰা গৈছে।

কিন্তু, ভাৰতত মাৰ্কিন গুপ্তচৰ প্ৰৱেশ কৰিছে কেনেকৈ ? তেওঁলোকে শান্তি বাহিনীৰ পৰা আৰম্ভ কৰি দূতাবাসৰ বিষয়া, কৰ্মচাৰী, বিশেষজ্ঞ, পৰ্যটনকাৰী আদিৰ ৰূপ লৈ আমাৰ দেশত সোমাই আমাৰ নৈতিকতাহীন আৰু দুৰ্বলমনা মানুহ কিছুমানৰ পৰা প্ৰয়োজনীয় তথ্য-পাতি সংগ্ৰহ কৰিব লাগিছে। চি আই এৰ প্ৰভাৱৰ পৰা ভাৰতত কাম কৰা

সকলো বিদেশী মিছনেৰী মুক্ত বুলিও কোনেও দাবী কৰিব নোৱাৰে। অথচ এনেবোৰ ৰূপত আমাৰ মাজত সোমাই মাৰ্কিন গুপ্তচৰ দলে ঐক্য সংহতি বিনষ্ট কৰি দেশখনক বিশৃংখল কৰিবলৈ চেষ্টা চলাই আছে, ভাৰতক মাৰ্কিন অনুগ্ৰহত বৰ্তি থকা পিচপৰা দেশস্বৰূপে ৰখাৰ ষড়যন্ত্ৰ চলাইছে। এই ষড়যন্ত্ৰ আৰু ভয়ংকৰ দুষ্কাৰ্যৰ বিষয়ে আমাৰ চৰকাৰ অৱগত নোহোৱা বা অৱগত হোৱাৰ পাচতো চৰকাৰে তাৰ প্ৰতি মনোযোগ নিদিয়াটো আৰু গুৰুতৰ কথা হৈছে। আমাৰ চৰকাৰে চি আই এৰ কাৰ্যকলাপৰ পৰা দেশখনক মুক্ত কৰিবলৈ একো ব্যৱস্থা ল'ব নোৱাৰেনে?

## ধন সংগ্ৰহ কাৰ্য্য

অসমত এই সপ্তাহৰ পৰা শালি ধান সংগ্ৰহ কাৰ্য্য আৰম্ভ কৰা হৈছে। চৰকাৰী পৰিসংখ্যা মতে এই বছৰ ৰাজ্যত ধানৰ উৎপাদন শতকৰা ১৩ ভাগ বৃদ্ধি হ'ব। চৰকাৰী পৰিসংখ্যাৰ ওপৰত ভিত্তি নকৰিলেও সাধাৰণভাৱে দেখা গৈছে যে এই বছৰ শালি ধানৰ খেতি আগৰ বছৰতকৈ ভাল হৈছে। বৰষুণৰ অভাৱৰ কাৰণে দুই-এঠাইত ধানখেতি বেয়া হ'লেও, এই বছৰ বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগত ব্যাপক খেতি নষ্ট হোৱাৰ বিৱৰণ পোৱা নাই। কিন্তু, খেতিৰ অৱস্থা ভাল হোৱা সত্ত্বেও চৰকাৰে যোৱা বছৰৰ ১ কোটি মোনৰ ঠাইত এই বছৰ ৮৫ লাখ মোন ধানহে সংগ্ৰহ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰিছে। চৰকাৰে এই লক্ষ্য পূৰণ কৰিব পাৰিব বুলি হয়তো বিশ্বাস ৰাখিছে। এই পৰিমাণৰ ধান সংগৃহীত হ'লে অসমৰ চাহিদা পূৰণ কৰিব পৰা যাবনে, নেযায় সেই কথাও চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰোতে বিবেচনা কৰিছে বুলিয়েই আশা কৰা হৈছে। চৰকাৰে এই ৮৫ লাখ মোনৰ পৰাই আপদকালীন ভঁৰাল এটাও গঠন কৰিব পাৰিলে সন্তোষৰ কথা হ'ব। সেয়ে হ'লে ধান চাউলৰ কৃত্ৰিম নাটনি সৃষ্টি কৰি লাভখোৰ আৰু সমাজবিৰোধী ব্যৱসায়ীদলে গ্ৰাহকসকলক শোষণ কৰাত কিছু পৰিমাণে হ'লেও বাধা পাব।

যোৱা বছৰ ধান সংগ্ৰহৰ লক্ষ্য সম্পূৰ্ণ নোহোৱাৰ ভালেমান কাৰণ আছিল। ধান সংগ্ৰহৰ দায়িত্ব কাক দিয়া হ'ব, সেই সম্পৰ্কত সময়মতে সিদ্ধান্ত ল'ব নোৱাৰা বাবে সংগ্ৰহ কাৰ্য যথেষ্ট পলমকৈহে আৰম্ভ কৰা হ'ল। যোৱা বছৰ ধানৰ দাম নিৰ্ধাৰিত কৰা হৈছিল মোনে ১৭ টকা। এই বছৰ সেই দম বঢ়াই ২১ টকা কৰা হৈছে। ইয়াৰ বাহিৰেও উৎপাদনকাৰীৰ 'ব'নাছ' স্বৰূপে প্ৰতি কুইণ্টলত ৫ টকা ৩৫ পইচা দিবলৈ স্থিৰ কৰাত শালি ধানৰ মোনে ২২ টকা ৯০ পইচাকৈ খেতিয়কে পাব পাৰিব। অৱশ্যে ব'নাছ অহা ফেব্ৰুৱাৰী মাহৰ শেষলৈকেহে দিয়া হ'ব। ধানৰ দাম এইদৰে বৃদ্ধি কৰা আৰু আগতীয়াকৈ সংগ্ৰহ কাৰ্য হাতত লোৱা বাবে এইবাৰ সৰহ ধান সংগৃহীত হোৱাৰ আশা আছে। সেই কাৰণে সংগ্ৰহৰ লক্ষ্য যোৱা বছৰৰ দৰে এক কোটি মোন কৰা নহ'ল কিয় বুজা নেযায়।

এইবাৰ এপেক্স মাৰ্কেটিং ছ'চাইটী আৰু ভাৰতীয় খাদ্য নিগমক ধান সংগ্ৰহৰ বাবে আগতীয়াকৈ অঞ্চল সুনিৰ্দিষ্ট কৰি দি শৃংখলাবদ্ধতাৰ কাম কৰা হৈছে। এই দুয়োটা প্ৰতিষ্ঠানে নিজৰ দক্ষতা প্ৰকাশৰ চেষ্টা কৰিলে আশানুৰূপভাৱে ধান সংগ্ৰহ হ'ব বুলি সম্পূৰ্ণ আস্থা ৰাখিব পাৰি। কিন্তু ধানৰ নিৰ্ধাৰিত দামে খেতিয়কসকলক কিমান উৎসাহিত কৰে সেইটো নিশ্চিতভাৱে ক'ব নোৱাৰি। যোৱা দুটা বছৰৰ অভিজ্ঞতাই খেতিয়কসকলক শিকনি দিছে যে ভঁৰালত সৰহ দিন ৰাখিব পাৰিলে ধানৰ মূল্য বেছিকৈ পোৱা যায়। তদুপৰি খেতি চপোৱাৰ ঠিক পাচতেই অসমীয়া খেতিয়কে ধান বেচিবলৈ ইচ্ছা নকৰে। সেই কাৰণে উৎপাদনকাৰীৰ ব'নাছ অন্ততঃ মাৰ্চ

মাহলৈকে দিয়াৰ ব্যৱস্থা ৰখা উচিত আছিল। সেয়ে নোহোৱা বাবে, জাতীয় উৎসৱ ব'হাগৰ বিহুৰ আগত ধান বেচা খেতিয়কসকলে চৰকাৰী সংগ্ৰহ ব্যৱস্থাৰ পৰিৱৰ্তে আন পক্ষক চোৰাংকৈ হ'লেও ধান বেচিবলৈ আগ্ৰহ ৰখাটো অস্বাভাৱিক কথা নহ'ব।

যি হওক, আমি আশা কৰিছোঁ এইবাৰ পুৰণি নাটকৰ অভিনয় নহ'ব আৰু পিচ দুৱাৰেদি ধানৰ বজাৰত সোমোৱা ব্যৱসায়ী দলে চৰকাৰী সংগ্ৰহ প্ৰচেষ্টা ব্যৰ্থ কৰিবলৈ কোনো সুযোগ নেপাব।

দেওবাৰ, ১৯ নৱেম্বৰ, ১৯৬৭ চন

# শ্ৰদ্ধাঞ্জলি

ৰোমাণ্টিক যুগৰ কবি-সাহিত্যিকসকলে এজন এজনকৈ আমাৰ পৰা বিদায় ল'লে। সেই যুগৰ কবি- বিহগী কবি— ৰঘুনাথ চৌধাৰীয়ে এইবাৰ আমাৰ পৰা বিদায় ল'লে। জীৱনৰ প্ৰকৃত লেখ যদি কামেৰেহে ল'ব পাৰি তেন্তে সেই লেখেৰে স্বৰ্গীয় চৌধাৰীয়ে জীৱনক পূৰ্ণাংগভাৱে পূৰ্ণ কৰি গ'ল বুলি সকলোৱে একমুখে ক'ব। দুৰ্ভাগ্যই লগ এৰা নিদিয়া সত্ত্বেও, নিয়তিৰ কোপদৃষ্টিয়ে বাধাগ্ৰস্ত কৰা সত্ত্বেও অকৃত্ৰিম সাধনাক মহামন্ত্ৰৰূপে লোৱা এইজন কৰ্মযোগীয়ে কৰ্মক্ষেত্ৰত প্ৰেৰণাৰ জোনাক বিচাৰি পাইছিল আৰু হেজাৰ-বিজাৰ লোকৰ মনৰ আঁউসীতো পোহৰ বিলাব পাৰিছিল। কোমল জীৱনতে সাহিত্য ক্ষেত্ৰত অৱতীৰ্ণ হৈ আৰু জোনাকী যুগৰ পৰা মহাৰথীৰ গাণ্ডীৱ তুলি লৈ আজীৱন সাহিত্যক্ষেত্ৰত নিজক বিলীন কৰি দিয়া এইজন কবিৰ মোহনীয় সৃষ্টিসমূহ অসমীয়া ভাষা-সাহিত্য থাকে মানে থাকিব।

বিহগী কবি অকল কবিয়েই নাছিল। দেশ আৰু সমাজক বাদ দি প্ৰকৃত সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। সেইদেখি সচেতন মনৰ প্ৰেৰণা লৈ বিহগী কবিয়ে নিজক বিভিন্ন দিশত জড়িত ৰাখিছিল। একালত অসহযোগ আন্দোলনত কাৰাবৰণ কৰা এইজন কবি জীৱনৰ শেষলৈকে ৰাষ্ট্ৰীয় জীৱনৰ লগত জড়িত আছিল— বিভিন্ন ৰাজনৈতিক পৰিস্থিতিৰ আঁত উলিয়াবলৈ, দেশ আৰু দহক সকীয়াই দিবলৈ কোনোকালে যত্নৰ ত্ৰুটি কৰা নাছিল। সেয়েহে সাৰথি হিচাপে বিহগী কবিক বিভিন্ন প্ৰসংগত সকলোৱে বেৰি ধৰিছিলগৈ। প্ৰয়াত চৌধাৰী বিভিন্ন অনুষ্ঠান, সংগঠন আদিৰ লগতো জড়িত আছিল। সাংবাদিক হিচাপেও এইজন কবিয়ে নিজৰ স্মৃতি সিঁচি থৈ গৈছে। বিহগী কবিৰ সম্পাদনা বা সহযোগিতাত প্ৰকাশ পোৱা বিভিন্ন আলোচনী অসমীয়া সাহিত্যৰ যাত্ৰা-পথৰ একোটি মাইলৰ খুঁটি।

অসমৰ এইজন কৃতী সন্তানৰ প্ৰতি অসমে কিমান স্বীকৃতি আগবঢ়ালে তাৰ আলোচনা আজি অপ্ৰাসংগিক হ'ব। অৱশ্যে সাহিত্যিক-পেঞ্চন আগবঢ়োৱা হৈছিল আৰু অসম সাহিত্য সভাৰ যোড়শ অধিৱেশনতো সভাপতিৰ বাব পাইছিল। 'অতুল বৈভৱ' ক'ত বিচাৰি পাব, তাৰ সন্ধান কবিয়ে নিজেই দিছিল আৰু সেইদেখি ৰাইজৰ বা শাসকবৰ্গৰ বৈষয়িক প্ৰতিদান বিচৰাও নাছিল। কিন্তু আজি এইজন কবিৰ মৃত্যুৰ পিচত ৰাইজে (যি ৰাইজকেই কবিয়ে আপোনজন বুলি গণ্য কৰিছিল) আত্মবিশ্লেষণ কৰক— তেওঁৰ অকৃত্ৰিম সাধনাৰ আদৰ্শৰ কণা এটিও বুটলি লোৱাৰ প্ৰস্তুতি দেখুওৱা হৈছে নে নাই। আদৰ্শক জীয়াই ৰখাৰ পাথেয় সেয়ে। আমি বিহগী কবিৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি আগবঢ়াইছো।

# কংগ্ৰেছ সভাপতি

কংগ্ৰেছ সভাপতি পদৰ নিৰ্বাচনে এইবাৰ বিশেষ গুৰুত্ব লাভ কৰিছে। যোৱা সাধাৰণ নিৰ্বাচনৰ পিচত কংগ্ৰেছৰ ভাগ্য যিদৰে ওলোটামুখে ঘূৰিলে, তাৰ মূৰত কংগ্ৰেছৰ শক্তিবৰ্ধনৰ স্বাৰ্থৰ লগতো এই প্ৰসংগটো বিশেষভাৱে জড়িত হৈ পৰিছে। পিচে এইক্ষেত্ৰত এটা কথা ইতিমধ্যে স্পষ্ট হৈ পৰিছে। সকলো প্ৰসংগৰ ক্ষেত্ৰতে কংগ্ৰেছৰ ভিতৰত থকা দ্বন্দ্ব প্ৰতিফলিত হোৱাৰ দৰে কংগ্ৰেছ সভাপতি পদৰ নিৰ্বাচনৰ আগমুহূৰ্ততো এই ভিতৰুৱা প্ৰতিদ্বন্দ্বী শিবিৰবোৰৰ তৎপৰতাইহে গোটেই বিষয়টো আচ্ছন্ন কৰি থৈছে। গণতান্ত্ৰিক পদ্ধতিকে সাৰোগত কৰি লৈয়ো কংগ্ৰেছৰ বিষয়ববীয়া আদিৰ নিৰ্বাচনৰ বেলিকা ভোট গ্ৰহণ কৰাটো অবাঞ্ছনীয় পন্থা হৈ পৰা বুলি ধাৰণা হৈছে— ইয়াৰ প্ৰতি আতংকৰ চকুৰে চোৱাটো দুৰ্বলতাৰ চিনাকিহে। পাকে-প্ৰকাৰে সৰ্বসন্মতিক্ৰমে নিৰ্বাচন সম্পন্ন কৰাৰ প্ৰচেষ্টাই দৰাচলতে শক্তি বৰ্ধন কৰাতকৈ শক্তি ক্ষয়হে কৰিছে। কিয়নো তাকে কৰিবলৈ যাওঁতে জুমে জুমে একোটা সমষ্টি, উপদল গঢ়ি উঠাত সহায় কৰা হৈছে। কংগ্ৰেছৰ ভিতৰতে সোঁ আৰু বাওঁপন্থী বুলি দুটা ভাগ অৱশ্যে আছে। কিন্তু প্ৰকৃততে বিভিন্ন বিষয়ত এই বিভাজনৰ প্ৰভাৱে গতি-পথ নিৰ্ণয় নকৰে। আচলতে গতি-পথ নিৰ্ণয় কৰে— বিভিন্ন সমষ্টি, উপদল আদিয়েহে। সেইবোৰ সমষ্টি কোনো আদৰ্শগত সমষ্টি নহয়— একোটা বিশেষ বিশেষ স্বাৰ্থৰহে গোট। এতিয়া কংগ্ৰেছ সভাপতি কোন হ'ব, সেই কথাও যদি এই সমষ্টিবোৰৰ স্বাৰ্থৰ কঢ়া-আজোৰাইহে নিৰ্ণয় কৰিবলগীয়া হয়, তেন্তে সেয়ে কংগ্ৰেছৰ সমুখত অচিৰে কণ্টক ৰূপেহে থিয় দিব।

মঙ্গলবাৰ, ২১ নৱেম্বৰ, ১৯৬৭ চন

# মদ নিবাৰণ

মদ নিবাৰণ ব্যৱস্থা অধিক সংখ্যক লোকে বিচাৰে নে নিবিচাৰে সেই বিষয়ে গণভোট ল'ব লাগে বুলি উপ-প্ৰধানমন্ত্ৰী শ্ৰীমোৰাৰজী দেশায়ে এখন আলোচনাচক্ৰত মন্তব্য দিয়ে। জনকল্যাণৰ বাবে আইন প্ৰণয়ন কৰা হ'লে, চৰকাৰে তেনে আইন যথাযথভাৱে প্ৰয়োগ কৰিব পাৰিব লাগে। যদি সেয়ে নহৈ, তেনে আইনৰ চেলু লৈ এহাতে যিসকলক সুৰাপানৰ পৰা বিৰত কৰিবলৈ আইন প্ৰণয়ন কৰা হ'ল— তেওঁলোকে লুকাই চুৰকৈ হ'লেও সুৰাপান কৰি থাকেই অথচ এচাম চোৰাং ব্যৱসায়ীক অধিক মুনাফা পাবলৈ এটা অসৎ ব্যৱসায়ৰ পথ মুকলি কৰি দিয়া হয়, তেনেহ'লে তেনে আইনৰ সাৰ্থকতা ক'ত? তেনে আইনৰ বাবে সুৰাপায়ীসকলৰ অধিক ধন খৰচ হৈছে ঠিকেই, স্থানবিশেষে জেল-জৰিমনাও হৈছে ;— কিন্তু সেইসকল লোকে চৰকাৰৰ আইন উলংঘন কৰাৰ বাবে অসৎ পথো ল'বলৈ শিকিছে। আনহাতে 'অনুমতি প্ৰদান'ৰ বিধি থকাত, সেইটো ক্ষেত্ৰতো দুৰ্নীতিয়ে দেখা দিছে। অভাৱ বা স্বভাৱৰ বাবে এচাম চাকৰিয়ালে এই ছেগতে অসৎ উপায়ে ধন ঘটা কথাও মিছা বুলি উৰাই দিব নোৱাৰি। আনহাতে চোৰাং কাৰবাৰীয়ে অবিশ্বাস্য হাৰত লাভ লৈ মদৰ যোগান ধৰিয়েই আছে। সুৰা নিবাৰণ আইন নথকা হ'লে চৰকাৰৰ যি পৰিমাণে অধিক ৰাজহ সংগ্ৰহ হ'লহেঁতেন, তাতকৈ বহু বেছি অৰ্থ অযথা জনসাধাৰণৰ একাংশৰ হাতৰ পৰা এচাম দুৰ্নীতিপৰায়ণ লোকৰ হাতলৈ গৈছে। এনে অৱস্থাত অকাৰ্যকৰী আইন

এখন মাত্ৰ ব্যক্তি বা সমষ্টি বিশেষৰ দ্বাৰা এসময়ত ৰচিত বা অনুমোদিত বুলিয়েই আঁকোৰগোজ হৈ থকাটো জানো উচিত? শ্ৰীদেশায়ে ভবাৰ দৰে যদি ৰাইজৰ অত্যধিক অংশই সুৰা নিবাৰণকে বিচাৰে, তেনেহ'লেচোন 'সামাজিক নিয়ন্ত্ৰণ'ৰ শক্তিয়ে আইনতকৈ অধিক কৃতকাৰ্যতাৰে এই বেয়া অভ্যাসৰ পৰা লোকক আঁতৰাই ৰাখিবই। অথচ আমি দেখিছো, নিবাৰক আইন নথকা কালতকৈ বৰ্তমানে চোৰাংভাৱে সুৰাপানৰ মাত্ৰা বাঢ়িছেহে।

এইদৰে বিবেচনা কৰি চালে, সুৰা নিবাৰণৰ বাবে মত নিৰ্ধাৰণ কৰিবলৈ গণভোট লোৱাৰ দৰে ব্যাপক, ব্যয়বহুল ব্যৱস্থাৰ কাষ চপাৰ যুক্তি আমি মানি ল'ব নোৱাৰো। আনকি শ্ৰীদেশায়ে এই বিষয়ে সংখ্যাগৰিষ্ঠতাৰ সমৰ্থন বিচৰাৰ পৰামৰ্শৰ মাজতো এটা কথা ওলাই পৰিছে যে সুৰা নিবাৰণৰ ব্যৱস্থাৰ পৰা হোৱা চৰকাৰৰ ক্ষতি আৰু সমাজত গঢ় লোৱা আন ধৰণৰ সমস্যাদি সম্পৰ্কে দায়িত্ব মূৰ পাতি ল'বলৈ অকল তেওঁ বা চৰকাৰে দ্বিধাবোধ কৰিছে। টেকচাঁদ কমিচনাৰ ৰিপ'ৰ্ট আৰু বিভিন্ন ৰাজ্যৰ প্ৰকৃত অৱস্থা আদি কথালৈ মন দি,— এসময়ৰ মত এৰি দিব লাগিব বুলি মনত ওপজা ভুৱা আত্মসন্মানবোধ ত্যাগ কৰিবৰ হ'ল। এতিয়া সমুখত দুটা পথ। যদি 'সুৰা নিবাৰণ' কৰোৱা হয়েই, তেন্তে সমগ্ৰ ৰাজ্যত সফলতাৰে সেই আইন সুৰক্ষা নোহোৱাকৈ কাৰ্যকৰী কৰক। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা দিয়া আহুকাল আদিলৈ চাই দ্বিতীয় পথটোহে লোৱাটো উচিত হ'ব ;— সেয়া হ'লে— অকাৰ্যকৰী এই আইন উঠাই লৈ সম্পূৰ্ণভাৱে 'সামাজিক নিয়ন্ত্ৰণ'ৰ ওপৰত আস্থা ৰাখক। কুৰি বছৰৰ স্বাধীনতাৰ পিচত, গণতান্ত্ৰিক দেশৰ নাগৰিকসকলে নিজৰ ব্যক্তিগত আৰু সামাজিক জীৱনবোধ নিজে গঢ়ি ল'ব পৰা হৈছে নিশ্চয়। যি জনসাধাৰণৰ গণভোটৰ সমৰ্থন বিচৰাৰ কথা কোৱা হৈছে, সেই জনসাধাৰণেই 'সামাজিক নিয়ন্ত্ৰণ'ৰ বাঘজৰীডাল ল'ব নোৱাৰিব কেলেই? আনহাতে, এচাম দুৰ্নীতি পৰায়ণৰ হাতলৈ যোৱা ধনখিনিৰ একাংশও যদি চৰকাৰী ভঁৰাললৈ আহে, তাৰে বহু কাম কৰিব পৰা হ'ব। পৰাচিতৰ ধন জানো সমাজে নলয়,— সেয়া যেনিবা সুৰাপায়ীসকলৰ পৰা লোৱা পৰাচিতৰ ধনেই। তেনেক্ষেত্ৰত তেনে ধনেৰে দেশৰ মংগলজনক কাম কৰাত নীতিবোধৰ প্ৰশ্ন তোলাটোও ঠিক নহয়।

## ডাকঘৰৰ বেমেজালি

গুৱাহাটীত বৰ্তমানে এটা আপত্তি সচৰাচৰ শুনা যায় যে ডাক বিভাগে আৱশ্যকীয় ক্ষিপ্ৰতাৰে বিভিন্ন ডাক গ্ৰহণ আৰু বিতৰণ কৰিব পৰা নাই। কেন্দ্ৰীয় ডাকঘৰত ৰাতিপুৱাৰে পৰা মণি অৰ্ডাৰ কৰা, পাৰ্চেল পঠিওৱা আদি 'কিউ' কৰি ৰাইজৰ আলাই-আথানি হয়। আঞ্চলিক শাখাসমূহৰ কিছুমানত আকৌ টেলিগ্ৰাম, মণি অৰ্ডাৰ আদি সকলো ধৰণৰ সুবিধা নাই ; দুই-এটা শাখা ডাকঘৰৰ যানবাহন আহ-যাহ কৰাৰ অসুবিধাজনক ভিতৰুৱা সৰু আলিতো আছে। তদুপৰি এনেবোৰ শাখাত দিলে, এদিন পলম হোৱাৰ শংকা থাকে। বহুতো শাখাই ডাঙৰ ব্যৱসায়ী প্ৰতিষ্ঠানৰ সকলো মণি অৰ্ডাৰ পাৰ্চেল আদি একেদিনাই ল'ব নোৱাৰে বুলিও কোৱা হয়। এনেবোৰ কাৰণে এনে প্ৰতিষ্ঠানৰ ব্যৱসায় বা জনসম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত আসোঁৱাহ ঘটে। গুৱাহাটী আৰ এম এছত 'ছৰ্টিং' অৰ্থাৎ চিঠি-পত্ৰাদি বাছি ভাগে ভাগে পঠিওৱা বিভাগত প্ৰায় ৬০ জন কৰ্মচাৰী আৰু পৰিদৰ্শক আছে। ১৯৬৫ চনত ক্ষিপ্ৰ কাৰ্যকুশলতাৰ বাবে সৰ্বভাৰতীয় পুৰস্কাৰ পোৱা গুৱাহাটীৰ এই বিভাগটোৰ বিপৰীতে কিয় অভিযোগ উঠিছে সেয়া যেন কৰ্তৃপক্ষই অনুসন্ধান কৰে। হয়তো গুৱাহাটীৰ ক্ৰমবৰ্ধিত জনসংখ্যা আৰু উদ্যোগ-প্ৰতিষ্ঠান আদিৰ অনুপাতে অধিক কৰ্মীৰ প্ৰয়োজন। আনহাতে 'ছৰ্টিং' ব্যৱস্থাতো হয়তো সময়োপযোগী ধৰণে উন্নততৰ

পদ্ধতি ল'ব লাগিব পাৰে। কলিকতা আদি বৃহৎ মহানগৰৰ আৰ্হিত, গুৱাহাটীৰ ডাক বিলি ব্যৱস্থা বা ডাক গ্ৰহণ আৰু প্ৰেৰণ ব্যৱস্থা ক্ষিপ্ৰ কৰি তোলাটো আমি বিচাৰো। কামৰ হেঁচা বিকেন্দ্ৰীভূত কৰিবলৈ আৱশ্যক হ'লে অধিক শাখা অফিচ, আৰু বৰ্তমানৰ কম সুবিধা থকা শাখাসমূহৰ উন্নয়ন আদিৰ কথাও এইক্ষেত্ৰত চিন্তা কৰি চাব লাগে।

গুৱাহাটীৰ নগৰত বসতি যেনি-তেনি বাঢ়ি গৈছে ; সেই অনুপাতে অধিক পিয়নৰ ব্যৱস্থাও আৱশ্যক। চিঠি বিলি কৰোঁতাসকলৰ স্বাস্থ্য আৰু ক্ষিপ্ৰতাৰ পিনলৈ লক্ষ্য ৰাখি চাইকেলৰ ব্যৱস্থাও কৰিব পাৰি। নগৰৰ ডাক-বাকচসমূহৰ পৰা নিতৌ দুবাৰকৈ ডাকঘৰৰ গাড়ীৰে চিঠি-পত্ৰাদি সংগ্ৰহ কৰাৰ কথাও ভাবিব পাৰি। মুঠতে আমি আশা কৰো, ক্ৰমবৰ্ধমান এই নগৰৰ চাহিদাৰ লগত তাল মিলাই সেৱা আগবঢ়াবলৈ যেন তৎপৰতাৰে ডাক-তাঁৰ বিভাগে কাৰ্যকৰী পন্থা হাতত লয়।

## সাহিত্য সভা সপ্তাহ

অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে প্ৰতিষ্ঠিত অনুষ্ঠান, অসম সাহিত্য সভাৰ দায়িত্ব আঢ়ৈ কুৰি বছৰৰ পাচত বহুত বাঢ়িছে। এই অনুষ্ঠানটোৱে আজি অসমৰ ভাষা-সংস্কৃতি-সাহিত্য সকলোখিনি ৰক্ষা কৰি অসমীয়াৰ বৈশিষ্ট্য আৰু সুকীয়া সত্বা প্ৰতিপন্ন কৰাৰ দায়িত্ব ল'ব লগা হৈছে। অসমীয়া ভাষা-ভাষী জনসাধাৰণ আৰু অসমীয়া স্বৰূপে ৰাজ্যখনত বসবাস কৰিবলৈ অহা আন ঠাইৰ লোকসকলে এই অনুষ্ঠানটোৰ প্ৰতি আগ্ৰহেৰে চাব লগা হৈছে কাৰণ এনে দায়িত্ব বহন কৰিবৰ কাৰণে ৰাজ্যখনত আন তেনে নিৰ্ভৰযোগ্য আৰু পুৰণি অনুষ্ঠান গঢ়ি উঠা নাই। অসম সাহিত্য সভা এই দায়িত্বৰ প্ৰতি সচেতন হ'ব পাৰিছে বুলিয়েই ইয়াৰ ওপৰত আস্থা ৰখাসকলে ধাৰণা লৈ আহিছে। দায়িত্ব সম্পৰ্কে সচেতন হ'লে অনুষ্ঠানটোৱে নিজেই ইয়াৰ পৰিসৰ কেনে হ'ব লাগে, কাৰ্যসূচী কি হ'ব লাগে তাক নিৰ্ধাৰণ কৰি লোৱাত অসুবিধা নাথাকে।

সাহিত্য সভাই এই বছৰো আন বাৰৰ দৰে আজিৰ পৰা এটা সপ্তাহ পালন কৰিব। এই সপ্তাহতে অসমৰ দুজন বিশিষ্ট সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী পালন কৰিবলৈ লোৱা বাবে সপ্তাহটোৰ গুৰুত্ব বৃদ্ধি পাইছে। সপ্তাহৰ এটা দিন ভাষা দিৱস স্বৰূপে পালন কৰিবলৈ লোৱা হৈছে। ভাষা দিৱস কিয় পালন কৰিব লগা হ'ল তাৰ উত্তৰ চমু হ'লেও বেদনাদায়ক। স্বকীয় ঐতিহ্য থকা আৰু সমৃদ্ধ ভাষা এটাই যেতিয়া ন্যায্য মৰ্যাদা নেপায়, তেতিয়া সি বেদনাদায়ক হোৱাই স্বাভাৱিক। অসমীয়া ভাষাই সচিবালয়, ন্যায়ালয় আদিত চৰকাৰী ভাষাৰূপে ন্যায্য মৰ্যাদা নেপালে তাৰ বাবে অসমীয়া ভাষীয়ে প্ৰতিবাদ নকৰিবনে?

সাহিত্য সভা সপ্তাহৰ সাহিত্য দিৱসৰ আলোচনাই অসমীয়া সাহিত্যৰ দিগদৰ্শনত অৰিহণা যোগাব পাৰিব বুলি আমি আশা ৰাখো। সাহিত্য স্থিতিশীল নহয়, অসমীয়া ভাষা-সাহিত্য আধুনিক যুগত পাচ পৰি ৰ'ব নোৱাৰে— এই দৃষ্টিভংগীৰে সাহিত্যৰ বিচাৰ আৰম্ভ কৰিলে আমাৰ বহুতো সমস্যা হয়তো আঁতৰি যাব। সম্প্ৰীতি আৰু সংহতি দিৱসৰ তাৎপৰ্য উপলব্ধি কৰিলে আৰু কৰাব পাৰিলে অসমীয়াৰে লাভ হ'ব।

কিন্তু, এই সপ্তাহে জনসাধাৰণৰ মাজত কি প্ৰেৰণা আৰু চেতনা জগায়, সেয়ে হৈছে আচল কথা। জনসাধাৰণৰ সঁহাৰি আৰু অৰ্থপূৰ্ণ সহযোগিতাৰ পৰা সাহিত্য সভায়ো নিজৰ শক্তি সমীক্ষাৰ সুযোগ পাব।

শনিবাৰ, ২৫ নৱেম্বৰ, ১৯৬৭ চন

# বিকৃত দৃষ্টিকোণ

অসমৰ পুনৰ গঠনৰ সম্পৰ্কত দিল্লীত এতিয়া ব্যস্ততা পৰিলক্ষিত হৈছে। অসমৰ পুনৰ গঠনৰ সম্পৰ্কত দেশৰ অন্যান্য অঞ্চলৰ নেতৃবৰ্গই মাত মতাৰ বাবে চক খাবলগীয়া একো কাৰণ নাই আৰু এইটো অসংগত কথাও নহয়। বিশাল ভাৰতীয় পৰিয়ালৰ সকলোৱে পৰস্পৰৰ কথা ভাবিবৰ, দিহা-পৰামৰ্শ দিবৰ অধিকাৰ পাইছে। অসমৰ নেতৃবৰ্গয়ো দিল্লীলৈ গৈ বিভিন্ন দল আৰু ব্যক্তিক লগ ধৰি বক্তব্য পেচ কৰিছে। তথ্যসহ সকলো কথা দাঙি ধৰাৰ মূৰত এতিয়া ভুল পটভূমিৰ পৰা বিষয়টো গমিপিটি চোৱাৰ থল থাকিব নেলাগে বুলিয়েই ভাবিব পৰা হ'লে আমি ভাল পালোহেঁতেন। পিচে এতিয়ালৈকে দিল্লীৰ বিভিন্ন আলোচনাৰ সম্পৰ্কত প্ৰকাশ পোৱা কেতবোৰ বাতৰিৰ পৰা ধাৰণা হৈছে যে এতিয়াও বিকৃত পটভূমিৰ পৰা কিছুমান নেতাই উদ্ধাৰ পোৱা নাই। অসমৰ কথা নজনাকৈ, নভবাকৈ বা বুজিবলৈ চেষ্টা নকৰাকৈ কিছুমানে 'বিশেষজ্ঞ'ৰ অভিমত প্ৰকাশ কৰা যেন লাগিছে। ফলত গোটেই প্ৰসংগটোৰ সমুখত অসমীয়া নেতাসকলে 'আচামী'ৰ দৰে থিয় দিবলগীয়া হৈছে। যেন অসমীয়া মানুহ আৰু অসমীয়া নেতৃবৰ্গৰ 'দোষ'তে গোটেই সমস্যাটোৰ সৃষ্টি হৈছে— এনে মনোভাৱ পোষণ কৰা লোকৰ অভাৱ এতিয়াও দিল্লীত নাই। অসমীয়া মানুহে পাৰ্বত্য জনজাতীয় লোকৰ ওপৰত শোষণ চলোৱা নাই বুলি দিল্লীত বুজাই কোৱাৰ প্ৰয়োজন হ'ল কিয় ? অৰ্থনৈতিক বল যাৰ নাই, তেওঁলোকৰ শোষণৰ থলো নাই। অৰ্থনৈতিক পটভূমিৰ পৰা চালে পাৰ্বত্য ৰাইজ আৰু ভৈয়ামৰ অসমীয়া ৰাইজ প্ৰায় সমপৰ্যায়তে পৰে। পাৰ্বত্য অঞ্চলত ব্যৱসায়-বাণিজ্য আদি চলোৱা লোকৰ সমীক্ষা উলিয়ালে অসমীয়া মানুহৰ শোষণৰ থল ক'তো বিচাৰি পোৱা নহ'ব। আনকি শ্বিলঙতো ঘৰ-বাৰী থকা অসমীয়া মানুহ, চাকৰিত থকা আৰু ব্যৱসায়ত থকা অসমীয়া মানুহৰ হিচাপ উলিয়াই তুলনামূলকভাৱে বিচাৰ কৰি চালে 'শোষণ'ৰ ধ্বনি যে মিছা ধ্বনি— সেই কথা প্ৰতিপন্ন হৈ পৰিব। কিন্তু সেই বিচাৰ কোনেও নলয়— কিয়নো তাকে কৰিলে এপাত অস্ত্ৰ হেৰুওৱা হ'ব।

সেইদৰে পাৰ্বত্য অঞ্চলৰ বাবে ধৰা ধনেৰে ভৈয়াম অঞ্চলৰ উন্নতি ঘটোৱাৰ অভিযোগো অৰ্থহীন। এই সম্পৰ্কত ইতিমধ্যে চৰকাৰী-বেচৰকাৰী অসংখ্য পৰিসংখ্যা কেন্দ্ৰীয় চৰকাৰ আৰু নেতৃবৰ্গৰ হাতত স্মাৰক-পত্ৰ আদিৰ যোগেদি দিয়া হৈছে। আনকি পাটস্কৰ আয়োগেও প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰিছে যে তেনে অভিযোগ সত্য নহয়। তথাপি নতুন দিল্লীত কংগ্ৰেছ সংসদী দলৰ কাৰ্যনিৰ্বাহ কৰা বৈঠকত কিয় মুখ্যমন্ত্ৰী শ্ৰীচলিহাই দোহাৰিবলগীয়া হ'ল যে পাৰ্বত্য অঞ্চলৰ উন্নতি সধাৰ ক্ষেত্ৰত আওকাণ কৰা হোৱা নাই। নিশ্চয় তেনে ধাৰণাৰ খোপনি এতিয়াও আছে। অকল সেয়ে নহয়, পাৰ্বত্য অঞ্চলৰ কাৰণে হোৱা জনমূৰি ব্যয়ৰ হিচাপো প্ৰশ্নোত্তৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে দি জনাবলগীয়া হ'ল যে অসমৰ অন্যান্য অঞ্চলতকৈ পাৰ্বত্য অঞ্চলত হোৱা জনমূৰি ব্যয়ৰ পৰিমাণ বেছি। আনহাতে অসম চৰকাৰী ভাষা আইনখনৰ বাবে যে পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী উঠা নাই, সেই বিষয়েও অসমৰ এম পি সকলৰ স্মাৰক পত্ৰত বিশেষভাৱে উল্লেখ কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰা হ'ল। কিয়নো সেই মিছা ধ্বনি তুলি কিছুমানৰ অন্তৰত এতিয়াও পৃথক পাৰ্বত্য ৰাজ্যৰ সমৰ্থকসকলে স্থান পাই আছে।

যদি বিচাৰ্য বিষয়ৰ পটভূমি এতিয়াও এইবোৰেই হৈ থাকে, তেন্তে দিল্লীৰ বিচাৰ-চ'ৰাই অসমৰ প্ৰকৃত জনমতৰ ফুট ধৰিব কেনেকৈ? নে নিজে লগোৱা শামুকীয়া গাঁঠি খুলিব নোৱাৰি দিল্লীয়ে এতিয়া এই মনোভাৱকে ঢালৰূপে ব্যৱহাৰ কৰিছে? পাৰ্বত্য অঞ্চলৰ এভাগ লোকে বিদেশৰ পৰা উচটনি পোৱাৰ কথা ওলাওঁতে দিল্লীয়ে বিব্ৰতবোধ কৰি মূৰ পোলোকা মাৰিবলৈহে চেষ্টা কৰিলে— কঠোৰ ব্যৱস্থা লোৱাটো দূৰৰ কথা! এভাগ বিদেশী মিছনেৰীৰ কাৰ্যকলাপ সম্পৰ্কেও দিল্লীয়ে তৎপৰতা দেখুৱাবলৈ আগ নেবাঢ়িলে— জানোচা ধৰ্মনিৰপেক্ষতাত চেকা লাগে! আনহাতে মুখেৰে ৰাষ্ট্ৰীয় সংহতিৰ কথা কৈ কামৰ বেলিকা বৃটিছৰ পৃথককৰণ নীতিকে অক্ষুণ্ণ ৰাখি পাৰ্বত্য জনজাতীয় ৰাইজক যাদুঘৰৰ সমলৰ দৰে ৰখা হ'ল ; ফলত তেওঁলোক বিচ্ছিন্ন হৈ থাকিল আৰু এই হেঙাৰ উঠাই দিয়াৰ পোষকতা কৰা সকলকহে হাতকেৰেয়া মৰা হ'ল! এই অঞ্চলৰ জনমতলৈ ভ্ৰূক্ষেপ নকৰি দিল্লীয়ে নতুন নতুন উদ্যম হাতত লৈ অঞ্চলটোৰ জটিলতাহে বঢ়ালে। এখন জিলাক লৈ নাগালেণ্ড ৰাজ্য গঠন কৰি, নেফাৰ ক্ষেত্ৰত বৃটিছ নীতি বাহাল ৰাখি সমুদায় পাৰ্বত্য জনজাতীয় ৰাইজৰ মনত দিল্লীয়ে কিহৰ বীজ সিঁচি দিলে, সেই কথা দিল্লীয়ে আজিও নুবুজাকৈ আছে বুলি বিশ্বাস কৰিবলৈ টান লাগে। শেষত দিল্লীয়ে 'পেণ্ডোৰাৰ বাকচ' মেলি দিলে— একপক্ষীয়ভাৱে ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ তুলি। পৃথককৰণ কিৰীলি কেওফালৰ পৰা উঠাৰ পৰত দিল্লীয়ে এতিয়া আত্মপক্ষ সমৰ্থন কৰিবলৈকে যদি আমাক 'আচামী' পাতি সমস্যাৰ নিষ্পত্তি কৰিবলৈ মন মেলে— তেন্তে সেই অবিচাৰ বৰ ডাঙৰ অবিচাৰ হ'ব আৰু "দিল্লী হনুজদূৰ অস্ত'— এই কথাষাৰ আমাৰ কাৰণে সত্য হৈ থাকিব।

## এটা বিচাৰ্য্য বিষয়

পশ্চিমবংগ আৰু হাৰিয়ানাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰৰকাৰে লোৱা ব্যৱস্থাৰ সম্পৰ্কত সপক্ষে-বিপক্ষে বিভিন্ন মতামত প্ৰকাশ কৰা হৈছে। সেই বিবাদৰ শেষ ক'ত— তাক কোৱা টান। পিচে এই সন্দৰ্ভতে ৰাজ্যসভাত উল্লেখ কৰা এষাৰ কথা বিচাৰ কৰি চোৱা ভাল হ'ব। পশ্চিমবংগৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা সম্পৰ্কে ৰাজ্যসভাত হোৱা আলোচনা প্ৰসংগত কংগ্ৰেছ সদস্য আৰু বিশিষ্ট আইনজ্ঞ শ্ৰীপি এন ছাপ্ৰুৱে কয়— পশ্চিমবংগৰ ৰাজ্যপালকাৰ্য পদ্ধতিয়ে ইয়াকে স্পষ্টভাৱে প্ৰমাণ কৰি দেখুৱাইছে যে অসামৰিক বিষয়া (আই চি এছ) আৰু সামৰিক বাহিনীয়ে যুটীয়াভাৱে গণপ্ৰতিনিধিত্বক অৱজ্ঞা কৰিছে। শ্ৰীছাপ্ৰুৱে বক্তব্য সুদৃঢ় কৰি তুলিবৰ বাবেই সম্ভৱতঃ সামৰিক বাহিনীৰ প্ৰসংগটোও সাঙুৰি দিছে। পিচে আমি সামৰিক বাহিনীৰ ভূমিকাৰ বিসংগতি ইয়াৰ মাজত দেখা নাই। কিন্তু অসামৰিক বিষয়াৰ প্ৰসংগটো এইক্ষেত্ৰত নিশ্চয় বিচাৰ্য্য।

পশ্চিমবংগৰ সংযুক্ত চৰকাৰে এভাগ প্ৰশাসনীয় বিষয়াৰপৰা সহযোগিতা নোপোৱাৰ বিষয়ে সময়ে সময়ে অভিযোগ তুলিছিল। সেই অভিযোগৰ প্ৰকৃত তাৎপৰ্যৰ বিচাৰ অৱশ্যে কৰা নহ'ল। আমাৰ আমোলাতান্ত্ৰিক গাঁথনিটো বৃটিছৰ দিনৰ দৰে নোহোৱাটোকে আমি বিচাৰিছিলো। কিন্তু কাৰ্যক্ষেত্ৰত সেইটো ৰূপৰ বিশেষ সলনি নহ'ল। সম্ভৱতঃ সেই কাৰণেই আমোলাতন্ত্ৰই সময় বুজি কেতবোৰ অবাঞ্ছনীয় হেঁচা দিয়াৰ চিন বিভিন্ন সময়ত পোৱা যায়। আনকি প্ৰাক্তন গৃহমন্ত্ৰী শ্ৰীগুলজাৰিলাল নন্দয়ো পদত্যাগ কৰিবৰ সময়ত এই সম্পৰ্কত কেতবোৰ চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিছিল। এই বিষয়টোৰে অৱশ্যে এতিয়ালৈকে উচিতভাৱে মনোযোগ আকৰ্ষণ কৰিব

পৰা নাই। কিন্তু সেইটো উপেক্ষা কৰিলে ভুল কৰা হ'ব। এতিয়া দেখা গৈছে যে সময়ত কেন্দ্ৰ বা ৰাজ্যত চৰকাৰে অনুসৰণ কৰা নীতিৰ বিপৰীতমুখী কেতবোৰ কাম হয়। ইয়াৰ উৎস ক'ত সেই কথা ধৰিবলৈ নিশ্চয় টান নহ'ব।

সেই দেখি এনেবোৰ কথাই অধিক প্ৰেৰণা পোৱা অনুচিত। পশ্চিমবংগৰ ঘটনাই যদি তাকে পোখা মেলাৰ সুযোগ দিয়ে, তেন্তে আমাৰ দেশৰ সমুখত দুৰ্যোগ উপস্থিত হ'ব। লগতে ৰাজ্যপাল নিযুক্তিক্ষেত্ৰতো এটা কথা দুনাই বিবেচনা কৰি চোৱা ভাল হ'ব। প্ৰশাসনীয় বিষয়াক ৰাজ্যপালৰ পদলৈ অনাটো বাদ দিয়াই সম্ভৱতঃ উচিত হ'ব। দেশ স্বাধীন হোৱাৰ আগতে কংগ্ৰেছৰ নেতৃবৰ্গই এইক্ষেত্ৰত ঘোৰ আপত্তি তুলিছিল। সেই সময়ত অসমতে তেনে এটা পৰিস্থিতিয়ে পদত্যাগৰ প্ৰসংগ এটাৰো অৱতাৰণা কৰিছিল। অৱশ্যে তেতিয়াৰ আপত্তি আৰু এতিয়াৰ আপত্তি একে পৰ্যায়ৰ নহয়— কিন্তু আপত্তিৰ হেতু এতিয়াও থাকিব।

দেওবাৰ, ২৬ নৱেম্বৰ, ১৯৬৭ চন

# নগালেণ্ড

বৈদেশিক দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীবি আৰ ভগতে লোকসভাত আশ্বাস দিছে যে নগালেণ্ডত যাতে বৈদেশিক হস্তক্ষেপ চলিব নোৱাৰে, তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে 'সাধ্যমতে' চেষ্টা কৰিব। সাম্প্ৰতিক অৱস্থাৰ পটভূমিত এই আশ্বাসৰ মূল্য  যে সমূলি নোহোৱা হ'ল, সেই কথা কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ নকৰিলেও দেশবাসীয়ে কৰিব। নগালেণ্ডৰ গোটেই সমস্যাটোৰ মূলতে বৈদেশিক হস্তক্ষেপৰ প্ৰেৰণা আছিল ; পোনতে সেয়ে চোৰাং ৰূপত আছিল। এতিয়া কিন্তু প্ৰকাশ হৈ পৰিছে। চি আই এ প্ৰসংগও ইয়াৰ লগত জড়িত হৈ পৰাৰ অভিযোগ উঠিছে। আমেৰিকাৰ এটা মহলে বিদ্ৰোহী নগা দলক উৎসাহ যোগোৱাৰ কথাও ওলাইছে। এইবোৰ সুৰুঙা চৰকাৰে কেনেকৈ  বন্ধ কৰিব আমি বুজি পোৱা নাই। কিয়নো সেই বিষয়ে সন্ধান লোৱাৰ ক্ষেত্ৰত চৰকাৰ বেছি দূৰলৈ আগবঢ়াৰ উপায় নাই। দ্বিতীয়তে চি আই এৰ সকলো কথা ইমান সংগোপনে চলে যে খাচ আমেৰিকাৰে উচ্চ মহলৰ বুজন ভাগ এটাই সেইবোৰ কথাৰ একো তলানলা নেপায়। এনে অৱস্থাত নতুন দিল্লীৰ পক্ষে এইক্ষেত্ৰত বাধা আৰু বেছি হ'ব। তদুপৰি এভাগ বিদেশী লোকেও ভাৰতৰ বুকুতে থাকি যেনে ধৰণৰ কাৰ্যকলাপ চলাইছে, সেইক্ষেত্ৰতো চৰকাৰে ফলদায়ক প্ৰতিবিধানমূলক ব্যৱস্থা ল'ব পৰা নাই। বিদেশী মিছনেৰীৰ এটা ভাগৰ সম্পৰ্কত গুৰুতৰ অভিযোগ উঠা সত্ত্বেও চৰকাৰে বিশেষ একো কৰিব পৰা নাই। ৰেভাৰেণ্ড মাইকেল স্কট কৰা গোপন মধ্যস্থতাৰ ফলত নগালেণ্ডলৈ আহিবলৈ পালে, সেই খবৰ ৰাইজে নেপালে। কিন্তু সেই ৰেভাৰেণ্ড মাইকেল স্কটৰ যহতে বিদ্ৰোহী নগাৰ প্ৰসংগটো সন্মিলিত ৰাষ্ট্ৰসংঘৰ মজিয়াত উঠা বিশ্বই দেখিবলৈ পালে। ৰেভাৰেণ্ড মাইকেল স্কট যিমান হেলাৰঙে নগালেণ্ডলৈ আহিব পাৰিলে, ঠিক সেইদৰে আজিও কেইবাজনো বিদেশী নাগৰিক নগালেণ্ডৰ ভিতৰত থাকিব পাৰিছে। অথচ ভাৰতীয় নাগৰিকৰ বেলিকা বাধা-নিষেধৰ অন্ত নাই। বৈদেশিক হস্তক্ষেপৰ এইটো দিশ বন্ধ কৰিবলৈ হ'লে চৰকাৰে এইটো প্ৰসংগও নিষ্ঠাৰে হাতত ল'বই লাগিব।

বৈদেশিক হস্তক্ষেপৰ আনটো ফালত আছে চীন আৰু পাকিস্থান। এই দুয়োখন দেশে বিদ্ৰোহী নগাক যুদ্ধৰ

প্ৰশিক্ষণ আৰু যুদ্ধাস্ত্ৰ যোগাইছে। বিদ্ৰোহী নগাৰ দল এই দুয়োখন দেশলৈ অবাধে অহা-যোৱা কৰি আছে। চীনৰ লগত বিদ্ৰোহী নগাই যোগাযোগ কৰা কথা চৰকাৰে পোনতে অস্বীকাৰ কৰিছিল যদিও মূৰকত সেই কথা স্বীকাৰ কৰে। এই সংযোগ বন্ধ কৰাৰ উপায় চৰকাৰে উলিয়াব পৰা নাই। লোকসভাত শ্ৰীভগতেও স্বীকাৰ কৰিছে যে সীমান্তৰ ভৌগোলিক অৱস্থাৰ কাৰণে চৰকাৰে সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰাটো সম্ভৱ নহ'ব। তাৰ মানে এই যোগাযোগ চলিয়েই থাকিব। এতিয়া চীন আৰু পাকিস্থানে তথাকথিত বিদ্ৰোহী নগা চৰকাৰক স্বীকৃতি দিয়াৰ সম্ভাৱনা আছে বুলিও বাতৰি ওলাইছে। সেয়ে হ'লে এই বিদেশী ৰাষ্ট্ৰ দুখনৰ লগত বিদ্ৰোহী নগাৰ যোগাযোগ আৰু ঘনিষ্ঠ হৈ উঠিব।

বৈদেশিক ঘনিষ্ঠতা যিমানে বাঢ়িব, বিদ্ৰোহী নগা দলৰ শক্তিও সিমানে বৃদ্ধি পাব। নগালেণ্ডৰ শান্তি আলোচনাৰ ফলত ইতিমধ্যে 'সুফল' পোৱা হৈছে বুলি শ্ৰীভগতে ক'লেও আমি তাৰ চিন দেখা পোৱা নাই। প্ৰকৃততে আলোচনাৰ ক্ষেত্ৰত সমূলি আগবাঢ়িব পৰা নাই বুলিহে আমি ভাবো। অথচ বৰ্তমানৰ অৱস্থাটোৰ সুযোগ বিদ্ৰোহী নগা দলে পূৰ্ণ মাত্ৰাত গ্ৰহণ কৰিছে। তেওঁলোকে এই সময়ছোৱাক নিজৰ শক্তি বঢ়োৱাৰ সুযোগ বুলিহে গ্ৰহণ কৰিছে। তাতোকৈ চিন্তাৰ বিষয় হ'ল— এই পৰিণতিয়ে কেন্দ্ৰীয় চৰকাৰৰ মূল লক্ষ্যৰ মূলতে কুঠাৰাঘাত কৰিছে। অনুগত নগাসকলৰ মাজত নতুন নেতৃত্বৰ গঢ় দিবৰ বাবে যি চেষ্টা হাতত লোৱা হৈছিল, যাৰ ফলত নগালেণ্ডৰ শাসনৰ গুৰি ধৰি এচাম লোকৰ নেতৃত্ব গঢ়ি উঠিছিল— সেই নেতৃত্ব আজি সংকটৰ সন্মুখীন হৈছে। বিদ্ৰোহী নগা দলে বীৰদৰ্পে নগালেণ্ডৰ ৰাইজৰ মাজত বিচৰণ কৰি যি প্ৰতিচ্ছবি দাঙি ধৰিব পাৰিছে, সেয়ে মূৰকত "কল'ছাছ"ৰ মূৰ্তি ধাৰণ কৰিবগৈ বুলি আশংকা কৰাৰ থ'লো আছে। সেইদেখি কেন্দ্ৰীয় চৰকাৰে আত্মবিশ্লেষণ কৰিবৰ হ'ল— নহ'লে বহুত পলম হ'ব।

<u>সোমবাৰ, ২৭ নৱেম্বৰ, ১৯৬৭ চন</u>

## বিকল্পৰ প্ৰয়োজন

ৰাজনৈতিক দল গঠন কৰা লোকসকলৰ কথা এৰি ভাৰতৰ বাদ-বাকী অসংখ্য জনসাধাৰণে ৰাজনৈতিক ক্ষেত্ৰত দেশ চালনা কৰিব পৰা বিকল্প উপায় এটাৰ প্ৰয়োজন বৰ বেয়াকৈ অনুভৱ কৰিছে। কিন্তু সেই আশা সুদূৰ পৰাহত হৈ অহা যেন লাগিছে। পঞ্জাৱ, হাৰিয়ানা, পশ্চিমবংগ আদিত যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তালৈ চাই এই সন্দেহ ক্ৰমাৎ দৃঢ়ীভূত হৈ আহিব ধৰিছে। ১৫ জন সদস্যৰ দল গঠন কৰা লোকে আজি পঞ্জাৱত চৰকাৰ গঠন কৰিছে ; পশ্চিমবংগতো ইয়াৰ আগতে এয়ে হৈ যোৱা দেখা গ'ল। ইয়াৰ বহুত আগতে কেৰালাত সংখ্যালঘু পি এছ পিয়ে চৰকাৰ গঠন কৰাৰ কথাও আমাৰ স্মৰণলৈ আহে। কিন্তু এইবোৰ ব্যৱস্থাৰ পৰিণাম বা ভৱিষ্যৎ সম্বন্ধে কোনোবাই নিশ্চিতভাৱে কিবা ক'ব পাৰিবনে ? এই পৰিস্থিতিত কংগ্ৰেছৰ ভূমিকাও বিশেষ প্ৰণিধানযোগ্য। কেৰালাৰ ঘটনাৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে কংগ্ৰেছৰ দলে সুস্থ গণতন্ত্ৰৰ বিকাশত সহায় কৰাতকৈ যে বাধাৰহে সৃষ্টি কৰি আহিছে সেই কথা আৰু আজি কাৰো বুজিবলৈ বাকী নাই। অৱশ্যে কংগ্ৰেছৰ দলে সুকলমে শাসনৰ বাঘজৰী ল'ব পৰা একক সংখ্যাগৰিষ্ঠ আন দল নাই বুলি স্বীকাৰ কৰিব লাগিব। তথাপি কংগ্ৰেছৰ ভূমিকা প্ৰতিশোধপৰায়ণতাপূৰ্ণ বুলি উপলব্ধি হোৱাৰ সুৰুঙা তেওঁলোকৰ নিজৰ চকুত নপৰাকৈ থকা উচিত

নহয়। অৱশ্যে বংগত সংযুক্ত মৰ্চা চৰকাৰৰ পতন ঘটাবলৈ কংগ্ৰেছে চেষ্টা চলোৱাৰ কথা শ্ৰীঅজয় মুখাৰ্জীৰ সময়তে এবাৰ জনাজাত হৈ গৈছে ; এতিয়াও ড° ঘোষৰ সংখ্যালঘু দলক চৰকাৰ গঠনত কংগ্ৰেছে বেছ উৎসাহেৰে সৈতে সহায় সমৰ্থন কৰে। পঞ্জাৱতো শ্ৰীলচমন সিং গিলক কংগ্ৰেছে সহায় কৰিছে। এইবিলাক ঈৰ্ষাপূৰ্ণ কাৰ্যৰ দ্বাৰা যে কংগ্ৰেছে নিজৰেই অপকাৰ কৰিছে সেইটো তেওঁলোকৰ এতিয়াও উপলব্ধি হোৱা নাই। কেৰালাৰ অভিজ্ঞতাৰ পৰা তেওঁলোকৰ এটা শিক্ষা হোৱা উচিত আছিল। পশ্চিমবংগত যোৱা কেইদিনমানত সংযুক্ত মৰ্চাপন্থী যি বিৰাট বিক্ষোভ প্ৰদৰ্শন কৰা দেখা গ'ল তাৰ পৰা যে কংগ্ৰেছে অভিযোগ কৰা আৰু ড° ঘোষে আশ্বাস দিয়া আইন-শৃংখলাৰ প্ৰশ্নৰ সহজে মীমাংসা হ'ব এনে আশা কৰিব পৰা নেযায়। অথচ মৰ্চা চৰকাৰক সুস্থ পথেৰে বাহিৰ হৈ যাবলৈ দিয়া হ'লেই সকলোৰে পক্ষে ভাল হ'লহেঁতেন ; এইকণ ধৈৰ্য্যহীনতাৰ পৰিণাম কি হ'ব। সহজেই অনুমান কৰি ল'ব পাৰি।

সুস্থ গণতান্ত্ৰিক বিকাশৰ পথ এই দেশত এতিয়াও ৰচিত হোৱা নাই। বিৰোধী দলসমূহে নিজৰ সংখ্যাধিক্যৰ কাৰণে তাত বৰঙণি যোগাব পৰা নাই। সেই সংখ্যা ক্ৰমাৎ বাঢ়ি যাবই লাগিছে— দল গঠন হৈছে, কাজিয়া হৈছে আৰু পুনৰ দল গঠন হৈছে। কিন্তু জনসাধাৰণকো ইয়াৰ কাৰণে প্ৰস্তুত হোৱা যেন নেলাগে ; অৱশ্যে ৰাজনৈতিক দলৰ আধিক্যয়ো বিভ্ৰান্তি সৃষ্টিত সহায় কৰিছে। যোৱা সাধাৰণ নিৰ্বাচনত সৰহভাগ ৰাজ্যতে কংগ্ৰেছ দলক এই সৰ্বসাধাৰণ ৰাইজেই ক্ষমতাচ্যুত কৰিছিল। কিন্তু দেখা গ'ল যে তেওঁলোকৰ ভোট কেৱল নেতিবাচকহে আছিল। স্পষ্ট অভিমত প্ৰকাশক সুস্থ বাতাবৰণ অভিলাষী নাছিল। নহ'লে তাৰ কেইমাহমানৰ পিচতে ইমানবিলাক ৰাজ্যত ইমান খেলিমেলিৰ সৃষ্টি নহ'লহেঁতেন। মণিপুৰ, পশ্চিমবংগ আদিত চৰকাৰ গঠন কৰি যোৱা দলে সদস্যৰ দল সলনিৰ প্ৰচেষ্টা চলাই আছে। গতিকে খেলিমেলি আৰু অনিশ্চয়তাৰ ওৰ পৰাৰ কোনো লক্ষণ আমাৰ সমুখত নাই। অথচ যিসকলে অতীব প্ৰয়োজনীয় বিকল্প পন্থাত সহায় কৰিব পাৰিলেহেঁতেন তেওঁলোকে সহায়ৰ সলনি মাধমাৰৰ বাবেহে হাত বঢ়াব খুজিছে।

## চোকা টেকেলা

ভাগ্যে এতিয়াও "কাহুদী"ত গৃহিণীয়ে গৃহস্থক চকুত জলকীয়া ভাঙি দি চোঁচোৰাই নিয়াৰ ছবি ওলোৱা নাই। নহ'লে যিহে দিন-কাল পৰিছে, বৰহাটৰ বাতৰিৰ জুৱাৰী গিৰিয়েকক কৰাৰ দৰে, জুৱা নেখেলিলেও হাটত চাউল-চেনি বিচাৰি নেপাই শুদা বেগ লৈ ঘৰলৈ অহা মানুহক নাকনি-কাননি কৰাৰ বাতৰি ওলালেও ওলালহেঁতেন কিজানি! সেইবোৰ কল্পনাৰ কথা বুলি ধৰিলেও বৰহাটৰ বাতৰিয়ে কিন্তু জলকীয়াৰ মহিমাৰ কথা বহুতকে সোঁৱৰাই দিছে। ভোজনঠেলা ভজলুকৰ গুণ-গৰিমা অসমীয়াৰ হাড়ে-হিমজুৱে লগা। নহ'লে হা-হুমুনিয়াহ কঢ়া কেইজনে জালুক-জলকীয়াই পোৱাৰ বিননি নুতুলিলেহেঁতেন। মাত্ৰ জাত-শিল্পী বা জীৱন শিল্পী অসমীয়াৰ ব্যৱসায়ী মগজু নাই কাৰণেহে জলকীয়াৰ পৰাও যে ধন ঘটিব পাৰি তাৰ গম পোৱা নাই ঃ জলকীয়াই ভাৰতলৈ ভাল বৈদেশিক মুদ্ৰা আনে। আমাৰ হাবিৰ তেজপাত নাইবা গছৰ বাকলি শুকুৱাই দাল চেনিত মিহলাই যে আমাকেই বেচে তাৰ খবৰ নৰখা মানুহেনো গম পাব কেনেকৈ? অসমীয়া এতিয়াও তামোল হৈ বুকু ফালি দেখুৱাবলৈ ৰৈ আছে ; ত'ত লোকে তামোল ফালি শুকুৱাই চুপাৰি কৰি বেচি ধনী হ'লেই! শুকান জলকীয়াৰ গুৰিৰে মাংসৰ আঞ্জা ৰঙা কৰি জুতি লোৱা মানুহ বহুত। এই বিষয়ত পূব পাকিস্তানৰ এক শ্ৰেণী সাধাৰণ

মানুহক বোলে চেৰ পেলাওঁতা পৃথিৱীতে নাই ; তেওঁলোকে তেনেকুৱা ৰঙা আঞ্জা সানি সোঁহাতেৰে বজাই দি থাকে আৰু বাওঁহাতেৰে নাকৰ জোল নিয়ন্ত্ৰণ কৰে। এসময়ত পাকিস্তানৰ পাটনাদবোৰত জলা, মিঠা নানান সোৱাদৰ পানী ওলাইছিল বহুতৰে মনত থাকিব পায়। প্ৰেছিডেণ্ট আয়ুবে যেতিয়া সামৰিক শাসন প্ৰৱৰ্তন কৰে তেতিয়া ৰাতিটোৰ ভিতৰতে সেই দেশৰ চলা-ফুৰা, বজাৰ-সমাৰ আদব-কায়দা গোটেইবোৰ মেজিকৰ দৰে চিজিল হৈ গৈছিল। দুৰ্নীতি, ভেজাল কৰা ; চোৰাং বেপাৰ কৰা আদিৰ কাৰণে ধাম-ধুম ধৰ-পাকৰ চলিছিল। তেতিয়াই পাকিস্তানী পানীত বিচিত্ৰ সোৱাদ পোৱা গৈছিল। উৰহি গছৰ ওৰ বিচাৰি পোৱা গ'ল যে ধৰা পৰাৰ ভয়তে বহুত বেপাৰীয়ে জলকীয়াৰ গুৰি আৰু অন্যান্য লুকুৱাই থোৱা বস্তু নাদৰ ভিতৰত পেলাই দিয়া হৈছিল। আমি এতিয়ালৈকে ফাঁচীবজাৰৰ নলাত চেনি ঢলাতকৈ অধস্তন কাম কৰা নাই। জলকীয়াই পৰীক্ষাগাৰৰ সন্মানো লাভ কৰিছে। চাহপাতত চামৰা, খাইতেলত মবিল ; আটা গুৰিত পিঠাগুৰি মিহলোৱাৰ দৰে মচলাত ঘোঁৰা গোবৰ মিহলোৱাৰ কথা শুনা যায় ; জলকীয়াৰ গুৰিতো তেনে মিশ্ৰণ দিয়াৰ অভিযোগৰ কাৰণে লেবৰেটৰীত পৰীক্ষা চলাবলগীয়া হৈছিল। লোকে বটলত ভৰাই কৰা জলকীয়াৰ আচাৰ আমি কৰিব নেজানিব পাৰো, মানে নেবেচিব পাৰো ; কিন্তু সেইবুলি জলকীয়াৰ আদৰ ইয়াত নোহোৱা নহয়। "চোকা চাই চলকীয়া" খুজি খোৱা পণ্ডিতৰ গল্প শুনিলেও কিজানি আন এজন অসমীয়া পণ্ডিতৰ কথা আপোনালোকে শুনা নাই ঃ তেওঁ হেনো ফুলনিত ফুল ৰোৱাৰ উপৰি ঠেক বাটৰ দুয়োকাষে দুশাৰী জলকীয়া গছ ৰুই লৈছিল ; তেওঁ জলকীয়াৰ পৰম ভক্ত আছিল ; তেওঁৰ হেনো দৃঢ় বিশ্বাস আছিল যে জলকীয়া খালে মগজু বাঢ়ে। ভাতৰ লগত জলকীয়াৰ মাত্ৰা বঢ়াই পৰীক্ষা কৰি চাব পাৰে। কিমাননো আৰু জুৰুলী-জুপুৰী মাকজনীৰ দৰে হৈ থাকিব?

<u>মঙ্গলবাৰ, ২৮ নৱেম্বৰ, ১৯৬৭ চন</u>

# চন্দ্ৰকুমাৰ আগৰৱালা

সাহিত্য-সংস্কৃতিৰ বাটকটীয়াসকলক শ্ৰদ্ধা জনোৱাৰ মাজত জাতি এটাৰ ঐতিহ্যৰ প্ৰতি থকা প্ৰীতি আৰু আত্মবিশ্বাসৰ পৰিচয় পোৱা যায়। সেই দৃষ্টিভংগীৰে, অসমবাসীয়ে আজি অসমীয়া সাহিত্যৰ অন্যতম আগৰণুৱা স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী পয়োভৰেৰে পালন কৰাটো আশাৰ কথা, আনন্দৰ কথা। অসমৰ মাটিয়ে সকলো লোককে সাদৰি-সাৱটি লয় ; তেনে লোকৰ বৰঙণিৰে চহকী হৈ দেশ জননীয়ে গৌৰৱবোধ কৰে। যোৱা শতিকাৰ তৃতীয় দশকত অসমলৈ অহা তেনে পৰিয়াল এটিৰে ঘৰত উপজি চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া ভাষা-সাহিত্যৰ থাপনাত আগবঢ়াই গ'ল যিধাৰি পুষ্পমাল্য তাৰ সৌৰভ কালেও মোহাৰি পেলাব পৰা নাই। কালজয়ী এই ব্যক্তিগৰাকীয়ে সাহিত্য সৃষ্টিতেই নহয়,— মানৱীয় দৃষ্টিভংগীৰেও তেওঁৰ সমসাময়িক আৰু সোদৰোপমসকলৰ মাজত অবিস্মৰণীয় প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। প্ৰায় ডেৰকুৰি বছৰ আগতে মৃত্যুবৰণ কৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত আৰু তলত কাম কৰা যিসকল লোক আছে, তেওঁলোকে সেয়ে এই ব্যক্তিগৰাকীৰ মহত্বৰ কথা আজিও শ্ৰদ্ধাৰে সোঁৱৰে। আনহাতে তেওঁৰ কবিতাৰ মাজত থকা সূক্ষ্ম দাৰ্শনিক তত্ত্ব মানৱীয় ভাবধাৰা আৰু ৰোমাণ্টিক অনুভূতিৰ গুণৰাজি এতিয়াও আমাৰ সাহিত্যিকসকলৰ বাবে হেঁপাহৰ সামগ্ৰী। এনে এগৰাকী ব্যক্তিৰ শতবাৰ্ষিকী পালনৰ লগতে অসমীয়া সাহিত্যিকসকলে আমাৰ ভাষা জননীক অধিক সমৃদ্ধিশালী কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হওক। সম্পদশালী সাহিত্য থাকিলে, জনসংখ্যা যিমানেই কম নহওক কিয়

তেনে ভাষা-ভাষী অঞ্চল আৰু লোকসকলক বিশ্বই যথাযোগ্য স্বীকৃতি নিদিয়াকৈ নোৱাৰে। মাতৃভাষাক প্ৰকৃত মৰ্যাদা দিয়াৰ এইটোৱেই একমাত্ৰ যোগাত্মক আৰু আদৰ্শনীয় পন্থা। এনে পন্থাৰে, অসমীয়া সাহিত্যক ন ন পুষ্প পত্ৰেৰে বিকশিত কৰি তুলিব পাৰিলেহে চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে ভাষা জননীৰ পূজাৰীসকলৰ আত্মাই সৰগতো চিৰশান্তি লভিব।

## নেহৰু ষ্টেডিয়াম আৰু অ'ভাৰব্ৰীজ

তৎপৰতাৰ য'ত অতি আৱশ্যক, তাতেই কিবা নহয় কিবা এটা আহুকালৰ কাৰণে কাম পিচুৱাই যোৱা কথাষাৰ ইমান সাধাৰণ হৈ পৰিছে যে ভাবিলে আচৰিতেই হ'ব লাগে। এটি উদাহৰণস্বৰূপে, অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী নগৰৰ অতি ব্যস্ত এটি আলিবাটৰ কথালৈকে মন কৰক। নেহৰু ষ্টেডিয়ামৰ পৰা ৰে'ল লাইনৰ ওপৰেৰে পোনে পোনে প্ৰদেশ কংগ্ৰেছ কাৰ্যালয়ৰ কাযেৰে তাৰিণী চৌধুৰী ছোৱালী স্কুলৰ দাঁতিত গোপীনাথ বৰদলৈ ৰোডৰ লগত লগ হৈছে এই আলিবাটটো। অতি ব্যস্ত জনপথটো অধিক স্বাচ্ছন্দ্যৰে ব্যৱহাৰ কৰাৰ সুবিধাৰ বাবে এই আলিবাটৰ ৰে'ল লাইনৰ ওপৰেৰে যোৱা ছোৱাৰ ওপৰত এখন অভাৰব্ৰীজ নিৰ্মাণ কৰাৰ কাম চৰকাৰে ৰাইজৰ দাবীৰ ভেটিতে গা-পাতি লৈছিল।

আনহাতে ষ্টেডিয়াম, বি বৰুৱা কলেজ, ছোৱালী উচ্চ মাধ্যমিক স্কুল আদিলৈ নিতৌ আহ-যাহ কৰা হেজাৰ হেজাৰ লোকৰ যাতে আলৈ-আহুকাল নহয়, তাৰ বাবে এই পথটি ব্যৱহাৰৰ অনুপযোগী হিচাপে বেছিদিন নৰখাৰ কথা চৰকাৰে মানি লৈছিল। এই বছৰৰ ৩১ অক্টোবৰৰ ভিতৰত পুনৰ এই পথ ব্যৱহাৰৰ উপযোগী হ'ব বুলি কোৱাও হৈছিল। কিন্তু কাম-কাজত যি গতি দেখা গৈছে আৰু বিভিন্ন চৰকাৰী বিভাগৰ মাজত সমন্বয়ৰ অভাৱ যেনেদৰে পৰিলক্ষিত হৈছে, তাৰ পৰা ভয় হয় যে এই জনপথটো পুনৰ যাতায়তৰ উপযোগী হ'বলৈ বহু মাহ লাগিব। কেন্দ্ৰীয় ৰে'লৱে বিভাগ, ৰাজ্যিক গড়কাপ্তানি বিভাগে আৰু বিজুলী সৰবৰাহ বিভাগৰ মাজত সমন্বয়ৰ অভাৱৰ কাৰণে হেনো গড়কাপ্তানি বিভাগে এটা কাম কৰিবলৈ গ'লে ৰে'লৱে বিভাগৰ পৰা বাধা পায়, বিজুলী সৰবৰাহ বিভাগৰো সহযোগ নেপায়।

এনে এটা অৱস্থাত, অ'ভাৰব্ৰীজৰ কাম অতি শ্লথ গতিৰে আগবঢ়াটো স্বাভাৱিক। তাৰ ফলত ক্ৰমবৰ্ধিত এই নগৰৰ হেজাৰ হেজাৰ নাগৰিকৰ দৈনন্দিন জীৱনযাত্ৰাত এটা অন্তৰায়ৰ সৃষ্টি হৈ আছে। ইপিনে খেল-ধেমালি চোৱা লোকৰ অসুবিধা বাঢ়িছে ; ৰিক্সা আদি যানবাহনত নাগৰিকসকলৰ তিনি-চাৰিগুণ অধিক ভৰণি হৈছে ; নিৰ্মাণ কাৰ্যৰ ওচৰত এটা অস্বাস্থ্যকৰ পৰিৱেশ গঢ়ি উঠিছে ; জুৱাখেল-চোৰাং মদ আদিৰ আড্ডাও তাত গঢ়ি উঠিছে। মুঠতে সামাজিক-অৰ্থনৈতিক— সকলো দিশৰ পৰাই, এই নিৰ্মাণ কাৰ্যত তৎপৰতাহীনতাই এটা বিৰাট বিসংগতিৰ সৃষ্টি কৰিছে। আনহাতে আমাৰ নেহৰু ষ্টেডিয়ামত ব্ৰহ্মদেশৰ ৰাষ্ট্ৰীয় ফুটবল দলে ভাৰতীয় দলৰ লগত এখন টেষ্ট মেচ খেলাৰ ব্যৱস্থা কৰা হৈছে। সেই খেল জানুৱাৰী মাহত হ'ব। সদৌ অসম হাৰ্ড কোৰ্ট টেনিচ প্ৰতিযোগিতাও নেহৰু ষ্টেডিয়ামতে জানুৱাৰীৰ প্ৰথম সপ্তাহত হ'ব, আৰু তাত প্ৰথমবাৰলৈ এছীয় জুনিয়ৰ চেম্পিয়ন গৌৰৱ মিশ্ৰ আৰু বিখ্যাত খেলুৱৈ অমৃতৰাজ ভাতৃদ্বয় শ্যাম মিনোত্ৰা আদিয়ে যোগ দিয়াৰ কথা। যদি জানুৱাৰী মাহতো ষ্টেডিয়ামৰ সমুখৰ এই পথটিৰ অৱস্থা বৰ্তমানৰ দৰেই থাকে, তেনেহ'লে ক্ৰীড়ামোদী বহু নাগৰিকে অশেষ অসুবিধা ভোগ কৰিব লাগিব। গুৱাহাটীৰ দৰে ক্ৰমবৰ্ধমান নগৰ এখনত নগৰ উন্নয়ন বিভাগ,

মিউনিচিপেলিটি আদিৰ নিষ্ক্ৰিয়তা দেখিলে শিয়ৰি উঠিব লাগে। জধে-মধে উপযোগী আলিবাট নৰখাকৈ, পানী ওলোৱা নৰ্দমা নৰখাকৈ, চুবুৰীয়া ঘৰ চেঁচুকত এন্ধাৰ কৰি দুমহলা-তিনিমহলা উঠিবই লাগিছে। স্বাস্থ্য ৰক্ষা, মলিয়ন পানী জমা নোহোৱা আদি কথালৈ যেন মন কৰোতা কোনো নাই। ক'ৰবাত আলিবাটে দাঁত নিকটাই থাকে, ক'ৰবাত আলিবাটৰ ওপৰত নতুন ঘৰৰ চালৰ পানী পেলোৱা হয়। অ'ভাৰব্ৰীজখন হ'লেও, তাৰ দাঁতিত পৰা মানুহবোৰৰ স্বাস্থ্যৰক্ষা আদিৰ বিষয়ে মনোযোগ দি ড্ৰেইন আদি নিৰ্মাণৰ প্ৰশ্নও উঠিব। সেইবোৰ কামো লগে লগে কৰা উচিত। এনে এটা অৱস্থাত আমি ৰাইজক তেওঁলোকৰ নাগৰিক স্বত্ব সম্পৰ্কে সক্ৰিয়ভাৱে সজাগ হ'বলৈ সকীয়াই দিওঁ ; লগতে চৰকাৰকো জনাওঁ যে দীৰ্ঘসূত্ৰী পৰিৱেশ আঁতৰাই এনেবোৰ কামৰ বিষয়ে যেন অধিক তৎপৰ হয়। নহ'লে মহানগৰ হোৱাৰ লগতে গুৱাহাটী বিশৃংখল ৰোগগ্ৰস্ত অঞ্চল এটাতহে পৰিণত হ'বগৈ।

<u>বৃহস্পতিবাৰ, ৩০ নৱেম্বৰ, ১৯৬৭ চন</u>

# পৰিকল্পনাৰ ছুটী

কেন্দ্ৰীয় মন্ত্ৰীসভাই 'পৰিকল্পনাৰ ছুটী' অনুমোদন কৰাৰ কথা প্ৰকাশ পাইছে। তৃতীয় পৰিকল্পনা শেষ হোৱাৰ পাচত তিনিটা বছৰ বাৰ্ষিক পৰিকল্পনাৰ দ্বাৰা শেষ কৰি ১৯৬৯ চনৰ পৰা চতুৰ্থ পৰিকল্পনা আৰম্ভ কৰিব লাগে বুলি নতুনকৈ গঠিত পৰিকল্পনা আয়োগে দিয়া পৰামৰ্শ গ্ৰহণ কৰা হৈছে।

পৰিকল্পনাৰ ক্ৰম ব্যাহত হ'ব লগা হ'ল কিয় ? তিনিটা পৰিকল্পনা ভালে বেয়াই শেষ কৰাৰ পাচত চতুৰ্থ পৰিকল্পনাৰ বেলিকা থমকি ৰ'ব লগা হ'ল কিয় ? সাধাৰণ নিৰ্বাচন নাইবা দুবছৰজোৰা অনাবৃষ্টিজনিত খাদ্যাভাৱৰ কাৰণেই পৰিকল্পনা স্থগিত ৰাখিব লগা হ'লনে ? এনে প্ৰশ্নৰ উত্তৰ বহুত হ'ব পাৰে। কিন্তু সকলোৰে মূলত এটা প্ৰশস্ত উত্তৰ আছে। সেয়ে হৈছে— পোন্ধৰ বছৰৰ পৰিকল্পিত অৰ্থনৈতিক প্ৰচেষ্টাৰ মূৰতো আমাৰ দেশৰ ঔদ্যোগিক উন্নয়ন পৰমুখাপেক্ষী হৈয়ে ৰ'ল। এই উত্তৰৰ ব্যাখ্যা দিবলৈ যাওঁতেহে আভ্যন্তৰীণ সম্পদ আহৰণৰ অক্ষমতা, বিদেশী ঋণৰ ওপৰত নিৰ্ভৰশীলতা, কৃষিক্ষেত্ৰৰ বিপৰ্যয়, ঔদ্যোগিক উৎপাদনৰ মন্দাৱস্থাৰ কথা উল্লেখ কৰিব লগা হয়। চতুৰ্থ পৰিকল্পনাৰ ৰূপ কি হ'ব আৰু তাৰ বাবে বিত্তীয় সম্পদ ক'ৰ পৰা আহৰণ কৰা হ'ব তাৰ সিদ্ধান্ত ল'ব নোৱাৰা বাবেই তিনি বছৰীয়া 'ছুটী'ৰ প্ৰয়োজন হ'ল।

এই পটভূমিত বৰ্তমানৰ পৰিকল্পনা আয়োগে গোটেই প্ৰশ্নটো নতুনকৈ বিবেচনা কৰিবলৈ লৈছে। অধ্যাপক গেডগিলে আভ্যন্তৰীণ সম্পদৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে আৰু তাকে কৰি তেওঁ বাস্তৱমুখী দৃষ্টিভংগী গ্ৰহণৰ ইংগিত দিছে। পৰিকল্পনাৰ কাগজ-পত্ৰত বৃহৎ লক্ষ্য লিপিবদ্ধ কৰাত অসুবিধা নিশ্চয় নাই কিন্তু সেই লক্ষ্যত উপনীত হোৱাৰ সামৰ্থ্য আহৰণ কৰাটো সুকীয়া কথা। সেই দুয়োটা একে বুলি গ্ৰাহ্য কৰা বাবেই তিনিটা পৰিকল্পনায়ো ভাৰতৰ কাৰণে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব নোৱাৰিলে। যি বুনিয়াদৰ ভিত্তিত নতুন পৰিকল্পনাৰ ৰূপায়ণ সহজ হ'লহেঁতেন। অথচ ঔদ্যোগিক ক্ষেত্ৰত বৃহৎ লক্ষ্য গ্ৰহণৰ কাৰণেই কৃষিৰ প্ৰতি অজ্ঞাতসাৰে হ'লেও উপেক্ষা কৰা হ'ল।

তথাপি, সকলোৱে স্বীকাৰ কৰিব লাগিব যে বৰ্তমানৰ যুগটোত পৰিকল্পিত অৰ্থনৈতিক প্ৰচেষ্টাৰ বাহিৰে

গত্যন্তৰ নাই। সেই কাৰণে, চৰকাৰে নাইবা পৰিকল্পনা আয়োগে যদি স্বতন্ত্ৰ পাৰ্টিৰ নেতাই দাবী কৰা মতেই পৰিকল্পনাৰ প্ৰশ্নটোত মনোভাৱ গ্ৰহণ কৰিছে তেন্তে সি মংগলৰ কথা নহ'ব। পৰিকল্পনাৰ ক্ৰম ব্যাহত হ'বলৈ নিদিয়া হ'লেহে চৰকাৰৰ কৃতিত্ব প্ৰদৰ্শিত হ'লহেঁতেন। যি হওক এতিয়া তিনিটা পৰিকল্পনাৰ ভুল-ত্ৰুটিৰ অভিজ্ঞতাৰে চতুৰ্থ পৰিকল্পনা ৰচনা কৰি তাক কৃতকাৰ্য কৰিবলৈ দৃঢ়তা লোৱা দৰকাৰ। আমাৰ চৰকাৰে মনত ৰখা উচিত যে পৰিকল্পিতভাৱে দেশখনৰ অৰ্থনৈতিক উন্নয়ন নহ'লে ৰাজনৈতিক সুস্থিৰতাও সম্ভৱ নহয় আৰু সেইবাবে পৰিকল্পনাৰ ওপৰত গুৰুত্ব আৰোপ নকৰিলে নচলে।

# বিদেশী মিছনেৰী

ভাৰতত বিদেশী মিছনেৰীৰ কাৰ্য্যকলাপ সম্পৰ্কে বিভিন্ন মহলত ভালেমান দিনৰ আগৰ পৰা আলোচনা চলিছে। অসমৰ পাৰ্বত্য জিলাকেইখন আৰু নগা পাহাৰত এই যাজক দলৰ ভূমিকা সম্পৰ্কে সিদিনা ৰাজ্যসভাতো প্ৰশ্ন উত্থাপিত হৈছিল। অসমৰ দৰে সীমান্তস্থিত ৰাজ্যখনত কোনো লোকৰে 'ৰাষ্ট্ৰবিৰোধী আৰু ভাৰত বিদ্বেষী" কাৰ্য চলিবলৈ দিব নোৱাৰি। কিন্তু অসমৰ বিশেষকৈ পাৰ্বত্য অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত এক শ্ৰেণীৰ বিদেশী যাজকে তেনে কাৰ্য্য চলাই যাবলৈ সুযোগ উলিয়াই লৈছে। সেই কথা চৰকাৰে গম নেপালেও অসমৰ জনসাধাৰণে ভালদৰে জানে।

এটা কথা সকলোৱে উপলব্ধি কৰিব পাৰে যে বিদেশী মিছনেৰীসকলৰ ভাৰতীয় ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য থকাৰ কোনো প্ৰয়োজন নাই। কোনো এটা ধৰ্মমত প্ৰচাৰ কৰিবলৈ যাওঁতে ধৰ্ম প্ৰচাৰকে আন ধৰ্মতকৈ নিজ ধৰ্মৰ মত উৎকৃষ্ট বুলি বুজাব নোৱাৰিলে বিনা অস্ত্ৰেৰে ধৰ্ম প্ৰচাৰ সম্ভৱ নহয়। বিদেশী মিছনেৰীসকলো তাৰ ব্যতিক্ৰম নহয়। তেওঁলোকে ভাৰতত প্ৰচলিত আন ধৰ্মতকৈ খৃষ্টান ধৰ্ম শ্ৰেষ্ঠ বুলি পতিয়ন নিয়াইহে সেই ধৰ্ম প্ৰচাৰ কৰিব পাৰে। তাকে কৰিবলৈ যাওঁতে স্থানীয় ধৰ্ম, স্থানীয় লোক আৰু সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বাধ্যত পৰি হ'লেও দুই-চাৰি আষাৰ কথা যাজকসকলে ক'ব লগা হয়। এনে কাৰণত বিদেশী খৃষ্টান যাজকসকলে যে ভাৰতীয় ৰাষ্ট্ৰ, ভাৰতত প্ৰচলিত সমাজ ব্যৱস্থা আৰু জনসাধাৰণৰ গুণ কীৰ্তন কৰি জনজাতীয় লোকসকলৰ মাজত ধৰ্ম প্ৰচাৰ নকৰে সি দেখা কথা। এইদৰে, ধৰ্ম প্ৰচাৰ কৰিবলৈ যাওঁতেই বিদেশী মিছনেৰীয়ে ভাৰতৰ লোকসকলৰ মাজত অনৈক্যৰ বীজ সিঁচিছে। তেওঁলোকৰ কিছুমান আকাংক্ষা হয়তো সুদূৰপ্ৰসাৰী— ভাৰতত বিশৃংখলাৰ সৃষ্টি কৰা, সুকীয়া ৰাষ্ট্ৰ সমাজ ব্যৱস্থা প্ৰৱৰ্তন কৰা। কিন্তু যিবিলাক বিদেশী মিছনেৰীৰ তেনে ৰাজনৈতিক অভিসন্ধি আৰু দুৰাকাংক্ষা নাই, তেওঁলোকে ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকূলে কাম কৰিছে বুলি ধাৰণা লোৱা বুদ্ধিমানৰ কাম নহ'ব। খৃষ্টান ধৰ্মৰ প্ৰচাৰ কাৰ্য দেশীয় যাজকসকলৰ দ্বাৰাও চলাব পাৰি, যিসকলে অন্ততঃ ভাৰতীয় ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বত বিশ্বাস ৰাখে।

সেই কাৰণে ভাৰতত বিদেশী মিছনেৰীৰ স্থান দেশীয় মিছনেৰীয়ে ল'ব লাগিব। বিদেশৰ খৃষ্টান সমাজে যদি নিজ বদান্যতাৰে ভাৰতীয়ক বিভিন্ন ক্ষেত্ৰত সহায় কৰিব খোজে তেন্তে, তেওঁলোকৰ নিজা মানুহ নপঠোৱাকৈও সেই কাম কৰিব পাৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ৰাজ্যসভাত কৈছে যে অনুভূতি প্ৰৱণ অঞ্চলবিলাকৰ পৰা লাহে লাহে বিদেশী মিছনেৰী অপসাৰণ কৰাটো ভাৰত চৰকাৰৰ নীতি। বিদেশী মিছনেৰীৰ বিৰুদ্ধে বিশেষ অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ কৰা হ'লেই তাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এইবিলাক ঘোষণা শ্ৰুতিমধুৰ কিন্তু কাৰ্যক্ষেত্ৰত সেয়ে হৈ নুঠাতহে যতমানে অসুবিধা ঘটে। ক্ৰমান্বয়ে সীমান্ত অঞ্চলৰ পৰা বিদেশী মিছনেৰী অপসাৰণ কৰিবলৈ কিমান দিন লাগিব ভাৰত চৰকাৰে নিশ্চয়তা দি ক'ব নোৱাৰে। বিদেশী মিছনেৰীৰ বিৰুদ্ধে বিশেষ অভিযোগ উত্থাপন কৰি চৰকাৰৰ ওচৰত তাক সাব্যস্ত কৰাৰ দায়িত্বটো জনসাধাৰণৰ নিশ্চয় নহয়।

সেইবাবেই দেশৰ মংগলাকাংক্ষী লোকসকলে বিবেচনা কৰে যে উত্তেজনা আৰু আশংকাপূৰ্ণ অঞ্চলৰ পৰা অনতিবিলম্বে বিদেশী মিছনেৰীক আঁতৰ কৰা নহ'লে বৰ্তমানৰ বিপদ দূৰ নহয়।

❍❍❍